TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# প্ৰতীতি

## তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ নিৰ্বাচিত প্ৰবন্ধ সংকলন

(১৯৭০–২০১৫)



প্রতীতি

TINSUKIA COLLEGE LIBRARY * ESTD 1956 * TINSUKIA, ASSAM

# প্ৰতীতি

সম্পাদক ঃ
দেৱানন্দ ভট্টাচাৰ্য্য
নীলিম জ্যোতি সেনাপতি

হীৰক জয়ন্তী উদ্‌যাপন সমিতি
তিনিচুকীয়া মহাবিদ্যালয়
২০১৭

**PRATEETI:** A collection of selected articles in Assamese from Tinsukia College Magazine (1970-2015), edited by Debananda Bhattacharyya and Dr. Nilim Jyoti Senapati and published by Diamond Jubilee Celebration Committee, Tinsukia College in 2017.

প্ৰথম প্ৰকাশঃ
এপ্ৰিল, ২০১৭ চন

© প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

প্ৰকাশকৰ লিখিত অনুমতি অবিহনে এই সংকলনৰ কোনো অংশৰে কোনো ৰূপৰ পুনৰ উৎপাদন বা প্ৰতিলিপি কৰিব নোৱাৰিব। এই চৰ্ত উলংঘা কৰিলে উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

এই গ্ৰন্থত (প্ৰতীতি) প্ৰকাশিত সমূহ প্ৰবন্ধৰ বিষয়বস্তু তথা মতাদৰ্শ লেখকসকলৰ ব্যক্তিগত চিন্তা-চেতনাৰ প্ৰকাশ আৰু তাৰ বাবে সম্পাদনামণ্ডলী দায়বদ্ধ নহয়। প্ৰকাশিত প্ৰবন্ধসমূহৰ চিন্তা, ধৰণা, মতবাদ, আদৰ্শ অথবা বক্তব্যই কোনোপধ্যেই সম্পাদনা মণ্ডলীৰ চিন্তা বা আদৰ্শ প্ৰতিফলিত নকৰে।

প্ৰকাশক ঃ
তিনিচুকীয়া মহাবিদ্যালয় হীৰক জয়ন্তী উদ্‌যাপন সমিতি

ISBN-978-93-83308-67-5

মূল্যঃ
২২০.০০ টকা

মুদ্ৰণঃ
দি অসম কম্পিউটাৰচ্
তিনিচুকীয়া- ৭৮৬১২৫
দূৰভাষ- ০৩৭৪ ২৩৩০৪২৪

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA ASSAM

# প্ৰতীতি

**সম্পাদনা সমিতি ঃ**

**উপদেষ্টা ঃ**
*ড° অপূৰ্ব ভাস্কৰ গগৈ*
*অঞ্জনা গোস্বামী*

**সম্পাদক ঃ**
*দেৱানন্দ ভট্টাচাৰ্য্য*
*ড° নীলিম জ্যোতি সেনাপতি*

**সহ সম্পাদক ঃ**
*সুশান্ত কৰ*
*সূৰ্য্য চুতীয়া*
*মনিকা দাস*

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# উছৰ্গা

তিনিচুকীয়া মহাবিদ্যালয়ৰ
প্ৰতিজন প্ৰাক্তন অধ্যাপক-অধ্যাপিকা,
ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ
হাতত কৃতজ্ঞতাৰে —

COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# সূচীপত্ৰ

দুৱাৰ ডলিত / ক

লোক–সাহিত্যত ঃ চহা জীৱনৰ জিলিঙনি
*সাধন চন্দ্ৰ সোণোৱাল* / ১

স্বাধীনতা, সমাজবাদ আৰু আমি
*ভূপেন বৰগোহাঞি* / ৭

আমোলাতন্ত্ৰৰ আমোল মোল
*কনক চন্দ্ৰ বৰা* / ১৬

স্থায়ী যৌৱন জানো সম্ভৱ
*প্ৰদীপ কুমাৰ সিংহ* / ২৬

সাহিত্য অধ্যয়ন
*ৰূপলেখা চেতিয়া* / ৩১

বিহুগীতত জাতীয় সমাজৰ চিত্ৰ
*অনিতা বৰদলৈ* / ৩৮

কবি দেৱকান্ত বৰুৱাৰ *সাগৰ দেখিছা* ?
*শঙ্কৰ কাকতি* / ৪৯

আধুনিক অসমীয়া কবিতাত — জনমানস
*পাৰুল তালুকদাৰ* / ৫৬

নাস্তিকতাৰ আৱশ্যকতা
*সৰোজ কুমাৰ দত্ত* / ৬৭

ভবেন শইকীয়াৰ '*শৃংখল*' ঃ এটি মূল্যায়ন
*মদন শৰ্মা* / ৭৩

দুজন মহাত্মা ঃ মাৰ্ক্স আৰু গান্ধী
*ড° বিপিন চেতিয়া* / ৮১

চাহ মজদুৰৰ কৃষ্টি–সংস্কৃতি
*কুমাৰী প্ৰণতি খনিকৰ* / ৮৯

বিহু আৰু হুঁচৰি
*নোমল গগৈ* / ৯৩

অনাতাঁৰ আৰু নিৰপেক্ষতা
*ৰাজু কুমাৰ চাংমাই* / ১০২
ৰক্তবন্যাৰে ঢৌত অসমৰ নিৰ্বাচনটো
*সন্দীপ কুমাৰ চেতিয়া* / ১০৫
মিছিং জনজাতিৰ বিহুগীত, ঐনিতম আদিৰ গীতৰ সুৰেৰে নাৰীৰ মনোবেদনা
*জিতেন গগৈ* / ১১৬
লেটিন আমেৰিকাৰ ভিয়েটনাম
*মানস তামুলী* / ১২০
সাহিত্য আৰু চলচিত্ৰ
*অজিত চন্দ্ৰ ফুকন, মানস তামুলী* / ১২৯
ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ ইতিহাস
*ৰূপাঞ্জলী শৰ্মা* / ১৪১
অসম আন্দোলন ঃ এটি পৰ্যালোচনা
*ৰীতা বৰঠাকুৰ* / ১৫০
প্ৰতিফলন তত্ত্ব আৰু শিল্প–সাহিত্য
*ভুবন গগৈ* / ১৬২
নাট্য সাহিত্য সম্পৰ্কে
*প্ৰদ্যুত কুমাৰ বৰুৱা* / ১৬৭
দুটি সূৰুযৰ ৰহস্য
দিলীপ মৰাণ / ১৭২
শব্দ–শিল্প–ভাষা–কৱিতা
*ভুবন গগৈ* / ১৭৭
লোককৃষ্টিৰ বিশ্লেষণ
*অপূৰ্ব ভাস্কৰ গগৈ* / ১৮৬
সংস্কৃতিৰ সংগ্ৰামত শিল্প–সাহিত্য
*কনক কুমাৰ চন্দ* / ২০৪
সাংবাদিকতাৰ ইতিহাস ভাৰতীয় আৰু আন্তৰ্জাতিক সাংবাদিকতাৰ প্ৰসংগ
*বিকাশ মৰাণ* / ২১২
মই আকৌ উভতি আহিছোঁ কৃষ্ণ নগৰলৈ
*সীমাজ্যোতি বৰুৱা* / ২১৭
অসমীয়া কৱিতাত মহিলা কৱিৰ কণ্ঠ
*ৰূপেশ্বৰ গগৈ* / ২২৫
তচলিমা নাছৰিনৰ নাৰীমুক্তি ঃ কবিতাৰ দাপোনত
*কনক কুমাৰ চন্দ* / ২৩০
এখন উপন্যাসৰ জন্ম হ'ল
*সঞ্জীৱ পাটোৱাৰী* / ২৩৯
আধুনিক অসমীয়া কবিতাৰ ৰূপৰেখা আৰু সাম্প্ৰতিক কালৰ কবিতাত এভুমুকি
*বন্তি সন্দিকৈ* / ২৪৮
বৰ্তমান কালৰ গড়াহত বিহু
*মৃগাঙ্ক বৰা* / ২৫৩
বৈজ্ঞানিক দৃষ্টিত শঙ্কৰদেৱ
*মৃদুল চন্দ্ৰ ডেকা* / ২৬২
অনন্ত নলাৰ সন্ধানত
*ঋতু বৰুৱা* / ২৬৭
অসমৰ নাৰী – অতীত আৰু বৰ্তমানৰ
*জয়া ভৰালী হাজৰিকা* / ২৭৬
মাগুৰী মতাপুং বিল
*নিৰন্ত গোহাঁই* / ২৮১
নাটক আৰু মঞ্চ
*কনক কলিতা* / ২৮৫
মানৱজাতি আৰু জাত–পাত
*ড° অপূৰ্বভাস্কৰ গগৈ* / ২৯০
বিহংগম দৃষ্টিৰে তিনিচুকীয়া মহাবিদ্যালয়ৰ আলোচনীৰ এক পৰ্যালোচনা
*লক্ষীন্দ্ৰ দাস, দীপক কুমাৰ সেনাপতি* / ৩০৯
তিনিচুকীয়া জিলাৰ 'ক'লা হীৰা' অসমৰ মূল্যৱান খনিজ সম্পদ এটি পৰ্যালোচনা
*ধৰণী উৰাং* / ৩৩১
মোমাই তামুলী বৰবৰুৱা আৰু লাচিত বৰফুকন
*ড° নোমল গগৈ* / ৩৩৮
সপোন ঃ নিদ্ৰিত অৱস্থাৰ ৰোমাঞ্চকৰ অভিজ্ঞতা
*ড° বন্দনা পূজাৰী* / ৩৪৫
অথঃ গুঞ্জন কথা ঃ মানুহৰ 'আদিম অদৰকাৰী কাম'ৰ কথা
*সুশান্ত কৰ* / ৩৫৬

অসমত ভাষাৰ অধ্যয়ন
*মানসী ৰাজখোৱা* / ৩৬৬
ইতিহাস চৰ্চা আৰু ড° সূৰ্য্যকুমাৰ ভূঞা
*অঞ্জনা গোস্বামী* / ৩৭২
বাৰেকুৰিৰ ঐতিহ্য ঃ এটি অৱলোকন
*মানৱ চুতীয়া* / ৩৭৫
তিনিচুকীয়া — ইতিহাসৰ পম খেদি
*খগেন শইকীয়া* / ৩৮২
বিশ্বায়নৰ দৌৰাত্ম্য আৰু চাইবাৰ অপৰাধ
*জ্যোতিৰ্ময় দত্ত* / ৩৯০
তলসৰা শেৱালিৰ সুবাস
*ড° জ্যোতি প্ৰসাদ চলিহা* / ৩৯৫
কলাগুৰু বিষ্ণু ৰাভাৰ আভা
*মনোৰঞ্জন মৰাণ* / ৪০৩
বিহুগীতত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ
*দিম্পী দাস* / ৪০৬
প্ৰেমৰ চিৰ নতুন ভাষা
*অক্ষয়জীৎ পোদ্দাৰ* / ৪১০
নাৰী আৰু আমাৰ সমাজ ব্যৱস্থা
*ময়ূৰী ঠাকুৰ* / ৪১৫
মূল্যবোধৰ ৰাজনীতি আৰু প্ৰকৃতিৰ পৰিৱেশৰ সুৰক্ষা
*বৈকুণ্ঠ দাস* / ৪২২
শদিয়াত ৰঙালী বিহুৰ বৈশিষ্ট্য
*সঞ্জীৱ গগৈ* / ৪২৬
গণশিল্পী জ্যোতিপ্ৰসাদ ঃ সংস্কৃতিৰ ধাৰণা আৰু ৰূপান্তৰৰ সাধনা
*নীলিমজ্যোতি সেনাপতি* / ৪৩২
কবিতাৰ সংজ্ঞা আৰু সাম্প্ৰতিক অসমীয়া কবিতা
*দেৱানন্দ ভট্টাচাৰ্য্য* / ৪৪১
চিত্ৰকলা আৰু ভাস্কৰ্যত অসম
*ভূপেন সন্দিকৈ* / ৪৪৬
অসমৰ লোক-সংস্কৃতিত 'বিশ্বাস'
*নিবন ডেকা* / ৪৫৪



ESTD 1956 TINSUKIA, ASSAM

# দুৱাৰ-ডলিত ...

(১)

মহাবিদ্যালয় আলোচনী এখন কম-বেছি পৰিমাণে মহাবিদ্যালয় এখনৰ বৌদ্ধিক আৰু বিদ্যায়তনিক পৰিৱেশৰ ক্ষুদ্ৰ দলিল হিচাপে স্বীকৃত। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীত ছপা হোৱা ছাত্ৰ-শিক্ষকৰ ৰচনাৰাজিয়ে এক নিৰ্দিষ্ট সময়ৰ বিভিন্ন দিশত আলোকপাত কৰাৰ অৱকাশৰ উপৰিও সেই সময়ৰ চিন্তা তথা মননক প্ৰতিফলিত কৰে। সেয়েহে, এখন মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশিত লেখাসমূহৰ এক সামগ্ৰিক ঐতিহাসিক গুৰুত্ব থাকে। মহাবিদ্যালয় আলোচনী এখন বহু সময়ত হৈ উঠে মুক্ত চিন্তাৰ কঠীয়াতলী — য'ত অংকুৰিত হয় ভৱিষ্যতৰ বহু সাহিত্য প্ৰতিভাৰ প্ৰথম বীজ। মহাবিদ্যালয় আলোচনী এখনৰ পুৰণি সংখ্যাৰ পাত লুটিয়ালে দেখা পোৱা যায় পিছৰ কালত সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত হোৱা বহু তৰুণৰ কলেজীয়া দিনৰ সাহিত্য-চৰ্চাৰ চানেকি। তেনেকৈ, পুৰণি আলোচনীৰ হেৰাই যোৱা পৃষ্ঠাই পুনৰ আৱিষ্কাৰ কৰিব পাৰে পাছৰ কালত অন্য ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈ লেখা-মেলাৰ জগতৰ পৰা আঁতৰি অহা একোজন তাহানিৰ তৰুণৰ যৌৱনদীপ্ত লেখা। ঠিক তেনেকৈ কলেজ আলোচনীৰ সীমিত পৰিসৰত বৃহৎ পাঠক-সমাজৰ অগোচৰে হেৰাই যায় বহু তথ্য সমৃদ্ধ উচ্চমানৰ লেখা। সেয়েহে কলেজ আলোচনীসমূহত প্ৰকাশিত লেখাসমূহৰ গ্ৰন্থাকাৰে সংকলনৰ প্ৰয়োজন। পুৰণি লেখাসমূহৰ গ্ৰন্থৰূপত পুনৰ প্ৰকাশে বৰ্তমানৰ পাঠকক এক নতুন আৱিষ্কাৰৰ আনন্দ দিয়াৰ উপৰিও ভৱিষ্যতৰ পাঠকৰ বাবে এক ঐতিহাসিক দলিল ৰূপে ধৰা দিয়ে। অসমত মহাবিদ্যালয় আলোচনী প্ৰকাশৰ এক গৌৰৱোজ্জ্বল ইতিহাস

আছে আৰু এই আলোচনীসমূহৰ অসমৰ শৈক্ষিক, বৌদ্ধিক জগতলৈ যথেষ্ট অৰিহণা আছে। অসমৰ প্ৰথম কলেজ, কটন কলেজ প্ৰতিষ্ঠা হৈছিল ১৯০১ চনত আৰু কলেজৰ আলোচনী 'কটনিয়ান' প্ৰকাশিত হৈছিল ১৯২২ চনত। সেই ঐতিহ্য ৰক্ষা কৰি অসমৰ অন্যান্য মহাবিদ্যালয়সমূহেও নিজা নিজা বাৰ্ষিক আলোচনী প্ৰকাশ কৰি আহিছে। তিনিচুকীয়া মহাবিদ্যালয়ো তাৰ ব্যতিক্ৰম নহয়। উজনি অসমৰ অন্যতম বাণিজ্যিক চহৰ তিনিচুকীয়াত অৱস্থিত তিনিচুকীয়া মহাবিদ্যালয় প্ৰাৰম্ভিক ভাৱে শৈক্ষিক আৰু বৌদ্ধিক আন্দোলনৰ বাঘজৰী লৈ ১৯৫৬ চনৰ পৰাই জ্ঞানৰ আলোকেৰে আলোকিত হৈ আজি ৬০ বছৰ অতিক্ৰম কৰি 'হীৰক জয়ন্তী'ত উপনীত হৈছে। আৰু আৰম্ভণিৰ কেইবছৰমান বাদ দি ১৯৭০ চনৰ পৰাই প্ৰায় ধাৰাবাহিক ভাৱে তিনিচুকীয়া মহাবিদ্যালয় আলোচনী *মনীষা* প্ৰকাশ পাই আহিছে আাৰু সাহিত্য-সংস্কৃতি চৰ্চাৰ এক সুন্দৰ পৰিৱেশ সূচনা কৰাত প্ৰচুৰ অৰিহণা যোগাইছে। এই কথা অনস্বীকাৰ্য্য যে বাৰ্ষিক আলোচনী প্ৰকাশৰ গৌৰৱময় ঐতিহ্যৰ ধাৰা তিনিচুকীয়া মহাবিদ্যালয়ে আজিও বহন কৰি আহিছে।

(২)

সাহিত্যত গল্প, উপন্যাস, কবিতাতকৈ প্ৰবন্ধৰ স্থান কিছু সুকীয়া। কিয়নো সাহিত্যৰ অন্যান্য শাখাতকৈ প্ৰবন্ধত থাকে সমস্যাৰ উপস্থাপন আৰু সমাধানৰ উপায়। যি কি নহওক তিনিচুকীয়া মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ কেন্দ্ৰীয় সমিতিয়ে আমাক তিনিচুকীয়া মহাবিদ্যালয়ৰ বিগত বৰ্ষবোৰৰ আলোচনীসমূহৰ 'নিৰ্বাচিত প্ৰবন্ধ' সংকলন সম্পাদনা কৰাৰ গধুৰ দায়িত্ব অৰ্পণ কৰে। 'তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ নিৰ্বাচিত প্ৰবন্ধ' সংকলন সম্পাদনা কৰাৰ ক্ষেত্ৰত আমি এক নিৰ্দিষ্ট নীতি অনুসৰণ কৰিবলৈ চেষ্টা চলাইছোঁ। প্ৰথমতেই, সম্পাদনা মণ্ডলী যিহেতু মুক্ত চিন্তাত বিশ্বাসী সেয়েহে লেখকৰ চিন্তা বা বক্তব্যত কোনো ধৰণৰ সালসলনি কৰা হোৱা নাই। দ্বিতীয়তে, সম্পাদনা কাৰ্য্যত একৰূপী বানান নীতি অনুসৰণ কৰা হোৱা নাই। যিহেতু অসমীয়া সাহিত্যত বানানৰ কোনো সৰ্বসন্মত নীতি নাই। এই ক্ষেত্ৰত সদাশয় লেখকৰ পদ্ধতিকেই



অবিকল ৰূপত ৰাখিবলৈ চেষ্টা কৰা হৈছে। মাত্ৰ যিক্ষেত্ৰত বানান বা শব্দ বিন্যাসে অৰ্থ বিভ্ৰান্তিৰ সৃষ্টি কৰিছে বা সম্ভাৱনাই দেখা দিছে, তেনে ক্ষেত্ৰতহে সম্পাদনাৰ হাত ফুৰোৱা হৈছে। এই সংকলনৰ প্ৰবন্ধসমূহ বাছনি কৰোঁতে কেৱল অসমীয়া ভাষাত লিখা প্ৰবন্ধকহে গ্ৰহণ কৰা হৈছে। সময়ৰ নাটনি আৰু কলেৱৰৰ আকাৰ হ্ৰাসৰ কথা ভাবিহে উক্ত সিদ্ধান্ত লোৱা হৈছে। যোৱা ৬০ টা বছৰত 'তিনিচুকীয়া মহাবিদ্যালয় আলোচনী'ৰ ৩৭ টা সংখ্যা প্ৰকাশ পাইছে যদিও মাত্ৰ ২৭ / ২৮ টা সংখ্যাহে আমাৰ হাতত পৰিছেহি। নিয়মিত ৰূপত প্ৰকাশ নোহোৱাটো আৰু সংৰক্ষণৰ অভাৱ ইয়াৰ এটা কাৰণ হ'ব পাৰে। যি কি নহওক আমাৰ হাতত থকা এই ২৭/ ২৮ টা সংখ্যাত যথেষ্ট সংখ্যক প্ৰবন্ধই ছপা হৈছিল যদিও সংকলনৰ কলেৱৰৰ প্ৰতি দৃষ্টি ৰাখি আমি প্ৰবন্ধসমূহ নিৰ্বাচনৰ ক্ষেত্ৰত যথেষ্ট কঠোৰ হ'ব লগা হোৱাত বহু ভাল প্ৰবন্ধও সংকলনৰ পৰা বাদ পৰি ৰ'ল। যাৰ বাবে আমি দুঃখিত। প্ৰবন্ধসমূহ নিৰ্বাচনৰ ক্ষেত্ৰত আমি প্ৰধানতঃ তিনিটা দিশৰ ওপৰত গুৰুত্ব দিছোঁ। প্ৰথমতে, তথ্যপূৰ্ণ, গৱেষণামূলক তথা বৰ্তমানো প্ৰাসংগিকতা থকা প্ৰবন্ধসমূহক পাৰ্য্যমানে সংকলনত ঠাই দিয়া হৈছে।

দ্বিতীয়তে, আমি সংকলিত কৰিছোঁ সমসাময়িক গুৰুত্বপূৰ্ণ প্ৰসংগ, ৰাজনৈতিক ঘটনা/পৰিঘটনাৰ বৰ্ণনা/বিশ্লেষণ কৰি লিখা কিছুসংখ্যক প্ৰবন্ধ, যাৰ বৰ্তমান প্ৰাসংগিকতা নাই যেন ধাৰণা হ'লেও এক ঐতিহাসিক মূল্য আছে আৰু এছোৱা গুৰুত্বপূৰ্ণ সময়ৰ প্ৰামাণ্য দলিল স্বৰূপে ভৱিষ্যত ইতিহাসৰ সমল হোৱাৰ যোগ্যতা আছে।

তৃতীয়তে, আমি বিশেষ গুৰুত্ব দিছোঁ তিনিচুকীয়া আৰু ইয়াৰ পাশ্বৱৰ্তী অঞ্চলৰ ভূগোল, সমাজ, সংস্কৃতি, ইতিহাস, অৰ্থনীতি, পৰিৱেশ আদি বিষয় প্ৰতিফলিত হোৱা প্ৰবন্ধসমূহৰ প্ৰকাশত। এই সংকলনত সংকলিত হোৱা একাধিক প্ৰবন্ধই আমাৰ উদ্দেশ্য পূৰণ কৰিব পাৰিছে বুলি আমাৰ ধাৰণা, কাৰণ এই প্ৰবন্ধসমূহে তিনিচুকীয়া জিলাখনৰ সংমিশ্ৰিত জনগাঁথনি তথা বৰ্ণিল সংস্কৃতিৰ ছবি দাঙি ধৰিবলৈ সফল হৈছে। তদুপৰি প্ৰবন্ধসমূহ নিৰ্বাচন কৰোঁতে আমি দৃষ্টি ৰাখিছোঁ যাতে ই প্ৰতিনিধিত্বমূলক হয়। সেয়ে

বিভিন্ন সময়ত প্ৰকাশিত বিভিন্ন বিষয়বস্তুৰ সম্পৰ্কে লিখা লেখাসমূহৰ মাজৰ পৰা সময় আৰু বিষয়বস্তুক প্ৰতিনিধিত্ব কৰা আমাৰ দৃষ্টিত উৎকৃষ্ট লেখাসমূহক ইয়াত ঠাই দিছোঁ।

বিশ্বায়নৰ প্ৰভাৱ সমগ্ৰ বিশ্বৰ সাহিত্য-সংস্কৃতি, সমাজলৈ অহাটো আমি লক্ষ্য কৰিছোঁ। বিশ্বায়নৰ প্ৰভাৱ অসমীয়া সাহিত্য-সংস্কৃতি আৰু সমাজ জীৱনলৈয়ো আহিছে আৰু সামগ্ৰিকভাৱে ইয়াৰ প্ৰতিফলন দেখা পাইছোঁ তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ শেহতীয়া সংখ্যাবোৰত। যাৰ বাবেই হয়তো ৯০ দশকৰ পৰৱৰ্তী সংখ্যাবোৰত প্ৰকাশিত 'লেখনী'ৰ মান সংখ্যাগত আৰু গুণগত উভয় দিশতে ক্ৰমান্বয়ে হ্ৰাস পোৱা যেন আমাৰ ধাৰণা হৈছে।

সম্পাদনাৰ ক্ষেত্ৰত স্বচ্ছতা আৰু নিৰপেক্ষতাৰ স্বাৰ্থত আমি এজন লেখকৰ এটা প্ৰবন্ধকহে স্থান দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিলোঁ। কিন্তু তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ সুদীৰ্ঘ যাত্ৰা কালত বহু কেইজন বিদ্বৎ অধ্যাপকৰ এনে বহু তথ্যপূৰ্ণ, গৱেষণামূলক তথা গভীৰ বিষয়বস্তুৰ প্ৰবন্ধ প্ৰকাশ পাইছে যে আমি তাৰ পৰা প্ৰবন্ধ নিৰ্বাচন কৰিবলৈ গৈ থমকি ৰ'ব লগাত পৰিলোঁ। তেনেকেইজন লেখকৰ ক্ষেত্ৰত আমি সম্পাদনাৰ নীতিৰ পৰা ফালৰি কাটি আহিবলৈ বাধ্য হ'লোঁ। যাৰ বাবে কেইবাজনো লেখকৰ একাধিক প্ৰবন্ধ এই সংকলনত প্ৰকাশ কৰা হ'ল। সেইক্ষেত্ৰত আমি নীতি ৰক্ষাতকৈ সংকলনৰ উদ্দেশ্য পূৰণৰ ক্ষেত্ৰতহে বেছি গুৰুত্ব দিছোঁ। কাৰণ আমাৰ মূল উদ্দেশ্য হ'ল মহাবিদ্যালয় আলোচনীৰ সীমিত পাঠক আৰু উঁৱলি যোৱা পৃষ্ঠাৰ মাজত বন্দী হৈ হেৰাই যোৱাৰ উপক্ৰম হোৱা মূল্যৱান লেখাসমূহ বহল পাঠক-সমাজৰ দৃষ্টিগোচৰ কৰা আৰু ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰা।

প্ৰবন্ধসমূহ সংকলন কৰোঁতে আমি সময়ৰ দিশটোতো গুৰুত্ব দিছোঁ। সেয়েহে আমি প্ৰবন্ধ নিৰ্বাচন এনেদৰে কৰিবলৈ চেষ্টা কৰিছোঁ যাতে ইয়াৰ মাজেদি বিভিন্ন প্ৰজন্মৰ ছাত্ৰ/শিক্ষকৰ ওপৰত বোৱঁতী সময়ৰ প্ৰভাৱ প্ৰতিফলিত হয়। প্ৰবন্ধসমূহ প্ৰকাশৰ ক্ষেত্ৰটো আমি কালানুক্ৰমিক নীতি অনুসৰণ কৰিছোঁ যাতে ইয়াৰ মাজেদি মহাবিদ্যালয় আলোচনীৰ ঐতিহাসিক ক্ৰমবিকাশৰ মূলতে কোনো ছপাশালে ভুল নেথাকিলে এখন স্পষ্ট প্ৰতিচ্ছবি ফুটি উঠে। আকৌ প্ৰাবন্ধিকসকলৰ মতামতক, দৃষ্টিভংগীক সন্মান জনাবলৈ গৈ আজিৰ সময়ে দাবী কৰিলেও প্ৰবন্ধসমূহৰ মূলতে কোনো ছপা ভুল নাথাকিলে সম্পাদনাৰ পৰা বিৰত আছো— যাতে মূল ছপা ৰূপৰ কোনো হীন-দেঢ়ি নঘটে।



(৩)

ছাত্ৰ হিচাপে, অধ্যাপক হিচাপে বিগত বছৰবোৰত বিভিন্নজন ব্যক্তিৰ নাম তিনিচুকীয়া মহাবিদ্যালয়ৰ লগত জড়িত হৈ পৰিছিল। বিভিন্নজনে এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি পাছলৈ সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈছিল অথবা হৈ আছে। তেনেদৰে বহুতো অধ্যাপকে ইয়াতেই শিক্ষকতা কৰিছিল বা আজিও কৰি আছে। সেইসকল একালৰ ছাত্ৰ-শিক্ষকৰ কাপৰ পৰা ওলোৱা সমুদায় প্ৰবন্ধৰ নাম ল'লে তালিকা অতি দীৰ্ঘ হ'ব। 'নিৰ্বাচিত প্ৰবন্ধ সংকলন' সম্পাদনা/প্ৰকাশ কৰিবলৈ লৈ আমি প্ৰবন্ধসমূহৰ মাজৰ পৰা নিৰ্বাচন কৰিবলৈ লৈ প্ৰবন্ধৰ গুৰুত্ব, প্ৰাসংগিকতা আৰু প্ৰকাশভংগীমাকো মূল ভিত্তি হিচাপে লৈ আগবাঢ়িছোঁ আৰু নিৰ্বাচিত, প্ৰবন্ধসমূহক সময়ানুক্ৰমিক ৰূপত ছপাৰ ৰূপ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ — যি কথা ইতিমধ্যেই উল্লেখ কৰিছোঁ।

সংকলনখন কৰোঁতে আমি বিষয়বস্তুৰ ক্ষেত্ৰতো প্ৰতিনিধত্বমূলক নিৰ্বাচন নীতি অনুসৰণ কৰিবলৈ চেষ্টা চলাইছোঁ। সেয়েহে ভাষা, সাহিত্য, সমাজ, ইতিহাস, ৰাজনীতি, বিজ্ঞান, কলা-সংস্কৃতি, কাব্য-সমালোচনা, সাময়িক প্ৰসংগ আদি বিভিন্ন বিষয় প্ৰতিফলিত হোৱাকৈ বিষয়ভিত্তিক লেখাসমূহ নিৰ্বাচিত কৰি সংকলনখনিৰ বিষয় বৈচিত্ৰ্য ৰক্ষা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

এই সংকলনখনিৰ পাত লুটিয়ালেই আগ্ৰহী পাঠকে অনুভৱ কৰিব পাৰিব যে আৰম্ভণিৰ সময়ৰে পৰা তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-শিক্ষকসকলৰ মাজত এক বৌদ্ধিক পৰম্পৰা আৰু সমাজ চেতনা প্ৰোথিত হৈ আছে। চিন্তাৰ দৌৰত তথা সাহিত্য সাধনাত যে এই মহাবিদ্যালয়ৰ শিক্ষক ছাত্ৰ সমাজ পাচ পৰি থকা নাছিল মহাবিদ্যালয় আলোচনীৰ বিগত সংখ্যাসমূহত

প্ৰকাশিত ভিন্ন বিষয়ৰ উচ্চমানৰ লেখাসমূহেই তাৰ স্বাক্ষৰ বহন কৰিছে। স্থানৰ অভাৱত বহু লেখা এই সংকলনত সন্নিৱিষ্ট কৰিব পৰা নগ'ল যদিও সংকলিত লেখা সমূহেই তিনিচুকীয়া মহাবিদ্যালয় সমাজৰ বৌদ্ধিক সাহিত্যিক প্ৰয়াসৰ আভাস দিবলৈ সক্ষম হ'ব বুলি আমাৰ ধাৰণা।

এই সংকলনত সন্নিৱিষ্ট সকলো লেখাই আমাৰ দৃষ্টিত ভিন্ন দিশৰ পৰা গুৰুত্বপূৰ্ণ। সময় আৰু স্থানাভাৱত সেই লেখা সমূহৰ আলোচনা দাঙি ধৰা সম্ভৱ নহ'ল যদিও আমি থাউকতে উল্লেখ কৰিব খোজোঁ যে ড° অপূৰ্ব ভাস্কৰ গগৈ আৰু ড° ভুবন গগৈৰ প্ৰবন্ধসমূহে যেনেকৈ উচ্চ মানৰ বৌদ্ধিক চিন্তাৰ প্ৰতিনিধিত্ব কৰিছে তেনেকৈ ভূপেন বৰগোহাঞিঃ (স্বাধীনতা, সমাজবাদ আৰু আমি), মানস তামুলী (লেটিন আমেৰিকাৰ ভিয়েটনাম), সন্দীপ চেতিয়া (ৰক্তবন্যাৰটোত অসম আন্দোলনটো) জয়া ভৰালী (অসমৰ নাৰী– অতীত আৰু বৰ্তমানৰ) অথবা ৰীতা বৰঠাকুৰ (অসম আন্দোলন) আদি নিৱন্ধসমূহে মহাবিদ্যালয় ছাত্ৰ–শিক্ষক সমাজৰ ৰাজনৈতিক তথা সামাজিক চেতনাৰ পৰিচয় দাঙি ধৰে। এই কথাও উল্লেখনীয় যে তিনিচুকীয়া মহাবিদ্যালয়ৰ কিছু শিক্ষকৰ লেখনীত সমালোচনাত্মক তথা বিশ্লেষণাত্মক চিন্তাধাৰাৰ লগতে প্ৰচলিত ধাৰণা তথা বিশ্বাসৰ বিপৰীতে যোৱাৰ সাহসী প্ৰচেষ্টা দেখা যায়। উদাহৰণ হিচাপে ড° নোমল গগৈ (মোমাই তামুলী বৰবৰুৱা আৰু লাচিত বৰফুকন) আৰু কনক চন্দ (তচলিমা নাছৰিণৰ নাৰীমুক্তি ঃ কবিতাৰ দাপোণত) নাম ল'ব পাৰি। তিনিচুকীয়া জিলাখনৰ জনগাঁথনি অতি বৈচিত্ৰ্যময়। অসম অৰুণাচল সীমান্তবৰ্তী এই অঞ্চল মৰাণ, মটক, চুতীয়া, আহোম, সোণোৱাল, কছাৰী, মিছিং আৰু চাহ জনগোষ্ঠীসমূহৰ বাসস্থান। প্ৰতিটো জনগোষ্ঠীৰ স্বকীয় সংস্কৃতিৰ সংমিশ্ৰণত তিনিচুকীয়াত এক বৰ্ণিল সাংস্কৃতিক পৰিমণ্ডল গঢ়ি উঠিছে। তদুপৰি এই অঞ্চলৰ জৈৱবৈচিত্ৰ্যৰ দিশৰ পৰাও বৈশিষ্ট্যপূৰ্ণ হোৱাত পৰ্য্যটনৰ ক্ষেত্ৰতো এক আকৰ্ষণীয় ক্ষেত্ৰ হৈ পৰিছে। তেনেদৰে তিনিচুকীয়া জিলাৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ পৰিচয়সূচক বহুকেইটা লেখাইও ছাত্ৰ–ছাত্ৰীসকলৰ নিজৰ ঠাইখনৰ মানুহ আৰু প্ৰকৃতি আৰু লোকসংস্কৃতিৰ প্ৰতি থকা আগ্ৰহৰ পৰিচয় বহন কৰিছে।



(৪)

নিৰপেক্ষ সম্পাদনা ৰীতিৰে বাছি উলিওৱা সৰ্বমুঠ ৬০টা প্ৰৱন্ধক 'তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ নিৰ্বাচিত প্ৰবন্ধ সংকলন'ত স্থান দিয়া হৈছে। আমাৰ দৃষ্টিত ইয়াত সন্নিৱিষ্ট প্ৰতিটো প্ৰবন্ধই ঐতিহাসিক, সামাজিক আৰু ৰাজনৈতিক গুৰুত্বৰে গুৰুত্বপূৰ্ণ। সেইফালৰ পৰা সংকলনত স্থান পোৱা প্ৰবন্ধসমূহে কেৱল যে পাঠকক চিন্তাৰ খোৰাকেই যোগাব তেনে নহয়, বিভিন্ন সমস্যাৰ উল্লেখ, উপস্থাপন আৰু সমাধানৰ উমৈহতীয়া তথা বিকল্প পথৰো যে সন্ধান দিব সি ধ্ৰুৱ। অৱশ্যেই 'ভিন্ন ৰুচিহাঃলোকঃ'। আমাৰ নিৰ্বাচন পদ্ধতিয়ে সকলো পাঠকক সন্তুষ্ট নকৰিবও পাৰে। তাৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী।

শেষত, এই সংকলনখনিৰ প্ৰস্তুতি আৰু প্ৰকাশ প্ৰক্ৰিয়াত উৎসাহ আৰু সহায় যোগোৱাৰ বাবে অধ্যক্ষ ড° ভুবন গগৈ, অধ্যাপক অজিত চন্দ্ৰ ফুকনৰ প্ৰতি ধন্যবাদ যাচিলোঁ। এই গোটেই প্ৰক্ৰিয়াটোত সক্ৰিয়ভাৱে জড়িত হৈ থাকি সৰ্বতোপ্ৰকাৰে আমাক সহায়–সহযোগিতা আগবঢ়োৱাৰ বাবে সম্পাদনা সমিতিৰ উপদেষ্টাদ্বয়, ড° অপূৰ্ব ভাস্কৰ গগৈ আৰু শ্ৰীযুতা অঞ্জনা গোস্বামী তথা সম্পাদনা সমিতিৰ সদস্যত্ৰয় সুশান্ত কৰ, সূৰ্য্য চুতীয়া আৰু মণিকা দাসৰ ওচৰত আমি কৃতাৰ্থ হৈ ৰ'লোঁ। সংকলনখনিৰ প্ৰাৰম্ভিক প্ৰস্তুতি পৰ্বত সহায় কৰা তিনিচুকীয়া মহাবিদ্যালয় গ্ৰন্থগাৰৰ গ্ৰন্থগাৰিক তথা কৰ্মচাৰীসকল আৰু প্ৰতিলিপি প্ৰস্তুত কাৰক সঞ্জীৱ বৰঠাকুৰক আমি বিশেষভাৱে ধন্যবাদ জনালোঁ। গ্ৰন্থখনি সুন্দৰকৈ ছপা বন্ধা ৰূপত সময়মতে প্ৰকাশ কৰি উলিওৱাৰ বাবে অসম কম্পিউটাৰচৰ স্বত্বাধিকাৰী উদ্যমী যুৱক ৰাজৰ্ষি গগৈ আৰু ছপাশালৰ সমূহ কৰ্মচাৰীৰ শলাগ ল'লোঁ।

পৰিশেষত, এই সংকলনৰ সম্পাদনা কাৰ্যত আমাক অনবৰতে উৎসাহ আৰু প্ৰেৰণা যোগোৱা আমাৰ সমূহ সহকৰ্মীক আন্তৰিক ধন্যবাদ যাচিলোঁ। চেষ্টা কৰা সত্ত্বেও সংকলনটি আমি আশানুৰূপ ভাৱে প্ৰকাশ কৰি উলিয়াব নোৱাৰিলোঁ। তাৰ বাবে সময় আৰু সামৰ্থ্য দুয়োটাৰে অভাৱ। সেয়েহে, এই সংকলনৰ ক্ষেত্ৰত থাকি যোৱা ভুল–ক্ৰটিৰ সম্পূৰ্ণ দায়–দোষ আমি গ্ৰহণ

কৰিছোঁ আৰু আশা কৰিছোঁ ভৱিষ্যতে কোনো যোগ্যজনে ইয়াৰ পৰিৱৰ্দ্ধিত আৰু পৰিমাৰ্জিত সংস্কৰণ প্ৰকাশ কৰি উলিয়াব।

তিনিচুকীয়া মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ উপলক্ষ্যে প্ৰকাশ কৰা এই নিৰ্বাচিত প্ৰবন্ধ সংকলনৰ নাম 'প্ৰতীতি' ৰাখিলোঁ আৰু সহৃদয় পাঠক-সমাজৰ পৰা আশীৰ্বাদ লাভৰ আন্তৰিক অনুৰোধেৰে সামৰিলোঁ।

ধন্যবাদ সহকাৰে
দেৱানন্দ ভট্টাচাৰ্য্য
নীলিমজ্যোতি সেনাপতি
২২ এপ্ৰিল, ২০১৭



## লোক-সাহিত্যত
# চহা জীৱনৰ জিলিঙনি

সাধন চন্দ্ৰ সোণোৱাল
দ্বিতীয় বাৰ্ষিক (কলা)

অসম লৌকিক গীত-মাতৰ দেশ। অসমী আইৰ মন মোহনীয়া প্ৰাকৃতিক সৌন্দৰ্য্যৰ আঁৰে আঁৰে, মুকলি আকাশৰ উন্মুক্ত পৰিৱেশৰ ছাঁয়াত অলেখ গীত-মাতৰ সৃষ্টি হৈছিল। মানৱ অন্তৰত সৌন্দৰ্য্যবোধ চিৰবৰ্ত্তমান। ই আদিম কালতো আছিল, বৰ্তমানো আছে আৰু ভৱিষ্যতলৈও থাকিব। অতীজতে বৰ্ব্বৰতাৰ মাজতো মানুহে গীত গাইছিল, গীতৰ ছেৱে-ছেৱে নাচিছিল। সংস্কৃতি সাধনা সৌন্দৰ্য্যবোধৰ দ্বিতীয় পৰ্য্যায় বুলি ক'ব পাৰি। দূৰ অতীতৰ পৰা অসমৰ গাঁৱে-ভূঞে, চুকে কোণে যিবোৰ গীত-মাতে চহা জীৱনৰ আনন্দৰ খোৰাক যোগাই আহিছে, সেই বিলাকো তেওঁলোকৰ সংস্কৃতি সাধনাৰ ফল। আধুনিক শিক্ষা সভ্যতাৰ পোহৰ নোপোৱা চহা মনৰ মানুহৰ সৃষ্টি বাবেই হয়তো এইবোৰক লোকগীত আখ্যা দিয়া হৈছে। মৌখিক ভাৱে চলি অহা বাবে, এই গীত বিলাকৰ বহুতো সময়ৰ সোঁতত সমাজ বিৱৰ্ত্তনৰ লগে লগে বিলুপ্ত হ'ল। সেই বিলাকৰো গইনা লৈ নতুন যুগৰ নতুন ভাৱধাৰা বহন কৰি পুনৰ ৰচিত হ'ল। এই গীত বিলাকৰ সৃষ্টিৰ বিষয়ে ড° নেওগে লিখিছে — ''মনত নপৰা কালৰে পৰা এই গীতবোৰ ৰচিত হৈ আহিছে আৰু আজিও সভ্যতাৰ কল্লোলৰ পৰা বহুত আঁতৰত তেনে গীত ৰচিত হৈছে।'' বৰ্তমান ক্ষয়িষ্ণু সমাজৰ পৰা আঁতৰত, চহা মনৰ মুক্ত প্ৰকাশ বাবেই এইবোৰ সহজ, সৰল আৰু আন্তৰিকতাপূৰ্ণ।

লোকগীতসমূহ প্ৰকৃততে অনাখৰী বা চহা কবি-সাহিত্যিক সকলৰ কবি প্ৰতিভাৰ নীৰৱ স্বাক্ষৰ। সহজ-সৰল স্বভাৱৰ অজলা গাঁৱৰ ডেকা-গাভৰুসকলৰ মুখ নিসৃত এই গীতবোৰৰ মাধুৰ্য্য দেখিলে আচৰিত হ'ব লাগে। আধুনিক সাহিত্যৰ চিক্‌মিকনি এইবোৰত সম্পূৰ্ণ অনুপস্থিত। তথাপিও ভাৱৰ ব্যঞ্জনা, ছন্দৰ সুষম ব্যৱহাৰ আৰু ভাষাৰ লালিত্যময় গতিৰে এইবোৰ অনুপম। ইংৰাজ কবি এইছ্, ডবলিউ, লংফেলোৱে এইবোৰৰ স্বৰূপ মূল্যায়ন কৰিছে। তেওঁ কৈছে, “Ballads are the gipsy children of song, born under green hedge – rows in baby lanes and by – paths of literature in genial summer time.” চহা জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা অভিলাষ, বিৰহ ব্যথা আদি মানৱ সুলভ গুণৰাজি এই গীত বিলাকৰ মাজেদি প্ৰতিভাত হৈ উঠিছে।

অসমৰ প্ৰাচীন গাঁৱলীয়া জীৱন উৎসৱমুখৰ আছিল। আজিও অতীতৰ পৰম্পৰা অনুসৰি সেইবোৰ অতি অনুষ্টুপীয়াকৈ হ'লেও পালন কৰা হয়। কিন্তু বৰ্তমানৰ যান্ত্ৰিক যুগৰ হেঁচাত উৎসৱবিলাকৰ আগৰ প্ৰাণ-প্ৰাচুৰ্য্য অন্তৰ্হিত হৈছে। অতীতত এই বিলাকৰ মাজেদি যি স্বতঃস্ফূৰ্ত আনন্দৰ জোৱাৰ উঠিছিল, আজি সেয়া আকাশ কুসুম। বসন্তৰ প্ৰাদুৰ্ভাৱৰ লগে লগে গছ-লতিকা ফলে-ফুলে জাতিষ্কাৰ হয়। পশু-পক্ষী সকলো সালঙ্কৃতা প্ৰকৃতি ৰাণীৰ সান্নিধ্যত উত্ৰাৱল হয়। বিহু আহে। কিন্তু এতিয়াৰ বিহুত আৰু ডেকা-গাভৰুৰ গা সাতখন আঠখন নকৰে। ঢোলৰ মাত শুনি উজুটিত যঁতৰ ভঙাৰ উলাহ আৰু নাই। অতীতত কিন্তু ৰঙালী বিহু বুলিলে মন ৰাইজাই কৰে। লোকগীত বিলাকৰ সৃষ্টিও এনে উলাহ-উছবৰ মাজতে। পটভূমি হৈছে গাঁও, পথাৰ আৰু হালোৱা-হজুৱা মানুহৰ জীৱন ধাৰা। ডেকা-গাভৰুৰ আৱেগ অনুভূতিৰ প্ৰকাশ এই গীতবোৰৰ অন্যতম বৈশিষ্ট্য। বিহু গীত বনগীত গৰখীয়া ল'ৰাৰ গীত — সকলোতেই চহা কবিসকলৰ অজানিতে নিজ সমাজ ব্যৱস্থাৰ চিত্ৰ ফুটি উঠিছে। গাঁৱলীয়া সমাজৰ সামাজিক, পাৰিবাৰিক আৰু অৰ্থনৈতিক অৱস্থাৰ নিদৰ্শন এই গীতবিলাকত পোৱা যায়। ভালকৈ ফঁহিয়াই চালে অতীতৰ পাৰ হৈ যোৱা জীৱনৰ ৰেঙনিও এইবোৰত পোৱা যায়। মনৰ আৱেগ-অনুভূতিৰ প্ৰকাশ মানুহৰ চিৰন্তন প্ৰবৃত্তি। অহা মনৰ সুন্দৰতম মুহূৰ্তবোৰত, মনৰ অফুৰন্ত আৱেগ-অনুৰাগৰ

ESTD



প্ৰকাশৰ বাহন কাৰণেই স্বাভাৱিকতে নিজৰেই অভিব্যক্তি এই গীতবোৰত প্ৰকাশ পাইছে।

গাঁৱলীয়া জীৱন কৃষিজীৱী। গৰু হাল কৃষকৰ প্ৰধান সম্বল। শকত-আৱত গলধন ধৰা গৰুহাললৈ তেওঁলোকে অপৰিসীম তৃপ্তিৰে চায়। গৰুহাল নহ'লে তেওঁলোক জীৱন্তে মৃতপ্ৰায়। নতুনকৈ অনা গৰুহালক তেওঁলোকে পদূলি মুখতে ভৰি ধুৱাই পৰম সন্তোষেৰে আদৰি আনে। এনেকুৱা আদৰৰ গৰুহাল যত্ন লৈ তেওঁলোকৰ হেঁপাহ নপলায়। শকত-আৱত চালে চকুৰোৱা এনেকুৱা এহাল গৰু আনিয়েই হয়তো কোনোবা বিহুবলিয়া ডেকাই “হালৰে আনিলোঁ কজলা কপিলা” বুলি গাইছে। হুঁচৰি গীততো গৰুক আগমাননী দিয়া হৈছে —

*গৰুক নুবুলিব সৰু ঐ দেউতা*
*গৰুক নুবুলিব সৰু... ।*

আকৌ গাঁৱলীয়া সমাজত ম'হ খুঁটি থকা মানুহজন লেখৰ মানুহ। চুটি চুটি নোমেৰে চিকমিকাই থকা পুৰঠ ম'হজনীলৈ তেওঁলোকে মোহনীয় দৃষ্টিৰে চায়। সেয়েহে বনগীতত গাইছে —

*ম'হতকৈ মোহিনী নাই ঐ চেনাইটি*
*ম'হতকৈ মোহিনী নাই... ।*

গৰুহাল, ম'হজনীৰ পিচতে কৃষিৰ বাবে নাঙলটোৰ বিশেষ প্ৰয়োজন। সেয়েহে —

*নাঙলৰ কুটিটো সুলকি পৰিলে*
*দিলা মাৰিত বিন্ধিলে ঘূণে... ।*

আৰু

*নাঙল নেচাঁচিবা তৰাকৈ সেজিয়া*
*বাবলৈ নেলাগে ভাল... ।*

বিহুৰ ৰং-ৰহইছৰ মাজতো বিহুৱা ডেকাৰ মনত খেতিৰ হাড়ভঙা পৰিশ্ৰমৰ কথা মনত পৰি বুকু হম্‌হমাই যায় —

*বহু গ'লে নাচনী হমে দুখৰ ভাগী*
*কৰিব লাগিব খেতি... ।*

আকৌ হালবাই থাকোঁতেও চেনাইলৈ মনত পৰি আবতৰীয়াকৈ হ'লেও বিহু গায় —

*কেৰাহিকৈ নেচাবি অ' মোৰে চেনাই ঐ*
*মনে মোৰ কেনেবা কৰে,*
*পথাৰৰ মাজতে হালবাই থাকোঁতে*
*তোৰে কথা মনতে পৰে।*

বিহুৰ অফুৰন্ত আনন্দৰ মাজত বিহুবলিয়া ডেকাৰ নিঠৰুৱা মনৰ প্ৰকাশ এনেদৰে প্ৰকাশ পাইছে —

*বিহুৱতী চৰায়ে কৰে বিহু বিহু*
*আমাৰ বিহুৰ কাপোৰ নাই,*
*সমনীয়াই সুধিলে কমে কি বুলি*
*সৰুতে মৰি গ'ল আই।*

তাঁত শালখন গাঁৱলীয়া তিৰোতাৰ অতি মৰমৰ বস্তু। পথাৰৰ লখিমী চপাই-কোচাই লৈয়েই তাঁত বোৱাৰ ধুম উঠি যায়। দোৰপতিৰ খট্ খট্ শব্দেৰে, উঘা-চেৰেকীৰ ঘৰ্ ঘৰ্ শব্দেৰে গাঁওবোৰ মুখৰিত হয়। তাঁত-সূত নোবোৱা হোৱালীক তেওঁলোকে থুপৰী বুলি জোকায়। আদৰৰ তাঁতশালখনৰ অনাদৰ হোৱাটো তেওঁলোকে সহ্য কৰিব নোৱাৰে —

*ভঁৰালৰ আগতে আমাৰ তাঁতৰ শাল*
*চৰায়ে চিঙিলে সূতা*
*ফেঁকুৰি ফেঁকুৰি নেকান্দ নাচনী*
*আনি দিম বজাৰৰ সূতা।*

চহা জীৱনত বিহুৱানখনি বৰ মূল্যৱান। প্ৰকৃতি ন সাজ পিন্ধি জাতিস্কাৰ হোৱাৰ লগে লগেই গাঁৱৰ গাভৰুৱেও প্ৰিয়জনক ''মৰমৰ দীঘ দি চেনেহৰ বাণি লৈ হেঁপাহৰ আঁচুৰে বোৱা'' ভমকা ফুলীয়া বিহুৱানখন দিবলৈ খদমদম লগায়। ভালৰো ভাল বিহুৱানখনি চেনাইলৈ বুলি টিপতে লুকুৱাই থয় —

*ৰাতি দুপৰলৈ কাটি সূতলাহী*
*চেনাইলৈ বিহুৱান বলোঁ*
*ৰাঙলী আঁচুৰে বাছি পানেকটা*
*টিপতে লুকুৱাই থলোঁ।*



আকৌ,

*তোমালৈ যাবলৈ বুলি ঐ চেনাইটি*
*বলোঁ বিঘে বিঘে কাপোৰ*
*ফুলামকৈ গামোচা বলোঁ জোৰে জোৰে*
*আৰু পাটৰ চেলেং কাপোৰ।*

সময়মতে বিহুৱান নেপাই ওফোন্দ পতা গাঁৱলীয়া চহা ডেকাৰ অভিমান —

*আৰু বেলি বিহুতে বিহুৱান খুজিলোঁ*
*এই বেলি কাটিছ পাজি;*
*বিহুচেৰা বিহুৱান নেলাগে নিদিবি*
*আনি ল'ম তোতকৈও কাজী।*

গাঁৱলীয়া সমাজত বৰগৰখীয়াৰ স্থান অতি উচ্চ। বিয়াই সবাহে এওঁ আগশাৰীত ঠাই পায়। বৰগৰখীয়াক বিয়া কৰিবলৈ যত্ন কৰি বিফল মনোৰথ হোৱা গাভৰুৰ আক্ষেপ —

*বহিবৰ মন গ'ল বৰগৰখীয়াত*
*কপালত নাহিলোঁ সাধি...।*

জাতিভেদৰ উৎকট গোন্ধে এসময়ৰ গাঁৱলীয়া সমাজখন আৱৰি আছিল। বেলেগ বেলেগ সম্প্ৰদায়ৰ মাজত বিয়া সবাহ আদি অনুষ্ঠান নিষিদ্ধ আছিল। তেনে অৱস্থাত ডেকা-গাভৰুৰ মাজত ভালপোৱা জন্মিলে মিলনৰ সম্ভাৱনাতকৈ বিচ্ছেদৰ আশঙ্কাহে বেছি ! তথাপিও ভালপোৱা জন্মিলে বাৰু উপায় কি? তেনে অৱস্থাত গায় —

*তোমালৈ চাওঁতে জপনা দেওঁতে*
*বিন্ধিলে অঘৈয়া হুলে,*
*তোমাৰ মনে গ'লে মোৰো মনে গ'লে*
*কি কৰিব কলি কুলে।*

বিহুগীত-বনগীতৰ মাজেদি প্ৰকাশ পোৱা এই সমাজখন হৈছে চহা-সমাজ। চহা অন্তৰৰ নোপোৱাৰ বেদনা, পোৱাৰ অতৃপ্তি, বিৰহ ব্যথা আদি গীতবিলাকত অনুৰণিত হৈছে। এই গীতবিলাকৰ সৌন্দৰ্য্য আছে, প্ৰাণ আছে। পদুম ফুলে বোকাত জন্মি গেৰেকনিখনকে বিতোপন কৰি তোলাৰ দৰে,

অশিক্ষিত চহা সমাজত উৎপত্তি হৈ গীত বিলাকে তেওঁলোকৰ মনৰ সৌন্দৰ্য্য তৃষা পৰিস্ফুটিত কৰি তুলিছে। এনেকুৱা বহুত গীত গাঁৱলীয়া সমাজত মুখে মুখে প্ৰচলিত হৈ আহিছে। সেইবোৰ প্ৰকাশৰ বাটলৈ আনিব পাৰিলে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী হোৱাৰ লগে লগে সাহিত্য কাননৰ সৌৰভে আমোলমোলাই তুলিব। ■

*(প্ৰকাশ কাল ১৯৭০-৭১)*



# স্বাধীনতা, সমাজবাদ আৰু আমি

ভূপেন বৰগোহাঞিং

১৯৪৭ চনত আমি স্বাধীন হ'লো। আমাৰ স্বাধীনতা আন্দোলনে যিবোৰ জাতীয় দাবী জনসাধাৰণৰ সন্মুখত দাঙি ধৰিছিল সেই দাবীসমূহৰ ভিত্তিতে সমগ্ৰ ভাৰতৰ জনতা ঐক্যবদ্ধ হৈছিল। কিন্তু, স্বাধীনতাৰ পিচত যি সাম্ৰাজ্যবাদী শাসন-শোষণৰ অৱসান ঘটাবলৈ জনসাধাৰণে ঐক্যবদ্ধ হৈ যুঁজ দিছিল, সেই সাম্ৰাজ্যবাদী শক্তিসমূহৰ লগত মিতিৰালি পাতি সিবিলাকৰ শোষণ আৰু অৰ্থনৈতিক অনুপ্ৰৱেশৰ পথ মুকলি ৰাখি, সিহঁতৰ অশুভ আৰু অনিষ্টকৰ প্ৰভাৱ বিস্তাৰ অব্যাহত ৰাখিবলৈহে সাংবিধানিক সুবিধা দিয়া হ'ল। ফলত দেশখন দেশী-বিদেশী একচেটিয়া পুঁজিপতি জমিদাৰ গোষ্ঠীৰ অবাধ শোষণৰ ভূমি হৈ পৰিল। এমুঠি মুষ্টিমেয় একচেটিয়া পুঁজিপতি, ৰজা-মহাৰজা আৰু জমিদাৰৰ হাতত দেশৰ সমগ্ৰ পুঁজি, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতা কেন্দ্ৰীভূত হৈছে। দেশৰ ৰাইজক শোষণ কৰি ভাৰতীয় পুঁজিপতিসকলে ১৯৪৮ চনৰ পৰা তেওঁলোকৰ পুঁজি ২১০০ কোটি টকালৈ বৃদ্ধি কৰিলে। ভাৰতবৰ্ষৰ টাটা আৰু বিৰলা পৰিয়ালেই ভাৰতীয় শিল্প সংস্থাৰ শতকৰা ২৫ ভাগৰ মালিক আৰু এই দুটা পৰিয়ালৰ মুঠ সম্পদ হ'ল ৭০০ কোটি টকা। স্বাধীনতাৰ ২৪ বছৰৰ পাছতো বিদেশী পুঁজিৰ ৰাষ্ট্ৰীয়কৰণতো নহ'লেই, বিদেশী পুঁজি তিনি গুণলৈ বৃদ্ধিহে পালে। ১৯৪৮ চনৰ মাজভাগত বেংকৰ বাহিৰে আন আন ব্যৱসায়ত খটোৱা বিদেশী পুঁজিৰ পৰিমাণ আছিল ২৫৬ কোটি টকা,

বৰ্তমান এই পুঁজি গৈ ৮১০ কোটি টকাত পৰিণত হৈছেগৈ। আমাৰ তেল, চাহ, কয়লা আদি শিল্পৰ পৰাও কোটি কোটি টকা সিহঁতে লুণ্ঠন কৰিছে।

এতিয়া আমাৰ ৰাজ্য অসমৰ কথালৈ আহোঁ। বিত্তীয় পৰিস্থিতিৰ পিনৰ পৰা অসমৰ অৱস্থা, উৰিষ্যাক বাদ দি, ভাৰতৰ আটাইবোৰ ৰাজ্যৰ ভিতৰতে শোচনীয়তম। আমাৰ ৰাজ্যৰ বছৰি আয় মাত্ৰ ৩০ কোটি টকা, ব্যয় হয় বছৰি ১৩৪ কোটি টকা। কেন্দ্ৰৰ ওচৰত ১৯৭০ চনলৈকে মুঠ ধাৰৰ পৰিমাণ ২৬৬ কোটি টকা। আনহাতে কেন্দ্ৰীয় চৰকাৰে চাহ, তেল, কয়লা, আয়কৰ শুল্ক, বিক্ৰী কৰ আদিৰ বাবদ ৭০ কোটি টকাৰো অধিক সংগ্ৰহ কৰে। ৰাজ্য চৰকাৰে সংগ্ৰহ কৰা কৰ-কাটলৰ জন-মূৰি হাৰ ১৯৭০ চনত ২৩·২০ টকা। ১৯৬০ চনত এই হাৰ আছিল ১০·১২ টকা।

অসম খাৰুৱা তেল, চাহ, কয়লা, ভেনেষ্টা শিল্প আৰু ইঞ্জিনিয়াৰিং শিল্পৰে সমৃদ্ধ; কিন্তু অসমৰ অধিবাসীসকল দুখীয়া। বৃটিছ শাসনৰ ওৰ পৰিল সঁচা, কিন্তু বিদেশী শাসন আগতকৈ বাঢ়িল। খাৰুৱা তেলক ভিত্তি কৰি বৃটিছ শোষণৰ পৰিমাণ আগতকৈ বহুগুণে বৃদ্ধি পালে। অসমত খাৰুৱা তেল দেশৰ সৰ্বমুঠ উৎপাদনৰ শতকৰা ৬০ ভাগ আৱিষ্কাৰ হৈছে, কিন্তু অসমত স্থাপন হোৱা তেল শোধনাগাৰৰ পৰিশোধন ক্ষমতা বছৰি ৭·৫০ লাখ টন, য'ত বিহাৰৰ বাৰাউনীত স্থাপন হোৱা তেল শোধনাগাৰৰ পৰিশোধন ক্ষমতা ২০ লাখ টন আৰু এতিয়া ইয়াৰ পৰিশোধন ক্ষমতা ৩০ লাখ টনলৈ বৃদ্ধি কৰাৰ ব্যৱস্থা চলিছে, লগতে তাত নানা ধৰণৰ পেট্ৰ'ৰাসায়নিক শিল্প গঢ়ি তোলাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে লৈছে।

১৯৪৮ চনত ভাৰত চৰকাৰৰ শিল্প সম্বন্ধীয় নীতিমূলক প্ৰস্তাৱটোত কোৱা হৈছিল যে খাৰুৱা তেল আৰু তাৰ পৰিশোধনৰ ব্যৱস্থা চৰকাৰৰ হাতত থাকিব। যদি কোনো অনা-চৰকাৰী কোম্পানী বিদেশৰ সহযোগ গ্ৰহণ কৰিব লগাও হয়, ব্যৱসায়ৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা চৰকাৰৰ হাতত থাকিব। ১৯৫৬ চনত পুনৰ একে বিষয়ৰ প্ৰস্তাৱত আগৰ কথাকে কোৱা হ'ল। কিন্তু ১৯৪৮ চনত হুগ্ৰীজান-মৰাণ এলেকাত ডিগবৈৰ 'অসম অইল কোম্পানীক' লিজত দিয়া হ'ল। চৰকাৰৰ বিশ্বাসঘাতকতা দেখাদেখিকৈ ধৰা পৰিল। সেয়েহে আঁৰ কাপোৰ দিয়াৰ প্ৰচেষ্টাৰে ১৯৫৮ চনৰ জানুৱাৰী মাহত উক্ত কোম্পানীৰ ভগ্নী প্ৰতিষ্ঠান 'বৰ্ম্মা অইল কোম্পানী'ৰ লগত ভাৰত চৰকাৰে চুক্তি কৰি



যুটীয়াকৈ 'অইল ইণ্ডিয়া লিমিটেড' নাম দি ৰাষ্ট্ৰীয়কৰণৰ আহিলাত এটা নতুন কোম্পানী গঢ়ি তোলে। খাৰুৱা তেল আহৰণৰ বাবে ভুৱা দিয়া হয় যে তেল সম্পদত চৰকাৰী নিয়ন্ত্ৰণ আছে; কিন্তু চুক্তি পত্ৰখনৰ মতে 'অইল ইণ্ডিয়া লিমিটেড'ৰ পৰা 'নুনমাটি' আৰু 'বাৰাউনী' চৰকাৰী শোধনাগাৰ দুটাই খাৰুৱা তেল কিনিব ১২০ টকা প্ৰতি টনে। আনহাতে 'অসম অইল কোম্পানী'ক খাৰুৱা তেল যোগান ধৰিব প্ৰতি টনে ১৭·৬৫ টকা হাৰে (ডিগবৈত 'অসম অইল কোম্পানী'য়ে নিজে আহৰণ কৰা খাৰুৱা তেলৰ মূল্য প্ৰতি টনে প্ৰায় ৭০·০০ টকা)। এই সুবিধা ২০ বছৰলৈ চলি থাকিব। অৰ্থাৎ ১৫/১/৫৮ তাৰিখৰ পৰা ১৪/১/৭৮ তাৰিখলৈকে। ২৭/১/৬১ তাৰিখে পুনৰ ভাৰত চৰকাৰে আৰু এখন চুক্তি কৰে। চুক্তি মতে বৃটিছ তেল মালিক 'বৰ্ম্মা অইল কোম্পানী'ৰ লগত 'অইল ইণ্ডিয়া লিমিটেড'ৰ লাভ নহ'লেও ভাৰত চৰকাৰে তেওঁলোকৰ অংশৰ ওপৰত শতকৰা ৯ ভাগৰ পৰা ১০ ভাগলৈকে লাভাংশ দিবলৈ প্ৰতিশ্ৰুত হয়। ইয়াৰ ফলত ১৯৬১-৬২ আৰু ১৯৬৬-৬৭ চনৰ ভিতৰত ৬ বছৰ কালৰ ভিতৰত মুঠ ১৮·০৮ কোটি টকা ভাৰত চৰকাৰে ক্ষতিপূৰণ দি আহিছে। উক্ত চুক্তি অনুযায়ী খাৰুৱা তেল বিক্ৰীৰ বাবদ অসম চৰকাৰে বিক্ৰী কৰ নাপায়, ভাৰত চৰকাৰেহে পাব। অসম চাকাৰে বিক্ৰী কৰৰ বাবদ পাবলগীয়া বছৰি ২ কোটি টকাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। বৰ্তমান বাৰাউনী শোধনাগাৰলৈ আৰু অধিক খাৰুৱা তেল সৰবৰাহ কৰাৰ সিদ্ধান্ত হোৱাৰ ফলত বছৰি ৩ কোটি টকাৰ বিক্ৰী কৰ প্ৰাপ্যৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে।

অসমত খাৰুৱা তেল আৱিষ্কাৰৰ ফলত দৈনিক ৬৭ নিযুত কিউবিক ফুট প্ৰাকৃতিক গেছ উৎপন্ন হয়। এই প্ৰাকৃতিক গেছৰ পৰা এমনিয়া সাৰ প্ৰস্তুত কৰিব পৰাৰ উপৰিও কৃত্ৰিম ৰবৰ, কৃত্ৰিম বস্ত্ৰসূতা, আন নানা ধৰণৰ পেট্ৰ'ৰাসায়নিক উদ্যোগ গঢ়ি তুলিব পাৰি। দৈনিক উৎপাদন হোৱা প্ৰাকৃতিক গেছৰ মাত্ৰ ৪·৩ নিযুত কিউবক ফুট ব্যৱহাৰ কৰা হৈছে বিজুলী উৎপাদনৰ বাবে আৰু ৮ নিযুত কিউবিক ফুট ব্যৱহাৰ কৰা হৈছে সাৰ প্ৰস্তুত কৰিবলৈ। বাকীখিনিৰ ভিতৰত ৬ নিযুত দুলিয়াজানত আৰু ৭ নিযুত ডিগবৈত ব্যৱহাৰ কৰা হৈছে। বাকী ৪৬ নিযুত কিউবিক ফুট প্ৰাকৃতিক গেছ দৈনিক জুই লগাই নিঃশেষ কৰা হৈছে। প্ৰাকৃতিক গেছৰ প্ৰতি ১০০০ বৰ্গ মিটাৰৰ মূল্য হ'ল

৬৩০০ টকা।

উদ্যোগীকৰণৰ নামত স্বাধীনতাৰ ২৪ বছৰৰ ভিতৰত গুৱাহাটীত এটি পুতলা সদৃশ শোধনাগাৰ স্থাপন হ'ল। নামৰূপত এটা সাৰ কাৰখানা স্থাপন হ'ল প্ৰাকৃতিক গেছৰ ওপৰত নিৰ্ভৰ কৰি। এইটোও দেশত প্ৰতিষ্ঠা হোৱা সাৰ কাৰখানাৰ ভিতৰত আটাইতকৈ সৰু। যোৱা ২৪ বছৰৰ ভিতৰত গোটেই ভাৰততে মঞ্জুৰ কৰা শিল্প সম্বন্ধীয় লাইচেন্সৰ শতকৰা ১ ভাগো আমাৰ ৰাজ্যৰ বাবে দিয়া নহ'ল, দিয়া হ'ল ০·৯৪% আৰু তাৰে শতকৰা ৫২ ভাগ কাৰ্য্যত প্ৰতিফলিত নহ'ল। আনহাতে মহাৰাষ্ট্ৰক দিয়া হ'ল ২৮%, পশ্চিম বঙ্গক ১৬%, গুজৰাটক ১৫%, তামিলনাডুক ১০% ইত্যাদি।

চাহ, প্লাইউদ আদি শিল্পতো দেশী-বিদেশী পুঁজিপতিৰ শোষণ আৰু একচেতিয়া প্ৰভুত্ব বাহাল আছে। অসমে দেশৰ সৰ্বমুঠ উৎপাদনৰ শতকৰা ৫০ ভাগ চাহ, শতকৰা ৫৫ ভাগ প্লাইউদ আৰু শতকৰা ১৫ ভাগ পাট উৎপাদন কৰে।

স্বাধীনতাৰ আঢ়ৈ দশকৰ পাছতো পৰিবহণৰ ক্ষেত্ৰত, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰঙাপাৰাৰ পৰা মুৰককংচেলেকলৈ ৪৫১ কিলোমিটাৰ মিটাৰ-গজ ৰে'ল পথ সম্প্ৰসাৰণ কৰাৰ বাহিৰে অসমৰ পৰিবহণ ব্যৱস্থাৰ বিন্দুমাত্ৰও উন্নতি হোৱা নাই আৰু সেয়া কৰা হৈছে ১৯৬২ চনত সামৰিক প্ৰয়োজনৰ খাতিৰতহে। ভাৰতৰ অন্যান্য ৰাজ্যত ৰে'ল পৰিবহণ ব্যৱস্থা প্ৰতিষ্ঠা কৰা হৈছে ব্ৰড গজত, কিন্তু অসমত থকা ৰে'ল পৰিবহণ মিটাৰ গজত বাবে লেহেমীয়া হোৱাৰ উপৰিও ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত সংযোগত বহু অসুবিধাৰ সৃষ্টি হৈছে। অসমৰ লগত বাকী অংশৰ সংযোগ হ'ল উত্তৰ-পূব ৰে'লৰে। উত্তৰ-পূব ৰে'লৰে বিহাৰৰ কাটিহাৰৰ পৰা অসমৰ লিডুলৈকে বিস্তৃত। কাটিহাৰৰ পৰা তিনিচুকীয়ালৈকে ঘাই ৰে'লপথ ১৭৯৬ কিলোমিটাৰ দীঘল, শাখা পথবিলাক ১৭৬৩ কিলোমিটাৰ। এই ৰে'লপথ অসম, পশ্চিমবংগ আৰু বিহাৰ ৰাজ্যৰ ভিতৰত বিভক্ত। অসমত ঘাইপথ ১৪০০ কিলোমিটাৰ, শাখা পথ ৭৮৬ কিলোমিটাৰ, মুঠ ২১৮৬ কিলোমিটাৰ। পশ্চিমবংগত ঘাইপথ ২৩০ কিলোমিটাৰ, শাখাপথ ৬৯৪ কিঃমিটাৰ, মুঠ ৯২৪ কিলোমিটাৰ। বিহাৰত ঘাইপথ ১৬৭ কিলোমিটাৰ, শাখাপথ ১৭৬ কিলোমিটাৰ মুঠ ৩৪৩ কিলোমিটাৰ। উত্তৰ-পূব সীমান্ত ৰে'লৰে এক তৃতীয়াংশই অসমৰ ভিতৰত।



কিন্তু নিয়োগ আদিৰ ক্ষেত্ৰত অসমৰ লোক সদায় বঞ্চিত। অসমৰ ৰে'ল পৰিবহণ মিটাৰ গজ হোৱা হেতু যাতায়াত আৰু পৰিবহণৰ ব্যয় বৃদ্ধি হোৱা কাৰণে অসমলৈ অহা উৎপন্ন বস্তু দাম বৃদ্ধি হয়। অসমত উৎপন্ন হোৱা দ্ৰব্যৰ বাহিৰৰ বজাৰত প্ৰবেশ কৰাৰ অসুবিধা পৰিবহণ ব্যৱস্থাৰ অসামৰ্থ্যতাৰ হেতুকে।

ভাৰতৰ ৫৩ কোটি জনসংখ্যাৰ ভিতৰত আমাৰ ৰাজ্যৰ জনসংখ্যা ১·৪৭ কোটি। গোটেই ভাৰতবৰ্ষত প্ৰতি দশকত (যোৱা দশকত) জনসংখ্যা বৃদ্ধিৰ হাৰ প্ৰায় শতকৰা ২১·৫০, অসমৰ হাৰ প্ৰায় ৩৪·৪৫ ভাগ, অথচ অসমৰ গাঁওসমূহত বৃদ্ধিৰ হাৰ শতকৰা ১৪ ভাগ আৰু বাগিছা বনুৱা সমাজত শতকৰা ২২ ভাগ। ইয়েই প্ৰমাণ কৰে যে পূব পাকিস্তানৰ (বৰ্তমান বাংলা দেশ)ৰ পৰা আৰু ভাৰতৰ বিভিন্ন ৰাজ্যসমূহৰ পৰা কি হাৰে মানুহ আমদানি হ'ব লাগিছে।

ভাৰত চৰকাৰৰ শ্ৰম আৰু পুনৰসংস্থাপন মন্ত্ৰী শ্ৰীসঞ্জীবায়া ডাঙৰীয়াই চতুৰ্থ লাকসভাৰ মজিয়াত ২৬/১১/৭০ তাৰিখে ২৩৮৮ নং প্ৰশ্নৰ উত্তৰত ৩১/১২/৬০ তাৰিখলৈকে পূব বংগৰ পৰা অহা শৰণাৰ্থীসকলক কোন কোন ৰাজ্যত কিমান পুনৰ সংস্থাপন কৰা হ'ল তাৰ এখন তালিকা দাঙি ধৰে। তালিকা মতে অসমত পুনৰ সংস্থাপন লাভ কৰা শৰণাৰ্থীৰ সংখ্যা হ'ল ৪,৮৭,০০০। মুঠ শৰণাৰ্থীৰ ৪১·১৭ লাখৰ ভিতৰত পশ্চিমবংগত সংস্থাপিত হোৱা সংখ্যা হ'ল ৩১,৩২,০০০; ত্ৰিপুৰা ৰাজ্যত ৩,৭৪,০০০। ইয়াৰ বাদে বাকীবোৰ ৰাজ্যৰ দায়িত্বৰ পৰিমাণ নিচেই তাকৰ। যেনে — বিহাৰ ৬৫,০০০; মধ্যপ্ৰদেশ ১৭,৫০০; মণিপুৰ ২০০০; উৰিষ্যা ১২,০০০; উত্তৰ প্ৰদেশ ১৭,০০০; ৰাজস্থান ১০০০ মাত্ৰ। অৱশ্যে উপৰোক্ত ৰাজ্যকেইখনৰ ভিতৰত ৪·৮০ লাখ গ্ৰহণ কৰিছে — পঞ্জাবে ২৭·৩৭ লাখ, মহাৰাষ্ট্ৰ আৰু গুজৰাট দুয়ো ৰাজ্যই ৪·১৫ লাখ, দিল্লীয়ে ৫·০১ লাখ, মধ্যপ্ৰদেশে ২·০৯ লাখ, ৰাজস্থানে ৩·৭৩ লাখ। কিন্তু দক্ষিণৰ ৰাজ্য কিখনে যেনে — অন্ধ্ৰ প্ৰদেশে গ্ৰহণ কৰিছে মাত্ৰ ৪০·০০; তামিলনাডুৱে ১০০০, মহীশূৰে ৭০০০ আৰু উত্তৰৰ হিমাচল প্ৰদেশে মাত্ৰ ৫০০০। কেৰেলাই এই দায়িত্ব বহনৰ পৰা ৰেহাই পাইছে।

ইয়াৰ উপৰিও ১/১/৬৪ তাৰিখৰ পৰা ২১/১১/৭০ তাৰিখৰ ভিতৰত

নতুনকৈ আৰু ১০,৯৮,১৩৬ জন শৰণাৰ্থী পূব বংগৰ পৰা আহে। ইয়াৰ ৭,৪৪,৫২৯ জনে থিতাপি লয় পশ্চিমবংগত; ১,৪১,৭৮৫ জনে ত্ৰিপুৰাত আৰু ২,১১,৮২২ জনে আমাৰ ৰাজ্য অসমত। অৰ্থাৎ চৰকাৰী তহবিল অনুসাৰে অসম ৰাজ্যত থিতাপি লোৱা মুঠ শৰণাৰ্থীৰ সংখ্যা ২১/১১/৭০ তাৰিখলৈকে হ'ল ৪,৮৭,০০০ + ২,১১,৮২২ = ৬,৯৮,৮২২ অৰ্থাৎ ৭ লাখ। পঞ্জীভুক্ত নোহোৱা সকলক ধৰিলে ১৪ লাখৰো ওপৰ হ'ব। এইসকল সংস্থাপিত হয় ভৈয়ামৰ ৭ খন জিলাত। ১৯৬১ চনৰ পিয়ল অনুসাৰে এই ৭ খন ভৈয়ামৰ জিলাৰ অধিবাসীৰ সংখ্যা আছিল ১·০৫ কোটি। অৰ্থাৎ জনসাধাৰণৰ শতকৰা প্ৰায় ১৫ ভাগ হাৰে। সেয়েহে জনসংখ্যা আমাৰখন ৰাজ্যত বাঢ়িছিল শতকৰা ৩৫ ভাগ। পশ্চিমবংগত ৩১ লাখ আৰু ৭·৫ লাখ, মুঠ ৩৮·৫ লাখৰ শৰণাৰ্থীয়ে থিতাপি লোৱাৰ পাছতো জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল শতকৰা ২২ ভাগ। তাৰ কাৰণ হ'ল সেই ৰাজ্যৰ পৰাও শৰণাৰ্থী হৈ পূব বংগলৈ প্ৰায় সমান লোকেই গৈছিল। কিন্তু অসমৰ পৰা পূব বংগলৈ শৰণাৰ্থী হৈ যোৱা লোক নাছিল। তেনেকৈয়ে গৈছিল ত্ৰিপুৰাৰ পৰাও। ৩১/১২/৬০ তাৰিখলৈকে অসম ৰাজ্যই ৪১·১৭ লাখৰ ভিতৰত ৪·৮৭ লাখ অৰ্থাৎ শতকৰা ১২ ভাগ আৰু ১/১/৬৪ ৰ পৰা ২১/১১/৭০ তাৰিখলৈকে অহা ১০,৯৮,১৩৬ জনৰ ভিতৰত ২,১১,৮২২ জন অৰ্থাৎ শতকৰা ২০ ভাগ শৰণাৰ্থীৰ দায়িত্ব বহন কৰিব লগা হ'ল চৰকাৰী ভাৱে।

অসমৰ ৭ খন ভৈয়ামৰ জিলাৰ (ষষ্ঠ অনুসূচীৰ ব্যৱস্থা মতে শাসন কৰা জিলা কেইখনক বাদ দি) ৮০০০ বৰ্গমাইল গাঁও অঞ্চলত পৰিছে। গাঁও অঞ্চলৰ মাটিকালিৰ পৰিমাণ বাঢ়িবলৈ কোনো সুবিধা নাই। ৰিজাৰ্ভ আৰু অশ্ৰেণীকৃত জংঘলে এই ৰাজ্যৰ ৮০০০ বৰ্গমাইলৰ এটা অঞ্চল জুৰি আছে। ২০০০ বৰ্গমাইল চাহ শিল্পই দখল কৰিছে। প্ৰথমে ৫০০ বৰ্গমাইল আৰু পিচত ১২৬৯ বৰ্গমাইলৰ গ্ৰামাঞ্চল (হুগৰিজান, মৰাণ অঞ্চল আৰু ডুমডুমা-নাজিৰা অঞ্চলৰ) তেল শিল্পক এৰি দিয়া হৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী বিলাকে প্ৰায় ২০০০ বৰ্গমাইল লৈছে। গ্ৰামাঞ্চলত ৩৩ টা জনজাতীয় বেল্ট আৰু ব্লক আছে। জনজাতীয় বেল্ট আৰু ব্লক সমূহৰ মুঠ মাটি কালি হ'ল ১,০৯,৭০,৬৭৩ বিঘা।

অসমৰ শতকৰা ৯২·৩ জন লোকে গাঁৱত বাস কৰে। এই লোকসকলে

LIBRARY ESTD 1956



ষষ্ঠ অনুসূচীভুক্ত জিলা সমূহক বাদ দি ৰাজ্যৰ যি মাটি থাকিব তাৰ ১/৩ ভাগ মাটিতহে বাস কৰে। ১৯৬১ চনৰ লোক গণনাৰ প্ৰতিবেদনৰ তথ্য অনুসাৰে ভৈয়ামৰ জিলা সমূহৰ জন-কালি প্ৰতি বৰ্গমাইলত কামৰূপত ৫৪২ জন, গোৱালপাৰাত ৩৮৫ জন, নগাঁৱত ৫৫৯ জন, শিৱসাগৰত ৪৩৭ জন, দৰঙত ৩৮৩ জন, লক্ষীমপুৰত ৩১৭ জন আৰু কাছাৰত ৫১৩ জন। শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাৰ প্ৰায় সমান আধা ভাগ চাহ, তেল, কয়লা আদি অন্যান্য শিল্পই অধিকাৰ কৰি আছে। শিল্পাঞ্চল বাদ দিলে বাকী অঞ্চলৰ জন-কালি প্ৰতি বৰ্গমাইলত ৫০০ ওপৰ হ'ব। সেয়া আছিল ১৯৬১ চনৰ লোক পিয়ল। এই জনসংখ্যা বাঢ়িল এই দশকত শতকৰা ৩৫ ভাগ, অৰ্থাৎ ভৈয়ামৰ জিলা কেইখনত গড়ে এতিয়াৰ জনসংখ্যা ৭৫০ ৰ ওচৰা-উচৰি।

যদিও গ্ৰামাঞ্চল আৰু বনাঞ্চলৰ মাটি-কালি সমান, দুয়োটা অঞ্চলৰ ৰাজহ সমান নহয়। ১৯৬৯-৭০ চনত মাটিৰ খাজনা পোৱা হৈছে ৬·০০ কোটি টকা। বনাঞ্চলৰ পৰা পোৱা হৈছে মাত্ৰ ২·৯৯ কোটি টকা। মাটিৰ খাজনাৰ প্ৰায় শতকৰা ৫০ ভাগ। আকৌ বনাঞ্চলৰ ৰাজহ সংগ্ৰহ কৰোঁতে ১·৪৭ কোটি টকা অৰ্থাৎ মুঠ সংগৃহীত টকাৰ শতকৰা ৫০ ভাগ খৰচ হৈছে। আনহাতে মাটিৰ খাজনা তোলাত মুঠ সংগৃহীত টকাৰ শতকৰা ২৫ ভাগ খৰচ হৈছে।

বৰ্তমান মাটিহীন খেতিয়কৰ সমস্যা অতি তীব্ৰ হৈ পৰিছে। গাঁৱৰ কৃষিজীৱী মানুহৰ শতকৰা ৪০ জনতকৈ অধিক লোক মাটিহীন। বিভিন্ন ব্লক আৰু বেল্ট সমূহত ভৱিষ্যতৰ কাৰণে মাটি আছুতীয়াকৈ ৰখা সত্বেও বহুতো জন-জাতীয় লোক যোৱা দহ বছৰত মাটিহীন হৈ পৰিছে। কিয়নো তেওঁলোকৰ কাৰণে ৰখা মাটিত পূব পাকিস্তানৰ ভগনীয়া আৰু অ-জনজাতীয় লোকক বহুৱা হৈছে। আৱশ্যকতকৈ অধিক মাটি চাহ শিল্পই দখল কৰি আছে। চাহ শিল্পৰ মালিকৰ স্বাৰ্থত, চাহ বাগিচাৰ মাটিৰ ক্ষেত্ৰত ১৯৫৮ চনত চৰকাৰে গ্ৰহণ কৰা ১:২ অনুপাতে খেতিয়কৰ স্বাৰ্থ ক্ষুণ্ণ কৰিছে। জমিদাৰী উচ্ছেদ, আধিয়াৰ সংৰক্ষণ, ধৰ্মীয় আৰু দাতব্য অনুস্থান বিলাকৰ অধীনত থকা মাটি অধিগ্ৰহণ, ভূমি সম্পত্তিৰ সীমা নিৰ্দ্ধাৰণ আৰু একত্ৰীকৰণ আদি ভূমি সংস্কাৰৰ নামত লোৱা ব্যৱস্থাসমূহ কাগজে-পত্ৰইহে আছে।

গাঁও অঞ্চলত বাস কৰা অসমৰ ৯২·৩% লোকৰ বেছি সংখ্যকেই মাটিহীন

খেতিয়ক। চহৰত বাস কৰা লোকৰ সংখ্যা ৭·৭%, এইসকল মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত। ১৯৪৭ চনৰ পৰা ১৯৭২ চনলৈকে অসমত চৰকাৰী হাইস্কুল স্থাপন হ'ল ৩০ খন, ৰাইজে পতা স্কুলৰ সংখ্যা ১৯৪৭ চনলৈকে ২৪০ খন। ১৯৬৮ চনৰ শেষলৈকে সেই সংখ্যা হ'ল ৭৫০ খন। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা য'ত আছিল ৫ লাখ ত'ত হ'লগৈ ১৫ লাখ। ইয়াৰ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই এই বে-চৰকাৰী স্কুল সমূহত পঢ়া। এই সকলৰ বেছি ভাগেই গাঁৱত বাস কৰা শতকৰা ৯২·৩ ভাগ লোকৰ ল'ৰা-ছোৱালী। ইয়াৰ বেছি ভাগেই উচ্চ শিক্ষাৰ পৰা বঞ্চিত। বেছি সংখ্যকেই হাইস্কুল লিভিং পৰীক্ষা উত্তীৰ্ণ নাইবা অকৃতকাৰ্য্য হৈ নিবনুৱা হ'ব লগা হৈছে। আমাৰ ৰাজ্যত নিবনুৱাৰ সংখ্যা বাঢ়ি গৈ ১৩ লাখৰো ওপৰ হৈছেগৈ (স্নাতক আৰু বিশ্ববিদ্যালয় স্তৰৰ শিক্ষিত নিবনুৱা সকলকো ধৰি)।

কিছুদিনৰ আগতে কেন্দ্ৰীয় শ্ৰম মন্ত্ৰণালয়ে লোৱা এটা সমীক্ষাৰ পৰা দেখা যায় যে ৰাজহুৱা খণ্ডত ১৯৬৬-৬৭ চনত কৰ্ম সংস্থানৰ বৃদ্ধিৰ হাৰ আছিল শতকৰা ২·৭; কিন্তু ১৯৬৭-৬৮ চনত এই হাৰ শতকৰা ১·৭ লৈ হ্ৰাস পায়। ব্যক্তিগত খণ্ডত কৰ্ম সংস্থানৰ হ্ৰাসৰ হাৰ ১৯৬৬-৬৭ চনত আছিল ১·৯, কিন্তু ১৯৬৭-৬৮ চনত। এই হ্ৰাসৰ হাৰ শতকৰা ২·৪ লৈ বৃদ্ধি পায়। নিয়োগ বিনিময় কেন্দ্ৰবোৰত কৰ্ম প্ৰাৰ্থী সংখ্যাও আগতকৈ শতকৰা ৫·৬ গুণ বৃদ্ধি পাইছে। উক্ত সমীক্ষা অনুসাৰে যি কেইখন ৰাজ্যত কৰ্ম সংস্থান বৃদ্ধিৰ হাৰ হ্ৰাস পাইছে সেই ৰাজ্য কেইখনৰ ভিতৰত অসমো অন্যতম। অসমৰ বৰ্ধিত জনসংখ্যালৈ চাই নিবনুৱা সংখ্যাই যে ভয়াবহ ৰূপ লৈছে ই অনস্বীকাৰ্য্য।

১৯৬৮ চনৰ ১৮ মাৰ্চ তাৰিখে অসম বিধান সভাৰ ভৱনত কংগ্ৰেছ দলৰ কোঠাত, বিধান সভাৰ সেই সময়ৰ অধ্যক্ষ ৺হৰেশ্বৰ গোস্বামীৰ আহবানক্ৰমে নিবনুৱা সমস্যা সমন্ধীয় চেমিনাৰ অনুষ্ঠিত হৈছিল। চেমিনাৰত অংশগ্ৰহণ কৰি এজন সংবাদ সেৱীয়ে অভিযোগ তুলিছিল যে চাহ-শিল্প মাথোন কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীসকলৰ পৰিতোষণ কৰাতে ব্যস্ত। এনে কৰিবলৈ যাওঁতে কোনো কোনো মন্ত্ৰী সকলোজনকে চাহ শিল্পত নিয়োগ কৰিছে, যদিও তেওঁলোকে অসমলৈ আহিহে প্ৰথমবাৰ চাহ গছ দেখিছে। কোনো অৰ্হতা নথকা সত্ত্বেও অন্য ৰাজ্যৰ লোকক নিয়োগ কৰা হয়।



চৰকাৰে এই অভিযোগ অস্বীকাৰ কৰিব নোৱাৰে। ৰে'লৱেৰ চাকৰিৰ ক্ষেত্ৰতো বহিৰাগত আমদানি কৰাইছে। শ্ৰীতাৰক চন্দ্ৰ গোস্বামীৰ এই সম্পৰ্কীয় এখন দীঘলীয়া চিঠি যোৱা ২৪ নৱেম্বৰ তাৰিখে 'সাপ্তাহিক নীলাচল'ত প্ৰকাশ পাইছে। (চিঠিত উল্লেখ কৰা কোনো অভিযোগ এই প্ৰবন্ধ লিখালৈকে ৰে'ল কৰ্তৃপক্ষই অস্বীকাৰ কৰা নাই)।

অতি দুখৰ কথা যে নিবনুৱা সমস্যা সমাধান কৰিবলৈ অসম চৰকাৰে আজি পৰ্য্যন্ত কোনো এটা কাৰ্য্যকৰী আৰু বলিষ্ঠ নীতি গ্ৰহণ কৰিব নোৱাৰিলে। অন্যান্য ৰাজ্য চৰকাৰসমূহে নিজৰ নিজৰ ৰাজ্যত শতকৰা ৮০/৯০ জন থলুৱা লোক নিয়োগ কৰিবলৈ বিধি প্ৰণয়ন কৰিছে। অসমৰ চৰকাৰী আৰু বে-চৰকাৰী শিল্প সমূহত, কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত অসমৰ থলুৱা নিবনুৱাই সুবিচাৰ পোৱা নাই। এই কথা অসম বিধান সভাই গঠন কৰি দিয়া 'নিয়োগ পৰ্য্যালোচনা কমিটী'ৰ প্ৰতিবেদনতো প্ৰকাশ পাইছে।

সঁচা কথা, আমাৰ দেশৰ এই কৰুণ দুৰৱস্থাৰ মূলত হৈছে শ্ৰেণী শোষণৰ ভিত্তিত পৰিচালিত সমাজ ব্যৱস্থা, শাসক গোষ্ঠীয়ে মুখেৰে যিমানেই গণতন্ত্ৰ আৰু সমাজবাদৰ মন্ত্ৰ উচ্চাৰণ নকৰক — যেতিয়ালৈকে দেশী-বিদেশী একচেটিয়া মালিকানাই আমাৰ অৰ্থনীতিত খোপনি পুতি থাকিব, তেতিয়ালৈকে আমাৰ দেশত স্বাধীন অৰ্থনীতি গঢ়ি উঠিব নোৱাৰে আৰু জাতীয় অৰ্থনীতিৰো অগ্ৰগতি সম্ভৱ নহয়। আমাৰ দেশৰ পৰিৱৰ্তনকামী ৰাজনৈতিক ব্যক্তিসমূহে ঐক্যবদ্ধ হৈ জনসাধাৰণৰ মৌলিক আৰু জৰুৰী সমস্যাবোৰৰ ওপৰত গণ-আন্দোলন সংগঠিত কৰি সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত সমাজৰ আমূল পৰিৱৰ্তন আৰু বৈপ্লৱিক ৰূপান্তৰ ঘটোৱাৰ বাবে আপোচহীন সংগ্ৰামত ব্ৰতী হ'লেহে সাম্য-মৈত্ৰী স্বাধীনতাৰ ভেটিত নতুন সমাজ গঢ়ি উঠিব, জন-মানসত নতুন চেতনাৰ উদয় হ'ব। ■

*(প্ৰকাশ কাল - ১৯৭১-৭২)*

# আমোলাতন্ত্ৰৰ আমোল মোল

কনক চন্দ্ৰ বৰা
অধ্যাপক

বৰ্তমান যুগ আমোলাতন্ত্ৰৰ যুগ। আমোলা তন্ত্ৰ বাদ দি কোনো চৰকাৰ
বৰ্তি থাকিব নোৱাৰে। দেশৰ সমগ্ৰ শাসন যন্ত্ৰ প্ৰকৃতাৰ্থত আমোলাসকলৰ
হাতত। বিখ্যাত ইংৰাজ ৰাজনৈতিক বিজ্ঞানী ৰামচে মুইৰে তেওঁৰ ''গ্ৰেট
বৃটেইন কেনেকৈ শাসন কৰে'' নামৰ বিখ্যাত কিতাপত আমোলাতন্ত্ৰ সম্পৰ্কে
বিস্তৃত বিবৰণ দাঙি ধৰি কৈছে যে মন্ত্ৰীমণ্ডলীয় দায়িত্বৰ আঁৰবেৰত আমোলাতন্ত্ৰ
তিষ্ঠি থাকে। সংসদীয় শাসন ব্যৱস্থাত আমোলাতান্ত্ৰিক ভুল ক্ৰুটিৰ প্ৰায়শ্চিত্ত
সদায় মন্ত্ৰী মহোদয় সকলৰহে হয়। ৰামছে মুইৰে আৰু কৈছে যে বৃটিশ
শাসন স্থায়ী প্ৰশাসনীয় বিষয়াসকলৰ প্ৰশাসনীয় আইন ৰচনা আৰু বিত্তীয়
বিষয়ত প্ৰভাৱ অতি উল্লেখযোগ্য। অৰ্থাৎ আমোলাতন্ত্ৰ বাদ দি এখন দেশৰ
কথা ভাবিব নোৱাৰি। এই আমোলাতান্ত্ৰিক শাসন যন্ত্ৰটোত বহুতো ব্যক্তিৰ
সমাবেশ ঘটে। অৱশ্যে তাৰ স্তৰ আৰু দায়িত্ব বেলেগ বেলেগ। বহুতো লোকে
প্ৰশ্ন কৰে, দেশখন আচলতে কোনে শাসন কৰে? এটা কথাত ক'বলৈ গ'লে
আচলতে দেশখন আমোলা সকলেহে শাসন কৰে। ৰাজনৈতিক মানুহখিনি
ক্ষণস্থায়ী। আহিছে আৰু গৈছে কিন্তু আমোলাসকল স্থায়ী চাকৰিয়াল।
তেওঁলোকৰ নিৰ্দ্ধাৰিত বয়স পাৰ নোহোৱালৈকে, অন্য হেতু আঁতৰি যাব
লগা নহ'লে আমোলাসকল এইটো বা সেইটো বিভাগৰ স্থায়ী ব্যক্তি। এখন
দেশৰ প্ৰগতি আৰু লক্ষ্য মূলতঃ আমোলাসকলৰ হাতৰ মুঠিত। যদিও সামগ্ৰীক



ভাৱে ক্ষমতাত অধিষ্ঠিত ৰাজনীতিজ্ঞসকলে দেশৰ সমুদায় নীতি নিৰ্দ্ধাৰণ
কৰে তথাপি তাৰ কাৰ্যকৰী ৰূপ দিব আমোলাসকলে। কোনো এটি নীতি
তুলা পাতত লিপিবদ্ধ হৈ থকা আৰু কাৰ্যত পৰিণত কৰাৰ মাজত বহুতো
পাৰ্থক্য আছে। এই পাৰ্থক্যৰ পৰিসৰ বৃদ্ধি হ'লেই ক্ষমতাস্থ ৰাজনৈতিক দলৰ
বিপৰ্য্যয় আৰম্ভ হয়। নীতি আৰু কাৰ্য্যৰ মাজত সমন্বয় আৰু সামঞ্জস্যৰ
অভাৱ হ'লে জনসাধাৰণে ইপ্সিত আকাঙ্খাৰ পৰা বঞ্চিত হয় আৰু ৰাজনৈতিক
দলৰ ওপৰত ক্ষুব্ধ হৈ পৰে। দুৰ্ভাগ্যবশতঃ ৰাজনীতিবিদ সকলেও কেতিয়াও
ক'ব নোৱাৰে কাৰ কাৰণে নীতিবোৰ কাৰ্য্যত পৰিণত নহ'ল। যোৱা ২৬
বছৰৰ ইতিহাসত ভাৰতবৰ্ষত বহুতো এনে উদাহৰণ আছে যিবোৰ কাগজতে
ৰৈ থাকিল, কাৰ্য্যত নহ'লগৈ। কিন্তু নোহোৱাখিনিৰ কাৰণে দায়ী কোন?
আমোলা সকল নে ক্ষমতাত অধিষ্ঠিত ৰাজনৈতিক দল? এভাগ সমালোচকৰ
মতে আমোলাসকল আৰু অন্যসকলৰ মতে ৰাজনৈতিক দলটো বা দলবোৰ।
কোনো এটা নীতি কিয় কাৰ্য্যত পৰিণত নহয় বুলি যদি অতি সযত্ন আৰু
নিৰপেক্ষ ভাৱে এজন আমোলাক সোধা যায় তেন্তে তাৰ উত্তৰ হ'ব
এনেধৰণৰ। বৰ্তমানৰ ক্ষমতাধিষ্ঠ দলৰ দ্বাৰা নহ'ব, কাৰণ তেওঁলোক, মানে
তেওঁলোকৰ দোষবোৰ ফঁহিয়াই দিব। নিৰপেক্ষ ব্যক্তি হিচাপে আংশিক ভাৱে
হ'লেও মানি ল'বলৈ আপুনি বাধ্য। সেই প্ৰশ্নটোকে এজন ক্ষমতাত থকা
ৰাজনীতিবিদ তথা মন্ত্ৰী বা উপমন্ত্ৰীক সুধিলেও উত্তৰটো একে হ'ব —
এইবাৰ দোষ পৰিল আমোলাসকলৰ ওপৰত। ৰাজনীতিবিদ জনে নীতিৰ
শুদ্ধতাৰ ওপৰত নিৰ্ভুল ভাৱে জোৰ দি আমোলাসকলৰ দোষবোৰ ডাঙি ধৰি
নিজক বচাবলৈ যত্ন কৰিব বা কৰিছে। কোনো নীতিৰ কাৰ্য্যকৰী ৰূপ নোপোৱাৰ
কাৰণে দায়ী কোন তাক একেষাৰত কোৱাটো বৰ জটিল। তাৰোপৰি
ভিতৰুৱাকৈ আমালাই আমোলাক, মন্ত্ৰীয়ে মন্ত্ৰীক দোষাৰোপ কৰাটো আছেই।
উদাহৰণ স্বৰূপে লোৱা যাওক এখন চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা আৰু
তাৰ উন্নতি। এখন চিকিৎসা মহাবিদ্যালয় সুসন্মত ভাৱে গঢ়ি উঠাৰ বাবে
কম বেছি পৰিমাণে চৰকাৰৰ কেবাটাও দপ্তৰ ওতঃপ্ৰোতঃ ভাৱে জড়িত যেনে
ঘৰ-দুৱাৰৰ কাৰণে গড় কাপ্তানি বিভাগ, বিজুলী যোগানৰ কাৰণে বিজুলী
বিভাগ, চাকৰিৰ দৰব আৰু জাতিৰ কাৰণে স্বাস্থ্য বিভাগ, শিক্ষা বিভাগ,
খাদ্য যোগান, পানী যোগান বিভাগ আদি কৰি বিভিন্ন বিভাগ আৰু

তাতোতকৈও প্ৰয়োজনীয় বিভাগ হ'ল বিত্ত বিভাগ। বিত্ত অবিহনে সকলো বিভাগ অচল। বিত্তই হ'ল প্ৰশাসনৰ জ্বলি থকা লগনী-খৰি। এই লগনী-খৰিজাল জ্বলি নেথাকিলে সকলো আঁচনি পুখুৰীৰ পুণীৰ দৰে উপঙি থাকিব আৰু শেষত বাৰিষাৰ বাণত উটি কৰবালৈ গুচি যাব। এতিয়া চিকিৎসা মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি নিৰ্ভৰ কৰিছে কেউটা বিভাগৰ সুসংযত সমন্বয়ৰ ওপৰত। এটা বিভাগেও যদি কেনেবাকৈ সমন্বয় ৰক্ষা কৰি কাম নকৰে তেন্তে ফল প্ৰাপ্তিৰ পৰা জনসাধাৰণ বঞ্চিত হ'ব। এবাৰ এখন চিকিৎসা মহাবিদ্যালয়ৰ এটা ৬ জনীয়া ভেৰোনীয়া [paying] ৱাৰ্ড সম্পূৰ্ণ হোৱাৰ পাছতো দুবছৰ দিন ধৰি ব্যৱহাৰ নকৰাকৈ পৰি আছিল আৰু তাৰ কাৰণ আছিল বোলে তাত কৰ্তব্যৰত হিচাবে থাকিবলৈ প্ৰয়োজনীয় সংখ্যক নাৰ্চৰ নিয়োগ কৰা নাছিল আৰু তাত থকা ৬ খন বিছনাৰ কাৰণে প্ৰয়োজনীয় কাপোৰখিনি কিনা হোৱা নাছিল। এতিয়া প্ৰশ্ন হ'ল যিহেতু ই চৰকাৰী ব্যৱস্থাৰে প্ৰতিস্থিত সেই কাৰণে ৬ জনীয়া ৱাৰ্ডটো ২ বছৰৰ কাৰণে অতি নগণ্য কাৰণত ব্যৱহাৰ নোহোৱালৈ পৰি থাকিল। যদি ব্যক্তিগত ভাৱে কোনোবাই এই কামৰ ব্যৱস্থাপনা কৰিলেহেঁতেন তেন্তে ২ বছৰ দিন ধৰি পৰি থাকিলেহেঁতেন নে? নেথাকে, কেতিয়াও নেথাকে। ব্যক্তিগত কথাত প্ৰত্যক্ষ ভাৱে লাভ-লোকচানৰ কথা আছে, সময়ৰ কথা আছে, কিন্তু চৰকাৰী কাৰণে লাভ-লোকচানৰ কথাতকৈ নীতি-নিয়মৰ কথাহে আছে আৰু তাৰ কাৰণে সেই বিষয়ে চকু দিব লগা সংশ্লিষ্ট কোনো বিভাগৰে কোনো লোকে কেতিয়াও দৰমহা নোপোৱাকৈ নিশ্চয় থকা নাছিল বা কাৰো বছেৰেকীয়া বৰ্দ্ধিত দৰমহাত ব্যাঘাত জন্মা নাই বা কোনো আমোলাই কিবা কৈফিয়ৎ দিব লগা হৈছে বুলিও মনে নধৰে। এই কথাটোৰ যদি এটা সাধাৰণ পৰ্য্যবেক্ষণ কৰি সোধা যায় তাৰ কাৰণে দোষী কোন বুলি তেন্তে সহজে উত্তৰ দিয়াটো পৰ্বতৰ কাছৰ কণী বিচৰাৰ নিচিনা কথা হ'ব। প্ৰত্যেকেই প্ৰত্যেকৰ দোষৰ ভাগটো আঁতৰাই থৈছে। আমোলাতান্ত্ৰিক গাঠনিটো ইমান এটা ডাঙৰ চক্ৰবেহু যে তাত এবাৰ সোমালে আৰু সহজে ওলাই অহা টান। অন্ততঃ অন্যদেশত নহলেও ভাৰতবৰ্ষত সেইটো স্বতঃসিদ্ধ সূত্ৰ।

তাৰোপৰি আমাৰ ৰাষ্ট্ৰখন সংযুক্ত ৰাষ্ট্ৰীয় গাঠনিৰ হোৱাৰ কাৰণে আমোলাতন্ত্ৰৰ একেবাৰে গাখীৰতে ম'হৰ খুটি হ'ল আৰু যদিও বিষয় বিভাজন



সম্পৰ্কে ৰাজ্য আৰু কেন্দ্ৰৰ মাজত স্পষ্ট নিৰ্দেশ আছে তথাপি কেন্দ্ৰৰ বিনা অনুগ্ৰহত ৰাজ্যবোৰে বাস্তৱতে একো কৰিব নোৱাৰে। অন্যহাতেদি কেন্দ্ৰইও ৰাজ্যবোৰক সতিনী তিৰোতা বুলি গন্য কৰে। বহুতো সময়ত সেই কাৰণে অৰিয়া অৰিত জনসাধাৰণে কষ্ট ভোগ কৰে। ভাৰতবৰ্ষৰ কথাটো বাদেই আনকি ইংৰাজ লোকৰ দেশতো যত অতি নিষ্ঠাবান, সময়ানুবৰ্ত্তী, পৰিশ্ৰমী সহায়কাৰী মনোবৃত্তিৰ এচাম আমোলা আছে তাতো আমোলা তান্ত্ৰিক গাঠনিৰ ব্যেহুক বহুতে সমালোচনা কৰা দেখা গৈছে। লৰ্ড হিউৱাৰ্টে আমোলাতন্ত্ৰক সেই কাৰণেই 'নতুন স্বেচ্ছাৰিতা' বুলি দোষ আৰোপ কৰিছে। এখন অতি সযত্ন ভাৱে শাসিত গণতান্ত্ৰিক ৰাষ্ট্ৰত যেতিয়া 'নতুন স্বেচ্ছাৰিতাই' জনসাধাৰণৰ জনকল্যাণৰ বাধাৰ সৃষ্টি কৰিব পাৰে, তেনেস্থলত ভাৰতবৰ্ষৰ নিচিনা এখন দেশত, য'ত শিক্ষিতৰ হাৰ অতি কম, দৰিদ্ৰতা গগণ চুম্বী, সমাজ কু-ৰীতিৰে পৰিপূৰ্ণ, অৰ্থ-নৈতিক ন্যায়ৰ অভাৱ, তাত আমোলাতন্ত্ৰৰহে আমোল মোল হ'ব — জনসাধাৰণৰ নহয়। বহুতো সকালোচকে ক'ব খোজে যে ৰাজনীতিবিদসকলে প্ৰকৃততে একো নেজানে। যেনে সামৰিক বিভাগৰ মন্ত্ৰীজন অতি সৰল চিতীয়া শান্তিপ্ৰিয় মানুহ, অৰ্থনৈতিক পৰিক্ৰমাৰ মন্ত্ৰীজনে হয়টো অৰ্থনীতিৰ ক খ কে নেজানে তেনেস্থলত আমোলাৰ আমোল নহৈ আৰু কাৰ হ'ব। ভাৰতৰ নিচিনা দেশত বহুতো শ শ মন্ত্ৰীৰ আনকি সাধাৰণ শিক্ষাকনো অতি নিৰাশজনক। অৱশ্যে সেইসকল মন্ত্ৰী মহোদয় সাংগঠনিক কামত, দলৰ কামত হয়টো অতি নিপুন। কিন্তু সেই নিপুণতাই প্ৰশাসনত কিবা সহায় কৰিব বুলি মনে নধৰে। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ মন্ত্ৰী মহোদয়সকলৰ যদি এটা সমীক্ষা লোৱা হয় তেন্তে বিশ্ববিদ্যালয়ৰ কৃতী ছাত্ৰ হিচাবে পৰিচিত ব্যক্তিৰ সংখ্যা এপাচী কচুশাকত এটা জালুকৰ নিছিনাহে হ'ব। অৱশ্যে খুন্দিয়াই ভুকুৱাই স্নাতক বা স্নাতকোত্তৰ বা আইনৰ ডিগ্ৰী লোৱা ব্যক্তি কিছু সংখ্যক নোলোৱা নহয়। ডিগ্ৰী থাকিলেও এইসকলক কৃতী ছাত্ৰৰ শাৰীত ধৰা হোৱা নাই। অন্য হাতেদি সংসদীয় গণতন্ত্ৰৰ মাতৃস্বৰূপা গ্ৰেট বৃটেইন বা ৰাষ্ট্ৰপতীয় গঠনৰ গণতান্ত্ৰিক ৰাষ্ট্ৰ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মন্ত্ৰী বা সচিবসকলৰ সৰহ সংখ্যক বিশ্ববিদ্যালয়ৰ একো একোজন সুদক্ষ ছাত্ৰ। উচ্চ পৰ্যায়ৰ আমোলাসকল সাধাৰণতে গুণী ছাত্ৰ-ছাত্ৰী। বুদ্ধিৰ প্ৰখৰতা আৰু কৰ্ম দক্ষতা যথেষ্ট বেছি। সেই কাৰণেই এসময়ত বৃটিশসকলে ভাৰতবৰ্ষ

শাসন কৰিবৰ নিমিত্তে 'প্ৰশাসনৰ লৌহমানৰ' আই.চি.এছ. বিষয়াৰ সৃষ্টি কৰিছিল। 'প্ৰশাসনৰ লৌহ মানৰ' বুলি খ্যাত এই লোকসকলৰ সুযোগ সুবিধা দেৱতাৰো দুষ্পাপ্য। অৱশ্যে লৌহ মানৱ সকলৰ শেষ জনৰ অৱসৰ ১৯৭৯ চনত হোৱাৰ লগে লগেই ভাৰতীয় প্ৰশাসনীয় ইতিহাসৰ এটা দীঘলীয়া অধ্যায়ৰ শেষ হ'ব। বৃটিশসকল যোৱাৰ লগে লগেই প্ৰশাসনত যতি নপৰিবৰ কাৰণে ভাৰতীয় প্ৰশাসনীয় সেৱা আৰু ভাৰতীয় বৈদেশিক সেৱাৰ কাৰণে দেশৰ সুদক্ষ যুৱক যুৱতীসকলক কেন্দ্ৰীয় লোক সেৱা আয়োগৰ কৰ্তৃত্বাধীন পৰীক্ষা যোগে নিয়োগ কৰাৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰ উপৰিও ৰাজ্যসমূহৰ প্ৰশাসনৰ কাৰণে লোক নিয়োগৰ বাবে ৰাজ্যিক লোক সেৱা আয়োগ গঠন কৰা হ'ল। কেন্দ্ৰীয় আৰু ৰাজ্যিক লোক সেৱা আয়োগে সাধাৰণতে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীপ্ৰাপ্ত যুৱক-যুৱতীসকলক চালনীৰে চালি কুলাৰে জাৰি পতানখিনি সম্পূৰ্ণ বাদ দি বিভিন্ন চাকৰিৰ কাৰণে নাম চুপাৰিশ কৰে। পৰ্য্যায়ক্ৰমে বিভিন্ন চাকৰিৰ কাৰণে আয়োগে নাম চুপাৰিশ কৰে যদিও একেবাৰে শেষ স্তৰৰ তৃতীয় বা চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল মকৰল কোনো জিলা পৰ্য্যায় বা মহকুমা পৰ্য্যায়ৰ কাৰ্য্যালয়ৰ মুৰব্বীসকলেই সন্মতি সাপেক্ষে মকৰল কৰিব পাৰে। অৱশ্যে সকলো পৰ্য্যায়ৰ চাকৰিত মকৰল কৰোতে মনঃস্তাত্বিক দিশটোৰ ওপৰতো চকু দিয়া যায়। উদাহৰণ স্বৰূপে বিশ্ববিদ্যালয়ৰ কৃতী ছাত্ৰ হ'লেও, লিখিত পৰীক্ষাত গুণগত নম্বৰ পালেও এজন খঙাল বা ৰুগীয়া ব্যক্তিক প্ৰশাসনত নিয়োগ কৰাটো মুঠেই সমিচীন নহয়। প্ৰশাসনত লিপ্ত প্ৰত্যেকেই কম বেছি পৰিমাণে জনসাধাৰণৰ সংস্পৰ্শলৈ আহে। এজন খঙাল বিষয়াই পুৱাৰ পৰা ৰাতিলৈকে কিমান ধৈৰ্য্য সহকাৰে জনসংযোগ ৰাখিব পাৰে সন্দেহৰ বিষয়। প্ৰশাসনৰ ক্ষেত্ৰ বিষয়াসকলে প্ৰত্যেক মুহূৰ্ততে জনসাধাৰণৰ লগত সংযোগ ৰাখি কৰ্তব্য কৰিব লাগে। উদাহৰণ স্বৰূপে এজন উপায়ুক্তক লোৱা হওঁক। এখন জিলাৰ প্ৰশাসনীয় মুৰব্বী হিচাবে অজস্ৰ দায়িত্ব পালন কৰিব লাগে। জিলাৰ উপায়ুক্তৰ প্ৰশাসনীয় গুণাগুণৰ ওপৰতেই সমগ্ৰ অঞ্চলটোৰ পোৱা নোপোৱাৰ অভিলেখৰ পৰা আইন শৃঙ্খলা অটুট ৰখাটো নিৰ্ভৰ কৰে। জিলাৰ সদৰত মোকৰ্দ্দমা সোধাৰ পৰা আৰম্ভ কৰি জিলাৰ এমুৰীয়াভাৱে অৱস্থিত গাঁৱৰ অভাৱ অভিযোগ পৰ্য্যন্ত চকু দিব পৰা জনেই সুদক্ষ প্ৰশাসক। ইমান সৰলাৰ্থ কৰা মানে এইটো নহয় যে জনসাধাৰণে পাব লগা খিনি



পাইছে। দুৰ্ভাগ্যৰ কথা যে নেপাব লগাখিনিটো পোৱাই নাই আনকি একান্তই পাব লগাখিনিও পোৱাই নাই। এসপ্তাহত ১০০ গ্ৰাম চেনি দিয়ে জনে প্ৰতি, ঘৰ সাজিবলৈ ঋণ দিয়ে, দলং সাজিবলৈ, পুখুৰী খান্দিবলৈ, গৰু কিনিবলৈ টকা দিয়ে। কিন্তু আপুনি বাৰু পাইছেনে সময় মতে? চৰকাৰে বান্ধি দিয়া মতে চেনি, চাউল পোৱা যায় নে? সকলো নীতি অৱলম্বন কৰি দৰখাস্ত কৰাৰ এসপ্তাহৰ ভিতৰত ঘৰ সজা ঋণ পাব পাৰিনে? একেদিনাই গৈ খণ্ড উন্নয়ণ কাৰ্য্যালয়ৰ পৰা সাৰখিনি কোনোবাই আনিব পাৰেনে? গৰু, মহ কিনিবলৈ ভৰপক খেতিৰ দিনত টকা পোৱা যায়নে? বিদেশলৈ যাবৰ কাৰণে পাৰ পত্ৰখন দুদিনতে পোৱা হ'বনে? এনেকুৱা এশ এবুৰি প্ৰশ্নই যেতিয়া জুমুৰি মাৰি ধৰে তেতিয়া আমোলাতন্ত্ৰৰ মেৰপাকক শাও দিয়া যায়। আমোলাতন্ত্ৰক আঁক পাক অৰ্থাৎ ৰঙা ফিটাই মেৰাই ধৰিলে। ৰঙা ফিটাৰ মেৰপাক আমোলাতান্ত্ৰিক শাসক যন্ত্ৰৰ একৰাৱ নোৱাৰা গাঁঠি। ওপৰত উল্লেখিত প্ৰশ্নবোৰৰ সমাধান ইচ্ছা কৰা মতে, অন্য দেশত কিজানি কি হ'ব পাৰে নেজানো কিন্তু আমাৰ দেশত হ'লে কেতিয়াও নহয়। বিভিন্ন কাৰ্যালয়ত গৈ যি ব্যক্তিয়ে এনেবোৰ কথাৰ ৰস পাইছে তেওঁহে গম পাব এই ৰস কেহা নে জলা নে তিতা? কোনোবা লাখটকীয়া সৌভাগ্যবান ব্যক্তিয়ে প্ৰায় আধাকোটী টকাৰ বাগান ২৪ ঘণ্টাৰ ভিতৰতে বিক্ৰী দলিল কৰি ধন লৈ গৈ যেন চন্দ্ৰযানৰ গতিকো চেৰ পেলাব পাৰে অথচ সেইসকল আমোলাৰ কাৰণেই দুৰ্ভগীয়া খেতিয়কে মথাউৰিৰ কাৰণে চৰকাৰক দিয়া মাটিৰ বাবদ টকা কেইশ পাওঁতে আশ্চৰ্য্যজনক ভাৱে ১৫ বছৰ পৰ্য্যন্ত লাগে। তাকে কয় বোলে খেনোক দেখি ভাত ৰান্ধে, খেনোক দেখি দুৱাৰ বান্ধে। অৱশ্যে ইয়াৰ ভিতৰত যদি কিবা ৰহস্য আছে তেন্তে সেই ৰহস্য মিতিৰ বৰীয়াঁকৈ সংশ্লিষ্ট মহলে নজনা নহয় বা বুজা লোকে নুবুজা নহয় কিন্তু এনে ক্ষেত্ৰত জানিও লাভ নাই, বুজিও লাভ নাই। সংশ্লিষ্ট মহলৰ ব্যক্তিসকলৰ বাদে অন্য সকল হ'ল চাৰ্কাচৰ দৰ্শকৰ দৰে — হাতী, বাঘ আৰু শিয়ালৰ খেল দেখি ভয়ো খাব পাৰে, হাঁহিও উঠিব বা খঙো উঠিব পাৰে ; কিন্তু উপায় নাই এইবোৰ ৰিং মাষ্টৰৰ খেলা। চৰকাৰৰ লগত দেনা পাওনাৰ হিছাব কৰোতে ইমান বায়ুবেগে অভিলেখ স্থাপন কৰাৰ আৰু নজিৰ আছেনে নাই সেইটো কোনোবা গৱেষকৰ বিষয় বস্তুহে সাধাৰণভাৱে কিন্তু তেনে নজিৰ ব্যক্তিগত পৰ্যায়ত থাকিলেও চৰকাৰী পৰ্যায়ত থকাৰ উদাহৰণ

নাই কিজানি? এই সকলোবিলাক আমোলাতান্ত্ৰিক শাসন যন্ত্ৰৰ মেৰপাক। ইয়াৰ মহত্ব আৰু মহতালি দেৰৱো দুৰ্বোধ্য, মনুষ্য কোন কুটা। হেৰল্ড লাস্কিৰ নিচিনা বিদ্বান লোকেও আমোলাতন্ত্ৰৰ মহতালি দেখি হৰি হৰি চিঞৰিছে। লাস্কি চাহাবৰ মতে, ''আমোলাতন্ত্ৰই জনসাধাৰণৰ স্বাধীনতা বিপদগ্ৰস্ত কৰে। আমোলাতন্ত্ৰই গতানুগতিকতাক ভাল পায়, কিছুমান কঠিন নীতি নিয়ম চিনি পায় আৰু সিদ্ধান্তৰ অযথা পলম ঘটায়। আমোলাতন্ত্ৰ যান্ত্ৰিক, কঠিন, অমানবীয় নীতিগতি, আত্মহীন এক ব্যৱস্থা মাত্ৰ'' আৰু সেই কাৰণেই কেতিয়াবা মৰা মানুহৰ নামতো গ্ৰেপ্তাৰী পৰোৱনা আহে আৰু জীয়া মানুহ গ্ৰেপ্তাৰী পৰোৱানৰ পৰা আঁতৰি থাকি টিঙিল ঘিলাই থকাৰ দৃষ্টান্ত আছে। কংগ্ৰেছ সংসদী দলৰ এটা বিশেষ বাতৰিত প্ৰকাশ হৈছিল যে কেন্দ্ৰীয় চৰকাৰে ১৯৫৭-৫৮ চনত ১৯,৬৮,১২৫ গজ ৰঙা ফিটা ব্যৱহাৰ কৰিছিল আৰু ১৯৫৯-৬০ চনত বাঢ়ি গৈ ৰঙা ফিটাৰ গজ হিচাপত পৰিছিল ৫৫ লাখ গজ। ৰঙা ফিটা বাঢ়িহে গৈ থাকে, কমি যোৱাৰ প্ৰশ্ন নুঠে। এই সম্পৰ্কত অধ্যাপক নিকোলছ পাৰকিন্‌চনৰ সূত্ৰ বিশেষ প্ৰণিধান যোগ্য। পাৰকিন্‌চন চাহাবৰ মতে 'চাকৰিয়ালৰ সৃষ্টি কৰে আৰু প্ৰত্যেকে প্ৰত্যেকৰ কাৰণে কাম উলিয়াই দিয়ে'। এটা উদাহৰণ দি কৈছে যে বৃটিছ উপনিবেশ এখনৰ পাছত এখনে স্বাধীনতা পোৱাৰ পাছতো উপনিৱেশ কাৰ্য্যালয়ত কৰ্মচাৰীৰ সংখ্যা কমি নগৈ বাঢ়িহে গৈছিল। উপনিবেশ কাৰ্য্যালয়ত কৰ্মচাৰীৰ সংখ্যা এনে ধৰণে আছিল —

১৯৩৫ চন —৩৭২ জন
১৯৩৯ চন — ৪৫০ জন
১৯৮৩ চন — ৮১৭ জন
১৯৪৭ চন — ১১৩৯ জন
১৯৫৪ চন — ১৬৬১ জন

বেলি মাৰ নোযোৱা বৃটিশ সাম্ৰাজ্যৰ যেতিয়া বেলি মাৰ গ'ল তেতিয়াও আমোলাৰ সংখ্যা বৰ্দ্ধিত হাৰত গৈ থাকিল। এতিয়া আমাৰ দেশৰ কিছুমান বিভাগলৈ মন কৰিলেও দেখা যায় যে ১৯৪৭-৪৮ চনৰ যিমান সংখ্যক কৰ্মচাৰী আছিল আজি সেই বিভাগবোৰত বহুতো হাজাৰ গুণ বেছি হ'ল। অৱশ্যে ক'ব পাৰি যে উন্নয়নশীল ৰাষ্ট্ৰৰ এইটো এটা লক্ষণ হ'লেও কেতিয়াবা ওপৰ গধুৰ শাসনে ভাৰাক্ৰান্ত নকৰা নহয়। তাৰোপৰি আমাৰ দেশৰ মানুহৰ কাৰণেও



চাকৰি সৃষ্টি কৰে যিটো বৰ মাৰাত্মক। অৱশ্যে এজন নাৰ্‌লিকাৰ বা এজন হালদেনৰ কাৰণে চাকৰি সৃষ্টি কৰাৰ কথা ইয়াত কোৱা হোৱা নাই। ইয়াত কোৱা হৈছে ৰাজনৈতিক বা অন্যান্য কথাৰ তাগিদাত আহলতীয়া পাহলতীয়াসকলৰ কাৰণে সৃষ্টি কৰা চাকৰিৰ কথাহে যি দৰমহা আৰু ভ্ৰমণ বানচ লোৱাৰ বাদে অন্য একো অৰিহণা যোগাব নোৱাৰে। অন্যহাতেদি ব্যক্তিগত খণ্ডৰ কাম-কাজ, সিদ্ধান্ত অতি নিয়াৰী, খৰতকীয়া আৰু মিতব্যয়ী। চৰকাৰী নীতি-নিয়মবোৰ একঘেয়া তাত সময় বা অন্যান্য অৱস্থাৰ কথা চিন্তা নকৰে।

এই সম্পৰ্কত এটা ভাল উদাহৰণ আছে ঃ সমগ্ৰ ভাৰততে জুলাই মাহৰ প্ৰথম সপ্তাহত বন মহোৎসৱ পালন কৰে — এইটো এটা চৰকাৰী সিদ্ধান্ত। গছ-গছনি ৰুই ফলে ফুলে জাতিস্কাৰ কৰাই হ'ল মূল লক্ষ্য। কিন্তু জুলাই মাহত অসম আৰু উত্তৰ বংগত বাৰিষাৰ ভৰপক। ফেনে ফোটোকাৰে নদীবোৰৰ গৰ্ভ পৰিপূৰ্ণ। কোন মুহূৰ্তত আহি বন মহোৎসৱৰ গছ-গছনি উটুৱাই বানপানী মহোৎসৱ কৰে তাৰ লেখা নাই — অৰ্থাৎ নদীৰ বানে লক্ষাধিক টকাৰ শ্ৰাদ্ধ এক নিমিষতে কৰিব। অৱশ্যে শেষত এই ভুল ভাগিল যেনিবা। ভাৰতৰ বিভিন্ন অঞ্চলৰ জলবায়ু আৰু অন্যান্য অৱস্থাৰ কথা চিন্তা কৰিবলৈ আমোলাসকলৰ আহৰি ক'ত? গতানুগতিকতাই হ'ল আমোলাতন্ত্ৰ। কোনোবাই নতুন কিবা এটা ৰূপ দিব খুজিলেই ভুত দেখাদি দেখে। আমোলাতান্ত্ৰিকতাৰ অন্য এক ডাঙৰ দোষ হ'ল যে সময়ত সৃষ্টি কৰ্তাজনকে গিলি পেলোৱাৰ উপক্ৰম কৰে যেনেকৈ জুই ধৰাৰ পাছত আৰু জুইত হাত সুমাব নোৱাৰি মাত্ৰ ওচৰতে বহি নিৰ্দিষ্ট দূৰৰ পৰা মাত্ৰ সেওহে দিব পাৰি। জুইৰ মাজত সোমাই জুই নুমাবলৈ চেষ্টা কৰা মানে মৃত্যুৰ লগত যুঁজ কৰা ঠিক তেনেকৈ আমোলাতান্ত্ৰিক শাসনযন্ত্ৰক পোন পাজৰ কৰি নতুন ৰূপ দিবলৈ চেষ্টা কৰা মানে নিজৰ বিপদ নিজে চপাই লোৱাহে হ'ব। আনকি সামৰিক বাহিনীৰ যুদ্ধ পৰিচালনাৰ কৌশলকো আমোলাসকলে কলম, কাগজ আৰু ফাইলৰ মাজত আবদ্ধ ৰাখি সমৰ কৌশলী বিশেষজ্ঞক বিপথে পৰিচালনা কৰাৰ দুঃসাহস নকৰা নহয়। কিন্তু লাডাখ, অৰুণাচলৰ দুৰ্গম পথত সামৰিক বাহিনীৰ লোকেহে জানে বিপদ বিঘিনি কি কি, প্ৰয়োজন কি কি? বায়ু সেনা বাহিনীৰ পাইলতসকল তথা বিশেষজ্ঞইহে জানে নেট্‌ বা টুফানী বা হাণ্টাৰৰ প্ৰয়োজন আৰু পৰিচালনাৰ

কথা আমোলাসকলে নহয়। কিন্তু আমাৰ দেশত বিশেষজ্ঞকো চেৰ পেলাই উচ্চ পৰ্য্যায়ৰ আমোলাসকলে আগ ভাগ ল'বলৈ চেষ্টা কৰে আৰু বহু সময়ত বিশেষজ্ঞক বাদ দি তেনে বিষয়াক অগ্ৰাধিকাৰ দিয়াৰ উদাহৰণ আছে। আচলতে কোনে অগ্ৰাধিকাৰ পোৱা উচিত সেইটো বৰ্তমান বিতৰ্কৰ বিষয় হৈ পৰিছে।

ভাৰতৰ কেইবাখনো ৰাজ্যৰ অসম সহ আমোলাতান্ত্ৰিক যন্ত্ৰটোৰ মেৰামতি কৰাৰ কথা মুখ্যমন্ত্ৰীসকলে ঘোষণা কৰিছিল। ওপৰ গধুৰ শাসনৰ ওৰ পেলোৱাৰ কথা বিধান সভাৰো মজিয়াত বাৰংবাৰ উত্থাপন কৰা হৈছে, কেতিয়াবা প্ৰতিশ্ৰুতিও দিয়া হৈছে। অসমৰ বৰ্তমান মুখ্য মন্ত্ৰীয়ে প্ৰথমে শাসনভাৰ লওঁতেই আমোলাতান্ত্ৰিক গাঠনিটোৰ নতুন ৰূপ দিয়াৰ কথা অতি দৃঢ় কণ্ঠে বেকত কৰিছিল। বৰ্তমান মুখ্যমন্ত্ৰী সিংহৰ [তদানীন্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ] কেইবাবছৰো পাৰ হ'ল দেখোন — কিবা পৰিৱৰ্তন কৰিব পাৰিলেনে? আমাৰ বাহ্যিক দৃষ্টিকোণৰ পৰা নাই পৰা দেখোন। আচলতে সাঁতুৰিলেহে ক'ব পাৰি বাম ক'ত দ কত — পাৰৰ পৰা নহয়। ১৯৪৯ চনত বৃটেইনৰ এজন পালি মন্ত্ৰীয়ে স্থায়ী উচ্চ পৰ্য্যায়ৰ আমোলাৰ উপদেশ উলাই কৰোতে বৃটিশ প্ৰধানমন্ত্ৰী ক্লিমেণ্ট এট্লীয়ে নিৰ্দেশ দি কৈছিল যে পালি মন্ত্ৰীসকলে আমোলাৰ উপদেশ উলাই কৰাটো মুঠেই উচিত নহয়। দৰকাৰ হ'লে বিভাগৰ ৰাজনৈতিক মুৰব্বীজনলৈ কথাটো পঠোৱা উচিত। কাৰণ পাৰ্লামেণ্টৰ ওচৰত সেই মূল মন্ত্ৰীজনহে জগৰীয়া। অৰশ্যে আমোলাতন্ত্ৰসকলৰ সম্পৰ্কত লৰ্ড বেলফোৰৰ মন্তব্য লেখত ল'বলগীয়া। তেওঁ কৈছে ''তেওঁলোকে কোনো নীতি নিয়ন্ত্ৰণ নকৰে, তাৰ কাৰণে তেওঁলোক দায়ী নহয়। যিহেতু তেওঁলোক কোনো দলৰ নহয়, সেই কাৰণে দলীয় চৰকাৰৰ কামৰ কাৰণে তেওঁলোক অপৰিহাৰ্য্য অংগ। তেওঁলোকৰ উচ্চ পৰ্য্যায়ৰ শাখা প্ৰশাখাবোৰৰ যোগেদিয়েই এটা দল বা এজন মন্ত্ৰীৰ পৰা শাসন যন্ত্ৰৰ কোনো ক্ষতি নোহোৱাকৈ নিৰিবিলি ভাৱে অন্য এটা দল বা অন্য এজন মন্ত্ৰীলৈ সলনা সলনি কৰা যায়। নিৰ্দেশৰ পৰিৱৰ্তন হ'ব পাৰে কিন্তু ৰেখাডাল একেই থাকিব।''

ৰাজনৈতিক পৰ্য্যায়ত এবাৰ এটা নীতি গ্ৰহণ কৰাৰ পাছত তাক সযত্নে কাৰ্য্যয়ন কৰাতোৱেই হ'ল আমোলাসকলৰ আচল কাম। ৰাজনৈতিক পৰ্য্যায়ৰ সিদ্ধান্ত আচলতে ৰাইজৰ সিদ্ধান্ত আৰু এই সিদ্ধান্তৰ কোনো স্থিৰ বাস্তৱ ৰূপ নাই। ৰাইজৰ সিদ্ধান্তবোৰক এটা নিসিজোৱা কণী বুলি ক'ব পাৰি কিন্তু ই যে কণী সেইটো নিশ্চিত। এতিয়া সেই কণীৰ পৰা কি কি হ'ব পাৰি সেইটোহে আমোলাসকলৰ কথা। কাৰণ তেওঁলোক প্ৰশিক্ষণ প্ৰাপ্ত একো এজন ব্যক্তি যাৰ কলমৰ খোঁচত সমগ্ৰ দেশ আচলতে শাসন কৰা হয় আৰু জনসাধাৰণে ফল উপভোগ কৰে। সেয়ে নহৈ যদি ''অ' ফুল, 'অ' ফুল নুফুল কিয়, গৰুৱে যে আগ খাই মইনো ফুলিম কিয়'' বুলি কৈ গৰাখীয়া, ৰান্ধনী, খৰিকতীয়া, মেঘ, ভেকুলী আদিলৈ ক্ৰমান্বয়ে ঠেলি পঠোৱা যায় তেন্তে আমোলাতন্ত্ৰ স্বেচ্ছাচাৰি নহৈ জনকল্যাণকামী কেতিয়াও হ'ব নোৱাৰে। ■

[*লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক।*
*–সম্পাদক*]

*(প্ৰকাশ কাল ঃ ১৯৭৩-৭৪)*

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# স্থায়ী যৌৱন জানো সম্ভৱ?

প্ৰদীপ কুমাৰ সিংহ
১ম বাৰ্ষিক, প্ৰাক স্নাতক (বিজ্ঞান)

সম্ভৱ কিয় নহ'ব? আজিৰ বিজ্ঞানৰ প্ৰগতি আৰু ইয়াৰ অপৰাজেয় গতিসূত্ৰ চাই যি কোনো কামকেই বৰ্তমানে অসম্ভৱ বুলি ক'বলৈ যুক্তিবাদী মনটোৱে প্ৰয়াস নাপায়। প্ৰাণীক জীয়াই ৰাখিব নোৱাৰাটো বৰ্তমানে মানৱৰ বাবে যেনে এটা ডাঙৰ প্ৰশ্ন ; প্ৰাণীৰ বয়স প্ৰতিহত কৰি বাৰ্দ্ধক্যৰহিত জীৱন সৃষ্টি কৰাতোও মানৱৰ প্ৰকৃতিৰ লগত এটা বিৰাট চেলেঞ্জ। দুখ-দৈন্য, শাৰীৰিক আৰু মানসিক দুখ-কষ্টৰ কথা জানিও প্ৰাণীয়ে অতি ভীৰুতাৰে সৈতে, বিনা বাক্যব্যয়ে বাৰ্দ্ধক্য জীৱন আকোৱালি লয়। বিশ্বৰ চিৰন্তন নীতিত যতি নেপেলাবলৈয়ে যেন প্ৰাণীৰ এই বশ্যতা স্বীকাৰ। কিন্তু এই বশ্যতা স্বীকাৰ মানৱৰ বাবে কেতিয়াও দীৰ্ঘস্থায়ী হ'ব নোৱাৰে। ন-ন বৈজ্ঞানিক, ন-ন উন্নত বিজ্ঞান শাস্ত্ৰই আগৰ প্ৰশ্ন বিলাকৰ জটিল আউল যেনেদৰে ভাঙি দিছিল, এদিন এই প্ৰশ্নৰো নিশ্চয় সমাধান তেওঁলোকে কৰিব পাৰিব। মানুহে এটা নিৰ্দিষ্ট সময়ত চুলি সৰি, দাঁতসৰি, ছাল শুকাই এটা অবাঞ্ছিত জীৱনৰ অৱস্থা এটাৰ লগত সন্মুখীন হ'ব লগা হয়। কিন্তু কিয়? ... এই প্ৰশ্নৰে উত্তৰ বিচাৰি বৰ্তমান লব্ধ প্ৰতিষ্ঠ, প্ৰতিভাশালী বৈজ্ঞানিকসকলে না-না পৰীক্ষা-নিৰীক্ষা কৰি মানুহ বা অন্য প্ৰাণী কিয় বুঢ়া হয় আৰু তাৰ প্ৰতিকাৰৰ না-না যুক্তি দাঙি ধৰিছে।

বৰ্তমানৰ বৈজ্ঞানিকসকলে দেহত কি উপাদানৰ অভাৱ ঘটিলে বা কোষৰ



ক্ৰিাৰ কি বিজুতি ঘটিলে প্ৰাণীয়ে এটা সময়ত শক্তিহীন, দৃষ্টিহীন হৈ পৰে তাক উদ্ভাৱন কৰিব পাৰিছে। এতিয়া কৃত্ৰিম উপায়েৰে যদি বাৰ্দ্ধক্য হোৱাৰ কাৰণবিলাকৰ প্ৰতিষেধক হিচাবে মানুহৰ দেহত বা যি কোনো প্ৰাণীৰ দেহত প্ৰাণীৰ যৌৱন অৱস্থাত থকা দেহৰ প্ৰয়োজনীয় উপাদানসমূহ সুমুৱাই দিব পাৰে, তেন্তে তেতিয়াই বিজ্ঞানে বয়সক পৰাভূত কৰিবলৈ সক্ষম হ'ব। কিন্তু দেখাত কথাটো সহজ যেন লাগিলেও বাস্তৱিকতে ই যথেষ্ট কষ্টসাধ্য।

**মানুহ বুঢ়া হোৱাৰ কাৰণ ঃ**

বৈজ্ঞানিকসকলে বুঢ়া হোৱাটো এটা বেমাৰ বুলিয়ে কয়। কিন্তু বয়সৰ প্ৰকৃত গতি আৰু কাৰ্যৰ বিষয়ে সদ্যহতে আমি কোষবিষয়ক অধ্যয়ন আৰু গবেষণাৰ দ্বাৰাহে জানিব পাৰোঁ।

বহুতে ভাবে যে বৃদ্ধ হোৱাতো Gene* বিলাকৰে পৰিকল্পিত কাৰ্য্যৰ পৰিণতি। জীৱন আগুৱাই যোৱাৰ লগে লগে এটা প্ৰাণীৰ দেহ কিছুমান বস্তু ক্ৰমান্বয়ে হেৰুৱায় পেলায়। পৰীক্ষাৰ দ্বাৰা দেখা গৈছে যে মানুহৰ ৩৫ বছৰ পাৰ হোৱাৰ লগে লগে এদিনত গড়ে প্ৰায় ১০০,০০০ মগজুৰ কোষ নষ্ট হৈ যায়। কিন্তু সেয়ে হ'লেও, এইটো আমাৰেই সৌভাগ্য বুলি ক'ব লাগিব যে - আমাৰ মানসিক শক্তি প্ৰায় মৃত্যুৰ আগলৈকে সবল থাকে। মগজুৰ - কোষবিলাক যদি এবাৰ কেনেবাকৈ নষ্ট হৈ যায় তেন্তে তাক আৰু কোষবিলাকে স্ববিভাজনৰ দ্বাৰা নিৰ্মাণ কৰিব নোৱাৰে। কিন্তু দেহৰ অন্যান্য অঙ্গৰ নষ্ট হৈ যোৱা কোষ পুনৰ নিৰ্মিত হ'ব পাৰে। কিন্তু সেয়ে হ'লেও পূৰ্বৰ দৰে কাৰ্য কৰিবলৈ সমৰ্থ নহ'বও পাৰে। কিছুমান হয়তু আঁহযুক্ত যোগ কলা (Connective tissue) লৈ ৰূপান্তৰিত হ'ব পাৰে। সেয়েহে আমাৰ ছাল বৃদ্ধ হ'লে শুকাই Stringier হয়।

আনহাতে এটা কোষে এটা নিৰ্দিষ্ট সময়লৈকে আৰু এক নিৰ্দিষ্ট সংখ্যক বাৰহে বিভাজন হ'ব পাৰে। আমাৰ দেহৰ কিছুমান কোষে বয়স হোৱাৰ লগে লগে বিভাজন হ'বলৈ এৰে আৰু তাৰ কাৰ্য্যও নাইকিয়া হৈ পৰে। এটা বৃদ্ধ কোষক পৰীক্ষা কৰি দেখা গ'ল যে ই কেইবাৰমান বিভাজন হৈয়ে নিস্তব্ধ হৈ গ'ল।

কিছুমান বৃদ্ধ বিশেষজ্ঞই (Gernotologist) চিন্তা কৰে যে বয়স বঢ়াৰ লগে লগে দেহস্থ কোষৰ পদাৰ্থ কিছুমান নষ্ট হৈ যায়। ফলত সিহঁতে কোনো

নিয়মৰ বান্ধোন মানি বিভাজন নহয়। নতুবা বিভাজন হ'বলৈ এৰে। এইটো ঠিক যে অবিভাজিত কোষে অতি সামান্য পৰিমাণৰ কাৰ্য্য কৰিবলৈহে সমৰ্থ হয়। যিটো হয়তু সেই কোষৰ প্ৰয়োজনীয় আৰু আৱশ্যকীয় শক্তি নহ'বও পাৰে। Gene বিলাকৰ প্ৰয়োজনীয় আৰু প্ৰকৃত কামবিলাক এনে কোষে সংবহন কৰিব নোৱাৰে। ফলত জীৱনলৈ মন্থৰতা নামি আহে।

শিশুবিলাকৰ দেহত 'Progeria' নামৰ এটা বেমাৰ হোৱা দেখা যায়। এনে শিশুৰ দেহৰ পৰা লোৱা কোষে খুব কম সংখ্যক বাৰহে বিভাজন হয়। এনে বেমাৰত আক্ৰান্ত হোৱা শিশুৰ জীৱনলৈ অস্বাভাৱিক মন্থৰতা নামি আহে। এনে শিশুৱে এবছৰ বা দুবছৰ বয়সতে এজন বৃদ্ধ মানুহৰ দৰে হৈ পৰে। চুলি সৰি, দাঁত সৰি, ছাল কোচ মোচ খাই, চকুত অনবৰত ফেচকুৰি ওলাই এনে শিশু সম্পূৰ্ণ এজন অলৰ অচৰ বুঢ়াৰ লক্ষণ সমূহ দেখুৱায়। ৭/৮ বছৰ বয়সতে এনে শিশুৱে Heart Trouble হৈ ১১ বা ১২ বছৰ বয়সতে মৃত্যুমুখত পতিত হয়। কিন্তু সেয়ে হ'লেও জীৱ বৈজ্ঞানিকসকলে 'Progeria' ক বৃদ্ধ হোৱাৰ মূল কাৰণ বুলি দৃঢ় মনোভাৱ ল'ব পৰা নাই। কিন্তু তেওঁলোকে এইটো কৈছে যে হঠাতে Genetic Program ৰ গতি বৃদ্ধি পালে মানুহে বৃদ্ধ অৱস্থাৰ লক্ষণ দেখুৱায়।

কিছু বৈজ্ঞানিকে ধাৰণা কৰে যে এই 'Progeria' দুৰ্ঘটনা বশতঃ বিশাল দেহস্থ অণুবিলাকৰ ওপৰা-উপৰি 'Cross Linkage' ৰ বাবে হয়। কিছুৱে বয়স হোৱাৰ কাৰণ 'Autto immunity' বুলি কৈছে। মানুহ শক্তিহীন হ'লে দেহৰ স্বাভাৱিক কোষবিলাকে বেমাৰৰ বীজাণুৰ প্ৰতিহত কৰিব নোৱাৰাত বীজাণুৰ উপস্থিতিৰ বাবে দেহস্থ কোষসমূহৰ স্বাভাৱিক বৃদ্ধি আৰু বিভাজনত ত্ৰুটি ঘটে। ফলত Gene বিলাকৰ কাৰ্যতো আউল লাগে আৰু প্ৰাণীৰ মধ্যবয়সৰ স্বাভাৱিক গতিলৈ জড়তা নামি আহে।

**যৌৱন ফিৰাই অনাত বিভিন্ন বৈজ্ঞানিকৰ পৰীক্ষাঃ**

কালিফোৰ্ণিয়া বিশ্ববিদ্যালয়ৰ Frederic C. Ludwing এ Paraboisis* নামৰ এক শল্য চিকিৎসাত এটা বৃদ্ধ এন্দুৰক এটা ডেকা এন্দুৰৰ সৈতে মূৰৰ পৰা ভৰিলৈকে সংযুক্ত কৰি সিহঁতৰ তেজৰ সোঁতৰ প্ৰবাহ একে হ'বলৈ দিছিল আৰু তেওঁলোকক মুক্ত ভাৱে ফুৰিবলৈ দিয়া হৈছিল। প্ৰায় ৫০০ টা



এন্দুৰক এনেভাৱে পৰীক্ষা কৰাত দেখা গ'ল যে বৃদ্ধ এন্দুৰটো আৰু ডেকা এন্দুৰটোৰ মাজত অভূতপূৰ্ব জৈৱ ৰসায়নিক ক্ৰিয়া ঘটি বৃদ্ধি এন্দুৰটোৱে আশাতীত ভাৱে আৰু প্ৰয়োজনতকৈ অধিক দিন জীয়াই আছিল। তেজৰ সোঁতৰ লগতে হয়তো বৃদ্ধ এন্দুৰটোৱে ডেকা এন্দুৰৰ পৰা এনে কিছু বস্তু পালে যাৰ দ্বাৰা ইয়াৰ জীৱন কাল বৃদ্ধি পালে। একে দৰে পইটাচোৰাকো Paraboitically সংলগ্ন কৰাত দেখা গ'ল যে বৃদ্ধ পইটাচোৰাটোৱে কিছুমান বিশেষ Hormone ডেকা পইটাচোৰাটোৰ পৰা লাভ কৰিলে। পূৰ্ণ বয়সত ডেকা পইটাচোৰাটোৱে হানি হোৱা অঙ্গক পুনৰ নিৰ্মাণ কৰি ল'ব পাৰে। কিন্তু বৃদ্ধ পইটাচোৰাৰ সেই গুণ নাই। কিন্তু Paraboitically দুয়োটাৰ লগ লগোৱাত দেখা গ'ল যে অবিশ্বাস্য ভাবে বৃদ্ধ পইটাচোৰাটোৱে কিছু Juvenile hormone লাভ কৰিলে।

প্ৰাণীৰ জৈবনিক আৰু যান্ত্ৰিক ক্ৰিয়াক অব্যাহত ৰাখি দেহৰ উষ্ণতা কমাই যদি কম উষ্ণতাত প্ৰাণীৰ বসবাস সহজসাধ্য কৰি তোলা হয় তেন্তে হয়তু প্ৰাণী বহুত দিন জীয়াই থাকিব পাৰিব। অধিক শীত আমাৰ সহ্যকৰ নহয় কিন্তু কেনেবাকৈ যদি অধিক শীত আমাৰ সহ্যকৰ হৈ পৰে তেন্তে মৃত্যুৰ লগত যুঁজিবলৈ আমি কিছু বল পাম।

বয়সৰ গতিক ৰোধ কৰিবলৈ বৰ্ত্তমানৰ আমাৰ Paraboisis আৰু শীত প্ৰয়োগ ব্যৱস্থাই যথেষ্ট নহয়। আমি ইয়াৰ পৰিপূৰ্ণ সফলতা লাভ কৰিব পাৰিম আগন্তুক জীৱ বৈজ্ঞানিকসকলৰ দ্বাৰাহে।

সেয়েহে পৰীক্ষাগাৰত এটা নতুন কোষ সৃষ্টি কৰিবলৈ অহৰহ চেষ্টা বৈজ্ঞানিকসকলে কৰি আছে। কিয়নো কেনেবাকৈ যদি এটা নতুন কোষ সৃষ্টি কৰি ল'ব পৰা হয় তেন্তে ইয়াৰ আৰু মৰণ কেতিয়াও নহয়। ই অহৰহ বিভাজনহে কৰি যাব।

বৃদ্ধ বিশেষজ্ঞ কিছুমানে পূৰ্ণ বয়সৰ প্ৰাণীৰ ছালৰ কোষ এটা বৃদ্ধ প্ৰাণীৰ ছালৰ কোষলৈ প্ৰেৰণ কৰি দেখিলে যে বৃদ্ধ প্ৰাণীটোৱে লাভ কৰা নতুন কোষবোৰো বৃদ্ধ প্ৰাণীৰ কোষবিলাকৰ লগত একে গুণ সম্পন্ন হৈ পৰিল। কিন্তু এটা কম বয়সীয়া প্ৰাণীৰ ছালৰ কোষ অন্য এটা কম বয়সীয়া প্ৰাণীৰ ছালৰ কোষলৈ সংবহন কৰি নিয়াত দেখা গ'ল যে কম বয়সীয়া প্ৰাণীটোৱে সৰ্বসাধাৰণ একে জাতীয় প্ৰাণীতকৈ ৬ গুণ বেছি দিন জীয়াই থাকিল, কিন্তু প্ৰশ্ন হ'ল গ্ৰাহক

প্ৰাণীটোৱে এনে কি বস্তু পায়, যাৰ দ্বাৰা তাৰ জীৱনকাল ইমান বৃদ্ধি পায়? এই প্ৰশ্নৰ উত্তৰ আগন্তুক বৃদ্ধ বিশেষজ্ঞ সকলেহে দিব পাৰিব।

আমাৰ Full Stop তকৈ সৰু ৰটিফাৰ নামৰ এটা জলচৰ প্ৰাণী আছে। ইয়াৰ জীৱনকাল মাত্ৰ ১৮ দিন। বাল্টিমোৰৰ NIH's Gornotology Research Centre ৰ Charls H. Barrows এ পানীৰ উষ্ণতা ১০°c কমাই ৰটিফাৰক থাকিবলৈ দিয়াত দেখিবলৈ পালে যে ই প্ৰয়োজনতকৈ দুগুণ বেছি দিন জীয়াই আছিল।

উপৰোক্ত পৰ্যালোচনাৰ পৰা দেখা গ'ল যে পূৰ্ণবয়সত প্ৰাণীৰ দেহ কিয় আৰু কেনেকৈ সুষ্ঠ, সবল আৰু নমনীয় হৈ থাকে তাক গৱেষণাৰ দ্বাৰা উদ্ভাৱন কৰা হৈছে। বৈজ্ঞানিকসকলে যদি কৃত্ৰিম উপায়েৰে ইয়াৰ প্ৰতিষেধক উপাদানসমূহ বিজ্ঞানাগাৰত তৈয়াৰ কৰিব পাৰে তেন্তে সেই মুহূৰ্ততে বয়সে নিজৰ অগ্ৰগতিক যতি পেলাবলৈ বাধ্য হ'ব আৰু বিজ্ঞানে পুনৰবাৰ উচ্চস্বৰে চিঞৰি ক'ব পাৰিব যে বিজ্ঞান অপৰাজেয় আৰু বিজ্ঞানৰ অগ্ৰগতিক কোনো প্ৰশ্নই বিমোৰত পেলাব নোৱাৰে। অৱশেষত এদিন হয়তো বিজ্ঞানে মৃত্যুৰ লগত যুজিও সফলতা লাভ কৰিব। কিন্তু সেয়ে হ'লেও বৰ্তমানৰ বৈজ্ঞানিকে মানুহৰ বাৰ্দ্ধক্য জীৱনৰ ওপৰত গৱেষণা যদিও চলাই আছে কিন্তু তেওঁলোকে মানুহৰ জীৱনকাল দীঘলীয়া কৰিবলৈ নিবিচাৰে। তেওঁলোকে কেৱল কৌতুহলৰ তাড়নাতহে বৃদ্ধ অৱস্থাৰ বিষয়ে গৱেষণা চলাই আছে। ■

Gene : *প্ৰাণীৰ কোষত থকা এবিধ পদাৰ্থ। পিতৃ আৰু মাতৃকোষৰ দোষ-গুণ, প্ৰকৃতি আদিৰ বাহক।*

Paraboisis : *একে প্ৰাণীৰ ভিতৰতহে এই Paraboisis সম্ভৱ। এই প্ৰথাৰ দ্বাৰা এটা প্ৰাণী দেহৰ তেজ আন এটা প্ৰাণীৰ দেহৰ তেজৰ লত মিহলি কৰি দিব পাৰে।*

Juvenile Hormone : *যৌৱন অৱস্থাত প্ৰাণীৰ দেহত থকা এবিধ বিশেষ ধৰণৰ hormone*

বিঃদ্ৰঃ *Albert Rosenfeld ৰ 'Can science stop the aging process' নামৰ প্ৰবন্ধৰ সহায় লৈ লিখা।*

*(প্ৰকাশ কালঃ ১৯৭৩-৭৪ বৰ্ষ)*



# সাহিত্য অধ্যয়ন

ৰূপলেখা চেতিয়া
২য় বাৰ্ষিক প্ৰাক্-স্নাতক (বিজ্ঞান)

সাহিত্যৰ উদ্দেশ্য হৈছে পাঠক বা শ্ৰোতাৰ মনত আনন্দপূৰ্ণ বিশেষ মানসিক অৱস্থা এটি উৎপন্ন কৰা। বিষয়বস্তু আৰু প্ৰকাশভঙ্গিমাৰ সহায়ত সৌন্দৰ্য্যৰ সৃষ্টি কৰি চিত্তত চমৎকাৰিত্ব জন্মাই, অলৌকিক আনন্দেৰে শ্ৰোতা আৰু পাঠকক বিভোৰ কৰায়ে সাহিত্যৰ কাম। গতিকেই সাহিত্যৰ পৰা বিমল আনন্দ লাভ কৰিবলৈ হ'লে সাহিত্য অধ্যয়ন কৰোতে কেতবোৰ বিশেষ নীতিৰে অধ্যয়ন কৰা উচিত আৰু তাৰ দ্বাৰাহে সাহিত্য পূৰ্ণ উপভোগ কৰাটো সম্ভৱপৰ হয়।

সাহিত্য অধ্যয়ন কৰিবলৈ যোৱাৰ আগতে সাহিত্যনো কি তাক জনা উচিত। সাহিত্যনো কি এই সম্বন্ধে বিভিন্ন মনীষীয়ে ভিন ভিন মতামত দাঙি ধৰিছে। এই সকলোবিলাক মতৰে মূল ভাৱটো সৰোগত কৰি সেইবোৰ কিতাপৰ সমষ্টিকে যথাৰ্থতে সাহিত্য সংজ্ঞা প্ৰদান কৰিব পৰা যায় — যিবোৰ পুথিয়ে বিষয়বস্তু আৰু প্ৰতিপাদন ৰীতিৰ বিশেষতাৰ হেতু মানৱ হৃদয় স্পৰ্শ কৰিব পাৰে, আৰু যাৰ ৰূপসৌষ্ঠৱৰ মূলতত্বৰ হেতু আনন্দ উদ্ৰেক কৰিবৰ শক্তি আছে। সাহিত্যৰ বিষয়ৰ পুথিৰ পৰা বিজ্ঞান, দৰ্শন আদি পুথিৰ পাৰ্থক্যৰ মূল ইয়াতে যে সাহিত্য পুথিয়ে সকলো শ্ৰেণীৰ নৰ-নাৰীক আনন্দ দিয়ে, কিন্তু জ্ঞান-বিজ্ঞানৰ পুথি কোনো এক বিশেষ সম্প্ৰদায়ৰ মানুহৰহে প্ৰীতিভাজন হয়। জ্যোতিষ, ব্যাকৰণ, দৰ্শন, অঙ্ক, অৰ্থশাস্ত্ৰ আদি বিষয়ৰ পুথিয়ে মানুহৰ জ্ঞান ক্ষেত্ৰৰ পৰিধি বিস্তৃত কৰে, বুদ্ধি বিচাৰৰ কৌতুহল নিবাৰণত সহায়ক

হয়। কিন্তু মানুহৰ মস্তিষ্কক সন্তুষ্ট কৰায়ে সাহিত্যৰ প্ৰধান উদ্দেশ্য নহয় : মানুহৰ জীৱন অধিকতৰ সুখী আৰু মনোৰম কৰিবলৈহে সাহিত্যৰ সৃষ্টি।

সাহিত্যৰ আধাৰত জীৱন — সাহিত্য ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰা জীৱনৰ অভিজ্ঞতাহে মাথোন। যিহেতু জীৱনৰ অভিজ্ঞতাক ভিত্তি কৰি সাহিত্য ৰচিত, সেয়েহে সাহিত্য আৰু জীৱনৰ ওতঃপ্ৰোত সম্বন্ধ।

জীৱনৰ পৰাই সাহিত্যৰ জন্ম যেতিয়া, সাহিত্য সৃষ্টিৰ মূল মনোবৃত্তিও জীৱনতেই আছে। প্ৰধানকৈ চাৰিপ্ৰকাৰৰ মনোবৃত্তিৰ দ্বাৰা প্ৰেৰিত হৈ মানুহে সাহিত্য ৰচনা কৰে। এয়ে হৈছে — (১) অভিব্যক্তিৰ ইচ্ছা (২) মানুহৰ ক্ৰিয়া কলাপৰ প্ৰতি অনুৰাগ (৩) নিত্য আৰু কাল্পনিক সংসাৰৰ প্ৰতি অনুৰাগ আৰু (৪) সৌন্দৰ্য্যপ্ৰিয়তা।

আত্মপ্ৰকাশৰ ইচ্ছা মানুহৰ স্বভাৱজাত বৃত্তি। মানুহ সামাজিক জীৱ : নিজৰ অন্তৰৰ অতি গোপনীয় কথাবোৰো বন্ধু-বান্ধৱৰ আগত প্ৰকাশ কৰিবলৈ আগ্ৰহ আৰু তাকেই সাহিত্যৰ মাজেদি প্ৰকাশ কৰে।

আমি মানুহ আৰু মানুহৰ জীৱন, আৱেগ অনুভূতি জানিবলৈ আগ্ৰহান্বিত আৰু তাকে লৈ সাহিত্য সৃষ্টি হয়।

আমি কি দেখিছো বা কি কল্পনা কৰিছো, এই বিষয়ে আনৰ প্ৰকাশ কৰিবলৈ ভাল পাওঁ আৰু তাৰ পৰাই সাহিত্য সৃষ্টি সম্ভৱপৰ।

সাহিত্য সৃষ্টিৰ মনোবৃত্তিৰ লগত সৌন্দৰ্য্যপ্ৰিয়তা — ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে। সৌন্দৰ্য্যানুভূতি আৰু সৌন্দৰ্য্য-সৃষ্টিৰ চেষ্টা মানৱ-জাতিৰ উৎপত্তিৰ লগতে জন্ম। যি গৰাকী কবিৰ অন্তৰত এই বৃত্তি যিমান জাগ্ৰত আৰু সক্ৰিয় সেই অনুপাতে তেওঁৰ কাব্যতো প্ৰেষণীয় আৰু প্ৰভাৱময় শক্তিৰ সঞ্চাৰ হয়।

মানুহৰ জীৱনৰ প্ৰকাশ যিমান ব্যাপক আৰু বিচিত্ৰ, সাহিত্যৰো বিকাশ তেনেদৰে সীমাহীন। মানুহৰ জীৱনত ব্যক্ত আৰু বৰ্ণনা কৰিবলৈ ইমান বিষয় আছে যে তাক শ্ৰেণীবদ্ধ কৰা একেৰকম অসম্ভৱ। কিন্তু প্ৰধান প্ৰধান গুণৰ প্ৰতি দৃষ্টি ৰাখি সাহিত্যৰ বিষয়ক চাৰি ভাগত ভগাব পাৰি।

১) কোনো লিখকৰ আত্মানুভৱ অৰ্থাৎ লিখকৰ নিজ জীৱনৰ বাহ্য আৰু আন্তৰিক অনুভৱৰ ভিতৰুৱা বিষয়সমূহ।

২) মানুহ মাত্ৰৰে অনুভৱ বিষয় — যেনে জীৱন-মৰণ, পাপ-পুণ্য, ধৰ্ম-অধৰ্ম, আশা-নিৰাশা, প্ৰেম-দ্বেষ আদি মহত্বপূৰ্ণ বিষয়সমূহ যাৰ সম্বন্ধ কোনো এজন মানুহৰ লগত নহৈ গোটেই মানৱ সমাজৰ লগত হৈছে।



৩) মানুহৰ পাৰস্পৰিক সম্বন্ধ অৰ্থাৎ সামাজিক জীৱন আৰু তাৰ সুখ-দুখাদি।

৪) দৃশ্যমান প্ৰাকৃতিক জগত আৰু তাৰ লগত মানুহৰ সম্বন্ধ।

সাহিত্য জীৱনধৰ্মী হোৱাৰ হেতুকে মানুহৰ জীৱনৰ লগত জড়িত তিনিটা মূল উপাদানেও ইয়াত স্থান পাইছে। প্ৰথম হৈছে বুদ্ধিতত্ব, অৰ্থাৎ লিখকে বা কবিয়ে নিজৰ বিষয় প্ৰতিপাদনত প্ৰযুক্ত কৰা আৰু নিজ ৰচনাৱলীত অভিব্যক্ত কৰা বিচাৰ ; দ্বিতীয়, ৰাগাত্মক তত্ব অৰ্থাৎ কাব্য-বিষয়ে কবিৰ স্ব-অন্তৰত উৎপন্ন হোৱা আৰু কবিয়ে পাঠকৰ হৃদয়ত সঞ্চাৰ কৰিবলৈ বিচৰা ভাৱ ; তৃতীয় কল্পনাতত্ব অৰ্থাৎ কোনো বিষয়ৰ চিত্ৰ অঙ্কন কৰিব পৰা কবিৰ শক্তি আৰু সেই শক্তিক নিজৰ কাব্যত প্ৰকাশ কৰি পাঠকৰ হৃদয় চকুৰ সমুখতো তেনে অবিকল চিত্ৰ উপস্থিত কৰাৰ ক্ষমতা। ইয়াৰ লগতে চতুৰ্থভাৱে এটি ব্যৱহাৰিক উপাদানৰ উল্লেখ প্ৰয়োজনীয়। এয়ে হৈছে প্ৰকাশ-ভঙ্গিমা। বিষয় বস্তুক সুসঙ্গতভাৱে সজাই-পৰাই, মনোৰম আৰু প্ৰভাৱ-বিস্তাৰক কৰিবলৈ প্ৰকাশভঙ্গিমা অপৰিহাৰ্য্য।

লিখকৰ চিন্তাধাৰা আৰু অনুভূতিক লৈয়ে এখন ডাঙৰ কিতাপৰ সৃষ্টি হয়। যিহেতু ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি প্ৰকৃত সাহিত্যৰ উদ্ভাৱন, সেয়েহে লিখকৰ ব্যক্তিত্বৰ বিষয়ে কিছু জনাটো উত্তম। এজন ভাল পাঠক হ'ব খুজিলে সহানুভূতিমূলক দৃষ্টিকোণেৰে অধ্যয়ন কৰা উচিত, কিন্তু সমালোচনাত্মক সৃষ্টিভঙ্গীৰে নহয়। এজন লিখকৰ মহত্ব তেওঁৰ সজীৱতা, নিজস্বতা আৰু প্ৰকাশ ভঙ্গিমাৰ জৰিয়তে প্ৰকাশ পায়। এজন মহান লিখকে লিখনীৰ দ্বাৰাই আমাক তেওঁৰ দৃষ্টি ভঙ্গীৰে চাবলৈ আৰু অনুভৱ কৰিবলৈ বাধ্য কৰায়।

যিকোনো সাহিত্য অধ্যয়ন কৰিবলৈ যোৱাৰ আগতে সেই সাহিত্য সৃষ্টিকাৰী সাহিত্যিকক কিছু জনাটো উচিত। প্ৰণালীবদ্ধ হিচাবে আমি সাহিত্য অধ্যয়ন কৰিলে প্ৰকৃত পাঠক হ'ব পাৰিম সাহিত্য অধ্যয়ন কৰোতে স্বাভাৱিক গতিৰে আগবাঢ়িলে লিখকৰ বিষয়ে জনাটো আৱশ্যক হৈ পৰে। লিখকৰ লগত ব্যক্তিগত সম্বন্ধ এটা গঢ়ি তোলাটোৱেই আমাৰ প্ৰধান লক্ষ্য হৈ পৰে। এজন লিখকৰ

লিখনী বেলেগ বেলেগকৈ চোৱাতকৈ সমূহীয়াভাৱে চোৱাটো উচিত। কিয়নো প্ৰত্যেক লিখনীৰ এটাৰ লগত আনটোৰ সম্বন্ধ আৰু এইবিলাকতে লিখকৰ মানসিক বিকাশ ঘটে। এজন লিখকৰ লিখাবোৰ খেলিমেলিকৈ পঢ়িলে আমি আনন্দ লাভ কৰিব পাৰো আৰু লিখকৰ বিষয়ে কিছু কথা জানিব পাৰো। কিন্তু এইদৰে পঢ়িলে আমাৰ জানিবলগীয়া বহুতো কথা বাকী থাকি যায়। গতিকে এজন লিখকক অধ্যয়ন কৰোতে প্ৰণালীবদ্ধ হ'ব লাগে।

প্ৰণালীবিলাকৰ ভিতৰত সময়ানুক্ৰমটোৱেই স্বাভাৱিক আৰু লাভজনক। এই প্ৰণালীমতে লিখকৰ ৰচনাবিলাক সৃষ্টিৰ অনুক্ৰমে অধ্যয়ন কৰা হয় আৰু তাৰ ফলস্বৰূপে লিখকৰ মানসিক আৰু নৈতিক বিকাশ আৰু কলা-বিষয়ক বিকাশ লক্ষ্য কৰা যায়। সময়ানুক্ৰম ৰীতিমতে পঢ়িবলৈ হ'লে এজন লিখকক তেওঁৰ নিজৰ লগতেই তুলনা কৰি চোৱা হয়। কিন্তু তুলনামূলক ৰীতিমতে অধ্যয়ন কৰিবলৈ হ'লে এজন লিখকক আন এজন লিখকৰ লগত তুলনা কৰা হয়। যেতিয়া দুজন লিখকে একে ক্ষেত্ৰত বা একেটা বিষয় বা একে সমস্যাক লৈ সাহিত্য ৰচনা কৰে, তেতিয়াহে তেওঁলোকৰ মাজত তুলনামূলক অধ্যয়ন কৰিব পাৰিব।

সাহিত্যিকৰ ব্যক্তিগত জীৱনৰ বিষয়ে জনাত উৎকৃষ্ট জীৱনীয়ে যথেষ্ট সহায় আগবঢ়ায়। লিখকৰ ব্যক্তিগত আৰু দৈনন্দিন জীৱনৰ বিষয়ে জানিবলৈ আমাৰ কৌতুহল অসীম আৰু কেতিয়া কোন পৰিৱেশত কেনেকৈ কি সাহিত্যৰ সৃষ্টি বা ৰচনা কৰিছিল, সেইবিলাক জানিবলৈ কৌতুহল অপৰিসীম। কিছুমান সাহিত্যিকৰ ৰচনাবিলাক ব্যক্তিগত জীৱনৰ লগত এনেভাৱে জড়িত যে সাহিত্যিকক নজনাকৈ তেওঁৰ ৰচনা বুজা বা উপভোগ কৰা অসম্ভৱ হৈ পৰে। এনে ক্ষেত্ৰত জীৱনী সাহিত্য অত্যাৱশ্যকীয়।

দূৰদৃষ্টিৰে লিখা জীৱনী সাহিত্যৰ পৰাহে আমি উপকৃত হ'ব পাৰো। আজিকালি সাহিত্য মূলক জীৱনী নামেৰে যিবিলাক জীৱনী লিখা হৈছে সেইবিলাকত বিখ্যাত লিখকসকলৰ ব্যক্তিগত জীৱনৰ এনে কিছুমান সাধাৰণ কথা লৈ ৰচিত যে সিবিলাক অধ্যয়ন কৰাৰ ফলত ছাত্ৰ হিচাবে আমি উপকৃত হ'ব নোৱাৰো। জীৱনী সাহিত্যৰ উপকাৰীতা আৰু অপকাৰীতাৰ নিৰ্দিষ্ট সীমাৰেখা অঙ্কন কৰিব নোৱাৰি। যিহেতু কেতিয়াবা একেবাৰে তুচ্ছ বুলি ভবা কথাও সময়ত আৱশ্যকীয় হৈ পৰিব পাৰে। নাইবা অত্যাৱশ্যকীয় বুলি ভবা কথাও কেতিয়াবা একেবাৰেই মূল্যহীন হ'ব পাৰে। যি কি নহওঁক আমি



সহানুভূতিশীল দৃষ্টিকোণৰে এজন লিখকক লক্ষ্য কৰা উচিত। কাৰণ সাহিত্যই লিখকৰ বিভিন্ন ব্যক্তিত্ব প্ৰকাশৰ থল।

এজন লিখকৰ বিষয়ে অধ্যয়ন কৰাৰ লগে লগে প্ৰতিপাদন ৰীতিবিষয়ক অধ্যয়নৰ বাবেও আমি আগ্ৰহান্বিত হৈ পৰো। প্ৰত্যেক লিখকৰ লিখাৰ ৰীতি ব্যক্তিগত প্ৰতিভাৰ ওপৰত নিৰ্ভৰশীল। সাধুতা ৰীতি ব্যক্তিগত প্ৰতিভাৰ ওপৰত নিৰ্ভৰশীল। সাধুতা যেনেকৈ সকলো সাহিত্যৰ মূল — সেইদৰে ই প্ৰকৃত প্ৰতিপাদন ৰীতিৰো মূল। সেয়েহে প্ৰকৃত সাহিত্যিকে আনৰ প্ৰভাৱক উপেক্ষা কৰি নিজস্ব ভঙ্গীমাত প্ৰকাশ কৰিবলৈ সমৰ্থ হয়। প্ৰকাশ ভঙ্গীমাক ব্যক্তিগত প্ৰতিভাবিকাশৰ মাধ্যম হিচাবে লৈ এজন লিখকৰ অকল ব্যক্তিত্বৰ বিষয়েই নহয়, তেওঁৰ বৌদ্ধিক, আধ্যাত্মিক আৰু কলাসম্বন্ধীয় ৰুচিৰ বিকাশৰ বিষয়ে জানিব পাৰি।

এখন কিতাপ অধ্যয়ন কৰাৰ লগে লগে আমি যেনেকৈ ইয়াৰ লিখকৰ বিষয়ে অধ্যয়ন কৰো, তেনেকৈ লিখকৰ যুগটো আৰু দেশৰ জাতিটোৰ বিষয়ে অধ্যয়ন কৰিবলৈ আগবাঢ়ি যাওঁ। এজন লিখকে বৰ্তমান আৰু অতীতক বাদ দি সাহিতত্য ৰচনা কৰিব নোৱাৰে। সেইবাবে এজন লিখকৰ বিষয়ে অধ্যয়ন কৰাৰ লগে লগে আমি তেওঁৰ সমসাময়িক আৰু পূৰ্বৱৰ্তী সাহিত্যিকসকলৰ বিষয়েও অধ্যয়ন কৰিবলগীয়া হয়। আৰু সেইদৰেই সেই সকলো লিখকৰ জাতীয় সাহিত্যৰ উত্থান-পতনৰ বিষয়ে জানিবলৈ সক্ষম হওঁ। সাহিত্য অধ্যয়নত দুটা কথা লক্ষ্য কৰা উচিত, ইয়াৰ (১) জাতীয়তাবাদ বা জাতীয় উদ্যম আৰু (২) ক্ৰমবিবৰ্তনৰ স্তৰ। বিভিন্ন কিতাপৰ সমষ্টিকেই এখন দেশৰ জাতীয় সাহিত্য বুলি ক'ব নোৱাৰি। যিবিলাক কিতাপৰ যোগেদি এটা জাতিৰ সাধাৰণ গুণসমূহ প্ৰকাশ পায়, সেইবিলাক কিতাপৰ সমষ্টিকে জাতীয় সাহিত্য বুলি ক'ব পৰা যায়। জাতীয় সাহিত্যৰ অধ্যয়নৰ যোগেদি আমি এটা জাতিয়ে বিশ্বৰ চিন্তাধাৰা আৰু আধ্যাত্মিকতাত কি অৰিহণা যোগাইছে ; তাৰ বিষয়ে জানিব পাৰো। এখন দেশ ভ্ৰমণ কৰি আমি যি জানিব পাৰো সেই অনুৰূপে এখন দেশৰ জাতীয় সাহিত্য অধ্যয়ন কৰিও সেইখিনি কথা জানিব পাৰো।

এটা যুগৰ সাহিত্যই সেই যুগৰ চৰিত্ৰগত উদ্যম আৰু আদৰ্শবিলাক দাঙি ধৰে। আনকি প্ৰাসঙ্গিক অধ্যয়নতো আমি এটা যুগৰ সাহিত্যিক সকলৰ লিখনীত সেই যুগৰ জাতিগত বৈশিষ্ট্যবিলাকৰ সাধাৰণ সমাৱেশ হোৱা

দেখিবলৈ পাওঁ। যেনেকৈ এজন লিখকৰ লিখনীৰ মাজেদি জাতিগত বৈশিষ্ট্য প্ৰকাশ পায়, সেইদৰে সাময়িক বৈশিষ্ট্য বিলাকো প্ৰস্ফুটিত হয়। সাহিত্যিকৰ ৰচনাৰ মাজেদি জাতিৰ জীৱনধাৰা, উত্থান-পতন, বিশ্বাস, আদৰ্শ — এই সকলোবিলাকেই প্ৰকাশ পায়। সেইবাবেই এজন লিখকে নিজৰ জাতি আৰু যুগটোক বাদ দি সাহিত্য সৃষ্টি কৰিব নোৱাৰে। এটা যুগৰ সাহিত্যিক সকলক দল হিচাবে লৈ আন এটা যুগৰ সাহিত্যিকসকলৰ লগত তুলনামূলক হিচাবে পঢ়িলে আমি বহুলভাৱে উপকৃত হ'ব পাৰো।

জাতীয় সাহিত্য অধ্যয়নৰ লগে লগে ইয়াৰ উৎপত্তি, ক্ৰমবিকাশ, পতন, প্ৰকাশ-ভঙ্গিমা সমালোচনা, উত্থান-পতন আৰু ইয়াৰ ওপৰত পৰা প্ৰভাৱ আদিৰ বিষয়ে বহুলভাৱে অধ্যয়ন কৰিব পৰা যায়।

ব্যক্তিগত ভাৱে লিখকৰ সাহিত্য অধ্যয়নত যেনেকৈ তুলনামূলক প্ৰণালীৰ আৱশ্যকতা আছে, ঠিক সেইদৰে বুৰঞ্জীমূলক সাহিত্য অধ্যয়নতো তুলনামূলক প্ৰণালী গুৰুত্বপূৰ্ণ। এটা জাতিৰ বা যুগৰ সাহিত্যক তুলনামূলক অধ্যয়ন নকৰাকৈ আমি ইয়াৰ চিন্তাধাৰা আৰু আধ্যাত্মিকতাৰ পৰিৱৰ্তন সমূহ ভালকৈ উপলব্ধি কৰিব নোৱাৰো। ব্যক্তিগত লিখকৰ ৰচনাবিলাকত যি ঘটনা উপেক্ষা কৰা যায়, জাতীয় সাহিত্যৰ ক্ষেত্ৰত সেই ঘটনাৰ বিষয়েও অনুসন্ধান চলাবলৈ যাওঁতে মৰম-স্নেহ, ঘৃণা-হিংসা, আশা-আকাঙ্খা, সুখ-দুখ আদি মানুহৰ সাধাৰণ অনুভূতিবোৰৰ ওপৰতো লক্ষ্য ৰখা হয় আৰু কোনো যুগত, কি কি অনুভূতিক লৈ কি প্ৰতিপাদন ৰীতিৰে আৰু কি সামাজিক অৱস্থাত বেছি সাহিত্য সৃষ্টি হয়, তাৰ বিষয়ে অধ্যয়ন কৰা হয়। যেনেকৈ এজন লিখকৰ প্ৰভাৱে আন এজন লিখকৰ বিকাশৰ গতি সলনি কৰিব পাৰে, তেনেকৈ এটা জাতিৰ সাহিত্যৰ প্ৰভাৱে আন এটা জাতিৰ সাহিত্যৰ বিকাশৰ স্বাভাৱিক পথ অন্যমুখী কৰিব পাৰে। যেনেকৈ সাহিত্য অধ্যয়নত এটা জাতিৰ আন জাতিৰ ওপৰত প্ৰভাৱ উল্লেখনীয়, ঠিক সেইদৰে অতীত যুগৰ প্ৰতিভাশালী লিখকৰ সাহিত্যই বৰ্তমান সাহিত্যৰ বিষয়বস্তু বা প্ৰকাশ ভঙ্গিমাৰ ওপৰত সময়ে সময়ে পেলোৱা প্ৰভাৱৰ বিষয়ে জনাটো অত্যাৱশ্যকীয়।

বুৰঞ্জীমূলক সাহিত্য অধ্যয়নৰ আন এটা ৰূপ হৈছে বুৰঞ্জীমূলক প্ৰতিপাদন ৰীতি অধ্যয়ন। ৰীতি অধ্যয়ন বৰ বেছি পৰিমাণে শিল্প বিষয়ক হ'লেও ইয়াৰ গুৰুত্ব অকল বিশেষ ছাত্ৰসকলেই নহয়, সাধাৰণ পাঠকসকলেও উপেক্ষা



কৰিব নোৱাৰে। সাহিত্যৰ ৰীতি সাহিত্যিকৰ ইচ্ছাকৃত নহয়। ই জীৱন্ত শক্তিৰ দ্বাৰা পৰিচালিত ইন্দ্ৰিয়বিষয়ক ৰচনা। সেয়েহে ৰীতি অধ্যয়নৰ লগে লগে এটা যুগৰ পৰা আন এটা যুগলৈ সলোৱা ইয়াৰ তীব্ৰগতি আৰু তাৎপৰ্য্য আৰু সাহিত্যিক বা অন্য কাৰণসমূহ অধ্যয়ন কৰিব লাগে।

চিন্তাশীলতা আৰু অনুভূতিপ্ৰৱণতাৰ বাহিৰেও ৰীতিগত সৌন্দৰ্য্যতাৰ বাবেও সাহিত্যই আমাক আকৰ্ষণ কৰে। ইয়াৰ পৰা বুজিব পাৰি যে সাহিত্য এক সুকুমাৰ কলা আৰু সকলো সুকুমাৰ কলাৰ সৃষ্টিত যেনেকৈ প্ৰকাশভঙ্গীৰ নিৰ্দিষ্ট কলা-কৌশল, নীতি-নিয়ম আছে : সেইদৰে সাহিত্য সৃষ্টিতো বিশেষ কলা-কৌশল আদি আছে। সেইবাবে সাহিত্যৰ কলা-কৌশল বিলাককো এটা ভাগ হিচাবে অধ্যয়ন কৰিব পৰা যায়। সাহিত্য কেৱল মানৱিকতা, সৌন্দৰ্য্যতা আৰু যথাৰ্থতাৰ বাবেই অধ্যয়ন কৰা নহয়, কেতিয়াবা কলাকৌশলৰ জ্ঞান আহৰণৰ বাবেও সাহিত্য অধ্যয়ন কৰা হয়। কলা কৌশল অধ্যয়নৰ ফলত কেৱল যে সাহিত্যিকৰ ব্যক্তিত্ব আৰু জীৱনদৰ্শনৰ ইঙ্গিতেই পোৱা যায় এনে নহয়। ইয়াৰ লগে লগে সাহিত্যৰ সাধাৰণ গুণসমূহ — কল্পনাশক্তি, বৰ্ণনাশক্তি, নাটকীয় শক্তি, উপমা, গাম্ভীৰ্য্যতা, সৌন্দৰ্য্যতা, ছন্দ আদিৰ বিষয়ে জনাৰ উপৰিও সাহিত্যৰ শ্ৰেণীৰ বিষয়েও জানিব পৰা যায়। কলা কৌশল অধ্যয়নৰ পণ্ডিত সকলে সাহিত্যিকৰ ব্যক্তিগত গুণসমূহৰ বাহিৰেও উত্তম সাহিত্য সৃষ্টিৰ বাবে সাধাৰণ উপাদানবোৰৰ বিশেষ আৱশ্যকতাৰ কথা উল্লেখ কৰিছে। এই উপাদানবোৰ হৈছে — বুদ্ধিতত্ব, ৰাগাত্মক তত্ব, কল্পনাতত্ব আৰু সৌন্দৰ্য্যপ্ৰিয়তা।

গতিকেই দেখা গ'ল যে ভাল পাঠক হ'ব খুজিলে সদায় সহানুভূতিমূলক দৃষ্টিকোণেৰেহে অধ্যয়ন কৰা উচিত। তাৰোপৰি এজন লিখকৰ ৰচনাবিলাক খেলিমেলিকৈ অধ্যয়ন কৰাতকৈ প্ৰণালীবদ্ধ হিচাবেহে অধ্যয়ন কৰা উচিত। তাৰোপৰি এজন লিখকৰ ৰচনাবিলাক খেলিমেলিকৈ অধ্যয়ন কৰাতকৈ প্ৰণালীবদ্ধ হিচাবেহে অধ্যয়ন কৰা উচিত। কিয়নো খেলিমেলিকৈ পঢ়িলে আমি কেৱল আনন্দ লাভহে কৰিব পাৰো। কিন্তু এইদৰে পঢ়িলে আমাৰ জানিবলগীয়া বহুতো কথা বাকী ৰয়। গতিকেই আমি প্ৰণালীবদ্ধ হিচাবে সাহিত্য অধ্যয়ন কৰা উচিত আৰু এনেদৰে অধ্যয়ন কৰিলেহে প্ৰকৃত পাঠক হ'ব পাৰি। ■

*(প্ৰকাশ কাল ঃ ১৯৭৩-৭৪)*

# বিহুগীতত জাতীয় সমাজৰ চিত্ৰ

অনিতা বৰদলৈ
১ম বাৰ্ষিক, প্ৰাক্ স্নাতক (কলা)

বিহুত গোৱা গীতবিলাককে কোৱা হয় বিহুগীত। বিহুগীতবিলাক সাধাৰণতে বহাগ বিহুত গোৱা হয়, এই বিহুগীতবিলাক ঢোল, পেঁপা, টকা আদিৰ লগত গাই বিহু মৰা হয়। অসমত বিহুৰ প্ৰচলনৰ পৰাই বিহুগীতবিলাক অসমত প্ৰচলন হৈ আহিছে।

সেই সময়ত বহাগৰ বিহু আছিল ডেকা-গাভৰুৰ মিলন মন্দিৰ। সেই সময়ত লক্ষীমপুৰ জিলাৰ উপায়ুক্ত B.C. Allen এ ৺ৰজনী কান্ত বৰদলৈদেৱে মিৰিজীয়ৰী লিখা কালত বিহুৰ বৰ্ণনা দিবলৈ গৈ লিখিছিল — "The Bihu was an occasion for the choice of life partners" আকৌ "This is the season of the year where run-away matches are most common."

আকৌ অসমীয়া সামাজিক জীৱন, গৃহস্থালি জীৱন আদি প্ৰত্যেক ক্ষেত্ৰতে একোখনি সুন্দৰ প্ৰতিচ্ছবি বিহুগীতবোৰৰ মাজত প্ৰকাশ পোৱা দেখা যায়। মানুহ আৰু প্ৰকৃতিৰ চেনেহ প্ৰীতিক ভিত্তি কৰিয়েই বিহুৰ সৃষ্টি। সৃষ্টিৰ আদিৰে পৰা অসম ভূমিত মানুহৰ বিভিন্ন বংশধাৰা, সভ্যতা সংস্কৃতি আৰু ধৰ্মৰ তৰপে, তৰপে পৰা সাকৰা পলসত গঢ়ি উঠা বিহুটি অসমীয়াৰ প্ৰাণৰ বাপুতি সাহোন। সেইবাবে সেই বিহু অনুষ্ঠানৰ গীতবোৰক অসমীয়াৰ প্ৰাণৰ বস্তু বুলি ক'ব লাগিব। গীতবোৰৰ মাজেদি অসমীয়া জাতীয় জীৱনৰ চিত্ৰ সুন্দৰকৈ প্ৰকাশ পাইছে। বিহুগীত অসমীয়া জন সাহিত্যৰ অনুপম নিদৰ্শন।



বিহুগীতবোৰৰ মাজেদি অসমীয়া জাতিৰ শিল্পী মনটোৰ স্বাভাৱিক পৰিচয় পোৱা যায়। ম'হৰ শিঙৰ পেঁপাটি প্ৰত্যেক অসমীয়া বিহুৱলীয়া ডেকাৰেই প্ৰিয়। ম'হৰ শিঙৰ পেঁপাৰ মাতে গাভৰুৰ মনৰ আত হেৰুৱাই দিয়ে। কোনোবা মৰম বলীয়া প্ৰেমিকাই অন্তৰৰ আবেগত কৈ উঠে।

*ম'হৰ শিঙৰ পেঁপাটি*
*নবজাবি ককাইটি*
*মনবোৰ কেনেবা কৰে।*

ম'হৰ শিঙৰ পেঁপাৰ উপৰিও বাঁহৰ টকা, খোল, টোকাৰী, ঢোল আদি অসমীয়াৰ বিশেষ ভাবে প্ৰচলিত বাদ্য যন্ত্ৰ।

বিহুগীত দুবিধ — হুচৰী গীত আৰু বনগীত। এই গীতবোৰৰ মাজেদি অসমীয়া জাতিৰ অসমীয়া সমাজৰ আবেগ অনুভূতিবোৰ সুন্দৰকৈ পৰিলক্ষিত হয়। ইয়াৰ মাজত প্ৰকৃতিৰ পৰিৱেশত ডাঙৰ হোৱা চহা চিত্ৰ হুবহু অংকিত হৈ আছে। প্ৰকৃতিৰ লগত অসমীয়াৰ নিবিড় সম্বন্ধ থকাৰ কাৰণেই বিহুগীতত অসমীয়াৰ জাতীয় চিত্ৰ সুন্দৰকৈ প্ৰকাশ পাইছে। লুইতৰ চাপৰি অসমীয়া ডেকা গাভৰুৰ বৰ আদৰৰ। অসমীয়া ডেকা গাভৰুৱে লুইতক প্ৰাণেৰেই ভাল পায়। লুইতৰ পাৰৰ কহুৱা ফুলৰ মধুৰ সৌৰভে ডেকা গাভৰুৰ মন উতলা কৰে। লুইতৰ বগা ধকধকীয়া বালিত কাছই কণী পাৰে ; তাৰ অনুপম চিত্ৰ বিহুগীতত পোৱা যায়।

*লুইতৰ বালি বগী ধকেধকী*
*কাচই কণী পাৰে লেখি*
*গাত জুই জ্বলে সৰিয়হ বাগৰে*
*চেনাইক পানীৰ ঘাটত দেখি।*

বিহুগীতবোৰক প্ৰেমৰ গীত হিচাবেও ধৰিব পাৰি। প্ৰেমিক প্ৰেমিকাৰ ভাৱৰ আদান প্ৰদানৰ ওপৰত ভিত্তি কৰিয়েই বিহুগীতবোৰে অপৰূপ কাব্যিক সৌষ্ঠৱ লাভ কৰিছে। আদি যুগৰ পৰা অসমীয়া ডেকা গাভৰুৱে মনৰ ভাৱ প্ৰকাশ কৰিবৰ কাৰণে বিহুগীতৰ আশ্ৰয় লোৱা দেখা যায়। প্ৰেমক কেৱল শৰীৰ সংযোগ বুলি ক'লে ভুল হ'ব। মনৰ ভূমিকাতহে প্ৰেমৰ মন্দিৰ গঢ়িব পাৰি। মন আৰু কল্পনাৰ যাদু পৰশত সৌন্দৰ্য্যৰ জেউতি প্ৰকাশ পায় ; বসন্তৰ

আগমনত বতাহৰ চঞ্চল উন্মাদনাই বিহুগীতত ঢালি দিয়ে চপলতা, আনি দিয়ে মাধুৰ্য্য বিহুগীতৰ বৈশিষ্ট। প্ৰকৃতিৰ নিবিড়তাই ডেকা গাভৰুৰ প্ৰাণত প্ৰেম জগাই তোলে কোনোবা ডেকা প্ৰেমিকৰ মন উৰি যায়।

*লুইতৰ সিপাৰে কহুৱা ফুলিলে*
*মিৰিয়নীয়ে মেলিলে তাঁত*
*এনে ফাগুণ দিনত তোমাৰ যৌৱন ফুলিলে*
*মন মোৰ মেলিছে তাত*

বিহুগীতবোৰত প্ৰেমৰ একোটি সজীৱ চিত্ৰৰ উপৰিও জীৱনৰ এখন ফটফটীয়া দাপোন বসন্তৰ আগমণত প্ৰকৃতিয়ে যৌৱন পোৱাৰ লগে লগে ডেকা গাভৰুৰ মন কমোৱা তুলাৰ দৰে হৈ পৰে। সেই মনে ঘৰুৱা পৰিৱেশৰ বান্ধোন ছিঙি বিহুতলীলৈ ঢাপলি মেলিবলৈ বিচাৰে।

*দিখৌৰ সোঁতেদি দীঘল দৰিকণা*
*দেও দি সাঁতুৰি যায়*
*উৰণীয়া মনকে বান্ধিব নোৱাৰো*
*বিহুতলী বিচাৰি যায়।*

অসমৰ প্ৰাণ স্বৰূপ নৈ কেইখনক অসমীয়া মানুহে অতীজৰে পৰাই ভাল পায়। অসমীয়া ডেকা-গভৰুৰ সোৱণশিৰি, ধনশিৰী, কপিলী, কলং, দিখৌ, জাঁজী নৈৰ ঘাটতেই নয়ন মিলনৰ, চঞ্চল প্ৰণয়ৰ সূত্ৰপাত হৈছিল। সেয়েহে কোনোবা প্ৰেমিকে প্ৰেমিকাক উদ্দেশ্যে গাই উঠে —

*দিখৌ নৈ এৰিব পাৰো মই লাহৰী*
*জাঁজী নৈ এৰিব পাৰো*
*তোমাৰে ভাৱনা এৰিব নোৱাৰো*
*নাখাই মই থাকিব পাৰো।*

লুইতৰ পাৰৰ পথাৰত যেতিয়া পকা ধানে কেচা সোণৰ ৰঙ সানি দিয়ে। যেতিয়া পথাৰত ধানৰ ঠোকত ফুল গুচি সোণ চেকুৰাই থনিকা পাতে তেতিয়া পথাৰলৈ ধান দাবলৈ অহা ডেকা গাভৰুৰ মাজত হোৱা প্ৰণয় বিহুগীতত দেখিবলৈ পোৱা যায়।



*তোক চাই লাহৰী বান্ধি যাও ডাঙৰী*
*গড়া চপাই বান্ধি যাওঁ নাওঁ।*

আকৌ যেতিয়া লুইতৰ পাৰৰ লুঠুৰিপিঠা পথাৰত অসমীয়া ডেকাই হাল বাই থাকে তেতিয়া দূৰৈত ভূঁই ৰুই থকা গাভৰুক উদেশ্য কৰি গায় —

*দূৰৈত নে নুকুৰা ভূঁই ঐ লাহৰী*
*দূৰতে যে নুকুৰা ভূঁই*
*যাওঁতে বিষাব ককাল ঐ লাহৰী*
*আহোতে বিষাব ভৰি*

মুঠতে অতীজতে এই শ্যাম বৰণীয়া পথাৰৰ উৰ্ব্বৰ বুকুতেই অসমীয়া ডেকা-গাভৰুৰ প্ৰেম বিৰহ, মিলন, মান, অভিমান মূৰ্ত হৈ উঠিছিল।

বিহুগীত অসমীয়া জাতিৰ অমূল্য সম্পদ। বিহুগীত অতীত অসম আৰু আজিৰ অসমৰ মাজত এখন সোণৰ সাঁকো, অসমীয়া জাতিৰ দাপোণ স্বৰূপ। ইয়াত অসমীয়াৰ সামাজিক চিত্ৰ প্ৰকাশ পাইছে। ৰঙালি বিহুত ডেকা গাভৰুৰ মন অশান্ত হৈ উঠে। তেওঁলোকৰ মন কমোৱা তুলা উৰাদি উৰিবলৈ ধৰে। সেই কাৰণেই বিহুগীতত গাইছে —

*ঘৰতো নবহে মনে অসমীয়া*
*পথাৰতো নবহে মন*
*কমোৱা তুলাবোৰ যেনেকৈ উৰিছে*
*তেনেকৈ উৰিবৰ মন।*

কোনো এটা অৱলম্বনক বাদ দি মনৰ কল্পনাক স্থায়ী ৰূপ দিয়াটো অসম্ভৱ। এই অভিজ্ঞতাৰ বিতোপন চিত্ৰই বিহুগীতত প্ৰকাশ পায়। জীৱনৰ একোটা অৱলম্বনৰ বাবে অসমীয়া ডেকা সদায় সজাগ। সেইয়েহে মনৰ মানুহজনীৰ সৈতে আদৰ্শ সংসাৰ এখন গঢ়ি তোলাৰ কল্পনাত —

*নৈৰ কাষৰ জালোৱা*
*মই হম হালোৱা*
*তুমি হ'বা ৰোৱণী*
*পথাৰ হ'ব শুৱণী।*

অসমীয়া ডেকা সদায় স্বাধীন মনৰ। সেয়েহে কোনোবা স্বাধীন চিতীয়া চহা ডেকাই কোম্পানী বা বাগিচাৰ চাকৰিতকৈ পথাৰখনত জীৱনৰ সুগম পথ বিচাৰি পায়। অসমীয়াৰ বিহুটো যেনেকৈ ৰঙালী ঠিক সেইদৰে পথাৰখনক কেন্দ্ৰ কৰি গঢ়ি উঠা একেটি আদৰ্শ পৰিয়ালৰ চিত্ৰ বিহুগীতত পোৱা যায় —

*বাগিচাৰ চাকৰী নকৰো লাহৰী*
*নালাগে তৰপৰ ধন*
*তুমি ভূঁয়ে ৰোৱা মই যে হাল বাম*
*সেয়ে হ'ব জীৱনৰ মান।*

মুকলি পথাৰখনক প্ৰেমৰ সাক্ষী স্বৰূপ বুলিও কোৱা হয়। এই পথাৰে অসমীয়া ডেকা গাভৰুক অকল জীৱন ধাৰণৰ সম্বলকে যোগোৱা নাই। পথাৰৰ মধূৰ পৰসত ডেকা গাভৰুৰ মুকলি পথাৰত উদয় হোৱা জীৱনৰ কিছুমান মধুৰ মুহূৰ্তৰ অলেখ চিত্ৰ বিহুগীতত পোৱা যায়। ''তোক চাই লাহৰী বান্ধি যাও ডাঙৰী।'' ইত্যাদি।

অসমীয়া ডেকা গাভৰুৰ মাজত অবৈধ প্ৰেমৰ সৃষ্টি হয় বিহুতলীত, উৎসৱ আৰু অনুষ্ঠানত। বসন্ত কালৰ লগে লগে প্ৰকৃতিয়ে সেউজীয়া সাজেৰে সাজি কাচি নৱৰূপত সজ্জিত হয় — ডেকা গাভৰুৰ অন্তৰত প্ৰেমৰ বীজ অঙ্কুৰিত হৈ উঠে আৰু এই প্ৰেম বিকশিত হয় তেওঁলোকৰ অবাধ আৰু অসংকোচ মিলনত। বিবাহৰ আগতে ডেকা গাভৰুৰ মাজত গোপন মিলন বিহুগীতত পোৱা যায়।

*আজি গধুলিতে নাহিবা চেনাই*
*নোপোৱা পদুলিত মোক*
*পৰহিলৈ গধুলি আহিবা চেনাই*
*ফালি ল'ম বেৰৰে চুক।*

কোনো কোনো ডেকা গাভৰুৰ মাজৰ এই অবৈধ প্ৰেম সমাজে মানি ল'বলৈ মান্তি নহয়। তেতিয়া ডেকা গাভৰুৱে সমাজৰ কঠিন বান্ধৰ পৰা মুক্ত হৈ পুনৰ জন্মত মিলন হোৱাৰ সোণোৱালী সপোন ৰচে —

*কিনো খাই পাহৰিম তোকে ঐ লাহৰী*
*কিনো খাই পাহৰিম তোক*



*মিছিমি আহিব বৰে বিহ আনিব*
*তাকে খাই পাহৰিম তোক।*

অসমৰ সেউজীয়া গছ লতাৰে আবৃত মোহলগা ৰমনীয় আৰু কমনীয় সুউচ্চ গিৰিমালাক অসমবাসীয়ে অতীজৰে পৰাই ভাল পাই আহিছে। অসমীয়া ডেকাই তাৰ মাজেদি গাভৰুক প্ৰেম যাচি ব্যৰ্থ হোৱা দেখা যায়।

*পৰ্বতে পৰ্বতে বগাব পাৰো মই*
*লতা বগাবলৈ টান*
*শুৰীয়া হাতীকো বলাব পাৰো মই*
*চেনাইক বলাবলৈ টান*

বিহুগীতৰ পৰা সেই সময়ত অসমীয়া ডেকা গাভৰুৰ নৃত্যগীতত কিমান ৰাপ আছিল তাক জানিব পাৰি। একেজনী অসমীয়া গাভৰুৱেই আছিল একোজনী নৃত্য পটিয়সী উৰ্ব্বসী আৰু প্ৰতিজন ডেকাই আছিল একোজন নৃত্যৰত গন্ধৰ্ব। অসমীয়া ডেকাৰ ঢোলৰ গৰ্জনীত আৰু পেঁপাৰ সপোন সুৰীয়া বোলত অসমীয়া গাভৰুৱে উদ্দাম উল্লাহ গতিৰে চেও ধৰি বিহুতলীত অবিৰাম নৃত্যৰ জোৱাৰ তুলিছিল। সেয়েহে ডেকাসকলে নাচনীকে জুৰি গাইছিল।

*পেঁপাটি বজাওতে তিনিটি আঙুলি*
*মাজৰটি আঙুলি লৰে*
*আমাৰ নাচনীয়ে নাচিবলৈ ধৰিলে*
*পখিলা উৰাদি উৰে।*

যদি ডেকাসকলে ঢোল, পেঁপা, টকা বজাব নাজানে তেতিয়া নাচনীৰ নাচোনত কেৰোণ লাগে। গাভৰু সকলে ঢুলীয়াসকলক উদ্দেশ্য কৰি ''ঢোলে ভালে কৰি বাবীঅ' ঢুলীয়া'' ''ঢোলৰ নাজান চেও মোৰ ঢুলীয়া মৃদঙ্গৰ নাজান চেও'' ইত্যাদি বিবিধ গীতৰ বচন মাতি ডেকাসকলক ঢোল, খোল, পেঁপা, মৃদঙ্গ ভালকৈ বজাবলৈ সঙ্কেত দিয়ে। নৃত্যগীতৰ বিষয়ে তেওঁলোকৰ মাজত বিশেষ চৰ্চা আৰু প্ৰতিভা আছিল।

বিহুগীতত অতীতৰ ভোগালী সমাজখনৰ কথা পোৱা যায়। অসমীয়াৰ দৈনন্দিন আহাৰ আছিল ভাত, মাছ আৰু মঙহ। জহা চাউলৰ ভাত, বকুল বৰাধানৰ পিঠা, আখৈ, চকোৱা ধানৰ দোৱা চিৰা, সান্দহ, গৰু গাখীৰৰ দৈ,

গুৰ আদি আছিল তেওঁলোকৰ প্ৰীতিকৰ খাদ্য। গৰম ভাতৰ লগত পাভ মাছ, ঢেকীয়া শাকৰ লগত নেমু দি ৰন্ধা টেঙা আঞ্জা, ঔটেঙা, মাটিমাহ, খৰিচা, কেৰেলা, কচুপিটিকা আদি নানা ধৰণৰ পোৰা পিটিকা তেওঁলোকে ভাতৰ লগত খাইছিল। ইয়াৰ উদাহৰণ বিহুগীতত পোৱা যায়।

*দীঘলী বজাৰৰ পাভ মাছ আনিলো*
*পকা নেমু দিয়ে ৰান্ধো*
*খাবৰে সময়ত তোলৈ মনত পৰে*
*ভাতৰ পাতত বহি কান্দো।*

ভাতৰ বাহিৰেও জা-জলপান, চিৰাপিঠা, সান্দহ কৰি খোৱাৰ উল্লেখ বিহুগীতত পোৱা যায়।

*বকুল বৰাধানৰ আখৈ ভাজিছিলো*
*চপোৱা গাখীৰৰ দৈ*
*তুমি যে নহ'লে খাবকে নোৱাৰো*
*থাকো মই আগতে বৈ।*

অসমীয়া মানুহে তামোল পান খোৱাৰ জ্বলন্ত প্ৰমাণো বিহুগীতত পোৱা যায়। কোনো কোনো বিহুগীতত তামোলৰ লগত লং, ডালচিনি, চূণ, ধপাত খোৱাৰ কথা জানিব পাৰি। ''থুৰিয়াই কাটিলো তামোল তিনিখন নুৰিয়াই বান্ধিলো পান।''

তামোলে কোচ নধৰিলে, খোপাই নধৰিলে ফুল, এনেধৰণৰ বিহুগীতে কোমলীয়া তামোল খোৱাৰ প্ৰমাণ দিয়ে।

তামোল পান অসমীয়াৰ জীৱনৰ এটি অতি লাগতীয়াল বস্তু। অন্য ক্ষেত্ৰত বিহুগীতত পোৱা যায় প্ৰেয়সীৰ তামোল খাই প্ৰেমিকে পাহৰিব নোৱাৰাৰ প্ৰমাণ।

*কি কথা কৰিলা কি বুজি কৰিলা*
*থুৰীয়া তামোলৰ লগত*
*খাওঁতে শোওঁতে উঠোতে বহোতে*
*সদায় পৰি থাকে মনত।*

আকৌ বিৰিণাৰ আঁৰত প্ৰেমিকালৈ তামোল থৈয়ো অহা হয়।



*বিৰিণাৰ আৰতে তামোল থৈ আহিছো*
*হেৰাই পালো বুলি খাবা।*

তেতিয়াৰ সান্দহ, চিৰা, দৈ অতি উত্তম জলপান বিহুত ঘৰলৈ অহা সকলো লোককে এইবোৰ জলপানেৰে অভ্যাৰ্থনা কৰা হয়। চিৰা, দৈ, সান্দহ প্ৰেমিকলৈ সজাই নাহিলে প্ৰেমিকাই বেজাৰতে গায় —

*আহো বুলি নাহিলা তামোল পান কটালা*
*সান্দহ চিৰা কৰালা বাহী।*
*চাবে দিয়া গাখীৰত মোলান পৰি যায়*
*সোন্দা কল মৰহী যায়।*

ইয়াৰ উপৰিও অসমীয়া নাৰীৰ তাঁত শাল সম্বন্ধে বিহুগীতত পোৱা যায়। অসমীয়া নাৰীৰ তাঁতশালখন বৰ আদৰৰ। এই তাঁত শিল্প অসমীয়া তিৰোতাৰ বিলাসৰ সামগ্ৰী নহয়। ই অসমীয়া সমাজৰ তথা নাৰীৰ তেজ মঙহৰ লগত লাগি থকা সম্বন্ধৰ নিচিনা অসমীয়া নাৰীৰ মনত আবেগ অনুভূতিবোৰ প্ৰকাশ পায়। উঘা, চেৰেকী, মাকো আদিৰ আলমতহে বছেৰেকৰ বিহুটো কোনোবা চেনেহীয়ে যদি মৰমৰ দীঘ দি চেনেহৰ বাৰীৰে বোৱা হাচঁটিখন হাতৰ টিপতে নি আপোনজনক নিদিয়ে তেনেহ'লে ই বৰ জগৰৰ কথা। ইয়াত মান অভিমানৰ শেষ নাথাকে। সেইবাবে কোনোবা উপেক্ষিত প্ৰেমিকে গাইছে।

*আৰু বেলি কৈছিলা হাচঁটি দিম বুলি*
*এই বেলি কাটিছা পাজি*
*তোমাৰ হাচঁটি আমাকো নালাগে*
*তিৰোতা আনিলম কাজি।*

বিৰহ মুখত এফাঁকি গীত জোৰোতেও বোৱা কটাৰ কথাহে ওলায়।

*ধনেগৈ আছেগৈ মিছিমিৰ দেশতে*
*আনিব কপাহৰ জোলা*
*তুমি বৈ লবা ৰিহাৰে মেখেলা*
*আমাকো বৈ দিবা চোলা।*

ডেকাসকলৰ তাঁত বব, সুতা কাটিব জনা গাভৰুকহে ভাল পাইছিল। অসমীয়া ডেকা গাভৰুৰ তাঁত শালত ৰাপ থকাৰ কথা জনা গৈছিল।

*বৰঘৰৰ মুধতে চেনাইৰ তাঁতশালে*
*থুৰি কলা পাতৰ মাঁকো।*
*আহোঁতে যাওঁতে দেখিব নোৱাৰো*
*দি যাও হাতী দাঁতৰ মাঁকো।*

অসমীয়া ডেকা গাভৰু কামৰ মানুহ তেওঁলোকে অবাবত সময় নষ্ট কৰি ভাল নাপায়। কেতিয়াবা ডেকাৰ মনে অনুশাসন নামানি প্ৰেমিকাক চাই গা জুৰ পেলাববৈ আহে। কিন্তু কৰ্তব্য নিষ্ঠা প্ৰেমিকাই এইদৰে সময় নষ্ট কৰাতো ভাল নেপায়। সেয়েহে —

*এইনো দুপৰীয়া কেলেইনো আহিলা*
*কেলেইনো লগালা মাত।*
*তোমাৰ খতি হ'লে হাতৰ কাঠি-কামি*
*মোৰো খতি হল তাঁত।*

স্বামী স্ত্ৰী উভয়ে লাগিলেহে ঘৰখনৰ আউল মৰে। বিহুগীতত ডেকাই গাইছে —

*তুমি কৰি খাবা ৰোৱনী দাৱনী*
*মইনো বাই যাম হাল*
*তুমি লগাই ল'বা বিহুৰে গামোচা*
*মইনো পাতি দিম শাল*

অসমীয়া গাভৰুৰ মনৰ ভাৱ-ভঙ্গি প্ৰকাশ পাইছিল উঘা চেৰেকীৰ আলমত। ''বহো তাঁতৰ পাতত চকু আলিবাটত মাকো সৰি সৰি পৰে।'' গাভৰুৰ মনৰ উচপিছনি লাগি কমোৰা তুলাৰ দৰে উৰিববৈ ধৰে। অসমীয়া গাভৰুৱে সৰুৰে পৰাই বোৱা কটা কৰিববৈ শিকিছিল। সৰু হৈ আছিলো গৰু চৰাইছিলো ডাঙৰ হৈ লগালো তাঁত। আনকি গোপন মিলনৰ আগতেও অসমীয়া ডেকা গাভৰুৰ মনলৈ কাপোৰৰ চিন্তাহে দেখা গৈছিল।

অসমীয়া গাভৰুৱে কাণত জাংফাই কেৰু ডিঙিত গলপতী, বিৰি, গেজেৰা, হাতত গামখাৰু, আঙুলিত আঙঠি পিন্ধিছিল। ''তোমালৈ বুলি গহনা গঢ়ালো হাতলৈ গঢ়ালো খাৰু'' জাংফাই কেৰুযোৰ পনীয়লি বাথৰ বোৰ কাণত জিক্‌মিক্ কৰে।'' আদি বিহুগীতবোৰে অতীত অসমৰ গাভৰুসকলে সৌন্দৰ্য বৃদ্ধিৰ



কাৰণে পিন্ধা বিবিধ অলঙ্কাৰৰ আভাস দিয়ে।

সৌন্দৰ্য সাধনৰ কাৰণে অসমীয়া গাভৰুৱে খোপাত ফুল পিন্ধাৰ চিত্ৰই বিহুগীতত ঠাই পাইছে। প্ৰত্যেক অসমীয়া নাৰীৰ কাৰণেই ফুল বৰ আদৰৰ। প্ৰকৃতিৰ সৌন্দৰ্যৰে সৌন্দৰ্যময়ী অসমৰ দেশৰ হাবি বননিয়ে তগৰ, যুটি, কপৌ, নাহৰ আদি ফুলৰ সৌৰভেৰে ৰঞ্জিত হৈ আছে। অসমীয়া নাৰীয়ে ফুল বৰ ভাল পায়। অসমীয়া বিহুগীতত কপৌ ফুলপাহৰ প্ৰেমৰ প্ৰতীক স্বৰূপে লোৱা হৈছে।

*এই বেলি বহাগৰ বিহুটি আহিছে*
*মুখত লৈ মিচিকি হাঁহি*
*আহ সোণপাহি পিন্ধা খোপা ভৰি*
*চেনেহৰ কপৌ ফুল পাহি।*

বিহুগীতবোৰত অনুপম উপমা, যোজনা, দৃষ্টান্ত পটন্তৰ আদিৰ সমাবেশ হোৱা দেখা যায়। বিহুগীত বিলাকৰ ভাষা অসমীয়া সাধাৰণ মানুহৰ সহজ ভাষা বুলিয়েই ক'ব পাৰি। এই যোজনাবোৰ অসমীয়া জাতীয় জীৱনৰ বৈশিষ্ট স্বৰূপ। কোনোবা প্ৰেমিকে প্ৰেমিকাৰ ৰূপ বৰ্ণনা দিববৈ গৈ উপমা দিয়ে।

*তোমাৰে কঁকালটি বামি মাছৰ নিচিনা*
*ঘোৰাৰ ফানৰ নিচিনা চুলি।*

অসমীয়া বিহুৱা ডেকাটিৰ বিহুগীতবোৰৰ প্ৰধান সুৰ হ'ল প্ৰণয়। যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাঙ্খা, বিৰহ বেদনা, প্ৰেমৰ আকুতি, সুখ দুখ আদিয়ে গীতত প্ৰাণ পাই উঠে। গাভৰুৰ নাচৰ ভঙ্গিমাত ডেকা গভৰুৰ প্ৰেমৰ ভাৱ বিহুগীতত প্ৰকাশ পায়।

*তোমাৰ কথাকে শুনোতে ভাবোতে*
*বলিয়া হোৱাদি হলো।*

প্ৰেমৰ কেন্দ্ৰ কৰি যিবোৰ বিহুগীত সৃষ্টি হৈছে তাত আছে প্ৰেমৰ গভীৰ আন্তৰিকতা, অনুভৱৰ গাম্ভীৰ্য্য, উচ্চস্তৰৰ কল্পনা, ব্যৰ্থ প্ৰেমৰ উন্মাদনা। ডেকাই গাভৰুৰ মৰমসনা 'মুখ' চাই আনন্দত ক'ব নোৱাৰা হয়। সেইহে বিহুগীতত গাইছে —

*দেখি মৰম লাগে তোমাৰ মুখখনি*
*আৰু মৰম লাগে মাতত।*

*চাও চকু ফুৰাই        তোমাৰ ফাললৈ*
*মাতিব নোৱাৰো লাজত।*

বিহুগীতবোৰ প্ৰেমতে উৎপত্তি আৰু প্ৰেমতে বাঢ়িছে। এই গীতবোৰ গাঁও-ভূঁইৰ দৃশ্য আৰু গাঁৱলীয়া সমাজৰ কথা অনেক পোৱা যায়। এই গীতবোৰত 'চতাই পৰ্ব্বত' আৰু 'চিৰি লুইতৰ' কথা আজিও জিলিকি আছে। চতাই পৰ্ব্বতক কেন্দ্ৰ কৰি বিহুৱলীয়া ডেকাই গাইছে —

*চতাই পৰ্ব্বত      ধুৱলি কুৱলি*
*কোনে ভাত ৰান্ধি খায়*
*মাক নাই মাউৰা      তিৰি নাই বৰলা*
*হাতী ধৰিবলৈ যায়।*

এইদৰে বিহুগীতবোৰত গাঁও-ভূঁইৰ দৃশ্য গাঁৱলীয়া সমাজৰ অনেক চিত্ৰ পৰিলক্ষিত হয়।

অসমীয়া বিহুগীতৰ প্ৰাঞ্জল বৰ্ণনাত সমাজৰ প্ৰতিটো চিত্ৰ আৰু সামাজিক জীৱনৰ প্ৰতিটো অনুভূতি প্ৰকাশ পায়। বিহুগীত অসমীয়া সামাজিক জীৱনৰ প্ৰতীক। ইয়াত বাস্তৱ জীৱনৰ ইতিহাস পৰিলক্ষিত আছে। বিহুগীতৰ সাহিত্যিক বৈশিষ্ট অতুলনীয়। জগতৰ কোনো সাহিত্যই আদিতে কোনো শিল্পানুষ্ঠানক কেন্দ্ৰ কৰি গঢ়ি উঠা নাছিল। সকলো সাহিত্যৰ আদিম অৱস্থাটো মৌখিক বা অলিখিত। জগতৰ সকলো সাহিত্যই আদিম অৱস্থাতো কবিতাক কেন্দ্ৰ কৰি গঢ়ি উঠা। সেই হিচাবে চালে অসমীয়া জাতীয় সাহিত্য বিহুগীতৰ দাম অতুলনীয়। বিহুগীত আৰু বিহুনাচৰ লগত অসমীয়া কৃষ্টিৰ ভূত ভবিষ্যত জড়িত হৈ আছে। বিহুগীতে অসমীয়া জাতি, অসমীয়া সমাজ আৰু অসমীয়া ভাষাৰ সম্বল যোগাইছে।

ইয়াত অসমীয়া সামাজিক জীৱনৰ প্ৰতিচ্ছবি, অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু অসমীয়া জাতিৰ ধৰ্ম বিশ্বাসৰ আভাস পোৱা যায়। অসমীয়া মানুহৰ সৌন্দৰ্য্য স্পৃহা, আশা আকাঙ্খাৰ হুবহু ছবি বিহুগীতত প্ৰকাশ পায়। গতিকে ক'ব পাৰি যে বিহুগীতত অসমীয়া জাতীয় জীৱনৰ বৈশিষ্ট্য ফুটি উঠিছে। এই বিহুগীত আৰু বিহু অসমীয়া মানুহৰ বুকুৰ কুটুম হৈ থাকিব। ■

*(প্ৰকাশ কাল ঃ ১৯৭৩-৭৪)*



ESTD

# কবি দেৱকান্ত বৰুৱাৰ
# *সাগৰ দেখিছা ?*

শঙ্কৰ কাকতি

'সাগৰ দেখিছা?' দেখা নাই কেতিয়াও?

ময়ো দেখা নাই। বলা তেন্তে, আমি সকলোৱে কবি দেৱকান্ত বৰুৱাৰ সাগৰ চাওঁহক — নীলিম সলিল ৰাশিৰ নহয়, কবিতাৰ সাগৰ...।

মনক চমক লগোৱা কেইটিমান কবিতাৰ সাগৰ নাম — *সাগৰ দেখিছা?* সাগৰ দেখিছাত থকা কবিতা কেইটিয়ে অসমীয়া তথা ভাৰতৰ কাব্য জগতত শতেক প্ৰশ্নৰ জোৱাৰ তোলা বোধহয় সকলোৱে দৃষ্টি গোচৰ হৈছে। ইতিমধ্যে 'সাগৰ দেখিছাই' তথ্য চিত্ৰৰ ৰূপ পাব। এয়া কবি দেৱকান্ত বৰুৱাৰ গৌৰৱৰ বিষয় নহয় সমগ্ৰ অসমবাসীৰ গৌৰৱৰ বিষয়।

বৰুৱাৰ কবিতা কেইটিৰ প্ৰকাশভঙ্গী সঁচাকৈয়ে হৃদয়স্পৰ্শী আৰু চমৎকাৰী। ইয়াৰ মূলতে আছে — নাটকীয় প্ৰকাশ ভঙ্গিমা। ইয়াৰ ওপৰত প্ৰভাৱ পৰিছে ৰবাৰ্ট ব্ৰাউনিঙৰ নাটকীয় নিৰ্জ্জনোক্তিৰ। ৰোমাণ্টিচিজমৰ শেষ কবি দেৱকান্ত বৰুৱাক আধুনিক কবি সকলৰ বাটকটীয়া বুলিলেও অত্যুক্তি কৰা নহ'ব নিশ্চয়। কিয়নো বৰুৱাদেৱে ৰোমাণ্টিক কবিতাৰ গতি সলনি কৰি এক নতুন গতিৰে কবিতাৰ গতি সলনি কৰি এক নতুন গতিৰে কবিতাৰ সুঁতি বোৱাই এক নতুন অভিলেখ স্থাপন কৰে। বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰো' 'লাচিত ফুকন', 'মোৰ দেশ মানুহৰ দেশ' আদি কবিতাবোৰে ৰোমাণ্টিচিজমৰ পৰা বহু দূৰ আঁতৰি আহি কবিতাৰ নতুন গতিত ইন্ধন যোগাইছে।

বৰুৱাৰ কবিতাই হাঁহে, কান্দে, কথা পাতে, প্ৰেমালাপ কৰে, বিদ্ৰোহ কৰে, আক্ষেপ কৰে, দেশ প্ৰেমত উদ্বুদ্ধ হৈ পৰে.... আৰু বহুতো কিবা কিবি কৰে....। বৰুৱাৰ কবিতাৰ চকু আছে — দেখে, প্ৰাণ আছে — কান্দে, কাণ আছে — শুনে! কবিতাৰ চাৰনিত প্ৰেমৰ ৰশ্মি প্ৰতিফলিত হয়। 'কিন্তু কবি দুৰৰা বা গগৈৰ দৰে বৰুৱাৰ কবিতাত নিৰাশাবাদৰ দীঘলীয়া হুমুনিয়াহৰ পৰিৱৰ্তে আমি পাওঁ — প্ৰতিবাদ আৰু নিয়তিৰ হাতত পৰাজয় আৰু বলিষ্ঠ আশাবাদ।

প্ৰেমৰ আগতে কিবা পাপ? জীৱন শূন্য? এইবোৰ কবিয়ে মানি নলয়। এই সকলোবোৰ কবিৰ প্ৰেমৰ আগত উফৰি পৰে কবিৰ আশা প্ৰিয়াৰ সতে হাঁহি হাঁহি জীৱন শেষ কৰি দিয়া...। হাঁহি আৰু আনন্দই হ'ল — জীৱন।

কবিয়ে দেখে — প্ৰেমিকাৰ ওঁঠৰ তলতেই শুই থাকে তেজ ৰঙা প্ৰেমিকৰ হাঁহি, স্বৰ্গৰ সুখ!

''তোৰ ওঁঠতে স্বৰ্গ কবিৰ, অ' মোৰ পূজাৰ ফুল।'' আৰু প্ৰিয়াৰ চকুত সেয়া কি? কিহে তিৰবিৰাই চকুযুৰি সাগৰৰ এচামুচ নীলাই আৰু উথলি পৰা প্ৰিয়াৰ বুকুত কিহে উখল-মাখল লগায়? কবিয়ে প্ৰেমিকাক কাণে কাণে কয় — নিশা হ'লে আহিবা লাহৰী। মনে মনে আহিবা লাহৰী লগে লগে আহিবা সাদৰী!' মনে মনে নিশা প্ৰিয়াক কবিয়ে কিয় মাতিছে বাৰু?

ওঁঠতে লগাই ওঠ, মনেৰমা! তুমি আৰু নাই।''

নাই — ''কি কৰিম? হক পাপ ক্ষতি নাই, মই পাম স্বৰ্গ তাতে তুমি ৰ'বা তুমি।

পৃথিৱীখনৰ বাৰু কিমান বয়স হ'ল? — পৃথিৱী বহুত পুৰণি পৃথিৱী বৃদ্ধা? ওঁহো হ'ব নোৱাৰে।

সকলো নতুন লাগে। 'সকলোটি আজি মোৰ লাগে মোৰ আপোন আপোন।'

প্ৰেমৰ ওলোটা পিঠি হৈছে ট্ৰেজেডী। ৰঙা গোলাপৰ কোমল পাহিত কবিৰ হৃদয়ৰ ৰঙা তেজৰ চেকুৰা! প্ৰিয়াৰ প্ৰাণ চঞ্চলা চুমাৰ পৰশত ফেটী সাপৰ বিষ! প্ৰিয়াৰ কোমল বুকুৰ পৰশত জোঙা যাঠীৰ খোচ!

কিয়নো ট্ৰেজেডীৰ ঢাকনীৰ তলত লুকাই থাকে — বিদ্ৰোহ, প্ৰতিবাদ, প্ৰতিহিংসাৰ ভাৱ, গালি-শপনি আৰু কেতিয়বা হয়তো — ব্যৰ্থতাৰ নিশ্বাস,



নিয়তিৰ আঘাতত কৰুণ বিননি....।

'মাজ নিশা সাৰ পাই শুনিছানে কেতিয়াবা কেতেকীৰ হিয়াভগা মাত?'

তাৰ পিছ মুহূৰ্ত্ততেই প্ৰিয়াক ছলনাময়ী হিচাবে গালি পাৰি কবিৰ খেলি-মেলি মনৰ পৰিচয় দিছে। যেনে —

*বাঘিনীৰ দৰে জানো হৃদয় তোমাৰ?*
*কোৱা ভাতুৰীয়া সেই ওঠৰ তলত*
*আছে জানো ফেটীসাপ শুই?*

আকৌ হাঁহি উঠে যেতিয়া কবিয়ে প্ৰিয়াক পাষাণী ৰূপত ধৰা পেলায় —

*হিয়াহীনা সেই পাষাণী প্ৰিয়া,*
*নগলিল যাৰ শিলৰ হিয়া।*

দিনবোৰ পুৰণি হ'ল — প্ৰিয়া পুৰণি হ'ল — কবি পুৰণি হ'ল আৰু স্মৃতিবোৰ অতীত হ'ল —। কবিৰ চিন্তা নতুন গতিৰে ধাৱমান হ'ল। কবিৰ জীৱনৰ ভুল ভাগিল। কবিয়ে ভালদৰে উপলব্ধি কৰিলে — এই পৃথিৱীখন নিয়তিৰ অধীন! পৃথিৱীৰ সকলো প্ৰাণীয়েই নিয়তিৰ অধীন।

*সৃষ্টিৰ দিনৰে পৰা নিয়তিৰে সতে হেৰা মানুহৰ*
*সংগ্ৰাম অক্ষয়*
*আমি তাৰে স্মৃতি স্তম্ভ সোঁৱৰাও মানুহৰ বীৰ্য্য*
*আৰু নিয়তিৰ জয়।*

নিয়তিৰ জয় অনিবাৰ্য্য হলেও, মানুহৰ ভিতৰৰ স্বপ্নালু মনটোক জানো জয় কৰি দমাই ৰাখিব পাৰিব? অতীতৰ বুকুত কোমল অৱিলতাৰে সানি থোৱা মিঠা সজীৱ স্মৃতিবোৰক জানো নিয়তিয়ে গিলিব পাৰিব?

*সাৰ পাই আছে তাতে ক'ত শৰতৰ স্মৃতি,*
*লুপ্ত শোভা ক'ত বসন্তৰ।*
*আজিৰ পখীৰ হায় ডিঙিত কান্দিব খোজে*
*সোঁৱৰণী ক'ত প্ৰভাতৰ।*

ইয়াত এটা মন কৰিবলগীয়া কথা যে — জীৱনৰ অন্তিম বেলালৈ লগৰীক নাপালেও কবিয়ে তাৰবাবে অকণো আক্ষেপ কৰা নাই; বৰঞ্চ প্ৰেমিকাৰ বিয়াৰ বাতৰি পাই কবিয়ে প্ৰেমিকাক বিদায় দিয়াতহে আগভাগ লৈছে।

*নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে জ্বলাবা*
*যি ন চাকি গছি*
*তাৰ পোহৰত যাব জীয়াৰী কালৰ আশা,*
*সুখ, দুখ দিনে দিনে মচি।*

দেখাত যদিও এই কবিতাফাঁকিৰ মাজত বেজাৰৰ প্ৰগাঢ় ছাঁ পৰা নাই তথাপিও ইয়াৰ অন্তৰ্নিহিত ভাৱধাৰা বৰ বেদনা সিক্ত! বৰ কৰুণ!, বিদায়ৰ পথ তিমিৰ! 'সেয়ে সাগৰৰ দৰে নীলা বেদনাৰে' কবিৰ অন্তৰ ভৰি পৰিল...। কিন্তু বিদায়ৰ পথ তিমিৰ হ'লেও আমাৰ কবিয়ে কিন্তু তাৰ মাজৰেই আৱিষ্কাৰ কৰে, জ্ঞানৰ জ্যোতি, জীৱনৰ পথ...। জীৱনৰ সত্যতা আৰু তাৰ প্ৰকৃত মূল্য।

এফালে প্ৰেমিকাৰ প্ৰেম আনফালে দেশপ্ৰেম! কিমান প্ৰভেদ! কিমান অমিল! দেশপ্ৰেমৰ বিশাল সাগৰৰ বুকুত সুঁতি যেন প্ৰেমিকাৰ ক্ষুদ্ৰ প্ৰেম হেৰাই গ'ল... বিলীন হৈ গ'ল... কবি হৃদয়ৰ পৰা...। এতিয়া কবি হেৰাই গ'ল, কবি বিলীন হৈ পৰিল... দেশমাতৃৰ সেৱাত। কবিৰ মন-প্ৰাণ সকলো স্বদেশ প্ৰেমে হৰি নিলে আৰু প্ৰিয়াৰ পৰশৰ পৰিৱৰ্ত্তে এতিয়া কবিয়ে সকলোতে উপলব্ধি কৰিছে — স্বদেশ প্ৰেমৰ পৰশ!

'স্বদেশৰ গছ, স্বদেশৰ শিল, স্বদেশৰ বাঁহতল সকলোতে আজি স্বদেশী কবিৰ কবি অন্তৰ জাগে।'

কিন্তু কবি থমকি ৰ'ল। কবিৰ স্বদেশ প্ৰেম থমকি ৰ'ল। কাৰণ মুক্ত আকাশৰ তলত মুক্ত বতাহৰ মাজত কবিৰ প্ৰেম বন্ধ হৈ গৈছে। কবি আচৰিত। কবিৰ নিস্বাৰ্থ প্ৰেম কিহবাত ঠেকা খাই উফৰি পৰিছে। অসহ্য! কবিয়ে এয়া কেতিয়াও সহ্য কৰিব নোৱাৰে। ইয়াৰ অন্তৰালত লুকাই থকা বাধাৰ প্ৰতিমূৰ্ত্তিস্বৰূপ দেশদ্ৰোহী, দেশৰ ঘোৰ শত্ৰু বিলাকক বিচাৰি উলিয়াই তিল, তিলকৈ হত্যা কৰি কবিৰ স্বদেশ প্ৰেমৰ পথ নিষ্কণ্টক কৰিবই লাগিব। কবিৰ দেশ মাতৃৰ প্ৰতি থকা অগাধ প্ৰেম আগুৱাই যাবই লাগিব। তাত কাৰোবাৰ বাধা — মৃত্যুৰ সতে হাত মিলোৱা হ'ব। বীৰ লাচিতৰ বীৰ আদৰ্শেৰে কবি প্ৰভাৱিত হৈ দেশ মাতৃৰ সেৱা কৰিব। প্ৰয়োজন হ'লে একোজন মোমাইৰ ঠাইত হাজাৰজন মোমাইৰ মূৰ কাটি পেলাব। কিন্তু এতিয়া লাচিত নাই।



আনকি লাচিতৰ দৰে বীৰ সন্তানৰো জন্ম হোৱা কবিৰ দৃষ্টিত ধৰা দিয়া নাই কিন্তু লাচিত নাথাকিলেই এতিয়াও কবিৰ দেহত লাচিতৰ তেজ প্ৰবাহমান হৈ আছে। সেয়ে কবি বীৰ লাচিতৰগ বীৰত্বৰ দ্বাৰা মহীয়ান। আৰু এই বীৰত্বৰ প্ৰতিচ্ছবি আমি কবি দেৱকান্ত বৰুৱাৰ তেজতো প্ৰতিফলিত হোৱা দেখিবলৈ পাওঁ। —

'আকউ এবাৰ ৰঙা কৰি মৰোঁ লুইতৰ বগাপানী।' এইখন দেশত এচাম লোকে আপোন স্বাৰ্থৰ হকে দাৰিদ্ৰ্যৰ শেষ সীমাত উপনীত হেজাৰ হেজাৰ জনতাক শোষণৰ অক্টোপাচটোৱে খামুচি আছে। এই অক্টোপাচ এৰুৱাই মুক্ত কৰি দীন দৰিদ্ৰ জনতাক জীয়াই ৰাখিবই লাগিব। তাৰ বাবে প্ৰয়োজন হ'লে কবিয়ে নিজৰ মূৰটোও ফাঁচীকাঠত সোমোৱাই দিবলৈ কুণ্ঠাবোধ কৰা নাই —

*''ফাঁচী কাঠে মাতিছে আমাক*
*আমি তাৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰা নাই।''*

অথচ এই দেশৰ মানুহবোৰ যেন মানুহ আকৃতিৰ কিছুমান জন্তু। নাই দেশপ্ৰেম! নাই জাতীয় চেতনা। মানুহ হিচাবে জনম লৈ গাত যেতিয়া অলপো জাতীয় চেতনাৰ ঠাই নাৰাখে, তেনে মানুহ কবিৰ বাবে মানুহ নহয় 'গাধ'হে।

''অসমৰ এই কাম্য ভূমিত চৰিছে গাধৰ পাল।'' অসমীয়া জাতিৰ লাজ নাই, অপমান নাই, কেৱল আনৰ পিছে পিছে লৰি ফুৰি ''প্ৰভু প্ৰভু'' বুলি এমুঠি দানতেই সন্তুষ্টি লভি প্ৰভুৰ ভৰি মালিচ কৰাত ব্যস্ত হৈ পৰে। লাগিলে নিজৰ জাতিৰ মান মৰ্য্যাদা সকলো নিৰ্বংশে ধ্বংসই হওঁক।

*বোজা বই বই পৰিল কঁকাল পিঠিৰ চিগিল ছাল।*

* * * *

*তেওঁতো অকণো কাণসাৰ নাই, কত যে ৰঙেৰেচৰে*
*এমুঠি দানৰ কাৰণে সকলো প্ৰভুৰ পিছত লৰে।*

* * * *

*প্ৰভুৰ কাষত কামৰ মূল্য, চৰ ভুকু কিল পায়*
*তাতো যে সবেও পায় আনন্দ, নিৰুপায়।*

উপাই বিহীন হৈ সময়ৰী সোঁতৰ ওপৰত সকলো দোষ জাপি দি কবিয়ে আক্ষেপ কৰিছে এইদৰে —

*হায় সময়ৰ সোঁত*
*সিংহৰ হল সন্তান গাধ, অদ্ভুত! অদ্ভুত!*

অসমত এতিয়া জীৱিত মানুহ নাই। অসমত এতিয়া অসমীয়া লোক নাই। সকলো মৰি হাজি শেষ হ'ল। বাকী আছে মাথো হাড়মূৰ আৰু জকাবোৰ। "লুইতৰ এই বিশাল পাৰত নাই আৰু অসমীয়া মৰি হাজি ঢুকাল সকলো চিনচাব নাইকিয়া।" গতিকে তাত আকউ জীৱিত মানুহ থাকিব কেনেকৈ। সেয়ে অসম এতিয়া শ্মশান। কবিৰ দৃষ্টিপ্ৰখৰ ! কবিৰ চিন্তাধাৰাও প্ৰখৰ। সেয়ে কবিৰ প্ৰখৰ দৃষ্টিৰ পৰা সেই সকলো সাৰি যাব পৰা নাই। যি সকলে কেৱল ভুৱা বক্তৃতাৰ ফুল জাৰিবে দেশৰ জ্বলন্ত সমস্যাবোৰৰ সমাধানৰ নামত এচাম দুখীয়া শ্ৰেণীৰ লোকক প্ৰতাৰণা কৰি শোষণ কৰি আছে। এই দৃশ্যই কবিৰ অন্তৰত তেওঁলোকৰ প্ৰতি ঘিণ ভাৱৰ সৃষ্টি কৰিছে।

*মন্ত্ৰীত্ব যাৰ শেষ কল্পনা, এচেমব্লী যাৰ আশা,*
*সিনো কি বুজিব, হে বীৰ! তোমাৰ ৰণ*
*দুৰ্ম্মদ ভাষা?*

কবি দেৱকান্ত বৰুৱাৰ দেশৰ মানুহলৈ থকা অগাধ বিশ্বাস, অযুত মৰম, অশেষ ভাল পোৱা সুন্দৰকৈ প্ৰস্ফুটিত হৈ পৰিছে। কবিয়ে প্ৰতি পলকতে, যি কোনো উপায়ে এইদেশ, এইদেশৰ প্ৰতিজন মানুহক জীয়াই ৰাখিবলৈ প্ৰতিজ্ঞাবদ্ধ। তাৰ বাবে কবিৰ জীৱন প্ৰতি মুহূৰ্ত্ততেই মৃত্যুৰ চৰণত উচৰ্গা কৰিবলৈ প্ৰস্তুত! কাৰণ, কবি দেৱকান্ত বৰুৱাৰ বাবে —

*এইখন আপোনাৰ দেশ*
*এইখন মৰমৰ দেশ*
*এইখন মানুহৰ দেশ।*

কবি দেৱকান্ত বৰুৱাৰ কবিতাৰ অন্তৰালত লুকাই আছে, দেশ মাতৃৰ প্ৰতি অগাধ ভাল পোৱা, প্ৰগাঢ় দেশপ্ৰেম। সেই কাৰণেই কবি বৰুৱাৰ কবিতাই ইমানকৈ জনপ্ৰিয়তা আৰু সকলোৰে মাজত সমানে সমাদৰ লাভ কৰিছে, যদিও কবি বৰুৱাৰ কবিতাৰ পৰিমাণ নিচেই তাকৰ। কবিতাবোৰৰ প্ৰকাশভঙ্গীৰ মাধুৰ্য্য, প্ৰাঞ্জল আৰু সাৱলীল ভাষা, উপযুক্ত শব্দৰ প্ৰয়োগ, ভাৱৰ সূক্ষ্ম ব্যঞ্জনা, স্বতঃস্ফুৰ্ত নিজৰাৰ দৰে কবিতাৰ গতি, সমাজৰ জৰাজীৰ্ণ ছবি,



সমাজ সচেতনতা, ছন্দৰ চিত্তাকৰ্ষক জোৱাৰ, জাতীয় চেতনা জাতিৰ মাজত আনি দিয়াৰ তিৰস্কাৰ মিহলি শব্দ আৰু প্ৰতীকৰ ব্যৱহাৰ — সেইফালৰ পৰা চাবলৈ গ'লে — সঁচাকৈয়ে কবি দেৱকান্ত বৰুৱা ৰোমাণ্টিক যুগৰ এটি ধ্ৰুৱতৰা হিচাবে অসমীয়া কাব্যজগতত চিৰদিনৰ বাবে জিলিকি থাকিব। আনহাতে প্ৰেমৰ কবিতা কেইটিৰ শক্তিশালী প্ৰকাশভঙ্গীমা আৰু নিখুঁত প্ৰেমৰ বৰ্ণনাই সকলোৰে হৃদয় মন অতৰ্কিতে আকৰ্ষণ কৰাত ভালেখিনি ইন্ধন যোগাইছে।

সৰ্বশেষত, জীৱনৰ বাৰ্দ্ধক্য বেলাত ভাঙি ডোখৰ ডোখৰ হোৱা প্ৰেমৰ আয়নাৰ বুকুত কবিৰ যৌৱনৰ লেৰেলি পৰা মুখখন আকৌ এবাৰ চাবলৈ লোৱাত তাৰ প্ৰতিচ্ছবি কেনেদৰে প্ৰতিফলিত হৈছে — সেইটোহে বিশেষ মন কৰিবলগীয়া —

*ক্লান্ত কবি দেৱকান্ত*

* *

*জীৱন বঞ্চনা মাথোঁ!*
*হে সুন্দৰী বিষকন্যা!*
*স্নেহশ্যাম মৰুদ্যান তুমিতো নোহোৱা*
*পথশ্ৰান্ত পথিকৰ পৰম আশ্ৰয়।*
*বহুৰূপা! হে নীলা নাগিনী!*
*তুমি মৰীচিকা!*

* *

*আজি মোৰ বাৰ্দ্ধক্য জড়িত কণ্ঠ,*
*তথাপিও তাৰে কৈ যাওঁ*
*— মাথোঁ তোমাকেই*
*হেৰা মোৰ সূৰ্য্যাস্ত পাবৰ হেমৰেখা!*

* *

*সত্য মাথো হে চলনাময়ী! তোমাৰ গভীৰ প্ৰেম।* ■

*(প্ৰকাশ কাল ঃ ১৯৭৫-৭৬)*

# আধুনিক অসমীয়া কবিতাত জন-মানস

পাৰুল তালুকদাৰ
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

বহুমুখী সমস্যাৰে ভৰপূৰ এই মানৱ জীৱন। আৰু এই জীৱনৰ গতিপথত নতুন সমস্যাৰে বালিচৰৰ সৃষ্টি হ'বলৈও বেছিপৰ নালাগে। সেয়েহে মানৱ সমস্যাৰ সমাধান কৰিবলৈ বিচাৰে ক্ষিপ্ৰ বেগেৰে। আনফালে মানুহৰ জীৱন নৈৰ জাঁজীত, সময়ৰ বালিচৰত প্ৰচেষ্টাৰ মুহূৰ্ত হেৰালে সপোন নাথাকিলে মানৱ জীৱনৰ মাদকতা নাথাকে। বহুমুখী সমস্যাৰ লগত যুঁজি যুঁজি জীয়াই থকা মানুহৰ মনটোৱে অকণমান সকাহ বিচৰা সময়খিনিত মানুহৰ কলাপ্ৰেমী মনে সংসাৰৰ ৰণথলীত ৰিহণ্য কশিপুৰ পৰাজয়ৰ পাচত কৃষ্ণক আৰু নৰসিংহ হিচাবে নিবিচাৰে। বিচাৰে অন্তৰ যমুনাৰ কাষৰ বালিত সুকুমাৰ কৃষ্ণ হিচাবেহে। আৰু এই সুকুমাৰ কৃষ্ণৰ আৰাধনাই হ'ল — বিভিন্ন কলাৰ মূৰ্ত্ত বিকাশ।।

কবিতা এবিধ কলা। এই কলাৰ উদ্দেশ্য ৰস সঞ্চাৰ কৰা আৰু আনন্দ দিয়া। "Good art is never produced for it's own sake" কলা বা Art ক এবিধ কৌশল বুলি ক'ব পাৰি। ছবি অঁকা, গল্প কবিতা উপন্যাস লিখা, গীত গোৱা অথবা ভাল হাতৰ কাম কৰা এই সকলোবোৰেই শিল্পীৰ কৌশল মাত্ৰ।। অৱশ্যে ইয়াত ঐকান্তিকতা তথা সাধনাৰ প্ৰয়োজন। কিন্তু এই যে শিকা, বুজা বা কৰা এই সকলোবোৰৰ অন্তৰালত কোনো এজন সুখ-দুখ, হাঁহি-কান্দোনেৰে ভৰা সাধাৰণ মানুহ লুকাই থাকিব নোৱাৰেনে? পাৰে। সাধাৰণতে থাকেই। সেয়েহে সামাজিক জীৱনৰ লগত কবি বা সাহিত্যিক



জীৱনক সনা পুটুকা কৰিব পাৰি। কাৰণ একোখন সমাজক লৈয়েই একোটা সময়ৰ সাহিত্য সংস্কৃতিয়ে গঢ় লয়। গতিকে জনসাধাৰণৰ আশা আকাঙ্ক্ষা, জনমানসৰ চিন্তা-চৰ্চ্চা, সমাজ জীৱনৰ আদৰ্শ আৰু তাৰ কাৰ্য্যাকৰী ৰূপায়ণৰ প্ৰতি প্ৰতিজন কবি বা প্ৰতিজন সাহিত্যিক তথা সংস্কৃতিসেৱকে লক্ষ্য ৰাখিবই লাগিব। সভ্যতাৰ ক্ৰমবিকাশত বিশ্বজনীন মানৱীয় আবেগ অনুভূতিৰ পৰিবেশে সৃষ্টি কৰা, জনমানসৰ চিন্তা চৰ্চ্চাত শান্তি, সংহতি স্থাপন কৰি জনসাধাৰণক আগুৱাই নিয়াৰ প্ৰচেষ্টাৰ ক্ষেত্ৰত সাহিত্য এক শক্তিশালী মাধ্যম, তাক কোনেও নুই কৰিব নোৱাৰে।

"কবিতাত জন মানস" এই সম্বন্ধে লিখাৰ আগতে আমাৰ মনলৈ প্ৰশ্ন অহাটো স্বাভাৱিক — কবিতানো কি? একপ্ৰকাৰে ক'বলৈ গ'লে জীৱনৰ অভিজ্ঞতাৰ ৰসস্পৰ্শিত নিৰ্য্যাসেই কবিতা। এই নিৰ্য্যাস লাভ হয় অভিজ্ঞতাৰ বহুতো অমৃত, বহুতো বিহে জীৱনে হৃদয়ত ধাৰণ কৰাৰ পাচত। অৰ্থাৎ কবিৰ মানসিক বিশেষ অৱস্থাই যেতিয়া কবিতা সৃষ্টি কৰে তেতিয়া কবিৰ চেতন অৱচেতনত থাকে বিভিন্ন স্তৰৰ অভিজ্ঞতাৰ স্পন্দন, তথা কবিৰ মনন, কবিৰ সন্ধান, কবিৰ দ্বন্দ্ব, কবিৰ অনুশীলন, কবিৰ উপলব্ধিৰ বিচিত্ৰ মিশ্ৰণ অভিজ্ঞতাৰ এই ৰাজ্যত থাকে কবিৰ চেতন অৱচেতন আহৰণ কৰা অজস্ৰ উপাদান। তেজত আৰু পাৰিপাৰ্শ্বিকতাত থকা সংস্কাৰ, শুনাকথা, কিম্বদন্তী বা জনশ্ৰুতি, স্মৃতি, প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধ স্পৰ্শৰ দৰ্শন, মনৰ মাজত গঢ় লোৱা ধাৰণা, অধ্যয়ন আৰু অনুশীলন আদি বিভিন্ন শিপাৰ দ্বাৰা আহৃত অভিজ্ঞতাৰ উপাদান কবিৰ হৃদয়ত জীণ যায়। তাৰেই ৰস টানি সৃষ্টি হয় কবিৰ নিজস্ব অনুভূতিৰ। সৃষ্টি হয় অনুভৱৰ তুঙ্গ অৱস্থাত। অভিজ্ঞতা ৰূপান্তৰিত হৈ সৃষ্টি কৰা নিৰ্য্যাসৰ এক অসামান্য ৰস ৰূপ হৈছে কবিতা।।

কিন্তু আধুনিক কবিতানো কি? কবিতাৰ একেখিনি কথাই আধুনিক কবিতাতো খাটে। আধুনিকতা শব্দটো যদিও আহুকলীয়া, ইয়াৰ সংজ্ঞা বৰ কঠিন নহয়। বৰ সৰলকৈ ক'বলৈ হ'লে গতিৰ একোটা নতুন ভাঁজকে আধুনিকতা বুলি ক'ব পাৰি। জীৱনৰ যি নিয়ম, সাহিত্য সংস্কৃতিৰো সেই একেই নিয়ম। একে গতানুগতিক বাটেৰে গৈ থাকি আমনি লাগিলে নতুনত্বৰ সন্ধান কৰা গতিয়ে নিজেই একোটা পাক লয়। কেতিয়াবা এনে পাক স্বতঃস্ফূৰ্ত, বা বহিঃ প্ৰভাৱৰ গঢ় লোৱা। শঙ্কৰী সাহিত্যৰ তুলনাত ৰোমাণ্টিক যুগ

আধুনিক আকৌ ৰোমাণ্টিক যুগৰ তুলনাত আজিৰ সাহিত্য আধুনিক। আধুনিক শব্দটো এটা আপেক্ষিক শব্দহে। আচলতে প্ৰতি যুগৰে সাহিত্যত ক্লাছিকেল, ৰোমাণ্টিক আৰু আধুনিক চেতনাৰ পৰিচয় নিহিত থাকে। কেৱল এটা যুগৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক পটভূমি তথা সময়ে তাৰ একোটা বিশেষ দিশৰ বিশেষ ভাবে আলোকিত কৰে। অৱশ্যে এই আধুনিকতা কেৱল সাম্প্ৰতিক সময়ৰ জোখেৰে জুখিব নোৱাৰি, জুখিব পাৰি যুগোপযোগী মনোভঙ্গীৰ জোখেৰেহে। কুৰি শতিকাৰ পৰিৱৰ্ত্তিত মানসিক আৰু সামাজিক পৰিবেশৰ প্ৰভাৱত জীৱন আৰু জগত সম্বন্ধে আধুনিক মানুহৰ নতুন মনোভঙ্গী যিবোৰ কবিতাত প্ৰতিফলিত হৈছে, এইবোৰেই আধুনিক কবিতা নামেৰে চিহ্নিত হোৱাৰ যোগ্য। যিসকল কবিৰ কবিতাত শতাব্দীৰ নতুন চিন্তা ধ্যান-ধাৰণা আৰু দৃষ্টিভভঙ্গীৰ মাহাত্ম ফুটি উঠা নাই, তেওঁ বিলাকে কুৰি শতিকাৰ শেষাৰ্দ্ধত কবিতা লিখিও আধুনিক আখ্যা পাব নোৱাৰে।

অতি আধুনিক কবিতাৰ নিজস্ব বৈশিষ্ট্য আছে। সময়ৰ সোঁতত যুগমানসৰ যি পৰিবৰ্ত্তন আহিল সিয়ে এই কবিতা সম্ভৱ কৰি তুলিলে। বৰ্ত্তমানৰ কবিতাত অভিনৱ কৌশল আৰু বিষয়-বস্তুৰ অৱতাৰণা হৈছে। মাৰ্ক্সীয় ভাৱধাৰা আৰু ফ্ৰয়েডীয় বিশ্লেষণে চিন্তা আৰু প্ৰকাশভঙ্গীত নতুনত্ব আনিলে। পুৰণি প্ৰভাৱ কমি আহিল। ৰোমাণ্টিক কবিতাৰ আদি বৈশিষ্ট্য ৰং-ৰূপ আৰু প্ৰেম আৰু ''ছগাৰ-তৰালি-স্বপ্ন'' পৰ্য্যায়ৰ বিলাসিতা কমি আহিল। ব্যক্তিগত ইগ'ক এক কৰূপত লৈ 'তাৰ গান গাই তাকে শুনি তল যোৱা' আদৰ্শ ত্যাগ কৰা হ'ল। হাৰ্বাৰ্ট ৰীডে কৈছে ''পতঙ্গৰ লগত তাৰ শুঙৰ যি সম্বন্ধ লগত সমাজৰ সেই একেই সম্বন্ধ।'' সেয়েহে আধুনিক কবিতাও সমাজ সচেতন। এই কবিতাবোৰত ৰোমাণ্টিক কবিতাত জীৱন, ঈশ্বৰ, প্ৰেম আৰু প্ৰকৃতিৰ মাজত বিচাৰি পোৱা নিৰুদ্বেগ শান্তি, আত্মতৃপ্তিৰ বিপৰীতে ২য় মহাযুদ্ধৰ পাচৰ নতুন কবিতাত উদ্বেগ, দ্বিধা, অবিশ্বাস, নৈৰাশ্য, ক্লান্তি, অনিশ্চয়তা আৰু তিক্ততাৰ সুৰ মূৰ্ত্তি। ইয়াৰ মূলতেই হ'ল ২য় মহাযুদ্ধই সমগ্ৰ বিশ্বৰে নৈতিক সামাজিক শৃঙ্খলাত দিয়া নিষ্ঠুৰ আঘাত। লগতে শিল্পযুগৰ প্ৰগতিয়ে অনা যান্ত্ৰিক যুগৰ যন্ত্ৰণা আৰু সংকোচন, উদ্বেগ আৰু অস্থিৰতা। পদাৰ্থ বিদ্যা, গ্ৰহতত্ব, নৃতত্ত্ব, মনস্তত্ব আদি বিজ্ঞানলৈ অহা যুগান্তকাৰী নতুন আৱিষ্কাৰ সমূহেও চিন্তাত বৈপ্লৱিক পৰিৱৰ্তন আনি আদৰ্শক সংশয়বাদেৰে জোকাৰি



পেলালে। পুৰণি চিন্তাধাৰাৰ নিস্ফল ৰোমন্থনত মানুহে তৃপ্তি নোপোৱা হ'ল। ৰোমাণ্টিক যুগৰ অস্পষ্টতাৰ ঠাই ল'লে সত্য বাস্তৱে।।

অসমীয়া সাহিত্যত নতুন তথা আধুনিক কবিতাৰ জন্ম বেছি দিনৰ নহয়। সৌ সিদিনাৰ এই শতিকাৰে পঞ্চম দশকৰ ভিতৰত। আধুনিক কবিতাৰ প্ৰৱৰ্তক হিচাবে আমি তিনিজন বৰুৱাৰ নাম ল'ব লাগিব। তেখেতসকল হ'ল অমূল্য বৰুৱা, দেৱকান্ত বৰুৱা আৰু হেম বৰুৱা। তিনিওজন কবিৰ কবিতাত ৩ টা নতুন সুৰ শুনিবলৈ পালেও এটা কথাত কিন্তু তিনিওজনাৰ বিশেষ মিল পলিক্ষিত হৈছিল। সেয়া আছিল — ৰোমান্তিকতা তথা চিৰাচৰিত নিয়মৰ পৰিৱৰ্ত্তে ''নিত্যদিনৰ ৰুক্ষ বাস্তৱময় অমল মধুৰ কাহিনী, অনতিক্ৰমপৰতী অচিনাকি নাৰীৰ কৰ্ম্মব্যস্ত জীৱনৰ ঘামৰ গোন্ধ, পেশীবহুল ভাষাৰ কঠিন কৰাঘাত, অমিল যতিৰে বিন্যস্ত কথাৰ স্পন্দন আৰু আছে সদ্যজাত উপমাৰ অমেয় ব্যঞ্জনা।'' (ড° মহেন্দ্ৰ বৰা: 'পাতনি' ঃ *মনময়ূৰী*)

জনসাধাৰণৰ প্ৰতিচ্ছবি আধুনিক অসমীয়া কবিতাত ফুটি উঠাৰ চেষ্টা প্ৰথম দেখা যায় — 'সাগৰ দেখিছা'ৰ খ্যাত কবি নৱকান্ত বৰুৱাৰ কবিতাত —

''সাগৰ দেখিছা? দেখা নাই কেতিয়াও?
মাথো দেখা নাই।
শুনিছো তথাপি।
নীলিম সলিল ৰাশি আছে দূৰ দিগন্ত বিয়পি।''

এনে এক কবিতাৰে ভাৰতৰ কাব্য আকাশত শতেক প্ৰশ্নৰ নিনাদ তোলা কবি দেৱকান্ত বৰুৱাৰ নাম সকলোৰে বিদিত। ৰোমাণ্টিচিজিমৰ শেষ কৰি দেৱকান্ত বৰুৱাক আধুনিক কবি সকলৰ বাটকটীয়া বুলিব পাৰি। কিয়নো তেখেতে 'আমি দুৱাৰ মুকলি কৰোঁ'; 'লাচিত বৰফুকন'; 'মোৰ দেশ মানুহৰ দেশ' আদি কবিতাবোৰত ৰোমাণ্টিচিজিমৰ পৰা ফালৰি কাটি আহি নতুন গতিত নতুন ইন্ধন যোগাইছে।।

তেখেতৰ কবিতাত বিভিন্ন জনমানসৰ চিন্তা চৰ্চা যেনে হহাঁ, কন্দা, কথাপতা প্ৰেমালাপ কৰা, বিদ্ৰোহ, আক্ষেপ কৰা দেশপ্ৰেমৰ গীত গোৱা আদি পৰিস্ফুট হৈ আছে। তেওঁৰ কবিতাত দুৰৱা বা গগৈৰ দৰে নিৰাশাবাদৰ দীঘলীয়া হুমুনিয়াহৰ পৰিৱৰ্ত্তে আমি পাওঁ — প্ৰতিবাদ আৰু নিয়তিৰ হাতত পৰাজয় আৰু বলিষ্ঠ আশাবাদ।

প্ৰেম আৰু জীৱন সম্বন্ধে কবিৰ দৃষ্টিভঙ্গী নতুন। তেওঁৰ মতে প্ৰেমৰ আগত পাপ বা 'জীৱন শূন্য' থাকিব নোৱাৰে। হাঁহি আৰু আনন্দই হ'ল জীৱন। আৰু তেওঁৰ আশা প্ৰিয়াৰ সতে হাঁহি হাঁহি জীৱন শেষ কৰি দিয়া। কবিয়ে প্ৰিয়াৰ ওঁঠতে দেখে —

*তোৰ ওঁঠতে স্বৰ্গ কবিৰ, অ মোৰ পূজাৰ ফুল।*

বৰুৱাদেৱৰ কবিতাত স্বদেশ প্ৰেমৰ ভাৱ অতি মন কৰিবলগীয়া। স্বদেশপ্ৰেমৰ পথ নিষ্কণ্টক কৰিবলৈ ইয়াৰ অন্তৰালত থকা বাধাৰ প্ৰতিমূৰ্ত্তি স্বৰূপ দেশদ্ৰোহী, দেশৰ ঘোৰ শত্ৰু বিলাকক বিচাৰি উলিয়াই তিল তিল কৈ হত্যা কৰিবলৈ কবিয়ে দৃঢ় সংকল্প লৈছে তেওঁৰ কবিতাত। লাচিতৰ বীৰ আদৰ্শেৰে মাতৃ সেৱা কৰাৰ পণ তেওঁৰ কবিতাত। সেয়ে কৈছে —

*ফাঁচী কাঠে মাতিছে আমাক*
*আমি তাৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰা নাই।*

কবিৰ দেশৰ মানুহলৈ থকা অগাধ বিশ্বাস, অযুত মৰম, অশেষ ভালপোৱা।। সেয়ে প্ৰতি পলকতে যিকোনো উপায়ে এই দেশ এই দেশৰ প্ৰতিজন মানুহক জীয়াই ৰাখিবলৈ প্ৰতিজ্ঞাবদ্ধ। সেয়ে তেওঁ কৈছে —

*এইখন আপোনাৰ দেশ*
*এইখন মৰমৰ দেশ*
*এইখন মানুহৰ দেশ।*

এইদৰে সমাজৰ জৰাজীৰ্ণ ছবি, সমাজ সচেতনতা, জাতীয় চেতনা আদি কবিতাত প্ৰতিফলিত।

তদুপৰি জীৱনৰ বাৰ্দ্ধক্য বেলাত তেওঁৰ উপলব্ধি প্ৰকাশ পাইছে তেওঁৰ কবিতাত —

ক্লান্ত কবি দেৱকান্ত..

× × ×

*জীৱন বঞ্চনা মাথো !*
*হে সুন্দৰী বিষকন্যা !*
*স্নেহশ্যাম মৰুদ্যান তুমিতো নোহোৱা*
*পথশ্ৰান্ত পথিকৰ পৰম আশ্ৰয়*
*বহুৰূপা ! হে নীলা নাগিনী !*



× × ×

*আজি মোৰ বাৰ্দ্ধক্য জড়িত কণ্ঠ*
*তথাপিও তাৰে কৈ যাওঁ*
*— মাথো তোমাকেই।*

× × ×

*সত্য মাথো হে ছলনাময়ী ! তোমাৰ গভীৰ প্ৰেম।*

এইদৰে কবিয়ে প্ৰেম, নাৰীৰ সৌন্দৰ্য্য, বিৰহ-বিচ্ছেদ, মৃত্যুৰ সীমা আৰু আনফালেদি প্ৰাণৰ আবেগৰ সোঁতত বাধা দিয়া সমাজৰ কঠুৱা নীতি আদি জনমানসৰ ছবি ফুটাই তুলিছে।।

আবাহন যুগতে আধুনিক কবিতাৰ শুভাৰম্ভ কৰা কবি হেমকান্ত বৰুৱাই তেওঁৰ কবিতাহে জনমানসৰ বিভিন্ন দিশৰ বিভিন্ন ভাৱবিলাস ধাৰণাক পৰিস্ফুট কৰিছে। তেওঁ ৰাজনীতি সম্বন্ধে এনে মত পোষণ কৰিছে যে —

*নিপোটল গাভৰুৰ বুকুৰ আস্বাদ*
*চকলাচকলকৈ অশৰীৰী হাতেৰে —*
*সজাই থোৱা কেচা বিলাহীৰ দৰে,*
*মন ই উতলা কৰে।* (এটি আবিষ্কাৰ)

'মনময়ূৰী' বৰুৱাদেৱৰ উৎকৃষ্ট আধুনিক কবিতাৰ সংকলন যাক কবিৰ ''অতীত প্ৰীতি, ভৱিষ্যৎমুখী চেতনা, প্ৰেম আৰু যৌৱন, বিদ্ৰোহ আৰু প্ৰতিবাদৰ ধ্বনি আৰু ব্যক্তিগত জীৱনত পোৱা অলেখ অনুভূতিৰ বিস্ফোৰণ'' বুলি ক'ব পাৰি। এই সঙ্কলনতে ফুটি উঠিছে জনমানসৰ বাস্তৱ প্ৰতিচ্ছবি। 'চনিয়া', 'এখনি ইস্তাহাৰ' আৰু এই ৰং এই সুৰভি' নামৰ কবিতা কেইটাত কবিয়ে ব্যক্তিগত জীৱনত পোৱা তিনি গৰাকী গাভৰুৰ ছবি দাঙি ধৰিছে। মদনপুৰ বাগিছাত লগ পোৱা 'চনিয়া' জনীৰ শ্ৰমত কবি মুগ্ধ। তেনেদৰে শান্তাফে' চহৰত ভৰ দুপৰীয়া লগ পোৱা অনামিকা ছোৱালীজনীৰ স্মৃতি সাত বছৰৰ পাচত কবিয়ে কল্পনা কৰিছে। কবিয়ে মনতে প্ৰশ্ন কৰিছে — 'তাই জানো ক্ৰুচবিদ্ধ যিশুৰ আশ্ৰম বাসিনী নহয়?' — 'এই ৰং সুৰভি'ত কবিয়ে ধনশিৰীৰ কোনো এক আদিম গাঁৱত লগ পোৱা পথাৰত কৰ্ম্মব্যস্ত এগৰাকী গাভৰুৰ ছবি অঙ্কন কৰিছে।

আন এটি কবিতা 'এখন চিঠি'ত যুদ্ধক্ষেত্ৰৰ সৈনিক এজনে মনৰ কথা

তেওঁৰ প্ৰিয়তমা পত্নীক চিঠিৰে জনাইছে এই বুলি —

*মৃত্যুৰ যদি অভিনন্দন জনায়*
*সেই মৃত্যু পাৰিজাত ফুল।*
*তাত দেৱতাৰ আশীৰ্বাদ আছে।*

"যি মৃত্যুৱে দহক জীৱন দিয়ে
সেই মৃত্যু আত্মাৰ দৰেই অবিনশ্বৰ" — ইয়াত তেওঁৰ দেশপ্ৰেম ফুটি উঠিছে।

হাতত লাখুটিডাললৈ খুপি খুপি খোজকঢ়া এগৰাকী বৃদ্ধাবো মানস পৰিচয় কবিয়ে দাঙি ধৰিছে এইদৰে —

*মই বিচাৰিছো, বিচাৰিছো কি,*
*তই নুবুজিবি — নুবুজিবি সোণ।*
*বিচাৰিছো মই সেই কুৰিটা বছৰ,*
*মোৰ যৌৱনৰ, মোৰ সপোনৰ,*
*বাটৰ ধূলিত কিজানিবা আছে লীন হৈ।।*

(আইতা)

এইদৰে বৰুৱাদেৱৰ বিভিন্ন কবিতা 'আফ্ৰিকা'; তেজৰ চপৰাকাৰ; 'জানুৱাৰী ৩০'; 'বনৰীয়া হাঁহি'; 'এন্ধাৰৰ জোন'; 'পৃথিৱীৰ দুগ্ধ শিশু'; আদি কবিতাত জনমানসৰ বিভিন্ন প্ৰতিচ্ছবি দাঙি ধৰিছে।

কবি অমূল্য বৰুৱাই তেখেতৰ বিভিন্ন কবিতাত জনমানসৰ ভাৱ-চিন্তা ফুটাই তুলিছে। তেওঁৰ বেশ্যা 'আন্ধাৰৰ হাহাঁকাৰ' আদি কবিতাবোৰত জনমানসৰ ছবি সুন্দৰ ৰূপে পৰিস্ফুট হৈছে।

আধুনিক কবিতাৰ সৃষ্টি হৈছিল কবিতাত নতুন দীপ্তি বা ব্যঞ্জনা আনিবৰ প্ৰয়াসৰ ফলস্বৰূপে যোৱা দশকৰ কবিসকলৰ ভিতৰত ঘাইকৈ নৱকান্ত বৰুৱাৰ আৰু নীলমণি ফুকনৰ কবিতাতেই কিছু সাৰ্থকতা পৰিলক্ষিত হয় আৰু সঁচা আধুনিক কবিতা বুলি ক'ব পাৰি।

ফুকনদেৱৰ মতে জীৱনৰ-জগতৰ প্ৰতি হৃদয়ৰ প্ৰতিক্ৰিয়াই কবিতা। কোনো এটা জাতিৰ বোধ অনুভূতিৰ নিৰ্ভূল আৰু সম্পূৰ্ণ সম্ভেদ দিব পৰা ক্ষমতা সম্ভৱত কবিতাৰ বাদে আন কোনো কলাৰ নাই ফুকনদেৱে অসমীয়া



জনবিশ্বাস আৰু আচাৰ অনুষ্ঠানৰ পৰা উপাদান আনি কবিতাত ঠাই দিছে। সেয়েহে জনমানসৰ বিভিন্ন চিত্ৰ তেওঁৰ কবিতাত দেখা যায়।

'ফুলি থকা সূৰ্যামুখী ফুলটোৰ ফালে' কবিতাপুথিখন অসমীয়া আধুনিক কবিতাৰ চৰম নিদৰ্শন। 'টোপনিতো তেওঁ মোক খেদি ফুৰিছিল'; 'নৈখনৰ পাৰেৰে বাটটো'; 'এইযেন প্ৰথম শুনিলো সেই মাত'; 'ইয়াৰ পৰা কিমান দূৰ'; 'এতিয়া সৰ্ব্বত্ৰ বিয়পি পৰিল'; 'মোৰ নিঃসঙ্গতম অনুভূতিত তুমি ফচল কৰা'; 'হাতত খোলা তৰোৱাল লৈ আহিবা' আদি বিভিন্ন ধৰণৰ ২৪ টা কবিতাৰে এই পুথিখন। এই কবিতাবোৰ ৰেটৰিক মুক্ত প্ৰকৃত আধুনিক কবিতা। এইবোৰ জীৱন মৰণ সম্পৰ্কে তীব্ৰভাৱে ভাৱনা সঞ্চাৰী। মৃত্যু আৰু নিঃসঙ্গতাৰ নিবিড় উপলব্ধি হৈছে উক্ত কবিতাবোৰত। সেয়েহে তেওঁৰ কবিতাত জনমানসৰ চিত্ৰ সুন্দৰভাবে পৰিস্ফুট হোৱা বুলি ক'ব পাৰি। তেওঁৰ 'নাবালক' কৱিতাটিত —

— 'নাবালক এটি শিশুৰ সতে
ৰেলেৰে গৈ থাকোতে'

কবিয়ে এটি শিশুৰ লগত কোনোবা এজন গৈ থকাৰ কথা কৈছে। এই কোৱা কথাটোৱে কবিতাটিৰ আবেশটোৰ সূত্ৰত ক্ৰমে এটা নোকোৱা কথা (বা ব্যঞ্জনা) ধৰি দেখা দিছেহি। এয়া ৰেলত গৈ থকা এটা 'সম্পূৰ্ণ পৰিয়ালৰ' চিত্ৰ নহয়। অকল শিশু এটাৰ লগতহে কোনোবা গৈ থকাৰ কথা কোৱা হৈছে। কোন তেওঁ? মাতৃ নে পিতৃ? এজন গৈ আছে তেওঁলোকৰ ভিতৰত, এজন নাই ! তেওঁ ক'ত? — কি অতীতত এৰি থৈ অহা হ'ল তেওঁক?

*"আন্ধাৰে নুৰিয়াই নিয়ে*
*এৰি অহা ছাঁয়াৰ পথ"*

ইয়াত দ্ৰষ্টাৰ জীৱনৰ কাহিনীটোৰে মৰ্ম্মযেন প্ৰতীকীৰূপত উদ্ঘাটিত হৈছে। আৰু দূৰৰ গছ গছনিৰ দৰেই দূৰৰ সেই অতীতটোৰ মায়াময় ৰূপটো সময়ে সময়ে অসম্পূৰ্ণ এটা পৰিয়াল যেন যাত্ৰী দুজনৰ (জীৱনৰ? সত্ত্বাৰ?) মাজেৰে পাৰ হৈ যায়হি। তেওঁলোকৰ জীৱন তেওঁলোকৰ পৃথিৱীখনেই যেন সন্ধ্যাৰ (সাঁজৰ) দৰে সকৰুণ, ছায়াছন্ন আৰু আন্ধাৰৰ লগত সংযুক্ত আৰু তেওঁলোকৰ এই জীৱন (সাজৰ পৃথিৱীখন যেন জীৱন) দুটা 'চেঁচা' লোৰ চিৰিৰ ওপৰেৰে গৈ থাকে এখন ৰেলৰ দৰে। আৰু তেওঁলোকে কিবা এটা

হেৰুৱালে সেই প্ৰত্যক্ষ সম্বেদ পৰিস্ফুট হৈছে 'হৃত' শব্দটোত —

*দুটা চেঁচা চিৰিৰ ওপৰেৰে*
*হৃত হৃদয়ৰ ঘনীত নিশ্বাস।*

প্ৰসঙ্গক্ৰমে, এই 'ঘনীত নিশ্বাস' কথাটোৱে গৈ থকা ৰেলৰ শব্দবোৰৰ দ্ৰুত তালটোৰ অনুষঙ্গটোক ধৰি ৰাখিছে। এইদৰে ফুকনৰ কবিতাত শব্দৰ মাধ্যমেৰে জনমানসৰ প্ৰতিচ্ছবি ফুটি উঠিছে।

কবি নৱকান্ত বৰুৱাৰ কবিতাত আধুনিক কবিতাৰ সকলোখিনি বৈশিষ্ট্যই সুন্দৰভাৱে ফুটি উঠা দেখা যায়। তেওঁৰ 'এটি দুটি এঘাৰটি তৰা' নামৰ কবিতা সঙ্কলনটি পঞ্চাশ দশকৰ শেষলৈকে সক্ৰিয় হোৱা আধুনিক অসমীয়া কবিতাৰ বিশেষ পৰ্য্যায়টোৰ প্ৰতিনিধিমূলক সঙ্কলনবোৰৰ ভিতৰত শ্ৰেষ্ঠতাৰ দাবী কৰে। 'আমাৰ পৃথিৱী', 'এন্ধাৰ ৰাতিৰ ইলিজী', 'কৃপন', 'অসন্তুৰ বসুন্ধৰা', 'সন্ধি', 'চাওতালী নৃত্য', 'হে অৰণ্য', 'হে মহানগৰ' আদি বিভিন্ন কবিতাবোৰত সংবেদনশীল কবিমনৰ পৰিচয় পোৱা যায়। তেওঁ এঠাইত কৈছে —

*সন্দেহৰ বহু মেঘ পাৰ হৈ দুখৰ দিশাৰ*
*আজি মই এটা কথা কওঁ*
*সহজ সৰল কথা*
*ভাল পাওঁ তোমাক পৃথিৱী।।*

কবি বৰুৱাদেৱৰ 'স্বনিমন্ত্ৰিত' নামৰ কবিতাটি সৰল স্বচ্ছন্দ জীৱনৰ প্ৰতি গঁগা (Gauguim) সুলভ কামনা প্ৰকাশ হৈছে। স্বচ্ছন্দ জীৱনৰ 'অমৃত'ৰ স্বাদৰ পৰা বঞ্চিত হোৱা আধুনিক যুগৰ যান্ত্ৰিক সভ্যতাৰ মানুহৰ যন্ত্ৰণাময় ৰূপটো উপলব্ধিৰ পটভূমিত ঃ

... আত্মাৰ মাজুলী আছে
তোমাৰ প্ৰেমৰ, য'ত তোমাৰ প্ৰিয়াৰ কলাফুল
মিলি থাকে সৰিয়হ ফুল আৰু কুহমীয়া
ৰ'দালি উমত ! জ্বলা জ্বলা গোন্ধসনা
চকুৰ পানীয়ে য'ত বাট দেখুৱায় সভ্যতাৰ চাৰ্কাচত ব্যৰ্থকাম
বহুৱাবোৰকো...।'

আনহাতে 'পলস' নামৰ কবিতাটি কবি কাব্যৰ শীৰ্ষবিন্দু। য'ত আধুনিক



নাগৰিক সভ্যতাৰ প্ৰকৃতিৰ প্ৰাণ প্ৰবাহী শক্তিৰ লগত সম্পৰ্ক হেৰুৱা মানুহৰ 'সপোন অন্ধ গলি'ৰ বেদনা এই কবিতাটি প্ৰবল। এইদৰে 'পলস', 'স্বনিমন্ত্ৰিত' আৰু 'মনত পৰেনে অৰুন্ধতী' নামৰ ৰেটৰিক মুক্ত বিস্তৰ বৰ্জিত ৰীতিৰ আধুনিকতাৰ পৰিচয় থকা কবিতাবোৰৰ বৰ্তমান যুগৰ জনমানসৰ প্ৰতিচ্ছবি ফুটি উঠিছে।

ইয়াৰ উপৰিও হৰি বৰকাকতী, মহেন্দ্ৰ বৰা, বীৰেশ্বৰ বৰুৱা, হীৰেন ভট্ট, নলিনীধৰ ভট্টাচাৰ্য্য, হোমেন বৰগোহাঁঞি, ভবেন বৰুৱা, অজিত বৰুৱা আদিৰ কবিতাত জনমানসৰ চিত্ৰ ফুটি উঠিছে। হোমেন বৰগোহাঁঞিয়ে এটা কবিতাত কৈছে —

*মই ভাল পাওঁ ৰাতিৰ দৰে সুন্দৰ এটি সাপ*
*তাৰ আশাৰ অহঙ্কাৰ,*
*আলকাতৰাৰ দৰে গাৰ ৰং কোনো এক বেশ্যাৰ গলিত হৃদয় যেন মৃত্যু*
*আৰু সৌন্দৰ্যৰ —*
*এই সমাহাৰ।* ('সাপ')

অজিত বৰুৱাৰ 'জেংৰাই ১৯৬৩' আৰু 'হঠাতে এছাটি অকলশৰীয়া বতাহ' দুটি আধুনিক কবিতা। 'জেংৰাই ১৯৬৩' কবিতাটিত কবিৰ এজন ব্যক্তিৰ জীৱনত এবাৰ ১৯৬৩ চনত হোৱা এটা অভিজ্ঞতাৰ কথা প্ৰকাশ কৰিছে। ইয়াত ফুটি উঠিছে মানুহৰ অন্ধবিশ্বাস। সেয়ে 'আমি অন্ধ বিশ্বাসী'। কিন্তু সেই ব্যক্তি আধুনিক যুগৰ প্ৰতিনিধি। তেওঁৰ অন্ধবিশ্বাসত আধুনিক মনৰ অবিশ্বাসৰ বিন্ধা নাই কিছুমান ফুটা (ৰন্ধ্ৰ) উলিয়াই কৈছে ঃ

*আমি অন্ধবিশ্বাসী*
*কেৱল*
*আমাৰ অন্ধবিশ্বাসৰ যদি নীৰন্ধ্ৰ অন্ধ হ'লহেঁতেন।*

নীৰন্ধ্ৰ অন্ধকাৰৰ নিচিনা অন্ধ 'অন্ধবিশ্বাস' থকা হ'লে অৰ্থাৎ আধুনিক মনৰ অবিশ্বাস সন্দেহৰ পৰা মুক্ত এক পূৰ্ণ ধৰ্মীয় দৃষ্টিভঙ্গী থকা হ'লে মনৰ অৱস্থা কিমান প্ৰশান্ত হ'লহেঁতেন! এই কবিৰ মানস পৰিচয়।

এইদৰে অসমীয়া আধুনিক কবিতাত জনমানসৰ চিত্ৰ পৰিস্ফুট দেখা যায়। কিন্তু এইখিনিতে এটা কথা মনত আছে যি যি কাৰণত ইংৰাজী সাহিত্যত আধুনিক কাব্য আন্দোলন গঢ়ি উঠিল, অনুৰূপ কাৰণত অসমত আধুনিক

কবিতা সৃষ্টি হোৱা নাই। আধুনিক কবিতা বিশ্ববিদ্যালয়, কলেজত শিক্ষিত ডেকা শ্ৰেণীৰ অধ্যয়নৰ ফলহে —প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিত্তিত গঢ়ি উঠা নাই। ইউৰোপৰ দৰে অসমত শিল্প সভ্যতাৰ সংঘাতত শ্ৰেণী সংগ্ৰামেও মূৰ দাঙি উঠা নাই। বিজ্ঞানজগতৰ ন ন আৱিস্কাৰেও অসমীয়া কাব্যিক বিশেষভাৱে প্ৰভাৱান্বিত কৰা নাই, ফ্ৰয়ডীয় মনোবিকলন, হেভলক এলিছৰ যৌন বিকৃতিৰ পৰিবেশকো অসমৰ সমাজ ব্যৱস্থাই পোষণ কৰা নাই। তেনে স্থলত এলীয়ট, পাউণ্ডৰ দৰে যুগন্ধৰ কবি সকলক গভীৰ জীৱনবোধ আৰু উপলব্ধি আধুনিক অসমীয়া কবিতাৰ মাজত বিচাৰিলে আমি নিশ্চয় হতাশ হ'ব লাগিব।

তথাপিও আজিৰ আধুনিক অসমীয়া কাব্য সাগৰত দিনে দিনে নতুন কবিৰ নতুন সৃষ্টিয়ে তোলা আৱিস্কাৰৰ জোৱাৰে প্ৰমাণিত নিশ্চয় কৰে যে অসমীয়া কবিতাৰ ভৱিষ্যত অতি উজ্জ্বল !! ■

*(প্ৰকাশ কাল ঃ ১৯৭৬-৭৭)*



# নাস্তিকতাৰ আৱশ্যকতা

অধ্যাপক সৰোজ কুমাৰ দত্ত

এদিন এজন ডেকা অধ্যাপকে কথা-প্ৰসঙ্গত কৈছিল যে আজিৰ নতুন চাম পুৰুষক, বিশেষকৈ কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলক নাস্তিকতাৰ আৱশ্যকতাৰ বিষয়ে নিয়মিত ভাৱে শিক্ষা দিয়া উচিত। তেখেতৰ মতে ধৰ্ম্ম আৰু ঈশ্বৰৰ ধাৰণাই ইতিমধ্যে আমাক সৰ্ব্বনাশ কৰিলেই, অচিৰতে ই নতুন পুৰুষকো ভীৰু আৰু অকৰ্ম্মণ্য কৰি তুলিব। গতিকে, আমি তেওঁলোকক ৰক্ষা কৰাৰ দায়িত্ব ল'ব লাগে। আমি মানে, আমি উচ্চ-শিক্ষিত, শিক্ষক, সাহিত্যিক, কবি, সাংবাদিক এইবোৰে।

ডেকা অধ্যাপকৰ কথাটো আমি কেঁচামাল হিচাপে পোনে পোনে গ্ৰহণ কৰিব নোৱাৰিলোঁ। তেখেতৰ বক্তব্যটিত জোৰ আছিল বেছি, যুক্তি আছিল কম। তেখেত আজিৰ নিবনুৱা-অধ্যুষিত যুগৰ এজন খঙাল ডেকা। আৰু তেখেতৰ কথাখিনি ঠিক 'জিৰণি কোঠাৰ সৰ্ব্বাত্মক বিপ্লৱী'ৰ অগ্নিগৰ্ভ ভাষণৰ দৰেই আছিল। তেখেতৰ কথাত পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতিও আছে। বিপ্লৱৰ মাজেদিহে যেন পৰিৱৰ্তন সম্ভৱ হয়, এনে ভাবো নথকা নহয়।

পৰিৱৰ্তনৰ কাৰণেই পৰিৱৰ্তন বিচৰাটোত কোনো ঐতিহ্যহাসিক সমৰ্থন নাই। আকৌ ভাৰতীয় সভ্যতাৰ পটভূমিত প্ৰস্তাৱটো একেবাৰেই সাৰশূন্য যেন লাগে। নাস্তিকতাৰ শিক্ষা দি আমি কি পৰিৱৰ্ত্তন আনিবলৈ বিচাৰিছোঁ? প্ৰাক্ বৈদিক যুগৰ পৰা আজিলৈকে ভাৰতীয় জীৱনৰ কোনো ক্ষণতে কোনো

সামাজিক পৰিৱৰ্ত্তনৰ খাটিৰত নাস্তিকতাৰ আৱশ্যক হোৱা নাছিল আৰু এতিয়াও হোৱা নাই। ধৰ্ম্ম আৰু ঈশ্বৰৰ ধাৰণা — দুয়োটা বস্তুৱে একক ৰূপে, সূক্ষ্ম ৰূপে ভাৰতীয় সভ্যতাক সঞ্জীৱিত কৰি আহিছে।

ধৰ্ম্মই আমাক ভীৰু আৰু অকৰ্ম্মণ্য কৰি পেলায় বুলি অভিযোগ কৰা হয়। পৃথিৱীৰ ভিতৰত সাহসী আৰু কৰ্ম্মঠ জাতি বুলি খ্যাত ইংৰাজসকলে আজিও ধৰ্ম্মগুৰু পোপৰ দোলা কঢ়িয়াবলৈ পালে নিজকে ভাগ্যৱান বুলি ভাবে। তদুপৰি, আধুনিক বিজ্ঞানৰ প্ৰথম পোহৰ পৰে ইংলণ্ডতেই। আৰু এটা উদাহৰণ — মহামানৱ মহাত্মা গান্ধী ঘোৰ ঈশ্বৰ বিশ্বাসীয়েই আছিল। তেওঁক আকৌ আধুনিক যুগৰ আটাইতকৈ সাহসী কৰ্ম্মযোগী বুলি আখ্যা দিয়া হয়। পিচে আজি প্ৰত্যেকজন ভাৰতীয়ই একোজন গান্ধী হোৱাত কিবা সাংবিধানিক বাধা আছে জানো? যেতিয়া আমি দেখোঁ যে জয় প্ৰকাশৰ দ্বাৰা প্ৰচাৰিত সৰ্ব্বাত্মক বিপ্লৱৰ আদৰ্শত গান্ধীৰ দ্বাৰা শেহতীয়াকৈ পৰিপুষ্ট হোৱা বৃহৎ ভাৰতীয় ঐতিহ্যৰ অৱমাননা হোৱাৰ কোনো ইঙ্গিত নাই তেতিয়া আমি নিজকে সুৰক্ষিত বুলি পতিয়ন যাওঁ। যিখন দেশত যৌন আবেদনমূলক নৃত্যতো ঈশ্বৰ উপাসনাৰ মুদ্ৰা থাকে, দেৱতাৰ মন্দিৰতো মৈথুনৰ চিত্ৰ খোদিত কৰা হয়, সন্তান জন্ম হ'লেও ঈশ্বৰে দিয়া বুলিহে কোৱা হয়, সেইখন দেশৰ পৰা আমাৰ ডেকা অধ্যাপকৰ দৰে কোনো জুই-খোৱা বিপ্লৱীয়েও ঈশ্বৰ-বিশ্বাসক চিৰকাললৈ নিৰ্ব্বাসন দিব নোৱাৰে।

ঈশ্বৰ-বিশ্বাসো এক, সামাজিক পৰিৱৰ্ত্তনো এক। বিৱৰ্ত্তনৰ গতি পথতো ঈশ্বৰৰ কিমান দূৰ হাত আছিল, সন্দেহ। বান্দৰ মানুহলৈ ৰূপান্তৰিত হওঁতে তাৰ নেজডালে নিশ্চয় কোনো সমস্যাৰ সৃষ্টি কৰা নাছিল। ই সমস্যা হৈছিল যদিও তাৰ সমাধানৰ বাবে ঈশ্বৰৰ সহায়ৰ কিবা প্ৰয়োজন হৈছিল বুলি নাভাবোঁ।

পৃথিৱীত একোখন নতুন সমাজ গঢ়াৰ পথত দুই-এটা কালজয়ী বিপ্লৱৰ বাহিৰে আনবোৰত ঈশ্বৰক লৈ টনা-আঁজোৰা কৰা হোৱা নাই। এই বিষয়ত আমি আধুনিক যুগৰ আৰম্ভতে ইউৰোপত সংঘটিত হোৱা ধৰ্ম্ম আন্দোলনলৈ আঙুলিয়াব পাৰোঁ। তাত ধৰ্ম্ম আৰু ঈশ্বৰৰ অস্তিত্ব, কৰ্ত্তৃত্ব আৰু প্ৰভাৱৰ প্ৰশ্ন পোনপটীয়াকৈ বা আওপকীয়াকৈ জড়িত আছিল। মাৰ্টিন লুথাৰে পোপৰ কৰ্ত্তৃত্ব নাকচ কৰি ঈশ্বৰৰ কৰ্ত্তৃত্ব জনমানসত প্ৰতিষ্ঠা কৰিছিল।



পৰিণাম-প্ৰখ্যাত ফৰাচী-বিপ্লৱৰ অন্যতম হোতা ভল্টেয়াৰে কৈছিল যে ঈশ্বৰ যদি নাই, তেন্তে তেনে এক সৰ্বনিয়ন্তা শক্তিক মানুহে আবিষ্কাৰ কৰি লোৱা উচিত। গান্ধীয়ে কৈছিল সত্যই ভগৱান। দুয়োজনেই একোটা কালজয়ী বিপ্লৱৰ প্ৰস্তুতি পৰ্বত জনমানসক ঈশ্বৰৰ প্ৰতি আকৰ্ষণ কৰিছিল। এতিয়া আমাৰ কথা হৈছে, মানৱ সমাজৰ একোটা বিশেষ পৰিৱৰ্ত্তনৰ কাৰণে আস্তিকতা বা নাস্তিকতাৰ কিবা বিশেষ ভূমিকা আছে নেকি, তাক বিচাৰ কৰি চোৱা।

খোলাকৈ ক'বলৈ গ'লে মানৱ-সভ্যতাৰ ইতিহাসত কোনো জাতি বা সমাজৰ নৱ-নিৰ্মাণৰ ক্ষণত ঈশ্বৰৰ প্ৰশ্ন অপৰিহাৰ্য্য হোৱা দেখা নাযায়।

তাহানি কালত মোজেচৰ দ্বাৰা পৰিচালিত ইহুদী প্ৰব্ৰজনকাৰী সকলে এখন নতুন সমাজ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে ঈশ্বৰৰ ওপৰৰ সকলো ভাৰসাই কৰিছিল। ভগৱানৰ প্ৰিয় ইহুদীসকলক কিন্তু আক্ৰমণ, দমন আৰু পীড়ন কৰা বেবিলনীয় সম্ৰাট নেবুচাদ্‌নেজাৰ আছিল ঈশ্বৰ-অবিশ্বাসী আৰু মূৰ্ত্তিপূজক। অথচ বেবিলন সভ্যতা মানৱ উন্নতিৰ এক মহান পদক্ষেপ আছিল। ভগৱান বুদ্ধ ঈশ্বৰৰ বিষয়ে নিমাত আছিল। পিচে, বৌদ্ধ-দৰ্শনে ভাৰতৰ চিন্তাজগতত আৰু ভাৰতীয় সমাজ ব্যৱস্থাতো এক যুগান্তকাৰী পৰিৱৰ্তন আনিছিল।

আস্তিকতা বা নাস্তিকতাই ব্যক্তিগত জীৱনৰ কাৰ্যাৱলীকো নিৰ্ণয় কৰা দেখা নাযায়। প্ৰেম, দয়া, ক্ষমা, শঠতা, নিষ্ঠুৰতা আদি দোষ-গুণবোৰহে একোজন মানুহৰ কাৰ্যাৱলী নিৰ্ণয় কৰে। মানুহৰ অন্তৰতহে মানৱীয় দোষ-গুণ থাকে। এচিয়াৰ অভিশাপ নামে খ্যাত ছেংগিজখাঁৰ অন্তৰতো পুতেক হুলাকুৰ প্ৰতি অফুৰন্ত মৰম নাছিলনে? মানুহৰ মূৰেৰে পাহাৰ সাজি আনন্দত আত্মহাৰা হোৱা খোৰা টাইমূৰেও পুতেকৰ লগত স্নেহ-বিগলিত অন্তৰেৰে দবা খেলিছিল। ভয়, নিদ্ৰা, আহাৰ, আৰু মৈথুন — মাত্ৰ এই চাৰিটা গুণৰ অধিকাৰী ইতৰ প্ৰাণীৰ অন্তৰতো স্নেহ-মমতাৰ প্ৰভাৱ আছে। এইবোৰত ধৰ্ম বা ঈশ্বৰ-বিশ্বাসৰ কোনো প্ৰশ্ন জড়িত নাই।

আমাৰ ডেকা অধ্যাপকজনে হয়তো ক'ব যে, নাস্তিক হ'লেই মানুহৰ অন্তৰৰ পৰা মানৱীয় গুণবোৰ লোপ হৈ যাবনে? আচলতে আমাৰ বিষয়বস্তু আন এটাহে। ধৰ্ম আৰু ঈশ্বৰৰ ধাৰণাই মানুহক অন্য পথেদি মহীয়ান কৰি তোলে। এটা উচ্চতৰ আদৰ্শ বা অনুভৱক লক্ষ্যৰূপে লৈ নিজকে অতিক্ৰম কৰিবলৈ চেষ্টা কৰাটো মানুহৰ প্ৰকৃতি। সেয়েহে আজিলৈকে কোনো মহাপুৰুষৰ

জীৱনীয়েই মানুহক সন্তুষ্ট কৰিব পৰা নাই। মানুহে পাৰিলে বুদ্ধ যীশু, গান্ধীকো অতিক্ৰম কৰিবলৈ বিচাৰে। ঈশ্বৰকে মানুহৰ সৰ্বশ্ৰেষ্ঠ লক্ষ্য হিচাপে বিবেচনা কৰা হয়। আনুষ্ঠানিক ধৰ্ম বা কেৱল চিন্তাৰ দ্বাৰা ঈশ্বৰক আয়ত্ত কৰাটো মানুহৰ সৰ্বশ্ৰেষ্ঠ কৰ্ম বুলি কোৱা হয়।

ভাৰতীয় চিন্তা প্ৰবাহত ঈশ্বৰৰ অস্তিত্বৰ এটা সুকীয়া ৰূপ আছে। ব্যাকৰণৰ ভাষাত ক'বলৈ গ'লে এটা বাক্যৰ সামগ্ৰিক ৰূপ ঈশ্বৰৰ সামগ্ৰিক সত্তাৰ তুলনীয়। বাক্যৰ অন্তৰ্গত কৰ্তা, ক্ৰিয়া আৰু কৰ্ম থকাৰ দৰে ঈশ্বৰৰ অন্তৰ্গতো বিশ্বৰ সকলো কৰ্তা, ক্ৰিয়া আৰু কৰ্ম বিদ্যমান বুলি ধাৰণা কৰা হয়। ছাৰ্ত্ৰেৰ দৰ্শনে কৰ্তাৰ ওপৰত আলোকপাত কৰিছে, কিন্তু আমাৰ বেদান্তই উক্ত তিনিওটি অংশৰ ওপৰত আলোকপাত কৰি জীৱাত্মক পৰমাত্মা ৰূপে, পৰমাত্মাক একক আৰু অবিভাজ্য ৰূপে কাহানিবাই আৱিষ্কাৰ কৰি থৈ গৈছে। ঈশ্বৰ ক্ষুদ্ৰ আৰু বৃহৎ, অল্প আৰু ভূমা, সূক্ষ্ম আৰু স্থূল, সৎ আৰু অসৎ। ঈশ্বৰত আমাৰ প্ৰয়োজন আছে। আমি আজি এনেকুৱা এটা অৱস্থাত উপনীত হোৱাহি নাই, য'ত ঈশ্বৰৰ প্ৰয়োজন শেষ হৈ গৈছে।

আচল কথা এয়ে যে, আমাৰ ঈশ্বৰৰ প্ৰয়োজন কোনো দিনেই নাইকিয়া হৈ নাযায়। যিদিনাখনলৈকে আমি এটা উচ্চ জীৱন, এটা উচ্চ অনুভৱৰ প্ৰতি আমাৰ আকৰ্ষণ থাকিব, ঈশ্বৰক আমি উচ্চতম আদৰ্শ ৰূপে গ্ৰহণ কৰিবই লাগিব। ঈশ্বৰক এক ব্ৰহ্ম হিচাপেই হওক বা তেত্ৰিশ কোটি দেৱতা হিচাপেই হওক, আমাতকৈ এটা উচ্চ স্তৰত ৰাখিব লাগিব। নহ'লে আমাৰ গতিপথ নিম্নমুখী হ'ব। লগতে আৰু এটা কথা। ওপৰত উল্লেখ কৰি অহা ইতিহাস প্ৰসিদ্ধ ঘটনাবোৰৰ পৰা আমি ঠাৱৰ কৰিব পাৰোঁ যে, কোনো সামাজিক আদৰ্শ আগত ৰাখি ধৰ্ম আৰু ঈশ্বৰৰ প্ৰশ্ন বিচাৰ কৰা অবান্তৰ কথা। ধৰ্ম অনুষ্ঠানৰ ওপৰত আৰু ঈশ্বৰ অনুমানৰ ওপৰত জীয়াই থাকে। অনুশীলনৰ অভাৱত দুয়োটা লোপ পোৱাৰ সম্ভাৱনা থাকে। কিন্তু, প্ৰেম আৰু সত্য জীয়াই থাকিবলৈ কোনো অনুশীলনৰ প্ৰয়োজন নাই। যি কোনো সামাজিক, ৰাজনৈতিক বা নৈতিক আদৰ্শৰ লগত মানৱ-প্ৰেম জড়িত থাকিব পাৰে। স্থূল জগতৰ বাবে ইয়েই যথেষ্ট।

এইখিনিতে আন এটা প্ৰশ্ন আহিব পাৰে। ঈশ্বৰ নামৰ পৰম সত্তা যি, সি স্বভাৱতে নিৰপেক্ষ আৰু গুণাতীত। তেনেহ'লে তেনে এক সত্তাৰ প্ৰতি



আমি শ্ৰদ্ধা বা স্পৃহা দেখুওৱা নিৰৰ্থক নহয়নে? বৰঞ্চ ধৰিলে আমাৰ অধ্যাপক বন্ধুজনে এনেকুৱা এটা প্ৰশ্নকে হয়তো কৰিব। যি কামে সৰ্ব্বাধিক লোকক সৰ্ব্বাধিক সুখ দিব নোৱাৰে, যি কামৰ পৰিণাম নাই, জ্ঞানীজনে তাক পৰিহাৰ কৰা উচিত। ধৰ্মৰ কাৰ্যকাৰিতা আৰু ঈশ্বৰৰ অস্তিত্বই যিহেতু সন্দেহজনক, গতিকে তাৰ পৰা আঁতৰত থকা একান্ত উচিত। আমাৰ বুদ্ধিজীৱী ডেকা অধ্যাপকজনে নাস্তিকতাৰ শিক্ষা দিবলৈ যাওঁতে এই যুক্তিটো দেখুৱাবই। এবাৰ ৰজা মিলিন্দই বৌদ্ধ পণ্ডিত নাগসেনক এনে ধৰণৰ এটা প্ৰশ্ন কৰিছিল। মিলিন্দই কৈছিল যে, যদি ভগৱান বুদ্ধৰ পৰিনিৰ্ব্বাণ হ'ল তেনেহ'লে তেওঁ এতিয়া নিৰপেক্ষ আৰু অস্তিত্বহীন হ'ল। এনে স্থলত বুদ্ধক পূজা কৰি কি লাভ? তেওঁতো পূজাৰ ফল দিব নোৱাৰে। যদি তেওঁ পূজাৰ ফল দিব পাৰে তেনেহ'লে তেওঁৰ নিৰ্ব্বাণ হোৱাই নাই। অৰ্থাৎ নিৰ্ব্বাণৰ ধাৰণাই ভুল। তাৰ উত্তৰত নাগসেনে বহুতো যুক্তিৰে বুদ্ধ-পূজাৰ সাৰ্থকতা দেখুৱাইছিল। তাৰ ভিতৰত নাগসেনে এটা যুক্তি এইদৰে দিছিল ঃ পৃথিৱী স্বভাৱতে নিৰ্ব্বিকাৰ আৰু নিৰপেক্ষ। আমি কোনো গছ বা গুটি ৰুলে পৃথিৱীৰ সন্মতি নলওঁ। তথাপিও আমি ফল খাবলৈ পাওঁ। আচলতে আমি ৰোপণ কাৰ্যৰহে ফল পাওঁ। পৃথিৱীৰ পৰা নাপাওঁ! সেইদৰে নিৰ্ব্বাণপ্ৰাপ্ত বুদ্ধক পূজা কৰিলে, যিহেতু সি সৎকাম, তাৰ সুফলো আমি পাম।

এইদৰে ঈশ্বৰ নিৰপেক্ষ হ'লেও, ঈশ্বৰ চিন্তাই আমাক উপকৃত কৰে, আমাৰ চিত্ত শুদ্ধ কৰে, মনৰ অশান্তি দূৰ কৰে। ঈশ্বৰ বিশ্বাসে আমাৰ মনোবল বৃদ্ধিহে কৰে, আমাৰ পৌৰুষ জগাই দিয়ে। ঈশ্বৰ-বিশ্বাস কোনো জাতিৰ পতনৰ কাৰণ হোৱা নাই। আধুনিক বুদ্ধি নাস্তিকতাত পৰ্যৱসিত হ'লে অৱশ্যে মানৱতাৰ পতন হ'ব।

কৰ্ত্তৃত্ব মানিবলৈ নিবিচৰা, উচ্ছৃংখল ব্যৱহাৰ আৰু উচ্ছৃংখল চুলিৰে সজ্জিত আজিৰ নতুন পুৰুষে কোন লক্ষ্যৰ প্ৰতি ধাৱমান হৈছে? তেওঁলোক দিনে দিনে বস্তুবাদী হৈ উঠিছে। কিন্তু, তেওঁলোকৰ চকুত প্ৰতিজ্ঞাৰ পৰিৱৰ্ত্তে ভাগৰ আৰু নৈৰাশ্যৰ অৱলেপন কিয়? তেওঁলোকৰ 'ফেশ্যন্'-সৰ্ব্বস্ব জীৱনত উদ্দেশ্যহীন নাটকৰ এটা মিছা সংঘৰ্ষৰ মিছা পৰিণামৰ ইঙ্গিত মাথোঁ আছে। গতিকে, আমি আজি সৰ্ব্বতোপ্ৰকাৰে নতুন-পুৰুষক ঈশ্বৰ-সচেতন কৰি তোলাহে উচিত। স্থূলজগতকৈ শৰীৰ সূক্ষ্ম, শৰীৰতকৈ মন, মনতকৈ চিত্ত,

চিত্ততকৈ আত্মা বা পৰমাত্মা বা ঈশ্বৰ সূক্ষ্ম। সূক্ষ্ম যি ঈশ্বৰ, সি সৰ্ব্বব্যাপী আৰু নিৰৱচ্ছিন্ন। সূক্ষ্মৰূপ ঈশ্বৰত আমাৰ সত্তা বিলীন হ'লে গোটেই বিশ্বই আমাৰ অনুভৱৰ ভিতৰলৈ আহে। তেতিয়া আমাৰ জীৱন সত্যৰূপে, সুন্দৰৰূপে, শিৱৰূপে ধৰা দিয়ে। কেৱল বস্তুজগত, যি স্থূল আৰু বিচ্ছিন্নতাৰ পটভূমিত অমৃতময় জীৱনক জোখ-মাখ কৰাটো এটা আধ্যাত্মিক অপৰাধ। অধ্যাপক বন্ধুৰ দায়িত্ববোধে নতুন পুৰুষৰ উপকাৰ কৰিব নোৱাৰে, এনেহে ভাৱ হয়। ঈশ্বৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণাৰ দ্বাৰা সামাজিক আৰু ব্যক্তিগত কোনো ফালেদি মানুহ উপকৃত নহয়। ঈশ্বৰ অনুভৱৰ দ্বাৰা মানুহে পৃথিৱী কিয়, বিশ্বব্ৰহ্মাণ্ডকো অতিক্ৰম কৰিবলৈ সক্ষম হয়। এয়ে ভূমানন্দৰ অনুভৱ। এনে এটি মহান লক্ষ্যৰ প্ৰতি আমি পাৰিলে মানুহক আকৃষ্ট কৰাহে উচিত।

তেনেহ'লে অধ্যাপক বন্ধু, আপুনি মানুহক নাস্তিকতাৰ শিক্ষা দিয়া আঁচনি বাতিল কৰক। আপোনাৰ বুদ্ধিদীপ্ত মনক হয় বিজ্ঞান নহয় পৰমজ্ঞানৰ অভিমুখে পৰিচালিত কৰক। আস্তিকতা বা নাস্তিকতাৰ লগত কোনো সম্বন্ধ নৰখাকৈও মানৱ সমাজ সভ্যতাৰ জখলাত উঠিবলৈ সক্ষম বুলি ভাবিবলৈ শিকক। এখন নাস্তিক পৃথিৱীত সভ্যতাৰ গতি স্থবিৰ হৈ যোৱাৰ সম্ভাৱনাই বেছি। ■

[*লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক –সম্পাদক*]

*(প্ৰকাশ কাল ঃ ৭৭–৭৮)*



# ভবেন শইকীয়াৰ *শৃংখল* ঃ
## এটি মূল্যায়ন

অধ্যাপক মদন শৰ্মা

মধ্যবিত্ত জীৱনৰ কাহিনীকাৰ ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্প সংকলন *শৃংখল* ইতিমধ্যে সাহিত্য একাডেমীৰ দ্বাৰা পুৰস্কৃত হোৱাৰ পিচত বিশেষকৈ মধ্যবিত্ত পাঠক সমাজত কিতাপখন সম্পৰ্কে আগ্ৰহ জন্মা স্বাভাৱিক।

''মধ্যবিত্ত জীৱনৰ কাহিনীকাৰ'' এই বিশেষণটোৰ বিশ্লেষণ কৰি চোৱা প্ৰয়োজন। মধ্যবিত্ত জীৱনৰ কাহিনী সদায় সুখপাঠ্য, বৈচিত্ৰ্যহীন, সংঘাতহীন হ'বই লাগিব বুলি কোনো কথা নাই। ভবেন শইকীয়াৰ গল্পত মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ ব্যক্তিগত জীৱনৰ দুখ-দুৰ্দশা আৰু খুঁতি-নাটি অপ্ৰয়োজনীয় খবৰ বহুতো থাকে। কিন্তু তেওঁৰ গল্পৰ চৰিত্ৰবোৰে জানো আমাৰ মধ্যবিত্ত শ্ৰেণীটোক সম্পূৰ্ণকৈ প্ৰতিনিধিত্ব কৰিব পাৰিছে? এসময়ত ড° হীৰেণ গোহাঁইয়ে যথেষ্ট আশাবাদী হৈ ভবেন শইকীয়াৰ গল্পত ''নতুন বাস্তৱবোধ''ৰ প্ৰশংসা কৰিছিল (*সাহিত্যৰ সত্য,* পৃঃ ২৩৯-২৪৯)। পিছে *শৃংখলৰ* গল্পবোৰৰ অন্তৰ্নিহিত সুৰ গভীৰভাবে অনুধাৱন কৰিলে বুজা যাব যে ভবেন শইকীয়াৰ ''বাস্তৱবোধে'' তেওঁক এতিয়ালৈকে মধ্যবিত্ত সুলভ আত্মসন্তুষ্টি, পৰাজিত আৰু ৰক্তহীন ভৱিষ্যৎ দৃষ্টি আৰু মূলতঃ হতাশ আৰু অবক্ষয়ী জীৱন দৰ্শনৰ পৰা উৰ্দ্ধলৈ লৈ যাব পৰা নাই। *শৃংখল* ৰ গল্প কেইটা পঢ়াৰ পিচত সচেতন পাঠকে বুজি পাব যে, অবক্ষয়ী জীৱন দৰ্শনে এতিয়াও শইকীয়াক শৃংখলিত কৰি ৰাখিছে।

*শৃংখল*ত অন্তৰ্ভুক্ত গল্প সমূহৰ ৰচনাকাল ১৯৬৮ চনৰ পৰা ১৯৭৫ চন। এজন আগশাৰীৰ লেখকৰ সাহিত্যিক জীৱনৰ আঠোটা বছৰৰ উপলব্ধি, অভিজ্ঞতা আৰু জীৱনৰ বিচিত্ৰ দিশ সম্পৰ্কে ক্ৰমশঃ বৰ্দ্ধিত জিজ্ঞাসাৰ মূল্য পাঠক আৰু সমালোচকৰ বাবে একেবাৰে নগণ্য হ'ব নোৱাৰে। আঠোটা বছৰৰ অভিজ্ঞতাই লেখকৰ দৃষ্টিভঙ্গী আৰু উপলব্ধিক আৰু অধিক পৰিপক্ক (mature) কৰি তোলাটোৱেই স্বাভাৱিক। আনহাতে আঙ্গিকৰ ক্ষেত্ৰতো পৰীক্ষা-নিৰীক্ষা বা এক সুসংগত অথচ ব্যঞ্জনাময় ভাষাৰ ক্ষেত্ৰত স্বকীয়ত্ব অৰ্জনৰ বাবেও আঠোটা বছৰ কম সময় নহয়।

ভবেন শইকীয়াৰ প্ৰায় সকলোবোৰ গল্পই সুখপাঠ্য। ৰহস্য আৰু ডিটেক্টিভ কাহিনী সমূহো সদায়েই সুখপাঠ্য। ভবেন শইকীয়াৰ গল্প পঢ়িলে সৰু ডাঙৰ সকলো বস্তু চকুৰ আগত ভাঁহি উঠে অৰ্থাৎ ফট'ত দেখা যেন লাগে। এজন মানুহে কেনেকৈ হামিয়ায়, কিমান ইঞ্চি মুখ মেলি কথা কয়, এগৰাহ ভাত চোবাওঁতে কিমান সময় লয়, এজনী তিৰোতাই চাউল বাচোতে, সাজ-বাচন ধোওঁতে কেনেকৈ ভোৰভোৰাই থাকে, ওকনি চাওঁতে চকলা টেঙাৰ সোৱাদ লৈ থাকে —ইত্যাদি বৰ্ণনা যি কোনো লেখক নামধাৰী মানুহে বঢ়িয়াকৈ দিব পাৰে। কিন্তু তাৰ পৰা কি হ'ল? বাস্তৱতা (realism) মানে জীৱনৰ সৰুবৰ ঘটনা সমূহৰ ফট'গ্ৰাফ সুলভ চিত্ৰণ নহয়। প্ৰকৃত লেখকৰ কৰ্ত্তব্য হ'ল জীৱনৰ তুচ্ছ ঘটনাসমূহৰো অন্তৰ্নিহিত তাৎপৰ্য্য দাঙি ধৰা। প্ৰতিজন মানুহৰেই ব্যক্তিগত জীৱনত দুখ-বেজাৰ, হতাশা, আশা, হাঁহি, প্ৰেম, ব্যৰ্থতা থাকে। এইবোৰ যেনেকৈ ঘটে তেনেকৈ বৰ্ণনা কৰিলে নুবুজায় যে লেখকজনৰ বাস্তৱবোধ আছে। এইবোৰ ঘটনা বিক্ষিপ্তভাৱে নঘটে; সমাজ জীৱনৰ পৰিবৰ্ত্তনৰ লগত ইবোৰ জড়িত। সেয়েহে ব্যক্তিৰ জীৱনক লৈ লিখোতে ব্যক্তিৰ ওপৰত সামাজিক, অৰ্থনৈতিক পৰিৱেশ, পৰিস্থিতিৰ প্ৰভাৱৰ কথা কোৱাও আৱশ্যক। নহ'লে প্ৰতিজন ব্যক্তিকেই সমাজ, সময় আৰু পৰিস্থিতি নিৰপেক্ষ যেন লাগিব। ঘটনাসমূহ বা চৰিত্ৰ সমূহৰ চিত্ৰণেই লেখকৰ একমাত্ৰ কাম নহয়; ঘটনা আৰু চৰিত্ৰৰ গভীৰলৈ গৈ বিশ্লেষণ কৰি চোৱাটো তেওঁৰ প্ৰধান কৰ্ত্তব্য। এই পৰিপ্ৰেক্ষিতত আমি ভবেন শইকীয়াৰ গল্প সমূহ চাবলৈ চেষ্টা কৰিম।

১৯৬৮ চনত ৰচিত 'সূৰ্য্যোদয়' এটা সুখপাঠ্য আৰু মধ্যবিত্ত-নিম্নমধ্যবিত্ত পাঠকৰ সকলো সূক্ষ্ম আবেগ আলোড়িত কৰিব পৰা গল্প। গল্পৰ কাহিনীভাগে



এটা কৰুণ সত্য উন্মোচিত কৰিছে। সেয়া হ'ল নানা প্ৰস্তুতিৰে এটা শিশুৰ আগমনলৈ আগ্ৰহেৰে বাট চাই থকাৰ পিচত পিতৃ-মাতৃৰ হৃদয় ভাঙি অহা সেই শিশুটিৰ অকাল মৃত্যু। মৃত্যু এইখন দেশত এটা সাধাৰণ ঘটনা। খাবলৈ নাপাই, চিকিৎসাৰ অভাৱত হেজাৰ হেজাৰ কেঁচুৱা কৰুণভাৱে মৃত্যুৰ গৰাহত পৰিছে। গল্পৰ শিশুটিয়ে অৱশ্যে আধুনিক চিকিৎসা আৰু অৰ্থবান মানুহে দিব পৰা সকলো যত্ন আৰু শুশ্ৰূষা আৰু মৰম পাইহে ঢুকাল। শইকীয়াৰ গল্পত মৃত্যু এক কৰুণ দুৰ্ঘটনা যাৰ সমুখত মানুহ সদায়েই অসহায় শিশু। গল্পটো পঢ়ি উঠি কোমল অন্তৰৰ পাঠকৰ চকুপানী ওলোৱা স্বাভাৱিক। পাঠকে কি শিকিলে? শিকিলে যে মৃত্যু বৰ শক্তিশালী, মৃত্যুৰ সমুখত মানুহ অবোধ আৰু অসহায় শিশু। ভবেন শইকীয়াই কেতিয়াও পাঠকক নকয় যে ফুটপাথৰ দাঁতিত, কদৰ্য্য গলিত বহুতো শিশুৱে গাখীৰ এটোপা খাবলৈ নাপাই জীৱন এৰিছে, বহুতে বাচিও আছে — মৃত্যুৰ সতে যুঁজি যুঁজি।

'দুৰ্ভিক্ষ' ১৯৬৯ ত ৰচিত আন এটি সুখপাঠ্য গল্প। বিষয় বস্তু গতানুগতিক — উপেক্ষিত যৌৱন। সৰু আওঁহতীয়া ষ্টেচন এটাৰ এচিষ্টেণ্ট ষ্টেচনমাষ্টৰৰ বিবাহযোগ্যা গাভৰু জীয়েক নন্দিনীৰ বাবে দেউতাক চিন্তিত। নন্দিনীৰ কাম বন নাই, তাইৰ ৰূপ-তীৰ্থৰ যাত্ৰীও কোনো ওলোৱাহি নাই; গতিকে তাই বাৰীৰ কল, অমিতা খায়েই শান্তিৰে দিন কটাইছে। হঠাৎ দুৰ্ঘটনাৰ বাবে ট্ৰেন এখন ঘৰৰ কাষত ৰবলগীয়া হ'ল। লগে লগে তাইৰ যৌৱনৰ প্ৰশংসা কৰা বহুত মানুহো ওলাল। মানুহৰ শুশ্ৰূষা কৰি তাইও পুলকিত হ'ল। ট্ৰেনখন আকৌ চলিব পৰা হলত তাইৰ খন্তেকীয়া 'চমঝদাৰ' কেইজনো গুচি গ'ল। অলপ কৰুণ সুৰত গল্প খতম্। ইয়াত ক'ত মধ্যবিত্ত জীৱনৰ সজীৱ চিত্ৰণ? মধ্যবিত্ত-নিম্নমধ্যবিত্তৰ আৰ্থিক আৰু সামাজিক অনিশ্চয়তা, ছোৱালী বিয়া দিয়াৰ সমস্যা, বিয়া পতাৰ বাবে খৰচ হোৱা প্ৰচুৰ টকাৰ দুশ্চিন্তা — এইবোৰ একো সমস্যাই লেখকৰ বাবে ডাঙৰ নহয়। এইবোৰ কথা ক'লে গল্পবোৰ সুখপাঠ্য নহবও পাৰে! এয়াই ভবেন শইকীয়াৰ 'নতুন বাস্তৱবোধ'ৰ নমুনা।

এই একে সময়তে ৰচিত আন এটা গল্প 'বানপ্ৰস্থ'ৰ ফিল্মীৰূপৰ প্ৰশংসাত বহুদৰ্শক সুন্দৰ। গল্পটোৰ ভাষাৰ কি কিশোৰ সুলভ উচ্ছাস। দুজনী কাম-কাজ নোপোৱা, সংস্থানৰ সম্ভাৱনা নথকা গাভৰু ছোৱালীৰ কি আবেগময়ী বৰ্ণনা —'' ...ছোৱালী দুজনীক বসন্ত, যৌৱন, ব'হাগৰ বতাহ আদি কঢ়িয়াই

অনা দুজনী উচ্ছৃংখল, অলৌকিক কুমাৰীৰ নিচিনা দেখা গ'ল।'' ভাষাৰ বাহাৰ আৰু আছে — ''দোৰ্দ্দণ্ড প্ৰতাপী যুৱৰাজৰ দৃষ্টি পৰিলে এক সাধাৰণ প্ৰজা জীয়ৰী যেনেকৈ ৰহস্যময় হৈ উঠে...।'' আকাশৰ সূৰ্য্যৰ কাব্যিক বৰ্ণনাতো যুৱৰাজৰ সতে তুলনা — ''দেখা যাব যেন দোৰ্দ্দণ্ড প্ৰতাপী যুৱৰাজে কুঁৱৰীৰ আঁচলত মুখ লুকুৱাই ধেমালি কৰিছে।'' নিঃসন্দেহে ভাষাৰ এনে ফুলজাৰিৰ মাজত কিশোৰ-কিশোৰী পাঠক-পাঠিকাই হাবুডুবু খাই ক'ব ''বাঃ কি সুন্দৰ ভাষা''!

কিছুমান বৰ্ণনাৰ ভাষা ব্যৱসায়িক ভাৱে সফল চলচ্চিত্ৰৰ দুই এটা শ্বুটতকৈও মনোমোহা, ''মাধৱী সুন্দৰ, ধুনীয়া ছোৱালী আছিল। তাইৰ গাৰ ৰং ইমান ভাল আছিল যে গাটোৰ যিখিনি কাপোৰে ঢাকি ৰাখিছিল সেইখিনি দেখিবলৈ বেয়া লাগিছিল।''

আনৰ ঘৰত এঘাৰ বছৰ 'সুখে-সন্তোষে' চহৰীয়া চাকৰণী হৈ থকাৰ পিচত পিতৃহাৰা চাৰু আৰু তৰু জীয়াগাভৰু হৈ গাঁৱলৈ ঘূৰি আহিল অকৰ্মণ্য হৈ। সিহঁত ধান দাব নাজানে, ৰুব নাজানে, ঢেঁকী দিব নাজানে। অৱশ্যে গাঁৱলৈ আহি গাঁৱৰ জীৱনৰ লগত, সিহঁতৰ দৰেই একে অৱস্থাৰে মানুহবোৰৰ লগত একাত্ম হ'বৰ চেষ্টাও সিহঁতে নকৰিব। অৰ্থাৎ লেখকে তেনে কৰাটো নিবিচাৰিলে। তাৰ সলনি চাৰু আৰু তৰুৱে মুক্তি (?) বিচাৰিলে অসমৰ্থ পুৰুষ মতি ড্ৰাইভাৰৰ ওচৰত আত্মসমৰ্পণ কৰি। মতি ড্ৰাইভাৰক অসমৰ্থ কৰি ত্যাগ কৰাৰ মহত্ত্ব দেখুৱাটো যে সামন্ততান্ত্ৰিক ব্যৱস্থাৰ এটা দিশ সেই কথা গল্পৰ নায়কে বুজা নাই, শইকীয়াইও নাজানে বাবে গল্পটোৰ পৰিণতি এক অন্তহীন হতাশা আৰু বিষাদত বাহিৰে আন একো হোৱা অসম্ভৱ।

'শৃংখলা' গল্পত পাঁচটা সন্তানৰ বিধৱা মাতৃ অম্বিকাক গিৰীয়েকৰ বন্ধু কালিদাসে মৰমৰ শৃংখলেৰে বান্ধিব খোজা আৰু অম্বিকাৰ সেই শৃংখল ছিঙি স্থিতাৱস্থা বাহাল ৰখাৰ আপ্ৰাণ চেষ্টাৰ খুঁতিনাটি বৰ্ণনা আছে। বজাৰলৈ পাৰ বেচিবলৈ যোৱাৰ পৰত কালিদাসে প্ৰায় স্পষ্টকৈয়ে অম্বিকাক দৈহিকভাৱে ওচৰতে পোৱাৰ ইচ্ছা প্ৰকাশ কৰে।'' পাৰৰ মঙহ খাই তাৰ গৰম অকলে সহ্য কৰাই টান।'' কালিদাসৰ ইঙ্গিতময় উক্তিয়ে অম্বিকাৰ প্ৰতি মৰমতকৈ কামনাৰহে ইঙ্গিত বহন কৰিছে। পাৰকেইটা বিক্ৰী নোযোৱাৰ সম্ভাৱনাত কালিদাস উৎফুল্ল —পাৰ কেইটাৰে অম্বিকাৰ ঘৰত এসাজ ভাত খাব পাৰিব।



কিন্তু অম্বিকাৰ (তথা ভবেন শইকীয়াৰ) ভাগ্য ক'ত যাব; গতিকে আহি গ'ল পাৰ কিনোতা ভলণ্টিয়াৰ। প্ৰায় জোৰকৈয়ে পাৰ কেইটা কিনি লৈ গুচি গ'ল। লগে লগে অম্বিকাৰো অস্বস্তিৰ অৱসান ঘটিল। সংস্কাৰ ধৰ্ম্ম, নীতি-নিয়ম ৰক্ষা পৰিল, পবিত্ৰতা অক্ষুণ্ণ কলা। এনেদৰে ভাগ্যই প্ৰায়ে ভবেন শইকীয়াৰ ৰক্ষা কৰা দেখা যায়!!

'চকীদাৰ' সংকলনখনিৰে এটা ভাল আৰু শুদ্ধ গল্প। বাতৰি কাকত এখনত কায়িক পৰিজন কৰি কম পইচা অৰ্জা এজন মানুহ পৰিচয় প্ৰকাশো হৈছিল। সেই বাতৰি কাকতৰ প্ৰেছত কম্পজিটৰ কাম কৰা যাদৱ দাসৰ চমু পৰিচয়ত ভণ্ডামি আৰু মিছা কথাৰে ভৰাই মানুহে পঢ়ি ভাল পোৱাকৈ ৰহন সনা হৈছিল। কথাখিনি কম্পজ কৰি থাকোতে যাদৱে এই ভণ্ডামি ধৰা পেলায়। যাদৱে নিষ্ঠাৰে কাম কৰিও বিনিময়ত পোৱা অলপীয়া পইচাৰে সংসাৰখন ভালকৈ চলাব নোৱাৰে। ফলত ল'ৰা তিৰোতাৰে তাৰ সংসাৰখন যন্ত্ৰণাময় হৈ পৰে। অথচ কাকতত তাৰ পৰিচয় দিওঁতে ছপোৱা ফট'ৰ তলত লিখা হৈছে — ''যাদৱৰ সুখী পৰিয়াল''। যাদৱে কম্পজ কৰোতে 'সুখী'ৰ ঠাইত 'দুখী' বহুৱাই দিয়ে। কামৰ পৰা গৈ ল'ৰা-ছোৱালীৰ মুখ দেখি সি 'শান্তি' পোৱা বুলি মিছাকৈ লিখা হৈছে। যাদৱে 'শান্তি'ৰ ঠাইত বহুৱাই দিয়ে 'শান্তি'। এই ভুল শুধৰণি যাদৱৰ নীৰৱ প্ৰতিবাদৰেই প্ৰকাশ। অৱশ্যে এনে ধৰণৰ প্ৰতিবাদৰ ধ্বনি কাচিৎহে শইকীয়াৰ চৰিত্ৰৰ মুখত বা কাৰ্য্যত শুনা বা দেখা যায়।

'কৃতজ্ঞতা'ত মৃত্যুৰ ওচৰ চাপি অহা কেঞ্চাৰ ৰোগীৰ cynicism, গভীৰ দুখবোধ আৰু কোনো মানুহৰ মৃত্যুৱেই যে অপূৰণীয় ক্ষতি নহয় এই কৰুণ উপলব্ধি কিছু আবেগ প্ৰৱণ ভাষাৰে বৰ্ণিত হৈছে। নায়কে আশা কৰিছে তেওঁ মৰাৰ পিচত পৃথিৱীখন ঠিকেই চলক, তেওঁৰ পত্নীয়ে তেওঁৰ ক্ষতি চিৰদিন অনুভৱ কৰক। গল্পটোত কৰুণতা, আশাহীনতা আৰু ভাব প্ৰৱণতাৰ মাজতো কিছু সুষ্ঠ চেতনাৰ ইঙ্গিত দেখা যায় — তেতিয়া নায়কে তেওঁৰ নিশ্চিত মৃত্যুৰ বাবে ঘৈণীয়েক প্ৰস্তুত হোৱা বুলি জানি কৈছে — ''মায়াই পৃথিৱীখনক ভাল পাইছে। পৃথিৱীখনে তেওঁক ভাল লগাব পৰাৰ কাৰণে মই এই পৃথিৱীৰ ওচৰত কৃতজ্ঞ।''

'বালিভোজ' 'খবৰ' আৰু 'আকাশ' এই তিনিটা গল্পৰ কাহিনীৰ কোনো সামাজিক তাৎপৰ্য্য নাই। ব্যক্তিজীৱনৰ গভীৰতো লেখকে প্ৰবেশ কৰি ব্যক্তিৰ

আশাভংগ, অপূৰ্ণ লক্ষ্য আদিক কেৱল বিচ্ছিন্নকৈয়ে চাইছে। 'বালিভোজ' আৰু 'খবৰ'ত একোজন সফল, বিবাহিত মানুহৰ হঠাতে প্ৰেম-প্ৰীতি ভৰা অতীতৰ একোটা মুহূৰ্ত্তলৈ উভতি যোৱাৰ প্ৰচেষ্টা, তেওঁলোকৰ ব্যৰ্থ, অসম্পূৰ্ণ প্ৰেম আদি বেছ আবেগময়ী ভাষাৰে আৰু একসুৰীয়া ভাব-প্ৰৱণতাৰে বৰ্ণনা কৰা হৈছে। তেওঁলোকৰ নিভাঁজ প্ৰেম, ভৱিষ্যতৰ আশা কিয়, কেনেকৈ অসম্পূৰ্ণ হৈ ৰ'ল তাৰ বিশদ বিশ্লেষণ নাই। বৃহত্তৰ সামাজিক জীৱনৰ পটভূমিত ব্যক্তিগত সমস্যা, ব্যৰ্থতা, আশাভংগ, হতাশা আদি চোৱাটোহে সমাজ সচেতন লেখকৰ কৰ্ত্তব্য। কিয়নো প্ৰতিজন মানুহৰ জীৱনতে বহু কিবাকিবি আশা, আঁচনি অসম্পূৰ্ণ হৈ ৰয়, ব্যৰ্থ হৈ যায়। 'আকাশ' নামৰ গল্পটোত স্বামী-স্ত্ৰীৰ অতীতলৈ উভতি যোৱাৰ বা ঘূৰি চোৱাৰ মাজেৰে তেওঁলোকৰ অসম্পূৰ্ণ আশা-আকাঙ্ক্ষাৰ কথা কোৱা হৈছে। জীয়েকৰ বাবে চোৱা ল'ৰাটোৰ চৰিত্ৰ হনন কৰি লিখা বেনামী চিঠি পাই বাপেক জ্যোতিৰ্ময় চৌধুৰী আৰু মাক তৃপ্তি চিন্তিত। তেতিয়া জ্যোতিৰ্ময়ে তেওঁৰ অতীতত দৈহিক, মানসিকভাৱে ওচৰতে পোৱা ছোৱালীহঁতৰ সৈতে নিজৰ সম্পৰ্কৰ কথা ভাবিছে। লগে লগে সিদ্ধান্তলৈ আহিছে তেওঁ ঘৈণীয়েকক বুজাব এইবোৰ ঘটনা হৈয়ে থাকে, এইবোৰ একো কথাই নহয়। কিন্তু ঘৈণীয়েকক কোৱাৰ আগতেই ঘৈণীয়েকে সহজভাৱে সকলো গ্ৰহণ কৰি কয় যে এনেবোৰ কথা বিশেষ একো নহয়। লগে লগে জ্যোতিৰ্ময় এক নতুন অশান্তিত ভুগিবলৈ ধৰে। তেওঁ তেওঁৰ ঘৈণীয়েককো সন্দেহ কৰে কিজানি তেওঁৰো অতীতত তেনেকুৱা ঘটনাই ঘটিছিল। বৰ্তমান সমাজত পুৰুষে যিমান পাৰে অন্যায় কৰিব পাৰে, দৈহিক সুখ-সম্ভোগত লিপ্ত থাকিব পাৰে; কেৱল তিৰোতাৰ ক্ষেত্ৰত তেনে এটা ইঙ্গিত পালেই, সন্দেহৰ অৱকাশ পালেই তেওঁলোক চক খাই উঠে, চৰিত্ৰহীনা বুলি অৱজ্ঞা কৰে। জ্যোতিৰ্ময়ৰ ক্ষেত্ৰতো সেয়াই হৈছে। অৱশ্যে লেখকে সমস্যাটোৰ গভীৰলৈ যাবৰ চেষ্টা কৰা নাই। সুখপাঠ্যতাই তেওঁৰ মূল লক্ষ্য।

'চাৰিআলি' গল্পত মধ্যবিত্ত ঘৰৰ বিবাহ যোগ্য ছোৱালীৰ বিয়াৰ সমস্যা আওপকীয়াকৈ দাঙি ধৰিছে। কিন্তু অনাহক খুঁতিনাটি বৰ্ণনা আৰু সুখপাঠ্যতাৰ প্ৰচেষ্টাৰ ফলস্বৰূপে মূল সমস্যাৰ ভয়াৱহতা, আথিক আৰু সামাজিক তাৎপৰ্য্য আৰু আবিয়ৈ কাৰণে সমাজৰ তাচ্ছিল্যৰ পাত্ৰী হোৱা ছোৱালীহঁতৰ মনোবেদনা আদি একোতেই লেখকৰ চকু নপৰিল। ফলত গল্পটো ভাষাৰ কাৰচাজি, সহজ আবেগ আৰু ভাবালুতাতেই শেষ হৈছে।



'বৰ্ণনা' সংকলনখনিৰ এটা উৎকৃষ্ট গল্প। এজনী অবিবাহিতা, আৰ্থিক সমস্যাত জৰ্জৰিতা আৰু ভদ্ৰসমাজৰ দ্বাৰা অৱহেলিত, আশ্ৰয়হীনা গাভৰু বৰ্ণনাৰ নাদত জাপ দি কৰা আত্মহত্যা আৰু নাদৰ পৰা তাইক তুলি আনোতে উদ্ধাৰ হোৱা মদৰ বটল আদিৰ পয়োভৰ আৰু ওচৰ চুবুৰীয়া ভদ্ৰ মানুহখিনিৰ সন্ত্ৰস্ত ভাৱ — কিজানি বৰ্ণনাই মৰাৰ আগতে তেওঁলোক কাৰোবাৰ কথা লিখি থৈ গৈছে। কি জানি তাই বাচি থাকিলে এতিয়াও কাৰোবাৰ নাম কৈ দিয়ে ইত্যাদিৰ মাজেৰে লেখকে বৰ্ণনাৰ মৃত্যুৰ গভীৰ কৰুণতাবোধ আৰু এই কৰুণাৰ মাজেৰে এক ধৰণৰ প্ৰতিবাদ দাঙি ধৰিছে। অৱশ্যেই এই প্ৰতিবাদৰ ইঙ্গিত আৰু তথাকথিত ভদ্ৰ মানুহখিনিৰ প্ৰতিব্যঙ্গ গল্পৰ শেষতহে স্পষ্ট হৈ উঠিছে। আগৰ ডোখৰত বহু খুঁতিনাটি বৰ্ণনা দিয়া হৈছে। কিন্তু বৰ্ণনাৰ দুখাবহ জীৱনৰ সমস্যা, আশাহীনতা, ক্ৰমাগত নগৰৰ ব্যৱসায়ী চক্ৰৰ চেপাঁত মাৰ যোৱা গাঁৱৰ নিঃসম্বল মানুহখিনিৰ জীৱন আৰু জীৱিকাৰ অনিশ্চয়তা আদি গল্পটোত আশা কৰা মতে দাঙি ধৰা দেখা নগ'ল। তথাপি ভবেন শইকীয়াৰ গল্প সমূহৰ ভিতৰত 'বৰ্ণনা' এটা বিশেষ ভাৱে উল্লেখযোগ্য গল্প।

ভবেন শইকীয়াৰ সমাজ চেতনাৰ অভাৱ আৰু সস্তীয়া আবেগ সৃষ্টিৰ অসংযত ইচ্ছা আৰু ভাষাৰ ফুলজাৰিৰে মূল কথা অস্পষ্ট ৰখাৰ কায়দাৰ উৎকৃষ্ট উদাহৰণ হ'ল সংকলনখনিৰ শেষ গল্প 'ৰক্তিম'।

বিভিন্ন মানুহৰ দ্বাৰা প্ৰতাৰিত, বৰ্জিত আৰু অৰ্থনৈতিক শোষণ আৰু সামাজিক অন্যায়ৰ দ্বাৰা জৰ্জৰিত তিনিজনী ছোৱালী গল্পটোৰ মূল চৰিত্ৰ। তিনিও নাৰী কল্যাণ কেন্দ্ৰত বৈচিত্ৰ্যহীন, দিশাহীন জীৱন কটাইছে — আন বহুতৰে লগতে। আনবোৰ পিক্‌নিকলৈ গলত সিহঁতে অকলশৰীয়া অনুভৱ কৰিছে। হঠাৎ চান্দা উঠাবলৈ গাঁৱৰ পৰা অকঁৰা ডেকা এজন অহাত সিহঁত উৎফুল্লিত হ'ল — অলপ ধেমালিৰ সম্ভাৱনাত। কিন্তু ল'ৰাটোৰ কথা-বতৰা অজানিতেই সিহঁতৰ প্ৰতি কৰা অৱজ্ঞাই সিহঁতক জোকাৰি যায়, সিহঁতে আকৌ নিজ নিজ জীৱন-যৌৱনৰ অসাৰতাৰ কথা ভাবি হতাশ আৰু ব্যথিত হৈ পৰে। নাৰীৰ কল্যাণ বা সামাজিক মৰ্য্যাদাৰ কথা যিমানেই কোৱা নহওক আমাৰ দেশত তেনে বস্তুৰ বৰ অভাৱ। এবৰ পুৰুষ এজনৰ দ্বাৰা প্ৰতাৰিত হ'লেই নাৰী হৈ পৰে সমাজৰ আৱৰ্জনা। সিহঁতৰ জীৱনো যেন হৈ পৰে

মূল্যহীন। সমাজৰ এই অসমতা, বৈষম্য আৰু নাৰীৰ প্ৰতি কৰা অন্যায় বৰ্তমান সমাজ ব্যৱস্থাত অৱধাৰিত হৈ থাকিবই। ছোৱালী কেইজনীৰ জৰিয়তে লেখকে এই সমস্যাটো সুন্দৰভাৱে সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাৰ পটভূমিত দাঙি ধৰিব পাৰিলেহেঁতেন। তেতিয়া হলে পাঠকেও এনে সমস্যাৰ ভয়াৱহতা, ইয়াৰ সামাজিক তাৎপৰ্য্য বুজিলেহেঁতেন। কিন্তু গল্পটো যি ধৰণে লিখা হৈছে তাৰ দ্বাৰা সস্তীয়া আবেগপ্ৰৱণতাৰ পৰিচয়হে পাঠকে পাব।

সমাজৰ প্ৰতি লেখকৰ দায়িত্ব আছে বুলি নাভাবিলে ভবেন শইকীয়াৰ দৰে লেখকে সদায় সমাজৰ জ্বলন্ত সমস্যাবোৰ সঠিকভাৱে দাঙি ধৰিবলৈ ব্যৰ্থ হ'বই। সমাজ-সচেতন হ'ব পাৰিলে লেখকে সকলো ঘটনাৰে, সকলো সমস্যাকে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰি চাব। কেতিয়াও ব্যক্তিক সমাজৰ পৰা বিচ্ছিন্ন বুলি নাভাবিব। সবাতোকৈ ডাঙৰ কথা ভবেন শইকীয়াৰ দৰে কেৱল আবেগসচেতন অথবা খুঁতিনাটি সচেতন লেখক নহ'লে মানুহে জীৱনৰ সমস্যাৰ সমুখত নিৰাশ আৰু অসহায় হৈ নপৰে, ভাগ্যক দোষ দি বহি নাথাকে; বৰঞ্চ চেষ্টা কৰে হতাশাৰ মাজতো আশাভংগৰ মাজতো নতুন আশাৰ সন্ধান কৰাৰ, সুন্দৰ ব্যক্তিগত আৰু সামাজিক জীৱন গঢ়াৰ বাবে। ■

[*লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক আৰু বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী আৰু বিদেশী ভাষা বিভাগৰ ডীন; এগৰাকী বিশিষ্ট লেখক-সমালোচক। -সম্পাদক*]

*(প্ৰকাশ কাল ঃ ১৯৭৭-৭৮)*



# দুজন মহাত্মা ঃ
# মাৰ্ক্স আৰু গান্ধী

ড° বিপিন চেতিয়া
উপাধ্যক্ষ আৰু মুখ্য অধ্যাপক (দৰ্শন বিভাগ)

এজনৰ জন্ম ১৮১৮ চনত, ইউৰোপত। আনজনৰ জন্ম ১৮৬৯ চনত, ভাৰতত। মাৰ্ক্সৰ নতুন তথ্যই ঊনৈশ শতিকাত যেনেকৈ প্ৰভাৱ বিস্তাৰ কৰিলে সেইদৰে গান্ধীৰ অসহযোগ আন্দোলনে কুৰি শতিকাত অন্য এক বিস্ময়ৰ সৃষ্টি কৰিলে। মাৰ্ক্সৰ মতবাদ লেনিনে ৰাচিয়াত কাৰ্য্যকৰী কৰি তাত সামন্তবাদ আৰু পুঁজিপতিৰ দুঃশাসনৰ অন্ত পেলালে। আনহাতে গান্ধীয়ে এক অহিংস আন্দোলনৰ দ্বাৰা পৰাক্ৰমী বৃটিছ সকলৰ পৰা ভাৰতক মুক্ত কৰিলে।

দুয়োৰে লক্ষ্য — ধনী-দুখীয়াৰ মাজত ব্যৱধান নাইকিয়া কৰা। এখন সাম্যবাদী ৰাজ স্থাপন কৰা য'ত ধনীয়ে দুখীয়াক শোষণ কৰিব নোৱাৰে, য'ত এমুঠিমান পুঁজিপতিয়ে একচেতীয়া ব্যৱসায়ৰ দ্বাৰা নিজক অধিক লাভবান কৰিব নোৱাৰে, য'ত শোষণ, শাসন আৰু শ্ৰেণী বৈষম্যৰ ওৰ পৰিব, ন্যায় আৰু সমতা বিৰাজ কৰিব।

দুয়োৰে মতভেদো আছে। মাৰ্ক্স জড়বাদী আৰু গান্ধী অধ্যাত্মবাদী। দাৰ্শনিক ভিত্তি যিয়েই নহওক লাগে দুয়ো পীড়িত, বুভুক্ষু আৰু নিষ্পেষিত জনগণৰ কল্যাণত ব্ৰতী তথাপি থুলমূলকৈ ক'বলৈ হ'লে জড়বাদী দৰ্শনে ঈশ্বৰ বিশ্বাস নকৰে। আনহাতে অধ্যাত্মবাদী দৰ্শনে এক চিৰন্তন চিন্ময় শক্তিত বিশ্বাস কৰে। বৰ্তমান যুগত যিবিলাক প্ৰচলিত ধৰ্ম্ম আছে সেই সকলোবোৰে ধৰ্ম্ম সাম্প্ৰদায়িক বা শ্ৰেণীভুক্ত। সেয়ে এই ধৰ্ম্ম সমূহক গান্ধীয়ে সম্প্ৰদায়

মুক্ত কৰি সকলো ধৰ্মৰ সমন্বয়ৰ কথা কৈছিল। ধৰ্ম্মৰ নামত যিবিলাক অধৰ্ম্মৰ সৃষ্টি হৈছে সেইখিনি আমি বিসৰ্জন দিব লাগিব। প্ৰকৃত ধৰ্ম্ম হ'ল মানৱ সেৱা। কাৰণ মানুহ আৰু বিশ্বব্ৰহ্মাণ্ড এই সকলোতে সেই চিন্ময় শক্তিৰে ক্ৰিয়া চলি আছে। এই সকলোৱে তাৰে প্ৰকাশ। ন্যায়ৰ প্ৰতি মানুহৰ অপৰিসীম আগ্ৰহ আছে। মাৰ্ক্স, গান্ধী আৰু একেবাৰে অজ্ঞ-অশিক্ষিত জনৰো ন্যায়ৰ প্ৰতি আগ্ৰহ আছে। ন্যায়-অন্যায় বিচাৰ কৰাৰ দায়িত্ব প্ৰত্যেকজন মানুহৰে আছে। কিন্তু আন প্ৰাণীৰ ক্ষেত্ৰত ইয়াক দেখা নাযায়। ইয়াৰ অৰ্থ হ'ল প্ৰকৃতিৰ দান বুলি বা অৱস্থাৰ দাস বুলি মানুহে অন্যায় সহ্য কৰি থাকিব নোৱাৰে। ইতৰ জন্তুৱে অন্যায় হ'লেও তাক সহ্য কৰি থাকে ইয়াতে মানুহ আৰু পশুৰ পাৰ্থক্য।

গান্ধীৰ বক্তব্য হ'ল যে — হিংসা, অন্যায় এই বিলাক পশুবৃত্তি। মানুহে এই বিলাকৰ বিপক্ষে যুদ্ধ কৰি আহিছে আৰু ভৱিষ্যতেও কৰিব। ভাৰতীয় ঐতিহ্যত কৃষ্ণ, ৰাম, দুৰ্গা এইবিলাক ন্যায়ৰ প্ৰতিমূৰ্ত্তি। অন্যায়ৰ বিপৰীতে ন্যায় বা সত্যৰ জয় হ'বই। কিয় হ'ব? ইয়াৰ উত্তৰ জড়বাদী দৰ্শনে সন্তোষজনকভাৱে দিব নোৱাৰে। কিন্তু অধ্যাত্মবাদী সকলে কয় — সত্যমেৱ জয়তে। গান্ধীৰ মতে এই সত্য বা ন্যায় হ'ল ভগৱান বা ঈশ্বৰ। স্বৰ্গৰ নিচিনা কল্পলোকত ভগৱান বহি নাথাকে। সত্য বা ন্যায় ৰূপে সকলোৰে অন্তৰত ভগৱান আছে। এই সত্যক আৱিষ্কাৰ কৰিব পাৰিব লাগিব। এই সত্যদ্ৰষ্টাজন কেতিয়াও ন্যায়ৰ পৰা বিচলিত নহয়।

মাৰ্ক্সেও সত্যক স্বীকাৰ কৰিছে। তেওঁৰ মতে আদিম সত্ত্বা চিন্ময় (চৈতন্যযুক্ত) নহয় যদিও জড় প্ৰকৃতিয়েও এক নিয়মৰ বশৱৰ্ত্তী হৈ ক্ৰমবিকাশৰ পথত আগবাঢ়ে। এই নিয়ম বা পদ্ধতি হ'ল দ্বন্দাত্মক অৰ্থাৎ দুটা বিৰোধী শক্তিৰ মাজত প্ৰথমে সৰ্বসংঘৰ্ষৰ সৃষ্টি হয়। ফলস্বৰূপে এক নতুন অৱস্থাৰ সৃষ্টি হয়। এই নতুন তৃতীয় অৱস্থাৰ পুনৰ বিৰোধ আৰম্ভ হয় আৰু ফলত আন এক নতুন অৱস্থাৰ সৃষ্টি হয়। এইদৰেই ক্ৰমবিকাশ হয়। অৰ্থাৎ শুভ আৰু অশুভ। এই দুই শক্তিৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াত বিশ্বৰ বিকাশ সাধন হয় বা ক্ৰমোন্নতিৰ পদত আগবাঢ়ে। এইয়ে মাৰ্ক্সৰ সত্য। ক্ৰমবিকাশৰ পথত এই সত্য সদায় অধিক সমাজৰ ফালে আগুৱাই গৈ আছে। এতিয়া প্ৰশ্ন হ'ল জড় প্ৰকৃতিৰ বুকুত এই সত্য আহিল ক'ৰ পৰা। জড় পদাৰ্থই এইদৰে



আগবাঢ়ে কিয়? ক্ৰমান্বয়ে বেয়াৰ পৰা ভাললৈ গতি কৰিছে কিয়? সূৰ্য্যই আমাক ৰশ্মি দিছে আৰু পৃথিৱীয়ে আমাৰ লাগতিয়াল উৎপাদনৰ উৎস যোগাইছে। কিন্তু কিয়? সাম্যবাদ অৰ্থাৎ সামাজিক আৰু অৰ্থনৈতিক ন্যায় বা সমতা কিয় কৰিব লাগে? ন্যায় আৰু সমাজৰ আদৰ্শ ইতৰ প্ৰাণীৰ ভিতৰত আছে জানো? যদি নাই, মানুহৰ মনলৈ এই ন্যায় বা সত্যৰ আদৰ্শ ক'ৰ পৰা আহিল? আমি কিয় অন্যায় সহ্য কৰিব নোৱাৰে? এনে বহুতো 'কিয়'ৰ উত্তৰ জড়বাদে দিব নোৱাৰে। নিজেও সি সন্তোষজনক নহয়।

সঁচা কথা, ধৰ্ম্ম আজি অধৰ্ম্মত পৰিণত হৈছে। কিন্তু সেই ধৰ্ম্মৰ পৰা অধৰ্ম্মখিনি বাদ দি আমি ধৰ্মক মানৱ সেৱাত লগাবও পাৰো। ঈশ্বৰ বা সত্য যদি সকলোৰে অন্তৰত বিৰাজমান সেই সত্যক উপলব্ধি কৰিবলৈ হ'লে আমি সাধনা বা কৰ্ষণ কৰিব লাগিব। সেয়ে ভগৱানৰ আন এটা নাম কৃষ্ণ।

মাৰ্ক্সে ক'ব বিচাৰে যে ধৰ্ম্মই মানুহক অকৰ্মণ্য কৰে। নিজৰ ভাগ্যক ধিয়াই পৰজন্মৰ বাবে সকলো অন্যায় সহ্য কৰিবলৈ শিকায়। এইয়া প্ৰকৃত ধৰ্ম্ম নহয়। ধৰ্ম্মক ভালদৰে উপলব্ধি কৰিবলৈ হ'লে ক'ব লাগিব যে মানৱ সেৱাই প্ৰকৃত ধৰ্ম্ম। এই ক্ষেত্ৰত মাৰ্ক্সবাদো এক ধৰ্ম্ম। 'ধৰ্ম্ম' শব্দটোৰ অৰ্থ ইংৰাজী 'ৰিলিজন' (Religion) শব্দই সম্পূৰ্ণ প্ৰকাশ কৰিব নোৱাৰে। কৌৰৱমাতা গান্ধাৰীয়ে কুৰুক্ষেত্ৰ যুদ্ধৰ আৰম্ভণিতে পুত্ৰ সকলক আশীৰ্বাদ দি কৈছিল — ''যথা ধৰ্ম্ম তথা জয়''। ইয়াত ধৰ্ম্ম মানে সত্য বা ন্যায়ক বুজোৱা হৈছে। গীতাতো ''ধৰ্ম্মৰ গ্লানি হ'লে'' ভগৱানৰ আবিৰ্ভাৱ হোৱাৰ কথা আছে। ইয়াতো ধৰ্ম্ম মানে ন্যায় বা সত্যৰ কথাহে কোৱা হৈছে। ন্যায় বা সত্যৰ ভেঁটিত সাম্যবাদৰ সৃষ্টি হোৱাটো মাৰ্ক্সে বিচাৰে। এই অৰ্থত সাম্যবাদী সমাজ হ'ল ধৰ্ম্মৰাজ্য বা ৰামৰাজ্য। গান্ধীয়ে এনে এখন সাম্যবাদী সমাজৰ কথাই চিন্তা কৰিছিল। ন্যায়-অন্যায়, সমতা-শোষণ, শুভ-অশুভ, ভাল-বেয়া আদি কেৱল সত্যই নহয় — এইয়া চিৰন্তন সত্য। অন্যায়, শোষণ কোনো ব্যক্তিয়ে সহ্য কৰিব নোৱাৰে। কিন্তু কিয়? অৰ্থাৎ ন্যায়ৰ প্ৰতি, সত্যৰ প্ৰতি, ধৰ্ম্মৰ প্ৰতি আমাৰ আগ্ৰহ। এই আগ্ৰহৰ নামেই সত্যাগ্ৰহ। এইয়ে ধৰ্ম্ম।

ইংৰাজী ভাষাত 'ৰিলিজন' শব্দটোৱে ধৰ্ম্মৰ উক্ত ব্যাখ্যা সামৰি ল'ব নোৱাৰে। ৰিলিজন মানে সাম্প্ৰদায়িক ধৰ্ম্ম। সাম্প্ৰদায়িক ধৰ্ম্মত বহুতো ভ্ৰান্ত ধাৰণা বা ৰীতি-নীতি আছে। কিন্তু গান্ধীৰ যি ধৰ্ম্ম সেই ধৰ্ম্মত এই

বিলাকৰ স্থান নাই। তেওঁৰ ধৰ্ম্ম সাম্প্ৰদায়কতাৰ উৰ্দ্ধত। সেইদৰে ঈশ্বৰ মানে তেওঁ ন্যায় আৰু সত্যৰ প্ৰতিমূৰ্ত্তি বুলিহে কৈছে। মাৰ্ক্সৰ 'ডায়ালেক্‌টিক্' আৰু গান্ধীৰ 'ঈশ্বৰ'ৰ সম্বন্ধ ওচৰা ওচৰি।

'ধৰ্ম্ম' মানে ন্যায় বা সত্য। ইংৰাজীত 'ডাক্‌ট্ৰিন' বা 'থিয়ৰী' বা ইজম এই আটাইবিলাককে ধৰ্ম্ম শব্দটোৱে সূচায়। জড়জগতৰ বা পদাৰ্থৰো ধৰ্ম্ম আছে। সেই ধৰ্ম্মমতে জড় প্ৰকৃতিয়ে ক্ৰমবিকাশৰ পথত আগবাঢ়ি গৈছে — ক্ৰমান্বয়ে নিম্নস্তৰৰ পৰা উচ্চস্তৰলৈ। মাৰ্ক্সৰ ভাষাত "....of endless ascent from the lower to the higher of which it is itself the mere reflection in the thinking brain." লেনিনে কৈছে — "Thus according to Marx dialectics is the science of the general laws of motion born of external world and of human thought." মাৰ্ক্স, লেনিন যদিও জড়বাদী তথাপি তেওঁলোকৰ মতে দ্বন্দ্ব বা ডায়েলেক্‌টিক্ সমগ্ৰ বিশ্বৰে এক গতি — যি গতিত জড়জগতত ক্ৰমান্বয়ে বিৱৰ্ত্তন হৈ আহিছে — যি সকলো গতিতত্ত্বৰে (Laws) বিজ্ঞান বা মূলতত্ত্ব বহিজগতৰো আৰু মানুহৰ মনৰো।

এই গতি বা দ্বন্দ্ব বা ডায়েলেক্‌টিক্ ভাৰতীয় আধ্যাত্মিকতাৰ বাবে একো নতুন বস্তু নহয়। আধ্যাত্মিকতা মানে সাধাৰণ ধৰ্ম্মক নুবুজায়। বিশ্ব-ব্ৰহ্মাণ্ডৰ যি গতি (ইয়াৰ ভিতৰত মানুহ আৰু মানুহৰ মন সকলো পৰে) সেই গতিক স্বীকাৰ কৰিয়েই কোৱা হৈছে যে, অসত্যৰ পৰা সত্যলৈ, আন্ধাৰৰ পৰা জ্যোতিলৈ আৰু মৃত্যুৰ পৰা অমৃতলৈ লৈ যোৱা। ইয়াত ক্ৰমবিকাশ সৰল ৰেখাৰ দৰে নহয়, বৰং বৰ অকোৱা-পকোৱা — সংঘাতময়। মাৰ্ক্সবাদতো এই কথা কোৱা হৈছে — "The history of all hitherto existing society is the history of class strugles" পুনৰ — *A development so to speak, in a spiral and not in a straightline, a development by leaps and catastrophes and revolutions, a interruption of gradualness, the transformation of quantity to quality, inner impulses to development.... a connection that provides a uniform, law governed, universal process of motion – such as some of the features of dialectics as a richer doctrine of development.*



এইয়ে গতিৰ ধৰ্ম যি প্ৰগতিৰ পথলৈ আগুৱাই নিয়ে। তাকে গান্ধীয়ে (ভাৰতীয় দৃষ্টিভঙ্গীৰে) ঈশ্বৰ বা সত্য বুলি কৈছে। মাৰ্ক্সবাদত সেয়ে ডায়েলেক্‌টিক্ বা দন্দ্ব। এই গতি বিশ্ব-ব্ৰহ্মাণ্ডৰ স্বভাৱ বা ধৰ্ম। জড় পদাৰ্থ আৰু গতিৰ ওতঃপ্ৰোত সম্বন্ধ — যেনে জুই আৰু জুইৰ দাহিকা শক্তি। প্ৰকৃতিয়ে অন্ধভাবে গতি কৰা নাই। নহ'লে প্ৰগতি অৰ্থহীন হ'ব।

ভাৰতীয় আধ্যাত্মিকতাই সৃষ্টিৰ গুৰিতে এক চৈতন্যময় সত্ত্বাৰ কথা কৈছে। জাৰ্মান দাৰ্শনিক হেগেলৰ মতে প্ৰথমে সত্ত্বা (Being) বা চৈতন্যই আত্মপ্ৰকাশৰ বাবে বিপৰীত ধৰ্মী জড়ৰ সৈতে সংযোগ স্থাপন কৰিহে সৃষ্টি আৰম্ভ কৰিলে। ভাৰতীয় দৰ্শনতো এক চৈতন্য ব্ৰহ্মাই আত্মপ্ৰকাশৰ বাবে স্বকীয় শক্তিৰ দ্বাৰা জড়জগত সৃষ্টি কৰিলে, এই শক্তিকে মায়া বুলি কোৱা হয়। যি কি নহওক, চৈতন্য বা জড় পদাৰ্থই অকলে বিশ্ব সৃষ্টি কৰিব নোৱাৰে। গতিকে জড়জগতৰ উপাদানৰ কাৰণ (material cause) চৈতন্য হ'ব নোৱাৰে। গতিকে জড়জগতৰ কাৰণ জড় হ'ব লাগিব। সাংখ্যদৰ্শনত এই আদি জড়পদাৰ্থকে প্ৰকৃতি বুলি কোৱা হৈছে। কিন্তু প্ৰকৃতি জড় হোৱাত প্ৰগতি হয় কেনেকৈ? গতিকে সাংখ্যই চৈতন্য সত্ত্বা এটাও স্বীকাৰ কৰিব লগা হৈছে। এই চৈতন্য সত্ত্বা হ'ল পুৰুষ। এতিয়া প্ৰশ্ন হ'ল চৈতন্য পুৰুষ আৰু অচেতন প্ৰকৃতিৰ মাজত সংযোগ স্থাপন কৰালৈ। ইয়াৰ উত্তৰ সাংখ্যদৰ্শনে ৰূপকৰ সহায়ত দিছে। এখন হাবিত এটা কণা মানুহ (প্ৰকৃতি) আৰু এটা খোৰা মানুহ আছিল। দুয়োটাই হাবিৰ পৰা ওলাব বিচাৰে। কিন্তু অকলে এটাও হাবিৰ বাহিৰলৈ আহিব নোৱাৰে। কেনেবাকৈ দুয়োটা লগ লাগিল। খোৰাটোৱে কণাটোৰ কান্ধত উঠি তাক বাট দেখুৱাই হাবিৰ পৰা বাহিৰলৈ ওলাই গ'ল।

এই ৰূপকটো দুয়োটা 'কেনেবাকৈ' লগ লগাৰ কথা কোৱা হৈছে। তথাপিও প্ৰশ্ন ৰৈ গ'ল — 'কেনেবাকৈ' মানে কি? ইয়াৰ উপৰিও দুটা দুটা আদিম সত্ত্বা স্বীকাৰ কৰিলে অন্য অসুবিধাও আছে। সেয়ে বস্তুবাদ আৰু আধ্যাত্মিকতাবাদ দুয়োটাতে এটা আদিম সত্ত্বাৰ কথাই স্বীকাৰ কৰা হৈছে। বস্তুবাদৰ মতে জড়পদাৰ্থৰ পৰা গতি পৃথক কৰিব নোৱাৰি। গতি আৰু পদাৰ্থ অগ্নি আৰু অগ্নিৰ দাহিকা শক্তিৰ দৰে। এই গতিয়েই প্ৰগতিৰ মূল। আধ্যাত্মিকতাবাদত চৈতন্য আৰু জড়ৰ পাৰ্থক্য নাই। ব্ৰহ্ম আৰু ব্ৰহ্মৰ শক্তি একে। জুই আৰু জুইৰ শিখাৰ দৰে অভিন্ন বিৱৰ্ত্তনৰ মূলতে আছে এই শক্তি। এনে চৈতন্য ব্ৰহ্মাই আত্মপ্ৰকাশ কৰাৰ

যি ব্যাখ্যা আধ্যাত্মিকতাই দিব পাৰে তেনেধৰণৰ কোনো ব্যাখ্যা বস্তুবাদৰ নাই। জড়পদাৰ্থই শক্তিৰ সহায়েৰে প্ৰগতিৰ পথত আগবাঢ়িছে বুলি কোৱাৰ অৰ্থ হ'ব — প্ৰগতি বুলি আমি যিটো ভাৱ মনত পোষণ কৰিছো তাৰ পৰাহে আমি বাহিৰত প্ৰগতি দেখিছো। দৰাচলতে কোনো প্ৰগতি ঘটা নাই, ঘটিছে মাত্ৰ পৰিবৰ্ত্তন। এঠাইত মাৰ্ক্সবাদে এই কথাষাৰ স্বীকাৰ কৰিছে — *For dialictical philosophy, nothing final absolute or sacred can endure. I reveals the transitory character of everything and in everything and nothing can endure in its presence except the uninterrupted process of becoming and of passing away of endless ascant from the lower to higher of which it is itself the mere reflection in the thinking brain.*

এই পৰিৱৰ্ত্তনক যদি প্ৰগতি বুলি কওঁ তেন্তে প্ৰগতিৰ ব্যাখ্যা আধ্যাত্মিকতাবাদৰ সহায়েৰে দিব পৰা যায়। মাৰ্ক্সে কোৱাৰ দৰে সকলো পৰিৱৰ্তন যদি ক্ষণিক হয়, পৰিবৰ্ত্তনেই যদি সত্য হয়, তেন্তে সাম্যবাদৰ আদৰ্শও শেষ আদৰ্শ নহয় বা নিম্নস্তৰৰ পৰা উচ্চস্তৰলৈ গতি কৰাৰো একো অৰ্থ নাই। যি কি নহওক মাৰ্ক্স আৰু গান্ধী দুয়োৰে উদ্দেশ্য সাম্যবাদ বা কল্যাণকামী ৰাষ্ট্ৰ, দুয়োৰে পাৰ্থক্য সাম্যবাদ প্ৰতিষ্ঠাৰ পদ্ধতিলৈহে। মাৰ্ক্সে ৰক্তাক্ত বিপ্লৱৰ দ্বাৰা সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰে। গান্ধীয়ে অহিংস বিপ্লৱৰ দ্বাৰাহে লক্ষ্যত উপনীত হ'ব পাৰি বুলি ভাবে। ৰক্তাক্ত বিপ্লৱৰ পৰিণাম শুভ হ'ব নোৱাৰে। ন্যায় প্ৰতিষ্ঠা অন্যায় বা অশুভ পদ্ধতিৰে কৰিলে সেই ন্যায় স্থায়ী নহয়।

'ন্যায়' শব্দটোৰ অৰ্থ মাৰ্ক্সবাদে উল্লেখিত ধৰণে মানি নলয়। ন্যায় মানে সমতা। এই 'সমতা' ঈশ্বৰ বিশ্বাস নকৰিলেও স্বীকাৰ কৰিব পাৰি। কিন্তু 'সমতা'ৰ প্ৰতি আমাৰ আগ্ৰহ কিয়? কাৰণ এই 'সমতা' বা ন্যায় আমাৰ বাবে সত্য। গান্ধীৰ বাবে এই সত্যই ঈশ্বৰ। এই ঈশ্বৰৰ আন এটা ব্যাখ্যা 'সত্যম্ শিৱম্ সুন্দৰম'! যি সত্য সেয়ে মঙ্গলময় আৰু সেয়ে সুন্দৰ। গতিকে 'সত্য শিৱ সুন্দৰ'ৰ আৰাধনা মানে কল্যাণকামী সাম্যবাদৰ প্ৰতি আগ্ৰহ। এয়ে অসম্পূৰ্ণতাৰ পৰা পূৰ্ণতালৈ গতি। মাৰ্ক্সৰ দন্দ্বাত্মক ক্ৰমবিকাশ হ'ল — এই গতি। উপনিষদত এই গতিকে ''অসতোমা সদগময়ঃ....'' বুলি স্তুতি কৰা হৈছে।

প্ৰজাপতিৰ দুবিধ সন্তান — দেৱতা আৰু অসুৰ। দেৱতাসকল অল্পসংখ্যক



আৰু অসুৰৰ সংখ্যা অধিক। তেওঁলোকে উভয়ে আধিপত্য বিস্তাৰৰ বাবে চেষ্টা কৰিলে — শেষত দেৱতাসকলৰ জয় হ'ল। এনেধৰণৰ ৰূপক বা গল্প ভাৰতীয় ধৰ্ম্মীয় গ্ৰন্থসমূহত অলেখ আছে। কৃষ্ণৰ জন্ম আৰু কংসবধ এনে এটি ৰূপক। কৃষ্ণ হ'ল শুভ বা ন্যায়ৰ প্ৰতিমূৰ্ত্তি আৰু কংস অশুভ বা অন্যায়ৰ প্ৰতিমূৰ্ত্তি। কংসই, কৃষ্ণ জন্ম হ'লে তেওঁৰ নিজৰ অস্তিত্ব নোহোৱা হ'ব, এই সত্যটো উপলব্ধি কৰিছিল। সেয়ে তেওঁ কৃষ্ণক জন্মতেই মাৰিবলৈ বিচাৰিলে। এবাৰ নহয়, দুবাৰ নহয়, সাতবাৰকৈ তেওঁ কৃষ্ণ বুলি দেৱকী আৰু বসুদেৱৰ সন্তান বিলাক জন্ম হোৱাৰ পাচতে মাৰি পেলালে। তথাপি কৃষ্ণৰ জন্মক বাধা দিব নোৱাৰিলে। অৱশেষত কংসকহে কৃষ্ণই বধ কৰিলে। অৰ্থাৎ অন্যায় বা অসত্যৰ সত্য বা ন্যায়ৰ ওচৰত পৰাজয় হ'ল। কৃষ্ণ আৰু কংস সকলো ব্যক্তিৰে অন্তৰত আছে। এইয়া স্ববিৰোধ বা দন্দ্ব। কেৱল ইয়াতেই শেষ নহয়। বিভিন্ন সময়ত এই স্ববিৰোধৰ জন্ম হয়।

সাংখ্যদৰ্শনৰ সৃষ্টিতত্বত ঈশ্বৰৰ স্থান নাই। ঈশ্বৰে এটা বিশেষ মুহূৰ্তত পৃথিৱী সৃষ্টি কৰিলে বুলি ইয়াত কোৱা হোৱা নাই। ইয়াত প্ৰথমে জড়জগতৰ সৃষ্টিৰ মূলতে এক জড় প্ৰকৃতিক স্বীকাৰ কৰা হৈছে। জড়জগতৰ কাৰণ চৈতন্য হ'ব নোৱাৰে। জড়ৰ পৰাই জড়ৰ সৃষ্টি। এই কথাখিনি যিকোনো ধৰণৰ জড়বাদ বা বস্তুবাদৰ সৈতে মিলি যায়। কিন্তু যুক্তি সহকাৰে এই সিদ্ধান্তলৈ আহিছে যে জড় প্ৰকৃতিৰ পৰা এই বিশ্বব্ৰহ্মাণ্ড নিজে নিজে সৃষ্টি হোৱা নাই। ইয়াত আন এটা শক্তি (যি জড় নহয়) সংযোগ হৈছে। ফলত প্ৰকৃতিৰ গতিত আলোড়নৰ সৃষ্টি হ'ল। এই শক্তিক সাংখ্য সকলে পুৰুষ নামে অভিহিত কৰিছে। প্ৰকৃতি সাম্যাৱস্থাত অব্যক্ত (Unexpressed) হৈ থাকে। পুৰুষৰ সংযোগ বা জড়বাদী সকলৰ ভাষাত গতিৰ সংযোগ ঘটিলেই ইয়াৰ ক্ৰমবিকাশ হয়। সম্পূৰ্ণ প্ৰকাশ হোৱাৰ পাচত ই ক্ৰমান্বয়ে জাপ খাই আহে — ঠিক এপাহ ফুলৰ দৰে। শেষত পুনৰ সাম্যাৱস্থা আহে। তেতিয়া তাকে প্ৰলয় বোলে। এই প্ৰলয়ৰ কালত প্ৰকৃতিৰ সকলো বিলাক শক্তি, সামৰ্থ্য সুপ্ত অৱস্থাত থাকে। তাৰ পাচত পুৰুষৰ সৈতে পুনৰ সংযোগ স্থাপন হয়। পুনৰ সৃষ্টি আৰম্ভ হয়। ই চিৰন্তন। ইয়াৰ শেষ নাই।

সাংখ্যদৰ্শনত আমি স্ববিৰোধ বা দন্দ্বাত্মক প্ৰক্ৰিয়াৰ বিষয়ে পোনপটীয়াকৈ একো বিচাৰি নাপাওঁ। কিন্তু অলপ ইফাল-সিফাল কৰি সূক্ষ্ম বিচাৰ কৰিলে আমি তাতো এই দন্দ্বাত্মক পদ্ধতি দেখিবলৈ পাওঁ। প্ৰকৃতিৰ সাম্যাৱস্থা,

পুৰুষৰ সংযোগ আৰু সৃষ্টিৰ পাতনি অৱশ্যে এই ক্ষেত্ৰত পুৰুষ আৰু প্ৰকৃতিক দুটা ভিন্ন আদিম সত্ত্বা বুলি স্বীকাৰ কৰা হৈছে। জড়বাদী বা আধ্যাত্মবাদীৰ দৰে এক সত্ত্বাতে দুটা ভিন্নমুখী (বিৰোধী) শক্তিৰ স্থিতি স্বীকাৰ কৰা হোৱা নাই। সেয়ে সাংখ্যদৰ্শন ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাত শেষ বস্তু নহয়।

উল্লেখিত প্ৰলয় কালত প্ৰকৃতিৰ যি সংহাৰমূৰ্ত্তি তাকে তান্ত্ৰিক শাস্ত্ৰত কালী মূৰ্ত্তি ৰূপে বৰ্ণনা কৰা হৈছে। মুণ্ডমালাৰ অৰ্থ এনে ধৰণৰ — সকলো জীৱ প্ৰলয় কালত প্ৰকৃতিৰ বুকুত লয় পায়। শিৱ হ'ল পুৰুষৰ প্ৰতীক। এই পুৰুষৰ সংস্পৰ্শলৈ আহি জড় প্ৰকৃতিৰ চৈতন্য ফিৰি আহে। পুনৰ সৃষ্টি আৰম্ভ হয়। এই তত্ত্বটি বিভিন্ন শাস্ত্ৰত বিভিন্ন ধৰণে কল্পনা কৰা হৈছে। উল্লেখযোগ্য যে কালীৰ আন এটা নাম আদ্যশক্তি। এই আদ্যশক্তি আৰু সাংখ্যদৰ্শনৰ প্ৰকৃতিৰ মাজত প্ৰভেদ নাই।

শেষ কথা হ'ল — মাৰ্ক্সৰ দন্দ্বাত্মক জড়বাদ বা দন্দ্ব এক ঐতিহাসিক সত্য। বিশ্ব প্ৰকৃতি আৰু মানৱ সমাজ উভয়তে এই সত্য প্ৰকাশ পায়। গান্ধীৰ বাবে এই সত্যই ঈশ্বৰ বা ভগৱান। দন্দ্বাত্মক জড়বাদ আৰু গান্ধীৰ আধ্যাত্মিকতাবাদৰ ভিতৰত পাৰ্থক্য বৰ বেছি নাই। আনকি পদ্ধতিৰ ক্ষেত্ৰতো গান্ধীবাদ আৰু মাৰ্ক্সবাদৰ যি পাৰ্থক্যৰ কথা কোৱা হয় সি অলঙ্ঘ্য প্ৰাচীৰ নহয়। মাৰ্ক্সেও অহিংসাৰ কথা কৈছে আৰু আনহাতেদি গান্ধীয়েও ৰক্তাক্ত বিপ্লৱৰ কথা নুই কৰা নাই। ''হিংসা মাৰ্ক্সবাদৰ আনুষঙ্গিক নহয়। গান্ধীজীয়ে কোৱাৰ দৰে মাৰ্ক্সেও দঢ়াই দঢ়াই কৈ গৈছে যে মানুহৰ সহজাত প্ৰকৃতি হৈছে অহিংসা আৰু প্ৰেম। শ্ৰেণী সমাজ আৰু শ্ৰেণী শোষণেহে মানুহক শোষণ কৰে আৰু হিংসাৰ আশ্ৰয় লয় শোষক শ্ৰেণীয়ে।'' (*গান্ধীজীৰ সোঁৱৰণত*, পৃষ্ঠা ৩৩৭-৩৩৮, গৌৰীশঙ্কৰ ভট্টাচাৰ্য্য) পুনৰ... সমাজ তান্ত্ৰিক সমাজতো দ্বন্দ্ব থাকিব। কাৰণ দন্দ্ব বা সংঘাত মানৱ সমাজৰ এক ঐতিহাসিক সত্য। কিন্তু যিহেতু সমাজবাদী সমাজত শ্ৰেণী নাথাকিব, গতিকে সেই দন্দ্ব হ'ব অহিংস বা অশত্ৰুভাবাপন্ন।'' (ঐ,৩৪৬ পৃষ্ঠা) গান্ধী আৰু মাৰ্ক্সৰ পাৰ্থক্য এইখিনিতেই — গান্ধীৰ মতে অহিংসা নীতিৰ শিক্ষা প্ৰথমেই দিব লাগিব, তাৰ পাচতহে সাম্যবাদ। মাৰ্ক্সৰ মতে সাম্যবাদ স্থাপন হ'লেহে অহিংসবাদ আহিব। ■

*[লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰাক্তন অধ্যাপক। — সম্পাদক]*

*(প্ৰকাশ কাল ঃ ১৯৭৯-৮১)*



# চাহ মজদুৰৰ কৃষ্টি-সংস্কৃতি

**কুমাৰী প্ৰণতি খনিকৰ**
প্ৰাক স্নাতক (কলা)

অসমীয়া জাতি বুলিলে কেৱল এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ কথা নুবুজায়। অসমৰ পৰ্ব্বতে-ভৈয়ামে সিঁচৰিত হৈ থকা বিভিন্ন সম্প্ৰদায়ক সামৰি লৈহে 'অসমীয়া জাতি'ৰ সৃষ্টি হৈছে। আহোম, কছাৰী, ব্ৰাহ্মণ, মটক, মৰাণ, বড়ো, চুতীয়া, দেউৰী, মিচিং, ডিমাচা, কাৰবি আদিৰ দৰে চাহ মজদুৰ সম্প্ৰদায়ৰ ব্যক্তি সকলো অসমীয়া। আজিৰ পৰা ডেৰশ বছৰৰ আগতেই বৃটিছ কোম্পানীয়ে অসমৰ চাহ বাগিচাসমূহ খোলোতেই, ভাৰতৰ বিভিন্ন প্ৰান্তৰ অৰ্থ-সমস্যাত জুৰুলা মাটিহীন খেতিয়ক কিছুমানক অসমলৈ আনিছিল। সেই তেতিয়াৰে পৰা চাহ মজদুৰসকল অসমতে বাস কৰি আহিছে। তেওঁলোকৰে বংশধৰ সকলে অসমৰ ভাষা-সংস্কৃতিক গ্ৰহণ কৰি নিজকে অসমীয়া বুলি সদায় চিনাকী দি আহিছে।

চাহ মজদুৰৰ কৃষ্টি-সংস্কৃতিত ঝুমুইৰ (?) গীতৰ ভূমিকা প্ৰধান। ঝুমুইৰ গীত বুলি ক'লে চাহ বাগিচাৰ মজদুৰসকলৰ ল'ৰা-বুঢ়া, ডেকা-গাভৰু সকলোৰে গা নাচি উঠে। অন্য সমাজৰ বহুতো লোকে চাহ মজদুৰৰ গীত বুলি ক'লে কেৱল ঝুমুইৰ গীতকে চিনি পায়। কিন্তু সেয়া নহয়। তেওঁলোকৰ মাজত অন্যান্য বহুতো গীত-মাতৰ প্ৰচলন আছে। ডঙ্কইচ্, তুছু গীত, ফাকুগীত, গ্ৰামসেৱা গীত, অহিৰা, নিচুকনি গীত, খেমতা আদি বহুতো গীত তেওঁলোকৰ মাজত প্ৰচলিত। অৱশ্যে এই গীত বিলাকৰ তুলনাত ঝুমুইৰ (?) গীতৰ প্ৰাধান্য বেছি। যিদৰে অসমীয়া সমাজত বিহুগীতে প্ৰধান স্থান অধিকাৰ কৰি আহিছে।

'কৰম পৰৱে'ই চাহ মজদুৰ সকলৰ প্ৰধান উৎসৱ। এই উৎসৱ মহিলা প্ৰধান। 'কৰম পৰৱ' ঠাইভেদে তিনি দিন, পাঁচ দিন বা সাতদিন ধৰি পালন কৰা হয়। কৰম পৰৱত চাহ মজদুৰৰ অতি প্ৰিয় গীত ঝুমুইৰ নিয়মানুযায়ী গোৱা হয়। পৰৱৰ আৰম্ভণিতে গোৱা জাৱা জাগৰণৰ গীত, আৰতি, সূৰসতী গীত, বিদায় গীত আদি সকলোবোৰেই ঝুমুইৰ। গোটেই নিশাটো মজদুৰ ভাই সকলে গীত গাই নাচি কটায়। পিচদিনা পুৱা কৰম দেৱতাক নৈৰ ঘাটত বিদায় দিয়া হয়। — এই কৰম পৰৱেই চাহ মজদুৰ সকলৰ অতি প্ৰিয় আৰু প্ৰধান উৎসৱ। এই পৰৱৰ উপৰিও তুচু পৰৱ, গৰু জাগা, ফাকুৱা, দুৰ্গা পূজা, লক্ষ্মী পূজা, গ্ৰাম পূজা, গণেশ পূজা, ইষ্টদেৱতাৰ পূজা আদি বহুতো পূজা তেওঁলোকৰ মাজত প্ৰচলিত। তুচু পৰৱ আমাৰ মাঘৰ বিহুৰ লগত যথেষ্ট মিল আছে। পুহ মাহৰ সংক্ৰান্তিৰ দিনা এই পৰৱ হয়। তিল পিঠা খোৱাটো এই পৰৱৰ এক বৈশিষ্ট্য। বছৰটোৰ মঙ্গলৰ বাবে মাঘৰ মাহত তিল পিঠা খোৱা হয়। বছৰৰ অন্য সময়ত খালে বা একেবাৰে নাখালে নিজৰ পক্ষে অমঙ্গল বুলি তেওঁলোকৰ বিশ্বাস। এই পৰৱো মহিলা প্ৰধান।

বৰ্তমানে চাহ বাগিচাৰ মজদুৰসকলে 'নৱ বৈষ্ণৱ সমাজ' নাম দি শঙ্কৰী ধৰ্ম্ম গ্ৰহণ কৰিছে। এই নৱ বৈষ্ণৱ সমাজ ১৯৬৭ চনত প্ৰতিষ্ঠা হয়। শঙ্কৰী ধৰ্ম্ম গ্ৰহণ কৰা চাহ মজদুৰসকলে সুন্দৰভাৱে নাম-প্ৰসঙ্গ কৰি, কীৰ্ত্তন-ঘোষা পঢ়ি শঙ্কৰী কলা-কৃষ্টি প্ৰদৰ্শন কৰা দেখিলে আনন্দৰ লোতক বৈ আহে। অকল সেয়ে নহয় অসমীয়াৰ বাপতি-সাহোন বিহুও তেওঁলোকে পালন কৰে। বিহুগীত, বনগীত, লোকগীত, বিয়ানাম, আইনাম আদি তেওঁলোকে সুন্দৰভাৱে পৰিবেশন কৰে। বিহু অহাৰ লগে লগে গাঁৱত বাস কৰা মজদুৰ ভাইসকল আনন্দত মতলীয়া হৈ পৰে। ফুলমতী-জানকীহঁতে ঢোলৰ ছেৱত, বাঁহীৰ সুৰত আপোন পাহৰা হৈ নাচে। বহুতে আকৌ ঝুমুইৰ গীতকে জোৰে —

আসাম দেশেৰ বৈশাগ পৰৱ
বৰ ভাল লাগে ৰে
মাদল বাজে, বাঁশী বাজে
বাজে কৰ তাল ৰে
সখী হে, গাছে দিয়ে সোণাৰ পাতা
হায় ৰে কপাল ৰে।



দিনটো কঠোৰ পৰিশ্ৰমৰ মাজেদি পাৰ কৰি গধূলি তেওঁলোকে আমোদ-প্ৰমোদৰ বাবে ৰাজহুৱা নামঘৰ, মন্দিৰ বা ক্লাৱত মিলিত হৈ নাচ-গান কৰে বা খেলে। বহুতে আকৌ 'লাওপানী' খোৱাৰ ব্যৱস্থা কৰাৰ পিচতহে গীতৰ সুৰ ধৰে। শিক্ষিতসকলে বৰ্তমানে 'মদ' বা 'লাওপানী' খাবলৈ এৰিছে।

এটি কলি দুটি পাতৰ মাজত জীৱন কটোৱা মজদুৰসকলে ৰ'দ-বৰষুণক কাটি কৰি কঠোৰ হাড়ভঙা পৰিশ্ৰমত গঢ়ি উঠা বাগিচাখন দেখি আনন্দত আত্মহাৰা হৈ পৰে। বাগিচাবোৰ তেওঁলোকৰ অতি মৰমৰ-অতি আপোনৰ। সেয়েহে তেওঁলোকে 'ঝুমুইৰ' গীতৰ সুৰত গায় —

*এ চাহ বাগানেৰ*
*জোৱান চুকুড়ী আমি*
*হাড় ভাঙি কৰ গাঞ্জৰে*
*পাতা তোলা আমাৰ কাম*
*কোৰ মাৰি ফল খাওঁ*
*চাহ তলত বহি।।*

বৰ্ত্তমানে ডেকাচাম মজদুৰ ভায়ে ঝুমুইৰ গীতৰ বাহিৰে তেওঁলোকৰ অন্যান্য গীত-মাত সমূহ প্ৰায় পাহৰি গৈছে, নাগায় বা গাবলৈ এৰি দিছে। বোলছবিৰ গীতবোৰহে তেওঁলোকৰ আপোন হৈ পৰা দেখা যায়।

অসমতে বাস কৰি অসমীয়া ভাষা-সংস্কৃতিক গ্ৰহণ কৰি সম্পূৰ্ণ অসমীয়া হৈ পৰা এই মজদুৰ ভাইসকলক লৈ আমি গৌৰৱ কৰিব পাৰোঁ। তেওঁলোকৰ মাজৰে কবি-সাহিত্যিক, শিল্পী, নেতাসকলে অসমীয়া সাহিত্য-সংস্কৃতিত যথেষ্ট অৰিহণা যোগাইছে। তেওঁলোকৰ মাজত কিছু বছৰৰ আগতহে শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। শিক্ষা-দীক্ষাৰ সু-ব্যৱস্থা থকা হ'লে তেওঁলোকে অন্যান্য জাতিৰ লগত সমানে খোজত খোজ মিলাই যাব পাৰিলেহেঁতেন। এই কথা তেওঁলোকৰ গীততে প্ৰকাশ পাইছে।

মুণ্ডাগীত —

*দেশেৰ আঞা কাতানা*
*আসাম অসমীয়া*
*অসিমীয়া দেশোখেৰে*

*আসামীম বনাও জানা*
*আঞা এঙ্গান*
*আপোন জনম লেণ্ডিঙ্গা*
*আঞা দুকু নাম কেদা*
*আপু চুকু নাম কেদা*
*চিং চুবাৰে তাই কেনাৰে*
*দাক চুবাৰে তাই কেনা*
*আঞাৰে ভক্ত জুৰান*
*দুনিয়াৰ বনুৰা ।।*

(অৰ্থ হ'ল — এৰি থই জন্মভূমি পিতৃ-মাতৃ সকলোৰে অসম দেশত হ'ল অসমীয়া। নিদিলে আমাক শিক্ষা, মানুহ নহ'লোঁ হায়, সেই কাৰণে লাহে লাহে হৈছোঁ দুখীয়া।)

শেষত চাহ মজদুৰসকলৰ মাজত প্ৰচলিত দেশপ্ৰেমমূলক গীত এটিৰে সামৰণি মাৰো।

*জাগ, জাগ, জাগ মজদুৰ যুৱক*
*তই দেশেৰ ধৰণী স্বৰূপ।*
*হাড় মাটি কৰে খুন পানী কৰে*
*দেশেৰ উন্নতি কৰ তই।।*
*যা তই আগুৱাই জ্ঞানেৰ পথে*
*তবে হবেক নাম তৰ এই জগতে।*
*স্বাধীন দেশেৰ তুই স্বাধীন নাগৰিক*
*দেশেৰ কাৰণে তুই যাচি নাই দূৰে।।*
*দেশেৰ কাৰণে তুই কৰবি জীৱন দান*
*ইতিহাসে প্ৰতি হবেক এই অৱদান।*
*দেশেৰ কাৰণে তুই কৰচি গমন*
*তবে হবেক নাম তৰ চীৰ অমৰ।।* ■

*(প্ৰকাশ কাল ঃ ১৯৭৯-৮১)*



# বিহু আৰু হুঁচৰি

অধ্যাপক নোমল গগৈ

বিহু ঃ ব্যুৎপত্তি

অসমীয়া ভাষাত বিহু শব্দৰ অৰ্থ ব্যাপক। ই যি কোনো উৎসৱ-অনুষ্ঠানকে বুজায়। ভাষাতাত্ত্বিক দিশৰ পৰা বিহু শব্দৰ অৰ্থ সংকোচন ঘটিছে। বৰ্তমান বিহু বুলিলে আমি ব'হাগ, কাতি আৰু মাঘ বিহুক বুজোঁ।

বৈদিক সভ্যতাৰ পক্ষপাতী এক শ্ৰেণীৰ পণ্ডিতে 'বিহু' সংস্কৃত বিষুৱ শব্দৰ পৰা উৎপত্তি হোৱা বুলি অনেক যুক্তি প্ৰদৰ্শন কৰিব খোজে যদিও এই যুক্তিৰ সমৰ্থনত নিৰ্ভৰযোগ্য প্ৰমাণ পোৱা নাযায়। আচলতে লোক-নিৰুক্তিৰ ফল স্বৰূপেহে জনসাধাৰণৰ মনত এই ধাৰণাই ঠাই পাইছে। নিৰক্ষৰ জনসাধাৰণ আচহুৱা শব্দ পালে নিকটতম চিনাকি শব্দৰ লগত ইয়াৰ সাদৃশ্য বিচাৰিবলৈ যাওঁতেই লোক-নিৰুক্তি বা লোক-ব্যুৎপত্তি (folk-etymology)ৰ উদ্ভৱ হয়। বিহু শব্দৰ সমান্তৰাল অথবা প্ৰতিশব্দ সংস্কৃত ভাষাত নাই। সংস্কৃত সাহিত্যত ''বিষুৱৎ দিৱস'' বুলি ব্যাক্যাংশ এটি আছে যদিও এই দিনটোত ৰং আনন্দ কৰা হয় বুলি জনা নাযায়। বিষুৱ নামৰ শব্দ এটা সংস্কৃত ভাষাত আছে বাবেই হাড়ে-হিমজুৰে অসমীয়া বাপতি সাহোন কৌটিকলীয়া বিহু উৎসৱটি বৈদিক অনুষ্ঠান বুলি প্ৰতিপন্ন কৰিবলৈ যোৱাটো পণ্ডিতসকলৰ পাণ্ডিত্য প্ৰদৰ্শনৰ মিছা কচৰৎ নুবুলি আৰু কি আখ্যা দিব পাৰি? বৌদ্ধ ধৰ্মী টাইসকলে তেওঁলোকৰ উৎসৱক 'পয়' বা পুৱেই (pwe)

'কৰম পৰৱে'ই চাহ মজদুৰ সকলৰ প্ৰধান উৎসৱ। এই উৎসৱ মহিলা প্ৰধান। 'কৰম পৰৱ' ঠাইভেদে তিনি দিন, পাঁচ দিন বা সাতদিন ধৰি পালন কৰা হয়। কৰম পৰৱত চাহ মজদুৰৰ অতি প্ৰিয় গীত ঝুমুইৰ নিয়মানুযায়ী গোৱা হয়। পৰৱৰ আৰম্ভণিতে গোৱা জাৱা জাগৰণৰ গীত, আৰতি, সূৰসতী গীত, বিদায় গীত আদি সকলোবোৰেই ঝুমুইৰ। গোটেই নিশাটো মজদুৰ ভাই সকলে গীত গাই নাচি কটায়। পিচদিনা পুৱা কৰম দেৱতাক নৈৰ ঘাটত বিদায় দিয়া হয়। — এই কৰম পৰৱেই চাহ মজদুৰ সকলৰ অতি প্ৰিয় আৰু প্ৰধান উৎসৱ। এই পৰৱৰ উপৰিও তুচু পৰৱ, গৰু জাগা, ফাকুৱা, দুৰ্গা পূজা, লক্ষ্মী পূজা, গ্ৰাম পূজা, গণেশ পূজা, ইষ্টদেৱতাৰ পূজা আদি বহুতো পূজা তেওঁলোকৰ মাজত প্ৰচলিত। তুচু পৰৱ আমাৰ মাঘৰ বিহুৰ লগত যথেষ্ট মিল আছে। পুহ মাহৰ সংক্ৰান্তিৰ দিনা এই পৰৱ হয়। তিল পিঠা খোৱাটো এই পৰৱৰ এক বৈশিষ্ট্য। বছৰটোৰ মঙ্গলৰ বাবে মাঘৰ মাহত তিল পিঠা খোৱা হয়। বছৰৰ অন্য সময়ত খালে বা একেবাৰে নাখালে নিজৰ পক্ষে অমঙ্গল বুলি তেওঁলোকৰ বিশ্বাস। এই পৰৱো মহিলা প্ৰধান।

বৰ্তমানে চাহ বাগিচাৰ মজদুৰসকলে 'নৱ বৈষ্ণৱ সমাজ' নাম দি শঙ্কৰী ধৰ্ম্ম গ্ৰহণ কৰিছে। এই নৱ বৈষ্ণৱ সমাজ ১৯৬৭ চনত প্ৰতিষ্ঠা হয়। শঙ্কৰী ধৰ্ম্ম গ্ৰহণ কৰা চাহ মজদুৰসকলে সুন্দৰভাৱে নাম-প্ৰসঙ্গ কৰি, কীৰ্ত্তন-ঘোষা পঢ়ি শঙ্কৰী কলা-কৃষ্টি প্ৰদৰ্শন কৰা দেখিলে আনন্দৰ লোতক বৈ আহে। অকল সেয়ে নহয় অসমীয়াৰ বাপতি-সাহোন বিহুও তেওঁলোকে পালন কৰে। বিহুগীত, বনগীত, লোকগীত, বিয়ানাম, আইনাম আদি তেওঁলোকে সুন্দৰভাৱে পৰিৱেশন কৰে। বিহু অহাৰ লগে লগে গাঁৱত বাস কৰা মজদুৰ ভাইসকল আনন্দত মতলীয়া হৈ পৰে। ফুলমতী-জানকীহঁতে ঢোলৰ ছেৱত, বাঁহীৰ সুৰত আপোন পাহৰা হৈ নাচে। বহুতে আকৌ ঝুমুইৰ গীতকে জোৰে —

*আসাম দেশেৰ বৈশাগ পৰৱ*
*বৰ ভাল লাগে ৰে*
*মাদল বাজে, বাঁশী বাজে*
*বাজে কৰ তাল ৰে*
*সখী হে, গাছে দিয়ে সোণাৰ পাতা*
*হায় ৰে কপাল ৰে।*



দিনটো কঠোৰ পৰিশ্ৰমৰ মাজেদি পাৰ কৰি গধূলি তেওঁলোকে আমোদ-প্ৰমোদৰ বাবে ৰাজহুৱা নামঘৰ, মন্দিৰ বা ক্লাৱত মিলিত হৈ নাচ-গান কৰে বা খেলে। বহুতে আকৌ 'লাওপানী' খোৱাৰ ব্যৱস্থা কৰাৰ পিচতহে গীতৰ সুৰ ধৰে। শিক্ষিতসকলে বৰ্তমানে 'মদ' বা 'লাওপানী' খাবলৈ এৰিছে।

এটি পাৰি দুটি পাতৰ মাজত জীৱন কটোৱা মজদুৰসকলে ৰ'দ-বৰষুণক কাটি কৰি কঠোৰ হাডভঙা পৰিশ্ৰমত গঢ়ি উঠা বাগিচাখন দেখি আনন্দত আত্মহাৰা হৈ পৰে। বাগিচাবোৰ তেওঁলোকৰ অতি মৰমৰ-অতি আপোনৰ। সেয়েহে তেওঁলোকে 'ঝুমুইৰ' গীতৰ সুৰত গায় —

*এ চাহ বাগানেৰ*
*জোৱান চুকুড়ী আমি*
*হাড় ভাঙি কৰ গাঞ্জৰে*
*পাতা তোলা আমাৰ কাম*
*কোৰ মাৰি ফল খাওঁ*
*চাহ তলত বহি।।*

বৰ্ত্তমানে ডেকাচাম মজদুৰ ভায়ে ঝুমুইৰ গীতৰ বাহিৰে তেওঁলোকৰ অন্যান্য গীত-মাত সমূহ প্ৰায় পাহৰি গৈছে, নাগায় বা গাবলৈ এৰি দিছে। বোলছবিৰ গীতবোৰহে তেওঁলোকৰ আপোন হৈ পৰা দেখা যায়।

অসমতে বাস কৰি অসমীয়া ভাষা-সংস্কৃতিক গ্ৰহণ কৰি সম্পূৰ্ণ অসমীয়া হৈ পৰা এই মজদুৰ ভাইসকলক লৈ আমি গৌৰৱ কৰিব পাৰোঁ। তেওঁলোকৰ মাজৰে কবি-সাহিত্যিক, শিল্পী, নেতাসকলে অসমীয়া সাহিত্য-সংস্কৃতিত যথেষ্ট অৰিহণা যোগাইছে। তেওঁলোকৰ মাজত কিছু বছৰৰ আগতহে শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। শিক্ষা-দীক্ষাৰ সু-ব্যৱস্থা থকা হ'লে তেওঁলোকে অন্যান্য জাতিৰ লগত সমানে খোজত খোজ মিলাই যাব পাৰিলেহেঁতেন। এই কথা তেওঁলোকৰ গীততে প্ৰকাশ পাইছে।

মুণ্ডাগীত —

*দেশেৰ আঞা কাতানা*
*আসাম অসমীয়া*
*অসিমীয়া দেশোখেৰে*

*আসামীম বনাও জানা*
*আঞা এঙ্গান*
*আপোন জনম লেণ্ডিঙ্গা*
*আঞা দুকু নাম কেদা*
*আপু চুকু নাম কেদা*
*চিং চুবাৰে তাই কেনাৰে*
*দাক চুবাৰে তাই কেনা*
*আঞাৰে ভক্ত জুৱান*
*দুনিয়াৰ বনুৱা।।*

(অৰ্থ হ'ল — এৰি থই জন্মভূমি পিতৃ-মাতৃ সকলোৰে অসম দেশত হ'ল অসমীয়া। নিদিলে আমাক শিক্ষা, মানুহ নহ'লোঁ হায়, সেই কাৰণে লাহে লাহে হৈছোঁ দুখীয়া।)

শেষত চাহ মজদুৰসকলৰ মাজত প্ৰচলিত দেশপ্ৰেমমূলক গীত এটিৰে সামৰণি মাৰো।

*জাগ, জাগ, জাগ মজদুৰ যুৱক*
*তই দেশেৰ ধৰণী স্বৰূপ।*
*হাড় মাটি কৰে খুন পানী কৰে*
*দেশেৰ উন্নতি কৰ তই।।*
*যা তই আগুৱাই জ্ঞানেৰ পথে*
*তবে হবেক নাম তৰ এই জগতে।*
*স্বাধীন দেশেৰ তুই স্বাধীন নাগৰিক*
*দেশেৰ কাৰণে তুই যাচি নাই দূৰে।।*
*দেশেৰ কাৰণে তুই কৰবি জীৱন দান*
*ইতিহাসে প্ৰতি হবেক এই অৱদান।*
*দেশেৰ কাৰণে তুই কৰচি গমন*
*তবে হবেক নাম তৰ চীৰ অমৰ।।* ■

*(প্ৰকাশ কাল ঃ ১৯৭৯-৮১)*



# বিহু আৰু হুঁচৰি

অধ্যাপক নোমল গগৈ

## বিহু ঃ ব্যুৎপত্তি

অসমীয়া ভাষাত বিহু শব্দৰ অৰ্থ ব্যাপক। ই যি কোনো উৎসৱ-অনুষ্ঠানকে বুজায়। ভাষাতাত্ত্বিক দিশৰ পৰা বিহু শব্দৰ অৰ্থ সংকোচন ঘটিছে। বৰ্তমান বিহু বুলিলে আমি ব'হাগ, কাতি আৰু মাঘ বিহুক বুজোঁ।

বৈদিক সভ্যতাৰ পক্ষপাতী এক শ্ৰেণীৰ পণ্ডিতে 'বিহু' সংস্কৃত বিষুৱ শব্দৰ পৰা উৎপত্তি হোৱা বুলি অনেক যুক্তি প্ৰদৰ্শন কৰিব খোজে যদিও এই যুক্তিৰ সমৰ্থনত নিৰ্ভৰযোগ্য প্ৰমাণ পোৱা নাযায়। আচলতে লোক-নিৰুক্তিৰ ফল স্বৰূপেহে জনসাধাৰণৰ মনত এই ধাৰণাই ঠাই পাইছে। নিৰক্ষৰ জনসাধাৰণ আচহুৱা শব্দ পালে নিকটতম চিনাকি শব্দৰ লগত ইয়াৰ সাদৃশ্য বিচাৰিবলৈ যাওঁতেই লোক-নিৰুক্তি বা লোক-ব্যুৎপত্তি (folk-etymology) ৰ উদ্ভৱ হয়। বিহু শব্দৰ সমান্তৰাল অথবা প্ৰতিশব্দ সংস্কৃত ভাষাত নাই। সংস্কৃত সাহিত্যত ''বিষুৱৎ দিৱস'' বুলি ব্যাক্যাংশ এটি আছে যদিও এই দিনটোত ৰং আনন্দ কৰা হয় বুলি জনা নাযায়। বিষুৱ নামৰ শব্দ এটা সংস্কৃত ভাষাত আছে বাবেই হাড়ে-হিমজুৱে অসমীয়া বাপতি সাহোন কৌটিকলীয়া বিহু উৎসৱটি বৈদিক অনুষ্ঠান বুলি প্ৰতিপন্ন কৰিবলৈ যোৱাটো পণ্ডিতসকলৰ পাণ্ডিত্য প্ৰদৰ্শনৰ মিছা কচৰৎ নুবুলি আৰু কি আখ্যা দিব পাৰি? বৌদ্ধ ধৰ্মী টাইসকলে তেওঁলোকৰ উৎসৱক 'পয়' বা পুৱেই (pwe)

বোলে। টাই ভাষাত ''হু'' শব্দই গৰুক বুজায়। গতিকে টাই শব্দ ''পউ-হু''ৰে গৰু বা গৰু সম্পৰ্কীয় উৎসৱ বুজাব। ''পউ-হু''ৰ ধ্বনি পৰিবৰ্তন ঘটি বিহু শব্দ সৃষ্টি হোৱাটো অতি স্বাভাৱিক।

### বিহু মঙ্গোলীয় উৎসৱ

অসম ৰাজ্যৰ মঙ্গোলীয় লোক বাস কৰা অঞ্চল সমূহতহে বিহুৰ ব্যাপক প্ৰচলন দেখা যায়। ''বিহু গৈ পালেগৈ কলিয়াবৰ'' বোলা যোজনাটিৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পাৰি যে বিহু প্ৰধানতঃ উজনি অসমৰ উৎসৱহে অৰ্থাৎ শদিয়াৰ পৰা কলিয়াবৰ পৰ্যন্ত পুৰণি আহোম ৰাজ্যহে বিহুৰ প্ৰকৃত বিচৰণ ভূমি। অসমৰ মঙ্গোলীয় গোষ্ঠীৰো সকলো সম্প্ৰদায়ৰ মাজত বিহুৰ সমানে প্ৰচলন দেখা নাযায়। উদাহৰণ স্বৰূপে উজনিৰ সোণোৱাল সকলৰ মাজত বিহু প্ৰচলিত কিন্তু নামনিৰ ৰাভা, লালুং, ডিমাছা, মেচ আদিৰ মাজত নাই। ভৈয়ামৰ মিছিংসকলে বিহু পাতে কিন্তু পৰ্বতীয়াবোৰে নাপাতে। এই দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে বিষ্ণুৰাভাই বড়ো শব্দ 'বাং বিচু'ৰ পৰা বিহু উৎপত্তি হৈছে বুলি দেখুওৱা যুক্তিৰো কোনো সাৰ্থকতা বিচাৰি পোৱা নাযায়।

ড° প্ৰফুল্ল গোস্বামীয়ে ক'ব খোজে যে, চট্টগ্ৰাম অঞ্চলত 'বিষু', আৰাকানৰ চাক্‌মাবিলাকৰ 'বিচু', তামিলনাড়ুৰ নায়ৰ বিলাকৰ 'বিষু' আৰু নেপালৰ খচ নামৰ পৰ্বতীয়া জাতি বিশেষৰ মাজত 'বিশু চিকাৰ' আদি কেইটামান সহধৰ্মী অনুষ্ঠানৰ বাহিৰে আৰ্যবৰ্তৰ সিন্ধু গঙ্গা উপত্যকাত বিহু নামৰ কোনো অনুষ্ঠানৰে প্ৰচলন নাই। এই জাতি-জনজাতিসমূহ মঙ্গোলীয়, দ্ৰাবিড় অথবা নিষাদ গোষ্ঠীসম্ভূত। গতিকে বিহু আৰ্যসকলৰ উৎসৱ বুলি দেখুওৱা যুক্তি নিতান্ত অৰ্থহীন।

বিহুৰ উৎপত্তি স্থল প্ৰকৃতপক্ষত দক্ষিণ-পূব এচিয়া। ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে লিখিছে যে, এসময়ত দক্ষিণ-পশ্চিম চীনত বিহুৰ দৰেই বসন্ত উৎসৱ প্ৰচলিত আছিল। চেন আৰু ৱেই নদীৰ পাৰত অৱস্থিত হো-নান ৰাজ্যৰ ডেকা-গাভৰুৱে গীত গাই গাই ফুল উপহাৰ দি পৰস্পৰ প্ৰেম নিবেদন কৰা প্ৰথা অদ্যাপি বিদ্যমান। টাইসকলৰ বিচৰণ ভূমি উত্তৰ ব্ৰহ্মাৰ শান ৰাজ্যত আমাৰ বিহুৰ সমসাময়িক তিনিটামান পয় বা পুৱেই পালন কৰা হয়। এই অনুষ্ঠানত ডেকা-গাভৰুৱে সুন্দৰ আৰু জাকজমকীয়া সাজ-পাৰ আৰু আ-অলঙ্কাৰ পিন্ধি অংশ গ্ৰহণ কৰে। ইয়াৰ যোগেদি তেওঁলোকে ভাৱৰ আদান-প্ৰদান কৰে আৰু প্ৰেম পাশত আবদ্ধ হৈ বিয়া কৰায়। তেওঁলোকে



এই 'পয়' বোৰত তাচ-পাশা খেলি ৰং-ৰহইচ কৰে আৰু কেতিয়াবা জুৱা খেলি সৰ্বস্বান্ত হোৱাও দেখা যায়।

### বিহুৰ বাদ্য-যন্ত্ৰ সমূহ

বিহুৰ বাদ্য-যন্ত্ৰ সমূহৰ ভিতৰত ঢোল, টকা, পেঁপা, গগণা, বাঁহী উল্লেখযোগ্য। এই বাদ্য-যন্ত্ৰবোৰৰ একাংশ অথবা গোটেইটো বাঁহেৰে নিৰ্মিত। বাঁহেৰে নিৰ্মিত সামগ্ৰী মানেই মঙ্গোলীয় সংস্কৃতিৰ অৱদান। সেয়ে মঙ্গোলীয় সংস্কৃতিৰ আন এটি নাম বাঁহ সংস্কৃতি (Bamboo culture)। ঢোলৰ উৎপত্তি স্থল দক্ষিণ চীনৰ টাই জাতি বসবাস কৰা অঞ্চল। অৱশ্যে চীনা লোকসকলে অসমীয়া ডেকাৰ নিচিনাকৈ ঢোল ডিঙিত আঁৰি নবজায়, কঁকালত বান্ধিহে লয়। ভাৰতীয় সংস্কৃতিত ঢোল অচিনাকি নহ'লেও অসমৰ বাহিৰে অন্য প্ৰদেশৰ ঢোলৰ নিৰ্মাণ আৰু বাদন পদ্ধতি সম্পূৰ্ণ বেলেগ। পণ্ডিতসকলৰ মতে বাঁহেৰে নিৰ্মিত গগণাৰ প্ৰচলন অসমৰ বাহিৰে পৃথিৱীৰ ক'তো নাই। ড° প্ৰফুল্ল দত্ত গোস্বামীৰ মতে ধাতুৰে নিৰ্মিত গগণা জাতীয় এক প্ৰকাৰ বাদ্য তেলেঙ্গানাৰ দুই এটি পাহাৰীয়া জাতিৰ মাজত দেখা যায়। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে বাঁহৰ বাঁহী মধ্যযুগত দক্ষিণ চীনৰ পৰা অসমৰ মাজেদি থকা বাণিজ্য পথেদি ভাৰতলৈ আহে।

### বিহুৰ ক্ৰমবিকাশ

ত্ৰয়োদশ শতিকাৰ আদি ভাগত চাওলুং চুকাফাৰ নেতৃত্বত ব্ৰহ্মদেশৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজন কৰা টাই-আহোম সকলৰ আগতে এই দেশত বিহু থকাৰ প্ৰমাণ পোৱা নাযায়। কিয়নো বৃহৎ মঙ্গোলীয় গোষ্ঠীৰ অসমত বাস কৰা জাতি-জনজাতিসমূহৰ ভিতৰত কেৱল টাই-আহোম সকলৰহে ভাষা-সাহিত্য বিদ্যমান। লিখিত সাহিত্য নথকা বাবেই প্ৰাক আহোম যুগত ব্ৰহ্মপুত্ৰ উপত্যকাত বিহু প্ৰচলন থকা কথা ন দি কোৱা টান। ''দেওধাই বুৰঞ্জী''ত আহোম স্বৰ্গদেৱ সকলৰ পূৰ্ব পুৰুষ খুন্‌লুং খুন্‌লায়ে স্বৰ্গৰ পৰা সোণৰ জখলাৰে পৃথিৱীলৈ অৱতৰণ কৰোঁতে লগত এটা ঢোল, এহাল দেও কুকুৰা, হেংডাং আৰু চুম-ছেং —এই চাৰিপদ বস্তু লগত আনে বুলি উল্লেখ আছে। পণ্ডিতসকলে কোৱামতে ঢোলৰ উৎপত্তি স্থান যদি দক্ষিণ-চীন হয় তেনেহ'লেও এই কথা ডাঠি ক'ব পাৰি যে, বিহুৰ প্ৰধান বাদ্য ঢোলটো টাই জাতিৰহে অৱদান।

স্বৰ্গদেৱ প্ৰমত্ত সিংহৰ দিনৰ পৰা জেৰেঙা পথাৰত পকা ৰংঘৰ নিৰ্মাণ হোৱাত ৰংঘৰ প্ৰাঙ্গণত ৰাজকীয় পৃষ্ঠপোষকতাত বিহু উদ্‌যাপিত হৈছিল বুলি জনা যায়। লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত মোৱামৰীয়া বিদ্ৰোহৰ ফলস্বৰূপে ৰাজভগন হোৱাত ৰাণী কুৰঙ্গনয়নীয়ে হুচৰি দলৰ সহযোগত ১৬৯২ শকত (১৭৭০ চন) ৰাঘৰ মৰাণ, নাহৰ খোৰা আৰু ৰজা ৰমাকান্তক হত্যা কৰি হৃত আহোম ৰাজ্য উদ্ধাৰ কৰাৰ কাহিনী তুংখুঙীয়া বুৰঞ্জীয়ে কয়। স্বৰ্গদেৱসকলৰ পৃষ্ঠপোষকতাতে বিহু কালক্ৰমত অসমৰ জাতীয় উৎসৱলৈ ৰূপান্তৰিত হয়। স্বৰ্গদেৱসকলৰ উদ্যোগতে সম্ভৱতঃ বিহু উৎসৱে নগা, মিৰি, ডফলা, মিকিৰ আদি পৰ্বতীয়া জাতিবোৰকো ৰংঘৰ প্ৰাঙ্গণৰ বিহুমেলালৈ আকৰ্ষণ কৰিছিল আৰু এনে অনুষ্ঠানৰ মাজেদিয়েই স্বতঃস্ফূৰ্তভাৱে পৰ্বত-ভৈয়ামৰ মাজত সম্প্ৰীতি তথা আনুভূতিক ঐক্য সাধিত হৈছিল। বিহু গীতসমূহে আমাক এই বুৰঞ্জীও কয় ঃ

*নগাৰে চাঙতে পেঁপাটি বাজিলে*
*ডফলাই ধৰিলে টকা।*
*ল'ৰা বুঢ়া ডেকা ৰঙতে বলিয়া*
*অসমৰ বিহুৰা ডেকা।।*
*মিৰিৰ বৰ চাঙত বাজে বৰ কাঁহী*
*ভৈয়ামত বাজিলে ঢোল,*
*চেঙেলীয়া মনক বুজাব নোৱাৰোঁ*
*ছিঙি যায় ওদালৰ ডোল।*
*ৰংঘৰৰ পদূলি উদুলি মুদুলি*
*আহিলে ৰঙৰে বেলা,*
*ঢোলে ডগৰেৰে গিজতাঁও গিজতাঁও*
*ৰঙালী বিহুৰে মেলা।*

**গছতলৰ বিহু**

বিহু যৌৱনৰ উৎসৱ। ডেকা-গাভৰুহঁতে মুকলি মনেৰে জুম বান্ধি বেলেগ বেলেগ নিৰ্জন ঠাইৰ বৰ গছ, আঁহত গছৰ তল অথবা বাঁহনি বাৰীত বিহু পাতিছিল। সংস্কৃতিবিদ শ্ৰীলীলা গগৈয়ে কৈছে যে, এই বিহু তিনিধৰণে অনুষ্ঠিত



হৈছিল — (ক) কেৱল ডেকাৰ (খ) কেৱল গাভৰুৰ আৰু (গ) ডেকা-গাভৰুৰ মিহলি। গাঁৱৰ সকলো ডেকা লগ লাগি ৰাতি ৰাতি গাঁৱৰ অদূৰত থকা গছতলত এই বিহু পাতে। গাঁৱৰ ভিতৰৰে নিৰ্জন ঠাইৰ গছৰ তল অথবা বাঁহনি বাৰীত গাভৰুৱে বিহু কৰে। কেতিয়াবা গাভৰু বিহুৰ কিছু আঁতৰত থাকি ডেকাহঁতে গাভৰুৰ বিহুনামৰ উত্তৰ-প্ৰত্যুত্তৰ স্বৰূপে বিহু গীত গায়। এনে বিহুৱেই ডেকা-গাভৰুৰ মিহলি বিহু। বিহুগীতত গছ-গছনিৰ সঘন উল্লেখ পোৱা যায় ঃ

*আহোঁ বৰৰ তলে যাওঁ বৰৰ তলে*
*বৰৰে ঢপলা পাত,*
*বৰৰে তলতে মোকে নোজোকাবি*
*ওলাব মইনা মাত।*

* * *

*আঁহতৰ তলতে গোপী ঢাল খেলে*
*সোণ পোৱালৰ মণি,*

* * *

*বাঁহৰ তলে তলে বাঁহীটি বজালোঁ*
*শাহু আয়ে শুনকহি বুলি,*

মুকলি প্ৰকৃতিৰ গছতল-বাঁহতলত গোৱা বিহুগীতবোৰে অনেক সময়ত শালীনতাবোধৰ সীমা চেৰাই যায়। সেয়ে এই গীতবোৰ পিতৃ-মাতৃ, বাই-ভনী আৰু ককাই-ভাইৰ সাক্ষাতত পৰিৱেশন কৰা সম্ভৱ নহয়। বিহু সংক্ৰান্ত এই গীতবোৰেই কালক্ৰমত বনগীত বা বনঘোষা নামে চিহ্নিত হ'ল।

**জেং বিহু**

গছ তলত অনুষ্ঠিত মুকলি আধুনিক মঞ্চত সজাই-পৰাই পৰিৱেশন কৰোতে কেতিয়া ইয়াৰ নাম জেং বিহুলৈ ৰূপান্তৰিত হ'ল তাৰ উৱাদিহ পোৱা টান। জেং বিহুত গছৰ ডাল এটাক গছ তল বা বসন্ত প্ৰকৃতিৰ পটভূমিৰ প্ৰতীক ৰূপে কল্পনা কৰি লোৱা হয়। এই গছৰ ডালটোকে হয়তো কোনোবাই জেং বুলি অভিহিত কৰিলে। কিন্তু এটা কথা উল্লেখযোগ্য এই যে, এই বিহু গাভৰুৰ দ্বাৰাহে অনুষ্ঠিত হয়, ডেকাই ইয়াত অংশ গ্ৰহণ নকৰে। কোনো

কোনো চিন্তাবিদে ভবাৰ দৰে জেং শব্দ আহোম ভাষাৰ জিং (= জী) অথবা ঞেঙ্ (= মাইকী) ৰ অপভ্ৰংশও হ'ব পাৰে। এই কথা মনত ৰখা উচিত হ'ব যে, শিৱসাগৰ জিলাত গাভৰু বিহুক জেং বিহু বোলা নহয়। জেং বিহু নামটোত আধুনিকতাৰ স্পৰ্শ আছে যেন অনুমান হয়। আৰু এই নামৰ প্ৰচলন ১৫/২০ বছৰ আগত সম্ভৱতঃ নাছিল।

**হুচৰি**

বিহু অথবা জেং বিহু নাম দুটাৰ দৰে হুচৰি শব্দটোৰো ব্যুৎপত্তি অন্ধকাৰৰ গৰ্ভত বিলীন হ'ল। এই শব্দৰো অসংখ্য লোক-নিৰুক্তি পণ্ডিতসকলে উদ্ভাৱন কৰা দেখা যায়। আগতে কোৱা হৈছে যে ৰাজকীয় পৃষ্ঠপোষকতাত বিহু ৰংঘৰ প্ৰাঙ্গণত অনুষ্ঠিত হৈছিল। আহোম ভাষাত ৰংঘৰৰ নাম ''চ' ৰেন''। ৰংঘৰ প্ৰাঙ্গণ আৰু কালক্ৰমত ডা-ডাঙৰীয়াৰ চোতালত অনুষ্ঠিত বিহুৱেই ''হু-চ'-ৰেন'' বা হুচৰি নামে জনাজাত হ'ল। গছতলৰ বিহু আৰু হুচৰিৰ পাৰ্থক্য গাভৰু আৰু বোৱাৰীৰ নিচিনা। গছতলৰ বিহু যেনিবা ৰাংঢালী মুকলিমূৰীয়া গাভৰু আৰু হুচৰি যেনিবা লজ্জাশীলা আৰু খোজ-কাটলত গহীন গম্ভীৰ বোৱাৰী।

গছতলৰ বিহু ৰাজকীয় পৃষ্ঠপোষকতাত হুচৰিলৈ ৰূপান্তৰিত হ'ল যেনেকৈ মুকলিমূৰীয়া মইনা চৰাইটি পিঞ্জৰাবদ্ধ হ'ল। ইয়াৰ ফলস্বৰূপে উদ্দাম যৌৱনৰ বন্দনাগীতি স্বৰূপে যৌনগন্ধী বিহুগীতবোৰ মাৰ্জিত ৰুচিসম্পন্ন হৈ হুচৰি গীতলৈ পৰিৱৰ্তিত হ'ল। হুচৰিত পৰিবেশন কৰা গীতসমূহ স্বৰ্গদেৱ আৰু ডা-ডাঙৰীয়াসকলৰ প্ৰশস্তি, পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধাসূচক আৰু প্ৰকৃতি প্ৰীতিৰ নিদৰ্শন।

লোক সাহিত্যৰ বিশেষজ্ঞ শ্ৰীলীলা গগৈয়ে কৈছে যে, হুচৰি ব্ৰহ্মদেশতো বিদ্যমান। ডেকাহঁতে ঢোল-পেঁপা, টকা লৈ নাচি বাগি পদুলিৰ আগেদি যাওঁতে গৃহস্থই তামোল পানৰ শৰাই দি মাতিলে চোতালতো গায়। আমাৰ হুচৰিও গৃহস্থই তামোল-পাণৰ শৰাই দি মাতিব লাগে। আজিকালি অৱশ্যে সামৰণিতহে শৰাই দি সেৱা লয়।

হুচৰি অনুষ্ঠান বৈষ্ণৱ যুগৰ আগতে সম্ভৱতঃ নাছিল। বৈষ্ণৱ যুগত কীৰ্তন-ঘোষাৰ আৰ্হিত হুচৰিৰ আৰম্ভণিত গৃহস্থৰ চোতালত ঘূৰি ঘূৰি নাম গাবলৈ লয়। স্বৰ্গদেৱ আৰু ডা-ডাঙৰীয়াৰ ঘৰত হ'লে ঘোষা-পদৰ পিচত একোষাৰ প্ৰশস্তি গাই বিহু আৰম্ভ কৰে ঃ



*স্বৰ্গদেও ওলালে বাট চৰাৰ মুখলৈ*
*দুলীয়াই পাতিলে দোলা,*
*কাণত জিলিকিছে মকৰ কুণ্ডল*
*গাতে গোমচেঙৰ চোলা।*

হুচৰিত, আই সৰস্বতীক পাহৰা নাম সোঁৱৰাই দিবলৈ আৰু সমজুৱা দৰ্শকক বেয়া নাম ওলালে ক্ষমা কৰিবলৈ অনুৰোধ কৰা হয়। ভালেমান দাৰ্শনিক ভাবা-পন্ন বিহুগীত বৈষ্ণৱ যুগত ৰচিত হয়। বিহুগীতৰ মূল দৰ্শন জীৱনৰ অসাৰত্ব, যৌৱনৰ ক্ষণস্থায়িত্ব প্ৰতিপাদন কৰা নহয়। বিহু ডেকা-গাভৰুৰ যৌন-আকৰ্ষণমূলক আৰু যৌৱনৰ বন্দনা গীতি; সেয়ে বৈষ্ণৱ আদৰ্শক শ্ৰদ্ধা জনায়ো ডেকাসকলে গায় ঃ

*গা ধুই ভকতে গুৰু সেৱা কৰে*
*ঘাটে সেৱা কৰে নাও,*
*মই চিন্তা কৰোঁ মোৰে চেনাইটিক*
*কেনেকৈ অকলে পাওঁ।*

ৰঙালী বিহুত ডেকা-গাভৰুৰ মনলৈ সততে আহে জীৱনটোক যিমান পৰা যায় বেছিকৈ উপভোগ কৰা বাসনা। সেয়ে তেওঁলোকে গায়,

*যৌৱন সোণোৱালী যেনে নৈৰে বালি*
*যায় বতাহত উৰি,*
*যৌৱন ভাটি মাৰি গ'লে ছাটি মাৰি*
*আকৌ জানো আহিব ঘূৰি।*

*বৈনো বৈ ধেমালি কৰিম,*
*জীয়াই থাকো মানে ধেমালি কৰিম ঐ*
*মৰিলে কাহানি কৰিম?*

**বিহুৰ স্বৰূপ**

বিহুৱে অসমীয়া সংস্কৃতিৰ প্ৰতিনিধিত্ব কৰে। অসমীয়া জাতিৰ দৈনন্দিন জীৱন, আহাৰ-বিহাৰ, ক্ৰাড়া-কৌতুক, আমোদ-প্ৰমোদ, আচাৰ-অনুষ্ঠান, পাৰিবাৰিক জীৱন, আৰ্থিক-সামাজিক ব্যৱস্থা, বৌদ্ধিক-মানসিক বিকাশ,

কলা প্ৰীতি, সৌন্দৰ্যবোধ, প্ৰকৃতি-প্ৰীতি, হস্ত শিল্প, বয়ন শিল্প, আশা-আকাঙ্ক্ষা, চিন্তা-চৰ্চা আদিৰ সামগ্ৰিক পৰিচয় বহন কৰে বিহুগীতবোৰে। আধ্যাত্মিক দৃষ্টিৰ পৰাও কাতিবিহু সাত্বিক, মাঘবিহু ৰাজসিক আৰু বহাগবিহু তামসিক গুণসম্পন্ন।

ৰঙালীবিহু পূৰ্ণপয়োভৰা বসন্ত কালত অনুষ্ঠিত হয়। প্ৰকৃতিৰ প্ৰাচুৰ্য আৰু নৱযৌৱন দেখি ডেকা-গাভৰুৰ মন-প্ৰাণ আনন্দত মতলীয়া হয়। প্ৰকৃতিৰ সন্তান অসমীয়া ডেকা-গাভৰুৱে যৌৱনৰ বন্দনাগীতি বিহু গীতেৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। ঢোল-তাল-টকা-পেঁপা-গগনাৰ ধ্বনিৰে আকাশ নিনাদিত হয়। শাৰদীয় শান্ত আৰু সমাহিত প্ৰকৃতিৰ মাজ মজিয়াত কঙালী বিহু উদ্‌যাপিত হয়। খাদ্যৰ অনাটন আৰু প্ৰকৃতিৰ সৌম্য আৰু গম্ভীৰ ৰূপে মানৰ অন্তৰত আদি ৰসৰ পৰিৱৰ্তে ভক্তিভাৱৰ উদ্ৰেক কৰে। শস্যৰ মঙ্গল কামনা কৰি অসমীয়া ৰাইজে ভক্তিভাৱেৰে তুলসী তলত এগছি বন্তি জ্বলাই মাহ-প্ৰসাদৰ এখনি শৰাই আগবঢ়ায়। ঘৰৰ পিৰালি, ভঁৰালৰ আগ আৰু পথাৰত শস্যৰ অনিষ্টকাৰী পোকৰ বিনাশ কামনা কৰি মিঠাতেলৰ চাকি জ্বলায়। ভোগালী বিহু ভোগ আনন্দৰ উৎসৱ। শালিখেতিৰ সামৰণিত অনুষ্ঠিত এই বিহু ডেকা-গাভৰুৰ ভোগৰ সঁফুৰা। গাভৰু বোৱাৰীয়ে চিৰা-পিঠা-সান্দহ আদি বিবিধ খাদ্য-সামগ্ৰীৰ আয়োজন কৰে। উৰুকাৰ দিনা গধুলি ৰাজহুৱা ভোজ খায় আৰু সংক্ৰান্তিৰ দিনা পুৱা মেজি পোৰে। মাঘৰ বিহু লগতে শীতকালৰ বিদায় উৎসৱো। বিহু গীতত কৈছে ঃ

*বহাগৰ বিহুটি*
*অতিকৈ ৰঙালী*
*কঙালী কাতিৰে বিহু,*
*মাঘৰে বিহুটি*
*ভোগৰে সঁফুৰা*
*ডেকাৰে ভোগালী বিহু।*

বিহু এহাতে যেনেকৈ ঋতু উৎসৱ আনহাতে ই কৃষি উৎসৱো। ঋতু বা প্ৰকৃতি উপাসনাৰ চূড়ান্ত অভিব্যক্তি হৈছে বহাগ বা ৰঙালী বিহু। পশু-পক্ষী, গছ-গছনিত নৱযৌৱন সঞ্চাৰ হোৱাৰ লগে লগে ডেকা-গাভৰুৰ মন-প্ৰাণ আনন্দত অভিভূত হয়, হৃদয়ত আদিম যৌনক্ষুধা মুঞ্জৰি উঠে। এই দিশৰ পৰা বিহু উৰ্বৰতা অনুষ্ঠান। বিহুৰ লগত প্ৰাচীন চীনদেশৰ উপৰিপুৰুষৰ



উপাসনা (The Cult of the Ancestor Worship) অনুষ্ঠানৰো সম্পৰ্ক থাকিব পাৰে। কিয়নো এই অনুষ্ঠান শৰত আৰু বসন্ত দুয়োটা কালতে উদ্‌যাপন কৰা হৈছিল। হুচৰি গীতত ইয়াৰ ক্ষীণ উল্লেখ আছে যেন অনুমান হয় ঃ

*ওপৰৰ দেৱতা শুনা কাণ পাতি*
*আমিযে হুচৰি গাওঁ।*

বিহু নাচত নাচনীয়ে কঁকাল ভাঙি, বুকু নচুৱাই, বিভিন্ন যৌনমুদ্ৰা প্ৰদৰ্শন কৰি আৰু যৌন আবেদনমূলক গীত গাই নচা নাচোনে উৰ্বৰতা আৰু শস্য বৰ্ধনৰ ইঙ্গিত বহন কৰে।

**বিহু গীত**

বিহুগীত দুলড়ী অথবা লেঙা দুলড়ী ছন্দত ৰচিত। সংস্কৃত প্ৰকীৰ্ণ শ্ৰেণীৰ কবিতা আৰু চীন জাপানৰ চুম্বক আৰু চিত্ৰ-প্ৰতীক ধৰ্মী কবিতাৰ লগত বিহু গীতৰ সাদৃশ্য আছে। বিহু গীতসমূহ গীতিকবিতাৰ উৎকৃষ্ট নিদৰ্শন। সাহিত্যিক মূল্যৰ দিশৰ পৰাও গীতসমূহ অনবদ্য। প্ৰতীক, উপমা, ৰূপক, উৎপ্ৰেক্ষা, মানসচিত্ৰ আদি নানা অলঙ্কাৰেৰে বিহু গীতসমূহ সমৃদ্ধ। গীতবোৰ শৃঙ্গাৰ, হাস্য আৰু করুণ ৰসেৰে সিক্ত। হুচৰি গীতসমূহ বিশুদ্ধ আনন্দ প্ৰকাশক প্ৰকৃতিৰ বন্দনাগীতি।

বিহু অসমৰ জাতীয় জীৱনৰ সৰ্বতোমুখী প্ৰকাশ আৰু বিহু গীতসমূহ স্বভাৱকবি অসমীয়া ডেকা-গাভৰুৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি। যুগে যুগে বিহু অসমীয়া জাতিৰ আশা-আকাঙ্ক্ষাৰ প্ৰতীক আৰু প্ৰেৰণাৰ উৎস হৈ থাকিব।■

*[লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক তথা বিশিষ্ট লেখক-সম্পাদক]*

*(প্ৰকাশ কাল ঃ ১৯৮১-৮২)*

# অনাতাঁৰ আৰু নিৰপেক্ষতা

ৰাজু কুমাৰ চাংমাই
স্নাতক প্ৰথম বৰ্ষ (কলা)

কোনো এখন দেশৰ এক বৃহৎ সংখ্যক জনগণৰ মতামত বা পৃথিৱীৰ কোনো ঠাইত সংঘটিত হোৱা বিভিন্ন ঘটনা, গণ-আন্দোলন, যুদ্ধ বিগ্ৰহ আদিৰ বিষয়ে বা-বাতৰি প্ৰচাৰৰ ক্ষেত্ৰত অনাতাঁৰ কেন্দ্ৰই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অনাতাঁৰ কেন্দ্ৰ হ'ল গণ সংযোগৰ এক বিশেষ মাধ্যম।

পৃথিৱীৰ ভিতৰত একমাত্ৰ নিৰপেক্ষৰূপে জনসাধাৰণৰ মতামত আৰু সকলো দেশৰে বাহ্যিক, আভ্যন্তৰীণ বা-বাতৰি তৎকালীনভাৱে প্ৰচাৰ কৰাত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে বি, বি, চি (British Broadcasting Corporation) এ। অলপদিনৰ আগতে 'ফক্লেণ্ড' দ্বীপটো অধিকাৰ কৰিবলৈ আৰু তাৰ ওঠৰশ ভেৰাৰখীয়াৰ (যি সকলক বৃটিছ চৰকাৰে নিজেই সংস্থাপন দিছিল) বাবে আৰ্জেণ্টিনাৰ সৈতে যি তুমুল সংঘৰ্ষ সৃষ্টি হৈছিল, সেই যুদ্ধৰ সকলো বা-বাতৰি সত্যতাৰে বিশ্ববাসীৰ সন্মুখত দাঙি ধৰাৰ লগতে উক্ত সংঘৰ্ষত লিপ্ত বৃটিছ চৰকাৰক এই সংস্থাটিয়ে তীক্ষ্ণভাৱে সমালোচনা কৰি সমগ্ৰ পৃথিৱীতে এটা চাঞ্চল্যৰ সৃষ্টি কৰিলে। ফলস্বৰূপে বৃটিছ প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থেছাৰৰ সন্মুখত এটা জ্বলন্ত সমস্যাই দেখা দিছে। থেছাৰে উক্ত কৰপ'ৰেচনৰ এগৰাকী উচ্চপদস্থ বিষয়াক এই অনুষ্ঠানে নিজৰ চৰকাৰৰ বিপক্ষে কিয় বিশ্ববাসীৰ আগত আলোচনা-সমালোচনা প্ৰকটকৈ দাঙি ধৰিছে এই সম্পৰ্কে প্ৰশ্ন কৰাত তাৰ উত্তৰ স্বৰূপে বি, বি, চিৰ সম্পাদক ফ্ৰান্সিচ্ ৰিচাৰ্ডে



নিৰ্ভীকভাৱে উত্তৰ দিছে যে —বি, বি, চি কোনো চৰকাৰৰ বহতীয়া অনুষ্ঠান নহয়। ই এক নিৰপেক্ষ নিগম! কি নিৰ্ভীক উত্তৰ! কি স্পষ্টবাদিতা! ৰিচাৰ্ডৰ উত্তৰত স্বয়ং বৃটিছ প্ৰধানমন্ত্ৰীও স্তম্ভিত হ'ব লগাত পৰিছিল। বি, বি, চি অনুষ্ঠানটি ইংলেণ্ডৰ ৮১% জন লোকৰ সবাতোকৈ জনপ্ৰিয় অনুষ্ঠান।

কিন্তু আমি ভাৰতৰ 'আকাশবাণী'ৰ ক্ষেত্ৰত অতদিনে কি দেখি আহিছোঁ?

আমাৰ দেশৰ অনাতাঁৰ কেন্দ্ৰবোৰ চৰকাৰৰ যেন একো একোটা বহতীয়া অনুষ্ঠানহে। শাসনাধিস্থ চৰকাৰে আমাৰ দেশীয় অনাতাঁৰ কেন্দ্ৰবোৰক দলীয় স্বাৰ্থতহে ব্যৱহাৰ কৰি আহিছে। আমাৰ 'আকাশবাণী'সমূহ উচ্চপদস্থ চৰকাৰী বিষয়াৰ আঙুলিৰ নিৰ্দেশত চৰকাৰৰ গুণ-গান প্ৰশস্তি গোৱাতেই ব্যস্ত থাকিব লগা হৈছে। দেশৰ বিভিন্ন কোণৰ জন-সাধাৰণৰ মতামতসমূহ, আশা-আকাংক্ষা দেশবাসী তথা বিশ্ববাসীৰ আগত নিৰ্ভুল আৰু নিৰপেক্ষভাৱে কোনো দিনেই দাঙি ধৰিবলৈ সামান্যতমো প্ৰয়াস কৰা দেখা নাযায়। ই বৰ পৰিতাপৰ কথা।

অসম আন্দোলনৰ সময়ছোৱাত আমাৰ অনাতাঁৰ কেন্দ্ৰবোৰে কেনে ধৰণৰ ভূমিকা প্ৰদৰ্শন কৰি আহিছে তাক পুনৰ দোহাৰিবৰ প্ৰয়োজন নাই — সুস্থ ব্যক্তি মাত্ৰেই বুজি পাইছে।

শেহতীয়াভাৱে গুৱাহাটী আৰু ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰই সংগ্ৰামী শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সমূহ গীতৰ প্ৰচাৰ অনিৰ্দিষ্ট কাললৈ বন্ধ ৰাখিছে — জানোচা আগৰৱালাদেৱৰ দেশপ্ৰেমমূলক, জাতীয় চেতনা উদ্দীপক বিপ্লৱী গীতসমূহে অসমৰ সংগ্ৰামী জনগণক দেশপ্ৰেমেৰে অধিক উদ্বুদ্ধ কৰি তোলে! ই পিছে চৰকাৰৰ চৰম দুৰ্বলতা আৰু ভীৰুতাৰহে পৰিচায়ক। কাৰণ চৰকাৰী প্ৰচাৰ যন্ত্ৰৰ মাধ্যমেৰে গীতসমূহ প্ৰচাৰ নকৰিলেও জনতাৰ অন্তৰৰ পৰা জ্যোতিপ্ৰসাদৰ দৰে মহান শিল্পীৰ প্ৰতি থকা গভীৰ আস্থা কেতিয়াও কাঢ়ি আজুৰি আঁতৰাই নিব নোৱাৰে। চৰকাৰৰ শিল্পীৰ প্ৰতি এনে চূড়ান্ত অৱমাননাই শিল্পীসকলৰ প্ৰতি জনতাৰ উৎসুকতা অধিকহে কৰি তুলিব।

আমি সেয়ে এনে চৰকাৰক সঁকিয়াই দিব বিচাৰোঁ যে, অনাতাঁৰ কেন্দ্ৰসমূহক অনতিবিলম্বে চৰকাৰী অক্টোপাচৰ চেপাৰ পৰা মুক্তি দিয়ক আৰু এই কেন্দ্ৰসমূহক দলীয় স্বাৰ্থৰ উৰ্দ্ধত থাকিবলৈ দিয়ক। ইয়াকে কৰিলে দেশত সুস্থ জনমত গঠিত হোৱাত অন্তৰায় নাথাকিব আৰু দেশত এক সুস্থ-সৱল

চৰকাৰ গঠনতো যথেষ্ট সহায়ক হ'ব। ইয়াৰ লগতে অনাতাঁৰ কেন্দ্ৰৰ লগত জড়িত থকা সাংবাদিক, বাতৰি যোগনীয়াৰ সংস্থাবোৰো সম্পূৰ্ণ নিৰপেক্ষ মনোভাৱৰ আৰু স্বচ্ছ অন্তৰৰ হ'ব লাগিব।

দেশৰ অনাতাঁৰ কেন্দ্ৰবোৰ সম্পূৰ্ণ নিৰপেক্ষ হোৱাত উদগনি যোগালে দেশৰেই এক মহৎ ঐক্য আৰু উপকাৰ সাধিত হ'ব। ■

*(প্ৰকাশ কাল ঃ ১৯৮২-৮৩)*



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# ৰক্তবণ্যাৰে ধৌত অসমৰ নিৰ্বাচনটো

**সন্দীপ কুমাৰ চেতিয়া**
প্ৰাক্-স্নাতক ২য় বাৰ্ষিক (বাণিজ্য)

''অসমে যিটো কৰিবলৈ নিবিচাৰে, সেইটো কোনেও জোৰকৈ কৰাব নোৱাৰে।'' — কথাষাৰ কোৱা মানুহজন আছিল মহামানৱ মহাত্মা গান্ধী।

অবৈধ বিদেশী ভোটাৰেৰে অসমত নিৰ্বাচন অনুষ্ঠিত হৈ গ'ল। য'ত জনতাৰ তেজেৰে বন্দুকৰ নলীবোৰ চফা কৰা হ'ল, বুট জোতাবিলাকত তেজ ঘঁহি ৰঙা কৰা হ'ল, হাতৰ লাঠিবিলাকত তেলৰ বিপৰীতে তেজ ব্যৱহাৰ কৰা হ'ল। তথাপি দিল্লীয়ে আজিও চিঞৰি আছে সেয়া 'তেজ নাছিল, আছিল পানী'। সেইবাবেই নেকি কবি বিৰিঞ্চি ভট্টাচাৰ্য্যই ১৯৮৩ চনত লিখিবলৈ বাধ্য হ'ল 'তেজ লগা বহাগ' নামেৰে এটি কবিতা —

[VENGEANCE IS MINE – 'SAID THE LORD' – *BIBLE*]
*প্ৰতিশোধ মোক ল'বলৈ দিয়া — এই কথা ঈশ্বৰে ক'লে*
*স্বদেশৰ ৰাতিপুৱাবোৰ ফুলেৰে উপচি পৰক বুলিয়েই*
*মাটিডৰাত তেওঁলোকে বুকুৰ কেঁচা তেজ ঢালি দিলে*
*ব্যাধৰ শৰত নিস্তব্ধ হৈ গ'ল ৰুণ দিয়া কপৌৰ মাত*
*প্ৰতিশোধ মোক ল'বলৈ দিয়া*
*এই কথা ঈশ্বৰে ক'লে —*
*বতাহ ফালি*
*ৰণভেৰী বজাই*

*ঘোঁৰা চেঁকুৰাই*
*এইমাত্ৰ গ'ল গাণ্ডীৱধাৰী ঈশ্বৰ।*
*পাছে পাছে গ'ল*
*বৰদৈচিলা*
*কেঁচাইখাঁতী গোঁসানী*
*আৰু*

*তেজ লগা বহাগ —*
*ঈশ্বৰৰ হাতত ব্যাধৰ ঘৰৰ ঠিকনা।...*

আমি উভতি চাওঁ

**১৯৭৯ চনৰ কথা ঃ**

সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত অসমৰ সকলো ঠাইতে আৰম্ভ হ'ল আন্দোলন, গণ সমাবেশ। হাজাৰ হাজাৰ ৰাইজ শোভাযাত্ৰা কৰি ওলাই আহিল গণ সমাবেশলৈ। দীঘলীয়া বক্তৃতাৰে ছাত্ৰ সন্থা আৰু সংগ্ৰাম পৰিষদৰ নেতাই ৰাইজক বুজাই ক'লে যে — অসমত অবৈধভাৱে লাখ লাখ বিদেশী লোক সোমাই আছে, আমাৰেই মাটিবিলাক বেদখল কৰি আছে, নাগৰিকত্ব পাইছে। অবৈধ বিদেশী অসমত থাকিব নোৱাৰে, বিদেশী ভোটাৰেৰে অসমত নিৰ্বাচন পাতিব নোৱাৰে, আমি কেতিয়াও তেনে নিৰ্বাচন পাতিবলৈ নিদিওঁ। যদি এনেদৰে লাখ লাখ বিদেশী অসমত থাকিবলৈ হয়, তেন্তে এদিন গৈ অসমৰ অস্তিত্ব বিলোপ হ'ব। অবৈধ বিদেশীক অসমৰ মাটিৰ পৰা আঁতৰাই পঠিয়াবই লাগিব।

অসম আৰু অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে অহিংসা-অস্ত্ৰ লৈ শদিয়াৰ পৰা ধুবুৰীলৈকে অসমৰ সমূহ জনগণে সমস্বৰে সংগ্ৰামৰ প্ৰতিধ্বনি তুলিছে। হাজাৰ হাজাৰ সংগ্ৰামী ৰাইজ ৰাজপথলৈ ওলাই আহিল। প্ৰতিবাদৰ ধ্বনিয়ে ৰাজধানী দিল্লী কঁপাই তুলিছে। অসমৰ পৰা বিদেশী নাগৰিকক বহিস্কাৰ কৰক', 'ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম বাহিৰ কৰক', 'ভোটাৰ তালিকা সংশোধিত নকৰা পৰ্যন্ত অসমত কোনো নিৰ্বাচন অনুষ্ঠিত হ'ব নোৱাৰে'। কিন্তু ভাৰত চৰকাৰে নিৰ্বাচন অনুষ্ঠিত কৰিমেই বুলি দৃঢ়তাৰে ঘোষণা কৰিলে। নিৰ্বাচনী প্ৰস্তুতি চলিল। ৰাইজে বাধা দিলে বিপুল



শক্তিৰে। অহিংসাৰ মহান বাণী লৈ বুকুৰ কেঁচা তেজ ঢালি আই অসমীৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ প্ৰথম পদক্ষেপত খৰ্গেশ্বৰ তালুকদাৰ শ্বহীদ হ'ল।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ এঘাৰটা সমষ্টিৰ এইটো সাধাৰণ নিৰ্বাচন নহ'ল। মাত্ৰ বৰাক উপত্যকাৰ সমষ্টি দুটাত ভোট গ্ৰহণ অনুষ্টিত হ'ল।

**১৯৮০ চনৰ কথা ঃ**

১৯৮০ চনৰ জানুৱাৰী মাহত কংগ্ৰেছ (ই) দলৰ আনোৱাৰা টাইমুৰ অসমৰ মুখ্যমন্ত্ৰী হ'ল। ১৪ জানুৱাৰী তাৰিখে ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন টাইমূৰ চৰকাৰে অসমত শাসনৰ 'বৰ মাদলি' পিন্ধিলে।

৮০ চনত জনতা চৰকাৰৰ পতনৰ পাচত ইন্দিৰা গান্ধী পুনৰ ক্ষমতালৈ ঘূৰি অহাৰ লগে লগে স্বাভাৱিকতে অসমৰ জনসাধাৰণে অলপ হ'লেও আশা কৰিছিল, ৭৯ চনৰ তিক্ততাৰ পাচত ইন্দিৰা চৰকাৰ বা অসমৰ নৱনিৰ্বাচিত আনোৱাৰা মন্ত্ৰী সভাই অসমক, অসমীয়া জনসাধাৰণক আও পন্থাৰে 'কিবা' এটা সদ্ উত্তৰ দিব। কিন্তু ১৪ জানুৱাৰীত ক্ষমতাৰ মাদলি পিন্ধি তাৰ মাত্ৰ চাৰি দিনৰ পাচতে আনোৱাৰা মন্ত্ৰীসভাই ১৮ জানুৱাৰী তাৰিখে অসমবাসীৰ আশা-আকাংক্ষাত চেঁচাপানী ঢালি কেন্দ্ৰীয় চৰকাৰৰ শান্তিসেনাৰ হতুৱাই তেল নগৰী দুলিয়াজানত শান্তিপূৰ্ণভাৱে পিকেটিং কৰি থকা হাজাৰ হাজাৰ নিৰস্ত্ৰ জনতাৰ ওপৰত অপ্ৰৰোচিতভাৱে চৰম বৰ্বৰতাৰে গুলীৰ ওপৰি গুলী চালনা কৰোৱালে। পুলিচৰ গুলীত অজিত নেওগ, নগেন ডেকা, নৃপেন বৰা আৰু কুমুদ গগৈ এই চাৰিজনৰ থিতাতে মৃত্যু হয়। শ শ লোক আহত হ'ল।

উক্ত জানুৱাৰী মাহতে উত্তৰ কামৰূপৰ মুকালমুৱাকে আদি কৰি এক ব্যাপক অঞ্চলত ভাৰতীয় সৈন্যবাহিনী, চি.আৰ.পিৰ দ্বাৰা আমাৰেই বাই-ভনীৰ ওপৰত যি পাশৱিক বলাৎকাৰ-ধৰ্ষণ-লুণ্ঠন চলি গ'ল, সেই স্মৃতি কোনোবা সংগ্ৰামী অসমীয়াই আজীৱন পাহৰিব পাৰিবনে?

**১৯৮৩ চনৰ কথা ঃ**

১৯৮৩ চনৰ ৫ জানুৱাৰী তাৰিখে দিল্লীত অসম সমস্যা সম্পৰ্কে চৰকাৰ আৰু বিৰোধী পক্ষৰ সৈতে অসমৰ আন্দোলনকাৰী নেতৃবৰ্গৰ মাজত আলোচনা চলি থকা অৱস্থাতে ভাৰতৰ গৃহমন্ত্ৰী পি, চি, শেঠীয়ে হঠাতে ঘোষণা কৰিলে

— ত্ৰিপাক্ষিক আলোচনা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হ'ল।

আলোচনা স্থগিত ৰখাৰ বাবে সদৌ অসম ছাত্ৰসন্থাৰ নেতা শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, শ্ৰীভৃগু কুমাৰ ফুকন, শ্ৰীজয়নাথ শৰ্মা, শ্ৰীনৰেণ তাঁতী আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতা শ্ৰীবিৰাজ শৰ্মা আৰু শ্ৰীঅতুল বৰা গুৱাহাটীলৈ ঘূৰি আহোতে কোনো কাৰণ নেদেখুৱাকৈ বৰঝাৰ বিমান কোঠতে তেওঁলোকক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত বন্দী কৰি ৰখা হয়।

উক্ত লানি আলোচনাৰে সৈতে আন্দোলনকাৰী প্ৰতিনিধিবৰ্গৰ সৈতে দিল্লীয়ে মুঠ ২৭ লানি আলোচনাত বহিল। ৫১ নে ৭১, ৬১ নে ৫১ — ছাগলী-বজাৰৰ দৰ দাম হ'লে নিচিগিল।

কেন্দ্ৰই চৰম বিশ্বাস ঘাটকতাৰে অসম আন্দোলনৰ কোনো এটা দাবীকে মানি নলৈ, পূৰ্বৰ আলোচনা কালত আন্দোলনকাৰী জনগণক যি আশ্বাস আৰু প্ৰতিশ্ৰুতি দিছিলে তাকো প্ৰতাৰণা কৰি বিদেশী ভোটাৰেৰে ভৰি থকা ১৯৭৯ চনৰে ভোটাৰ তালিকাৰ ভেটিত ১৯৮৩ চনৰ ১৪, ১৭ আৰু ২০ ফেব্ৰুৱাৰীত অসমত সাধাৰণ নিৰ্বাচন পতাৰ কথা সদম্ভে ঘোষণা কৰিলে।

নিৰ্বাচনৰ সিদ্ধান্ত হঠাৎ ঘোষণা কৰাত শদিয়াৰ পৰা ধুবুৰীলৈকে আন্দোলনকাৰী ৰাইজৰ প্ৰতিবাদৰ অগ্নিশিখাই অজস্ৰ প্ৰশ্ন তুলিলে। অসমত তেন্তে নিৰ্বাচন হ'ব? ১৯৭৯ চনৰ ভোটাৰ তালিকা সংশোধন নকৰাকৈয়ে? আজি চাৰিবছৰ ধৰি অসমবাসীয়ে আন্দোলন কৰি অহাৰ ফলাফল এয়ে নেকি? অসমবাসীৰ সীমাহীন ত্যাগ, শত শ্বহীদৰ তেজৰ মূল্য অথলে যাব নেকি??

নহ'ব !!!

গুলী খোৱা বাঘৰ দৰে অসমৰ ৰাইজ গজি উঠিল। ৰণভেৰী বজাই কেন্দ্ৰীয় চৰকাৰক সঁকিয়াই দিলে — অবৈধ বিদেশীলোকৰ নামেৰে ভৰি থকা ভোটাৰ তালিকাৰে অসমত নিৰ্বাচন হ'ব নোৱাৰে ! অন্যথাই তাৰ পৰিণাম ভয়ংকৰ হ'ব !!

কিন্তু কেন্দ্ৰীয় চৰকাৰ আঁকোৰগোজ। চাৰিবছৰ জুৰি আন্দোলনকাৰীয়ে দি অহা ঠেকাৰ বাবে প্ৰতিহিংসা পূৰণত জোৰ দিলে — অসমত নিৰ্বাচন হ'বই লাগিব! নিৰ্বাচনী আয়োগ পূৰ্ণ-স্তুতিৰে আগবঢ়াত ইন্দিৰা কংগ্ৰেছে বিজয়ৰ জয়ঢোল বজাবলৈ খৰখেদা লগালে। তাৰ বিপৰীতে আন্দোলনকাৰী



ৰাইজে নিৰ্বাচন ওফৰাই পেলাবলৈ পূৰ্ণ প্ৰস্তুতি চলালে। আৰম্ভ হ'ল সৰ্বাত্মক প্ৰতিৰোধ, অসহযোগ, কৰ্মচাৰীৰ অসহযোগ, জনতা সান্ধ্য আইন, অসম বন্ধ, নিষ্প্ৰদীপ দিৱস, পথ বন্ধ, নিৰ্বাচনৰ প্ৰাৰ্থী ঘেৰাও, জোৰ লৈ শোভাযাত্ৰা, ৰণধ্বনি আদি বিভিন্ন কাৰ্যসূচী।

উচ্চপদস্থ চৰকাৰী বিষয়াসকলে ৰাইজক কোনোপধ্যে বাধা দিব নোৱাৰি দৌৰিলে ইফালৰ পৰা সিফাললৈ। বিভিন্ন ক'লা আইন প্ৰৱৰ্তন কৰিলে। চৰকাৰে ন ন ৰণ-কৌশল প্ৰয়োগ কৰিলে। তথাপি ৰাইজক বিচলিত কৰিব নোৱাৰিলে।

চৰকাৰে কিছুমান বচা বচা লোকৰ দ্বাৰা যুদ্ধৰ এখন আগৰণুৱা কমিটি গঠন কৰি দিলে। তাত আগ-ভাগ পালে — সুব্ৰমণিয়াম, মুখ্য নিৰ্বাচনী আয়ুক্ত, এছ.এল.খোছলা. এজন আয়ুক্ত, দুজন ইন্সপেক্টৰ জেনেৰেল অব্ পুলিচ আৰু এজন সৰ্বশক্তিমান (All powerfull) উপায়ুক্তই। তাৰ বাহিৰেও থাকিল সহযোগী অনুচৰসকল। আকৌ নিৰ্বাচনৰ কাম-কাজ চাবৰ কাৰণে এখন চিকিওৰিটি ক'অডিনেছন কমিটি (Security Co-ordination Committee) প্ৰায় ত্ৰিশজন বিষয়া লৈ গঠন কৰা হ'ল। প্ৰত্যেকদিনাই মিটিং আৰম্ভ আৰু শেষ হয় এজন মানুহৰ ভাষণৰ দ্বাৰা। তেওঁ হ'ল সুব্ৰমণিয়াম। ''যিকোনো প্ৰকাৰে নিৰ্বাচন হ'বই লাগিব। আমাৰ পথত কোনোবাই বিধিনিষিদ্ধভাৱে থিয় দিলে চলাই দিবা বন্দুকৰ গুলী, বেয়নেটৰ খোঁচ, লাঠি.....'' এয়েই আছিল সুব্ৰমণিয়ামৰ বাণী।

নিৰ্বাচনৰ দিন চমু চাপি অহাত চৰকাৰে পূৰ্ণ-প্ৰস্তুতিৰে অধিক শক্তিশালী ৰণসজ্জা তৈয়াৰ কৰি তুলিলে — আন্দোলনকাৰী জনতাক ছত্ৰভংগ দিয়াবলৈ।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলোবিলাক জিলাৰ বিভিন্ন ঠাইত ৰাইজে নিৰ্বাচন বন্ধ কৰাৰ দাবীত প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তোলাৰ ফলত পুলিচ, চি. আৰ. পি, সামৰিক বাহিনীৰ গুলী প্ৰতিধ্বনিত হ'ল সংগ্ৰামী ৰাইজৰ বুকুত, উৰুত, ভৰিত, হাতত, মূৰত, আঁঠুত, যৌনাংগত...। ২ ফেব্ৰুৱাৰীৰ পৰা নিৰ্বাচন প্ৰতিৰোধকাৰী ৰাইজক খেদি খেদি গুলী-লাঠি মাৰি, জুইত পেলাই কুকুৰ মেকুৰীৰ দৰে হত্যা কৰি ভাৰতীয় সংবিধানখনক তপত কেঁচা তেজেৰে পূজাৰ অঞ্জলি যাচিলে। ঘৰত, বেৰত, ৰাজপথত, পদূলিত, কাৰাগাৰত, হাতত, ভৰিত, মূৰত সকলোতে মাথো তেজ তেজ আৰু তেজ।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়োপাৰে চিতাৰ জুই জ্বলিবলৈ ধৰিলে। চিতাৰ জুইৰ ধোঁৱাই অসমৰ আকাশ-বতাহ ছানি পেলালে। কেউদিশে বুকুভঙা করুণ বিননি —পিতৃৰ, মাতৃৰ, ভাতৃৰ, ভগ্নীৰ....।

অত্যাচাৰী ভাৰত চৰকাৰে গুলী-বাৰুদ বেয়নেটেৰে হত্যাযজ্ঞ অনুষ্ঠিত কৰাত স্বাভাৱিকতে সংগ্ৰামী ৰাইজৰ মাজত প্ৰশ্ন উঠিল —নিৰস্ত্ৰভাৱে পাৰিম জানো আমি সিহঁতৰ বন্দুক-বাৰুদৰ সন্মুখত থিয় দিব?

শত শত ককাই-ভাই, বাই-ভনী গুলীয়াই হত্যা কৰাৰ উত্তৰ আমাক লাগিব। ''কৰ্তব্যসাধন কিম্বা শৰীৰ পতন'' — অসমপ্ৰেমী জনতাৰ তীখা কঠিন অংগীকাৰ। ৰাইজ আকৌ আগতকৈও উছাহেৰে আগুৱাই গ'ল। ৰক্তাক্ত দেহ কিছুমান মাটিত বাগৰি পৰিল। ...বুকুভঙা বিননি চিতাৰ জুই...।

মংগলদৈত গুলীচালনা হোৱাৰ পাচৰ পৰাই অসমৰ পৰিস্থিতি অধিক বেয়ালৈ ঢাল খায়। আইন শৃংখলা শোচনীয় হৈ পৰাত চৰকাৰে অসমত চি.আৰ.পিৰ বেটেলিয়ান অধিক কৰি তুলিলে। নিৰ্বাচন প্ৰতিৰোধকাৰী ৰাইজৰ মৃত্যুৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই গ'ল। তাৰ বিপৰীতে চৰকাৰৰ 'শান্তি সেনা'ৰ সংখ্যাও ব্যাপকভাৱে বাঢ়িবলৈ ধৰিলে।

১০ ফেব্ৰুৱাৰীৰ পৰা ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে পাৰ্টিৰ পতাকা লৈ অসমৰ পমুৱা অধ্যুষিত অঞ্চলসমূহত নিৰ্বাচনী প্ৰচাৰ সভা-সমিতি আৰম্ভ কৰিলে। ১২ ফেব্ৰুৱাৰীত নিৰ্বাচনৰ কৰ্ম-কৰ্তাসকললৈ, লগতে দেশৰ সমূহ জনতাৰ মংগল কামনা কৰি থিয় দিয়া ভাবী M.L.A ডাঙৰীয়াসকললৈ শুভেচ্ছা জনাই গুৱাহাটীৰ মালিগাঁৱত সভাৰ সামৰণি পেলাই প্ৰধানমন্ত্ৰী গৰাকী দিল্লীলৈ উভতি গ'ল।

**নিৰ্বাচনী ভাষণৰ টুকুৰা ঃ**

ভাৰতৰ ৰেলমন্ত্ৰী গণিখান চৌধুৰী আৰু প্ৰধানমন্ত্ৰী শ্ৰীমতী গান্ধীৰ —বিশেষকৈ গণিখান চৌধুৰীৰ 'উত্তেজক ভাষণ'বোৰ এনেধৰণৰ নাছিল জানো?

ক) ''অসমৰ মাটিৰ পৰা বিদেশী বহিস্কৃত হোৱাৰ আগেয়ে ব্ৰহ্মপুত্ৰৰ পানী ৰঙা কৰি দিয়া হ'ব...''

খ) ''......সিহঁতে তোমালোকৰ এজনক হত্যা কৰিলে, তোমালোকে সিহঁতৰ চাৰিজনক হত্যা কৰিবা...''



গ) ভাৰতৰ প্ৰধানমন্ত্ৰীৰ নিৰ্বাচনী ভাষণৰ শেষৰবাণী — ''খোদা হাফেজ'।

ঘ) ভাষণত গৃহমন্ত্ৰীৰ ইংগিত — ''অসমক প্ৰয়োজন হ'লে অধিক খণ্ড-বিখণ্ড কৰা হ'ব।''

ঙ) নগাঁৱত আৰক্ষী বিষয়াই বাংলাদেশীক অসমৰ খিলঞ্জীয়া গাঁওবাসীৰ গাঁও আক্ৰমণ কৰিবলৈ উচটনি দি কৈছিল — ''নয়া বস্তিত থকা তহঁতৰ পঞ্চাশ টকীয়া ঘৰহে জ্বলিছে, এতিয়া তহঁতে ইহঁতৰ পঞ্চাশ লাখ টকীয়া ঘৰবোৰ ছাৰখাৰ কৰ!'' এনেবিলাক ভাষণে, এনেবিলাক কথাই কি সূচায়? এনেবিলাক কথাই পমুৱা সকলক খিলঞ্জীয়া অসমীয়াৰ বিৰুদ্ধে উত্তেজিত কৰি তোলা নাইনে? মানুহবিলাকক হিংসাৰ আশ্ৰয় ল'বলৈ এওঁলোকেই উচটাই দিয়া নাছিলনে?

এতিয়া এইবিলাক প্ৰশ্ন প্ৰধানমন্ত্ৰী বা গণিখান চৌধুৰীৰ সন্মুখত উত্থাপন কৰিলে তেওঁলোকে লগে লগে তাৰ তীব্ৰ প্ৰতিবাদ নকৰিবনে? অগ্নিময় পৰিবেশ সৃষ্টি কৰি ৰাইফলৰ বেৰেলেৰে, ট্ৰিগাৰেৰে, বুটজোতাৰে, লাঠিৰে তাৰ উত্তৰ নিদিবনে? আমি তাত মাতিবই নোৱাৰো। মাত মাতিলেই মুখত পৰিবহি বুলেট। পিছে কণ্ঠ থাকিলে প্ৰতিবাদ কৰিবই লাগিব। তেনে আমি মৃত্যুৰ সৈতে খেলা কৰা নাইনে? এইবিলাক প্ৰশ্নৰ যথাযথ উত্তৰ, সমিধান পাবলৈ হ'লে আমাৰ কিছু সময় লাগিব আৰু মৃত্যু-কৱচ পিন্ধি ওলাই অহা জনতাৰ হাতেৰে গঢ়িব লাগিব, তুলি ল'ব লাগিব, বাধা দিব লাগিব — অস্ত্ৰৰ বিপৰীতে অস্ত্ৰৰ প্ৰতিৰোধ।

দেশৰ ৰাইজৰ প্ৰতিনিধিত্ব কৰা প্ৰধানমন্ত্ৰীয়ে নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত অসম ভ্ৰমণ কৰি থকা সময়তে কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে আৰম্ভ হ'ল হত্যা, লুণ্ঠন, বিভিন্ন বিভৎস কাণ্ড। ছমৰীয়া, মালীবাৰী, মিছিলমাৰী আদি অঞ্চলত ১০ ফেব্ৰুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈকে এইবিলাক ঘটনা ঘটিল।

**গহপুৰ ঃ**

নিৰ্বাচনৰ ফলশ্ৰুতিৰূপে দৰং জিলাৰ গহপুৰ অঞ্চলত প্ৰায় ১৫ খন গাঁও জুই, ধোঁৱা, ছাই আদিৰে ভৰি পৰিল। চলিল —ভয়ংকৰ তাণ্ডৱ লীলা। ভুল বুজাবুজিৰ ফলত নিজৰ মাজতেই চলি গ'ল ব্যাপক গণহত্যা। গহপুৰত এনে ঘটনা ১১ ফেব্ৰুৱাৰীৰ পৰা ২০ ফেব্ৰুৱাৰীলৈকে চলিল। অন্ধ প্ৰতিশোধ পৰায়ণতাত অসমী আইৰ বুকুত নিজ ভাতৃৰ মাজতেই বৰ্বৰ আক্ৰমণ, প্ৰতি

আক্ৰমণৰ ঘটনা ঘটিল। দুখুনী আইৰ বুকুত ফুলিল তেজৰ ৰক্তজৰা। সেই ৰক্তজৰা মৰহি শুকাবলৈ হয়তো সময় লাগিব।

নেলী ঃ

১৮ ফেব্ৰুৱাৰীৰ ৰাতিপুৱাৰ পৰা হত্যাৰ দাবানল জ্বলি উঠিল নেলী অঞ্চলত। আটাইতকৈ পাশৱিক হত্যাকাণ্ড সংঘটিত হৈছিল নেলী, বসুন্ধৰী, মাটিপৰ্বত, ভোগডোবা বিল, ভোগডোবা হাবি, আলি চিঙা, শিলভেটা, বৰছলা, মূলধানী আৰু বৰবৰী — এই দহখন গাঁৱত। য'ত প্ৰাণ বিসৰ্জন দিব লগা হ'ল হাজাৰ হাজাৰ পুৰুষ-মহিলা, ল'ৰা-ছোৱালী, কিশোৰ-কিশোৰীয়ে। এই সংঘৰ্ষ হৈছিল দুটা গোষ্ঠীৰ মাজত। এটা হ'ল বাংলাদেশী পমুৱালোক আৰু আনটো অসমৰ খিলঞ্জীয়া এক জনগোষ্ঠী। জুই-ছাই-ধোঁৱা আৰু হত্যা ! এইবিলাক অঞ্চলত কেঁচা তেজেৰে বন্যাৰ সৃষ্টি হ'ল, তপত তেজৰ সোঁত ববলৈ ধৰিলে। তেজৰ বৰণ লক্ষ্য কৰিবলৈ কাৰো সময় নাছিল। প্ৰতিশোধ, কেৱল প্ৰতিশোধ!

এনেদৰে অসমৰ বিভিন্ন প্ৰান্তত প্ৰতিহিংসাৰ দাবানল লহ্ লহ্ জিহ্বা মেলি জ্বলি উঠিল।

ক) মঙ্গলদৈ মহকুমাৰ চাউলখোৱা চাপৰিতো তেনেদৰেই প্ৰতিশোধৰ অগ্নি জ্বলি উঠিল দুটা দলৰ মাজত। ১৫ ফেব্ৰুৱাৰীৰ পৰা তাতো ভয়াবহ হত্যাযজ্ঞ অনুষ্ঠিত হ'ল।

খ) দৰং জিলাৰ খৈৰাবাৰী অঞ্চলতো এনে ধৰণৰ হত্যাকাণ্ডই মানুহক কঁপাই তুলিলে।

গ) নগাঁৱৰ কামপুৰ আৰু যোৰহাটৰ হাতীশালৰ নিমাতী অঞ্চলতো একেধৰণৰ হত্যা, লুণ্ঠন চলিল।

ঘ) ২ মাৰ্চত মৰিগাঁও মহকুমাৰ জালুগুটি অঞ্চলত নৃশংসভাৱে ৫ জনক হত্যা কৰি এক নতুন পদক্ষেপ পেলালে। যি পাশৱিক অত্যাচাৰৰ কথা শুনিলে ধমনীৰ তেজ গোট মাৰে তাত তেনে অত্যাচাৰই চলি গ'ল। স্কুল, কলেজত পঢ়া গাভৰু ছোৱালীবোৰক... (লিখা নাযায়, লিখিব নোৱাৰি)। নগাঁও জিলাৰ বিভিন্ন স্থানত অনুষ্ঠিত হোৱা এনে অমানুষিক কাণ্ড-কাৰখানা, হত্যাকাণ্ডই প্ৰতিজন বিবেকসম্পন্ন লোকক বাকৰুদ্ধ কৰি পেলায়।



ঙ) লাহৰীঘাট আৰু মিকিৰভেটা অঞ্চলত দুগৰাকী গাভৰুক পাশৱিক অত্যাচাৰৰ পাচত দুৰ্বৃত্তই জুইলৈ দলিয়াই হত্যা কৰে।

চ) শিৱসাগৰ জিলাৰ গোলাঘাট চহৰৰ পৰা ২৫ কিলোমিটাৰ পশ্চিমে কালিয়নি নদীৰ চৰ অঞ্চলত থকা এখন জনজাতিলোকৰ গাঁও পংকা। পৃথিৱীৰ ভিতৰত এক নিৰ্মম হত্যাকাণ্ড অনুষ্ঠিত হৈ গ'ল সেই পংকা-ৰজাবাৰী অঞ্চলতে। য'ত হাত-ভৰি বান্ধি লৰ্চৰ্ কৰিব নোৱাৰাকৈ ৰাখি ৭ জন নিৰ্দোষ মানুহক গুলীয়াই হত্যা কৰিলে শান্তিৰক্ষী বাহিনীৰ লোকে। গুলীৰে বুকুবিলাক থকা-সৰকা হোৱা সেই দুৰ্ভগীয়া ব্যক্তিকেইজন হ'ল — (১) ভদ্ৰেশ্বৰ শইকীয়া (বয়স ৪৯), হৰেণ শইকীয়া (বয়স ৪৩), (৩) তীখৰ বৰুৱা (বয়স ৪০), (৪) জিতেন শইকীয়া (বয়স ২৩), (৫) মণিৰাম শইকীয়া (বয়স ২০), (৬) ৰেৱ শইকীয়া (বয়স ২৬) আৰু (৭) তিলেশ্বৰ শইকীয়া (বয়স ২৪)।

অসমবাসী ৰাইজৰ ইচ্ছাৰ বিৰুদ্ধে চৰকাৰে যিটো অবৈধ নিৰ্বাচন জোৰকৈ জাপি দিলে তাৰ ফলত অসমৰ ইতিহাসত মচিব নোৱাৰাকৈ ৰৈ গ'ল কেইটামান কলংকিত গণহত্যাৰ চাব। এই নিৰ্মম বৰ্বৰ হত্যাকাণ্ডবোৰৰ বাতৰি পাই স্তব্ধ হৈ ৰৈ গ'ল প্ৰতিজন শান্তিকামী ৰাইজ। অসমৰ বীভৎস গণহত্যাৰ বাতৰিয়ে পৃথিৱীৰ চৌদিশে আলোড়নৰ সৃষ্টি কৰিলে। ৰেডিঅ' সন্মুখত লৈ প্ৰত্যেকেই অধীৰ আগ্ৰহেৰে ক্ষণগণি থাকে বি. বি. চি.-ৰ বাতৰিলৈ।

অসমৰ চৌপাশে পুত্ৰহাৰা, মাতৃহাৰা, পিতৃহাৰা, ভাতৃহাৰা, পতিহাৰা শত-সহস্ৰ মানুহৰ বুকু ভঙা বিননি। দিল্লীয়ে ঘৰিয়ালৰ চকুপানী টুকিলে। অসমত শান্তি প্ৰতিষ্ঠা কৰিবলৈ নিয়োগ কৰিলে সেনা বাহিনীক। দিল্লীয়ে জানো নাজানে, যি কুৰা জুই তেওঁলোকেই জ্বলাই দিলে সেইকুৰা জুই ইমান সহজতে নুনুমায় বুলি?

যি কি নহওক 'শান্তিৰ বাণী' বৰষিবলৈ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী পুনৰ অসমলৈ আহিল।

অৱশেষত অবৈধ নিৰ্বাচনত আই-কংগ্ৰেছে বিধান সভাৰ ৯৩ খন আসন পালে। অসমৰ আন্দোলনকাৰী ৰাইজক চৰম বিশ্বাসঘাটকতা কৰি তেজৰ বিনিময়ত ২৭ ফেব্ৰুৱাৰী '৮৩ তাৰিখে হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত ১৩ জনীয়া এখন গণহত্যাকাৰী মন্ত্ৰীসভাই শপত গ্ৰহণ কৰিলে।

মন্ত্ৰীসভাই শপত গ্ৰহণ কৰিবৰ দিনা অসমবাসী ৰাইজে সন্ধিয়া ৫

বজাৰ পৰা ২৪ ঘণ্টীয়া সৰ্বাত্মক অসহযোগ পালন কৰিলে। সাদৌ অসম ছাত্ৰ সন্থাৰ বক্তব্য হ'ল — ''ব্যাপক গণহত্যা আৰু ধ্বংসই জন্ম দিয়া'' এই নতুন চৰকাৰ আৰু বিধানসভাখনক স্বীকৃতি দিয়াৰ বা সহযোগিতা কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে।

১৪ ফেব্ৰুৱাৰী '৮৩ ৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণৰ পাচত অসমৰ ব্যাপক হিংসাত্মক ঘটনা আৰু হত্যাকাণ্ড ৰোধ কৰিবলৈ, অসমত অধিক নিৰ্বাচন চলাই নাথাকিবৰ বাবে চৰকাৰলৈ অনুৰোধ কৰি মুখ্য নিৰ্বাচনী আয়ুক্ত আৰ. কে. ত্ৰিবেদীয়ে আইনমন্ত্ৰী জগন্নাথ কৌশললৈ এখন চিঠি প্ৰেৰণ কৰিছিল। যদি চৰকাৰে ত্ৰিবেদীৰ অনুৰোধ ৰক্ষা কৰিলেহেঁতেন তেনেহ'লে অসমত হয়তো অধিক হত্যাকাণ্ড আৰু হিংসাত্মক ঘটনা সংঘটিত হ'বলৈ নাপালেহেঁতেন।

এতিয়া স্বাভাৱিকতে আমাৰ মনত এটা প্ৰশ্ন উদয় হয় — অসমৰ হৃদয় বিদাৰক নৃশংস হত্যাকাণ্ডৰ প্ৰকৃত বৰণ বা তাৎপৰ্য সাম্প্ৰদায়িক নেকি? সকলো ঘটনা ভালদৰে পৰ্যালোচনা কৰিলে আমি ক'ব পাৰিম যে প্ৰকৃত অৰ্থত ঘটি যোৱা হত্যাকাণ্ডবোৰ সাম্প্ৰদায়িক সংঘৰ্ষ নাছিল। সংঘৰ্ষবিলাকৰ মূল কাৰণ হ'ল বহু বছৰৰ পুঞ্জীভূত ক্ষোভ আৰু তাৰ বিস্ফোৰণ — ৰাজনৈতিক কাৰণৰ যোগেদি।

যি কি নহওক লুইতৰ পানী তেজেৰে ৰাঙলী হ'ল। অবৈধ বিদেশীয়ে ভোট দি 'জনপ্ৰিয় চৰকাৰ' এখনো গঠন কৰিলে। এতিয়া কথা হ'ল নিৰ্বাচনৰ আগে পিচে সৰ্বভাৰতীয় বহুতো ৰাজনৈতিক দলেই চিঞৰিলে — 'অসমত নিৰ্বাচন বন্ধ ৰাখিব লাগে। অবৈধ বিদেশী ভোটাৰেৰে নিৰ্বাচন হ'ব নোৱাৰে।' 'অসমৰ গণহত্যাবোৰৰ বাবে আমি দুখ পাইছোঁ।' চকুপানীও টুকিলে। পিচে নিৰ্বাচন সংক্ৰান্ত হিংসাত্মক ঘটনা, অগ্নি সংযোগ আদিৰ ফলত গৃহহীন — সৰ্বস্বান্ত হোৱা মানুহবোৰক তেওঁলোকৰ কোনোবাই আশ্ৰয় প্ৰদান কৰিছিলেনে? ভগনীয়া হৈ পৰা মানুহবোৰক কোনে আশ্ৰয় আৰু নিৰ্ভয় প্ৰদান কৰিছিল? দুই তিনিদিনলৈ নিৰাহাৰে থাকি কাতৰভাৱে কান্দি থকা শিশুবোৰৰ অৱস্থা কি হৈছিল? সন্তানসন্তৱা নাৰীসকলে নিৰাপত্তা বিচাৰি, আশ্ৰয়স্থল বিচাৰি দৌৰি ফুৰা নাছিলনে? সেইসকলক সৰ্বভাৰতীয় বা ভাৰতৰ অন্যান্য ঠাইৰ কেইটা সংগঠনে আহি খাদ্য-সম্ভাৰ যোগান দিলেহি? নিৰাপত্তাৰ পৰা সেইসকলক কোনে কি কৰি দিলে? কোনোমতে মূৰ গুজিবলৈ কোনোবাই একোঠা ঘৰ সাজি



দিলেনে? নাই কৰা ! অসমক সহায় কৰিবলৈ প্ৰকৃততে কোনো নাহিল।

জীয়াই থকাৰ বাবে প্ৰয়োজনীয় অলেখ কৰ্তব্যই আজি অসমৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, নতুন পুৰুষক অহৰহ হাতবাউল দি মাতি আছে। বৰ্তমানৰ জটিল পৰিস্থিতিত বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্তব্য আৰু দায়িত্ব অসংখ্য। এদিন ৰাজপথলৈ ওলাই দুটা শ্ল'গান দি দহদিন ঘৰৰ ভিতৰত সোমাই থাকিলে নচলিব। সমাজ সচেতন প্ৰতিগৰাকী ডেকা-গাভৰু, পুৰুষ-মহিলাই আজি ভালদৰে 'অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন'টোক সুচিন্তিত আৰু গঠনমূলক প্ৰক্ৰিয়াৰে অধ্যয়ন কৰিবৰ হ'ল। নহ'লে মাত্ৰ কাগজ-কলমেৰে, শ্ল'গানেৰে, বক্তৃতাৰ ফুলজাৰিৰে বিলাপ কৰি থাকিলেই অসমৰ ভয়াবহ সমস্যাসমূহ সমাধান নহ'ব।

আজি বহুতো সংগ্ৰামী জনতাৰ মাজত প্ৰশ্ন জাগিছে — আমি সফল হ'বগৈ নোৱাৰিম নেকি? শত শতজনক আমাৰ পৰা হেৰুৱাই গৈ গৈ শেষত আমাৰ কি হ'বগৈ? সঁচাকৈ, কেন্দ্ৰীয় চৰকাৰে আন্তৰিকতাৰে কেতিয়াবা অসম সমস্যাৰ কিবা বাস্তৱসন্মত সমাধান দিবগৈনে?

আজি ৰাজপথত সমূহীয়াকৈ ভৰি দিয়াৰ আমাৰ অধিকাৰ নাইকিয়া হৈ আহিছে — মাত মতাৰ অধিকাৰ নাই — সভা-সমিতি পতাৰ অধিকাৰ নাই। আমি এতিয়াও তেনেহ'লে 'গণতান্ত্ৰিক দেশ' এখনত বাস কৰি আছোঁনে?

ভাৰতবৰ্ষক 'গণতান্ত্ৰিক দেশ' বুলি কোৱাৰ সকলো যুক্তি-যুক্ততা খণ্ড-বিখণ্ড হৈ হেৰাই গৈছে। এই চৰকাৰখনৰ কাষলৈ আমি কেতিয়াবা আপোচৰ মনোভাৱ লৈ যাব পাৰিম নে? শত শতজনক অকালতে মৃত্যুৰ মুখলৈ ঠেলি দিব বিচাৰি চৰকাৰে প্ৰকৃততে অসমৰ সমূহ সংগ্ৰামী জনতাক অধিক ক্ৰুদ্ধ হ'বলৈ শিকাইছে। অসমৰ ৰাইজক আপোচহীন আত্মত্যাগৰ সংগ্ৰামলৈ ঠেলি দি তেওঁলোকেই হয়তো এদিন মুক্তিযুদ্ধৰ সশস্ত্ৰ সংগ্ৰাম ক্ষেত্ৰত নামিবলৈ বাধ্য কৰাব।

সেইবাবেই এতিয়া সবল সংগঠনেৰে দীৰ্ঘস্থায়ী সংগ্ৰাম কৰিবলৈ অসমৰ জনতাক দুৰ্জেয় অধ্যায়বোৰৰ বৰ প্ৰয়োজন হৈ পৰিছে। যি সংগ্ৰামে দিল্লীৰ ৰাজদৰবাৰ কঁপাই তুলিব ! ■

*[এই প্ৰবন্ধৰ শিৰোনাম 'ৰক্তবন্যাৰে ধৌত' বা 'ৰক্তবন্যাৰ ঢৌত' হ'ব লাগিছিল — সম্পাদক]*

*(প্ৰকাশ কাল : ১৯৮২-৮৩)*

# মিছিং জনজাতিৰ বিহুগীত, ঐনিতম আদিৰ গীতৰ সুৰেৰে নাৰীৰ মনোবেদনা

জিতেন গগৈ
প্ৰাক্ স্নাতক (কলা) দ্বিতীয় বাৰ্ষিক

প্ৰত্যেক জাতি-উপজাতিৰ ধৰ্ম, ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, ভাৱ-ভাষা, বাসগৃহ, সাজ-পোছাক আৰু গীত-মাত আদিয়ে নিজস্ব বৈশিষ্ট্যৰ পৰিচয় দিয়ে। জাতিৰ চিনাকি দিয়া গীত-মাত, ভাৱ-ভাষা, জীৱন ধাৰণৰ প্ৰণালী আৰু পৰাম্পৰাগত সাজ-পোছাক আদিয়েই সংশ্লিষ্ট জাতিৰ সংস্কৃতি। আন আন জনজাতিৰ দৰে মিছিং জনজাতিৰো নিজা সংস্কৃতি আছে। এই সংস্কৃতিয়ে মিছিং সমাজৰ স্বকীয় ৰূপ প্ৰকাশিত কৰে। এই প্ৰবন্ধটিত মিছিং সংস্কৃতিৰ অন্যতম গীত-মাতৰ ভিতৰুৱা 'কাবান' আৰু 'ঐনিতম'ৰ যোগেদি কেনেকৈ মিছিং নাৰীয়ে অন্তৰৰ বেদনা প্ৰকাশ কৰে তাকেই চমুকৈ কোৱা হৈছে।

অসমৰ বিভিন্ন জনজাতিৰ দৰে মিছিং সমাজত তেওঁলোকৰ স্বকীয় বিননিসুৰীয়া লোকগীত আছে। মিছিং জাতিৰ ব্যক্তিগত জীৱনৰ হা-হুমুনিয়া আদি প্ৰকাশ পায় 'কাবান', 'ঐনিতম' আদি গীতৰ সহায়ত। মিছিং নাৰীৰ দুখ-বেদনা কাবানৰ (বিননি গীত) প্ৰতিটো সুৰৰ মাজত সোমাই আছে। মৰ্মস্পৰ্শী কাবানৰ অৰ্থ আৰু সুৰে আনন্দত উটি-ভাঁহি থকা হৃদয়কো কন্দুৱাব পাৰে। ঘৰুৱা কাম-বনত ব্যস্ত থকা নাৰীয়ে কাবান শুনিলে থৰ হৈ ৰয়। বুকুত বেদনাই গুজৰি গুমৰি উঠে।

পৰিশ্ৰমী মিছিং নাৰীয়ে কাহিলি পুৱাতে শোৱা-পাটি এৰি দিহা-দিহি কামত লাগে। গোটেই দিনটো কামৰ লেখ-জোখ নোহোৱাকৈ টাকুৰী ঘূৰাদি



ঘূৰে। ইমানকৈ কৰা কামৰ অন্তত ঘৰৰ আপোনজনৰ মাত এষাৰি নেপালে মিছিং নাৰীৰ হিয়া ভাগি-ছিগি যায়। মন দুখেৰে ভৰি পৰে। অন্তৰত উথলি উঠা অভিমান আৰু বেজাৰৰ কথাই মিছিং নাৰীয়ে কাবানৰ অৰ্থযুক্ত সুৰেৰে ব্যক্ত কৰে —

*দঃ ঞিও ৰুঃ নীবৃ পঃল ৰুঃ নীবৃ*
*কাণীঙম ৰুঃ গকৰুঃ নাম কা নাইকা*
*মেঃ ৰ ঙম মীঃ তুং তুলা মাঃ দপী*

অৰ্থাৎ (ঈশ্বৰে) ''মাতৃ সূৰ্য পিতা চন্দ্ৰয়ে মোক কেনেকৈ সৃজন কৰিলে? মই দেখোন দুখ আৰু বেদনাৰ কথা চিন্তা কৰি পাৰ নোপোৱা হৈছো।'' দুখ-যন্ত্ৰণা আৰু বেদনাক হৃদয়ত বোজা বান্ধি কাম-বনত ৰাংঢ়ালীজনী যেন হৈ থাকিলেও নিজে গম নোপোৱাকৈয়ে কাবানৰ সুৰে অন্তৰ পৰশি যায় —

*মীং মি মীঃ মিলা মীঃ চাং চায়ে মূল*
*চাং মি চাং মিলা চাং মি য়েমৃল*
*কাবলৃং ৰীঙাদী ঙাদচান দাক্কুনী*

অৰ্থাৎ দুখৰ কথা ভাবি থাকিলে ফেকুৰি ফেকুৰি কান্দিবৰ মন যায়।

কেতিয়াবা মিছিং নাৰীৰ মন গাভৰু কাললৈ ঘূৰি যায়। জীয়া যৌৱনৰ হেঙুলীয়া আভাক স্মৃতিত বিচাৰি চায়। সেই কাৰণে আহুতলীৰ ধান দাই থাকোঁতে মিছিং নাৰীৰ হাতৰ হেঙুলী কাঁচিৰ খচ্ খচ্ শব্দৰ তালে তালে কাবানৰ সুৰীয়া সুৰৰ লহৰ তোলে।

*বগুম চিংলুঙী অল্মা*
*দঃ ঞিও কু আঁ ৰিংগ নাম দীমপী*
*মীবঙ মাৰিপী ৰিং গং দাকুনী*

অৰ্থাৎ ''বিশাল অৰণ্যৰ মাজত দঃ ঞিও তাংকু (এবিধ পতংগ) উৰি ফুৰাৰ দৰে বেদনাত কাতৰ মন অলিয়া-বলিয়া হৈ উৰা মাৰিব খোজে।''

কাম-বনৰ মাজত ব্যস্ত থাকি অব্যক্ত বেদনাবোৰ মনৰ পৰা আঁতৰাবলৈ পুৰণি দিনৰ হেৰুওৱা কথাৰ আশাই মিছিং নাৰীক আমনি কৰে। মিছিং নাৰীৰ এই মৰ্মস্পৰ্শী বেদনাই কেতিয়াবা গীতৰ সুৰত আত্মপ্ৰকাশ কৰে। কাবানে মিছিং নাৰীৰ মনোবেদনা কঢ়িয়ায়, আৰু মিছিং নাৰীৰ মনোবেদনাই

কাবানক কাঢ়ি লৈ যায়। সেয়েহে কাবান ঐনিতমত মিছিং নাৰীৰ মনোবেদনা স্পষ্টভাৱে প্ৰকাশ পাই আহিছে।

ঐনিতমৰ কৰুণ সুৰত প্ৰকাশ পায় মিছিং নাৰীৰ সহজ-সৰল প্ৰেমময় দুখ-যন্ত্ৰণা আৰু আশা-আকাংক্ষাৰ ছবি। ঐনিতমৰ তালে তালে মুখৰিত হয় ডেকা-গাভৰুৰ প্ৰেম-বিৰহৰ ছায়াচিত্ৰ। ভৰ বাৰিষা, লুইত সোৱণশিৰিত নাও বাই ঐনিতমৰ সুৰ ধৰি আহুতলীত চৰাই খেদাবলৈ যাওঁতে চেনাইৰ লগত অন্তৰৰ প্ৰেম-প্ৰণয়ৰ কথাবোৰ হিয়া উদঙাই পাতি আহে।

কোনো গাভৰুৱে মনে-প্ৰাণে পোৱা ডেকাজনৰপৰা মৰম নেপালে মনত অত্যন্ত দুখ পায়। ডেকাৰ মৰম পাবলৈ বৰ ইচ্ছা হয়। ইচ্ছাৰ বিপৰীতে ঢাল ল'লে মিছিং গাভৰুৱে ঐনিতমৰ সুৰেৰে এইদৰে গায় —

*চুং লুঙ লক অকাঙী উক্মুমল চঃ চাদুং*
*অপানদমী আতেৰী পামনে্ গৃলা চৃঃ চাদুং*

অৰ্থাৎ ''হাবিৰ ঢেঁকীয়াই ছাঁত ডাঙৰ হোৱাৰ দৰে নিজ কাম কৰ ল'ৰালি অৱস্থাৰপৰা ক্ৰমে গাভৰুত উপনীত হোৱা যায়।

কেতিয়াবা মিছিং গাভৰুসকলে নিজে নিজে বিৰক্তি অনুভৱ কৰে। বিশেষকৈ মনে বিচৰা মতে ডেকা নেপালে যেন সিহঁত দুখীয়া ঘৰৰ ছোৱালী বাবেহে এনে হৈছে। ঐনিতমৰ সুৰত এনেদৰে গায় —

*তাগাদ আপপুন পুঃনা দুন গীকানী কামানী*
*অপান অস্কে আঁমলা বীৰা কানী কামানী*

অৰ্থাৎ
*মদাৰ ফুল ফুলি আছে পিঙ্কোতাহে নাই*
*গাভৰু দুখীয়া বা আপচু হ'লে চাওঁতা নাই।*

এনে গীতৰ লক্ষ্য কৰিবলগীয়া কথা হৈছে গাভৰুৰ দুখ-দুৰ্দশাৰে পীড়িত আৰু অৱহেলিত জীৱনৰ মূৰ্তিমান ৰূপ। এইদৰে মিছিং নাৰীৰ আবেগ-অনুভূতি কাবান আৰু ঐনিতমত বিদ্যমান।

*পৰিলিংক দুঃ কাবং কলেজ লুনাম্ অকুমদ'*
*নাং নী বাঃ বু অপন্না পৰাই নামমী কিন্তমাং*

অৰ্থাৎ কলেজত পঢ়াৰ ইচ্ছা আছিল কিন্তু দুখীয়া হোৱাৰ বাবে মা-দেউতাই পঢ়াব নোৱাৰিলে।



ল'ৰা পঢ়ি-শুনি ডাঙৰ মানুহ হ'ল। মাক-বাপেক আৰু গাঁৱৰ মৰম-চেনেহ পাহৰি গ'ল। চহৰৰ আধুনিকতাৰ প্ৰতি ল'ৰা আকৃষ্ট হ'ল। বহুত দিনৰপৰা আশাৰে বৈ থাকি মৰম আৰু আকুলতাৰে মনৰ মানুহজনক চোৱাৰ হেঁপাহেৰে মিছিং গাভৰুৱে গায় —

*নক্কী দলুং কেক'নদী ঙৰুকী দলং কেক'নদী*
*চিয়াং আঃছ দুঃক মনা কালি দাগীম কাঃ পাঃ মাং*

''তোমাৰ গাঁও ইপাৰত, মোৰ গাঁও সিপাৰত, চিয়াঙৰ (নদী) পানীয়ে বাধা দিয়াত চাবলৈ মন গ'লেও মই (তোমাক) চাবলৈ নেপাওঁ।''

ইয়াৰ উপৰিও গাভৰুৱে নোপোৱাৰ অব্যক্ত বেদনাক লৈ গোটেই জীৱন কষ্টত পাৰ কৰি দিয়াৰ যন্ত্ৰণাত গায় —

*আবুং আচ্চে বিদ্দুবং বিত্তীৰ অইয়া কামাবং*
*আঃ চিনাঙে অ দুবং অতীৰ অইয়া কামাবং*
*অকল অইয়া দুংকাংকুন অকাল অইয়া দাককাংকুন*
*কাঃ মানামমী ইকাবং লয়িংঃ কলা লটুংক।*

অৰ্থাৎ নদীৰ পানী বৈ গৈছে, বৈ শেষ নহয়। সেইদৰে মনৰ আশা-আকাংক্ষাবোৰো ভাবি ভাবি শেষ নহয়। চেনাই তুমি ক'ত আছা, তোমাক নেদেখা বহুত দিন হ'ল।

মিছিং নাৰীৰ দৈনন্দিন জীৱনৰ দুখৰ বতৰা আশা, হেঁপাহ, যন্ত্ৰণা আৰু ঐনিতমৰ মাজত কিমান গভীৰভাবে সোমাই আছে, তাৰ গভীৰ অধ্যয়ন হ'লেহে আমি জানিব পাৰিম।

*আচৃ জিলি জিলক মিকচৃ জিলিজিলিক*
*আচৃ জিলি পৃয়েণী মিকৃজিলি পৃয়ে পীমাং*

প্ৰকিতৰ নিজৰা শুকাব পাৰে কিন্তু চকুৰ নিজৰা নুশুকায়। এয়া কেৱল মিছিং নাৰীৰ দুখ নহয়, এয়া সকলো নাৰীৰ দুখ-যন্ত্ৰণা বুলিব পাৰি। ■

*(প্ৰকাশ কালঃ ১৯৮৩-৮৪)*

# লেটিন আমেৰিকাৰ ভিয়েটনাম

মানস তামুলী
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

*প্ৰত্যেক দেশৰ সৰ্বহাৰা শ্ৰেণীয়ে নিজ নিজ দেশৰ ধনিক শ্ৰেণীটোৰ বিৰুদ্ধে চলোৱা বিপ্লৱী সংগ্ৰামেই একমাত্ৰ বা মুখ্যতঃ সমাজতান্ত্ৰিক বিপ্লৱ নহয়, সাম্ৰাজ্যবাদৰ দ্বাৰা নিষ্পেষিত সকলো উপনিৱেশ আৰু পৰাধীন জাতিয়ে আন্তৰ্জাতিক সাম্ৰাজ্যবাদৰ বিৰুদ্ধে চলোৱা সংগ্ৰামো হ'ব সমাজতন্ত্ৰৰেই সংগ্ৰাম।*

— লেনিন

মানৱ জাতিৰ প্ৰধান শত্ৰু সাম্ৰাজ্যবাদে সিহঁতৰ শোষণ আৰু আধিপত্য বজাই ৰাখিবৰ বাবে পৃথিৱীৰ দেশে দেশে যি জুই জ্বলাইছে, সেই জুইত সিহঁত নিজেই পুৰি ছাৰখাৰ হৈ যোৱাৰ উপক্ৰম হৈছে। মাৰ্কিন সাম্ৰাজ্যবাদে সিহঁতৰ শোষণ বজাই ৰাখিবলৈ গৈ ইন্দো-চীনত বিশেষকৈ ভিয়েটনামী মুক্তিকামী ৰাইজৰ হাতত যিদৰে মাৰ খালে তাৰ নজিৰ লেটিন আমেৰিকা, নামিবিয়াৰপৰা আৰম্ভ কৰি পেলেষ্টাইন ফিলিপাইনলৈকে বিশ্বৰ সকলো মুক্তিকামী জনগণৰ বাবে প্ৰেৰণাৰ উৎস মাৰ্কিন সাম্ৰাজ্যবাদৰ শোষণ, তোষণ আৰু তেজেৰে খেলা ৰাজনীতিৰ শেহতীয়া কলংকিত অধ্যায় লেটিন আমেৰিকাৰ এখন নিচেই সৰু আৰু ঘন জনবসতিপূৰ্ণ দেশ — এল্ চেল্‌ভেদৰ।

লেটিন আমেৰিকা বা মধ্য আমেৰিকা বুলিলে উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকাৰ সংযোজক ভূমিখণ্ডত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ লগলাগি



মেক্সিকোৰপৰা আৰম্ভ কৰি পানামা প্ৰণালী পৰ্যন্ত ব্যাপী থকা হণ্ডুৰাচ, এল্‌চেল্‌ভেদৰ গুৱাটেমালা, নিকাৰাগুৱা কোটাৰিকা, পানামা, বিলিজ এই কেইখন দেশকে বুজায়। লেটিন আমেৰিকান দেশবোৰত যি ৰাজনৈতিক অস্থিৰতা আৰু সঘনে সামৰিক অভ্যুত্থান হৈ আছে তাৰ দ্বিতীয়টো দৃষ্টান্ত সমসাময়িক বিশ্বৰ কোনো অঞ্চলতে দেখা পোৱা নাযায়। ডেৰশ বছৰৰ কালছোৱাত এই অঞ্চলটোত ৫৫০ বাৰৰো অধিক সামৰিক অভ্যুত্থান ঘটে। ৰিলিজৰ বাহিৰে বাকী কেইখন দেশ আছিল স্পেইন সাম্ৰাজ্যবাদৰ উপনিৱেশ। কুৰি শতিকাৰ আৰম্ভণিৰপৰাই এইবোৰ দেশে স্বাধীনতা অৰ্জন কৰি স্বাধীন ৰাষ্ট্ৰত পৰিণত হৈছে। স্বাধীনতা পোৱাৰ পিছতো এই আটাইকেইখন দেশত বহুবাৰ চৰকাৰ পৰিৱৰ্তন হৈছে। ক'ৰবাত সামৰিক গণতন্ত্ৰৰ ঠাইত কিছুদিনৰ কাৰণে সংসদী গণতন্ত্ৰ প্ৰতিষ্ঠা হয় আকৌ হয়তো সামৰিক অভ্যুত্থানৰদ্বাৰা একনায়কত্ববাদে গঢ় লৈ উঠে। সাম্ৰাজ্যবাদী দেশসমূহে বিশেষকৈ মাৰ্কিন যুক্তৰাষ্ট্ৰই এই দেশবোৰত প্ৰগতিশীল শক্তিসমূহে যাতে গা কৰি উঠিব নোৱাৰে তাৰবাবে প্ৰতিক্ৰিয়াশীল শক্তি সমূহক প্ৰকাশ্যে উচটনি দিয়া আৰু সহায় কৰাৰ উপৰিও খোলাখুলিকৈ সামৰিক হস্তক্ষেপ কৰিবলৈও দ্বিধাবোধ নকৰে। লেটিন আমেৰিকা দেশবোৰৰ আভ্যন্তৰীণ আৰু ৰাজনৈতিক অৱস্থাৰ প্ৰতি মাৰ্কিন যুক্তৰাষ্ট্ৰই ইমানকৈ চকু দিয়াৰ কাৰণ হ'ল সামৰিক দিশৰপৰা এই অঞ্চলটোৰ গুৰুত্বপূৰ্ণ অৱস্থিতি আৰু মাৰ্কিন পুঁজি বিনিয়োগৰ বাবে এই দেশবোৰক ক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰা। এই দুটা উদ্দেশ্য পূৰণ কৰিবৰ বাবে এই অঞ্চলবোৰত এক অস্থিৰ আৰু সন্ত্ৰাসজনক পৰিস্থিতি দীৰ্ঘকাললৈ বজাই ৰাখিবলৈ মাৰ্কিন প্ৰশাসন বদ্ধপৰিকৰ।

এই লেটিন আমেৰিকাৰ এখন সৰু দেশ হৈছে এল্‌চেল্‌ভেদৰ, স্পেনিছ, পৰ্তুগীজ, ফৰাচী আদি ভাষাভাষী, ভাৰতীয় আৰু নিগ্ৰোইড বংশোদ্ভূত লোকেৰে গঠিত এই সৰু দেশখনত বৰ্তমান পূৰ্ণপৰ্যায়ৰ গৃহযুদ্ধ চলি আছে। পুতলা চৰকাৰে কেইবাহাজাৰো মাৰ্কিন বিশেষজ্ঞ মাতি আৰু সেইবোৰৰ পৰিচালনাতে আন্দোলন দমনৰ নামত গণহত্যা চলাই গৈছে। প্ৰাপ্ত বাতৰিমতে ১৯৭৯ চনৰপৰা বছৰি গড়ে এই অকণমান দেশখনত প্ৰায় দহ হাজাৰৰো অধিক লোকক হত্যা কৰা হৈছে। দৈনিক ৩০-৪০ জন নাগৰিকৰ হত্যা কৰাটো সাধাৰণ কথা। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু লেটিন আমেৰিকাৰ দেশসমূহৰ

সম্পৰ্কে গৱেষণাকাৰী বেচৰকাৰী প্ৰতিষ্ঠান Council of Hemisphereic affair ৰ মতে যুক্তৰাষ্ট্ৰৰ প্ৰত্যক্ষ বা পৰোক্ষ অধীনত থকা লেটিন আমেৰিকাৰ যিবোৰ দেশত জাতীয় স্বাধীনতাৰ বাবে কৰা সংগ্ৰাম তীব্ৰতৰ হৈছে সেইবোৰৰ ভিতৰত বৰ্তমান সময়ছোৱাত লেটিন আমেৰিকাৰ অন্যান্য দেশত মুঠ যিমান মানুহক হত্যা কৰা হৈছে একমাত্ৰ এল্‌চেল্‌ভেদৰতেই তাতোকৈ বহু বেছি মানুহক হত্যা কৰা হৈছে। দ্বিতীয় স্থানত আছে গুৱাটেমালা। ৰীগান প্ৰশাসনৰ প্ৰকাশ্য সহযোগিতাত দক্ষিণপন্থী খৃষ্টান ডেমক্ৰেটিক পাৰ্টি আৰু সামৰিক বিষয়াসকলৰ যুক্ত চৰকাৰৰ সেনাবাহিনী আৰু পুলিচ বাহিনীৰ লোক আৰু চৰকাৰৰ সমৰ্থকসকলৰ দ্বাৰা এনে নিষ্ঠুৰ আৰু ব্যাপক হত্যাকাণ্ড ঘটোৱা হয়।

চালভাদৰিয়ান জনগণৰ সাম্প্ৰতিক মুক্তি সংগ্ৰামৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে লেহেমীয়া সামাজিক আৰু অৰ্থনৈতিক বিকাশ, কেইটামান মুষ্টিমেয় পৰিয়ালৰ হাতত দেশৰ সমস্ত ধন-সম্পদৰ কেন্দ্ৰীভৱন আৰু জনগণক দেশ শাসন তথা পৰিচালনাৰ সমগ্ৰ প্ৰক্ৰিয়াটোৰপৰা আঁতৰাই ৰাখি গণতান্ত্ৰিক অধিকাৰৰপৰা বঞ্চিত কৰা। এল্‌ছেলভেদৰৰ অৰ্থনীতিলৈ দৃষ্টিপাত কৰিলে দেখা যায় যে দেশখনৰ কৃষিযোগ্য মাটিৰ ৭৮ ভাগ মাটিৰ গৰাকী হ'ল শতকৰা মাথোন দহজন মাটিগিৰী। জনগণৰ একেবাৰে নিম্ন আয়প্ৰাপ্ত শতকৰা দহজন প্ৰকৃত খেতিয়কৰ হাতত আছে মাথোঁ ০.৪ শতাংশ ভাগ কৃষিযোগ্য মাটি। গ্ৰাম্য পৰিয়ালসমূহৰ প্ৰতি এশজনৰ ভিতৰত ৪০ জনহে মাটিহীন। দেশখনৰ সমস্ত আয়ৰ ৩৮ শতাংশ ভাগ যেতিয়া হস্তগত কৰিছে জনসাধাৰণৰ মুষ্টিমেয় ৫ শতাংশ লোকে, তেতিয়া জনসাধাৰণৰ শতকৰা ৬০ জনৰ বছৰেকীয়া গড় আয় ২৫০ ডলাৰতকৈও কম। আকৌ কৰ্মক্ষম লোকৰ দহজনৰ মাত্ৰ ১.৬ জনেহে কাম কৰাৰ সুযোগ পায় আৰু সেইসকল লোকৰ মাহেকীয়া গড় আয় মাত্ৰ ১০ ডলাৰ, ভাৰতীয় মুদ্ৰাৰ হিচাপত প্ৰায় ১০০ টকা। তদুপৰি দেশখনৰ অৰ্ধ শতাংশ লোকেই হয় নিবনুৱা নহয় অৰ্ধ নিবনুৱা।

এই অবৰ্ণনীয় দুৰ্দশাৰ মাত্ৰা অধিক কৰিলে ৰাজনৈতিক অতিচাৰে। উল্লেখযোগ্য যে বিগত অৰ্ধশতিকা জুৰি এল্‌চেল্‌ভেদৰত মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন হোৱাৰ নজিৰ নাই। দ্বিতীয় মহাযুদ্ধৰ পাছৰপৰা অতি সামান্যভাৱে এই দেশখনত ঔদ্যোগীকৰণ আৰম্ভ কৰা হয় যদিও তেতিয়াৰপৰা মাৰ্কিন যুক্তৰাষ্ট্ৰ, জাপান আদি দেশৰ বহুজাতিক কোম্পানীবোৰে এল্‌চেল্‌ভেদৰৰ



অৰ্থনীতিত ভুমুকি মাৰে। তেতিয়াৰপৰা চেণ্ট্ৰেল আমেৰিকান কমন মাৰ্কেট সংস্থা আদি গঠন কৰা হয়। এইবোৰৰ ফলস্বৰূপে এই দেশখনত বিদেশী শোষণৰ পৰা একেবাৰে মুক্ত হৈ পৰে। আনহাতে ৱাশিংটনৰ সহযোগত এল্‌চেল্‌ভেদৰৰ ১৪ টা ধনপতি পৰিয়ালে উন্নয়নৰ সকলোবোৰ সুফল ভোগ কৰি দেশীয় অৰ্থনীতি আৰু ৰাজনীতিৰ ক্ষেত্ৰত বিশেষভাৱে শক্তিশালী হৈ পৰে। এই চৈধ্যটা পৰিয়ালৰ প্ৰতিনিধি বৰ্গক চৰকাৰৰ বিভিন্ন উচ্চ পদত আৰু সমৰ্থনপুষ্ট দলক শাসনৰ গাদীত বহুওৱা হয়। এই চৈধ্যটা পৰিয়ালৰ অনুগ্ৰহৰ বাবেই সামৰিক বিভাগৰ খুনী বিষয়াসকলে ৰাষ্ট্ৰ পৰিচালনাৰ বিষয়ত উচ্চ পদ লভিবলৈ আৰম্ভ কৰে। দেশত যাতে কোনো ধৰণৰ গণ আন্দোলন গা কৰি উঠিব নোৱাৰে তাৰ বাবে শাসক গোষ্ঠী আৰু অন্যান্য দেশীয় পুঁজিপতিসকলে হিটলাৰৰ এচ এচ বাহিনীৰ আৰ্হিত নিজাববীয়াঁকৈ খুনীবাহিনী গঠন কৰে। ইয়াৰ বাহিৰেও আধুনিক অস্ত্ৰ-শস্ত্ৰ আৰু সামৰিক উপদেষ্টাৰ সহায়ত গেৰিলাসকলৰ সৈতে যিকোনো ক্ষেত্ৰত মোকাবিলা কৰিবৰ অৰ্থে ভেৰোণীয়া সৈন্য বাহিনী সজ্জিত কৰি তোলে।

এলচেলভেদৰত যিবোৰ ট্ৰেড ইউনিয়ন বা কৃষক সংগঠন আছে সেই সংগঠনবোৰৰ ন্যূনতম স্বাধীনতাকণো নাই। ট্ৰেড ইউনিয়নৰ সমস্ত কৰ্মীসকলৰ মজুৰি বন্ধ কৰি দিয়া হয়, কামৰপৰা চাটাই কৰি দিয়া হয়। শ্ৰমিক আৰু কৃষকসকলৰ মিটিঙত গুণ্ডাবাহিনী সোমাই ভাঙি দিয়া, ট্ৰেড ইউনিয়নৰ অফিচসমূহ তালাচীৰ পিছত ডিনামাইট দি উৰুৱাই দিয়া আদি ঘটনাসমূহ নিত্য-নৈমিত্তিক 'FENASTRAS' Federacion National Sindical, Trabajadores Salvadorenos) নামৰ বামপন্থী শ্ৰমিক সংগঠনটোৰ এজন মুখপাত্ৰৰ মতে ১৯৭৯ চনৰপৰা ১৯৮১ চনৰ ভিতৰত সংগঠনটোৰ ৮, ২৩৯ জন ট্ৰেড ইউনিয়ন কৰ্মীক দক্ষিণ পন্থী প্ৰশাসকৰ গুণ্ডাবাহিনীয়ে হত্যা কৰিছে। তদুপৰি নিখোজ হোৱা বহু হাজাৰজনৰ সন্ধান আজিকোপতি পোৱা নাই। শ্ৰমিকসকলৰ আন এটা বৃহৎ সংগঠন 'FESINCONSTRANS' (Federacionode Sindicatoes de contrucciony Transporatacion).ৰ ১৯৭৯-৮০ চনত তৎকালীন চেক্ৰেটৰী জেনেৰেল ফেলিপ আল্‌দিভাৰ সহ বহু কৰ্মীক হত্যা কৰা হয়। চেল্‌ভেদৰৰ বৰ্তমান ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতিত ট্ৰেড ইউনিয়ন কৰ্মীসকল যে বাচি থাকিব পাৰিছে, ইয়েই কৰ্মী

সকলৰ আটাইতকৈ ডাঙৰ কৃতিত্ব।

এল্‌বেল্‌ভেদৰৰ গণ অভ্যুত্থানৰ এক ঐতিহাসিক তাৎপৰ্য তথা পৰম্পৰা আছে। বৰ্তমান শতাব্দীৰ ত্ৰিশৰ দশকতে এই দেশৰ শ্ৰমিক কৃষক আৰু অন্যান্য সৰ্বস্তৰৰ শোষিত জনসাধাৰণ স্থানীয় আৰু বিদেশী কোম্পানীবিলাকৰ স্বাৰ্থৰক্ষাকাৰী শাসক গোষ্ঠী আৰু চৰকাৰৰ বিৰুদ্ধে মৃত্যুপণ সংগ্ৰামত জঁপিয়াই পৰিছিল। দেশীয় ধনীক গোষ্ঠী আৰু সেই সময়ৰ সামৰিক জুণ্টাই বন্য হিংস্ৰতাৰে এই বিদ্ৰোহ দমন কৰে। ১৯৩২ চনৰ ২২ জুন তাৰিখে চৰকাৰৰ বিৰোধী বিক্ষোভত সমবেত হোৱা প্ৰায় ডেৰ লক্ষাধিক লোকৰ সমাবেশৰ ওপৰত বেপেৰুৱাভাৱে গুলী চলাই অসংখ্য লোকক হত্যা কৰাৰ উপৰিও ইয়াৰ কেইদিনমানৰ ভিতৰতে মুঠ ৩২ হাজাৰ লোকক হত্যা কৰা হয়। তথাপি বিক্ষোভ অব্যাহত হৈ ৰ'ল।

পুনৰ ১৯৬৫ চনত এল্‌চেল্‌ভেদৰৰ শিক্ষকসকলৰ অৱসৰৰ পিছত পোৱা সা-সুবিধা কৰ্তন কৰাৰ প্ৰতিবাদত তাৰ শিক্ষক সংগঠন 'ANDES' (Asociation Nacional de Educadores Salvadorenos) ৰ নেতৃত্বত ২০০০০ শিক্ষকৰ এক অভূতপূৰ্ব প্ৰতিবাদ মিছিল বাহিৰ হয়। ইয়াৰ তিনিবছৰৰ পিছতেই 'ANDES' আহ্বানত ৫৮ দিনৰ এক দেশব্যাপী ধৰ্মঘটে দেশৰ জনসাধাৰণক উদ্দীপিত কৰি তোলে, অন্য কোনো শ্ৰমিক সংগঠনে এই ধৰণৰ দেশব্যাপী ধৰ্মঘটৰ আহ্বান পূৰ্বতে কেতিয়াও দিয়া নাছিল। এল্‌চেল্‌ভেদৰৰ সমস্ত চহৰ আৰু গাঁৱত এই ধৰ্মঘটৰ প্ৰভাৱ বিয়পি পৰে। শিক্ষকসকলে তেওঁলোকৰ সতীৰ্থ কৃষকসকলক সংগঠিত কৰাৰ বাবে তেওঁলোকৰ ধৰ্মঘটৰ উদ্দেশ্যসমূহ দাঙি ধৰে।

কৃষকসকলৰ বাবে ই এক নতুন অভিজ্ঞতা। এই প্ৰথম শিক্ষিত শ্ৰেণীৰ কোনো লোকে তেওঁলোকক গৃহ পালিত জন্তুতকৈ কিছু সন্মানৰ চকুৰে চালে। এই ঘটনাটোৱে এল্‌চেল্‌ভেদৰৰ প্ৰশাসকসকলক উন্মাদ কৰি তোলে। সমীক্ষকসকলৰ মতে এল্‌চেল্‌ভেদৰত বৰ্তমান পূৰ্ণপৰ্যায়ৰ মুক্তি আন্দোলনৰ এইটোৱেই প্ৰাথমিক অৱস্থা। অন্য অৰ্থত এই ১৯৬৮ চনৰপৰাই এল্‌চেল্‌ভেদৰৰ অত্যাচাৰ আৰু আধুনিক যুগৰ সূত্ৰপাত।

১৯৬৮ চনৰ জাতীয় ধৰ্মঘটৰ পিছৰেপৰা শতাব্দীৰ শোষণত জুৰুলা জনগণৰ ক্ষোভৰ বিস্ফোৰণ ঘটিবলৈ ধৰে আৰু দীৰ্ঘস্থায়ী মুক্তি সংগ্ৰামৰ



বাবে গঠিত হয় ফাৰাবুণ্ডো মাৰ্টি গণমুক্তি ফৌজ (Farabundo Marti Naional Liberation Front) ১৯৭৭ চনৰ ভুৱা নিৰ্বাচনৰ পিছত এল্‌চেলভেদৰৰ এই ফাৰাবুণ্ডো মাৰ্টি গণমুক্তি ফৌজ, এল্‌চেল্‌ভেদৰ কমিউনিষ্ট পাৰ্টি জাতীয় প্ৰতিৰোধ সশস্ত্ৰ বাহিনী আৰু গণবিপ্লৱী ফৌজৰ সহযোগত মুক্তি সংগ্ৰামৰ বাবে সমন্বয় কমিটী গঠন কৰা হয়। ফলস্বৰূপে ১৯৮০ চনৰপৰা গেৰিলা যদ্ধই ব্যাপক আৰু সুসংহত ৰূপ লয়। ফাৰাবুণ্ডো মাৰ্টি জাতীয় মুক্তি ফণ্টৰ বাহিনীয়ে বিভিন্ন দিশৰপৰা ৰাষ্ট্ৰপতি জেমি নেপলিয়ন দুয়োৰ্তেয়াৰ চৰকাৰী বাহিনীক সু-সংগঠিত ভাৱে আক্ৰমণ কৰি শলঠেকত পেলায়। মোৰাজান প্ৰদেশত আধুনিক আমেৰিকান অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত কৰি ৰখা ৫০০০ চৰকাৰী সৈন্যই গেৰিলা সৈন্যৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি ছত্ৰভঙ্গ দিবলৈ বাধ্য হয়। চলাভসিন্তে আৰু চানমিয়ুয়েল প্ৰদেশতো চৰকাৰী বাহিনীৰ শোচনীয় পৰাজয় ঘটে।

পশ্চিমীয়া ৰাষ্ট্ৰবোৰ তথা বৰ্তমানৰ বৃহৎ সাম্ৰাজ্যবাদী শক্তি মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পুঁজিবাদী অৰ্থনীতিৰ আৱশ্যকীয় পৰিৱেশৰ সুলভ্যতা হেতু আগধৰি বিকাশ হোৱা পুঁজিৰ বলত বিশ্বৰ বিভিন্ন দেশত উপনিৱেশ স্থাপন কৰিছিল। দুৰ্বল অনুন্নত উপনিৱেশসমূহৰ জাতীয় সম্পদ আৰু জনবল শোষণ, লুণ্ঠন কৰিয়েই গঢ়ি তুলিছে সিবিলাকৰ শিল্পসমৃদ্ধি স্কাইস্ক্ৰেপাৰ। এই সাম্ৰাজ্যবাদী শক্তিবোৰে স্থানীয় শোষক শ্ৰেণীৰ সহযোগিতাত চলাই অহা শোষণ আৰু আধিপত্যৰ ওৰ পেলাবলৈ দেশে দেশে গণ জাগৰণ, গণ অভ্যুত্থান গঢ়ি উঠে। সময়ৰ গতিচক্ৰত জাতিসমূহৰ স্বাধীনতা স্পৃহা আৰু মেহনতী মানুহৰ মুক্তি স্পৃহাই সাম্ৰাজ্যবাদৰ ঔপনিৱেশিক ব্যৱস্থাৰ পতন অনিবাৰ্য কৰিলে। জন্ম হ'ল ভিয়েটনাম, কাম্বোডিয়া (কাম্পুচিয়া), লাওচ, জিম্বাবোৱে, কিউবা, নিকাৰাগুৱা, ইথিওপিয়াৰ। পশ্চিম গোলাৰ্ধত বিপ্লৱী বীৰ ফিদেলকেষ্ট্ৰৰ নেতৃত্বত সমাজতান্ত্ৰিক কিউবাৰ জন্মৰ পিছতে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নীতি আছিল আন এখন কিউবাৰ জন্ম হ'বলৈ নিদিয়াটো। কিন্তু যেতিয়া আশীৰ দশকৰ সূচনাতেই নিকাৰাগুৱাত যুক্তৰাষ্ট্ৰৰ পৃষ্ঠপোষকতাত লাভ কৰা ফেচিষ্ট চক্ৰৰ দীৰ্ঘদিনীয়া শাসনৰ ওৰ পৰিল তেতিয়া মধ্য আমেৰিকাৰ প্ৰতিখন দেশলৈকে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সামৰিক তথা আৰ্থিক সাহায্যৰ পৰিমাণ আশাতীতভাৱে বৃদ্ধি পালে। চেলভেদোৰান গেৰিলা যুঁজাৰুৰ বিৰুদ্ধে প্ৰতিবেশী মাৰ্কিন আনুগত্যশীল

পুৰ্বেটাৰিকা আৰু ভেনিজুৱেলাৰ সহায়ত গঠিত হ'ল প্ৰতিবিপ্লৱী বাহিনী। পেণ্টাগন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ চোৰাংচোৰা বাহিনীৰ নিৰ্দেশত মুহূৰ্তে মুহূৰ্তে সষ্টম হৈ আছে গুৱাটেমালাৰ সামৰিক জুণ্টা। চৰকাৰী অত্যাচাৰ সহিব নোৱাৰি যি সকল কৃষকে সীমান্ত অঞ্চলত আশ্ৰয় লৈছিল তেওঁলোকৰ ওপৰতো হণ্ডুৰাচৰ সৈন্যই যুক্তৰাষ্ট্ৰৰ ছত্ৰছায়াত বোমাবৰ্ষণ কৰাটো নিত্য-নৈমিত্তিক ঘটনা হৈ পৰিল। মাৰ্কিন সাম্ৰাজ্যবাদ তথা ৰীগানৰ বক্তব্য হ'ল এল্‌চেল্‌ভেদৰৰ গেৰিলাসকলক ছোভিয়েট-ৰুচিয়া আৰু কিউবাই সাহায্য কৰি আছে, গতিকে মাৰ্কিন যুক্তৰাষ্ট্ৰই তাত হস্তক্ষেপ কৰিবই লাগিব। তদুপৰি এই সাহায্য যিহেতু নিকাৰাগুৱাৰ মাধ্যমেৰে আহে গতিকে নিকাৰাগুৱাৰ গণতান্ত্ৰিক চৰকাৰকো খতম কৰিব লাগিব। ইতিমধ্যে নিকাৰাগুৱাৰ সমাজতান্ত্ৰিক চৰকাৰৰ বিৰুদ্ধে মাৰ্কিন পৃষ্ঠপোষকতাত প্ৰতিবিপ্লৱী কাৰ্যকলাপ বৃদ্ধি পাইছে। অলপতে নিকাৰাগুৱাৰ বৈদেশিক মন্ত্ৰীক হত্যা কৰিবলৈ কৰা চি, আই, এ (C. I. A.) ৰ এটা ব্যৰ্থ ঘৃণনীয় ষড়যন্ত্ৰই বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিছে।

এল্‌চেল্‌ভেদৰৰ বৰ্তমানৰ বিচাৰ-ব্যৱস্থা নূন্যতম মানৱ অধিকাৰবো ৰক্ষাকৰচ নহয়। সত্তৰৰ দশকৰ শেষৰ পিনৰপৰাই বিচাৰ ব্যৱস্থা সমস্ত অৰ্থত ভাঙি যায়। চেলভেদৰৰ বৰ্তমান বিচাৰ-ব্যৱস্থা ডিক্ৰি ৫০৭ ৰ ওপৰত ভিত্তি কৰি বনোৱা। ইয়াৰ দ্বাৰা ধৃত ব্যক্তিসকলৰ কোনো চৰকাৰী নটিচ নিদিয়াকৈ ১০০ দিন পৰ্যন্ত আটক কৰি ৰখা সম্ভৱ। ৰাজনৈতিক বন্দীবিলাকক যাতে নৃশংস শাৰীৰিক নিৰ্যাতন আৰু মানসিক পীড়ন ভোগাব পাৰি তাৰ প্ৰতি চকু ৰাখি হিটলাৰৰ 'বুক্যেনডাল্টৰ' আৰ্হিত দক্ষিণপন্থী চৰকাৰে মাৰ্কিনী সাহায্যত গঢ়ি তুলিছে ম্যাৰিওনা বন্দীশাল, প্ৰহাৰ, বৈদ্যুতিক শক, দমবদ্ধ অৱস্থাত ৰখা, মূৰৰ ওপৰত আৰু ডিঙিৰ চাৰিওফালে কেলচিয়াম ৰাসায়নপূৰ্ণ বেগ ৰখা আদি নিৰ্যাতনৰ প্ৰচলিত কায়দা আৰু এই সমস্ত নিৰ্যাতনৰ হোতা আৰু পৃষ্ঠপোষক চেলভেদৰৰ নেচনেল পুলিচৰ প্ৰধান কৰ্ণেল ৰোনাণ্ডো লোপেজ নুইলা।

যোৱা কেইবছৰমানৰ ভিতৰত সংঘটিত আটাইতকৈ অগতানুগতিক ঘটনা হ'ল দক্ষিণপন্থী চৰকাৰৰ গীৰ্জাৰ ওপৰত আক্ৰমণ। বিশ্বৰ সকলো ঠাইতে মাৰ্কিনী স্বাৰ্থবহন কৰি অহা ৰোমান কেথলিক গীৰ্জাৰ মুৰব্বীসকলৰ অৱস্থা



এল্‌চেল্‌ভেদৰত আজি নাজী অভ্যুত্থানৰ সময়ত জাৰ্মানীৰ ছ'চিয়েল ডেমোক্ৰেটসকলৰ সৈতে ৰিজাব পাৰি। ৭৯ চনৰ নবেল বঁটা বিজয়ী প্ৰধান খ্ৰীষ্টিয় পুৰোহিত অস্কাৰ ৰোমেৰোক ৮০ চনৰ ২৪ মাৰ্চৰ দিনা চান চেলভেদৰৰ এখন চিকিৎসালয়ত নিৰাপত্তা বাহিনীৰ লোকে হত্যা কৰে। তেওঁৰ দোষ আছিল মানৱতাৰ খাতিৰত ব্যাপক হাৰত সংঘটিত গণহত্যা বন্ধ কৰিবলৈ তেওঁ প্ৰেচিডেণ্ট কাৰ্টাৰক অনুৰোধ জনাই চিঠি লিখিছিল। ফাদাৰ ৰোমেৰোৰ হত্যাৰ কেইমাহমানৰ পিছতে তিনিগৰাকী আমেৰিকান গীৰ্জা নিবাসী মহিলাক হত্যা কৰা হয়।

ৰীগান প্ৰশাসনে আগবঢ়োৱা এক বিলিয়ন ডলাৰ মাৰ্কিনী সাহায্য আৰু ৫৩ জন সামৰিক উপদেষ্টাৰ সহায়ত এল্‌চেল্‌ভেদৰৰ পুতলা চৰকাৰে গেৰিলাসকলক দমন কৰিবৰ বাবে আক্ৰমণ তীব্ৰতৰ কৰিছে যদিও জনগণৰ অকুণ্ঠ সমৰ্থন আৰু সহযোগ বিভিন্ন যুদ্ধক্ষেত্ৰত গণ মুক্তি ফৌজলৈ সাফল্য কঢ়িয়াই আনিছে। মুক্তিৰ পবিত্ৰ শপত লৈ লক্ষ লক্ষ চেল্‌ভেদৰিয়ানে সাম্ৰাজ্যবাদৰ বিৰোধী সংগ্ৰামত জঁপিয়াই পৰিছে। মোজাৰাণ, খুকুৰাণ, চলভিচিন্তে আদি প্ৰদেশত গেৰিলা বাহিনীয়ে মুক্ত অঞ্চল গঢ়ি তুলিছে। অলপতে গেৰিলা বাহিনীয়ে ৫৩ জন মাৰ্কিন সামৰিক উপদেষ্টাৰ মুখ্য কমাণ্ডাৰ স্কেনফেনবাৰ্গাৰ (Albert. A. Schanferberger)-ক হত্যা কৰিছে। মুক্তি বাহিনীৰ গেৰিলাসকল তেওঁলোকৰ চূড়ান্ত লক্ষ্যত উপনীত হ'বলৈ সুসংগঠিতভাৱে অগ্ৰসৰ। তেওঁলোকে এইটো ভাবি ক্ষান্ত হোৱা নাই যে তেওঁলোকৰ প্ৰতিপক্ষত আছে ভয়ঙ্কৰ পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে এক বৃহৎ সাম্ৰাজ্যবাদী শক্তি। সেয়েহে হয়তো বাৰ্লিনৰ সমাজবাদী সমবেশত চেলভেদৰৰ মুক্তি ফৌজৰ প্ৰতিনিধি স্বৰূপে যোগ দিয়া গেৰিলা যুঁজাৰু ২৩ বছৰীয়া যুৱতী নাৰ্মা গুৱেডাৰাই উদাত্ত কণ্ঠেৰে ঘোষণা কৰিছে -- For the Americans no one should doubt their end in Elsalvador. It will be the same as Saigon in May 1975 total defeat disgrace and retreat. ■

প্ৰসঙ্গ পঞ্জী ঃ

১। *Encyclopaedia Americana*

২। *নতুন পৃথিৱী*, অষ্টম বছৰ চতুৰ্থ সংখ্যা
দশম বছৰ চতুৰ্থ সংখ্যা
একাদশ বছৰ চতুৰ্থ সংখ্যা
৩। *প্ৰকাশ*, নৱম বছৰ ষষ্ঠ সংখ্যা
৪। *প্ৰতিক্ষণ*, প্ৰথম বছৰ একাদশ সংখ্যা
প্ৰথম বছৰ দ্বাদশ সংখ্যা
প্ৰথম বছৰ ত্ৰয়োদশ সংখ্যা
৫। *International courier* / voll No 11
৬। বাতৰি কাকত – i) *The Telegraph* ii) *New Age*

*(প্ৰকাশ কাল ঃ ১৯৮৩-৮৪)*

*[এই প্ৰবন্ধৰ মূল ৰূপত দুই / এক চিত্ৰ আছিল যদিও কাৰিকৰী কাৰণত ইয়াত দিব পৰা নগ'ল — সম্পাদক]*



# সাহিত্য আৰু চলচিত্ৰ

অজিত চন্দ্ৰ ফুকন
মানস তামুলী

চলচিত্ৰ আৰু সাহিত্য — আজিৰ বুদ্ধিজীৱী চলচিত্ৰ-প্ৰেমীসকলৰ এক অন্যতম শিল্প-চিন্তা। টলষ্টয়ে কেমেৰাক সাহিত্য ৰচনাৰ এক চেলেঞ্জ বুলি আদৰণি জনাইছিল। আইজেনষ্টাইনে ভাবিছিল চলচিত্ৰ সাহিত্যৰ পৰোক্ষ উত্তৰাধিকাৰী (অনুবাদ নহয়)। ৰবীন্দ্ৰনাথে চলচিত্ৰক স্বাৱলম্বী হোৱাৰ আহ্বান জনাইছিল। আজিৰ 'চুপাৰ ৮' চলচিত্ৰ আন্দোলনৰ সৈতে জড়িত পৰিচালকসকলে কাহিনী চিত্ৰতকৈ কাহিনী বৰ্জিত ''নন্‌ফিকশন ফিল্ম', 'এক্সপেৰিমেণ্টেল চিনেমা', 'ডকুমেণ্টেৰী ফিল্ম'ৰ প্ৰতি অত্যাধিক আগ্ৰহ দেখুওৱা পৰিলক্ষিত হয়।

আইজেনষ্টাইন — যি গৰাকীয়ে প্ৰথম চলচিত্ৰৰ ব্যাকৰণ ৰচনা কৰিছিল তেওঁৰ প্ৰতিটো পদক্ষেপত সাহিত্যৰ প্ৰভাৱ অনস্বীকাৰ্য্য। আনকি 'মণ্টাজ' থিয়ৰীৰ সৃষ্টিৰ অন্তৰালতো আছিল ডিকেন্স, বালজাক, টলষ্টয়, পুচকিনৰ সাহিত্য। দৰ্শক চিত্তত সংঘাত সৃষ্টিৰ উপযোগী হিচাবে আইজেনষ্টাইনে ডিটেকটিভ উপন্যাসৰ ভূমিকাক গুৰুত্ব দিছিল। কিন্তু এইখিনিতে মনত ৰখা ভাল যে তেওঁৰ বাছনিত ডিটেকটিভ উপন্যাস আছিল ডষ্টয়েভস্কিৰ 'ব্ৰাদাৰ্চ কাৰমাজভ' আৰু 'ক্ৰাইম এণ্ড পানিশ্বমেণ্ট'। কোনো সাহিত্য কৰ্মৰ দাস নহৈ সশ্ৰদ্ধ চিত্তে সাহিত্যপাঠৰ দ্বাৰা মননক সমৃদ্ধ কৰি নতুন মাধ্যমেৰে শিল্প সৃষ্টি কৰাৰ পক্ষপাতিত্ব কৰিছিল। এই ক্ষেত্ৰত আইজেনষ্টাইনে প্ৰখ্যাত আৰু অখ্যাত

ৰচনাশৈলীৰ ধাৰণাটো বৰ্জন কৰিছিল, তেওঁ 'On Imagery' নামৰ এটি প্ৰবন্ধত লিখিছিল — ''মই বালজাকৰ পৰা চৰিত্ৰ সৃষ্টিৰ আৰু জোলাৰ নেচাৰেলিজিমৰ পৰা দৃশ্য গ্ৰহণৰ শিক্ষা লওঁ। বালজাকে কৃষিভিত্তিক আৰু শিল্প-ভিত্তিক সমাজৰ যুগ-সন্ধিত বহি অপেক্ষাকৃত দূৰৈৰ পৰা বাস্তৱক পৰ্যবেক্ষণ কৰে বাবেই *The human Comedy* উপন্যাসমালাৰ যি মূল্য আন কোনো পেশাদাৰী ঐতিহাসিকসকলৰ মাজতো তাক পোৱা নাযায় আৰু জোলাই নিজ পঞ্চয়েন্দ্ৰিয়ৰ দ্বাৰা সমাজ বাস্তৱক শাৰীৰিকভাৱে অনুভৱ কৰে বাবেই তেওঁৰ ৰচনাত পুংখানুপুংখ দৃশ্যময়তা দেখা পাওঁ। এঙ্গেলচেও *The human comedy* ৰ ওপৰত নিম্নোক্ত মন্তব্য কৰিছিল — *a most wonderfully realistic history of French Society..... from which even in economic details (for instance the rearrangement of real and personal property after the revolution) I have learned more than from all the proffessed historian, economist and statisticians of the period together.* এইখিনিতে আইজেনষ্টাইন আৰু এঙ্গেলচৰ ধাৰণাৰ সাদৃশ্য পোৱা যায়।

বিশ্ব সাহিত্য আৰু শিল্পৰ এজন একাগ্ৰ ছাত্ৰ ৰুচ পৰিচালক গ্ৰিগৰি কুজিলেৎচভ। ১৯২১ চনত প্ৰেত্ৰোগ্ৰাদৰ ষ্টুডিঅ'ত ১৫ বছৰীয়া এই ছাত্ৰজনে চলিচিত্ৰৰ ব্যাকৰণ শিকিবলৈ আহে — হাতত মায়াক'ভস্কিৰ কবিতা আৰু পিকাচোৰ ছবিৰ এলবাম। গোগলৰ 'অভাৰকোট', চাৰ ভেনণ্টিজ আৰু চেক্সপীয়েৰৰ ক্লাচিক, 'ডন কিখ্তো', কিং লিয়েৰ' আৰু 'হেমলেট'ৰ চিত্ৰৰূপ চলচিত্ৰ জগতলৈ কুজিনৎচভৰ এক অভূতপূৰ্ব আৰু কালজয়ী অৱদান। কুজিনৎচভে বাৰে বাৰে ক্লাচিকৰ সমসাময়িক লক্ষণসমূহ বিচাৰ কৰাৰ পক্ষপাতি আছিল। সময়ৰ অভিব্যক্তি বিচাৰিছিল — গোগলৰ 'অভাৰকোট' (১৯২৬) ৰ পৰা 'ডন কিখ্তে' (১৯৫৭) পৰ্যন্ত। তেওঁ লিখিছিল — ''প্ৰতিভাবান সাহিত্যিকৰ লেখা মৃত্যুহীন কিয়নো সেইবোৰ লিখনি মূলতঃ মৰণশীল তেওঁলোকৰ জীৱনকাল এটিয়েই, অথচ তেওঁলোকৰ মৃত্যু হয় বাৰে বাৰে। নতুন শতাব্দীৰ উপাদান, সামাজিক সংক্ষোভৰ কোষ ক্লাচিকৰ নানা উপাদানৰ সৈতে লগলাগি অনন্ত জীৱনৰ ভ্ৰূণ সৃষ্টি কৰে। এটা এটাকৈ যুগ পাৰ হয় এই উপাদানবোৰৰ কিছু কিছু খহি পৰে। তেতিয়া আৰু 'ডন্ কিখ্তে' ঠাট্টা-



বিদ্ৰূপৰ উপন্যাস হৈ নাথাকে। ''লেমলেটে'' তাৰ সামন্ততান্ত্ৰিক জিঘাংসাৰ ব্যাখ্যা হেৰুৱায়।.... পুৰণি অৰ্থৰ ক্ষয় আৰু নতুন লক্ষণাৰ্থৰ জন্ম এই প্ৰক্ৰিয়াই এক ক্লাচিকক অমৰত্ব প্ৰদান কৰে।

গতিকে কালান্তৰৰ ব্যৱধানত *ডন কিখ্তে* উপন্যাসৰ মূল লক্ষণাৰ্থই কুজিনেৎচভৰ চকুত সলনি হৈ যায় চাৰভেণ্টিজে তেওঁৰ নায়ক ডন কিখ্তে আৰু চাঙ্কোপাঞ্জতাক লৈ যি ঠাট্টা-বিদ্ৰূপ কৰে, কুজিনৎচভৰ ওচৰত সিহঁত কেৱল মাত্ৰ সাধাৰণ বহুৱা নহয় — সিহঁতক দেখা যায় সম্পূৰ্ণ চিৰিয়াচ চৰিত্ৰত — ঠাট্টা ইয়াত সমাজ ব্যৱস্থাক কেন্দ্ৰ কৰি। *ডন কিখ্তে* উপন্যাসৰ এই ভাৰকেন্দ্ৰৰ বিৱৰ্তন অৱশ্যে পোন প্ৰথমে আঙুলিয়াই দেখুৱাইছিল মাৰ্ক্সে। শতাব্দী বা যুগৰ পৰিৱৰ্তনত সাহিত্যকৰ্মৰ লক্ষণাৰ্থসমূহ সলনি হৈ যোৱাৰ কথা পোন প্ৰথমে মাৰ্ক্সেই কৈছিল আৰু কুজিনৎচভৰ ব্যাখ্যাত — মাৰ্ক্সীয় মূল্যায়নৰ সৈতে মিলি যায়।

আইজেনষ্টাইন আৰু কুজিনৎচভ চিনেমা শিল্পৰ চালুকীয়া অৱস্থাৰে দুজন অত্যন্ত প্ৰতিভাবান বোলছবি নিৰ্মাতা (কুজিনৎচভে অৱশ্যে ১৯২৬ চনৰ পৰা ১৯৭২ চনলৈকে চিনেমা শিল্পৰ লগত জড়িত আছিল।) বিশ্ব ইতিহাসৰ পট পৰিৱৰ্তনৰ লগত সংগতি ৰক্ষা কৰি আৰম্ভ হয় চিনেমা জগতৰ এক নতুন যুগৰ। ১৯৪৪ চন। বিশ্বযুদ্ধৰ ভৰপক। ইটালীৰ মৰণাপন্ন অৱস্থা। ষ্টুডিঅ' ফিল্ম সকলোবোৰ ফেচিস্তৰ হস্তগত। ফেচিস্ত বিৰোধীসকল পলাতক। সেই সময়তে শিল্প সৃষ্টিৰ দুৰ্বাৰ বাসনাত সকলোবোৰ বিপদ মূৰ পাতি লৈ ছবি কৰিবলৈ আগবাঢ়ি আহিল ৰচোলিনী।

ছবি? কিন্তু কেনেকৈ? ফিল্ম নাই, টকা নাই, ষ্টুডিঅ' নাই, অভিনেতা নাই, তথাপিতো ছবি কৰিব। আৱৰ্জনাৰ দৰে পৰি থকা কেতবোৰ বাতিল ফিল্ম দিয়েই আৰম্ভ কৰা হ'ল ছবিৰ কাম। ভুমুকিয়ালে বিভিন্ন সমস্যাই; অৰ্থৰ অভাৱ, পোহৰৰ অভাৱ, কেঁচা ফিল্মৰ অভাৱ। যিবোৰ দৃশ্য তোলা হ'ল তাতো দৃশ্যৰ নাটকীয়তা হেৰাই গৈছে। অৰ্থৰ অভাৱত ছবিৰ কাম বন্ধ হৈছে। তথাপিও এদিন ছবিখন সম্পূৰ্ণ হ'ল।

ছবিৰ নাম 'অপন চিটি'। ছবিখনত দেখুওৱা হ'ল —ৰাষ্টা-ঘাট, চহৰৰ অলি-গলিৰ বাস্তৱ জীৱনৰ সঁচা চৰিত্ৰ। ছবিত মাত্ৰ দুজন অভিনেতা। বাকী সকলোবোৰ সাধাৰণ মানুহ। ছবি বুলিলে সাধাৰণ মানুহে যি বুজে সেই

বিচাৰ ছবিখনিত একোৱেই নাই। কোনো দৃশ্যই ভালদৰে দেখা নাযায়। দেখা পোৱা দৃশ্যখিনিৰ মাজতো পৰিপাটিত্বৰ একান্তই অভাৱ। আচলতে ছবিখনত নিয়ম শৃংখলা বুলিবলৈ একোৱেই নাই।

তথাপিও এটা বিপ্লৱ ঘটিল। ছবিত মূৰ্ত হৈ উঠিল এটা ট্ৰেজিক যুগৰ বাস্তৱ চেহেৰা। ইয়াৰ ৰাফনেচ আৰু লেক অৱ ফিনিচ অচিৰেই ৰূপান্তৰিত হ'ল ভাৰ্চুত আৰু এই আপাত বিৰস ছবিখনৰ পৰাই জন্ম হ'ল — বিশ্ব চলচিত্ৰৰ এক নতুন যুগৰ, এক নতুন আৰু শক্তিশালী ধাৰাৰ যাক কোৱা হয় — ''নিউ ৰিয়েলিজিম।''

এই 'নিউ ৰিয়েলিজিম'ৰ যুগতেই সাহিত্য আৰু চলচিত্ৰৰ সম্পৰ্কৰ বিজুতি ঘটিল। সাহিত্যৰ অনুবাদকৰ ভূমিকা এৰি পৰিচালকসকলে লাহে লাহে অনুভৱ কৰিলে নিজৰ স্বতন্ত্ৰ দায়িত্ববোধ। লাহে লাহে চলচিত্ৰৰ সৰ্বাঙ্গ জুৰি ফুটি উঠিল পৰিচালকৰ নিজস্ব দৃষ্টিভঙ্গী, নিজস্ব বোধ আৰু বক্তব্য। চলচিত্ৰ হৈ পৰিল পৰিচালকৰ নিজস্ব প্ৰকাশ ভঙ্গীৰ এক মাধ্যম।

বাৰ্গমেনৰ এটি পৰিচিত প্ৰবন্ধৰ নাম ''Film has nothing to do with literature'' — প্ৰবন্ধটিত কিভাৱে পৰিচালকে সামান্য এটা কথা, এটা মন্তব্য, বিশ্বাস্য কিন্তু আপাততঃ অসংলগ্ন কোনো এটা ঘটনা, সুৰ অথবা সংগীতৰ এটা টান ইত্যাদিৰ পৰা সংগ্ৰহ কৰে চলচিত্ৰৰ নতুন নতুন উপকৰণ — তাৰ উল্লেখ আছে।

বাৰ্গমেন এবাৰ হস্পিতালত নিজৰ কল্পিত অসুস্থতাৰ বাবে চিকিৎসাধীন হৈ আছিল। হাতত কোনো ছবি নাই। আছে মাত্ৰ 'দি কেনিবলচ'ৰ চিত্ৰনাট্য; চাৰিঘণ্টাৰ ছবি। সেই সময়তে এদিন দেখা কৰিবলৈ আহিল বিবি এণ্ডাৰচন। লগত নৰৱেৰ অভিনেতা-অভিনেত্ৰীৰ এটি দল। বাৰ্গমেনৰ দৃষ্টি দলৰ এগৰাকী মহিলাৰ মুখত স্থিৰ হৈ গ'ল। সুধিলে — ''তুমি মোৰ পৰৱৰ্তী ছবিখনত অভিনয় কৰিবা?'' মহিলা গৰাকী ৰাজী।

বাৰ্গমেনৰ 'দি কেনিবলচ'ৰ চিত্ৰনাট্য লৈ ভাবিছে কিভাৱে কোন চৰিত্ৰত মহিলাগৰাকীক খাপ খুৱাব পৰা যায়। ইয়াৰ কিছুদিনৰ পিছত প্ৰিয় বন্ধু ডাঃ ষ্টুৰ হেলেণ্ডাৰৰ ঘৰত বহি ডাক্তৰে নিজে তোলা কিছুমান শ্লাইড চাই আছে। হঠাৎ এখন শ্লাইডত তেওঁৰ চকু থৰ হৈ গ'ল। বিবি এণ্ডাৰ চন আৰু সেই মহিলা। দুয়োজনেই যেন দেখাত এক। এজন আনজনৰ প্ৰতিবিম্ব। সেই



মুহূৰ্তৰ পৰাই মূৰত বাহ ল'লে অন্য এক চিত্ৰনাট্যৰ চিন্তাই — দুটি নাৰীৰ একাত্মতা — ''Something about two people who lost their identity in each other'' — এইভাৱেই 'পাৰ্চোনা'ৰ জন্ম আৰু সেই অভিনেত্ৰী গৰাকীয়েই হৈছে লিভ উলমান (Ullaman)। পৰৱৰ্তী কালৰ বিশ্ববিখ্যাত অভিনেত্ৰী।

এইবছৰৰ ৰাষ্ট্ৰপতি পদকপ্ৰাপ্ত অদুৰ গোপালকৃষ্ণৰ বহু বিতৰ্কিত ছবি 'মুখামুখম'ৰ মাজেদি পৰিচালকে ফুটাই তুলিব বিচাৰিছিল লেনিনৰ এটি বিখ্যাত উক্তি — ''প্ৰলিতৰিয়েটৰ অগ্ৰগতিৰ লগে লগে প্ৰতি স্তৰতেই কিছু কিছু মানুহ অগ্ৰগতিৰ পথত অযোগ্য হৈ জনগণৰ পৰা বিছিন্ন হৈ যাব।'' ছবিখনৰ প্ৰেৰণাও আছিল লেনিনৰ এই সত্য ভৱিষ্যতবাণী।

আন এজন পৰিচালক ফেলিনিক প্ৰশ্ন কৰা হৈছিল — ছবি কৰোতে পৰ্যায়ক্ৰমে কেনেদৰে আগবাঢ়ে? ফেলিনিৰ উত্তৰ —

''First I have to be moved by a feeling. I have to be interested in one character or one problem. Once I have that, I don't really need a very well-written story or very detailed script.''

পৰিচালক এন্তোনিয়নিয়েও বাৰ্গমেনৰ দৰে নিজৰ ছবিৰ গল্প নিজেই লিখে। তেওঁৰ মতে ডষ্টয়েভস্কিৰ ''ক্ৰাইম এণ্ড পানিশ্বমেণ্ট'' উপন্যাসৰ মূল কাঠামোটো তেনেই সাধাৰণ। ডষ্টয়েভস্কিৰ প্ৰকাশভঙ্গীটোহে অসাধাৰণ, এই 'ক্ৰাইম এণ্ড পানিশ্বমেণ্ট'ক লৈ ছবি কৰিলে ভালো হ'ব পাৰে নাইবা একেবাৰে নিকৃষ্টও হ'ব পাৰে। গতিকে মই ছবিৰ কাৰণে গল্প নিজেই ৰচনা কৰি লওঁ। এজন পৰিচালকো এজন মানুহহে। গতিকে তেওঁৰ কিছু আইডিয়া থাকে। আকৌ তেওঁ এজন শিল্পীও। গতিকে কিছু 'ইমাজিনেচনো' আছে। সেইবোৰ ভালেই হওঁক বা বেয়াই হওঁক — মানুহক শুনাবলগীয়া অজস্ৰ গল্প মোৰ জনা আছে। প্ৰতিদিনেই যি দেখিছো, চকুৰ আগত যি ঘটি আছে। সেইবোৰেই যোগান ধৰিছে নিত্য নতুন গল্প কোৱাৰ ক্ষমতা।

বিশ্ব চলচিত্ৰৰ এক বিস্ময়কৰ প্ৰতিভা ফ্ৰান্সৰ জাঁ লুক গদা (Jean Lus Godard)। — গদাৰ প্ৰতিখন চিত্ৰনাট্যত পোৱা যায় বিশ্ব সাহিত্য-শিল্পৰ অফুৰন্ত উল্লেখ। যেনে — ৰনে, চাতেব্ৰিয়ঁ, লুই ফেৰ্দিন, বালজাক, জুলে ভাৰ্নেৰ উপন্যাস, বোদলেয়াৰ, ৰবাৰ্ট ব্ৰাউনিং, লুই থাৰাগঁ, পল এলুয়েৰ,

মায়াকোভস্কি, এলচাত্ৰিয়োল, গৰ্থিয়া লৰকা আৰু ব্যাঁবোৰ কবিতা, এলিফোৰাৰ আধুনিক শিল্প আলোচনা, পিকাচো, ৰেনোয়াঁ, ৰুয়ঁ, মদিগি লিয়ানীৰ ছবি আৰু বিথোফেনৰ পঞ্চম চিম্ফনী।

গদাৰৰ এখন চায়-ফি (science fiction) 'আলফাভিল' মূলতঃ গোয়েন্দা কাহিনী। নায়কৰ নামটো ফৰাচী বিখ্যাত কমিক ষ্ট্ৰীপৰ পৰা লোৱা। কমিক ষ্ট্ৰীপৰ অৱধাৰিত নিয়ম অনুযায়ী 'আলফাভিল'ত আছে অপৰাজেয় গোয়েণ্ডা, সুন্দৰী নাৰীৰ উদ্ধাৰৰ কাৰণে নায়কৰ প্ৰাণপণ প্ৰচেষ্টা, আকস্মিক আক্ৰমণ, হত্যা, মৃত্যু, ৰুদ্ধশ্বাস চাচপেঞ্চ, আছে দৃশ্যব্যাপি ভয়াৱহতাৰ সাজ আৰু ৰকেট সুলভ গতি। তথাপি কমিক ষ্ট্ৰীপৰ মনোৰম তাৎক্ষণিকতাক অতিক্ৰম কৰি দৰ্শকৰ ভাৱনা বা চৈতন্যক উপলব্ধিৰ যি নক্ষত্ৰলোকত এৰি দিয়ে তাৰ নামেই কবিতা।

''দা চোলজাৰ''ত এগৰাকী যুৱতীয়ে ফায়াৰিং স্কোৱাডত অৱধাৰিত মৃত্যুৰ মুখত থিয় হৈ আবৃত্তি কৰি যায় মায়াকোভস্কিৰ কবিতা। 'দা কনটেম্প্‌ট'ত ফ্ৰীজ ল্যাঙৰ মুখত দান্তে আৰু হেণ্ডাৰলিন। 'বেণ্ড অব্ আউট-চাইডাৰ'ত ৰোমিঅ'-জুলিয়েট। 'মেড ইন ইউ, এচ, এ'ত ডেভিড গুডিচ নামৰ এজন লোকৰ লেখকৰ সৈতে নায়িকা পাওলাৰ প্ৰথম সাক্ষাৎকাৰত এই ধৰণৰ কথোপকথন —

পাওলা — আটলাণ্টিক চিটিত তুমি কি কৰিছা? (ডেভিদে চাই থাকে টাইপ-ৰাইটাৰত লগাই থোৱা উকা কাগজখনলৈ)

ডেভিদ — এই আয়নাৰ ভিতৰত মোৰ জীৱন্ত ময়েৰে ভৰা সঁচাঁকৈয়ে দেবদূতৰ সম্বন্ধে আমাৰ ধাৰণাৰ দৰে, প্ৰতিবিম্বৰ দৰে নহয়।

পাওনা ঃ কি লিখিছা তুমি?

(ডেভিদে হাতত আগেয়ে টাইপ কৰা কাগজখন তুলি দিয়ে)

ডেভিদ — এখন ন'ভেল, যি কাহানিও শেষ নহ'ব। যাক কম অসমাপ্ত উপন্যাস।

পাওাই পঢ়ে।

''কোন সেই অভিনেত্ৰী যাৰ চকুৰ মণি দুটা ভাৱাক্ৰান্ত আৰু পুষ্পস্তবকৰ দৰে ক'লা?

এই জাপানীজনে হঠাৎ মোলৈ চালে



যেনে — 'মানে'ৰ দৰে

মোৰ দৰে, সন্দেহ নাই তেওঁৰ যাৱতীয় 'ক্লীচ'ত কণ্ঠস্থ যি শুনিছো সেইবোৰ শব্দই তেওঁ কয়, তুমি মোক হেৰুৱাবা মাধুৰী।

কোনোবা এদিন, কোনো কোনো দিনত।

তেনেহ'লে কোনে ব্যাখ্যা কৰিব দীৰ্ঘ যন্ত্ৰণাৰ এইবোৰ অনুভূতি আৰু মোৰ জীৱন আৰু পৃথিৱী

কোনে বিশ্বাস কৰিব এইবোৰ?

তেওঁ ভাল পাইছিল যি আঁতৰি যায়

আৰু মই আছিলো সেই ৰং যি সময়ৰ

সেইবোৰ সময়েই কৈ যায় আৰু কি বিচাৰা

আৰু কি বিচাৰো মই সপোন দেখিছিলো শুনি শুনি

এগৰাকী নাৰী হ'ল সেই দৰজা — যি খুলি দিয়ে নজনা পথ এগৰাকী নাৰীৰ সকলো সময়তেই নগ্ন দুটি ভৰিৰ উৎসৰ তোমাৰ জানো মনত পৰে তেওঁৰ কণ্ঠস্বৰৰ ক্ষীণ সুৰে গোৱা গান।''

গদাৰ আন এখন ছবি 'পিয়েৰ প্যু ফু' যদিও লিওনেল হোৱাইটৰ কাহিনীৰ অৱলম্বনত তৈয়াৰী ইয়াৰ আত্মা ৰেঁবো। ৰেঁবোৰ কেইটিমান স্তৱকেই ছবি সৃষ্টিৰ প্ৰেৰণা আৰু ছবিটিৰো শেষ হৈছে ৰেঁবোৰ চাৰিটা পংক্তিৰে —

''আকৌ বিচাৰি পোৱা গ'ল

কাক? অনন্ত।

এয়ে হ'ল সেই সমুদ্ৰ

সূৰ্যৰ সৈতে যাৰ যাত্ৰা।''

'আলফাভিল' কম্পিউটাৰ শাসিত এক যান্ত্ৰিক নগৰ। 'চিটি অৱদা ফিউচাৰ'' — এই কেপিটেল অৱ কম্পিউটাৰৰ প্ৰধান স্থপতি ভন। ব্ৰাউনক হত্যা অথবা বন্দী কৰি অনাৰ বাবে পঠোৱা হৈছে ফিগাৰো প্ৰাভদাৰ সাংবাদিক নিউয়ৰ্কজাত লেমি কচনক। এই দৃশ্যত ধৃত লেমিৰ জিজ্ঞাসাবাদ। আলফা ৬০ — তুমি আহিছা আউটাৰলেণ্ডৰ পৰা। 'গেলাকটিক স্পেচ'ৰ মাজেৰে অহা-যোৱা কৰোতে তুমি কি অনুভৱ কৰিছা?

লেমি ঃ অসীমতাৰ নৈশব্দ্য...

আলফা ঃ মৃতকৰ সুখ কিহত?

লেমি ঃ পুনৰবাৰ নমৰাত।

আলফা ঃ ৰাতিক দিনলৈ ৰূপান্তৰিত কৰে কোনে?

লেমি ঃ কবিতাই।

লেমিৰ আগতে ডিকচন নামৰ আৰু এজনক সেই একে উদ্দেশ্যৰে পঠোৱা হৈছিল। আলফাভিলৰ আৱহাৱাৰ মাজত ডিকচনে নিজৰ দায়িত্ববোধ হেৰুৱাই পেলালে। তাৰ পিছতে লেমিৰ আগমন আৰু কাহিনীৰ আধাতে লেমিৰ সন্মুখতেই ডিকচনৰ আত্মহত্যা। মৃত্যুৰ আগতে ডিকচনে লেমিৰ হাতত তুলি দিয়ে এখন কিতাপ। পল এলুয়েৰৰ 'কেপিটেল অব্ পেন'। আনফালে প্ৰফেচাৰ ডন ব্ৰাউনৰ জীয়াৰী নাতাচাৰ ওপৰত হোটেল কৰ্তৃপক্ষৰ নিৰ্দেশ, লেমিক সাহচৰ্য দিয়াৰ। প্ৰকৃততে নজৰত ৰখা। এদিন লেমিয়ে নাতাচাক পঢ়িবলৈ দিয়ে এলুয়েৰৰ কবিতা —

*আমি জীয়াই আছো তোমাৰ ৰূপান্তৰৰ শূণ্যতাৰ ভিতৰত*
*কিন্তু সেই প্ৰতিধ্বনি যি গোটেই দিনটো দৌৰি ফুৰে*
*সেই প্ৰতিধ্বনি যি সময়ৰ বাহিৰত, হতাশা আৰু*
*মমতাৰ বাহিৰত.....*
*আমি কি খুব ওচৰত*
*নে আমাৰ বিবেকৰ পৰা অনেক আঁতৰত।*

নাতাচাই বিবেক শব্দৰ অৰ্থ নেজানে। অৰ্থৰ বাবে বাইবেল বিচাৰে কিন্তু বাইবেলৰ সলনি পায় অভিধান। ইয়াৰ হোটেলৰ নিয়ম অনুযায়ী প্ৰত্যেক ঘৰতেই একোখন কৈ বাইবেল অপৰিহাৰ্য — যি মূলতঃ অভিধান। নাতাচাই বিবেক শব্দৰ অৰ্থ বিচাৰি উলিয়াব নোৱাৰি লেমিক জনায় যে ইয়াত প্ৰত্যেক দিনেই নতুনকৈ অভিধান ছপোৱা হয় আৰু প্ৰতিবাৰেই কিছুমান শব্দ বাতিল কৰি অপ্ৰয়োজনীয় কিছু শব্দ সংযোজন কৰা হয়।

কথোপকথনৰ মাজেদিয়েই নাতাচাই লেমিৰ মুখৰ পৰা 'ভালপোৱা' শব্দটো শুনি প্ৰশ্ন কৰে 'ভালপোৱা' কি? লেমিয়ে আদৰ কৰি, আলিঙ্গনৰ দ্বাৰা বুজাবলৈ চেষ্টা কৰে ভালপোৱাৰ বোধ। ইয়াৰ পিছত শুনা যায় তাইৰ স্বগতঃ সংলাপ য'ত মাত্ৰ প্ৰতিস্ফুট হয় কবিতা —

*তোমাৰ কণ্ঠ, তোমাৰ নয়ন*
*আমাৰ নৈশব্দ্য, আমাৰ সংলাপ, পোহৰ যি আঁতৰি যায়*



*পোহৰ যি উভতি আহে*
*আমাৰ দুয়োৰে মাজত এটি হাঁহি*
*জনাৰ ইচ্ছাৰে চাই যাওঁ ৰাতিয়ে ৰচনা কৰিছে দিন*
*আমাৰ অৱয়বত কোনো অদল-বদল নঘটোৱাকৈ...*
*হে প্ৰিয়, সকলোৰে প্ৰিয়, প্ৰিয় মাত্ৰ এজনৰ*
*নীৰৱতাত তোমাৰ মুখে প্ৰতিজ্ঞা কৰিছিল সুখী হোৱাৰ*
*ঘৃণা বুলি, দূৰৈত আৰু দূৰৈত*
*একমাত্ৰ আদৰত শৈশৱৰ পৰা আমাৰ ছুটী*
*ক্ৰমাগত মানুহৰ দুভাগাকে দেখোঁ*
*যেন দুটি প্ৰণয়ীৰ সংলাপ*
*হৃদয়ত আছে কেৱল এখনেই মুখ*
*সকলোবোৰেই অকস্মাৎ*
*সকলো কোৱা নহয় নভবাকৈ*
*ভাবালুতা খহি যায়*
*এটি চাৱনি, এটি কথা*
*আৰু যিহেতু তোমাক ভালপাওঁ সকলোৰেই আন্দোলিত*
*আৱশ্যক জীয়াই থাকিবৰ বাবে আগবঢ়াৰ, যোৱাৰ*
*পোনে পোনে সেই পিনে যি কিছু তুমি ভালপোৱা*
*মই গৈছো তোমাৰ পিনে, পোহৰৰ ফালে অনন্তযাত্ৰাত*
*'তুমি যদি হাঁহা, সেয়া এই কাৰণে যে*
*মোক ভেদ কৰি যাব পাৰা তুমি*
*তোমাৰ বাহুৰ উষ্ম যেন কুঁৱলী বিদীৰ্ণ কৰা মণি মুক্তা।*

ছবিৰ শেষ দৃশ্য। নাতাচাক 'আলফাভিল'ৰ মৃত্যু গহ্বৰৰ পৰা উদ্ধাৰ কৰি লেমিয়ে পৃথিৱী অভিমুখে গাড়ী চলাই দিছে। এটা সময়ত নাতাচাই সুধিছে —

নাতাচা ঃ তুমি অদ্ভুত ধৰণে মোৰ পিনে চাই আছা?

লেমি ঃ ওঁ।

নাতাচা ঃ কি ক'বলগীয়া আছে মই নেজানো। অন্ততঃ তাৰ ভাষাটো মই শিকা নাই — প্লীজ হেল্প মী —।

লেমি ঃ অসম্ভৱ ৰাজকুমাৰী। তুমি নিজেই শিকিব লাগিব আৰু একমাত্ৰ তেতিয়াই তুমি জীয়াই থাকিব পাৰিবা। যদি শিকিব নোৱাৰা আলফাভিলৰ মৃতসকলৰ সৈতে তুমি বিলীন হৈ যাবা।

নাতাচা ঃ ....... মই......

....... ভালপাওঁ .......

....... তোমাক ........

মই তোমাক ভালপাওঁ।

ছবি শেষ হয়।

"So to make film is to be a poet" — কথাকেইটা পাচোলিনীৰ। পাচোলিনী প্ৰথমে কবি। তাৰ পিছত ঔপন্যাসিক। তাৰ পিছত চলচিত্ৰ নিৰ্মাতা। ইটালীৰ আটাইতকৈ দুৰ্দান্ত আৰু বিতৰ্কমূলক কবি পাচোলিনীৰ কাৰণে চলচিত্ৰ আৰু কবিতা অভিন্ন। কোনোৱে এখন ছবি চোৱাৰ পিছত মনলৈ আহে ছবিখন কোন ভাষাত তোলা — গদ্যৰ ভাষাত নে পদ্যৰ ভাষাত, নিজে 'চিনেমা অব্ পয়েট্ৰি'ত বিশ্বাসী।

"মোৰ কাৰণে চিনেমা স্বাভাৱিক কাৰণতে কাব্যময়। যিহেতু চিনেমা স্বপ্নৰ দৰে। ই স্বপ্নৰ আটাইতকৈ নিকটৱৰ্তী। কিয়নো চলচিত্ৰৰ এটা দৃশ্য, অথবা স্মৃতিৰ কিছু অংশ অথবা স্বপ্ন, এই সকলোবোৰেই গভীৰভাৱে কাব্যময়। ছবিত তোলা এজোপা গছো কাব্যময়। এজন মানুহৰ মুখৰ অৱয়বো কাব্যিক। কিয়নো 'ফিজিচিটি' বস্তুটোৱেই কাব্যিক। যিহেতু ইয়াত অন্তৰ্নিহিত হৈ আছে অলৌকিকত্ব। আছে ৰহস্য আৰু বহুধৰণৰ অৰ্থ। আনকি এজোপা গছো ভাষা বিদ্যাৰ প্ৰতীক। কিন্তু গছৰ অভ্যন্তৰৰ পৰা কথা কয় কোনে? কয় ঈশ্বৰে। অথবা বাস্তৱ জগতে নিজেই। এই ধৰণেৰে গছৰ মাধ্যমেৰে তাৰ অলৌকিক সত্বাৰ সৈতে আমাৰ ভাষাৰ আদান-প্ৰদান চলে।

চিনেমা কবিতা হ'বলৈ বাধ্য, কাৰণ ই কবিতাৰ দৰেই। মই আকৌ কওঁ যে ই কবিতাৰ দৰেই যি কবিতা — প্ৰাগঐতিহাসিক নিৰ্দিষ্ট আকাৰহীন আৰু অস্বাভাৱিক। যদি এখন ৰেষ্টাৰ্ণ ছবি অথবা কোনো পুৰণি জনপ্ৰিয় ছবিক পুংখানুপুঙ্খভাৱে বিচাৰ কৰা হয় — তাৰ ভিতৰতো কৰবাত নহয় ক'ৰবাত স্বপ্নৰ গঢ়ন আৰু কবিতাৰ স্বভাৱ পৰিস্ফুট হ'ব। যদিও সেই ছবি 'চিনেমা অৱ পয়েট্ৰি' নহয়।



চিত্ৰ নিৰ্মাতা হ'বলৈ হ'লে আগেয়ে কবি হ'ব লাগিব। পাচোলিনীৰ চিত্ৰ-নাট্যও কবিতা, 'ইউপাচ ৰেক্স' ছবিত কেমেৰাই লাহে লাহে সেউজীয়া বননিৰ ওপৰেদি গতি কৰিছে। যেন এটি শিশুৱে বিস্ময় সহকাৰে ঘূৰি ঘূৰি প্ৰকৃতিক পৰ্যবেক্ষণ কৰিছে। চিত্ৰনাট্যত সেইখিনিৰ বৰ্ণনা —

*Perhaps trees will come spinning into view : ashes, sorghum and willows – willows above all. Drooping with their long, weeping leaves over a terrible void, a darkness, something unearthly. And the willows, drenched in that glorious afternoon sun deep in the provinces : a mysterious corner of the world, no north, no south. Just an immense hole where a life is stirring.*

সৈনিকৰ পোছাক পিন্ধা পিতৃয়ে এক স্থিৰে চাই আছে নিজ সন্তানক। সিও চাইছে নিজ পিতৃক। কি দৰে?

*The child looks at him, his limpid little eyes devoid of expression, perhaps he is already pretending indifference. The father looks at him, standing out in his petitbourgeous soldiers uniform against the sky and the song of the swallows. He is listening to his own inner voice. It is loud, and solemn, as in a tragic drama.*

থেবচ যাত্ৰাৰ পথত ইডিপাচে যেতিয়া হত্যা কৰে নিজ পিতৃক আৰু আক্ৰান্ত হয় তেওঁৰ ৰক্ষীৰ দ্বাৰা, ইডিপাচে এজন এজনকৈ হত্যা কৰে তেওঁলোকক। পাচোলিনীয়ে এবাৰো নক'লে — মৃতদেহবোৰ শুই পৰিল ধূলিৰ ওপৰত। মৃত্যুৰ সলনি তেওঁ ব্যৱহাৰ কৰে 'সৰলতা'। 'দেয়াৰ ইন'-চেঞ্চ লাইজ ইন দা ডাষ্ট, চোক্‌ড ইন ব্লাড।' আৰু কেতিয়াবা, 'ইন'চেঞ্চ এণ্ড ইয়ুথ লাই স্কোয়াৰমিং ইন দা ডাষ্ট'। কবিৰ উপলব্ধি ইয়াত প্ৰবলতা। নিজৰ অজ্ঞাতসাৰে ইডিপাচে হত্যা কৰিছে তেওঁৰ পিতাকক। তেওঁৰ জীৱনত পাপৰ আৰম্ভ এই মুহূৰ্তটিৰ পৰা। ইডিপাচৰ পাপক পৰিচয় কৰি দিবৰ বাবেই বাৰে বাৰে প্ৰতিৰোধকাৰী যোদ্ধাসকলৰ ক্ষেত্ৰত পাপহীন সৰলতাৰ উচ্চাৰণ।

আইজেনষ্টাইনে কৈছিল —

"The greatness of Puskin is not for films, but how filmic."

ইয়াৰ অনুসৰণতেই এজন ভাৰতীয় চিত্ৰ নিৰ্মাতা পূৰ্ণেন্দু পত্ৰীয়ে কৈছে —সাহিত্যৰ গৌৰৱ চলচিত্ৰৰ বাবে নহয়। কিন্তু চলচিত্ৰক গৌৰৱান্বিত কৰিবৰ বাবে সাহিত্যই গঢ়ি ৰাখিছে মণি-মুক্তাৰ মালা। ■

**সহায়ক গ্ৰন্থ ঃ**

১। আইজেনষ্টাইনৰ — *দি ম'শ্বন পিক্‌চাৰ চিনাৰিঅ*
২। বাৰ্গমেনৰ — *বাৰ্গেমেন অন বাৰ্গমেন*
৩। পূৰ্ণেন্দু পত্ৰীৰ — *চিনেমা চিনেমা*।

*(প্ৰকাশ কাল ঃ ১৯৮৪-৮৫)*



# ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ ইতিহাস

**ৰূপাঞ্জলী শৰ্মা**
দ্বাদশ শ্ৰেণী (বিজ্ঞান)

ভাৰতীয় শাস্ত্ৰীয় সংগীত অতি প্ৰাচীন। কিন্তু এই সংগীতকলাৰ উৎপত্তি কেতিয়া আৰু কেনেকৈ উদ্ভৱ হ'ল, এই বিষয়ে পণ্ডিতসকলে বিভিন্ন মত দাঙি ধৰিছে। সেইবোৰৰ ভিতৰত কেইটামান উল্লেখযোগ্য মত তলত উল্লেখ কৰা হ'ল।

প্ৰথম মতবাদ অনুসৰি সংগীতৰ প্ৰথম উৎপত্তি ভগৱান ব্ৰহ্মাৰ দ্বাৰা হৈছিল বুলি বেদত উল্লেখ আছে। ব্ৰহ্মাই এই কলা শিৱক প্ৰদান কৰে আৰু শিৱৰ পৰা এই কলা সৰস্বতী দেৱীয়ে শিকি লয়। সেইবাবে সৰস্বতী দেৱীক ''বীণা পুস্তক ধৰিণী'' বুলি সংগীত আৰু সাহিত্যৰ অধিষ্ঠাতৃ হিচাপে মনা হয়। সৰস্বতী দেৱীৰ পৰা এই সংগীত কলাৰ জ্ঞান নাৰদ মুনিয়ে আহৰণ কৰে। নাৰদে স্বৰ্গত গন্ধৰ্ব, কিন্নৰ আৰু আপেস্বৰীসকলক সংগীত শিক্ষা দিয়ে। তেতিয়াৰ পৰা ভৰত নাৰদ আৰু হনুমান আদি ঋষিসকলে সংগীতত পাৰ্গত হৈ পৃথিৱীত সংগীত কলা প্ৰচাৰত অৱতীৰ্ণ হয়।

আন এজন গ্ৰন্থকাৰৰ মতে, নাৰদ মুনিয়ে বহুবছৰ ধৰি শিৱৰ যোগ সাধনা কৰিছিল। তেতিয়া মহাদেৱে তেওঁৰ এই তপস্যাত সন্তুষ্ট হৈ সংগীত কলা প্ৰদান কৰে। তদুপৰি এই গ্ৰন্থকাৰৰ আন এটা মত অনুসৰি পাৰ্বতীৰ শয়ন মুদ্ৰা দেখি শিৱই অনেক অঙ্গ-প্ৰত্যঙ্গৰ আধাৰত ৰুদ্ৰবীণা তৈয়াৰ কৰে আৰু তেওঁৰ পঞ্চমুখৰ দ্বাৰা পাঁচটা ৰাগৰ সৃষ্টি কৰে। শিৱৰ পূব, পশ্চিম,

উত্তৰ, দক্ষিণ আৰু আকাশ এই পঞ্চমুখৰ দ্বাৰা যথাক্ৰমে ভৈৰৱ, হিন্দোল, মেঘ, দীপক আৰু শ্ৰীৰাগৰ উৎপত্তি হয়। তেওঁৰ উপচ্ছায়াত পাৰ্বতীৰ মুখৰ দ্বাৰা আৰু ছটা ৰাগৰ উৎপত্তি হয়। আৰু কৌশিক ৰাগৰ সৃষ্টি হয়। শিৱপ্ৰদেশ স্তোত্ৰত এইদৰে উল্লেখ আছে যে ত্ৰিজগতৰ জননী গৌৰীক স্বৰ্ণ সিংহাসনত বহুৱাই শূলপাণি শিৱদেৱতাই নৃত্য কৰা ইচ্ছা প্ৰয়াস কৰে। এই কথাত সকলো দেৱতাই তেওঁলোকক বেঢ়ি ধৰে আৰু তেওঁৰ স্তুতি গান আৰম্ভ কৰে। এই নৃত্যত সৰস্বতী দেৱীয়ে বীণা, ইন্দ্ৰই বেণু, ব্ৰহ্মাই কৰতাল, লক্ষ্মীয়ে গান গায় আৰু বিষ্ণু দেৱতাই মৃদংগ বজায়। এই নৃত্যময় সংগীত উৎসৱ চাবৰ বাবে গন্ধৰ্ব, যক্ষ, পতগ, উৰগ সিদ্ধ, সাধ্য বিদ্যাধৰ, দেৱতা অপ্সৰা আদি সকলো উপস্থিত আছিল।

সংগীত দৰ্শনৰ লেখক দামোদৰ পণ্ডিতৰ মতানুসাৰে সংগীতৰ উৎপত্তি ব্ৰহ্মাৰ দ্বাৰা হৈছিল। ব্ৰহ্মাৰ আদেশত ভৰতমুনিয়ে মহাদেৱৰ ওচৰত সংগীত পৰিবেশন কৰে। এই সংগীত মুক্তিদায়ক সময়ৰ এজন সৰ্বশ্ৰেষ্ঠ গায়ক আছিল। কথিত আছে যে এবাৰ আকবৰে তানসেনক তেওঁতকৈ সুন্দৰ সংগীত গোৱা গায়ক আছে নে নাই জানিবলৈ বিচাৰে। তেতিয়া তানসেনে তেওঁৰ গুৰুৰ কথা উল্লেখ কৰে। আকবৰে তেওঁৰ গান শুনিবলৈ ইচ্ছা প্ৰকাশ কৰে। কিন্তু স্বামী হৰিদাসে দৰবাৰলৈ আহিবলৈ অস্বীকাৰ কৰে। শেষত দুয়োজনে এটা বুদ্ধি উলিয়ালে। আকবৰে তেওঁৰ নিজৰ পোছাক খুলি তানসেনৰ তানপুৰা লয় আৰু তানসেনৰ সৈতে স্বামী হৰিদাসৰ ওচৰলৈ যায়। তেওঁলোকে স্বামীজীক গান গাবলৈ অনুৰোধ জনায়। কিন্তু স্বামীজীয়ে গান গাবলৈ অনিচ্ছা প্ৰকাশ কৰে। তেতিয়া তানসেনে জানি বুজি স্বামীজীৰ আগত অশুদ্ধ ৰূপত গান গায়। স্বামীজীয়ে ৰ'ব নোৱাৰিলে। তেওঁ সেই ৰাগ নিজেই গায় তানসেনক শিকালে। এইদৰে আকবৰৰ ইচ্ছা পূৰণ হয়। স্বামীজীৰ গানত প্ৰভাৱান্বিত হৈ আকবৰে স্বামীজীৰ নিচিনাকৈ তানসেনে গান গাব নোৱৰাৰ কাৰণ সোধে এই প্ৰশ্নত তানসেনে এই বুলি উত্তৰ দিলে যে তেওঁৰ যেতিয়া দৰবাৰত গান গাবলগীয়া হয় তেতিয়াহে তেওঁ চৰ্চা কৰে। কিন্তু গুৰুজীয়ে যেতিয়াই তেওঁৰ অন্তৰাত্মা প্ৰেৰণ কৰে তেতিয়াই তেওঁ সংগীত পৰিবেশন কৰে। সেইবাবে তেওঁৰ সংগীতত এক বিশেষত্ব বিৰাজমান।



আকবৰৰ সময়ত গোৱালিয়ৰ ৰজা মানসিংহ তোমৰৰ দ্বাৰা গোৱালিয়ৰ ঘৰণাৰ জন্ম হয়। এই সময়ত তানসেনৰ পিছতে শ্ৰেষ্ঠ বুলি ধৰা প্ৰসিদ্ধ গায়ক নায়ক বশখুৰ আৱিৰ্ভাৱ হয়।

১৬ শ শতাব্দীটো সংগীত আৰু ভক্তিকাব্যৰ সমন্বয়ৰ দৃষ্টিৰ পৰা অত্যন্ত মহত্বপূৰ্ণ শতাব্দী। এই শতাব্দীত সুৰ সাগৰৰ ৰচক আৰু গীতকাব্যৰ মহান বিদ্বান সুৰদাস, ৰামচৰিতমানসৰ যশস্বীলেখক গোস্বামী তুলসীদাস, হিন্দু-মুছলমানৰ একতাৰ প্ৰতীক সৎ কবীৰ তথা সু-প্ৰসিদ্ধ ভজন গায়িকা মীৰাবাঈৰ ভক্তিপূৰ্ণ কাব্যৰ প্ৰচাৰৰ দ্বাৰা সংগীত কলাক ভগৱৎ প্ৰাপ্তিৰ বাহন হিচাপে লৈ উচ্চতম শিখৰত উপস্থিত হয়।

ইয়াৰ পিছত জাহাংগীৰৰ ৰাজত্বকালত বিলাস খা, ছওৰ খা, মকসু আদি প্ৰসিদ্ধ গায়কসকল তেওঁৰ ৰাজ দৰবাৰৰ গায়ক আছিল। এওঁৰ শাসনকালত দক্ষিণ ভাৰতৰ ৰাজমুন্দী নিবাসী সোমনাথে তেওঁৰ সংগীত গ্ৰন্থ ৰাগ-বিৰোধ প্ৰকাশ কৰে। চাহজাহান বাদশ্বাহৰ সময়তো সংগীতৰ যথেষ্ট উন্নতি হয়। বাদশ্বাহে নিজে গান গাইছিল আৰু সংগীতজ্ঞসকলক বৰ আদৰ কৰিছিল। এওঁৰ পিছত ঔৰংগজেৱ আলমগীৰ বাদশ্বাহ হয়। এওঁ সংগীতৰ ঘোৰ শত্ৰু আছিল। কিন্তু এওঁৰ ৰাজত্বকালতে ১৭ শ শতাব্দীৰ পূৰ্বাৰ্দ্ধত কালিদাস কালিন সংগীতত কবিতা আৰু গীতৰ সমন্বয়ত নতুন চেতনা জাগ্ৰত হৈছিল। ৰামায়ণ আৰু মহাভাৰততো সংগীতৰ বৰ্ণনা কৰা হৈছে। তৈত্তিৰীয় উপনিষদ, এতৰেয়, শতপদ আদি গ্ৰন্থত সংগীতৰ যথেষ্ট নিদৰ্শন পোৱা যায়। ইয়াৰ উপৰিও হৰিবংশ পুৰাণত সপ্তস্বৰ, গ্ৰামৰাগ স্বৰৰ তিনিস্থান, মূৰ্চ্ছনা নৃত্য নাট্য আৰু বাদ্যৰ বৰ্ণনা পোৱা যায়। উৰ্বশী, হেমা, ৰম্ভা, মেনকা, মিশ্ৰকেশি, তিলোত্তমা আদি প্ৰসিদ্ধ নৰ্তকীৰ নামো এই কালতে পোৱা যায়। ইয়াৰ পৰাই এইটো স্পষ্ট যে সেই সময়ত নৃত্যকলাৰ মান অতি উন্নত আছিল।

ৰামায়ণৰ এটা বৰ্ণনা মতে যেতিয়া লক্ষ্মণে সুগ্ৰীৱৰ অন্তেষপুৰত প্ৰৱেশ কৰিছিল তেতিয়া এওঁ বাদ্যযন্ত্ৰৰ সৈতে গান শুনিবলৈ পাইছিল। ৰাৱণৰো সংগীত শাস্ত্ৰৰ ওপৰত যথেষ্ট ৰাপ আছিল। মহাভাৰততো সপ্তস্বৰ আৰু গান্ধাৰ গ্ৰামৰ বৰ্ণনা আছে। এই দুয়োখন গ্ৰন্থতে সংগীত তথা ভেৰী, দুন্দুভি, মৃদংগ, বীণা আদি বাদ্যযন্ত্ৰৰ উল্লেখ আছে।

বাল্মিকীয়ে লিখিছে যে ৰামচন্দ্ৰই ধনুভঙ্গ কৰাৰ লগে লগে আকাশত দুন্দুভি বাজি উঠিছিল। দেৱতাসকলে পুষ্প-বৃষ্টি কৰিছিল আৰু অপ্সৰাসকলে গান তথা নৃত্য কৰিছিল। সীতাৰ সখীয়েকসকলে সীতাৰ মংগল কামনা কৰি গীত জুৰিছিল আৰু এই মংগল গানৰ দ্বাৰাই স্বয়ম্বৰ সভা পূৰ্ণ হৈছিল।

মহাভাৰতৰ কালত শ্ৰীকৃষ্ণই সঙ্গীতৰ মহান পণ্ডিত আছিল। সেই সময়ত ৰাসলীলাৰো জন্ম হয়। শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰি এই ৰাসলীলাৰ সৃষ্টি হৈছিল। অৰ্জুন শ্ৰীকৃষ্ণতকৈও সঙ্গীতত মহান বিদ্বান আছিল। পণ্ডিতসকলে এবছৰ অজ্ঞাতবাস খটাৰ সময়ত তেওঁ বৃহন্নলা নামেৰে বিৰাট ৰজাৰ ৰাজসভাত থাকি ৰাজকন্যা উত্তৰাক সঙ্গীত শিক্ষা দিছিল। কণ্ঠ সঙ্গীত আৰু বীণা বাদনত তেওঁৰ পূৰ্ণ অধিকাৰ আছিল। কথিত আছে যে বংশী বাদনত শ্ৰীকৃষ্ণৰ সমান যেনেকৈ কোনো নাছিল ঠিক তেনেকৈ বীণা বাদনতো অৰ্জুনৰ সমান কোনো প্ৰতিদ্বন্দী নাছিল।

ভৰতমুণিৰ নাট্যশাস্ত্ৰতো সঙ্গীতৰ বহু কথা উল্লেখ আছে। বাদ্যৰ চাৰি ভেদ, গ্ৰাম, মূৰ্চ্ছনা, শ্ৰুতি, অংশ, ন্যাস, কলা লয় আদিৰ বিৱৰণ ইয়াত আছে। মতঙ্গ মুনিৰ বৃহদেশী নামৰ গ্ৰন্থখনতো গ্ৰাম আৰু মূৰ্চ্ছনাৰ বিস্তৃত বিৱৰণ আৰু দেশী ৰাগৰো উল্লেখ আছে। নাৰদে লিখা নাৰদীয় শিক্ষা গ্ৰন্থতো স্বৰৰ বিশেষ মহত্ব দেখুওৱা হৈছে। তেওঁ প্ৰত্যেকটো স্বৰকে ষড়জ মধ্যম আদি বিশেষ নামেৰে বিভুষিত কৰিছে। তেৰেঁই প্ৰথমবাৰৰ বাবে পুৰুষৰাগ, স্ত্ৰীৰাগ আৰু নপুংসক ৰাগৰ সৃষ্টি কৰে। তাৰোপৰি ষাড়ৱ, ঔৰৱ, সম্পূৰ্ণ আদি ভাগত ৰাগৰ বৰ্গীকৰণো তেৰেঁই প্ৰথমে উল্লেখ কৰে।

ইয়াৰ পিছত মুছলমানসকল ভাৰতলৈ আহে। এই সময়ছোৱাত ভাৰতীয় সঙ্গীতৰ আমূল পৰিৱৰ্তন ঘটে আৰু সেইবাবে এই সময়ছোৱাক সঙ্গীতৰ মধ্যকাল বুলি কোৱা হয়। এই যুগত জয়দেৱ, শাৰঙ্গদেৱ, অমীৰ খশ্ৰু, তানসেন, বৈজুবাৱৰা আদি অনেক সঙ্গীতজ্ঞৰ আবিৰ্ভাৱ হয়। মুছলমানসকলে সংস্কৃত ভাষা নজনাৰ বাবে সংগীত শাস্ত্ৰসমূহ বুজি পোৱা নাছিল। সেইবাবে তেওঁলোকৰ সংস্কৃতি আৰু ভাৰতীয় সংস্কৃতিৰ সমন্বয় ঘটাই বহুতো নতুন নতুন ৰাগ আৰু বাদ্যযন্ত্ৰৰ আৱিস্কাৰ কৰে। এই যুগৰ এজন বিখ্যাত কবি জয়দেৱৰ জন্ম বংগৰ বোলপুৰৰ ওচৰৰ কেণ্ডুলা নামৰ ঠাইত হয়। তেওঁ এজন সঙ্গীতজ্ঞ আছিল। তেওঁ গীত গোবিন্দ নামৰ এখন বিখ্যাত গ্ৰন্থ সংস্কৃত



ভাষাত ৰচনা কৰে। এই গ্ৰন্থত ৰাধা-কৃষ্ণৰ সম্বন্ধী প্ৰৱন্ধ গীতো আছে। পণ্ডিত শাৰঙ্গদেৱে ৰচনা কৰা সঙ্গীত ৰত্নাকৰ নামৰ গ্ৰন্থত নাদ, শ্ৰুতি, স্বৰ, গ্ৰাম, মূৰ্চ্ছনা জাতি ইত্যাদিৰ বিৱৰণ বিভিন্ন ধৰণে উল্লেখ কৰিছে। আধুনিক গ্ৰন্থবোৰতো সঙ্গীত ৰত্নাকৰৰ বহু উদাহৰণ দেখিবলৈ পোৱা যায়। ইয়াত স্বৰধ্যায়, ৰাগধ্যায়, তালধ্যায়, বাদ্যধ্যায়, নৰ্তধ্যায় আদিৰ অন্তৰ্গত পাঠ্যক্ৰমসমূহত নাদৰ স্বৰূপ, নাদোৎপত্তি নাদৰ ভেদ, সাৰণাচতুষ্টয়, গ্ৰাম, মুৰ্চ্ছনা, তান নিৰূপণ, স্বৰ, বৰ্ণ, অলঙ্কাৰ তথা জাতিৰ বিস্তৃত বৰ্ণনা দিয়া হৈছে। তাৰোপৰি গায়কৰ দোষ-গুণ, নিৱন্ধ, অনিৱদ্ধ গান, নৃত্য নাট্য, ৰাগ আদিৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

এই যুগত সঙ্গীতৰ উল্লেখযোগ্য পৰিবৰ্তন অমীৰ খশ্ৰুৰ দিনতে হয়। এৱেঁই প্ৰথমে টুৰ্কী আৰু ভাৰতীয় সংস্কৃতিৰ মিলন ঘটাই বহুতো নতুন নতুন ৰাগ তথা তৰলা, চেতাৰ আদি বাদ্যযন্ত্ৰ আৰু ঝুমুৰা, পস্তো, সুলফাক, ফৰোদস্ত, সবাৰী, আড়াচৌতাল আদি বিভিন্ন তাল আৱিষ্কাৰ কৰে। লোচন বিৰচিত ৰাজতৰঙ্গীনিও এখন বিখ্যাত গ্ৰন্থ। তেওঁ কাফী ঠাটক শুদ্ধ ঠাট হিচাপে মানি লৈ ঠাট পদ্ধতি উদ্ভাৱন কৰিছে।

মুছলমান বাদশ্বাহসকলে সঙ্গীত অতি ভাল পাইছিল আৰু তেওঁলোকে সঙ্গীতজ্ঞসকলক যথেষ্ট সমাদৰ কৰিছিল। বিশেষকৈ আকবৰৰ সময়ত সঙ্গীতৰ যথেষ্ট উন্নতি হয়। তানসেন, বৈজুবাৱৰা আদি বিখ্যাত সঙ্গীতজ্ঞসকলৰ আৱিৰ্ভাৱ হয়। তানসেন আকবৰ ৰাজসভাৰ প্ৰধান গায়ক আছিল। ইয়াৰ আগতে তেওঁ ৰাজা ৰামচন্দ্ৰৰ ৰাজসভাত আছিল। তানসেনে দৰবাৰী কানাড়া, মিয়াঁ কী মলহাৰ, মিয়াঁ কী তোড়ী ইত্যাদি ৰাগ উলিয়ায়। তানসেনৰ গুণত মুগ্ধ হৈ বহুলোকে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। তানসেনৰ গুৰু স্বামী হৰিদাস আকবৰ ৰাজত্বৰ আছিল আৰু সেইবাবে এই সঙ্গীত মাৰ্গ সঙ্গীত বোলা হৈছিল। এইবিলাক বিবেচনাৰ প্ৰথম মতৰ কিছু অংশক সমৰ্থন কৰা হয়। এই পণ্ডিতসকলে সাতস্বৰৰ উৎপত্তি পক্ষীৰ দ্বাৰা এইদৰে বৰ্ণনা কৰিছে যে ম'ৰা চৰাইৰ দ্বাৰা ষড়জ, চাতক চৰাইৰ দ্বাৰা ঋষভ, ছাগলীৰ দ্বাৰা গান্ধাৰ, কাউৰীৰ দ্বাৰা মধ্যম, কুলীৰ দ্বাৰা পঞ্চম মেংটক চৰাইৰ দ্বাৰা ধৈৱত আৰু হাতীৰ দ্বাৰা নিষাদ স্বৰৰ উৎপত্তি হয়।

ফাটীৰ এজন পণ্ডিতৰ মতে হজৰত মুসাই এবাৰ পাহাৰৰ ওপৰত

এচটা শিল চাই আছিল। সেই সময়তে তেওঁ আকাশবাণী শুনিবলৈ পালে যে তেওঁৰ অসাৰ (এক প্ৰকাৰ অস্ত্ৰ) দ্বাৰা সেই শিলটুকুৰা ভাঙিব লাগে। এই কথা শুনি হজৰত মুসাই তেওঁৰ অসাৰ দ্বাৰা শিলটুকুৰা ভাঙিলে আৰু লগে লগে শিলটুকুৰা সাতভাগত বিভক্ত হ'ল। এই সাতটুকুৰাৰ পৰা পানীৰ ধাৰা বিভিন্ন ধৰণে বৰলৈ ধৰিলে। এই জলধাৰাৰ শব্দৰ দ্বাৰা হজৰত মুসাই সাতস্বৰ যথাক্ৰমে ''সা ৰে গা মা পা ধা নি'' ৰচনা কৰে।

অন্য এজন পাচী বিদ্বানৰ মতে পাহাৰৰ ওপৰত মুসীকাৰ নামৰ এটা পক্ষী আছিল। সেই পক্ষীটোৰ নাকৰ পৰা সাতটা বাঁহীৰ নিচিনা সুৰ প্ৰকাশ হৈছিল। এই সাত সুৰৰ দ্বাৰাই সাতস্বৰৰ উৎপত্তি হয়।

কিছুমান লোকৰ মতে প্ৰথমতে মানুহে কথা ক'বলৈ শিকিলে, চলন-ফুৰণ শিকিলে আৰু আকৌ কৰ্মশীল হোৱাৰ ফলত সঙ্গীতৰ স্বয়ংক্ৰিয়ভাৱে সৃষ্টি হয়।

এই ধৰণৰ বিভিন্ন মত সঙ্গীতৰ উৎপত্তিৰ বিষয়ত পোৱা যায়। কিন্তু ইয়াৰ ভিতৰত কোনটো মত সঁচা এই বিষয়ে কোৱাটো কঠিন। যি নহওঁক, বৈদিক কালৰ পৰাই ভাৰতত সঙ্গীতৰ প্ৰচলন হৈছিল। ইয়াৰ প্ৰমাণ ঋকবেদতো পোৱা যায়। ঋকবেদত মৃদংগ, বীণা, বাঁহী, ডম্বৰু আদি যন্ত্ৰৰ উল্লেখ আছে। সামবেদো সঙ্গীতময়। সামবেদৰ সকলো শ্লোক সুৰ লগাই গোৱা হয়। বৈদিক কালত সঙ্গীতৰ লগে লগে নৃত্যৰো প্ৰচলন হৈছিল। নৃত্যৰত প্ৰাচীন মূৰ্তিবিলাকে সেই সময়ত প্ৰচলন হোৱা নৃত্য কলাৰ প্ৰমাণ দিয়ে। বৈদিক কালৰ পাছত পৌৰাণিক কালৰ অভ্যুদয় হয় এই কালত বৈদিক কালৰ নিচিনাকৈ সঙ্গীতৰ উন্নতি হোৱা নাছিল। বৌদ্ধকালিন সঙ্গীতত সঙ্গীতৰ ব্যাপকতা যথেষ্ট বৃদ্ধি পাইছিল। বুদ্ধৰ বাণীসমূহ গীতৰ ছন্দত সজাই গায়কসকলে গাঁৱে-নগৰে গাই গাই মানুহৰ মাজত ধৰ্ম প্ৰচাৰ কৰিছিল। এই কালতে শাস্ত্ৰীয় সঙ্গীতৰ অভূতপূৰ্ব উন্নতি সাধিত হৈছিল। সঙ্গীত বিদ্বান অহোবলে হিন্দুস্থানী সঙ্গীতৰ এক মহত্বপূৰ্ণ গ্ৰন্থ সঙ্গীত পাৰিজাত ৰচনা কৰে। ইয়াৰ পিছত হৃদয়নাৰায়নদেৱে হৃদয়কৌতুক আৰু হৃদয়প্ৰকাশ নামৰ দুখন গ্ৰন্থ ৰচনা কৰে। তাৰোপৰি আন এজন সঙ্গীত বিদ্বান ভৰভট্টই অনুপবিনাস, অনুপাংকুশ আৰু অনুপঙ্গীত ৰত্নাকৰ নামৰ তিনিখন গ্ৰন্থ ৰচনা কৰে। তেওঁৰ এই গ্ৰন্থকেইখনতো শ্ৰুতি, স্বৰ, গ্ৰাম, মূৰ্চ্ছনা তান, বৰ্ণ, অলংকাৰ আদিৰ বিষয়ে লিখিত উল্লেখ আছে।



মোগল বংশৰ শেষৰজা মহম্মদ ছাহ ৰংগীলেও অত্যন্ত সঙ্গীতপ্ৰেমী আছিল। ৰংগীলেৰ ৰাজদৰবাৰত সদাৰঙ্গ আৰু অদাৰঙ্গ নামেৰে দুজন প্ৰসিদ্ধ গায়ক আছিল। এই দুজন সঙ্গীতজ্ঞই প্ৰথম খেয়াল গানৰ ৰচনা কৰে। এওঁলোকে হাজাৰ হাজাৰ খেয়াল ৰচনা কৰি শিষ্যসকলক শিকাইছিল। এই সময়ত শ্ৰীনিবাস নামেৰে আন এজন প্ৰসিদ্ধ গায়কৰো আবিৰ্ভাৱ হয়। তেওঁৰ ৰচিত ৰাগতত্ব বিৰোধত সঙ্গীতৰ বহুতো কথা তথা প্ৰতিটো স্বৰৰ দৈৰ্ঘৰ কথা আদি বৰ্ণনা কৰিছে। শ্ৰীনিবাসক মধ্যকালৰ সঙ্গীতজ্ঞসকলৰ ভিতৰত শেষ সঙ্গীতজ্ঞ বুলি ধৰা হয়। মহম্মদ ছাহ ৰংগীলেৰ পিছত মোগল সাম্ৰাজ্য লাহে লাহে ক্ষীণ হৈ পৰে আৰু ইংৰাজসকলে ভাৰতত আধিপত্য লাভ কৰে আৰু এই সময়ৰ পৰাই ভাৰতত সঙ্গীতৰ ক্ষেত্ৰত আধুনিক যুগৰ আৰম্ভ হয়।

ইংৰাজসকলে ভাৰতীয় সঙ্গীতক ভাল চকুৰে চোৱা নাছিল। বিভিন্ন ধৰণৰ ইংৰাজ সভ্যতাৰ প্ৰভাৱ ভাৰতীয় সকলৰ ওপৰত পৰাত ৰজাসকলে সঙ্গীতক অৱহেলা কৰিবলৈ ধৰিলে। তাৰোপৰি সেই সময়ত শাসকসকলৰ উদাসীনতাৰ ফলস্বৰূপে সঙ্গীতকলা নিকৃষ্ট শ্ৰেণীৰ ব্যৱসায়ী স্ত্ৰী আৰু পুৰুষসকলে গাইছিল। কিন্তু এই সময়তে কেইজনমান ইংৰাজ লোকে ভাৰতীয় সঙ্গীতৰ অধ্যয়ন কৰি ইয়াৰ ওপৰত কিছুমান কিতাপ লিখে। এইবিলাকৰ প্ৰভাৱ শিক্ষিতবৰ্গৰ ওপৰত ভালকৈ পৰে আৰু লাহে লাহে সঙ্গীতৰ প্ৰতি অনাদৰ ভাৱ কমি আহিবলৈ ধৰে।

আধুনিক কালত সৰ্বপ্ৰথমে বিলাবল ঠাটক শুদ্ধ ঠাট হিচাবে মানিবলৈ পাটনা-নিবাসী মহম্মদ ৰজাই ''নাগ মাতে আসফী'' নামৰ এখন গ্ৰন্থ ৰচনা কৰে। ১৭০৪ শকত জয়পুৰৰ মহাৰজা প্ৰতাপসিংহই এক বিশাল সঙ্গীত কনফাৰেন্সৰ আয়োজন কৰি বিখ্যাত বিখ্যাত সঙ্গীতজ্ঞসকলক নিমন্ত্ৰণ জনায় আৰু তেওঁলোকৰ বিচাৰ বিনিময়ৰ যোগেদি হোৱা সকলো সাৰগৰ্ভ কথাৰ দ্বাৰা সংগীত সাৰ নামৰ এখন গ্ৰন্থ ৰচনা কৰে। বেংগলৰ ৰজা সুৰেন্দ্ৰমোহন তেগৰেও ৰাগ-ৰাগিনী পদ্ধতিক সমৰ্থন কৰি কিছুমান গ্ৰন্থ ৰচনা কৰে। এইবোৰৰ ভিতৰত 'Universal of the history of music' নামৰ কিতাপখনেই উল্লেখনীয়।

আধুনিক কালত সঙ্গীতৰ উদ্ধাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত দুজন পণ্ডিতৰ নাম স্মৰণীয়। এই দুজন পণ্ডিত হৈছে ক্ৰমে পণ্ডিত বিষ্ণুনাৰায়ণ ভাতখাণ্ডে আৰু পণ্ডিত বিষ্ণুদিগম্বৰ পলুস্কাৰ। এই কালত শাস্ত্ৰীয় সাধনাৰ লগত

সঙ্গীতৰ নবীন প্ৰয়োগ এক বিশেষত্ব। শ্ৰেষ্ঠ কবি ৰবীন্দ্ৰনাথ ঠাকুৰ এই বিশেষত্বৰ প্ৰতিষ্ঠাতা। তেওঁ প্ৰাচীন ৰাগ-ৰাগিনীৰ স্বৰ সমুদায় লৈ তথা অন্য কলাত্মক প্ৰয়োগৰ দ্বাৰা ''ৰবীন্দ্ৰ সঙ্গীত'' নামৰ এক নতুন সংগীত সংগীতপ্ৰেমীসকলক দিয়ে।

পণ্ডিত ভাতখাণ্ডেৰ ১৮৬০ চনৰ ১০ আগষ্টৰ দিনা বোম্বাইৰ বালকেশ্বৰ নামৰ ঠাইত জন্ম হয়। তেওঁ মথুৰা, আগ্ৰা, বৃন্দাবন আদি বহুতো ঠাই ভ্ৰমণ কৰি আৰু বিভিন্ন ঘাৰণাসমূহ ঘূৰি-পকি প্ৰাচীন সঙ্গীতৰ বিষয়ে প্ৰচুৰ জ্ঞান অৰ্জন কৰে। তেওঁ ক্ৰমিক পুস্তক মালিকা, অভিনৱ ৰূপমঞ্জুৰী আৰু শাস্ত্ৰীয় জ্ঞানৰ কাৰণে হিন্দুস্থানী সংগীত পদ্ধতি ৰচনা কৰে। ১৯১৬ চনত তেওঁ প্ৰথম সংগীত সন্মিলনৰ আয়োজন কৰে। ইয়াৰ পিছত যথাক্ৰমে তেওঁ ১৯১৮ চনত দিল্লীত, ১৯১৯ চনত বেনাৰসত আৰু সদৌ শেষত ১৯২৪-১৯২৫ চনত লক্ষ্ণৌত সংগীত সন্মিলন পাতে। এই সংগীত সন্মিলনৰ ফলস্বৰূপে লক্ষ্ণৌত মেৰিস মিউজিক কলেজ স্থাপিত হয়। ইয়াৰ উপৰিও বৰোদা আৰু বেনাৰসতো মিউজিক কলেজ স্থাপিত হয়। ১৯১৯ চনত লাহোৰ নিবাসী এজন বিদ্বান ৰজা নবাব অলীখা ভাতখাণ্ডেৰ সংস্পৰ্শলৈ আহে ৰজাই নিজৰ এক প্ৰসিদ্ধ গায়ক নজীৰ খাঁক ভাতখাণ্ডেৰ ওচৰলৈ শাস্ত্ৰীয় জ্ঞান তথা লক্ষণ সংগীত শিকিবলৈ পঠাই দিয়ে আৰু ৰজাই উৰ্দু ভাষাত সংগীতৰ এক সুন্দৰ কিতাপ মুআৰিফুন্নগমাত ৰচনা কৰে। বিষ্ণুদিগম্বৰ পলুস্কাৰে লাহোৰ আৰু বোম্বাইত গান্ধৰ্ব মহাবিদ্যালয় স্থাপন কৰে। পণ্ডিত পলুস্কাৰে সংগীতত যথেষ্ট অৰিহণা যোগাইছে। তেওঁৰ চেষ্টাৰ বলতেই তেওঁৰ বহুত শিষ্য যেনে ভীঃ বীঃ পলুস্কাৰ, চিন্ময় লাহিড়ী আদিক বিখ্যাত কৰি থৈ গ'ল। তেওঁ সংগীত প্ৰৱেশ, ভজনামৃত ইত্যাদি গ্ৰন্থ লিখি থৈ যায়।

ভাৰত স্বাধীন হোৱাৰ পিছত ভাৰতত সংগীতৰ প্ৰচাৰ খুব দ্ৰুতগতিত আৰম্ভ হয়। বিভিন্ন স্কুল কলেজত সংগীতক পাঠ্যক্ৰম হিচাপে স্থান দিয়া হৈছে। তাৰোপৰি আকাশবাণীৰ দ্বাৰাও গজল, ভজন, লঘুসংগীত আদি বিভিন্ন শ্ৰেণীৰ সংগীতৰ প্ৰচলন বৃদ্ধি পাইছে। চলচিত্ৰ আদিতো সংগীতৰ প্ৰয়োজন। সংগীতৰ অনেক শিক্ষা সন্থা বিভিন্ন নগৰত স্থাপিত হৈছে। এইদৰে যুগ যুগ ধৰি ভাৰতীয় শাস্ত্ৰীয় সংগীতে ক্ৰমবিৱৰ্তনৰ মাজেদি আজিৰ অৱস্থা পাইছেহি। ■



*[ সংগীত কেতিয়া কেনেদৰে সৃষ্টি হ'ল সেই ৰহস্য এতিয়াও সম্পূৰ্ণ ৰূপে উদঘাটন হোৱা নাই। ১৯৯৫ চনত জামানিত মানুহৰ এটা লুপ্ত প্ৰজাতি 'নিয়নদাথল মানুহে' বাস কৰা গুহাত উদ্ধাৰ হোৱা প্ৰায় ৪৩,০০০ বছৰ আগৰ ভালুকৰ হাড়ৰ বাঁহী যদি সঁচাকৈয়ে আদিম মানুহেই নিমাণ কৰা তেনেহ'লে সেইয়াই হ'ব মানুহৰ সকলো প্ৰজাতিৰ বাবেই সৰ্বপ্ৰাচীন সংগীতৰ উপকৰণ।*

*আনহাতে, ভাৰতৰ সংগীতৰ বুৰঞ্জী তুলনামূলক ভাৱে 'আধুনিক'। খৃষ্টপূৰ্ব ২০০ ৰ পৰা খৃষ্টীয় ৭০০ চনৰ ভিতৰত ভাৰতৰ সংগীতৰ ভেটি নিৰ্মাণ হৈছে। তুলনা কৰিলে দেখা যায়, মেছুপটেমীয়াত খৃষ্টপূৰ্ব ১৫০০ বছৰৰ আগৰ স্বৰলিপি পোৱা যায়, আৰু চীনত খৃষ্টপূৰ্ব ৪৫০ বছৰৰ আগৰ স্বৰলিপি পোৱা যায়। পৃথিৱীৰ প্ৰায় সকলো ঠাইৰে স্বৰসমূহৰ কম্পনাংকৰ মান প্ৰায় একে হোৱালৈ চাই অনুমান কৰাত অসুবিধা নহয় যে প্ৰাচীন কালত হোৱা লোকপ্ৰৱজনে বিভিন্ন ঠাইৰ সংগীতলৈ সমন্বয় আনিছিল।*

*ভাৰতৰ সংগীতৰ বুৰঞ্জী ৰচনা কৰোতে ঋকবেদৰ যুগত নথকা নাৰদ, ব্ৰহ্মা, সৰস্বতী আদি দেৱ-দেৱীৰ উল্লেখেও ইয়াৰ তুলনামূলক ভাৱে 'আধুনিক' বিকাশকে সমৰ্থন কৰে। কোনো বিষয়ৰ উৎপত্তি সম্বন্ধে সঠিকভাৱে জনা নাথাকিলে তাক ধৰ্মীয় ৰূপকথাৰ আলমত ব্যাখ্যা কৰাটো মানুহৰ স্বভাৱ। ভাৰতৰ সংগীতৰ বুৰঞ্জী ৰচনা কৰোতেও এই ঘটনাই হৈছে। এই নিৱন্ধ ৰচনা কৰোতে লিখিকাৰ কম বয়স, ব্যক্তিগত ধৰ্মীয় বিশ্বাস, আৰু সমলৰ অভাৱ ক্ৰিয়াশীল হৈছে। তথাপিও দ্বাদশ শ্ৰেণীৰ এগৰাকী ছাত্ৰীৰ বাবে ই প্ৰশংসনীয় পদক্ষেপ।*

*ভাৰতীয় স্বৰ সমূহৰ উৎপত্তিৰ ধাৰণাটোও প্ৰকৃতাৰ্থত প্ৰকল্পিতহে। তাতো লিখিকাই মনোযোগ হেৰুৱাইছে। ষড়জ স্বৰটো বৰষুণৰ আগমণিৰ প্ৰাকমুহূৰ্ত্তৰ ময়ূৰৰ মাতৰ পৰা, ঋষভ স্বৰটো পোৱালি আঁতৰলৈ যোৱা গাইৰ হেম্বেলনিৰ পৰা, জাকত থকা ছাগলীৰ বেবনিৰ পৰা গান্ধাৰ স্বৰটো, কণামুচৰি চৰাইৰ চিঞৰৰ পৰা মধ্যম স্বৰ, বসন্তৰ কুলি চৰাইৰ মাতৰ পৰা পঞ্চম স্বৰ, অশ্ব হ্ৰেষা ধ্বনিৰ পৰা ধৈৱত স্বৰ আৰু গজনিনাদৰ পৰা নিষাদ স্বৰৰ উৎপত্তি হৈছে বুলি প্ৰাচীন সংগীতকাৰ সকলে কল্পনা কৰে। ইয়াৰো কেৱল তিনিবিধহে চৰাই।*

*— সম্পাদক ]*

*(প্ৰকাশ কাল ঃ ১৯৮৪-৮৫)*

# অসম আন্দোলন
## ঃ এটি পৰ্যালোচনা

ৰীতা বৰঠাকুৰ
স্নাতক ২য় বৰ্ষ (কলা)

ভাৰতৰ পূব দিশত অৱস্থিত অসম এখন অৱহেলিত ৰাজ্য। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাচৰে পৰাই অসম ভাৰতৰ অঙ্গৰাজ্য বুলি পৰিগণিত হৈ আহিছে। চাৰিওফালে সুন্দৰ প্ৰাকৃতিক সম্পদৰে ভৰপূৰ হৈ ৰাজ্যখনৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে অসমক এখন চহকী ৰাজ্যত পৰিগণিত কৰিছে। কিন্তু অসমৰ এই সম্পদসমূহ ৰাজ্যখনৰ সাঁথৰ কাৰণে সদব্যৱহাৰ নকৰি কেন্দ্ৰই স্বাধীনতাৰ ৩৮ বছৰে অসমৰ অতি শোষণৰ মনোভাৱহে গ্ৰহণ কৰিলে। যাৰ বাবে অসম ভাৰতৰ আন ৰাজ্যবোৰৰ লগত সমানে আগবাঢ়ি যোৱাত বহুতো বাধাই দেখা দিলে। পৃথিৱীৰ উন্নত ৰাষ্ট্ৰবোৰ যেতিয়া বিজ্ঞানৰ বলত মহাকাশযানেৰে চন্দ্ৰ, মঙ্গল আদি গ্ৰহত অৱতৰণ কৰিলে, তেতিয়া অসমৰ জনগণে পৃথিৱীৰ বুকুৰ পৰা নিশ্চিহ্ন হৈ যোৱাৰ আশংকা কৰি ৰাজপথলৈ ওলাই আহিবলগীয়া হ'ল। স্বাধীনোত্তৰ কালত অসমে প্ৰতিটো ন্যায্যপ্ৰাপ্য আদায়ৰ বাবে সংগ্ৰাম কৰিবলগীয়া হ'ল। আনকি ১৯৬২ চনৰ চীনা আক্ৰমণৰ পৰা অসমীয়া জনগণক ৰক্ষা কৰাৰ সলনি সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে অসমক চীনৰ হাতত অৰ্পণ কৰি ঘঁৰিয়ালৰ চকুপানী টুকি কৈছিল —"My heart goes out to the people of Assam"! এনেধৰণৰ বহুতো বাস্তৱ অভিজ্ঞতাৰ মুখামুখি হৈ থকা অসমৰ জনগণে কেন্দ্ৰৰ ছল-চাতুৰী বুজিবলৈ বাকী নাথাকিল। যাৰ ফলস্বৰূপে অসম হৈ



পৰিল 'আন্দোলনৰ ঘাটি।' অসম কেন্দ্ৰীয় চৰকাৰৰ ঔপনিৱেশীয় মযাদাৰে পৰিপূৰ্ণ ৰাজ্য হৈয়ে থাকিল। অসমৰ প্ৰতিটো জটিল সমস্যা সমাধানৰ বাবে মাত মাতি অহা বিশ্বৰ সৰ্ববৃহৎ বিপ্লৱী ছাত্ৰ সংগঠনৰূপে পৰিগণিত হোৱা 'সদৌ অসম ছাত্ৰ সন্থা' (All Assam Students, Union, AASU) ই ৰাজ্য ভাষা আইনৰ প্ৰয়োগ, শিক্ষাৰ মাধ্যম, শোধনাগাৰ, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ, ৰঙিয়া আদিত ৰে'লৰে ডিভিজন, অসমত বানপানী নিয়ন্ত্ৰণ কৰি ব্যাপক গৰাখহনীয়া ৰোধ কৰা, অসমৰ নিবনুৱা সমস্যা সমাধান কৰা, অসমৰ মৌলিক সমস্যাৰ সমাধানৰ বাবে ২১ দফীয়া দাবী চনদৰ ভিত্তিত আন্দোলন গঢ়ি তুলিব লগা হ'ল। অবৈধ প্ৰব্ৰজনৰ ফলস্বৰূপে অসমৰ জনগণ দ্ৰুত গতিত বৃদ্ধি পোৱাৰ ফলত অভাৰতীয়ক চিনাক্তকৰণ আৰু অসমৰ বুকুৰ পৰা বহিষ্কাৰ কৰা দাবীয়ে মূল দাবী হিচাপে প্ৰাধান্য বিস্তাৰ কৰিলে।

অসমত স্বাধীনোত্তৰ কালৰ পৰাই অ-ভাৰতীয়ই অবৈধভাৱে বাস কৰি আহিছে, অ-ভাৰতীয়ই অবৈধভাৱে মাটি দখল কৰি স্থায়ীত্বৰ দাবী তুলিছে, অবৈধভাৱে চাকৰি সংগ্ৰহ কৰিছে আৰু ব্যৱসায়-বাণিজ্য আদিতো প্ৰবৃত্ত হৈছে। অসমৰ এই অবৈধ অ-ভাৰতীয়ৰ প্ৰব্ৰজনৰ বাবে একপক্ষীয়ভাৱে ভাৰতৰ শাসনত থকা কংগ্ৰেছ দল বিশেষভাৱে জগৰীয়া। তথাকথিত বাওঁপন্থী দলবোৰেও প্ৰব্ৰজনত ইন্ধন যোগাইছিল। সমস্যা সৃষ্টিৰ বাবে ৰাজনৈতিক নেতাসকলৰ লগতে প্ৰশাসনীয় বিষয়াবোৰো সমানেই জগৰীয়া।

অবাধ প্ৰব্ৰজনৰ আঁৰত বৃহত্তৰ অসমীয়া জাতিটোৰ পৰিচয় পৃথিৱীৰ বুকুৰ পৰা বিলুপ্তি কৰাৰ ঘৃণনীয় ষড়যন্ত্ৰ চলিছিল। এই ষড়যন্ত্ৰ চলিছিল দিল্লী, কলিকতা আৰু অসমৰ বুকুৰ পৰা: যিসকলে ঘৰ বিভীষণৰ ৰূপ লৈ অসমীয়া জাতিটোৰ বুকুত কামোৰ মাৰিছে। অসম বিদ্বেষী দিল্লী, কলিকতাশ্বৰহঁতৰ ষড়যন্ত্ৰৰ উমান পাই আৰু মঙ্গলদৈ লোক সভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত এনেধৰণৰ ষড়যন্ত্ৰ স্পষ্ট হৈ পৰাত অসমৰ বিপদৰ বন্ধু, প্ৰতিটো জটিল সন্ধিক্ষণৰ সময়ত মাত মাতি অসমীয়া জাতিটোক কালৰ বুকুৰ পৰা উদ্ধাৰ কৰি অহা 'সদৌ অসম ছাত্ৰ সন্থা' (AASU) পুনৰ সচকিত হ'ল। সদৌ অসম ছাত্ৰ সন্থাই অসমৰ ভয়ংকৰ সমস্যাৰ কথা ৰাইজক অৱগত কৰিলে। অসম ৰাজ্য আৰু বৃহত্তৰ অসমীয়া জাতিটোৰ অস্তিত্ব অক্ষুণ্ণ ৰক্ষাৰ মৃত্যু সকল্পৰে লক্ষ লক্ষ আবাল-বৃদ্ধ-বনিতা আন্দোলনত জঁপিয়াই পৰিল। আৰম্ভ

হ'ল অসমীয়া জাতিৰ জীয়াই থকাৰ মানসেৰে অহিংসানীতিৰে কৰা গণ আন্দোলন।

সদৌ অসম ছাত্ৰ সন্থাই দাখিল কৰা স্মাৰক পত্ৰত নিম্নলিখিত দাবীবোৰ উত্থাপিত কৰা হৈছিল —

১। সকলো বিদেশী নাগৰিকক ধৰা পেলাই আমাৰ দেশৰ পৰা বহিষ্কাৰ কৰিবই লাগিব।

২। (ক) অসমত যি কোনো নিৰ্বাচন পতাৰ আগতে সংশ্লিষ্ট ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম আঁতৰাবই লাগিব।
(খ) পৰ্যাপ্ত আৰু শক্তিশালী নিৰ্বাচন যন্ত্ৰ এটাৰ কৰ্তৃত্বৰ সহায়ত ভৱিষ্যতে বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাত সোমোৱা অসম্ভৱ কৰি তুলিব লাগিব।

৩। সফলভাৱে অনুপ্ৰবেশ বন্ধ কৰিব পৰাকৈ চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে ভাৰতৰ সীমা সম্পূৰ্ণভাৱে সুৰক্ষিত কৰিব লাগিব।

৪। অসমত থকা ভাৰতীয় ভোটাৰসকলক ফ'টোসহ পৰিচয় পত্ৰ দিব লাগিব।

৫। আৱশ্যকীয় সাংবিধানিক ব্যৱস্থা গ্ৰহণৰ দ্বাৰা অহা ১৫-২০ বছৰলৈ উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া লোকসকলৰ অস্তিত্বৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় সাংবিধানিক ৰক্ষাকৱচ দিব লাগিব।

৬। পশ্চিমবঙ্গ আৰু ত্ৰিপুৰাৰ জিলা কৰ্তৃপক্ষই দিয়া যি কোনো নাগৰিকত্বৰ প্ৰমাণপত্ৰ বাতিল কৰাৰ স্বাধীনতা অসম চৰকাৰৰ থাকিব লাগিব।

৭। আমি দাবী কৰোঁ যে কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্বৰ প্ৰমাণপত্ৰ দিবলৈ ৰাজ্য চৰকাৰবোৰৰ হাতত অৰ্পণ কৰা কৰ্তৃত্ব তৎক্ষণাত উঠাই লওক, যাতে ধৰা পেলাই অসমৰ পৰা বহিষ্কাৰ কৰা বিদেশীসকল আন ৰাজ্যৰ পৰা নাগৰিকত্বৰ প্ৰমাণপত্ৰৰে সজ্জিত হৈ পুনৰ অসমত প্ৰৱেশ কৰিব নোৱাৰে।

ইয়াৰ উপৰিও তিনিটা ওপৰঞ্চি দাবী আৰু কেইটামান প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। সদৌ অসম ছাত্ৰ সন্থাই এই দাবীবোৰ দাখিল কৰি ভাবিছিল, যিহেতুকে ভাৰতীয় সংবিধানৰ আধাৰত এই দাবীবোৰ উত্থাপন কৰা হৈছিল, গতিকে কেন্দ্ৰীয় চৰকাৰে দাবীসমূহ মানি লৈ চুক্তি গ্ৰহণ কৰাত কোনো সমস্যা নাথাকিব। কিন্তু পূৰ্বে অসমক অৱহেলা কৰাৰ দৰে এইবাৰো কেন্দ্ৰই অসমৰ সমস্যাক গুৰুত্ব সহকাৰে বিবেচনা নকৰিলে। যাৰ বাবে সদৌ অসম ছাত্ৰ



সন্থাই আন্দোলনৰ পথ বাছি ল'ব লগা হ'ল।

বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত ১৯৭৯ চনৰ ৮ জুন তাৰিখে বাৰঘণ্টা জোৰা 'অসম বন্ধ'ৰ আহ্বান কাৰ্যসূচীৰে আন্দোলন আৰম্ভ কৰা হ'ল। সদৌ অসম ছাত্ৰ সন্থাই মূল দাবীৰ প্ৰতি লক্ষ্য ৰাখি এই আন্দোলনক গণ-আন্দোলনলৈ ৰূপান্তৰ কৰা বাবে ২৫-২৬ আগষ্টত ডিব্ৰুগড় আইন মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভাত সদৌ অসম গণ-সংগ্ৰাম পৰিষদ গঠন কৰি দিয়ে। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ আহ্বানত অসমত ব্যাপক গণ-আন্দোলন আৰম্ভ হ'ল। অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে, চাহ বাগিছাই বাগিছাই, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ৰ কৰ্মচাৰী শ্ৰমিক আদিৰে ছাত্ৰ সন্থা স্বেচ্ছাসেৱক বাহিনী আৰু গণ-সংগ্ৰাম পৰিষদৰ শাখাসমূহ গঠন কৰি জনমত প্ৰচাৰ কৰি আন্দোলন পৰিচালনা কৰা হ'ল। অসম আন্দোলনৰ মূল দাবীৰ প্ৰতি লক্ষ্য ৰাখি আন্দোলনৰ সকলোবোৰ কাৰ্যসূচীত হাজাৰ হাজাৰ আবাল-বৃদ্ধ-বনিতাই যোগদান কৰি কাৰ্যসূচী সফল ৰূপায়ণ কৰি তুলিলে। অসমত সকলোবোৰ স্থানত বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত কাৰ্যসূচী সফল ৰূপায়ণ কৰি তোলা হ'ল। ৬ নবেম্বৰ তাৰিখে গুৱাহাটীৰ জজ খেল পথাৰত সদৌ অসম ভিত্তিত কেন্দ্ৰীয় গণ সমাবেশৰ আয়োজন কৰা হৈছিল। অসমৰ সকলো স্থানকে প্ৰতিনিধিত্ব কৰা এই সমাবেশত সমবেত হোৱা লাখ লাখ লোক প্ৰতিজ্ঞাবদ্ধ হ'ল যে অসমত শেষজন বিদেশী থাকে মানে সংগ্ৰাম চলাই যাব। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে এক পক্ষীয়ভাৱে অসমৰ তেৰটা সংসদীয় সমষ্টিৰ বাবে নিৰ্বাচন ঘোষণা কৰিলে। অসম আন্দোলনৰ কেন্দ্ৰীয় নেতৃবৰ্গই নিৰ্বাচনৰ বিৰোধিতা কৰিলে। মনোনয়ন পত্ৰ দাখিল কৰাত বাধা প্ৰদান কৰাৰ বাবে ৩ ডিচেম্বৰৰ পৰা ৩৪ ঘণ্টীয়া অসম বন্ধ, ৫-৮ ডিচেম্বৰলৈ কাৰ্যালয়ত পিকেটিং, ১০ ডিচেম্বৰত ১২ ঘণ্টা অসম বন্ধ কাৰ্যসূচী অব্যাহত থাকিল। ১০ ডিচেম্বৰ তাৰিখে মনোনয়ন পত্ৰ দাখিলত বাধা প্ৰদান কৰোঁতে চি. আৰ. পিৰ বৰ্বৰ অত্যাচাৰত খৰ্গেশ্বৰ তালুকদাৰে মৃত্যুবৰণ কৰে। শ্বহীদ খৰ্গেশ্বৰৰ মৃত্যুৰ বাতৰিয়ে অসমৰ লগতে বিশ্ববাসীয়ে গণতন্ত্ৰক কবৰ দিয়া ভৰতবৰ্ষৰ শাসক শ্ৰেণীক গৰিহণা দিলে। অসমৰ সংগ্ৰামী ৰাইজ প্ৰবল উৎসাহেৰে আন্দোলনত জঁপিয়াই পৰিল। কেন্দ্ৰই অসম আন্দোলনক গুৰুত্ব আৰোপ নকৰাত অসমৰ

পৰা বাহিৰলৈ তেল যোৱা বন্ধ কৰিবলৈ ৮–১৬ জানুৱাৰী '৮০ পৰ্যন্ত গণ-পিকেটিং চলি থাকে। দুলীয়াজানত চলি থকা তৈল ক্ষেত্ৰ পিকেটিং ওফৰাই পেলাবলৈ চৰকাৰে কোনোধৰণৰ সাৱধান বাণী নকৰাকৈ ১৮ জানুৱাৰী '৮০ পুৱতি নিশা হাজাৰ হাজাৰ সত্যাগ্ৰহীৰ ওপৰত গুলীবৰ্ষণ কৰাত ঘটনাস্থলীতে শ্বহীদ অজিত নেওগ, নগেন ডেকা, নৃপেন বৰা আৰু কুমুদ গগৈ নিহত হয়। চৰকাৰৰ এই নিৰ্মম অত্যাচাৰ সম্পূৰ্ণ অগণতান্ত্ৰিক আছিল, আৰু ইয়াক হিটলাৰৰ অমানৱীয়তাৰ লগতহে মাথোঁ ৰিজাব পাৰি। সেয়েহে দুলীয়াজান হৈ পৰিল স্বাধীনোত্তৰ কালত দ্বিতীয় জালিয়ানৱলাবাগ। অসম আন্দোলনৰ বিভিন্ন কাৰ্যসূচী অবিৰামভাৱে অব্যাহত থাকিল।

অসম সমস্যা সমাধানৰ ক্ষেত্ৰত এক আশাবাদী মন লৈ আন্দোলনৰ নেতৃবৰ্গ ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ সৈতে ১–৪ ফেব্ৰুৱাৰী '৮০ লৈ এলানি আলোচনাত বহিল। আন্দোলনৰ নেতৃবৰ্গই সাতটা দাবী, তিনিটা ওপৰঞ্চি দাবী আৰু কেইটামান সংলগ্ন প্ৰস্তাৱ সামৰি কেন্দ্ৰীয় চৰকাৰৰ হাতত এখন স্মাৰক পত্ৰ দাখিল কৰিলে। পিছে সেই প্ৰথম লানি আলোচনাত সমাধান নোলাল। প্ৰথমলানি আলোচনাৰ পিছত অসম চৰকাৰৰ মুখ্য সচিবে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদলৈ প্ৰেৰণ কৰা চিঠিৰ পৰা জনা যায় যে ১, ২, ৩, ৪ আৰু ৫ নম্বৰ দাবীৰ ক্ষেত্ৰত নীতিগতভাৱে সাধাৰণ ঐক্যমত্য পোৱা হয়।

সমস্যাটো সফলভাৱে ক্ষিপ্ৰতাৰে সমাধানৰ উদ্দেশ্যে প্ৰয়োজনীয় প্ৰশাসন যন্ত্ৰ গতিশীল কৰি তুলিবলৈ সম্ভৱপৰ সকলো প্ৰচেষ্টা চলাবলৈ কেন্দ্ৰীয় চৰকাৰে দায়িত্ব লয়। ৬ আৰু ৭ নম্বৰ দাবীৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলো দিশৰ পৰা কথাটো ভালদৰে পৰীক্ষা কৰি চাবলৈ চৰকাৰ সন্মত হয়। অবৈধ বিদেশী লোকক নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়া কৰ্তৃপক্ষৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়।

ইয়াৰ পিছতো কেইবালানিও আলোচনা কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰীৰ লগত অনুষ্ঠিত হৈছিল। প্ৰতিবাৰ আলোচনাতেই অসম আন্দোলনৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ ফালৰ পৰা এক বাস্তৱ পৰামৰ্শ আগবঢ়োৱা হৈছিল। কিন্তু লাহে লাহে কেন্দ্ৰীয় চৰকাৰৰ কথা আৰু কামৰ মাজত সংগতি হেৰাই যোৱা আমি দেখিবলৈ পাওঁ। ভাৰতবৰ্ষৰ চৰকাৰখনৰ বিষয়ে এয়া আমাৰ, জনসাধাৰণৰ



বাস্তৱ অভিজ্ঞতা। প্ৰথমলানি আলোচনাৰ পিছত পৰৱৰ্তী আলোচনাৰ প্ৰতিবাৰেই কেন্দ্ৰীয় ৰাজনৈতিক নেতৃবৃন্দ আৰু উচ্চ পদস্থ বিষয়াসকলৰ আন্তৰিকতা বিহীন মনোভাৱ পৰিলক্ষিত হৈছিল। আলোচনাৰ মেজত ছাত্ৰ সন্থাৰ অখণ্ডনীয় যুক্তি আৰু তথ্যৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী আৰু বিষয়াবৰ্গই অযুক্তিৰ তথা অসংলগ্ন কথাৰে আলোচনাৰ পৰিবেশ বিৰক্তিকৰ কৰি তোলাৰ কথা জনা যায়। আলোচনাৰ বিভিন্ন পৰ্যায়ত আন্দেলনকাৰী নেতৃবৰ্গৰ তথ্যভিত্তিক যুক্তিৰ বিপৰীতে চৰকাৰে দাঙি ধৰা তুলুঙা মনৰ কেইটামান উদাহৰণ এই প্ৰসঙ্গত উল্লেখনীয় —

১৯৮০ চনৰ ১৮ জুনত ছাত্ৰ সন্থাই বিদেশীক চিনাক্তকৰণ কৰিবলৈ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী ব্যৱহাৰ কৰাৰ পৰামৰ্শ দিছিল। কাৰণ এইখন ১৯০১ চনত "প্ৰতিখন গাঁৱৰ বা চহৰৰ প্ৰতিটো ৱাৰ্ডৰ প্ৰতিজনলোকৰ গুৰুত্বপূৰ্ণ লোক–গাণনিক বিৱৰণবোৰৰ" ভিত্তিত প্ৰস্তুত কৰা হৈছিল। নাগৰিক পঞ্জী প্ৰস্তুত কৰাৰ অন্যতম উদ্দেশ্য আছিল লোকপিয়লৰ ধাৰাবাহিকতা ৰক্ষা কৰা, নিৰ্বাচন আৰু আন প্ৰশাসনীয় কামত ব্যৱহাৰ কৰা এই পঞ্জীৰ প্ৰ–পত্ৰৰ সপ্তম দফাত ব্যক্তিজন ভাৰতীয় নে বিদেশী সেই তথ্য লিপিবদ্ধ কৰা আছে।

১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়েই একমাত্ৰ নথি যিখনে ১৯৫০ চনৰ ৩১ ডিচেম্বৰক প্ৰব্ৰজনকাৰীসকল ঘূৰি অহাৰ শেষ তাৰিখ বান্ধি দিয়া নেহৰু–লিয়াকৎ চুক্তিৰ ব্যৱস্থাৱলীবোৰ মানি লৈছে। এই পঞ্জীত সকলো ভাৰতীয় নাগৰিকৰেই নাম, তথ্যপাতি আদি আছে। গতিকে ইয়াৰ ব্যৱহাৰে নেহৰু–লিয়াকৎ চুক্তি উলংঘা কৰাৰ সলনি মানিহে ল'ব।

অতীতত বিদেশীক ১৯৫০ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ওপৰত ভিত্তি কৰিয়েই চিনাক্ত কৰা হৈছিল। ইয়াৰ কাৰ্যকাৰিতা ইতিমধ্যে প্ৰমাণিত হৈছিল। গতিকে বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত শুদ্ধ আৰু ন্যায়সঙ্গত লোৱাৰ বাবেই এই নথিখন ব্যৱহাৰ কৰাৰ যুক্তি আছিল।

আলোচনাৰ মেজত অসম আন্দোলনৰ নেতৃবৃন্দই অসমবাসীৰ আশংকাৰ কথা অকণো খোকোজা নলগাকৈ উত্থাপন কৰিছিল। আলোচনাৰ মাজেদি সমস্যাটোৰ এটা সমাধান বিচৰাত চৰকাৰে সকলোখিনি বিদেশীকে অসমৰ পৰা বহিষ্কাৰ কৰাৰ ক্ষেত্ৰত নিজৰ অসমৰ্থতা প্ৰকাশ কৰে। সেয়েহে সমস্যাটোৰ এটা বাস্তৱ সমাধানৰ প্ৰতি লক্ষ্য ৰাখিয়েই ছাত্ৰ সন্থাই ১৯৫১–৬১ চনৰ অ-

ভাৰতীয়ক অসমতে ৰখাৰ আৰু ১৯৬১-৭১ চনৰ অ-ভাৰতীয়ক ভাৰতৰ বিভিন্ন ৰাজ্যত বিতৰণৰ প্ৰস্তাৱ আগবঢ়ায়। এই বিষয়টোত ছাত্ৰ সন্থাই আগবঢ়োৱা যুক্তি উল্লেখনীয়। আলোচনাৰ সময়ত কেন্দ্ৰীয় চৰকাৰে এই প্ৰতিশ্ৰুতি দিছিল যে অসমৰ বিদেশীসকলক চিনাক্তকৰণ আৰু বহিষ্কৰণ নকৰা পৰ্যন্ত অসমত নিৰ্বাচন অনুষ্ঠিত নকৰে। কিন্তু কেন্দ্ৰই সকলো প্ৰতিশ্ৰুতি উলংঘা কৰি অসমত বিধান সভাৰ নিৰ্বাচন পতাৰ সিদ্ধান্ত ঘোষণা কৰিলে।

১৯৮৩ চনৰ বছৰটো অসম বুৰঞ্জীৰ এক কলঙ্কিত অধ্যায়। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ পৰা নিৰ্বাচনৰ তীব্ৰ বিৰোধিতা কৰি নিৰ্বাচন বাতিল কৰিবলৈ মুখ্য নিৰ্বাচনী বিষয়া আৰু কেন্দ্ৰক দাবী, অনুৰোধ কৰা সত্বেও কেন্দ্ৰই সেয়া প্ৰত্যাখ্যান কৰিলে। সংবিধানৰ দোহাই দি কেন্দ্ৰই একপক্ষীয়ভাৱে নিৰ্বাচনৰ দিন ঘোষণা কৰিলে। কেন্দ্ৰই নিৰ্বাচনৰ বাবে বিৰাট ষড়যন্ত্ৰ কৰিলে। অসম আন্দোলনৰ নেতৃবৰ্গক দিল্লী আলোচনালৈ মাতি নি ঘূৰি অহাৰ পথত গ্ৰেপ্তাৰ কৰা কাৰ্যও সেই ষড়যন্ত্ৰৰেই এটা। অসম আন্দোলনৰ নেতৃবৃন্দই নিৰ্বাচন বৰ্জনৰ বাবে অসমৰ জনগণলৈ আহ্বান কৰিলে। নিৰ্বাচনৰ আগে-পাছে ব্যাপক কাৰ্যসূচী গ্ৰহণ কৰাত আৰু অসমৰ সংগ্ৰামী জনগণই সম্পূৰ্ণৰূপে সহযোগিতা আগবঢ়োৱাত নিৰ্বাচনী কাৰ্য অচল কৰি তুলিলে। নিৰ্বাচন বন্ধ কৰিবলৈ যাওঁতে শত-সহস্ৰজন মৃত্যু মুখত পৰে, বহুতো আহত হয়, লগতে বহু হাজাৰ লোকক চাকৰিৰ পৰা নিলম্বিত কৰা হ'ল, হাজাৰ হাজাৰ ঘৰ-বাৰী, সা-সম্পত্তি পুৰি ভস্মীভূত হ'ল। অসমৰ জনসাধাৰণে অহিংসা প্ৰতিৰোধৰ শিকনি কেন্দ্ৰীয় চৰকাৰক দিলে। কিন্তু অসমৰ দুৰ্যোগ নেওচি ক্ষমতাৰ প্ৰতি থকা মোহে কেন্দ্ৰীয় চৰকাৰ আৰু ক্ষমতাত অধিষ্ঠিত থকা দলক বৰ্বৰ শক্তি প্ৰয়োগ কৰিবলৈ অধিক উদ্বুদ্ধ কৰে, যাৰ দ্বাৰা চৰকাৰে কোনো প্ৰকাৰে ১৯৩৩ চনৰ ফেব্ৰুৱাৰীৰ অবৈধ নিৰ্বাচনী ক্ৰিয়া শেষ কৰে।

১৯৮৩ চনৰ নিৰ্বাচনৰ যি ফলাফল ঘোষণা কৰিলে সেই কথা বিশ্বই জানিলেও ক'বই লাগিব যে এই নিৰ্বাচনী ফলাফল সম্পূৰ্ণ অবৈধ আৰু অগণতান্ত্ৰিক। এই নিৰ্বাচনৰ আগে-পাছে বিভিন্ন প্ৰকাৰৰ সংঘৰ্ষ, হত্যাকাণ্ড, পুলিচ, চি, আৰ, পিৰ বৰ্বৰ অত্যাচাৰত ৩ (তিনি) হাজাৰৰো অধিক লোকৰ প্ৰাণহানি আৰু ততোধিক লোক আহত হয়। ব্যাপক অগ্নিকাণ্ড আৰু বহুকোটি



টকাৰ সা-সম্পত্তি ধ্বংস হ'ল। সকলোতকৈ ডাঙৰ কথা জনসাধাৰণৰ মনত সৃষ্টি হোৱা গভীৰ ঘা-ডোখৰ!

১৯৮৩ ৰ ফেব্ৰুৱাৰীত যি অবৈধ নিবাচন হৈ গ'ল তাৰ লজ্জাজনক দিশ হ'ল সেই নিৰ্বাচনত মাথোঁ শতকৰা ১৬ জন লোকহে ভোট দিলে। তাকো প্ৰায় সকলোখিনিয়েই বিদেশীভোট আৰু সিয়ো অসমৰ বাহিৰৰ পৰা আমদানি কৰা ২৭০ টাৰো অধিক কোম্পানীৰ অধসামৰিক বাহিনীৰ জোৱানৰ লাঠি, গুলী, ৰাইফল আৰু মেছিনগানৰ গুলীৰ সহায়ত!

অসমত হাজাৰ হাজাৰ লোকক হত্যা কৰি তেজৰ নৈ বোৱাই, হাজাৰজনক আহত কৰি, আজীৱন পংগু অৱস্থালৈ ঠেলি পঠিয়াই, শ শ কৰ্মচাৰীক নিলম্বিত কৰি হাজাৰ হাজাৰ ঘৰ পুৰি, সা-সম্পত্তি ধ্বংস কৰি, কৌটিকলীয়া মিলা-প্ৰীতিৰ বান্ধোন সোলোকাই দি জাতি-জনজাতি, হিন্দু-মুছলিম ধৰ্মৰ দোহাই দি বিভেদৰ বীজ সিঁচি দি ১৯৮৩ চনৰ কলঙ্কিত ব্যক্তিৰ অন্যতম হিতেশ্বৰ শইকীয়াই অবৈধ অগণতান্ত্ৰিকভাৱে এখন চৰকাৰ ২৭ ফেব্ৰুৱাৰীত গঠন কৰিলে। অসমৰ সকলো ৰাইজে সৰ্বাত্মক অসহযোগ পালন কৰিলে। অসম আন্দোলনৰ নেতৃবৃন্দই অবৈধ চৰকাৰৰ লগত কোনো ধৰণৰ যোগাযোগ নেৰাখিবলৈ ৰাইজলৈ আহ্বান জনালে। ফলস্বৰূপে এই অবৈধ শিয়াল পণ্ডিতসকলে দিশপুৰৰ পিঞ্জৰাত আবদ্ধ হৈ দিন কটাবলগীয়া হ'ল। নিজকে 'জনপ্ৰিয়' চৰকাৰ বুলি আখ্যা দিয়াসকলে কোনোদিন মুকলিভাৱে জনগণৰ মাজলৈ আহিব নোৱাৰিলে। অবৈধ চৰকাৰে অসম আন্দোলনক শেষ কৰাটোকে মূল মন্ত্ৰ হিচাপে গ্ৰহণ কৰিলে। কিন্তু আন্দোলনৰ ভাৱমূৰ্তি নষ্ট কৰাটো দূৰৰে কথা, নিজৰ কু-কীৰ্তিহে বৃদ্ধি পালে। অবৈধ চৰকাৰটোৱে কেৱল শদিয়াৰ পৰা ধুবুৰীলৈকে আধাৰশিলা স্থাপনতহে ব্যস্ত থাকিল।

ভাৰতৰ উচ্চতম ন্যায়ালয়ত অবৈধ চৰকাৰৰ সম্পৰ্কে চলা বিচাৰৰ ৰায়দানো সম্পূৰ্ণ বিভ্ৰান্তিকৰ। ন্যায়ালয়ৰ ৰায় কেতিয়াও একপক্ষীয় হ'ব নোৱাৰে। ভাৰত চৰকাৰে কৈ অহা মুক্ত আৰু সুস্থ নিৰ্বাচনে কেনেকৈ ৩ হাজাৰ লোকৰ প্ৰাণহানি ঘটালে? এই নিৰ্বাচন কিমান মুক্ত আৰু কিমানদূৰ সুস্থ আছিল? অসমৰ জনসাধাৰণৰ ওপৰত পুলিচে চলোৱা অবিশ্বাস্য অত্যাচাৰ, অভূতপূৰ্ব হিংসাত্মক ঘটনাৱলী আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ পাছতে এই বিষয়ৰ ওপৰত তদন্তৰ প্ৰয়োজন আছে। ইতিমধ্যে অসম মুক্তি যুঁজাৰু

সন্মিলনে নিযুক্তি দিয়া 'বেচৰকাৰী মেহতা ন্যায়িক তদন্ত আয়োগে' প্ৰতিবেদন দাখিল কৰিছে। এই আয়োগে যি প্ৰতিবেদন দাখিল কৰিছে ইয়ে প্ৰমাণ কৰে যে ১৯৮৩ চনৰ অসমৰ নিৰ্বাচন অবৈধ আৰু অগণতান্ত্ৰিক। এই প্ৰতিবেদনৰ দ্বাৰা ১৯৮৩ ৰ বছৰটো অসমৰ বাবে এক কলঙ্কিত অধ্যায় হিচাপে স্বাক্ষৰিত হৈ থাকিব। আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যি হিংসাত্মক সংঘৰ্ষই এক প্ৰকাৰে ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টি কৰিলে, যাৰ ফলত হাজাৰ হাজাৰ লোকৰ প্ৰাণহানি হ'ল, হাজাৰ হাজাৰ লোক চিৰদিনৰ বাবে ঘৃণীয়া হ'ল, সা-সম্পত্তি ধ্বংস হোৱাৰ ফলত হাজাৰ হাজাৰ লোক নিৰাশ্ৰয় আৰু গৃহহীন হ'ব লগা হ'ল।

আন্দোলনৰ নেতৃবৃন্দই আন্দোলনৰ কাৰ্যসূচী সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে পৰিচালনা কৰিব বিচৰাটো উল্লেখনীয় বিষয়। সদৌ অসম ছাত্ৰ সন্থাৰ গুৱাহাটীত বহা সভাৰ সিদ্ধান্তক্ৰমে ১০ আৰু ১১ জানুৱাৰী '৮৪ ত যোৰহাট কৃষি বিশ্ববিদ্যালয়ত অসমৰ বুদ্ধিজীৱী, কৃষক, শ্ৰমিক, কৰ্মচাৰী, আইনজীৱী আদিৰ উপস্থিতিত প্ৰথম জাতীয় অভিবৰ্তন অনুষ্ঠিত হয়। এই অভিবৰ্তনত অসম আন্দোলনৰ গতিধাৰা, ভৱিষ্যত আন্দোলনৰ কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰা হয়। অভিবৰ্তনে মত পোষণ কৰে যে বৃহত্তৰ অসমীয়া সমাজখনৰ পুনৰ নিৰ্মাণৰ কাৰণে ৰাজনৈতিক, আৰ্থ-সামাজিক তথা সাংস্কৃতিক দিশ সামৰি সকলো জনগোষ্ঠীৰ আশা আকাঙ্খা প্ৰতিফলিত কৰিব পৰাকৈ এখন সামগ্ৰিক কাৰ্যসূচী প্ৰণয়ন কৰাটো অতি প্ৰয়োজনীয়। সদৌ অসম ছাত্ৰ সন্থাই অৰাজনৈতিক চৰিত্ৰ অক্ষুণ্ণ ৰাখিও অসমৰ জনগণক ৰাজনৈতিকভাৱে সচেতন কৰি তোলাৰ উদ্দেশ্যেৰে অসমৰ আঞ্চলিক দলকেইটাৰ একত্ৰিকৰণ সম্পৰ্কত আলোচনা কৰিবলৈ এখন সমিতি গঠন কৰি দি দায়িত্ব অৰ্পণ কৰে।

১৯৮৪ চনৰ ৯, ১০, ১১ আৰু ১২ এপ্ৰিলত গুৱাহাটী বিশ্ববিদ্যালয়ত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত জাতীয় কৰ্মসূচী প্ৰণয়নশালা অনুষ্ঠিত কৰা হয়। জাতীয় কৰ্মশালাত সংস্কৃতি, ভাষা-সাহিত্য আৰু সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক, সাংবিধানিক আৰু আইন বিভাগত প্ৰণয়ন কৰা কাৰ্যসূচী দ্বিতীয় জাতীয় অভিবৰ্তনত উত্থাপিত আৰু গৃহীত হয়।

দ্বিতীয় অভিবৰ্তনৰ আলোচনা প্ৰসঙ্গত উত্থাপিত আৰু কাৰ্যসূচীত সংযোজন কৰিব লগা প্ৰস্তাৱবোৰৰ ক্ষেত্ৰত ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকে সংশ্লিষ্ট



সঞ্চালক আৰু সংযোজকসকলৰ লগত আলোচনা কৰি সিদ্ধান্ত ল'ব আৰু পূৰ্ণাঙ্গ কাৰ্যসূচী ৰাইজৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰিবলৈ গাত লয়। ২১, ২২, ২৩ নৱেম্বৰ '৮৪ ৰ পৰা দ্বিতীয় জাতীয় অভিবৰ্তন অনুষ্ঠিত হয়। এই অভিবৰ্তনে অসমত চলা ভোটাৰ তালিকাৰ ব্যাপক সংশোধনীত সহযোগিতা আগবঢ়াবলৈ সিদ্ধান্ত লয়। এই ক্ষেত্ৰত কেৱল ভাৰতীয় নাগৰিকৰ নামেৰে যাতে এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত হৈ ওলায় তাৰবাবে সতৰ্ক হ'বলৈ অসমৰ ৰাইজলৈ আহ্বান জনোৱা হয়। ইতিমধ্যে এই খচৰা ভোটাৰ তালিকাত লাখ লাখ বিদেশীৰ নাম সোমাই পৰাত এইসকলৰ বিৰুদ্ধে আপত্তি দাখিল কৰা হৈছে। এই গোচৰবোৰ নিষ্পত্তি হ'লেও এখন শুদ্ধ তালিকা পোৱাত যথেষ্ট সন্দেহৰ অৱকাশ আছে। দ্বিতীয় জাতীয় অভিবৰ্তনে পুনৰ ৰাজনৈতিক ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। অসমৰ আঞ্চলিক দলবোৰ একত্ৰিকৰণ কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা চলাবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ ওপৰত সকলোৱে দায়িত্ব অৰ্পণ কৰে। অসমৰ ৰাইজক ৰাজনৈতিকভাৱে সংগঠিত কৰাৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ দ্বিতীয় অভিবৰ্তনে অসমৰ বিভিন্ন জনগোষ্ঠীৰ আশা-আকাঙ্খা প্ৰতিফলিত কৰিব পৰাকৈ ৰাজনৈতিক মঞ্চ গঠনৰ বাবে এখন ২১ জনীয়া প্ৰস্তুতি সমিতি গঠন কৰে। এই সমিতিত ১৯৮৫ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত ৰাজনৈতিক অভিবৰ্তন অনুষ্ঠিত কৰাৰ দায়িত্ব অৰ্পণ কৰে। ইতিমধ্যে এই প্ৰস্তুতি সমিতিৰ প্ৰচেষ্টাত গোলাঘাটত ৰাজনৈতিক অভিবৰ্তন যোৱা অক্টোবৰ মাহৰ ১২, ১৩, ১৪ তাৰিখে হৈ যায়। এই অভিৱৰ্তনত অসম গণ পৰিষদ নামেৰে এটি নতুন আঞ্চলিক ৰাজনৈতিক দল গঠন কৰা হয়। অসমৰ জাতীয়তাবাদী দল আৰু পূৰ্বাঞ্চলীয় লোক পৰিষদে সুকীয়া পৰিচয় এৰি 'অসম গণ-পৰিষদ'ত চামিল হৈছে।

অসম আন্দোলনৰ কাৰ্যসূচী অবৈধ চৰকাৰৰ দমন-পীড়নকো নেওচি অবিৰাম গতিত চলিয়েই থাকে। অৱশ্যে '৮৩ ৰ অবৈধ নিৰ্বাচনটোৰ পাছত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সদৌ অসম ছাত্ৰ সন্থাই সাময়িকভাৱে কিছুদিন আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰাখে। কিন্তু কোনো ক্ষেত্ৰতে চৰকাৰৰ হিটলাৰি অত্যাচাৰত সেও মানি আন্দোলন স্থগিত ৰখা হোৱা নাছিল।

সত্যৰ কোনোদিন পৰাজয় নাই। পৰাজয় নাই গণ-শক্তিৰ। সেয়েহে অৱশেষত কেন্দ্ৰই অসমৰ বিদেশী নাগৰিক সমস্যা সমাধান কৰিবলৈ আগবাঢ়ি

আহিবলৈ বাধ্য হৈ পৰিল। ১৯৮৫ চনটো অসম আন্দোলনৰ বাবে এক ঐতিহাসিক বছৰ। কিয়নো এই বছৰৰ জুন মাহৰ পৰাই কেন্দ্ৰই অসম সমস্যা সমাধানৰ বাবে প্ৰচেষ্টা হাতত লৈ আলোচনাৰ দ্বাৰা দুৱাৰ মুকলি কৰিলে। অসম আন্দোলনৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ প্ৰতিনিধি দল, কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰী, গৃহসচিব, অসমৰ ৰাজ্যপালৰ লগত কেইবালানিও আনুষ্ঠানিক-অনানুষ্ঠানিক আলোচনাৰ পাছত সমস্যাটো সমাধানৰ ফালে আগবাঢ়ি যোৱা দেখা গ'ল। দুয়োপক্ষৰ ফালৰ পৰা যথেষ্ট সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশৰ মাজেৰে আলোচনা আগবাঢ়িছিল। ১৪ আগষ্টৰ পৰা আলোচনাৰ ফলাফল অধিক উজ্জ্বল হৈ পৰিল। সেইদিনা আলোচনাত ভাৰতৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়েও অংশগ্ৰহণ কৰি সমস্যাটো সমাধানৰ ওচৰ চাপি যোৱাত সহায় কৰিলে। অৱশেষত সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ কাৰ্যবাহী সদস্যসকল আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী, গৃহমন্ত্ৰী, গৃহসচিব আৰু অসমৰ ৰজ্যপাল, মুখ্য সচিবৰ উপস্থিতিত ১৯৮৫ চনৰ ১৫ আগষ্টৰ পুৱতি নিশা ২-৪৫ বজাত অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ ওপৰত এখন চুক্তি স্বাক্ষৰিত হ'ল। অসম আন্দোলনৰ এটা পৰ্যায়ৰ সমাপ্তি ঘটিল।

অসম চুক্তিৰ ফলত হেজাৰ শ্বহীদৰ কেঁচা তেজৰ মূল্য অসমবাসীয়ে লাভ কৰিলে। হেজাৰ হেজাৰজনে অত্যাচাৰ, উৎপীড়ন, নিৰ্যাতনত হাত-ভৰি ভাঙি পঙ্গু হৈ অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ কাৰণে কৰা ত্যাগ সফল হ'ল। ঘৰ বিভীষণ আৰু অসমৰে জলবায়ু-খাদ্যেৰে পৰিপুষ্ট হোৱা অজীনপাতকী, সম্পত্তি-ক্ষমতালিপ্সু অসম বিৰোধীৰ প্ৰতিক্ৰিয়াশীল চক্ৰৰ সকলো অসূয়া প্ৰচেষ্টা বিফল হ'ল। এই আন্দোলন আছিল জনতাৰ আন্দোলন। ইয়াৰ তুলনা পাবলৈ নাই — ভাৰত বুৰঞ্জীত। পৃথিৱীৰ ভিতৰতো অনন্য। ইয়াৰ সংগঠন, পৰিচালনা, ৰণকৌশল আদিৰ নেতৃত্ব দিলে যুৱ ছাত্ৰ নেতাই। এনে নেতৃত্বৰ অভিলেখ নাই। ছবছৰ ছমাহে অকথ্য অত্যাচাৰ, অমানুষিক নিৰ্যাতন, পাশৱিক হত্যা, ভাবুকিত বিচলিত নহৈ আৰু আত্মবিশ্বাস নেহেৰুৱাই আপোচবিহীন সুদীৰ্ঘ সংগ্ৰাম চলাই আন্দোলনৰ নেতাসকলে তেওঁলোকৰ নিৰ্ভুল নেতৃত্বৰ পৰিচয় দিলে। জনসাধাৰণে আন্দোলনৰ মৰ্যাদা ৰক্ষা কৰিলে আৰু অসমৰ বুৰঞ্জীক এক তাৎপৰ্যপূৰ্ণ অধ্যায়ত পৰিণত কৰিলে।



অসম চুক্তিয়ে এখন নতুন অসম গঢ়াৰ বাবে এটা পথহে মুকলি কৰিলে। গতিকে চুক্তিখন ৰূপায়ণৰ বাবে বাস্তৱ ব্যৱস্থা কৰাৰ সলনি বিজয় উল্লাসত মতলীয়া হোৱাৰ যুক্তি এই ক্ষণত পোৱা নাযায়। আমি সকলোৱে ঐক্যবদ্ধ প্ৰচেষ্টাৰে নতুন অসম গঢ়াৰ পথত আগবাঢ়িব লাগিব। সেয়েহে আমি সকলোৱে ন-অসমৰ ভেটি ঐক্য, সংহতি আৰু প্ৰগতিৰ মূলমন্ত্ৰেৰে কৰ্তব্য সম্পাদন কৰি আগবাঢ়ি যাওঁ আহক — হাতত হাত থৈ, কান্ধত কান্ধ মিলাই। ■

*(প্ৰকাশ কাল ঃ ১৯৮৪-৮৫)*

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

# প্ৰতিফলন তত্ত্ব আৰু শিল্প-সাহিত্য

ভুবন গগৈ
অধ্যাপক, ভূগোল বিভাগ

'প্ৰতিফলন তত্ত্ব' দাৰ্শনিকসকলৰ, বিশ্বৰ ধাৰাবাহিক শৃঙ্খলা আৰু পৰিপাৰ্শ্বিকতাৰ নিয়মবিলাক সূত্ৰবদ্ধ কৰা ঐতিহাসিক প্ৰচেষ্টাৰ ফলশ্ৰুতি। বিশ্বচৰাচৰ প্ৰকৃত; মানৱ মনৰ ভাৱৰ স্থান দ্বিতীয়; এই ধাৰণাৰ জন্ম হয় বস্তুবাদী চিন্তাধাৰাত আৰু এই ধাৰণাৰ পূৰ্ণাঙ্গ ৰূপ প্ৰকাশ পায় মাৰ্ক্স, এঙ্গেলচ্, লেনিন আদিৰ চিন্তাধাৰাত। এনে ধাৰণা জন্মৰ লগে লগে বিশ্বচৰাচৰৰ সম্পৰ্কে চলি অহা প্ৰণালীবদ্ধ ধাৰণাবিলাক মাজে মাজে দুফাল হৈ পৰে। এভাগ, যদিও বিচিত্ৰ সাজত দেখা যায়, মুখ্যতঃ হ'ল ভাৱবাদী। অৰ্থাৎ এই ভাগৰ মতে বিশ্বচৰাচৰত ভাৱৰ স্থান প্ৰথমত আৰু বস্তুজগত ভাৱৰ ধাৰণাৰ পৰা জন্ম। দ্বিতীয় ভাগে ওপৰত উল্লেখ কৰাৰ দৰে বস্তুজগতক প্ৰথম স্থান দিয়ে আৰু ইয়াত ভাৱ হৈছে বস্তুৰ উন্নত পৰ্যায়ৰ এটা গুণ। বস্তু জগতৰ দ্বাৰা ভাৱৰ সৃষ্টি হয় আৰু বস্তু জগতৰ অৱস্থিতি ভাৱ জগতৰ পৰা সম্পূৰ্ণ স্বতন্ত্ৰ। প্ৰথম ভাগটোৰ পদ্ধতিগত বিশ্লেষণত ভাৱ মস্তিষ্কবৰ্জিত হৈ পৰে আৰু ই বস্তুবৰ্জিত অৰ্থাৎ মানববৰ্জিতও হৈ পৰে। গতিকে সমাজৰ অগ্ৰগতিৰ লগে লগে এই দৰ্শন মানৱ সমাজৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। 'প্ৰতিফলন তত্ত্ব' বস্তুবাদী চিন্তাধাৰাৰ 'জ্ঞান তত্ত্ব'ৰ মূল ভেটি। এই তত্ত্ব পূৰ্ণাঙ্গ আৰু বিস্তৃত ৰূপ পাইছে লেনিনৰ চিন্তাধাৰাত; গতিকে ইয়াক লেনিনৰ প্ৰতিফলন তত্ত্ব বুলিও কোৱা হয়।



'প্ৰতিফলন তত্ত্ব'ৰ মতে মানৱ মন আৰু বস্তু জগতৰ সম্পৰ্ক হ'ল বস্তু আৰু দাপোনৰ সম্পৰ্কৰ দৰে। মানুহৰ জ্ঞান জন্ম হয় মানুহৰ মনত বস্তুজগতৰ প্ৰতিবিম্বনৰ পৰা। কিন্তু বস্তু আৰু দাপোনৰ প্ৰতিবিম্বনৰ দৰে মানৱ মনৰ প্ৰতিবিম্বন সৰল নহয়। ই অতি জটিল। এই প্ৰতিবিম্বন, ঐতিহাসিক, বৰ্তমান আৰু ভৱিষ্যত পৰ্যন্ত ব্যাপ্ত। ই জন্ম দিয়ে জ্ঞান আৰু গতিশীল কৰ্মৰ। সাহিত্য, কলা, সংস্কৃতি মানুহৰ সুন্দৰ মনৰ কৰ্ম। গতিকে এইবিলাকৰ উৎপত্তি, বিকাশ আদিৰ প্ৰণালীবদ্ধ বিশ্লেষণ প্ৰতিফলন তত্ত্বৰ আধাৰত কৰিব পাৰি।

লেনিনৰ মতে ''প্ৰাথমিক স্তৰত ক্ষণিক-জ্ঞান সসীম আৰু মন্ময়''। প্ৰকৃতপক্ষে মানুহৰ জ্ঞান সকলো সময়তে সসীম, মন্ময় পৰিণতিকামী। বাস্তৱৰ প্ৰতিফলনত জ্ঞানৰ জন্ম হয়। গতিকে বাস্তৱৰ উপাদানক আওকাণ কৰি ভাৱক মুখ্য স্থান দিলে ভুল হ'ব। ইয়াৰ ফলত বস্তুৰ পৰা জ্ঞানৰ পৃথকীকৰণ ঘটিব আৰু লগে লগে মানুহৰ পৰা জ্ঞান বিচ্ছিন্ন হৈ পৰিব। লেনিনৰ মতে সসীম পৰিৱৰ্তনশীল, আপেক্ষিক আৰু চৰ্তসাপেক্ষ।

মানুহৰ জ্ঞান বা চেতনাৰ এটি ৰূপ হিচাবে শিল্প, সাহিত্যই বস্তুজগতকে প্ৰতিফলিত কৰে। এই প্ৰতিফলন কাৰ্যত প্ৰতিফলিত বস্তু আৰু প্ৰতিফলন পদ্ধতি ঐতিহাসিকভাৱে নিৰ্ধাৰিত হয় উৎপাদনৰ স্তৰ আৰু সাংস্কৃতিক মানদণ্ডৰ ওপৰত। শিল্প সাহিত্যৰ জগত বস্তুজগততকৈ কিছু আগবাঢ়ি থাকে। কোনো শিল্প সৃষ্টি কৰিবলৈ শিল্পীয়ে কেৱল বস্তুজগতক প্ৰতিফলনেই নকৰে, ইয়াৰ বিকশিত ৰূপৰো ইঙ্গিত দিয়ে। এই শিল্পই অতীত ভৱিষ্যতক সাঙুৰি থাকিলেও ই বৰ্তমানৰ ওপৰতহে থিয় দিয়ে। অৰ্থাৎ বৰ্তমানৰ দ্বাৰাই অতীতৰ পুনৰোদ্ঘাটন আৰু ভৱিষ্যতৰ কল্পনা নিৰ্দ্ধাৰিত হয়। শিল্পৰ সাধাৰণীকৰণ গুণৰ বাবে ই কোনো সময়ত সীমা নামানিলেও ই বৰ্তমানকে ভিত্তি কৰে। শিল্প-সাহিত্যৰ এই গুণটোক Supra-historical বোলা হয়। ইয়াৰ জন্ম হয় বস্তু জগতৰ শৈল্পিক প্ৰতিফলন, তন্ময় আৰু মন্ময় সম্পৰ্কৰ পৰা। শিল্প কোনো সময়ৰ বিশেষ ঘটনা বা কাৰ্যৰ প্ৰতিফলন হ'লেও যেতিয়া ই শিল্পলৈ ৰূপান্তৰিত হয় তেতিয়া ই সাধাৰণীকৃত হয় আৰু ইতিহাসৰ সেই নিৰ্দিষ্ট সময়ৰ গাত কালান্তৰৰ দ্যোতনা সৃষ্টি কৰে। কালবিধৌত জীৱনে লাভ কৰে নতুন জীৱন। শিল্প সৃষ্টিৰ আগতে শিল্পীয়ে বাস্তৱৰ বা বস্তুৰ পূৰ্বধাৰণা লৈ থাকে আৰু পাছত তাক সৌন্দৰ্য বিধানৰ নিয়ম বিলাকৰ দ্বাৰা ৰূপান্তৰ কৰি

সুন্দৰ শিল্পৰ সৃষ্টি কৰে। কলা গতিকে সদায়েই পৰিৱৰ্তনশীল।

মানুহে প্ৰকৃতিক অহৰহ ৰূপান্তৰ ঘটাইছে আৰু এনেকৈয়ে বস্তুৰ লগত নিবিড় সম্পৰ্ক গঢ়ি তুলিছে। শিল্পৰ লক্ষ্য হ'ল সামাজিক মানুহ। মানুহৰ এই সামাজিক চেতনাই প্ৰকৃতিক মানৱীয় কৰি তোলে, গতিকে শিল্পী সাহিত্যিকৰ কোনো সময়ত হোৱা বস্তুৰ সৈতে প্ৰত্যক্ষ বা অভিজ্ঞতাই জন্ম দিয়ে তন্ময়তা, তাৰ পাছত মন্ময়তা আৰু শেষত বিভিন্ন মাধ্যমেৰে কলালৈ সি ৰূপান্তৰিত হয়। কিন্তু এই সকলোৰে কেন্দ্ৰত থাকে দ্বান্দ্বিক বস্তুজগত।

লেনিনৰ মতে ''মানুহৰ চেতনাই কেৱল বস্তুজগতক প্ৰতিফলনেই কৰে এনে নহয়; ই সৃষ্টিও কৰি থাকে।'' এই প্ৰতিফলনত প্ৰয়োজন হয় বস্তু জগতৰ ক্ৰিয়া প্ৰতিক্ৰিয়াত গঢ়ি উঠা গভীৰ শৈল্পিক মনৰ। আমাৰ অৱস্থিত বস্তু জগতে মানৱ-মনক সন্তুষ্ট কৰিব নোৱাৰে; গতিকে ই সদায় বস্তুজগতক পৰিৱৰ্তন কৰিব বিচাৰে। গতিকে মানুহৰ সকলো নান্দনিক কাৰ্যই সৃষ্টিশীল। এই বাবেই মানৱ সমাজৰ বিৰাট অগ্ৰগতি আৰু পৰিৱৰ্তন সম্ভৱ হৈছে।

কিন্তু বস্তুৰ পৰিৱৰ্তন ঘটাবলৈ বস্তুজগতৰ বৈশিষ্ট্য, স্বাভাৱিক পৰিৱৰ্তনৰ নিয়মবিলাক আৰু বস্তুজগতৰ নিয়ম বিলাক জানিব লাগিব। তেতিয়াহে পৰিৱৰ্তন কৰিব পৰা যাব। এনে জ্ঞান জন্মিলেহে প্ৰকৃত সৃষ্টিশীলতাৰ জন্ম হয়। এই সৃষ্টিশীলতাৰ লক্ষ্য থিৰাং হয় সৌন্দৰ্যবোধৰ তাড়নাত। শিল্পীৰ মনন, মন আৰু বস্তুগত অভিজ্ঞতা প্ৰকাশ পায় আঙ্গিকৰ মাধ্যমত আৰু তেতিয়াই ই শিল্প হয়। নিয়মিত অনুশীলন আৰু অনুধাৱনে অপৰূপ শিল্পৰ জন্ম দিয়ে আৰু ই জনসাধাৰণৰ অন্তৰত ঠাই পায়।

যুক্তিৰ পৰম্পৰাও বিজ্ঞান-শিল্প সাহিত্যৰ ক্ষেত্ৰত সুদূৰ-প্ৰসাৰী। এই যুক্তিৰো জন্ম হয় বাস্তৱতাৰ পৰাই। ইয়াত বস্তুৰ প্ৰত্যক্ষ জ্ঞান আৰু তাত্ত্বিক ধাৰণাই যৌথভাৱে কাম কৰে। বিজ্ঞানৰ ফলশ্ৰুতি স্থূল; কিন্তু কলাৰ সূক্ষ্ম, ৰসাত্মক আৰু মন্ময়। বিজ্ঞানৰ জ্ঞান হ'ল বিষয়গত বাস্তৱতা আৰু নতুন সৃষ্টিৰ উদ্দেশ্যমূলকতা। সেই কাৰণে ইমান নতুন সৃষ্টিৰ সম্ভৱ হৈছে, মানুহৰ প্ৰয়োজন অনুযায়ী বস্তুৰ পৰিবৰ্তন কৰাটো সম্ভৱ হৈ পৰিছে। শিল্পৰো ভিত্তি আৰু উদ্দেশ্য একেই। ওপৰোৱাভাৱে কেতিয়াবা শিল্প-সাহিত্যক বাস্তৱৰ পৰা বিচ্ছিন্ন যেন লাগিলেও আচলতে ইয়াৰ লক্ষ্য বাস্তৱৰ প্ৰয়োজন আৰু বস্তুৰ প্ৰাকৃতিক নিয়মৰ দ্বাৰাই অনিবাৰ্যভাৱে নিয়ন্ত্ৰিত। প্ৰতিটো সৃষ্টিৰ গুৰিতেই



দেখা যায় তেনে বাস্তৱতাৰ ধৰা-বন্ধা সম্ভাব্যতা, প্ৰয়োজনীয়তা আৰু সীমাবদ্ধতা। এই বিশ্লেষণত প্ৰতিফলন তত্ত্বৰ প্ৰকৃত সত্যতাৰ উপলব্ধি সহজেই অনুমেয়।

শিল্প-সাহিত্যৰ উদ্দেশ্যই হৈছে নতুন সৃষ্টি কৰা। শিল্পী সাহিত্যকৰ কাম হৈছে বস্তু জগতৰ প্ৰতিফলন ঘটোৱা। আৰু গঢ়ি তোলা। গতিকে অভিজ্ঞতাৰ পৰা পোৱা উপলব্ধি আৰু লক্ষ্য সাধনৰ বাবে প্ৰয়োজন হয় দৃঢ়তা, পৰিশ্ৰম আৰু সাহসৰ। তাৰবাবে তেওঁ বহুতো বাধা-বিঘিনি অতিক্ৰম কৰিব লগাত পৰে। শিল্পী-সাহিত্যিকে কোনো সময়ৰ ঐতিহাসিক প্ৰয়োজনীয়তা উপলব্ধি কৰা উচিত আৰু সেইফালেহে শিল্প সৃষ্টিৰ প্ৰকৃত স্বাধীনতা অনুভৱ কৰিব পৰা যায়। ব্যৱহাৰিক ক্ষেত্ৰতো শিল্পী বস্তুজগতৰ কেৱল মুখামুখী হ'ব লাগে এনে নহয়; ইয়াৰ ওপৰত নিৰ্ভৰো কৰিব লাগে। কাৰণ মানুহৰ কাৰ্য আৰু উদ্দেশ্য বাস্তৱতা আৰু বস্তুজগতৰ নিয়মাৱলীৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। এই নিয়মাৱলী আকৌ মানুহৰ অভিজ্ঞতা আৰু জ্ঞানৰ ভেটিও। অৱশ্যে মানুহৰ জ্ঞান আৰু প্ৰতিফলন স্বয়ংসম্পূৰ্ণ আৰু যথাৰ্থ নহয়। বৰঞ্চ এইবিলাক প্ৰকৃতিৰ নিয়মবিলাকৰ লগত হোৱা ঘনিষ্ঠতা অৰ্জনৰ নিৰবিচ্ছিন্ন প্ৰক্ৰিয়াহে। গতিকে শিল্প-সাহিত্য হ'ল প্ৰকৃতি আৰু মানুহৰ মিলন ক্ষেত্ৰ আৰু ই হ'ল জ্ঞান আৰু সচেতনতা প্ৰকাশৰ অন্যতম উপায়ো। তেনেকৈ শিল্পীৰ নন্দনতাত্ত্বিক উদ্দেশ্য, আঙ্গিক আদিৰো সৃষ্টি হয় বাস্তৱতাৰ পৰাই আৰু শিল্পী নিজেও তাত আত্মপ্ৰকাশ ঘটে।

এজন শিল্পী বা সাহিত্যিকে কোনো ঘটনা বা চৰিত্ৰৰ সঠিক মূল্যায়ন কৰিব লাগিলে স্থান-কাল-পাত্ৰ আদিৰ সম্যক মূল্যায়ন কৰিব লাগিব। ঐতিহাসিক কাল, জীৱনধাৰা আৰু বাস্তৱিক পৰিবেশৰ অবিহনে মানুহ বা ঘটনাৰ উপস্থাপন হৈ পৰে অবান্তৰ। ই প্ৰতিফলিত হৈ নুঠিব। কাৰণ শিল্প বা সাহিত্যই কোনো সময়ৰ কোনো বিশেষ পৰিস্থিতিৰ প্ৰতিনিধিত্ব কৰে।

শিল্প বা সাহিত্যৰ অন্যতম বৈশিষ্ট্য হ'ল এই যে —ই কেৱল বাস্তৱৰ প্ৰতিফলনেই নকৰে; ইয়াৰ লক্ষ্য হ'ল ই নিজস্ব নতুন শৈল্পিক মূল্যবোধৰ সৃষ্টি কৰাটোও। শিল্পৰ জগতখন ব্যাপ্ত, বহুধা-বিভক্ত আৰু জটিল। তত্ত্ব আৰু প্ৰয়োগ, ইতিহাস আৰু পৰিকল্পনা, অতীত-বৰ্তমান-ভৱিষ্যত, ব্যক্তিগত আৰু সমষ্টিগত চেতনা, যুক্তি আৰু সহজাত জ্ঞান, পৰিশ্ৰম আৰু ফলশ্ৰুতি,

বাস্তৱ আৰু কল্পনাৰ জটিল সংমিশ্ৰণৰ প্ৰতিফলনেৰে ই আকীৰ্ণ। লুকাচ্‌ৰ মতে —*The goal for all art is to provide a picture of reality in which the contradiction between appearence and reality, the particular and general, the immediate and conceptual etc., is so resolved that the two converge into a spontaneous integrity in the direct impression of the work of art and provide a sense of an inseperable integrity.* মন্ময়তা, তন্ময়তা বা প্ৰতীপ আকৰ্ষণো ইয়াত ক্ৰিয়াশীল। এই দৰেই সৃষ্টিকাৰ্যত সৃষ্টিশীল, নান্দনিক, আদৰ্শগত, শিক্ষামূলক আৰু বিশ্ব দৃষ্টিভঙ্গী সম্ভূত উপাদান নিহিত হৈ যায়। গতিকে তত্বজ্ঞান আৰু ধাৰাবাহিক অনুশীলন অবিহনে শিল্প সৃষ্টি সম্ভৱ নহয়। শিল্পী আৰু সাহিত্যিক ৰং-তুলি, কলম, সুৰ আদিৰ অভিনৱত্বৰ দ্বাৰা তেওঁ আহৰণ কৰা জ্ঞান, অভিজ্ঞতা, চৰ্চা আদিৰ পৰিমাণগত আৰু গুণগত পৰিবৰ্তন আনে, যি নতুন মূল্যমান লৈ মানুহৰ বুকুত ৰৈ যায়। উপৰিসৌধৰ অৱস্থানৰ পৰা সমাজৰ মূল ভেটিটো প্ৰভাৱ পেলায়।

প্ৰতিফলন প্ৰক্ৰিয়া অতি জটিল আৰু দ্বান্দ্বিক। শিল্প-সাহিত্য কোনো বিশেষ স্থান-কালৰ প্ৰাচীৰত সীমাবদ্ধ নহয়। মানৱ জীৱনৰ ধাৰাবাহিকতা, মূল্যবোধৰ সাৰ্বজনীনতা উপলব্ধি বিষয়। বাস্তৱক জীৱন্ত ৰূপত দেখা, বৰ্তমানত ভৱিষ্যতৰ পোহৰৰ ৰেঙনি দেখা শিল্প-সাহিত্যৰ উজ্জ্বল বৈশিষ্ট্য। নহ'লে শিল্প-সাহিত্যৰ উদ্দেশ্য ব্যাহত হ'ব আৰু ই জীৱনৰ পৰা বিচ্ছিন্ন হৈ পৰিব। সামাজিক দায়িত্ব পালনতো ই ব্যৰ্থ হৈ পৰিব। ■

**সহায়ক পুথি ঃ**

১) *নন্দন* — ৬ষ্ঠ সংখ্যা — ১৯৮০ (১৩৮৭)
২) *Lenin and Problems of Literature* – Vladimir Shchebina.
৩) *Materialism and Empirio-criticism* – Vladimir Lenin.
৪) *Social Scientist* – Dec 1979 Jan 1980.

*(প্ৰকাশ কাল ঃ ১৯৮৪-৮৫)*



# নাট্য সাহিত্য সম্পৰ্কে

**প্ৰদ্যুত কুমাৰ বৰুৱা**
স্নাতক, তৃতীয় বাৰ্ষিক (বিজ্ঞান)

সকলো সাহিত্যৰ ভিতৰত নাট্য সাহিত্যই শ্ৰেষ্ঠ। সেয়েহে প্ৰাচীন আলঙ্কাৰিক ৱামণে কৈছিল — 'সন্দৰ্ভেষু দশৰূপক', মানে নাটকেই শ্ৰেষ্ঠ। আন এজন কবিয়ে কৈছে — 'কাব্যেষু নাটকং ৰম্যম।' প্ৰাচীন কাব্যৰ সৃষ্টি আবৃত্তিৰ বাবে, আধুনিক উপন্যাসৰ সৃষ্টি পাঠকৰ বাবে আৰু নাটকৰ সৃষ্টি অভিনয়ৰ দ্বাৰা মানুহৰ মনত আনন্দ সঞ্চাৰ কৰাৰ বাবে। কিন্তু আনন্দ দান কৰিবলৈকে মুখ্যতঃ নাটকৰ উদ্ভৱ হ'লেও সামাজিক প্ৰয়োজনতেই সাহিত্যৰ অন্যান্য বিভাগৰ নিচিনাকৈ নাটকৰো উৎপত্তি আৰু পৰিপুষ্টি। নাটকৰ উদ্দেশ্য হৈছে আনন্দৰ মাজেৰে শিক্ষা দান কৰা। ভাৰতীয় নাট্য শাস্ত্ৰকাৰে কৈছে যে সৰ্ববিষয়ে উপদেশ দিয়াটো নাটকৰ অন্যতম উদ্দেশ্য।

''সৰ্বোপদেশ জননাং নাট্যং খলু ভৱিষ্যতি।''

এই নাটকে ধৰ্মাচাৰীসকলক ধৰ্ম, কামসেৱীক কামভোগ শিকাব, দুৰ্বিনীতসকলক কৰিব নিগ্ৰহ, বিনীতবিলাকৰ বঢ়াব দমক্ৰিয়া ক্লীৱসকলক সাহসী, বীৰসকলক উৎসাহ, নিৰ্বোধ সকলক বুদ্ধি, বিদ্বানৰ বঢ়াৰ বিদ্যা, ধনীসকলক শিকাব বিলাসৰ পদ্ধতি, দুঃখিতসকলক শিকাব ধৈৰ্য, অৰ্থাজনকাৰীক শিকাব অৰ্থলাভৰ উপায়, উদ্বিগ্নচিতসকলক দিব শান্তি। এনেদৰে সংসাৰৰ হতভাগ্য, দুঃখী শোকাৰ্ত আৰু শ্ৰমক্লান্ত লোকসকলক বিশ্ৰাম দান কৰিব এই নাটকেই।

সাহিত্যৰ আটাইকেইটা বিভাগৰ ভিতৰত নাটকৰ আকৰ্ষণেই আটাইতকৈ বেছি। নাটক একেলগে বহুত মানুহে চায় আৰু সেইসকল দৰ্শকৰ ওপৰত নাটকে প্ৰভাৱ পেলায়। সেয়েহে প্ৰতিটো যুগতেই ই সমাজৰ এক শক্তিশালী প্ৰচাৰ মাধ্যম হিচাবে কাম কৰি আহিছে। মহাপুৰুষ শঙ্কৰদেৱেও নাটকক প্ৰচাৰৰ মাধ্যম হিচাবে প্ৰয়োগ কৰি বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰিছিল। আমি দেখা পাওঁ — ইতিহাসৰ বুকুত যিমানবিলাক বিৰাট বিৰাট পৰিৱৰ্তন সাধন হৈছে, সেই পৰিৱৰ্তন সাধনত নাট্য সাহিত্যৰ উল্লেখযোগ্য বৰঙণি আছে। নাটকৰ সৈতে সমাজ জীৱনৰ ঘনিষ্ঠ সম্পৰ্ক আছে। সেয়েহে সমাজ পৰিৱৰ্তনৰ দিশতো নাটকে সদায়েই প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

নাট্য সাহিত্যৰ সৃষ্টি সম্বন্ধে নানা মত থাকিলেও ভাৰতবৰ্ষই ইয়াৰ উৎপত্তিৰ স্থল বুলি বিভিন্ন সূত্ৰৰ পৰা জনা যায়। শাস্ত্ৰকাৰৰ মতে ঋক্‌বেদৰ কথোপকথনৰ পৰাই ধৰ্মীয় সূত্ৰে নাটকৰ সূত্ৰপাত হয়। পৌৰাণিক ভাৰতীয় নাট্য সাহিত্য সৃষ্টিৰ উৎস সম্পৰ্কে এনেদৰেও পোৱা যায় — এবাৰ স্বৰ্গৰ দেৱগণে ব্ৰহ্মাক জনালে যে তেওঁলোকে স্বৰ্গত দুখ-কষ্ট নোহোৱাকৈ সুখতেই দিন নিয়াইছে যদিও তেওঁলোকে যেন কিবা এটা বিশেষ বস্তুৰ অভাৱ অনুভৱ কৰিছে। গতিকে তেওঁলোকক মনোৰঞ্জনৰ এটা উপায় দিব লাগে। ব্ৰহ্মাই তেতিয়া ঋকবেদৰ পৰা পাঠ্য অংশ, যজুৰ্বেদৰ পৰা অভিনয় অংশ সামবেদৰ পৰা গীত আৰু অথৰ্ববেদৰ পৰা ৰস আহৰণ কৰি 'নাট্যশাস্ত্ৰ' ৰচনা কৰিলে, যাক 'পঞ্চম বেদ' বুলি কোৱা হয়। কিন্তু প্ৰামাণিক ৰূপত নাট্যশাস্ত্ৰৰ প্ৰাচীন গ্ৰন্থ হিচাবে আচাৰ্য ভৰতমুনি কৃত 'নাট্যশাস্ত্ৰ'কে পোৱা যায়। মুনি ভৰতে নাট্যশাস্ত্ৰৰ প্ৰথম অধ্যায়ত নাটকৰ উৎপত্তিৰ বিষয়ে বৰ্ণনা কৰি কৈছে যে প্ৰাচীন ঋষিমুনিৰ অনুৰোধত তেওঁ পঞ্চমবেদ নাট্যশাস্ত্ৰ ৰচনা কৰিবলৈ লয় — ইতিহাসৰ বিষয়-বস্তুৰ আধাৰত, যি ভৱিষ্যতে মানুহৰ আগত আদৰ্শ দাঙি ধৰিব আৰু যাৰ মাজত থাকিব প্ৰগতি আৰু শান্তিৰ উপদেশ, ধৰ্ম, অৰ্থ, কাম মোক্ষৰ মাধ্যমেৰে। পণ্ডিতসকলে অনুমান কৰিছে যে খৃঃ পূঃ ৬০০ বছৰৰ আগতে আদিভৰতে নাট্যশাস্ত্ৰ প্ৰণয়ন কৰে। তাৰ পিছত সেই গ্ৰন্থৰ আধাৰতে আৰু বৃষভ ৰচিত 'নাট্যসূত্ৰ' সংকলন কৰি মুনি ভৰতে নাট্যশাস্ত্ৰৰ ৰূপ দিয়ে। ভাৰতবৰ্ষৰ কলাপ্ৰেমীলোকে এই শাস্ত্ৰৰ ভেঁটিতেই পৰৱৰ্তী কালৰ নাটকৰ সঙ্গীত নৃত্যাদিৰ ৰূপ নিৰ্ণয় কৰিছে আৰু আজিৰ এই আধুনিক যুগতো এই



শাস্ত্ৰৰ প্ৰভাৱ বাৰুকৈয়ে পৰা দেখা গৈছে।

ভৰতমুনিয়ে গন্ধৰ্ব অপ্সৰা, কিন্নৰসকলক লৈ প্ৰথমে শিৱৰ সন্মুখত নাট্য, নৃত্য আৰু নৃত্ত এই তিনিবিধ নৰ্তন প্ৰদৰ্শন কৰে। হাস্যৰসৰ বাবে হাঁহি উঠাৰ সম্বল, ৰুদ্ৰৰসৰ বাবে খং উঠাৰ কাৰণ আদি ৰসসমূহক প্ৰকাশৰ বাবে কৰা অভিনয় কলাই হ'ল নাট্য বা নাটক। যেতিয়া কোনো এজন ব্যক্তিয়ে নিজৰ বাস্তৱ সত্বাক পাহৰি আন কোনো ব্যক্তিৰ চৰিত্ৰ চিত্ৰণ কৰি দেখুৱায় তেতিয়া তাক অভিনয় বুলি কোৱা হয়। এই অভিনয় কৰা প্ৰধানকৈ (ক) আঙ্গিক অভিনয় (খ) বাচিক অভিনয় (গ) আহাৰ্য অভিনয় আৰু (ঘ) সাত্বিক অভিনয় — এই চাৰি প্ৰকাৰে সম্পন্ন হয়।

**ক) আঙ্গিক অভিনয় ঃ** অৰ্থাৎ অঙ্গ সঞ্চালনৰ দ্বাৰা কৰা অভিনয়। সাধাৰণতে এই অভিনয় নৃত্য বা অঙ্গি-ভঙ্গীৰ দ্বাৰা সম্পন্ন হয়। অঙ্গ সঞ্চালন আৰু মুদ্ৰাৰ সহায়ত মূল বিষয়-বস্তু দৰ্শকে বুজিব পৰাকৈ আঙ্গিক অভিনয় কৰা হয়। কোনো বিষয় বা বিশেষ চৰিত্ৰক বুজাবলৈ এক বিশেষ মুদ্ৰাৰ সহায় লোৱা হয়। যাৰ দ্বাৰা দৰ্শকে বিষয়, কথা বস্তু অতি সহজে বুজিব পাৰে। ইয়াত অসংযুক্ত হস্ত আৰু সংযুক্ত হস্ত এই দুই প্ৰকাৰৰ হস্তক ব্যৱহৃত হয়। অসংযুক্ত হস্ত এক হাতেৰে বুজোৱা আৰু সংযুক্ত হস্ত দুই হাতেৰে বুজোৱা হস্ত।

**খ) বাচিক অভিনয় ঃ** অৰ্থাৎ বচনৰ দ্বাৰা কৰা অভিনয়। ইয়াত অভিনেতা-অভিনেত্ৰীয়ে মঞ্চত নিজে বচনৰ দ্বাৰা অনুকৰণীয় চৰিত্ৰৰ ভাৱ-ভঙ্গী বা কথা বস্তু ব্যক্ত কৰে। ইয়াত বচনৰ প্ৰাধান্য বেছি।

**গ) আহাৰ্য অভিনয় ঃ** এই অভিনয় সাধাৰণতে অলঙ্কাৰ বা বেশ-ভূষা, মুখা আদিৰ ভূষিত হৈ সম্পন্ন কৰা হয়।

**ঘ) সাত্বিক অভিনয় ঃ** সাত্বিক ভাৱসমূহ বা ৰস প্ৰকাশৰ দ্বাৰা এই অভিনয় সম্পন্ন হয়।

সাহিত্যৰ ক্ষেত্ৰত নাট্য সাহিত্যত দৃশ্যকাব্য ৰূপে মান্য কৰা হয়। ভাৱ, ৰস, ছন্দ, অলঙ্কাৰ, স্থান, কাল আদি সাহিত্যৰ সমস্ত উপাদান তথা যি নৱৰসৰ উল্লেখ পোৱা যায় সি নাটকৰ ক্ষেত্ৰতো অপৰিহাৰ্য আৰু বিদ্যমান। সেইবাবে নাটকক পূৰ্ণ সাহিত্য ৰূপে গণ্য কৰা হয়। প্ৰতিটো ৰসৰে একোটা স্থায়ীভাৱ থাকে আৰু প্ৰয়োজন পৰিস্থিতি সাপেক্ষে এই ৰসসমূহৰ প্ৰয়োগ হয়। যি কাৰণত কোনো ৰসৰ সৃষ্টি হয় সেই কাৰণকে আলম্বন বিভাৱ বুলি

কোৱা হয়। আৰু কিছুমান এনে ভাৱ আছে যাক উদ্দীপন বা সঞ্চাৰী ভাৱ বুলি কোৱা হয়। নাট্যকলাৰ প্ৰতিটো ক্ষেত্ৰতে এইবিলাক অপৰিহাৰ্য। সময়ৰ পৰিৱৰ্তনৰ লগে লগে নাট্য সাহিত্যৰ ক্ষেত্ৰতো পৰিৱৰ্তিত ৰূপত চিন্তা-চৰ্চাত নতুন ৰীতি-নীতিৰ পৰীক্ষা-নিৰীক্ষা চলোৱা হৈছে। শেক্সপীয়েৰৰ সমসাময়িক কালছোৱাত নাটকে সাহিত্যত এক সুকীয়া আসন ল'বলৈ সক্ষম হয়। ঊনৈশ শতিকাৰ সাহিত্যৰ বাতাবৰণ আছিল অত্যন্ত আলোক দীপ্ত। সেই সময়ৰ নাট্য সাহিত্য আছিল চিন্তা, কল্পনা আৰু সৌন্দৰ্যবোধেৰে ভৰপূৰ। অৱশ্যে বৰ্তমান যুগৰ নাটক আৰু সেই যুগৰ নাটকৰ মাজত প্ৰভেদ দেখা যায়। বৰ্তমান নাটকত আধুনিক সভ্যতাৰ প্ৰগতিত পৰিৱৰ্তিত পাৰিপাৰ্শ্বিকতা, জীৱনৰ মূল্যবোধ আৰু আদৰ্শই বাস্তৱমুখীতাৰ ছাঁ পেলোৱা দেখা যায়। ঘটনা আৰু জটিল চৰিত্ৰৰ সংঘাতেই ইয়াৰ মূল বস্তু। কিন্তু সেই সময়ৰ নাটকত পৌৰাণিক আৰু বুৰঞ্জীমূলক কাহিনীয়ে ঠাই পাইছিল। পৌৰাণিক কাহিনী অৱলম্বন প্ৰধান উদ্দেশ্য হ'ল অলৌকিকতাৰ অভিব্যঞ্জন। যিটো গতানুগতিক সামাজিক চৰিত্ৰৰ যোগেদি নাটকত সন্নিৱিষ্ট কৰা সম্ভৱ নহয়। তাৰ উপৰিও এনে নাটকত ধৰ্ম আৰু নৈতিক আদৰ্শই সেই সময়ৰ সামাজিক জীৱনত প্ৰভাৱ পেলাইছিল। তেনেদৰে আকৌ বুৰঞ্জীমূলক নাটকৰ যোগেদি গৌৰৱময় অতীত সোঁৱৰণ, দেশপ্ৰেম আৰু বীৰত্বৰ যোগদি চেতনা জাগ্ৰত কৰিছিল।

সমাজ আৰু জীৱনধাৰাৰ দ্ৰুত পৰিৱৰ্তনৰ লগে লগেই আমাৰ আদৰ্শ আৰু মূল্যবোধ পৰিৱৰ্তিত হৈ আহিছে। জীৱনৰ গতিৰ দ্ৰুতি বাঢ়িছে, ব্যস্ততা বৃদ্ধি পাইছে। জীৱনৰ দ্ৰুত গতি আৰু অৰ্থকেন্দ্ৰিক সভ্যতাৰ ফলত আমাৰ জীৱনত সাধাৰণ সহনশীলতা, ধৈৰ্য আৰু সৌম্যতাৰ অভাৱ ঘটিছে। সেয়েহে জীৱনৰ এইসমূহ পৰিৱৰ্তনৰ লগত তাল ৰাখি, সময়োপযোগীকৈ বিষয়-বস্তু সন্নিৱিষ্ট কৰি একাঙ্কিকাৰ জন্ম হৈছে। সেয়েহে একাঙ্কিকা নাটসমূহক বৰ্তমান যুগৰ স্বাভাৱিক সৃষ্টি বুলি ক'ব পাৰি। কম সময়ৰ পৰিসৰত চিত্তবিনোদনৰ প্ৰয়াসতেই আধুনিক একাঙ্কিকা জন্ম। কেৱল এটা অংশ থকা বাবেই একাঙ্কিকা এক বিশিষ্ট প্ৰকাৰৰ নাটক নহয়। অতি দীৰ্ঘ কাহিনীবিশিষ্ট গ্ৰীক্ ট্ৰেজেডীসমূহ আৰু ভগৱানৰ অৱতাৰী পুৰুষসকলৰ জীৱন লীলা দাঙি ধৰা নাটসমূহো এক অঙ্কীয়া নাট। ভৰতৰ নাট্যশাস্ত্ৰতো উৎসৃষ্টিকাঙ্ক, ব্যয়োগ আৰু ভান প্ৰভৃতি কেইবাবিধো অঙ্কীয়া নাটকৰ উল্লেখ কৰা আছে। একাঙ্কিকা যুগধৰ্মৰ আজান



লৈ স্বতঃস্ফূৰ্তভাৱে গঢ় লৈ উঠা এবিধ বিশেষ শিল্পকৰ্ম।

বৰ্তমানৰ নাটকসমূহৰ বক্তব্য আৰু টেক্‌নিকৰ পৰিৱৰ্তন সাধিত হোৱা দেখা গৈছে। নাট নিবেদনৰ ক্ষেত্ৰত নিত্য নতুন ৰীতিৰ — আঙ্গিকৰ পৰীক্ষা চলোৱা দেখা গৈছে। এই ক্ষেত্ৰত জাৰ্মানিৰ বেৰটোল্ট্ ব্ৰেখ্‌টৰ এপিক থিয়েটাৰ পদ্ধতি আৰু ইয়াৰ বিপৰীত পদ্ধতিত লিখা ৰুচ দেশৰ কনস্তানতিন স্তানিশ্লাভস্কিৰ পদ্ধতিৰ কথা ক'ব পাৰি।

সামাজিক মূল্যবোধৰ পৰিপ্ৰেক্ষিতত নাটক লিখাটো বাঞ্চনীয়। নাটকে ব্যক্তিৰ ব্যক্তিগত অনুভূতিৰ প্ৰকাশতকৈ দেশৰ সৰ্বতো মানুহৰ সমষ্টিগত অনুভূতি প্ৰকাশ কৰাটোহে বাঞ্চনীয়। সাহিত্য-সংস্কৃতি আদি জাতীয় জীৱনৰ পৰা নাটক বিচ্ছিন্ন হৈ থকাটো অনুচিত। নাটক আৰু সমাজ, নাট্যকাৰ আৰু জন-গণ পৰস্পৰে পৰস্পৰৰ পৰা বিচ্ছিন্ন নোহোৱাকৈ থাকিব লাগিব। বৰ্তমান যুগত নাট্যকাৰসকলৰ দায়িত্ব গধুৰ। কাৰণ বৰ্তমান যুগৰ সমাজখন জটিল আৰু সমস্যাবহুল। আজিৰ সমাজত সামাজিক, সাম্প্ৰদায়িক, ৰাজনৈতিক, অৰ্থনৈতিক আদি নানা সমস্যা থকাৰ উপৰিও কিছুমান সমাজ বিৰোধী লোকেৰে ভৰি পৰিছে। গতিকে আজিৰ নাট্যকাৰসকলে এই সমস্যাবিলাক সমাধান কৰাৰ লগে লগে এই সমাজ বিৰোধীসকলক উদঙাই দি তেওঁলোকৰ বিৰুদ্ধে থিয় দি সৰ্বসাধাৰণক আগবাঢ়ি আহিবলৈ পথৰ সন্ধান দিব লাগিব। ■

*(প্ৰকাশ কাল ঃ ১৯৮৫-৮৬)*

# দুটি সূৰুযৰ ৰহস্য

দিলীপ মৰাণ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

কুইডার্ড, ১৭ ডিচেম্বৰ ১৯৮৭ চন ঃ মাউণ্ট লাউশ্বানৰ পাৰত থকা সাগৰৰ ওপৰত যোৱা সোমবাৰে দুটা সূৰুয একেলগে ওচৰা-ওচৰিকৈ উদয় হোৱা দেখা যায়। পৰ্যটকৰ নয়নাভিৰাম, মাউণ্ট লাউশ্বান চীনৰ শ্বানডং প্ৰদেশৰ বন্দৰ নগৰী কুইণ্ডার্ডৰ কাষৰ অঞ্চল এটাতে অৱস্থিত।

যুটীয়াকৈ ওলোৱা সূৰুয দুটাৰ জোখ সমান আছিল। আৰু এটাৰ পৰা আনটোৰ দূৰত্ব আছিল ১০ মিটাৰ। এক মিনিট পাছত সোঁহাতৰ ফালে থকা সূৰুযটোৰ উজ্জ্বলতা কমি কমি নাইকিয়া হৈ যায়। এই ঘটনাটো প্ৰায় পাঁচ মিনিট কাল ধৰি থাকে বুলি প্ৰত্যক্ষদৰ্শীয়ে কয়।

এনে ধৰণৰ এটা ঘটনা দক্ষিণ মেৰুত দেখা গৈছিল বুলি চীনৰ জ্যোতিৰ্বিদসকলে কয়।

'আজিৰ অসম' বাতৰি কাকতখনত এই খবৰটি পাই প্ৰথমে হতভম্ব হৈছিলোঁ যদিও সূৰুয দুটিৰ ৰহস্য ভেদ কৰিবলৈ এই প্ৰবন্ধটি যুগুতাইছোঁ।

বিশ্বব্ৰহ্মাণ্ডৰ নক্ষত্ৰবোৰ মহাকাশত সমভাৱে বিস্তাৰিত হৈ থকা নাই। গতিময় বিশ্বব্ৰহ্মাণ্ডত প্ৰায় ১০০ কোটিখন বিশাল তাৰকাৰাজ্য আছে। আমি বাস কৰা পৃথিৱীখন সৌৰজগতৰ ভিতৰত। আকৌ সৌৰজগতখন হাতীপটি তাৰকাৰাজ্যৰ অন্তৰ্ভুক্ত। আমাৰ সূৰ্য্যটো যিখন তাৰকাৰাজ্যৰ অন্তৰ্গত, সেই তাৰকাৰাজ্যখনকেই হাতীপটি বুলি জনা যায়। আহিন-কাতি মাহৰ ৰাতি



নিৰ্মল আকাশত প্ৰায় উত্তৰা-দক্ষিণালৈ ক্ষীণ পোহৰৰ এটা বহল আলিবাট পৰি থকা যেন লাগে। এইটোকে আনি হাতীপটি বুলি কওঁ। আকাশৰ অগণন নক্ষত্ৰৰ ভিতৰত সূৰ্য্য এটি মজলীয়া বিধৰ নক্ষত্ৰ হ'লেও আমাৰ সৌৰজগতৰ ভিতৰতেই সূৰ্য্য এটা প্ৰকাণ্ড দানৱাকৃতিৰ বাষ্পপিণ্ড।

সূৰ্য্যটো আদিতে প্ৰকাণ্ড দানৱাকৃতিৰ বাষ্পপিণ্ড নাছিল। তেন্তে এই সূৰ্য্যটো কিহৰ পৰা উৎপত্তি হ'ল। ইয়াৰ ৰহস্যনো কি? জ্যোতিৰ্বিদসকলৰ মতে কোটি কোটি বছৰৰ আগেয়ে এটা প্ৰকাণ্ড নক্ষত্ৰৰ Supper Nova হৈছিল। এই প্ৰকাণ্ড নক্ষত্ৰটোৱে নিজ কক্ষপথৰ পৰা কিবা পাকচক্ৰত পৰি আঁতৰি গৈ ফাটি-ছিটি ছিন্ন-বিচ্ছিন্ন হৈ পৰিল। ছিন্ন-বিচ্ছিন্নৰ কিছু অংশ বাষ্পীয় আকাৰত মহাশূন্যত ভাহি থাকিল। বিশ্বজনীন মহাকৰ্ষণৰ সূত্ৰ মতে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো পদাৰ্থকণাই আন এটি পদাৰ্থকণাক আকৰ্ষণ কৰে। বাষ্পীয় পদাৰ্থবোৰত থকা কণিকাবোৰৰ পৰস্পৰৰ মাজত হোৱা সংঘৰ্ষৰ ফলত কণিকাৰ পিণ্ডবোৰৰ ঘূৰ্ণন গতি আৰম্ভ হয়। এনেকৈয়ে কণিকাবোৰৰ মাজত সংঘৰ্ষ হৈ হৈ কণিকাবোৰ মহাশূন্যত কোনো দিশ নোহোৱাকৈ ঘূৰি থাকিবলৈ ধৰিলে। ঘূৰোঁতে ঘূৰোঁতে এই পদাৰ্থখিনি পুঞ্জীভূত আৰু সংকুচিত হৈ এটা গোল আকাৰ ধাৰণ কৰিলে। এই গোলাকাৰ পদাৰ্থবোৰ হাতীপটিৰ মাজে সময়ে দেখিবলৈ পোৱা যায়। এই গোলাকাৰ পদাৰ্থবোৰ নিউক্লিয়াচক কেন্দ্ৰ কৰি ঘূৰি থাকে। পৃথিৱীৰ সকলো জীৱই নিউক্লিয়াচক কেন্দ্ৰ কৰিয়েই জীয়াই থাকে। ঘূৰোঁতে ঘূৰোঁতে পদাৰ্থখিনি পুঞ্জীভূত আৰু সংকুচিত হোৱাৰ ফলত ইয়াৰ পৰা প্ৰচুৰ তাপশক্তি বিকিৰণ হয় আৰু নিজৰ কক্ষপথত ঘূৰিবলৈ আৰম্ভ কৰে। তাপশক্তি বিকিৰণ কৰি থকা উৎসটোৱেই আমি দেখি থকা সূৰ্য্যটো। পাঠকসকলৰ কৌতুহল উপজিব পাৰে যে সূৰ্য্যই তাপ আৰু পোহৰ ইয়াৰ গ্ৰহবোৰলৈ কেনেকৈ পঠিয়ায়। সূৰ্য্যৰ হাইড্ৰ'জেন পৰমাণু Fusion প্ৰক্ৰিয়াত হিলিয়াম অণুলৈ ৰূপান্তৰিত হওঁতে যি প্ৰচণ্ড আণৱিক শক্তিৰ সৃষ্টি হয় তাৰ ফলতে সূৰ্যই ইমান দূৰত থাকিও ইয়াৰ গ্ৰহবোৰলৈ পোহৰ আৰু তাপ পঠিয়াব পাৰে।

বিশ্বব্ৰহ্মাণ্ডৰ সকলো পদাৰ্থতেই কম-বেছি পৰিমাণে হাইড্ৰ'জেন মৌলিক উপাদান হিচাপে থাকে। প্ৰচুৰ চাপ আৰু তাপৰ মাজত সূৰ্য্যত থকা সকলো পদাৰ্থ গেছীয় অৱস্থাত আছে। সূৰ্য্যটোৰ কেন্দ্ৰ অঞ্চলৰ উষ্ণতা প্ৰায়

১৪০০০০০০° ছেঃ গ্ৰেঃ। এই উষ্ণতাত সূৰ্য্যৰ কেন্দ্ৰ অঞ্চলত সংঘটিত আণৱিক বিক্ৰিয়াৰ ফলত ইয়াত থকা হাইড্ৰ'জেন পৰমাণুৰ সংযোজন ঘটি হিলিয়াম পৰমাণুৰ সৃষ্টি হৈ আছে। এই সংযোজনত হিলিয়াম পৰমাণুৰ সৃষ্টি হোৱাৰ উপৰিও কিছু পৰিমানৰ হাইড্ৰ'জেন বিভাজন হৈ তাপশক্তিলৈ ৰূপান্তৰিত হয়। সংযোজনৰ ফলত হাইড্ৰ'জেন পৰমাণুৰ ৫৭% ভাগ হিলিয়াম পৰমাণুলৈ আৰু ৭% ভাগ তাপশক্তিলৈ পৰিৱৰ্তন হয়। এই ৭% ভাগেই হ'ল সূৰ্য্যটোৱে ইয়াৰ গ্ৰহবোৰলৈ পঠোৱা তাপশক্তি। ম্যাডাম কুৰী আৰু পিয়েৰী কুৰীয়ে ৰেডিয়াম ধাতু আৱিষ্কাৰ কৰিছিল। ৰেডিয়ামৰ বিশেষত্ব এই যে আপোনা-আপুনি পাৰমাণৱিক ভংগন হৈ দৃশ্যমান তেজস্ক্ৰিয় ৰশ্মি ইয়াৰপৰা নিৰ্গত হয়। ৰেডিয়াম বা ইউৰেনিয়ামৰ নিচিনা পদাৰ্থৰ পৰা তেজস্ক্ৰিয় ৰশ্মি বিকিৰণ হ'লে পৰমাণুৰ শক্তি আৰু ভৰ হ্ৰাস হৈ নতুন তেজস্ক্ৰিয় পদাৰ্থলৈ ৰূপান্তৰিত হয়। হাজাৰ হাজাৰ বছৰ পৰ্য্যন্ত পাৰমাণৱিক শক্তি বিকিৰণ কৰি কৰি ই বিকিৰণ শক্তি হেৰুৱাই নিষ্ক্ৰিয় পদাৰ্থ হ'বগৈ। ঠিক তেনেকৈ সূৰ্য্যটোৱে আমালৈ তাপশক্তি বিকিৰণ কৰোঁতে কৰোঁতে তাত থকা হাইড্ৰ'জেন পৰমাণু শেষ হৈ যাব। যদি হাইড্ৰ'জেন পৰমাণু শেষ হৈ যায় তেন্তে কৌটি কৌটি বছৰৰ পাছত সূৰ্য্যটোৰ তাপশক্তি বিকিৰণ কৰিব পৰা ক্ষমতা লোপ পাব। ইয়াৰ ফলত পৃথিৱীত বাস কৰা জীৱই তাপশক্তিৰ অভাৱত মৃত্যুক সাৱটি ল'ব লাগিব।

পৰমাণুৰ কেন্দ্ৰভাগত থকা নিউট্ৰনবোৰ খুন্দিয়াই খুন্দিয়াই ইউৰেনিয়াম বা তেনেকুৱা গধুৰ পৰমাণু কেন্দ্ৰৰ বিভাজন ঘটালে প্ৰচুৰ শক্তি নিৰ্গত হ'ব। চাৰিওফালৰ পৰা সূৰ্য্যটোৱে প্ৰচণ্ড হেঁচা পাই থাকিলে আৰু নিউট্ৰনবোৰে সৃষ্টি কৰা নিৰ্গত শক্তিৰ বাবে অৱশেষত সূৰ্য্যটোৰ Supper Nova হ'ব অৰ্থাৎ ফাটি ছিটি ছিন্ন-বিচ্ছিন্ন হৈ পৰিব। এই প্ৰক্ৰিয়াটো হোৱাৰ পাছত আকৌ কিছুমান বাষ্পীয় পদাৰ্থ মহাশূন্যত ঘূৰি থাকিবলৈ ধৰিব। আগৰদৰে এই বাষ্পীয় পদাৰ্থখনিও পুঞ্জীভূত আৰু সংকুচিত হৈ ইয়াৰ পৰা প্ৰচুৰ তাপশক্তি বিকিৰণ আৰম্ভ হ'ব। কিন্তু এই তাপ আৰু পোহৰ আগতকৈয়ো তীব্ৰবেগত বিকিৰণ কৰিব বুলি জ্যোতিৰ্বিদসকলৰ ধাৰণা। গোলাকাৰ পদাৰ্থখিনি ঘূৰোঁতে ঘূৰোঁতে ইমানেই শক্তিশালী হৈ পৰিব যে ইয়াৰ তাপশক্তি আন গ্ৰহবোৰলৈ বিকিৰণ নকৰি নিজৰ কেন্দ্ৰলৈকে ঘূৰি আহিব। এই প্ৰক্ৰিয়াটোকে Black



hole বোলে। পাঠকসকলৰ মাজত প্ৰশ্ন উঠিব পাৰে যে সম্পূৰ্ণ হাইড্ৰ'জেন শেষ হোৱাৰ পাছত পুনৰ তাপশক্তি বিকিৰণ কৰিব পাৰিব। ইয়াৰ সম্পূৰ্ণ ৰহস্য ভেদ কৰিবলৈ জ্যোতিৰ্বিদসকলে নানা গৱেষণা চলাই আছে।

কোনো নক্ষত্ৰৰ Supper Nova হ'লে নক্ষত্ৰটো ফাটি ছিটি ছিন্ন-বিচ্ছিন্ন হৈ পৰে কিন্তু Nova প্ৰক্ৰিয়াটো হ'লে নক্ষত্ৰৰ একাংশহে ছিন্ন-বিচ্ছিন্ন হয়। হাতীপটিত Nova প্ৰক্ৰিয়া দেখিবলৈ পোৱা যায়। কিন্তু Supper Nova বিৰল।

অচিৰেই পাঠকসকলৰ মাজত চিন্তাৰ ভাৱ উদয় হ'ব পাৰে, কুইডাৰ্ড, ১৭ ডিচেম্বৰ ১৯৮৭ চন ঃ মাউণ্ট লাউশ্বানৰ পাৰত থকা সাগৰৰ ওপৰত দেখা দিয়া ৰহস্য সূৰ্যটো কোনো নক্ষত্ৰৰ Supper Nova হৈ সৃষ্টি হোৱা নেকি? প্ৰকৃততে, নতুনকৈ দৃষ্টিগোচৰ হোৱা সূৰ্য্যটো কোনো নক্ষত্ৰৰ Supper Nova হৈ সৃষ্টি হোৱা নাই। সাধাৰণ ৰাইজে এই বুলিও মত পোষণ কৰিছে যে নতুনকৈ ওলোৱা সূৰ্য্যটোৱে কিবা প্ৰলয় নতুবা দুৰ্ভিক্ষৰ আগজাননী দিয়া নাইতো? এই ধাৰণাও ভুল বুলি ক'ব পাৰি — কাৰণ আমি কোনো এটা বস্তু দেখিলে তাৰ ছাঁ আমাৰ চকুৰ পৰ্দাত প্ৰায় $^{১}/_{১০}$ ছেকেণ্ড স্থায়ী হয়। অৰ্থাৎ বস্তুটো নোহোৱা হৈ যোৱাৰ $^{১}/_{১০}$ ছেকেণ্ড পৰ্য্যন্ত আমি বস্তুটো দেখি থাকোঁ। ইয়াতেই Persistance of Vision বুলি কয়। সূৰ্য্যৰপৰা পৃথিৱীৰ দূৰত্ব প্ৰায় ১৫ কোটি কিল'মিটাৰ। পোহৰে প্ৰতি ছেকেণ্ডত তিনিলাখ কিল'মিটাৰ (৩x১০$^{৫}$ কিঃমিঃ) বাট অতিক্ৰম কৰে। এতেকে Persistance of Vision সূত্ৰৰ দ্বাৰাই আমি এটা সূৰ্য্যকে দুটা নেদেখিম তাৰ কোনো মানে নাই। যদি এই সূৰ্য্যটো মানি চলা নাই তেন্তে ই নিশ্চয় সূৰ্য্যৰ ৰশ্মিৰ প্ৰতিফলন হ'বই লাগিব।

ৰহস্য সূৰ্য্যটো যে আমাৰ সূৰ্য্যটোৰ ৰশ্মিৰ প্ৰতিফলন এই কথা এটা সাধাৰণ উপমাৰে উদঙাব বিচাৰিছো। আমি সকলোৱে দেখি থকা ৰামধেনুখনৰ লগতে তুলনা কৰিব নোৱাৰোনে? এই ৰামধেনুখন বিশেষভাৱে আকাশত সৃষ্টি হোৱা এটা আকৰ্ষণীয় প্ৰক্ৰিয়া। বায়ুমণ্ডলত পানীৰ কণিকা ভাহি থাকে। এই কণিকা বিলাকে প্ৰিজমৰ দৰে কাম কৰে। সূৰ্য্যৰ বগা ৰশ্মি এনেবোৰ কণিকাত পৰিলে ক্ষন্তেকতে সূৰ্য্যৰ ৰশ্মি প্ৰতিসৰিত, বিচ্ছুৰিত আৰু অন্তঃফলিত হৈ সূৰ্য্যৰ বিপৰীতে আকাশত চমকলগা ধেনুভিৰীয়া এক সৌৰ বৰ্ণালীৰ সৃষ্টি হয়। এই আকৰ্ষণীয় সৌৰ বৰ্ণালীকে আমি ৰামধেনু বুলি কওঁ। সূৰ্য্যৰ

বিপৰীত দিশত ওলোৱা এই আকৰ্ষণীয় ৰামধেনুখনৰ কিছু সময়ৰ পাচত উজ্জ্বলতা কমি কমি নাইকিয়া হৈ যায়। চীনদেশত দৃষ্টিগোচৰ হোৱা ৰহস্য সূৰ্য্যটোৰো এক মিনিটৰ পাছত উজ্জ্বলতা কমি কমি নাইকিয়া হৈছিল। সেই কাৰণে আমি ক'ব পাৰো যে চীনবাসীয়ে দেখা নতুন সূৰ্য্যটোৱে কোনো প্ৰলয় বা দুৰ্ভিক্ষৰ আগজাননী দিয়া নাই। দৰাচলতে সূৰ্য্যৰ নিচিনা দেখা এই উজ্জ্বল দৃশ্যটো সূৰ্য্যৰ ৰশ্মি বিচ্ছুৰিত হৈ সৃষ্টি হোৱা এটা জটিল প্ৰক্ৰিয়াহে মাথোন।■

*(প্ৰকাশ কাল ঃ ১৯৮৬-৮৭)*



# শব্দ-শিল্প-ভাষা-কবিতা

ভুবন গগৈ
প্ৰৱক্তা, ভূগোল-বিজ্ঞান বিভাগ

*[ উত্তৰ প্ৰদেশৰ চাহিদাবাদৰ ৰাজপথত পথ-নাটিকা কৰি থকা অৱস্থাত ৰাজনৈতিক বহতীয়া গুণ্ডাই হত্যা কৰা অসম শ্বহীদ শিল্প, নাট্যকাৰ, দৰিদ্ৰ জনগণ-দৰদী চফ্‌দাৰ হাচমীৰ করুণ স্মৃতিত গভীৰ শ্ৰদ্ধাৰে লিখক ]*

*Poetry, in the largest sense of the word, is a unique method of making a unique kind of communication and it is the real or potential effectveness of the communication which justifies the method, not vice versa.*

–Devid Daiches

কবিতাৰ সংজ্ঞাৰ মাজতেই ইয়াৰ নিজস্ব জন-সংযোগৰ বৈশিষ্ট্য অন্তৰ্ভুক্ত হৈ আছে। জন-জীৱনৰ সূক্ষ্ম সান্নিধ্য অনুভুত, আবহমান জীৱনৰ ঘনীভুত অনুভুতি স্পৰ্শজ শিল্প 'কবিতা', 'কাব্য'ৰ পৰা গুণগত ভাৱেই পৃথক। কবিতাৰ পৌৰাণিক গোষ্ঠীবদ্ধ সমাজৰ কাব্যৰ শৈল্পিক দাবীৰ পৰিপূৰক নহয়। ই অধুনিক কবিতাৰ সমাৰ্থকহে।

বহু বিতৰ্কিত 'কবিতা সংজ্ঞা' স্পষ্ট কৰিবলৈ Christopher Caudwell এ কবিতাৰ কিছুমান বৈশিষ্ট্য দাঙি ধৰিছে এইদৰে—

ক) কবিতা ছন্দময়

খ) কবিতা অনুবাদ কৰা টান

গ) কবিতা যুক্তিনিৰপেক্ষ (irrational)
ঘ) কবিতা শব্দৰ দ্বাৰা নিৰ্মিত
ঙ) কবিতা অ-প্ৰতীকী
চ) কবিতা মূৰ্ত্ত
ছ) কবিতা ঘণীভূত আবেগোদ্দীপক

আবৃত্তিৰ দ্বাৰা অনুভূত প্ৰথম সাংগীতিক বৈশিষ্ট্যটি বাদ দিলে বাকী আটাইকেইটা বৈশিষ্ট্যৰ মূল উদঘাটন কৰিবলৈ যিটি মাধ্যম আমাৰ সন্মুখত থিয় হৈ আছে, সি হৈছে কবিতাৰ শব্দ-ভাষা। কবিতাৰ সৈতে পাঠকৰ যোগাযোগ হয় শব্দ আৰু ভাষাৰ দলঙেদি। কাৰণ কবিতাৰ অবয়বটি শব্দৰে গঠিত। মেথিউ অৰ্নাল্ড প্ৰমুখ্যে কবিসকলৰ- কবিতাৰ মূল বস্তু ভাৱ আৰু বাকীবিলাক ভ্ৰান্তি বোলা কথাষাৰৰ মাজত যেনেদৰে গোলমাল আছে ঠিক তেনেদৰে মালাৰ্মেৰ ‘‘Poetry is written with words, not ideas’’ বোলা কথাষাৰতো কবিতাৰ বৈশিষ্ট্যৰ এটা দিশক পোহৰলৈ আনিবলৈ যাওঁতে আনটোক নাকচ কৰা হৈছে। অথচ দুয়োটাই এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠিৰ নিচিনা। পাঠকৰ বাবে শব্দ আৰু ভাষাই প্ৰথম আৰু প্ৰধান মাধ্যম যাৰ দ্বাৰা কবিতাৰ অন্তৰ্জগতত প্ৰবেশ কৰা হয়। কবিতাৰ এই একক মাধ্যমটিৰ বিভিন্ন দিশৰ আলোচনাতে এই প্ৰবন্ধ সীমাৱদ্ধ থাকিব।

প্ৰাচীন কালত কবিতাৰ ক্ষমতা দৃশ্যমান আৰু মানৱ-ধৰ্মী কৰি তোলাৰ উদ্দেশ্যে ৰূপকথা (Myth) সৃষ্টি হৈছিল। অফিয়ুচৰ গীতৰ সুৰত গছ-লতা, পৰ্বত-পাহাৰ নাচি উঠিছিল, তেওঁৰ বীণা অমৰ জ্যোতিষ্ক-মণ্ডল হ'ল। কবি আচলতে কোনো যুক্তিৰ ধাৰাত অবদ্ধ নহয়। গতিকেই, প্লেটোৱে তেওঁৰ ‘Republic’ৰ পৰা কবিক অযৌক্তিক(irrational) বুলি বাদ দিছিল, অৱশ্যে ৰাষ্ট্ৰ যন্ত্ৰক মানি ল'লে গ্ৰহণ কৰাও হ'ব পাৰে বুলি কৈছিল। নাজীসকলেও কবিক দেশান্তৰিত কৰিছিল, লৰ্কা বা মল' ৰইচেৰ দৰে কবিক হত্যা কৰিছিল একেই অৰ্থতেই। প্লেটোৱে ‘‘নীতিভ্ৰষ্ট আৰু অসত্য সন্ধানী’’ আৰু নাজী বা ফেচিষ্টসকলে ৰাষ্টনীতি অৱমাননাৰ অপৰাধত ‘দেশদ্ৰোহীতা’ৰ ৰাজৰোষত কবিক প্ৰথমেই বলি কৰিছিল আৰু কৰি থাকিব।

যিকি নহওঁক, আজি প্ৰাচীন ৰূপকথাৰ ঠাই লৈছে বৰ্ত্তমান অভিনৱ শব্দৰ বৰ্ণছতাই যিয়ে পাঠকক লৈ যায় কবিৰ ভাৱ-ৰাজ্যলৈ। শব্দ আমি



ইতিমধ্যে আয়ত্ব কৰা বস্তু বা ভাৱ আদিৰ ধ্বনিগত প্ৰতীক, যাৰ দ্বাৰা নতুন সন্ধান আভাস দিবলৈ যুক্তিক বেছি দূৰলৈ নিব পৰা নাযায়। যাক জনা নাযায় তাৰ প্ৰতীক অসম্ভৱ আৰু যাক বুজিব বিচৰা হৈছে সিও আমাৰ ইতিমধ্যে বুজা জ্ঞানৰ প্ৰক্ষেপ বা প্ৰজেকশ্যনহে মাত্ৰ। আমাৰ আয়ত্বধীন জ্ঞানো সসীম। কিন্তু বিশ্বক জনাৰ বাবে কৰা প্ৰয়াসৰ শেষ নাই। অথচ উপকৰণ বিলাক হ'ল ইতিমধ্যে আৰ্জিত জ্ঞানৰ প্ৰতীকীভূত শব্দ।

শব্দ প্ৰতীকী; গতিকে ভাষাও। ভাষাৰ সহায়ত বিশ্বক সম্পূৰ্ণভাৱে প্ৰকাশ কৰাটো যুক্তিসঙ্গত ভাৱেই অসম্ভৱ। Negation of Negation তত্ত্বটোৰ সহায়ত ইয়াক ব্যাখ্যা কৰিব পাৰি। তাৰোপৰি আছে পৰিশীলিত পদ্ধতি ব্যাকৰণ আৰু অন্যান্য অনুষঙ্গ যাৰ সহায়ত শব্দ সজাই কৰা হয় ভাষা। ভাষা প্ৰাকৃতিক নহয়; ই মানৱৰ সৃষ্টি। ই Super-structure নহয়, Supra-historical হে। ব্যাকৰণ ব্যবহৃত ভাষাই মনকো শব্দানুসাৰী কৰি গঢ়ি তোলে বুলি কিছুমান মনস্তাত্বিকৰ ধাৰণা। গতিকে ভিন্ন ভাষাৰ ঠাঁচ অনুসাৰে চিন্তা আৰু প্ৰকাশ পদ্ধতিও ভিন্ন বুলি ভবা হয়। শব্দ আঙ্গিকলাঞ্ছন, তাৰ গভীৰ আছে কল্পনা আৰু বৰ্ণ গোন্ধ। শব্দৰ পশ্চাদত থাকে সামাজিক অৰ্থ আৰু ব্যক্তি শিল্প। ভাষাই চিন্তাৰ প্ৰথম বাহন; চিন্তা বস্তুজগতৰ পৰিঘটনাৰ প্ৰতিফলনজাত প্ৰতীকৰ বিন্যাসগত বিশেষ মানসিক ৰূপ। গতিকে মনৰ ভিত্তি হ'ল বাস্তৱ, গতিকে ভাষাও।

ভাষা সৃষ্টি, শিল্প সৃষ্টিৰ সমপৰ্যালয়ৰ। ভাষাৰ উৎপত্তিৰ কথা ক'লে ভাষাৰ বৈশিষ্ট্যৰ কথাই ক'ব লাগিব। ভাষাৰ ৰূপক নিৰ্ভৰ কল্পনা ভিত্তিক, সংশ্লেষক আৰু ৰূপকথা ভিত্তিক। ৰূপকথা (Myth) আৰু ৰূপক (Metaphor) কেৱল অলঙ্কাৰেই নহয়, ভাষা উদ্ভৱৰ ছুটি জীৱন্ত পন্থাও। কাৰণ ৰূপকথা আৰু ৰূপক মানুহৰ মনৰো দুটি জীৱন্ত দিশ ভাষা যুক্তি নিৰ্ভৰশীল।

ভাষাক, ভাষা-যথা বিজ্ঞান আৰু ভাষা যথা কবিতা এই দুটা ভাগত ভাগ কৰা দেখা যায়। আই, এ, ৰিচাৰ্ডচে বিজ্ঞান ভাষাক প্ৰসঙ্গ নিৰ্দেশিত ভাষা আৰু কবিতাৰ ভাষাক আবেগ নিৰ্দেশিত ভাষা বুলি কৈছে। বিজ্ঞান হৈছে বিশ্বক অনুসন্ধান কৰাৰ সঠিক পথ, যাৰ ভাষা হ'ব লাগে বস্তু জগতক বা বস্তুক সঠিকভাৱে প্ৰকাশ কৰা ৰূপবিহীন সাৰ্থক ভাষা। শব্দৰ দ্বাৰা ই অসম্ভৱ; কাৰণ শব্দ আপেক্ষিক আৰু ৰূপক নিৰ্ভৰ। গতিকে সৃষ্টি হ'ল গণিত ভাষাৰ,

যাক সঠিক ভাষা বুলি গণ্য কৰা হ'ল, যি অনাৱশ্যক বাহুল্যতা আৰু ৰূপক বৰ্জন কৰে। তথাপি জানো সমস্যা সমাধান হৈছে?

শব্দৰ পশ্চাদত থাকে সৃষ্টি বিধৌত নিৰ্দ্দিষ্ট অৰ্থ আৰু ব্যঞ্জনা। বিজ্ঞান ভাষাৰ দাবীদাৰসকলৰ মতে এই স্মৃতি বিধৌত বৈশিষ্ট্যটোও বিজ্ঞান ভাষাত থাকিব নালাগিব। কাৰণ স্মৃতিত আবেগ আৰু কল্পনা থাকে। সঠিকভাৱে অমূৰ্ত্তক প্ৰকাশ কৰিব লাগিব এইবিলাক বৰ্জন কৰিব লাগিব। বিজ্ঞানীৰ মতে— শব্দ নিৰ্বিশেষ কাল লাঞ্ছন অথচ তাৎক্ষণিক হ'ব লাগিব। ই হ'ব লাগিব স্মৃতি হস্তাবক স্মৃতি পালক নহয়। বহু কবি সাহিত্যিকো এই মতবাদৰ প্ৰৱক্তা হৈ থিয় দিছে। ভালেৰিৰ মতে শব্দ অবিশ্লস্ত আৰু অসঠিক; 'অবৈজ্ঞানিক'। এলিয়তেও কয় — আৰ্নল্ড, গ্যাটে, সকলোৰে মন সন্দেহৰে ভৰি উঠে; কবিতময় ভাষাৰ পৰিবৰ্তে সকলোৱে সাধাৰণ ভাষাৰ কাৰ্য চাপে। শব্দৰ ব্যঞ্জনগত যথাৰ্থতা যে সন্দেহজনক তাক চিহ্নিত কৰা হয়। আকৌ সাধাৰণ ভাষাৰ মাজতো অধিক সীমাবদ্ধতা থকাৰ বাবে কবিসকলৰ পুনৰ কাব্য ভাষাত নিমজ্জন এইদৰে আজিও এই দ্বন্দ্বৰ উৰ্ধত কবিসকল উঠিব পৰা নাই।

প্ৰকৃততে কিন্তু বিজ্ঞানৰ ভাষা আৰু কবিতাৰ ভাষাৰ মাজত কোনো দ্বন্দ্ব নাই। প্ৰতীকধৰ্ম্মিতা দুই ভাষাৰে বৈশিষ্ট্য। নিয়ম-কানুনো সুকীয়া নহয়। ৰূপক নিৰ্ভৰ হোৱা হেতুকে বিজ্ঞানৰ ভাষাই অজ্ঞাতৰ আভাস দিয়াটো সম্ভৱ হয়। গণিতৰ ভাষা সামাজিক জীৱন্ত ভাষা নহয়। সকলো জ্ঞানক গণিত ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি; আনকি জীৱবিদ্যা বা অৰ্থনীতি বিজ্ঞানকো গণিতৰ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। ই আবেগ-লাঞ্ছিত নহয়। আৱেগ লাঞ্ছিত ভাষাহে সকলোৰে গ্ৰহণযোগ্য হয়। এই বিচাৰত ভাষা যথা-বিজ্ঞান আৰু ভাষা যথা কবিতাৰ মাজত সীমাৰেখা টনাটো ভুল। এই সকলো আলোচনাৰ পৰা এইটো ধৰিব পাৰি যে সুবান্বয়িত ব্যঞ্জনাৰে মানৱিকবোধৰ একমাত্ৰ বাহন যে শব্দ, তাত লেখ মাত্ৰও সন্দেহ নাই।

কবি আৰু বিজ্ঞানী- উভয়ে বিশ্বজগতৰ সত্যক প্ৰকাশ কৰিব বিচাৰে। লক্ষ্য এক, পন্থা আন। সত্যক সম্পূৰ্ণ ভাৱে প্ৰকাশ কৰিব নোৱাৰি বুলিলে এনেদৰে যাদুকৰৰ নিচিনাকৈ শব্দৰ দলং সজা হয় যাতে বুজি পোৱা আৰু বুজোৱাৰ মাজৰ খালি অংশ পূৰণ কৰিব পাৰি। ভাষাৰ সীমাবদ্ধতাৰ বাবেই পুৰণি বস্তুৰ সহায়তেই নতুন বস্তু সৃষ্টি কৰি নতুনৰ সন্ধান দিয়া যায়। গতিকে



কবিতা, শব্দ আৰু ভাষা নিৰ্মাণ শিল্প। অৱশ্যে এই শিল্প নিজেই লক্ষ্য নহয়; উপকৰণহে মাত্ৰ।

পুৰণি কবিতা কম শৈল্পিক গুণসম্পন্ন সৰল পদ্যৰ দৰে আৰু ইয়াৰ পাঠক গোটেই সমাজতে ব্যাপ্ত আছিল অৰ্থাৎ কবিতা সকলোৰে সামাজিক সম্পত্তি আছিল। কিন্তু আজিৰ সমাজত কবিতা বহু শিল্পগুণেৰে সমৃদ্ধ হ'লেও ই কিছু মুষ্টিমেয় লোকৰ মাজতে আবদ্ধ অৰ্থাৎ সকলোৰে সামগ্ৰিক সম্পত্তি হোৱাৰ যোগ্যতা কবিতাই হেৰুৱাইছে। তাৰ কাৰণ হিচাপে সকলোৱে কবিতাৰ মাধ্যম ভাষা আৰু তাৰ সাৰ-বস্তু ভাৱৰ জটিলতাকে দায়ী কৰে। বহুতে সমাজৰ অৰ্থাৎ পাঠকৰ প্ৰতি কবিৰ দায়িত্বহীনতাৰ প্ৰশ্নটোও উত্থাপন কৰি শ্ৰেণী শত্ৰু ভাবাপন্ন মন লৈ কবিতাৰ জটিলতাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিব বিচাৰে। বহুতে কবিতা বিশুদ্ধ আৰু অবিশুদ্ধ ভাগত জোৰ কৰি ভগাবও খোজে। কাব্যিক আন্দোলন বিলাকৰ ঐতিহাসিক সত্যতা থাকিলেও গোড়ামিৰে কবিতা বা বাস্তৱক বুজিব নোৱাৰি আৰু তেনে ধাৰাৰ সমালোচনা স্থূল আৰু যান্ত্ৰিক হ'বলৈ বাধ্য- ই ধ্ৰুৱপ। এতিয়া সকলোৰে কাম হ'ব লাগে এই শিল্প সকলো প্ৰকাৰে সমৃদ্ধ কৰা আৰু বহিবিশ্ব বা বস্তু-বিশ্বক সঠিকভাৱে আৱিষ্কাৰ কৰা, প্ৰকাশ কৰা আৰু সমৃদ্ধ কৰা। ইয়াৰ মাজতে নিহিত আছে শিল্পৰ মহত্ব, বৰ্ণাঢ্যতা। ইয়াতে দায়িত্বশীলতাৰ প্ৰশ্নটোও অৰ্থবহ হৈ পৰে। মাধ্যমৰ সংকট নিৰসন অৰ্থনৈতিক উৎপাদন ব্যৱস্থাৰ স্তৰ আৰু সাংস্কৃতিক মানদণ্ডই নিৰ্দ্ধাৰণ কৰে যদিও কবি আৰু পাঠকৰ সহযোগত কবিতাৰ সকলো সৌন্দৰ্য্যৰ সাৰ্থক মূল্যমানৰ উন্মোচন ঘটে। ইয়াত দুয়োৰে দায়িত্ব সমান।

এতিয়া ভাষাৰ দুবোধ্যতা আৰু দুৰূহতাৰ বিষয়ে আলোচনা কৰা হওঁক। কবিতা শব্দৰ দ্বাৰা লিখিত হয়। শব্দ স্বয়ংসম্পূৰ্ণ মাধ্যম। নহয়, যাৰ সঠিকভাৱে বস্তুবিশ্বক বুজোৱা ক্ষমতা সীমাবদ্ধ। শব্দৰ পাছত থাকে স্মৃতি আৰু অৰ্থ। শব্দৰ এনেক অংশই শূণ্য। এই শূন্যতাৰ ভৰাই তোলা হয় আমাৰ অভিজ্ঞতা-লালিত অনুষঙ্গৰ সহায় বা কল্পনা বা আবেগৰ সহায়ত। কবিৰ ক্ষেত্ৰত সাধাৰণ পাঠকতকৈ বেছি আবেগ বা বেছি কল্পনাৰে ৰঞ্জিত হয় শূন্যতাৰ পাঠকৰ দৃষ্টিত কবি ধৰা পৰিব যদিহে কবিৰ ভাষা পাঠকৰ বোধ্যতাৰ ভিতৰত পৰে। পাঠকে পৰিচিত শব্দবোৰ স্ব-সৃষ্ট আৰু সামাজিকভাৱে অৰ্জিত অনুষঙ্গৰ দ্বাৰাই চিহ্নিত কৰিবৰ চেষ্টা কৰিব আৰু নিজৰ মতে কবিতাটি বুজি ল'ব।

কবিয়ে নিজস্ব আবেগ আৰু কল্পনাক সাধাৰণীকৰণৰ মাজেদি নৈৰ্ব্যক্তিক কৰি তোলে; বিশেষক সাধাৰণীকৰণ আৰু সাধাৰণীকৰণৰ সাহায্যত বিশেষক উন্মোচন কৰে সাধাৰণীকৰণতে কবি আৰু পাঠকৰ যোগাযোগ আৰু পৰিচয় হয়। ইয়াত পাঠকৰ শব্দ আৰু কবিৰ শব্দৰ মাজত সাধাৰণ যোগসূত্ৰ স্থাপন হয়, সামাজিকভাৱে ব্যৱহৃত শব্দ অভিজ্ঞতাৰ পৰা লাভ কৰা যায়। বাকী অংশ আৱিষ্কাৰ কৰিব লাগে পাঠকে নিজে আৰু তাতে পোৱা যায় শিল্প-সৌন্দৰ্য অৱগাহন আৰু আৱিষ্কাৰৰ আনন্দ। ইয়াৰ মাজেদি পাঠকে কবিক তথা নিজক আৱিষ্কাৰ কৰিব পাৰে, নিজকে উন্মুক্ত কৰিব পাৰে এক স্তৰৰ পৰা অন্য স্তৰলৈ, তাতে হয় নিজৰ সৈতে নতুন পৰিচয়।

অন্য কথা-শিল্পীলৈ চালে একে কথাকে দেখা যায় অৱশ্যে গল্প, উপন্যাস আদি কাহিনী ভিত্তিক আৰু শব্দ তথা ভাষা নিৰ্মাণ সীমিত। ইয়াত ভাষাৰ ব্যঞ্জনাৰ প্ৰসাৰো সীমিত। কাহিনী ভিত্তিক হোৱাৰ বাবে ভাষা অলক্ষ্যণীয় হৈ উঠে। কিন্তু কবিতাৰ ৰাজ্য বিশাল, ভাষাৰ সীমা বিস্তৃত আৰু অতল গভীৰ। গতিকে সাধাৰণ পাঠকৰ অসুবিধা হোৱাটো স্বাভাৱিক। কবিতাৰ মাধ্যমো একক হোৱাৰ বাবে অন্য মাধ্যমত ইয়াক বুজাটো সম্ভৱ নহয়।

কবিতা দুৰ্বোধ্যতাৰ কাৰণ কবি এলিয়টৰ মতে কবিতাত অত্যন্ত ব্যক্তিগত দিশ থাকিব পাৰে বা আগেয়ে একেবাৰে নথকা নতুন ভাৱ প্ৰকাশ কৰিব পাৰে বা পাঠকে ধৰি লৈছে যে কবিতা দুৰ্বোধ্য। কবিৰ অচিন ভাৱ-ভঙ্গীও দায়ী হ'ব পাৰে। অৱশ্যে এইটোও ধৰি ল'ব পাৰি যে, কবিয়ে নিছক চমক সৃষ্টিৰ উদ্দেশ্যত দুৰ্বোধ্যতাৰ মুখা পিন্ধিছে। শব্দৰ ব্যৱহাৰটো বহুতে প্ৰচলিত শব্দ নলৈ তাৰ উৎসলৈ ঘূৰি যায়। এই দৰে লোক-সাহিত্যৰ কল্পনা-অনুষঙ্গ অভিজ্ঞতাৰ দিশটো সমস্যা হৈ বৈ যাব পাৰে। ১৯৪৫ চনত এলিয়টে কৈছিল- চাৰিওফালে সচৰাচৰ যেনে কথা-বাৰ্তা, তেনে ভাষাতেই কবিয়ে নিজৰ বিষয় বাছনি কৰিব। কবিতাত সঙ্গীত হ'ব কথিত ভাষাৰ ঘুমন্ত সংগীত। তাৰোপৰি আধুনিক সকলো যোগাযোগৰ মাধ্যম, লগতে ক্ষুদ্ৰসংখ্যক মানুহৰ ভাষা আৰু বচন-ভঙ্গী যদি বৃহৎ সংখ্যক ওপৰত জাপি দিয়া হয়, তেন্তে সাধাৰণ ভাষাক লৈ কবিৰ সমস্যা জটিল হৈ পৰিব।

অৰ্থবহ উচ্চাৰণ আৰু আবৃত্তিৰ অভাৱেও কবিতাৰ অৰ্থ অনুধাৱন জটিল কৰি তোলে। অপৰিচিত বচন ভঙ্গী অন্য এক জটিলতা।



আটাইতকৈ ডাঙৰ কথা হৈছে কবি আৰু পাঠকৰ বিচ্ছিন্নতাবোধ কবিতা আৰু অন্যান্য কলাৰ জটিলতাৰ গুৰিৰ মূখ্য কেন্দ্ৰীয় কাৰণ। কবি সমাজৰ আজি এক বিচ্ছিন্ন সত্ত্বা হৈ পৰিছে। কবি আজি জনজীৱনৰ শ্ৰমানন্দিত উৎপাদন বিশ্বৰ সৰ্বস্তৰৰ সঙ্গী নহয়। উৎপাদন ব্যৱস্থাৰ জটিল শ্ৰম বিভাজনৰ তেওঁ এটি ক্ষুদ্ৰ অংগ। পাঠকৰদৰে তেওঁ শ্ৰমিক হয় খেতিয়ক, হয় কেৰাণী, অফিচাৰ যি কোনো এজন। ভাৰতৰ দৰে দেশত কবি বুদ্ধিজীৱি; গতিকে ওপৰ ওপৰ শ্ৰেণীৰ মানুহ। গতিকে জনসাধাৰণৰ সান্নিধ্য, ভাষাৰ অনুশীলন, অনুধাৱন, আত্মস্থ কৰা তেওঁৰ পক্ষে সম্ভৱ নহয়। গতিকে ভাষাৰ সৰহভাগ অংশ ব্যক্তিগত কল্পনাৰে ভৰা। গতিকে কবি আৰু সমাজৰ মাজত ৰয় বিস্তৰ দূৰ। অৱশ্যে হ'ব লাগিছিল অন্য। পাঠক সমাজো বিচ্ছিন্ন। শ্ৰমবিভাজন আৰু শ্ৰমশোষণত সিবিলাকে সৰহভাগে জীৱনৰ সামগ্ৰিকতা বোধৰ পৰা বঞ্চিত হৈছে আৰু একাংশই হেৰুৱাই পেলাইছে। যন্ত্ৰ এটা অংগৰ দৰে তেওঁলোক। গতিকে সাধাৰণ কবিতাই এইসকলৰ বাবে দুৰ্বোধ্য হৈ ধৰা দিয়াটো তেনেই স্বাভাৱিক। সম্পূৰ্ণ হ'ব পৰা নাই। গতিকে তেওঁলোকৰ জ্ঞানো তেনে ধৰণে হৈছে।

ভাষা বিজ্ঞানীসকলৰ লোকভাষা আৰু লোকজীৱন চৰ্চ্চাই দেখুৱাই যে এটা শব্দ বা বাগ-ভংগী বা উচ্চাৰণে কেনেকৈ গোটেই ঐতিহ্যৰ মানস-ব্ৰহ্ম জোকাৰি যায়, উন্মোচন ঘটায় আবেগ, স্মৃতি আৰু জীৱন-চেতনা। সমাজত অহৰহ নতুন শব্দ, নতুন বাগ-ভংগী সৃষ্টি হৈছে, সাধাৰণীকৰণ হৈছে আৰু শৃঙ্খলাবদ্ধকৰাৰ পদ্ধতিও নিৰ্মাণ হৈছে। বহু শব্দ, ভংগী লুপ্ত হৈছে কালৰ বুকুত। সামাজিক শব্দৰ দুটা উৎস থাকে— ১) প্ৰত্যক্ষ বা পৰোক্ষভাৱে অৰ্জিত উচ্চাৰণগত বিমূৰ্ত্ত প্ৰতীক আৰু ২) বৈয়াকৰণীক নিয়ম অনুযায়ী শব্দ নিৰ্মাণ। দেশ-বিদেশৰ শব্দৰ সংযোগ, পূৰ্ব্বস্থিত আৰু অনুপ্ৰেবেশিত নতুন শব্দৰ সংঘাতত নতুন ব্যঞ্জনা সংপৃক্ত উচ্চাৰণ। এইবিলাক শব্দ গঠনত কেতিয়াবা অভিধানিক অৰ্থৰ বাহিৰেও অনুভূত বা দৃষ্টিবোধক অৰ্থও থাকিব পাৰে।

দাদাবাদীসকলে Automatic Writing বুলি অৰ্থহীন শব্দ-পুঞ্জক কবিতা আখ্যা দিছিল তাক বুজাটো কেতিয়াও সম্ভৱ নহয়; ই দুৰ্বোধ্য। যেনে হুগো বলৰ এটা কবিতাৰ প্ৰথম দুশাৰী—

*gadji beri bimba*
*glandridi lauli lonni cadari*

এই হ'ল অৰ্থহীনতাৰ ঘূৰপাক। এইভাৱে বোলে অৱচেতন মনৰ উন্মোচন ঘটে। ই, ই, কামিচৰ কবিতাও এনে উদাহৰণেই ভিতৰত। লটাৰীৰ বৰ্ণ বা শব্দ সজাই কবিতা সাজিলে কি অৰ্থ থাকিব পাৰে সহজে অনুমেয়। অৱশ্যে অৰ্থহীনতাৰ পশ্চাদপটতো নিৰ্দিষ্ট অৰ্থ থাকে যাক অনুশীলনৰ অবিহনে বুজা সম্ভৱ নহয়। চুৰিয়েলিষ্ট কবিসকলৰ Automatic Writing শৃঙ্খলাবদ্ধ, সচেতন আৰু পৰিপক্ক। অৱচেতন মনৰ উন্মোচনৰ বাবে অৱশ্যে Automatic Writing এ যিমান মাধ্যম আমালৈ আগবঢ়ালে সি অতি দুৰূহ। এই ক্ষেত্ৰত বিচ্ছিন্নবোধও ইমান তীব্ৰ যে তাক পৰিমাপ কৰাটোও সম্ভৱ নহয়। আকৌ কেতিয়াবা জনসাধাৰণৰ পৰিমাণগত সাংস্কৃতিক মান উন্নয়নৰ যোগেদি একালৰ দুৰ্বোধ্যতা অন্য কালত বোধ্য হ'ব পাৰে বুলি প্ৰমাণিতও হৈছে। জনসাধাৰণ- শব্দৰ্থ আৰু গঠনবোধ্যতাৰ অনুশীলনো প্ৰয়োজন। ইয়াৰ অবিহনে কবিতাৰ মূল্যায়নত যুগৰ ব্যৱধানো থাকিব পাৰে। পৌৰাণিক কবিতাত অভ্যস্ত পাঠকে আধুনিক কবিতাৰ Personae আৰু অন্তৰ্নিহিত Tension বুজিব নোৱাৰিব পাৰো ইত্যাদি।

কলিংউডৰ কবিতাৰ 'বিশেষ আংগিক' এ কবিতাৰ বিশেষ নক্সাকে বুজায়। কাব্য যদি যুক্তি নিৰপেক্ষ (irratonal) হয়, তেন্তে ই অপ্ৰতীকী আৰু মূৰ্ত্ত হ'বলৈ বাধ্য। কবিতাৰ বিমূৰ্ত্ততা'' যি ধাৰণা, ই সংস্কৃতিৰহে সমৰ্থক। এক বিশেষ সময়ত, বিশেষ দেশত, এক বিশেষ গোষ্ঠী মানুহৰ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জনা আৰু জীৱন চৰ্চাত আচৰিত আৰু আচৰণৰ প্ৰায় স্বংক্ৰিয়তাত প্ৰতিফলিত বিভিন্ন ধাৰণাগত প্ৰতীকসমূহৰ বিশেষ সন্নিবেশজাত বাস্তৱ আৰু মানসিক পৰিমণ্ডলকে সেই গোষ্ঠীৰ সংস্কৃতি বুলি ক'ব পাৰি। তথাপিতো প্ৰতীকে প্ৰতীকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে বুলিয়েই দেখা যায় একে গোষ্ঠীতে ব্যক্তিৰ পৰা ব্যক্তিৰ ভিন্নতা। এই সংস্কৃতিৰ বিশেষ ৰূপও আপোনা-আপুনি নহয়; তাৰ তলত থাকে অৰ্থনৈতিক ভৰকেন্দ্ৰ যি সকলো সময়তে ক্ৰিয়াশীল। মুহূৰ্ত্তে তাৰ ভাঙন-গঢ়ন হ'ব লাগিছে। এই ক্ষেত্ৰত পৰিৱেশ আৰু পৰিশীলন পৰস্পৰ নিৰ্ভৰশীল। পৰিশীলনে পৰিৱেশক পৰিৱৰ্ত্তন কৰে আৰু পৰিৱেশে পৰিশীলনৰ মৌলিক আৰু গুণগত পৰিৱৰ্ত্তন সাধন কৰে। গতিকে সমাজ পৰিবৰ্ত্তনৰ লগে লগে সংস্কৃতিৰো পৰিৱৰ্তন সাধন হয়। স্বাৰ্থবিধৃত অৰ্থনীতিৰ অৰ্থাৎ পৰিৱৰ্তনৰ বিপৰীতে স্থিতাৱস্থা বাহাল ৰাখিবলৈ স্থানু মন আৰু স্থানু কলাৰ আৱশ্যক হয়। গতিকে স্বাৰ্থজড়িত মহলে স্থানু কলাৰ সৃষ্টি কৰে আৰু



ইয়াৰ লগত জড়িত কৰিয়ে Establishment ৰ বাবে কলা সৃষ্টি কৰে। এনে কলাৰ ভাৱ আৰু ভাষাৰ বিভ্ৰান্তি আৰু দুৰূহতা বৈশিষ্ট্যই হৈ পৰে।

প্ৰতীক, চিত্ৰকল্পবাদী, চুৰিয়েলিজম আদি অন্যান্য কাব্য আন্দোলনৰ গুৰিতে আছে বিশ্বৰ পৰিবৰ্তিত একোটা জটিল পৰিস্থিতি আৰু পৰিবৰ্দ্ধিত ভাৱৰ জটিলতা। এইবিলাকৰ ঐতিহাসিক সত্যতা যেনেকৈ আছে, তেনেকৈ আছে। জটিলতা নিৰসনৰ পৰিশীলিত আৰু পৰিবৰ্দ্ধিত প্ৰচেষ্টাও। স্থানু সংস্কৃতিৰ ঠাইত নতুন গতিশীল সংস্কৃতিৰ প্ৰয়োজনৰ অনুভৱও সকলো যুগতে আছে। তাৰ বাবে সংগ্ৰামৰ আলোচনাও প্ৰয়োজন আছে। আচলতে কোন সংস্কৃতিৰ কোন ব্যঞ্জনাৰ নতুনৰ সম্ভাৱনা বেছি তাক বিচাৰ কৰিব লাগিব সামাজিক সম্পৰ্কবিলাক আৰু জীৱন আৰু জীৱিকাৰ তুলাচনীত ৰচিত মানসিক পৰিমণ্ডলৰ মাজত। মানসিক পৰিমণ্ডলৰ বাবে কবি বা পাঠক দায়ী নহয়; কিন্তু সচেতন নহ'লে বিপ্লৱীৰ ভূমিকা পালন কৰাতকৈ পৰিৱেশৰ দাস হৈ দিন কটাব লাগিব। শিল্পকলা কৃত্ৰিম। মানুহে শ্ৰম আৰু মগজুৰে উৎপাদন উপকৰণবিলাকৰ সহায়ত অহৰহ প্ৰকৃতিৰ মানৱীয় কৰি তোলাৰ অন্তৰালতে কলাৰ জন্ম। Art আৰু Artificial ৰ উৎস একে। সচেতন সক্ৰিয়তা স্বাভাৱিক ভাৱেই শিল্পীৰ পৰিচিত হ'ব লাগে।

অৱশ্যে কলা আৰু কবিতা বোধ্যতাৰো সীমা আছে। সকলো যুগৰ সকলো মানুহে সকলো কলাৰ প্ৰতি সমানে সহাৰি দিয়াৰ উদাহৰণ দেখা নাযায়। মানুহক প্ৰয়োজন আৰু অভাৱৰ দাসত্বৰ পৰা তুলি নিনিলে কলাৰ পৰিমণ্ডল সংকোচিত হৈয়ে থাকিব। শিল্পৰ ইতিহাস শ্ৰমৰ ইতিহাসৰ সমসাময়িক। বোধ্যতা, দুৰ্বোধ্যতা, সমস্যা যিয়েই নহওক এটা কথা ঠিক যে অভিজ্ঞতালব্ধ উপলব্ধি মানুহৰ আপোন বস্তু। সেই কাৰণে শিক্ষা, অভিজ্ঞতা অনুশীলন, ঐতিহ্য আৰু ইতিহাস পঠন পাঠনগত নিৰীক্ষা আৰু অনুধাৱন ৰৰ প্ৰয়োজনীয়। বিচ্ছিন্নতা নিৰসনো সম্ভৱ হ'ব যদিহে শ্ৰমবিভাজন আৰু শ্ৰমদাসত্বৰপৰা পাঠক আৰু শিল্পী নিজে মুক্ত হ'ব পাৰে। তাৰ বাবে শিল্পী সংগ্ৰামী আৰু লুকাচৰ 'পাৰ্টিজান' হোৱাৰ দায়িত্ব এৰাই চলিব নোৱাৰে। ■

*(প্ৰকাশ কাল ঃ ১৯৮৭-৮৮)*

# লোককৃষ্টিৰ বিশ্লেষণ

অপূৰ্ব ভাস্কৰ গগৈ
প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

লোক কৃষ্টি কাক বোলে — বিচাৰ কৰা বা বাহ্যিক চৰিত্ৰৰ দ্বাৰা শ্ৰেণীবদ্ধকৰণ এই নিবন্ধটিৰ উদ্দেশ্য নহয়। ইয়াত লোককৃষ্টি (Folklore) ৰ ৰূপতাত্ত্বিক (Structural) বিশ্লেষণহে কৰা যাব। তথাপিও কেইষাৰমান সাধাৰণ কথা কৈ যোৱাটো উচিত হ'ব বুলি বিবেচনা কৰা হৈছে। পৰম্পৰাগতভাৱে সৃষ্টি হোৱা কাহিনী বিশ্বাসে লোককৃষ্টিক জন্ম দিয়ে। ইয়াক বহু সময়ত লোক কাহিনী (Folk tale) বুলিও কোৱা হয়। লোক কাহিনীৰ অঙ্গীভূত সাহিত্যৰাজি হ'ল — পৌৰাণিক লোক কাহিনী (Myths) কিংবদন্তী (Legends) প্ৰাণীমূলক কাহিনী (Animal Tales), মানুহ-পশু কাহিনী (Man-Animal Tales) উৰ্বৰতামূলক কাহিনী (Fertility Tales), গোষ্ঠীগত কাহিনী (Ancestral Tales), নিষিদ্ধমূলক কাহিনী (Taboo Tales), সাংসাৰিক কাহিনী (Household Tales), হাস্য-কৌতুকময় কাহিনী (Humorus Tales), লোক গল্প (Folk Stories), ভৌতিক কাহিনী (Ghost Tales) আদি। সাঁথৰ (Riddles), লোকগীত (Folk Songs) এই সকলোবিলাকও লোক সাহিত্যৰ অন্তৰ্গত।

লোককাহিনীৰ ৰূপতত্ত্বগত বা কাঠামোগত সংজ্ঞা হ'ল — ইয়াত প্ৰথমৰ ফালে খলতত্ত্ব (Villain) আৰু অভাৱ থাকে আৰু ঘটনা প্ৰবাহ (move) আৰু ক্ৰিয়াশীলতা (function) ৰ সু-সংবদ্ধ সক্ৰিয়তাৰ ফলত কাহিনী মিলনান্ত বা বিয়োগান্ত হৈ সমাপ্ত হয়। চৰিত্ৰসমূহৰ ক্ৰিয়াশীলতাই কাহিনীৰ প্ৰাণ। ই



অলৌকিক, কল্পনাশ্ৰয়ী বা বস্তুনিষ্ঠ হ'ব পাৰে। মানুহৰ পৰিচিত সকলো বস্তুৱেই ইয়াত অংশগ্ৰহণ কৰে আৰু বাঙ্ময় হ'ব পাৰে। লোক কাহিনীত অসম্ভৱ বুলি কোনো কথাই নাই। ই যেন এখন স্বয়ংসম্পূৰ্ণ বিশ্ব!

এতিয়া কথা হ'ল — লোককৃষ্টি-সাহিত্য বুলিলেই সাধাৰণতে অতীতৰ অনগ্ৰসৰ গ্ৰাম্য সমাজৰ অশিক্ষিত মানুহৰ মৌখিক ঐতিহ্যৰ ধাৰণা আমাৰ মনলৈ আহিব পাৰে। কিন্তু ইয়াৰ স্বৰগ্ৰাম ইমান কম পৰিসৰত বন্ধা নহয়, ই অতীত-বৰ্তমান-ভৱিষ্যত, গাঁও-চহৰ, শিক্ষিত-অশিক্ষিত দুয়োখন সমাজ বা লিখিত-অলিখিত এইসকলো অৱস্থালৈ পৰিব্যাপ্ত। ইয়াৰ উৎস আৰু বিস্তৃতিৰপৰাই ধাৰণা কৰিব পাৰি, ইয়াৰ বিশ্লেষণ মুঠেই সহজ নহয়। কৰ্তা-কৰ্ম-ক্ৰিয়া আদিয়ে এটা বাক্যক নিয়ন্ত্ৰণ কৰাৰ দৰে লোককৃষ্টিকো সকলো উপাদানৰ ভিতৰৰ এটা ক্ৰিয়াশীলতাই (Function) নিয়ন্ত্ৰণ কৰে। এই নিগূঢ় সত্যক বিচাৰি উলিয়াবলৈ বহু বিশ্বখ্যাত পণ্ডিতে যত্ন কৰিছে। ভল্‌ডিমিৰ প্ৰপ, চমস্কি, লেভিষ্ট্ৰচ আদি পণ্ডিত বিশ্লেষণৰ অপূৰ্ব মৌলিকতাৰ বাবে সৰ্বজন স্বীকৃত হৈছে। কিন্তু প্ৰসংগতঃ উল্লেখ কৰা ভাল হ'ব — অসমৰ লোক সাহিত্য জগত অতি চহকী হোৱা সত্বেও একো কামেই আজিলৈকে কৰা হোৱা নাই।

ৰাচিয়ান পণ্ডিত ভ্লাডিমিৰ জে. প্ৰপে লিখা Morphologya Skazki (Leningrad, 1928) ৰ ইংৰাজী অনুবাদ "Morphology of the folk tale" ১৯৫৮ চনত প্ৰকাশ হোৱাৰ লগে লগে লোক কাহিনী বিশ্লেষক পণ্ডিত সমাজ গভীৰভাৱে আলোড়িত হ'ল। কাৰণ আন আন পণ্ডিতসকলৰ বিশ্লেষণ পদ্ধতি আছিল কেৱল সাহিত্য-অলঙ্কাৰ মূল্যসঞ্জাত। কিন্তু প্ৰপে লোক-কাহিনীৰ মৌলিক বৈশিষ্ট্যসমূহ বিচাৰ কৰিছিল। প্ৰপৰ মতে আৰ্নে কৰাৰ দৰে লোক কাহিনীৰ বিশ্লেষণত কেৱল Type নিৰ্বাচনতে সীমাবদ্ধ নাথাকি মৌলিক চৰিত্ৰক উপলব্ধি কৰা একান্ত প্ৰয়োজন।

বিভিন্ন কাহিনীৰ গভীৰ অধ্যয়নৰ যোগেদি প্ৰপে সিদ্ধান্তলৈ আহে যে — ক্ৰিয়াশীলতাৰ ক্ৰম (Sequence) সদায়ে ধ্ৰুবক (Constant)। প্ৰতি কাহিনীয়ে তাৰ ক্ৰিয়াশীলতাক ক্ৰমান্বয়ে সজাই আগবাঢ়ে আৰু প্ৰপৰ ভাষাত ইয়ে ৰূপান্তৰিত কাঠামো (Metastructure)। প্ৰপে বিভিন্ন কাহিনীৰ ৰূপতাত্ত্বিক বিশ্লেষণৰ সহায়ত ৩১ (একত্ৰিশ)টি ক্ৰিয়াশীলতা আৱিষ্কাৰ কৰে। প্ৰপৰ

মতে — ''ক্ৰিয়াশীলতাক এটা এটাকৈ যৌক্তিক (Logical) আৰু শৈল্পিক (Artistic) প্ৰয়োজনত প্ৰয়োগ কৰা হয়। সিহঁত একে অক্ষত এনেভাৱে থাকে যাতে দুটা ক্ৰিয়াশীলতা (functions) কেতিয়াও পাৰস্পৰিকভাৱে বহিস্কৃত (Mutually exclusive) নহয়।''

প্ৰপৰ ধাৰণা — কাহিনীসমূহৰ অন্য সমস্ত বিষয়ত অমিল ঘটিলেও সিহঁতৰ ক্ৰিয়াশীলতা অপৰিৱৰ্তনীয় হৈ থাকে। অৰ্থাৎ, কাহিনীসমূহত দুটা প্ৰধান প্ৰবাহ বিদ্যমান — এটি পৰিবৰ্ত্তনীয় আৰু আনটি অপৰিবৰ্ত্তনীয়। প্ৰপৰ কথাত 'কুশীলব'ৰ (Dramatis personae) নামৰ পৰিবৰ্তন ঘটে কিন্তু কাৰ্য্য বা ক্ৰিয়াশীলতাৰ পৰিবৰ্ত্তন নঘটে। ক্ৰিয়াশীলতা সদায়ে ধ্ৰুবক (Constant)। প্ৰপৰ ধাৰণাত লক্ষ্য কৰা যায় — প্ৰধান চৰিত্ৰসমূহৰ ক্ৰিয়াশীলতা চৰিত্ৰসমূহ ব্যক্তিগত মূল্যতকৈ অধিক অতঃকিম অপৰিবৰ্তনীয়। গতিকে কাহিনী বিচাৰ কৰোঁতে ক্ৰিয়াশীলতাৰ বৈশিষ্ট্যক গুৰুত্ব দিব লাগিব। ইয়াৰ বাবে ক্ৰিয়াশীলতাক কাহিনীৰপৰা বিচ্ছিন্ন কৰিব লাগিব। কাহিনীত বিশেষ্য বা কৰ্তাই যি কৰে সেয়ে ক্ৰিয়াশীলতা। প্ৰপৰ ভাষাত — ''(১) ক্ৰিয়াশীলতা সদায়ে এটা চৰিত্ৰৰ কাৰ্য্য হিচাপে ধৰা হয়। ই কাৰ্য্যপ্ৰণালীৰ বিশেষত্বৰ দৃষ্টিকোণৰপৰা বৰ্ণিত। (২) চৰিত্ৰৰ ক্ৰিয়াশীলতা এটা কাহিনীৰ স্থিৰ আৰু ধ্ৰুবক অংগ (element)। যাৰে আৰু য'ৰ পৰা সৃষ্টি হয় সেইবিলাকৰ পৰাও ইহঁত স্বাধীন। ইহঁতে এটা কাহিনীৰ ভিত্তিমূল সৃষ্টি কৰে। (৩) এটা ৰূপ-কথাত (fairytale) সীমিত সংখ্যক ক্ৰিয়াশীলতা থাকিব পাৰে।''

লোক কাহিনীসমূহত ক্ৰিয়াশীলতা বিশৃঙ্খলভাৱে থাকিলেও ইহঁতৰ মাজত পাৰম্পৰ্য্য থাকে। ক্ৰিয়াশীলতাত পূৰ্বোক্তিৰ সংগতি ৰক্ষিত হয়। 'বোৱাৰী আনিলো বেকী, তাইৰ নুগুচিলে কাষত কলহ — মোৰ নুগুচিলে ঢেকী' — বুলি কওঁতে ঢেকী আৰু কলহ নুগুচিলেই বোৱাৰী বেকী হ'বই বুলি ধাৰণা কৰা নাযায়। অৱশ্যে তাৎপৰ্য্য বিচাৰ নকৰাকৈহে উদাহৰণ দিয়া হৈছে।

বিভিন্ন লোক কাহিনীৰ ক্ৰিয়াশীলতাসমূহ বিচ্ছিন্ন কৰি প্ৰপে কাঠামোগতভাৱে সকলোকে এটি বিশেষ ধৰণ (Type) ৰ অন্তৰ্গত বুলি কৈছে। প্ৰপে লোককৃষ্টিক শুদ্ধকৈ বিচাৰ কৰাৰ বাবে বিজ্ঞানসন্মত শ্ৰেণীবদ্ধকৰণৰ ওপৰত গুৰুত্ব দিছে — আগতেই উল্লেখ কৰা হৈছে — তেওঁ চৰিত্ৰসমূহৰ ক্ৰিয়াশীলতাক ৩১ টি শ্ৰেণীত ভাগ কৰিছে। সংকেতসহ ক্ৰিয়াশীলতাসমূহ



অতি সংক্ষিপ্তকৈ এনে ধৰণৰ —

**প্ৰস্তুতি পৰ্ব্ব ঃ**

a ..... প্ৰাথমিক অৱস্থা

$a^1$ – কোনো বলিষ্ঠ প্ৰাথমিক অৱস্থা

b ..... অনুপস্থিতি বা উপস্থিতি

$b^1$ – বয়স্কসকলৰ অনুপস্থিতি বা প্ৰস্থান

$b^2$ – পিতৃ-মাতৃৰ বা অন্য লোকৰ মৃত্যু

$b^3$ – যুৱক বা অল্প বয়সী লোকৰ অনুপস্থিতি

$b^4$ – উপস্থিতি

y ..... নিষেধাজ্ঞা বা সতৰ্কতা

$y^1$ – নিৰ্দিষ্ট সাৱধান বাণী

$y^2$ – উপদেশ বা নিৰ্দেশ

d ..... নিষেধাজ্ঞা লঙ্ঘন

$d^1$ – নিষেধাজ্ঞাৰ অনুৰূপ ৰীতিৰে লঙ্ঘন

$d^2$ – যিকোনো প্ৰকাৰে লঙ্ঘন

$d^3$ – লঙ্ঘন অনুসৰি কাহিনীৰ সূত্ৰপাত

e ..... পৰিদৰ্শন পৰিক্ৰমা

$e^1$ – প্ৰাথমিক — খলনায়কৰ তথ্য সংগ্ৰহ

$e^2$ – প্ৰত্যক্ষভাৱে তথ্যসংগ্ৰহ

$e^3$ – ছদ্মবেশে বা আন উপায়েৰে

$e^4$ – সহায়কৰ সহায় হৈ

f ..... অৰ্পণ বা সৰবৰাহ (delivery)

$f^1$ – খলনায়ক বা নায়কখলৰ সম্পৰ্কে সংবাদ সংগ্ৰহ

$f^2$ – ভিন্নমুখী তথ্য সংগ্ৰহ

$f^3$ – একেবাৰতে তথ্য সংগ্ৰহ

n ..... ছলনা জাল বিস্তাৰ

$n^1$ – সাধুতাৰ আচৰণৰে (প্ৰতাৰণামূলক)

$n^2$ – ক্ৰমাগত ক্ষতি সাধনৰ চেষ্টা

$n^3$ – খলে প্ৰত্যেক্ষ যাদু বা যাদু দ্ৰব্য প্ৰয়োগ কৰি
$n^4$ – খলৰ চাতুৰিৰ বিভিন্ন পন্থা
z ..... দুষ্কৰ্মত অজানিতে বশীভূত হোৱা
$z^1$ – অনুৰোধ উপৰোধত পৰি
$z^2$ – খলৰ যাদু জালত যান্ত্ৰিকভাৱে পৰি
$z^3$ – নিজ কাৰ্য্যৰ মাধ্যমেৰে
$z^4$ – প্ৰতাৰণামূলক প্ৰতিশ্ৰুতিৰে
A ..... খলত্ব
$A^1$ – খলে কাৰোবাক অপহৰণ
$A^2$ – যাদুদ্ৰব্য বা নিমিত্ত হস্তগত
$A^3$ – যাদুৰে সাহায্যকাৰীক হস্তগত (বলপূৰ্বক)
$A^4$ – শষ্য নষ্ট কৰি
$A^5$ – হাতৰ মুঠিৰে দিনৰ পোহৰ বন্ধ কৰি
$A^6$ – আন উপায়েৰে
$A^7$ – শাৰীৰিক উৎপীড়ণৰে
$A^8$ – যাদুৰে অন্তৰ্ধান কৰি
$A^9$ – চিকাৰ আদিৰে প্ৰলুব্ধ কৰি
$A^{10}$ – কোনো এজনক বিতাড়ণ কৰি
$A^{11}$ – পানীত ডুবাই বা জুইত সোমাৱাই
$A^{12}$ – যাদু প্ৰয়োগ কৰি
$A^{13}$ – ৰূপান্তৰ কৰি আৰু সেই ঠাইত আনক স্থাপন কৰি
$A^{14}$ – হত্যাৰ আদেশ বা নিৰ্দেশ
$A^{15}$ – খলে স্বহস্তে কাৰোবাক হত্যা কৰি
$A^{16}$ – আবদ্ধ বা কাৰাৰুদ্ধ কৰি
$A^{17}$ – বলপূৰ্বক বিবাহৰ ভয় দেখুৱাই
$A^{18}$ – মানুহ খোৱাৰ ভয় দেখুৱাই
$A^{19}$ – ৰাতি উৎপীড়ন মূলক কাম কৰি
$A^{20}$ – খলে যুদ্ধ ঘোষণা কৰি



P ..... অভাৱ
$P^1$ – পত্নীৰ অভাৱ
$P^2$ – যাদু নিমিত্তৰ অভাৱ
$P^3$ – ভ্ৰাম্যমান বস্তু বা পশু-পক্ষীৰ
$P^4$ – প্ৰাণ বা মৃত্যু সোমোৱাই ৰখা যাদুশক্তিসম্পন্ন পাত্ৰৰ
$P^5$ – অৰ্থসম্পদ বা বাসস্থানৰ
$P^6$ – অন্যান্য যাৱতীয় অভাৱ,
B ..... মধ্যস্থতাকাৰী বা সংযোগকাৰীৰ ক্ৰিয়াশীলতা
$B^1$ – নায়কলৈ প্ৰেৰণ কৰাৰ পিছত আহ্বান জনোৱা
$B^2$ – নায়কলৈ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰেৰণ
$B^3$ – নায়কলৈ গৃহপ্ৰত্যাৱৰ্তনৰ সুযোগ দান
$B^4$ – দুৰ্ভাগ্যৰ কথা ঘোষণা
$B^5$ – নিৰ্বাসিত নায়কৰ অন্য স্থানলৈ প্ৰেৰণ
$B^6$ – মৃত্যুদণ্ডিত নায়কৰ মুক্তি
$B^7$ – শোক সংগীত গোৱা
C ..... প্ৰতিৰোধ বা প্ৰতিশোধমূলক কামৰ সূত্ৰপাত
↑..... নায়কৰ গৃহত্যাগ
D ..... সহায়ক বা দাতাৰ প্ৰথম ক্ৰিয়াশীলতা
$D^1$ – দাতাৰ দ্বাৰা নায়কৰ পৰীক্ষা
$D^2$ – নায়কৰ প্ৰশ্ন কৰা
$D^3$ – মৃত্যুপথযাত্ৰীৰ অনুৰোধ
$D^4$ – আবদ্ধ ব্যক্তিৰ মুক্তিৰ প্ৰাৰ্থনা
$D^5$ – ক্ষমা প্ৰদৰ্শনৰ অনুৰোধ
$D^6$ – বিবাদীসকলৰ সম্পত্তি ভাগ কৰাৰ বাবে অনুৰোধ
$D^7$ – অন্যান্য অনুৰোধ
$D^8$ – নায়কক ধ্বংস কৰাৰ উদ্যোগ
$D^9$ – নায়কক যুদ্ধত লিপ্ত কৰা
$D^{10}$ – যাদুদ্ৰব্য দেখুৱাই আন কিবা বিচৰা

E..... ভৱিষ্যৎ দাতাৰ প্ৰতি নায়কৰ প্ৰতিক্ৰিয়া

$E^1$ – পৰীক্ষামূলক কামত নিজৰ অৱস্থান স্থিৰ কৰা বা নৰখা

$E^2$ – অভিনন্দনৰ উত্তৰ দিয়া বা নিদিয়া

$E^3$ – মৃত ব্যক্তিৰ সৎকাৰ কৰা বা নকৰা

$E^4$ – বন্দী মুক্তিদান

$E^5$ – আবেদকৰ প্ৰতি নায়কৰ করুণা প্ৰদৰ্শন

$E^6$ – বিবাদকাৰীসকলৰ অংশ বণ্টন

$E^7$ – নায়কৰ আন আন সেৱামূলক কাম

$E^8$ – আক্ৰমণৰ উদ্যোগ আৰু আত্মৰক্ষা

$E^9$ – প্ৰতিদ্বন্দ্বী শক্তিৰ পৰাভূত কৰা

$E^{10}$ – বিনিময়ত সন্মতি

F .....যাদুনিমিত্তৰ প্ৰয়োগ কৌশল লাভ

$F^1$ – প্ৰত্যক্ষভাৱে

$F^2$ – এই সম্পৰ্কে নিৰ্দেশ

$F^3$ – যাদুনিমিত্ত সৃষ্টি

$F^4$ – যাদুনিমিত্ত ক্ৰয়-বিক্ৰয়

$F^5$ – আকস্মিক প্ৰাপ্তি

$F^6$ – নিমিত্তৰ নায়কৰ ওচৰলৈ স্ব-আগমন

$F^7$ – নিমিত্ত পান বা আহাৰ

$F^8$ – ধাৰণ বা হৰণ

$F^9$ – যাদুচৰিত্ৰৰ নায়কৰ ওচৰত আত্মসমৰ্পণ

G ..... স্থানগত পৰিবৰ্ত্তন আৰু পথ প্ৰদৰ্শন

$G^1$ – নায়কৰ বায়ুপথে গমন

$G^2$ – জল বা স্থল পথে গমন

$G^3$ – নায়কৰ পথ প্ৰদৰ্শিত হয়

$G^4$ – নায়কলৈ পথ নিৰ্দেশ

$G^5$ – নিৰ্দিষ্ট যোগাযোগ ব্যৱস্থাৰ ব্যৱহাৰ

$G^6$ – কোনো বস্তুৰ চিহ্নৰে পথৰ সন্ধান



H ..... সংগ্ৰাম বা যুদ্ধ

$H^1$ – মুক্ত প্ৰাঙ্গণত

$H^2$ – প্ৰতিযোগিতা যোগে

$H^3$ – পাশা আদিৰে

$H^4$ – জোখ বা ওজনৰ প্ৰতিযোগিতা

J ..... চিহ্নিতকৰণ

$J^1$ – শৰীৰত চিহ্ন প্ৰদান

$J^2$ – আঙুঠি বা বস্ত্ৰ লাভ

I ..... বিজয়

$I^1$ – প্ৰকাশ্য যুদ্ধত খলৰ পৰাজয়

$I^2$ – প্ৰতিযোগিতাত খলৰ পৰাজয়

$I^3$ – পাশা আদিত নায়কৰ জয়

$I^4$ – ওজন আদিত নায়কৰ জয়

$I^5$ – প্ৰাথমিক যুদ্ধ নোহোৱাকৈ খলৰ নিধন

$I^6$ – খলৰ প্ৰত্যক্ষ নিৰ্বাসন

K ..... অভাৱ অপসাৰিত

$K^1$ – অনুসন্ধানীয় বস্তু বা ব্যক্তি বুদ্ধিৰে হস্তগত

$K^2$ – সন্মিলিতভাৱে দ্ৰুত হস্তগত

$K^3$ – ভীতি প্ৰদৰ্শনৰে লাভ

$K^4$ – পূৰ্বকাৰ্যৰ ফল স্বৰূপে

$K^5$ – যাদুনিমিত্ত ব্যৱহাৰ কৰি

$K^6$ – যাদুনিমিত্তৰ সহায়ত দাৰিদ্ৰ মুক্তি

$K^7$ – সন্ধানীয় প্ৰাণী ব্যক্তি বা বস্তু ধৃত

$K^8$ – সন্মোহনী শক্তিৰ অৱসান

$K^9$ – মৃত ব্যক্তিৰ পুনৰুজ্জীৱন

$K^{10}$ – বন্দীৰ মুক্তি

$K^{11}$ – যাদুনিমিত্তৰ যোগে সন্ধানীয় লাভ

↓..... নায়কৰ (কেতিয়াবা খলৰ) প্ৰত্যাৱৰ্ত্তন

Pr ..... অনুসৰণ

$Pr^1$ – নায়কক বায়ুপথে
$Pr^2$ – অনুসৰণকাৰীৰ অপৰাধীক দাবী কৰা
$Pr^3$ – অনুসৰণ কৰি থাকোতেই ৰূপান্তৰ ঘটোৱা
$Pr^4$ – অনুসৰণকাৰীয়ে স্বৰূপান্তৰৰে নায়কক প্ৰলুব্ধ কৰা
$Pr^5$ – নায়কক গিলিবলৈ চেষ্টা কৰা
$Pr^6$ – অনুসৰণকাৰীৰ নায়কক হত্যাৰ উদ্যোগ
$Pr^7$ – নায়কৰ আশ্ৰয় (গছ আদি) ধ্বংস কৰণ

Rs ..... অনুসৰণৰ পৰা নায়কৰ উদ্ধাৰ
$Rs^1$ – নায়কক বতাহেৰে বহন কৰা
$Rs^2$ – নায়কে পথত বাধা সৃষ্টি কৰি কৰি উৰি যোৱা
$Rs^3$ – উৰন্ত অৱস্থাতে নায়ক অচিন বস্তুলৈ ৰূপান্তৰিত হোৱা
$Rs^4$ – জল-স্থল-অন্তৰীক্ষপথেৰে প্ৰত্যাগমণৰ সময়ত নায়ক লুকোৱা
$Rs^5$ – নায়কক কোনো ব্যক্তিয়ে আঁৰ কৰা
$Rs^6$ – নায়কৰ শিল বা প্ৰাণীলৈ ৰূপান্তৰ – আত্মৰক্ষা
$Rs^7$ – লোভৰপৰা বিৰত থকা
$Rs^8$ – বিৰোধী লোকৰ প্ৰৰোচনালৈ নোযোৱা
$Rs^9$ – জীৱন বিপন্ন হোৱাৰ পৰা নিজকে ৰক্ষা কৰা
$Rs^{10}$ – গছে গছে জপিয়াই আঁতৰ হোৱা

O ..... অপৰিচিত অৱস্থালৈ আগমন
$O^1$ – দেশলৈ আহি ছদ্মবেশত কাম কৰা
$O^1$ – দেশলৈ অহাৰ পিছত কোনেও চিনিব নোৱাৰা

L ..... ভুৱা লোকৰ দাবী অগ্ৰাহ্য
$L^1$ – আনৰ মিছা দাবী কৃতকাৰ্য্যতাৰ বাবে
$L^2$ – নায়কৰ স্ত্ৰীৰ ওপৰত আনৰ দাবী

M ..... কঠিন কাম
$M^1$ – খাদ্য আৰু পানীৰ দ্বাৰা
$M^2$ – অগ্নি পৰীক্ষা
$M^3$ – মৌখিক ভাগ্য পৰীক্ষা
$M^4$ – নিবাৰ্চনমূলক ভাগ্য পৰীক্ষা



$M^5$ – কৌশল মাপক পৰীক্ষা
$M^6$ – সহনশীলতামূলক পৰীক্ষা
$M^7$ – নিৰ্মাণ বা ধ্বংস শক্তিৰ পৰীক্ষা

N ..... কাম সম্পন্ন কৰা
(*N – সোধাৰ আগতেই কাৰ্য সম্পন্ন)

Q ..... নায়কক চিনিবপৰা

Ex .....ভুৱা নায়কৰ মুখা উন্মোচন

T ..... নায়কৰ আকৃতি পৰিবৰ্ত্তন বা ৰূপান্তৰ কৰা
$T^1$ – যাদুৰ সাহায্যত চেহেৰা সলনি
$T^2$ – আশ্চৰ্য প্ৰাসাদ নিৰ্মাণ
$T^3$ – নতুন পোছাক পৰিধান
$T^4$ – যুক্তিগ্ৰাহ্য আৰু কৌতুকময় আকৃতি

U ..... খলৰ শাস্তি

W ..... বিবাহ
$W^1$ – ৰাজকন্যা আৰু ৰাজ্যলাভ
$W^2$ – সিংহাসন বাদ দি বিবাহ
$W^3$ – কেৱল সিংহাসন লাভ
$W^4$ – বিবাহৰ প্ৰতিশ্ৰুতি
$W^5$ – পত্নীবিয়োগ আৰু সন্ধানৰ দ্বাৰা সুফল লাভ

X ..... অস্পষ্ট বা অপৰিচিত গঠন বা ধৰণ

mot ..... প্ৰৰোচিত অৰ্থত ব্যৱহাৰ

< ..... পথত চিন ৰাখি এৰাএৰি হোৱা

Y ..... সংকেতদানকাৰী কৌশলৰ হস্তান্তৰ

Pos or + ... ক্ৰিয়াশীলতাৰ ইতিবাচক ফল

Neg, or – ... ক্ৰিয়াশীলতাৰ নেতিবাচক ফল

§ ..... সংযোগকাৰী

⋮ ..... সংযোগকাৰীবিলাকৰ জট পকোৱা অৱস্থা

X ..... প্ৰতাৰণামূলক চুক্তিৰ বাবে প্ৰাথমিক দুৰ্ভাগ্য

↳→‖←↲ সমান্তৰাল ক্ৰিয়াশীলতা।

প্ৰপৰ বিশ্লেষণপদ্ধতিক ৰেখাচিত্ৰৰ সহায়েৰে সজালে এনে হয়—



এইখিনিতেই মন কৰিবলগীয়া কথা হ'ল — বহু কাহিনী আছে যিবিলাক এই উল্লিখিত কাঠামোৰ মাজেদি বিশ্লেষণ কৰিব পৰা নাযায়। ইয়াতো কেইবাটাও ক্ৰিয়াশীলতাক যুগ্মভাৱে সজোৱা হৈছে। যেনে নিষিদ্ধ কৰা লঙ্ঘন, প্ৰাথমিক পৰীক্ষা - অৰ্পণ আদি। এই আন আন ক্ৰিয়াশীলতাকো পাৰস্পৰিক সম্পৰ্ক অনুযায়ী শ্ৰেণীবদ্ধ কৰি ল'ব পৰা যায়। গতিক ক'ব পাৰি, ক্ৰিয়াশীলতাসমূহে এক জটিল অৱস্থাৰ সৃষ্টি কৰে।

সাঁথৰ, প্ৰবাদ, লোকগীত, লোকনাট্য, লোকনৃত্য আদি লোককৃষ্টিৰ সকলো উপাদানতে প্ৰপৰ বিশ্লেষণ পদ্ধতি প্ৰয়োগ কৰিব পাৰি। সকলো শাখাতে এই ৩১ টি ক্ৰিয়াশীলতা থাকিবই লাগিব — তাৰ কোনো ধৰা-বন্ধা কথা নাই। লোককৃষ্টিৰ কোনো উপাদানতে আনকি সাঁথৰতো দুটিতকৈ কম ক্ৰিয়াশীলতা নাই, সেয়ে সাঁথৰকো প্ৰপৰ পদ্ধতিৰে বিচাৰ কৰিব পাৰি।

এতিয়া এটি কাহিনীৰ গতি-প্ৰকৃতি চোৱা যাওক — এটি কাহিনীৰ কাঠামোত এটি বা তাতোধিক কাহিনী থাকিব পাৰে। এইবিলাক বিচ্ছিন্ন



কৰোঁতে কাহিনীৰ সক্ৰিয়তা (Move) বা অগ্ৰগতিত কেনেকৈ ইটোৰ লগত সিটো মিলি যায়, তাৰ চিত্ৰ বিচাৰ কৰি চোৱাটো প্ৰয়োজন। কাহিনীৰ কুশীলবসমূহে কাহিনীৰ প্ৰধান উপাদান নিৰ্মাণ কৰে। ইয়াৰ পাৰ্শ্ববৰ্তী অংশত থাকে মধ্যস্থতাকাৰী (Mediating) আৰু প্ৰৰোচনামূলক উপাদানসমূহ (Motivations)। কাহিনীসমূহ এক বা একাধিক গতিপ্ৰবাহ সম্পন্ন হ'ব পাৰে। ইয়াত একক গতিপ্ৰবাহসম্পন্ন কাহিনী এটিৰ বিশ্লেষণ কৰি দেখুৱা হ'ল।

এহাল বুঢ়াবুঢ়ীৰ এহাল ল'ৰা-ছোৱালী আছিল (a)। এদিন কামলৈ যাওঁতে জীয়েকক ভায়েকক চাবলৈ আৰু চোতাল পাৰ নহ'বলৈ ক'লে ($y^1$)। তেওঁলোক গুচি গ'ল ($b^1$) আৰু ছোৱালীজনীয়ে নিষেধ পাহৰিলে আৰু দুয়ো বাহিৰলৈ গৈ খেলিবলৈ ধৰিলে ($d^1$)। এটা ৰাজহাঁহে ল'ৰাটি লৈ উৰি গুচি গ'ল ($A^1$)। ছোৱালীজনীৰ ভায়েকলৈ মনত পৰাত ভায়েকক বিচাৰি নাপালে ($B^4$)। তাই ভয় খাই কান্দিবলৈ ধৰিলে আৰু ভায়েকক চিঞৰি চিঞৰি মুকলিপথাৰলৈ দৌৰি গ'ল ($C\uparrow$)। এটা ৰাজহাঁহ উৰি গৈ অদৃশ্য হোৱাৰ দেখিলে। হাঁহজনীলৈ সন্দেহ হোৱাত তাই ধৰিবলৈ যাত্ৰা কৰিলে। গৈ গৈ এটা চৌকা পালে। চৌকাটোক ভায়েকৰ কথা সোধাত — সি ৰাইজে তৈয়াৰ কৰা পিঠা খালেহে ক'ব বুলি কোৱাত ($D^1$) তাই নাখাই আগবাঢ়িল [E Neg]। এইদৰে এজোপা আপেল আৰু এখন নদীাকো অনম্ৰ উত্তৰ দি আগবঢ়োতে এজোপা কাঁইট গছ ($F^6$) ৰ ওচৰত তাই ৰ'ল। হাতেৰে খুন্দিয়াবলৈ ($D^7$) লৈও তাই নুখুন্দিয়ালে ($E^7$)। তাই গছজোপাক ৰাজহাঁহৰ কথা সোধাত গছজোপাই পথ নিৰ্দেশ কৰিলে ($F^9$=$G^4$)। তাতে ৰাজহাঁহটো আৰু ভায়েকে সোণৰ আপেল লৈ খেলি থকা পালে। তাই গৈ গৈ এটা কুকুৰা ঠেঙৰ ওপৰত ঘূৰি থকা এটা ঘৰ পালে। তাই কৌশলেৰে ভায়েকক অপহৰণ কৰিলে ($K^1$) আৰু ঘৰলৈ ঘূৰি আহিল (↓)। ৰাজহাঁহটোৱে উৰি উৰি অনুসৰণ কৰাত ($Pr^1$) সিহঁতক নদী, আপেল আৰু চৌকাটোৱে আশ্ৰয় দিলে ($Rs^4$)। চৌকাটোৱে তাইক এটি যাদুৰ চোলা দিলে ($F^1$) আৰু সিহঁত নিৰাপদে ঘৰ পালেগৈ।' (সংক্ষেপিত)

এতিয়া এই কাহিনীক গতিপ্ৰবাহ আৰু ক্ৰিয়াশীলতাৰ ভিত্তিত নিম্নৰূপত সজাব পাৰি

$$ay^1b^1d^1A^1B^4C\uparrow\left\{\begin{matrix}D^1E-Neg.\\ {}^6D^7E^7F^9\end{matrix}\right\}G^4K^1\downarrow$$

$$\left[Pr^1F^1=Rs^4\right]$$

ইয়াৰ চিত্ৰৰূপ হ'ব ।



ইয়াত দেখা গ'ল মূল উপাদানবিলাক পৰস্পৰ বিচ্ছিন্ন কৰিলে ক্ৰিয়াশীলতাসমূহ পোৱা যায় আৰু সহায়ক গতিপ্ৰবাহ ইয়াৰ অনুগামী হয়।

প্ৰপৰ বিষয়ে সামৰণিত আকৌ কোৱা হ'ব। এতিয়া ক্লড্ লেভি ষ্ট্ৰচৰ কাৰ্য্যপ্ৰণালী সংক্ষেপতে অনুধাবন কৰা হওক।

নৃতত্ত্ববিদ ষ্ট্ৰচে লোককৃষ্টি বিশ্লেষণত প্ৰতিটি Motif ৰ বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে। তেওঁৰ এই পদ্ধতিক Paradigmatic Analysis (পদপ্ৰকৰণজাত বিশ্লেষণ) বুলি কোৱা হ'ব।

লেভি ষ্ট্ৰচৰ মতে ভি.এফ, চ'চাৰে কোৱা La Langue (ভাষাৰ সামাজিক দিশ–যাক ব্যক্তি ইচ্ছাত পৰিৱৰ্তন কৰিব নোৱাৰি) আৰু La Parole (ব্যক্তি নিৰ্বাচন আৰু সঠিকীকৰণ) এই দুয়োটাই এটা পৌৰাণিক লোক কাহিনীত Synchronic বা এককালবদ্ধ বা সমকালবদ্ধ হিচাপে ধৰা পৰে। আকৌ ইহঁত



একে সময়তে diachronic অৰ্থাৎ অতীত ঐতিহ্যিক বা ধাৰাবাহিকও। গতিকে তেওঁ Myth ৰ সঠিক অৰ্থ অনুধাৱন কৰিবলৈ এক অৰ্থবোধক পদ্ধতিত সজোৱাৰ আৱশ্যকতা আৰু বিপৰীতধৰ্মী বক্তব্য আৰু শক্তিসমূহক চিহ্নিত কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে।

তেওঁ লোককাহিনীত সকলো উপাদানৰ মাজতো দুটা শক্তিক প্ৰায় বিপৰীতমুখী হিচাপে লক্ষ্য কৰিছে। এই বিশ্লেষণ সূত্ৰৰ ৰূপ এনেধৰণৰ —

$fx(a):fy(b)::fx(b):fa^{-1}(y)$

ইয়াত b সংযোগকাৰী, a প্ৰথম পক্ষ। ইহঁত সামাজিক আৰু ঐতিহাসিক মূল্যবহ আৰু সচল আৰু সক্ৰিয়। fx ৰ দ্বাৰা ক্ৰিয়াশীলতা (function) বুজোৱা হৈছে। প্ৰথম পক্ষৰ গতিত বিষয়ৰ অৱতাৰণা আৰু যাত্ৰা ঘটে। fy হ'ল আন আন কাৰ্য আৰু ই প্ৰথমোক্তৰ বিৰুদ্ধে নিয়োজিত। ইয়াৰ অৱস্থিতি অন্ততঃ প্ৰথম পৰ্য্যায় হ'লেও b ৰ লগত সংযোজিত। ইয়াত b য়ে একাধাৰে ক্ৰিয়াশীলতাক বুজায় আৰু মধ্যস্থতাকাৰী হিচাপেও কাম কৰে। যিহেতু লেভি ষ্ট্ৰচৰ সূত্ৰৰ গতি অসৰল (Non-linear), চৰিত্ৰৰ ভূমিকা আৰু ক্ৰিয়াশীলতাক পুৰ্ণবিন্যাস কৰিলে সক্ৰিয় চৰিত্ৰ a ক ($a^{-1}$) হিচাপে চিহ্নিত কৰিব লাগিব। ইয়াৰ অৰ্থ ক্ৰিয়াশীলতাক মাত্ৰ ঠেলি দিয়াই নহয় — গতিশীল কৰাও, আৰু y যি ক্ৰিয়াশীলতা হিচাপে চিহ্নিত আছিল সি সমস্ত পৰীক্ষাৰ ফলশ্ৰুতি হিচাপে চিহ্নিত হ'ব ; অৰ্থাৎ $fa^{-}(y)$ হিচাপে। অৰ্থাৎ সক্ৰিয় চৰিত্ৰ a (খলনায়ক)ৰ নেতিবাচক ভূমিকা — ইয়াৰ ধ্বংস সাধনৰ যোগেদি ফলশ্ৰুতি (y) সাধিত হয়। ইয়াত b ৰ ভূমিকা নায়কৰ আৰু তাৰ ক্ৰিয়াশীলতা fy(b) হিচাপে দেখুওৱা হৈছে।

গতিকে, ক'ব পাৰি, নেতিবাচক শক্তিৰ ক্ষতিক যি প্ৰকাশ কৰে সি মাত্ৰ ক্ষতিকেই নোহোৱা কৰে বা ক্ষতিৰ পৰা মূল শক্তিক পুনৰ উদ্ধাৰ কৰে এইয়াই নহয় — ই প্ৰকৃত বিজয়কো সূচায়। ইয়াৰ সূত্ৰবদ্ধ স্বৰূপ হ'ব —

$fa^{-1}(y)>fx(b)$

সেয়ে, দেখা যায়, সূত্ৰৰ প্ৰথম দুই সদস্যই কাহিনীত দ্বন্দ্বৰ আবিৰ্ভাব ঘটায়, আৰু তৃতীয় সদস্যই ঘটনাক ঘটনা শীৰ্ষলৈ লৈ যায় আৰু শেষ সদস্যই ঘটনাৰ পৰিসমাপ্তি ঘটায়। ষ্ট্ৰচৰ ভাষাতেই এই তিনি সদস্য হ'ব fx(a),

fy(b), fx(b) আৰু (b) ঘটনাৰ পৰিসমাপ্তি ঘটোৱা শেষ সদস্য হ'ব $fa^{-1}(y)$। আৰু লগে লগে মধ্যস্থতা প্ৰক্ৰিয়াৰো পৰিসমাপ্তি ঘটে।

এলি মাৰাণ্ডা (Elli K. Maranda) ই লোককাহিনীত কেইটিমান উপাদান লক্ষ্য কৰিছে উপাদানবিলাক এনে আপাত সমাধানঃ আপাত ফল ঃঃ শেষ সমাধানঃ শেষ ফল

(Quasi Solution) (Quasi Result) (Final Solution) (Final Result)

চমুকৈ Q.S Q.R. F.S. F.R.

লেভি ষ্ট্ৰেচৰ সূত্ৰলৈ আকৌ ঘূৰি চোৱা যাওক। সামগ্ৰিক প্ৰক্ৰিয়াটোত b ৰ সক্ৰিয়তাত কাহিনীয়ে প্ৰাৰম্ভিক অৱস্থানৰ পৰা বিপৰীতমুখী প্ৰবাহত প্ৰবেশ কৰে আৰু শেষ ফল (সুফল) প্ৰাপ্তি নোহোৱা পৰ্যন্ত ইয়াৰ গতি অব্যাহত থাকে। ইয়াত b ক্ৰিয়াশীলতাৰ মূল আৰু সমস্ত প্ৰক্ৰিয়াটিত জীৱনবৃত্ততকৈও বৃহত্তৰ ইংগিত পৰিস্ফুট হয়। আন কথাত, লোককাহিনীৰ যি কোনো উপাদানতেই প্ৰাথমিক ভাৱে x আৰু y মাজত দ্বন্দ্বৰ প্ৰৱণতা দেখা যায় আৰু ক্ৰমাগতভাৱে a আৰু b ৰ বৃহত্তৰ দ্বন্দ্ব-সংঘাতৰ মাজেদি ই পৰিণতিলৈ গতি কৰে।

ইয়াত ব্যৱহৃত চিহ্নসমূহত —

পক্ষ ঃ a আৰু b দুটা ধাৰাৰ সদস্য ; ইহঁতে সামাজিক চৰিত্ৰ বহন কৰে। যেনে — ডাইনী, ৰাক্ষস, অসৎ ব্যক্তি, নায়ক আদি।

ক্ৰিয়াশীলতা ঃ x আৰু y ক্ৰিয়াশীলতা। ইহঁত a আৰু b ৰ সাহায্যকাৰী আৰু পৰিপূৰক। > চিহ্ন অপেক্ষাকৃত শক্তিশালীৰ বাবে আৰু < তুলনামূলকভাৱে কম শক্তিশালীক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে।

লেভি ষ্ট্ৰচৰ পদ্ধতিৰে এটি কাহিনীৰ ৰূপতাত্ত্বিক বিশ্লেষণ তলত দিয়া হ'ল —

"এজন অসৎ বিচাৰকৰ অন্যায় ৰায়দানত দণ্ডিত এজন নিৰপৰাধী ব্যক্তিয়ে কোনোবাই বিচাৰকক হত্যা কৰাটো প্ৰাৰ্থনা কৰিলে। এদিন বিচাৰকে ভৃত্যক বজাৰলৈ পঠিয়াই স্নানাগাৰত সোমাল। ভৃত্যই ঘূৰি আহি বন্ধ স্নানাগাৰৰ পৰা কাতৰ মাত শুনিলে। দুৱাৰ খুলিব নোৱাৰি গীৰ্জাৰ যাজকক আনিলেগৈ। এনেকৈ বাৰজন যাজক গোট খোৱাৰ পিছত বিচাৰকৰ ছাল হাতত লৈ এজন লোক দুৱাৰ খুলি ওলাই আহিল। বিচাৰক মৃত!"



(সংক্ষেপিত)

লেভি ষ্ট্ৰচৰ সূত্ৰ মতে কাহিনীৰ কাঠামো বিন্যাস হ'ব —

পক্ষঃ a = অবিচাৰপ্ৰসূত কাৰ্য (অসৎ বিচাৰক)

b = মধ্যস্থতাকাৰী (যাজকসকল)

ক্ৰিয়াশীলতাঃ x = ধিক্কাৰ দিয়া

y = উদ্ধাৰ কৰা

সংক্ষেপে — $fx(a) > fy\left(\sum_{e=1}^{12} b_e\right)$

ইয়াত $\sum_{e=1}$ মানে পক্ষৰ ১ৰ পৰা তাৰ ওপৰৰ ক্ৰমিক সংখ্যাবোৰ চিত্ৰায়িত কৰিলে সাধু কথাটিৰ ৰূপ এনে ধৰণৰ হ'ব —

কাহিনীটিত দুই দ্বন্দ্বই আছে নেতিবাচক আৰু ইতিবাচক। গতিকে —

| — | + |
|---|---|
| (ভুৱা বিচাৰক) — | (বিচাৰকৰ প্ৰাণ ৰক্ষা কৰিবলৈ + |
| (অন্যায় ৰায়) — | অহা বাৰ জন যাজক) + |
| (দণ্ডাজ্ঞা প্ৰাপ্ত লোকৰ ইচ্ছা) — | + |
| (দুষ্টৰ জয়) — | + |
| | + |
| | + |
| | + |
| | + |
| | + |
| | + |
| | + |
| | + |

সৰ্বশেষ চিত্ৰ হ'ব —



কাহিনীটিত ধিক্কাৰৰ কাৰ্যকাৰীতা মধ্যস্থতাকাৰীসকলৰ উদ্ধাৰৰ প্ৰয়াসতকৈ বহু শক্তিশালী।

এলিমাৰাণ্ডাৰ সূত্ৰমতেও —

Q.S. = বিচাৰকৰ অন্যায় ৰায়

Q.R. = নিৰপৰাধীৰ শাস্তি

F.S. = ধিক্কাৰ

F.R. = অন্যায়ৰ প্ৰতিফল

∴ QS : QR ::FS:FR

— সূত্ৰটি সিদ্ধ হৈছে।

আন এজন পণ্ডিত নোৱম চমস্কি (Avram Noam Chomsky) ৰ নাম প্ৰথমেই উল্লেখ কৰা হৈছিল। অতি চমুকৈ ক'বলৈ হ'লে — চমস্কি এজন বৈয়াকৰণিক। তেওঁৰ মতে যিকোনো ভাষাৰ ব্যাকৰণেই এটি সীমাবদ্ধ ৰীতিৰেই বাক্যক গঢ় দিয়ে। তেওঁৰ মতে এজন বক্তাই এই সীমাবদ্ধৰীতিৰ মাজতে অসংখ্য নতুন বাক্য সৃষ্টি কৰিব পাৰে। গতিকে তেওঁ মূলতঃ গুৰুত্ব আৰোপ কৰিলে অন্বয় (Syntax) ৰ ওপৰত। তেওঁৰ মতে শব্দাৰ্থ বিজ্ঞানৰ অনস্বীকাৰ্য গুৰুত্ব আৰু ভূমিকা থকা সত্বেও মানুহৰ কথাবতৰাত ইয়াৰ ক্ৰিয়াশীলতাৰ কোনো সংযোগ নাই। তেওঁ সেয়ে বাক্যত শব্দানুক্ৰম (Sequence) ওপৰত গুৰুত্ব দিলে। এটি বাক্যৰপৰা একাধিক বাক্য সৃষ্টি হ'ব পাৰে সেইদৰে সংযোগ ঘটিবও পাৰে। চমস্কিৰ মতে ইয়ে Transformational Aspect বা সংবৰ্ত্তনতা। চমস্কিৰ ব্যাকৰণক সেয়ে Generative Grammer বা প্ৰজননশীল ব্যাকৰণ বোলা হয়। তেওঁৰ মতে পৃথিৱীৰ ভিন ভিন ভাষাৰ কাঠামো নিৰ্মাণৰ সাদৃশ্য অতি গভীৰ। আনহাতে বৈসাদৃশ্য কেৱল বাহ্যিক। তেওঁ প্ৰথমটোক Deep Structure (মগ্ন কাঠামো) আৰু পিছৰ অৱস্থাটোক Surface Structure (বাহ্যিক কাঠামো) বুলি অভিহিত কৰে।

এইখিনিতেই কোৱা ভাল হ'ব, এটি ভাষাৰ বাক্যসমূহে অনুৰূপ বাক্য সৃষ্টি কৰিবলৈ সমৰ্থ হ'লে — এই সামৰ্থৰ দ্বাৰাই ভাষাৰ অস্তিত্ব প্ৰমাণিত হয় — আৰু ইয়ে প্ৰজননশীলতা ভাষা বিজ্ঞানত ইয়াৰ গুৰুত্ব অপৰিসীম।

উল্লিখিত সংবৰ্তনতা আৰু প্ৰজননশীলতা অংগাঅংগীভাৱে জড়িত। আচলতে প্ৰজননতা সংবৰ্ত্তনতাৰে ফলশ্ৰুতি। লোকসাহিত্যত এই দুয়োটাৰে



অস্তিত্ব আছে : সেয়ে ভাষা-বিজ্ঞানৰ লগত লোক সাহিত্যৰ বিজ্ঞানভিত্তিক সম্পৰ্কও ইয়াতেই। লোককাহিনী সৃষ্টিতো ব্যাকৰণ আছে আৰু ইও সুনিৰ্দিষ্ট নিয়ম মানি চলে।

সামৰণিৰ আগতে আৰু দুআষাৰ কোৱা উচিত হ'ব। লোকসাহিত্যৰ সৃষ্টি প্ৰক্ৰিয়া আজিও অব্যাহত আছে। এই সৃষ্টিৰ প্ৰক্ৰিয়া বহু সময়ত অতীতৰ কাঠামো আৰু ধৰণ (Pattern) অনুসৰি সৃষ্টি হৈছে যদিও নতুন কাঠামো, কাঠামোগত বৈশিষ্ট্য আৰু ধৰণৰ সৃষ্টিও কোনো কোনো ক্ষেত্ৰত হৈছে। গতিকে লোককৃষ্টি তিনিওকালতে এক জীৱন্ত শক্তি।

প্ৰপৰ অতি পাণ্ডিত্যপূৰ্ণ কাৰ্যৰ প্ৰতি সম্পূৰ্ণ সন্মান সহকাৰে ক'ব পৰা যায় — তেওঁ উল্লেখ কৰা ক্ৰিয়াশীলতা ৩১ টিত যিহেতু পুনৰুক্তিও আছে তাক কমাব পৰা যায়। আন এক গুৰুত্বপূৰ্ণ অভিযোগ হ'ল — প্ৰপে ক্ৰিয়াশীলতা আৰু চৰিত্ৰৰ (পৰিৱৰ্তনশীল চৰিত্ৰ) মাজত পাৰ্থক্য আনিছে। কিন্তু এই দুয়োটাই বিষয়বস্তুৰ অংগ। সেয়ে ক'ব পাৰি — ৰূপতাত্ত্বিক বিশ্লেষণত ক্ৰিয়াশীলতা আৰু চৰিত্ৰক বিষয়বস্তুৰ ভিত্তিতেই সজাব লাগিব। এই ক্ষেত্ৰত লেভি ষ্ট্ৰচৰ পদ্ধতিহে অধিক গ্ৰহণযোগ্য।

স্থানাভাৱৰ বাবে মুখবন্ধতে নিবন্ধটি সামৰা হ'ল। ■

* *উদ্ধৃতি সমূহৰ অনুবাদ, লেখকৰ।*

* *প্ৰতি প্ৰবাহ নিৰ্দেশ আৰু চিত্ৰৰূপ লেখকৰ নিজা।*

* *চিত্ৰৰূপৰ ক্ষেত্ৰত লেখকে কিছু পৰিৱৰ্তন কৰিছে।*

*(প্ৰকাশ কালঃ ১৯৮৭-৮৮)*

# সংস্কৃতিৰ সংগ্ৰামত শিল্প–সাহিত্য

কনক কুমাৰ চন্দ
প্ৰবক্তা, বাংলা বিভাগ

সংস্কৃতি এটি জটিল আৰু বিতৰ্কিত বিষয়। কেৱল শিক্ষা–সাহিত্যই সংস্কৃতি নহয়; কিন্তু নিঃসন্দেহে এটি বলিষ্ঠ অংগ। শিল্প–সাহিত্যত ধৰা থাকে সংস্কৃতিৰ সংগ্ৰামৰ বিৱৰ্ত্তনৰ ধাৰাবাহিকতা। উচ্চাৰিত হৈ থাকে উত্তৰণৰ বাণী। সংস্কৃতিৰ সংগ্ৰামত শিল্প সাহিত্যৰ ভূমিকা সেয়ে বিৰাট আৰু বিশাল। মানুহৰ উদ্যম যত প্ৰধান, সমাজ তাত প্ৰতিবিম্বিত হ'বই আৰু প্ৰতিবিম্বিত হ'বই সমাজৰ দাবী। মানুহেই শিল্পৰ স্ৰষ্টা। শিল্প সেয়ে মানুহৰ ওচৰত দায়বদ্ধ। সমাজ বিকাশৰ সংগ্ৰামত, সংস্কৃতিৰ সংগ্ৰামত শিল্পই সেয়ে ভূমিকা পালন কৰি যাবই লাগে। আৰু তাতেই আছে শিল্পৰ সাৰ্থকতা।

কডৱেলে কৈছিল — "Art is the product of Society, as the pearl is the product oyster, and to stand outside art is to stand inside poetry." (*Illusion & Reality*).

মেক্সিম গৰ্কিয়ে কৈছিল — *Everything man has done, every single that exists, contains some particle of man's soul. This pure and noble soul is contained in science and in art in greater degree than in anything else...., (On Literature).*

মানুহৰ আদিমতম শিল্পকলা বোধহয় চিত্ৰকলা আৰু তাৰ পিচত কবিতা। সৰল কাৰুকাৰ্যহীন আঁকেৰে মানুহে আঁকিছে তাৰ নিত্যদিনৰ অভিজ্ঞতা।



জীৱন–যাপনৰ প্ৰয়োজনত অস্তিত্ব ৰক্ষাৰ প্ৰয়োজনত নিত্যদিনৰ জীৱন সংগ্ৰামৰ প্ৰতিচ্ছবি যি কৰিছে প্ৰতিবিম্বিত। দিন অতিক্ৰান্ত হৈছে। মানুহ ক্ৰমে ক্ৰমে মানুহ হৈ উঠিছে। কণ্ঠনলীৰে বাহিৰ হোৱা জান্তৱ ধ্বনি এটা সময়ত বাঙ্ময় হৈছে। আৰু তেতিয়াই জন্ম হৈছে ছন্দবদ্ধ, কবিতা, সুৰবদ্ধ সংগীত। সঙ্গীত, কবিতাই মানৱ মনৰ অন্যতম প্ৰথম শিল্পকৰ্ম। কডৱেলে কৈছে "Poetry is one of the earliest aesthetic aetinities of the human mind" (Illusion and Reelity)। কবিতা, সঙ্গীত যিমানে জন্ম হৈছে, মানুহৰ মনো সিমানেই সক্ৰিয় হৈছে। অৰ্থাৎ মানুহৰ শ্ৰম যেতিয়া উদ্দেশ্যযুক্ত শ্ৰম, প্ৰতিটি কৰ্ম্মই তেতিয়া উদ্দেশ্যযুক্ত কৰ্ম। মানুহৰ নিয়োজিত এই শ্ৰমেই শিল্পৰ জন্ম দিছে। সৌন্দৰ্য্য সৃষ্টিৰ উদ্দেশ্য লৈয়েই শিল্পৰ জন্ম হোৱা নাছিল। কডৱেলে কৈছে – – "The poetry is any modern sense" is not, Pure' poetory (*Illusion and Reality*)

আদিম শিল্প মূলতঃ প্ৰতীকী। চাওতাল, ওৰাওঁ, মুণ্ডা হো, সবৰ প্ৰভৃতি আদিবাসীৰ শিল্প নিদৰ্শন সেয়ে মূলতঃ প্ৰতীকী। জুম বান্ধি নৃত্য কৰাৰ প্ৰয়োজনে শ্ৰমৰ ক্লান্তিক সহজ কৰি লোৱাৰ কাৰণে ধ্বনি প্ৰধান সংগীতৰ সৃষ্টি হয়। বিকাশৰ পৰৱৰ্তী পৰ্য্যায়ত আহিছে যাদুবিদ্যা। সংগীত হৈছে যাদুৰ মন্ত্ৰ। সৌন্দৰ্য্যবোধ ধীৰে ধীৰে বিকাশ হৈছে সামাজিক অৱস্থাৰ পৰিবৰ্ত্তনৰ লগে লগে শিল্পীৰ অৱস্থাৰ পৰিবৰ্ত্তনৰ ফলত। আৰ্নষ্টফিচাৰে কৈছে — "The original magic gradually become differientaited into religion science and art." (*Necessaty of Art*)

সভ্যতাৰ উন্মেষত সমাজ হৈছে শ্ৰেণী বিভক্তা সমাজত শিল্পৰ চৰিত্ৰগত বৈশিষ্ট্য বদলি গৈছে। মুষ্টিমেয় শোষক শ্ৰেণীৰ হাতত উৎপাদনৰ উপায় আৰু সম্পদ হৈছে কুক্ষিগত। শ্ৰেণী বিভক্ত সমাজত শিল্প হৈ উঠিছে শাসক শ্ৰেণীৰ বিলাস, অৱসৰ–বিনোদনৰ বিষয়। ব্যাপক মানুহৰ এই শিল্পৰ সতে আত্মাৰ সংযোগ অনুভৱ কৰা নাই এওঁলোকে। শ্ৰেণী বিভক্ত সমাজ গঢ়ি উঠাৰ প্ৰাথমিক পৰ্ব্বৰ অধ্যায়টো হৈছে মহাকাব্যৰ যুগ। সমাজ সম্পূৰ্ণৰূপে শ্ৰেণী বিভক্ত হৈ যোৱাৰ পাচত মহাকাব্যৰ যুগো শেষ। তেতিয়া স্থান লাভ কৰিছে ধৰ্ম্মই। ধৰ্মৰ বিৰুদ্ধেও জন্ম হৈছে অবিশ্বাস। এই অবিশ্বাস শোষক শ্ৰেণীৰ নিজৰেই। কিয়নো ধৰ্ম্মক শ্ৰেণী শাসনৰ হাতিয়াৰ ৰূপে তেওঁলোকে নিজেই গঢ়ি তুলিছে।

শিল্পক তেওঁলোকে পৃথক কৰি ল'লে কেৱল মাত্ৰ সৌন্দৰ্য্য তত্ব সাধনাৰ ক্ষেত্ৰ হিচাবে। শিল্প বিচ্ছিন্ন হৈ পৰিল সত্য আৰু বাস্তৱ ভূমিৰ পৰা। শাসক শ্ৰেণীয়ে মাটিৰ সতে সম্পৰ্ক হেৰুৱাই পেলাইছে। তেওঁলোকৰ স্বাধীনতাও আপেক্ষিক। কডৱেলৰ ভাষাত —"The ruling class has become blind and there fore unfree." *(Illusion and Reality)*। শ্ৰেণী সমাজত প্ৰাণৰ আবেগ বশীভূত হয় নিষ্ঠুৰ নিস্পেষণত। বন্দী হয় মানৱতা শোষণৰ নিৰ্যাতনত। শ্ৰেণী সমাজৰ পৰিৱেশ সেয়েহে হয় বন্ধ্যা ভূমি। মহৎ শিল্প সৃষ্টিৰ অন্তৰায়।

লেনিনে কৈছিল —"Life will assert itself." জীৱনে নিজকে প্ৰতিষ্ঠিত কৰিবই। প্ৰতিকূল পৰিৱেশতো সেয়েহে শিল্প বিকশিত হয়। সংগ্ৰাম মুখৰিত মানৱ ইতিহাসৰ আখৰে আখৰে তাৰ বোধন ৰাগিনী ছন্দিত হয়। মহত্তৰ জীৱনৰ আগমনী নৃত্যৰ নুপুৰ শিঞ্জন তাৰ অতিক্ৰান্ত পথে পথে আজিও ধ্বনিত হয়। মেক্সিম গৰ্কিয়ে কৈছিল — "It is stupid to say that culture is a bourgeious invention and therefore bad for us. Culture belongs to us, it is our lawful property, our inheritence. we'll find out ourselves what is superfluous in it and cast aside whatever is not wanted." (*Fragments from my Diary*)"।

শ্ৰেণী সমাজত শ্ৰেণী সংঘাতৰ ঘাত-প্ৰতিঘাতত শিল্প বিকশিত হয়। শাসক শ্ৰেণীয়ে শিল্পক তেওঁলোকৰ বিলাসৰ বস্তুলৈ ৰূপান্তৰিত কৰি চাৰিবেৰৰ মাজত বন্দী কৰিব বিচাৰিলেও সামাজিক পৰিবেশৰ ঘাত-প্ৰতিঘাতে শিল্পীৰ চেতনাক কৰি তোলে ক্ষত-বিক্ষত। লগে লগে নিপীড়িত শ্ৰেণীৰ নিজৰ সংস্কৃতিৰ ধাৰাটিও একত্ৰিত হয়। লোক-শিল্প, লোক-সংগীত, লোক-গাথাত সেই ধাৰা বংশ পৰম্পৰাতেই প্ৰবাহিত হৈ থাকে। মধ্যযুগীয়া শিল্প সাহিত্যৰ মাজত সেয়ে ঈশ্বৰ কেন্দ্ৰীকতা বা কুসংস্কাৰৰ প্ৰবলতা থাকিলেও চেতনাক একেবাৰে ত্যাগ কৰাটো ঠিক নহ'ব, কাৰণ ইয়াতেই আমাৰ উত্তৰাধিকাৰ, আমাৰ আগবাঢ়ি যোৱাৰ মন্ত্ৰ। শ্ৰেণীহীন, শোষণহীন সমাজত শিল্পসাহিত্য সেই উত্তৰাধিকাৰৰ বিকশিত ৰূপ। আমাৰ সংগ্ৰাম শ্ৰেণী সভ্যতাৰ বিৰুদ্ধে, মানৱ সভ্যতাৰ বিৰুদ্ধে নহয়।

গৰ্কীৰ *মা (Mother)* উপন্যাসত মাৰ সেই উক্তি 'মানুহে প্ৰাণ দিছিলে বুলিয়েই আমি যীশুক পাইছিলো। নহ'লে ক'ত পাম তেওঁক....।' জাৰৰ



পুলিচৰ আক্ৰমনত যে দিৱসৰ মিছিলৰ ছত্ৰভংগ শ্ৰমিক জনতা 'মা'ৰ এই উক্তিত সংগ্ৰামৰ নতুন শপত বিচাৰি পাইছিল। এই চাৰ্চৰ চাৰিবেৰৰ মাজত আবদ্ধ যীশু নহয় —, মাৰ যীশু সেই সংগ্ৰামী মানৱতা, যি ক্ৰুসবিদ্ধ মূৰৰ কাঁইটৰ মুকুট, অত্যাচাৰীৰ বিৰুদ্ধে বুকু ফিন্দাই থিয় হয়। আমি তাক অৱহেলা কৰোঁ কোন যুক্তিৰে?

মধ্যযুগৰ কৃষক জনতাৰ মুখে মুখে ৰচিত লোক-গাথাত বিচাৰি পোৱা যায় বন্দীমানৱতাৰ সংগ্ৰামৰ বহু নিদৰ্শন। **ঈশ্বৰ নাৰৰীয়াৰ প্ৰাৰ্থনাৰ** — 'মোৰ সন্তান যেন থাকে দুধে-ভাতে', যি প্ৰাৰ্থনাই কি সামন্ত সমাজৰ নিস্পেষিত কৃষক সমাজৰ অভাৱ যন্ত্ৰণাৰ ধ্বনিক নগ্নভাৱে প্ৰকাশ কৰা নাই? লোক-সংগীতত প্ৰবাহিত হ'ব পাৰে বিদ্ৰোহ-বিপ্লৱ আৰু সংগ্ৰামৰ অজস্ৰ ছবি। য'ত ৰপাৰ্টাকাচৰ মহিমা, সিধু-কানুৰ মহিমা ৰজকীয় মহিমা। ৰূপ-কথাৰ আঁৰত থাকে নিস্পেষিত শ্ৰেণীৰ যন্ত্ৰণা স্বপ্ন।

সমাজ বিকাশৰ ছন্দিত ছন্দতেই শিল্পৰ বিকাশ, মানৱতাৰ জয় যাত্ৰা। কোনো ক্ৰীতদাস নিগ্ৰোৱে যেতিয়া শৰীৰৰ ঘাম আৰু চকুপানীৰে মাটি তিয়াই গায় —

'Oh freedom, oh freedom
oh Freedom over me...'

কিংবা নিগ্ৰো লোক সংগীতত যেতিয়া প্ৰশ্ন তোলা হয় —Tell me dady What colour is God's skin? আৰু তেতিয়াইতো মানৱতাৰ তীব্ৰ আক্ৰোশত গৰ্জন কৰি কৈ উঠে —

"And before I'll be a slave
I will beernied in my grave"

বুৰ্জোৱা অভ্যুদয়ৰ যুগত নৱগজাগৰণৰ যুগত সংস্কৃতিৰ সৰ্ব্বস্থানতে কুলপ্লাৱী জোৱাৰ। শিল্প সাহিত্যকো সেই জোৱাৰে প্লাৱিত কৰে। যাৰ উৎস্থাপনত আছিল মানৱিক বোধ। অভিজাত শ্ৰেণীৰ অধিকাৰক আঘাত কৰিবলৈ গৈ বুৰ্জোৱা শ্ৰেণী আন্দোলনৰ জাল ব্যাপক মানুহৰ মাজত প্ৰসাৰিত কৰি দিছিল। অভিজাতৰ সংকীৰ্ণ সীমা সেয়ে ভাঙি পেলাব বিচাৰিছিলে শিল্প-সাহিত্যই। শিল্প নামি আহিল মাটিৰ পৃথিৱীলৈ। শ্যেলীৰ দৰে প্ৰতিভাই শ্ৰমজীৱীৰ যন্ত্ৰণাক কবিতাত স্থান দিলে। সেয়েয়ে কালমাৰ্ক্সে বাইৰণৰ লগত তুলনা কৰিবলৈ গৈ

শ্যেলীৰ মাজত বিচাৰি পালে বিপ্লৱী চৰিত্ৰ। কিয়নো বায়ৰণৰ মাজত আছিল মাত্ৰ বিদ্ৰোহৰ ধ্বনি — নাছিল কোনো পথৰ সন্ধান, কিন্তু শ্যেলীৰ অন্তৰ তেওঁৰ west wind ৰ দৰে মাত্ৰ 'Destroyer' এই নহয় 'preserver' ও।

বাস্তৱ বা Reality কেৱল বস্তু নহয় বা মনো নহয়, এই দুয়োৰে বৰং দ্বন্দ্বমূলক সম্পৰ্ক আৰু সত্য বা truth হৈছে বস্তুৰ লগত মনৰ, মানুহৰ লগত প্ৰকৃতিৰ এই অবিচ্ছিন্ন বিৰোধ আৰু মিলনৰ ফল। সাহিত্যৰ প্ৰাণ সন্ধান কৰিব লাগিব এই দ্বন্দ্ব আৰু মিলনৰ সাৰ্বিক পৰিপ্ৰেক্ষিতত।

এঙ্গেলচে কৈছিল — "Freedom is the recognition of necessity" — আৰু যিহেতু হেমলেট, মেকবেথ, অ'থেলা কিম্বা কিং লিয়েৰ, কাৰোৰ মাজত এই স্বীকৃতি নাই, সিবিলাকৰ পৰিণামো ট্ৰেজিক। চেক্সপীয়েৰৰ এই বাস্তৱতাই কাৰ্লমাৰ্ক্সকো আকৰ্ষণ কৰিছিল। তৰুণ লেখক সকলক তেওঁ কৈছিল — চেক্সপীয়েৰৰ লেখাৰ পৰা শিক্ষা ল'বলৈ। উৎপল দত্তৰ মুখতো সেই একেই কথাৰে প্ৰতিধ্বনি — "Read, read and again read Shakespeare."

এই সত্য আৰু বাস্তৱতাই যেনেকৈ শিল্পৰ বিকাশত পৰিবৰ্তন ঘটাই দিয়ে তেনেকৈ বুৰ্জোৱা বিকাশৰ যুগত শিল্পৰ জগতত নতুন নতুন দিগন্তৰো উন্মোচন হ'ল। যেনেকৈ উপন্যাস। উপন্যাস বুৰ্জোৱা সমাজৰ সৃষ্টি আৰু অন্যতম শ্ৰেষ্ঠ সৃষ্টি। ৰালফ্ ফক্সে কৈছিল — 'উপন্যাস কেৱল মাত্ৰ গদ্য কাহিনী (Fictional prose) নহয়। উপন্যাস হ'ল মানুহৰ জীৱনৰ গদ্য, উপন্যাস হ'ল মানুহক সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ আৰু তাক অভিব্যক্তি দিয়াৰ প্ৰথম নান্দনিক প্ৰচেষ্টা।'' (*নভেল এণ্ড দি পিপ'ল* / অনুবাদ সিদ্ধাৰ্থ ঘোষ)। বিকাশৰ আৰু উন্নত পৰ্য্যায়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিস্ময়ৰক অৱদান চলচ্চিত্ৰ। জাঁ নিট্ৰিয়ে কৈছে — "The novel is a narrative that arranges itself in the world, while cinema is the world that arranges itself in the narrative"। উপন্যাসত জগত ভাষাৰ মাধ্যমত পাঠকৰ সন্মুখত উন্মুচিত হয় আৰু চলচ্চিত্ৰত জগতেই ভাষাৰূপে দৰ্শকৰ সন্মুখত উপস্থিত হয়। সেয়ে জনমানসত চলচ্চিত্ৰৰ ভাৰ পেলোৱাৰ ক্ষমতা অপৰিসীম। মাৰ্কিন সংস্কৃতিৰ বিশাৰদ সকলে আজি নিৰ্দ্বিধাৰে কয় আধুনিক মাৰ্কিন সংস্কৃতিৰ বহু অংশই হলিউদৰ অৱদান। আমাৰ দেশৰো হিন্দী ছবি, ই এনেকুৱা এক হিন্দী ভাষাৰ জন্ম দিছে যে মূল হিন্দী ভাষাৰ লগত তাৰ বহুতো পাৰ্থক্য দেখা যায়। হিন্দী



ছবিত এনে এক জগত দেখুওৱা হয়, যি জগত ভাৰতবৰ্ষত নাই। আনকি বিহাৰ, উত্তৰপ্ৰদেশ বা মধ্যপ্ৰদেশৰ জনজীৱনৰ পৰা সি সম্পূৰ্ণ বিচ্ছিন্ন আৰু গণ বিমুখী প্ৰৱণতা।

বুৰ্জোৱা বিকাশৰ যুগত মানৱিক বোধৰ টানত শিল্পীসকল যেতিয়া মাটিলৈ নামি আহে, ঈশ্বৰ আৰু অভিজাতক ত্যাগ কৰি শিল্পলৈ আহিল প্ৰাণবন্যাৰ জোৱাৰ। কিন্তু ধনতন্ত্ৰ যেতিয়া বিকাশৰ চূড়ান্ত পৰ্য্যায় পাইছেগৈ, বুৰ্জোৱা শিল্পত তেতিয়া অৱক্ষয়ৰ চিহ্ন পৰিলক্ষিত। অৰ্থনীতিত এই সময়ত দেখা দিলে — "Product dominates the producers" আৰু শিল্পৰ ক্ষেত্ৰত "Arts dominates the Artists"। নৱজাগৰণৰ যুগত শিল্পৰ দাবী আছিল মানুহৰ সতে বস্তু জগতৰ সেতুবন্ধন। বুৰ্জোৱা বিকাশৰ চূড়ান্ত পৰ্য্যায়ত শিল্প বাস্তৱ জগতৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিল। শিল্প এতিয়া শিল্পৰ বাবে — 'Art for Art's sake'। চুৰিয়েলিজমৰ পৰা নিহিলিজম —আচলতে বুৰ্জোৱা শিল্প এতিয়া হতাশা আৰু আত্ম প্ৰৱঞ্চনাৰে ভৰপূৰ। অথবা কবি এলিয়টৰ দৰে অতীত গৌৰৱত মুক্তি বিচাৰে বুৰ্জোৱা শিল্পীসকলে। "......in the Juvenenscence of the year/came Christ the tiger." (*The waste land*)। অথচ সুন্দৰ তমৰ ঠিকনাতো ভৱিষ্যতৰ গৰ্ভত অতীত কোনো দিনেই সুন্দৰনাছিল, অগণিত মানুহৰ চেপা কান্দোনেৰে অতীতৰ দিনবিলাক যন্ত্ৰণাৰে তিক্ত। আনকি ৩০/৩৫ হাজাৰ বছৰৰ আগৰ কোনো কোনো নৰকঙ্কাল পৰীক্ষা কৰি চাই বৈজ্ঞানিক সকলে কৈছে — "সেই হতভগীয়া সকলৰ মৃত্যু হৈছিল অপুষ্টিত"। বুৰ্জোৱা অৱক্ষয়ৰ যুগৰ আৰম্ভণিৰে পৰা শিল্প সেয়ে হৈ উঠিলে মৃত্যু আৰু অৱক্ষয়ৰ ক্লেডেৰে সিক্ত। এলিয়টৰ দৰে বহুতেই প্ৰবেশ কৰিলে গীৰ্জাৰ অভ্যন্তৰত, শুনালে শান্তি পাঠ।

"Let us therefore make perfect our will, O God, help us."
[Choruses from *'The Rock'*]

সকলোতকৈ বিভৎস চেহেৰা দেখা দিলে চলচ্চিত্ৰ শিল্পত। চলচ্চিত্ৰ এনে এক শিল্প যি সম্পূৰ্ণ পুঁজি নিৰ্ভৰ। অৰ্থৰ যোগান, ৰিলিজ চেন্, চেন্সৰ প্ৰথা প্ৰভৃতি অক্টোপাচৰ বান্ধোনত পৰি পুঁজিবাদী সমাজত চলচ্চিত্ৰ শিল্পৰ স্বাধীন বিকাশ প্ৰায় অসম্ভৱ হৈ পৰে। Film Industry ত যি ছবি তৈয়াৰ হয়, সেই ছবি শিল্প প্ৰভু সকলৰ ফৰমাইচী ছবি। সমাজ বিৰোধী সকলেই তাৰ নায়ক।

চি, আই, এ, ৰ এজেণ্ট জেমচ বণ্ড হয় তাত সকলোতকৈ বুদ্ধিদীপ্ত মানুহ। অথচ বাস্তৱেতো তাৰ উলোটা কথাকে কয়। চি, আই, এ, তো স্বাধীনতাৰ শত্ৰু আৰু সমাজ সভ্যতাৰ শত্ৰু।

"Everything become is moral, not only peoples, Languages races but cultures are transient" স্পেংলাৰৰ ই উন্মাদ প্ৰলাপত অবক্ষয়ী বুৰ্জোৱা সভ্যতাৰ ধ্বজাবাহীসকল আত্মতৃপ্ত হ'ব পাৰে কিন্তু জীৱনে শেষ পৰ্য্যন্ত আত্ম প্ৰতিষ্ঠাৰ গান গাবই। কবি মায়াক' ভস্কিয়ে লিখিছিলে — 'এই জীৱনত মৰাতো সহজ, জীৱন গঢ়া বৰ কঠিন।' সেই কঠিন সংগ্ৰাম আজি শিল্প সাহিত্যৰ সংগ্ৰাম। বিশ্ব সাহিত্যত এই সংগ্ৰামৰ সূচনা কৰিছিলে ম্যাক্সিম গোৰ্কিয়ে।

নাজিম হিকমতে লিখিছিলে — 'সেই শিল্পই খাটি শিল্প, যাৰ দাপোনত জীৱন প্ৰতিফলিত হয়।' শিল্পৰ দায়বদ্ধতা বাস্তৱৰ ওচৰত, সত্যৰ ওচৰত। সেয়ে ষ্টেলিনৰ দাবী আছিল — "The people want literature to help them to root up the last remnant of the mentality of propertied individuals." শিল্পৰ ওচৰত এই দাবীয়েই আজিৰ যুগৰ মানৱ সভ্যতাৰ দাবী এই দাবীয়েই আজিৰ যুগৰ সংস্কৃতিৰ দাবী।

কবি নাজিম হিকমতে স্বপ্ন দেখিছিল,

*প্ৰিয়তমা মোৰ, নিশ্চয়কৈ জানি থোৱা*
*এই সুন্দৰ দেশত*
*স্বাধীনতা মনৰ সুখতে ঘূৰিব ফুৰিব*
*মলিন পোচাক গাত পিন্ধি*
*মজদুৰৰ পোচাক পিন্ধি ঘূৰি ফুৰিব।*

— ৰুটি আমি বিচাৰো, লগে লগে বিচাৰো দুৰন্ত স্বাধীনতা যি আগুৱাই লৈ যাব মানৱিক বিকাশ। শিল্প যদি হয় আমাৰ সুন্দৰতম অনুভূতিৰ প্ৰকাশ। তেন্তে শিল্প হ'ব লাগিব সেই সংগ্ৰামৰ হাতিয়াৰ যি সংগ্ৰামে সুন্দৰতম পৃথিৱী গঢ়ি তুলিব। শিল্প জগতৰ মহান শ্বহীদ পাবলো নেৰুদাই কৈছে — "আমি কোনো যাদু বিধ্বস্ত আত্মা নহও যি আত্মা অন্ধকাৰ কোনো দ্বীপলৈ ঘূৰি যাব। আমি হ'লোঁ এক যুক্তিবাহী সমাজ ব্যৱস্থা তৈয়াৰ কৰাৰ যোদ্ধা আৰু এক অজেয় আত্মোপলব্ধিৰ হোতা সেয়ে আমাৰ সৃষ্টি বা সংগ্ৰাম এক গঠনমূলক



শক্তিৰ সন্মিলিত অংশ।"

যুদ্ধৰ বিভীষিকা, শোষণৰ যন্ত্ৰণা, আসাম্যৰ বিষ বাষ্প যি আবহমান কাল পৃথিৱীৰ বুকুত জীয়াই ৰাখিব বিচাৰে, আজিৰ মানৱ সভ্যতাৰ যুদ্ধ অৱক্ষয়ী শ্ৰেণী সভ্যতাৰ বিৰুদ্ধে। প্ৰস্ফুটিত গোলাপৰ আকাঙ্ক্ষা দুৰ্বাৰ গণ সংগ্ৰামত লিপ্ত আজিৰ পৃথিৱী। শিল্প সাহিত্য সেই দুৰ্বাৰ সংগ্ৰামৰ এক প্ৰাণৱন্ত শক্তি। ■

*[লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ বাংলা বিভাগৰ প্ৰাক্তন অধ্যাপক তথা বিশিষ্ট লেখক। — সম্পাদক]*

*(প্ৰকাশ কাল : ১৯৯১-৯২)*

# সাংবাদিকতাৰ ইতিহাসঃ ভাৰতীয় আৰু আন্তৰ্জাতিক সাংবাদিকতাৰ প্ৰসংগ

বিকাশ মৰাণ
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

পৃথিৱীৰ চতুৰ্দিশে কি ঘটিছে সেয়া জনাৰ বাবে মানুহৰ মন সদায়েই উদ্বিগ্ন হৈ থাকে। প্ৰাচীন কালত, যেতিয়া যোগাযোগৰ কোনো মাধ্যমেই নাছিল, তেতিয়াও মানুহৰ মুখে মুখে বাতৰি সৰবৰাহ হৈছিল। সেই সময়ত শাসকৰ কোনো ঘোষণা বা আদেশ প্ৰচাৰ কৰিবলৈ হ'লে ঢোল পিটি জনাই দিয়া হৈছিল। কোনো সমস্যাৰ সন্মুখীন হ'লে শাসকে জনতাৰ মাজত গুপ্তচৰ নিয়োগ কৰি সত্যাসত্য পৰীক্ষা কৰিছিল।

পৰৱৰ্তী কালত ছপাখানা আবিষ্কাৰ হোৱাৰ পিছত জন্ম হ'ল সংবাদপত্ৰ। ১৪৪০ চনত চীন দেশেই সৰ্বপ্ৰথমে ছপা সংবাদপত্ৰ প্ৰচলন কৰে আৰু চীনতেই পৃথিৱীৰ প্ৰথম চৰকাৰী সংবাদপত্ৰখনৰ জন্ম হয়, যাৰ নাম 'পিকিং গেজেট'। ইউৰোপে চীনৰ এই ছপা পদ্ধতিৰ সূচনা পাই তাক আৰু অগ্ৰগতিৰ পথলৈ লৈ যায়। আমাৰ ভাৰতৰ গোৱাত প্ৰথমে পৰ্তুগীজ খৃষ্টান মিছনাৰীসকলে ১৫৫০ চনত ছপাশাল খোলে। প্ৰথমে এই ছপাশাল বিলাকৰ পৰা খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে সৰু সৰু পুস্তিকা প্ৰচাৰ কৰা হৈছিল জনগণৰ চাহিদা তাৰ দ্বাৰাই পূৰণ নহৈছিল, ভাৰতীয় সকলে তাকে দেখি উজ্জীৱিত হয়।

পঞ্চদশ শতাব্দীত ৰোমত দূতৰ দ্বাৰাই ৰাজধানীৰ পৰা ব্যৱসায় আৰু ৰাজনীতিৰ যাৱতীয় বাতৰি অন্য দেশলৈ প্ৰচাৰ কৰিছিল। পঞ্চদশ শতাব্দীতেই ৰোমান সাম্ৰাজ্যত জুলিয়াচ চীজাৰৰ আবিৰ্ভাৱৰ ফলত *একটচ্ ডায়ৰাণা* (*Acts Dyrana*) নামৰ সংবাদ বুলেটিনৰ জন্ম হ'ল। এইখন চৰকাৰী বাতৰি কাকত। ইয়াৰ ওপৰিও *Acts Sannate's* আৰু *Acts Publica* নামে আৰু দুখন বাতৰি কাকত পিছলৈ প্ৰকাশ হৈছিল। এই দুখনৰ এখনত কেৱল চিনেটৰ বাতৰি আৰু আন খনত সৰ্বসাধাৰণৰ বাতৰিৰ লগতে চৰকাৰৰ অৰ্থনীতিৰ বাতৰিও ছপা কৰিছিল।



সেই সময়ত পশ্চিম জাৰ্মানীৰ দোকান বজাৰ আৰু মেলা আদিত বাতৰি বিক্ৰী হৈছিল বুলেটিনৰ আকাৰত। পঞ্চদশ শতাব্দীত অষ্ট্ৰিয়া, নেদাৰলেণ্ড আৰু ইটালিতো অনুৰূপ ধৰণে ক্ষুদ্ৰ ক্ষুদ্ৰ সংবাদ বুলেটিন প্ৰকাশ হ'ব ধৰিছিল।

ষষ্ঠদশ শতাব্দীত জাৰ্মান, নিউজিলেণ্ডত কেইখনমান সংবাদপত্ৰ প্ৰকাশিত হয়, যাৰ ভালেকেইখন এতিয়ালৈকে জীয়াই আছে। নিউজিলেণ্ডৰ *Newsithing* আৰু ইংলেণ্ডৰ প্ৰথম দৈনিক কাকত *Daily Current* ১৯০২ চনৰ ১১ মাৰ্চৰ পৰা প্ৰকাশ হ'বলৈ ধৰে। অন্যান্য দেশৰ প্ৰথম বাতৰি কাকত হ'ল, *Gazette De France* (France 1641), *Gazettran State* (Beligium 1667), *Frunk Further Journal* (Germany), *Journal De Jeneva* (Switzerland), *Public Occurances* (America), And *Vaitviya News* (Japan) আদি।

বেঞ্জামিন হেৰিচ নামৰ এজন চাহাবে ১৬৯০ চনত চেপ্তেম্বৰ মাহৰ ২৫ তাৰিখৰ পৰা এই 'পাবলিক অকাৰেন্স' নামৰ কাকতখন প্ৰকাশ কৰে। এইখন আছিল 4 পৃষ্ঠাৰ মাহেকীয়া পত্ৰিকা কিন্তু এই কাকতখন বেছি দিন নচলিল। ইয়াৰ পিছত অন্য এখন কাকত Boston News Utters ১৭০৪ চনৰ এপ্ৰিলৰ পৰা প্ৰকাশ হ'বলৈ ধৰে। *New York Times*, *Washington Post* আৰু *Christian Science Monitor* যথাক্ৰেমে ১৮৫১, ১৮৭৭ আৰু ১৯০৮ চনৰ পৰা প্ৰকাশ হ'বলৈ ধৰে। ১৯৭১ চনৰ ১৯ অক্টোবৰৰ দিনা *New York Times* ৰ ৰবিবাৰৰ বৃহৎ বিশেষ সংখ্যা হিচাপে প্ৰকাশ পায়। ১৫ কলম বিশিষ্ট ৯৭২ পৃষ্ঠাৰ এই কাকতখনৰ ওজন আছিল ৩ কিলোগ্ৰাম আৰু মূল্য আছিল চাৰি ডলাৰ।

ভাৰতৰ প্ৰথম কাকত হ'ল *বেংগল গেজেট*। এই কাকত *কেলকাটা জেনেৰেল এডভাটাইজৰ* নামেও পৰিচিত। এই কাকতৰ প্ৰতিষ্ঠাতা জেমচ আগাষ্ঠাচ হিকি হোৱাৰ বাবে ইয়ক হিকি গেজেটো বোলা হয়। ১৭৮০ চনৰ

২৯ জানুৱাৰীৰ পৰা প্ৰকাশ হ'ব ধৰা এই কাকতত তেওঁ স্বাধীনভাৱে মতামত প্ৰকাশ কৰিছিল ; মূলত ৰাজনীতি আৰু ব্যৱসায় সংক্ৰান্ত আলোচনাই ইয়াত স্থান পাইছিল। এই কাকতকেই ভাৰতত প্ৰথম সংবাদপত্ৰ বুলি ধৰি লৈ সাংবাদিকতাৰ দুশ বছৰীয়া পূৰ্তি উৎসৱ ইতিমধ্যে পালিত হৈছে।

হিকিয়ে ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ধনী সম্প্ৰদায়ৰ চোৰাং কাৰবাৰীৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰিছিল। ওৱাৰেন হেষ্টিংচো তাৰ পৰা বাদ নপৰিছিল, ফলত ওৱাৰেন হেষ্টিংচকে আদি কৰি বহুতৰে বিষ দৃষ্টিত পৰিব লগা হৈছিল। ১৭৮০ চনৰ ১৪ নৱেম্বৰৰ দিনা ওৱাৰেন হেষ্টিংচে এক আদেশ জাৰী কৰি কয় যে *বেংগল গেজেট* ডাকত পঠাব নোৱাৰিব। সেই মাহতেই কলিকতাৰ পৰা প্ৰকাশ হ'ল *ইণ্ডিয়া গেজেট*। ১৭৮৪ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰতৰ তৃতীয় কাকত *কেলকাটা গেজেট* ওলাল।

১৭৯৫ চনত মাদ্ৰাজৰ পৰা 'মাদ্ৰাজ গেজেট' (উইকলি) ওলায়। ১৭৯৯ চনৰ ২৯ জুনৰ দিনা চৰকাৰে উক্ত কাকতৰ ওপৰত চেঞ্চৰশ্বীপ আৰোপ কৰে, দীৰ্ঘ ১৭ বছৰৰ পিছতহে এই চেঞ্চৰশ্বীপ উঠাই লোৱা হৈছিল। ১৮১৮ চনৰ ১৮ আগষ্টৰ দিনা চৰকাৰে এনে নিৰ্দেশ জাৰী কৰে যে, সম্পাদক সকলে চৰকাৰ আৰু জনসাধাৰণৰ ওপৰত বেয়া প্ৰতিক্ৰিয়া হয়, তেনে বাতৰি ছপাব নোৱাৰিব।

১৮২৬ চনৰ ৩০ মে'ৰ দিনা কলিকতাৰ পৰা প্ৰথম হিন্দী সংবাদপত্ৰ *Udant Martand* প্ৰকাশ পায়। সেই কাকতৰ প্ৰতিষ্ঠাতা আছিল যুগল কিশোৰ সুকুল। এই কাকতত স্বদেশী, বিদেশী সংবাদ আৰু চৰকাৰী ঘোষণাপত্ৰ প্ৰকাশিত হৈছিল। এই কাকত তেৰ বছৰ চলাৰ পিছত ১৮৩৮ চনৰ ১১ ডিচেম্বৰৰ পৰা বন্ধ হৈ যায়। হিন্দী ভাষী এলেকাৰ প্ৰথম কাকত হ'ল *Baneras Akhbar* এই কাকত প্ৰকৃততে উৰ্দু সাপ্তাহিক দেবনাগৰী লিপিত ১৮৪৫ চনত প্ৰকাশ হৈছিল।

প্ৰথম হিন্দী দৈনিক 'সমাচাৰ সুধা বৰ্ষন' ১৮৫৪ চনৰ পৰা বাবু শ্যামসুন্দৰ সেনৰ সম্পাদনাত প্ৰকাশ হয়। পিছৰ বছৰ 'দৈনিক হিন্দুস্থান' ওলায়। ইয়াৰ প্ৰকাশক আছিল ৰাজা ৰাম পাল সিং। ১৮৭৫ চনত ৰবাৰ্ট নাইটে '*Indian Statesman*' (ইংৰাজী) উলিয়াই। বৰ্তমান এই কাকত *The Statesman* নামেৰে পৰিচিত আৰু জনপ্ৰিয় হৈ উঠিছে। তাৰ পিছত আৰু তিনিখন



কাকত ওলায় *Bombay Times*, *Standard* আৰু *Telegraph* , পৰবৰ্ত্তী কালত কিছু ৰূপান্তৰ সাধন কৰি *Times of India* আৰু *The Hindu* নামেৰে এই কাকতবোৰ এতিয়াও প্ৰচাৰিত হৈ আছে।

১৮৭২ চনত লাহোৰৰ পৰা '*Civil and Military Gazette*' প্ৰকাশ হয়। ১৮৬৮ চনত এলাহবাদৰ পৰা *Pioneer* ওলায়। বিশিষ্ট সমাজসেৱী কেশৱ চন্দ্ৰ সেন তেওঁৰ কাকত 'পাব্লিক'ক দৈনিক *Indian Mirror* লৈ ৰূপান্তৰিত কৰে। ১৮৮৫ চনত কংগ্ৰেছৰ জন্মৰ পৰা ভাৰতীয় সাংবাদিকতাৰ কৰ্ম তৎপৰতা বৃদ্ধি হোৱাৰ ফলত জনগণৰ মাজত সাংবাদিকতাক বৃত্তি হিচাপে গ্ৰহণ কৰাৰ উৎসাহ-উদ্দিপনা বৃদ্ধি পায়। বাল গংগাধৰ তিলকে তেওঁৰ মাৰাঠী কাকত 'কেশৰী'ত ভাৰতীয় সাংবাদিকসকলৰ উদ্যম প্ৰতিফলিত কৰাত বৃটিছ চৰকাৰ তেওঁৰ ওপৰত ৰুষ্ট হৈ উঠে। এই সময়ৰ জনপ্ৰিয় সংগ্ৰামী সাংবাদিক সকল হ'ল সুৰেন্দ্ৰনাথ বেনাৰ্জী, মতিলাল ঘোষ, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, লালা লাজপৎ ৰায়, বিপিন চন্দ্ৰ পাল, শ্যামজী কৃষান বাৰ্মা আদি। এওঁলোকে স্বাধীন মত প্ৰকাশ কৰে আৰু স্বাধীনতাৰ বাবে সংগ্ৰাম কৰিছিল।

বিদেশৰ বহু জাতীয় সংবাদপত্ৰ ভাৰতীয় স্বাধীনতাৰ বাবে মঞ্চত উপস্থিত হৈছিল। সিবিলাকৰ ভিতৰত উল্লেখযোগ্য হ'ল *Free Hindustan* (America),*Talwar*, *Bande Materam*, *Indian Sociogist* আদি এই সকলোবিলাক ইউৰোপৰে বাতৰি কাকত আছিল। ভাৰতৰ সাংবাদিকতাৰ অগ্ৰগতিৰ বাবে মহাত্মা গান্ধীৰ পৰা আৰম্ভ কৰি গোখলে, তিলক পৰ্যন্ত সৰ্বশক্তি নিয়োগ কৰিছিল। তেওঁলোকৰ জলন্ত লেখনিত বৃটিছ চৰকাৰ অতিষ্ঠ হৈ উঠিছিল। সেই সময়তে ভাৰতীয় সাংবাদিকসকল দুটা ভাগত বিভক্ত হৈ পৰিছিল। এদলে স্বাধীনতাৰ বাবে বৃটিছৰ সৈতে যুদ্ধ কৰিছিল, আনদলে বৃটিছৰ পদলেহন কৰিছিল।

সেই সংগ্ৰামৰ সময়তে ১৮১৮ চনত পাটনাৰ পৰা প্ৰকাশ হৈছিল, 'চাৰ্চ লাইট'। ইয়াৰ প্ৰকাশক আছিল সচ্চিদানন্দ সিনহা। তেওঁ পিছত *Indian Nation* প্ৰকাশ কৰিছিল। ১৯০৯ চনত মদন মোহন মালবাই উলিয়াইছিল লীডাৰ এলাহাবাদ। ১৯১৪ চনত হিন্দী দৈনিক *আজ* বেনাৰচৰ পৰা উলাইছিল। *Hindustan Standard*, যুগান্তৰ *National Herald* প্ৰকাশ হৈছিল, ১৯৩৭

চনৰ পৰা। স্বাধীনোত্তৰ কালত ভাৰতত কেইবা হাজাৰো বাতৰি কাকত প্ৰকাশ হৈ আছে। সংবাদপত্ৰ জগতত অসমৰ অৱদানো প্ৰচুৰ। এতিয়া অসমৰ পৰাই ভাৰতৰ বিভিন্ন ভাষাত কেইবাখনো দৈনিক, সাপ্তাহিক আৰু পষেকীয়া পত্ৰিকা প্ৰকাশিত হয়।

ভাৰতৰ বিখ্যাত প্ৰকাশন এজেঞ্চী হ'ল 'Times of Indian Publication'। ভাৰতৰ বিভিন্ন ভাষাত ইয়াৰ পৰা বহু কাকত প্ৰকাশ কৰা হৈছে। একক সংবাদ পত্ৰ হিচাপে *Indian Express* এখন সংবাদপত্ৰ হিচাপে বহুল প্ৰচাৰিত দৈনিক কাকত।

**জৰুৰী অৱস্থাৰ ফল ঃ** ভাৰতৰ সংবাদপত্ৰলৈ এক অগ্নিপৰীক্ষা আহিল ১৯৭৫ চনৰ ২৫ জুনৰ দিনা, যিদিনা ভাৰতত জৰুৰী অৱস্থা ঘোষিত হ'ল। স্বাধীনতাৰ পিছত সাংবাদিকতাৰ জগতত এই সময়খিনিয়েই আছিল ক'লা দিৱস। এই সময়ৰ ভিতৰত বহু সংবাদপত্ৰৰ ওপৰত নিষেধাজ্ঞা জাৰী কৰা হয়। সংবাদপত্ৰৰ ওপৰত সংবাদ প্ৰকাশৰ ক্ষেত্ৰত চেঞ্চৰশ্বীপ জাৰী কৰা হয়। তাৰ পিছত কংগ্ৰেছ চৰকাৰৰ পতনৰ পিছত জনতা দলৰ শাসন কালত সংবাদপত্ৰ জগতত মুকলি বতাহ বয় আৰু পুনৰবাৰ স্বাধীনভাৱে কাম কৰিবলৈ আৰম্ভ কৰে।

**বিহাৰৰ প্ৰেছ বিল ঃ** ১৯৭৩ চনত বিহাৰৰ চৰকাৰে সংবাদপত্ৰৰ স্বাধীনতা খৰ্ব কৰি অন্য এখন প্ৰেছ বিল উত্থাপন কৰিলে বিধান সভাত। সেই বিলত সাংবাদিকৰ স্বাধীনতা খৰ্ব কৰা হৈছিল। বিহাৰৰ পৰা আৰম্ভ কৰি ভাৰতৰ সকলোতে সদৌ ভাৰত সাংবাদিক সন্থা, নেচনেল ইউনিয়ন অব জাৰ্নেলিষ্ট সহ জাৰ্নেলিষ্ট এচোচিয়েছন আৰু সৰু ডাঙৰ সকলো সংবাদপত্ৰ সাংবাদিকসকলে সেই কলা বিল প্ৰত্যাহাৰৰ বাবে দেশত বিদ্ৰোহ ঘোষণা কৰি ৰাজপথত নামি সেই বিল প্ৰত্যাহাৰৰ দাবী জনাই আন্দোলন আৰম্ভ কৰে। বিহাৰৰ মুখ্যমন্ত্ৰীয়ে অৱশেষত সেই বিল উঠাই ল'বলৈ বাধ্য হয়। সংবাদপত্ৰৰ জগতত সাংবাদিকসকলৰ আন্দোলনৰ ই এক বিৰাট জয়। ■

*(প্ৰকাশকাল ঃ ১৯৯১-৯২)*



# মই আকৌ উভতি আহিছোঁ কৃষ্ণ নগৰলৈ

সীমাজ্যোতি বৰুৱা
স্নাতক ২য় বৰ্ষ, সন্মানিত বিষয় অসমীয়া

পৃথিৱীৰ অগণন স্বাধীনতাপ্ৰেমী মুক্তিকামী মানুহৰ সমস্ত ভালপোৱা আৰু মুক্তিৰ শ্লোগান এদিন নিজ নিজ দেশৰ সীমা অতিক্ৰমী আফ্ৰিকাৰ অৰণ্যৰ মাজতো প্ৰতিধ্বনিত হৈছিল। আফ্ৰিকাৰ আকাশ, বতাহ, জান-জুৰি, নৈ, অৰণ্য ভেদি মুখৰিত হৈছিল ''তোমাৰ মুক্তিয়েই আমাৰ মুক্তি''। পোলচমুৰ কাৰাগাৰৰ সুউচ্চ প্ৰাচীৰ ভেদি ২২০/৮২ নম্বৰ বন্দীজনৰো কৰ্ণগোচৰ হৈছিল সেই শ্লোগানবোৰ। বন্দীশালৰ মাজত থাকি শ্লোগানবোৰ শুনাৰ বাহিৰে একো কৰিব নোৱাৰা যন্ত্ৰণাত তেওঁ চট্ফটাই উঠিছিল। মুক্তিকামী মানৱৰ তেওঁৰ প্ৰতি থকা ভালপোৱা তথা আস্থাৰ ভাব দেখি নীৰৱে এটি হাঁহি বাগৰি গৈছিল তেওঁৰ মুখৰ ওপৰেদি। বন্দীশালৰ মাজত থাকি মূৰ তুলি আকাশৰ ফালে চোৱাৰ প্ৰয়াস কৰে, কিন্তু কলা ছালৰ মানুহেৰে আবৃত বিশাল আকাশৰ এটি ক্ষুদ্ৰাংশও চোৱাৰ তেওঁৰ অধিকাৰ নাই। শাসক শ্ৰেণীয়ে আকাশৰ পৰা সাহস, মনোবল আহৰণ কৰে বুলি ভাবি বন্দীজনৰ খিৰিকীৰ লোৰ শলাৰ মাজৰ ফাঁকবোৰো ঢাকি দিছিল। যাতে তেওঁৰ বাহিৰৰ জগতৰ কোনো বস্তুৰ লগতে সম্পৰ্ক স্থাপন কৰিব নোৱাৰে। এইদৰেই জীৱনৰ আঠাইশটা বছৰ কটাই দিলে অন্ধকাৰ কাৰাগাৰৰ ভিতৰত। কেতিয়াবা সেই বন্দীজনে সেমেকা বন্দীশালৰ মজিয়াত হাত থৈ কয়, ''কমৰেডসকল তোমালোকে ভুল কৰিছা। মোৰ মুক্তিয়েই তোমালোকৰ মুক্তি হ'ব নোৱাৰে।

প্ৰকৃততে মোৰ মুক্তি হ'ব তেতিয়া যেতিয়া আফ্ৰিকাবাসী মুক্ত হ'ব। কাৰণ এখন পৰাধীন দেশত ব্যক্তি স্বাধীনতাৰ কোনো মূল্য নাই।'' সেয়ে সেই বন্দীজনে হাঁহি মুখেৰেই প্ৰত্যাখান কৰিছিল বৰ্ণবাদী চৰকাৰে আগবঢ়োৱা বহুতো আকৰ্ষণীয় প্ৰস্তাৱ। স্বইচ্ছাৰে বৰণ কৰিছিল আজীৱন কাৰাদণ্ড। সহ্য কৰিছিল সকলো নাৰকীয় যান্ত্ৰণা। সেয়ে সৰ্বব্যাপী চিৰযুগমীয়া হৈ ৰ'ব এটা নাম 'নেলচন মেণ্ডেলা'। দক্ষিণ আফ্ৰিকাৰ নয়নৰ মণি, বুকুৰ কুটুম নেলচন মেণ্ডেলা আছিল নিৰ্য্যাতিত আৰু নিপীড়িত গোষ্ঠীৰ স্বয়ম্ভু প্ৰতীক।

পৰম ঐশ্বৰ্য আৰু সৌন্দৰ্যময় লংকা নগৰীলৈ আঙুলিয়াই ৰামচন্দ্ৰই লক্ষ্মণক কৈছিল — 'বুজিছা লক্ষ্মণ সোণৰ লংকাপুৰীৰ এই ঐশ্বৰ্য এই সৌন্দৰ্যয়ো মোক নুৰুচা হৈছে। মোৰ মন জন্মভূমিৰ ওচৰলৈ উৰি যাওঁ, উৰি যাওঁ লগাইছে ; কিয়নো জননী আৰু জন্মভূমি স্বৰগতকৈ অধিক'। ইয়াকেই বোলে দেশপ্ৰেম। এই দেশপ্ৰেমৰ অনুভূতিৰে অনুপ্ৰাণিত হৈ একোজন মহান ব্যক্তিয়ে স্বদেশ, স্বজাতিক অন্যায় আৰু শোষণৰ পৰা মুক্ত কৰিবলৈ যুগে যুগে নিজৰ জীৱন উচৰ্গা কৰিছে।

বৰ্তমান দক্ষিণ আফ্ৰিকাৰ জনগণৰ অন্তৰত প্ৰেৰণাৰ জোৱাৰ আৰু সমগ্ৰ পৃথিৱীতে তোলপাৰ লগোৱা অতি জনপ্ৰিয় দেশপ্ৰেমীজনেই হৈছে — 'নেলচন মেণ্ডেলা'। তেওঁৰে একমাত্ৰ লোক যাৰ মুক্তিৰ দাবীত বিশ্বৰ শতাধিক দেশত প্ৰতিবাদী দিৱস পালন কৰা হৈছিল। কাৰণ মেণ্ডেলা আছিল এক জীৱন্ত বিপ্লৱ। যাৰ লেখনীত প্ৰকাশ পাইছিল ''মই মোৰ মুক্তিৰ স্বপ্ন ৰচি ভাল পাওঁ। কিন্তু মোৰ মুক্তিতকৈ আপোনালোকৰ স্বাধীনতাৰ মূল্য বহুত বেছি। স্বাধীনতাক ভাল পোৱাৰ বাবে অলেখ মানুহে দেশ মাতৃৰ চৰণত জীৱনাহুতি দিছে। তেওঁলোকৰ বিধবা পত্নী, অসহায় অনাথ শিশু, পিতৃ-মাতৃ আৰু যিসকলে মৃতকৰ বাবে শোকাহত হৈ ব্যাকুল চিত্তে চকুলো টুকিছে, মই তেওঁলোক আটাইৰে দুখৰ সমভাগী। আপোনালোকৰ দৰে ময়ো মোৰ জীৱনক অতি ভাল পাওঁ। কিন্তু সেই বুলিতো মই মোৰ জন্মগত অধিকাৰ স্বাধীনতাক বিক্ৰী কৰিব নোৱাৰো। মই কাৰাবন্দী হৈছো জনগণ আৰু আফ্ৰিকান নেশ্যনেল কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে। যেতিয়ালৈকে মোৰ দেশৰ মানুহ মুক্ত নহয় তেতিয়ালৈকে ময়ো জেলত থাকিম। তথাপিও দাসত্ব খতত চহী নকৰোঁ। মই আকৌ আহিম আপোনালোকৰ মাজলৈ।''



দক্ষিণ আফ্ৰিকাৰ পূব, পশ্চিম আৰু দক্ষিণ ফালে ভাৰত মহাসাগৰ আৰু আটলাণ্টিক মহাসাগৰে আগুৰি আছে। ইয়াৰ উত্তৰে আছে নামিবিয়া, এঙ্গোলা, জাম্বিয়া বোৎচোৱানা, জিম্বাবুৱে, চুইজাৰলেণ্ড আৰু উত্তৰ-পূব সীমাত আছে স্বাধীন গণৰাষ্ট্ৰ মোজাম্বিক।

প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত দক্ষিণ আফ্ৰিকা বিশ্বৰ ভিতৰতে চহকী দেশ। এই দেশত সমগ্ৰ বিশ্বৰ উৎপাদিত ৭০% সোণ আৰু ৫০% হীৰাৰ উৎপন্ন হয়। আনহাতে আনবিক যুগৰ অতি মূল্যবান পদাৰ্থ ইউৰেনিয়ামৰ পৃথিৱীৰ মুঠ উৎপাদনৰ শতকৰা ২৫ ভাগ ইয়াত উৎপন্ন হয়। আফ্ৰিকা মহাদেশৰ মুঠ উৎপাদনৰ শতকৰা ৮০ ভাগ প্লেটিনাম, ৭৫ ভাগ লো আৰু ৭০ ভাগ কয়লা কেৱল ইয়াতেই উৎপাদন হয়। ইয়াৰ উপৰিও তাম, ৰূপ, প্ৰাইৰাইত আদি বহল পৰিমাণে পোৱা যায়। এই অফুৰন্ত প্ৰাকৃতিক সম্পদৰ বাবেই অতীজৰেপৰা ঔপনিবেশিক আৰু সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ প্ৰধান আকৰ্ষণৰ ঠাই দক্ষিণ আফ্ৰিকা হৈ পৰিছিল। দক্ষিণ আফ্ৰিকাৰ অন্ধকাৰ বুকুত লুকাই থকা বিপুল সম্পত্তিবোৰৰ পোনতে আৱিষ্কাৰ কৰে ৫০০ বছৰৰ আগতে এদল পৰ্টুগীজ নাৱিকে। আধুনিক সভ্যতাৰ পোহৰ পোৱা শ্বেতাংগসকলে পৰম্পৰাগত অন্ধবিশ্বাস আৰু কুসংস্কাৰেৰে আচ্ছন্ন হৈ থকা কৃষ্ণাংগ আদিবাসীসকলক সহজেই দাসত্বৰ শিকলি পিন্ধাই পেলাইছিল। পঞ্চাশ লাখ শ্বেতাংগই দুই কোটি ষাঠি লাখ কৃষ্ণাংগৰ ওপৰত অমানৱিক অত্যাচাৰ চলাইছিল। এই দৰে আফ্ৰিকাৰ ইতিহাসত ৰচিত হৈছিল এক নতুন অধ্যায়ৰ।

উনবিংশ শতিকাৰ আৰম্ভণীতে আহিল ইংৰাজসকল। তেওঁলোকে ১৮৭৬ চনত এক সংঘৰ্ষত পৰ্টুগীজসকলৰ হাতৰপৰা তেওঁলোকৰ 'কেপ অঞ্চল' দখল কৰে। ইয়াৰ পাছতেই ইংৰাজসকলে ওলন্দাজসকলক পৰাভূত কৰি সমগ্ৰ দক্ষিণ আফ্ৰিকাত নিজৰ একচেটিয়া উপনিবেশ স্থাপন কৰি সাম্ৰাজ্যবাদীৰ চূড়ামণি বৃটিছসকলে নিজ সাম্ৰাজ্যবাদৰ ভেটি সুদৃঢ় কৰে আৰু ইয়াৰ লগে লগে কৃষ্ণাংগসকল নিজ দেশতেই হৈ পৰিল নিঃকিন এলাগী। সমাজখনক দুটা ভাগত ভাগ কৰা হ'ল — শ্বেতাঙ্গ আৰু কৃষ্ণাঙ্গ। শাসক আৰু শাসিত। কৃষ্ণাঙ্গসকল হৈ পৰিল এক অনাদৃত আলহী, এক আপচু আৰ্বজনা, পুতৌৰ পাত্ৰ আৰু অৱমাননাৰ প্ৰতীক। তেওঁলোকৰ জাতীয় জীৱনলৈ নামি আহিল এক ঘোৰ অন্ধকাৰ। হেৰুৱাই পেলালে সাংবিধানিক আৰু আইনগত স্বত্ব

তথা নিজস্বতা আৰু সন্মানসূচক জীৱন-যাপনৰ অধিকাৰ। বিশ্বব্যাপী এটা নতুন শব্দৰ সৃষ্টি হ'ল 'বৰ্ণবৈষম্যবাদ'। কৃষ্ণাংগসকলৰ গাৰ ছাল ক'লা হোৱাই অপৰাধ নেকি? শ্বেতাংগসকলে কৃষ্ণাংগসকলক সম্বোধন কৰে 'ক'লা গা গোন্ধোৱা কুকুৰ' বুলি। লঘু দোষত গুৰু শাস্তি প্ৰদান কৰা হয় কৃষ্ণাংগসকলক। শ্বেতাংগৰ সামাজিক অনুষ্ঠানসমূহত কৃষ্ণাংগক প্ৰৱেশ কৰিবলৈ দিয়া নহৈছিল। আনহাতে বৰ্ণবৈষম্যবাদৰ আঁত ধৰি বিনা পৰিচয় পত্ৰেৰে মুক্ত ভাৱে ফুৰিবলৈ নিদিছিল। ৰাজকীয় কৰ, নিৰ্বাচনী কৰ, শান্তি ৰক্ষকৰ কৰ আদি সকলোবোৰ বোজা বহন কৰিব লাগিছিল কেৱল কৃষ্ণাংগসকলে। ৰাজনীতি আৰু সাহিত্য কৃষ্ণাঙ্গসকলৰ বাবে অস্পৃশ্য আছিল। এইসমূহৰ বিৰুদ্ধে মাত মাতিবলৈ গ'লে তেওঁক লগে লগে প্ৰিট'ৰিয়া চৰকাৰৰ সন্ত্ৰাসবাদী আইনৰ দ্বাৰা বিনা বিচাৰে অনিৰ্দিষ্ট কাললৈ কাৰাৰুদ্ধ কৰি থৈছিল। পিটোৰিয়া, কেপটাউন, জোহান্সবাৰ্গ, ব্লুমফন্টিন, কিৰ্ম্মলি, ডাৰবান আদি নগৰসমূহত কৃষ্ণাংগসকলৰ বসবাস আৰু চলাফিৰা নিষিদ্ধ। শ্ৰমিক, কৃষক, পশুপালক কৰি ৰখা আফ্ৰিকানসকলক বৰ্তমানেও নগৰৰ পৰা কিছু দূৰৈৰ পৰিত্যক্ত জৰাজীৰ্ণ অঞ্চলত থাকিবলৈ দিয়া হয়। সেই অঞ্চলটোক 'কৃষ্ণ নগৰ' (Black township) বোলা হয়।

১৯৯২ চনত গান্ধীৰ নেতৃত্বত শ্বেতাংগসকলৰ অমানুষিক অত্যাচাৰ আৰু শোষণৰ বিৰুদ্ধে গঠিত হ'ল 'আফ্ৰিকান জাতীয় কংগ্ৰেছ'। ইয়াত পিছতে ১৯১৫ চনত গঠিত হ'ল 'আন্তৰ্জাতিক কমিউনিষ্ট পাৰ্টিৰ'। ইয়াৰ ফলস্বৰূপে ৰাইজৰ মনত বৰ্ণবিদ্বেষী দক্ষিণ আফ্ৰিকাৰ ঔপনিৱেশিক চৰকাৰৰ বিৰুদ্ধে গণতান্ত্ৰিক চেতনা বৃদ্ধি পাবলৈ ধৰে আৰু কমিউনিষ্ট সংগঠনে শক্তিশালী ৰূপ পাবলৈ ধৰে।

আনফালে শ্বেতাংগসকলো এনেয়ে বহি নাথাকি গঠন কৰিলে 'আফ্ৰিকান নেচনেল পাৰ্টি'। এই পাৰ্টি আছিল চূড়ান্ত প্ৰতিক্ৰিয়াশীল আৰু নিলজ্জ বৰ্ণ বৈষম্যবাদী। জাগ্ৰত দক্ষিণ আফ্ৰিকাৰ দমন কৰিবলৈ গঢ়ি উঠিল বৰ্ণবাদী জাতীয়তাবাদী মালান বোথাৰ চৰকাৰ। নিষ্ঠুৰ কুঠাৰঘাত পৰিল মুক্তিকামী জনতাৰ ওপৰত। নিষিদ্ধ হ'ল আফ্ৰিকাৰ কমিউনিষ্ট পাৰ্টিৰ।

এই নৰউত্তৰ আফ্ৰিকাৰেই প্ৰজন্ম হ'ল নেলচন মেণ্ডেলা। ১৯২৮ চনৰ ১৮ জুলাইত এক ৰাজকীয় জনজাতি পৰিয়ালত তেওঁৰ জন্ম। তেওঁৰ ১২



বছৰ বয়সত দেউতাক হেনৰি গাভলা মেণ্ডেলাৰ মৃত্যু হোৱাত প্ৰধান শাসক গৰাকীয়ে তেওঁক পঢ়োৱাৰ দায়িত্ব বহন কৰে। ১৬ বছৰত নেলচনে Fort Hare College ত ভৰ্তি হয়। এই কলেজতে হোৱা এটা ছাত্ৰ আন্দোলনত তেওঁ লগ পায় অলিভাৰ টাম্বুক। এই ছাত্ৰ আন্দোলনত যোগ দিয়াৰ বাবে মেণ্ডেলাক কলেজৰ পৰা বহিস্কাৰ কৰা হৈছিল। তেওঁ কলেজ এৰি জোহান্সবাৰ্গলৈ যায়গৈ। তালৈ যোৱাৰ পিছৰ পৰাই নেলচনৰ জীৱনৰ সোঁত সলনি হৈ গ'ল। দেশখনৰ পুতৌ লগা অৱস্থা দেখি তেওঁৰ হিয়া দহি গ'ল। তেওঁৰ অন্তৰত অংকুৰিত হ'ল এক দেশ প্ৰেমৰ বীজ। অৱশেষত স্বদেশৰ দুৰ্বল লাঞ্ছিত-শোষিত মানুহবোৰৰ ওচৰত আহি তেওঁ থিয় হ'ল। আঁতৰাই পেলালে সকলো ৰাজকীয় সন্মান।

তেওঁক কলেজৰ পৰা বহিস্কাৰ কৰা হ'ল যদিও Co respondence course ৰ জৰিয়তে স্নাতক কলা আৰু University of the witawaters rend ৰ পৰা আইনৰ স্নাতক হয়। ইয়াৰ লগে লগে যেতিয়া তেওঁ অলিভাৰ টাম্বুক একে উদ্দেশ্যেৰে লগ পালে তেতিয়া দুয়োৰে মাজত এক সুহৃদয়তা গঢ়ি উঠিল। সহকৰ্মী অলিভাৰ টাম্বুৰ মতে জোহান্সবাৰ্গত এখন আইনৰ ফাৰ্ম আৰম্ভ কৰি দিলে। আৰ্ত্ত আৰু অসহায় কৃষ্ণাংগসকলৰ মানৱস্বত্ব সংৰক্ষণৰ বাবে অভিযুক্তসকললৈ আইনৰ সাহাৰ্য্য প্ৰদানত সহায়ক হ'ল। অলিভাৰে মেণ্ডেলা সম্পৰ্কে কৈছিল — নেলচন হ'ল সহৃদয়তা, আবেগ প্ৰৱণতা, স্পৰ্শকাতৰ প্ৰখৰ আত্মসন্মানবোধ আৰু অপমানত বিপক্ষৰ ওপৰত সিংহৰ দৰে জপিয়াই পৰাৰ গুণ সঞ্চলিত আজন্ম বিপ্লৱী পুৰুষ। চুম্বকৰ দৰে যুৱ শক্তিক বিশ্বাস কৰে, ঠিক সিমানেই যুৱ শক্তিৰো তেওঁৰ ওপৰত আছে গভীৰ আস্থা। আজি আফ্ৰিকাৰ মহিলা সকলো উজ্জীৱিত হৈ উঠিছে তেওঁৰ নেতৃত্বত। নেলচন হ'ল নিৰ্ভীকতাৰ প্ৰতিমূৰ্তি এক অসামান্য নেতৃত্বৰ অধিকাৰী।

২৫ বছৰ বয়সতে মেণ্ডেলাই আজাক (আফ্ৰিকান জাতীয় কংগ্ৰেছ)ৰ সদস্য অন্তৰ্ভুক্ত হ'ল। আজাকৰ জন্মৰ লগে লগে দেশীয় জনগণৰ বাবে এক নতুন অধ্যায়ৰ সূচনা হ'ল। ১৯৪৪ চনত আজাকৰ নেতৃত্বত এক যুৱ শাখাও গঠিত হ'ল। এই শাখাৰ নেতৃত্ব বহন কৰিলে নেলচনে। ১৯৪৮ চনত দক্ষিণ আফ্ৰিকাৰ চৰকাৰে শাসন ভাৰ লয় আৰু আফ্ৰিকাৰ আন্দোলন মষীমূৰ কৰিবলৈ সকলো দমন মূলক ব্যৱস্থা গ্ৰহণ কৰে। বৰ্ণ বৈষম্য নীতি অধিকাৰ কটকটীয়া

কৰি তোলা হয়। এই নীতিৰ দ্বাৰা কৃষ্ণাংগসকলক চৰকাৰী যন্ত্ৰত যিকোনো প্ৰকাৰৰ অংশ গ্ৰহণ কৰাৰ পৰা বঞ্চিত কৰা হৈছিল।

১৯৫০ চনৰ মে দিৱসৰ দিনা আজাক আৰু আফ্ৰিকাৰ কমিউনিষ্ট পাৰ্টিৰ মাজত থকা মতভেদ দূৰ কৰি একেখন পাতাকাৰ তলতে মিলিত হৈছিল। ১৯৫০ চনৰ ২৬ জুনত আজাকে দেশজুৰি কৰ্ম বিৰতিৰ আহ্বান দিয়ে। সমগ্ৰ বিশ্বই গম পালে বাঢ়ি অহা বানপানীয়ে পাৰ ভাঙি নিছে। ক'লা ছালৰ মানুহৰ ধৈৰ্য্যৰ বান্ধ চিঙি গৈছে। এই বাঢ়ি অহা বানপানী ৰোধ কৰা যে অসম্ভৱ। কঁপি উঠিল শ্বেতাংগ চৰকাৰ। ইতিমধ্যে ১৯৫২ চনত আজাকৰ ট্ৰেঞ্চভাল শাখাৰ সভাপতি হিচাপে নিৰ্বাচিত হ'ল নেলচন মেণ্ডেলা। নেতৃত্ব দিলে আইন অমান্য আন্দোলনৰ। কঁকালত টঙালি বান্ধি ওলাই আহিল ৰাইজৰ মঞ্চলৈ। ৰাজহুৱা ভাৱে সভাত স্বদেশী ৰাইজে ভোগ কৰা লাঞ্ছনা আৰু অন্যায়-অত্যাচাৰৰ অৱসান ঘটাই নিজৰ স্বত্ব সাব্যস্ত কৰাৰ বাবে আহ্বান জনালে। কিন্তু শ্বেতাংগ চৰকাৰে বহি নাথাকি আইন অমান্য অভিযোগত মেণ্ডেলাকে ধৰি অন্যান্য নেতাসকলক দোষী সাব্যস্ত কৰি ৯ মাহ কাৰাদণ্ড বিহে। ১৯৫৩ চনত ক্ৰমবৰ্দ্ধমান উত্তপ্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত বিদ্ৰোহৰ অগ্নি জ্বলিলে। মেণ্ডেলাৰ ওপৰত চোকা নজৰ ৰখা হ'ল। কিন্তু যাৰ অন্তৰে জাতিৰ সন্মান ঘূৰাই পোৱাৰ বাবে তোলপাৰ লগাইছিল সেই নেলচনক ক'লা আইনেও সেও মনাব নোৱাৰিলে। ১৯৫৫ চনত সকলো গোষ্ঠী সামৰি এখন সন্মিলিত সন্মিলন পাতিলে। আফ্ৰিকাৰ অৰণ্য ভেদি ধ্বনিত হ'ল কিছুমান শ্লোগান। বিদ্ৰোহৰ অগ্নিত দগ্ধ হ'ব খোজা সংখ্যালঘু চৰকাৰে এই বিদ্ৰোহ দমন কৰিবলৈ বহুতো উপায় উদ্ভাৱন কৰিবলৈ ধৰিলে। ফলস্বৰূপে ১৯৫৬ চনত মেণ্ডেলা সহ ১৫৬ জন কৃষ্ণাংগক শ্বেতাংগ চৰকাৰে দেশদ্ৰোহিতাৰ অপৰাধত বন্দী কৰিলে। ১৯৬১ চনৰ মাৰ্চতহে সকলোকে খালাচ দিয়া হ'ল। ইফালে অত্যাচাৰ আৰু ৰাষ্ট্ৰীয় সন্ত্ৰাস বাঢ়ি গৈ চৰম সীমা পালে। শান্তিপূৰ্ণ আন্দোলনৰ সকলো পথ বন্ধ হৈ গ'ল। ১৯৬০ চনৰ মাৰ্চৰ ২১ তাৰিখে চাপেভিলত শ্বেতকায় চৰকাৰৰ দ্বাৰা নৰহত্যা যজ্ঞ সংঘটিত হ'ল। ক'লা দেহৰ ৰঙা তেজৰ চেকুৰাৰে দক্ষিণ আফ্ৰিকাৰ বুকু ভৰি পৰিল।

বোথা চৰকাৰে অতৰ্কিতে জপিয়াই পৰিল বিদ্ৰোহী জনতাৰ ওপৰত। পুনৰ মেণ্ডেলাসহ প্ৰায় ২০০০ জনক গ্ৰেপ্তাৰ কৰা হ'ল। মেণ্ডেলাক গৃহবন্দী কৰি ৰখা হ'ল। কিন্তু যাৰ দেহৰ সমস্ত ৰক্ত কণিকাতে বিপ্লৱৰ ভাব প্ৰবাহিত তেওঁক বন্দী কৰি ৰাখিব পাৰিব জানো? সেয়ে এদিন সন্ধানহীন হ'ল মেণ্ডেলা। তেওঁ আহি 'উমখন্তো উই চজুই' (?) (Spear of the Nation) নামৰ আত্মগোপনকাৰী সংঘৰ্ষ বাহিনী খুলি মুখ্য অধিনায়ক হিচাবে যোগ দিলে। ১৯৬১ চনত গেৰিলা বাহিনী খুলি তেওঁ সামৰিক শিক্ষা প্ৰদান কৰিলে। ৰাইজৰ মাজত তেওঁ 'ক'লা চিতা বাঘ' ৰূপে পৰিচিত হৈ পৰিল। ১৯৬২ চনৰ ৫ আগষ্ট তাৰিখে মেণ্ডেলাক বিনা পাচপোৰ্টৰে বিদেশলৈ যোৱাৰ অপৰাধত ৫ বছৰ সশ্ৰম কাৰাদণ্ড দিয়া হ'ল। দেশদ্ৰোহিতাৰ অপৰাধত অভিযুক্ত কৰি মেণ্ডেলাক বিচাৰৰ মঞ্চলৈ অনা হ'ল। এনেদৰেই কুখ্যাত 'ৰিভেনিয়া বিচাৰত' মেণ্ডেলাসহ সাতজন সতীৰ্থক যাৱজ্জীৱন কাৰাদণ্ড বিহা হ'ল।



মেণ্ডেলাৰ সংগ্ৰামী জীৱনৰ প্ৰেৰণাৰ এক জীৱন্ত প্ৰতীক হিচাবে তেওঁ ধৰ্মীয় পত্নী উইনি মেণ্ডেলাৰ কথা উল্লেখ নকৰিলেই নহয়। পঞ্চাশৰ দশকৰ মাজ ভাগতে যেতিয়া দেশ বৰ্ণ বৈষম্যবাদৰ প্ৰতিবাদত মুখৰিত সেই সময়তে মেণ্ডেলাই লগ পাইছিল ২০ বছৰীয়া তৰুণী উইনিক। প্ৰথম সাক্ষাততে দুয়ো দুয়োকো ভাল পাই পেলাইছিল। পাছলৈ ১৯৫৮ চনত এই ভালপোৱাই পৰিণয়ত পৰিণত হৈছিল। কিন্তু অতি পৰিতাপৰ কথা যে নিজৰ দেশক ভালপোৱাৰ দোষতেই পৰিণয়ৰ কেইবছৰমানৰ পিছতে মেণ্ডেলাৰ যাৱজ্জীৱন কাৰাদণ্ড হয়। উইনিয়ে স্বামীৰ কাৰাদণ্ডত বিচলিত নহৈ এক নতুন দায়িত্ব নিজে মূৰ পাতি লৈ জাতীয় সংগ্ৰামত জপিয়াই পৰিল। প্ৰিটৰিয়া চৰকাৰে উইনিকো কেবাবাৰো কাৰাবাস আৰু নিৰ্বাসন দণ্ড বিহিলে। কৃষ্ণ নগৰত তেওঁৰ চলাফিৰা নিষিদ্ধ কৰি দিয়া হ'ল। চৰকাৰে অৰেঞ্জ-ফ্ৰি-ষ্টেট প্ৰদেশৰ এটুকুৰা একাষৰীয়া আৰু বিচ্ছিন্ন ঠাইত উইনিক আবদ্ধ কৰি ৰখাৰ ব্যৱস্থা কৰিছিল। কিন্তু উইনিয়ে কৃষ্ণাঙ্গসকলৰ বাবে চৰকাৰী বাধাকো অমান্য কৰিছিল। নেলচনৰ অবৰ্তমানত অলিভাৰ টাম্বু, উইনি আৰু মেণ্ডেলাৰ জীয়াৰী ৰাজকুমাৰী লামিনি আছিল আঢ়ৈ কোটি নিপীড়িত বঞ্চিত কৃষ্ণাঙ্গৰ ভাগ্যনিয়ন্তা।

১৯৬২ চনৰ পৰা ১৯৯০ চনলৈকে বন্দী হৈ আছিল নেলচন মেণ্ডেলা। নেলচনৰ বন্দী জীৱনৰ কৰুণতা আৰু দৈৰ্ঘ্যতা বোধগম্য হয় যেতিয়া তেওঁৰ ২৩ বছৰীয়া সৰু জীয়াৰী জিন্দজীয়ে কৈছিল — It was so wonderful ! I went to him and sat in his lap, like a child. ইয়াৰ আগলৈকে নেলচনে

জীয়েকক স্পৰ্শ কৰিয়েই পোৱা নাছিল।

কাৰাগাৰৰ চাৰি বেৰৰ মাজত আৱদ্ধ থাকিও মেণ্ডেলাৰ মন বিচৰণ কৰি ফুৰিছিল সাত সাগৰ তেৰ নদীৰ সিপাৰত। মেণ্ডেলা হ'ল পৰাধীনতাৰ শিকলি চিঙি মুক্ত আকাশ বিচাৰি ফুৰা পৃথিৱীৰ বাবে সাহসৰ এক জীৱন্ত প্ৰতীক, অনুপ্ৰেৰণাৰ উৎস। এই প্ৰতীকক বিভিন্ন দেশে অসংখ্য পুৰস্কাৰেৰে সন্মান যাচিছে। ১৯৭৯ চনত আন্তৰ্জাতিক বুজা পৰাত যোগোৱা অৱিহণাৰ বাবে 'জৱাহৰলাল নেহেৰু বঁটা' প্ৰদান কৰা হয়।

কৃষ্ণাঙ্গসকলৰ মুক্তিৰ বাবে সশ্ৰম আঠাইশ বছৰ কাৰাৰুদ্ধ হৈ থকাৰ অন্ততঃ উত্তাল বিশ্ব জনমতৰ ওচৰত সেও মানি দক্ষিণ আফ্ৰিকা চৰকাৰে ১৯৯০ চনৰ ১২ ফেব্ৰুৱাৰীত নেলচন মেণ্ডেলাক মুক্তি দিলে। আজাক আৰু অন্যান্য কৃষ্ণাঙ্গ ট্ৰেড ইউনিয়ৰ ওপৰত থকা বেআইনী আদেশ উঠাই ল'লে। তেওঁ পুনৰ উভতি আহিল কৃষ্ণাঙ্গ ভাইহঁতৰ মাজলৈ। আজি বিশ্বৰ সকলো লোকেই মেণ্ডেলাক বৰ্ণ বৈষম্যবাদ বিৰোধী সংগ্ৰামৰ স্বৰ্ণ প্ৰতীক হিচাবে সন্মান জনাইছো। বৰ্তমান চৌসত্তৰ বছৰীয়া মেণ্ডেলাৰ স্বাস্থ্য আৰু সুদৃঢ় মনোবল অটুত থকাটোৱেই প্ৰমাণ কৰে আদৰ্শই মানুহক দৈহিক আৰু মানসিক ভাৱে পংগু কৰিব নোৱাৰে। ইতিমধ্যে আমাৰ দেশলৈ ভ্ৰমণত অহা মেণ্ডেলাক ভাৰত চৰকাৰে 'ভাৰত ৰত্ন' সন্মানেৰে বিভূষিত কৰিলে। এই বিশ্ব বৰেণ্য ব্যক্তিজনৰ নাম বিশ্বৰ ইতিহাসত সোণালী আখৰেৰে উজ্জ্বল হৈ থাকিব। ■

*(প্ৰকাশ কাল ১৯৯১-৯২)*



# অসমীয়া কবিতাত মহিলা কবিৰ কণ্ঠ

**ৰূপেশ্বৰ গগৈ (মইনা)**
স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান)

বিদেশী বৃটিছ শাসন-শোষণৰ দিনত মিছনেৰীসকলৰ প্ৰচেষ্টাত *অৰুণোদই* (পিছত *অৰুণোদয়*) যুগৰ অসমীয়া ভাষা-সাহিত্যৰ বৰঘৰটোলৈ পাশ্চাত্য বিবিধ ভাৱধাৰা আৰু আদৰ্শই ন-বোৱাৰীৰ সাজত সোমাই আহিছিল। একেদৰে অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপত্ৰ হিচাপে ১৮৮৯ চনৰ ৯ ফেব্ৰুৱাৰীত প্ৰকাশিত *জোনাকী*ৰ বুকুৰেদিয়েই অসমীয়া সাহিত্যলৈ পশ্চিমৰ পৰা আহিছিল নৱন্যাস আন্দোলনৰ পাৰভাঙি বৈ অহা নতুনৰ জোৱাৰ। এই জোৱাৰৰ পটভূমিতে পূৰ্ব্বৰ পৰম্পৰাগত ধৰ্মীয় সাহিত্যৰ ভেটিত নিৰ্মিত হ'ল পৰৱৰ্ত্তী প্ৰায় পঞ্চাছ বছৰীয়া এক গৌৰৱময় সাহিত্যৰ ইতিহাস। যাৰ ফলত মিছনেৰী যুগতে সাৰ-জাৱৰ দি মাটি চপাই যোৱা অসমীয়া সাহিত্যৰ বৰভেটিটোৰ পৰা এইটো যুগত নতুন নতুন ফচল উৎপন্ন হৈ আধুনিক অসমীয়া সাহিত্যৰ নতুন পুলিটো টনকিয়াল হৈ আহিল।

প্ৰবাসত থাকি ইংৰাজী সাহিত্যৰ সৈতে চিনাকি হোৱা এই যুগৰ যি কেইজন লেখকৰ কলমৰ মাজেদি অসমীয়া নৱন্যাস আন্দোলনৰ সৃষ্টি হৈছিল তেওঁলোকৰ সাহিত্যৰাজিৰ ভিতৰত নৱন্যাসৰ জোৱাৰ আটাইতকৈ বেছিকৈ উঠিছিল কাব্য সাহিত্যত। অতীতৰ প্ৰতি শ্ৰদ্ধা, প্ৰকৃতি বন্দনা, কল্পনা প্ৰৱণতা, আশ্চৰ্যজনিত সৌন্দৰ্যবোধ অৰূপৰ মাজত ৰূপৰ কল্পনা, প্ৰেয়সীৰ প্ৰতি থকা প্ৰেমৰ প্ৰকাশ, দেশপ্ৰেম, মানৱ প্ৰেম আদি আছিল এওঁলোকৰ কবিতাৰ

প্ৰধান বৈশিষ্ট্য। এই যুগৰে মহিলা কবি নলিনীবালা দেৱীয়ে অন্যান্য কবিৰ দৰে নতুন কবিতা ৰচনাত হাত উজান দিলে। ব্যক্তি হৃদয়ৰ আৱেগ-অনুভূতি প্ৰকাশত এই যুগৰ কবিতাই নতুন প্ৰকাশৰীতি আৰু অভিনৱ ছন্দ কৌশলৰ প্ৰয়োগে পাঠকৰ চকুত চমক লগালে। নৱন্যাস যুগৰ অসমীয়া কবিয়েও পাশ্চাত্যৰ 'ৰোমাণ্টিক কবিৰ দৰে সমাজৰ পৰা নিলগত থাকি অথবা প্ৰকৃতিতে থাকি হৃদয়ৰ বিষাদৰ বীণা বজাই বেদনাৰ আবেষ্টনীৰ মাজত নিৰলে পজাঁঘৰ সজাৰ কল্পনা কৰিলে। যিকোনো বস্তুৰে বাহ্যিক সৌন্দৰ্যৰ উপৰিও সেই বস্তুৰ অন্তৰ্জগতৰ বাৰ্তা যোগান ধৰিবলৈ চেষ্টা কৰা মহিলা কবি নলিনীবালা দেৱীৰ ব্যক্তিগত জীৱন দুখ-বেদনাৰে সেমেকা আছিল যদিও তেওঁ কাহানিও সমাজৰ প্ৰচলিত অন্যায়-অবিচাৰৰ বিৰুদ্ধে কলম তুলি লোৱা নাছিল। এওঁৰ উপৰিও প্ৰত্যাহিত জীৱন যন্ত্ৰণাত কাতৰ হৈ স্বাভাৱিকভাৱে হাতত কলম তুলি লোৱা অসমীয়া কবি প্ৰাণ হৈছে — ধৰ্মেশ্বৰী দেৱী বৰুৱানী, হিমলা বৰুৱানী, যমুনেশ্বৰী খাটনিয়াৰ, প্ৰতিভা দেৱী, আজলি তৰা নেওগ, দিব্যপ্ৰভা ভৰালী আদি যিসকলৰ সৰহভাগ কবিতাতে প্ৰকাশ পাইছে আধ্যাত্মিক সুৰ, এক মৃত্যু চেতনা, মানৱ প্ৰেমৰ নিঃসংগতাবোধ আৰু জীৱনৰ বিভিন্ন চিৰন্তন অনুভূতিৰ ছবি।

*জোনাকী* ৰ পাততেই এই শতিকাৰ চতুৰ্থ দশকৰ তৰুণচাম অসমীয়া কবিয়ে তেওঁলোকৰ কবিতাৰ মাজত কিছুমান বাস্তৱ চিত্ৰকো অন্তৰ্ভুক্ত কৰিলে। 'ডাষ্টবিন'ৰ এটুকুৰা ৰুটিৰ বাবে মানুহ আৰু কুকুৰৰ টনাটনি, কয়লা খনিৰ বনুৱা, শ্ৰমজীৱী ৰিক্সাচালক, সামাজিক সংস্কৰিত নিপীড়িত ষোড়শী বিধবা আদিও এওঁলোকৰ কবিতাৰ বিষয় হৈ পৰিল।

স্বৰাজোত্তৰ দশক কেইটাত নাৰীমনৰ সুকোমল অনুভূতি আৰু সুগভীৰ চিন্তাৰে সংবেদনশীল কবিতা লিখি খ্যাতি লাভ কৰা মহিলা কবি সকলৰ কথা ওলালেই মনলৈ আহে ড° লক্ষ্যহীৰা দাস, নীলিমা দত্ত, ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° কৰবী ডেকাহাজৰিকা, প্ৰবীণা শইকীয়া, আলিমুন্নিছা পিয়াৰ, সত্যপ্ৰভা দাস, এলি আহমদ, গায়ত্ৰী কোঁৱৰ, মেঘালী ফুকন, শ্বৰীফা খাতুন চৌধুৰী, অৰ্চনা পূজাৰী, ৰাজু বৰুৱা, মনোৰমা বৰগোহাঁঞি, লুটফা হানুম চেলিমা বেগম, অনুপমা বসুমতাৰী, নিবেদিতা ফুকন, জ্যোতিৰেখা হাজৰিকা, কাব্যশ্ৰী মহন্ত, জ্যোতিমালা গোহাঁই, মীৰা ঠাকুৰ, ইন্দিৰা ফুকন আদি কবি



সকলৰ নাম যিসকলৰ কবিতাত একোটাহঁত নিজস্ব সুৰ শুনিবলৈ পোৱা যায়। গীতিকাৰ কবি লক্ষহীৰা দাসৰ কবিতাৰ বিষয়বস্তু হৈছে দেশ, কাল, সমাজ আৰু নিজস্ব মনৰ বিভিন্ন অভিজ্ঞতাৰাজি। হৃদয়ত থকা গভীৰ অনুভূতিৰে তেওঁ মানুহৰ দুখ বেদনা অনুভৱ কৰে। কোমল কোমল শব্দৰ সহায়েৰে লিখা বহুত কবিতাৰ দৰে দাসৰ বহুতো কবিতা আকৌ জটিল প্ৰতীকৰ বাবে কিছু জটিল হৈ পৰিছে। স্বদেশ চেতনাক প্ৰাণত জীপাল কৰি বিভিন্ন সুৰ সন্ধানী কবিতাৰ সৃষ্টি কৰিছে নীলিমা দত্তই। চিনাকি বস্তুৰ পৰাই সমল গ্ৰহণ কৰা দত্তৰ কবিতাৰ মাজত ব্যক্তিগত অনুভূতিৰ মাজেৰেই সামূহিক সচেতন দৃষ্টি, ব্যক্তিগত বিষাদৰ সুৰ, নিজৰ সত্বাৰ মাজত বিশেষ অস্তিত্বৰ উমান পোৱা বিভিন্ন তথ্য পোৱা যায়।

নৈব্যক্তিক চেতনা আৰু স্বভাৱসুলভ নাৰী প্ৰাণৰ নিবিড় অনুভূতিৰে সিক্ত নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা। মানুহৰ মনোজগত আৰু চাৰিওফালৰ পৃথিৱীৰ পৰা বিষয়বস্তু গ্ৰহণ কৰি মনোৰম উপস্থাপনেৰে কাব্যশৰীৰ গঢ় দিয়াটো বৰদলৈৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। সমান অনুভূতিৰে ভৰা তেওঁৰ প্ৰেমৰ কবিতাবোৰত প্ৰেম যেন এক অবিনাশী অনুভৱ। মুখ্যতঃ অন্তৰ্জীৱনৰ কবি কৰবী ডেকা হাজৰিকাৰ কবিতাত তেওঁৰ নিজস্ব ধ্যান-ধাৰণাৰ পয়োভৰ বেছি যিবিলাক তেওঁৰ স্বহৃদয়ৰ তাগিদাতে সৃষ্টি। কোমল কোমল শব্দৰে কাব্যিক ইন্দ্ৰজাল ৰচনা কৰি সৰু সৰু স্তৱকৰ দ্বাৰা ভাৱঘন উপস্থাপনেৰে কবিতা ৰচনাত সিদ্ধহস্ত কৰবী ডেকা হাজৰিকাৰ কবিতাত মানুহৰ অন্তৰ্জগতৰ ঘটনা, অভিজ্ঞতা, বাসনাবোৰেই ঘাই উপজীৱ্য।

মনোমোহা শব্দচয়নৰ দ্বাৰা প্ৰাত্যহিক যান্ত্ৰিক জীৱনৰ মাজতে অকণমান শান্তিৰ বাবে পৰিৱেশ সৃষ্টি কৰি লোৱা কবি প্ৰবীণা শইকীয়া। শইকীয়াৰ কিছুমান কবিতা যিদৰে এহাতে কোমল আনহাতে আন কিছুমান প্ৰতীকি আৰু ব্যঞ্জনাময়। ব্যক্তিগত অনুভূতিৰ লগতে সময়ে সময়ে ৰং ৰূপ সলনি হোৱা প্ৰকৃতি, সমাজৰ বিবিধ চিত্ৰ, সমস্যা যাৰ কবিতাত বিচিত্ৰ হৈ ধৰা দিছে তেওঁ আলিমুন্নিছা পিয়াৰ। বিষাদৰ অনুভৱত তিনিকাল এক হৈ পৰা কবিয়ে প্ৰায়ে নিজৰ সতে আলোচনা কৰিয়েই ৰচনা কৰে একোটিহঁত মনোমোহা স্তৱক।

এক স্বতন্ত্ৰ প্ৰতিভাৰে আলোকদীপ্ত কৰা সম্ভাৱনা আৰু প্ৰতিশ্ৰুতিৰ বাৰ্তা আৰু জীৱনৰ গভীৰ উপলব্ধিৰে আশীৰ দশকৰ পৰা কবিতা লিখিছে অৰ্চনা

পূজাৰীয়ে। বুৰঞ্জী অথবা ৰূপ কথাৰ স্মৰণীয় চৰিত্ৰক নতুনৰ দৃষ্টিৰে দাঙি ধৰাটো পূজাৰীৰ কবিতাৰ এক অন্যতম বিশেষত্ব। নাৰী কণ্ঠৰ চিৰন্তনীয় বিষাদ আৰু জীৱন যন্ত্ৰণাৰ সুস্পষ্ট প্ৰকাশ ঘটিছে অন্য এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন কবি শ্বৰিফা খাতুনৰ কবিতাত।

মানুহৰ শোষণ আৰু লাঞ্চনাৰ বিৰুদ্ধে সাহসেৰে গৰ্জি উঠা ৰাজু বৰুৱাৰ কবিতাত নিৰ্গত হয় অন্যায়ৰ বিপৰীতে বিদ্যুৎ স্ফুলিংগ। অতি স্পৰ্শকাতৰ শব্দৰে কাব্যশৰীৰ নিৰ্মাণ কৰা বৰুৱাৰ কবিতাত কবি মনৰ সুদূৰ প্ৰসাৰী উপলব্ধি অনুভৱ কৰা যায়। আনহাতে নাৰীত্বৰ সুগভীৰ আৰু নিবিড় প্ৰকাশে যাৰ কবিতাই এইটো যুগৰ শ্ৰেষ্ঠ কবিকো ঈষান্বিত কৰিব পাৰে তেনে এগৰাকী সাহসী আৰু সাৰ্থক কবি হৈছে লুটফা হানুন চেলিমা বেগম।

এফালে আকাশৰ পৰা মাটিলৈ বিস্তীৰ্ণ চিন্তা আৰু সমস্যাবোৰৰ অংশ গ্ৰহণ কৰাৰ প্ৰয়াস আৰু আনফালে আপোন মনৰ উপলব্ধিৰে কিছুমান প্ৰশান্তময় অনুভূতিৰ টুকুৰা বুটলি ল'বলৈ প্ৰয়াস কৰা এই দুটা ভিন্নসত্বাৰ স্বাক্ষৰ বিচাৰি পোৱা যায় অনুপমা বসুমতাৰীৰ কবিতাত। নিপীড়ন আৰু অন্যায়ৰ আৱৰণে হেঁচি ৰখা মানৱৰ মাজত থকা চিৰন্তৰ শক্তিৰ ওপৰত বিশ্বাসী কবি নিবেদিতা ফুকন। তেওঁৰ কবিতা মানুহৰ এই সুপ্ত চেতনাৰ প্ৰতি সঁহাৰি উপলব্ধি কৰিব পাৰি।

দুখৰ দিনত অসুখৰ বাৰ্তা পাই যাৰ হৃদয় ৰক্তাক্ত হৈ নিগৰি আহে বিপ্লৱৰ নিজৰা তেনে এগৰাকী স্বাধীনতাপ্ৰিয় কবি জ্যোতিৰেখা হাজৰিকা। একেদৰেই কিছু উদাত্ত কণ্ঠেৰে আঞ্চলিকতা আৰু জাতীয় চেতনাৰ কথা ঘোষিত হৈছে জ্যোতিমালা গোহাঁইৰ কবিতাত।

সমসাময়িক সমাজৰ আশা-নিৰাশা, সৌন্দৰ্য্য-কদৰ্য্যতাৰ চিত্ৰৰে ব্যক্তিগত অনুভূতিৰ মাজেৰেই এক সামূহিক উপলব্ধিৰ সুৰ শুনা যায় ইন্দিৰা ফুকন, নীলাক্ষী চলিহা, মীৰা ঠাকুৰ, সবিতা কোঁৱৰ, অনুপম দাস, স্নিগ্ধাৰাণী গগৈ, মাধুৰিমা গগৈ আদিৰ কবিতাত। সমাজ চেতনা, ঐতিহ্যপ্ৰীতি, অৱক্ষয়ৰ বেদনা আদি এওঁলোকৰ কবিতাৰ অন্যতম প্ৰধান আধাৰ আৰু ব্যক্তিগত অনুভৱৰ প্ৰতিবাদী কণ্ঠৰ প্ৰধান সুৰ। এওঁলোকৰ উপৰিও পুথি আকাৰে প্ৰকাশ হৈ ওলোৱা নাই বাবে বিশেষ মন্তব্য দিব নোৱাৰি যদিও যুগৰ প্ৰতিচ্ছবি কবিতাৰ মাজেৰে খোদিত কৰি ৰাখিব বিচৰা অন্য কেইগৰাকীমান মহিলা



কবিতা কৰ্মী হৈছে — বীভা দুৱৰা, ছবি বৰুৱা, সঞ্চিতা বৰা, তিলোত্তমা বৰুৱা, সবিতা বৰা, দীপিকা পূজাৰী আদি।

সাম্প্ৰতিক অসমীয়া কবিৰ প্ৰায়সকলৰ কবিতাতে এক বৈশিষ্ট্য নাৰীবাদী সুৰৰ অনুৰণন শুনিবলৈ পোৱা যায়। অৱশ্যে ই হয়তো পুৰুষ প্ৰধান সামন্তবাদী মূল্যবোধৰে এক বিপৰীত ফচল। এইসকল কবিয়ে যিদৰে সমাজৰ চিৰাচৰিত অন্যায় অবিচাৰৰ বিৰুদ্ধাচৰণ কৰে, একেদৰে বৰ্ণবাদ, ধৰ্মীয় সংঘাত, হত্যা, বিচ্ছিন্নতাবাদ, লুণ্ঠন আদিৰ বিপক্ষে প্ৰতিবাদী কণ্ঠেৰে সংগ্ৰামো কৰে। সাম্প্ৰতিক অসমীয়া কবিতাৰ এক সু-সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ আকাংখ্যা এক সমূহীয়া সুৰ হ'লেও কিছুমান নতুন কবিৰ কবিতাত প্ৰতীক, চিত্ৰকল্পৰ সুমধুৰ প্ৰকাশ আৰু ৰোমাণ্টিক ভাবোচ্ছ্বাসৰ মনোৰম প্ৰকাশ মন কৰিবলগীয়া। এই চামৰ ভিতৰতো মহিলা কবি কেইগৰাকীমানৰ কবিতাত নতুন নতুন সুৰ শুনা যায়, যিসকলক অসমীয়া কাব্য সাহিত্যৰ ভৱিষ্যত প্ৰজন্ম বুলি আশা কৰিব পাৰি। ■

*(প্ৰকাশ কাল ঃ ১৯৯৫-৯৬)*

# তচলিমা নাছৰিনৰ নাৰীমুক্তিঃ
## কবিতাৰ দাপোনত

কনক কুমাৰ চন্দ
প্ৰৱক্তা, বাংলা বিভাগ

তচলিমা নাছৰিন নাৰীবাদী লেখিকা। তচলিমা বিশেষভাবে পুৰুষ বিদ্বেষী। অথচ ব্যক্তিগত জীৱনত তেওঁ তিনিবাৰ বিয়া কৰাইছিল। কিন্তু কোনো বিয়াই তেওঁৰ বেছিদিন টিকা নাছিল। এইক্ষেত্ৰত স্বামী নে স্ত্ৰী কাৰ দোষ তাকো জনা নাযায়। তচলিমাৰ অভিযোগ, পুৰুষবিলাকে মহিলাৰ ওপৰত অত্যাচাৰ কৰে, নাৰীৰ স্বাধীনতা পুৰুষে স্বীকাৰ নকৰে... ইত্যাদি ইত্যাদি। তচলিমাই তেওঁৰ লিখনীত পৰিষ্কাৰকৈ ক'বলৈ বিচাৰিছে যে এজন পুৰুষ যেনেকৈ পুৰুষ, এগৰাকী নাৰীও তেনেকৈ পৰিপূৰ্ণভাৱে মানুহ হৈ উঠাৰ অধিকাৰী। অথচ পুৰুষ শাসিত সমাজে তেওঁলোকক নানা অজুহাতেৰে হাজাৰ হাজাৰ বছৰ ধৰি পৰাধীন কৰি ৰাখিছে। পুৰুষৰ অত্যাচাৰ, অবিচাৰৰ হেঁচাত নাৰীয়ে কোনোদিনেই নিজৰ সত্বাৰ বিকাশৰ সুযোগ পোৱা নাই। কেৱল দুবেলা দুমুঠি খোৱাৰ আৰু লজ্জা নিবাৰণৰ বাবে পোছাক আদিৰ বাদে— একোৱেই পোৱাৰ কথা নকয় — এই কথাটোকে পুৰুষসকলে ইমান দিনে নাৰীসকলক বুজাই আহিছে। পুৰুষৰ দৃষ্টিত নাৰী কামনা চৰিতাৰ্থৰ এটা যন্ত্ৰ মাথোন।

পুৰুষ শাসিত সমাজত তচলিমাৰ এই সমীক্ষা কিছু বেছিকৈ লিখা বুলি ধাৰণা হ'লেও — ইয়াৰ অধিকাংশই সত্য। তচলিমাৰ এইবিলাক কথা একেবাৰেই নতুন নহয়। নাৰীৰ প্ৰতি পুৰুষৰ এই কৰ্তৃত্বৰ মনোভাৱৰ কথা তচলিমাৰ আগতে এই উপমহাদেশৰ অনেক চিন্তাবিদে ধিক্কাৰ দি প্ৰতিবাদ



কৰি আহিছে। নাৰীক নিজৰ নায্য অধিকাৰৰ পৰা বঞ্চিত কৰাৰ অগণতান্ত্ৰিক আৰু অমানবিক মনোভাৱ পুৰুষে এৰিবই লাগিব এই কথাও অনেকে দৃঢ়তাৰে কৈছে — প্ৰতিবাদ কৰিছে। নাৰীৰ ওপৰত অত্যাচাৰ, অৱহেলা-অৱজ্ঞা চলি আহিছে বহুকাল ধৰি। অথচ ধৰ্ম আৰু সমাজৰ ভয়ত নাৰীয়ে শামুকে খোলাৰ মাজত নিজকে সুমুৱাই ৰখাৰ দৰে ৰাখিছে। দীৰ্ঘকালৰ অভ্যস্ত জীৱন-যাপনৰ বাবে নাৰীয়ে পাহৰি গৈছে নিজৰ প্ৰতিবাদৰ ভাষা। সেয়ে পুৰুষতন্ত্ৰৰ অন্ধকাৰ কক্ষৰ পৰা নাৰীক মুক্তিৰ আলোকলৈ অনাৰ প্ৰয়াস কৰি আহিছে এই দেশৰ অনেক চিন্তাবিদে। আধুনিক প্ৰজন্মৰ তচলিমা নাছৰিন সেই নাৰীমুক্তি আন্দোলনৰ সাম্প্ৰতিক সংযোজনা। পূৰ্বসূৰী নাৰীমুক্তিৰ প্ৰৱক্তাসকলৰ সৈতে তচলিমাৰ পাৰ্থক্য বিপুল। তচলিমাৰ কোৱাৰ ধৰণ বেলেগ — স্পষ্ট আৰু তীক্ষ্ণ ভাষাৰ। ৰাখি-ঢাকি কোৱাৰ চেষ্টা তেওঁৰ নাই — সেয়ে অনেক সময়ত ভাষাই হেৰুৱাই পেলায় সংযম। প্ৰায়েই কলমৰ আগলৈ গুছি আহে অশ্লীল, অশালীন আৰু অসংযত ভাষা ; তচলিমাৰ এই দৃষ্টিকোণক বহুতেই সহ্য কৰিব পৰা নাই কাৰণে তেওঁৰ মন্তব্য আৰু অসংযত ভাষাক তেওঁলোকে মানি ল'ব পৰা নাই। আৰু ইয়াৰ বাবেই সৃষ্টি হৈছে বিতৰ্কৰ প্ৰচণ্ড ধুমুহা।

বাংলাদেশৰ জনসংখ্যা প্ৰায় বাৰ কোটি ; ইয়াৰ ৮০ ভাগেই নিৰক্ষৰ, অশিক্ষিত আৰু মোল্লাতন্ত্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত বুলি ক'ব পাৰি। মুঠ মাত্ৰ দুই কোটি মানুহেহে কাম চলাব পৰাকৈ লিখা-পঢ়া জানে। এই দুই কোটিৰ ভিতৰৰ প্ৰকৃত শিক্ষাৰ আলোকেৰে আলোকিত মানুহ খুব বেছি দহ হেজাৰ মানহে হ'ব পাৰে। এই অৱস্থাত তাত নাৰীমুক্তি আন্দোলনৰ গৰম গৰম শ্লোগানেৰে সামূহিক জাগৰণ অনাটো সম্ভৱ নহয়। সেয়েহে এতিয়া সকলোতকৈ আগতে প্ৰয়োজন হৈ পৰিছে শিক্ষাৰ বিকাশ। এজন ধৰ্মান্ধ গোৱাৰ মানুহক কোনোমতেই সলনি কৰা সম্ভৱ নহয় — যেতিয়ালৈকে তেওঁ প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ নুঠে। এই কথাটো তচলিমাৰ মগজুত সোমোৱা নাই — নহয় সকলো জানি শুনিও সস্তীয়া জনপ্ৰিয়তা আহৰণ কৰাৰ নিচাত তেওঁ মচগুল হৈ আছে। যি কি নহওক, সমাজৰ পৰা এই প্ৰকৃতি (অৰ্থাৎ নাৰীৰ প্ৰতি অনাদৰ আৰু অৱহেলা) নিৰ্মূল কৰিবলৈ হ'লে প্ৰতিজন মানুহেই প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ উঠিব লাগিব। এই প্ৰকৃত শিক্ষা দুই এদিনতে সম্ভৱ নহয়। ইয়াৰ বাবে বহুসময়ৰ প্ৰয়োজন। কবি জীৱনানন্দৰ কথাৰে ক'বলৈ

হ'লে — ''সুচেতনা — ইয়াৰ বাবেই এদিন পৃথিৱীৰ ক্ৰমমুক্তি হ'ব? ই যে অনেক শতাব্দীৰ মনীষীৰ কাম।'' প্ৰখ্যাত চিন্তাবিদ অন্নদাশঙ্কৰ ৰায়েও কৈছে — ''তচলিমা ৫০ বছৰ আগেয়ে  জন্ম হ'ল।'' আৰু ৫০ বা ১০০ বছৰৰ পিছত সেই সমস্যাৰ বেছিভাগেই সমাধান হৈ আহিব। তেতিয়াহে মানুহে জ্ঞানৰ আলোকেৰে আলোকিত হৈ বুজিবলৈ শিকিব নাৰীক এনেকৈ দমন কৰি ৰখাটো যে অপৰাধ। পুৰুষ তান্ত্ৰিক সমাজত এই বোধটো প্ৰথমতে পুৰুষৰে আহিব লাগিব। ইয়াকে নকৰি এতিয়াই  যদি পুৰুষৰ বিৰুদ্ধে বিদ্ৰোহ কৰি মহিলাসকলে ঘৰ এৰি ওলাই আহে তেতিয়াহ'লে সমস্যাৰ সমাধান নহ'ব, বৰং সমাজত বিশৃংখলাৰহে সৃষ্টি হ'ব। ধৰ্মান্ধ পুৰুষৰ শক্তিশালী প্ৰভাৱ এৰাই অহাৰ ক্ষমতা এই বিদ্ৰোহিনী নাৰীসকলে ক'ত পাব? কোনে দিব তেওঁলোকক আশ্ৰয়, অৰ্থনৈতিক নিৰাপত্তাৰ আশ্বাস? মৌলবাদৰ কুসংস্কাৰেৰে আচ্ছন্ন আজিৰ পুৰুষতান্ত্ৰিক সমাজে অৱশ্যেই নিদিয়ে। আনকি বৰ্তমানৰ ৰাষ্ট্ৰ ব্যৱস্থাতো এইটো নহয়। তচলিমাই প্ৰথমৰ পৰাই খোজ দিছে ভুল পথেৰে। সমাজৰ সোঁতৰ বিপৰীতে — এনেকৈ নাৰী মুক্তি আন্দোলন সফল হ'ব নোৱাৰে। কথাটো অপ্ৰিয় হ'লেও তচলিমাই অনুভৱ কৰিব লাগিব। তচলিমাৰ তথাকথিত নাৰীমুক্তিৰ কথাবিলাকত আত্মনিবেদনৰ নাম গোন্ধেই নাই সেয়ে সেইবিলাক যেন কেৱল কথাই সাৰ।

মাৰ্ক্সবাদী তাত্ত্বিক আৰু চিন্তাবিদ আজিজুল হকে তচলিমৰ নাৰীমুক্তি আন্দোলন সম্পৰ্কে মন্তব্য কৰিবলৈ গৈ কৈছে — ''ধৰ্মৰ উৎসক আক্ৰমণ কৰিলে আচলতে ধৰ্মকেই ৰক্ষা কৰা হয় কোনো ধৰ্মৰেই আৰু জানো একোৱে কৰাৰ ক্ষমতা নাই। কাৰণ ধৰ্ম মানে আতঙ্ক, ধৰ্ম মানে স্বাৰ্থপৰতা, ধৰ্ম মানে কিবা পাবৰ বাবে উপঢৌকন দিয়া। মই ভাবোঁ ধৰ্মমুক্ত পৃথিৱীৰ বাদে সঁচা অৰ্থত সম্পূৰ্ণ মানুহ সৃষ্টি সম্ভৱ নহয়। সমস্যাটো নাৰী পুৰুষৰ সমস্যা নহয়।'' — শ্ৰীআজিজুল হকে তচলিমাৰ নাৰীমুক্তিৰ সম্পৰ্কত আৰু কৈছে — ''কাৰ স্বাৰ্থক লৈ তচলিমা চিন্তিত, অলেখ এক নম্বৰী, দুই নম্বৰী, তিনি নম্বৰী, চাৰি নম্বৰী পইচাৰ মালিক, পেটৰ কাৰণে যিবিলাকে ঘূৰিবলগীয়া নহয়, কেনেকৈ পইচা উপাৰ্জন কৰিব লাগে এইটোও যিবিলাকে ভাবিবলগীয়া নহয় — তচলিমাৰ চিন্তাৰ কেন্দ্ৰ এইবিলাকৰে সম্ৰাজ্য। এই সমস্যা কৃষক বা কৃষক পত্নীৰ নহয়, চাওতাল দম্পতীৰ নহয় — যি সংসাৰত দুয়োজনেই প্ৰাণপণে



খাটে তেওঁলোকৰো নহয়। মোৰ 'লজ্জা' ইয়াতেই যে মানুহ তচলিমাই দেখা নাই দেখিছে নাৰী আৰু পুৰুষ। আদৰ্শ পুৰুষৰ অভাৱত ব্যৰ্থতাৰ আত্মবিলাপত তেওঁ নিমজ্জিত। তচলিমাৰ প্ৰতিটো শব্দৰে মই বিৰোধী ... এইয়া মোৰ গৰ্ব।'' একাডেমী পুৰস্কাৰপ্ৰাপ্ত বিশিষ্ট সাহিত্যিক দেৱেশ ৰায়ে তচলিমাৰ সম্পৰ্কত কৈছে — ''আমাৰ দেশত তচলিমাৰ দুখন কিতাপ। *লজ্জা* আৰু *নিৰ্বাচিত কলাম* ক লৈ দুই ধৰণৰ কথা উঠিছে। কথা উঠিছে যে — তেওঁ পুৰুষ বিদ্বেষী আৰু হিন্দু মৌলবাদীসকলৰ সহায়ক। ..... যি সমাজত, যি ধৰ্মত চাৰিখনলৈকে বিয়া কৰাব পাৰে আৰু মাত্ৰ তিনিবাৰ 'তালাক' শব্দটো উচ্চাৰণ কৰিলেই স্ত্ৰীক ত্যাগ কৰিব পাৰে, — য'ত নাৰীৰ পক্ষে কিবা ক'লেই পুৰুষৰ বিৰুদ্ধে কোৱা বুলি ধৰা হয়, তেনে ক্ষেত্ৰত মই এই অভিযোগৰ কোনো অৰ্থ বুজা নাই।''

পণ্ডিত শিৱনাৰায়ণ ৰায়ৰ মতে — ''এই শতাব্দীৰ শেষভাগত তচলিমাই একমাত্ৰ ব্যক্তি যি নাৰীমুক্তি আন্দোলনৰ সকলোতকৈ শক্তিশালী প্ৰবক্তা। কিন্তু এনেকুৱাই দুৰ্ভাগ্য যে স্বদেশত যি মৌলবাদী গুণ্ডাৰ হাতত নিগৃহীত, এই দেশত (ভাৰতবৰ্ষত) তেওঁ পুৰস্কৃত হোৱাৰ ফলত সাংগঠনিক আক্ৰমণৰ পাত্ৰী।''

তচলিমাই কৈছে যে — ''কেৱল মাত্ৰ পুৰুষৰ বাবেই নাৰীৰ সৃষ্টি।'' আমাৰ বিনীত ধাৰণা, নাৰী আৰু পুৰুষ ইজনে সিজনৰ পৰিপূৰক। এই কথাটো আদম–ইভৰ আমোলৰ পৰাই সত্য। তচলিমাই দুখ কৰিছে — ''এই চহৰত (ঢাকাত) মোৰ বাবে যোগ্য এজনো পুৰুষ নাই — এজন সামান্য পুৰুষো এই চহৰত নাই — যাক মই হৃদয় শিপা উঘালি ক'ব পাৰোঁ — ভাল পাওঁ।'' তচলিমাৰ দুৰ্ভাগ্য তেওঁ যোগ্য পুৰুষৰ হাত ধৰিবলৈ পোৱা নাই।'' তথাপিও তচলিমাই জানি থোৱা ভাল যে পুৰুষ মাত্ৰেই বিশ্বাসঘাটক নহয় ; আচলতে তচলিমাই নৈৰাশ্যৰ ফালে এটা নেতিবাচক মনোভাৱ ঠেলি দিছে।

তচলিমাৰ ধাৰণা ''নাৰীয়ে যিমান দিনলৈকে পুৰুষক ফালি–চিৰি খাব নোৱাৰিব — পুৰুষ শৰীৰক এথোপা মাংসপিণ্ড হিচাপে ভোগৰ বাবে গ্ৰহণ কৰিব নোৱাৰিব সিমান দিনলৈকে নাৰীৰ ৰক্ত মাংস মজ্জাত নিহিত হৈ থকা পুৰুষক প্ৰভু বুলি ভবাৰ সংস্কাৰ দূৰ নহ'ব। ..... নাৰীয়ে ধৰ্ষণ কৰিবলৈ শিকক, ব্যভিচাৰ কৰাত অভ্যস্ত হওক।'' এয়া হ'ল কেৱল আৱেগৰ উগ্ৰ প্ৰকাশ। ধৰ্ষণৰ প্ৰতিবাদত ধৰ্ষণ কোনো সুস্থ পথ নহয়। আজিৰ এই পুৰুষতন্ত্ৰৰ

ঠাইত যদি আকৌ কেতিয়াবা নাৰীতন্ত্ৰ ঘূৰি আহে সেইদিনা হয়তো পুৰুষেই নাৰীৰ ওচৰত ভোগৰ বস্তু হ'ব। কিন্তু সিয়ো জানো কাম্য সভ্যতা হ'ব? সেয়েহে কেৱল পুৰুষতন্ত্ৰ বা কেৱল নাৰীতন্ত্ৰ নহয়। প্ৰতিষ্ঠা হোৱাৰ প্ৰয়োজন মানৱতন্ত্ৰৰ।

তচলিমা নাছৰিন গদ্যৰ লগে লগে কবিতা ৰচনাতো সমানে আগ্ৰহী। তচলিমাৰ এটা কবিতা 'নাৰী'ৰ মূল বক্তব্য, মহিলাসকল জীৱনৰ সকলো পৰ্য্যায়তে পুৰুষৰ শাসনাধীন আৰু ভোগ্য সামগ্ৰী হিচাপেই পুৰুষৰ ওচৰত তেওঁলোকৰ দাম। এই কবিতাটো কেইটামান স্তৱকত বিন্যস্ত। এই কবিতাৰ যৌৱন অংশত অৰ্থাৎ কবিতাটোৰ চতুৰ্থ স্তৱক — য'ত তচলিমাই কৈছে ছোৱালীবিলাকৰ এই সময়ছোৱাত তেওঁলোকৰ ওচৰত পুৰুষৰ কি প্ৰত্যাশা? মুঠ কথাত পুৰুষবিলাকে ছোৱালীবিলাকক দেহসৰ্বস্ব বুলিয়েই ধাৰণা কৰে। এই কবিতাৰ আৰু দুটি স্তৱক আছে —নাৰীৰ বাৰ্ধক্য আৰু মৃত্যু। নাছৰিনৰ ভাষাত — ''টান টান ত্বকে ভাঁজ পড়ে গেছে / রজঃ যন্ত্রণা নেই / বার বার বলা এক গল্পের / হারিয়ে গেছে খেই।''

অনুবাদ ঃ ''টান টান ছালত পৰিছে ভাঁজ / ৰজঃ যন্ত্ৰণা নাই / বাৰে বাৰে কোৱা একেটা গল্পৰ / সূত্ৰ হেৰাই যায়।''

মহিলাসকলৰ ৰজো নিবৃত্তি হ'লেই পুৰুষৰ ওচৰত তেওঁলোকৰ মূল্যও কমি যায় নেকি? পুৰুষৰ চকু ইমান খকুৱা নে? সঁচাকৈয়ে তচলিমা নাছৰিনে ধাৰণা কৰে, পুৰুষৰ বাবে নাৰী তেওঁৰ সম্ভোগৰ পাত্ৰী। তচলিমা নাছৰিনৰ দৰে এগৰাকী প্ৰতিবাদী আৰু প্ৰগতিশীল নাৰীয়ে এই অতি সৰলীকৰণত কেনেকৈ বিশ্বাস কৰে? শাৰীৰিক সম্ভোগ নাৰী–পুৰুষৰ এক পাৰস্পৰিক অভিজ্ঞতা নহয় জানো? যদি সেয়ে নহয় তচলিমাই এই সুন্দৰ কবিতাটো কেনেকৈ লিখিলে? — ''গোলাপের গন্ধে শরীরে শরীর ডুবিয়ে মাছ মাছ খেলবো দুজন / ..... পালিয়ে এসে নতজানু হাতে চাই রাজ্য পাট ভুলে / ..... বড় বেশি সাধ জাগে কুমারী শরীরে মাখি রক্ত বর্ণ দাগ।''

অনুবাদ ঃ ''গোলাপৰ গোন্ধত মাছ মাছ খেলিম দুয়ো শৰীৰে শৰীৰ এক হৈ / ..... মন যায় ৰাজপথ পাহৰি পলাই আহি নতজানু হ'বলৈ / ..... খুব মন যায় কুমাৰী শৰীৰত ৰক্তবৰ্ণৰ দাগ সানিবলৈ।''— তেনেহ'লে তচলিমাৰ কোনবোৰ কথা মিছা? এই কবিতা এগৰাকী পুৰুষ বিদ্বেষী নাৰীৰ কলমেৰে



ওলাব নোৱাৰে। এই কবিতা যদি তেওঁৰ প্ৰাণৰ কথা নহয়, তেনেহ'লে ক'ব লাগিব তেওঁ ভণ্ড কবি।

তথাপিও তচলিমাৰ পুৰুষ বিদ্বেষ ইমান জঘন্যভাৱে প্ৰকাশিত হয় কিয়? কিয় তেওঁ লিখে এইবিলাক পংক্তি — ''হেঁটে হেঁটে নাভির কাছে থামি, শোঁকে / জরায়ুর ফল ছেঁড়া ক্ষতে কি এখন মধুগো / সেও কি পুরুষ নাকি? / লোভো নাল জিভ ঝুলে থাকে কার্তিকের কুকুরের মতো?''

অনুবাদঃ ''খুপি খুপি নাইৰ ওচৰত ৰয়, ঘ্ৰাণ লয় / জৰায়ুৰ ফুল ফলা ক্ষতৰ কিনো এনে মৌ / তেওঁ কি পুৰুষ?/ কাতিমাহৰ কুকুৰৰ দৰে লালায়িত জিভা যাৰ ওলমি থাকে?''

তচলিমাৰ মুঠ কথা হ'ল — পুৰুষ মাত্ৰেই নাৰীৰ যৌন অংগৰ প্ৰতি লোলুপ দৃষ্টি থাকে। গতিকে মানুহেই হওক বা কীটপতঙ্গই হওক বা পশু-পক্ষী কিম্বা জন্ম জানোৱাৰ যিয়েই নহওক — সি যদি পুৰুষ হয় তেনেহ'লে সি নাৰীৰ যোনি লোভী হ'বলৈ বাধ্য। তচলিমাৰ এটা কবিতাৰ এঠাইত আছে — ''নীলভুমো মাছি মল থেকে উঠে সারা দিন / ছল করে ঠোঁটে বসে / ..... এরা কি পুরুষ ছাড়া আর কিছু?''

অনুবাদঃ ''দিনর শেষত নীলা ভেনা মাখি, মলর পরা উঠি আহে / চল কি ওঁঠথ বহে /..... ইহঁত কি পুরুষর বাহিরে অন্য কিবা?'' — এই কবিতারে শেষর ফালর এশারী — ''যোনি লোমে জাল বোনে মাকড়সার চৌদ্দপুরুষ।''

অনুবাদ ঃ ''যোনি নোমত জাল গোঁঠে মকৰাৰ চৈধ্য পুৰুষে''— কবিতাৰ এই উদাহৰণবোৰৰ পৰাই আমাৰ ধাৰণা হয় যেন তচলিমা পুৰুষ বিদ্বেষী হ'লেও পুৰুষেই তেওঁৰ একমাত্ৰ আশ্ৰয় স্থল। সেয়ে নহ'লে তেওঁ কেনেকৈ লিখিব — ''বার  বার কলুষিত হইত / ঘোলা জলে ডুবে কলঙ্ক লেপন করি নিটোল শরীরে / তোমার লাম্পট্য সর্বজন জানে / তবুও নিঃসঙ্গতার দোষে আবার তোমার দরজায় কড়া নাড়ি।''

অনুবাদ ঃ ''বাৰে বাৰে কলুষিত হওঁ / ঘোলা পানীত ডুব দি কলঙ্ক লেপন কৰো নিটোল শৰীৰত / তোমাৰ লাম্পট্য সকলোৱে জানে তথাপিও নিঃসঙ্গতাৰ দোষত আকৌ তোমাৰ দুৱাৰত আঘাত কৰো।'' আন এটা কবিতাও উদ্ধৃতি কৰিছো ''প্ৰতাৰক পুৰুষেরা এখন আঙ্গুল ছুঁলে / পাথর

শৰীর বেয়ে ঝরনার জল ঝরে।''

অনুবাদ ঃ ''প্ৰতাৰক পুৰুষে এতিয়া আঙুলি চুলে / শিলৰ শৰীৰ ফালি ঝৰণা নিগৰি আছে।''

অথবা ''ঘৃণা ছড়ালেও আপত্তি নেই / তবুতো তোমারেই ঘৃণা / তুমি ছুঁয়ে দিলেও অস্পৃশ্যকেও ঈশ্বর মানি কিনা।''

অনুবাদ ঃ ''ঘৃণা কৰিলেও আপত্তি নাই তথাপিও সেয়া তোমাৰেই ঘৃণা তুমি চুই দিলে অস্পৃশ্যও মোৰ বাবে ঈশ্বৰ হয়।'' — আকৌ যেতিয়া তেওঁ হৃদয় আৰ্তিৰে প্ৰেমিকক ওচৰলৈ মাতে — ''যে কোন অসুখই মেনে নেব যদি আসে / যদি একবার হাত রাখো আগোছালো চুলে কপালে / কাছে বসে স্নেহে যদি স্পর্শ করো, শীর্ণ হাতখনি।''

অনুবাদ ঃ ''যি কোনো অসুখকে সহি লম যদি আহা / এবাৰ যদি হাত ৰাখো অবিন্যস্ত চুলিত কপালত / কাষত বহি স্নেহেৰে যদি স্পৰ্শ কৰা শীৰ্ণ হাতখনি।''

ইয়াৰ পিছতো বিশ্বাস কৰিব পাৰি নেকি — পুৰুষৰ আশ্ৰয় বাদ দি তেওঁৰ জীৱন সাৰ্থক হ'ব পাৰিব? যিয়ে নাৰী পুৰুষক এনেকৈ চাব পাৰে – – ভাল পাব পাৰে সেই নাৰীয়ে আকৌ পুৰুষ বিদ্বেষী হৈ উঠিব পাৰে কেনেকৈ? — ''তোমার পিছনে একপাল কুকুর লেগেছে / জেনে রেখো কুকুরো শরীরে র‍্যাবিস / তোমার পিছনে একপাল কুকুর লেগেছে / জেনে রেখো সি ফিলিম।''

অনুবাদ ঃ ''তোমাৰ পিচত এপাল কুকুৰ লাগিছে/ জানিথোৱা কুকুৰৰ শাৰীৰত ৰেবিজ / তোমাৰ পিছত এপাল কুকুৰ লাগিছে / জানি থোৱা ছিফিলিছ্।'' — এয়া পুৰুষৰ প্ৰতি তেওঁৰ সহজাত ক্ৰোধৰ প্ৰকাশ, সঁচা ঘৃণা নে বিদ্বেষ?

তচলিমাৰ ধাৰণা পুৰুষৰ ছল চাতুৰি সকলোৰেই কেৱল নাৰীক সম্ভোগ কৰিবৰ বাবে। — ''অক্ষত যোনি খোজে পুৰুষেরা / কামধে ছিঁড়বে বলে / প্ৰেমৰ দাবিতে কেউ বিবাহের সিদঁ কাটে কৌশলে।''

অনুবাদ ঃ ''অক্ষত যোনিৰ সন্ধান কৰে পুৰুষসকলে / কামুৰি ফালিব বুলি / প্ৰেমৰ দাবীত কোনোৱে বিবাহৰ সিন্ধি খানে ছল চাতুৰিৰে।'' — তচলিমাৰ ব্যক্তিগত অভিজ্ঞতাই কিন্তু শেষ কথা নহয়। পুৰুষ মাত্ৰেই চাতুৰি কৰি নাৰীৰ যোনি সম্ভোগত লালায়িত নহয়। নিভাঁজ ভালপোৱাৰ মণিহাৰ



কিন্তু পুৰুষেই নাৰীক পিন্ধায়। পৰস্পৰৰ ভালপোৱাত যেতিয়া হৃদয় মথিত – – তেনেহ'লে দেহৰ মিলনত বাধা ক'ত? অথচ তচলিমাই লিখে — ''কিছু কিছু পেটুক পুরুষ আছে / নারীকে তারা কচি গরুর মাংস মনে করে / মনে করে আমের মোরাব্বা, মনে করে সেদ্ধ ডিম, দুধের সন্দেশ।''

অনুবাদ ঃ ''কিছুমান লুভীয়া পুৰুষ আছে / নাৰীক ভাবে কোমল গৰুৰ মাংস / ভাবে আমৰ মোৰাব্বা, ভাবি লয় সিজোৱা কণী, ক্ষীৰৰ সন্দেশ।'' — এই 'কিছুমান' শব্দটোত আপত্তি থাকিব নোৱাৰে। কিছুমান মানুহ চয়তান হয়, চোৰ-ডকাইত হয়, বদমাচ হয়, নাৰী ধৰ্ষকো হয়। কিছুমান নাৰীও কি চয়তানী নহয়? অথচ তচলিমাই লিখে — ''ভালোবাসা ছাড়া / মাংসের শরীর ছুতেঁ / পারঙ্গম জন্তু ও মানুষ, নারী নয়।''

অনুবাদ ঃ''ভালপোৱা এৰি / মাংসৰ শৰীৰ বিচাৰে / জন্তু বা মানুহ, নহয় নাৰী। — কিন্তু কিমান কামত নাৰীয়ে কেৱল দেহৰ ক্ষুধা পুৰোৱাৰ কাৰণে কত যে জঘন্য উপায়েৰে কোনো পুৰুষক লৈ গৈ শয্যাত শুৱায় তাৰ খবৰ তেওঁ নাজানে বুলি ভাবিলে আমি অবাক হওঁ। এইসময়ত কলিকতাত ঘৰৰ গিৰিহঁতে ৰাম বাগানত ৰাতি কটাবলৈ গৈছিল আৰু ঘৰৰ মহিলাই ঠাকুৰ-চাকৰক লৈ শয্যাত শুৱাইছিল সেয়া কি ভালপোৱাৰ বাবেই? — তচলিমা নাছৰিন — আপোনাৰ চৈতন্য জাগক।

তচলিমাই পুৰুষক জন্তু-জানোৱাৰ, কীট-পতঙ্গৰ সৈতে সমগোত্ৰীয় বুলি ভাবিবলৈ ভাল পায়। সেইবাবেই তেওঁ অনায়াসে লিখিব পাৰে — ''যতটুকু আমি ভবেছি মানুষ / ততটুকু নয় / অর্ধেক পশু সে অর্ধেক মানুষ।''

অনুবাদঃ ''যিমান মানুহ বুলি ভাবিছোঁ/ সিমান নহয় / অৰ্ধেক পশু তেওঁ অৰ্ধেক মানুহ।'' — পুৰুষে বিশ্বাসঘাতকতা কৰিছে তেওঁক বাৰে বাৰে, সেই শোক তেওঁ পাহৰিব পৰা নাই। এই বাবেই তেওঁ অনায়াসে লিখিব পৰে — ''তার চেয়ে কুকুর পোষা ভাল / ধূর্ত যে শেয়াল সেও পোষমানে / দুধ, কলা দিয়ে আদৰে আহ্লাদে এক কবিকে পুষেদি এতকাল / দেখো সেই কবি আজ পালায় কি ভাবে?''

অনুবাদঃ ''তাতকৈ কুকুৰ পোহাই ভাল / ধূৰ্ত শিয়ালেও পোহ মানে / কল, গাখীৰ দি আদৰেৰে এক কবিক পুহিছিলোঁ অতদিনে / চোৱা সেই কবিও আজি পলাইছে কেনেকৈ? — নিঃসন্দেহে এই কবি তেওঁৰ প্ৰথম

স্বামী, জীৱনৰ প্ৰথম প্ৰেৰণা — কবি ৰুদ্ৰ মহম্মদ।

ঢাকাৰ ৰমনা পাৰ্কত এজন ডেকা ল'ৰাই এবাৰ এজনী ছোৱালী কিনা দেখি তচলিমাৰ প্ৰচণ্ড খং উঠে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত তেওঁ লিখিছে — ''আমার খুব ছেলে কিনতে ইচ্ছা হয় / ভাশা ভাশা ছেলে বুকে ঘন লোম / ছেলে কিনতে ছেলেকে আমূল তছনছ করে/ কুঞ্চিত অণ্ডকোষে জোর লাথি কষে বলে উঠবোর — যাশ শালা।''

অনুবাদঃ ''মোৰ খুউব মন যায় ল'ৰা কিনিবলৈ / ৰসাল ৰসাল ল'ৰা বুকুত ঘন লোম থকা / ল'ৰা কিনি ল'ৰাটোক সম্পূৰ্ণ তছনছ কৰি / কুঞ্চিত অণ্ডকোষত জোৰ কৰি লাঠি মাৰি কৈ উঠিম — যা চাল্লা।'' এই বিকৃত যৌন কামনাৰ ফান্দত কিয় নিজকে পেলাব বিচাৰিছে তচলিমাই!

তচলিমাই তেওঁৰ জীৱনৰ যৌন অতৃপ্তিৰ কথা বিলাপৰ দৰে বাৰে বাৰে আমাক শুনাইছে। কৈছে — ''রান্না ঘরে চুলোর কাছে সমস্ত দিন আমার যাবে / তুমি শুধু রাত্রি বেলা খেলার ছলে শরীর নেবে / আর ফুরিয়ে বোলে বাড় / ফেরাবে পাশ বালিশে / ..... খিছে লাগলে দুমুঠো নয় / এক থালা ভাত না যদি খাই আদৌ আমার পেট ভরেনা।''

অনুবাদঃ ''ৰান্ধনীশালৰ চৌকাৰ কাষতে মোৰ সমস্ত দিন যাব / তুমি কেৱল ৰাতি আহি খেলাৰ চলেৰে শৰীৰৰ সোৱাদ ল'বা / আকৌ শেষ হৈ গ'লে আঁতৰি যাবা কাষৰ গাৰুলৈ / ভোক লাগিলে এমুঠি নহয় / একাঁহী ভাত যদি নেপাওঁ খাবলৈ মোৰ ভোক থাকি যায়।'' কিম্বা ''প্রতিরাতে আমার বিছনায় শোয় নপুংশক এক পুরুষ / দুহাতে, মুঠো কারে ধরে স্তন / মুখে পোরে, চোষে / আমার অর্ধেক শরীর তখন / সেই পুরুষের গা–গতর ভেঙ্গে চুরে / এক নদীজল চায় / কাতরায় নপুংশক ঘুমোয় ।''

অনুবাদ ঃ ''প্ৰতি ৰাতি মোৰ বিছনালৈ আহি শোৱে এক নপুংশক পুৰুষ / দুহাতে ধৰি মুখত ভৰাই স্তন চোহে / মোৰ অৰ্ধেক শৰীৰ তেতিয়া কাতৰ হৈ যায়। সেই পুৰুষৰ শৰীৰত ভাঙি পৰে / এখন নদীৰ যেতিয়া পানী লাগে / নপুংশক শুই থাকে।'' — কবিতাৰ নামত এইবিলাক 'ভালগাৰ' 'পৰ্ণো' (অশ্লীল, জঘন্য) কথা নিলিখিলে কি ক্ষতি হ'লহেঁতেন সাহিত্যৰ? তচলিমাই কি হ'বলৈ বিচাৰিছে — এই উপমহাদেশৰ — মহিলা বডলেয়াৰ?? ■

*(প্ৰকাশ কালঃ ১৯৯৫–৯৬)*



# এখন উপন্যাসৰ জন্ম হ'ল

**সঞ্জীৱ পাটোৱাৰী**
স্নাতক তৃতীয় বৰ্ষ

কোনো কোনো মানুহৰ জীৱনকালত মহা-মহা কীৰ্তিকলাপ সাধিত হয়। আকৌ এনেও হয়, গোটেই জীৱনটোৱেই হয় এটা মহাকীৰ্তি। বিখ্যাত ছোভিয়েত সাহিত্যিক নিকোলাই অস্ত্ৰভস্কিৰ জীৱনটোও আছিল ঠিক তেনেকুৱাই। জীৱনৰ শেষ বাৰ বছৰ গুৰুত্ব ভাৱে অসুস্থ আৰু শেষ আঠ বছৰ অন্ধ অৱস্থাত থাকি তেওঁৰ মৃত্যু হয় বত্ৰিশ বছৰ বয়সত।

তথাপিও, যথাৰ্থ অমৰ উত্তৰাধিকাৰেই ৰাখি থৈ গ'ল তেওঁ। পুৰুষৰ পিছত পুৰুষ যুৱকৰ বাবে পথ–প্ৰদৰ্শক হৈ ৰ'ল তেওঁৰ 'ইস্পাত'।

ইস্পাত আৰু শক্তিশালী হৈ উঠে জুইৰ উত্তাপৰ দ্বাৰা.... কিন্তু, মানুহৰ চৰিত্ৰ? কি দৰে মানুহৰ চৰিত্ৰ আৰু, আৰু শক্তিশালী কৰি তুলিব পাৰি, যাতে সেই চৰিত্ৰ হ'ব ইস্পাতকৈও বেছি দৃঢ়, বিপদত অবিচলিত, বন্ধুত্বৰ নিৰ্ভৰযোগ্য, আৰু ভালপোৱাৰ একনিষ্ঠ? নিকোলাই অস্ত্ৰভ্স্কিৰ *ইস্পাত* উপন্যাসখনত তাৰ উত্তৰ আছে। উপন্যাসখনৰ বেছিভাগ চৰিত্ৰই সত্য, বাস্তৱ জীৱনৰ প্ৰতিকৃতি। প্ৰধান চৰিত্ৰ পাভেল কৰচাগিন হ'ল লেখক নিজেই।

নিযুত–নিযুতখন ছপা হৈছে *ইস্পাত*। এই উপন্যাসখন পৃথিৱীৰ প্ৰায় সকলোবোৰ দেশতেই পৰিচিত। উপন্যাসখন পৃথিৱীৰ প্ৰায় সকলোবোৰ দেশতেই পৰিচিত। উপন্যাসখন অনুবাদ হৈছে ৪৮ টা ভাষাত, প্ৰকাশিত হৈছে ৪২ খন দেশত। ছোভিয়েট ইউনিয়নেই ৪৯৫ টা সংস্কৰণ প্ৰকাশিত

কৰিছে। বিক্ৰি হৈছে এক কোটি পঞ্চাশ লাখখন।

''মঙ্গল গ্ৰহলৈ যোৱাৰ সময়ত লগত কি নিবলৈ বিচাৰে?'' —এই প্ৰশ্ন কৰিছিল নৱযুৱক আলোচনী *কমছোমস্কায়া প্ৰাভাৰ্দ* ই আৰু মত-ভোট বিচাৰিছিল। পাঠকসকলে যি কেইখন উপন্যাসৰ নাম উল্লেখ কৰিছিল তাৰ ভিতৰত এক নম্বৰত আছিল নিকোলাই অস্ত্ৰভ্স্কিৰ *ইস্পাত*।

নিকোলাই অস্ত্ৰভ্স্কিৰ জীৱন আছিল (১৯০৪-১৯৩৬) সংক্ষিপ্ত কিন্তু বীৰত্বপূৰ্ণ। গৃহযুদ্ধত ভীষণ ভাৱে আহত এই যুৱকজন বিশ বছৰ বয়সৰ পৰাই অন্ধ হ'বলৈ আৰম্ভ কৰে, তেওঁৰ চলনশক্তিহীনতা অৱধাৰিত হৈ পৰে। আৰু সেই অৱস্থাতেই তেওঁ লিখি উলিয়ালে এই অভিলেখ সৃষ্টিকাৰী উপন্যাসখন, —যৌৱন, ভালপোৱা আৰু সংগ্ৰাম, আৰু প্ৰথম যুগৰ ছোভিয়েট যুৱক-যুৱতী সকলৰ জীৱনেই এই উপন্যাসখনৰ বিষয়বস্তু। এই উপন্যাসখনৰ ৰচনাই হ'ল মহৎ মানৱিক কীৰ্তি। *ইস্পাত* উপন্যাসখনৰ এঠাইত পাভেল কৰচাগিন ৰূপি নিকোলাই অস্ত্ৰভ্স্কিয়ে কৈছে — *জীৱন মানুহৰ সকলোতকৈ প্ৰিয় সম্পদ। এই জীৱন মানুহে পায় মাত্ৰ এবাৰ। গতিকে, এনেদৰে জীয়াই থাকিব লাগে যাতে বছৰৰ পিছত বছৰ লক্ষ্যহীন জীৱন-যাপন কৰাৰ যন্ত্ৰণাভৰা অনুশোচনাত ভুগিব লগা নহয়, যাতে জীৱনৰ বিগত কালৰ গ্লানিভৰা হীনতাৰ লাজতে লজ্জিত হ'ব লগা নহয় ঃ এনেদৰে জীয়াই থাকিব লাগে যাতে মৃত্যুৰ মুহূৰ্তত তেওঁ ক'ব পাৰে ঃ মোৰ গোটেই জীৱন, গোটেই শক্তি মই ব্যয় কৰিলো এই পৃথিৱীৰ আটাইতকৈ ডাঙৰ আদৰ্শৰ বাবে — মানুহৰ মুক্তিৰ সংগ্ৰামত।*

উপন্যাসখন লেখা শেষ হোৱাৰ পিছত নিকোলাই অস্ত্ৰভ্স্কিয়ে কৈছিল, ''এইবাৰ বাহিৰলৈ ওলায় আহিছো লৌহকঠোৰ বেষ্টনিৰ ভিতৰৰ পৰা... এতিয়া মই আকৌ আহি থিয় হৈছোহি যোদ্ধাসকলৰ শাৰীত।''

১৯৩৭ চনত এই উপন্যাসখন ইংৰাজী ভাষাত প্ৰকাশ পায় লণ্ডনৰ *টাইমচ্* আলোচনীত। কিতাপ পৰিচয় স্তম্ভত এই যুৱ লেখকৰ সম্বন্ধে কৰা মতে, উক্ত উপন্যাসখন লিখা আৰম্ভ কৰাৰ আগৰ পৰাই তেওঁ আছিল শয্যাশয়ী আৰু অন্ধ। উপন্যাসখন বহুলাংশে আত্মজীৱনীমূলক; নতুন ৰাছিয়াৰ যুৱ বীৰ নায়ক পাভেল কৰচাগিনৰ পূৰ্ণাঙ্গ আলেখ্য তুলি ধৰিছিল অস্ত্ৰভস্কিয়ে। প্ৰথম বিশ্বযুদ্ধ, গৃহযুদ্ধ আৰু ছোভিয়েত ইউনিয়নৰ পূৰ্ণগঠনৰ কালপৰ্য্যায়ৰ



পটভূমিত তেওঁ আঁকিছে এই আলেখ্যখন। পটভূমি খুবেই বাস্তৱসন্মত, প্ৰধান চৰিত্ৰটো প্ৰত্যয়জনক, গোটেই কাহিনীটোৱেই এক বাস্তৱ জীৱন, শক্তিবোধ আৰু সূক্ষ্ম নাটকীয়তা বোধ অনুসৰি তাক উপস্থিত কৰা হৈছে।

অস্ত্ৰভস্কিয়ে কৈছিল, ''বীৰত্বৰ জন্ম হয় সংগ্ৰামৰ ভিতৰৰ পৰা আৰু কঠোৰ অৱস্থাৰ মাজেৰেই তেওঁৰ পৰীক্ষা হয়।''

তেওঁৰ নিজৰ সংক্ষিপ্ত জীৱনত কঠোৰ অৱস্থা আৰু সংগ্ৰাম আহিছিল নিৰন্তৰ.....

ৰাছিয়াৰ সমাজতান্ত্ৰিক বিপ্লৱৰ সময়ত অস্ত্ৰভস্কিৰ বয়স আছিল মাত্ৰ তেৰ বছৰ। তথাপিও, কঠোৰ শ্ৰম আৰু দাৰিদ্ৰ্ৰ অৰ্থটো তেওঁ জানিছিল তাৰ আগতেই। এটা ৰেল-ষ্টেচনৰ ৰেস্তোৰাঁত তেওঁ কাম কৰিব লাগিছিল দিনত বাৰ ঘণ্টা, সৰু এঁকাবেঁকা চিৰিৰে গধুৰ-গধুৰ বস্তু তোলা-নমোৱা কৰিব লাগিছিল, চৌকা জ্বলাবৰ বাবে কাঠ কাটিব লাগিছিল।

পোন্ধৰ বছৰ বয়সত তেওঁ যোগ দিছিল গৃহযুদ্ধত। পিছত কিয়েভ ৰেলওৱে মেৰামতি কাৰখানাত আৰু ৰেলপথ নিৰ্মাণৰ কামতো তেওঁ অংশগ্ৰহণ কৰিছিল। অস্ত্ৰভ্স্কি ইউক্ৰেনৰ এজন উৎসাহী কমছোমল সংগঠক আছিল। যি কোনো কামতেই তেওঁ হাত দিয়ে তাতে তেওঁ ঢালি দিছিল নিজৰ অন্তৰ মন।

১৯২৪ চনৰ শেষৰ ফালে তেওঁ গুৰুত্বভাৱে অসুস্থ হৈ পৰে। সেইটো আছিল মেৰুদণ্ডৰ ক্ষয়ৰোগা। বাল্যকালত অপুষ্টি, কঠোৰ শ্ৰম, গৃহযুদ্ধত আহত, দেশৰ বিধ্বস্ত অৰ্থনীতি পুনঃ সংস্থাপনৰ কামত অতিমাত্ৰা শ্ৰম — এইবাৰৰ ফল হ'ল এই ৰোগ। এই সাহসী যুদ্ধা জনে আৱিষ্কাৰ কৰিলে এটা সত্য — তেওঁ অচল। গোটেই দেশ তেতিয়া পুনৰোজ্জীৱনৰ সৃজনী জুইত উদ্দীপ্ত। যুৱকসকলে তেতিয়া সন্মুখৰ শাৰীবোৰত —দেশী নতুন নতুন সম্পদ আৰু নতুন জীৱন গঢ়াৰ কামত ব্যস্ত।

ছোভিয়েত ইউনিয়নৰ ডাঙৰ ডাঙৰ ক্লিনিকৰ ডাঙৰ ডাঙৰ ডাক্তৰসকলে অস্ত্ৰভ্স্কিৰ চিকিৎসা কৰিছিল। কিন্তু ৰোগৰ অৱস্থা আছিল চিকিৎসাৰ অসাধ্য। এই যুৱকজনৰ অঙ্গ-প্ৰত্যঙ্গ অৱশ হৈ পৰিল, তাৰ পিছত শেষ হৈ গ'ল দৃষ্টিশক্তি। ৰোগ জয় হ'ল — ৰোগে তেওঁক যোদ্ধাশ্ৰেণীৰ পৰা আঁতৰাই আনি তেওঁৰ 'শয্যা সমাধি' অৱধাৰিত কৰি দিলে।

কি কৰিব তেতিয়া তেওঁ? কেনেকৈ জীয়াই থাকিব? এইদৰে জীয়াই

থাকিব পাৰিনে?

তেওঁৰ উপন্যাসৰ নায়ক গাভেল কৰচাগিনৰ সন্মুখলৈ আহিল এইবোৰ মৰ্মান্তিক প্ৰশ্ন। এইবোৰ প্ৰশ্নৰ উত্তৰ বিচৰাৰ বাবে চলিল অস্ত্ৰভ্স্কিৰ অতি কষ্টকৰ প্ৰচেষ্টা।

সংগ্ৰাম কৰাৰ ক্ষমতাকেই তেওঁ জীৱনত আটাইতকৈ ডাঙৰ মূল্য দি আহিছে। এই ক্ষমতাটো হেৰাই যোৱাৰ পিছত তেওঁ আৰু জীয়াই থাকিব কিহৰ বাবে? আজিৰ আৰু নিৰানন্দ অনাগত কালৰ অস্তিত্বৰ সমৰ্থনৰ যুক্তিটো কি? কিহেৰে তেওঁ ভৰাই তুলিব তেওঁৰ দিনবোৰ? জীয়াই থাকিব কেৱল মাত্ৰ উশাহ লোৱাৰ বাবে, খাবৰ বাবে? কমৰেডসকল সংগ্ৰামৰ মাজেৰে আগুৱাই যাব আৰু তেওঁ মাত্ৰ কাষত থিয় হৈ অসহায়ৰ দৰে চাই থাকিব?'

তেওঁ উদ্ধাৰ পোৱাৰ এটা উপায় চিন্তা কৰিলে আত্মমৃত্যু। কিন্তু শেষ মুহূৰ্তত তেওঁ দৃঢ়ভাৱে সেই উপায় বাতলি কৰিলে। 'জীৱন যেতিয়া অসহনীয় হৈ উঠে তেতিয়া কেনেকৈ জীয়াই থাকিব পাৰি সেইটো শিকা। জীৱনটোক কামত লগোৱা।'

১৯৩০ চনৰ ছেপ্তেম্বৰ মাহত অতি নিদাৰুণ শেষ আঘাত ৰূপে আহিল সম্পূৰ্ণ অন্ধতা–তেতিয়া অস্ত্ৰভ্স্কিয়ে তেওঁৰ বন্ধু পিত্তৎৰ্ নভিকভেৰলৈ চিঠি লিখিছিল ঃ *নিজৰ জীৱনটোক অৰ্থপূৰ্ণ কৰি তোলাৰ মোৰ এটা পৰিকল্পনা আছে — নিজ অস্তিত্বৰ ন্যায্যতা প্ৰতিপাদনৰ বাবে সেইটো দৰকাৰ। পৰিকল্পনাটো অত্যন্ত কঠিন আৰু কঠিন আৰু জটিল। পৰিকল্পনাটো যদি নিৰ্দিষ্ট হৈ উঠে তেন্তে তোমাক এই বিষয়ে বহলাই লিখিম।*

*... শয্যাশায়ী হ'লেও মই অসুস্থ নহয়। সেয়া ভুল। বাজে কথা। মই একেবাৰে সুস্থ। মোৰ ভৰি নচলে, দেখা নাপাওঁ সকলোবোৰ নিদাৰুণ ভুল।*

একেবাৰে বীৰত্বৰে লিখা এই চিঠিখন সচাঁই মৃত্যুৰ সৈতে এক যুদ্ধ। মৃত্যু তেতিয়া হাঁহিমুখে তেওঁৰ ওচৰতে সমুপবিষ্ট। তেওঁ আৰু অসুস্থ হৈ পৰিল। ডাক্তৰসকল অক্ষম। তেওঁ আৰু কেতিয়াও বিচনাৰ পৰা উঠি থিয় হ'ব নোৱাৰিব, ৰাতিপুৱাৰ পোহৰেও তেওঁৰ চকু মেল নোখোৱাই কেতিয়াও। তেন্তে উপায় কি?

তেওঁ উঠি থিয় হ'ব; থিয় হৈ তেওঁ খোজকাঢ়ি একেবাৰে জীৱনৰ মাজলৈ যাব — নিজৰ উপন্যাসখনৰ পৃষ্ঠাবোৰৰ পৰা। পৰৱৰ্তী পুৰুষ সকলক



তেওঁ কি ক'ব বিচাৰে সেইটো তেওঁ জানিছিল বহু আগতেই। বিপ্লৱৰ এজন যোদ্ধা। তেওঁক কেতিয়াও জোৰ কৰি পিছোৱাব পৰাটো সম্ভৱ নহয়। এইয়াই হ'ব তেওঁৰ জৱানবন্দী।

প্ৰথমে তেওঁ কাৰো পৰা সহয় পোৱা নাছিল। তেওঁৰ পত্নীয়ে ৰাতিপুৱাতেই কামলৈ ওলায় যায় আৰু সন্ধ্যা ঘৰলৈ উভটি আহে ক্লান্ত হৈ। অৱশ্য আঙুলিবোৰেৰেই কলম ধৰি অস্ত্ৰভ্স্কিয়ে অতি কষ্টেৰে এটা এটা আখৰ লিখে, কিন্তু প্ৰায়েই এটা শাৰী আগৰ শাৰীটোৰ ওপৰত পৰি দুটা শাৰীয়েই দুস্পাঠ্য হৈ পৰিছিল। গতিকে, হাতখনক দিহা দিয়াৰ বাবে এখন সাজকটা বৰ্ডৰ ব্যৱস্থা কৰা হৈছিল। এখন বৰ্ডৰ ফাইলৰ পৰা তৈয়াৰ কৰা এই ব্যৱস্থাটো আছিল সহজ-সৰল। ফাইলৰ ওপৰৰ পাল্লাৰ পৰা সমান্তৰাল ভাৱে ৮ মিলিমিটাৰ বহলকৈ ফালি দিয়া হৈছিল — তাৰ পিছত, ফাইলৰ ভিতৰেদি এখন কাগজ সোমাই দিলে তেওঁৰ আখৰবোৰ সমান হৈছিল। অস্ত্ৰভ্স্কিয়ে লিখিছিল সাধাৰণতে ৰাতি — যেতিয়া সকলো শুই পৰে। তেওঁৰ পত্নী বা মা'কে পঁচিশ ত্ৰিশখন কাগজ তেওঁৰ বিছনাত থৈ যায়। ৰাতিৰ ভিতৰতে তেওঁ সেই গোটেই কাগজবোৰত লিখি শেষ কৰি দিছিল। পিছদিনা তেওঁ পত্নী বা বন্ধুসকলে সেইখিনি টাইপ কৰি দিছিল।

''এই উপন্যাসখনৰ কাম ই হৈ উঠিছে মোৰ সমগ্ৰ জীৱন'', অস্ত্ৰভ্স্কিয়ে তেওঁৰ এজন বন্ধুলৈ এনেদৰে লিখিছিল — ''মই ৰাতি লিখো, দিনত শুই থাকো। ৰাতি খুব শান্ত, কতো একো শব্দ নহয়। এটা ঘটনাৰ পিছত আন এটা ঘটনা মোৰ চকুৰ আগত ভাঁহি উঠে, চিনেমাৰ দৰে, মোৰ চকুৰ আগত ভাঁহি উঠে ক'ত যে দৃশ্য...।''

সেই ভয়ংকৰ বছৰবোৰত অস্ত্ৰভ্স্কিক আগবঢ়াই নিছিল তেওঁৰ অদম্য মনোবল, সংকল্পৰ দৃঢ়তা আৰু প্ৰচণ্ড ইচ্ছাশক্তিয়ে। *ইস্পাত* প্ৰথম প্ৰকাশিত হৈছিল ১৯৩৪ চনত। তাৰ পিছত মস্কো, ১৯৩৫ চনৰ ডিচেম্বৰ মাহ। অস্ত্ৰভ্স্কি ৰাজধানীলৈ আহিল। ছোভিয়েট সাহিত্যক্ষেত্ৰত বীৰত্বপূৰ্ণ অৱদানৰ বাবে তেওঁ 'লেনিন অৰ্ডাৰ' পাইছিল।

বিশিষ্ট ছোভিয়েট সাহিত্য — সমালোচক ছেমিয়ন প্ৰেগুবৰৰ ব্যক্তিগত ঘনিষ্ঠতা আছিল নিকোলাই অস্ত্ৰভ্স্কিৰ সৈতে। তেওঁ এখন বিদেশী আলোচনীত এনেদৰে লিখিছিল, *৪০ নং গোৰ্কি স্ট্ৰীটত থকা নিকোলাই অস্ত্ৰভ্স্কিৰ ঘৰলৈ*

*গৈছিলো পাৰ হৈ যোৱা সময়ক বিচাৰি। বহল চিৰিৰে দুইতলালৈ উঠি দৰজাৰ ঘণ্টি বজাই আমি ভিতৰলৈ সোমালো। অস্ত্ৰভ্স্কি শুই আছিল, তেওঁৰ গাৰ তলৰ ফালে কম্বলেৰে ঢকা। তেওঁৰ মনটো কেতিয়াও নিষ্ক্ৰিয় হৈ নাথাকিছিল আৰু তাৰেই অনুপ্ৰাণিত অভিব্যক্তি তেওঁৰ মুখত। তেওঁৰ কপালত এটা পুৰণি আঘাতৰ চিন। চকুদুটা মেল খাই আছিল যদিও গোটেই পৃথিৱীখন তেওঁৰ বাবে অন্ধকাৰ। গাত এটা খাকি চোলা। তেওঁৰ বুকুত আঁৰি দিয়া হ'ল 'লেনিন অৰ্ডাৰ'। কোঠাটোত কম পোহৰ। খিৰিকীত ডাঠ পৰ্দা। বিছনাৰ ওপৰৰ দেৱালত লেনিনৰ প্ৰতিকৃতি। সাধাৰণ আচবাব। এখন ডেস্ক, এটা পিয়ানো, এটা কিতাপৰ আলমাৰি আৰু এটা মূৰ্ত্তি।*

*কোঠাটোৰ ইফালে সিফালে চাই থাকোতে হঠাতে শুনিলো এজন যুৱকৰ বলিষ্ঠ কণ্ঠৰ প্ৰীতি সম্ভাষণ। নিজৰ কাষত বহিবলৈ মাতি অস্ত্ৰভ্স্কিয়ে অতি কষ্টৰে আগবঢ়াই দিলে বাওঁ হাতখন। তেওঁৰ শৰীৰত তেতিয়া কিছু চলনশক্তি অৱশিষ্ট আছে। ক্ষীণভাৱে তেওঁ মোৰ হাতখন চেপি ধৰিলে। যিমান সময় আমি তাত আছিলো তেওঁ মোৰ হাতখন এবাৰৰ বাবেও এৰি দিয়া নাছিল। ধৰিয়েই তেওঁ হয়তো মানুহজনৰ বিষয়ে জানিবলৈ চেষ্টা কৰে। মানুহজনৰ কাষত থাকিলে কিন্তু তেওঁৰ সাংঘাটিক বেমাৰটোৰ কথা অনুমান কৰিব নোৱাৰে। তেওঁৰ কথা বাৰ্তাত, তেওঁৰ অনুপ্ৰাণিত চিন্তাৰ দ্ৰুত সঞ্চাৰণত ক'তো শক্তিহীনতাৰে কোনো লক্ষণ দেখা নাযায়। তেওঁ কৈছিল, 'মই যেতিয়া চকুদুটা মুদি দিওঁ, তেতিয়া মই পাহৰিয়েই যাওঁ যে মই ক'ত বছৰৰ পৰা একো দেখা নাই। মই ভাবো মোৰ একো দুখ নাই।' 'এতিয়া পঢ়িছো', 'এতিয়া লিখিছো', 'ভাৱিছো যাম' — অস্ত্ৰভ্স্কিৰ কথা কোৱাৰ ধৰণ আছিল এনেধৰণৰ।*

*তেওঁ শুই আছে। তেওঁৰ মৃত্যু নিশ্চিত — কিন্তু তাৰ পৰা তেওঁ যেন পাই এক আমেজ আৰু কৰ্ম্মোদ্যোগ যাতে কৰুণ সমবেদনাৰ সলনি তেওঁক দেখিলে মানুহৰ আহে বিপুল গৰ্ববোধ।*

সাধাৰণতে লেখক আৰু তেওঁ সৃষ্টি কৰা চৰিত্ৰবোৰৰ মাজত এটা পাৰ্থক্য থাকে। কিন্তু অস্ত্ৰভ্স্কি আৰু তেওঁৰ নায়ক অভিন্ন, উভয়ে একেটা জীৱনৰে ভাগীদাৰ, তেওঁলোকৰ প্ৰকৃতিৰ ইস্পাত আৰু শক্তিশালী হৈ উঠে জুইৰ উত্তাপৰ দ্বাৰা। *ইস্পাত* ত অস্ত্ৰভ্স্কিয়ে বৰ্ণনা কৰা সময় আৰু ঘটনাৱলী এতিয়া অতীতৰ বস্তু। তথাপিও আমাৰ এই যুগৰ বীৰ নায়ক হৈ ৰল পাভেল কৰচাগিন।



আমি পাভেল কৰচাগিনৰ প্ৰতি আকৃষ্ট হওঁ কিহৰ বাবে? জীৱনৰ সেই 'সুৰংগবোৰ'ৰ মাজেৰে দৃঢ়ভাৱে আগবাঢ়ি যোৱাৰ ক্ষমতা — মহান ফৰাছী লেখক ৰোমা ৰেলাঁই তেওঁৰ এজন যুৱ-বন্ধুলৈ চিঠিত এনেদৰে লিখিছিল — 'তোমাৰ বয়সত মোৰ সমস্যাবোৰে সীমা চেৰাই গৈছিল। তেনে ঘটিলে মনত ভাৱিবা যে সেইবোৰ ৰাস্তাত পোৱা সুৰঙ্গৰ দৰে। সেইবোৰৰ ভিতৰেদি পাৰ হোৱাতো অসম্ভৱ। কিন্তু আমি সেইবোৰৰ মাজেৰে পাৰ হ'বই লাগিব — কাৰণ, সুৰংগৰ অন্য প্ৰান্তৰত আমি পাৰ ৰদ্, মুক্ত বায়ু... অন্তৰত দৃঢ়তা লৈ ক্ৰমাগতভাৱে আগুৱাই যোৱাটোৱেই প্ৰধান কথা। মই এইয়া তোমালৈ লিখিছো মোৰ জীৱনজোৰা অভিজ্ঞতাৰ দ্বাৰা।'

আমাৰ প্ৰত্যেকৰেই আছে নিজস্ব সুৰংগবোৰ — অতীতৰ, বৰ্তমানৰ আৰু ভৱিষ্যতৰ। সেইবোৰৰ মাজেৰে পাৰ হ'বলৈ লাগিব সাহস। সেই সাহস আমি আহৰণ কৰিব পাৰো অস্ত্ৰভ্স্কি কৰচাগিনৰ পৰা। অস্ত্ৰভস্কি বা কৰচাগিনৰ কোনো অলৌকিক মহিমা নাছিল, তেওঁলোকো আছিল আমাৰ দৰেই সাধাৰণ মানুহ। নৈৰাশ্য, আশাভংগ আৰু ভুল-ভ্ৰান্তিৰ ষোলঅনা অৰ্থই জনা আছিল পাভেল কৰাচাগিনৰ। নিজৰ জীৱনৰ সাৰমৰ্ম ফুটাই তুলি তেওঁ এবাৰ কৈছিল *ইস্পাত* ত, যুদ্ধবোৰৰ পৰা তেওঁ কেতিয়াও আঁতৰি থকা নাছিল, তীব্ৰ সংগ্ৰামৰ মাজতে তেওঁ পাইছিল নিজৰ স্থান, বিপ্লৱৰ ৰঙা পতকাত আছে তেওঁৰো কেইটোপালমান তেজ, তাৰ বাবে তেওঁ আনন্দিত, কৰচাগিনে যি ভাৱ-ধাৰণাৰ পৰা প্ৰেৰণা পাইছিল, তেওঁৰ পৰাক্ৰমৰ মাজতেই সেই শক্তি নিহিত।

'আচল কৰচাগিনে' এবাৰ কৈছিল — *আত্মসৰ্বস্ব মানুহ পোন-প্ৰথমতে শেষ হৈ যায়। তেওঁৰ অস্তিত্ব কেৱল নিজৰ বাবেই, তেওঁৰ 'মই' টোত ঘা লাগিলেই আৰু একোৱেই অৱশিষ্ট নাথাকে তেওঁৰ। কিন্তু সমাজৰ স্বাৰ্থৰ ভাগীদাৰ হয় যিজন, যিজনে তেওঁৰ ভাগ্যক মিলাই দিয়ে মানুহৰ লগত। তেওঁক সহজতে শেষ কৰিব নোৱাৰি আৰু এইটোৱেই যাৰ সৰ্বশেষ সহজতে শেষ কৰিব নোৱাৰি আৰু এইটোৱেই যাৰ সৰ্বশেষ সচেতন অনুভূতি, তেওঁ পায় চূড়ান্ত আৰু পৰিপূৰ্ণ তৃপ্তি।*

১৯৩৬ চনত নিকোলাই অস্ত্ৰভ্স্কিৰ মৃত্যু হয়। মৃত্যুৰ কেইদিনমান আগতে লণ্ডনৰ *নিউজ ক্ৰনিকল্* কাকতৰ সংবাদদাতাই অনুভূতিৰ এটা সাক্ষাৎকাৰ

লৈছিল। ফাছিবাদ, যুদ্ধ অনাগত বিজয় সম্বন্ধে তেওঁলোকৰ মাজত দীঘলীয়া আলোচনা হৈছিল। এই সংবাদদাতা জনে কৈছিল, বহুত বিশিষ্ট ৰাষ্ট্ৰনায়কৰ সৈতে তেওঁৰ দেখা সাক্ষাৎ আদি হৈছে, তথাপিও অস্ত্ৰভ্স্কিৰ সাক্ষাৎকাৰৰ কথা আৰু ইয়াৰ পৰা পোৱা শিক্ষাৰ কথা তেওঁ জীৱনত কেতিয়াও নাপাহৰে।

''আপুনি অত্যন্ত সাহসী'' সংবাদদাতাজনে কৈছিল। ''মানুহক ভালপোৱাৰ বাবেই এই সাহস পায় আপুনি, নহয়নে?'' ''ঠিক'', উত্তৰত অস্ত্ৰভ্স্কিয়ে কৈছিল, ''আৰু পাওঁ সুখ।''

কৰচাগিণৰ জীৱন কাহিনীৰ পৰা প্ৰমাণিত হয় যে, মহৎ লক্ষ্য থাকিলে, মানুহৰ জীৱনো মহৎ হৈ উঠে। কৰচাগিন, এই সাধাৰণ মানুহজনকো মহৎ কৰি তুলিছে তেওঁৰ মহৎ লক্ষ্যই। যি হ'ব পাৰিলেহেঁতেন সেইটো নহয়, যি আছিল সেইটোকে লিখিছে অনুভূতিয়ে। নিজৰেই জীৱনকাহিনী অস্ত্ৰভ্স্কিৰ *ইস্পাত*। বাস্তৱ জীৱনে সৃষ্টি কৰিছে এনে কিছুমান মানুহ, যিসকলে তেওঁলোকৰ সপোনবোৰক বাস্তৱত ৰূপায়িত কৰিছে। অস্ত্ৰভ্স্কিয়ে এইটো জানিছিল যে তেওঁৰ অস্তিত্ব বজাই ৰখাৰ একমাত্ৰ যুক্তি হ'ল — *ইস্পাত*। বাস্তৱতাক লৈয়েই তেওঁৰ এই উপন্যাসখন।

ৰোমাঁ ৰোলাঁই অস্ত্ৰভ্স্কিৰ বিষয়ে এনেদৰে কৈছিল — ''বিপ্লৱৰ যুগৰ শিল্পকলাৰ মহত্তম সৃষ্টি হ'ল এই বিপ্লৱৰ পৰা উদ্ভৱ হোৱা মানুহবোৰ। তেনেকুৱাই এজন হ'ল নিকোলাই অস্ত্ৰভ্স্কি।''

নিকোলাই অস্ত্ৰভ্স্কিৰ কথাই মোক আৰু এজন মানুহৰ কথা মনত পেলাই দিলে। তেওঁ হ'ল নেপোলিয়ন বোনাপাৰ্ত। নেপোলিয়নে যেতিয়া ইটালী জয় কৰিবলৈ ওলাইছিল তেতিয়া সকলোৱে কৈছিল, ''কি অসম্ভৱ কথা! এই দুৰন্ত শীতত তুমি সৈন্য লৈ আল্পচ্ পাহাৰ পাৰ হ'বা কেনেকৈ?'' নেপোলিয়ানে উত্তৰ দিছিল, ''There shall be no ALPS!'' 'আল্পচ্ পাহাৰ নাথাকে' — অৰ্থাৎ আল্পচ্ পাহাৰে মোক বাধা দি ৰাখিব নোৱাৰে। আৰু নেপোলিয়নে আল্পচ্ পাৰ হৈ গুছি গৈছিল। নেপোলিয়ানৰ দৰে হয়তো অস্ত্ৰভ্স্কিয়েও কৈছিল, ''বিপদে মোক বাধা দি ৰাখিব নোৱাৰে।''

মোৰ প্ৰিয় লেখক হোমেন বৰগোহাঞিয়ে তেওঁৰ এখন গ্ৰন্থত লিখিছিল — ''প্ৰথম বিশ্বযুদ্ধৰ সময়ত ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী আছিল জৰ্জ ক্লিমাচোঁ। তেওঁ কেৱল ৰাজনীতিকেই নাছিল, তেওঁ আছিল এজন দুধৰ্ষ সাংবাদিকো। আশী বছৰ বয়সত তেওঁ সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ গ্ৰহণ কৰিলে।'' এজন সাংবাদিকে তেওঁক তেতিয়া সুধিলে — ''এতিয়া আপুনি কি কৰিব ছাৰ?'' সাংবাদিকজনৰ প্ৰশ্নটোৰ প্ৰচ্ছন্ন অৰ্থ আছিল এইটোৱেই যে — ''তোমাৰ জীৱনটোতো শেষেই হ'ল, এতিয়া মৰিবলৈ বাট চোৱাৰ বাহিৰে তোমাৰ নো আন কি কাম আছে?'' কিন্তু ক্লিমাচোঁৱে উত্তৰ দিলে — ''কি কৰিম মানে? I am going to live until I die ! নমৰালৈকে মই জীয়াই থাকিম। পৰিপূৰ্ণ ভাৱে জীয়াই থাকিম।'' — হয়তো ঠিক একেদৰে অস্ত্ৰভ্স্কিয়েও দৃঢ় সংকল্প লৈছিল নমৰালৈকে পৰিপূৰ্ণ ভাৱে জীয়াই থকাৰ।''

মৃত্যুৰ মুহূৰ্তত নিকোলাই অস্ত্ৰভ্স্কিৰ মুখেদি ওলোৱা শেষ কথাটো কি আছিল বাৰু? হয়তো — Well, I've had a happy life ! 'মোৰ জীৱনটো সুখতেই গ'ল !'

সদৌ শেষত মেক্সিম গৰ্কীৰ ভাষাৰে, ''জীৱনৰ প্ৰতিটো মুহূৰ্তৰ একোটা মহৎ উদ্দেশ্য আছে। এই চৰম উদ্দেশ্য সাধনৰ বাবে কঠোৰ প্ৰচেষ্টাতেই জীৱনৰ প্ৰকৃত অৰ্থ লুকাই আছে।'' ■

[*প্ৰবন্ধত উল্লেখিত Nikolai Ostrovskyৰ ৰুছ উপন্যাসখনৰ ইংৰাজী ৰূপ How the steel was tempered। — সম্পাদক*]

*(প্ৰকাশ কাল ঃ ১৯৯৭-৯৮)*

# আধুনিক অসমীয়া কবিতাৰ ৰূপৰেখা
# আৰু
# সাম্প্ৰতিক কালৰ কবিতাত এভুমুকি

বন্তি সন্দিকৈ
স্নাতক দ্বিতীয় বৰ্ষ

আজিৰ কবি আদিম যাদুকৰ নহয়; কিন্তু কবিৰ মাজৰ সেই যাদুকৰজন সম্পূৰ্ণৰূপে অন্তৰ্হিত হোৱা নাই। কবিতা বিকৃতি সাধক দাপোন হ'লেও সি প্ৰচপেৰৰ যাদু দণ্ডও। মহৎ কবি সকলৰ ভিতৰত এই যাদুগুন থাকে। কবিতা দেশ কালাতীত বিমূৰ্ত কলা পাত্ৰৰ সমস্যা। কবিৰ মানসিকতাক গঢ় দিয়ে দেশৰ পৰিস্থিতিয়ে। সমকালীন ইতিহাসৰ ভিতৰতে ভৱিষ্যতৰ ৰাজ্য লুকাই থাকে — এই ধাৰণা কবিয়ে যিমানেই আয়ত্ত কৰে, তেওঁ সিমানেই সমগ্ৰৰ বিকাশৰ পটভূমিত সাৰ্থক শিল্পী হোৱাৰ আশা থাকে।

পাৰস্পৰিক প্ৰশংসাৰ 'ফাকুগুৱি' ছটিয়াই প্ৰকৃত কবিৰ বাবে ভয়ংকৰ আত্মসন্তুষ্টিৰ ভাৰ এটা জগাই তুলিবৰ প্ৰচেষ্টা সমূহো ব্যৰ্থকাম হয়। জীৱনত যি সুন্দৰ, যি মধুৰ আজি তাৰ ওপৰত কদৰ্যৰ বিৰাট কিৰীলি। আমাৰ কবিসকলো বেছিভাগেই নিম্ন মধ্যবৃত্ত শ্ৰেণীৰ। বনুৱা শ্ৰেণীৰ পৰাও দুই এজনৰ কবি ওলাইছে। এই কথা মন কৰিবলগীয়া যে জীৱনৰ কদৰ্যতাই কবিৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰিও ৰাজনৈতিক কাৰণো আছে।

এখন সুস্থিৰ আলোচনী নিৰবিচ্ছিন্ন ভাৱে প্ৰকাশ কৰাৰ ব্যৰ্থকাম এটা গঢ়ি উঠাৰ ধৰা 'ট্ৰেডিচন' অথবা পৰম্পৰা বাৰে বাৰে ভাঙি যাবলৈ আৰম্ভ কৰে। পৰম্পৰা অনুসৰণ কৰা মানে এটা আমনিদায়ক সুৰৰ পুনৰাবৃত্তি নহয়। কোনো এক পৰম্পৰা ভাঙি নতুন গঢ়াৰ ক্ষেত্ৰতো পৰম্পৰাৰ উপস্থিতিৰ



প্ৰয়োজন, প্ৰবীন আৰু নবীন পৰম্পৰাৰ মুখামুখি হ'বলৈ অপৰাগ হোৱাৰ ফলত অসমীয়া কবিতাৰ বিকাশৰ ক্ষেত্ৰত ভালেমান আহুকালে দেখা দিছে। কবিয়ে তেওঁলোকৰ বক্তব্যৰ ভাষা আন কবিৰ পৰাই শিকে সমালোচনাৰ পৰা নহয়। আমাৰ তৰুণ কবিসকলৰ অভিজ্ঞতা অতি সীমাবদ্ধ। জীৱন আৰু ব্যক্তিৰ মাজত যি গভীৰ সংযোগ ৰাজনীতিৰ দ্বাৰা উদ্বেলিত কবিৰ কবিতাত আমি দেখা পাব লাগিছিল — অন্ততঃ কবিতাৰ পংক্তিত তাৰ পৰিচয় কম। বিস্তৃত অভিজ্ঞতাৰ অভাৱে কবিতাক পঙ্গু আৰু একঘেঁয়া কৰে। অৰ্জুনে লক্ষ্য ভেদ কৰাৰ সময়ত চৰাইৰ চকুটোৰ বাহিৰে আন একো দেখা নাছিল; সেই কথা সঁচা। কৰ্মকুশলী (man of action) মানুহৰ দেখা সুকীয়া। কিন্তু কবিয়ে কেৱল চৰাইৰ চকুটো দেখিলেই নহ'ব। পাতৰ সেউজীয়াখিনি আৰু ৰিব ৰিব বতাহত তাৰ আন্দোলনৰ ওপৰতো মনোযোগ দিব লাগিব। পঞ্চেন্দ্ৰিয় গ্ৰাহ্য প্ৰকৃতিক অথবা মানুহে গঢ়া ঐশ্বৰ্য্যৰাজিৰ প্ৰতি বীতশ্ৰদ্ধ হ'লে নহ'ব। কবিৰ বক্তব্য উপযুক্ত বৰ্ণনাৰ বৰ্ণচ্ছটাৰে প্ৰোজ্জ্বল হোৱাৰো প্ৰয়োজন।

নতুন কবিসকল সম্প্ৰতি ভৱিষ্যতৰ কাঠগৰাত থিয় দিছে। তেওঁলোকে অনুসৰণ কৰা কাব্য ধাৰাটোৰ এটা অৰ্দ্ধ শতাব্দিজোৰা ঐতিহ্য আছে। কোনো কোনোৰ মতে প্ৰথম 'আধুনিক' কবিতাটোৰে আছিল এটা 'প্ৰগতিবাদী' কবিতা। এই ধাৰাটোৰ প্ৰধান কবিসকলৰ আছিল যেনে — ৺অমূল্য বৰুৱা, হেম বৰুৱা, হেমাঙ্গ বিশ্বাস, অমলেন্দু গুহ, নলিনীধৰ ভট্টাচাৰ্য্য আদি সকলৰ অসমীয়া সাহিত্যত এটা বিশিষ্ট স্থান আছে। তেওঁলোকৰ বেছিভাগেই স্বাধীনতাৰ ৰ'দ কাঁচিয়লিত ওপজা আৰু তেওঁলোকৰ শৈশৱো সেই ৰ'দালিতে লালিত-পালিত। ভাৰতৰ অভূতপূৰ্ব স্বাধীনতাৰ আনুষংগিক সঙ্কটসমূহে যেনেদৰে মানুহক আজুৰি গ'ল তাৰ ভয়াৱহ ছবি মানুহে মনত পেলাবলৈও এতিয়া ভাল নাপায়। দাৰিদ্ৰ আৰু শোষণৰ ভয়াৱহ ছবিয়ে তেওঁলোকৰ শৈশৱ আৰু কৈশোৰ আছন্ন কৰি ৰখাৰ বাবেই হয়তো তেওঁলোকৰ কবিতাত নিপীড়ন আৰু শোষণৰ বিৰুদ্ধে প্ৰতিৰোধৰ ধ্বনি মূৰ্ত হৈ উঠিছে। কবিতা কিছু পৰিমাণে হ'লেও ''শক্তিশালী অনুভূতিৰ স্বাভাৱিক ক্ষৰণ।''

সৰ্বাধুনিক অসমীয়া কবিতা আংগিকৰ ফালৰ পৰা সন্তোষজনক বুলিব নোৱাৰি। অসমীয়া ভাষাৰ স্বকীয় ঐশ্বৰ্যৰ প্ৰতি অনাস্থাৰ হেতুকে সংস্কৃতগন্ধী আৰু 'বিজতৰীয়া' শব্দৰ বহল প্ৰয়োগৰ ফলত বহুত ক্ষেত্ৰত কবিতাৰ

সতেজতা ক্ষুন্ন হৈছে। শব্দায়ন আৰু সামগ্ৰীৰ আঙ্গিক অনুধাৱনৰ প্ৰতি অমনোযোগ তৰুণ বৈপ্লৱিক কবিৰ প্ৰধান দুৰ্ব্বলতা। তৎকালীন সমাজ-ব্যৱস্থা তাৰ সংশোধনৰ বাবে কাব্যিক উত্তৰাধিকাৰ এৰি থৈ যায়।

আধুনিক অসমীয়া কবিতাৰ উত্তৰসূৰী সকলৰ বিষয়ে সবিশেষ আলোচনা কৰাৰ আগতে আমি তেওঁলোকৰ ঐতিহাসিক অৱস্থানলৈ চকু দিয়াতো উচিত হ'ব। আধুনিক শব্দটো আপেক্ষিক যদিও আমি ইয়াত পৰৱৰ্ত্তী যুগৰ অসমীয়া কবিতাৰ কাব্য সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজন আছে। এইসকল তৰুণ কবিয়ে লিখিবলৈ লোৱাৰ পৰত দেখা পালে কেইজনমান অগ্ৰজ কবিৰ চিনাকী মুখ। এই অগ্ৰজ সকলে ইতিমধ্যে নিজা সাধনাৰ বলত কবি হিচাপ নিজা বৈশিষ্ট্যৰ চিনাকী দি সু-প্ৰতিষ্ঠা লাভ কৰিছিল। এওঁলোকৰ মাজত আছিল কবি নীলমনি ফুকন, কবি ভৱেন বৰুৱা, কবি ড° নিৰ্মলপ্ৰভা বৰদলৈ আৰু কবি হীৰেণ ভট্টাচাৰ্য্য। এইসকল কবিৰ ৰচনাৰ মাজেদি সত্তৰ দশকৰ আগতেই আধুনিক অসমীয়া কবিতাৰ বিকাশে এটা নিৰ্দিষ্ট স্তৰ পালে আৰু ভাৱ বস্তু আংগিক দুয়োপিনৰ পৰাই কিছুমান সুকীয়া ধাৰাৰ সৃষ্টি হ'ল। নীলমণি ফুকনদেৱৰ কবিতাত ঘাইকৈ চিত্ৰল ভাষাৰ প্ৰধান্য সংগীতময় ব্যাক্যাংশৰ প্ৰয়োগ ব্যক্তিগত প্ৰতীকৰ ব্যৱহাৰ আদিৰ মাজেদি জীৱন যন্ত্ৰণা, মৃত্যু চেতনা, ৰহস্যবোধ লগতে প্ৰেম আৰু সৌন্দৰ্য্যৰ উপলব্ধিৰ ভাবঘন প্ৰকাশ দেখা পোৱা যায়। তুলনামূলকভাবে কবি হীৰেণ ভট্টাচাৰ্য্যদেৱৰ কবিতা সম্পূৰ্ণ সুকীয়া ধাৰাৰ। ভট্টাচাৰ্য্যদেৱ তাৎক্ষণিক ভাৱাবেগৰ কবি, অধ্যয়ন পুষ্ট বৌধিকতাৰ ভাৱ তাত নাই। সমাজ সচেতন ৰাজনৈতিক দৃষ্টিভংগীৰে উদ্বুদ্ধ কবি হীৰেণ ভট্টাচাৰ্য্যদেৱে আবেগ উপলব্ধিৰ সততা আৰু উদ্দীপনাৰ বলত অসমীয়াত এক নতুন বাক ভংগীৰ সৃষ্টি কৰিছে। আমাৰ পৰিচিত শব্দৰ অভিনৱ প্ৰয়োগৰ মাজেদি তেওঁ এক নতুন ভাষাৰ সৃষ্টি কৰিছে। চুটি চুটি ভাৱঘন কবিতা ৰচনাত তেৰোঁ সিদ্ধহস্ত। তেওঁৰ অভিজাত দেশাত্মবোধক ভাৱৰ লগত ব্যক্তিগত প্ৰেম, সমাজৰ শোষণ পীড়িত জনতাৰ দুখ-দুৰ্দশা, আশা আকাংক্ষা ক্ষোভ আৰু বিক্ষোভ, প্ৰাকৃতিৰ বৰ্ণাঢ্য ৰূপ আদি মূৰ্ত হোৱা দেখা যায়। ষাঠিৰ দশকত তেওঁ নিজস্ব অনুকৰণীয় ভংগীৰে এটা মাত্ৰ শাৰীত কবিতাৰ বিষয়ে লিখিছিল —

*কবিতা মূলতঃ স্বাধীন, স্মৃতি তাৰ সুগন্ধি পখিলা !*

আৰু একেজনা কবিয়ে শব্দ যিজনাৰ হাতৰ 'অকপট তৰোৱাল'....



শব্দ সম্পৰ্কে বহুতো কথা কৈছে ঃ

*... মোৰ কোনো নিজস্ব আৱিষ্কাৰ নাই*
*মোৰ ভিতৰত*
*এটা যেন খেতিয়ক, মই শব্দবোৰ জিভাত দি*
*চাওঁ, কাৰ কি সোৱাদ,*
*হাতৰ তলুৱাত লৈ চাওঁ, কিমান তপত...*

ষাঠিৰ দশকত পৰিণতি লাভ কৰা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাতো জীৱনৰ বহুৰঙী ৰূপৰ তীব্ৰ আৰু তীৰ্যক প্ৰকাশ ঘটিছে। বাঙ্কা-চিত্ৰ আৰু ব্যঞ্জনাময় সংগীত ধৰ্মী ভাষাৰে কবি নিৰ্মলপ্ৰভা বৰদলৈৰ তেওঁৰ কবিতাসমূহত বিৰল অনুভূতিক গভীৰতা আৰু সূক্ষ্ম উপলব্ধিৰ চিনাকী দিছে।

স্বাধীনোত্তৰ কালত জন্ম গ্ৰহণ কৰা আৰু সত্তৰ দশকৰ আত্মপ্ৰকাশ কৰা তৰুণ কবিসকলৰ প্ৰতিশ্ৰুতিসম্পন্ন দুগৰাকী কবি সনন্ত তাঁতি আৰু সমীৰ তাঁতিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। বামপন্থী চিন্তাধাৰাৰে পৰিপুষ্ট কবি সনন্ত তাঁতিৰ ১৯৮১ চনত *উজ্জ্বল নক্ষত্ৰৰ সন্ধানত* শীৰ্ষক এখন ব্যক্তিগত কাব্য সংকলন প্ৰকাশ পাইছিল। কবিয়ে শোষিত সমাজখনৰ দলিত মানুহৰূপী দৈত্যবোৰৰ বিৰুদ্ধে একেলগে যুঁজ দিবলৈ সজোৰে ঘোষণা কৰিছে ঃ

*কি যে দুৰ্বাৰ এটা ইচ্ছাৰ তাড়নাত মই*
*প্ৰতিনিয়ত সংগ্ৰাম কৰি আছো*
*মোৰ নিজৰ সতে মোৰ পৃথিৱীৰ সতে আৰু শব্দৰসতে*
*এতিয়া এই শব্দবোৰ মোক নালাগে*
*এই পৃথিৱীৰ লগত মই ক্ৰমান্বয়ে এতিয়া*
*সম্পৰ্ক ছিন্ন কৰিছো।*
*আৰু নতুন এজন 'মই'ক আৱিষ্কাৰৰ সংকল্পত*

*(সূৰ্য্যৰ উষ্ণতাত গা ধুই)*

সমীৰ তাঁতি সত্তৰৰ শোষাৰ্দ্ধত আত্মপ্ৰকাশ কৰা এজন সম্ভাৱনাপূৰ্ণ তৰুণ কবি। খুব কম দিনৰ ভিতৰতে তেওঁ প্ৰতিবোধ আৰু বিপ্লৱৰ কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। তাঁতি দেৱৰ কবিতাত চাহ বাগানৰ আৰু বাগানৰ বনুৱা জীৱনৰ লগত নিবিড় আত্মীয়তাৰ পৰিচয় পোৱা যায়।

*পুৰঠ মদগৰ্বী শৰীৰৰ দৰে*
*যদিও মোৰ টলমল যৌৱন,*
*তথাপি, পৰিত্যক্ত বৰ্ণহীন চাহপাতৰ দৰে*
*আমাৰ জৰাজীৰ্ণ জীৱন* *(চাহ মজদুৰ)*

'বিভিন্ন ৰূপত গতি' কবিতাত কবিয়ে তেওঁৰ কবিসত্তা আৰু বৈপ্লৱিকতাৰ লগত মহা জীৱনৰ গতিশীল ৰূপক একাকাৰ কৰি কল্পনা কৰিছে। সংগ্ৰামী চেতনাৰ জগতত কবি প্ৰৱন প্ৰতাপী সূৰ্য্য যাৰ পৌৰুষৰ স্পৰ্শত প্ৰকৃতিৰ প্ৰতিটো অংগ অনবদ্য বৰ্ণ সুষমাৰে সুশোভিত হয়। গৰ্ভৱতী নাৰী, বেগৱতী নদী, শ্যামল শস্য, গভীৰ অৰণ্য এই সকলোবোৰৰ সন্তাৱনাময় প্ৰতিশ্ৰুতিক তেওঁ তেওঁৰ লৱণাক্ত চুমাৰে অভিনন্দিত কৰে।

*দোকমোকালি মোৰ আকুল পৰশত সাৰে*
*পায় সেউজী বননি*
*খিলখিলাই হাঁহে বনৰ জুৰি, গভীৰ অৰণ্যৰ*
*বহুৰঙী ফুল*
*এনেকৈ বাঢ়ি আহে লহপহীয়া সেউজ শস্য,*
*গছপুলি* *(বিভিন্ন ৰূপত গতি)*

কবিৰ ভালপোৱাই ভৌগোলিক সীমাৰেখা অতিক্ৰম কৰিছে। সৰ্বহাৰাৰ প্ৰতি সমত্ববোধ স্বদেশ প্ৰেম, নৈসৰ্গিক সৌন্দৰ্য্যৰ সহজ অনুধাৱন আৰু প্ৰতিৰোধৰ শক্তিশালী চেতনা তেওঁৰ কবিতাৰ বিশিষ্ট গুণ।

মুঠৰ ওপৰত, তৰুণ কবিসকলে আন্তৰিকতাৰে অভিজ্ঞতা আৰু অধ্যয়নৰ বাটেদি আগবাঢ়িলে প্ৰতিভাসম্পন্ন কবিসকলে স্বকীয় কবি ব্যক্তিত্বৰে সু-প্ৰতিষ্ঠা লাভ কৰিব পাৰিব — আমি এয়াই আশা কৰোঁ। কিন্তু তাৰ বাবে লাগিব একাণপতীয়া সাধনা আৰু অনুশীলন। শেষত লৰেঞ্চ ডুৰেলৰ এইষাৰ উক্তিৰে সামৰণী মাৰিছো — "Time is the slowest critic of us all." ■

(সহায়ক পুথি ঃ কবিতা সংখ্যা)
*(প্ৰকাশ কাল ঃ ১৯৯৭-৯৮)*



# বৰ্ত্তমান কালৰ গড়াহত বিহু

*"Lost of culture*
*Lost of identity"*

**মৃগাংক বৰা**
স্নাতক দ্বিতীয় বৰ্ষ

সংস্কৃতি হৈছে এটা জাতিৰ জীৱনধাৰা। গীত-মাত, নৃত্য-কলা, ভাষা-সাহিত্য, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধৰ্ম-সমাজ, পূজা-পাৰ্বন এই সকলোৰেই সংস্কৃতি। এটা জাতিৰ পৰিচয় হ'ল জাতিটোৰ বাৰেৰহণীয়া সংস্কৃতি। জাতীয় জীৱনৰ অপৰিহাৰ্য্যখিনিৰ পৰম্পৰা ৰক্ষা কৰি সংস্কৃতিয়ে যুগে যুগে জাতিটোক একতাৰ ডোলেৰে বান্ধি ৰাখে। মানৱ সমাজ পৰিবৰ্ত্তনশীল, সেয়ে সংস্কৃতিও অপৰিবৰ্তিত নহয়। কিন্তু পৰিবৰ্ত্তনে মূল জীৱনধাৰাৰ সলনি হোৱাতো নুবুজায়। অলাগতিয়ালখিনি এৰি সুন্দৰখিনি কঢ়িয়াই নিয়ে জীৱন যাত্ৰাৰ পথ প্ৰদৰ্শক হিচাপে। সংস্কৃতি জাতিটোৰ অস্তিত্ব, সেয়ে ইয়াক লৈ সকলোৰে গৌৰৱ কৰে।

বিহু অসমৰ জাতীয় উৎসৱ। ইয়াক অসমীয়া কৃষ্টি সভ্যতাৰ কঠিয়াতলি বুলিব পাৰি। এক কথাত বিহু অসমীয়া জাতিৰ বাপতি সাহোন। অসমীয়া সমাজ যিমান পুৰণি বিহুও বোধহয় সিমানেই পুৰণি। ই অসমীয়া সংস্কৃতিৰ মেৰুদণ্ড স্বৰূপ। ই জাতিটোৰ বৈশিষ্ট্য। খেতিৰ লগত ক্ৰমনিকা ৰাখি পতা বিহু তিনিটাই জাতিটোৰ অস্তিত্ব যুগে যুগে ৰক্ষা কৰি আহিছে।

খেতি পথাৰত নমাৰ আগে আগে চ'ত মাহৰ সংক্ৰান্তিৰ দিনা বহাগ বা ৰঙালী বিহু, পথাৰত ধানে হালি জালি গেৰেলি ধৰিবলৈ আৰম্ভ কৰা আহিনৰ সংক্ৰান্তিৰ দিনা কাতি বা কঙালী বিহু আৰু খেতি চপোৱাৰ পাছত পুহৰ

সংক্ৰান্তিৰ দিনা মাঘ বা ভোগালী বিহু পতা হয়। অসমীয়া জাতি কৃষিজীৱি সেয়ে বিহু তিনিটাও কৃষিৰ লগত সামঞ্জস্য ৰাখি পতা হয়।

সময়ৰ গতিত এই বিহুৰ ন ন ক্ৰমবিকাশ ঘটিছে। কিন্তু ই নিজস্ব তথা বৈশিষ্ট্য হেৰুৱা নাই। বহাগ বিহুৰ ক্ৰমবিকাশ লক্ষ্য কৰিলেই ই জল্‌জল্ পট্‌-পটকৈ ওলাই পৰে। গছ তথা হাবিতলীয়া বহাগ বিহু আহি এদিন ৰজাঘৰীয়া বিহুত পৰিণত হ'ল আৰু কালক্ৰমত ই ৰজা ঘৰতেই আৱদ্ধ নাথাকি প্ৰজাঘৰৰ চোতালো পালেহি। ইয়াৰ লগে লগে বিভিন্ন সময়ত ভিন ভিন জাতি উপজাতি বিলাকৰ মাজত বহুতো নতুন কথাৰ সংমিশ্ৰণত সকলো জাতি-উপজাতিয়ে মিলি এক বৃহৎ অসমীয়া জাতি সংস্কৃতিৰ বাহন হৈ পৰিল।

বহাগ বিহুৰ প্ৰথম দিনা গৰু বিহু। কৃষিৰ অমূল্য সম্পদ গৰুকেইটাক গো লক্ষ্মী মানি পুৱাৰ ভাগত নদী বা খাল-বিলত নি নোৱাই ধুৱাই মুকলি মূৰিয়াকৈ চলিবলৈ এৰি দিয়ে। গধূলি বিচাৰি আনি নতুন পঘাৰে বান্ধি পিঠা-পনা খাবলৈ দিয়ে। পদূলি মূৰত আৰু গোহালিত জাগ দি মহ-দাঁহৰ পৰা ৰক্ষা কৰে। বছৰটোৰ বাবে যাতে গৰুৰ কোনো অপায়-অমঙ্গল নহয় তাৰ বাবে প্ৰাৰ্থনা কৰে। ইয়াৰ দ্বাৰা জীৱ-জন্তুৰ প্ৰতি ল'ব লগা যত্ন আৰু সংৰক্ষণৰ আৱশ্যকতাৰ ইঙ্গিত বহন কৰিছে। তাহানি অসমীয়া সমাজে ইয়াৰ প্ৰয়োজনীয়তাক নুই কৰা নাছিল, বৰং ইয়াৰ আৱশ্যকতা বিহুৰ মাধ্যমেদি বুজাই থৈ গৈছিল।

তাৰ পাছতেই আৰম্ভ হয় ভাৱৰ আদান-প্ৰদান। সৰুৱে ডাঙৰ সকলক সেৱা কৰি আশীৰ্বাদ লয় যাতে জীৱন যাত্ৰাত সুকলমে আগবাঢ়ি যাব পাৰে। ডাঙৰৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তিয়ে ল'ৰা-ছোৱালীৰ মনত সৰুৰে পৰাই সীমা চেৰাই যোৱা উশৃঙ্খলতাৰ পৰা ৰক্ষা কৰি পোহৰৰ সন্ধান দিয়ে। ইজনে-সিজনক সন্মানৰ চকুৰে চাবলৈ শিকায় আৰু এখন শৃঙ্খলাবদ্ধ সমাজৰ জন্ম দি নিয়মানুৱৰ্তিতা আৰু সৎ সাহসৰ অনুৰাগী কৰে। আজিৰ প্ৰতিযোগিতাৰ যুগত মাক-দেউতাকে দিয়া অবাধ স্বাধীনতাত নিজকে উটুৱাই নিদি নৈতিকতাৰে মহীয়ান হৈ দায়িত্বশীল ব্যক্তি হিচাপে নিজকে গঢ়ি তোলাত সহায় কৰে। সৱল, বিনয়ী আৰু নিৰহঙ্কাৰী হ'বলৈ শিকে যিটো নেকি এখন সবল সমাজ গঢ়াত অতি প্ৰয়োজনীয়। ইজনে আনজনৰ প্ৰতি থকা মনোমালিন্য পাহৰি বিহুৰ দিনা মৰম চেনেহৰ আদান-প্ৰদান কৰে। লগত থকাজনো সেই সময়ত



আহি ভাই-ভনী, ইষ্ট-কুটুম্ব, লগ সমনীয়া, ডাঙৰ-সৰু সকলো মিলি মতলীয়া হৈ পৰে।

অতীতৰ পূৰ্বপুৰুষে হয়তো জানিছিল, জীৱন ধাৰণৰ প্ৰয়োজনত হয়তো সদায় সকলো একেলগে নাথাকিবও পাৰে, কিন্তু জ্যেষ্ঠজনৰ আশীৰ্বাদ যে খুবেই প্ৰয়োজন।

তাৰোপৰি নতুন সকলে পুৰণি সকলক চিনি নোপোৱাটোও যে দুভাগ্যজনক হ'ব সেয়ে বছৰটোত এদিন হ'লেও সকলোৱে নিজ জন্মস্থান গাঁওখনত মিলিত হোৱাটো দৰকাৰ। ই ভালপোৱা আৰু একতাৰ ভেটিটো সুদৃঢ় কৰে, মই 'বৰ' ভাৱ নাইকিয়া কৰে আৰু জীৱনত সকলোৱে শুভেচ্ছাৰ অবিহনে যে মানুহ অহংকাৰী হয় তাৰ পৰা ৰক্ষা কৰে।

অসমীয়া সমাজ কৃষিজীৱি। গতিকে, বিহু যে প্ৰকৃততেই কৃষি উৎসৱ তাক সহজেই বুজিব পৰা যায়। অৱশ্যে সেই যে অসমীয়া সমাজ আৰম্ভ হোৱাৰ পৰা বিহু আছিল, সেই বিহু আজিও আছে, কিন্তু তাৰ স্বৰূপ সলনি হৈ গৈছে। বৰ্তমান যুগৰ নিস্পষণৰ কেঁকোৰা চেপাত পৰি অতীতৰ জাতীয় বৈশিষ্ট্যপূৰ্ণ বাপতি সাহোন বিহু বৰ্তমান আধুনিক অন্ত-সাৰ শূণ্য প্ৰায় হৈ পৰিছে। অতীতৰ বিহুত আছিল হোজা অসমীয়া জাতিৰ আন্তৰিকতাৰ পূৰ্ণ প্ৰকাশ। তাত নাছিল আজিৰ দৰে সযত্নে সাঙুৰি লোৱা কৃত্ৰিমতা, নাছিল সংস্কাৰ সেই যে আহোম ৰজাৰ দিনত বিহু প্ৰথম মুকলি পথাৰত সু-সংস্পৰ্শলৈ আহিল সেই তেতিয়াৰে পৰা সংস্কাৰহীন মুকলি বিহুত কৃত্ৰিমতাৰ প্ৰথম পৰশ পৰিল। বিহুত সহজ-সৰল হোজা মানুহৰ পূৰ্ণ প্ৰকাশৰ উদ্দাম গতিত মনিব নোৱাৰা এক ভেটা পৰিল। সেয়াই আৰম্ভণি। তাৰোপিছত যুগৰ ৰথৰ চকৰি যিমানে ঘূৰিল সময় সিমানেই অতীত হ'ল, যিমানেই ভেটা দৃঢ় হৈ আহিল — সংস্কাৰহীন স্বাভাৱিক বিহু হৈ পৰিল সংস্কাৰপূৰ্ণ, স্থবিৰ।

প্ৰকৃতিৰ সুশোভিত অপৰূপ দৃশ্যত আপ্লুত হৈ থৌকি বাথৌ হিয়াৰে গীত নৃত্যৰ আবেদনৰে গছতলত মুক্ত মনেৰে আত্ম প্ৰকাশ কৰা ৰঙালী বিহু এসময়ত গছতলৰ পৰা নগৰৰ মাজমজিয়াৰ মঞ্চলৈ আহিল ৰামধেনুৰ সাতো ৰঙীন সম্ভাৰেৰে সুসজ্জিত হৈ কৃত্ৰিমতাৰ অথাই সাগৰলৈ। এৰা বিহু আজিকালি নগৰৰ মাজমজিয়াৰ মঞ্চলৈ আহিল। বিশেষকৈ ৰঙালী বিহু। অৱশ্যে অসমৰ চুকে কোণে ৰঙালী বিহু আজিও গছতলত নথকা নহয়, আছে। কিন্তু তাত

অতীতৰ সংস্কাৰহীন মুক্ত প্ৰকাশৰ প্ৰকৃত ৰং নাই। ৰং আছে — কিন্তু বিহু নাই। আজিৰ ৰঙালী বিহুত বাধাহীন উন্মুক্ত জীৱনৰ স্বাদ নাই। বিহু সকলোৰে জনা এক জাতীয় উৎসৱ হিচাবে পৰিগণিত হ'ল সঁচা, কিন্তু তাৰ লগে লগে তাৰ প্ৰাকৃত্য হেৰাই গ'ল। তাৰ লগে লগেই বিহু বৰ্তমান এক বিতৰ্ক আৰু সমালোচনাৰ বিষয় হৈ পৰিছে।

গাঁৱলীয়া মানুহৰ সৰল মনৰ মুক্ত প্ৰকাশ স্থিৰ হৈ পৰিল প্ৰতিযোগিতামুখী। মনৰ স্বতঃস্ফূৰ্ত প্ৰকাশ বিহুগীত হ'লগৈ এটা মুখস্থ বিদ্যা। অতীতৰ আন্তৰিক ৰং ৰহইচৰ ঠাই পালে উদ্ভণ্ডালি আৰু বিকৃত ৰুচিবোধে। সেয়ে নহ'লে এমাহ ধৰি উৎসৱৰ নামত মচগুল হৈ সময় অপচয় কৰাটো ঊনবিংশ শতিকাৰ দুৱাৰডলিত উপনীত হোৱা কোনো জাতিৰে যে উন্নতিৰ চিন নহয়, ই ধূৰূপ। অসমীয়া নতুন বছৰৰ আৰম্ভণিতে হোৱা ৰঙীন বা বহাগ বিহুটো অসমীয়া জাতিৰ বাবে সঞ্জীৱনী শক্তিদায়ক। কিন্তু বৰ্তমানে ৰাঙালী বিহুৰ নামত যি দৰে শক্তি, সময় আৰু অৰ্থৰ অপচয় আদি ঘটি ধৰিছে, ইয়েই ৰঙালী বিহুৰ অসমীয়া জাতিলৈ প্ৰাণ দায়িনী শক্তিক নিঃশক্তি চিত্তে উপলুঙাৰ শাৰীলৈ নমাই নিছে। বহাগ হ'ল ন পুৰণি মিলনৰ মাহ। পুৰণি বছৰটোৰ শক্তি সাহসেৰে সঞ্জীৱিত হৈ নতুন বছৰটোক আৰু মহীয়ান কৰি তোলাৰ বাবে সামঞ্জস্যজনিত প্ৰথম মাহ হ'ল বহাগ। সেয়ে বহাগ হ'ল ন পুৰণিৰ সামঞ্জস্যৰে অফুৰন্ত সঞ্জীৱনী শক্তিৰ পৰিচায়ক। সেইবাবে বহাগৰ নামত, ৰঙালী বিহুৰ নামত শক্তি, সময় আৰু অৰ্থৰ অপচয় কোনো জাতিৰ পক্ষে মঙ্গলৰ চিন হ'ব নোৱাৰে।

সময়ৰ অগ্ৰগতিৰ আজি আমি সকলো এৰি পেলাই আধুনিক শিক্ষাৰে শিক্ষিত হৈ এটা পঙ্গু সংস্কৃতিক আঁকোৱালি লৈছোঁ। সৰুৰ পৰাই ল'ৰা-ছোৱালীক প্ৰত্যেকৰে গাঁৱৰ বিকৃত বৰ্ণনা দি তাহাঁতৰ মনত গাঁৱৰ প্ৰতি এক বিতৃষ্ণাৰ ভাৱ জগাই তুলিছোঁ। গাঁৱত থকা মানুহবোৰ 'বেকৱাৰ্ড' গাঁৱত থকা সম্বন্ধীয় বাই ভনী, ককাই-ভাই বিলাকো অশিক্ষিত। তাহাঁতৰ লগত সিহঁতৰ হলি গলি ভাল নহয়, ইত্যাদি এটা ভাৱ নৱাগত বিলাকৰ মনত সৰুৰেপৰাই দি আহিছো। ফলত একে লগৰ ভাই-ককাই, বাই-ভনীৰ মৰম চেনেহৰ পৰা আঁতৰাই বিভাজনৰ প্ৰাচীৰ এখন থিয় কৰিছো। নতুনত্বৰ মিছা ভেমত নিজকে মূল ধাৰাৰ পৰা আঁতৰাই ৰাখিছো। নিজকে চিনি নোপোৱাটো



যেন আজিৰ সংস্কৃতি। মিলা-প্ৰীতিৰ এনাজৰীডাল আজি ছিঙি যোৱাৰ উপক্ৰম। কোনেও কাৰো ভাল সহ্য কৰিব নোৱাৰে। সকলো আত্মকেন্দ্ৰিক। এইবোৰ আজি আমি বুজিও নুবুজাৰ ভাও দিছো আৰু লগে লগে জাতিটোৰ নৈতিকতা দুখীয়া কৰি মৃত্যুৰ ফালে আগুৱাই গৈছো।

প্ৰকৃতিৰ বিহু গৈ নগৰীয়া মঞ্চ বিহুত পৰিণত হ'ল। পূৰ্বপুৰুষে সযতনে ৰাখি থৈ যোৱা সকলো নীতি-নিয়ম জলাঞ্জলি দি প্ৰায় প্ৰতিখন ঠায়ে ঠায়ে পাতিবলৈ লোৱা মঞ্চৰ বিহু অৰ্থৰ প্ৰয়োজনীয়তাক নিজৰ ভিতৰতে সামৰিব নোৱাৰি অনা অসমীয়া সকলৰ ওচৰতো হাত পতা আৰম্ভ হ'ল আৰু স্বকীয়তা হেৰুৱাই বিকৃত ৰুচিপূৰ্ণ হৈ পৰা ৰঙালী বিহুক আনে বিকৃত আখ্যাও দিব পৰা হ'ল। ৰঙালী বিহুৰ হুঁচৰি দল দেখিলে দুখীয়া গৃহস্থই ভয় খোৱা হ'ল, আনহাতে ধনীসকলে বিকৃত আখ্যাৰে হুঁচৰি দলক হাঁহি উপলুঙাৰে অপদস্থ কৰিব পৰা হ'ল। নতুন বছৰত বছৰটোলৈ গৃহস্থক আশীৰ্বাদ এজোলোকাৰে শুভ কামনা জনোৱা সেই আন্তৰিকতাপূৰ্ণ হুঁচৰি হেৰাই গ'ল — তাৰ ঠাই ল'লে নতুন ৰূপত নতুন পৰিৱেশত হুঁচৰি নামৰ আন এক উদ্ভণ্ডালিয়ে। আৰু এই হুঁচৰি নামৰ বৰ্তমান নৱ উদ্ভণ্ডালিয়ে এনে এক অসুখৰ ৰূপ লৈছে যে ই সৰু সৰু প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ ল'ৰা বা তাৰ সম বয়সৰ ল'ৰা বিলাকলৈকো সংক্ৰামিত হৈছে। ই সঁচাকৈয়ে এক ভাৱিবলগীয়া বিষয় হৈ পৰিছে। এটা মহান উৎসৱ — যিটো জাতীয় উৎসৱ হিচাবে পৰিগণিত হৈ গৈছে, এটা জাতিক সংস্কৃতিবান তথা আত্মনিৰ্ভৰশীল কৰি তুলিবৰ বাবেহে, ভৱিষ্যত জাতিৰ ধৰণী সকলৰ মনত অসুস্থতাৰ বীজ সিঁচি দিবৰ বাবে নহয়।

একেদৰে অপ্ৰকাশিত প্ৰতিভা বিকাশৰ নাম লৈ হাজাৰ হাজাৰ টকাৰ বিনিময়ত যি সকল নামী দামী শিল্পীৰ পয়োভৰ বিহু মঞ্চত ঘটোৱা হয়, সেইসকলৰ আড়ম্বৰ পূৰ্ণ গীত-মাত পৰিৱেশনে স্থানীয় অপ্ৰকাশিত প্ৰতিভাসমূহক আৰুহে আন্ধাৰৰ মাজলৈ ঠেলি দিয়ে। এনেদৰে বিহুক কেন্দ্ৰ কৰি গঢ়ি উঠা অপসংস্কৃতিৰ জোৱাৰে সংস্কৃতিবান বুলি পৰিচয় দিয়া জাতি এটাক পঙ্গুত্বৰ শাৰীলৈ নমাই নিবলৈ বেছিপৰ নেলাগিব। বিহু মাৰিবলৈ সময়ৰ অভাৱ কিন্তু এমাহৰ আগৰেপৰা ঘৰে ঘৰে বহাগী মেলা, বিহু সন্মিলন, বহাগী বিদায় আদিৰ চান্দা তোলাটোত সময়ৰ অভাৱ নাই। বাটেদি যোৱা পথিক তথাগাড়ী ৰখাই জোৰ জুলুম কৰি বিহুৰ চান্দা তোলা হয়। মানুহৰ

মান-মৰ্য্যাদা চান্দাৰ পৰিমাণৰ লগত বিচাৰ কৰা হয়। বেছি চান্দা দিয়া ধনীক শ্ৰেণী এইবোৰ বিহুৰ প্ৰধান সভ্য হয়। কম চান্দা দিয়া দুখীয়া নিছলা সকলক বনুৱা হিচাপে ব্যৱহাৰ কৰা হয়, ফলত দুখীয়া শ্ৰেণীয়ে তেনে বিহু মঞ্চবিলাকৰ পৰা নিজকে আঁতৰাই ৰাখে। এয়েই আজিৰ মহামিলনৰ বিহু। আকৌ বজাৰত বস্তুৰ চৰা দাম তেনে ক্ষেত্ৰত দুখীয়া ৰাইজে বিহু বুলিলে দিনতে আন্ধাৰ দেখিছে। বজাৰত ক'লা বেপাৰীৰ বস্তুৰ দাম দিনে দিনে বৃদ্ধি পাইছে। বিহু বুলি আজি ৰাইজে আনক মাতি আনি খুওৱা দূৰৈৰ কথা। বিহু বুলি নিজে এসাজ পেট ভৰাই খাবলৈকে নাই। বিহু আজি কুলিৰ মাতত বা বিহুৱা ডেকাৰ ঢোলৰ মাতত নাহে — আহে বজাৰত পোৱা কেছেটৰ মাতত আৰু বেপাৰীৰ বস্তুৰ চৰা দামৰ ওপৰত। অতীতৰ শস্য-শ্যামলা অসমলৈ দিনে ট্ৰাকে ট্ৰাকে চাউল, আলু, পিয়াজ, তেল আদি নিত্য প্ৰয়োজনীয় বস্তুবোৰ যদি বাহিৰৰ পৰা নাহে তেন্তে অসমৰ মানুহে খাবলৈ নাপায় পেটত গামোচা বান্ধিব লাগিব। এসময়ত অসমৰ যি শিপিনীয়ে একে ৰাতিৰ ভিতৰতে কৰচ কাপোৰ বৈ দিব পাৰিছিল। আজি সেই শিপিনীৰে বংশধৰ সকলে কৰচ কাপোৰ বাদেই এখন বিহুত লোৱা বিহুৱান বা গামোচা বব নোৱাৰে বা কোনো কোনোৱে নাজানেই। যি কেইগৰাকীয়ে জানে তাহাঁতৰো মাত্ৰ সূতা এমুঠি কিনিবলৈও অভাৱ। নতুবা বিদেশী সস্তীয়া বিজতৰীয়া সভ্যতাৰ প্ৰতি মানুহৰ মন আকৃষ্ট হোৱাৰ ফলত এই বহুমূলীয়া গৌৰৱপূৰ্ণ শিল্পৰ প্ৰতি মানুহৰ মন আজি আকৰ্ষণ নোহোৱা হৈছে। অসমীয়া শিপিনীয়ে গামোচাত পৰীৰ সাধু ৰচনা কৰা কথাটো এতিয়া অতীত হৈ গৈছে।

মাঘৰ তথা ভোগালী বিহুও আজি অপসংস্কৃতিৰ গড়াহত। ভোগালী বিহুৰ অৰ্থ আগতে আছিল কষ্ট কৰি কৰা খেতি পথাৰ আদি শেষ হোৱাৰ পিছত খেতিৰ চাউল ধানেৰে বিভিন্ন খোৱা বস্তু, পিঠা-পনা আদি বনাই নিজে খোৱাৰ লগতে নিজৰ কষ্টৰ ফল আনকো খুৱাই আনন্দ লাভ কৰা। পথাৰৰ লক্ষ্মী আনি সকলোৱে মিলি জুলি খোৱাৰ পৰিৱৰ্তে বিহুৰ নামত আনৰ জেওৰা-জপনা, শাক-পাচলি, হাঁহ-কুকুৰা আনকি টেবুল-চকী পৰ্য্যন্ত চুৰি কৰি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। একেদৰে কাতি বিহু ৰচনা মুখস্থ নকৰিলে কাতি বিহুনো কি তাক বোধ হয় আজি উঠি অহা বহুতো ল'ৰা-ছোৱালীয়ে বুজিকে নেপাব। এতিয়াই বোধ হয় অভিধান মেলেই। অৱশ্যে ই



আজিও কৃষিজীৱি সকলৰ লগতে আবদ্ধ হৈ আছে।

মুঠতে আজিৰ বিহুৰ বিষয়ে ক'বলৈ হ'লে ক'ব লাগিব যে বছৰটো ঘূৰি ঘূৰি আহি থাকে বাবেই মাহবোৰৰ লগে লগে বিহুবোৰ উল্লেখিত হৈ থাকে। অতীতৰ নামেৰেই বিহু আজিও আছে, কিন্তু অন্তঃ সাৰশূণ্য। এশ এবুৰি খুন্দা-খুন্দলিৰ মাজতো আকৌ বসন্ত আহে, ৰুটিনমতে আহিবই। ক্ষীণ যেন লাগিলেও কুলিয়ে হিয়াভগা মাত মাতেহি। যি কোনো মুহূৰ্ততে নিৰাপত্তা বাহিনীৰ টাঙোন পিঠিত পৰাৰ আশংকা লৈয়ো এচাম বিহুৱাই ৰিংটো মাৰে, কোনোবা সৰুমাইৰ মাকোও হয়তো ক'ৰবাত সৰিল, কিজানি গচকত যঁতৰো ভাঙিব পাৰে। বিহু আহে। গাঁৱৰ হুঁচৰি দলবোৰ নগৰমুখী হয়। গাঁৱৰ নদাই ভদাই হঁতেও মটৰ চাইকেল লৈ নগৰত গৈ বিহুৰ চান্দা তোলা হ'ল। কাৰণ সিহঁতে জানে গাঁৱৰ বিহু মেললৈ কোনোৱে শকত অংকৰ টকা দিব নোৱাৰে। নগৰত বিহু পতাৰ এটাই উদ্দেশ্য কোনে ভাল দামী শিল্পী আনিব পাৰে। কোনজন শিল্পীয়ে অত্যাধুনিক বাদ্যযন্ত্ৰ আনিব পাৰে তাৰ প্ৰতিযোগীতা হয়। অনা অসমীয়াই সজা ৰঙা-নীলা কাপোৰৰ ৰভা সজা হয়। সাংস্কৃতিক সন্ধিয়াত দৰ্শকে বিৰ দি বাট নোহোৱা হয়। এই বিহুত লাহেচৰী, মুহিতী, পূৰ্ণিমাহঁতে জানোচা বা নাচিবলৈ নেপায়। সিহঁতৰ নগৰৰ কোনো জিলা ভিত্তিত বা অসম ভিত্তিত হোৱা বিহু কুঁৱৰী, বিহু ৰাণী হোৱা প্ৰমাণ পত্ৰ আদি নাই আৰু আগতে প্ৰমাণ পত্ৰ আৰু যোগান কৰিবলৈ মাননী দিব নোৱাৰে। গতিকে নাচিবলৈ নেপায়। ৰেণী, ৰিংকু, পিংকি, ডেইজী হঁতেহে নাচে। ডেৰমাহ দুমাহ ক্লাবত আখৰা হয়। এওঁলোকৰ মাজৰ পৰাই কুঁৱৰী, ৰাণী ওলায় আৰু বহুতো। বিগত কেইটামান বছৰত বিহু হুঁচৰি নাচ ভালেমান ঠাইত বেপাৰৰ সামগ্ৰী হ'ল। বেপাৰৰ বাবে সামগ্ৰীত যি প্ৰলেপ লাগে সেই প্ৰলেপ দিয়া হ'ল। ভালেমান নগৰীয়া মঞ্চই বিহু নচাতকৈ নাচনী কেইজনীয়ে বিচৰা হ'ল। ইংৰাজ কোম্পানীৰ জাহাজ আহোতে আমি বিহুগীতত সুমুৱাইছিলো, ইংৰাজে আমাক সিকি আধলি দিলে। টিপতে কপৌপাহ চেনেহীৰ খোপাত গুজি দিয়া আমাৰ ধনায়ে সিকিটো দি চেনেহীলৈ লং দালচেনি অনাৰ কথাও বিহু নামত আছে এইবুলি...

''আমাৰ বিহু চাবলৈ আহিলা ককাইদেউ আমালৈ আনিলা কি?'' ডেকাই বোলে — ''তোমালৈ আনিলো লং-দালচেনী পোৱাত চাৰি অনা দি।''

অথচ সেইজন ডেকাৰ পিছৰ পুৰুষে আজিৰ চেনেহীক লং দালচেনী, কপৌফুল ঠাওকতে নিদিয়ে। দিয়ে কোনোবা বিদেশী কোম্পানীৰ 'চেণ্ট' বিদেশী আৰচিচ কোম্পানীৰ শুভেচ্ছা পত্ৰ আদিয়ে কিয়নো সিহঁতৰ ষ্টেণ্ডাৰ্ডৰ পৰিৱৰ্তন হ'ল। সংস্কৃতিৰ ৰূপৰেখা পশ্চিমীয়া ধং হ'ল।

মুঠতে বিহু আছে। আমাৰ ৰঙালী বিহু। নিয়ম মতে এই সময়টোতকৈ ৰং ৰহইচ সময় বছৰটোত আৰু থাকিব নোৱাৰে। এই সময়তেই আমি 'ওমলা' ঠাইত দুৰৱি নগজা হয়, এই সময়তেই এৰা — সেই সময়তেই মৰা গৰুৰ চালেও আমাৰ হাতত বেবাই। এই সময়ত আমাৰ মনটোও সকলোতকৈ ডাঙৰ হয়, মনে মনৰ সুৰ বুজে, চকুৱে চকুৰ ভাষা বুজে, 'কুল' বাধা হ'ব নোৱাৰে। যৌৱন উদ্দাম হয়, কিন্তু উন্মত্ত নহয়। কাৰণ উদ্দাম যৌৱন উন্মোক্ত হয় তেতিয়াহে, যেতিয়া গতিক ৰোধিব খোজা হয়। বাধাহীন প্ৰবাহিত সোঁতে পাৰ নাভাঙে। কিন্তু...।

বিহু, ৰঙালী বিহু, ৰং-ৰহইচৰ, বিহুগীতৰ, সুৰৰ। বিহু যৌৱনৰ, বিহু মিলনৰ, বিহু সৃষ্টিৰ। এনে অনাবিল সৃষ্টি আনন্দৰ উৎসৱ সেই জাতিৰ বাবেহে আছে যি জাতিয়ে শ্ৰমেৰে চিন্তাৰে দেহ-মন ভৰাব পাৰে। স্বৰ্গদেউ সকলে জাতিৰ ৰঙালী বিহুৰ আনন্দ উৎসৱক সেইবাবেই সুকীয়া মৰ্য্যাদা দি ৰংঘৰ নিৰ্মাণ কৰিছিল আৰু আজি সেই ৰংঘৰ বাকৰিতেই।

পৰিৱৰ্তন। ইয়াৰ অস্বাভাৱিকতা নাই। সময়ে সেই দিশেই নিছে। আমিতো সংস্কৃতিৰ নামত পৰম্পৰা ৰক্ষাৰ নামত আদাম ইভে হৈ থাকিব নোৱাৰো। আমাৰ পৰম্পৰা সুঁতি সময়ে সলনি কৰিবই, আমাৰ সংস্কৃতিৰ সুঁতিও সময়ৰ গতিত বিলীন হ'ব। এইটোৱেই নিয়ম। খেদ কৰিবলগীয়া নাই। এই সকলোবোৰ অনৰ্থৰ বাবে নতুন পুৰুষক দোষ দিলেই নহ'ব। আমাৰ ল'ৰা-ছোৱালীক আমিয়েই যদি দেখাই-শুনাই-বুজাই নিদিওঁ তেন্তে তেওঁলোকে কেনেকৈনো বাৰু শিকিব ! সংস্কৃতি জাতীয় জীৱনৰ পৰম্পৰা, সেই পৰম্পৰা যদি আমিয়েই ৰক্ষা নকৰোঁ তেন্তে আমি জানো মেৰুদণ্ডহীন নহ'ম?

তথাপি আজিৰ বিহু উৎসৱ উদ্‌যাপনত ডেকা শক্তিটোৱে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। গতিকে সংস্কৃতিৰ পৱিত্ৰতা এই শক্তিৰ হাতেতেই নিৰ্ভৰশীল। আজি নিজকে নতুন প্ৰগতিশীল পুৰুষ বুলি গৌৰৱ কৰা ডেকা শক্তিটোৱে অসমৰ প্ৰথম চিনাকী এই জাতীয় উৎসৱটোক কোনপথে নিব খুজিছে তাৰ



প্ৰতি সমাজৰ দায়িত্বশীল লোকসকলে লক্ষ্য কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে। অন্যথাই এই শক্তিৰ একাংশই অসমৰ সুন্দৰ সংস্কৃতিক অপসংস্কৃতিৰ শাৰীলৈ বিনাদ্বিধাই যে চোঁচোৰাই নমাই নিনিব তাৰ কোনো মানে নাই।

আজি আৰু সেই পৰিবেশ নাই। চাওঁতে চাওঁতে গুৰুতৰ হৈ আহিছে জাতীয় সমস্যাই। তীব্ৰ ৰূপ ধাৰণ কৰিছে এই সমস্যাই। লগে লগে নৃশংস হৈ উঠিছে ৰাষ্ট্ৰ, কোমল সাৰুৱা মাটিত মিলিটেৰীৰ বুটজোতাৰ গচকেই নহয়, থলুৱাৰ তেজেৰে বধ্যভূমিত পৰিণত হৈছে অসম। এইবোৰ কথাও চিন্তা কৰিব লগা হ'ল। মনত ৰাখিব লাগিব যে আদিম কৃষিজীৱি সমাজতেই এদিন বিহুৰ দৰে উৎসৱৰ জন্ম হৈছিল। সেয়ে বিহুৰ দৰে উৎসৱত আজিৰ জনগণে সংকল্প লোৱাৰহে সময়। বিহু প্ৰত্যেক বছৰতেই আহিব। আমি প্ৰত্যেক বছৰতেই এই দিনটো পাম। ইয়াৰ ৰূপ হয়তো আৰু সলনি হ'ব। সেনা, উগ্ৰপন্থী, মাফিয়াৰ গুলী টাঙোন অত্যাচাৰত নিজ স্বজনক হেৰুৱাই বুকু চপৰিয়াই থকা সকলৰ বাবেও বিহু আহিব। তেওঁলোকে হয়তো এই দিনটোত বেছিকৈ কান্দিব। বিহুৱে দি অহা স্বতঃস্ফূৰ্ত বিমল আনন্দ কৰিব পৰা পৰিবেশ ক্ৰমাত আঁতৰি গৈ আছে। কিন্তু হ'লেও গোষ্ঠী সম্প্ৰদায় ধৰ্মৰে ছিন্ন ভিন্ন কৰি পেলোৱা জাতিটোৱে আজি এবাৰ হ'লেও উপলব্ধি কৰে — আমি অসমীয়া, বিহু আমাৰ উমৈহতীয়া উৎসৱ, ই আমাৰ বাপতিসাহোন। গতিকে ডেকা বুঢ়া মেঠা সকলোৱে আমাৰ এই গৌৰৱপূৰ্ণ সংস্কৃতি বিশুদ্ধ ভাৱে ৰক্ষা কৰি এখন সৰ্বাংগসুন্দৰ সংস্কৃতিৰে পৰিপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ সংগ্ৰামত টঙালী বান্ধি অৱতীৰ্ণ হোৱা সময় সমাগত। ■

*[আমাৰ দৃষ্টিত শিৰোনামৰ 'বৰ্ত্তমান কালৰ গড়াহত বিহু' অশুদ্ধ। শুদ্ধ ৰূপত হ'ব লাগে 'কালৰ গৰাহত বিহু'। — সম্পাদক]*

*(প্ৰকাশ কাল ঃ ১৯৯৭-৯৮)*

# বৈজ্ঞানিক দৃষ্টিত শঙ্কৰদেৱ

মৃদুল চন্দ্ৰ ডেকা
স্নাতক ৩য় বাৰ্ষিক (কলা)

অসমী আইৰ শীতল কোলাত বহুজনা মহাপুৰুষ, শিল্পী, সাহিত্যিক, কবি, সমাজকৰ্মী, ৰাজনৈতিক নেতাৰ আবিৰ্ভাৱ হৈছে। সেইসকলৰ অনেকেই স্বমহিমাৰে মণ্ডিত হৈ অসমী আইৰ মুখ উজ্জ্বল কৰি গৈছে। চতুৰ্দশ শতিকাত অসমভূমিত সামাজিক অনাচাৰ, অত্যাচাৰ ধৰ্মীয় ব্যভিচাৰৰ ফলত এক বিশৃংখল অৱস্থাৰ সৃষ্টি হৈ জনগণক অস্থিৰ আৰু অশান্ত কৰি তুলিছিল। যুগৰ দাবীত, জনতাৰ আহ্বানত পৰমেশ্বৰ ভগৱানে সাধুৰ পৰিত্ৰাণ দুষ্টৰ দমন আৰু ধৰ্ম সংস্থাপনৰ উদ্দেশ্যে অৱতাৰীৰূপ ধাৰণ কৰিলে। আৰু সেইজনেই হ'ল যুগনায়ক মহাপুৰুষ শঙ্কৰদেৱ।

মহাপুৰুষ শঙ্কৰদেৱ হ'ল অসমীয়া জাতিৰ এটি উজ্জ্বল নক্ষত্ৰ, বৈষ্ণৱ সমাজক কু-সংস্কাৰৰ পৰা আঁতৰ কৰি পৰিশুদ্ধ সমাজ গঠন কৰা এগৰাকী মহান বিজ্ঞানী। তেখেতৰ বহু কাৰ্য আৰু চিন্তাক আজিৰ যুগত বৈজ্ঞানিকভাৱে ব্যাখ্যা কৰিব পৰা যায়। ধৰ্মীয় আচৰণত পায়-নাপায়, উচিত-অনুচিত আদি প্ৰয়োগ কৰি সংযমী হ'বলৈ শিকোৱাত মহাপুৰুষজনাৰ বৈজ্ঞানিক মানসিকতা নিহিত আছে। তেখেতে সৰ্বশাস্ত্ৰ অধ্যয়ন কৰাৰ উপৰিও আধ্যাত্মিক দৰ্শনৰ বিচাৰসমূহ শৰণ-ভজনৰ জৰিয়তে ব্যৱহাৰ উপযোগীভাৱে শয়ন-সদাচাৰ, ভজন-সদাচাৰ আৰু গমন-সদাচাৰ আদি ঈশ্বৰ ভক্তিৰ আধ্যাত্মিক আৰু নৈতিক শিক্ষাবোৰ মানৱ জীৱনত বিজ্ঞানসন্মতভাৱে প্ৰয়োগ কৰাইছিল।



শুদ্ধ নীতি-নিয়মবোৰৰ আদৰ্শেৰে অনুপ্ৰাণিত কৰাই মানুহৰ অন্তৰাত্মা শোধন কৰি সমাজ-সংস্কাৰৰ নতুন ধাৰাবোৰ প্ৰৱৰ্তন কৰিছিল। গুৰুজনৰ জীৱনৰ প্ৰতিটো খোজতে যেনে —কলা, কৃষ্টি, সংগীত, নাট, ভাওনা আদি জাতিৰ কল্যাণমুখী আঁচনি আৰু সংস্কাৰ কাৰ্য আদিৰ লগত বিজ্ঞানৰ বিভিন্ন নীতিসমূহ ওতপ্ৰোতভাৱে জড়িত হৈ থকা দেখা যায়। তেৰাৰ জীৱন নাটৰ বিভিন্ন তাত্বিক, প্ৰায়োগিক আৰু সাংস্কৃতিক দিশসমূহৰ চৰ্চা আৰু অনুশীলনৰ মূল কেন্দ্ৰ হ'ল 'নামঘৰ' বা 'কীৰ্তনঘৰ'। তেৰাৰ এই দিশ বিশ্লেষণ কৰিলে দেখা যায় যে, তেখেতৰ দ্বাৰা প্ৰতিষ্ঠিত নামঘৰ হ'ল একপ্ৰকাৰ বিজ্ঞানাগাৰ বা পৰীক্ষাগাৰস্বৰূপ। য'ত গুৰুজনাই নামধৰ্মক কেন্দ্ৰ কৰি সাধু-সন্তৰ অনুকৰণেৰে নিৰ্যাতিত, ধ্বংসগামী, অসমীয়া জাতিক বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ মুক্তিৰ আলোক দেখুৱাইছিল। গুৰুজনাৰ কৰ্মসমূহৰ বৈশিষ্ট্যপূৰ্ণ কেন্দ্ৰবিন্দু হ'ল ভগৱান শ্ৰীকৃষ্ণৰ চিৰন্তনতা প্ৰতিষ্ঠা কৰা। এই সত্যক আশ্ৰয় কৰিয়েই তেওঁ অসমীয়া ৰাইজৰ মানসিক গতিধাৰাক শান্তি, মৈত্ৰী আৰু সাম্যবাদৰ ধাৰণাৰে ভাৰসাম্য ৰক্ষা কৰি সজ শুদ্ধ সমাজ প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছিল।

কবি, সাহিত্যিক, শিল্পী, নাট্যকাৰ, গায়ন,বায়ন, ভাৱৰীয়া আদি তেষষ্ঠি বিদ্যাৰ অধিকাৰী হৈয়ো অসমৰ সংস্কৃতিৰ উৎজীৱিত কৰি বাস্তৱায়িত ৰূপ দিবলৈ যাওঁতে গুৰুজনাই যিবোৰ ৰীতি-নীতিৰ প্ৰচলন কৰি থৈ গ'ল সেই তত্বগধুৰ যুক্তিবোৰ আজিৰ বিজ্ঞানে নুই কৰিব নোৱাৰে। তেৰাৰ সমাজ গঠনৰ মহৎ প্ৰচেষ্টাত গাঁৱে-ভূঞে প্ৰতিষ্ঠিত হোৱা নামঘৰবোৰত নামৰ সময়ত ভকতসকলে কৰা ভোৰতাল ব্যৱহাৰ আৰু হৰিনাম শ্ৰৱণ-কীৰ্তনৰ সময়ত হাত চাপৰিৰ ধ্বনিয়ে প্ৰতিধ্বনিত হৈ অসমৰ আকাশ-বতাহ মুখৰিত কৰি অপসংস্কৃতিৰ কলুষতাবোৰ ধুই নিকা কৰিবলৈ সক্ষম হৈছিল। ভোৰতাল বজাওঁতে বা হাত চাপৰি মাৰোতে হাতৰ আঙুলি, বাহু আদিৰ তেজ চলাচল প্ৰক্ৰিয়া উন্নত কৰিব পাৰি। ইয়াৰোপৰি এনে প্ৰকাৰৰ কামে আমাৰ অংগসমূহক ৰোগ বা এলাহৰ পৰা বিৰত ৰাখে। গুৰুজনাই নামঘৰ প্ৰাঙ্গনত দেৱতাৰ পূজাৰ পৰিৱৰ্তে সুৰ, তাল, লয়েৰে কীৰ্তন পদ গাবলৈ শিকাইছিল। কীৰ্তনৰ লগে লগে গায়কসকলে বিভিন্ন অঙ্গ-ভঙ্গিমাৰে শ্ৰোতাসকলৰ সহজ বোধগম্য হোৱাবলৈ আকৰ্ষণীয়ভাৱে বস্তু ব্যাখ্যা কৰিছিল। এই কামৰ বাবে গায়কসকলে বিভিন্ন ভঙ্গিত চকু-মুখত বিভিন্ন ভাৱৰ অভিব্যক্তিৰে হাত, মূৰ, ভৰি আদিও

লৰাবলগীয়া হৈছিল। এই অঙ্গ সঞ্চালনেই ক্ৰমবিকাশৰ ফলত অভিনয়ত পৰিণত হ'ল। নাট অভিনয়ৰ জন্মৰ আদিতেই আছিল 'নৃত্ত' অৰ্থাৎ তাল-লয় আশ্ৰিত অঙ্গ সঞ্চালন।

নামঘৰৰ জৰিয়তে মহাপুৰুষজনাই ব্যক্তিজীৱন আৰু জনজীৱনক বিভিন্ন শিক্ষা দিয়াইছিল। নামঘৰৰ কাৰ্যৰ মাজেদি গণতান্ত্ৰিক আৰু বৈজ্ঞানিক চিন্তাধাৰাও যে প্ৰকাশ পাইছে সেই কথা ভাবি চাবলগীয়া। ভাওনাৰ লগত জড়িত থকা বিবিধ বিষয়বাব, যথা–সূত্ৰধাৰ, গায়ন–বায়ন, খনিকৰ, ঢুলীয়া, খুলীয়া, মৃদঙ্গ আদিৰ প্ৰচলন অসমত তেখেতৰ সময়ৰ পৰা চলি আহিছে। এইবোৰৰ চৰ্চা আৰু অনুশীলনে গাঁৱৰ যুৱকসকলক চাৰু শিল্পৰ সাধনাৰ প্ৰতি আগ্ৰহী কৰি তোলে। 'অভিনয়' শিক্ষাৰ অংগ হোৱাৰ ফলত এজন ব্যক্তি ৰসানুভৱী হ'বলৈ শিকে আৰু কল্পনাশক্তিও বাঢ়ে। গীত–পদ গাওঁতে আৰু কথা কওঁতে স্বৰ সাধন হয়, ভাও লোৱাৰ কাৰণে সৌন্দৰ্যবোধ, উচ্চাৰণ স্পষ্টতা, বাক্‌পটুতা আৰু স্মৃতি–শক্তি বাঢ়ে। বৰ্তমান যুগত ছাত্ৰ–ছাত্ৰীসকলৰ কাৰণে স্মৃতি শক্তি আহৰণ কৰা এটা সমস্যাস্বৰূপ। গতিকে, বিজ্ঞানৰ দৃষ্টিৰে চালে গুৰুজনাৰ প্ৰৱৰ্তিত শ্ৰৱণ–কীৰ্তন, ভাওনা, অভিনয়, আদিত বৈজ্ঞানিক যুক্তি বিচাৰি পোৱা যায়।

বৰ্তমানৰ বিজ্ঞান শিক্ষাৰ তুলনাত তেতিয়াৰ মহাপুৰুষজনাৰ শিক্ষাৰ মানদণ্ড নিমিলিলেও ঘৰুৱা বা সামাজিক ৰীতি–নীতি ৰক্ষাৰ ক্ষেত্ৰত তেতিয়াৰ ভক্ত বৈষ্ণৱ অতি কঠোৰ আছিল। শুচি, ধুতি আদিক তেওঁলোকে পৰিস্কাৰ-পৰিচ্ছন্নতা বুলি মানিব লাগিছিল। তেওঁলোকে 'চুৱা' আৰু পাপ কৰ্মক বৰ ভয় কৰি চলিছিল। অশৰণীয়া লোকৰ দ্বাৰা প্ৰস্তুত কৰা অন্নক পাপান্ন হিচাপে বিবেচনা কৰি তেওঁলোকৰ হাতেৰে অন্ন গ্ৰহণ নকৰিছিল। গুৰুবাক্যৰ সদাচাৰী নীতি–নিয়মবোৰত পৈণত হৈ শৰণ, ভজন লৈ ঈশ্বৰমুখী হোৱাৰ পিছতহে নামঘৰৰ দেউৰী, ৰান্ধনি, বিলনীয়া হিচাপে সমাজৰ পৰা স্বীকৃতি পাইছিল। নামঘৰ বা কীৰ্তন ঘৰৰ পবিত্ৰ নীতি–নিয়মবোৰে ৰন্ধন–শালবোৰকো নামঘৰৰে একে মৰ্যাদা দিছিল। ৰন্ধন–শালবোৰ সুন্দৰৈ পৰিস্কাৰ–পৰিচ্ছন্নভাৱে সৰা–মোছা কৰি ধূপ–ধূনা–চাকি–বন্তি জ্বলাই ভগৱন্তক প্ৰাৰ্থনা জনাই চৌকাত জুই দিয়া হৈছিল। কেৰাহি, উঠাওঁতে চাউল চৰুত দিওঁতে ঈশ্বৰৰ নাম স্মৰণ কৰি লৈছিল। অন্ন প্ৰস্তুত কৰি ভগৱন্তৰ নামত অৰ্পণ কৰি হৰি ধ্বনিৰ অন্ততহে ভকত–বৈষ্ণৱসকলে অন্ন গ্ৰহণ কৰিছিল। ইয়াৰোপৰি ৰান্ধনী ঘৰৰ বিলনীয়াই



হওক বা ৰান্ধনিয়ে হওক, মুখৰপৰা থু-খেকাৰ আদি বীজানুযুক্ত অপৰিস্কাৰ বস্তু প্ৰসাদত পৰি অশুচি হ'ব নোৱাৰাকৈ মুখত কাপোৰ মেৰিয়াই লৈহে ভকতসকলৰ মাজত প্ৰসাদ বিতৰণ কৰিব পাৰিছিল। এনে প্ৰথাসমূহত নিশ্চয় বিজ্ঞান সমৰ্থিত চাফ্–চিকুণৰ কথাই অন্তৰ্নিহিত হৈ আছে। সেই সময়ত দোমাহী, তিথি, উৎসৱ, পাৰ্বন আদিত পিতা–মাতা, শাহু–শহুৰ, স্বামী আৰু গুৰুস্থানীয় লোকক গা–পা ধুই শ্ৰদ্ধা–ভক্তিৰে সেৱা–সৎকাৰ কৰি আশীৰ্বাদ লোৱাটো আৰু আশীৰ্বাদ দিয়াটো এটা নৈতিক আদৰ্শ হিচাপে সমাজত প্ৰচলিত আছিল। ফলস্বৰূপে শ্ৰদ্ধা–ভক্তি আৰু মৰম–স্নেহৰ আদান-প্ৰদানত সকলোকে সকলোৰে প্ৰতি প্ৰীতি–সুলভ মনোভাৱৰ এনাজৰীয়ে বান্ধি ৰাখিছিল আৰু এক সুস্থ–সবল শান্তিময় বাতাবৰণৰ মাজেৰে জীৱন নিৰ্বাহ কৰিছিল। কিন্তু দুখৰ বিষয় এয়ে যে, বৰ্তমান সমাজ ব্যৱস্থাত এই এনাজৰী ক্ৰমাৎ শিথিল হৈ পৰিছে। শ্ৰদ্ধা–ভক্তি আৰু প্ৰেম–প্ৰীতিৰ বান্ধোনেৰে সুদৃঢ় হৈ থকা সমাজখনত সেই আদৰ্শ হেৰাই যোৱাৰ উপক্ৰম হৈছে। পবিত্ৰ উপলক্ষাসমূহতো জ্যেষ্ঠ বা গুৰুজনাৰ চৰণত সেৱা এটি জনাই আশীৰ্বাদকণ লোৱাৰ নৈতিক শিক্ষা প্ৰদৰ্শন কৰিবলৈও কনিষ্ঠসকলে আজিকালি লাজ আৰু অৱহেলা কৰা দেখা যায়। তদুপৰি শংকৰদেৱে সংস্কাৰ কৰি সংগঠিত কৰা অসমীয়া সমাজখনতো আজি ইমানেই বাচ–বিচাৰ বাঢ়িবলৈ ধৰিছে যে অসমীয়া সমাজৰ ঐক্য–সংহতি হয়তো পুনৰ সংকটপন্ন হ'বলৈ আগবাঢ়িছে।

গুৰুজনাই বান্ধি যোৱা নামঘৰৰ ভেটিত কোনেও ৰাগিয়াল বস্তু সেৱন কৰিব নোৱাৰিছিল। নামঘৰ আৰু কীৰ্তনৰ পবিত্ৰতা যাতে কোনেও হানি কৰিব নোৱাৰে তাৰবাবে ভকতবৃন্দ সদায় সচেতন আছিল। ৰাগিয়াল বস্তুৰ অপকাৰিতা সম্বন্ধে মহাপুৰুষজনা সচেতন হোৱাৰ বাবেই আৰু নামঘৰৰ নীতি–শৃঙ্খলা অটুট ৰাখি ভক্তি, দৰ্মৰ প্ৰতি সমাজৰ আস্তা ৰাখিবৰ বাবেই হয়তো এই নিষেধাজ্ঞা আছিল।

তেখেতে নামঘৰত নাম–কীৰ্তনৰ অন্তত মাহ–প্ৰসাদৰ ব্যৱস্থা কৰিছিল। বহুতে ক'বলৈ বিচাৰে যে এই ব্যৱস্থা ভক্ত–শিষ্যসকলক আকৰ্ষণ কৰাৰ এটা উপায়। কিন্তু এই কথাৰ কোনো যুক্তি বা ভিত্তি নাই। বৰঞ্চ কেঁচা–প্ৰসাদৰ ব্যৱস্থাত গুৰুজনাৰ বৈজ্ঞানিক চিন্তাধাৰা প্ৰকাশ হোৱাৰহে প্ৰমাণ পোৱা যায়। গুৰুজনাই দিহা দিয়া এই প্ৰসাদ সহজলভ্য, পুষ্টিকৰ আৰু সহজে হজম

হোৱা বিধৰ প্ৰসাদসমূহৰ এক বৈশিষ্ট্যপূৰ্ণ ভূমিকা আছে। বাকলি থকা ফল বা গোটা মগু, মাহ, বুট, চাউল, আদা, লোণ, কুঁহিয়াৰ, কল, নাৰিকল আদি বিভিন্ন ধৰণৰ ফলমূল, উপকৰণেৰে ভক্তিভাৱেৰে ঈশ্বৰক নিবেদি প্ৰসাদৰূপে সজোৱাৰ প্ৰচলন বৈষ্ণৱ সমাজৰ বাহিৰেও অন্য কৰ্ম-কাণ্ডীয় অনুষ্ঠানতো থকা দেখা যায়। কোনো সমাজত এই প্ৰসাদ ব্যৱস্থা ভিন্ন ৰূপতো আছে। প্ৰসাদৰ উপকৰণসমূহৰ প্ৰতিটো বস্তুৱে খাদ্য-প্ৰাণযুক্ত আৰু শৰীৰৰ বাবে হিতকাৰী। আটাইবোৰ দ্ৰব্য ভিটামিনযুক্ত হোৱা বাবে শৰীৰৰ পুষ্টি আৰু মনৰো তুষ্টি সাধন হয়। বৈষ্ণৱ সমাজত প্ৰচলিত কেঁচা বা নিৰামিষ পকা প্ৰসাদে শৰীৰত কোনো বিকাৰ নঘটায়। তিয়াই কোমল কৰা কেঁচা বুট আৰু মগুৰ পৌষ্টিকতা স্বাস্থ্যবৰ্দ্ধক, চাউল অম্লবোধকাৰী, মাহ, আদা, হজমীকাৰক, ফল-মূল শক্তিকাৰক, কুঁহিয়াৰৰ ৰস প্ৰস্ৰাৱ শোধক, টেঙা আদি ৰক্তশোধক লোণ জীৱাণুনাশক হোৱাৰ লগতে স্বাদকাৰক এনেধৰণৰ বিজ্ঞানসন্মত বিচাৰেৰে কৰা প্ৰসাদ পদ্ধতিৰ তেৰাক সিকালৰ স্বাস্থ্যবিজ্ঞানী হিচাপে স্বীকৃতি নিদি নোৱাৰি। তেৰাৰ মানৱ কল্যাণৰ নিখুঁত কৰ্মৰাজিৰ দিশবোৰে প্ৰমাণ কৰি দেখুৱায় যে শ্ৰীমন্ত শংকৰদেৱ কেৱল এজন ধৰ্মগুৰুৰূপেই নহয় তেখেতৰ বিজ্ঞানসন্মত ধ্যান-ধাৰণাও বিচাৰ্য বিষয়।

গুৰুজনাৰ এই দিশসমূহক লেনিনৰ মাৰ্ক্সবাদী চিন্তাধাৰাৰ লগত তুলনা কৰিব পাৰি। বিজ্ঞানৰ বিভিন্ন ফলপ্ৰসূ সূত্ৰই মানুহক কল্যাণকামী পথ দেখুৱাৰ দৰে গুৰুজনাৰ ভক্তি আন্দোলনেও ধৰ্মীয় শোষণ আৰু নিপীড়নৰপৰা মানুহক মুক্তিৰ পথ নিৰ্দেশ কৰাৰ লগতে সামাজিক ন্যায়, শৃঙ্খলা আৰু সমতাৰ শিক্ষা দিবলৈও সক্ষম হৈছিল। শঙ্কৰদেৱ মানৱতাবাদী সমাজ সংস্কাৰক। সাহিত্যিক ডিম্বেশ্বৰ নেওগৰ মতে, বেলিৰ পোহৰৰ পৰা যেনেকৈ বেলিক পৃথক কৰিব নোৱাৰি শঙ্কৰদেৱৰ পৰা তেনেকৈ অসমীয়া সমাজক পৃথক কৰিব নোৱাৰি। শঙ্কৰগুৰু হ'ল বিশ্বশ্ৰেষ্ঠ বিজ্ঞানী লিঅ'নাৰ্ড'-দা-ভিঞ্চিৰ সমতুল্য, যিগৰাকীয়ে ইটালীৰ ফ্লোৰেন্স চহৰত জন্ম গ্ৰহণ কৰি তেওঁৰ আৱিস্কৃত সূত্ৰসমূহৰ দ্বাৰা গোটেই ইটালীতে তোল-পাৰ লগাইছিল। ঠিক তেনেকৈ আমাৰ গুৰুজনাইও বৈষ্ণৱ ধৰ্ম-প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে লোৱা ব্যৱস্থা-সমূহেৰে অকল অসমতে নহয়, ভাৰতবৰ্ষৰ বিভিনন প্ৰান্ততো বিশেষ গুৰুত্ব লাভ কৰিছিল। ■

*(প্ৰকাশ কাল ঃ ১৯৯৯-২০০০)*



# অনন্ত নলাৰ সন্ধানত

**ঋতু বৰুৱা**
স্নাতক ৩য় বৰ্ষ, বিজ্ঞান শাখা

নদী মাতৃক অসম ৰাজ্যৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত নদীৰ বানে ধোৱাই থকা তিনিচুকীয়া জিলাখনত তাহানিৰ শদিয়া ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। আজিও চহৰ নগৰ গাঁও ভুই উচন গৈ নদী হৈছে, নদীৰ বুকুত গাঁও-চহৰ জাহ গৈছে।

তিনিচুকীয়া চহৰৰ উত্তৰ দিশত প্ৰায় ১০ কি.মি. দূৰৈত গুইজান ঘাট, ডিব্ৰু নদীৰ বাওঁপাৰে অৱস্থিত। সোঁকাষে আছে ডিব্ৰু-চৈখোৱা সংৰক্ষিত বনাঞ্চল, যি বহুতো প্ৰাকৃতিক সম্পদ আৰু সৌন্দৰ্য্যৰে ভৰপূৰ, দূৰ-দূৰণিৰ দেশৰ পৰিভ্ৰমী চৰাই, বিভিন্ন ধৰণৰ উদ্ভিদ তথা জীৱ-জন্তু আৰু অন্যান্য প্ৰাণীসমূহৰ বিচৰণ ভূমি। প্ৰাকৃতিক সৌন্দৰ্য্যৰ ৰম্যভূমি অসমৰ বুকুত এইখন বনাঞ্চল যেন এখন অসমৰ আৰ্হিহে, দেখিলেই মনত তেনেভাৱ উদয় হয়। সংৰক্ষিত বনাঞ্চলৰ কাষেদি কিছুদিন আগতে বৈ আছিল ডিব্ৰু আৰু ডাঙৰী নদী। সাম্প্ৰতিক সময়ত  অনন্ত নলাইদি ব্ৰহ্মপুত্ৰৰ এটা সুঁতি সোমাই আহি ডাঙৰী নদী হৈ পুনৰ ব্ৰহ্মপুত্ৰত পৰিছেগৈ। এফালে ব্ৰহ্মপুত্ৰ নদী আনফালে থকা ডিব্ৰু-ডাঙৰী অনন্তনলা সুঁতিয়ে বনাঞ্চলটোক এটা দ্বীপৰ দৰে সৃষ্টি কৰি পেলাইছে। দেখিলে এনে ভাৱ জাগে যে ইয়াৰ চাৰিওফালে থকা জলভাগে যেন উদ্যানক নিৰাপদ কৰি এক প্ৰাকৃতিক পৰিসীমাৰ সৃষ্টি কৰিছে।

জ্ঞানৰ বাবে শিক্ষামূলক ভ্ৰমণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিয়ে মই

ভূগোল-বিজ্ঞান বিভাগৰ পৰা এতিয়াও কিম্বদন্তী হৈ থকা 'অনন্ত নলা'ৰ সন্ধানত যাবলৈ ওলাইছিলো। এই যাত্ৰা ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ কাষেৰে উজাই যোৱাৰ কথা, তথাপিও মনৰ ভিতৰত জাগৃত হোৱা ভয় ভিতিক নেওচি মইও যাবলৈ ওলালো। কাৰণ 'অনন্ত নলা' চোৱাৰ প্ৰৱল হেপাহে মোক উত্ৰাৱল কৰিছিল।

যথা সময়ত আমাৰ যাত্ৰা আৰম্ভ হৈছিল, সেইদিনা আছিল ইং ২৫/০৯/২০০০ তাৰিখ। আমি সকলো পেৰেডাইজ হলৰ কাষতে ৰাতিপুৱা ৭ বজাত লগ গৈ ভূগোল বিভাগৰ ছাৰ সকলৰ সৈতে আমাৰ লগৰ ১৫ জনীয়া দলটো গুইজান নামৰ সৰু নগৰখন পালোগৈ। পুৱাতেই ঘাটটোত এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈছে। দৈনিক জীৱন জীৱিকাৰ সন্ধানত মাছমৰীয়াহঁতে ধৰা মাছবোৰৰ ডাক চলি আছিল। নদীৰ বুকুত তেতিয়া কুঁৱলীৰ আৱৰণ ; ওপৰিভাগত যেন বগা এখন চাদৰহে মেলি দিছে। আনটো পাৰে থকা চাপৰিত বাস কৰা মানুহৰ সৰু সৰু ঘৰবোৰ ৰিণিকি ৰিণিকি দেখা গৈছিল। ক্ষন্তেক পাছতে আমাৰ নাওঁখন আহি ঘাট পাইছিল। লগত এজন ডিব্ৰু-চৈখোৱা বনাঞ্চল সুৰক্ষা সমিতিৰ কৰ্মচাৰী; আমাৰ গাইড হিচাপে গৈছিল। তেওঁক বেণুদা বুলিয়ে জানিছিলো।

৮ বাজি ৩০ মিনিট যোৱাত আমি আটায়ে নাওঁত অনন্ত নলাৰ দিশত যাত্ৰা আৰম্ভ কৰিলো, নদীৰ বুকুত পাৰি দিলে উজুৱনি নাওঁ। গাইড বেণুদাই লগত নিয়া মেপখন মেলি আমাক ডিব্ৰু ডাঙৰী নদীৰ বিষয়ে বুজাই গৈছিল আৰু অনন্ত নলাৰ বিষয়েও কিছু কথা ক'লে। আচলতে অনন্ত নলাটো মানুহে খন্দা নলা। ডাঙৰী অঞ্চলৰ পথাৰত বাৰিষাৰ পানীয়ে উপচি পৰে। সেই পানীভাগ উলিয়াই নিবলৈ অনন্ত দাস নামৰ এজনে নলা খান্দি লুইতলৈ পানীভাগ বোৱাবলৈ বিচাৰিছিল। কিন্তু কালৰ কুটিল গতিত বৰ লুইতৰ পানী সেই নলাইদি সোমাইহে আহিল এই নলাটো ডিব্ৰু ডাঙৰী সুঁতিৰ পৰা উজনিত অৱস্থিত। প্ৰথমতে এই নলাটো যথেষ্ট সৰু আছিল আৰু ধলা-ডাঙৰী নদীৰ পৰা বিচ্ছিন্ন আছিল, কিন্তু এতিয়া সেই নলা, নলা আকাৰত নাই, সৃষ্টি হ'ল এক বিশাল অবিচ্ছিন্ন জলভাগৰ আৰু ধলা-ডাঙৰী নদীৰ স'তে সংযোজিত হ'ল ব্ৰহ্মপুত্ৰ এক সুঁতিত। বেণুদাই মেপত দেখুওৱা ডিব্ৰু-ডাঙৰী নদী আৰু বৰ্তমানৰ ডাঙৰী নদীৰ মাজত নিমিলা অঙ্কৰ দৰে হ'ল,



বহুতো পাৰ্থক্য সৃষ্টি হ'ল আগতে জৰীপ কৰা মেপখনত নদীখন ঠেক আছিল লগতে সংৰক্ষিত বনাঞ্চলখনও অনিৰ্দিষ্ট আছিল, কিন্তু বৰ্তমান ৰাষ্ট্ৰীয় উদ্যানখনে স্বীকৃতি পালে আৰু বহুক্ষেত্ৰত নদীৰ পলস জমা হৈ আৰু গড়াখহনীয়া হৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰিসৰ বঢ়া তুতা কৰি পেলালে। ভঙা-গঢ়াৰ মাজেদিয়েই এই নদীৰ এনে গঠনমূলক কাৰ্য্যও দেখি আমি বিস্ময় মানিলো। একাষে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান আৰু আনকাষে গাঁও আৰু চাহ বাগিচা অঞ্চলৰ মাজেৰে আমি নাওঁৰে উজাই গৈছিলো, আগবাঢ়ি যাওঁতে আমি সোঁকাষে পাইছিলো ৰঙাগড়া চাহ বাগিচা, এই বাগিচাখনৰ প্ৰৱল খহনীয়াৰ কৱলত পৰা দেখা গৈছিল। বহুতো চাহ গছ নদীত পৰি আছিল। তাৰে কিছুমান জীয়া গছ দেখি দুই এদিনৰ আগেয়েহে খহনীয়া হৈছে বুলি জানিলো। খহনীয়া হোৱা গড়াটোত মাটিৰ দুটা স্তৰ দেখা গৈছিল, ইয়াৰে ওপৰত স্তৰটো ৰঙা মাটি আৰু তলৰটো কলা বালিচহীয়া পলস মাটি, ইয়াৰ পৰা বুজিব পাৰি যে, এই বাগিচাৰ মাটিভাগ বহুত আগতে হয়তো নদীৰ বালিচৰ আছিল কালৰ গতিত আৰু এচাম গেদ পৰি ওপৰৰ ৰঙচুৱা মাটিৰ স্তৰটো সৃষ্টি হ'লত, ইয়াত মানুহে বসবাস কৰিবলৈ ল'লে ; বাগিচাও খুলিলে। এই বাগিচাখনত মাটি ইমানেই দ্ৰুত গতিত খহিব ধৰিছে যে হয়তো আৰু কম দিনৰ ভিতৰত বাগিচাখনৰ বহুত মাটি নদীৰ বুকুত জাহ যাব। নদীৰ লগত সংগ্ৰাম কৰি নদীৰ কিনাৰৰ ৰাইজে জীয়াই থকাৰ প্ৰয়াস চলাইছে। সেয়েহে বাগিচাৰ কাষৰ কোনো কোনো ঠাইত বাহৰ একোটা বৰ্গাকৃতিৰ ভেটা বা স্পাৰ (Spur) সাজি মাটিৰ লগত ৰচীৰে সংযোগ কৰা দেখা গৈছিল। এনে কৰিলে খহনীয়া ৰোধ কৰিব পাৰি। যিহেতু নদীৰ পানীৰ সোঁত স্পাৰটোত খুন্দা মাৰি বৈ যোৱা বা শক্তি কমি যোৱাৰ ফলত তাৰ গড়াত বিশেষ প্ৰভাৱ নপৰে। আৰু কিছুদূৰ যোৱাৰ পাছত আমি দূৰৈত দেখা পাইছিলো নতুন নাহৰণি গাঁও। এই নাহৰণি গাঁওখন আগতে নদীৰ মাজত আছিল। গাঁওখন খহনীয়াৰ কৱলত পৰাত নদীত জাহ গ'ল। তাৰ বাসিন্দাসকলে বৰ্তমানৰ নতুন নাহৰণি গাঁও পাতি বসবাস কৰিছে। আমাৰ বাওঁকাষে দেখা পাইছিলো ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ নল, খাগৰি, শুকান গছ। উদ্যানৰ মাজেৰে বৈ গৈছে সৰু সৰু নিজৰা। নদীখনৰ বাওঁপাৰে আৰু আমাৰ সোঁকাষে ঠায়ে ঠায়ে বহুতো বালিচৰ দেখা পাওঁ। দূৰৈত দৃষ্টি গোচৰ হয় কহুৱা বনৰ বিশাল

শুভ্ৰতা, চাপৰিত চৰি থকা কেইটামান ম'হো আমি দেখা পাইছিলো। এই চাপৰি পাৰ হোৱাৰ পাছতে ডিব্ৰু নদীৰ আগলি ভাগ বৈ আহি পৰা দেখা পাইছিলো। এই আগলি ভাগৰ নাম হ'ল — ডুমডুমা নদী। এই নদী পাৰ হোৱাৰ পাছত আমি ৰাষ্ট্ৰীয় উদ্যানৰ কাষত এটা বনবিভাগৰ ঘৰ দেখা পাওঁ, এই কেম্প (Camp) টোৰ নাম ৰাইডাং ফৰেষ্ট কেম্প (Forest Camp)।

এই অঞ্চল অতিক্ৰম কৰাৰ পাছত আমি নতুন ডাঙৰী নদীৰ এটা পুৰণা সুঁতি দেখা পাওঁ। এই ঠাই পাৰ হোৱাৰ পাছত আমি ৰাষ্ট্ৰীয় উদ্যানত চৰি থকা এটা হাতী দেখা পাওঁ, বনৰীয়া হাতী বুলি আমাৰ মাজত হুলস্থুল লাগিল। স্বচক্ষে বনৰীয়া হাতী দেখাৰ আনন্দত ক'ব নোৱাৰা হ'লো। ক্ষন্তেক পাছত আমাৰ আনন্দত চেঁচা পানী পৰিল বেণুদাই ক'লে হাতীটো বনৰীয়া নহয়, হাবিত চৰিবলৈহে মেলি থৈ গৈছে।

নাওঁখন আগবাঢ়িছিল বিশাল নদীৰ মাজেৰে, তাৰ পাছত আমি পাইছিলো খজুতি গাঁও, এই গাঁওখন ভয়ঙ্কৰ খহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। গাঁওখনৰ পৰা অলপ দূৰৈত আছে মাগুৰী বিল। খজুতি গাঁৱৰ পাছতেই খহনীয়াৰ কবলত পৰা ধেলাখাট চাহ বাগিচা। বাগিচাখনৰ পাছত এটা নলা দেখা গৈছিল, সেই নলাটোৰ নাম নাই বাবে তাক 'অচিন নলা' বুলিয়ে মানুহে কয়। নদীখনৰ আনটো পাৰত ৰাষ্ট্ৰীয় উদ্যানৰ কাষেদি নয়া নদী নামৰ এখন নদী সংযোগ হোৱা দেখা গৈছিল। এই নদীখন ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে বৈ আহিছে। নদীখন আনটো ফালে দুখন চাহ বাগিচা পোৱা যায়। এখন হ'ল দীঘলতৰং চাহ বাগিচা যিখনত তিৰাশীৰ জুইয়ে দেই যোৱা ভাতৃঘাটী সংঘৰ্ষৰ বলীদান স্বৰূপে ইতিহাসৰ অধ্যায়ত নাম থাকি গ'ল, আনখন হ'ল বাঘজান চাহ বাগিচা। এই বাগিচা দুখনো প্ৰৱল খহনীয়াৰ কৱলত পৰা দেখা গৈছিল। এই ঠাইত নদীখনৰ লগত ৰাষ্ট্ৰীয় উদ্যানৰ মাজৰ পৰা বৈ অহা এটা নলা দেখা যায়, এই নলাটোৰ নাম নৰকুকি নলা। ইয়াৰ পাছত আমি অন্য এক অঞ্চল পাওঁ, এই অঞ্চলটোৰ নাম কাইটীয়া ব্লক, এই ব্লকৰ পাছত লাইনা নামৰ এখন গাঁও দূৰৈৰ পৰা দেখিবলৈ পাওঁ। এই ঠাই অতিক্ৰম কৰা পাছতেই কহুৱা পাইছিলো এটা ধুনীয়া চাপৰি, এই চাকৰিটোৰ নাম বৰগড়া চাপৰি। কহুৱা বনেৰে আৱৰি থকাৰ বাবে কহুৱা বন চাপৰিও বোলে। এই কহুৱা বনবোৰৰ ফুলবোৰ যেন সকলোবোৰ সমান উচ্চতাত আছে, দূৰৈৰ পৰা দেখাত এখন



বগা দলিচাৰ দৰেই লাগিছিল, মনত পৰিছিল ভূপেনদাৰ গীতটোলৈ ''কহুৱাবন মোৰ অশান্ত মন .....।'' মন গৈছিল চাপৰিটো কাষৰ পৰা চাবলৈ, কিন্তু সেই ফালে নদীখনৰ বালিচৰ থকাৰ বাবে কাষলৈ যাব পৰা নগ'ল। এনে সময়তে আমি ৰাষ্ট্ৰীয় উদ্যানৰ কাষত এখন সৰু নাওঁৰ সৈতে দুজন মাছমৰীয়া মানুহক লগ পাওঁ। এই মানুহ দুজনৰ পৰা অঞ্চলটোৰ বিষয়ে কিছু কথা জানিবলৈ আমাৰ নাওঁখন কাষলৈ চপাই নিলে। মানুহ কেইজনক লাইনা গাঁৱৰ বিষয়ে কিছু কথা সোধা হ'ল। এওঁলোক লাইনা গাঁৱৰে আছিল যিখন এতিয়া বৰনৈৰ বুকুত লীন হৈ গ'ল। নাওঁখনৰ পৰা আমিও নামি ৰাষ্ট্ৰীয় উদ্যানৰ মাটিত ভৰি দিও, ৰাষ্ট্ৰীয় উদ্যানৰ কাষত বনৰীয়া বন আৰু কুছি ঝাৰুৰ ফুলেৰে ভৰি আছিল। আমি বহুতে এই ঝাৰু ফুলবোৰ চিঙি লওঁ। ৰাষ্ট্ৰীয় উদ্যানৰ কাষত সেই ঠাইৰ পৰা আগলৈ এটা নলা আছে সেই নলাটোৰ নাম চমাইজান বুলি মাছমৰীয়া দুজনে আমাক ক'লে। এই ঠাইত ১০ মিনিট মান ৰোৱাৰ পাছত আমাৰ যাত্ৰা পুনৰ আৰম্ভ হ'ল — কিছুদূৰ যোৱাৰ পাছত সোঁকাষে বালিচৰত পৰি থকা চাৰিটামান ৰাংকো চৰাই দেখা পাওঁ এই চৰাই বিধৰ হেনো কিছুমান চাৰিত্ৰিক বৈশিষ্ট্য আছে। ৰাংকো চৰায়ে দিনৰ ভাগত সদায় যোৰ পাতি চৰে, কিন্তু ৰাতি পুনৰ ভাগ ভাগ হৈ গুচি যায়। কিম্বদন্তীত আছে যে, কেতিয়াবা যদি এটা ৰাংকো চৰাইৰ মৃত্যু হয় তেন্তে আনটো চৰায়েও আত্মহত্যা কৰে। ঠাইখনৰ পৰা অলপ আগবঢ়াত আমাৰ লগত যোৱা অন্যজন গাইডে আঙুলিয়াই শিহু এটা দেখুৱালে। আমাৰ দলটোৰ বহুতেই দেখিলে কিন্তু মই মাত্ৰ তাৰ ফিঁচাটো দেখিলো। তাৰ পৰা অলপ দূৰৈত আমাৰ নাওঁখন বালিত লাগি ধৰিছিল, নদীৰ বুকুত ৰাতিটো কটাব লাগিব বুলি আতঙ্কত শিয়ঁৰি উঠিলো, কম সময়ৰ ভিতৰত নাওঁখন এৰালত মুখলৈ পানী আহিল। ইয়াৰ পাছত আমি পাইছিলো প্ৰলয়ঙ্কৰী খহনীয়াৰ কৱলত পৰা 'তামুলী' নামৰ গাঁওখন। এই অভিশপ্ত গাঁওখনৰ ১২০ ঘৰ মান মানুহৰ ঘৰৰ ভেটি নদীৰ বুকুত জাহ গৈছে। ইয়াৰ ৰাইজে তাৰ পৰা উঠি গৈ বেতনি নামৰ গাঁও পাতিলেগৈ। আহোঁতে এই ঠাইত নাওঁখন ৰখাই মানুহখিনিৰ দুখ দুৰ্গতিৰ কথাবোৰ শুনিছিলো। সহায় কৰিবলৈ আমাৰ একো নাই, কলেজীয়া ছাত্ৰ-ছাত্ৰী ভূগোল বিষয়টো লৈছো, নদী-ভূগোলৰ বিষয়ে অধ্যয়ন কৰিবলৈহে আহিছো, ৰাইজৰ বিলাই বিপত্তিবোৰ কাগজে-পত্ৰে

লিখিমগৈ আৰু কৰ্তৃপক্ষক জনামগৈ বুলি মানুহখিনিৰ আগত ক'লো, গাঁওবুঢ়াজনে 'সজ' বুলি শলাগিলে। কিন্তু আজি পৰ্য্যন্ত সেই বিষয়ত একো কৰা নহ'ল, সেই হালোৱা হাজুৱা সাধাৰণ গাঁৱলীয়া ৰাইজক চৰকাৰখনেতো আভুৱা ভাৱিছেই, মই যেন সেই প্ৰতাৰকৰ এজনহে! ভাবিলে মনটো ভাৰাক্ৰান্ত হৈ পৰে।

ইয়াৰ পাছত আমি পাইছিলো, ৰঙাজান, বথায় লঙ্কা আৰু জেকুজুকি নামৰ কেইখনমান গাঁও। এই গাঁওকেইখনৰ কাষে কাষে নদীয়ে ঠায়ে ঠায়ে বালিচৰ পেলাইছে আৰু কোনো কোনো ঠাই খহনীয়াৰ কবলত পৰা দেখা গৈছিল। নদীৰ বাওঁকাষে পাইছিলো এটা ওখ চাপৰি, চাপৰিটো সম্পূৰ্ণ বালিৰে ভৰপূৰ আছিল। ইয়াত থকা বালিৰ দুটা স্তৰ দেখা গৈছিল। ইয়াৰে ওপৰৰ স্তৰৰ তলত কিছুমান ঘাঁহ দেখা গৈছিল, এইবিলাক পচি যোৱা নাই, ঘাঁহবিলাকৰ তলত এটা বালিৰ স্তৰ। আমাৰ ড° ভুবন গগৈ ছাৰে বুজাই ক'লে — যে, ইয়াৰ ওপৰৰ স্তৰটো সৃষ্টি হোৱাৰ ২ বছৰ বা ১$^{১}/_{২}$ বছৰ মানহে হৈছে।

আকৌ আমি সোঁকাষে পাওঁ খহনীয়াৰ কবলত পৰা লাইনা নামৰ অঞ্চল। ইয়াৰ পাছতেই আছে নতুন ফুলবাৰী গাঁও, এই গাঁওখন নদীৰ পৰা অলপ দূৰৈত আছে, এই গাঁৱৰ কেইটামান ঘৰ আৰু ওখ ওখ তামোল গছ বিলাক বিশাল নদীৰ মাজৰ পৰাই দেখা পাইছিলো। নতুন ফুলবাৰী গাঁও পাৰ হোৱাৰ পাছতে ধলা-ডাঙৰী সন্মিলিত নদীখন ডাঙৰী অনন্ত নলাৰ লগত সংযুক্ত হৈছেহি।

এই ঠাইৰ পাছত ৰাষ্ট্ৰীয় উদ্যানৰ কাষত পুৰণা ফুলবাৰী গাঁওখনত দুজনমান মাছমৰীয়াৰ জুপুৰি এটা দেখা পাইছিলো সময় তেতিয়া ১ বাজি ১০ মিনিট গৈছিল আমাৰ নাওঁখন মাছমৰীয়া এজনৰ জুপুৰিটোৰ কাষত ৰখাই খোৱা-বোৱা কৰিলোঁ। মাছমৰীয়া কেইজনৰ পৰা জানিব পাৰিলোঁ যে সেই ঠাইডোখৰ আগতে এখন গাঁও আছিল। কিন্তু এবাৰ এই গাঁওখন খহনীয়াৰ কবলত পৰাত নদীৰ বুকুত জাহ গ'ল। তাৰ মানুহবিলাকে নদীৰ পৰা অলপ দূৰত 'নতুন ফুলবাৰী গাঁও' নাম দি থাকিবলৈ ল'লে। কিন্তু বৰ্তমান খহনীয়া এই নতুন ফুলবাৰী গাঁৱৰ প্ৰায় কাষ পাইছেগৈ। এইদৰে একাষে খহাই আনকাষে পুৰণা ফুলবাৰী গাঁও অঞ্চলত পুনৰ চাপৰিৰ সৃষ্টি কৰিলে। এই অঞ্চল বালিচৰ পৰি এক ভূমি ভাগৰ সৃষ্টি হ'ল, এই ঠাই বৰ্তমান ৰাষ্ট্ৰীয় উদ্যানৰ ভূমি। সেই



জুপুৰিটোত থকা মানুহ দুজনে মাছ ধৰে লগতে নদীৰ পানীত উটি অহা কাঠৰ কুন্দা বিলাক ধৰি ফালি কাঠ বিক্ৰী কৰে। তেওঁলোকে ধৰা মাছবিলাক শুকুৱাই বস্তাত ভৰাই থয়। তাৰপিছত এইবিলাক বিক্ৰীৰ বাবে গুইজান ঘাটলৈ আনে তাতে আন বেপাৰীয়ে কিনি লয়। আমি তেতিয়া জুপুৰিটোত তিনি বস্তা মান শুকান মাছ দেখিছিলো। বিয়লি ২ বাজি ১০ মিনিটত পুৰণা ফুলবাৰী গাঁৱৰ পৰা যাত্ৰা আৰম্ভ কৰিলো। কিছুদূৰ যোৱাৰ পিছত ৰাষ্ট্ৰীয় উদ্যানৰ এটা ফৰেষ্ট কেম্প (Forest Camp) দেখা পাওঁ, এই কেম্প (Camp) টোৰ নাম আজুকা। নদীখনৰ আনকাষে কেইখনমান গাঁও দেখা পালোঁ সেইকেইখন হ'ল — জিলগুৰি, লাওপতি, চাইৰিং আৰু দৰাংগী গাঁও। ইয়াৰ পাছত পাইছিলো খহনীয়াত ধ্বংস হোৱা কেইখনমান গাঁও যিকেইখন মাত্ৰ দুই মাহৰ আগতে নদীৰ বুকুত জাহ গ'ল। এইকেইখন হ'ল — বগীবিল, বামুনবাৰী, ভেলীয়া বাতি, ১ নং হাতীঘুলী, ২ নং হাতীঘুলী, যিকেইখন গাঁওৰ ধ্বংস লীলাৰ বিষয়ে প্ৰতিখন বাতৰি কাকত তথা অনাতাঁৰ আৰু দূৰদৰ্শনৰ বাতৰিত বাৰে বাৰে প্ৰচাৰ কৰা হৈছিল। সেই পাঁচখন গাঁৱৰ ওপৰেদিয়ে বৰ্তমানৰ ডিব্ৰু-ডাঙৰী অনন্ত নলাইদি ব্ৰহ্মপুত্ৰ শাখা সুঁতি প্ৰৱাহিত হৈ আছে। এই ঠাই সমূহত বাস কৰা মানুহবিলাক কাষৰ গাঁওসমূহলৈ গ'লগৈ। বহুতো মানুহ আৰু ঘৰচীয়া জীৱ-জন্তু মৃত্যুৰ মুখত পৰিছিল। এই ঠাইত নদীখন যথেষ্ট বহল। নদীখনৰ পুৰণা সুঁতিটো (অনন্ত নলা) আমি দূৰৈৰ পৰা দেখা পাইছিলোঁ, বৰ্তমান সেইফালে বালিচৰ পৰিছে আৰু ৰাষ্ট্ৰীয় উদ্যানৰ লগত সংযুক্ত হৈ পৰিছে। এই অঞ্চলৰ অলপ নামনিলৈ আছে নতুনকৈ সংযোজিত হোৱা নলাটো যিটো বালু নলা বুলি জনা যায়। আমি দূৰৈৰ পৰা এই নলাটো দেখিলোঁ।

তাৰ পৰাই আমি ওভতি অহাৰ সিদ্ধান্ত ল'লো, তেতিয়া সময় ৩ বাজি ৩০ মিনিট গৈছিল। আমি যি ঠাইৰ পৰা উভটিলো সেই ঠাই আজিৰ পৰা দুমাহৰ আগতে গাঁও আছিল ভাবিলে আচৰিত লাগে। দুই-তিনিজোপামান তামোল গছ পানীৰ মাজত দেখা পালোঁ, গছ কেইজোপাৰ পাতবিলাক গেলি গ'ল ডাবি পেলোৱা অংশ তেতিয়াও কেঁচা অৱস্থাতে আছিল। পানীৰ সোঁতত ২ হাত মান ওলাই থকা অংশ লৰি আছিল। তলত বালিৰে গুৰিটো পোত যোৱা বাবে হয়তো উভালি পৰা নাই।

আমাৰ নাওঁখন গুইজান ঘাটৰ অভিমুখে ভটিয়াই আগুৱাব ধৰিলে আৰু অতি কম সময়তে আমাৰ নাওঁখনে বহুতো ঠাই অতিক্ৰম কৰিব ধৰিলে। এইদৰেই আহি থাকোতে আমি যাওঁতে এৰি যোৱা তামুলী গাঁৱৰ কাষ পালোহি আমাৰ নাওঁখন দেখি তামুলী গাঁৱৰ ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী, বোৱাৰী-জীয়ৰী সকলো নদীৰ কাষত থিয় হ'লহি। আমাৰ নাওঁখন কাষলৈ চপাই নিলে। আমি সকলো নাওৰ পৰা নামিলো আৰু তেওঁলোকৰ লগত কথা-বতৰা পাতিলো, গাঁওখনৰ মাজেৰে ৰাস্তা, দুয়ো কাষে ঘৰ আছিল। বৰ্তমান একাষৰ ঘৰৰ ভেটি নদীৰ বুকুত জাহ গ'ল গৈ। চাৰিওদিশ ভালদৰে নিৰীক্ষণ কৰিলোঁ। বৰ দুখ লাগিল, আমাৰ দুখ বুলিবলৈ একোৱেই নাই কিন্তু সেই মানুহবিলাকৰ প্ৰতিদিনেই দুখ ; নদীখনেই হ'ল তেওঁলোকৰ কাল।

খেতি কৰিবলৈ মাটি নাই, এসাঁজ ভাত ভালদৰে খাবলৈ পোৱা নাই, দুখতেই জীৱন কটাব লগা হৈছে। গাঁওখনৰ একাষৰ ঘৰবিলাক খহালত, আনটো পাৰত থকা মানুহবিলাকে চিন্তাত পৰিছে, কি ঠিকনা! কোন ক্ষণত তেওঁলোকৰ ঘৰ বিলাকো খহি যাব পাৰে। কাষত থকা স্কুলঘৰ এটাৰ মাত্ৰ এফালহে বাকী আছে। এই ঘৰটোৰ তেতিয়া বেৰবিলাক নি বেলেগ ঠাইত স্কুল সাজিছে। তাত থকা এজন গাঁৱলীয়া ব্যক্তিক উদ্দেশি মই সুধিলোঁ ''দাদা এই ঘৰটো খহোৱা কিমান দিন হ'ল।'' ''তুমি হয়তো বিশ্বাস নকৰিবা (নদীৰ অলপ কাষলৈ আঙুলিয়াই) কালি নদীখন সেই ঠাইত আছিল আজি স্কুল ঘৰটো এফাল খহাইছে, আৰু দুদিনৰ পিছত স্কুলৰ ভেটিটোৰ কোনো চিনেই নাথাকিব।'' আমি আমাৰ লগত নিয়া ব্ৰেড, কল, বিস্কুট আদি বস্তু বিলাক, সৰু ল'ৰা-ছোৱালী জীয়াৰী-বোৱাৰী সকলোকে বিলাই দিলো। তেওঁলোকে বৰ আগ্ৰহেৰে লৈ খালে। তাৰে দুই এগৰাকীয়ে আমাক লগৰ দুই এজনক প্ৰশ্ন কৰিছিল ''আপোনালোকে যে বহুত কিবা কিবি কথা সুধি আছে, আমাক কিবা সাহায্য দিব নেকি?'' এই কথাষাৰে আমাৰ মনত বৰ আঘাট কৰিছিল। তেওঁলোক আশাবাদী অৱস্থাতে আছে অথচ চৰকাৰে একো ব্যৱস্থা এতিয়াও হাতত লোৱা নাই। এই ঠাইত ১০ মিনিট মান কথা-বতৰা পাতি আমি তেখেতসকলৰ পৰা বিদায় লৈ গুইজান অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। তেতিয়া বেলি ডুবো ডুবো অৱস্থা হৈছিল। ডিব্ৰু-ডাঙৰীৰ জলপৃষ্ঠত সূৰ্য্যৰ ৰশ্মিবিলাক পৰিলত এক মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্যৰ সৃষ্টি হৈছিল, ৰান্ধনি



বেলি অস্তাচলত।

ক্ষন্তেক পাছত আন্ধাৰ হ'ল। বেলি ডুবিল। গুইজান ঘাটত জ্বলি থকা লাইট আমি দূৰৈৰ পৰা দেখা পাইছিলোঁ। ৫ বাজি ৩০ মিনিটত আমি ঘাট পালোহি। নাওৰ পৰা বয়-বস্তু লৈ সকলো তিনিচুকীয়া অভিমুখে গাড়ীত উঠিলোঁ, ৭ বজাত আমি তিনিচুকীয়া পালোহি।

অনন্ত নলা, যদিও মানুহেই খন্দা কিন্তু বৰ্তমানৰ অনন্ত নলাৰ ৰূপ অতি ভয়লগা। প্ৰথমতে যেতিয়া অনন্ত নলা খন্দা হৈছিল তেতিয়া মাত্ৰ ১২ ফুটমানহে বহল আছিল। কিন্তু বৰ্তমান অনন্ত নলা ১২ ফুট হৈ নাই। প্ৰায় ১ কি.মি. মান বহল হৈ পৰিল। যদি এই নলাটো বন্ধ কৰি দিব পৰা যায় তেন্তে, বৰ্তমান প্ৰতিবছৰে ক্ষতি হোৱা গাঁওবিলাকৰ উদ্ধাৰ হ'ব, কিন্তু এতিয়া আৰু এইয়া সম্ভৱ নহয়। কাৰণ বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ ১/৩ অংশ পানী এই ডিব্ৰু-ডাঙৰী নদীৰে প্ৰৱাহিত হয়, নদীখনৰ সোঁতৰ বেগো কোৱাল। আমাৰ যাত্ৰাত উজাই যাওঁতে লাগিছিল ৮ ঘণ্টা আনহাতে উভটোতে লাগিছিল মাত্ৰ ২ ঘণ্টা; ইয়াৰ পৰাই নদীখনৰ সোঁতৰ বিষয়ে উমান পোৱা যায়। এই নাৱঁৰ যাত্ৰাৰ পৰা মই বহুতো অভিজ্ঞতা লাভ কৰিলোঁ। নদীৰ গঠন, খনন আদি কাৰ্য্যৰ বিষয়ে পঢ়িছোঁহে দেখা নাছিলো। এই যাত্ৰাত নদীৰ বিষয়ে বহুতো কথা বুজিব পাৰিলোঁ, যিবিলাক কাম কোনো মানুহে কৰিব নোৱাৰে সেই কাম কিন্তু নদীৰ বাবে একেবাৰে নগণ্য। এনে কাৰ্য্য মানুহে নিজ চকুৰে দেখিলেহে উপলব্ধি কৰিব পাৰিব। অনন্ত নলাৰ পৰিদৰ্শনে আমাৰ কিছু তাত্বিক জ্ঞানক অভিজ্ঞতাৰে পৰিপুষ্ট কৰিলে। এই নলাটোক নিয়ন্ত্ৰণৰ বাবে সকলোৰে ভবা উচিত। তাৰ বাবে বিভিন্ন চিন্তা-চৰ্চা কৰিব লাগে। এই চিন্তাকে আমি আমাৰ পৰিদৰ্শনটোৰ পৰা লাভ কৰিলো। এই চিন্তাটো আমি অকল আমাৰ কৰি নেৰাখি সকলোৰে কৰি পেলাবৰ বাবে এই কণমানি অভিজ্ঞতাখিনি লিপিবদ্ধ কৰিলোঁ। ইয়ে নিশ্চয় ভুক্তভোগীসকলৰ উপকাৰ সাধন কৰিব। ■

*[প্ৰবন্ধত উল্লেখিত বেনুদা (জয়নাল আবেদিন) এজন বিশিষ্ট প্ৰকৃতি সংৰক্ষণ কৰ্মী তথা পাৰি-পৰ্যটন উদ্যোগী। প্ৰবন্ধটিৰ লগত দুই এক ছবি আছিল যদিও কাৰিকৰী কাৰণত দিব পৰা নগ'ল।— সম্পাদক]*

*(প্ৰকাশ কালঃ ২০০০-০১)*

# অসমৰ নাৰী – অতীত আৰু বৰ্তমানৰ

**জয়া ভৰালী হাজৰিকা**
মুৰব্বী অধ্যাপিকা, প্ৰাণী বিজ্ঞান বিভাগ

নাৰীক অবলা বুলি কোৱা হয় যদিও বিভিন্ন যুগত নাৰীয়ে ভিন্ন ভিন্ন ৰূপত আত্মপ্ৰকাশ কৰি আহিছে। অসমীয়া নাৰীৰ স্বকীয় ৰূপ প্ৰকাশৰ বহুতো নিদৰ্শন ইতিহাসৰ পাতত জিলিকি আছে। আহোমসকলে আৰম্ভ কৰা, আৰু লিখি থৈ যোৱা ইতিহাসত নাৰীৰ বহুতো চৰিত্ৰৰ সমাবেশ ঘটিছে যিবোৰৰ দ্বাৰা উমান পাব পাৰি — নাৰীয়ে সুযোগ–সুবিধা পালে নিজৰ মাহাত্ম্য অতুলনীয় ৰূপত প্ৰকাশ কৰিব পাৰে।

নাৰীৰ অবিহনে কোনো সভ্যতা, সমাজ বৰ্ত্তি থাকিব নোৱাৰে — ই এক প্ৰামাণ্য কথা। তথাচ বিদ্বান মণিষী তথা চিন্তাবিদে নাৰী সম্পৰ্কে পক্ষপাতিত্বমূলক মন্তব্যৰে নাৰীৰ প্ৰতি নানা সময়ত অবিচাৰ কৰি আহিছে। এনেবোৰ মন্তব্য বা বিশ্লেষণে নাৰীক যুগে যুগে হেয় প্ৰতিপন্ন কৰি আহিলেও শক্তি ৰূপে অধিস্থিতা নাৰীৰ স্বাভাৱিক কোমলতাৰ আঁৰত লুকাই থাকে এক অদমনীয় শক্তি। এই শক্তিৰ বাবেই নাৰী ধৰিত্ৰীৰ দৰেই সহনশীলা আৰু ত্যাগৰ প্ৰতীক।

অসমৰ বুৰঞ্জীত অসমীয়া নাৰীৰ এনে বহুতো ত্যাগৰ নিদৰ্শন আছে যিবোৰৰ অবিহনে আজিৰ এই অসম নামৰ দেশখনৰ ভৌগলিক ৰূপৰেখা তথা ৰাজনৈতিক বাতাবৰণ ইতিহাসত থকাৰ দৰে পোৱাটো সম্ভৱপৰ নহ'লহেঁতেন। আহোমসকলে গঢ় দি যোৱা অসম নামৰ দেশখনৰ গঠন আৰু



সু–শৃঙ্খলিত শাসনত নাৰীৰ এক অভূতপূৰ্ব্ব অৱদান আছে। কেৱল আহোম ৰাজত্ব কালতেই নহয়, বৰ্তমান সময়তো দেশৰ বিভিন্ন কাঠামোত নাৰীৰ ভূমিকা লেখত ল'বলগীয়া। প্ৰকৃতপক্ষে নাৰীৰ উপযুক্ত মৰ্যাদা দিয়া লোকৰ সংখ্যা কম যদিও বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত এনে নেতিবাচক ভাবধাৰাৰ পৰিৱৰ্ত্তে নাৰীৰ সকলো গুণকে উপযুক্ত মূল্যায়নেৰে বিচাৰ কৰি চোৱাৰ দিন আহি পৰিছে।

আহোম ৰাজত্বৰ প্ৰতিষ্ঠাপক চুকাফাই ডই কাও ৰং (পাটকাই) পাৰ হৈ বৰলুইতৰ পাৰত সুণীয়া অসম গঢ়িবলৈ আহোঁতে কোনো তিৰোতা লগত অনা নাছিল। কিন্তু অভিজ্ঞতাপুষ্ট চুকাফাই লুইতৰ পাৰত খোপনি পুতিবৰ সময়ত মুখামুখি হোৱা অসমৰ ভূমিপুত্ৰ বৰাহী, মৰাণ, কছাৰীক বশ কৰিবলৈ বৈবাহিক সমন্ধৰ পাতনি মেলিলে —উদ্দেশ্য নাৰীৰ অৱলম্বনত সমাজ আৰু ৰাজনৈতিক জীৱনত এক দৃঢ় খোপনি। এই কাৰ্যত চুকাফালৈ বুলি পোনপ্ৰথম বাৰৰ কাৰণে হাত আগবঢ়ালে চুকাফাৰ অচিনাকী বৰাহী ৰজাৰ কন্যা খাম-জি হিঙ্গুলীয়ে। নিজৰ জ্ঞাতি গোত্ৰৰ লগত সম্বন্ধ চিঙি প্ৰব্ৰজক টাই গোষ্ঠীৰ অচিন ৰাজকোঁৱৰক স্বামী কৰি এখন নতুন ৰাজ্যৰ সোপান গঢ়াত সামান্য নাৰী হিঙ্গুলীয়ে এক ইতিবাচক ভূমিকা ল'লে, বৰাহী মৰাণৰ সহযোগত এমুঠি টাই মানুহে এখন নতুন ৰাজ্যৰ পাতনি মেলিলে। হিঙ্গুলীৰ লগতে এই সম্পৰ্কক দৃঢ় কৰিলে আন চাৰি গৰাকী ইতিহাসত নামহীন মৰাণ কুঁৱৰীয়ে।

সময় আগবাঢ়িল। ৰাজবংশৰ অবিৰাম পথযাত্ৰাত অনেক ৰজা, ৰাজকোঁৱৰৰ সমাবেশ ঘটিল। সৰহ সংখ্যকেই নিজ স্থান, মৰ্যাদা, ৰাজ্য সুৰক্ষিত কৰিবৰ কাৰণে, বিভিন্ন সময়ত আশ্ৰয় ল'লে 'অবলা নামাঙ্কিত নাৰী'ৰ। ত্যাগৰ প্ৰতীক ৰূপে আহোম ৰজাৰ ইতিহাসত জিলিকি থকা কেইগৰাকীমান নাৰী হ'ল — ৰজা চুখ্ৰাংফাৰ দিনৰ কমতাকুঁৱৰী ৰাজনী আৰু ভাজনী, ৰজা চুহুংমুঙৰ দিনৰ গৌড় কন্যা হৰমতী আৰু দাৰমতী ৰজা চুক্লেংমুং ৰজাৰ দিনৰ বিদুষী নৰা জীয়ৰী নাঙ্গ (৩) পখাম বা চাওচিং কুঁৱৰী, চুখামফা বা খোৰাৰজাৰ দিনৰ নৰাকুঁৱৰী জেকচু গাভৰু, চচেংফা বা প্ৰতাপসিংহৰ দিনৰ কোঁচ কুঁৱৰী ৰত্নমালা, চৰমফা বা ভগাৰজাৰ দিনৰ জয়ন্তীয়া কুঁৱৰী আৰু ঢেকেৰী কুঁৱৰী চান্দ্ৰকলা ইত্যাদি। ৰজা শিৱসিংহৰ দিনৰ নটৰ জীয়ৰী ফুলমতী তথা বৰৰজা ফুলেশ্বৰী কুঁৱৰী ৰজাঘৰলৈ নাৰীৰ অৱদানৰ আন এক কৰুণ কাহিনী।

গদাপাণিৰ পত্নী সতী জয়মতী অসমৰ এক অন্যান্য নাৰীৰূপে আজিও স্বীকৃত।

কেৱল সেয়েই নহয়, প্ৰয়োজন সাপেক্ষে নাৰীৰ ৰাজমৰ্যাদা ৰক্ষাৰ হকে কৰা কেতবোৰ কাম অতি দূৰদৰ্শিতাৰ পৰিচায়ক আছিল। আহোম ৰাজপাটৰ অষ্টম ৰজা চুডাংফাৰ দিনত, ৰাজকোঁৱৰ তাওচুলাইয়ে (চাওপুলাইয়ে) অসংযত আচৰণৰ পৰিণতিত গঢ়ি তোলা বিদ্ৰোহৰ সময়ত দেশলৈ শত্ৰুৰূপে মাতি অনা নৰাৰজাৰ বিৰুদ্ধে, বোৰাৰী খান খিলিপৰ জিয়াৰী তিপমীয়া কুঁৱৰীয়ে পতিকো আওকাণ কৰি, দেশৰক্ষাৰ স্বাৰ্থত শহুৰেক ৰজা চুডাংফাৰ পক্ষত থিয় দিছিল। চাওপুলায়ে ককাক (ৰাজমাওৰ পিতৃ) কমতা ৰজাক দিয়া পূৰ্বৰ উচটনিৰ বিৰুদ্ধে এনেকি একেই বিদ্ৰোহৰ গইনা লৈ মাতৃ ৰাজমাৱেও যুঁজিছিল গোপনে যাতে আহোম ৰাজবংশ সুৰক্ষিত হৈ ৰয়। তেওঁ পিতৃ কমতেশ্বৰক আহোমৰাজৰ সৈতে থকা মিত্ৰতাৰ দোহাই দি যুদ্ধৰ বিৰোধিতা কৰাৰ লগতে, আহোম ৰজা, নিজ স্বামীলৈ, কমতাৰ আন এগৰাকী জীয়াৰীক বিয়া কৰাই মিত্ৰতাৰ বান্ধোন কটকটীয়া কৰি তুলিছিল। আত্মত্যাগৰ এনে বিৰল ঘটনা অসমীয়া নাৰীৰ চৰিত্ৰৰ এক আপুৰুগীয়া আভূষণ।

আহোম বুৰঞ্জীত সন্নিৱিষ্ট নাৰীসকল নাৰীসুলভ নমনীয়, কমনীয় গুণেৰে বিভূষিতা হ'লেও সময়সাপেক্ষে তেওঁলোকৰ চৰিত্ৰত ক্ষত্ৰিয় নাৰীৰ গুণো প্ৰকাশ পাইছিল। এনে এক উল্লেখনীয় ত্যাগ আৰু আদৰ্শৰ নাৰী হ'ল —মূলা গাভৰু। মূলা গাভৰুৰ আত্মত্যাগে বুৰঞ্জীৰ পাত উজ্জ্বল কৰি ৰাখিছে। চুপিমফা ৰজাৰ জীয়াৰী, চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ভনীয়েক মূলা গাভৰু আছিল ফ্ৰাচেংমুং বুঢ়াগোহাঁইৰ পত্নী। চুহুংমুং দিহিঙ্গীয়া ৰজাৰ দিনত গৌড়ৰ সেনাপতি তুৰ্ব্বকৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ গৈ ফ্ৰাচেংমুং ৰণত পৰিল। হাতত মুকলি হেংদাং লৈ, কঁকালত টঙালি বান্ধি আহোম সেনাক ধুমুহাৰ গতিৰে শত্ৰুৰ বিৰুদ্ধে পৰিচালনা কৰি অলেখ অশ্বাৰোহী সৈন্য হিলৈ বৰতোপেৰে সজ্জিত তুৰ্ব্বক বাহিনীক পৰাস্ত কৰি, সেনাপতি ফ্ৰাচেংমুঙৰ নামৰ লগতে — নিজৰ নামো মূলা গাভৰুৱে কাললৈ বুৰঞ্জীৰ পাতত ৰাখি থৈ গ'ল। তুৰ্ব্বকৰ পৰাজিত সৈন্যবাহিনীয়েই পিছলৈ 'গৰীয়া' বা পিতলৰ কাম কৰা 'মৰীয়া' ৰূপে অসমত পৰিচিত হৈছিলগৈ।

চুক্লেংমুঙ ৰজাৰ ৰাজধানীৰ নাম 'গড়গাঁও' হোৱাৰ মূলতে হ'ল — নগৰৰ চাৰিওফালে গড় বান্ধি নগৰ সুৰক্ষিত কৰা কাৰ্য। গড় বান্ধি নগৰ সুৰক্ষিত কৰা পৰম্পৰা নৰা সকলৰ পুৰণি কৃষ্টিৰ অঙ্গ আছিল। বিদূষী নৰা গাভৰু চাওচিং কুঁৱৰীৰ পৰামৰ্শ মতেই অসমত সুৰক্ষিত নগৰী 'গড়গাঁও' স্থাপিত হৈছিল। তাৰোপৰি আহোম ৰজাই দখল কৰা লুইতৰ উত্তৰ পাৰৰ ভূঞা ৰাজ্যৰ বাৰেভূঞাৰ মাতৃ লক্ষ্মী আয়ে নিজস্ব গঠনমূলক প্ৰতিভাৰে পাতিছিল লক্ষীমপুৰ নগৰ, যিখন বৰ্তমানেও অসমৰ এখন ঐতিহ্যপূৰ্ণ নগৰৰূপে জিলিকি আছে। তেওঁৰেই আদৰ্শৰে তেওঁৰ বংশধৰসকলে পাতিছিল, পাণপুৰ, হেঙুলপুৰ, ৰতনপুৰ, নাৰেংপুৰ (নাৰায়ণপুৰ), গহপুৰ, কলংপুৰ, প্ৰতাপপুৰ, বিহিমপুৰ আদি নগৰ, যিসমূহৰ কিছুমানৰ সামান্য নামৰ পৰিৱৰ্তন ঘটিলেও কেতবোৰ একেনামেৰেই বৰ্তমানেও বিদ্যমান।



নাৰী কেতিয়াবা হয় দুৰ্গা কাত্যায়নী, দেৱী নাৰায়ণী, দুৰ্গতি নাশিনী, কেতিয়াবা হৈ পৰে পিশাচিনী, কলঙ্কিনী, ছলনাময়ী আহোম ৰজাৰ ইতিহাসৰ নাৰী যে কেৱল সুগুণৰে অধিকাৰিণী আছিল এনে নহয়, নাৰীৰ সহজাত অন্য দিশবোৰো কোনো কোনো নাৰীৰ চৰিত্ৰত প্ৰকাশ পাইছিল যিবোৰে সময়ত ৰাজ্য শাসনত বিশৃঙ্খলতাৰ সৃষ্টি কৰিছিল। এনে নাৰীৰ উদাহৰণ স্বৰূপে নাম ল'ব পাৰি, চুহুংমুং ৰজাৰ দিনৰ গৌড়কুঁৱৰী বা গৰমা কুঁৱৰী, ত্যাও খামথি ৰজাৰ বৰকুঁৱৰী আৰু অনেক।

কথিত আছে আহোমসকলে সাতৰাজ মাৰি একৰাজ কৰিলে। অৰ্থাৎ মৰাণ, বৰাহী, কছাৰী, চুতীয়া, ভূঞা, কমতা, তুৰ্ব্বক — এই সাত ৰাজ মাৰি একৰাজ কৰা মূলতে হ'ল বিদেশী টাই গোষ্ঠীৰ এমুঠি মানুহে অসমৰ থলুৱা বাসিন্দা বিভিন্ন গোষ্ঠীৰ লগত সমন্বয়ৰ সূত্ৰ গঢ়ি কটকটীয়া কৰা কাৰ্য। আহোমসকলে কেৱল ৰণকুশলতাৰে এইসমূহ জাতিক বশলৈ আনি এক সমন্বয়ৰ স্বতন্ত্ৰৰীয়া ৰাজ্য গঠনত যে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'লহেঁতেন তাত সন্দেহ নাই — কিন্তু 'নাৰী'ৰ অৱলম্বনত বৈবাহিক সম্বন্ধ স্থাপনেৰে এই কাৰ্য আহোমসকলে যথেষ্ট সহজসাধ্য কৰি তুলিছিল। গতিকে ই এক প্ৰামাণ্য তথ্য যে নাৰীয়ে সহাৱস্থানৰ ভিত্তিত অসমত আহোম-ৰাজত্বৰ ভেটি প্ৰতিষ্ঠা কৰাত পৰোক্ষভাৱে হ'লেও এক দৃঢ় ভূমিকা পালন কৰিছিল।

সময়ৰ লগে লগে ইতিহাস সলনি হয়। ১৮২১ চনত ৰজা যোগেশ্বৰ সিংহৰ দিনত নামনি অসম বৃটিছৰ অধীনলৈ যায়। ১৮৩৮ চনত পুৰন্দৰ সিংহৰ দিনত উজনি অসমো বৃটিছৰ তললৈ যায়। প্ৰায় ডেৰশ বছৰ কাল

অসম বৃটিছৰ অধীনত ৰ'ল। বৃটিছসকল অসমলৈ অহাত ইংৰাজী শিক্ষাৰ অৰ্থে পতা বিদ্যালয়সমূহত বঙলা ভাষাৰ প্ৰৱৰ্ত্তনে শিক্ষাৰ ক্ষেত্ৰত সৃষ্টি কৰা সমস্যাৰ সমাধান কল্পে অসমত অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ আন্দোলন হয় —খ্ৰীষ্টিয়ান মিশ্যনাৰী সকলে এই আন্দোলন সফল কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লাহে লাহে অসমত শিক্ষাৰ বাতাৱৰণ গঢ়ি উঠে যদিও স্ত্ৰী শিক্ষাৰ পটভূমি তেতিয়াও গঢ়ি উঠা নাছিল। কুৰিশতিকাৰ আৰম্ভণিৰ পৰাহে অসমত শিক্ষাৰ ক্ষেত্ৰত প্ৰকৃত সচেতনতা আহে। ১৯২৬ চনত অসমত বাধ্যতামূলক শিক্ষা আইন আৰু ১৯৪৭ চনত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰৱৰ্ত্তন কৰা হয়।

স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত থকা প্ৰতিকূলতাৰ মাজতো অনেক অত্যুৎসাহী মহিলাই নিজস্ব প্ৰতিভাৰে অসমৰ সাহিত্য-সংস্কৃতিৰ জগতখনলৈ বহুমূলীয়া অৱদান আগবঢ়ায়। তাৰ ভিতৰত যমুনেশ্বৰী খাটনিয়াৰ, নলিনীবালা দেৱী আদি অন্যতম। সময়ৰ লগে লগে আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা, জোনাকী যুগৰ লক্ষ্মীনাথ বেজবৰুৱা, আবাহন যুগৰ শৰৎ চন্দ্ৰ গোস্বামী প্ৰভৃতিয়ে সংস্কাৰধৰ্মী সাহিত্যকৰ্ম্মৰ যোগেদি অৱহেলিত নাৰী-সমাজৰ প্ৰতি সমাজৰ দৃষ্টি আকৰ্ষণ কৰে। যুদ্ধোত্তৰ কালত সমাজলৈ অহা পৰিৱৰ্ত্তনে নাৰীক ব্যক্তি স্বাতন্ত্ৰতাৰ স্বাদেৰে অনুপ্ৰাণিত কৰি বাহিৰৰ পৃথিৱীখনলৈ উলিয়াই আনে।

ব্যক্তি স্বাতন্ত্ৰতাই নাৰীক দেশৰ স্বাৰ্থত ব্যক্তিগত সকলো আশা-আকাঙ্খা জলাঞ্জলি দিয়াৰ পৰিৱৰ্ত্তে শিক্ষাৰ আলোকেৰে আলোকিত হৈ সুস্থ মানসিকতাৰে দেশৰ উন্নতিৰ হকে অৰিহণা যোগাবলৈ উদ্বুদ্ধ কৰে। বৰ্তমান অসমৰ, শিক্ষা সাহিত্য সংস্কৃতি, প্ৰশাসন, আৰক্ষী, কাৰিকৰী বিজ্ঞান, স্বাস্থ্য বিজ্ঞান প্ৰভৃতি সকলো বিষয়তে পুৰুষৰ সমানে নাৰীয়েও এক উল্লেখযোগ্য স্থান ল'বলৈ সক্ষম হৈছে আৰু দেশৰ উন্নতিত বৰঙণি যোগাইছে। সকলো দিশতে উত্তৰোত্তৰ উন্নতি সাধন কৰাটো বৰ্তমান অসমৰ নাৰী-সমাজৰ আশু কৰ্ত্তব্য।■

[*লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক তথা বিশিষ্ট লেখক/সম্পাদক। — সম্পাদক*]

*(প্ৰকাশ কাল ২০০০-০১ বৰ্ষ)*



# মাগুৰী মতাপুং বিল

নিৰন্ত গোহাঁই

তিনিচুকীয়া নগৰৰ পৰা ১২ কি.মি. আঁতৰত অৱস্থিত মাগুৰী মতাপুং বিল। ৫৫ টা প্ৰজাতিৰ দেশী-বিদেশী অজস্ৰ চৰাইৰ মিলনভূমি এই বিলখন। তিনিচুকীয়া নগৰৰ পৰা ৰঙাগড়া অথবা গেলাপুখুৰী পথেৰে, মাকুমৰ পৰা বৰগাঁও পথেৰে আৰু ডুমডুমাৰ পৰা দীঘলতৰং পথেৰে যাব পাৰি এই বিলখনলৈ। দেওহাঁহৰ বাবে বিশেষ খ্যাতি থকা এই বিলখনলৈ যোৱা কিছু বছৰৰ পৰা বহুতো পৰিভ্ৰমী চৰাইৰ আগমণ ঘটিছে। প্ৰচাৰৰ অভাৱতেই এই বিলখনৰ বিষয়ে অৱশ্যে বহুতো প্ৰকৃতিপ্ৰেমীয়েই অৱগত নহয়। কেইবাখনো গাঁও আৰু চাহ-বাগিছাৰে আগুৰি থকা বিলখন আকাৰত প্ৰায় ১০ বগ কি.মি.। খৰালিৰ দিনত বিলখনত অজস্ৰ চৰাই আহি ভৰি থাকেহি। যোৱা বছৰ অঞ্চলটোৰ কেইজনমান সচেতন যুৱকৰ প্ৰচেষ্টাত কেইবাজনো দেশী-বিদেশী পৰ্যটক বিলখনলৈ গৈছিল আৰু তেওঁলোকে তাত থকা লাখ লাখ পক্ষীৰ মনোৰম দৃশ্য দেখি আপ্লুত হৈছিল। এইবছৰ পৰিভ্ৰমী পক্ষীৰ বৃদ্ধি পোৱাৰ লগতে পৰ্যটকৰ সংখ্যাও বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। স্থানীয় কিছুলোকে পৰ্যটকৰ সুবিধাৰ্থে কটেজ, টাৱাৰ, হাতনাওঁ আদিৰ ব্যৱস্থা কৰিছে। আনহাতে বিলখন ডিব্ৰু আৰু ডাঙৰী নদীৰ কাষত থকাৰ বাবে বনভোজৰ বাবেও অতি মনোৰম ঠাই বিলখনৰ কাষৰীয়া অঞ্চল। আনহাতে বিলখনৰ দাঁতিকাষৰীয়া ঠাইবোৰৰ গছ-গছনিবোৰতো ৫০ টাৰো অধিক প্ৰজাতিৰ

বহুতো দেশী–বিদেশী চৰাই পোৱা যায়। বিশেষ এয়ে যে বিলখনৰ কাষৰীয়া কেইবাখনো গাঁও ডিব্ৰু–ছৈখোৱা সংৰক্ষিত জৈৱ বিচিত্ৰ অঞ্চলৰ অন্তৰ্গত। বিলখনৰ অন্য এক বৈশিষ্ট্য হৈছে সূৰ্য্যোদয় আৰু সূৰ্য্যাস্তৰ। ইয়াত দেখিবলৈ পোৱা কুঁৱলি ফালি ওলাই অহা সূৰ্য্যৰ উদয় আৰু শুকুলা মেঘৰ সূৰ্য্যাস্তৰ মনোৰম দৃশ্যই যিকোনো মানুহকে আপ্লুত কৰিব পাৰে। বৰ্ত্তমানলৈকে বিলখনৰ সম্পৰ্কে চৰকাৰে কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰা নাই যদিও ভৱিষ্যতে এই বিলখন অসমৰ আটাইতকৈ উল্লেখযোগ্য চৰাইৰ বিচৰণভূমি হৈ পৰাৰ সম্ভাৱনা আছে। বছৰৰ অক্টোবৰৰ পৰা এপ্ৰিল মাহলৈকে বিলখনলৈ যোৱাটো পৰ্য্যটকৰ বাবে উৎকৃষ্ট সময়। এই সময়ছোৱাত বিলখনত দেখিবলৈ পোৱা চৰাইৰ প্ৰজাতিবোৰ হ'ল ঃ

স্থানীয় ঃ

1. Large Cormorant
2. Little Grebe
3. Spot-billed Pelican
4. Darter or Snake bird
5. Pond heron
6. Little heron green.
7. Large Egret
8. Adjutant Stork
9. Large Whistling teal
10. Whitebreasted Waterhen
11. Common Morhen
12. Perple Morhen
13. Bronz-wing Jacana
14. Wood sandpiper
15. Common sandpiper
16. Common snipe
17. Pid kingfisher
18. Common Kingfisher
19. Stork billed kingfisher



20. White-breasted kingfisher
21. Nothern Lapwing
22. Marsh Herrier
23. Pariah kite
24. Red-watted Lapwing
25. Common swallow
26. Indian River tern
27. Grey Heron
28. Cattle Egreat
29. Median Egret
30. Spot-bill Duck
31. Ospery
32. White breasted Waterhen
33. Indian Raler
34. Greater adjutant stork
34. Pheasantailed Jacana

পৰিভ্ৰমী ঃ

35. Purple Heron
36. Openbilled Stork
37. Greyleg Geese
38. Bar-headed Goore
39. Ruddy Shelduck
40. Pintail Duck
41. Common Teal
42. Mallard
43. Gadwall
44. Shoveller
45. Cotton Teal
46. Coot
47. Red-creasted Pochard
48. White-eyed Pochard

49. Tuffed Duck
50. Black headed Gull
51. Common Pochard
52. Brown heded Gull
53. Indian Shuag

(উপৰোক্ত সকলোবোৰ চৰাইৰ প্ৰজাতিবোৰৰ ভিতৰত কিছুমান সাধাৰণ অসমীয়া নাম নথকাৰ বাবে গোটেইখিনি প্ৰজাতিৰ ইংৰাজী নামহে উল্লেখ কৰা হ'ল।)

সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো বৰ্তমান পৰ্য্যটন উদ্যোগে গা কৰি উঠিছে। আমাৰ বাবে ই এক শুভ লক্ষণ। কিন্তু আমাৰ উজনি অসমত পৰ্য্যটনৰ অধিক সম্ভাৱনা থকা স্বত্বেও ইয়াৰ প্ৰভাৱ 'মাগুৰি মতাপুং বিল'ৰ দৰে ঠাইত যথেষ্ট নহয়। ই আমাৰ সকলোৰে বাবে দুৰ্ভাগ্যজনক। আহক আমি সকলোৱে যাওঁ 'মাগুৰি মতাপুং বিল'ক জিলিকাই তুলিবলৈ। ■

[*এই প্ৰবন্ধৰ মূল ৰূপত থকা ছবিসমূহ কাৰিকৰী কাৰণত সন্নিবিষ্ট কৰিব পৰা নগ'ল। — সম্পাদক*]

*(প্ৰকাশ কাল ঃ ২০০১-০২)*



# নাটক আৰু মঞ্চ

## এটি থূলমূল ধাৰণা

**কনক কলিতা**
অধ্যাপক – অসমীয়া বিভাগ

নাটক সম্পৰ্কে বহুজনে বহুধৰণে ব্যাখ্যা দি গৈছে। মূলতে নাটক হ'ল এবিধ কলা। ই ৰংগমঞ্চত অভিনীত হোৱা এটা কাহিনী, গল্প। অসমীয়া সাহিত্যৰ কেওতা বিভাগে সমীক্ষা চলালে বৰ্তমান হয়তো নাটকেই অতি দুৰ্বল বা নিশকতীয়া বুলি গন্য হ'ব। হয়তো হ'ব লাগিছিল নাটকেই অতি সবল; কিয়নো নাটকৰ ধাৰণাটোৱেই হ'ল আমাৰ গতানুগতিক জীৱনৰ ধাৰণা। আমাৰ জীৱনৰ ঘটনা প্ৰবাহেই যিহেতু নাটক গতিকে নাটক সাহিত্যৰ সবল অংগ হোৱাৰ নিশ্চয় স্থল আছে। কিন্তু নহ'ল। ই এক গভীৰ সমস্যা। প্ৰশ্ন হয়, নাটকে মানুহৰ জীৱনবোধৰ গভীৰতা প্ৰকাশ কৰাত সফল নহয় নেকি? কিন্তু সাহিত্য শিল্পৰ মূল উদ্দেশ্য হ'ল জীৱনবোধৰ গভীৰতা প্ৰকাশ কৰা, যি নাটকত বাৰুকৈয়ে সহজবোধ্য, তত্ৰাচ নাটক সমস্যাৰে জৰ্জৰিত।

কথা-বতৰা নতুন সংলাপৰ জৰিয়তে দৰ্শকৰ মনোৰঞ্জনৰ বাবে কাহিনী এটা অভিনয়ৰ সহায়ত দাঙি ধৰা হয় মঞ্চত। এনে কাহিনী বা গল্প এটি অভিনয়ৰ সহায়ত দাঙি ধৰা হয় মঞ্চত, যি বাস্তৱো হ'ব পাৰে, হ'লেও শ্ৰেষ্ঠ বাস্তৱতাই অভিনয়ৰ যোগেৰে নাট্যৰূপ পায়। তেতিয়াহ'লে অভিনয়েই নাটক নেকি? সিও এক প্ৰশ্ন। এগৰাকী অভিনেতাই অকলে এটা নাট্য কাহিনী অভিনয় কৰি দেখুৱাব নোৱাৰে, লগে লগে প্ৰয়োজন হয় নাট্যকলাৰ বিভিন্ন দিশৰ বিভিন্ন কাৰিকৰী উপাদান। কাৰিকৰী কলা-কৌশলো অভিনয়ৰ সফলতাৰ

মাপকাঠি। মঞ্চৰ সকলো দিশ চিন্তা কৰি অভিনয়ৰ বাবে নাটক এখন নিৰ্বাচন কৰা হয়। কাহিনী, অভিনেতা, মঞ্চ আদিৰ লগতে আন আন কলা-কৌশল সুৰুচিপূৰ্ণভাৱে নাটকত উপস্থাপন কৰিব পাৰিলেহে নাটক এখন কৃতকাৰ্য হয়। এখন মঞ্চৰ বাবে তৈয়াৰী নাটক বা নাটকৰ খচৰা নিখুঁত ভাবে উপস্থাপন কৰিব পৰাটোও নাট্যাভিনয়ৰ বাবে অতি গুৰুত্বপূৰ্ণ কথা।

শুদ্ধকৈয়ে হওক বা অশুদ্ধকৈয়ে হওক নাটক সম্পৰ্কে আমাৰ সকলোৰে এটি থূলমূল ধাৰণা আছে। কিন্তু এই থূলমূল ধাৰণা শুদ্ধকৈয়ে হওক বা অশুদ্ধকৈয়ে হওক শব্দ দুটাৰ মাজত ওলমি থকা ধাৰণাহে। নাটকৰ ধাৰণা বহুক্ষেত্ৰত বিভ্ৰান্তিমূলক। নাটকৰ ধাৰণা ল'বলৈ হ'লে মঞ্চক আঁতৰাই কাহিনী ব্যাখ্যাই যথেষ্ট নহয়। নাটকৰ মূল আধাৰ হ'ল ইয়াৰ কাহিনী। কাহিনী বুলিলেই কাহিনী নহয়। নাটকৰ কাহিনী হ'ব লাগিব সুসংহত লগতে অৰ্থপূৰ্ণ। বাটত দেখি অহা ঘটনা এটাক (হয়তো পথ দুৰ্ঘটনা) নাটকীয় ৰূপ দিয়া বাৰুকৈয়ে কঠিন কাম। দক্ষ নাট্যকাৰে তাকে সুদৃঢ় ভাবে দাঙি ধৰে। অদক্ষ নাট্যকাৰৰ হাতত কাহিনীভাগত জোৰা-তাপলি আহি পৰে আৰু দৰ্শকৰো সাতঘাটৰ সাতটা বৰশীলৈ মনত পৰে। যিয়ে নহওক, দক্ষতাৰে নাট্য কাহিনী নাট্যকাৰে দাঙি ধৰিব পৰাৰ ওপৰতে নাটকৰ সফলতা ফুটি উঠে। নাট্য কাহিনীয়ে গতিশীলতাৰ মাজেৰে আগুৱাই কৌশলগতভাৱে দৰ্শকৰ ওচৰত ধৰা দি পৰিসমাপ্তি লাভ কৰে। নাট্য কাহিনীৰ এই আৰম্ভণি —পৰিসমাপ্তি বাৰুকৈয়ে সাফল্যৰ মাপকাঠি। এই সাফল্যৰ দুৱাৰদলিত থিয় হৈ থাকে কিছুমান চৰিত্ৰ।

চৰিত্ৰ সমূহেই হ'ল অভিনেতা-অভিনেত্ৰী ঃ অভিনেতা-অভিনেত্ৰী সকল মানুহ নে অন্য কিবাকিবি? মানুহৰ লগতে জীৱ-জন্তু, পুতলা আদিত নাট্য কাহিনীৰ অভিনেতা-অভিনেত্ৰী হ'ব পাৰে নেকি —যিটো কথাছবি জগততো সহজদৃশ্যত পৰিণত হৈছে। হয়তো নাটকতো ইয়াৰ প্ৰতিফলন হৈছে নতুবা হ'ব পাৰে। নাটকৰ কাহিনীভাগৰ লগত চৰিত্ৰসমূহ ওতঃপ্ৰোতভাৱে জড়িত হৈ নাট্য কাহিনীক গতিশীলতা প্ৰদান কৰাই হৈছে চৰিত্ৰসমূহৰ উদ্দেশ্য। লগে লগে গাইগুটীয়াভাৱে চৰিত্ৰসমূহেও বিশিষ্ট মানৰ কাহিনীৰ লগত জড়িত হৈ স্পষ্টৰূপত ধৰা দি আকৰ্ষণীয় নাট্য কাহিনীৰ আমোদ দৰ্শকক দিব পাৰে।

সি যিয়েই নহওক, নাটকৰ কাহিনীৰ প্ৰসংগ নতুন চৰিত্ৰৰ দিশসমূহ আলোচনা কৰিলে, আন এটি দিশ আমাৰ চকুৰ আগত ভাঁহি উঠে, সি হ'ল



মঞ্চ। মঞ্চ হ'ল নাটকৰ মূল। নাট্য কাহিনীৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা পাত্ৰ-পাত্ৰীৰ বিকাশৰ চাবিকাঠি হ'ল মঞ্চ। কাহিনী বা গল্প স্বতঃস্ফূৰ্ত ৰূপত দৰ্শকৰ আগত ধৰা দি নাট্য কাহিনীক যেতিয়া আগবঢ়াই নিয়ে, তেতিয়াই পাত্ৰ-পাত্ৰীৰ গুৰুত্ব বাঢ়ে মঞ্চৰ জৰিয়তে, গতিকে মঞ্চহীন এনেবোৰ কথা একেবাৰে গুৰুত্বহীন। তেতিয়াহ'লে নাটকত মঞ্চ কি? মঞ্চ সম্পৰ্কে ক'ব পাৰি যে গ্ৰীক নাটকতো মঞ্চৰ কথা আছিল। মধ্যযুগৰ পৰা নাট্যানুষ্ঠান সমূহৰ মঞ্চৰ ব্যৱহাৰ সম্পৰ্কে উল্লেখ আছে। ভাৰতৰ নাট্য শাস্ত্ৰতো মঞ্চ সম্পৰ্কে বিতং বৰ্ণনা পোৱা যায়। কিন্তু নাট্যাভিনয়ৰ ক্ষেত্ৰত আধুনিক ধাৰণাই মঞ্চ সম্পৰ্কে সকলোবোৰ ধাৰণাই ওলট-পালট কৰি দিয়ে। পৰিৱৰ্ত্তনৰ বতাহত মঞ্চই এক বিশাল গতিশীলতা লাভ কৰিবলৈ সমৰ্থ হয়। এনে পৰিৱৰ্তনৰ আঁৰতে আছে কিছুসংখ্যক অভিজ্ঞ কলা-কুশলী; যিসকলৰ অনলস চেষ্টাৰ ফলত আজিৰ মঞ্চ ব্যৱস্থা। নাটকৰ অভিনয়ৰ ক্ষেত্ৰত কাৰিকৰী সুবিধা। অসুবিধা আছে আৰু থাকিবই; তাৰ মাজেৰে অতি আৱশ্যকীয় হৈ পৰিছে নতুন নতুন কাৰিকৰী কৌশল আৰু কিটিপ। নাট্যাভিনয়ৰ জৰিয়তে মঞ্চত, হাট-বজাৰ, ৰাজহুৱা সভা, বাছস্তপ, ৰেলযাত্ৰা, আকাশযাত্ৰা ইত্যাদি ইত্যাদি বুদ্ধিগত কৌশলেৰে উপস্থাপন কৰিব পৰাতো খুবেই নতুন ধাৰণা। অতি সাম্প্ৰতিক সময়ৰ নাট্যপ্ৰেমীয়ে বিচাৰে যে দৰ্শক আৰু নাট্য চৰিত্ৰৰ খুবেই মিল আৰু কাহিনী নতুন এনে কাহিনীৰ সংযোজন ঘটোৱা চৰিত্ৰসমূহ আঁকোৱালি লয়। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰেক্ষাগৃহত দৰ্শকৰ ভিৰ হয়, নাটক চাবলৈ প্ৰেক্ষাগৃহত দৰ্শক হেতা-ওপৰা লগায় আৰু নাটক চাই থাকোতে কেতিয়া কাহিনীয়ে শেষ বক্তব্য চৰিত্ৰৰ মুখত দিলে গমকে নেপায়। দৰ্শকে নাটক শেষ হোৱাৰ পাছতো প্ৰেক্ষাগৃহৰ চকীত বহি থাকে। অৰ্থাৎ কাহিনী আৰু চৰিত্ৰৰ সু-সংযোজনে মঞ্চত বাৰুকৈয়ে খাপ খাই পৰা বুলি ক'ব পাৰি। কাহিনীভাগৰ লগতে চৰিত্ৰৰ উপস্থাপনে মঞ্চত সুসমন্বয় ঘটাই নাটকক এই আকৰ্ষণীয়তা প্ৰদান কৰে বুলি ক'ব পাৰি আৰু এনে মঞ্চত উদ্দেশ্য প্ৰণোদিত ভাবে পৰিবেশ ফুটাই তুলিব লাগিব। মঞ্চ থলীত অভিনেতা-দৰ্শক সকলো একাত্ম হ'ব লাগিব। কথা হ'ল, মূলতঃ মঞ্চখন অভিনয়ৰ আচল স্থল, ইয়াক সজাই পৰাই তুলি অভিনয়ৰ বাবে প্ৰস্তুত কৰি তোলাই হৈছে মঞ্চসজ্জা। অভিনয়ৰ লগত জড়িত হৈ মঞ্চসজ্জাই অভিনয়ৰ পৰিপূৰকো হৈ পৰে।

নাটকত কাহিনীৰ লগত চৰিত্ৰ আৰু মঞ্চসজ্জাই ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকিলেও কেতিয়াবা কেতিয়াবা প্ৰেক্ষাগৃহত মঞ্চসজ্জাৰ অতিৰঞ্জিত দিশৰ ওপৰত দৰ্শকৰ আপত্তি শুনা যায়। দৰ্শকৰ এই অভিযোগৰ ভিত্তি নোহোৱা নহয়। দৰ্শকে যেতিয়া কাহিনী, চৰিত্ৰ আৰু মঞ্চৰ লগত একাত্মবোধ কৰিব নোৱাৰে তেতিয়াই কাহিনী চৰিত্ৰ এফালে থাকি যায় আৰু এফালে মঞ্চ থাকে লগে লগে দৰ্শকে অনুভৱ কৰে এক বিসংগতি। তেতিয়াই অতিৰঞ্জিত মঞ্চসজ্জাৰ ওপৰত দৰ্শকৰ বিৰূপ প্ৰতিক্ৰিয়া শুনা যায়। বহুক্ষেত্ৰত দুৰ্বল আৰু বিসংগতিপূৰ্ণ মঞ্জসজ্জাই দৰ্শকক আমুৱায়। কথা হ'ল অতিৰঞ্জিত মঞ্জসজ্জা নতুবা বিসংগতিপূৰ্ণ মঞ্জসজ্জা নাটকৰ ক্ষেত্ৰত পৰিত্যাগ কৰা উচিত। মঞ্চসজ্জা সদায়েই নিকপ্‌কপীয়া হোৱা উচিত। যাতে নাট্য কাহিনীৰ লগত সংগতিপূৰ্ণ হয়। তেতিয়াহ'লে মঞ্চসজ্জা কিহৰ ওপৰত নিৰ্ভৰশীল এইখিনিতে প্ৰশ্ন হয়; নাটকৰ, কাহিনী, চৰিত্ৰ, পৰিবেশ ইত্যাদি ইত্যাদি কথা আহি পৰিলেও মঞ্চসজ্জা বিষয়বস্তু ভিত্তিক হোৱা যেনহে ধাৰণা জন্মে। নাটকক যিহেতু কেবাটাও ভাগত ভাগ কৰা হৈছে, মঞ্চসজ্জাৰ বেলিকা এই শ্ৰেণীবিভাজনৰ প্ৰতি লক্ষ্য ৰাখিব লগা হয়। বুৰঞ্জী বা ঐতিহাসিক নাটকৰ মঞ্চসজ্জা কেনে হোৱা উচিত, এই কথা চিন্তা কৰিলে একেষাৰেই ক'ব পাৰি, ইয়াত বুৰঞ্জী বা ইতিহাসৰ জ্ঞানে সেই কথা নিৰ্দ্ধাৰণ কৰিব। আনহাতে পৌৰাণিক নাটকৰ ক্ষেত্ৰত মঞ্চসজ্জা পৌৰাণিক ধ্যান-ধাৰণাৰে সজাব লাগিব। এনে মঞ্চসজ্জাতো কঠিন দিশ কিছুমান আছে যিবিলাক মঞ্চত উপস্থাপন কৰা সহজ নহয়, দৰ্শকে উপলব্ধিহে কৰিব লগা হয়। মঞ্চসজ্জাত কিন্তু উপলব্ধিৰ কথা কিছু বিসংগতিপূৰ্ণ। মঞ্চসজ্জা চাক্ষুক দৰ্শন, চাক্ষুক উপলব্ধি। এনে উপলব্ধি অনুমান কৰিব পৰা বিধৰ নহয়, দৰ্শনীয় উপলব্ধিহে। যিয়ে নহওক, ঐতিহাসিক আৰু পৌৰাণিক নাটকৰ কথা বাদি দি আধুনিক মঞ্চসজ্জা খুব কঠিন নহয়। বাস্তৱিক ধাৰণাৰে আধুনিক নাটকৰ মঞ্চসজ্জা সহজ বুলি ক'ব পাৰি যদিও এৱচাৰ্ড নাটকৰ কিন্তু খুবেই কঠিন। এনে এৱচাৰ্ড নাটকৰ মঞ্চসজ্জাৰ লগত নাট্যকাৰৰ চিন্তা ভাৱনাৰ মিল থাকিব লাগিব। নহ'লে মঞ্চসজ্জাতো বিসংগতি আহিব পাৰে আৰু তেতিয়া মঞ্চসজ্জা ব্যৱস্থাটোৰেই নিস্ফল হৈ পৰিব পাৰে।

মঞ্চসজ্জা এক খুবেই আকৰ্ষণীয় বিষয়। কি সময়ত কি ভাবে, এনে ভাব চিন্তা কি ধৰণৰ সাজ-সজ্জাৰে আগবঢ়াই নিব, ইত্যাদি কথা নিত্য নতুন



ধাৰণাৰে অভিজ্ঞজনে মঞ্চত দাঙি ধৰে। এনে ধাৰণাৰে কিন্তু বাহুল্যক প্ৰশ্ৰয় দিয়া উচিত নহয়। অৰ্থাৎ মঞ্চসজ্জাও বাহুল্য বৰ্জিত হোৱা উচিত।

শেষত ক'ব পাৰি যে বিজ্ঞানসন্মত মঞ্চসজ্জাহে বাহুল্য বৰ্জিত হয়। লগে লগে মঞ্চসজ্জাৰ কাম সহজ হৈ পৰে। পৰিশ্ৰমো অথলে নাযায়। বহুক্ষেত্ৰত আকৌ বলিষ্ঠ অভিনয়ে মঞ্চসজ্জাৰ কথা তল পেলাই ৰাখে তথাপি মঞ্চসজ্জাহে নাটকৰ পূৰ্ণতা আনে। কৈ থোৱা ভাল, মঞ্চসজ্জা একেবাৰে হুবহু নহ'লেও হয়, মাথো পৰিবেশ সৃষ্টিত সফলতা অৰ্জন কৰিব পাৰিলেই হয়। ■

*(প্ৰকাশ কাল ঃ ২০০১-০২)*

# মানৱজাতি আৰু জাত-পাত

ড° অপূৰ্বভাস্কৰ গগৈ
অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ

## প্ৰথম খণ্ড

সমস্যা জটিল — কাৰণ 'মানৱজাতি আৰু জাত-পাত' সম্পৰ্কে যদি আমাৰ শুদ্ধ ধাৰণা থাকিলেহেঁতেন পৃথিৱীত শান্তি-সম্প্ৰীতিৰ মন্দাকিনী ব'লেহেঁতেন; — আৰু সেয়ে নোহোৱাৰ বাবেই আজি আমাক চাৰিওফালৰ পৰা সমস্যাৰ কৰাল ছায়াৰে আৱৰি আছে। এইবিলাক কথাৰ বৈজ্ঞানিক ভিত্তি বিচাৰ কৰি চোৱাৰ একান্তই আৱশ্যক।

উনবিংশ শতিকাৰ শেষৰ ফালে মানুহে নিজৰ ঘাই শিপাডাল বিচাৰি উলিয়াব পাৰিলে যে —আদিম নৰ-বান্দৰ জাতীয় এবিধ প্ৰাণীৰ পৰাই অৱশেষত Homo Sepiens অৰ্থাৎ তেওঁলোকৰ জন্ম হ'ল। কিন্তু এই নতুনকৈ উদ্ভৱ হোৱা প্ৰাণীবিধলৈ প্ৰাক আধুনিক আৰু আধুনিক কালত অহা জটিলতাইহে আজিৰ সমস্যা বিলাকৰ সৃষ্টি কৰিছে। প্ৰাগ আধুনিক কালতে মানুহে অৱয়বিক পাৰ্থক্যলৈ লক্ষ্য কৰাৰ উদাহৰণ আছে। উদাহৰণ স্বৰূপে, বৈদিক যুগতে ভাৰতীয় সমাজখনত আৰ্য্য-অনাৰ্য্যৰ বিভেদৰ কথা কোৱা দেখা যায়। আধুনিক সমাজতো অৱয়বিক পাৰ্থক্যক গুৰুত্ব দিয়া হৈছে। বৈজ্ঞানিক সকলে মানৱ সমাজক বহুলভিত্তিক নিগ্ৰোয়ড, মঙ্গোলীয়, ককেচীয় এই তিনিটা গোষ্ঠী (race) ত ভাগ কৰিছে। তেওঁলোকে মানুহ এই তিনিটা গোষ্ঠীত বিভাজন হ'বলগীয়া হোৱাৰ কেইটামান কাৰণো ব্যাখ্যা কৰিছে। কাৰণবিলাক এনেধৰণৰ —



**(১) মানৱ গোষ্ঠীসমূহ ঐতিহাসিক বিকাশৰ ফল ঃ** পৰিবেশৰ প্ৰভাৱে গোষ্ঠীসমূহৰ বিকাশক সন্দেহাতীত ভাৱেই প্ৰভাৱিত কৰিছে। আদিম মানৱৰ যুগত এই প্ৰভাৱ প্ৰখৰ আছিল; আজিৰ মানৱৰ ক্ষেত্ৰত এই প্ৰভাৱ সিমান লক্ষণীয় নহ'লেও ছালৰ বৰ্ণবিন্যাস আৰু তেনেকুৱা কিছু প্ৰভাৱ আজিও দেখা যায়।

আদিম মানৱৰ গোষ্ঠীসমূহৰ ইতিহাসত সিহঁতৰ বিচ্ছিন্নতা আৰু মিশ্ৰণ অতি গুৰুত্বপূৰ্ণ ঘটনা। কাৰণ বসতি বিস্তাৰৰ বাবে মানুহৰ বহু গোট (clan) বিভিন্ন প্ৰাকৃতিক পৰিৱেশত পৰস্পৰে বিচ্ছিন্নভাবে বসবাস কৰিবলৈ আৰু সুকীয়া খাদ্য গ্ৰহণ কৰিবলৈ ধৰিছিল। কিন্তু পৰৱৰ্ত্তী সময়ত সিহঁত সংখ্যা বৃদ্ধিৰ ফলত নতুন অঞ্চললৈ সম্প্ৰসাৰিত হওঁতে সিহঁতে পুনৰ সংস্পৰ্শলৈ আহে আৰু মিশ্ৰণ ঘটে। ফলত বহুবছৰ ধৰি ঘটা ভৌগোলিক বিচ্ছিন্নতাই সৃষ্টি কৰা পৃথক চৰিত্ৰ সমূহৰো মিশ্ৰণ ঘটে। এই গোটেই প্ৰক্ৰিয়াসমূহ বিভিন্ন সময়তে বাৰে বাৰে ঘটে। ফলত বিভিন্ন নৃ-গোষ্ঠীৰ সৃষ্টি হয়। মানুহৰ প্ৰব্ৰজন এটা স্বাভাৱিক ঘটনা যাৰ ফলত এদিন গোটেই পৃথিৱীখনেই মানুহৰ অধিকাৰ ভুক্ত হৈছে।

প্ৰাকৃতিক প্ৰতিকূল পৰিবেশ আৰু প্ৰতিবন্ধকতাই (যেনে পৰ্বত, নদী, অৰণ্য, মৰুভূমি, সাগৰ) মানুহৰ প্ৰব্ৰজনক অৱৰোধ কৰিলেও প্ৰতিৰোধ কৰিব পৰা নাই। কিন্তু এই অৱৰোধে সৃষ্টি কৰিছে স্থানীয় বৈশিষ্ট্য। প্ৰাকৃতিক হেতুসমূহ যিকোনো প্ৰাণীৰে জাতি বৈশিষ্ট্যৰ নিৰ্ণায়ক। মানুহৰ ক্ষেত্ৰত সমাজ-সংস্থান-শ্ৰম-পৰিধানে-অস্ত্ৰ-জুই-পৰিবহণ ব্যৱস্থাৰে ই প্ৰতিৰুদ্ধ। নিৰ্দিষ্ট প্ৰাকৃতিক আৰু সামাজিক প্ৰভাৱৰ পৰিমণ্ডলতে গোষ্ঠীসমূহৰ উদ্ভৱ আৰু অবিচ্ছেদ্যভাৱে পৰস্পৰে যুক্ত। সেয়ে এটা জাতিৰ উদ্ভৱ ইতিহাস এটুকুৰা নিৰ্দিষ্ট ঠাইৰ পৰিসৰত বিবিধ জটিল আৰু সামাজিক কাৰকৰ দ্বাৰা প্ৰভাৱিত, আৰু বিৱৰ্ত্তনৰ গতিপথেৰে নিৰ্ণীত লেট জাতিৰ উত্থান আৰু বিকাশৰ কাহিনী।

দেশান্তৰ গমন, বিচ্ছিন্নতা, সংখ্যাবৃদ্ধি, নৃবৰ্ণৰ মিশ্ৰণ, খাদ্যাভ্যাসৰ পৰিৱৰ্ত্তন আৰু প্ৰাকৃতিক নিৰ্বাচনেই আদিম হোমিনিড বিলাকৰ মাজত জাতিগঠন প্ৰক্ৰিয়াৰ মূল কাৰণ। অজস্ৰ সংযোগ মাধ্যমে আৰু বিভিন্ন মাত্ৰাৰে এই বিলাকেই মানৱসমাজত বিভিন্ন নৃগোষ্ঠীৰ সৃষ্টি কৰিছে।

**(২) ভৌগোলিক আৰু সামাজিক বিচ্ছিন্নতা ঃ** নিম্ন প্ৰত্ন প্ৰস্তৰ যুগৰ মানুহ সংখ্যাত কম আছিল আৰু সিহঁত বিস্তৃত অঞ্চলত চাৰিওফালে বিয়পি

পৰাত পাৰিৱেশিক বিভিন্নতা আৰু অজস্ৰ প্ৰাকৃতিক প্ৰতিবন্ধকতাই গোটসমূহৰ সংযোগ নাইকিয়া কৰিছিল। সেই সময়ৰ ভৌগোলিক বিচ্ছিন্নতাৰ তাৎপৰ্য্য অসীম; ফলত, প্ৰাচীন গোট বা গোষ্ঠীসমূহৰ মধ্যৱৰ্ত্তী পাৰ্থক্যই বৃদ্ধি লাভ কৰিছিল।

জীৱ বিজ্ঞানৰ দৃষ্টিত মানুহ আৰু উন্নত স্তন্যপায়ী প্ৰাণী সমূহৰ মাজত সন্তান উৎপাদন, গৰ্ভধাৰণ, জীৱদেহৰ গঠন, বংশানুক্ৰম আদিৰ কোনো পাৰ্থক্য নাই। কিন্তু জনগোষ্ঠী সমূহৰ মাজৰ সম্পৰ্ক আৰু বিকাশ মূলতে সামাজিক হেতু নিয়ন্ত্ৰিত। সেয়ে মানুহৰ বংশ গতি প্ৰাণী সমূহতকৈ সুকীয়া হয়। আদিম আৰু প্ৰত্নযুগত মানৱৰ জাতিসত্তাৰ বিকাশ তৎকালিন স্থানীয় প্ৰাণীসমূহৰ স'তে আংশিকভাৱে একেই। কিন্তু সময়ৰ লগে লগে এই সাদৃশ্য কমি আছে। আদিম মানৱৰ ক্ষেত্ৰত ভৌগোলিক কাৰণত থকা স্থানীয় বৈশিষ্ট্য প্ৰকট আছিল। (এনে বৈশিষ্ট্য আজিও আদিম জনজাতি সমূহত আছে।)

আকৌ ভৌগোলিক বিচ্ছিন্নতাৰ পৰা সামাজিক বিচ্ছিন্নতাৰো সৃষ্টি হ'ব পাৰে। প্ৰতিবেশী গোট সমূহৰ মতে স্বাৰ্থসংঘাত, সাধাৰণ ভাষা নোহোৱা, আনকি, অভিন্ন জাতিসমূহৰ মাজত সাম্ভাব্য আৰু বাস্তৱ সংঘৰ্ষৰ বাবেও এনে হ'ব পাৰে।

প্ৰাণী মানেই অস্তিত্বৰ বাবে বাস্তব্য স্থিতি বা ঠাইত অভিযোজিত হ'ব পাৰে। (বাস্তব্য স্থিতি স্থান / ঠাই নিৰ্দ্দিষ্ট অঞ্চলত প্ৰাণী আৰু তাত অৱস্থিত পৰস্পৰ নিৰ্ভৰ জীৱসমূহৰ ভিতৰত প্ৰজাতি বিশেষে কৰা অধিকৃত ঠাই। নিজস্ব জৈৱিক বৈশিষ্ট্যৰ নিৰিখত প্ৰতি প্ৰজাতিয়ে পৰিবেশত তাৰ উপযোগী অৱস্থাৰ সদ্ব্যৱহাৰ কৰে আৰু তদনুসাৰে বিৱৰ্ত্তিত হয়।) আৰু তাৰ বাবে সৃষ্টি হোৱা বৈশিষ্ট্যৰ সৰ্বাধিক বিকশিত বা অধিকাংশৰে অভিযোজন ক্ষমতা সীমিত আৰু এইদৰেই প্ৰজাতিৰ অস্তিত্ব নিশ্চিত হয়। কিন্তু, আজিৰ মানুহৰ গোষ্ঠীগত বৈশিষ্ট্যৰ কেইটামানৰ বাদে বেছিভাগৰে অভিযোজনগত পাৰ্থক্য নাই। ছালৰ বৰণ, চকুৰ কোণৰ ভাঁজ, ওঁঠৰ গঠন, গালৰ হাড় অঞ্চল, ছালৰ তলৰ চৰ্বিস্তৰ আদিতে ইয়াৰ চিহ্নাৱশেষ বিদ্যমান। আমি পাহৰা উচিত নহয় যে — প্ৰাকৃতিক অৱস্থাৰ ওপৰত মানুহৰ প্ৰত্যক্ষ নিৰ্ভৰতা এতিয়া ক্ৰমহ্ৰাসমান; আনকি কিছুক্ষেত্ৰত প্ৰায় নাইকিয়া হৈছে। সেয়ে আন প্ৰাণীকুলৰ পৰা আজিৰ মানুহৰ গোষ্ঠীসমূহ সম্পূৰ্ণ পৃথক। তথাপিও নিৰ্দ্দিষ্ট জাতি বৈশিষ্ট্য সহ মানুহৰ গঠনত এনে কিছু বংশানুক্ৰমিক চৰিত্ৰ আছে, যিবিলাক



আজিও পৰিবেশৰ প্ৰভাৱত পৰিৱৰ্ত্তনশীল। ক্ষেত্ৰ বিশেষে এনে পৰিৱৰ্ত্তন দ্ৰুত হ'ব পাৰে, বিশেষকৈ, মানুহে দেশ সলালে।

জীৱন ধাৰাৰ অৱস্থাৰ পাৰ্থক্যৰ স'তে বিপাক ক্ৰিয়াৰ সম্পৰ্ক আছে। সেয়ে একে প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশত বহু পুৰুষ ধৰি থকাৰ ফলত আৰু খাদ্যাভ্যাসৰ প্ৰভাৱত কিছু জাতিগত বৈশিষ্ট্যই গঢ় ল'ব পাৰে।

কিন্তু এই ভৌগোলিক আৰু সামাজিক বিচ্ছিন্নতা আৰু মিশ্ৰণে প্ৰজাতি পৰ্যায়ত উন্নয়ন ঘটায়। বিৱৰ্ত্তনৰ সময়ত উদ্ভৱ হোৱা চৰিত্ৰসমূহ গোষ্ঠী মিশ্ৰণৰ ফলত সমতা প্ৰাপ্ত হয়। ফলত মানৱ সমাজত উদ্ভৱ হোৱা একক আৰু এই সামাজিক সত্তাৰ একো একোটা অংশৰ নিৰ্দ্দিষ্ট গুণগত ঐতিহাসিক বিকাশৰ ফলতেই একো একোটা গোষ্ঠী (Race – জাতি)ৰ উদ্ভৱ হৈছে। মানুহৰ ক্ষেত্ৰত জাতি বৈশিষ্ট্যতকৈ একক বৈশিষ্ট্য বেছি প্ৰকট। সেয়ে জাতি নিৰ্ণয় প্ৰকৰণ বেছি সংখ্যক লোকক পৰীক্ষা কৰি সাব্যস্ত কৰা নহ'লে একক ব্যক্তিৰ ওপৰত নিৰীক্ষণ ফলপ্ৰসূ আৰু প্ৰযোজ্য নহয় আৰু ইয়াৰ পৰা একো ফল লাভ নহয়।

**(৩) প্ৰাকৃতিক নিৰ্বাচন ঃ** আদি মানৱ আৰু নিয়াণ্ডাৰ্থাল মানৱৰ ভৌগোলিক বিচ্ছিন্নতাৰ স'তে প্ৰাকৃতিক নিৰ্বাচন যুক্ত। ডাৰউইনবাদী তাত্ত্বিক, সুমানৱ প্ৰজননবাদী আৰু জাতি বৈষম্যবাদীসকলে ভাবে যে, মানুহৰ জাতিসমূহৰ মাজৰ সংঘাতেই মানৱ বিকাশৰ ভিত্তি। কিন্তু এই তত্ত্ব ভুল। আনহাতে ইয়াৰ বিপৰীত মত হ'ল — আদিম মানৱ (পিথেকানথ্ৰপাচ্ আৰু চিনানথ্ৰপাচ্)ৰ আবিৰ্ভাৱৰ পিছতে মানৱ বিৱৰ্ত্তনত প্ৰাকৃতিক নিৰ্বাচনৰ ভূমিকা নাই। এই মতো ভুল।

আদিম মানৱ আৰু ইয়াৰ গোষ্ঠীসমূহৰ ওপৰত প্ৰাকৃতিক নিৰ্বাচনৰ প্ৰভাৱ পিছলৈ ক্ৰম পৰ্য্যায়ত হ্ৰাসমান হৈছিল। কিন্তু আদিম সমাজত এই কাৰকসমূহে আদিম মানৱক প্ৰভাৱিত কৰিছিল। দলবদ্ধ জীৱনে আদিম মানুহক প্ৰকৃতি নিৰ্ভৰতাৰ পৰা তৎক্ষণাত মুক্তি দিব পৰা নাছিল। যি সামাজিক পৰিৱেশৰ পক্ষে প্ৰাকৃতিক নিৰ্বাচনৰ চৰ্তক সম্পূৰ্ণ অপসৃত কৰা সম্ভৱ তাৰ বিকাশ সময় সাপেক্ষে আছিল। সেয়ে, মানৱ গোষ্ঠী সমূহৰ বিকাশৰ আদিতম পৰ্যায়ত আৰু নিয়নডাৰ্থাল্ যুগত প্ৰাকৃতিক নিৰ্বাচনৰ গঠনমূলক প্ৰক্ৰিয়াৰ প্ৰভাৱাধীন আছিল যদিও তেতিয়া তাৰ প্ৰাবল্য কমি আহিল আৰু প্ৰভাৱ

অপ্ৰত্যক্ষ। প্ৰাকৃতিক নিৰ্বাচনে গুণগত পৰ্যায়ত নতুন সামাজিক, অৰ্থনৈতিক হেতু সমূহৰ সহযোগীৰূপে কাৰ্যকৰী আছিল, কিন্তু এই হেতু সমূহৰ প্ৰভাৱ বৃদ্ধিৰ ফলত ক্ৰমাগতভাৱে ইয়াৰ গুৰুত্ব হ্ৰাস হৈ আহিল।

গতিকে প্ৰত্নপ্ৰস্তৰ যুগৰ প্ৰথম পৰ্বৰ জাতিগঠন প্ৰক্ৰিয়াতকৈ আজিৰ নতুন জাতি সমূহৰ উদ্ভৱ আৰু বিকাশ বহুক্ষেত্ৰত পৃথক। ক্ৰমবিকাশৰ পিছৰফালে উদ্ভৱ হোৱা জাতি বৈশিষ্ট্যৰ জটিল যৌগ কেৱল অংশতঃ অভিযোজনক্ষম নাছিল। প্ৰাকৃতিক নিৰ্বাচন মানুহৰ বিৱৰ্ত্তনৰ কোনো কাৰণ হৈ থকা নাছিল। এই সময়ত বংশগতিতো বৃহৎ আৰু জটিল পৰিৱৰ্তন ঘটিছে। পৃথিৱীৰ বিভিন্ন অংশত বেলেগ বেলেগ প্ৰাকৃতিক আৰু সামাজিক অৰ্থনৈতিক কাৰণৰ যৌথ প্ৰভাৱে নৃবৰ্গৰ বিভিন্ন বৰ্গত তেতিয়া নতুন বৈশিষ্ট্যৰ বিকাশ ঘটিছে। এইবিলাক মিশ্ৰণৰ ফলতো নতুন নৃতাত্বিক বৈশিষ্ট্যৰ নতুন গোট হৈছে।

উৰ্দ্ধপ্ৰত্ন প্ৰস্তৰ যুগৰ পিছৰ সময়ছোৱাত মানুহৰ ওপৰত প্ৰাকৃতিক শক্তিৰ প্ৰভাৱ লাহে লাহে কমি আহিছিল। তাৰ পিছৰ সময়ত উন্নতৰ গোষ্ঠীবাদ সমাজৰ সৃষ্টি হয়। লাহে লাহে সামাজিক প্ৰভাৱ শক্তিশালী হৈ আহে। সেয়ে, দেখা যায় মানুহৰ জাতিগত বৈশিষ্ট্যসমূহ আপেক্ষিক আৰু অতি অতি কম পৰিমাণেহে অভিযোজনাধীন।

**(৪) আন্তঃবিবাহ ঃ** মানুহৰ জাতি (কুল-জাত) সমূহৰ বিকশিত আৰ্থসামাজিক অৱস্থাৰ অন্যতম উদাহৰণ আন্তঃবিবাহ বা মিশ্ৰণ। আজিৰ সমাজত অমিশ্ৰিত মানৰ গোটৰ উদাহৰণ পাবলৈ নাইকিয়া হৈ আহিছে।

মানুহৰ বিভিন্ন জাতিৰ মাজত আন্তঃবিবাহৰ কোনো শৰীৰ বৃত্তীয় বা শৰীৰ স্থানিক বাধা নাই। সামাজিক, অৰ্থনৈতিক বিকাশৰ ফলত কোনো জাতি বিশেষৰ দ্ৰুত সংখ্যা বৃদ্ধিৰ ফলতে প্ৰায়ে জাতি মিশ্ৰণ ঘটে। জাতি মিশ্ৰণ প্ৰক্ৰিয়াৰে হোৱা এই নতুন জাতিসমূহ কোনো প্ৰজাতি সৃষ্টিৰ মধ্যৱৰ্ত্তী স্তৰ নহয়। যেতিয়াই কোনো জাতিৰ উদ্ভৱ ঘটে তেতিয়াই আন জাতিৰ স'তে তাৰ মিশ্ৰণ আৰম্ভ হয়। দূৰ অতীতত কোনো কোনো জাতি অধিকতৰ পূৰ্ণতাৰে হয়তো বিকশিত হৈছিল, কিন্তু আনকি তেতিয়াও পৰৱৰ্ত্তী পৰ্যায়ৰ তুলনাত দুৰ্বলতৰ হ'লেও সামাজিক, অৰ্থনৈতিক কাৰণত জাতিৰ বৈশিষ্ট্য বা বৈশিষ্ট্যযৌগ সমূহৰ বৃদ্ধি আৰু বিলয়ৰ যোগেদি জাতি গঠনৰ প্ৰকাৰক



প্ৰভাৱিত কৰিছে। ইয়াৰ যোগেদিয়ে জাতিসমূহৰ মাজত দেখা পাৰ্থক্য আংশিক ব্যাখ্যা লাভ সম্ভৱ। জাতিসমূহৰ স্বকীয় স্বাতন্ত্ৰ্যৰ মান মিশ্ৰণ প্ৰকৰণত সিহঁতৰ অন্তৰ্ভুক্তিৰ পৰিমাণৰ চৰ্ত্তাধীন।

উৰ্দ্ধপ্ৰত্নপ্ৰস্তৰ যুগৰে পৰা পিছৰ হাজাৰ বছৰ ধৰি আন্তঃবিবাহৰ যোগেদি মাধ্যমিক নৃবৰ্গ উদ্ভৱ হোৱাৰ হাৰ ব্যাপকতৰ হোৱাৰ ফলত ইহঁতে (নৃবৰ্গ) সদৃশ জাতি ৰূপে পৰিণতি লাভ কৰিছে, ফলত মানৰ জাতিসমূহৰ স্বাতন্ত্ৰ্য বিকাশৰ ক্ষেত্ৰত আন্তঃবিবাহৰ তাৎপৰ্য্য সীমিত হৈ পৰিছে।

সেয়ে বৰ্ত্তমান বিশ্বৰ ক'তো যথাৰ্থ শুদ্ধ জাতি নাই। এস্কিমো, পিগমি অষ্ট্ৰেলীয় আদি আদিবাসী সমূহ দীৰ্ঘকালীন বিচ্ছিন্ন হৈ আছিল; কিন্তু যোৱা পাঁচশ বছৰ ধৰি ইহঁতেও 'জাতিগত শুদ্ধতা' হেৰুৱাইছে। সেয়ে 'শুদ্ধ জাতি' জাতি বৈষম্যবাদী সকলে উলিওৱা অতিকথাহে মাত্ৰ আৰু অবৈজ্ঞানিকো। তাৰোপৰি জাতিগত শুদ্ধতাই কেতিয়াও সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত কোনো ভূমিকা পালন কৰা নাই।

আন্তঃবিবাহৰ ফলত অধিকাংশ জাতিবৰ্গৰ মধ্যৱৰ্ত্তী সীমাৰেখা এতিয়াও নিশ্চিহ্ন, ঘনকৈ থকা লোক (যেনে চীনাসকল) বা বিচ্ছিন্ন স্থানৰ অধিবাসীসকল (যেনে এস্কিমো, পিগমি)ৰ পক্ষেই কেৱল জাতি মিশ্ৰণ কিছু পৰিমাণে পৰিহাৰ কৰি চলা আংশিকভাৱে সম্ভৱ। কিন্তু সাধাৰণভাৱে ক'বলৈ গ'লে জাতিগঠনৰ ক্ষেত্ৰত জাতিমিশ্ৰণৰ ভূমিকা শূন্য পৰ্যায়লৈ নামিছে আৰু সেয়ে ই জাতিবৈষম্য অপসাৰণৰ উপাদানত পৰিণত হৈছেগৈ।

ওপৰত কোৱা বিষয়সমূহ চমুকৈ ক'লে এনে ধৰণৰ —মানুহ আৰু তাৰ জাতিসমূহৰ বিকাশ বিভিন্ন কাৰণৰ ওপৰত নিৰ্ভৰশীল আৰু তাৰ ভিতৰতে শেষ পৰ্যায়ত জৈৱ কাৰণসমূহ সামাজিক, অৰ্থনৈতিক অৱস্থাৰ নিয়ন্ত্ৰণাধীন হোৱাৰ ফলত ইহঁতে কাৰ্যকাৰিতা হেৰুৱাইছে।

আদিম মানৱসমাজ প্ৰবলভাৱে প্ৰকৃতিৰ প্ৰভাৱাধীন আছিল আৰু যিহেতু তেতিয়াও প্ৰাকৃতিক নিৰ্বাচন সক্ৰিয় আছিল সেয়ে সিহঁতৰ জাতিগত বৈশিষ্ট্য আছিল অধিকতৰ অভিযোজনৰ উপযোগী। গোষ্ঠী (Race) সমূহৰ গঠনত প্ৰকৃতিৰ প্ৰভাৱ আছিল সীমিত যদিও সি এতিয়া দুৰ্লক্ষ্য নহয়। আজিকালিৰ ক্ষুদ্ৰতৰ জাতিসমূহ আৰু অসংযোগী বৰ্গসমূহৰ ওপৰত প্ৰকৃতিৰ সীমিততৰ প্ৰভাৱ সহজলক্ষ্য আৰু সিহঁতৰ বৈশিষ্ট্যসমূহ মূলতঃ সামাজিক অৱস্থাৰ প্ৰভাৱতে বিকশিত।

নৃজনন আৰু জাতিজননৰ ওপৰত প্ৰাকৃতিক আৰু সামাজিক হেতু সমূহৰ আপেক্ষিক প্ৰভাৱ পৰিৱৰ্ত্তিত হয়, দুয়োটাই যুগ্মভাৱে ইয়াৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। আৰু এই প্ৰক্ৰিয়া জাতিসমূহৰ স্বাতন্ত্ৰ্য সম্পূৰ্ণ বিলুপ্ত নোহোৱা পৰ্যন্ত অব্যাহত থাকিব।

**গোষ্ঠীসমূহৰ জন্ম ঃ** মানৱৰ গোষ্ঠীসমূহ কেনেকৈ উদ্ভৱ হ'ল তাক কোনেও নিৰ্ণয় কৰিব পৰা নাই।

ইয়া ইয়া ৰগিনস্কুৰ মতে প্ৰায় এক লাখ বছৰৰ আগতে মানুহৰ আদিভূমি এচিয়া, আফ্ৰিকা আৰু ইউৰোপৰ কোনো কোনো ঠাইত নিয়ান্ডাৰ্থাল্ সমূহৰ আজিৰ মানুহলৈ ৰূপান্তৰ ঘটা সময়ছোৱাৰ শেষৰ ফালে দুটি মূল জাতি- দক্ষিণ-পশ্চিম আৰু উত্তৰ-পূব ধাৰাৰ উদ্ভৱ হয়। এই দুই ধাৰাক বিচ্ছিন্ন কৰিছিল হিমালয়, হিন্দুকুশ আৰু ইন্দোচীনৰ পৰ্বত সমূহে। এই দুই ধাৰাৰ দক্ষিণ-পশ্চিম শাখাৰ পৰা ইউৰুপীয়য়েড আৰু নিগ্ৰোয়েড গোষ্ঠী আৰু উত্তৰ-পূব শাখাৰ পৰা মঙ্গোলয়েড গোষ্ঠীৰ উদ্ভৱ হোৱা সম্ভৱ।

এই প্ৰটো মঙ্গোলয়েড সকলৰ নিৰ্দ্দিষ্ট বৈশিষ্ট্যসমূহ, যেনে —গাৰ বৰণ, চকুৰ হালি যোৱা কাণ, গালৰ উঠঙা হাড় আদি বৈশিষ্ট্যসমূহ প্ৰথমেই নাছিল, পিছলৈহে এনে হয়। ইহঁত মহাদেশীয় (উত্তৰ মঙ্গোলয়েড) প্ৰশান্ত মহাসাগৰীয় (দক্ষিণ মঙ্গোলয়েড) আৰু আমেৰিকাৰ ৰেড ইণ্ডিয়ান, এই তিনিটা জাতিত ভাগ হয়। এই ত্ৰিধাৰাৰ পৰাই এচিয়া আৰু আমেৰিকাৰ নৃবৰ্গৰ উদ্ভৱ। আনহাতে নব্যমানৱৰ দক্ষিণ-পশ্চিম শাখাৰ আদি বাসভূমি আছিল দক্ষিণ-পশ্চিম শাখাৰ আদি বাসভূমি আছিল দক্ষিণ-পশ্চিম এচিয়া, দক্ষিণ ইউৰোপ, উত্তৰ আফ্ৰিকাৰ বিশাল ভূখণ্ড।

১৯০৬ চনত ইটালীৰ ইন্‌ফ্যাণ্ট গুহাত আৱিষ্কৃত উৰ্দ্ধপ্ৰত্ন প্ৰস্তৰ যুগৰ দুটা কংকালে ইউৰোপিয়য়েড আৰু নিগ্ৰোয়েড জাতিৰ অতীত একত্ৰীভুক্ত আছিল — এই সূত্ৰৰ সাক্ষ্যবহন কৰিলে। এই মৌল নৃবৰ্গৰ পৰাই পৰৱৰ্ত্তী ইউৰোপিয়েড আৰু নিগ্ৰোয়েড এই দুটা গোষ্ঠীত বিভক্ত হয়।

যি কি নহওক মানুহৰ আদি আৱাস বহুদূৰ বিস্তৃত অঞ্চলত পৰিব্যাপ্ত আছিল আৰু কোনো সুনিৰ্দিষ্ট কেন্দ্ৰ অঞ্চলত গোষ্ঠীসমূহ আকাৰপ্ৰাপ্ত হোৱা নাই।

ইউৰোপিয়য়েড আৰু নিগ্ৰোয়েড গোষ্ঠী (মহাজাতি) দুটাই হাজাৰ হাজাৰ বছৰ ধৰি বিভিন্ন ঠাইত বিভিন্ন জলবায়ুত বাস কৰা বাবে পৃথক জাতি



বৈশিষ্ট্য অৰ্জন কৰিছে। অৱশ্যে দুয়োটা গোষ্ঠীৰ মাধ্যমিক জাতিৰ সংখ্যা অজস্ৰ। ইউৰোপিয়েড সকলৰ গোষ্ঠীগত বৈশিষ্ট্য নিৰ্দ্দিষ্টকৈ কোৱা টান। বহুতে দীৰ্ঘদেহী, নীলা চকুৱা, সোণালী চুলীয়া আৰু সোণালীদেহী লোকসকলকে হিচাপত ধৰে যদিও এইবিলাক লক্ষণ সদায়ে পোৱা নাযায়। বাদামী ৰঙৰ দেহ, ডাঁহা চকুৱা, কলা চুলীয়া, উদাহৰণৰ অভাৱ নাই। যদি নব্য মানৱৰ দক্ষিণ পশ্চিম শাখাৰ পৰাই ইউৰোপিয়য়েড সকলৰ সৃষ্টি হৈছে, তেনেহ'লে যোৱা বিছ-ত্ৰিছ হাজাৰ বছৰ উত্তৰ অঞ্চলৰ ঠাণ্ডা জলবায়ুত বাস কৰাৰ বাবেই একাংশ ছাল, চুলি আৰু চকুৰ বৰ্ণকণিকাৰ বিলয় বা বৰ্ণহীনতাৰ সৃষ্টি হ'ব পাৰে। এওঁলোকৰ গাৰ চালৰ ঘামৰ গ্ৰন্থি তেনেই কম। আকৌ উত্তৰ ইউৰোপিয়য়েড সকলৰ (বাল্টিক্ জাতিৰ) উদ্ভৱ যিহেতু অপেক্ষাকৃতভাৱে আধুনিক, সেয়ে তেওঁলোকৰ বৈশিষ্ট্য দক্ষিণ ইউৰোপিয়েড সকলৰ দৰে সুচিহ্নিত নহয়।

উষ্মমণ্ডলত বসবাসকাৰী নৃবৰ্গক নিৰক্ষীয় বা নিগ্ৰো অষ্ট্ৰালয়েড মহাজাতিৰ অন্তৰ্ভুক্ত এই আফ্ৰিকান বা নিগ্ৰোয়েড আৰু মহাসাগৰীয় অষ্ট্ৰালয়েড এই দুই উপমহাজাতিত ভাগ কৰিব পৰা যায়। দুয়োটাৰে পাৰ্থক্য আছে। নিগ্ৰোয়েডৰ দেহৰ নোম পাতলীয়া, চুলি কোঁচখোৰা, কপাল থিয়, নাক চেপেটা। ইটো ভাগৰ নোম অধিক, চুলি পোন, কপাল এঢলীয়া, নাক উঠা। কিন্তু অজস্ৰ সাদৃশ্যৰ তুলনাত একেবিলাক বৈষম্য তেনেই কম।

আদিপ্ৰত্ন প্ৰস্তৰ যুগৰ আৰম্ভণিতে অষ্ট্ৰালয়েড নিগ্ৰোয়েডৰ মূল নৃগোষ্ঠী দক্ষিণ এচিয়া, ইন্দোচীন, ভাৰত বা দূৰ পশ্চিম ক'ৰবাত আছিল আৰু তাৰ পাছতে পশ্চিমী আৰু প্ৰাচ্যবৰ্গত ভাগ হৈ পৰস্পৰে যোগাযোগ বিচ্ছিন্ন হৈ পৰিব পাৰে।

যোৱা পঞ্চাশ হাজাৰ বছৰ বা তাৰো আগে দেশান্তৰ গমন হোৱাৰ বাবে বেলেগ বেলেগ ভৌগোলিক পৰিবেশত অভিযোজিত হোৱাৰ বাবেই এই শাৰীৰিক পৰিৱৰ্ত্তন আহিল বুলি অনুমান কৰিব পাৰি।

মঙ্গোলয়েডসকলৰ আদি বাস পূব এচিয়াত হোৱাৰ সম্ভাৱনাৰ কথা উনুকিওৱা হৈছে। যদি ধৰি লোৱা হয়, এওঁলোক এচিয়াৰ দক্ষিণ আৰু দক্ষিণ-পূবৰ পৰা উত্তৰ-পূৰ্বাঞ্চললৈ বিস্তাৰ লাভ কৰিছে, তেনেহ'লে ইউৰোপিয়েড আৰু অষ্ট্ৰালয়েড সকলৰ স'তে এওঁলোকৰ প্ৰাচীন কালৰে পৰা

থকা আত্মীয়তাৰ কথাই সমৰ্থন লাভ কৰে। গতিকে শেষ তুষাৰ যুগৰ পিছতে অষ্ট্ৰালয়েড আৰু ইউৰোপিয়েড মিশ্ৰণত উৱালবৰ্গ আৰু দক্ষিণ চাইবেৰীয়ান বৰ্গৰ দৰে সংযোগী বৰ্গৰ উদ্ভৱ পৰৱৰ্তীকালীন ঘটনা।

মঙ্গোলয়েড সকলৰ হালধীয়া বাদামী গাৰ বৰণ বোধহয় পূৰ্বপুৰুষ গাঢ় বৰণৰ প্ৰটোমঙ্গোলয়েড সকলৰ ক্ৰমান্বয়ে হোৱা বৰ্ণহীনতাৰ ফল। ষ্টেপ আৰু মৰু অঞ্চললৈ অভিযোজনৰ ফলতেই তেওঁলোকৰ চকুৰ কোণ ঘোৰখোৱা আৰু দীঘলীয়া হৈছে। বৰফাকৃত শীতেও চকুৰ গঢ়নৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। এই জনগোষ্ঠীৰ লোকসকল যিমানেই উত্তৰলৈ গৈ বসবাস কৰিছে শীতল আৰু আদ্ৰ জলবায়ুত দীৰ্ঘ বসবাসৰ বাবে সিমানেই বৰ্ণক্ষয় ঘটিছে। এই ঘটনা নিগ্ৰোয়েড অষ্টেলয়েড গোষ্ঠীটো পোৱা যায়। (উদাহৰণ স্বৰূপে দক্ষিণ নাতিশীতোষ্ণ অঞ্চলৰ বুশমান সকল)।

স্থানাভাৱত বিস্তৃত বৰ্ণনা দিব পৰা নাই। কিন্তু এইকেইটা কথাই ক'বলৈ যত্ন কৰা হৈছে ঃ

(১) পৃথিৱীৰ সকলো মানুহেই এটা প্ৰজাতিৰ অন্তৰ্ভুক্ত।

(২) এই প্ৰজাতিৰ অন্তৰ্ভুক্ত কোনো গোষ্ঠীয়েই ইটোৱে-সিটোৱে সংমিশ্ৰিত হোৱাত বিজ্ঞানৰ দিশৰ পৰা বাধা নাই।

(৩) প্ৰাচীন নৰবান্দৰ সদৃশ জীৱৰ পৰা সৃষ্টি হোৱা এই প্ৰজাতিৰ উত্তৰ-পূৰ শাখাৰ পৰা মঙ্গোলয়েড আৰু দক্ষিণ-পশ্চিম শাখাৰ পৰা ইউৰোপিয়েড আৰু নিগ্ৰোয়েড বিলাকৰ সাধাৰণ পূৰ্ব-পুৰুষৰ সৃষ্টি হৈছিল। আৰু তেওঁলোকৰ দেহগত বৈশিষ্ট্যবিলাক অভিযোজনৰ ফলত সৃষ্টি হৈছে।

(৪) সংমিশ্ৰিত নোহোৱাকে কোনো জাতিয়েই 'শুদ্ধ তেজ' বহন কৰিব পৰা নাই।

(৫) সংমিশ্ৰণৰ ফলত কৃষ্টি-সংস্কৃতিৰ মান বৃদ্ধি হৈছে।

## ২য় খণ্ড

এতিয়া ভাৰতৰ জাত-পাতৰ বিষয়লৈ আহোঁ। জাত-পাতৰ সমস্যাই আমাৰ সমাজখন কোঙা কৰি পেলাইছে। এই জাত-পাতৰ গুৰি আৰু নৃতত্ত্বীয় শব্দ 'জাতি' একে নহয় যদিও ভাৰতীয় পৰম্পৰাই জাত-পাত আৰু জাতিক লেটিপেটি কৰি পেলালে। নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা 'জাতি' সমূহৰ মাজত



কোনো ধৰণৰ সৰু-ডাঙৰ ধাৰণা থাকিব নোৱাৰে। কাৰণ একে প্ৰজাতিৰ অন্তৰ্গত কোনো মানৱগোষ্ঠী বা গোট বিৱৰ্ত্তনৰ সকলোবিলাক স্তৰ অতিক্ৰম কৰিহে আজিৰ অৱস্থা পাইছেহি। অৱশ্যে সুকীয়া পৰিবেশত থকাৰ বাবে সাংস্কৃতিক মান একে নহয় আৰু অভিযোজনগত শাৰীৰিক পাৰ্থক্যৰ কিছু সুফল আছে। যেনে —নিগ্ৰোয়েড সকলে বেছি তাপ সহিব পাৰে, তেওঁলোক কুষ্ঠৰোগ প্ৰতিৰোধী আকৌ ইউৰোপিয়েড সকল বেছি শীত প্ৰতিৰোধী আৰু কিছু পৰিমাণে যক্ষ্মাৰোগ প্ৰতিৰোধী। এনেবিলাক গুণাগুণ হাজাৰ হাজাৰ বছৰ ধৰি বিৱৰ্ত্তনৰ পথত গঢ়ি তোলা অভিযোজনাৰে ফচল। সেয়ে শাৰীৰিক পাৰ্থক্য আৰু সাংস্কৃতিক পাৰ্থক্যৰে 'উচ্চ-নীচ' বছা অসম্ভৱ।

কিন্তু তথাপিও ভাৰতীয় উপমহাদেশীয় সমাজত 'উচ্চ-নীচ' 'সৰু-ডাঙৰ' এই কথাবিলাক গভীৰলৈ সোমাই আছে। আনদেশত এই কথাবিলাকে যিমান সমস্যাৰ সৃষ্টি কৰিছে -- এইখন দেশত তাতকৈ অধিকভাৱে কৰিব পাৰিছে। সেয়ে ইনো কেনেকৈ শিপালে তাকো চোৱা যাওক।

জাত-পাতৰ ধাৰণা আজিৰ নহয়। বৈদিক যুগৰ শেষৰ ফাললৈ জাত-পাতৰ ধাৰণাই আমাৰ সমাজত গভীৰভাৱে শিপাবলৈ আৰম্ভ কৰে। চতুৰ্বৰ্ণাশ্ৰম পদ্ধতিৰে সমাজৰ শ্ৰেণী বিভাজনৰ অৱশ্যম্ভাবী ফলস্বৰূপে ই ইমান দূৰলৈকে শিপালে যে, পিছলৈ ই কৰ্মভিত্তিক বিভাজন হৈ নাথাকিল; হৈ পৰিল এক কটকটীয়া ধৰ্মীয় সংস্কাৰ।

অৱশ্যে সাধাৰণ বিধৰ শ্ৰেণীবিভাজন প্ৰাচীন ইৰাণতো আছিল। শাস্ত্ৰত চাৰিবিধ শ্ৰেণীৰ কথা উল্লেখ আছে —পুৰোহিত, সাৰথি, কৃষক আৰু কাৰিকৰ। এইবিলাক শ্ৰেণীৰ লগত জাত-পাতৰ সম্পৰ্ক নাছিল, কাৰণ ইয়াত আন্তঃবিবাহ কোনো উল্লেখ নাই। চাৰিওবিধ শ্ৰেণীৰে সমান সমান আছিল। গ্ৰীকসকলেও ভাৰতীয় জাত-প্ৰথা কাৰোৰে স'তে তুলনা কৰিব নোৱাৰি বুলি উল্লেখ কৰি গৈছে।

ইৰাণী কাৰিকৰক ভাৰতীয় শূদ্ৰ বুলি ক'ব নোৱাৰি কাৰণ ভাৰতীয় শূদ্ৰ হ'ল অশুচি। অন্যদেশৰ মুক্তৰহিত শ্ৰেণী অৰ্থাৎ দাস শ্ৰেণীৰ ই ভাৰতীয় প্ৰতিৰূপ। ইৰাণত মাগীসকল ব্ৰাহ্মণৰ নিকটতম প্ৰতিৰূপ, তেওঁলোকক পূৱত উৎসাদ কৰা হ'ল যদিও পশ্চিমত পাচীসকলৰ পুৰোহিত হৈয়ে থাকিল।

ভাৰতীয় সমাজত ঋকবেদৰ যুগৰ পৰা ব্ৰাহ্মণ যুগলৈ উত্তৰণ আছিল

গোষ্ঠীবদ্ধ জীৱনৰ পৰা পৰিয়াল আৰু শ্ৰেণী ভিত্তিক জীৱনলৈ উত্তৰণ। ব্ৰাহ্মণ যুগতে দাস প্ৰথাৰো উদ্ভৱ হয় আৰু এই দাস প্ৰথাই শিপা মেলিলে জাতিপ্ৰথাৰ ৰূপ ধৰি। ঋকবেদৰ যুগত জাতিভেদ মানুহৰ চেতনাত তীব্ৰ নাছিল, কিন্তু ব্ৰাহ্মণ যুগত শ্ৰেণী বৈষম্যই তীব্ৰৰূপ ধাৰণ কৰাৰ সময়ত আদিম মেজিচিয়ানৰ উত্তৰসূৰী আৰু বৌদ্ধিক জগতৰ শাসক ৰূপত ব্ৰাহ্মণ সকলৰ ক্ষমতা বৃদ্ধি পাইছিল। ক্ষত্ৰিয় আছিল ক্ষমতাত। সেয়ে বৈশ্য আৰু শূদ্ৰসকলৰ ওপৰত শোষণৰ বোজা জাপি দিয়া হয়। এওঁলোকক ইচ্ছা কৰিলে ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ই আঁতৰাব পাৰে বা বধ কৰিব পাৰে। তেওঁলোক অচ্যুত। ইয়াৰ কাৰণ আছে। পণ্যদ্ৰব্যৰ উৎপাদন যথেষ্ট নোহোৱাৰ বাবে ব্ৰাহ্মণ যুগত বেহা-বেপাৰ সন্মানীয় বৃত্তি নাছিল। সেয়ে বৈশ্যৰ মৰ্যাদা নাছিল। আনহাতে শূদ্ৰটোৰ কথাই নাহে। সেয়ে সমাজৰ এটা মূৰত থাকিল শূদ্ৰ আৰু বৈশ্যসকল আৰু আনটো মূৰত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়সকল। প্ৰাচীন মিছৰীয় পুৰোহিতসকলৰ দৰে ব্ৰাহ্মণ যুগৰ ব্ৰাহ্মণসকল আছিল অহংকাৰী আৰু অৰ্থলিপ্সা। তেওঁলোকে আনকি নিজকো দেৱতা বুলি প্ৰচাৰ কৰিছিল। ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়সকলে শ্ৰমৰ পৰা নিজকে বিতাড়িত কৰাৰ বাবে বিশেষকৈ ব্ৰাহ্মণসকলে সমাজত লাভ কৰি থকা প্ৰতিপত্তিৰ পৰা স্থানচ্যুত হোৱাৰ ভয়ত কিছুমান বিশেষ শ্ৰেণীগত সা-সুবিধা দাবী কৰিবলৈ আৰু আত্মগৰিমা প্ৰচাৰ কৰিবলৈ বাধ্য হৈছিল। আনহাতে ইয়াৰ পৰৱৰ্তী উপনিষদৰ যুগতো এই বিভেদ ভালদৰে শিপাই পৰিছিল। মানুহ হৈ পৰিছিল জাগতিক উৎপাদন পদ্ধতিৰ আহিলা স্বৰূপ, কিন্তু শ্ৰম হৈ পৰিছিল নিজৰ ওপৰত নিৰ্ভৰ নকৰা অথচ মানৱ উপভোগ্য বস্তু। সৃষ্টি আৰু প্ৰচেষ্টাৰ পৰা শ্ৰম বিচ্ছিন্ন হৈ পৰিছিল। শ্ৰমবিভাজন ব্যক্তিগত পদ্ধতিৰ উদ্ভৱ আৰু শ্ৰেণী সংগঠনে ধ্বংস কৰি তুলিছিল জনজাতীয় জীৱনৰ সংহতি আৰু সামূহিক চেতনা।

ইতিমধ্যে বৰ্ণাশ্ৰমৰ বৃত্তি বিলাক বংশানুক্ৰমিক হৈ পৰিছিল আৰু জাতিভেদ প্ৰথাই লগে লগে কঠোৰ ৰূপ ধাৰণ কৰিছিল। 'ঐতৰেয় ব্ৰাহ্মণ', 'শতপথ ব্ৰাহ্মণ', 'চান্দোগ্য উপনিষদ', 'মৈত্ৰী উপনিষদ' আদি বৈদিক শাস্ত্ৰসমূহে এই জাতিভেদ প্ৰথা কটকটীয়া হোৱাত প্ৰভূত সহায় কৰিছে। বিভিন্ন পুৰাণ আৰু সংহিতাইও এই মত কটকটীয়া হোৱাত সহায় কৰিছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল যিহেতু এইবিলাক হিন্দু সমাজৰ ধৰ্মশাস্ত্ৰ, সেয়ে এই পুথিবিলাক সমৰ্থন



কৰি উল্লেখ কৰা জাতিভেদ প্ৰথাই ভাৰতৰ সমাজখনত দৃঢ়ভাৱে শিপাই পৰিল। তাৰোপৰি উপনিষদৰ যুগতে আৱিষ্কাৰ কৰা 'কৰ্মবাদ'ৰ সূত্ৰই এই জাত-পাতৰ ভেটি দৃঢ় কৰাত আৰু 'উচ্চ-নীচ' ভেদাভেদ বঢ়াত সহায়ক হৈছে। কাৰণ ধৰ্মশাস্ত্ৰ সংগত সমাজ সৃষ্টি কৰি তাক বচাই ৰাখিবলৈ হ'লে কৰ্মবাদৰ ওপৰত একান্তই নিৰ্ভৰ কৰিবলগীয়া হয়। এই সূত্ৰই মৰণোত্তৰ এখন অপাৰ্থিৱ জগতৰ অস্তিত্বক স্বীকাৰ কৰে। 'কোনো এজন লোকে পূৰ্বজন্মৰ কৰ্মফল এই জন্মত ভোগ কৰিব', কোনো এজন লোকে আগৰ জন্মত অন্যায় বা পাপ কৰিছিল সেয়ে এইজন্মত শূদ্ৰ হৈছে' তেনেদৰে 'কোনো এজন লোকে আগৰ জন্মত পুণ্য কৰিছিল সেয়ে এই জন্মত ব্ৰাহ্মণ হৈছে' —আদি সংশ্লেষণ এই সূত্ৰৰ দ্বাৰা উলিয়াব পাৰি। ইয়াৰ ফল হয় সুদূৰ বিয়পা। কাৰণ সমাজত নিষ্পেষিত শোষিত লোকসকলৰ ওপৰত চলা শোষণক এই সূত্ৰৰ সহায়ত ন্যায্য ৰূপ দিব পাৰি। এই সূত্ৰৰ সহায়তে জাতিগত উচ্চ-নীচ ভেদাভেদ সমাজৰ গভীৰলৈ পোষিত হৈ পৰিছে। শ্ৰেণী শোষণক 'কৰ্মবাদ'ৰ সূত্ৰই ন্যায্যৰূপ দিয়াৰ বাবেই ভাৰতবৰ্ষৰ গৰিষ্ঠ সংখ্যক জনতা দীৰ্ঘকাল শোষণ-নিষ্পেষণ-দমনৰ চকৰিৰ তলত পৰি সুবিধাভোগী শ্ৰেণীটোতকৈ স্বাভাৱিক ভাৱেই পিছপৰি থাকিল। ই পৰিতাপৰ কথা হ'লেও অসন্মানৰ কথা নহয়। কাৰণ, সমাজত এটা শ্ৰেণীয়ে নিজকে পাঁচহাজাৰ বছৰ ধৰি অনুসূচিত কৰি ৰাখি সকলো ধৰণৰ সা-সুবিধা লাভ কৰি থাকিলে তাক কোনোপধ্যেই উচিত কাম হৈছে বুলি ক'ব নোৱাৰি।

## ৩য় খণ্ড

জাতিভেদ প্ৰথা আৰু এই সংস্কাৰ বিলাকৰ বিৰুদ্ধে সবল সংগ্ৰাম চলাই যোৱা উচিত। কিন্তু এই কথা ক'বলৈ যিমান সহজ আচলতে সিমান সহজ নহয়। কাৰণ দেখা গৈছে সহস্ৰবছৰ ধৰি ভাৰতীয় সমাজ গঢ় লৈ উঠিছে — (ক) জাত (Caste) (খ) গ্ৰামীণ গোষ্ঠীবদ্ধ সমাজ আৰু (গ) যৌথ পৰিয়ালৰ ওপৰত। বৃটিছ অহাৰ পিছত পুঁজিৰ অনুপ্ৰৱেশৰ বাবে ভাৰতো বিশ্ববজাৰৰ অংশ হৈ পৰিল। কাৰণ ইউৰোপীয় পুঁজিবাদ ভাৰতীয় সমাজৰ ভেটি কপাব পৰাকৈ বেছি শক্তিশালী আছিল। বৃটিছে ভাৰতীয় সমাজ ব্যৱস্থাৰ কাঠামো ভাঙি দিলে যদিও সমাজ ব্যৱস্থাৰ ৰূপান্তৰ ঘটাবলৈ উপনিৱেশিক স্বাৰ্থতে

প্ৰয়োজনবোধ নকৰিলে। গতিকে পুৰণি সামন্ত তান্ত্ৰিক ভূমি সম্পৰ্কৰ ওপৰতে সৰ্বনিম্ন পৰ্যায়ৰ পুঁজিবাদী সম্পৰ্ক জাপি দিয়া হ'ল। ফলত পুৰণি সামন্ততান্ত্ৰিক ভূমি সম্পৰ্কই জাতিভেদ প্ৰথাক জীয়াই ৰাখিলে। বৃটিছ সাম্ৰাজ্যবাদে ভৰতৰ জনগণক শোষণ কৰাৰ সুবিধাৰ বাবেই পিছপৰা অৱস্থাতে থকাটো বিচাৰিছিল। সেয়ে গ্ৰামাঞ্চলত ভূমি সম্পৰ্ক যথা সম্ভৱ একেদৰেই ৰাখি সামান্য অদল-বদল কৰি লৈছিল।

সেয়ে দুটা পৰস্পৰ বিৰোধী প্ৰক্ৰিয়াই একে সময়তে কাম কৰিছিল। আধুনিক সম্পৰ্কৰ জৰিয়তে (যেনে ৰে'লৱে, টেলিগ্ৰাফ, কাৰখানা আদি) পণ্য বিনিময় বৃদ্ধি আৰু পুৰণি কাঠামোৰ ওপৰত আনকি জাতি-ভেদ প্ৰথাৰ ওপৰতো আঘাত।

আনহাতে (২) ঔপনিৱেশিক শক্তিসমূহে পুৰণি ভূমি ব্যৱস্থা অব্যাহত ৰাখি সামন্তবাদী শক্তিসমূহৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক সমৰ্থন লাভ কৰা — যাৰ অৰ্থ হৈছে, জাতি-ভেদ প্ৰথাৰ ব্যৱস্থা বিলাকক সমৰ্থন কৰা।

পৰিতাপৰ কথা, ভাৰতৰ জাতীয় আন্দোলনৰ বুদ্ধিজীৱী নেতা সকলেও জাতিভেদ প্ৰথাৰ স'তে আপোচ কৰাৰ বাবে আগ্ৰহী আছিল। তাৰো অৱশ্যে কাৰণ আছিল। সেই সময়ৰ পিছপৰা অৰ্থনৈতিক অৱস্থাত তেওঁলোকৰ আন্দোলন আছিল নিঃসঙ্গ। এই আন্দোলনৰ নিকটৱৰ্ত্তী সমাজৰ জনসাধাৰণৰ (যি সকলে তেতিয়াও আন্দোলনত যোগ দিয়া নাই) ধৰ্মীয় স্পৰ্শকাতৰতাত আঘাত দিবলৈ ভয়ো কৰিছিল। সেয়ে তেওঁলোকে ভাৰতৰ অতীত ৰচদৰ পৰা সমল বিচাৰি আনি অতীতৰ পুনৰুজ্জীৱনৰ চিন্তা আৰু আদৰ্শৰে আন্দোলনৰ ভেটি গঢ়ি তুলিছিল। অতীতৰ ব্ৰিটিছ বিৰোধী আন্দোলনৰ এনে সংস্কাৰপূৰ্ণ দৃষ্টিভংগীৰ পৰা জাতিভেদ প্ৰথাৰ চাপত আন্দোলনৰ আদৰ্শৰ নতিস্বীকাৰ নহয় বা উচ্চবৰ্ণ নেতাসকলৰ জাতিভেদ আচৰণ নহয়, ই আছিল আধুনিক বুদ্ধিজীৱীসকলৰ এই দেশৰ সেই সামন্তবাদী ভূমি সম্পৰ্কৰ ওচৰত আত্মসমৰ্পণ যি জাতিবিদ্বেষৰ কাঠামোক জীয়াই ৰাখিলে। অৱশ্যে বিষয়গতভাৱে তেওঁলোকৰ জাত-সচেতনতাও থাকিব লাগিব, কাৰণ তেওঁলোকে অন্যায় কৃষিকাঠামোকেই মানি লৈছিল।

অৱশ্যে পিছলৈ জাতীয় আন্দোলনৰ নেতৃত্বই জাত আৰু সমতাৰ প্ৰশ্নত কিছু নমনীয় মনোভাৱ আনিবলৈ বাধ্য হ'ল। তেওঁলোকে জাতি-ভেদ প্ৰথাৰ



উচ্ছেদ ঘটাই জাত বিলাকলৈ সমতা অনাৰ ইচ্ছাৰ কথা প্ৰচাৰ কৰিছিল কিন্তু সামন্তবাদী ভূমি সম্পৰ্কৰ স'তে আপোচকামী দৃষ্টিভংগীৰ বাবেই বাস্তৱত ফুটুকাৰ ফেনহে হয়গৈ। গতিকে গান্ধীজীৰ অস্পৃশ্যতাৰ বিৰুদ্ধে আহ্বান কেৱল আৱেগিক আনুষ্ঠানিক ঘোষণাতহে পৰিণত হৈ পৰিল।

সেয়ে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুদ্ধ চলাই নিওঁতে জাত-পাতৰ বিৰুদ্ধেও অৰ্থাৎ সামন্তীয় সম্পৰ্ক সমূহৰ উৎখাত কৰিবলৈ যুদ্ধ চলাই নোযোৱাত কোনো কাৰ্যকৰী সমাধান নোলাল। আনহাতে সাম্ৰাজ্যবাদী শক্তিটোৱে জাত-পাত সাম্প্ৰদায়িকতাৰ ৰাজনীতি খেলি পৃথক নিৰ্বাচনৰ সুযোগ দান, চাকৰিত সংৰক্ষণৰ ব্যৱস্থা, পিছপৰা শ্ৰেণী আৰু অস্পৃশ্য সকলক শিক্ষাৰ সুযোগ দিয়া আদি নানা ভেদনীতিৰে জাতীয় আন্দোলনক দুৰ্বল কৰিবলৈ যত্ন কৰিলে।

এই গোটেই সময়ছোৱাতে আমি দেখিছোঁ সাম্ৰাজ্যবাদী জমিদাৰ আৰু জাতীয় আন্দোলনৰ বুজোৱা নেতৃত্ব। এই তিনিটা ক্ষমতাশালী শ্ৰেণী স্বাৰ্থই জমিদাৰী ব্যৱস্থা আৰু প্ৰাকপুঁজিবাদী ভূমি সম্পৰ্কক আশ্ৰয় দি জাতিভেদ প্ৰথাৰ ৰক্ষকৰ ভূমিকা গ্ৰহণ কৰিছে।

এই কাহিনী স্বাধীনতাৰ পিছতো ওৰ পৰা নাই যদিও ভাৰতৰ স্বাধীনতা আন্দোলনৰ জাতীয় বুজোৱা নেতৃত্বই নিজশ্ৰেণী স্বাৰ্থৰ অনুকূলে জাত-পাতেৰে বিৰোধ সৃষ্টি কৰি ৰাখিছে। সমাজৰ দুৰ্বল শ্ৰেণীটোক যৌথ গণ আন্দোলন গঢ়ি তোলাৰ পৰা বিৰত কৰিবলৈ বিভিন্ন সংৰক্ষণ ব্যৱস্থাক স্বাধীনতাৰ প্ৰায় তিনিকুৰি বছৰেও প্ৰয়োগ কৰি আছে। জাতি-বিদ্বেষত প্ৰত্যক্ষভাৱে উদগনি যোগোৱা এই ব্যৱস্থাবিলাক নিজ শ্ৰেণী স্বাৰ্থৰক্ষাৰ বাবে জীয়াই ৰাখিছে। জাতিবৈষম্যবাদক দীৰ্ঘকালীনভাৱে জীয়াই ৰখাৰ ফলত আন এক পৰিঘটনাও লক্ষ্য কৰা হৈছে। ইমানদিনে জাতিবৈষম্যৰ চিকাৰ হৈ থকা জাতি সমূহেও জাতিবৈষম্যবাদী পথকেই অনুসৰণ কৰিবলৈ লৈছে। পূৰ্বতে ক্ষমতাৰ পৰা প্ৰত্যাখ্যাত হোৱা জাতিসমূহৰ মাজত এনে প্ৰতিক্ৰিয়া সৃষ্টি কৰি বুৰ্জোৱা শাসক গোষ্ঠীয়ে নিজশ্ৰেণী স্বাৰ্থ ৰক্ষাৰ বাবে ঢাল হিচাপে ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে।

## ৪ৰ্থ খণ্ড

**জাতিবৈষম্যবাদৰ সমাহাৰ ঃ**

পুনৰ আগৰ সমস্যালৈ ঘূৰি আহোঁ। কাৰণ জাতিসমূহৰ মাজত বৈষম্য

সৃষ্টি কৰি বিভেদক জীয়াই ৰখা কূট-কৌশল আজিও চলি আছে।

বৈজ্ঞানিক দৃষ্টি অনুসৰি আদিম মানৱৰ এটি মাত্ৰ ধাৰাৰ পৰাই উদ্ভৱ হোৱা এটি প্ৰজাতিৰ পৰাই পৃথিৱীৰ জাতি সমূহৰ সৃষ্টি হৈছে। সেয়ে বিৱৰ্ত্তনৰ সূত্ৰ মতে কোনো জাতিয়েই দৈহিক বৈশিষ্ট্যৰ বিকাশত আন জাতিতকৈ উন্নতৰ বা নিম্নতৰ নহয়। জাতিসমূহৰ মূলগত অভিন্নতাৰ কাৰণ কেৱল একোটা উৎসৰ পৰা উদ্ভৱ হোৱাটোৱেই নহয়, তাৰ কাৰণ আৰু গভীৰত প্ৰোথিত। জীৱবিদ্যা আৰু শৰীৰ সংস্থানীয় আৰু শৰীৰ বৃত্তীয় দিশৰ পৰা চালে সাৰ্বিক সাদৃশ্যৰ তুলনাত জাতিগত পাৰ্থক্যৰ স্থান নিতান্তই কম। আনকি বেছিভাগ ক্ষেত্ৰতে একে বা ঘনিষ্ঠ উপজাতিৰ মানুহৰ চিনাক্তকৰণতেই ইয়াৰ তাৎপৰ্য্য সীমিত।

তথাপিও কিছুমান পণ্ডিতে জাতিসমূহৰ পাৰ্থক্যক গভীৰ কৰি দেখুৱাবলৈ যত্ন কৰে। তেওঁলোকে জাতিসমূহ সম্পূৰ্ণ স্বতন্ত্ৰ পূৰ্বপুৰুষৰ পৰা উদ্ভৱ হোৱা বুলি ক'বলৈ বিচাৰে। ইয়ে মানৱ উৎপত্তি সম্পৰ্কে বহুজনি উদ্ভৱ তত্ত্ব। বাস্তৱক অস্বীকাৰ কৰি তেওঁলোকে ক'বলৈ বিচাৰে যে, মানুহৰ জাতিসমূহ অংগসংস্থানিক, শৰীৰ সংস্থানিক বা মনস্তাত্ত্বিক বৈশিষ্ট্যৰে পাৰস্পৰিক ভাবে বিচ্ছিন্ন আৰু সম্পৰ্কহীন আৰু পৰস্পৰে শত্ৰু ভাবাপন্ন। কিন্তু একজনি উদ্ভৱ তত্ত্বত বিশ্বাসী লোকেও প্ৰায় তেনেদৰে 'দ্ৰুতবিকাশমান প্ৰাগ্ৰসৰ' আৰু 'পশ্চাৎপদ আদিম' জাতিৰ অস্তিত্বত বিশ্বাস কৰে। সেই দুয়োবিধ পণ্ডিতৰ মত অনুসৰি প্ৰথমে উল্লেখ কৰা জাতিবিলাক 'উন্নত' আৰু শেষোক্ত বিলাক যিহেতু 'পিছপৰা' সিহঁতক প্ৰথমোক্ত বিলাকৰ প্ৰতি আনুগত্য প্ৰকাশ আৰু দাস হোৱাৰ উপযোগীকৈ 'ঈশ্বৰে' সৃষ্টি কৰিছে বুলি প্ৰচাৰ কৰে। জাতসমূহৰ এনে জৈৱিক অসাম্যৰ আৰু ভ্ৰান্ততত্ত্বৰ উপস্থাপনাৰ অৰ্থ হ'ল —জাতিবৈষম্যক সমৰ্থন আৰু প্ৰতিষ্ঠা কৰা।

সাধাৰণতে জাতিবৈষম্যবাদীসকলে কৃষ্ণকায় আৰু পীতবৰ্ণৰ জাতিসমূহতকৈ শ্বেতকায় জাতিক উন্নত বুলি ভাবে। কিন্তু এনে তত্ত্ব অশ্বেতকায়সকলৰ মাজতো প্ৰচলিত থকাৰ প্ৰমাণ পোৱা যায়। জাতিবৈষম্যবাদীসকলে ভাবে কম সংখ্যক প্ৰাগ্ৰসৰ জাতিয়ে 'আদিম' জাতিসমূহৰ শ্ৰম ব্যৱহাৰ কৰি বিশ্বৰ সকলো সংস্কৃতি আৰু সভ্যতা সৃষ্টি কৰিছে। সেয়ে তেওঁলোকে দৈহিক আৰু মানসিক অসাম্যৰ ভ্ৰান্ত ধাৰণাৰ



ওপৰত নিৰ্ভৰ কৰি মানুহৰ বিকাশৰ ইতিহাসকে অস্বীকাৰ কৰিছে। এই জাতিবৈষম্যবাদীসকলে আৰু এঢাপ ওপৰলৈ গৈ 'জাতি' আৰু 'ৰাষ্ট্ৰীয় জাতি'ৰ দৰে বিভাগ সমূহকো অভিন্ন বুলি বিবেচনা কৰে। কিন্তু 'জাতি' হ'ল জৈৱিক শ্ৰেণী বিশেষ আৰু 'ৰাষ্ট্ৰীয় জাতি' সমাজ তত্ত্বৰ অন্তৰ্গত। কিন্তু এনেবিলাক ভ্ৰান্তিকৰ তত্ত্বক সমৰ্থন কৰা অৰ্থ হৈছে আধিপত্যবাদ। 'প্ৰাগ্ৰসৰ' আৰু 'আদিম' জাতিতত্ত্বৰ সমৰ্থনৰ মাজত একো জাতিয়ে আন এটা জাতিৰ ওপৰত আধিপত্য বিস্তাৰৰ প্ৰতি আৰু জাতিসমূহৰ মাজত হোৱা যুদ্ধ-বিগ্ৰহৰ প্ৰতি সমৰ্থন নিহিত হৈ থাকে।

**জাতিবৈষম্যবাদৰ ভয়াৱহতা আৰু এই মত সৃষ্টিৰ কাৰণ ঃ**

জাতিবৈষম্যবাদীৰ দৃষ্টিত মানৱ সমাজৰ শ্ৰেণী সংগ্ৰাম আৰু প্ৰাণী জগতৰ অস্তিত্বৰ সংগ্ৰাম সমাৰ্থক। উনবিংশ শতিকাৰ শেষৰফালে প্ৰতিক্ৰিয়াশীল ডাৰউইনবাদী সমাজতত্ত্বই এওঁলোকক সহায় কৰিছে। এই তত্ত্ব অনুসৰি আধুনিক মানৱ সমাজো পশুজগতত থকা জৈৱিক নিয়মসমূহৰ — যেনে অস্তিত্ব ৰক্ষাৰ নিষ্ঠুৰ সংগ্ৰাম, যোগ্যতমৰ উৰ্দ্ধতন আৰু অযোগ্যৰ বিলয়ৰ অধীন! তেওঁলোকে ক'বলৈ বিচাৰে যে মানৱ সমাজো জৈৱিক অসাম্যৰ ভিত্তিত আৰু প্ৰাকৃতিক আৰু অৱশ্যম্ভাৱী বুলি কৈ পুঁজিতান্ত্ৰিক সমাজৰ অসাম্যক প্ৰাকৃতিক নিয়মাৱলীৰ অধীন কৰি দেখুৱাবলৈ বিচাৰে। নিজৰ শ্ৰেণী আধিপত্য ৰক্ষাৰ বাবে বুজোৱা শ্ৰেণীটোৱে ইয়াক আদৰ্শবাদী তত্ত্ব হিচাপে আনন্দেৰে ব্যৱহাৰ কৰে।

কিন্তু 'জাতি' আৰু 'শ্ৰেণী'ক একীভূত কৰি তোলা অনুচিত। মানৱ সমাজ বিৱৰ্ত্তনৰ ইতিহাসৰ পাঠৰ সময়ত শ্ৰেণীসংগ্ৰামৰ দৰে স্থানান্তৰিত কৰা অসংগত। জাতি বৈষম্যবাদে শোষণভিত্তিক সমাজৰ অস্তিত্বক সমৰ্থন কৰে। সেয়ে ই অবৈজ্ঞানিক আৰু প্ৰতিক্ৰিয়াশীল। তেওঁলোকে আনকি সত্যক ইমান দূৰ পৰ্য্যন্ত বিকৃত কৰে যে, ভাষাৰ ওপৰতো জাতিবৈশিষ্ট্য আৰোপ কৰি মানুহৰ মানসিকতাক জাতি চেতনাৰ ফলস্বৰূপে চিহ্নিত কৰি দেখুৱাবলৈ বিচাৰে।

**জাতি আৰু ভাষা ঃ**

এটা উদাহৰণেৰেই আৰম্ভ কৰা যাওক। শ্লাভ আৰু ইউৰোপীয় বহুজনগোষ্ঠীৰ ভাষাৰ সাদৃশ্যলৈ লক্ষ্য ৰাখি তেওঁলোকৰ মাজৰ সম্পৰ্কৰ

কথা ভবা হৈছিল আৰু এই ভাষাগত সাদৃশ্যলৈ চাই একেই ভাষা কোৱা 'প্ৰাচীন সাধাৰণ পুৰুষ' সকলৰ আৱিস্কাৰৰ বাবে বহু ভাষাবিদে নিৰলস চেষ্টা কৰি আহিছে। এসময়ৰ প্ৰাচীন ভাৰতীয় ভাষা সংস্কৃতিৰ পৰা 'প্ৰথম ভাষা'ৰ সৃষ্টি হৈছিল বুলিও ভবা হৈছিল। সেয়ে কেইটামান ভাৰতীয়, ফাৰ্চী আৰু ইউৰোপীয় ভাষাৰ সাদৃশ্যলৈ লক্ষ্য ৰাখি এই ভাষাগোষ্ঠীক 'ইন্দো ইউৰোপীয় ভাষা' হিচাপে নামাঙ্কিত কৰা হৈছে।

বহুকালৰ পূৰ্বে ইন্দোইউৰোপীয় ভাষাভাষী উপজাতি বিলাকে আন ঠাইৰ পৰা আহি ভাৰত আৰু পাৰস্য আক্ৰমণ আৰু দখল কৰিছিল বুলি বহুতেই ভাবে। এই বিজয়ীসকলে স্থানীয় লোক সকলতকৈ নিজকে 'প্ৰাগ্ৰসৰ' জাতি বুলি ঘোষণা কৰি নিজকে 'আৰ্য্য' (সৎকুলজাত) বুলি চিহ্নিত কৰে। ভাৰত আৰু পাৰস্য জনগোষ্ঠীৰ ভাষাৰ স'তে ইন্দোইউৰোপীয় ভাষাৰ মূলগত সাদৃশ্যৰ বাবে অনেকেই এই সমূহকো আৰ্য্য বুলি অভিহিত কৰিছে। পৰৱৰ্ত্তী কালত 'আৰ্য্য' শব্দটো কেইটামান জাতিবৰ্গৰ ওপৰত প্ৰযুক্ত হয়। আৰু বিভিন্ন প্ৰক্ৰিয়াশীল তত্ত্ববাগীশে তেওঁলোকৰ ব্যাখ্যাত এই ভাষাতাত্ত্বিক তথ্যক অবৈজ্ঞানিক জাতিবৈষম্যবাদী মনোবৃত্তিৰে বিকৃত কৰে। অৱশেষত তেওঁলোকে ইউৰোপৰ নাৰ্ভিক জাতিকে 'খাটী আৰ্য্য'ৰ চানেকি হিচাপে চিনাক্ত কৰে। তেওঁলোক নীলা চকুৰা, সোণালী চুলিয়া, গৌৰৱৰ্বৰ্ণৰ আৰু দীৰ্ঘদেহী।

ভাষা যদি জাতি চেতনাৰ ফলশ্ৰুতি হয় তেনেহ'লে ইন্দো ইউৰোপীয় ভাষাভাষী সকলো লোকেই 'আৰ্য্য' জাতিৰ দেহবৈশিষ্ট্যৰ অধিকাৰী হোৱা উচিত আছিল। কিন্তু বাস্তৱৰ ৰূপ সুকীয়া। কাৰোৰে দেহৰ গঠন তথাকথিত 'আৰ্য্য' সকলৰ দৰে নহয়। সম্পূৰ্ণ সাদৃশ্য বিহীন। সেয়ে ইন্দোইউৰোপীয় বা 'আৰ্য্য' 'আদিভাষা' আৰু 'আৰ্য্যজাতিৰ সকলো বৈশিষ্ট্য সহ 'সাধাৰণ পূৰ্বপুৰুষ' সংক্ৰান্তীয় তত্ত্বভ্ৰান্ত আৰু এই কথাও সত্য যে নিজকে 'আৰ্য্য' অৰ্থাৎ 'সৎকুলজাত' বুলি জাহিৰ কৰা অধিকাৰ কোনো জাতিৰ নাই। একে ভাষা-ভাষী জনগোষ্ঠী একে জাতিৰে অন্তৰ্ভুক্ত নহয় আৰু সাধাৰণ নিয়ম অনুসৰি তেওঁলোক একাধিক নৃবৰ্গৰ সমষ্টি। উদাহৰণ স্বৰূপে আফ্ৰিকাৰ নিগ্ৰোসকলে আফ্ৰিকাত তেওঁলোকৰ নিজৰ ভাষাসমূহ ব্যৱহাৰ কৰে। কিন্তু উত্তৰ আমেৰিকাত তেওঁলোকৰ ভাষা ইংৰাজী আৰু দক্ষিণ আমেৰিকাত স্পেনিছ। সেয়ে একে জাতিৰ বৰ্গসমূহ যেতিয়া বিভিন্ন জনগোষ্ঠী আৰু ৰাষ্ট্ৰীয় জাতি সংস্থাৰ অন্তৰ্ভুক্ত



হয়, তেতিয়া তেওঁলোকে নানা ভাষাত কথা কয়।

এই তথ্যৰ পৰা প্ৰতীয়মান হয় যে, ভাষা জাতি নিৰ্ভৰ নহয়। কোনো জাতিৰ 'জৈৱিক উত্তৰাধিকাৰ'ত নিহিত ৰহস্যময় 'জাতিচেতনা'ৰ অভিব্যক্তিৰ পৰাই উদ্ভৱ এই তত্ত্বও ভ্ৰান্ত বুলি প্ৰমাণিত হয়। ভাষা সম্পূৰ্ণৰূপে সামাজিক বিকাশৰ ওপৰত নিৰ্ভৰশীল আৰু জনগোষ্ঠী বিকাশৰ ধাৰাতেই তাৰ উদ্ভৱ, স্থিতি আৰু বিলয়। জাতিৰ জৈৱিক সত্তাৰ স'তে ইয়াৰ কোনো সম্পৰ্ক নাই।

**জাতি আৰু মানসিকতা ঃ**

জাতিসমূহৰ 'স্বকীয় মানসিক বৈশিষ্ট্য' সম্পৰ্কে সঠিক ধাৰণাৰ প্ৰয়োজন। প্ৰাচীনকালৰে পৰা ই বহু ভ্ৰান্ত ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত হৈ আহিছে। জীৱ বিজ্ঞান আৰু প্ৰাকৃতিক বিজ্ঞানৰ 'পিতৃ' লিনিয়াছেও আনকি ইউৰোপীয় মানৱক গতিশীল ৰসবোধ থকা আৰু আৱিষ্কাৰৰ স্পৃহা থকা লোক; এচিয় মানৱক নিষ্ঠুৰ, বিষণ্ণ, অনমনীয় আৰু লালসাপূৰ্ণ আৰু আফ্ৰিকাৰ মানৱক আক্ৰোশপূৰ্ণ, ধূৰ্ত্ত, এলেহুৱা আৰু নিস্পৃহ বুলি মত দি শ্বেত জাতিক উৰ্দ্ধতন পৰ্যায়ত পৰ্যৱসিত কৰিছিল। কথাবিলাক সঁচানে?

ডাৰউইনে সমাজবিকাশৰ সাংস্কৃতিক ক্ষেত্ৰত নিম্নতম পৰ্যায়ত থকা ফুগিয়ানসকলক আন মানুহৰ সংস্পৰ্শলৈ অহা লোকসকলৰ মাজত আৱেগ আৰু মানসিকতাৰে 'উচ্চতম' পৰ্যায়ত থকা সকলৰ স'তে একে বুলি মত প্ৰকাশ কৰি গৈছে। তেওঁ সকলো জাতিৰ মাজতে বিস্ময়কৰ সাদৃশ্য আৰু অভিন্ন আৱিষ্কাৰ স্পৃহা আৰু সকলো গোষ্ঠীয়েই সমমানৱিক ক্ষমতাৰ অধিকাৰী বুলি উল্লেখ কৰি গৈছে। মগজু ওজনেৰেও জাতিসমূহৰ মানসিক বৈষম্য সংক্ৰান্ত তত্ত্বক সত্যায়িত কৰাৰ অপকৌশল ঢাকিব নোৱাৰি। উদাহৰণ স্বৰূপে ফৰাচী লিখক আনাতোল্ ফ্ৰাঁৰ মগজুৰ ওজন মাত্ৰ ১০১৭ গ্ৰাম। আনহাতে ৰুচ লিখক ইভান তুৰ্গেনিভৰ মগজুৰ ওজন আছিল ২০১২ গ্ৰাম। অথচ দুয়োজনেই প্ৰগতিশীল লিখক হিচাপে বিশ্ববন্দিত। সেইদৰে সকলো জাতিৰ পৰা বিশ্ববন্দিত ব্যক্তিত্বৰ অধিকাৰী লোকৰ জন্ম হোৱাৰ নজিৰ ইতিহাসৰ পাতে পাতে।

আচলতে অনুকূল সামাজিক চৰ্চ্চত যিকোনো জাতি মানুহৰ বাবেই উন্নততৰ সংস্কৃতি আৰু সভ্যতা সৃষ্টি সম্ভৱ। সামাজিক পাৰিপাৰ্শ্বৰ প্ৰকট নিৰ্ণায়ক প্ৰভাৱ

সমূহেই ব্যক্তিমানস, জাতি চৰিত্ৰ আৰু তাৰ প্ৰচেষ্টাৰ নিয়ন্তা। মানসিক কৰ্মক্ষমতাৰ বিকাশত জাতিচৰিত্ৰৰ ভূমিকাৰ কোনো স্থান নাই। সেইবাবেই নিকোলাই চেনিশেভস্কিৰ ভাষাতে ক'ব পাৰি ''মানুহৰ মানসিক কৰ্মক্ষমতাৰ মূল বৈশিষ্ট্যসমূহ আৰু তাৰ অনুভৱ সামৰ্থ্য বিভিন্ন যুগত তাৰ ঐতিহাসিক মস্তিস্কত অপৰিৱৰ্তিত হৈ থাকে আৰু যি জাতি নৈকট্য সম্পৰ্কে যথাযথ উপলব্ধি সম্ভৱ। কেৱলমাত্ৰ এই পৰিপ্ৰেক্ষিতত যুগে যুগে পূৰ্বপুৰুষসকলৰ ধাৰণা, অনুভূতি আৰু কৰ্মকাণ্ড আমি হৃদয়ঙ্গম কৰিব পাৰোঁ।''

**৫ম খণ্ড**

গতিকে দেখা গ'ল, পৃথিৱীৰ আন ঠাই বাদ দিও ভাৰততে হাজাৰ হাজাৰ বছৰ ধৰি চলি অহা জাত-পাতৰ সমস্যাই আজিও এক গভীৰ সমস্যা সৃষ্টি কৰি আহিছে। বৈদিক যুগৰ শেষৰফালে গজগজীয়াকৈ গঢ় লৈ উঠা সামন্তীয় অৰ্থনীতি বিভিন্ন পৰিক্ৰমাৰে ভাৰতৰ সমাজত এতিয়াও অৱক্ষয়ী ৰূপত বৰ্ত্তী আছে আৰু সেইবাবেই সামন্তীয় সংস্কাৰ বিলাকৰ পৰা সমাজ আঁতৰি আহিব পৰা নাই। ভাৰতৰ জনগণে তাৰবাবেই জাত-কুল, ধৰ্ম-সম্প্ৰদায় আদিলৈ ব্যস্ত থাকিব পাৰিছে। সমাজত থকা শোষণ, নিপীড়নৰ বিৰুদ্ধে অভিন্ন ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তোলাৰ পৰিৱৰ্তে জাত-সংগ্ৰামেই তুংগত উঠিছেগৈ। এই মুহূৰ্তত জনগণে উপলব্ধি কৰিব লাগিব বৰ্তমান সামাজিক-অৰ্থনৈতিক ব্যৱস্থা সম্প্ৰীতি সম্পৰ্কৰ ভিত্তিৰ ওপৰতে থিয় হৈ আছে। এই সম্প্ৰীতি সম্পৰ্কই জাত-ব্যৱস্থা আৰু শ্ৰেণী নিপীড়ন দুয়োটাকে জীয়াই ৰাখিছে। শাসক শ্ৰেণীয়ে নিজ শ্ৰেণী স্বাৰ্থৰ কথা নাভাবি অস্পৃশ্যতা বা জাতিভেদ প্ৰথা অৱসানৰ কথা চিন্তা কৰিব। এই কথা ভবাটোৱেই আত্ম প্ৰৱঞ্চনা। জাতি-ভেদ প্ৰথাৰ অৱসানৰ এটাই মাত্ৰ সমাধান আছে, সি হ'ল বৰ্ত্তমানৰ পুঁজিবাদী আৰ্থসামাজিক কাঠামো ভাঙি তাৰ ঠাইত সমাজতান্ত্ৰিক কাঠামো গঢ়ি তোলা। ইয়াৰ বিকল্প নাই। ■

*(প্ৰকাশ কাল ঃ ২০০১-০২)*



# বিহংগম দৃষ্টিৰে তিনিচুকীয়া মহাবিদ্যালয়ৰ আলোচনীৰ (প্ৰকাশিত চৌবিছটা সংখ্যাৰ) এক পৰ্যালোচনা

লক্ষীন্দ্ৰ দাস
দীপক কুমাৰ সেনাপতি
প্ৰাক্তন ছাত্ৰ

যিকোনো শিক্ষানুষ্ঠানৰ দ্বাৰা প্ৰকাশিত মুখপত্ৰ বা আলোচনীখনেই ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ কঠীয়াতলী। ইয়াৰ মাজতেই নতুনকৈ হাতত কলম তুলি লোৱা নৱ প্ৰজন্মৰ সাহিত্য প্ৰতিভাৰ বীজ অঙ্কুৰিত হয়। এনে এটা সম্ভাৱনাৰে স্বাক্ষৰ বুকুত বান্ধি তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ গৌৰৱোজ্জ্বল পঞ্চবিংশতিম সংখ্যাটি প্ৰকাশৰ প্ৰস্তুতি চলিছে। এতিয়ালৈ প্ৰকাশিত ২৪ টা সংখ্যাৰ ওপৰত এটি পৰ্যালোচনা যুগুত কৰিবৰ বাবে আলোচনীখনৰ সম্পাদকৰ তৰফৰ পৰা এটি অনুৰোধ অহাত আমাৰ সীমিত সামৰ্থ্যৰ কথা মনত ৰাখিও মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ হিচাপে অনুষ্ঠানটোৰ প্ৰতি থকা আন্তৰিক সদিচ্ছাৰ বাবেই এই গধুৰ দায়িত্বটি পালন কৰাৰ প্ৰয়াস কৰিছোঁ। আমাৰ জ্ঞানৰ সীমাবদ্ধতালৈ লক্ষ্য ৰাখি টোকাটি বিশেষ পৰ্যালোচনা হিচাপে নলৈ বিহংগম দৃষ্টিৰে কৰা পৰিচয়জ্ঞাপক টোকা হিচাপেহে গ্ৰহণ কৰিবলৈ আলোচনীৰ পাঠকবৃন্দক আগতীয়াকৈ অনুৰোধ জনাই থ'লোঁ।

এই মহাবিদ্যালয়ৰ তদানীন্তন প্ৰবক্তা, বিশিষ্ট গল্পকাৰ তথা সমালোচক ড° মদন শৰ্মাই আলোচনীখনৰ প্ৰকাশ কালৰে পৰা চতুৰ্দশ সংখ্যালৈকে কৰা

এটি উচ্চ স্তৰীয় পৰ্যালোচনা মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থত প্ৰকাশিত হৈছিল। তেখেতৰ লিখিত অনুপ্ৰেৰণাই আমাৰ এই প্ৰচেষ্টাৰ পথিকৃত। এই লেখাটিও মহাবিদ্যালয় আলোচনীখনৰ প্ৰথম দুটা সংখ্যা আমাৰ দৃষ্টিৰে আলোচনা কৰাৰ পাছত শ্ৰদ্ধেয় শৰ্মা ছাৰৰ প্ৰতি সন্মান জনাই তৃতীয় সংখ্যাৰ পৰা চতুৰ্দশ সংখ্যালৈকে তেখেতে কৰা পৰ্যালোচনাকে একে ৰূপতে তুলি ধৰা হৈছে।

১৯৫৬ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা মহাবিদ্যালয় আলোচনীখনৰ প্ৰথম সংখ্যাটি অলক কুমাৰ গোস্বামীৰ সম্পাদনাৰে প্ৰকাশ পাই ১৯৭০-৭১ চনত। বুজন কলেৱৰৰ এই সংখ্যাটিৰ অসমীয়া বিভাগটোত বিভিন্ন বিষয়ৰ সাতটা প্ৰবন্ধ, এঘাৰটা কবিতা আৰু ছটা চুটি গল্প সন্নিৱিষ্ট হৈছে। প্ৰবন্ধ কেইটিৰ ভিতৰত অধ্যাপক নোমল চন্দ্ৰ গগৈৰ আধুনিক অসমীয়া কবিতাৰ সম্পৰ্কত লিখা প্ৰবন্ধটি বিশেষভাৱে উল্লেখনীয়। উত্তৰ কালৰ পৰা সত্তৰ দশকমানলৈ আধুনিক অসমীয়া কবিতাৰ যুগ বিভাজন, ইয়াৰ অভ্যন্তৰৰ বিভিন্ন বাদসমূহ, ইয়াক প্ৰভাৱিত কৰা সমকালীন ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পটভূমিৰ উল্লেখৰ লগতে আঙ্গিক সম্পৰ্কে কৰা আলোচনা প্ৰবন্ধটিৰ মূল বিষয়বস্তু। সাহিত্যৰথী বেজবৰুৱাৰ সাহিত্যকৃতিৰ ওপৰত প্ৰাক্তন ছাত্ৰী ৰঞ্জনা দেৱী, মহাপুৰুষ মাধৱদেৱৰ সাহিত্যৰাজিৰ বিভিন্ন দিশৰ সম্পৰ্কে নবীন বৰাই কৰা আলোকপাত এই সংখ্যাৰ সাহিত্য সম্পৰ্কীয় অন্যতম প্ৰবন্ধ। 'ৰঙালী বিহুৰ দৰ্শন' এই প্ৰবন্ধটোও এক সুকীয়া দৃষ্টিকোণেৰে বিহুৰ তাৎপৰ্য্য দাঙি ধৰিছে অধ্যাপক বিপিন চেতিয়াই। ৰাষ্ট্ৰীয় সংহতি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ছাত্ৰ সমাজৰ ভূমিকা সম্পৰ্কে এটি আলচ আগবঢ়াইছে প্ৰেমানন্দ হাতীবৰুৱাই। লোকসাহিত্যত প্ৰতিফলিত গ্ৰাম্য সমাজৰ এখন ছবি দাঙি ধৰি সাধন চন্দ্ৰ সোণোৱাল আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনৰ সম্পৰ্কে আলোকপাত কৰি ৰুণু বৰঠাকুৰে এই সংখ্যাৰ প্ৰবন্ধ শিতানৰ আন দুটা লেখা আগবঢ়াইছে। প্ৰথম সংখ্যাটিৰ কবিতা শিতানত প্ৰকাশিত প্ৰায়খিনি কবিতাও প্ৰেম, আশা আৰু বিপ্লৱৰ সুৰ ধ্বনিত হৈছে। দুই এক কবিতাৰ ব্যংগধৰ্মিতা লক্ষণীয়। গল্প শিতানত প্ৰকাশিত গল্পকেইটিত ঈৰ্ষা, সামাজিক বৈষম্য, চাৰিত্ৰিক স্খলন, পাৰিবাৰিক সংঘাত, আভিজাত্যৰ ফোপোলা স্বৰূপ ইত্যাদিৰ চিত্ৰ প্ৰতিফলিত হৈছে। গল্পকেইটিৰ নিৰ্মাণ শৈলী উন্নত কৰা থল থাকি যোৱা পৰিলক্ষিত



হয়। ইয়াৰ লগতে প্ৰকাশিত এখনি লঘু ৰচনাত দুনীতি নিমজ্জিত এচাম নেতাৰ চাৰিত্ৰিক দিশসমূহ উদঙাই দেখুৱাইছে। প্ৰথম সংখ্যাৰ ইংৰাজী বিভাগত দুটা প্ৰবন্ধ, পাঁচটা কবিতা, এটা চুটি গল্প প্ৰকাশ হয়। লগতে মহাবিদ্যালয়খনৰ ইতিহাস সম্বলিত এটা চমু প্ৰতিবেদন অধ্যক্ষ এইচ. এন ভট্টাচাৰ্য্যদেৱে ইংৰাজীতে যুগুতাইছে। সম্পাদক অলক কুমাৰ গোস্বামীয়ে আলোচনীখনৰ প্ৰসঙ্গ আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ দিশসমূহৰ ওপৰত আলোকপাত কৰি প্ৰথম সংখ্যাৰ সম্পাদকীয়টি যুগুত কৰিছে।

*মনীষা* নামকৰণেৰে ১৯৭১-৭২ খ্ৰীষ্টাব্দত দ্বিতীয় সংখ্যাটো প্ৰকাশ হয় পদ্মেশ্বৰ দত্তৰ সম্পাদনাৰে। এই সংখ্যাৰ অসমীয়া বিভাগত প্ৰকাশিত প্ৰবন্ধ কেইটিৰ ভিতৰত ভূপেন বৰগোহাঞিৰ 'স্বাধীনতা সমাজবাদ আৰু আমি' প্ৰবন্ধত দেশৰ বিভিন্ন দিশৰ ভালেমান তথ্য দাঙি ধৰি চলিত অৰ্থনৈতিক তথা ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত নিৰ্মোহ আলোচনা আগবঢ়াইছে। ভাৰতীয় ধৰ্মীয় দৰ্শন আৰু পাশ্চাত্য বিজ্ঞানৰ এটি তুলনামূলক আলোচনাৰে অধ্যাপক নোমল গগৈয়ে লিখা প্ৰবন্ধটি এক চিন্তা উদ্দীপক ৰচনা। এই শিতান সন্নিৱিষ্ট পদ্মেশ্বৰ দত্ত, ইনচাৰুল হক, জ্যোতিৰ্ময়ী দত্ত আৰু ওমৰুদ্দিন আলি আহমেদৰ প্ৰবন্ধকেইটি বিষয়ভিত্তিক চমু আলোচনা। প্ৰকাশিত ছটা গল্পৰ ভিতৰ জ্যোতিৰ্ময়ী বুঢ়াগোহাঁইৰ গল্পত পিতৃ-মাতৃৰ দ্বাৰা পৰিত্যক্তা এগৰাকী গাভৰুৰ মনোবেদনা আৰু মাফিদা বেগমৰ গল্পত এটা পাৰিবাৰিক ঘটনা চিত্ৰিত হৈছে। বাকী গল্পসমূহ আলোচনীৰ পাতত বিচাৰি পোৱা নগ'ল। কবিতা শিতানত প্ৰকাশিত আঠোটা কবিতাৰ ভিতৰতভ প্ৰায়কেইটিত ৰোমাণ্টিক ভাবোচ্ছাহ অনুৰণিত হৈছে। ইয়াত সন্নিৱিষ্ট পৰাগসুলভ বৰুৱাৰ একাংকিকা নাটখনত জীৱনৰ সৰ্বস্ব হেৰুৱাই নিসংগ হোৱা এজন বৃদ্ধ আৰু এসময়ত তেওঁ তেজ দি বচোৱা এগৰাকী ছোৱালীক লৈ গঢ়ি উঠা এক আৱেগিক মুহূৰ্ত্তৰ দৃশ্য চিত্ৰায়িত হৈছে। এই সংখ্যাৰ ইংৰাজী বিভাগত ছটা কবিতা আৰু তিনিটা প্ৰবন্ধ প্ৰকাশ হৈছে। দুৰ্ভাগ্যৰ কথা এই সংখ্যাৰ সম্পাদকীয় লেখাটি পঢ়িবলৈ পোৱা নগ'ল।

তৃতীয় সংখ্যা (১৯৭২-৭৩) সম্পাদনা কৰি উলিয়াই সম্পাদনা সমিতিয়ে। অসমীয়া শাখাত আঠটা প্ৰৱন্ধ, নটা কবিতা আৰু পাঁচটা গল্প ছপা হৈছে। নিবনুৱা সমস্যাৰ সম্পৰ্কে আলোকপাত কৰি লেখা দুটা সুলিখিত প্ৰবন্ধ ইয়াত সন্নিৱিষ্ট হৈছে — এটা, ছাত্ৰ কৃষ্ণকান্ত গগৈৰ 'নিবনুৱা সমস্যা

এই সংখ্যাৰ অসমীয়া শাখাত অন্তৰ্ভুক্ত হৈছে। ছাত্ৰ–ছাত্ৰীৰ ৰচনাৰ ভিতৰত পাৰুল তালুকদাৰৰ 'আধুনিক অসমীয়া কবিতাত জন মানস' আৰু শংকৰ কাকতিৰ 'জনতাৰ সাৰ্থক প্ৰতিনিধি শিল্পী জ্যোতিপ্ৰসাদ' প্ৰশংসনীয় প্ৰচেষ্টা। পুতুল কলিতাৰ 'বহুতো প্ৰশ্নৰে' উৎকৃষ্ট গল্প হোৱাৰ সম্ভাৱনা আছিল। ইংৰাজী শাখাত ২৯ পৃষ্ঠাৰ কবিতা–প্ৰবন্ধৰ ভিতৰত লেখত ল'বলগীয়া ৰচনা নাই বুলিলেই হয়।

ব্ৰজেন দাস আৰু অৰূপ শৰ্মা সম্পাদিত ৮ ম সংখ্যা (১৯৭৭–৭৮)ত বিষয়বস্তুৰ পিনৰ পৰা বৈচিত্ৰ্যময় ৰচনা সংকলিত হৈছে। চিন্তা উদ্ৰেককাৰী লেখাৰ ভিতৰত উল্লেখ কৰিব পাৰি পবিত্ৰ কুমাৰ বৰ্মনৰ 'ছাত্ৰসকলে স্বাভাৱিকতে প্ৰগতিশীল ৰাজনীতি গ্ৰহণ কৰা উচিত' চন্দন গগৈৰ 'বিজ্ঞান আৰু বৈজ্ঞানিক দিশ', মদন শৰ্মাৰ 'ভবেন শইকীয়াৰ শৃংখল ঃ এটি মূল্যায়ন' আৰু শংকৰ কাকতীৰ 'কবি বৰুৱাৰ মনময়ূৰীত এভুমুকি'। সৰোজ কুমাৰ দত্তৰ 'নাস্তিকতাৰ আৱশ্যকতা' বিতৰ্কমূলক চিন্তা উদ্ৰেককাৰী ৰচনা। এই সংখ্যাত কেইবাটাও বিদেশী কবিতা — তুৰস্কৰ নাজীম হিকমত, আমেৰিকান নিগ্ৰো কবি লেংষ্টন হিউজ, বাংলাদেশৰ প্ৰসিদ্ধ কবি শামসুৰ ৰহমান, গুৱাটেমালাৰ অৰো ৰেনে কাস্তিলোৰ কবিতাৰ অনুবাদ সংশ্লিষ্ট কৰা বাবে সম্পাদকদ্বয় ধন্যবাদৰ পাত্ৰ। গল্পৰ ভিতৰত দ্বিজেন শইকীয়াৰ 'সাঁথৰ' কিছু পৰিমাণে সফল ৰচনা। এই সংখ্যাত ছাত্ৰ–ছাত্ৰীৰ পৰা বিভিন্ন বিষয়ত মতামত আহ্বান কৰি প্ৰশ্নোত্তৰ শিতান এটি খোলাটো প্ৰশংসনীয় কাম। ইংৰাজী শাখাত নাৰায়ণ ভৌমিকৰ 'Animals also know the art of healing' কবি হীৰেন ভট্টাচাৰ্য আৰু ৰবীন্দ্ৰ সৰকাৰৰ অসমীয়া কবিতাৰ ইংৰাজী অনুবাদ সংযোজিত হোৱাটো উল্লেখযোগ্য। দৰাচলতে অষ্টম সংখ্যাটিৰ পৰাই মহাবিদ্যালয় আলোচনীত ঘাইকৈ অসমীয়া বিভাগত ৰচনাৰ বৈচিত্ৰ্যৰ প্ৰভাৱ ঘটে।

নৱম সংখ্যা (১৯৭৮–৭৯) সম্পাদনা কৰে চন্দন দত্ত আৰু গোপাল ছাহে। এই সংখ্যাৰ পৰাই মহাবিদ্যালয় আলোচনীৰ বেটুপাত আৰু অঙ্গসজ্জাৰ ক্ষেত্ৰত সম্পাদকসকল অধিক সচেতন হোৱা দেখা যায়। আলোচনীৰ এই সংখ্যাত কেইবাটাও চিন্তা উদ্ৰেককাৰী আৰু ভিন্ন ভাৱধাৰা তথা দৃষ্টিভংগী প্ৰতিফলিত হোৱা প্ৰবন্ধই ঠাই পাইছে। সেইসমূহৰ ভিতৰত ছাত্ৰ পবিত্ৰ বৰ্মনৰ 'জাতীয়তাবাদ জাতীয়তাবাদ', যোগ গগৈৰ তথ্যপূৰ্ণ 'চাহ', দিব্যানন্দ



চেতিয়াৰ 'মহাবিদ্যালয় আলোচনীৰ থুলমূল আলোচনা' আৰু শিক্ষক ড° জ্যোতিপ্ৰসাদ চলিহাৰ 'অৰ্থনৈতিক উন্নতিত শিক্ষাৰ প্ৰয়োজনীয়তা', মদন শৰ্মাৰ 'ধীৰেন দত্তৰ কবিতাৰ পৰ্যালোচনা'ৰ নাম উল্লেখ কৰিব পাৰি। স্থানীয় প্ৰয়াত শিল্পীসকলৰ সোঁৱৰণত বিজন দত্তই আগবঢ়োৱা লেখা আৰু ড° ভূপেন হাজৰিকাৰ স'তে সাক্ষাতকাৰ ছপোৱা বাবে সম্পাদকদ্বয় শলাগৰ পাত্ৰ। দ্বিজেন শইকীয়াৰ 'খোজ' সুপাঠ্য আৰু সম্ভাৱনাৰ স্বাক্ষৰ বহনকাৰী। নাইজেৰিয়া, কংগো, বাংলাদেশৰ কবিতা, চীনা লেখক লু–চুনৰ ব্যংগ গল্পৰ অনুবাদ মূল্যবান সংযোজন। খেল সম্পৰ্কীয় দুটি মনোগ্ৰাহী প্ৰবন্ধ ইয়াত প্ৰকাশ হয়।

দশম সংখ্যা (১৯৭৯–৮০) সম্পাদনা কৰে অঞ্জন বৰঠাকুৰ আৰু ৰাজীৱ লোচন বৰকটকীয়ে। অসমীয়া বিভাগত ড° জ্যোতিপ্ৰসাদ চলিহাৰ 'প্ৰয়োজন এটি নতুন উৎপাদন কৌশল'ৰ আৰু ছাত্ৰী প্ৰণতি খনিকৰৰ 'চাহ মজদুৰৰ কৃষ্টি সংস্কৃতি'ৰ, মিজো লোক গাথা, চীনা, তুৰ্কী আৰু জাৰ্মান ভাষাৰ কবিতাৰ অনুবাদ, ঘানাৰ গল্পৰ অনুবাদে সংখ্যাটিক বৈচিত্ৰ্য প্ৰদান কৰে। বসন্ত কুমাৰ বৰুৱাৰ 'অংগীকাৰ' আৰু সৌৰভ কুমাৰ বৰুৱাৰ 'বৈচিত্ৰ্য বিলয়' গল্পত লেখকদ্বয়ৰ সম্ভৱনা স্পষ্ট। কবিতাৰ ভিতৰত চন্দন দত্তৰ 'পৃথিৱীক কৈ দিবা' আৰু নীলাক্ষি চলিহাৰ 'তৰা খহে যেতিয়া' কিছু পৰিমাণে সফল সৃষ্টি। এই সংখ্যাটিৰ সাজসজ্জা আৰু ছপা আকৰ্ষণীয়। ইংৰাজী শাখাৰ ৫ টা প্ৰবন্ধৰ ভিতৰত দৰকাৰী লেখা হ'ল ছাত্ৰ ছৰিফুল ইছলামৰ 'Institution based on forest resources' আৰু অধ্যাপক নোমল গগৈৰ 'The Tai Language of Assam'.

(১৯৮০–৮১)ত আলোচনীৰ কোনো সংখ্যা প্ৰকাশিত নহ'ল। দীপক পাটোৱাৰীৰ বেটুপাতেৰে সজ্জিত একাদশ সংখ্যা (১৯৮১–৮২) সম্পাদনা কৰে ভূপেন দাস আৰু বিপুল লহকৰে। এই সংখ্যাত সন্নিৱিষ্ট লেখত ল'বলগীয়া প্ৰবন্ধ হ'ল — ছাত্ৰ দিলীপ কুমাৰ লহকৰৰ 'অসমীয়া সাংস্কৃতিক সমন্বয়ত জ্যোতিপ্ৰসাদ' আৰু অধ্যাপক সিদ্ধেশ্বৰ তামুলীৰ 'মায়াকোভস্কিৰ কবিতা' আৰু ড° বিপিন চেতিয়াৰ 'কীৰ্তন ঘোষাৰ ঈশ্বৰ তত্ত্ব'। হিন্দী কবিতা আৰু গজলৰ অনুবাদ আৰু খাচীয়া কবি চ'চ' থামৰ চমু পৰিচিতি আগবঢ়োৱাটো সুখৰ কথা। গল্পৰ ভিতৰত দিগন্ত গগৈৰ 'চিনাকি–অচিনাকি', মোহন চন্দ্ৰ বৰাৰ 'এটি নতুন পুৱাৰ প্ৰতীক্ষাত' আৰু অধ্যাপক মদন শৰ্মাৰ 'মৃত্যু আৰু

আনুষংগিক' উল্লেখযোগ্য। ইংৰাজী শাখা পূৰ্বৰ দৰে নিশকতীয়া। এই সংখ্যাৰো ছপাবন্ধা আৰু অংগসজ্জা পূৰ্বৰ বহু সংখ্যাতকৈ উন্নত মানৰ।

দিগন্ত গগৈৰ অৰ্থৱহ বেটুপাতেৰে দ্বাদশ সংখ্যা (১৯৮২–৮৩) প্ৰকাশিত হয় দিগন্ত গগৈ আৰু শোনিত বুঢ়াগোহাঁইৰ সম্পাদনাত। এই সংখ্যাত প্ৰথমবাৰলৈ কিছু পৰিমাণে বিতৰ্কমূলক আৰু সমসাময়িক যুৱ চেতনাৰ এটা দিশ প্ৰকাশ ঘটোৱা এখনি উপন্যাসিকা লিখে দিগন্ত গগৈয়ে। কেইবাটাও উল্লেখযোগ্য প্ৰবন্ধ লিখে ছাত্ৰ–ছাত্ৰীয়ে — দেৱ বৰাৰ 'বৰদলৈৰ উপন্যাসৰ সংহতি আৰু জাতীয় চেতনা কালগত প্ৰবাহ', ৰাতুল ভট্টাচাৰ্যৰ 'নাটক আৰু অসম এক সম্যক চিন্তা', সঞ্জীৱ কোঁৱৰৰ 'সংগ্ৰামী শিল্পী জ্যোতিপ্ৰসাদ'। চীনা ৰুচ গল্পৰ অনুবাদ, হিন্দী কবি ধুমিলৰ কবিতাৰ অনুবাদ উল্লেখযোগ্য সংযোজন। কিছু পৰিমাণে সফল কবিতাৰ ভিতৰত আছে দিব্যলতা দত্তৰ 'যন্ত্ৰণাৰ পঁইত্ৰিশটা বছৰ'। ইংৰাজী শাখাৰ উৎকৃষ্ট ৰচনাৰ ভিতৰত ছাত্ৰ ৰাজীৱ লোচন শইকীয়াৰ 'An appreciation of Bezboruah's Patmugi' শিক্ষক ভিক্টৰ কাৰ্পেণ্টাৰৰ 'A profile on the Deorie', দীপক বৰুৱাৰ 'Bernard Shaw's major woman in plays Unpleasant : A thumabnail sketch' আৰু ড° জ্যোতিপ্ৰসাদ চলিহাৰ 'Economy of Assam : An erratic trend of Development' সুলিখিত তথা গুৰুত্বপূৰ্ণ। তিনিটা অসমীয়া কবিতাৰ ইংৰাজী অনুবাদ আৰু এটা গল্পৰে এই সংখ্যাৰ ইংৰাজী শাখাটো পূৰ্বৰ সৰহভাগ আলোচনীৰ ইংৰাজী শাখাতকৈ বহুগুণে উন্নত। ছপা, অংগসজ্জা আৰু বিষয়বস্তুৰ বৈচিত্ৰ্যৰ পৰা এই সংখ্যাৰ মানদণ্ড যথেষ্ট উন্নত বুলিব পাৰি।

সৌৰভ গোস্বামীৰ সম্পাদিত আৰু সুমন বৰদলৈৰ বেটুপাত সম্বলিত ত্ৰয়োদশ সংখ্যা (১৯৮৩–৮৪) ৰো ছপা, অংগসজ্জা উৎকৃষ্ট। নটা প্ৰবন্ধৰ ভিতৰত জিতেন গগৈৰ 'জনজাতিৰ বিহুগীত, ঐনিতম আদিৰ গীতৰ সুৰেৰে নাৰীৰ মনোবেদনা', মণিমোহন কোচৰ 'অসমীয়া চাহ মজদুৰ সমাজ', ড° জ্যোতিপ্ৰসাদ চলিহাৰ 'বিজ্ঞান আৰু প্ৰযুক্তি ঃ গ্ৰাম্য অৰ্থনীতিৰ প্ৰয়োজনীয়তা' মূল্যৱান সংযোজন। কৃষ্ণ কুমাৰ বৰাৰ ব্যংগাত্মক ৰসাল গল্প 'গ্ৰহণ' সফল গল্প। ছাত্ৰৰ উল্লেখযোগ্য কবিতা হ'ল নৱজ্যোতি বৰুৱাৰ 'বিষণ্ণ বসন্তৰ ছবি' আৰু প্ৰদীপ মেধিৰ 'বিদ্ৰোহ মই'। ইংৰাজী শাখাত সন্নিৱিষ্ট শান্তনু



ফুকনৰ কবিতা 'Untitled', মদন শৰ্মাৰ 'Post war British Poetry : A Sketch' আৰু অপূৰ্ব ভাস্কৰৰ প্ৰবন্ধ।

দিগন্ত গগৈৰ বেটুপাতেৰে আৰু প্ৰশান্ত হাজৰিকাৰ অংগসজ্জাৰে সুসজ্জিত হৈ প্ৰকাশিত হোৱা চতুৰ্দশ সংখ্যা (১৯৮৪–৮৫) সম্পাদনা কৰে সঞ্জীৱ কুমাৰ চেতিয়া আৰু মহেন্দ্ৰ শইকীয়াই। এই সংখ্যাত গল্পসমূহৰ ব্যাখ্যা চিত্ৰ আগবঢ়োৱাটো তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ ইতিহাসত এক নতুন সংযোজন। কেইবাটাও অগতানুগতিক প্ৰবন্ধই এই সংখ্যাটিত ঠাই পায়। ছাত্ৰদ্বয় মানস তামুলী আৰু অজিত ফুকনে যুটীয়াভাৱে ৰচা 'সাহিত্য আৰু চলচিত্ৰ', অপূৰ্ব ভাস্কৰৰ 'চিন্তা–চিন্তাবিকৃতি–চিন্তা', ভুৱন গগৈৰ 'প্ৰতিফলন তত্ত্ব আৰু শিল্প সাহিত্য' আৰু পৰেশ ফাটোৱালী আৰু দিগন্ত গগৈৰ চিন্তাপ্ৰসূত সমীক্ষাত্মক প্ৰয়োজনীয় ৰচনা 'সাম্প্ৰতিক অসমৰ ছাত্ৰ–যুৱ সমস্যা মানসিকতা ইত্যাদি'। কবিতা শিতানত 'চীনৰ ক্ষুদ্ৰ জাতি সত্তাৰ লোকগাথা'ৰ অনুবাদ আগবঢ়ায় মদন শৰ্মাই। মৌলিক কবিতাৰ ভিতৰত কিছু পৰিমাণে সফল বুলিব পাৰি নবুল কুমাৰ ফুকনৰ 'মনৰ কবিতা ঃ উত্তৰ পুৰুষলৈ' আৰু কাৰ্যালয় সহায়ক স্বৰ্গীয় ইনচাৰুল হকৰ '১৯৭৯–৮৫'। সাতটা গল্পৰ ভিতৰত কিছু ব্যতিক্ৰম নৱনীতা গগৈৰ 'পথশূন্য' — যদিও লেখিকাৰ অনভিজ্ঞতাই গল্পটোক এক সুন্দৰ সফল সৃষ্টি হোৱাত বাধা দিছে। আন এটা মানদণ্ড সম্পন্ন গল্প সৌৰভ গোস্বামীৰ 'গল্পৰ পটভূমি'। ইংৰাজী শাখাৰ উল্লেখনীয় ৰচনা নোমল গগৈৰ 'Modern Poetry', সিদ্ধেশ্বৰ তামুলীৰ গল্প 'An extraordinary episode', সুখেন চক্ৰৱৰ্তীৰ 'Asbestos: The jaws of death' আৰু দুটা অসমীয়া কবিতাৰ ইংৰাজী অনুবাদ।

পঞ্চদশ সংখ্যাটিত সন্নিৱিষ্ট দহটা প্ৰবন্ধত অতীত ভাৰতৰ শিক্ষা ব্যৱস্থা, পৰিৱেশ বিজ্ঞান, মনোজগতৰ ভিতৰৰ কথা, যুৱ মানসিকতা, সাহিত্য তথা নাটক আদি বিষয় সামৰি লৈছে। কবিতা শিতানৰ এঘাৰটি কবিতাৰ ভিতৰত সুব্ৰত সাহা, অৰূপ বৰকটকী, ফণীন্দ্ৰ গোহাঁই, শোভাৰাম মৰাণৰ কবিতাৰ দুই এটা স্তৱক মনোগ্ৰাহী হৈ উঠা দেখা যায়। ইয়াত দুটি গীতো অন্তৰ্ভুক্ত কৰা হৈছে। গল্প শিতানত দীপক কুমাৰ সেনাপতিৰ গল্পত গ্ৰাম্য জীৱনৰ পটভূমিত জীৱন সংগ্ৰামৰ ছবি, কেশৱ সিঙৰ গল্পত দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰীৰ শঠতাৰ লগতে নিম্ন বিত্তৰ দুখ–দুৰ্দশা, নৱনীতা গগৈৰ গল্পত দাৰিদ্ৰক্লিষ্ট এহাল দম্পতীৰ

আশা ভঙ্গৰ এক করুণ চিত্র, মহেন্দ্ৰ সোণোৱালৰ গল্পত বানাক্রান্ত অঞ্চল এটাৰ বাইজৰ বিলাই বিপত্তি, অনুজ বৰুৱাৰ গল্পত বেণুবাদক শিল্পী এজনৰ অন্তৰত জাগি উঠা বিদ্রোহী চেতনা আদি প্রকট হৈ উঠিছে। লগতে অসমৰ বিদেশী খেদা আন্দোলনত পঙ্গু হোৱা একোটা চৰিত্ৰৰে সৈতে গঢ়ি উঠা ব্যক্তিগত আৱেগ-অনুভূতিৰ ছবি প্ৰতিফলিত হৈছে জ্যোৎস্না বৰা, কানাই গগৈ আৰু প্ৰদীপ মেধিৰ গল্পত। আনহাতে ইংৰাজী বিভাগত ছটা প্ৰবন্ধ আৰু দুটা কবিতা সন্নিৱিষ্ট হৈছে। সম্পাদকীয় শিতানত প্ৰদ্যোত বৰুৱাই সমাজ পৰিৱৰ্তনত সাহিত্যৰ ভূমিকা আৰু মহাবিদ্যালয় তথা মহাবিদ্যালয় আলোচনীৰ ওপৰত চমু আলোকপাত কৰিছে।

যুৱ উচ্ছৃংখলতাৰ বিপৰীতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইয়াৰ প্ৰতিকাৰৰ কিছু পৰামৰ্শ আৰু অসম চুক্তি ৰূপায়ণৰ সন্দৰ্ভত জোৰ দি লিখা সম্পাদকীয়ৰ পৱিত্ৰ গগৈৰ সম্পাদনাত ষষ্ঠদশ সংখ্যাটি প্ৰকাশ হয় ১৯৮৬-৮৭ খ্ৰীষ্টাব্দত। এই সংখ্যাত কবিতা সম্পৰ্কীয় তিনিটা, সমাজ নীতি-ৰাজনীতিৰ সম্পৰ্কীয় তিনিটা, বিজ্ঞান সম্পৰ্কীয় দুটা, চলচ্চিত্ৰ সম্পৰ্কীয় এটা মুঠতে এঘাৰটা লেখা প্ৰবন্ধ শিতানত প্ৰকাশ পাইছে। এই সংখ্যাৰ কবিতা কেইটিত নৈসৰ্গিক সৌন্দৰ্য, প্ৰেম, বিপ্লৱ, আশা আদিৰ চিত্ৰ পৰিস্ফুটিত হৈছে। ইয়াৰ ভিতৰত নৱজ্যোতি বৰুৱা আৰু মুক্তা নেওগৰ কবিতাই কিছু সম্ভাৱনাৰ স্বাক্ষৰ বহন কৰিছে। আনহাতে ৰাজীৱ কুমাৰ বৰাৰ কবিতাটি মেদ বহুলতা বৰ্জন কৰি নিটোল ৰূপ দিয়াৰ স্থল আছিল। কবি ৰাম গগৈৰ স'তে এটি অন্তৰঙ্গ আলাপ এই সংখ্যাটিৰ উল্লেখযোগ্য সংযোজন। ইংৰাজী বিভাগত মীনাক্ষি গগৈ, নীলিমা শুক্লাৰ দুটা কবিতা, মানসী বৰঠাকুৰৰ পৰিৱেশ প্ৰদূষণ সম্পৰ্কীয় এটা প্ৰবন্ধৰ সৈতে দহটা লেখা প্ৰকাশ পাইছে। বৈদুৰ্য বৰুৱাৰ দুখন কাৰ্টুন 'ধূসৰ আবেলি' আৰু 'আশা' শীৰ্ষক দুখন পোহৰ ছবিৰ লগতে জ্যোৎস্না বৰুৱাৰ অনূদিত তিনিটা শ্বায়েৰী ইয়াত সংযোজিত হৈছে।

অসমীয়া বিভাগত নটা প্ৰবন্ধ, আঠটা কবিতা, তিনিটা অনুবাদ কবিতা, এটা অনুবাদ গল্পকে ধৰি পাঁচটা চুটি গল্প, এখন একাংকিকা আৰু ইংৰাজী বিভাগত এটা কবিতাকে ধৰি ছটা লেখনিৰে সমৃদ্ধ হৈছে নৱজ্যোতি বৰুৱা আৰু মহেন্দ্ৰ সোণোৱালৰ সম্পাদনাৰে ১৯৮৭-৮৮ খ্ৰীঃত প্ৰকাশিত সপ্তদশ সংখ্যাটি। নলিনীবালা দেৱীৰ কবিতাৰ অন্তৰালত নিহিত ৰহস্যবাদী ধ্যান-



ধাৰণা বিভিন্ন পংক্তিৰ উদ্ধৃতিৰে আলোচনা আগবঢ়াইছে ৰবীন সোণোৱালে। আনহাতে অসমীয়া ভাষা আৰু ইয়াৰ প্ৰয়োগৰ সমস্যাৰাজি দাঙি ধৰি এই সন্দৰ্ভত দুই এটা লাগতিয়াল পৰামৰ্শ আগবঢ়াইছে পীতাম্বৰ চৰাইমূৰীয়াৰ প্ৰবন্ধত। প্ৰবক্তা ভুবন গগৈৰ 'শব্দ-শিল্প-ভাষা-কবিতা' শীৰ্ষক প্ৰবন্ধটিত বিষয়বস্তু বিশ্লেষণৰ বৈশিষ্ট্য মন কৰিবলগীয়া। বিজ্ঞানসন্মত দৃষ্টিভংগীৰে লোক-কৃষ্টিৰ গতি-প্ৰকৃতি নিৰূপণ পদ্ধতি সম্পৰ্কে আলোচনা দাঙি ধৰা প্ৰবক্তা অপূৰ্ব ভাস্কৰ গগৈৰ প্ৰবন্ধটি এই শিতানত উচ্চস্তৰীয় লেখনী। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰক পুণ্যলতা দত্তই সংশ্লিষ্ট বিধি সম্পৰ্কত কৰা আলোচনাৰে সমৃদ্ধ প্ৰবন্ধটিৰ লগতে মুক্তনাথ নেওগৰ বিশ্ব মানৱৰ প্ৰতি ভাবুকি পাৰমাণৱিক সমবসজ্জা, আৰতি সোণোৱালৰ চাৰ্লি চেপলিনৰ যুগজয়ী প্ৰতিভা, ৰঞ্জনা গগৈৰ বাৰ্মুডা ৰহস্য আৰু দিলীপ মৰাণৰ বৈজ্ঞানিক দৃষ্টিভংগী গঢ়ি তোলাৰ জৰিয়তে অন্ধবিশ্বাস নিবাকৰণৰ ওপৰত লিখা প্ৰবন্ধকেইটি এই শিতানৰ অন্যতম লেখা। এই সংখ্যাৰ কবিতা থুপিৰ ভিতৰত শান্তনা শৰ্মা, দিগন্ত ভাজনী, বিশ্বজিৎ কাকতি আৰু কানাই গগৈৰ কবিতাৰ কাব্যিক অভিব্যক্তি চকুত লগা। গল্পসমূহৰ ভিতৰত বিউটি দাসৰ গল্পত পদমৰ্যাদাই সৃষ্টি কৰা বাধাৰ বাবে এগৰাকী অসহায় নাৰীৰ চৰম বিপদৰ সময়ত সহায় কৰিব নোৱাৰাৰ দোষত বিবেক দংশনত ভোগা এজন ব্যক্তিৰ কথা, নৱজ্যোতি বৰুৱা আৰু লক্ষেশ্বৰ চুতীয়াৰ গল্পদুটাত একোজন ডিগ্ৰীধাৰী নিবনুৱাৰ মনৰ যন্ত্ৰণা, কিৰণ ৰাজখোৱাৰ গল্পত জাতিভেদৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা এজন যুৱকৰ নৈতিক পৰাজয়ৰ কাহিনী বৰ্ণিত হৈছে। বিশ্বৰ বিভিন্ন ক্ষেত্ৰত দেখা দিয়া অস্থিৰতা ওপৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই সংখ্যাৰ সম্পাদকদ্বয়ে সম্পাদকীয়টো যুগুত কৰিছে। লগতে যুৱ-সমাজৰ এই পৰিস্থিতিত সঠিক ভূমিকা গ্ৰহণৰ আহ্বানো জনাইছে তেওঁলোকে সম্পাদকীয় লেখাটিত।

অষ্টাদশ সংখ্যাটি সীমান্ত প্ৰতীম ঠাকুৰৰ সম্পাদনাত প্ৰকাশ পায় ১৯৮৯-৯০ খ্ৰীষ্টাব্দত। ভাৰতত দেখা দিয়া বিচ্ছিন্নতাবাদৰ কাৰণ আৰু এই প্ৰৱণতা জনগণৰ মনৰ পৰা আঁতৰ কৰিবলৈ ল'ব পৰা কিছু ব্যৱস্থাৰ উল্লেখেৰে প্ৰবক্তা অঞ্জন বৰঠাকুৰৰ সময়োপযোগী নিৱন্ধৰে সৈতে এই সংখ্যাত নটা প্ৰবন্ধ অন্তৰ্ভুক্ত হৈছে। গল্প শিতানত উৎপল নেওগৰ বিহুৰ আগমনত এটা অভাৱগ্ৰস্ত পৰিয়ালত দেখা দিয়া সমস্যা আৰু ইয়াৰ পটভূমিত সৃষ্টি হোৱা

এটা আৱেগিক মুহূৰ্তৰ চিত্ৰণেৰে ৰচিত গল্পটোৰ সৈতে মুঠ চাৰিটা গল্প সন্নিৱিষ্ট হৈছে। গল্পসমূহত কিছু বিসংগতিকে ধৰি নিৰ্মাণ শৈলীৰ শিথিলতা পৰিলক্ষিত হয়। পাঁচটা অনুবাদ কবিতাসহ আঠোটা কবিতা, কবিতা শিতানত অন্তৰ্ভুক্ত হৈছে। সংখ্যাটিত ইংৰাজী বিভাগত চাৰিটা লেখা প্ৰকাশ পাইছে। সমকালীন কেতবোৰ পৰিঘটনাৰ উল্লেখেৰে সম্পাদকীয় লেখাটি যুগুতাইছে। পূৰ্বৰ তুলনাত এই সংখ্যাটিৰ লেখনীসমূহৰ মানদণ্ড ৰক্ষাৰ ক্ষেত্ৰত লেখকসকল বিফল হোৱা দেখা গৈছে।

ঊনবিংশ সংখ্যাটি প্ৰকাশ হয় ১৯৯১-৯২ চনত দিব্যজ্যোতি বৰুৱাৰ সম্পাদনাত। অসমৰ কৃষক সমাজৰ সমস্যা, অসমৰ জ্বলন্ত সমস্যা ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণত কেন্দ্ৰ চৰকাৰৰ অনীহা, ডেৰশ বছৰ অতিক্ৰম কৰা অসম বাতৰি কাকত এচামৰ দুৰ্বল স্থিতি, শিক্ষাৰ অনুষ্ঠানত ৰেগিঙৰ বিৰূপ প্ৰভাৱ, এই দিশকেইটি অৱলোকনেৰে যুগুত কৰা সম্পাদকীয়ৰে ছটা প্ৰবন্ধ, সাতটা গল্প, তেৰটা কবিতা আৰু সংগীত শিল্পী অৰুণ দাসৰ সৈতে সাক্ষাৎকাৰেৰে এই সংখ্যাটিৰ অসমীয়া বিভাগটো সমৃদ্ধ হৈছে। জ্যেষ্ঠ প্ৰবক্তা অপূৰ্বভাস্কৰ গগৈৰ প্ৰবন্ধ 'অন্ধবিশ্বাস ঃ বৈজ্ঞানিক সত্যৰ অন্তৰায়' এই সংখ্যাৰ এটা চিন্তা উদ্দীপক লেখা। বিহু শব্দৰ বুৎপত্তি, ইয়াৰ উৎস, পৰম্পৰা, দৰ্শন, বিহুগীতৰ সাহিত্যিক মূল্যায়ন ইত্যাদি বিভিন্ন দিশ সামৰি প্ৰবক্তা নোমল গগৈ আৰু সমাজ বিকাশৰ সংগ্ৰামত শিল্প-সাহিত্যৰ ভূমিকা সম্পৰ্কত বিভিন্ন উদ্ধৃতিৰে যুগুত কৰা প্ৰবক্তা কনক কুমাৰ চন্দৰ প্ৰবন্ধ দুটি সংখ্যাটিৰ অন্যতম লেখা। সীমাজ্যোতি বৰুৱাৰ নেলচন মেণ্ডেলাৰ সংগ্ৰামী জীৱন, সত্যজিৎ গগৈৰ প্ৰদূষণৰ ভয়াৱহতা আৰু বিকাশ মৰাণৰ সাংবাদিকতাৰ ইতিহাস এই বিষয়কেইটিৰ অনুকূলে ভালেখিনি তথ্য এই শিতানৰ বাকী প্ৰবন্ধকেইটাত প্ৰকাশ পাইছে। এই সংখ্যাৰ গল্পকেইটি দুৰ্বল প্লট, ত্ৰুটিপূৰ্ণ উপস্থাপন আৰু গতিৰ বৈচিত্ৰ্যহীনতাৰ বাবে সুখপাঠ্য হৈ নুঠিল। সংগীতা সোণোৱালৰ গল্পটিত অংকিত ৰেগিঙৰ নামত আতিশয্য বলি হোৱা এগৰাকী নৱাগতাৰ মনোবেদনাৰ ছবিখন কিছু ফলদায়ক হৈছে। কবিতাকেইটিৰ ভিতৰত বিষ্ণু প্ৰসাদ গগৈ আৰু প্ৰশান্ত কটকীৰ কবিতাই কিছু সাৰ্থকতা দাবী কৰিব পাৰে। 'War' শিৰোনামাৰে চন্দন নন্দীৰ এখন অৰ্থৱহ ছবি আৰু প্ৰবক্তা মদন শৰ্মাৰ ৰচিত আৰু বিজন দত্তৰ সুৰাৰোপিত মহাবিদ্যালয় সংগীতটি এই সংখ্যাত ঠাই



পাইছে। ইংৰাজী বিভাগত তিনিটা কবিতাকে ধৰি মুঠ নটা লেখা প্ৰকাশিত হৈছে। দিগন্ত বৰুৱাৰ 'The games of examination' আৰু ওম প্ৰকাশ গগৈৰ 'My India' শীৰ্ষক কবিতা দুটি 'Wit' ৰ গুণেৰে সমৃদ্ধ। লগতে মদন পাটনায়কৰ 'Friendship' কবিতাটি বিষয়ানুৰূপ কাব্যিক বৰ্ণনা।

বেটুপাতৰ তিনিটা পৃষ্ঠাকে অৰ্থৱহ ছবিৰে সজাই এক বুজন কলেৱৰৰ বিংশ সংখ্যাটি গজেন ভূঞাৰ সম্পাদনাত প্ৰকাশিত হয় ১৯৯৫-৯৬ খ্ৰীঃত। সংখ্যাটিৰ প্ৰবন্ধ শিতানত ছটা অসমীয়া আৰু দহটা ইংৰাজী প্ৰবন্ধ অন্তৰ্ভুক্ত হৈছে। প্ৰবক্তা জয়া ভৰালী হাজৰিকাই শিল্পৰ গুণগত মান উন্নয়নৰ বাবে ল'ব পৰা ব্যৱস্থাসমূহৰ ওপৰত আলোকপাত কৰি এটি শিক্ষা সম্পৰ্কীয় প্ৰবন্ধ আগবঢ়াইছে। প্ৰবক্তা কনক কুমাৰ চন্দৰ প্ৰবন্ধত তচলিমা নাচৰিণৰ কবিতাত নাৰী মুক্তিৰ ধ্বনিৰ সম্পৰ্কত, প্ৰবক্তা অঞ্জন বৰঠাকুৰৰ প্ৰবন্ধত ধূমপানৰ ফলত মানৱদেহত হ'ব পৰা বিকাৰ সম্পৰ্কত, ভাস্কৰজ্যোতি গগৈৰ প্ৰবন্ধত জনজীৱনৰ প্ৰতিচ্ছবি লোকসংস্কৃতিৰ স্বৰূপ সম্পৰ্কত, ৰূপেশ্বৰ গগৈৰ প্ৰবন্ধত অসমীয়া মহিলা কবিসকলৰ সম্যক পৰিচয় আৰু ড° অপূৰ্ব ভাস্কৰ গগৈৰ প্ৰবন্ধত ভূতৰ অস্তিত্বহীনতাৰ ওপৰত চেতনা উদ্দীপক আলোচনা দাঙি ধৰিছে। এই সংখ্যাৰ কবিতাখিনিৰ হৰজিত বৰুৱা, নিবেদিতা বৰুৱা, জয়ন্ত ফুকন ইস্পিতা দেৱী, মৃদুলা সোণোৱালৰ কবিতাত আশা, দীক্ষিতা হাজৰিকা আৰু ময়ূৰী বৰাৰ কবিতাত মানৱতা, যোগেশ্বৰ মৰাণ, অৰূপ কোঁৱৰ, উত্তম গোহাঁই, ৰুলি গগৈৰ কবিতাত নৈসৰ্গিক চিত্ৰ, জীৱন কৃষ্ণ ডেকা, প্ৰশান্ত শইকীয়া, প্ৰতিভা কলিতা, দীপক মৰাণৰ কবিতাত বিৰহ আৰু আশা ভংগ, জীৱনবোধ, মানস কুমাৰ দত্তৰ কবিতাত নাৰীৰ অভ্যন্তৰীণ সৌন্দৰ্য আৰু সঞ্জীৱ দাসৰ কবিতাত কাব্য সৃষ্টিৰ প্ৰেৰণাৰ কথা প্ৰকাশ পাইছে। গল্পৰ শিতানত দিবাকৰ হাজৰিকাৰ গল্পত উগ্ৰপন্থী যুৱকৰ আত্মদংশন, বিকাশ বৰুৱাৰ গল্পত নিঃস্ব এজনী ছোৱালীৰ কাহিনী, মুকুট গোহাঁই গল্পত মুক্তি আসন্ন এজন কয়দীৰ কাৰাদণ্ডৰ অন্তৰালৰ কাহিনী, বিপুল বৰুৱাৰ গল্পত অৱক্ষয়মান সমাজৰ প্ৰতি এজন তৰুণ কবিৰ প্ৰতিক্ৰিয়াই ঘাই উপজীৱ্য হিচাপে ঠাই পাইছে। অপ্ৰয়োজনীয় বৰ্ণনা কম কৰি গল্পসমূহ অধিক ৰসঘন আৰু ইঙ্গিতময় কৰি তোলাৰ থল আছিল। এই সংখ্যাত ড° নোমল গগৈৰ বেংকক ভ্ৰমণ আৰু কমলাকান্ত কুমাৰৰ নামদফা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ একোটিহঁত

মনোৰম কাহিনী সংযোজিত হৈছে। উল্লেখযোগ্য যে মনোজ্জ্বল সন্দিকৈৰ এখনি একাংকিকা নাটেও এই সংখ্যাত স্থান পাইছে। দুগৰাকী প্ৰাক্তন ছাত্ৰ বৈদুৰ্য বৰুৱা আৰু পিংকুমণি খাউণ্ডৰ তেওঁলোকৰ পঢ়ি থকা কালৰ কেতবোৰ আমোদজনক ঘটনাৰ উল্লেখেৰে যুগুত কৰা স্মৃতি লেখা দুটিৰ সংযোজন এই সংখ্যাটিৰ লক্ষণীয় দিশ। সুৰজিত ভট্টাচাৰ্যৰ স্কেছ আৰু কাৰ্টুনৰ লগতে প্ৰদীপ মৰাণ, জয়ন্ত গগৈ আৰু গজেন কুমাৰ ভূঞাৰ অলংকৰণেৰে সংখ্যাটি চকুত লগা বিধৰ। জয়ন্ত গগৈৰ সংগ্ৰহ আৰু সংকলনেৰে 'শিৰোনামাতঃ তুমি; প্ৰেম, ভালপোৱা ইত্যাদি' নামৰ শিতানটো সংখ্যাটিৰ অন্যতম সংযোজন। মহাবিদ্যালয় সপ্তাহৰ সাহিত্য আৰু প্ৰাচীৰ পত্ৰিকা 'ভাস্কৰ'ৰ নিৰ্বাচিত অংশ প্ৰকাশ এই সংখ্যাৰ আন এটি উল্লেখনীয় দিশ। যুৱ সমাজৰ নৈতিক স্খলনত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইয়াৰ কাৰকসমূহৰ ওপৰত আলোকপাতেৰে সম্পাদকীয়টি যুগুত কৰিছে এই সংখ্যাৰ সম্পাদকে। 'তিনিচুকীয়ান' শব্দটিয়ে ইয়াৰ পৃষ্ঠাসমূহত কিয় ঠাই পালে বুজি পোৱা নগ'ল।

অসমীয়া বিভাগত তেৰটা প্ৰবন্ধ, বাইশটা গল্প, দুখন উপন্যাসিকা, পোন্ধৰটা কবিতা আৰু অন্যান্য কিছু লেখনিৰে সমৃদ্ধ হৈ বৃহৎ কলেজৰৰ একবিংশ সংখ্যাটি ১৯৯৭–৯৮ খ্ৰীঃত প্ৰকাশ পাইছে প্ৰাঞ্জন প্ৰতীম বুঢ়াগোহাঁইৰ সম্পাদনাত। এই সংখ্যাৰ প্ৰবন্ধ শিতানৰ ড° নোমল গগৈৰ প্ৰবন্ধত নৱ বৈষ্ণৱ আন্দোলনত শংকৰদেৱৰ বৈশিষ্ট্যপূৰ্ণ অনুপম অৱদান সম্পৰ্কে দাঙি ধৰাৰ লগতে মহান ব্যক্তিজনাক সৰ্বভাৰতীয় আসনত তুলি ধৰিব নোৱাৰাত আক্ষেপ প্ৰকাশ কৰিছে। প্ৰবক্তা লীলাসেন তামুলীয়ে এইডচৰ ভয়াৱহতা আৰু ইয়াৰ প্ৰতিৰোধ সম্বন্ধে লিখা সময়োচিত প্ৰবন্ধটো এই শিতানৰ উল্লেখনীয় লেখনী। সঞ্জীৱ পাটোৱাৰীৰ নিকোলাই অষ্ট্ৰভস্কিৰ অমৰ সৃষ্টি 'ইস্পাত'ৰ জন্ম কাহিনী, অয়ন দত্তৰ প্ৰথম মহিলা ৰাজ্যপাল সৰোজিনী নাইডুৰ জীৱনৰ বিষয়ে আলোকপাত, বন্তি সন্দিকৈৰ সাম্প্ৰতিক কালৰ কবিতাৰ এটি চমু অলচ, জুপিতৰা ফুকনৰ আড্ডাৰ কিছু ইতিবাচক দিশ, ওম প্ৰকাশ ঠাকুৰৰ সাম্প্ৰতিক সামাজিক অৱক্ষয়ৰ বিপৰীতে যুৱসমাজে ল'ব লগা সচেতন ভূমিকা, মৃগাংক বৰাৰ তথাকথিত আধুনিকতাৰ গৰাহত বিহুৰ বিপন্নপ্ৰায় স্বকীয়তাৰ সন্দৰ্ভত, পল্লৱী ফুকনৰ প্ৰকৃত মানৱীয় গুণৰাশিৰে চাৰিত্ৰিক উৎকৰ্ষ সাধন কৰিব পৰা শিক্ষা গ্ৰহণৰ ওপৰত, উদয়ানন্দ বৰগোহাঞিৰ ভাৰতত প্ৰচলিত



পুথিগত শিক্ষাৰ সমস্যাৰ সম্পৰ্কত নিৰ্মোহ পৰ্যালোচনা আৰু মানসজ্যোতি হাজৰিকাৰ কল্পনা চাওলাৰ সম্পৰ্কত লিখা প্ৰবন্ধসমূহে এই শিতানত স্থান লাভ কৰিছে। মৰম চাংমাইৰ কাব্য প্ৰতিভাৰ ওপৰত কৰা জয়ন্ত মাধৱ সোণোৱালৰ এটি আলোচনা শিতানটিত সংযোজিত হৈছে। দুটি শিক্ষামূলক ভ্ৰমণৰ টোকাও ইয়াত অন্তৰ্ভুক্ত হৈছে। এই সংখ্যাৰ গল্প শিতানৰ সৰহ সংখ্যক গল্পৰে মূল বিষয়বস্তু প্ৰেম আৰু প্ৰেমজনিত বিৰহ লগতে ব্যৰ্থ প্ৰেমিকৰ অপহৰণ, জোৰ জুলুমৰ বিপৰীতে জীৱন যুদ্ধত জয়ী হোৱা সফলতা লাভৰ পৰিঘটনাও কোনো গল্পত ঠাই পাইছে। এইক্ষেত্ৰত সুৰজিত বৰুৱাৰ গল্পটিৰ উপস্থাপন ৰীতি কিছু চকুত লগা। দেৱজিত ডেকা, ডলী মৰাণ আৰু মনোজ গগৈৰ গল্পত উগ্ৰবাদৰ ধামখুমীয়াত এচাম যুৱকৰ আত্মজাহৰ কৰুণ ছবি পৰিস্ফুট হৈছে। প্ৰাঞ্জলজ্যোতি বৰকটকীৰ গল্পত এপ্ৰিল ফুলৰ নামত এজন জ্যেষ্ঠ ব্যক্তিক লৈ কৰা নিৰ্দোষ ধেমালি আৰু এই ক্ষেত্ৰত ব্যক্তিজনৰ ৰসিকতাপূৰ্ণ ভূমিকাৰ এখন ছবি দাঙি ধৰিছে। বৰ্তমান হত্যা–লুণ্ঠনেৰে ভৰা অশান্ত পৰিৱেশৰ বলি হোৱা এহাল ভাই–ভনীয়ে পৰিয়ালৰ প্ৰতি দেখুওৱা দায়িত্বশীলতাৰ বিপৰীতে তেওঁলোকৰ উচ্চ শিক্ষিত জ্যেষ্ঠ ভাতৃয়ে প্ৰদৰ্শন কৰা চৰম দায়িত্বহীনতাৰ ফলশ্ৰুতিত পৰিয়ালটোলৈ নামি অহা এখন কৰুণ ছবি ফুটি উঠিছে পল্লৱী ফুকনৰ গল্পত। এই সংখ্যাত পুলক কুমাৰ গগৈ আৰু তৰুণ বৰুৱাৰ দুখন উপন্যাসিকা সংযোজন ঘটিছে। কবিতা শিতানত প্ৰাক্তন ছাত্ৰী ডাঃ নিলাক্ষী চলিহাৰ কবিতাটিত কবিৰ কাব্য পৰিক্ৰমা আশাপ্ৰদ। আইমণি গগৈৰ পাই হেৰুৱাৰ বেদনা জৰ্জৰিত হৃদয়ৰ আকুলতা, কুলদীপ গোহাঁইৰ কবিতাত মুক্তিকামী বিপ্লৱী জনতাৰ জয়গান, সুনীল কুমাৰ বড়াৰ কবিতাত নতুন যুগৰ বন্দনা, যতীন হাজৰিকাৰ কবিতাত প্ৰহেলিকাময় কোনো এক নাৰীৰ কাব্যিক বৰ্ণনা, পুষ্পধৰ মৰাণৰ কবিতাত সাম্প্ৰতিক কালৰ ভয়াৱহ কুটিল ছবি, পৰিণীতা দত্ত, দেৱজিৎ দাস, পুলকেশ চেতিয়াৰ কবিতাত বাৰিষাৰ ভঙা–গঢ়াৰ একোটি কাব্যিক চিত্ৰ, শৰত কোঁৱৰৰ কবিতাত মুক্তিৰ গান, মুন কুমাৰ দাসৰ কুৰিটি বসন্তই গৰকা জীৱনৰ আশা নিৰাশাৰ বাংময় চিত্ৰ, প্ৰাঞ্জলজ্যোতি সন্দিকৈৰ কবিতাত কপট প্ৰেমত বিধ্বস্ত হৃদয়ৰ বিননি, বিদ্যুৎ বিকাশ শইকীয়াৰ কবিতাত জীৱনৰ তিনিটা স্কেচ আদিয়ে ঠাই পাইছে। পাৰ্থপ্ৰতীম বৰগোহাঞিয়ে ক্ৰিকেট জগতৰ অভিশপ্ত শব্দ বডিলাইন সম্পৰ্কত

কিছু কথা অৱতাৰণা কৰিছে ক্ৰীড়া শিতানটিত। লগতে মনোজ গগৈৰ দুখন কাৰ্টুন চিত্ৰই এই সংখ্যাত স্থান লাভ কৰিছে। এই সংখ্যাৰ ইংৰাজী শিতানটোত কিছু ব্যৱহাৰিক গুৰুত্ব থকা লেখনীয়ে ঠাই পাইছে।

দ্বাবিংশ সংখ্যাটি সমৃদ্ধ হৈছে চৈধ্যটা প্ৰবন্ধ, পাঁচটা গল্প, এখন উপন্যাসিকা, দহটা কবিতা আৰু নিকুমণি বৰুৱাৰ এটি সাক্ষাৎকাৰেৰে। লগতে এই মহাবিদ্যালয়ৰ ডক্টৰেট ডিগ্ৰী লাভ কৰা তিনিগৰাকী প্ৰবক্তাৰ Qualification Achievement–ৰ বিষয়েও সন্নিৱিষ্ট হোৱাৰ উপৰিও সংক্ষিপ্ত টোকা প্ৰকাশ উল্লেখযোগ্য সংযোজন। প্ৰাচীৰ পত্ৰিকা ‘ভাস্কৰ’ৰ এটি চুটি লেখা আৰু এখন অৰ্থৱহ ছবি এই সংখ্যাত ঠাই পাইছে। প্ৰবন্ধ শিতানৰ অন্তৰ্গত বিনোদ চেতিয়াৰ অসমীয়া ভাষাত প্ৰকাশিত বিভিন্ন বিষয়ক আলোচনীৰ সম্যক পৰিচয় আৰু সমাজ–জীৱনত এইবিলাকে ল’ব পৰা ভূমিকাৰ উল্লেখেৰে লিখা প্ৰবন্ধটি সুলিখিত। সংগীতৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি মানৱ জীৱনত ইয়াৰ প্ৰভাৱ সম্পৰ্কে অনিমেষ কলিতা আৰু সমাজ সংগঠনত শংকৰদেৱৰ দ্বাৰা আৰোপিত ৰীতি–নীতিৰ মাজত দেখা পোৱা বৈজ্ঞানিক দৃষ্টিভংগীৰ ওপৰত কৰা বৈজ্ঞানিক আলোচনাৰে মৃদুল কুমাৰ ডেকাই যুগুত কৰা প্ৰবন্ধ দুটিত কিছু ইতিবাচক দিশ মন কৰিবলগীয়া। প্ৰৱক্তা জয়া ভৰালী হাজৰিকাৰ ‘মহিলা আৰু সাংবাদিকতা’ শীৰ্ষক প্ৰবন্ধটো দিক্‌নিৰ্দেশক সময়োচিত লেখনী। প্ৰদীপ কুমাৰ গগৈৰ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিসকলৰ শাসনকালৰ তালিকাৰ লগতে কেইগৰাকীমানৰ ব্যক্তিগত জীৱনৰ আমোদজনক ঘটনাৰে তেওঁৰ লেখাটো যুগুতাইছে। প্ৰবক্তা কনক কুমাৰ চন্দই পিটাৰ ব্ৰুকৰ প্ৰতিভা আৰু বিশ্ব প্ৰেক্ষাপটত মহাভাৰতক নব্য ৰূপত কৰা উপস্থাপন সম্পৰ্কে কিছু কথা দাঙি ধৰিছে তেওঁৰ লেখাটিত। কুলদীপ গোহাঁইৰ লেখনীত বিষ্ণু ৰাভাৰ গীতৰ মাজত লুকাই থকা প্ৰেম, প্ৰতিবাদ, বিপ্লৱ আদিৰ ধ্বনিৰ কথা বৰ্ণিত হৈছে। এই সংখ্যাৰ গল্পসমূহত প্ৰেম, বন্ধুত্ব, মহাবিদ্যালয়ৰ টুকুৰা ছবি, ব্যক্তিগত অভিজ্ঞতা, সমকালীন সময়ৰ প্ৰতিচ্ছবি আদি চিত্ৰণত লেখকসকলে কিছু সফলতা লাভ কৰা দেখা গৈছে। এই সংখ্যাত এখন উপন্যাসিকা (পুলক গগৈৰ) সংযোজন ঘটিছে। কবিতা শিতানত প্ৰকাশিত কবিতাসমূহৰ ভিতৰত অনিমেষ চেতিয়া, পুলক কুমাৰ



গগৈ, চক্ৰেশ্বৰ মৰাণৰ কোনো কোনো স্তৱকত সুন্দৰ কাব্যিক ব্যঞ্জনা ফুটি উঠা পৰিলক্ষিত হয়। এই সংখ্যাৰ সম্পাদক অমৃতৰাজ ফুকনে মহাবিদ্যালয়ৰ জন্মক্ষণৰ কিছু কথাৰ লগতে মানৱীয় মূল্যবোধ জগাই তুলিব পৰা শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁৰ সম্পাদকীয়টি যুগুত কৰিছে।

ভোগবাদী সমাজ ব্যৱস্থাৰ ধামখুমীয়াত নিজৰ শক্তি হেৰুৱাই পেলাব খোজা ছাত্ৰ–শক্তিক পুনৰোজ্জীৱিত কৰি অনিক গগৈয়ে সম্পাদনা কৰা ২০০০–২০০১ খ্ৰীঃত প্ৰকাশিত ত্ৰয়োবিংশ সংখ্যাটিৰ অসমীয়া বিভাগত অন্তৰ্ভুক্ত হৈছে এঘাৰটা প্ৰবন্ধ, দহটা গল্প, এখন উপন্যাসিকা, এখন নাটক আৰু এঘাৰটা কবিতা। ইংৰাজী বিভাগত ঠাই পাইছে সাতটা কবিতাৰে সৈতে দহটা লেখা। লগতে প্ৰাচীৰ পত্ৰিকা ‘ভাস্কৰ’ৰ নিৰ্বাচিত কেইটিমান লেখনীও ইয়াত সংযোজিত হৈছে। শংকৰদেৱৰ বিভিন্ন ৰচনাৰাজিৰ সাহিত্যিক সৌন্দৰ্য, বিষয়বস্তু অনুসাৰে শ্ৰেণী বিভাজন আৰু ইয়াত থকা বিভিন্ন ৰস আৰু অলংকাৰ সমূহৰ পৰিচয়জনক তথ্যৰে ড° নোমল গগৈৰ এটি গধুৰ প্ৰবন্ধৰে প্ৰবন্ধ শিতানটো আৰম্ভ হৈছে। প্ৰবক্তা দেৱানন্দ ভট্টাচাৰ্যৰ কৰ্মৰ ওপৰত শ্ৰেষ্ঠত্ব আৰোপ কৰা গীতাৰ দৰ্শনৰ ওপৰত কৰা আলোকপাত আৰু প্ৰবক্তা লীলাসেন তামুলীৰ শংকৰদেৱৰ ধৰ্মনীতিত সমস্ত জীৱৰে প্ৰতি হিংসামুক্ত হ’বলৈ কেনেদৰে আহ্বান জনাইছে তাৰে এটি আলোচনাৰে এই শিতানৰ আন দুটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। অতীতৰ অসমীয়া নাৰীৰ মহিমামণ্ডিত ঐতিহ্যক সুঁৱৰি আজিৰ নাৰীসমাজক অসমৰ সৰ্বাঙ্গীণ উন্নতিৰ হকে আগবাঢ়ি আহিবলৈ আহ্বান জনাই প্ৰবক্তা জয়া ভৰালী হাজৰিকাই লিখা প্ৰবন্ধটো আন এক উল্লেখনীয় সংযোজন। দেশ প্ৰগতিশীল কৰি তুলিবলৈ হ’লে বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন ঘটাই অৰ্থ ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি গঢ় দিবলৈ পৰামৰ্শ দাঙি ধৰিছে সুভজিৎ চুতীয়াৰ প্ৰবন্ধত। সাম্প্ৰতিক যুৱ মানসিকতাৰ বিষয়ে আলোচনা কৰি লবিন মেধিয়ে, শিশু শ্ৰমিক মানৱ সভ্যতাৰ কলংক স্বৰূপে চিহ্নিত কৰি প্ৰাঞ্জল প্ৰতীম বুঢ়াগোহাঁয়ে, তিনিচুকীয়া জিলাখনৰ প্ৰতি ভাবুকি স্বৰূপ অনন্ত নলাৰ ওপৰত চাক্ষুষ বিৱৰণেৰে ঋতু বৰুৱাই যুগুত কৰা প্ৰবন্ধসমূহ এই সংখ্যাৰ অন্যতম লেখা। লগতে উৎপল শইকীয়া (চিনিয়ৰ আণ্ডাৰ অফিচাৰ)ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু বিকাশ গগৈৰ বৰ্ত্তমান বিশ্বৰ অন্যতম জনপ্ৰিয় ক্ৰীড়া মাৰ্চিয়েল আৰ্টৰ

বিষয়ে জানিবলগীয়া কথাৰ অৱতাৰণাৰে এই শিতানত দুটি ভিন্ন স্বাদৰ প্ৰবন্ধ ইয়াত সন্নিৱিষ্ট হৈছে। গল্প শিতানৰ উদয়ন শৰ্মা আৰু বিচিত্ৰা চিৰিঙৰ গল্পত উগ্ৰপন্থীৰ নামত একোজন নিৰপৰাধী যুৱকৰ ওপৰত হোৱা নিৰ্যাতন, দিগন্ত গগৈৰ গল্পত এগৰাকী নাৰীয়ে গোপনে লালন কৰা প্ৰতিহিংসা, অংকন শইকীয়া, সন্দীপ মৰাণ আৰু ৰেব মৰাণৰ গল্পত ব্যৰ্থ প্ৰেম, দুৰ্লভ বৰগোহাঁই, নিৰু গগৈ আৰু নমি গগৈৰ গল্পত প্ৰেমৰ মিলনাত্মক চিত্ৰ ঘাই উপজীব্য হিচাপে ঠাই পাইছে। এইসকল লেখকে সমাজৰ আন আন সমস্যা তথা সংঘাত সমূহো গল্পৰ বিষয়বস্তু হিচাপে পৰিস্ফুট কৰাৰ প্ৰচেষ্টা হাতত ল'ব বুলি আশা কৰা হ'ল। এইক্ষেত্ৰত বছৰটোৰ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা গল্পকাৰ নমি গগৈৰ অসম বন্ধই এজন শ্ৰমজীৱীৰ জীৱনলৈ কঢ়িয়াই অনা দুৰ্যোগৰ কথাৰে লিখা গল্পটিৰ আঁৰত থকা প্ৰচেষ্টা আদৰণীয়। পুলক কুমাৰ গগৈৰ উপন্যাসিকখনৰো মূল উপজীব্য প্ৰেম। উগ্ৰপন্থী সমস্যাজৰ্জৰিত ৰাজ্যখনত এচাম দুষ্কৃতিকাৰীয়ে খালৈতে জাঁকে বোৱাৰ মনোবৃত্তিৰে কৰা লুণ্ঠনৰ এক প্ৰতিচ্ছবি দাঙি ধৰিছে প্ৰাক্তন ছাত্ৰ পিংকুমণি খাউণ্ডে তেওঁৰ একাংকিকাখনৰ জৰিয়তে। কবিতা শিতানত ব্যক্তিগত আৱেগ-অনুভূতিক স্থান দি লিখা কবিতাসমূহৰ মাজৰ কিছুমানত ইন্দ্ৰিয়গ্ৰাহ্য একোটাহঁত সুষম চিত্ৰই ভুমুকি মৰা দেখা যায়। অৱশ্যে সকলোবোৰ কবিতাত এনে গুণ ফুটি উঠা দেখা নাযায়। একেদৰে ইংৰাজী কবিতাসমূহতো ব্যক্তিগত আৱেগ-অনুভূতি, প্ৰেম-বন্ধুত্ব, মানৱতা আদি বিষয়সমূহে স্থান পাইছে। মহাবিদ্যালয়ৰ কেইটিমান অনুষ্ঠানৰ স্মৰণীয় মুহূৰ্তৰ পোহৰ ছবিয়ে এই সংখ্যাটিৰ শোভা বৰ্দ্ধন কৰিছে।

পীযুষভূষণ চেতিয়াৰ সম্পাদনাত ২০০১-০২ খ্ৰীঃত প্ৰকাশ পোৱা চতুৰ্বিংশ সংখ্যাটিৰ অসমীয়া বিভাগটো সমৃদ্ধ হৈছে বাৰটা প্ৰবন্ধ, এটা অনুবাদ গল্পকে ধৰি তেৰটা গল্প, দুখন উপন্যাসিকা, এখন একাংকিকা নাটক, এটি বুৰঞ্জীমূলক মালিতা, জনপ্ৰিয় কবি নীলিম কুমাৰৰ স'তে এটি সাক্ষাৎকাৰ আৰু পঁচিশটা কবিতাৰে। আনহাতে ইংৰাজী বিভাগত অন্তৰ্ভুক্ত হৈছে পাঁচটা প্ৰবন্ধ আৰু পাঁচটা কবিতা। লগতে প্ৰাচীৰ পত্ৰিকা 'ভাস্কৰ'ৰ কিছু নিৰ্বাচিত লেখনী ইয়াত সংযোজিত হৈছে। জাত-পাতৰ ভিত্তিত মানৱ জাতিক বহুধা বিভক্ত কৰি শোষণ-নিষ্পেষণেৰে অৱদমিত কৰি ৰখা শোষক শ্ৰেণীৰ কূট-কৌশলৰ বিপৰীতে মানৱৰ জাতি বিভাজন আৰু সংমিশ্ৰণৰ ঐতিহাসিক আৰু ভৌগোলিক



কাৰকসমূহ বস্তুনিষ্ঠভাৱে বিশ্লেষণ কৰি এক বিশ্ব মানৱ জাতি হিচাপে ঐক্যসূত্ৰত বান্ধ খাই সমাজতান্ত্ৰিক কাঠামো গঢ়ি তোলাৰ পোষকতা কৰিছে প্ৰবক্তা অপূৰ্ব ভাস্কৰ গগৈৰ প্ৰবন্ধত। অসমীয়া নাৰী সমাজক সম মৰ্যাদাৰে সমাজত প্ৰতিষ্ঠা কৰিবৰ বাবে যথোপযুক্ত শিক্ষাৰে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দি প্ৰবক্তা জয়া ভৰালী হাজৰিকাই লিখা প্ৰবন্ধটো তেখেতৰ যুক্তিবাদী চিন্তাধাৰাৰে ফচল। মানৱদেহত ৰোগ প্ৰতিৰোধী ব্যৱস্থাৰ জৈৱিক ক্ৰিয়াকলাপ প্ৰবক্তা অঞ্জন বৰঠাকুৰৰ স্বাস্থ্য সম্পৰ্কীয় লেখাটিৰ মূল বিষয়বস্তু। আমি সদায় শুনি থকা শব্দসমূহৰ আঁৰৰ কিছু বৈজ্ঞানিক পৰিঘটনা তথ্য সহকাৰে সৰল ৰূপত বৰ্ণিত হৈছে প্ৰবক্তা ৰাজীৱ বৰদলৈৰ প্ৰবন্ধত। দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য কেইবিধমান প্ৰসাধন সামগ্ৰীত থকা ৰাসায়নিক পদাৰ্থসমূহৰ কথাৰে প্ৰবক্তা মণিকা দেৱীয়ে তেওঁৰ প্ৰবন্ধটি যুগুত কৰিছে। নাটক আৰু মঞ্চৰ বিভিন্ন খুটি-নাটি আৰু অন্যান্য কিছু ধাৰণাৰ সম্পৰ্কত প্ৰবক্তা কনক কলিতাই তেওঁৰ প্ৰবন্ধটো লিখি উলিয়াইছে। সমাজ আৰু সাহিত্যৰ পৰস্পৰ নিৰ্ভৰশীলতা দুয়োৰে একমুখী গতি আৰু সাহিত্যত হ'ব লগা দিশ আদিৰ ওপৰত আলোকপাত কৰিছে প্ৰবক্তা দেৱানন্দ ভট্টাচাৰ্য্যই তেওঁৰ প্ৰবন্ধত। অপসংস্কৃতিৰ প্ৰভাৱত উচ্ছৃংখলতা আৰু নৈতিক স্খলনৰ গ্ৰাসত পৰা অৱক্ষয়মান যুৱসমাজক শংকৰদেৱৰ মহান আদৰ্শৰে পুনৰোজ্জীৱিত কৰি তোলাৰ পোষকতা কৰিছে প্ৰবক্তা লীলাসেন তামুলীয়ে তেখেতৰ প্ৰবন্ধটিৰ যোগেদি। বহিৰ্বিশ্বত জীৱ থকা সম্ভাৱনীয়তা আৰু বহু চৰ্চিত উৰন্ত চাকি (U.F.O) সম্পৰ্কে ৰসাল কথাৰ অৱতাৰণাৰে খনিন্দ্ৰ মাধৱ শইকীয়া, পৰিশ্ৰমক উন্নতিৰ সোপান হিচাপে বিভিন্নজন মহৎ ব্যক্তিৰ কৰ্মাদৰ্শৰ দৃষ্টান্তৰে সাব্যস্ত কৰি সুভদ্ৰা হাজৰিকা আৰু ভিন্নজন কবিৰ দৃষ্টিত ঋতুৰাণী শৰতৰ মনোৰম কেতবোৰ কাব্যচিত্ৰৰ সমাহাৰেৰে শান্তনু গগৈয়ে তেওঁলোকৰ প্ৰবন্ধসমূহ যুগুত কৰিছে। ডিব্ৰু-চৈখোৱা অভয়াৰণ্যৰ অন্তৰ্গত লোকচক্ষুৰ আঁৰত থকা জৈৱ বৈচিত্ৰ্যৰে ভৰা পৰ্যটনথলী মাগুৰী মতাপুং বিলৰ এটি চাক্ষুষ বিৱৰণ সম্বলিত নিৰন্ত গোহাঁইৰ প্ৰবন্ধটো এই শিতানৰ অন্যতম লেখা। গল্পগুচ্ছৰ ভিতৰত ৰঞ্জনা মৰাণৰ গল্পত পত্ৰবন্ধুক লৈ এগৰাকী কলেজীয়া ছাত্ৰীৰ জীৱনত ঘটা এটি আমোদজনক ঘটনা, বিচিত্ৰা চিৰিঙৰ গল্পত এটা হত্যাৰ ষড়যন্ত্ৰত লিপ্ত এজন দুৰাকাংক্ষী লোকৰ শেষ পৰিণতি, নিলীমা গগৈৰ গল্পত এজন উদণ্ড যুৱকৰ অবাঞ্চিত

পৰিস্থিতিত পৰি মনলৈ অহা বিব্ৰতবোধ, কৃৰ্তিসুন্দৰ হাজৰিকাৰ গল্পত এজন প্ৰেমিকৰ ভাগ্যৰ বিড়ম্বনা, চম্পক ডেকাৰ গল্পত এজন যুৱকৰ কু অভ্যাস আঁতৰ কৰাত এজনী ভগ্নী স্থানীয়া ছোৱালীৰ ভূমিকা আদি ঘাই উপজীব্য হিচাপে ঠাই পাইছে। সেইদৰে পিতৃ-মাতৃৰ দ্বাৰা পৰিত্যক্তা এগৰাকী গাভৰুৱে ঘটনাক্ৰমে মাক-দেউতাকক লগ পোৱা ঘটনা আৰু ইয়াৰ ফলত তাইৰ মনত জাগ্ৰত হোৱা প্ৰতিক্ৰিয়াই মৃদুলা চেতিয়াৰ গল্পত, নিজকে সাহসী বুলি জাহিৰ কৰা এজনী ছোৱালীয়ে অমূলক ভয় এটাত সংজ্ঞাহীন হোৱাৰ এটি আমোদজনক ঘটনাই নমি গগৈৰ গল্পত, উগ্ৰপন্থীৰ হাতত সুদূৰ কাশ্মীৰত কৰ্মৰত অৱস্থাত প্ৰাণ হেৰুৱা এজন যুৱকৰ মৃত্যুত আশাহত এটা পৰিয়ালৰ এখন কৰুণ ছবিয়ে নিৰু গগৈৰ গল্পত, বিবাহযোগ্য এজন যুৱকৰ উৎকণ্ঠা আৰু উৎকণ্ঠা নিবৃত্তিৰ এটা সৰস ঘটনাই ৰেব মৰাণৰ গল্পত, আশা-নিৰাশাৰ দুমোজাত এগৰাকী কলেজীয়া ছাত্ৰীৰ মনলৈ অহা এটা খেয়ালি অনুভৱে হাস্নাহানা গগৈৰ গল্পত আৰু উগ্ৰপন্থী সমস্যাৰ ফলশ্ৰুতিত পতি-পুত্ৰক হেৰুওৱা এগৰাকী নাৰী মনত জগা এক প্ৰশ্নই বৰ্ণালী বৰাৰ গল্পত মূল বিষয় হিচাপে উপস্থাপিত হৈছে। প্ৰাক্তন ছাত্ৰ লোহিত চেতিয়াই তেওঁৰ গল্পত এটি ফুল কুমলীয়া শিশুৰ অসুস্থতাই এগৰাকী সন্তানহীনা চিকিৎসকৰ অন্তৰত জগাই তোলা হাঁহাঁকাৰ ছবি ফুটাই তোলাৰ যত্ন কৰিছে। কবিতা শিতানত প্ৰথমটো কবিতাত কবিক এটা সুৰে খেদি ফুৰিছে। তাৰ পৰা আঁতৰি ফুৰাৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হৈ কবি লাহে লাহে সোমাই পৰিছে সুৰটোৰ আৱৰ্তত। স্বাভাৱিকতে প্ৰশ্ন হয় সুৰটো কি? সুৰটো হয়তো কবিক আমনি কৰা অতীতৰ স্মৃতি নতু টেঙা-মিঠা স্বাদৰ এক আত্মিক অনুভূতি। এনেকৈয়ে কবি দেৱানন্দ ভট্টাচাৰ্য (প্ৰবক্তা)ৰ কবিতাটিয়ে এটা সুকীয়া মাত্ৰা লাভ কৰিছে। মহাবিদ্যালয় আলোচনীৰ প্ৰথম সংখ্যাটিৰ সম্পাদক অলক কুমাৰ গোস্বামীৰ 'প্ৰতীক্ষা'ত দেশাত্মবোধ ফুটি উঠিছে। সুভদ্ৰা হাজৰিকাৰ কবিতা নিৰিবিলি এটা ক্ষণত কবিৰ হৃদয়ত দোলা দি যোৱা সৌন্দৰ্যবোধৰ এক কাব্যিক প্ৰকাশ। শব্দৰ আধিক্যই কবিতাটিৰ আঙ্গিকৰ সুষমা ব্যাহত কৰিছে যেন বোধ হয়। উদাহৰণ স্বৰূপে — য'ত আশাবোৰে একোপাহ / উজ্জ্বল ৰক্তিম গোলাপ হৈ / কাষলৈ মাতে...। জোনটিয়ে ছটিয়াই দিয়ে / ৰূপৰ এশৰাই স্বৰ্ণাভ জোনাক...। আমাৰ দৃষ্টিত ইয়াত 'উজ্জ্বল' আৰু 'স্বৰ্ণাভ' শব্দ দুটাৰ প্ৰয়োগে কবিতাটিৰ সৌন্দৰ্য হানি



কৰা যেনহে লাগে। চক্ৰেশ্বৰ মৰাণ, তেওঁৰ কবিতাত —পৃথিৱীৰ কল্যাণৰ বাবে নিজকে বিলাই দিয়াৰ গভীৰ প্ৰত্যয়েৰে অপেক্ষাৰত এটা নতুন দিনৰ বাবে। বিকল্পা নেওগে আকাশৰ নীলা আৰু পৃথিৱীৰ সেউজীয়াৰ বিশাল ঐশ্বৰ্যৰ কথা ভাবিয়েই হয়তো ভাগৰি পৰিছে, পুষ্পলাল ঘিমিৰে জীৱন যাত্ৰাত সহচৰ হিচাপে বিচাৰিছে কিছু মানৱীয় সহানুভূতি, বীণু গগৈয়ে এৰি অহা কলেজীয়া জীৱনৰ কিছু স্মৃতি ৰোমন্থন কৰিছে, প্ৰতীম সোণোৱাল কোনোবা 'ৰিপ' (ৰিপাব্লিক)ৰ প্ৰেমৰ প্ৰতীক্ষাত, জিতু আচাৰ্যই প্ৰকাশ কৰিছে নিসংগতাই হৃদয়ৰ মাজত জগাই তোলা কিছু অনুভূতি, ৰঞ্জুমণি মৰাণে শৈশৱৰ কৃষ্ণচূড়া জোপাৰ তলত এৰি অহা কিছু ৰঙীন স্মৃতিক সোঁৱৰিছে, ৰুণজুন বৰাৰ পুৱতি নিশাৰ সপোনে কঢ়িয়াই অনা আশাৰে প্ৰেমাস্পদৰ অপেক্ষাত, আশাজ্যোতি ঢেকিয়াল ফুকন কাৰগিল যুদ্ধৰ ভয়াৱহতাত ব্যথিত, প্ৰকাশ ৰঞ্জন গগৈ কলেজীয়া জীৱনৰ থুনুকা প্ৰেমৰ সাৰশূন্যতাৰ কথাৰে মুখৰ -- তেওঁলোকৰ নিজ নিজ কবিতাসমূহৰ মাজেৰে। তদনুৰূপভাৱে সুভলক্ষী গগৈৰ কবিতাত প্ৰতিনিয়ত মৃত্যু, হত্যা, লুণ্ঠন আদি অবাঞ্চিত দুঃসংবাদেৰে ভাৰাক্ৰান্ত সময়ৰ প্ৰতিচ্ছবি। গায়ত্ৰী চেতিয়াৰ কবিতাত ডিভাইন কমেডি, অভিজ্ঞানম শকুন্তলম, ৰোমিঅ' জুলিয়েটৰ দৰে মহাকাব্যৰ আঁৰত থকা প্ৰেমৰ মাহাত্ম্য অনুভৱ কৰাৰ প্ৰয়াস আৰু পীয়ুষ ভূষণ চেতিয়াৰ কবিতাত ঋতুৱে ঋতুৱে পৃথিৱীলৈ কঢ়িয়াই অনা ভিন ভিন ছবিৰ দৰে মানৱ জীৱনৰ ঋতু পৰিৱৰ্তনেও দি যোৱা ঐশ্বৰ্যৰ সমাহাৰত গঢ় লোৱা এক অনিৰ্বচনীয় কলাজৰ ৰূপ প্ৰকাশ পাইছে। এই সংখ্যাটিত কেইটিমান কাৰ্টুন চিত্ৰও সন্নিৱিষ্ট হৈছে। ইংৰাজী বিভাগত ড° দীপিকা ভট্টাচাৰ্যই বৈদিক যুগৰ গণিত সম্পৰ্কে, প্ৰাক্তন ছাত্ৰ অমিতৰাজ ফুকনে তথ্য প্ৰযুক্তিৰ ওপৰত, সুমি দেৱীয়ে পৰিৱেশ প্ৰদূষণৰ ওপৰত, বিউতি বৰাই ভাৰতীয় সমাজত মহিলাৰ স্থান সম্পৰ্কত তেওঁলোকৰ প্ৰবন্ধসমূহ যুগুত কৰিছে। লগতে অৰবিন্দ দেৱ সংগৃহীত দুটা টোকা ইয়াত সন্নিবিষ্ট হৈছে। কবিতাসমূহৰ মাজত কমল তালুকদাৰৰ জন্মভূমিৰ মহানতাত মুগ্ধ আৰু ইয়াৰ উজ্জ্বল ভৱিষ্যত সম্পৰ্কত আশাবাদী মন, বৰ্ণালী বৰাৰ শতযোজন দূৰত থাকিও কাৰোবাক কাষতে পোৱাৰ অনুভৱ, সন্দীপ ৰয়ৰ ভগ্ন হৃদয়ে সাঁচি ৰখা হেৰুৱা দিনৰ সজীৱ স্মৃতি, সংগীতা শৰ্মাৰ সেই ছোৱালীজনীৰ কথা যাৰ অন্তৰ নিয়ৰ টোপালৰ দৰে আলসুৱা, ডাৱৰৰ দৰে

কোমল, আয়নাৰ দৰে স্বচ্ছ, ডিম্পী পাদুনৰ এক মহান হৃদয়ৰ প্ৰতি আকুল অভীপ্সাৰ অনুৰণন ঘটিছে। এই সংখ্যাৰ সম্পাদকীয়টো তিনিচুকীয়া অঞ্চলটোত মহাবিদ্যালয়খনৰ ভূমিকা, সাম্প্ৰতিক কালৰ শিক্ষা ব্যৱস্থা আৰু অন্যান্য ক্ষেত্ৰত দেখা দিয়া বেমেজালি, সাহিত্য চৰ্চাৰ প্ৰসংগ আৰু মহাবিদ্যালয় আলোচনীৰ কথাৰে যুগুতাই উলিয়াইছে।

তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰকাশিত কেউটি সংখ্যাৰ আলোচনী একত্ৰে পঢ়িবলৈ পোৱাটো আমাৰ বাবে এক বিৰল অভিজ্ঞতা। এইখিনি একত্ৰে পঢ়ি উঠি আমাৰ মনত উদয় হোৱা দুটিমান অনুভৱ সামৰণিত ব্যক্ত কৰিব বিচাৰিছোঁ। আলোচনীৰ পাতত ঠাই পোৱা গল্প-কবিতাসমূহলৈ লক্ষ্য কৰিলে এটা কথা প্ৰতীয়মান হয় যে এইসকল ন-লেখকক সৰ্বাধিক প্ৰভাৱিত কৰা বিষয়টো হ'ল —প্ৰেম। অৱশ্যে তাৰ মাজতে সমকালীন পৰিস্থিতিৰ প্ৰভাৱো মন কৰিবলগীয়া। আনহাতে তেওঁলোকৰ প্ৰৱন্ধসমূহত কোমল মনেৰে বিচাৰ-বিশ্লেষণ কৰা বিষয়সমূহ কিছু আৱেগসৰ্বস্ব হ'লেও ইবোৰৰ গুৰুত্ব উলাই কৰিব পৰা বিধৰ নহয়। জ্যেষ্ঠসকলে ইয়াৰ ইতিবাচক দিশসমূহ সহানুভূতি সহকাৰে বিবেচনালৈ অনাৰ থল আছে। আলোচনীৰ পাতত প্ৰকাশ পোৱা প্ৰবক্তাসকলৰ লেখনীসমূহে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যায়তনিক গণ্ডীৰ উৰ্দ্ধত চিন্তা-চৰ্চাৰ বাট মুকলি কৰি দেখুৱাবলৈ সক্ষম হৈছে। বিশেষকৈ শেষৰ ফালে প্ৰবক্তাসকলে আগবঢ়োৱা সহযোগিতা আশাব্যঞ্জক। আনহাতে পিছৰ সংখ্যাসমূহৰ ইংৰাজী বিভাগটোৰ লেখনী কমি অহাটো এটা বিচাৰ্য বিষয়। ছপা প্ৰযুক্তিৰ বিকাশৰ লগে লগে আলোচনীসমূহৰ অংগসজ্জা আকৰ্ষণীয় কৰি তোলাৰ প্ৰতি সম্পাদকসকল সচেতন হৈ উঠা দেখা যায়।

সৰ্বশেষত পৰ্যালোচনামূলক টোকাটি যুগুত কৰোঁতে বৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে মাৰ্জনা বিচাৰিলোঁ। একান্ত আত্মিক অনুভৱেৰে লিপিৱদ্ধ কৰা কথাখিনিয়ে যদি কাৰোবাৰ মনত কেনেবাকৈ আঘাত দিয়ে সেয়া আমাৰ মূঢ়তাজনিত ভুল বুলি ক্ষমা কৰে যেন। ■

[*এই প্ৰবন্ধৰ লগত তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ প্ৰথম ২৪ টা সংখ্যাৰ বেটুপাত শিল্পীসকলৰ এখন তালিকা প্ৰকাশিত হৈছিল। এই তালিকাখন বৰ্তমান সংকলনৰ পৰিশিষ্ট (২ত সন্নিবিষ্ট কৰা হৈছে।— সম্পাদক*]

*(প্ৰকাশ কাল ঃ ২০০২-০৩)*



এটি পৰ্য্যালোচনা

# তিনিচুকীয়া জিলাৰ 'ক'লা হীৰা' অসমৰ মূল্যৱান খনিজ সম্পদ এটি পৰ্যালোচনা

**ধৰণী উৰাং**
স্নাতক তৃতীয় বৰ্ষ (কলা)

'ক'লা হীৰা' নামেৰে জনাজাত কয়লা, পৃথিৱীত থকা শক্তি সম্পদৰাজিৰ ভিতৰত অন্যতম। আজিৰ শিল্পোদ্যোগৰ যুগত কয়লাৰ ব্যৱহাৰ অতি ব্যাপক আৰু গুৰুত্বপূৰ্ণ। কয়লাই যে অকল কল-কাৰখানা বা ৰে'লগাড়ী চলাবলৈ শক্তি যোগান ধৰে এনে নহয়, ইয়াৰ পৰা আলকাতৰা, ক'ক্, নেপ্থেলিন, ৰং, এমনিয়া, নানান কৃত্ৰিম দ্ৰব্য উৎপাদনত কয়লাৰ আৱশ্যক হয়। বৰ্তমান সময়ত পৃথিৱীৰ বহুতো দেশত এনেকুৱা বহুতো শক্তি প্ৰকল্প আছে যিবোৰ চলাবলৈ কয়লাৰ প্ৰয়োজন হয়। মানৱ জাতিৰ প্ৰয়োজনীয় কামত কয়লাৰ এক অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে বাবেই কয়লাক 'ক'লা হীৰা' বুলি অভিহিত কৰিছে।

কয়লাৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰাৰ আগতে ইয়াৰ উৎপত্তিৰ বিষয়ে জনাটো দৰকাৰ। কয়লা হ'ল এবিধ ক'লা বা বাদামী ৰঙৰ স্তৰীভূত শিলা। উদ্ভিদ মাটিত পোত গৈ তাপ আৰু চাপৰ ফলত কাৰ্বনলৈ ৰূপান্তৰিত হৈ কয়লাৰ সৃষ্টি হয়। ভূ-তত্ত্ববিদসকলে অনুমান কৰে যে কাৰ্বানিফেৰাছ যুগত বা তাৰ আগতে উপকূলীয় বনভূমি স্থলভাগৰ কম্পনৰ ফলত তললৈ বহি যয়। এই উদ্ভিদবোৰ কালক্ৰমত বোকা, বালিৰ হেঁচাত ৰূপান্তৰিত হৈ কয়লা হয়। উষ্ণ-আদ্ৰ জলবায়ুৰ ব-দ্বীপ অঞ্চলত সাধাৰণতে কয়লাৰ সৃষ্টি হোৱা দেখা যায়। কয়লাত কাৰ্বন, জলীয় ভাপ আৰু বাষ্পশীল পদাৰ্থ থাকে।

উৎপত্তি অনুসৰি কয়লা চাৰিপ্ৰকাৰৰ — পিট, লিগনাইট, বিটুমিনাছ আৰু এন্‌থ্ৰাছাইট কয়লা। এই কয়লাবোৰ ভূ-গৰ্ভত তৰপে তৰপে আছে আৰু এই তৰপবোৰ পানীত সৃষ্টি হোৱা সোঁতৰ দৰে উঠা নমাকৈ আছে। ভূ-পৃষ্ঠত থকা এই কয়লাবোৰ কিছুমান মুকলিভাৱে (Open Cast Mining) আৰু গভীৰ অংশত থকা কয়লাবোৰ সুৰংগ পদ্ধতিৰ (Deep Mining) সহায়ত উৎপাটন কৰা হয়। বৰ্তমান পৃথিৱীৰ প্ৰায়বোৰ দেশতে কম-বেছি পৰিমাণে কয়লা পোৱা যায়।

পৃথিৱীৰ মুঠ কয়লা উৎপাদনৰ প্ৰায় ৯৫ শতাংশই উত্তৰ গোলাৰ্দ্ধৰ পৰা আহৰণ কৰা হয়। ভূ-তত্ত্ববিদসকলে পৃথিৱীৰ বুকুত মুঠ সঞ্চিত কয়লা ৭৫,০০০০০ (পঁইসত্তৰ লাখ) নিযুত টন বুলি অনুমান কৰিছে। কয়লাৰ বিতৰণৰ দিশৰ পৰা চাবলৈ গ'লে মাত্ৰ কেইখনমান দেশেহে উৎপাদনৰ ক্ষেত্ৰত প্ৰাধান্য লাভ কৰা দেখা যায়। পৃথিৱীৰ মুঠ কয়লাৰ ৪০% উত্তৰ আমেৰিকাত, ৪৬% এছিয়া আৰু ১৩% ইউৰোপ মহাদেশত মজুত আছে। আমাৰ ভাৰতবৰ্ষত ১৯৯৫ চনৰ ১ জানুৱাৰীৰ মতে মুঠতে ১,৯২,০০০ (এক লাখ বিৰানব্বৈ হাজাৰ) নিযুত টন কয়লা সঞ্চিত হৈ আছে। অসমত সৰ্বপ্ৰথম কয়লা তিনিচুকীয়া জিলাৰ মাকুমত ১৮৮২ চনত উৎপাটন কৰা হৈছিল।

বৰ্তমান সময়ত ক'ল ইণ্ডিয়া লিমিটেড (Coal India Limited) ৰ মতে অসমত ৩২০ (তিনিশ বিশ) নিযুত টন কয়লা সঞ্চিত হৈ আছে। এই সঞ্চিত পৰিমাণ সাগৰ পৃষ্ঠৰ পৰা ৬০০ মিটাৰ তললৈকে ধৰা হৈছে। বৰ্তমানে ক'ল ইণ্ডিয়া লিমিটেডে বছৰি ৯ৰ পৰা ১০ লাখ টনলৈ কয়লা অসমৰ বিভিন্ন কয়লাখনিবোৰৰ পৰা উৎপাদন কৰে। উৎপাদনৰ হাৰলৈ লক্ষ্য কৰিলে দেখা যাব যে অসমৰ কয়লাৰ উৎপাদন কমি আহিছে। কাৰণ কয়লাৰ ওপৰত ভিত্তি কৰি বৰ্তমান সময়ত বহুতো উদ্যোগ গঢ়ি উঠিছে আৰু সেইবোৰৰ ভিতৰত চিমেণ্ট, কাগজকল, ইটাভাটা, চাহকল, ষ্টিল কাৰখানা আদি।

**টিপং আৰু টিৰাপ কয়লাক্ষেত্ৰ ঃ** টিপং আৰু টিৰাপ এই কয়লাখনিত কাম কৰিবলৈ ভাৰতৰ বিভিন্ন প্ৰদেশৰ লোকৰ সমাগম হয়। ইয়াৰ ভিতৰত মুকলিভাৱে উৎপাদন কৰা কয়লাখনিবোৰ অধিক বিপদজনক। তথাপিও ইয়াত দিনটোৰ অধিক সময় কাম কৰা দেখা যায়। এই অঞ্চলসমূহত কয়লা উৎপাদন কৰাৰ প্ৰধান সময় হৈছে বছৰটোৰ অক্টোবৰ মাহৰ পৰা মাৰ্চ মাহলৈ; আনহাতে



বাৰিষাৰ দিনত কয়লাৰ উৎপাদন কমি যায়।

টিপং আৰু টিৰাপৰ কয়লাক্ষেত্ৰ দুটা অসমৰ পূব সীমাত অৱস্থিত আৰু তিনিচুকীয়া জিলাৰ দক্ষিণ-পূব অংশত অৱস্থিত। এই টিপং কয়লাক্ষেত্ৰৰ আপেক্ষিক আদ্ৰতা ২৩ ১/২ % (R. Humidity 23 1/2%) আৰু গড় বৃষ্টিপাত ১৩৫ ছেঃমিঃ (A. Rainfall 135 c.m.)।

টিপং কয়লাখনিৰ পৰা সুৰংগ পদ্ধতিৰে কয়লা উৎপাদন কৰা হয়। এই অঞ্চলত কয়লাখনি বৃটিছসকলে ১৯২৪ চনত আৰম্ভ কৰিছিল। ভাৰত স্বাধীন হোৱাৰ পাছত ভাৰত চৰকাৰে ৰে'লৱে আৰু ট্ৰেডিং কোম্পানীৰ পৰা কয়লাখনিবোৰ নিজৰ হাতলৈ আনে আৰু ১৯৭৩ চনত ক'ল ইণ্ডিয়া লিমিটেড গঠন হোৱাৰ আগলৈকে চৰকাৰে এইবোৰ প্ৰত্যক্ষ ভাৱে নিয়ন্ত্ৰণ কৰিছিল। বৰ্তমান সময়ত এই কয়লাখনিবোৰৰ পৰা কয়লা ক'ল ইণ্ডিয়াই উৎপাদন কৰে। অসমত কয়লাখনি পোনপ্ৰথমে বৃটিছসকলেই আৰম্ভ কৰিছিল।

অসমৰ এই অঞ্চলৰ কয়লাবোৰ বিশেষকৈ টাৰছিয়াৰি যুগৰ। এই অঞ্চলত সামান্য পৰিমাণে কাৰ্বানিফেৰাছ যুগৰো কয়লা পোৱা যায়। এই টিপং কয়লাখনিৰ আশে-পাশে থকা কয়লা ক্ষেত্ৰবোৰত কয়লা তৰপে-তৰপে সাগৰত সৃষ্টি হোৱা সোঁতৰ দৰে উত্তৰা-দক্ষিণাকৈ অৱস্থান কৰি আছে। এই অঞ্চলত ৫ টা কয়লাৰ স্তৰ পোৱা যায়। কয়লাৰ এই উৰ্ধভংগ আৰু অধোভংগবোৰ ৩৫° কোণ কৰি বিস্তৃত হৈ আছে। এই অঞ্চলত পোৱা বিভিন্ন কয়লাবোৰৰ স্তৰবোৰ হৈছে ৮′, ৫′, ২০′, ৭′ আৰু ৬০′ ফুট। এই গোটেই স্তৰবোৰৰ ভিতৰত ২০′ ফুট আৰু ৬০′ ফুটৰ স্তৰবোৰহে কয়লা উৎপাটন কৰিবলৈ সুবিধাজনক আৰু এইবোৰৰ পৰাই কয়লা আহৰণ কৰা হয়।

টিপঙত তিনিটা সুৰংগৰ পৰা কয়লা আহৰণ কৰে। কিন্তু বৰ্তমান কেৱল দুটা — 'উদিত' আৰু 'অগ্ৰগতি' খনিৰ পৰা কয়লা উৎপাটন কৰে। বৰ্তমান এইটো অঞ্চলৰ অৰ্থাৎ টিপঙৰ সুৰংগ কয়লাখনিৰ পৰা বিটুমিনাছ কয়লা উৎপাদন কৰা হয়। এই অঞ্চলৰ কয়লাত ছালফাৰৰ পৰিমাণ ১.৮-৬.৯%। তাপ দিব পৰা পৰিমাণ বেছি (৫৪০০-৭৯২৫ কে'লৰি/কিঃগ্ৰাঃ); আনহাতে এই অঞ্চলৰ কয়লা পুৰিলে ছাই ১০% তকৈ কম ওলাই আৰু ধোঁৱা সৃষ্টি কৰিব পৰা পদাৰ্থৰ পৰিমাণ বেছি। বৰ্তমান এই অঞ্চলত যথেষ্ট পৰিমাণৰ কয়লা সঞ্চিত হৈ আছে বুলি ধাৰণা কৰা হৈছে। টিপং কয়লাখনিৰ পৰা

দৈনিক ৩.৫ লাখ টন কয়লা উৎপাদন কৰা হয়। বৰ্তমান সময়ত এই অঞ্চলৰ কয়লাখনিবোৰৰ পৰা কয়লা আহৰণ কৰিবলৈ কোনো ধৰণৰ যন্ত্ৰ বা মেচিন ব্যৱহাৰ কৰা নহয়। ইয়াৰ সকলোবোৰ কাম মানুহে নিজ হাতেৰে কৰে। কেৱল কয়লা বাহিৰলৈ অনাত ট্ৰলি চলাবলৈ মেচিন ব্যৱহাৰ কৰা হয়। এই কয়লাখনিত কয়লা উৎপাদন কৰাটো বৰ বিপদজনক। তথাপিও ইয়াত মাইনাৰসকলে দিনৰ প্ৰায়ভাগ সময় সুৰংগৰ পৰা কয়লা আহৰণ কৰাতে ব্যস্ত থাকে।

টিৰাপৰ বিবৃত বা মুকলিকৈ (Open cast Mining) খনন কৰা কয়লাখনিৰ সকলোবোৰ কাম মেচিনৰ দ্বাৰা কৰা হয়। ইয়াত কয়লা প্ৰথমতে পাহাৰবোৰ খহাই ভাঙি লয় আৰু তাৰ পিছত 'পকলেণ্ড' নামৰ যন্ত্ৰই কয়লাবোৰ 'জম্পাৰ' নামৰ ট্ৰাকত বোজাই কৰে আৰু এই ট্ৰাকবোৰে কয়লাবোৰ খনিৰ পৰা বাহিৰলৈ উঠাই আনে। তদুপৰি ইয়াত কয়লা উৎপাদন কৰাৰ প্ৰধান সময় হৈছে অক্টোবৰ মাহৰ পৰা ফেব্ৰুৱাৰী মাহলৈ। অৱশ্যে বছৰৰ আন কেইমাহ ইয়াত কাম বন্ধ হৈ নাযায় কেৱল বৰষুণ দিলে দুদিনমান বা কেতিয়াবা কাম বন্ধ হয়। পানী সোমালে ইয়াৰ পৰা পানী উলিয়াবলৈ পাইপৰ সুব্যৱস্থা আছে। ইয়াত প্ৰায় এক হাজাৰ মানুহে কাম কৰে আৰু কেৱল মাত্ৰ ১২ ঘণ্টাহে কাম হয়।

এই অঞ্চলৰ কয়লাখনিবোৰক কেন্দ্ৰ কৰিয়েই বজাৰ কেন্দ্ৰ আৰু চহৰ গঢ়ি উঠিছে। লিডু চহৰখন এই কয়লাৰ ওপৰত ভিত্তি কৰিয়েই গঢ়ি উঠিছে। এই অঞ্চলৰ কয়লাখনিত কাম কৰিবৰ কাৰণে বিভিন্ন ঠাইৰ পৰা বহু মানুহৰ সমাগম হৈছে যদিও বেছিভাগৰে জীৱন–ধৰণৰ মান উন্নত নহয়। অঞ্চলটোৰ মানুহবোৰৰ প্ৰতি লক্ষ্য কৰিলেই সেই কথা ভালকৈ বুজিব পাৰি।

এই কয়লাক্ষেত্ৰবোৰত উৎপাদন হোৱা কয়লাবোৰ অসমৰ কিছুমান স্থানীয় উদ্যোগত ব্যৱহাৰ কৰাৰ উপৰিও দুৰ্গাপুৰৰ লো–তীখা কাৰখানা, হৰিয়ানা আদি বাহিৰৰ ঠাইলৈও পঠিওৱা হয়। এই অঞ্চলৰ পৰা কয়লা দূৰলৈ ট্ৰেইনৰ সহায়ত আৰু ওচৰৰ ঠাইলৈ ট্ৰাকত নিয়া হয়। কয়লাখনি কেইটাৰ একেবাৰে কাষতে ৰে'ললাইন থকা কাৰণে পৰিবহণৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হৈছে। এই ৰে'ল লাইন প্ৰথমে বৃটিছসকলেই স্থাপন কৰিছিল। বৰ্তমান তেওঁলোকে বহুৱা মিটাৰ গজ্ ৰে'ললাইন উঠাই ব্ৰড্ গজ্ ৰে'ললাইন বহুৱা হৈছে।



কয়লাৰ ওপৰত ভিত্তি কৰি এই অঞ্চলসমূহত বহুতো উদ্যোগ গঢ়ি উঠিছে। তাৰ ভিতৰত ক'ক্ উৎপাদন হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ। ক'ক্ হৈছে এনেকুৱা এবিধ পদাৰ্থ যাৰ এইখন দেশত বহুতো চাহিদা আছে। ক'ক্ উৎপাদন কৰিবলৈ কুকিং কয়লা ১০০০°–১১০০০° ছেঃ লৈকে গৰম কৰিলে ক'ক্ পোৱা যায়। তদুপৰি ক'ক্ উৎপাদন কৰিবলৈ; গৰম কৰোঁতে বেঞ্জিন, এম'নিয়াম নাইট্ৰেড্, ক'য়েল তাঁৰ আদিও উৎপন্ন হয়। এইবোৰৰ পৰা আকৌ ৰং, সুগন্ধি দ্ৰব্য, ৰাসায়নিক সাৰ, বিস্ফোৰক দ্ৰব্য আদি উৎপাদন কৰিব পাৰি আৰু ইয়াৰ পৰা ওলোৱা গেছবোৰে ঘৰুৱা আৰু ঔদ্যোগিক ক্ষেত্ৰত ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি।

অসমৰ কয়লাৰ ছালফাৰৰ পৰিমাণ বেছি হোৱাৰ কাৰণে চিমেণ্ট উদ্যোগৰ বাবে ই অতিশয় প্ৰয়োজনীয় আৰু এই গুণৰ কাৰণে অসমৰ বোকাজানত চিমেণ্ট কাৰখানা স্থাপন কৰা হৈছে। তদুপৰি আন বহুতো চিমেণ্ট উদ্যোগ স্থাপন কৰিবলৈ এই অঞ্চল এক যোগ্য ঠাই। ছালফাৰৰ পৰিমাণ বেছি হোৱাৰ কাৰণে ইয়াৰ কয়লাবোৰ তাপ বিদ্যুৎ উৎপন্ন কৰিবৰ বাবে সুবিধাজনক। কয়লাৰ পৰা তাপ বিদ্যুৎ কেন্দ্ৰ চলাই শক্তি উৎপাদন কৰা আন আন ইন্ধন ব্যৱহাৰ কৰা তাপ বিদ্যুৎ কেন্দ্ৰতকৈ অধিক খৰচী নহয়। গতিকে চৰকাৰে যদি এনেকুৱা প্ৰকল্প স্থাপন কৰে তেন্তে অসমত বিদ্যুতৰ নাটনি দূৰ হ'ব আৰু চৰকাৰৰ খৰচৰ পৰিমাণো কম হ'ব।

অসমত স্থানীয়ভাবে এই কয়লাৰ ওপৰত ভিত্তি কৰি বহুতো ইটাভাটা স্থাপন কৰা হৈছে। অসমত প্ৰায় ১২–১৫ টন কয়লা ব্যৱহাৰ কৰি ১ লাখ ইটা বনাব পাৰে। এই অঞ্চলৰ কয়লাৰ উত্তাপে ইটাবোৰক উজ্জ্বল ৰঙা ৰং প্ৰদান কৰে। আকৌ ছালফাৰৰ পৰিমাণ বেছি হোৱাৰ কাৰণে ইয়াৰ পৰা ছালফাৰো উৎপাদন কৰিব পাৰি। এই অঞ্চলৰ ৬০ ফুটৰ কয়লাৰ স্তৰটোৰ মাটিবোৰ চীনা মাটিৰ দৰে হোৱা বাবে এইবোৰৰ ওপৰত ভিত্তি কৰি বিভিন্ন উদ্যোগ গঢ়ি উঠিছে।

**কয়লাৰ গুৰুত্ব ঃ** সম্পদ হিচাপে বৰ্তমান যুগত কয়লাৰ গুৰুত্ব অতি বেছি। বৰ্তমান টিপং, টিৰাপ আৰু ইয়াৰ ওচৰে–পাজৰে যিবোৰ কয়লাখনি আছে তাৰপৰাও কয়লা উৎপাদন কৰি দেশৰ শিল্প বিকাশত যথেষ্ট অৰিহণা যোগাইছে। তাৰ কাৰণে শ্ৰমিকসকলে অশেষ কষ্ট কৰিবলগীয়া হৈছে, কাৰণ

ইয়াৰ বিবৃত বা মুকলিকৈ খনন কৰা কয়লাখনিবোৰত কয়লা খনন কৰা বিপদজনক নহয় যদিও সুৰংগ পদ্ধতিৰ কয়লাখনিবোৰ বৰ বিপদজনক। তেওঁলোকে অশেষ সাহস গোটাই এই সুৰংগত কাম কৰা দেখা যায়। এই সুৰংগৰ খনিত কাম কৰা শ্ৰমিকসকলে দৈনিক হাজিৰা মাত্ৰ ৯০% টকাহে পায়। সুৰংগ খনিবোৰ বিপদজনক হ'লেও প্ৰকৃতিৰ ই কোনো প্ৰদূষণৰ সৃষ্টি নকৰে। আনহাতে মুকলিভাৱে উৎপাটন কৰা খনিবোৰত কয়লা আহৰণৰ কাৰণে কৰা বিস্ফোৰণৰ ফলত নানা প্ৰকাৰৰ বিষাক্ত গেচ ওলাই প্ৰদূষণৰ সৃষ্টি কৰিছে। টিৰাপ কয়লাখনিৰ পৰা ওলোৱা নানা পদাৰ্থৰ কাৰণে ওচৰৰ গাঁওবোৰৰ বেছি নষ্ট হৈছে। আনকি ইয়াৰ পৰা ওলোৱা কিছুমান বিষাক্ত পদাৰ্থ টিৰাপ নৈত পৰি তাৰ পানী বিষাক্ত কৰি তুলিছে। মুকলিভাৱে উৎপাটন কৰা কয়লাখনিত কয়লাবোৰ উলিয়াবৰ কাৰণে তাৰ পাহাৰবোৰ খহাই পেলোৱা বাবে পাহাৰত বাস কৰা মানুহবোৰৰ যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। আনকি কয়লা উৎপাদন কৰাত যিসকলে প্ৰমুখ ভূমিকা পালন কৰিছে, তেওঁলোকৰো জীৱনৰ মানদণ্ড উন্নত নহয়। পাহাৰ খহাৰ ফলত বহুতো মানুহ ঘৰ-বাৰী এৰি অন্য ঠাইলৈ গুচি গৈছে। এইবোৰ অঞ্চলত কয়লাৰ বাহিৰে আন একো উৎপাদন কৰিব নোৱাৰাৰ বাবে এই অঞ্চল সমূহত জন-বসতি সেৰেঙা দেখা যায়। এই অঞ্চলত বাস কৰা লোকসকলে বিশেষকৈ 'মালৌ পথাৰ' গাঁৱৰ মানুহে 'পাটকাই প্ৰদূষণ প্ৰতিৰোধ কমিটি' নামৰ এটা সংগঠন গঠন কৰি ইয়াৰ কু-প্ৰভাৱৰ পৰা মুক্তি পাবলৈ চেষ্টা কৰিছে। কাৰণ এই কয়লাখনিৰ পৰা ওলোৱা পানী আৰু নানা পদাৰ্থৰ লগতে পাহাৰৰ পৰা মাটি খহি গৈ তেওঁলোকৰ খেতি পথাৰবোৰ নষ্ট কৰিছে। যাৰ ফলত পাহাৰত বাস কৰা এই চিংফৌ সম্প্ৰদায়ৰ লোকসকলৰ প্ৰমুখ জীৱিকা, খেতি-বাতিৰ ওপৰত বেয়া প্ৰভাৱ পৰিছে।

কয়লা শক্তি সম্পদে এফালে মানুহক যেনেকৈ উপকাৰ কৰিছে আৰু আনফালে ইয়াৰ কু-প্ৰভাৱৰ পৰা মানুহ হাত সাৰি যাব পৰা নাই। বৰ্তমান সময়ত পৃথিৱীৰ বহুতো পৰিৱেশ প্ৰদূষণ বিৰোধী সংগঠনে এনেকুৱা ধৰণৰ মুকলিভাৱে উৎপাদন কৰা কয়লাখনিবোৰ বন্ধ কৰিবৰ কাৰণে আৰু সজাগতা আনিবৰ কাৰণে অশেষ প্ৰচেষ্টা চলাইছে। তাৰ ফলত পৃথিৱীত বহুতো ঠাইত চৰকাৰে ইয়াৰ কাৰণে মনোযোগ দিছে। বৰ্তমান সময়ত আমাৰ এই টিপং,



টিৰাপ আৰু ইয়াৰ আশে-পাশে থকা কয়লাখনিবোৰৰ প্ৰদূষণ ৰোধৰ কাৰণে চৰকাৰে কোনো ধৰণৰ আঁচনি হাতত লোৱা দেখা নাই আৰু ইয়াত কোনো ডাঙৰ এনেকুৱা বেচৰকাৰী সংস্থা নাই যি ইয়াৰ ৰোধৰ কাৰণে কোনো কাম কৰিব। গতিকে চৰকাৰে ইয়াৰ বাবে কোনো আঁচনি প্ৰস্তুত কৰিব লাগে যাতে কয়লা উৎপাটন কৰোঁতে পৰিৱেশ প্ৰদূষণ বা ওচৰৰ মানুহৰ খেতি-বাতি বা কোনো প্ৰকাৰৰ অনিষ্ট নহয়। এই অঞ্চলৰ লগতে যদি অসমৰ সমগ্ৰ জনসাধাৰণ একগোট হৈ এই প্ৰদূষণ ৰোধৰ কাৰণে চৰকাৰৰ ওচৰ চাপে; তেতিয়া নিশ্চয় এই অঞ্চলৰ লগতে সমগ্ৰ জনসাধাৰণেও এই পৰিৱেশ প্ৰদূষণৰ পৰা কিছু সকাহ পাব। ■

*(প্ৰকাশ কাল ঃ ২০০৩-০৪)*

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# মোমাই তামুলী বৰবৰুৱা আৰু লাচিত বৰফুকন

ড° নোমল গগৈ

মোমাই তামুলী বৰবৰুৱা আৰু লাচিত বৰফুকন দুই পিতা-পুত্ৰ ছশ দহ বছৰীয়া আহোম ৰাজত্বৰ বুৰঞ্জীৰ দুটি উজ্জ্বল নক্ষত্ৰ। মোমাই তামুলী ছৌছেংফা স্বৰ্গদেৱৰ দিনৰ প্ৰথম ফু-কে-লং (ফু-বিষয়ববীয়া, কে-অভিজ্ঞ, দায়িত্বশীল; লং-ৰাজসভা) বা বৰবৰুৱা। তেওঁৰ সপ্তম পুত্ৰ লাচিতে (লাঃপুত্ৰ, চেতঃ সপ্তম) ছৌ পুং মৌং স্বৰ্গদেৱৰ দিনত নৱম জন ফু-কন-লং (ফুঃ বিষয়ববীয়া, কনঃ ৰাজভোগ কৰা, লংঃৰাজসভা) অৰ্থাৎ বৰফুকন আছিল।

আহোম বুৰঞ্জীত মোমাই তামুলীক 'ফু-কে-লং লান ফিমা' অৰ্থাৎ লান ফিমা বৰবৰুৱা বুলিহে উল্লেখ কৰিছে। আচলতে এওঁ লুক-খা-খুন (লুকঃ লৰা, খাঃলিগিৰী, খুনঃৰজা বা ৰাজপুত্ৰ) পৰিয়ালৰ লান ফিমাৰ (লানঃ নাতি, ফিমাঃব্যক্তিৰ নাম) ঘৰৰ অৰ্থাৎ ফিমাৰ নাতিয়েক আছিল। ফিমা (ভীম?) মোমাইৰ বংশৰ সম্ভৱতঃ আদি পুৰুষ আছিল।

১২২৮ খৃঃত চাও লুং ছৌকাফাৰ লগত যি কেইটা পৰিয়াল মৌংৰি মৌংৰামৰ পৰা নগা পৰ্বত আৰু পাতকাই পৰ্বতমালা পাৰ হৈ মৌংদুন ছুন খামলৈ আহিছিল তেওঁলোকৰ মাজৰে এটা পৰিয়াল আছিল লুক-খা-খুন। এই বংশৰ আদি পুৰুষ ফং-পিম চাও লুং ছৌ-কা-ফাৰ হাতী মাউত (ফু-নু-চাং) আছিল ঃ 'মৌ ৰান চাও লুং ছৌ-কা-ফা পা চাং মা চাম তু ফু লৌং চাম খাম ক মৌং তু মে চাম চৌ কিপ কত ফু নু চাং ফং পিম'। (সেই সময়ত চাও



লুং ছৌ কা ফাই লগত আনিছিল খাম ক মৌং নামৰ এটা মখনা হাতী আৰু কিপ কত নামৰ এজনী মাখুন্দী; আৰু ফং পিম নামৰ হাতী মাউত)।

আহোম বুৰঞ্জীৰ মতে লুক-খা-খুন পৰিয়ালৰ দুঘৰ মানুহ আহিছিল - এঘৰ লান-তাই-মৌং আৰু আন ঘৰ লুক ফিমা। এই দুটা পৰিয়ালৰ পৰা কালক্ৰমত দুৱৰা, তামুলী, গামোছাধৰা আদি স্বৰ্গদেৱৰ অতি বিশ্বাসী বিষয়ববীয়া হৈছিল। 'হা ৰৌন লান তাই মৌং লুক ফিমা। ৰৌন নাই চাম চাও ফা লুক খা ক্ৰিং চাম বা ন চাও মাক মু ফা চিত ফ্যু তু। ফং পিম ৰৌন নাই চাম বা চাও চাং ফা লুক খা ক্ৰিং চাম নাই ছুং ৰৌন বা লুক খা খুন চাম দঞঃ কুন মা চাও ফা আউ চাম ছাং বান তাই দঞঃ চাও ফা হাউ তিন কাই চেপ হাই প তাই।''

মোমাই তামুলী বৰবৰুৱাই ছৌছেংফা স্বৰ্গদেৱৰ দিনৰ পৰা ছৌ তাম লা স্বৰ্গাদৰৰ ৰাজত্ব কাল পৰ্য্যন্ত বৰ বৰুৱা বিষয়বাব খাইছিল। মিৰ্জুল্লাৰ অসম আক্ৰমণৰ সময়ত মোমাই তামুলী আৰু পুতেক লাচিত ফুকনে মোগলৰ লগত মহা পৰাক্ৰমেৰে যুদ্ধত অৱতীৰ্ণ হৈছিল। সেই সময়ত লাচিত সলা দুৰ্গৰ তত্বাৱধায়ক আছিল। দুৰ্ভাগ্যবশতঃ এই যুদ্ধত হাতীচলা, ধুবুৰী আৰু হাজোৰ দুৰ্গত কলেৰা মহামাৰীত আমাৰ ১২,০০০ সৈন্যৰ মৃত্যু হয়। ফলস্বৰূপে ছৌতাম লা স্বৰ্গদেৱে বাধ্য হৈ মোগলৰ লগত সন্ধি কৰে।

ছৌতাম লাৰ মৃত্যুত ১৬৬৪ চনত ভায়েক ছৌ পুং মৌং ৰজা হয়। স্বাধীন চিতীয়া স্বৰ্গদেৱে মোগলক দিবলৈ থকা কৰ কাটিল দিবলৈ অস্বীকাৰ কৰি যুদ্ধ ঘোষণা কৰে। মোগল সম্ৰাট আউৰঙ্গজেৱে নতুন স্বৰ্গদেৱলৈ এটা সম্পূৰ্ণ সাজপাৰ (মৌন ''সিৰপাও'') উপঢৌকন ৰূপে পঠায়। সেই বছৰ জেঠ মাহত স্বৰ্গদেৱে লান ফিমা বৰ বৰুৱাৰ পুত্ৰ লাচিত ফুকনক কলীয়াবৰলৈ এটা দুৰ্গ নিৰ্মাণ কৰিবৰ কাৰণে পঠায়। লাচিতে পোতা কলঙত কাষৰ উড়ুমাৰিঙত এটা দুৰ্গ নিৰ্মাণ কৰে। ইয়াৰ পিছত তেওঁ সাত ঢাপ মাৰি অন্য এটা গড় নিৰ্মাণ কৰে। সম্ভৱতঃ এইটোৱেই ৰহাৰ অনতিদূৰত অৱস্থিত জোঙাল বলহু গড়।

''লাক নী হান চাম দৌন চিত চাম চাও ফা চাং হাউ ফুকন লান ফিমা লাচিত লুক-ফু-কে লুং হাউ পাই খুত বিং তা তুন ৰুং দাম লে মান ক লুক পু-তা-ক-লং খুত বিং কা চাম উদুমাৰিং য়াউ। পয় দাপ দু চাম লুক তা তুন ৰুং দাম বিং আন মাউ চেত ৰিং য়াউ।।''

সেই বছৰ শাওণ মাহত চাও ফা ছৌ পুং মুঙে ডা-ডাঙৰীয়া বিলাকক ক'লে —

"মোৰ ককাইদেউ চাও ফা ছৌ তাম লাই বোপা ককা আৰু ফা ন্যও ৰ লেং দন প্ৰমুখ্যে দেৱ-দেৱী বিলাকক পূজা-পাতল দি সন্তুষ্ট নকৰিলে সেয়ে মুছলমান আহি আমাৰ দেশ লণ্ডভণ্ড কৰিলে আৰু আমাৰ প্ৰজা সাধাৰণে অশেষ কষ্ট ভুগিলে।"

স্বৰ্গদেৱে দেওধাইৰ হতুৱাই কুকুৰা ঠেঙৰ মঙ্গল চোৱাই মঙ্গল সন্তোষজনক পালে। তাৰ পাছত স্বৰ্গদেৱে বৰবৰুৱাৰ পুত্ৰ লাচিত ফুকনক দিহা-পৰামৰ্শ দি ঘাই সেনাপতি বাব দি কলীয়াবৰলৈ পঠায়। সেই মাহতে গুঁই মেলীয়া বৰ গোহাঞিৰ পুতেক ডেকা ফুকন আৰু লান দাউ মী পৰিয়ালৰ ভেলাই ফুকনৰ যোগে চেতামদয়ত দেশৰ মঙ্গলৰ হকে দেওপূজা কৰায়।

সেনাপতি হৈয়েই লাচিত বৰফুকনে কাজলী, বাঁহবাৰী, ইটাখুলি, চাহ বুৰুজ, লতাশিল, পাণ্ডু, উমানন্দ, আগিয়াঠুটি, মানাহ, শৰাইঘাট, নগৰ বেৰা, ৰঙামাটি, শুৱালকুছি, চেঁচা, কুকুৰাত নৌযুদ্ধ, স্থল যুদ্ধ ১০ মাহ দিন ধৰি চলাৰ পাছত মোগল সম্ৰাট ঔৰংজেৱৰ ঘাই সেনাপতি ৰাম সিংহ সম্পূৰ্ণৰূপে পৰাজিত হয়। এই যুদ্ধ সংঘটিত হয় বিখ্যাত শৰাইঘাটৰ ৰণ ক্ষেত্ৰত। ১৬৭১ চনৰ চ'ত মাহত ৰাম সিংহ ভটিয়াই যায়।

এই যুদ্ধ জয়ৰ বাতৰি স্বৰ্গাদৰক জনাবৰ কাৰণে লাচিত বৰফুকনে ৰাম আৰু সুন্দৰ নামে দুজন কটকী গড়গাঁৱলৈ পঠায়। ৰাম সিংহৰ প্ৰত্যাৱৰ্তনৰ বাতৰি পাই স্বৰ্গদেৱ আনন্দিত হ'ল আৰু কলীয়া কটকীক পঠাই স্বৰ্গদেৱে বৰফুকনক যথোচিত পুৰস্কৃত কৰে।

ইয়াৰ পিছতে স্বৰ্গদেৱে কলীয়া আৰু মাধচৰণ নামে দুজন কটকীক লাচিত বৰফুকন আৰু অভয়পুৰীয়া ৰাজখোৱাৰ ওচৰলৈ পঠায়। বৰফুকন আৰু ৰাজখোৱাই হৰিয়া ডেকা আৰু লান মৌং খ্ৰুক পঠাই উত্তৰ কোলত চন্দ্ৰ নাৰায়ণক ৰজা পতায় আৰু লান ফিমা পৰিয়ালৰ লাচিত আঁহতগুৰীয়া ৰাজখোৱাক পঠাই গন্ধৰ্ব নাৰায়ণক দক্ষিণ কোলৰ ৰজা নিযুক্তি দিয়ে।

স্বৰ্গদেৱে গুৱাহাটীৰ দায়িত্ব বুঢ়াগোহাঁইৰ ওপৰত দি বাকী সকলক বৰগোহাঞি আৰু বৰবৰুৱাৰ তত্ত্বাৱধানত গড়গাঁৱলৈ ঘূৰি যাবলৈ নিৰ্দেশ দিয়ে। আহাৰ মাহত লাচিত বৰফুকন, চাৰিঙীয়া ফুকন আৰু নদাদেৱ ৰাজধানীলৈ ঘূৰি আহে। স্বৰ্গদেৱে তেওঁলোকৰ পৰা ৰাম সিংহৰ পৰাজয়ৰ কাহিনী আগ্ৰহেৰে শুনে। বৰ ফুকনে সকলো কথা পুংখানুপুংখকৈ বৰ্ণনা কৰাত স্বৰ্গদেৱে সকলোকে প্ৰশংসা কৰে।



মোমাই তামুলী বৰবৰুৱাক আৰু লাচিত বৰফুকন এই দুজন বুৰঞ্জী প্ৰসিদ্ধ ৰাজনীতিক তথা সেনাপতিৰ সঁচা কাহিনীক কল্পনাৰ ৰহণ সানি সাধু কথালৈ ৰূপান্তৰিত কৰাৰ এক জঘন্য প্ৰচেষ্টা চলি আহিছে। এই দুজন বীৰ পুৰুষ সম্পৰ্কীয় কাহিনীৰ উৎস হৈছে — (১) পদ্মনাথ গোহাঁই বৰুৱাৰ *অসম বুৰঞ্জী* (১৮৯৯), *ক্ষেত্ৰধৰ বৰগোহাঞি ৰচনাৱলী, লাচিতৰ কাহিনী* ১৯৩৬ চনৰ *আৱাহন*, বেণুধৰ শৰ্মাৰ *বাংপতা* (১৯৪৩), *দূৰবীণ* (১৯৫১), প্ৰবীন ফুকনৰ *লাচিত বৰফুকন* নাটক (১৯৪৮), সূৰ্য্য কুমাৰ ভূঞাৰ *Lachit Barphukan and His Times* (১৯৪৭), পদ্মধৰ চলিহাৰ *মহাবীৰ লাচিত ফুকন* (১৯৫৫)।

মোমাই আৰু লাচিত সম্পৰ্কীয় সমস্ত কুৎসা ৰটনা কৰা মূল নায়কজন ক্ষেত্ৰধৰ বৰগোহাঞি ডাঙৰীয়া। তেখেতেই সৰ্বপ্ৰথমে লাচিতক দেওঘৰীয়া বিধৱাৰ পিতৃ পৰিচয়হীন সন্তান বুলি অপযশ ৰটিছে আৰু অপুত্ৰক মোমাই তামুলী বৰবৰুৱাৰ তোলনীয়া সন্তান সজাইছে। বৰগোহাঞিৰ মতে ভোলাই আৰু মোমাই নামে দুজন বৰাই তেজত লুতুৰি পুতুৰি হৈ থকা লাচিতক (লালেং) মোমাই তামুলীক গতাই দিয়ে। এই লাচিতৰ পৰাই কালক্ৰমত অপভ্ৰংশ হৈ লালেং>লাচেং> লাচিত ৰূপ পায়। এনে অদ্ভুত ব্যুৎপত্তিয়ে বৰগোহাঞি ডাঙৰীয়াৰ ভাষা জ্ঞানৰ চৰম অজ্ঞতা প্ৰকাশ কৰিছে।

লাচিতক সেনাপতি নিৰ্বাচন কৰা কাহিনীও বৰগোহাঞিদেৱৰ খেয়ালী কল্পনাৰ চূড়ান্ত নিদৰ্শন। তেওঁৰ মতে চক্ৰধ্বজ সিংহৰ দিনত শৰাইঘাট যুদ্ধৰ সেনাপতি নিৰ্বাচন বাইলুং আৰু গণকৰ দ্বাৰা মঙ্গল চোৱাই কৰোৱা হৈছিল। লাচিতে হেনো মঙ্গললতীৰ আগত অনুৰোধ কৰিছিল — "দেউতা বন্দীৰ নামেও আজি মঙ্গল এখন মৰাই চাবচোন।" এই কাহিনী অতিশয় হাস্যকৰ আৰু নিতান্ত অবান্তৰ। অকল এয়েই নহয় — লাচিতৰ বীৰত্ব পৰীক্ষাৰ কাৰণে স্বৰ্গদেৱৰ সম্মুখতে কোনোবা লিগিৰাই লাচিতৰ মূৰৰ পাগুৰী খহাই এখন লৰা-ধেমালিও কৰাই দেখুৱাইছে।

বৰগোহাঞিৰ মতে ৰণ যাত্ৰাৰ আগ মুহূৰ্তত ৰণচণ্ডীৰ আগত তিনিটা

ক'লা পঠা বলি দিহে লাচিতে যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হৈছে। যুদ্ধৰ আগমূহূৰ্তত মোগল ছাউনিৰ ওপৰত পহুখেদা মানুহে হেনো সিহঁতৰ 'লাচিত' নামৰ কুকুৰ লগাই পহু খেদা শুনি লাচিতৰ শত্ৰু শোণিতৰ পিয়াহ প্ৰবল হৈছে।

বৰগোহাঞে আৱিষ্কাৰ কৰা এই অবান্তৰ আক্ৰোশমূলক কাহিনীবোৰেই প্ৰকৃতপক্ষে 'চকৰি ফেঁটী' বুৰঞ্জী হ'ব। চাৰিঙীয়া বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই 'নাবা বুলিলে চাৰি চাপৰ বায় বা বুলিলে লেখজোখ নাই'। তেওঁৰ হাতত পৰি অসমৰ বিখ্যাত প্ৰথম বৰ বৰুৱা নাজিৰাৰ বামুণ এঘৰৰ 'ভাত কাপোৰীয়া' ল'ৰা হ'ল। স্বৰ্গদেৱৰ চকুত পৰি ৰাজ কাৰেঙৰ তামুলী আৰু পিছলৈ প্ৰধান কাৰ্য্যবাহী বিষয়া বৰবৰুৱা হ'ল। সূৰ্য্য কুমাৰ ভূঞাই কথাৰ পাক সলাই কাহিনীটো এনে ধৰণে বৰ্ণাইছে ঃ তেওঁৰ মতে মমাইৰ আচল নাম শুকতি। তেওঁ ভাগিনীয়েকৰ ঘৰত ৪ টকা ৰূপত বন্ধুৱা হৈ খেতি কৰিছিল। এদিন স্বৰ্গদেৱ প্ৰতাপ সিংহ সেইফালে যাওঁতে শুকতিক পথাৰত মন পুতি কাম কৰি থকা দেখিলে। এনেতে ভাগিনীয়েকে শুকতিক 'মমাই' সম্বোধন কৰা শুনি তেওঁৰ নাম মমাই বুলি ভাবিলে। মমাইৰ চাফ-চিকুণ কাম দেখি ৰজা মুগ্ধ হৈ ভাগিনীয়েকৰ পৰা মোকলাই আনি তেওঁক ৰাজ কাৰেঙৰ তামুলী বাব দিলে।

বেণুধৰ শৰ্মা আৰু সূৰ্য্য কুমাৰ ভূঞাই লাচিত বৰফুকনৰ পদবী সম্পৰ্কতো বিভ্ৰান্তিকৰ তথ্য দাঙি ধৰিছে। শৰাইঘাটৰ যুদ্ধৰ আগমূহূৰ্তত লাচিতে ফুকন মৰ্য্যদা লাভ কৰিছিল। সাধাৰণতে ফুকনৰ পৰাহে বৰফুকনলৈ পদোন্নতি হয়। গতিকে তেওঁলোকে ভবাৰ দৰে একেজন লাচিতেই ঘোঁৰা বৰুৱা, দোলা কাষৰীয়া বৰুৱা, শিমলুগুৰীয়া ফুকন মৰ্য্যদালৈ উঠা-নমা কাহিনী বুৰঞ্জীসন্মত নহয়।

অসমীয়া বুৰঞ্জীবিদৰ হাতত পৰি লাচিত বৰফুকন এজন ৰূপ কথাৰ নায়ক আৰু মধ্যযুগীয় ইউৰোপৰ Knight চৰিত্ৰটো পৰ্যবসিত হ'ল। অসমীয়া জাতিৰ জীৱন-মৰণৰ প্ৰশ্ন জড়িত হৈ থকা বিখ্যাত শৰাইঘাটৰ যুদ্ধখনতো লাচিতৰ শৌৰ্য-বীৰ্য, ৰণ দক্ষতা আৰু দেশপ্ৰেম প্ৰকাশ নাপাই এজন কাপুৰুষ ৰূপে প্ৰতিভাত হ'ল। এওঁলোকৰ মতে শৰাইঘাটৰ যুদ্ধৰ সময়ত লাচিত নৰীয়া পাটিত। সূৰ্য কুমাৰ ভূঞাই আৰু এখোজ আগবাঢ়ি গৈ নৰীয়া পাটিত পৰি থকা লাচিতৰ চাল পীৰাখন চাৰিটি 'ভূঞা পোৱালীয়ে'মাৰ নাৱত তুলি দিয়া কাহিনী আৱিষ্কাৰ কৰি নিজৰ সম্প্ৰদায়ক শৰাইঘাটৰ যুদ্ধৰ অংশ গ্ৰহণৰ



কৃতিত্ব দিছে।

সৰ্বেশ্বৰ বৰুৱা নামে এজন তথাকথিত বুৰঞ্জীবিদে ''দেশতকৈ মোমাই ডাঙৰ নহয়'' বোলা কাহিনী যোগ দি মাতুল ঘাতী ৰূপে লাচিতক আচামীৰ কাঠগড়াত থিয় কৰাইছে। লাচিত বাৰু ইমান দায়িত্বজ্ঞানহীন সেনাপতি আছিলনে যি শৰাইঘাটৰ যুদ্ধৰ আগ ৰাতিহে মোগলক বাধা দিবৰ কাৰণে অতি আৱশ্যকীয় গড়টো মাৰিবলৈ থৈ দিছিল আৰু এজন কাণ্ডজ্ঞানহীন মোমায়েকৰ ওপৰত দায়িত্ব দি নিজে নাকত তেল দি শুই আছিল? সেই অনামী দুৰ্ভগীয়া মোমায়েকক হত্যা নকৰা হ'লে সৈন্য বাহিনীত উৎসাহ-উদ্দীপনা ম্লান পৰিলেহেঁতেন নেকি?

সূৰ্য কুমাৰ ভূঞাই যুদ্ধৰ আগমুহূৰ্তত ৰাজ সভালৈ জয়ানন্দ তামদলৈ নামৰ কল্পিত ব্যক্তি এজনক মতাই নি ৰাজ ভঁৰালত যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, সা-সমল আদিৰ বুজ লৈছে। আহোমৰ ৰাজ ভঁৰালত কোনো তামদলৈ নামৰ কলিতা বা গণক কৰ্মচাৰী নাথাকে। এইবোৰ সম্পূৰ্ণ বুঢ়া গোহাঞিৰ নিয়ন্ত্ৰণত থাকে। ভূঞাই যুদ্ধৰ আগ নিশা লাচিতক এটা লোমহৰ্ষক সপোন দেখুৱাইছে। সপোনত লাচিতে এগৰাকী দীৰ্ঘকায় গৌড় বৰ্ণ স্ত্ৰীয়ে মুখ মেলি কাৰোবাক গ্ৰাস কৰিবলৈ অহা দেখিছে। পিছ দিনাখন চূড়ামণি আৰু সৰোবৰ জ্যোতিষীয়ে সপোন তত্ব ব্যাখ্যা কৰি মঙ্গলজনক বুলি কোৱাইছে। আহোমৰ নিজস্ব জ্যোতিষী দেওধাই-মহন-বাইলুঙৰ প্ৰতি এয়া চৰম অৱজ্ঞা প্ৰদৰ্শন কৰা হৈছে।

সূৰ্যকুমাৰ ভূঞাই মহাভাৰতৰ 'শিখণ্ডী' চৰিত্ৰৰ আৰ্হিত 'মদনাবতী' নামে এজনী অজ্ঞাত কুলশীলা ৰাজপুত ৰমণীক ৰাম সিংহই সৈন্য বাহিনীৰ সন্মুখত ৰাখি যুদ্ধ কৰা কাহিনী আৱিষ্কাৰ কৰিছে। ৰাম সিংহৰ বিৰুদ্ধে লাচিতে অনেক কাঁড়ী আৰু হিলৈদাৰীক ব্যাক্ষণৰ সাজ পিন্ধাই যুদ্ধলৈ পঠাইছে। হৰকান্ত বৰুৱা গণকৰ বুৰঞ্জীৰ দ্বাৰা প্ৰভাৱিত হৈ সূৰ্য কুমাৰ ভূঞাই কোনোবা অচ্যুতানন্দ দলৈ, সমুদ্ৰখৰি গণকৰ 'স্বৰোদয়' শাস্ত্ৰৰ বিধান মতে অস্ত্ৰ-শস্ত্ৰ, বন্দুক-বৰতোপ চলাইহে শৰাইঘাটৰ যুদ্ধত লাচিতে বৰফুকনে জয়লাভ কৰা দেখুৱাইছে। অবৈজ্ঞানিক দৃষ্টিভঙ্গীৰে সূৰ্য কুমাৰ ভূঞাই আহোমৰ সৈন্য বাহিনীত এহেজাৰ ৰাক্ষস সেনা আছে বুলি প্ৰচাৰ কৰাই, আনকি মোগল সৈন্যৰ আগত ৰাক্ষসৰ 'ভাওনা' দেখুৱাই শত্ৰু পক্ষৰ মাজত ভীতি সঞ্চাৰ কৰাৰ নিচিনা সাধুকথাও আৱিষ্কাৰ কৰিছে।

ভূঞাই লাচিত বৰফুকনক এজন মেৰুদণ্ডহীন ভাগ্যবাদী সৈনিকলৈ পৰ্যবসিত কৰাই যুদ্ধত জয় লাভৰ কাৰণে কামাখ্যা দেৱীক তুতি-মিনতি কৰাইছে। আটাইতকৈ হাস্যকৰ আৰু অবিশ্বাস্য ঘটনা এটা হ'ল — লাচিতে হেনো শৰাইঘাটৰ যুদ্ধত সকলো সৈন্য-সেনাপতিয়ে পিছে হোঁহকা মাৰিলেও নিজে সমুখ সমৰত মৰাৰ সংকল্প লোৱা দেখুৱাইছে। চিলা পৰ্বতত তেওঁৰ মৈদামৰ কাৰণে চাৰি কড়া দি এডোখৰ মাটি কিনি থোৱা বুলি ভূঞাই লাচিতৰ মুখত ভাৱৰীয়াৰ বচন আওঁৰাইছে।

অসমীয়া বুৰঞ্জীবিদৰ স্বকপোল কল্পিত কাহিনীৰে ভাবাক্ৰান্ত হৈ শৰাইঘাটৰ যুদ্ধ হৈ পৰিল এখন উপন্যাস। ইয়াত লাচিতৰ বীৰত্ব, কৃতিত্ব একো নাই। ই এখন ধৰ্ম যুদ্ধ। ইয়াত ভূঞা, গণক, ব্ৰাহ্মণ, শাক্ত, বৈষ্ণৱ, কলিতা, মুছলমান সকলোৱে নিজ নিজ অৱিহণা যোগাইছে। শৰাইঘাটৰ যুদ্ধ এতিয়া সাম্প্ৰদায়িক ৰাজনীতিলৈ ৰূপান্তৰিত হৈছে। কোনোবা বাঘ হাজৰিকাই লাচিতৰ ছাঁৰ দৰে থাকি, কোনোবা খৰঙী বৰুৱাৰ পূৰ্ব পুৰুষে লাচিতৰ কাষত লিগিৰা হৈ থাকি, কোনোবা অচ্যুতানন্দ দলৈয়ে লাচিতৰ কাষে কাষে থাকি স্বৰোদয় শাস্ত্ৰৰ গণনামতে পৰামৰ্শ দি লাচিতক যুদ্ধত জিকাইছে। লাচিতে কোনো শত্ৰুক হেং দাং হিলৈ অথবা কাঁড় মাৰিব লগা হোৱা নাই — কেৱল নিজৰ চহিয়ালক নাকে দাৰে গদিয়াই যুদ্ধত প্ৰেৰণা যোগাইছে। তেওঁ নৰীয়া পাটিত পৰি আছে, তীৰ কঁপে উঠা জ্বৰত চট্‌ফটাইছে আৰু হয়তো ভ্ৰম বকিছে।

আহোমৰ বুৰঞ্জী এতিয়া ''পথাৰৰ মাজত গছ। যেনিয়ে পোনায় তেনিয়ে পোন।'' বুৰঞ্জী এতিয়া সাধু কথা অথবা কানীয়া ভঙুৱাৰ বায়বীয় কল্পনালৈ ৰূপান্তৰিত হৈছে। এই প্ৰৱণতা এতিয়াই বাদ দি বিদ্যালয়ত প্ৰকৃত বুৰঞ্জী আৰু ভূগোল পুনৰ প্ৰৱৰ্ত্তন কৰি জাতিৰ ভৱিষ্যত বংশধৰ সকলক দিক দৰ্শন কৰিবৰ হ'ল। আহোম বুৰঞ্জীক অসমীয়া জাতিৰ বুৰঞ্জী বুলি ভাৱিবৰ হ'ল। কাৰণ আহোমৰ দেওধাই মহন বাইলুঙে কেৱল আহোমৰ বুৰঞ্জী লিখা নাছিল। এই বুৰঞ্জীত অসমৰ সকলো জাতি জনজাতিৰ বুৰঞ্জী সোমাই আছে। ■

[লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক আৰু এজন বিশিষ্ট গৱেষক, লেখক।-সম্পাদক]

*(প্ৰকাশ কাল ঃ ২০০৩-০৪)*



# সপোন ঃ
# নিদ্ৰিত অৱস্থাৰ ৰোমাঞ্চকৰ অভিজ্ঞতা
## (এক চমু পৰ্য্যালোচনা)

ড° বন্দনা পূজাৰী
মুৰব্বী অধ্যাপিকা, দৰ্শন বিভাগ

সপোন বা স্বপ্ন হৈছে এক বিশেষ ধৰণৰ চিন্তা যি কল্পনাৰ ওপৰত প্ৰতিষ্ঠিত, যাৰ আবিৰ্ভাৱ ঘটে নিদ্ৰিত অৱস্থাত। সপোন কি আৰু সপোন কিয় দেখা হয়? সপোনৰ সত্যতা আছেনে? আদি প্ৰশ্ন সমূহে প্ৰাচীন কালৰ পৰাই মানুহৰ মনক আমনি কৰি আহিছে। প্ৰাচীন কালত মানুহে বিশ্বাস কৰিছিল যে আমাৰ প্ৰাণ বা আত্মাই নিদ্ৰিত অৱস্থাত শৰীৰ ত্যাগ কৰি ইচ্ছানুযায়ী ঘূৰি ফুৰে। আৰু নিদ্ৰা ভঙাৰ লগে লগে আহি পুনৰ শৰীৰত প্ৰৱেশ কৰে। আকৌ মানুহে যুগ যুগ ধৰি এনে এক বিশ্বাস কৰি আহিছে যে সপোনৰ জৰিয়তে জীৱনৰ অত্যাৱশ্যকীয় অনেক গূঢ় অৰ্থৰ সন্ধেদ পোৱা যায় যিবোৰ জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি মানুহে নিজৰ জীৱনযাত্ৰা সাৱলীল কৰি তুলিব পাৰে। বিভিন্ন যুগৰ ইতিহাস আৰু পুৰাণ সমূহত বৰ্ণিত কাহিনী সমূহে সপোনৰ ব্যাখ্যাই মানৱ জীৱনৰ ৰোগ নিৰাময়ত, প্ৰাকৃতিক দূৰ্ঘটনা প্ৰতিৰোধত, ৰাজ্য শাসনত কেনেদৰে প্ৰভাৱ পেলায় তাৰ প্ৰমাণ দাঙি ধৰে। ভাৰতৰ ঋকবেদ, মিছৰৰ পেপিৰাছ আদি গ্ৰন্থসমূহ আৰু চীন দেশৰ নানা গ্ৰন্থত স্বপ্ন সম্পৰ্কীয় বিস্তৃত আলোচনা পোৱা যায়।

পুৰুষ-নাৰী নিৰ্বিশেষে সকলো দেশৰ সকলো বয়সৰ লোকৰ সপোন দেখাৰ অভিজ্ঞতা আছে। সপোনৰ বিষয়বস্তু অৱশ্যে কোনো কোনো ক্ষেত্ৰত নিদ্ৰা ভঙাৰ লগে লগেই অন্তৰ্ধান হৈ যায়। যদিওবা কিছুমান সপোনৰ বিষয়বস্তু

বিশেষকৈ আৱেগ সমৃদ্ধ সপোনবোৰে দীৰ্ঘ সময় ধৰি মনত ক্ৰিয়া কৰি থাকে। মানৱ মনৰ তিনিটা ক্ৰিয়া হৈছে — ক্ৰমে চিন্তা, ইচ্ছা আৰু অনুভূতি। চিন্তা, ইচ্ছা আৰু অনুভূতিৰ জৰিয়তে জাগ্ৰত অৱস্থাত সংগৃহীত অভিজ্ঞতা সমূহৰ প্ৰতিৰূপেই (Image) হৈছে মানৱ সপোনৰ বিষয়বস্তু। স্বপ্ন দেখাতো মানৱ মনৰ এক এৰাব নোৱাৰা প্ৰক্ৰিয়া যাৰ প্ৰভাৱৰ পৰা কোনো মানুহেই নিজকে আঁতৰাই আনিব নোৱাৰে। গতিকে এই সাৰ্বজনীন মানসিক প্ৰক্ৰিয়া সম্পৰ্কে আমাৰ সকলোৰেই প্ৰাথমিক জ্ঞান থকাটো অত্যন্ত প্ৰয়োজনবোধ কৰিয়েই এই পৰ্যালোচনাটো আগবঢ়াব বিচাৰিছো। স্বপ্ন সম্পৰ্কীয় যুক্তিভিত্তিক আলোচনা ভাৰতৰ বৃহদাৰণ্যক উপনিষদ, গ্ৰীক দাৰ্শনিক ডেমোক্ৰিটাচ, প্লেটো আৰু এৰিষ্ট'টলৰ লিখনিত পোৱা যায়। পাশ্চাত্য দেশ সমূহত এৰিষ্ট'টলেই পোন প্ৰথমবাৰৰ বাবে সপোনৰ মনস্তাত্বিক ব্যাখ্যা দিয়াৰ চেষ্টা কৰিছিল। অৱশ্যে জাৰ্মানিৰ মনোবিজ্ঞানী Wilhelm Wundt এ স্বপ্নৰ অনুসন্ধান আৰু গৱেষণাৰ জৰিয়তে মানোবৈজ্ঞানিক গৱেষণাৰ নতুন যুগৰ সূচনা কৰিছিল। ১৮৬১ খৃষ্টাব্দত ফৰাছী মনীষী Alfred Maury এ স্বপ্ন সম্পৰ্কে কৰা বিস্তৃত গৱেষণাৰ ওপৰত ভিত্তি কৰি *Sleep and Dreams* (Le sommcilet Les reves) নামৰ যি গ্ৰন্থ ৰচনা কৰিছিল তাত তেওঁ সপোন সৃষ্টি প্ৰক্ৰিয়াত বাহ্যিক উদ্দীপকৰ প্ৰভাৱ সম্পৰ্কে বিস্তাৰিত আলোচনা আগবঢ়াইছে। এই প্ৰসঙ্গত মূৰে নিজৰ এটা ব্যক্তিগত সপোন উল্লেখ কৰিছে। নিজৰ *Sleep and Dreams* নামৰ গ্ৰন্থখনত — তেওঁ ফৰাছী বিপ্লৱত অংশগ্ৰহণ কৰিছে; বিপ্লৱৰ ব্যৰ্থ পৰিসমাপ্তিত তেওঁক 'guillotine'ত মৃত্যুদণ্ড দিছে। তেওঁ গিলোটিনত আৰোহণ কৰিছে আৰু মুহূৰ্ততে গিলোটিৰ ব্লেড তেওঁৰ ডিঙিত পৰাৰ উপক্ৰম হোৱাৰ মুহূৰ্ত্ততে তেওঁ জিকাৰ খাই সাৰ পাই উঠিছিল। মূৰে সাৰ পাই উঠি দেখিছিল যে, তেওঁৰ বিছনাৰ আঠুৰা টনা খুটা এটা ডিঙিত পৰি আছে। এই সপোনটোৰ পৰা তেওঁ সিদ্ধান্ত কৰিছিল যে তেওঁৰ নিদ্ৰিত অৱস্থাত বাহিৰৰ উদ্দীপকে তেওঁৰ মনৰ মাজৰ ধাৰণা আৰু স্মৃতিক উদ্দীপিত কৰি সপোনৰ সৃষ্টি কৰিছিল। স্বপ্ন সম্বন্ধে মনোবিজ্ঞানী আৰু মানসিক ৰোগ চিকিৎসক ছিগমাণ্ড ফ্ৰয়েডে কৰা গৱেষণাৰ ফলাফলক লৈ ১৯০০ খ্ৰীঃত প্ৰকাশ কৰা তেওঁৰ *The Interpretation of Dream* নামৰ বিখ্যাত গ্ৰন্থখনে সপোনৰ ব্যাখ্যাৰ জৰিয়তে মনোবিজ্ঞানত নতুন যুগৰ সূচনা কৰে। সপোনৰ উৎস,



প্ৰক্ৰিয়া, তাৎপৰ্য্য আৰু ব্যাখ্যাৰ পদ্ধতি আদিৰ ক্ষেত্ৰত বৈজ্ঞানিক সূত্ৰৰ প্ৰয়োগ সপোনক অতীন্দ্ৰিয় ৰহস্যৰ মেৰপাকৰ পৰা উলিয়াই বিজ্ঞানৰ আলোকেৰে উদ্ভাসিত কৰি তুলিছিল।

সপোনৰ মনোবৈজ্ঞানিক আলোচনাক কেন্দ্ৰ কৰি দুটা শ্ৰেণীৰ মনোবিজ্ঞানীৰ আবিৰ্ভাৱ হৈছিল। এক শ্ৰেণীৰ মনোবিজ্ঞানীয়ে মত দাঙি ধৰিছিল যে সপোন সৃষ্টিৰ মূল কাৰণ হৈছে আমাৰ শৰীৰটো; আন এক শ্ৰেণীৰ মনোবিজ্ঞানীয়ে মত দাঙি ধৰে যে সপোন সৃষ্টিৰ মূলতে হৈছে মানসিক কাৰণসমূহ। সপোন সৃষ্টিৰ মূল কাৰণসমূহ আমাৰ শৰীৰৰ মাজতে নিহিত হৈ থাকে বুলি যিসকল মনোবিজ্ঞানীয়ে মত দাঙি ধৰিছে তেওঁলোকৰ ভিতৰত প্ৰধান হৈছে Mourley Vold, Wilhelm Wundt, Alfred Moury য়েই প্ৰধান। তেওঁলোকৰ মতে আমাৰ ইন্দ্ৰিয় সমূহৰ ওপৰত বাহ্যিক উদ্দীপকে কৰা ক্ৰিয়াৰ ফলতে সপোনৰ সৃষ্টি হয়। এই প্ৰসঙ্গত ফৰাছী মনোবিজ্ঞানী মূৰে নিজৰ এটা সপোনৰ কথা উল্লেখ কৰিছে — তেওঁক টোপনিৰ মাজত 'eau-de-cologne'ৰ গোন্ধ ল'বলৈ দিয়া হৈছিল আৰু তেওঁ সপোন দেখিছিল যে তেওঁ কাইৰোৰ এখন বিখ্যাত চৌখিন দোকানত সোমাইছে আৰু অনেক ৰোমাঞ্চকৰ ভ্ৰমণ কৰিছে। স্বপ্নৰ কাৰণ শাৰীৰিক বুলি মত দাঙি ধৰা সকলৰ মতে আমি যেতিয়া পাতল টোপনি অৱস্থাত থাকো তেতিয়া আমাৰ ইন্দ্ৰিয়সমূহে বাহ্যিক জগত আৰু অন্তৰ্জগতৰ কিছুমান উদ্দীপনা গ্ৰহণ কৰি থাকে। যেনে শৰীৰত বিছনাৰ স্পৰ্শ, নিজৰ ঘৰৰ অথবা ওচৰৰ ঘৰৰ লোক সকলৰ কথা-বাৰ্তা তথা আন শব্দ, শৰীৰৰ আভ্যন্তৰৰ ব্যথা-বেদনা আৰু শোৱাৰ ভঙ্গীৰ পৰা সৃষ্টি হোৱা নানা শাৰীৰিক অনুভূতি ইত্যাদি। চিলমিল টোপনিত আমাৰ মনে সেই উদ্দীপক সমূহে সৃষ্টি কৰা অনুভূতিবোৰৰ ওপৰত ভিত্তি কৰি সপোনৰ দৃশ্যসমূহ ৰচনা কৰে। এই মনোবিজ্ঞানী সকলৰ মতে আমাৰ মনে কোনো এটা শাৰীৰিক সংবেদনক কল্পনাৰ জৰিয়তে যিকোনো প্ৰতিৰূপলৈ পৰিৱৰ্ত্তিত কৰে। উদাহৰণস্বৰূপে, পাতল নিদ্ৰাৱস্থাত বাহিৰৰ ৰাস্তাত হোৱা কোলাহলৰ শব্দ কাণত আহি পৰিলে কোনো ব্যক্তিয়ে এনে সপোন দেখিব পাৰে যে, তেওঁ প্ৰতিবাদ শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছে। আকৌ খোলা খিৰিকীয়েদি আহি গাত লগা ঠাণ্ডা বতাহে নিদ্ৰিত ব্যক্তিক এনে সপোন দেখুৱায় যে তেওঁ সাগৰত গা ধুইছে অথবা কোনো বৰফাবৃত স্থানত ভ্ৰমণ কৰিছে। এওঁলোকৰ

মতে সপোন হৈছে এক প্ৰকাৰৰ অধ্যায় (chapter) অৰ্থাৎ সপোনৰ নিজস্ব বিষয়বস্তু থাকে যাক কেৱল বিস্তৃতভাৱে ব্যাখ্যা কৰা হয়। সপোনৰ শাৰীৰিক কাৰণত বিশ্বাসী সকলৰ ভিতৰত উইলিয়াম জেমচে মত দাঙি ধৰে যে, নিদ্ৰিত অৱস্থাত মানুহৰ মগজুত অৱস্থিত কোষ সমূহত ঘটা আভ্যন্তৰীণ পৰিবৰ্ত্তনৰ ফলত মস্তিষ্কত চিন্তাৰ উদয় হয়। কিন্তু নিদ্ৰিত অৱস্থাত মস্তিষ্কৰ কোষবোৰৰ সংযোগ বিচ্ছিন্ন হৈ পৰে যাৰ ফলত মস্তিষ্কৰ বাৰ্ত্তা বাহক স্বাভাৱিক পথসমূহ ৰুদ্ধ হৈ চিন্তাৰ মাজত বিশৃংখলতাৰ সৃষ্টি কৰে আৰু এই চিন্তাৰ বিশৃংখল অৱস্থাই স্বপ্নৰ জন্ম দিয়ে। আকৌ কিছুমান শৰীৰতত্ত্ববিদৰ মতে নিদ্ৰিত অৱস্থাত শৰীৰৰ ভিতৰত জমা হোৱা বিষ পদাৰ্থৰ বাবে মস্তিষ্কৰ কোষবোৰ স্নায়ুসন্ধি (synapre)ৰ স্বাভাৱিক ক্ৰিয়া ব্যাহত হৈ সপোনৰ সৃষ্টি কৰে। সপোন ব্যাখ্যাৰ বাবে শাৰীৰিক ক্ৰিয়াৰ আশ্ৰয় লোৱা সকলৰ বাবে এই মত গ্ৰহণযোগ্য নহয়। যিহেতু বহুতো ক্ষেত্ৰত দেখা যায় যে একে শাৰীৰিক কাৰণে ভিন্ন ভিন্ন সপোনৰ সৃষ্টি কৰে। কিন্তু মস্তিষ্ক কোষৰ নিষ্ক্ৰিয়তা আৰু বিশৃংখলতাই যদি সপোনৰ কাৰণ হয় তেনেহ'লে একে শাৰীৰিক কাৰণে পৃথিৱীৰ সকলো মানুহৰ মনত একে সপোনৰ সৃষ্টি কৰিব লাগিছিল। কিন্তু এনে অৱস্থা বাস্তৱত পোৱা নাযায়।

সপোনৰ ওপৰত শাৰীৰিক প্ৰভাৱৰ বিপৰীতে শৰীৰৰ ওপৰত সপোনৰ প্ৰভাৱ সম্পৰ্কে ১৯৫৬ খ্ৰীঃত চিকাগো বিশ্ববিদ্যালয়ৰ অধ্যাপক Nathaniel Kleitmon-এ তেওঁৰ গৱেষণাৰ সহযোগী আৰু ছাত্ৰ Eugine Aserinsky অৰ লগ হৈ কৰা গৱেষণা বিশেষভাৱে উল্লেখযোগ্য। ইউজিন এসেৰিনস্কিয়ে লক্ষ্য কৰিছিল যে, গৱেষণাগাৰত নিয়ন্ত্ৰিত অৱস্থাত নিদ্ৰামগ্ন ব্যক্তিসকলৰ অক্ষিগোলকে মাজে মাজে দ্ৰুত গতিত লৰচৰ কৰি থাকে। এই অক্ষিগোলক লৰচৰ কৰা সময়ত ব্যক্তিজনক যদি জগাই তেওঁ সপোন দেখিছে নেকি সোধা যায় তেতিয়া ব্যক্তিজনে সদৰ্থক উত্তৰ দিয়ে। ইয়ে প্ৰমাণ কৰিছিল যে নিদ্ৰিত অৱস্থাত অক্ষিগোলকৰ লৰচৰ কৰা সময়খিনি হৈছে স্বপ্ন দেখাৰ সময়। এই স্বপ্ন দৰ্শন সময়ছোৱাক REM Period (Rapid eye movement period) বা অক্ষিগোলকৰ দ্ৰুত লৰচৰ কাল বুলি অভিহিত কৰা হয়। আকৌ নিদ্ৰিত অৱস্থাত যি সময়ত সপোন দেখা নাযায় অৰ্থাৎ যি সময়ত অক্ষিগোলক কম মাত্ৰাত লৰচৰ কৰে তাক NREM বা Non rapid eye movement period



বোলা হয়। পৰীক্ষাৰ জৰিয়তে এইটো প্ৰমাণিত হৈছে যে সাধাৰণ ৰাতি একোটাৰ স্বাভাৱিক নিদ্ৰিত অৱস্থাত কোনো এজন ব্যক্তিয়ে চাৰি-পাঁচটা REM নিদ্ৰা পায় অৰ্থাৎ স্বাভাৱিক অৱস্থাত মানুহে এৰাতিত চাৰি পাঁচটামান সপোন দেখে। কিন্তু বিজ্ঞানৰ কোনো শাখাৰ অনুসন্ধানকে চিৰন্তন সত্য ৰূপে গ্ৰহণ কৰিব পৰা নাযায়। REM Period অৰ উপৰিও REM Period অতো সপোন দেখা পোৱা যায় যে পৰৱৰ্তী কালৰ গৱেষণাই এইটো প্ৰমাণ কৰিছে। আমি ভাৰতীয় দৰ্শনতো এই স্বপ্নযুক্ত নিদ্ৰা আৰু স্বপ্নহীন নিদ্ৰা সম্পৰ্কে আলোচনা দেখিবলৈ পাওঁ। ভাৰতীয় যোগ দৰ্শনত আলোচিত সুষুপ্তি হৈছে স্বপ্নহীন নিদ্ৰা আৰু এই সুষুপ্তিক Non-REM অৱস্থাৰ লগত তুলনা কৰিব পৰা যায়।

সপোনৰ মানসিক কাৰণ সম্পৰ্কে যিসকল মনোবিজ্ঞানীয়ে আলোচনা কৰিছে তেওঁলোকৰ ভিতৰত ছিগমাণ্ড ফ্ৰয়েড প্ৰধান। ফ্ৰয়েডৰ মতে সপোনৰ ব্যাখ্যা কেৱল শাৰীৰিক প্ৰক্ৰিয়াৰ জৰিয়তে কৰিব পৰা নাযায়। স্বপ্নসৃষ্টি শাৰীৰিক আৰু মানসিক উভয় প্ৰকাৰ ক্ৰিয়াৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। ফ্ৰয়েডৰ মতে নিদ্ৰিত অৱস্থাত আমাৰ মানসিক বৃত্তিবোৰ শৃংখলাবদ্ধ ৰূপতো নাথাকে। মনৰ তিনিটা অৱস্থাৰ অস্তিত্ব ফ্ৰয়েডে স্বীকাৰ কৰিছে। সেই তিনিটা অৱস্থা হৈছে —সচেতন অৱস্থা, প্ৰাক সচেতন অৱস্থা আৰু অৱচেতন অৱস্থা। জাগ্ৰত অৱস্থাত স্বাভাৱিক জগতৰ লগত যোগাযোগ ৰক্ষা কৰি চলা মনৰ অৱস্থাটোৱেই হৈছে সচেতন অৱস্থা। এই সচেতন অৱস্থা বৰ্তমান কালৰ মাজতে আৱদ্ধ হৈ থাকে। যেতিয়া কোনো ঘটনা অতীত হৈ যায় তেতিয়া সেই ঘটনাই সচেতন অৱস্থা ত্যাগ কৰি স্মৃতিৰ কুঠৰীত সোমাই পৰে যাক আমি ইচ্ছা কৰিলে পুনৰ মনৰ সচেতন অৱস্থালৈ আনিব পাৰো। মনৰ এই দ্বিতীয় অৱস্থাটো হৈছে প্ৰাক সচেতন অৱস্থা (Pre-conscious) আকৌ মনৰ আন এক অৱস্থা আছে যাৰ মাজত আমি জন্ম মুহূৰ্তৰ পৰা বৰ্তমানলৈকে আহৰণ কৰা সকলো অভিজ্ঞতা অৱস্থান কৰি থাকে। জন্ম মুহূৰ্ত্তৰ পৰা বৰ্ত্তমানলৈকে আমাৰ মন নানা অভিজ্ঞতাৰ মুখামুখি হৈছে। এই অভিজ্ঞতাবোৰ প্ৰথমতে সচেতন অৱস্থাত উদয় হয় আৰু এইবোৰ প্ৰাক সচেতন অৱস্থালৈ গতি কৰে অন্য এক নতুন অভিজ্ঞতা মনৰ মাজত প্ৰৱেশ কৰে আৰু এই পুৰণি অভিজ্ঞতাসমূহ এটা সময়ত ধীৰে ধীৰে অৱচেতন অৱস্থালৈ গুচি যায়

অৰ্থাৎ মনত এবাৰ যি ধাৰণা বা চিন্তাৰ উদয় হয় সেই চিন্তা কেতিয়াও চিৰদিনৰ বাবে মনৰ মাজৰ পৰা নাইকিয়া হৈ নাযায়। আমাৰ মনত উদয় হোৱা নানা ইচ্ছা-আকাংক্ষা, কামনা-বাসনা, সামাজিক নীতি-নিয়মৰ বাধাৰ বাবে অতৃপ্ত হৈ থাকি যায়। অৱচেতন মনত জমা হৈ থকা অপৰিতৃপ্ত কামনা-বাসনাবোৰে সপোনৰ দৃশ্যৰাজি সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ফ্ৰয়েডৰ মতে মনৰ তিনিটা ক্ৰিয়া আছে — ইদ (Id), ইগো (Ego) আৰু বিবেক বা চুপাৰ ইগো (Super Ego)। মানৱ মনৰ আদিম ক্ৰিয়াশীল অৱস্থাকে 'ইদ' বোলা হয়। এটা শিশুৱে জন্মাৱস্থাত ভাল লগা-বেয়া লগাবোধ, আৰাম বা বেদনাবোধ আদি লৈ জন্ম গ্ৰহণ কৰে। এই সময়ত শিশুৰ ওচৰত সম্ভৱ-অসম্ভৱবোধ, ন্যায়-অন্যায়বোধ বা যুক্তি বিচাৰৰ কোনো মূল্য নাই। এই সময়ত শিশুটো কেৱল 'ইদ' সৰ্বস্ব প্ৰকৃতিৰ হয়। এই মুহূৰ্ত্তত শিশুৱে যি কৰে তাৰ অন্তৰালত কোনো চিন্তা-ভাৱনা নাথাকে। শিশুৱে কেৱল সুখ লাভৰ তাগিদাতহে সকলো কৰে। শিশু ভূমিস্থ হোৱাৰ আগতে বাহ্যিক জগত সম্পৰ্কত অচেতন আছিল অৰ্থাৎ বাহ্যিক জগতৰ লগত শিশুৰ কোনো সম্পৰ্ক নাছিল। গতিকে শিশুৰ 'ইদ' ক্ৰিয়া অৱচেতনভাৱে পৰিচালিত হয়। কিন্তু শিশু এটাৰ জন্ম হোৱাৰ পিছৰে পৰা বাহ্যিক জগতৰ লগত সম্পৰ্ক আৰম্ভ হয় আৰু সেই সময়ৰ পৰাই 'ইদ'ৰ মাজত ৰূপান্তৰ আৰম্ভ হয়। 'ইদ'ৰ মাজত ঘটা ৰূপান্তৰৰ ফলত মনৰ যি অংশটোৱে বাস্তৱ জগতৰগত যোগাযোগ ৰক্ষাৰ ক্ৰিয়া আৰম্ভ কৰে সেই অংশৰ নাম ফ্ৰয়েডে 'ইগো' দিছে। 'ইগো' হৈছে 'ইদ'ৰ ৰূপান্তৰিত অৱস্থা। অৱশ্যে 'ইগো'ৰ মূল 'ইদ'তে থাকে। গতিকে 'ইদে' বাস্তৱিক জগতৰ পৰা যি সুখ আহৰণ কৰে সেয়া 'ইগো'ৰ মাধ্যমেৰেহে সম্ভৱ হয়। শিশুৰ বয়স বৃদ্ধিৰ লগে লগে 'ইগো'ৰ ব্যাপ্তি ঘটি থাকে। 'ইগো' যিমানেই বাহিৰৰ জগতৰ সংস্পৰ্শত আহে সিমানেই ইয়াৰ বৃদ্ধি, যুক্তি, বিচাৰ, অভিজ্ঞতাক কামত লগোৱাৰ ক্ষমতা আদিৰ প্ৰসাৰ ঘটে। 'ইগো'ৰ ক্ৰিয়া প্ৰধানতঃ সচেতন। অৱশ্যে ইয়াৰ মূল নিহিত হৈ থকে 'ইদ'ৰ মাজত অৰ্থাৎ অৱচেতনত। 'ইগো'ৰ বিকাশৰ লগে লগে ইয়াৰ বাহিৰৰ জগতৰ ব্যক্তি সকলৰ লগত বিশেষকৈ মাক-দেউতাকৰ লগত, সমাজ আৰু সংস্কৃতিৰ লগত আদান-প্ৰদানৰ জৰিয়তে ৰূপান্তৰ ঘটিবলৈ ধৰে আৰু এই ৰূপান্তৰিত অংশই হৈছে ন্যায়, নীতি আৰু আদৰ্শৰ ধাৰক।



মনৰ এই তৃতীয় ক্ৰিয়াটোৰ নাম দিয়া হৈছে 'বিবেক' বা 'চুপাৰ ইগো'। 'চুপাৰ ইগো'ৰ ক্ৰিয়াৰ মাজতে মানুহৰ মহৎ ভাৱ, আদৰ্শবোধ আৰু ত্যাগ বৃত্তি সুপ্ত হৈ থাকে। 'চুপাৰ ইগো' যদিওবা 'ইগো'ৰ ৰূপান্তৰ তথাপিও ইয়াৰ মূল 'ইদ'ত থাকে। আমাৰ দৈনন্দিন জীৱনৰ অৱদমিত চিন্তা-ভাৱনা, ইচ্ছা আদি মনৰ অৱচেতন স্তৰত 'ইদ'ৰ অংশৰূপে থাকে। মনৰ অৱচেতন স্তৰত 'ইদ' পূৰ্ণভাৱে বিৰাজ কৰি থাকে আৰু এই 'ইদ'ৰ মাজতেই 'ইগো' আৰু 'চুপাৰ ইগো' গঠিত হয়। মনৰ অৱচেতন স্তৰত 'ইদ', 'ইগো' আৰু 'চুপাৰ ইগো'ৰ মাজত নানা ধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া চলি থাকে। আমাৰ মনৰ অৱচেতন স্তৰত সোমাই থকা অতৃপ্ত কামনা-বাসনা সমূহে আত্ম প্ৰকাশৰ পথ বিচাৰি ফুৰে। অৱচেতন মনত সোমাই থকা অপৰিতৃপ্ত কামনা-বাসনাৰ আত্মপ্ৰকাশৰ প্ৰধান পথ হৈছে স্বপ্ন। আমাৰ মনত উদয় হোৱা বহুতো কামনা-বাসনা বাস্তৱিক, মানসিক তথা সামাজিক কাৰণবশতঃ অতৃপ্ত হৈ থাকি যায়। মনত অতৃপ্ত হৈ ৰৈ যোৱা কামনা-বাসনা বোৰেৰে স্বপ্ন দৃশ্য ৰচনাৰ জৰিয়তে মনে এই অতৃপ্ত সুপ্ত বাসনাৰ চৰিতাৰ্থ কৰে।

ফ্ৰয়েডে সপোনক শিশুৰ সপোন (Child's dream) আৰু প্ৰাপ্তবয়স্ক লোকৰ সপোন (Adult's dream)। এই দুটা ভাগত ভাগ কৰিছে। শিশুৰ সপোনৰ ক্ষেত্ৰত চেতন জীৱনত অতৃপ্ত হৈ ৰোৱা অপূৰ্ণ বাসনাবোৰৰ নিদ্ৰাৱস্থাত প্ৰত্যক্ষ পৰিতৃপ্তি ঘটে। শিশুৰ বাসনাবোৰে বয়স্ক লোকৰ বাধাৰ বাবে সাধাৰণতে তৃপ্তিলাভ কৰিব নোৱাৰে। শিশুৰ স্বাভাৱিকতে কিছুমান বস্তু খাবলৈ আৰু কিছুমান কাম কৰিবলৈ মন যায়। উদাহৰণস্বৰূপে এটা শিশুৰ ঘৰৰ কুকুৰটোৰ লগত খেলাৰ ইচ্ছা জাগিছিল কিন্তু মাকৰ ভয়ত ল'ৰাটোৱে সেই ইচ্ছা বাস্তৱায়িত কৰিব নোৱাৰিলে। তেনে অৱস্থাত শিশুটোৱে কুকুৰৰ লগত খেলাৰ সপোন দেখে। কিন্তু প্ৰাপ্তবয়স্ক লোকৰ সপোনবোৰ নানা ৰহস্যৰে আবৃত্ত। মানুহ যিহেতু সামাজিক প্ৰাণী, গতিকে সমাজত সুস্থভাৱে জীয়াই থাকিবৰ বাবে মানুহে সামাজিক নীতি-নিয়মৰ বান্ধোনক স্বীকাৰ কৰিবই লাগিব যাৰ ফলত সামাজিক নিয়মৰ বিৰুদ্ধে যোৱা সকলো কামনা-বাসনাক দমন কৰিবলৈ মানুহ বাধ্য হয়। কোনো কোনো সময়ত মানুহৰ মনত এনে কিছুমান বাসনা জাগে যিবোৰ মানুহে নিজৰ আগতো প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰে। মানুহৰ প্ৰতিটো সপোনেই অৱচেতন মনৰ

বাতৰি পৰিবহণ কৰে। সেই কাৰণে ফ্ৰয়েডে কৈছে — "dream is the royal road to the unconsicious" সপোনৰ যথাৰ্থ নিহিত থাকে আমাৰ অৱচেতন মনত সঞ্চিত হৈ থকা অৱদমিত ইচ্ছা আৰু আৱেগৰ মাজত। সপোনৰ দৃশ্যমান চিত্ৰৰূপেই সকলো প্ৰকাশ কৰিব নোৱাৰে। প্ৰকৃতাৰ্থত অৱচেতন মনত লুকাই থকা অতৃপ্ত কামনা–বাসনা, ইচ্ছা–আৱেগতহে সপোনৰ তাৎপৰ্য্য নিহিত হৈ থাকে। টোপনিৰ পৰা উলিয়াই সপোনৰ যি অংশ মনৰ মাজত পোৱা যায় সেয়াই হৈছে সপোনৰ 'প্ৰকট বিষয়া' (manifest content) আৰু ইয়াৰ উৎস য'ত নিহিত হৈ থাকে তাকে 'অপ্ৰকট স্বপ্ন বিষয়' (Latent dream content) বোলা হয়। মনৰ অৱচেতন স্তৰত অৱদমিত হৈ থকা অতৃপ্ত বাসনাসমূহ যিবোৰে পৰিতৃপ্তি বিচাৰি সপোন ৰচনা কৰে সেইবোৰক স্বপ্নৰ অপ্ৰকট বিষয় বোলা হয়। আকৌ যিবিলাক প্ৰতিৰূপৰ সহায়েৰে প্ৰকট স্বপ্নৰ বিষয়সমূহ চেতনাত উদ্ভাসিত হৈ উঠে সেইবোৰেই হৈছে স্বপ্নৰ প্ৰকট বিষয়। আমাৰ সামাজিক জীৱনটোক বিবেক বা Super Ego অই সাধাৰণতে নিয়ন্ত্ৰণ কৰি থাকে। কিন্তু যেতিয়া আমি গভীৰ নিদ্ৰাত নিমগ্ন হৈ পৰো তেতিয়া বিবেকো তন্দ্ৰাচ্ছন্ন হৈ পৰে। গতিকে তেনে অৱস্থাত বিবেকৰ পহৰা কাৰ্যও শিথিল হৈ পৰে। এই সুযোগতে মনৰ অৱচেতন স্তৰত লুকাই থকা অতৃপ্ত কামনা–বাসনাবোৰ চেতন মনলৈ আহি সপোনৰ জৰিয়তে পৰিতৃপ্তি লাভ কৰে। যিবিলাক উপায় অৱলম্বনৰ জৰিয়তে বিবেকক ফাঁকি দি অপ্ৰকট স্বপ্ন বিষয়বোৰ প্ৰকট স্বপ্ন বিষয়লৈ ৰূপান্তৰিত হয় সেই নিয়মসমূহক ফ্ৰয়েডে স্বপ্ন বিৰচন বিধি (Mechanism of dream formation) বুলি কৈছে। এই স্বপ্ন বিৰচন বিধি সমূহ হৈছে ক্ৰমে — (১) সংকোচন (condensation), (২) বিজ্ঞাপন (displacement), (৩) প্ৰতীকীকৰণ (symbolization) আৰু (৪) অনুবিস্তাৰ (Secondary elaboration)। এটা উদাহৰণৰ জৰিয়তে ব্যাখ্যা কৰিলে বিষয়সমূহ অধিক বোধগম্য হ'ব — স্কুলত পঢ়ি থকা এজন ল'ৰাক শিক্ষক এজনে বৰ বেয়া ব্যৱহাৰ কৰিছিল। সহপাঠী সকলৰ আগত লাজে–অপমানে ল'ৰাটো নিঃসহায় হৈ পৰিছিল। শিক্ষকজনৰ প্ৰতি উঠা ল'ৰাজনৰ অত্যন্ত খং আৰু প্ৰতিশোধৰ প্ৰৱল ইচ্ছাক বাস্তৱত প্ৰকাশ কৰিব নোৱাৰি ল'ৰাটোৰ মনত তীব্ৰ সংঘাতৰ সৃষ্টি হৈছিল। নিজৰ সীমিত শক্তি আৰু ক্ষমতাৰ কথা ভাবি ল'ৰাটোৱে নিজক বুজাই শান্ত কৰিছিল। কিন্তু কিছুবছৰৰ



পাছত এদিন ল'ৰাটোৱে এটা সপোন দেখিছিল যে এটা এন্দুৰ আৰু এটা মেকুৰীৰ মাজত প্ৰৱল যুদ্ধ হৈছে আৰু এন্দুৰটোৱে পৰাক্ৰমেৰে যুদ্ধ কৰি মেকুৰীটোক হত্যা কৰিছে। এই সপোনটো সৰ্বসাধাৰণৰ দৃষ্টিত এটা অৰ্থহীন সপোন মাত্ৰ। যি এন্দুৰ মেকুৰীৰ ভয়ত পলাই পত্ৰং দিয়ে তেনে এন্দুৰৰ হাতত মেকুৰীৰ মৃত্যু এক হাস্যকৰ দৃষ্টান্ত মাত্ৰ। কিন্তু মনোবিজ্ঞানৰ দৃষ্টিৰে এই সপোনটো অত্যন্ত অৰ্থপূৰ্ণ। এই উদাহৰণটোৰ এন্দুৰে মেকুৰীৰ লগত যুদ্ধ কৰি মেকুৰীটো বধ কৰা কাহিনীটো সপোনৰ প্ৰকট বিষয়। ইয়াৰ অপ্ৰকট স্বপ্ন বিষয়টো হৈছে শিক্ষকৰ হাতত অপমানিত হোৱা ল'ৰাটোৰ মনত শিক্ষকজনৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে জগা অৱদমিত বাসনা। এই ক্ষেত্ৰত এন্দুৰটো হৈছে ল'ৰাজনৰ প্ৰতীক আৰু মেকুৰীটো হৈছে শিক্ষকজনৰ প্ৰতীক।

অপ্ৰকট স্বপ্ন বিষয়বোৰ প্ৰকট স্বপ্ন বিষয়লৈ আহোঁতে সংক্ষিপ্ত ৰূপতহে আহে। উপৰোক্ত উদাহৰণটোত স্কুলঘৰ, সহপাঠী আদি প্ৰতিৰূপবোৰ বাদ দি কেৱল এন্দুৰ–মেকুৰীৰ যুদ্ধখনহে দেখা গৈছে। আকৌ কিছুমান সপোনৰ ক্ষেত্ৰত দেখা যায় অপ্ৰকট স্বপ্ন বিষয়টোৰ মুখ্য বিষয়বস্তুটোৱে সপোনৰ প্ৰকট ৰূপত মুখ্য ভূমিকা গ্ৰহণ নকৰে। বিবেকৰূপী মনৰ প্ৰহৰীক ফাঁকি দি অৱচেতনত মনৰ বিষয়বোৰে স্বপ্ন দৃষ্টি সৃষ্টি কৰিবলৈ আহোঁতে এই বিজ্ঞাপন প্ৰক্ৰিয়াৰ সহায় ল'ব লগা হয়। যেনে এজন মানুহৰ হয়তো নিজৰ ভায়েকৰ প্ৰতি ঈৰ্ষা আছে। তেওঁ সপোন দেখিলে যে তেওঁৰ বন্ধুজনে তেওঁৰ ভায়েকৰ প্ৰতি ঈৰ্ষা বশতঃ ভায়েকক ক্ষতি কৰাৰ চেষ্টা কৰিছে এই সপোনটোত ব্যক্তিজনে নিজৰ ইচ্ছাক স্থানচ্যুত কৰি আন এজনৰ এপৰত তাক জাপি দিছে। স্বপ্ন প্ৰক্ৰিয়াৰ আন এটা বিশেষ প্ৰক্ৰিয়া হৈছে প্ৰতীকীকৰণ। এই প্ৰক্ৰিয়াৰ জৰিয়তে সপোনৰ অপ্ৰকট বিষয়–বস্তুৱে প্ৰতীকৰ সাহায্যত আত্মপ্ৰকাশ কৰে। অপ্ৰকট বিষয়সমূহে প্ৰতীকৰ সহায়ত প্ৰকট স্বপ্ন বিষয়লৈ ৰূপান্তৰিত হয়। অসামাজিক, অবাস্তৱ আৰু নীতি বিগৰ্হিত ক্ৰোধ আৰু যৌন ইচ্ছা সমূহে নানা প্ৰতীকৰ জৰিয়তে বিবেক প্ৰহৰীক ফাঁকি দি স্বপ্নত আত্মপ্ৰকাশ কৰে। ফ্ৰয়েডে তেওঁৰ গ্ৰন্থত প্ৰতীকৰ এক সুদীৰ্ঘ তালিকা দিছে। যেনে — ঘৰ হৈছে মানুহৰ দেহাৰ প্ৰতীক। মসৃণ বেৰা থকা ঘৰ পুৰুষ দেহৰ আৰু অমসৃণ বেৰা থকা ঘৰ নাৰী দেহাৰ প্ৰতীক। ৰজা–ৰাণী, পিতা–মাতা আৰু কুকুৰ–মেকুৰী আদি জীৱ–জন্তু, ভাই–ভগ্নীৰ প্ৰতীক। 'পানী' জন্মৰ আৰু 'ভ্ৰমণ' মৃত্যুৰ প্ৰতীক। বস্ত্ৰ

হৈছে নগ্নতাৰ প্ৰতীক। আকৌ কলম, পেঞ্চিল, ছাতি, লাঠি, বন্দুক, সাপ, দা, কটাৰী, গছ, উৰাজাহাজ আদি বস্তুবিলাক পুংজননেন্দ্ৰিয়ৰ প্ৰতীক আৰু নাও, নদী, গহ্বৰ, ঘৰ আদি স্ত্ৰী জননেন্দ্ৰিয়ৰ প্ৰতীক। মণি-মুক্তা, ধন-সম্পদ, প্ৰিয়জনৰ আৰু মিঠাই দেহ সুখৰ প্ৰতীক। খেলাধূলা বা কোনো বাদ্য বজোৱা নিজৰ দেহজাত সুখৰ প্ৰতীক। সমুদ্ৰ, নদী, বিস্তীৰ্ণ জলজভূমি হৈছে জন্ম বা মাতৃগৰ্ভৰ প্ৰতীক। আকৌ স্বপ্ন প্ৰক্ৰিয়াৰ ৰূপত জড়িত আন এটা প্ৰক্ৰিয়া হৈছে অনুবিস্তাৰ, সংকোচন, বিজ্ঞাপন আৰু প্ৰতীকীকৰণ এই তিনিপ্ৰকাৰৰ কৌশল অৱলম্বন কৰি অপ্ৰকট স্বপ্ন বিষয়সমূহে যেতিয়া প্ৰকট ৰূপ ধাৰণ কৰে তেতিয়া সপোনৰ প্ৰতিকৰূপবোৰ অসংলগ্ন আৰু অৰ্থহীন তথা যোগসূত্ৰ বিহীন হৈ থাকে। অনুবিস্তাৰ হৈছে সেই প্ৰক্ৰিয়া, যি সংকোচন, বিজ্ঞাপন আৰু অনুবিস্তাৰ প্ৰক্ৰিয়াত কোনো বাধা নজন্মাই সপোনৰ প্ৰতিৰূপবোৰত সংঘবদ্ধ কৰি সপোনক সম্পূৰ্ণ নাটকীয় ভংগীমাত আত্মপ্ৰকাশ কৰাত সহায় কৰে আৰু সপোনৰ প্ৰকট ৰূপবোৰ চিত্তাকৰ্ষক কৰি তোলে।

বহুতো লোকে বিশ্বাস কৰে যে সপোনৰ জৰিয়তে ভৱিষ্যত ঘটনাৰ আভাস পোৱা যায়। স্বপ্ন আৰু ভৱিষ্যত কালৰ কোনো ঘটনাৰ মাজত কাৰ্যকাৰণ সম্পৰ্ক থাকিব নোৱাৰে। কিন্তু বস্তু জগত আৰু স্বপ্নৰ মাজত সম্পৰ্কযুক্ত কিছুমান ঘটনাৰ অস্তিত্ব দেখা যায়। সপোনৰ জৰিয়তে বস্তুজগতৰ পৰৱৰ্ত্তীকালৰ কোনো ঘটনাৰ আভাস পোৱাৰ সম্ভাৱনাক ফ্ৰয়েডে সন্দেহ কৰা নাছিল অথবা ভিত্তিহীন বুলিও ভৱা নাছিল। এই প্ৰসংগত ফ্ৰয়েডৰ বক্তব্য বিশেষ প্ৰণিধানযোগ্য — *...dreams are reputed to have the power of divining the future.... No doubt we shall be acting rightly in not insisting that this view has no basis at all in fact, since it is possible that before long a number of the instances cited may find an explanation within the bounds of natural phychology.* সপোনে যে ভৱিষ্যতৰ ঘটনাৰ পূৰ্বাভাষ দিব পাৰে সেই সম্ভাৱনাক ফ্ৰয়েডে অস্বীকাৰ কৰা নাছিল।

ভাৰতীয় দৰ্শনতো সপোনৰ ভৱিষ্য দৰ্শনৰ বিষয়ে আলোচনা কৰা দেখা যায়, চৰক সংহিতাত উল্লেখিত সাত প্ৰকাৰৰ সপোনৰ ভিতৰত এক প্ৰকাৰৰ সপোন হৈছে ভৱিষ্যত ঘটনাৰ পূৰ্বাভাষ সম্বলিত স্বপ্ন। বৌদ্ধ দৰ্শনতো সপোনৰ



ভৱিষ্যত বাণী কৰাৰ বিষয়ে আলোচনা কৰিছে। বৌদ্ধ দৰ্শনত উল্লেখিত ছয় শ্ৰেণীৰ স্বপ্ন দ্ৰষ্টাৰ ভিতৰত ভৱিষ্যত ঘটনাৰ পূৰ্বাভাষ দিব পৰা এক শ্ৰেণীৰ ব্যক্তিৰ উল্লেখ পোৱা যায়। যিসকলৰ মাজত আলোক দৃষ্টিৰ (clairvoyance) ক্ষমতা থাকে। আধুনিক যুগতো শ্ৰীৰামকৃষ্ণ, বিবেকানন্দ, শ্ৰীঅৰবিন্দ আদি ঋষি সকলেও সপোনৰ ভৱিষ্যতবাণী কৰিব পৰা সাম্ভাৱতাৰ কথা স্বীকাৰ কৰিছে। আকৌ কিছুমান লেখক, কবি আদিয়ে তেওঁলোকৰ সৃজনাত্মক ক্ৰিয়াৰ মূল সপোনত পাইছিল বুলি স্বীকাৰ কৰিছে। যেনে -- ৰবীন্দ্ৰনাথে তেওঁৰ 'ৰাজৰ্ষি' নাট্য কাহিনী সপোনত পাইছিল। ইংৰাজ কবি Coleridge এ তেওঁৰ বিখ্যাত কবিতা 'Kubla Khan' সপোন দেখি লিখিছিল। সপোন সম্পৰ্কে নানা আলোচনা আজিকোপতি চলি আহিছে যদিও ইয়ে যে শেষ সিদ্ধান্ত এনেদৰে কোনেও কোৱাৰ সাহস গোটাব পৰা নাই। অদূৰ ভৱিষ্যতে সপোন সম্পৰ্কীয় আৰু যে নতুন তথ্য বাহিৰ নহ'ব এনে নহয়। গৱেষণা, আলোচনা যিয়েই নহওঁক সপোন যে এক ৰোমাঞ্চকৰ অভিজ্ঞতাৰ ক্ষেত্ৰ তাক নুই কৰিব পৰা নাযায়। য'ত ভোকাতুৰে পেট ভৰাই খাবলৈ পায়, দুখীয়াজনে প্ৰাণ খুলি হাঁহিবলৈ পায় আৰু সদা সুধীজনেও চকুলোৰ মহিমা উপলব্ধি কৰাৰ সুযোগ পায়। ■

*(প্ৰকাশ কাল ঃ ২০০৪-০৫)*

## অথঃ গুঞ্জন কথা ঃ

# মানুহৰ ‘আদিম অদৰকাৰী কাম’ৰ কথা

সুশান্ত কৰ
প্ৰবক্তা, বাংলা বিভাগ

‘বাজে আড্ডা দি সময় নষ্ট নকৰিবা।’ —এনে উপদেশ শুনি শুনি কাণ বেয়া কৰি কৰি আমি সকলোৱে ডাঙৰ হৈছো। তাৰ পিছত সেই একেই উপদেশ আনক দিবলে আৰম্ভ কৰি নিজৰ ডাঙৰ হোৱা প্ৰমাণ কৰা আৰু নিজকে খুব কামৰ মানুহ বুলি দেখুৱাবৰ বাবে, ‘বাজে আড্ডা দি নষ্ট কৰাৰ সময় মোৰ নাই।’ — এনেদৰে সততে কৈ থকাৰ স্বভাৱ আমাৰ প্ৰত্যেকৰে কম বেছি পৰিমাণে আছে। ‘বাজে আড্ডা’ৰ আৰু কেইটামান প্ৰতিশব্দ আছে আমাৰ ভাষাত —‘পৰচৰ্চ্চা-পৰনিন্দা’, ‘জল্পনা-কল্পনা’, ‘ফচহু কথা’, ‘ফচহু-গল্প’ ইত্যাদি। ইংৰাজীত ‘chating’, ‘gossiping’, ‘spreading stories’ or rumours’ ইত্যাদি নানা প্ৰতিশব্দ আছে।

আমাৰ ধাৰণা, পৰচৰ্চ্চা-পৰনিন্দা কৰা তিৰোতাসকলৰ কাম। তিৰোতা সকলেতো কোনো কাম নকৰে (ৰন্ধা, কাপোৰ ধোৱা, কেঁচুৱা চোৱা-চিতা কৰা বহু পুৰুষৰ চকুত এইবোৰ কোনো কামেই নহয়)। বহি বহি ওচৰৰ ছোৱালী-বোৱাৰীক লগ পালেই আৰম্ভ কৰে পৰনিন্দা আৰু পৰচৰ্চ্চা, যাক আমি বহুতে কও, ‘বিয়নি মেল’। ৰাস্তাত বহি আড্ডা দিয়া বেকাৰ ল’ৰাবোৰে — সিহঁতেও সেই এটাই কাম খুব ভালকৈ কৰিব পাৰে। মনস্তত্বৰ গৱেষক সকলেও পৰচৰ্চ্চা ইমানদিনে দেৱালৰ সিপাৰৰ গুঞ্জন বুলি ভাবি বাতিল কৰি আহিছিল। কিন্তু এতিয়া তেওঁলোকে সুৰ সলাইছে। ছাৰা ওৱাৰ্ট *(Sarah Wert)* নামৰ এগৰাকী মনস্তত্ববিদে এতিয়া কৈছে, “Not participating in a gossip at some level can be unhealthy and abnormal.”



জীৱনত সফল হ’ব বিচাৰিছে নে? ভাল ছাত্ৰ, ভাল গৱেষক, ভাল শিল্পী, ভাল খেলুৱৈ, ভাল ব্যৱসায়ী, ভাল ৰাজনীতিবিদ্, ভাল দাৰ্শনিক হ’বনে? তেনেহ’লে অৱশ্যেই মানুহে কৰা গুঞ্জনত কাণ দিয়ক। গুঞ্জনত যোগ দিয়ক। গুঞ্জনত মুখ খোলক, আনক শুনিবলৈ কওক। কিয়নো আপোনাৰ শীতাতপ নিয়ন্ত্ৰিত ঘৰত নহয়, মুক্ত বতাহৰ ডাঙৰ ভাগেই যে বাহিৰৰ খোলা আকাশৰ তলত বৈ আছে, সেয়ে পাঁচ কিলো ওজনৰ একখণ্ড বিশ্বকোষৰ কিতাপত নহয় — মানুহৰ গুঞ্জনতেই জ্ঞানৰ ব্ৰহ্মপুত্ৰ বৈ যায়, —তাতে সাঁতুৰিবলৈ লওক।

আচলতে গুঞ্জনত কাণ দিবৰ বাবে প্ৰচাৰাভিযানত নমাৰ কোনো দৰকাৰে নাই। এৰা! আমি ‘গুঞ্জন’ শব্দটোৱে ব্যৱহাৰ কৰিম। শুনিবলৈ কেনে শুৱলা শুনায়; নহয়নে? ‘বাজে আড্ডা’, ‘পৰচৰ্চা — এইবোৰত ইয়াৰ গুণৰ গোন্ধটো সেইদৰে নেপাও। নিউইয়ৰ্কৰ ষ্টেট্ ইউনিভাৰ্চিটিৰ প্ৰাণীবিদ্যা আৰু নৃ-তত্বৰ অধ্যাপক ডেভিড স্লোৱান উইলচন (Devid Sloan Wilson) বিৱৰ্তন আৰু গোষ্ঠী আচৰণৰ (evolution and group behaviour) ওপৰত দীৰ্ঘদিন গৱেষণা কৰি এখন কিতাপ লিখিছে। তাত তেওঁ জাতি-বৰ্ণ-শ্ৰেণী-অঞ্চল নিৰ্বিশেষে মানুহৰ ওপৰত এটা দীৰ্ঘ সমীক্ষা চলাইছে। কিতাপখনৰ নাম, *Darwin's Cathedral*. যি সকল মানুহৰ মাজত সমীক্ষা চলাইছিল তাৰ মাজত প্ৰশান্ত মহাসাগৰীয় দ্বীপ অঞ্চলৰ মানুহ যেনেদৰে আছিল, আমেৰিকাৰ নিউফাউণ্ডল্যাণ্ড আৰু প্ৰতিবেশী ৰাষ্ট্ৰ মেক্সিকোৰ গ্ৰামাঞ্চলৰ জনতাও আছিল। আছিল চহৰৰ মজলীয়া স্কুলৰ মাৰ্কিন ছাত্ৰ-ছাত্ৰী সকলো। তেওঁ অনুসন্ধানত গম পালে গুঞ্জনৰ বিষয় আৰু পৌণঃপৌণিকতা বিশ্বজনীন। শ্বাস-প্ৰশ্বাস লোৱাৰ দৰেই সকলো ঠাইতে ই মানুহৰ অত্যন্ত স্বাভাৱিক স্বভাৱ। দিনৰ এক পঞ্চমাংশৰ পৰা দুই তৃতীয়াংশ সময় মানুহে গুঞ্জনত ব্যয় কৰে। আৰু সেই ক্ষেত্ৰতো মতা মানুহ মাইকী মানুহতকৈ ক’তো কোনো গুণেই পিছুৱাই নেথাকে।

এয়া আমি সকলোৱে জানো, কেৱল স্বীকাৰ নকৰো যে মতা মানুহেও মাইকী মানুহৰ সমানেই গুঞ্জনত ভাগ লয়। আপুনি নিশ্চয় ট্ৰেইনত দীৰ্ঘ পথ ভ্ৰমণ কৰিছে? দেখিছে, তাতে দেশ-সমাজ-ধৰ্ম-ৰাষ্ট্ৰ-শিল্প-সংস্কৃতি ইত্যাদি বিচিত্ৰ বিষয় লৈ কেনে আড্ডা দিয়ে পুৰুষ যাত্ৰীসকলে। ট্ৰেইনৰ ডবাৰ প্ৰতি

কক্ষতেই দুই-এজন সুবক্তা ওলাবই, যিজনে অলপ পিছতেই প্ৰতিৱেশী সমাজ, প্ৰতিবেশী ধৰ্ম নাইবা ৰাষ্ট্ৰৰ নিন্দাত সৰব হ'বই। আৰু অইন যাত্ৰীসকলে তেওঁৰ বিচাৰ-দক্ষতাত মুগ্ধ হৈ দুই-এটা সৰু-সুৰা মন্তব্য কৰি তাতে যোগ দিব। দুই-এগৰাকী চিনাকী মুখৰ যাত্ৰী উঠি আহে যদি, অৱশ্যেই অনুপস্থিতজনৰ চৰিত্ৰ বিশ্লেষণৰ কামত ব্যস্ত হৈ পৰিব। মহিলা যাত্ৰী সকল সাধাৰণতে ট্ৰেইনত নীৰৱ শ্ৰোতা হৈ থাকে।

আমাৰ মহাবিদ্যালয়ৰ শিক্ষক নাইবা ছাত্ৰ একতা সভাৰ পুৰুষ সদস্য সকলে কলেজৰ সম্পৰ্কে ক'বলগীয়া সকলো কথা কেৱল সভাতেই কয়নে? ইয়াৰ বাহিৰত মুখ বন্ধ ৰাখেনে? সঁচা কথাটো আমি সকলোৱে গম পাওঁ। সকলো ফুটবল-ক্ৰিকেটৰ ক্লাবত, গীত-নাটৰ সংস্থাত, কল-কাৰখানা, অফিচ-কাছাৰিত, বজাৰ-হাটত পুৰুষসকলে কেৱল কামৰ কথাহে পাতে; এজনৰ কথা আনজনৰ আগত নক'য় — এনেকৈ কোৱাৰ দৰে সম্পূৰ্ণ মিছা কথা আৰু নাই। আজিকালি সেইবোৰ প্ৰতিষ্ঠানত মহিলাৰ সংখ্যাও অনেক। আৰু পুৰুষৰ ভিতৰৰ কথা তেওঁলোকেও ভালদৰেই গম পায়। সেয়েহে, সেই দিনবোৰ গ'ল, যি দিনবোৰত অকল মন্থৰাৰ ওপৰত সকলো দোষ জাপি দি সম্পূৰ্ণ এখন ৰামায়ণ লিখা গৈছিল।

ইও আমাৰ এটা ভ্ৰম যে গুঞ্জনত কেৱল অনুপস্থিতজনৰ নিন্দাহে কৰা হয়। সৌ সিদিনা দেৱজিৎ সাহাক লৈ গোটেই পূৰ্বোত্তৰ ভাৰতৰ মানুহ আলোড়িত হ'ল। সেয়া কেৱল জী-টিভিৰ অনুষ্ঠান, নাইবা ফ্যান্ ক্লাববোৰৰ বেনাৰ, পোষ্টাৰৰ যোগেদিয়েই সম্ভৱ হৈছিল নে? ফাগুনী বতাহৰ দৰে গুঞ্জনৰ উত্তুঙ্গ ঢৌ যদি আগৰতলাৰ পৰা আমগুড়িলৈকে খলকনি নুতুলিলেহেঁতেন - দেৱজিৎ কেনেকৈ 'ভাৰতকণ্ঠ' হ'ব পাৰিলেহেঁতেন? যি ঢৌৱে আমাৰ সকলোকে ছুই গৈছে — পোষ্টাৰ-বেনাৰৰ দৰে তাৰ আকাৰ ঘনত্ব কেৱল স্পষ্টকৈ বুজাৰ কোনো উপায় নাছিল। তেনে আৰু এক গুঞ্জনৰ ঢৌ উঠিছিল বিধান সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি। সেই গুঞ্জনৰ গোটেইখিনি অইন দলৰ নিন্দাৰে ভৰা আছিলনে? যি দলক ভোট দিব লাগিব —তাৰ সপক্ষে প্ৰশংসাও আছিল, নহয়নে? আৰু এইয়া আমি সকলোৱে জানো। কিয়নো, আমি সকলোৱে তাত যোগ দিছো।

এৰা! যদি এনে হ'লহেঁতেন যে 'টাইটানিক' ছবিখন কেনে বা সত্যজিত



ৰায়, ভবেন্দ্ৰ নাথ শইকীয়া কেনে পৰিচালক আছিল, সেয়া চিনেমা হললৈ নগ'লে জনাৰ কোনো উপায় নাথাকিলেহেঁতেন? ৰবীন্দ্ৰনাথ, জ্যোতি প্ৰসাদ বা আইনষ্টাইন সম্পৰ্কে শ্ৰেণীকোঠাৰ বাহিৰত একো শুনা নগ'লহেঁতেন? নাইবা ভূগোলৰ ক্লাচৰ বাহিৰত আমেৰিকা দেশখনৰ সম্পৰ্কে জনাৰ একমাত্ৰ উপায় হ'লহেঁতেন সেই দেশলৈ যোৱা —তেন্তে কেনে হ'লহেঁতেন? সভ্যতাৰ গতি খুবেই মন্থৰ হ'লহেঁতেন। ই আমি সকলোৱে অনুমান কৰিব পাৰো। সেয়া যে নহয়, ইয়াৰ কাৰণ গুঞ্জন। আশৈশৱ গুঞ্জনত কাণ দিয়েই ৰামায়ণৰ মূল কথাবোৰ আমাৰ জনা যায়। ৰবীন্দ্ৰ নাথ, জ্যোতি প্ৰসাদ, আইনষ্টাইন বা গ্যাটৰ নাম শুনা যায়। তেওঁলোকৰ বিষয়ে বহুতো কথা জনা যায়। আৰু জনাৰ আগ্ৰহ বঢ়াই দিয়ে গুঞ্জনে।

আড্ডাই যে বহু লেখক, আলোচনী, আলোচনীগোষ্ঠীৰ জন্ম দিয়ে সেয়া সাহিত্যৰ নিয়মিত পাঠকে ভালকৈ গম পায়। মূলতঃ যি কাম সেই আড্ডাবোৰত হৈ থাকে সেয়া গুঞ্জন। তাত ফৰাচী সাহিত্যৰ প্ৰতি ভাৰতীয় সাহিত্যই সঁচাকৈয়ে কোনো ঋণ স্বীকাৰ কৰা উচিত নেকি সেয়া লৈয়ো ডাঙৰ বিতৰ্ক হ'ব পাৰে আৰু দুই বন্ধুৰ বহুদিন মুখ দেখাদেখি বন্ধ হৈ যাব পাৰে। কাৰণ, আড্ডাই কোনো শৃঙ্খলা নেমানে আৰু তাত কোনো সভাপতিও নেথাকে। তথাপিতো আড্ডাৰ মোহ আৰু মূল্য অস্বীকাৰ নকৰে কোনো লেখক-শিল্পীয়ে। কলকাতাৰ 'কফিহাউচ'য়ে এই সুযোগ দিয়েই বিশ্ববিখ্যাত হৈ পৰিছিল। জনশ্ৰুতি আছে যে ফৰাচী বিপ্লৱৰ আৰম্ভণী হৈছিল এনে এক আড্ডাৰ পৰাই। হাৰ্বাৰ্ড-অক্সফোৰ্ডৰ দৰে জগতবিখ্যাত বিশ্ববিদ্যালয়, হলিউদ-বলিউডৰ দৰে জগত বিখ্যাত চলচ্চিত্ৰ উদ্যোগকেন্দ্ৰ, ইস্ৰো-নাছাৰ দৰে বিজ্ঞানৰ গৱেষণা কেন্দ্ৰ, ভাৰতৰ সংসদ ভৱন বা আমেৰিকাৰ হোৱাইট হাউচ — য'ত পৃথিৱীৰ ব্যস্ততম মানুহে কাম কৰে তাতনো কেনে আড্ডা হয় — গুঞ্জনৰ বতাহ ব'লে — বাতৰি কাকতবোৰে সেইবোৰ খবৰ আমাক দিয়েই থাকে। ''ব্লেকহোল'ৰ মাজত পৰিলে সকলো তথ্য হেৰাই যায়'' —এই পূৰ্বানুমান প্ৰমাণ কৰিয়েই ষ্টিফেন হকিংএ বাজি ধৰিছিল তেওঁৰ প্ৰতিদ্বন্দী বিজ্ঞানীৰ লগত। সেই ঘটনা ঘটা নাছিল কোনো সন্মিলনত। সেই বাজিটোও আছিল এনে এক গুঞ্জনৰ পৰিণাম।

সেইবাবে নিজকে কৰ্মনিষ্ঠ মানুহ বুলি যাৰ অহংকাৰ আছে, যিজনে বুকু ফুলাই কৈ ফুৰে, এইবোৰ বাজে আড্ডাত অংশ লোৱাৰ দৰে অৱসৰ তেওঁৰ

নাই, — তেওঁৰ মানসিক স্বাস্থ্যলৈ প্ৰশ্ন উঠা উচিত। তেওঁ নিশ্চয় অসামাজিক লোক হ'ব। যেনেদৰে কয় মনস্তত্ত্ববিদ চাৰা ওৱাৰ্টে *(Sarah Wert)*। তেওঁৰ মন্তব্য আমি আৰম্ভণীতেই উল্লেখ কৰিছো। প্ৰায় উচপ্ খাই উঠিব লগা মন্তব্য, নহয় নে বাৰু? আমাৰ ইমান দিনৰ বিশ্বাস, ধ্যান-ধাৰণাবোৰ জোকাৰি দিয়াৰ দৰে মন্তব্য। পৰচৰ্চা নকৰাটো অস্বাস্থ্যকৰ । কলিকাল্‌নো আৰু কাক বোলে? কিন্তু সেই সত্যযুগতো শ্ৰীৰাম চন্দ্ৰই নিজে আনৰ কথাতো কাণ দিছিল। মনত পৰেনে? পৰচৰ্চা তথা গুঞ্জনৰ ওপৰতে নিৰ্ভৰ কৰিয়েই সীতাক বনবাসলৈ পঠিয়াইছিল। দুৰ্মুখৰ কামেই আছিল আনৰ কথাত কাণ দিয়া। চাৰা ওৱাৰ্টে আৰু কয়, *We all know people who are not calibrated to the social world at all, who if they participated in gossip sessions would learn a whole lot of staff they need to know and can't learn anywhere else, like how reliable people are, how trustworthy.* দুৰ্মুখৰ দৰেই আজিও চৰকাৰী-বেচৰকাৰী চোৰাংচোৱা সংস্থাবোৰৰ তথ্যৰ এক ডাঙৰ আকৰ গুঞ্জন। 'বিশ্বস্ত সূত্ৰ'ত পোৱা সংবাদ পৰিবেশন যদি বন্ধ হৈ যায় তেন্তে বহুতো সংবাদপত্ৰ আৰু সংবাদ চেনেলৰ ব্যৱসায় দেখোন বন্ধ হৈ যাব।

যদি ক'ৰবাত সাম্প্ৰদায়িক সংঘৰ্ষ হয় তেতিয়া কি ভয়ংকৰ চেহেৰা লৈ গুঞ্জনে তাৰ শিৰ তুলি থিয় হয় সেয়া আমি সকলোৱে জানো। সেই গুঞ্জনক তেতিয়া উৰাবাতৰি বুলি কয়। আমি এতিয়া সেই কথালৈ ব্যস্ত নহও, যদিও তেতিয়াও উৰাবাতৰিয়ে কেৱল দাঙ্গাবাজ সকলকে সক্ৰিয় নকৰে; শান্তিৰ উদ্যোক্তা সকলকো সক্ৰিয় আৰু সতৰ্ক কৰে।

সংঘৰ্ষৰ সময়ত 'উৰাবাতৰিত কাণ নিদিব।' — এনে আহ্বান জনোৱা আৰু সেয়া পালন কৰা প্ৰতিজন সৎ নাগৰিকৰ দায়িত্ব নিশ্চয়। ইয়াৰ অৰ্থ আপুনি সংঘৰ্ষ প্ৰতিৰোধ কৰক। কিন্তু ইয়াৰ অৰ্থ যদি এয়া হয় যে আপুনি গুঞ্জনৰ পথ ৰুদ্ধ কৰক — তেন্তে সেয়া প্ৰায় অসম্ভৱ কাম। দূষিত হৈছে বুলি বতাহক বলিবলৈ মানা কৰাতো সম্ভৱনে? আপুনি কেৱল দূষণ মুক্তিৰ কথাটো ভাবিব পাৰে।

পানী-বতাহে যেনেকৈ প্ৰাণক ধৰি ৰাখে, তেনেকৈ সমাজকো ধৰি ৰাখে, জীয়াই ৰাখে গুঞ্জনে। আমাৰ বহুতো অসামাজিক, অনৈতিক কামৰ বাট্‌ বন্ধ কৰি থয় গুঞ্জনে। ইয়াৰ সৰু কিন্তু গুৰুত্বপূৰ্ণ উদাহৰণ — এক সৰু খণ্ড বাক্য



যিটো প্ৰায় সকলো ভাষাতেই আছে -- 'মানুহে কি ক'ব?' মানুহে সকলো কথা সকলো সময়ত মুখৰ আগত কয় নে? গুঞ্জন মানেই তাত সঁচাৰ লগতে মিছা, বাস্তৱৰ লগত কল্পনা, ঘটনাৰ লগত অনুমান, শৃঙ্খলাৰ লগত বিশৃঙ্খলতা মিশ্ৰিত হৈ থাকিবই। প্ৰকৃততে নেথাকিবও পাৰে। কিন্তু 'থাকিব', এই সম্ভাৱনা ধৰি লোৱা হয়। সেয়েহে থিতাতে মুখৰ আগত ক'বলৈ সকলোৱে সাহস নকৰে। যেতিয়া কয়, কয় অইন ঠাইত। অইন সময়ত। আপোনাৰ মোৰ অনুপস্থিতিত। তৃতীয়-চতুৰ্থ-পঞ্চম ব্যক্তিৰ ওচৰত। তাতেই আমাৰ ভয়। ভয়, ভাব মূৰ্তি বেয়া হোৱাৰ। ভয়, আত্ম-সন্মান নষ্ট হোৱাৰ। সেই ভয় নেথাকিলে আমি যেতিয়া যি ইচ্ছা কৰিব পাৰিলোহেঁতেন, পশু-পক্ষীয়ে কৰাৰ দৰে। পশু-পক্ষীবোৰতো সমাজ নাই। গুঞ্জনে আমাক সমাজৰ সদস্য কৰি ৰাখে। ধৰি ৰাখে মানুহৰ পৰিচয়। সম্পূৰ্ণ পূৰ্বকাণ্ডত ৰাৱণৰ দৰে ভয়ংকৰ দানৱক ভয় কৰা নাই যিজনে, সেইজনা ৰামচন্দ্ৰই উত্তৰকাণ্ড জুৰি এটা মাত্ৰ ভয়কে উপেক্ষা কৰিব নোৱাৰিলে। আৰু সেয়া এই যে — সীতাক যদি ঘৰত তুলি লয়, তেনেহ'লে, 'মানুহে কি ক'ব(?)'। তাৰ বাবেই সীতাই প্ৰাণ দিব লগা হ'ল। ৰাৱণে ৰাৱণৰ ঘৰৰ পৰা সীতা অক্ষত শৰীৰ লৈ ওলাই আহিব পাৰিছিল। ৰাৱণে সীতাৰ এডাল চুলিও স্পৰ্শ কৰিব পৰা নাই। *Darwin's Cathedral* কিতাপত ডেভিড উইলচনে প্ৰায় একেদৰেই মন্তব্য কৰিছে, *There has been a tendency to denigrate gossip as sloppy and unreliable... and unworthy of serious study. but gossip appears to be a very sophisticated, multifunctional interaction which is important in policing behaviours in a group and defining group membership.*

যি সকলৰ উচ্চতৰ আত্মসন্মানবোধ *(high self-esteem)* আছে সেইসকলে সাধাৰণতে সদৰ্থক শব্দ বাক্যলৈ গুঞ্জনত যোগ দিয়ে। যিসকলৰ আত্মসন্মানবোধ নিম্নতৰ *(low self esteem)* সেই সকলেই মন্থৰাৰ ভূমিকা পালন কৰি তুষ্ট থাকে। এনে দুয়ো পক্ষক পৃথক কৰা অৱশ্যে কঠিন। প্ৰায়েই দুয়োপক্ষৰ মিশ্ৰণ একেই ব্যক্তিৰ মাজত ঘটি থাকে। গোটেই বিষয়টো স্থান-কাল সাপেক্ষে। সাধাৰণতে আমাৰ মাজত মন্থৰা বুদ্ধি প্ৰৱল হয়। কিন্তু চাৰা ওৱাৰ্টে ইয়াৰ পক্ষ লৈ মন্তব্য কৰে, *The gossip may involve putting someone else down to feel better by comparision, or it may*

*simply be a way to connect with someone else and share insecurities. But the end results is offen a healthy relief of social and professional anxiety.* এই 'share insecurities' বিষয়টো সদায় ব্যক্তিগত নহৈ সামাজিক জাতীয়-ৰাষ্ট্ৰীয় আনকি গোটেই মানৱ সভ্যতাৰ নিৰাপত্তাৰ অভাৱবোধ হ'বই পাৰে। এনেকৈয়ে দৰ্শন-শিল্প-ৰাজনীতি ইত্যাদিও গুঞ্জনৰ বিষয় হৈ পৰে।

অৱশ্যে যি সকলে ইয়াৰ পিছতো গুঞ্জনক 'অদৰকাৰী কাম' বুলি ক'ব —দৰ্শনৰ দৃষ্টিত তেওঁলোকে খুব এটা ভুল একো নক'ব। ৰবীন্দ্ৰ নাথে সকলো শিল্প-কৰ্মকেই 'অদৰকাৰী কাম' (শিল্প অপ্ৰয়োজনীয় আনন্দৰ বাবে) বুলি কৈছিল। ষ্টিফেন হকিংৱৰ বাবে খুবেই জৰুৰী কাম আছিল — মানুহজনৰ নিজৰ শৰীৰৰ প্ৰতি নজৰ দিয়াটো। সেয়া নকৰি মানুহজনে যে মহাবিশ্বৰ দিন-ক্ষণ্ মাপি চলি আছে — সেয়া পৃথিৱীৰ মহত্তম 'অদৰকাৰী কাম'বোৰৰ এটা। গুঞ্জন মানুহৰ একেবাৰে প্ৰাথমিক ধৰণৰ কিন্তু আদিম 'অদৰকাৰী কাম'বোৰৰ এটা।

নিজকে প্ৰকাশ কৰাৰ, চাৰিওকাষে আৰু দহজন মানুহৰ মাজত ঠাই বিচাৰি লোৱাৰ মানুহৰ এক প্ৰাকৃতিক প্ৰৱণতা আছে। তেওঁ জীয়াই থকাৰ প্ৰয়োজনৰ লগত ইয়াৰ কোনো প্ৰত্যক্ষ সংযোগ নাই। এই প্ৰৱণতা নোহোৱাকৈও মানুহৰ পূৰ্বপুৰুষ বান্দৰ তেতিয়াও জীয়াই আছিল, এতিয়াও জীয়াই আছে। এই প্ৰৱণতাই মানুহক মানুহ কৰিছে। এই প্ৰৱণতাৰ পৰাই এদিন ভাষাৰ জন্ম দিছিল, পাহাৰৰ গা'ত ছবি আঁকিছিল। এদিন লিপি আৰু লিখিত সাহিত্যৰ জন্ম দিছিল। গুঞ্জনও ঠিক তেতিয়াই আৰম্ভ কৰিছিল মানুহে। মানুহৰ জন্ম কথাৰ দৰেই গুঞ্জনৰ জন্ম কথাও আদিম আৰু প্ৰাগৈতিহাসিক। 'ৰবীন্দ্ৰ ৰচনা'ৰ লগত নাইবা আইনষ্টাইনৰ বিখ্যাত $E = mc^2$ সূত্ৰৰ লগত গুঞ্জনৰ পাৰ্থক্য কেৱল এইখিনিতে যে ফ্ৰীজ-ফিল্টাৰত ৰখা পানীৰ দৰে ৰবীন্দ্ৰ ৰচনাৱলীৰ আঁৰত সক্ৰিয় শ্ৰম আছে; চিন্তা কিম্বা তথ্য-কণিকাবোৰক শৃঙ্খলাৰ মাজত বান্ধি পেলোৱাৰ সৰ্বোত্তম প্ৰয়াস আছে। গুঞ্জনত তেনে একো নাই। নদী-নলা-সমুদ্ৰৰ পানীৰ দৰেই সৰ্বত্ৰগামী আৰু বিশৃঙ্খল। পানী যেনে ঘৰত থোৱা পাত্ৰত নিচেই কম, সমুদ্ৰতেই থাকে সৰহ পৰিমাণে; তথ্যও তেনে টেবুলত ৰখা কিতাপত কম — মানুহৰ মুখে মুখে বৈ যায়



আটাইতকৈ বেছি। নৱলব্ধ জ্ঞানও অনতিপলমে গুঞ্জনত পৰিণত হয়। উদাহৰণস্বৰূপে, ষ্টিফেন হকিং এ বাজি হাৰি গৈছে। স্বীকাৰ কৰিছে, কৃষ্ণ গহ্বৰত সকলো তথ্য হেৰাই নেযায়। এই সিদ্ধান্ত এতিয়া মুখে মুখে গুঞ্জনৰ মাজেদি বিয়পি গৈ আছে বিশ্বময়। জলপ্ৰবাহৰ নিয়মৰ দৰেই গুঞ্জনৰ প্ৰবাহৰ নিয়ম নিৰ্ণয় কৰা নেযাব এনে নহয়, পৰা যাব। কিন্তু সেই কাম শ্ৰম আৰু সময় সাপেক্ষে, গৱেষণাধৰ্মী কাম হ'ব। আমাৰ এতিয়া সেই কামৰ সময় নাই।

আমি এতিয়া ইয়াকে কোৱা যথেষ্ট যে পান কৰাৰ অযোগ্য বুলিয়েই নৈ'ৰ পানীক যেনেকৈ উপেক্ষা কৰা নাযায়, গুঞ্জনকো উপেক্ষা কৰাটো হ'ব তেনে মূৰ্খামী। বিশুদ্ধ পানীৰ উৎস যেনেকৈ নদী, গুঞ্জনও তেনেকৈ জ্ঞানৰ এক প্ৰবহমান উৎস। কথাটো সহজতেই বুজা যাব যদি আমি এটা শিশু পাঠ্য কবিতাৰ সহায় লওঁ —

*অঘটন ঘটি গ'ল, একেবাৰে হঠাতে।*
*নুসুধিবা কেনেকৈ? সাধাৰণ কথাতে।*
*...নেকি কিনো হ'ল? চোৱাচোন তলৈলে,*
*যদি সোধা কিয় হ'ল, 'মানা' আছে ক'বলৈ।*
*কুকুৰে আছিল ৰখি গৰাকীৰ পদুলি;*
*বাদুলীৰ লগ পালে, মিলি হ'ল 'কদুলী'।*
*কেটেলা পহুৱে আহি লগ ল'লে সিংহৰ*
*'টেলাচিং' নাম হ'ল, সিও ৰাজবংশৰ।...*

এই কবিতাটোৰ অৰ্থ কি? একো নহয়। 'ইয়াৰ অৰ্থ কি?' এনে কোনো প্ৰশ্ন নকৰিয়েই সৰু ল'ৰা-ছোৱালীহঁতে নৱকান্ত বৰুৱাৰ এই কবিতাটো মুখস্থ কৰে। ইয়াৰ ধ্বনী মাধুৰ্য্যই সিহঁতক আকৃষ্ট কৰি যায়। আমি ডাঙৰবোৰেও পৰম উৎসাহতে কণমানিহঁতক কবিতাটো পঢ়িবলৈ শিকাও। কিয়? এই আশাত যে কালক্ৰমে সিহঁতে ইয়াৰ প্ৰতিটো শব্দত অৰ্থ আৰোপ কৰিবলৈ শিকিব। আৰু অইন একো নহওক, এনেকৈয়ে সিহঁতক 'কুকুৰ', 'টেলাচিং' আদিৰদৰে ভুল প্ৰাণীৰ নামো উচ্চাৰণ কৰিবলৈ শিকাওতে আমি পিছহুহঁকি নাহোঁ। কিয়নো, জানো যে এই নামবোৰ ভুল বুলি জানি হাঁহি উঠাটোও শিশুৰ পক্ষে সমানে জৰুৰী। শিশুৰ নিজৰ মাত-কথাতো এনে বহুতো অৰ্থবহ শব্দ-বাক্যৰ লগত মিলি থাকে নিৰৰ্থক উচ্চাৰণ। তেওঁৰ নিজৰ অনেক

অজ্ঞতা-অক্ষমতাৰ বাবেই তেওঁৰ তাৰ বাবে কোনোপ্ৰকাৰৰ অস্বস্তি নহয়। আমাৰ সকলোৰে মাজতেইতো এটাকৈ শিশু বাস কৰে। জ্ঞানতকৈ অজ্ঞতাৰ, ক্ষমতাতকৈ অক্ষমতাৰ পৰিমাণ আমাৰ সকলোৰে মাজত বেছি। সেয়ে যি কথাবোৰ সভা-সমিতিত ক'ব নোৱাৰো, ছপাৰ আখৰত লিখিব নোৱাৰো - -সেই কথাবোৰেই গুঞ্জনৰ চেহেৰালৈ ওলাই আহে। কিন্তু 'কুদুলী', 'টেলাচিং' ইত্যাদি অৰ্থহীন শব্দৰ নাইবা বাক্যৰ ভিতৰত 'কুকুৰ', 'সিংহ', 'ৰাজবংশ' আদিৰ দৰে সুশৃঙ্খল শব্দ তথা প্ৰাণীনাম থাকিয়েই যায়। তেনে বহুতো তথ্য যেনে —কুকুৰে গৰাকীৰ পদূলি ৰখাৰ কাম কৰে —থাকি যায়, যি তথ্য অইন উপায়েৰে হয়তো জনাই নগলেহেঁতেন। আমেৰিকাৰ অহিও' চহৰৰ কলেজ ছাত্ৰ সকলৰ মাজত এদল মনস্তত্ত্ববিদে এক অনুসন্ধান চলাইছিল। ছাত্ৰ-ছাত্ৰী সকলক বিগত এক বছৰ, এক মাহ, কমেও এক সপ্তাহত শুনা আটাইতকৈ শ্ৰেষ্ঠ গুঞ্জনৰ সম্পৰ্কে লিখিবলৈ কোৱা হৈছিল। তেওঁলোকে সেই শ্ৰেষ্ঠ গুঞ্জনৰ পৰা পোৱা জীৱনৰ শিক্ষাৰ উল্লেখ কৰিছিল এইদৰে —'Sometime people realy do live up to self fulfilling prophecies', 'Cheerful people are not necessarily happy people.', 'Just because some one says they have pictures of something dosen't mean they do.' ইয়াৰ এটাও ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাৰ বক্তৃতাৰ পৰা শিকা নাই।

ইচ্ছা কৰিলেই যেনে প্ৰয়োজনৰ পানী, আনকি বতাহৰো দূষণ মুক্তি ঘটাব পাৰি, জল নাইবা বায়ু প্ৰবাহৰ গতিও বহুদূৰ নিয়ন্ত্ৰিত কৰিব পাৰি, তেনেকৈ গুঞ্জনৰো কৰিব পাৰোঁ। দক্ষ ৰাজনীতিবিদ নাইবা ব্যৱসায়ীসকলে কথাটো ভালদৰেই গম পায়। দূৰদৰ্শন চেনেলবোৰৰ বিজ্ঞাপনৰ গতিপ্ৰকৃতিৰ ওপৰত চকু দিলেই আপুনি ইয়াৰ সত্যতা উপলব্ধি কৰিব। 'পেপ্‌চি'য়ে খুব ভালেদৰেই জানে যে 'ইয়ে দিল মাঙ্গে ম'ৰ' — কথাষাৰ আপুনি সাধাৰণ কথা-বাৰ্তাতো ব্যৱহাৰ কৰি ভাল পাব। আৰু যেতিয়াই কৰিব, তেতিয়াই আপোনাৰ আৰু যিজনে শুনিব তেওঁৰ 'পেপ্‌চি কোলা'ৰ কথা মনত পৰিব। বিনা পইচাত বিজ্ঞাপন আৰু অইন কি প্ৰকাৰে বিয়পাব পাৰে?

চকু-কাণ অলপ খুলি থ'লেই আপুনি আপোনাৰ চাৰিওকাষৰ গুঞ্জনৰ গতিপথৰ বহুতোখিনি দেখি পাব। আপোনাৰ অফিচত সকলোৱে বৰ নিষ্ঠাৰে কাম কৰে — এজনে কেৱল কোনো নিয়ম নেমানে। ই অত্যন্ত স্বাভাৱিক যে



কামৰ কথাৰ বাহিৰত অইন সকলো কথা এই সহকৰ্মীজনক কেন্দ্ৰ কৰিয়েই ঘূৰি ফুৰিব। নাইবা কোনেও শৃঙ্খলা নেমানে, কেৱল এজনেই নিষ্ঠাৰে কাম কৰে —অইন সকলে এই মানুহজনৰ নিষ্ঠাৰ ৰহস্য সন্ধানতে ব্যস্ত হৈ পৰিব। আৰু অলপ লক্ষ্য কৰিলেই দেখা যাব — এই সকলৰ মাজত যাৰ অলপ নেতৃত্বদায়ী ক্ষমতা আছে — তেওঁ যি ধৰণে বিচাৰিব, যি বাটেৰে বিচাৰিব, কথাৰ পিছত কথা যুৰি যুৰি যাব, —সকলো একাঁবেঁকা প্ৰবাহ সত্ত্বেও গুঞ্জন সেই বাটেৰেই আগুৱাই যাব। ভাৰত-পাকিস্তানৰ ক্ৰিকেট খেলক কেন্দ্ৰ কৰি দুবছৰ আগতো প্ৰায়েই উৰাবাতৰিৰ চেহেৰা লৈ গুঞ্জনে সাম্প্ৰদায়িক সংঘৰ্ষ লগাই দিছিল। এতিয়া দুয়ো দেশৰ চৰকাৰে বিচৰা নাই বুলিহে গুঞ্জনে বন্ধুত্বৰ মালা গাঁথি গৈ আছে। হিংসা আৰু বিদ্বেষৰ কথাবোৰ তল পৰি গৈছে। হাতত এডাল লাঠি আৰু আঁঠুৰ ওপৰত ধুতি পিন্ধি মহাত্মা গান্ধীয়ে এই কামেই কৰিছিল। সকলোকে তেওঁৰ বক্তৃতা শুনাব নোৱাৰিব, তেওঁৰ লিখা প্ৰবন্ধ-পাতিবোৰ পঢ়াব নোৱাৰিব, তেওঁ জানিছিল। কিন্তু এনেকৈ তেওঁ সদায় গুঞ্জনৰ বিষয় হৈ থাকিব। আৰু লোকে লাহে লাহে 'গান্ধী' কথাটোৰ অৰ্থ বুজি পাব। তেওঁ জানিছিল, দেশজুৰি গুঞ্জনৰ সকলো শক্তিক এনেকৈয়ে তেওঁ স্বাধীনতা আদায়ৰ কামত লগাব পাৰিব আৰু পাৰিছিল। অইন এজনে অৱশ্যে কেইবছৰমান আগত ৰামৰথ যাত্ৰা উলিয়াই দেশজুৰি সংঘৰ্ষ লগাই দিছিল। সেয়াও পাৰি। কোনটো কামত লগাব সেয়াতো আপোনাৰ ওপৰতে নিৰ্ভৰ কৰিব। আপুনি কেৱল ঠিক কৰক —কামত লগাব নে অপচয় কৰিব। গুঞ্জন কিন্তু আপোনাৰো চাৰিওকাষে বৈ আছে। নিজকে 'খুব' ব্যস্ত মানুহ বুলি ভাবি লৈ ইয়াৰ পৰা পলাবৰ চেষ্টা নকৰিব। তেন্তে ই আৰু জোৰে, খুব জোৰে আপোনাৰ পিছ ল'ব। তেতিয়া আপুনি কেৱল এইটোৱে প্ৰমাণ কৰিব যে আপুনি প্ৰকৃততে কোনো কামৰে মানুহ নহয়। ■

টোকা ঃ

(১) প্ৰবন্ধটো লিখোতে *The Telegraph*, Knowhow-ত প্ৰকাশিত Benedict Carey-ৰ 'Have you heard?' প্ৰবন্ধকৰ সহায় লোৱা হৈছে।

(২) 'Gossip'-ৰ অসমীয়া শব্দ 'গুঞ্জন' নহয়। এয়া লেখকৰ নিজা ব্যৱহাৰ।

*(প্ৰকাশ কাল ঃ ২০০৪-০৫)*

# অসমত ভাষাৰ অধ্যয়ন

**মানসী ৰাজখোৱা**
প্ৰৱক্তা, অসমীয়া বিভাগ

**প্ৰস্তাৱনা ঃ**

ভাৰতবৰ্ষৰ পূৱ প্ৰান্তৰ অন্যতম ৰাজ্য অসমত ৰাজনৈতিক মানচিত্ৰ কালৰ গতিত সংকুচিত হৈ বৰ্তমান কেৱল ব্ৰহ্মপুত্ৰৰ উত্তৰ-দক্ষিণ দিশ সামৰি থকা জিলা কামৰূপ নামেৰে জনাজাত ভূ-খণ্ড, পিছলৈ অসম নামেৰে জনাজাত হ'ল। এই ভূ-খণ্ডলৈ প্ৰাগ্ ঐতিহাসিক কালৰে পৰা বিভিন্ন সময়ত, বিভিন্ন উপলক্ষত বিভিন্ন ভাষা-গোষ্ঠীৰ প্ৰব্ৰজন ঘটিল আৰু কালক্ৰমত বিভিন্ন ভাষা গোষ্ঠীৰ ভাষা সমন্বয়ত অসমৰ ভাষাৰূপে পৰিগণিত হ'ল অসমীয়া ভাষাটো। এই নামেৰেই বৰ্তমান অসমীয়া জাতিটো আৰু ভাষাটো পৰিচিত যদিও অসমত ভিন্ ভিন্ ভাষা গোষ্ঠীৰ ভাষা সম্প্ৰদায় বিশেষৰ মাজত খ্যাত-অখ্যাত অনেক ভাষা প্ৰচলিত হৈ আছে। অসমৰ ভাষা অধ্যয়নৰ বেলিকা কেৱল আৰ্যসম্ভূত ভাষাৰ বাহিৰেও প্ৰচলিত জনগোষ্ঠীয় ভাষাৰ অধ্যয়নৰো প্ৰয়োজন আছে।

**ভাষাৰ অধ্যয়ন ঃ**

যোৱাটো শতিকাৰ ত্ৰিশৰ দশকলৈকে অৰ্থাৎ ড° বাণীকান্ত কাকতিয়ে অসমীয়া ভাষা বিষয়ত লিখা গৱেষণামূলক গ্ৰন্থ 'Assamese – its formation and development' লেখালৈকে অসমত ভাষা সম্পৰ্কত বিজ্ঞানসন্মত অধ্যয়ন আৰম্ভ হোৱা নাছিল। পাশ্চাত্য বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে ভাষা অধ্যয়ন



আৰম্ভ হোৱাৰ পিছত লাহে লাহে অসমতো ভাষা অধ্যয়নত বৈজ্ঞানিক দৃষ্টিভঙ্গী গ্ৰহণ কৰা হ'ল। ড° কাকতিৰ পিছত অসমত ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰত বিশেষকৈ ভাষাৰ প্ৰায়োগিক দিশ সমূহৰ প্ৰতি অধিক গুৰুত্ব দিয়া দেখা গৈছে। এই ক্ষেত্ৰত ড° গোলোক চন্দ্ৰ গোস্বামী, ড° উপেন্দ্ৰ নাথ গোস্বামী, ড° প্ৰমোদ ভট্টাচাৰ্য, ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, ড° বিশ্বেশ্বৰ হাজৰিকা, ড° দীপঙ্কৰ মৰল, ড° ফণীন্দ্ৰনাথ দত্ত বৰুৱা, উপেন ৰাভা হাকাচাম, নাহেন্দ্ৰ পাদুন, ড° ভীমকান্ত বৰুৱা, ড° নোমল চন্দ্ৰ গগৈ আদি পণ্ডিত সকলৰ নাম উল্লেখযোগ্য। তেনেকৈ ব্যাকৰণ আৰু অভিধান প্ৰণয়নৰ ক্ষেত্ৰতো আধুনিক বিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰে কৰা চিন্তা-চৰ্চাৰ প্ৰসাৰো মন কৰিবলগীয়া।

আগতেই উল্লেখ কৰা হৈছে যে অসমত মূল ভাষাটোৰ উপৰিও জনগোষ্ঠীয় ভাষিক সম্প্ৰদায় কিছুমানো আছে। গতিকে ভাষাৰ অধ্যয়ন বুলি ক'লে নিশ্চয় এই জনগোষ্ঠীয় ভাষাসমূহৰ অধ্যয়নৰ কথাও আহিব। এইদৰে ভাষাৰ অধ্যয়নত ভাষাটোৰ উপভাষিক বা আঞ্চলিক, স্থানীয় আদিৰ ৰূপৰ অধ্যয়নো সামৰি ল'ব লাগিব। ধৰা হওঁক অসমৰ ভাষা হিচাপে অসমীয়া ভাষাটোৰ অধ্যয়নত ভাষাটোৰ উদ্ভৱকালীন আলোচনা, ঐতিহ্য, পৰম্পৰাগতভাৱে অহা ভাষাৰ ৰূপ, বিকাশৰ কথা, গঠন পদ্ধতিৰ প্ৰণালীবদ্ধ আলোচনা, আন ভাষাৰ প্ৰভাৱ, সাহিত্যত ভাষাটোৰ প্ৰয়োগ, ব্যাকৰণ, অভিধান সম্পৰ্কীয় অধ্যয়ন, উপভাষিক ৰূপৰ অধ্যয়ন আদিও বিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰে পুঙ্খানুপুঙ্খ অনুসন্ধানৰ প্ৰয়োজন হ'ব।

পৃথিৱীৰ যিকোনো ভাষাৰ অধ্যয়ন প্ৰণালীবদ্ধতাৰ মাজেৰেহে কৰা হয়। এই প্ৰণালীবদ্ধতা কিছুমান অনুসন্ধানমূলক পদ্ধতিৰে ৰূপ দিয়া হয়। যেনে – –ভাষা প্ৰক্ৰিয়া, বৰ্ণ, বৰ্ণ-বিন্যাস, লিপি, জোঁটনি, ৰূপ আৰু ৰূপ-সংযোগ পদ্ধতি, শব্দতত্ব, পদ প্ৰকৰণ, অৰ্থতত্ব, বাক্যবিন্যাস আদি ব্যাকৰণগত দিশসমূহ। ভাষাৰ অধ্যয়নত কোনো এটা ভাষাৰ ব্যাকৰণ আৰু অভিধানৰ ভূমিকা অনস্বীকাৰ্য।

আজি আমাৰ আলোচনাত অসমত ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰত ব্যাকৰণৰ দিশটোৰ ওপৰত আলোকপাত কৰিবলৈ বিচৰা হৈছে।

কোনো এটা ভাষা পূৰ্ণ বিকশিত হ'লেহে সেই ভাষাত ব্যাকৰণ চৰ্চা আৰম্ভ হয়। ভাষাৰ কৰ্ষণ অবিহনে ব্যাকৰণ অনৰ্থক। ভাষা একোটাই সাহিত্যিক

মৰ্যাদা পোৱাৰ পিছত সামাজিক আৰু ৰাজকীয় স্বীকৃতি অৰ্জন কৰে। অসমীয়া ভাষাই খৃষ্টীয় দশম শতিকাতেই এই স্বীকৃতি আৰু সন্মান পাইছিল। সেই সময়ত কিন্তু অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰণয়ন হোৱা নাছিল। বৃটিছৰ প্ৰশাসনৰ কালছোৱাতহে অন্যান্য নব্য ভাৰতীয় ভাষাৰ দৰে অসমীয়া ভাষাটোৰ ব্যাকৰণ ৰচনা কৰা হৈছিল। শাসনৰ সুবিধাৰ্থে বৃটিছ বিষয়াসকলে অসমীয়া ভাষাটো শিকাৰ প্ৰয়োজন হোৱাত বৃটিছ বিষয়া উইলিয়াম ৰবিনছন চাহাবে ১৮৩৯ চনত *A grammer of Assamese language* নামৰ অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ লিখি উলিয়ায়। এইখন ব্যাকৰণৰ আৰ্হি আছিল লেটিন ব্যাকৰণ আৰু মাধ্যম আছিল ইংৰাজী ভাষা। অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ হিচাপে এইখনৰ এক ঐতিহাসিক মূল্য যদিও ভাষাটোৰ গাঠনিক বৈশিষ্ট্যই স্পষ্টৰূপে দাঙি ধৰিব পৰা নাছিল। ইয়াৰ ন-বছৰৰ পাছত অসমীয়া ভাষাৰ দ্বিতীয়খন ব্যাকৰণ ৰচিত হয় ১৮৪৮ চনত। *Grammatical Notes on Assamese Language* নামৰ এইখন ব্যাকৰণৰ ৰচক ড° নাথান ব্ৰাউন। ড° নাথান ব্ৰাউন স্বৰূপাথত আছিল এগৰাকী ভাষাবিদ। অসমীয়া ভাষাটোৰ গাঠনিক বৈশিষ্ট্য সম্পৰ্কে তেওঁৰ আছিল সম্যক ধাৰণা। সেয়ে তেওঁৰ ব্যাকৰণখনত ভাষাটোৰ গাঠনিক স্বতন্ত্ৰতাৰ শুদ্ধ আলোচনাই ঠাই পাইছে। ব্ৰাউন চাহাবৰ ব্যাকৰণ ৰচনাৰ ৰীতি বৰ্ণনাত্মক। প্ৰকৃতপক্ষে চাবলৈ গ'লে সেই সময়তো অসমীয়া ভাষাত ব্যাকৰণ প্ৰণয়নৰ সময় হোৱা নাছিল। কিয়নো অসমীয়া ভাষাই বিভিন্ন উপাদান সংগ্ৰহ কৰি বিকাশৰ পূৰ্ণ পৰ্যায়ত উপনীত হোৱা নাছিল। ব্যাকৰণখনত ভাষাটো যেনেদৰে উচ্চাৰিত হৈছিল তেনেদৰেই লিখিত ৰূপ দিয়া হৈছিল। ব্ৰাউনৰ ব্যাকৰণখনৰ ভূমিকাখিনি (Introduction) অসমীয়া ভাষাৰ উদ্ভৱ আৰু ধ্বনিতত্ত্বৰ এখন অমূল্য ৰচনা। তেখেতে ব্যাকৰণখনত অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্যৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছে। ১৮৯৪ চনত অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক জি. এফ. নিকল চাহাবেও অসমীয়া ব্যাকৰণ এখন ৰচনা কৰিছিল। নিকলৰ ব্যাকৰণখনত নিজস্বতা বিশেষ নাই। তদুপৰি মিছনাৰীসকলৰ ব্যাকৰণ ৰচনাৰ পৰম্পৰা ৰক্ষা কৰি গুৱাহাটীৰ ডনবস্কৰ কেথলিক মিছনৰ ফাদাৰ অ'পাভিয়তিয়ে ১৯৪৯ চনত ইংৰাজীত এখন ব্যাকৰণ ৰচনা কৰিছিল। ব্যাকৰণখনৰ নাম 'An Assamese Grammer with Vocabulary and exercises' ব্যাকৰণ হিচাপে এইখন



ব্যাকৰণক বাকী কেইখনতকৈ উন্নত বুলি ক'ব পাৰি।

অসমীয়া ভাষাৰ অসমীয়াত লিখা প্ৰথমখন ব্যাকৰণৰ নাম *অসমীয়া ভাষাৰ ব্যাকৰণ*। অসমীয়া ভাষা-সাহিত্যৰ আধুনিক ভেটি নিৰ্মাতা সকলৰ অন্যতম হেমচন্দ্ৰ বৰুৱাই এই ব্যাকৰণখন ৰচনা কৰে। বৰুৱাৰ *হেমকোষ* আৰু অসমীয়া ভাষাৰ ব্যাকৰণ অকল তেওঁৰ জীৱনৰে নহয়, অসমীয়া ভাষাৰো স্বৰ্ণসৌধ। ইংৰাজী আৰু সংস্কৃত ভাষাৰ ব্যাকৰণ আৰ্হিত ৰচিত এই ব্যাকৰণখনত প্ৰচলিত সংস্কৃত শব্দৰ ঠাইত দেশী শব্দৰ প্ৰয়োগ কৰিছিল। হেমচন্দ্ৰ বৰুৱাই *অসমীয়া ল'ৰাৰ ব্যাকৰণ* নাম দি অন্য এখন চমু ব্যাকৰণো প্ৰকাশ কৰিছিল ১৮৮২ চনত। নাৰায়ণ শৰ্মা বিদ্যাভূষণৰ *আশুবোধ* নামৰ ব্যাকৰণখন ১৮৮৭ চনৰ ভিতৰত দুবাৰ প্ৰকাশ হয়। ধৰ্মেশ্বৰ গোস্বামীৰ *ল'ৰাবোধ* ব্যাকৰণখন কলকতাৰ পৰা প্ৰকাশ হৈছিল ১৮৮৪ চনত।

কুৰি শতিকাৰ প্ৰথম ভাগত লোকনাথ শৰ্মাৰ *অসমীয়া ব্যাকৰণ* নামেৰে এখন ব্যাকৰণ ছপা হৈ ওলায় (১৯১০)। ব্যাকৰণখনৰ বৈশিষ্ট্য হৈছে অসমীয়া সন্ধি সম্পৰ্কে কৰা আলোচনা। তদুপৰি অসমীয়া ভাষাৰ সন্ধিৰ নিয়ম যে সংস্কৃত ভাষাৰ সন্ধিৰ নিয়মৰ পৰা বেলেগ সেই কথাও তাত দাঙি ধৰা হৈছে। অসমীয়া ভাষাৰ বৈয়াকৰণিক বৈশিষ্ট্য সম্পন্ন এখন গ্ৰন্থ ১৯১২ চনত দেবানন্দ ভৰালীয়ে প্ৰণয়ন কৰিছিল। ঠিক বৈয়াকৰণৰ আদৰ্শৰে ৰচিত নহ'লেও *অসমীয়া ভাষাৰ মৌলিক বিচাৰ* নামৰ এই গ্ৰন্থখনত অসমীয়া ভাষাটোৰ গঠন আৰু বৈশিষ্ট্য সম্পৰ্কে কেইবাটাও মৌলিক ধাৰণাৰ সন্ধেদ পোৱা যায়। হেমচন্দ্ৰ বৰুৱাৰ পিছত যিগৰাকী ব্যক্তিয়ে গভীৰ নিষ্ঠা আৰু সততাৰে ব্যাকৰণৰ ৰচনাত প্ৰবৃত্ত হৈছিল তেওঁ হ'ল সত্যনাথ বৰা। তেওঁৰ *বহল ব্যাকৰণ* (১৯২৫) অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাসত এক অভিনৱ, অনুপম সংযোজন। তেখেতৰ বহল ব্যাকৰণখন শিক্ষাৰ্থী আৰু শিক্ষকৰ মাজত আজিও প্ৰিয়।

অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্বৰ চৰ্চাত আত্ম নিয়োজিত কৰা আন এগৰাকী ব্যক্তি হ'ল কালিৰাম মেধি। তেওঁৰ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব'* (১৯৩৬) নামৰ গ্ৰন্থখনে অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্বৰ চৰ্চাৰ ইতিহাসত এক বৈশিষ্ট্যপূৰ্ণ স্থান অধিকাৰ কৰিছে। মেধিৰ বিশ্লেষণ ৰীতি ঐতিহাসিক। বৈদিক, সংস্কৃত, প্ৰাকৃত আদিৰ মাজেদি ধাৰাবাহিক পৰিৱৰ্ত্তন লাভ কৰি জন্ম লাভ কৰা অসমীয়া ভাষাটোৰ স্বকীয়তা তেওঁৰ গ্ৰন্থখনত প্ৰতিষ্ঠা লাভ কৰিছে।

মেধিৰ গ্ৰন্থখনৰ পিছত ড° বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থ *Assamese – its formation and development* — এ অসমীয়া ভাষা আৰু ব্যাকৰণৰ দিশত বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ দুৱাৰ মুকলি কৰে। ড° কাকতিৰ গ্ৰন্থখনৰ phonology আৰু marphology নামৰ দুটা ভাগো আছে। phonology-ত অসমীয়া সুৰ আৰু ব্যঞ্জন ধ্বনিৰ বিভাগ, সেইবোৰৰ গুণ আৰু প্ৰয়োগ, শ্বাসসাত, ধ্বনি পৰিৱৰ্ত্তনৰ কাৰণ, স্বৰ আৰু ব্যঞ্জনসমূহৰ উৎস আৰু বিকাশৰ ধাৰা আদি আৰু marphology-ত অসমীয়া ভাষাৰ প্ৰত্যয়, বিভক্তি, লিঙ্গ, কাৰক, বচন, সৰ্বনাম, ধাতুৰূপ, ক্ৰিয়াৰ বাদে আদিৰ ঐতিহাসিক বিশ্লেষণ দাঙি ধৰা হৈছে।

স্বাধীনতা লাভৰ পৰৱৰ্ত্তী কালছোৱাত বিভিন্ন স্তৰৰ শিক্ষাৰ্থীৰ উপযোগীকৈ গিৰিধৰ শৰ্মা, ড° হৰিশ চন্দ্ৰ ভট্টাচাৰ্য, তাৰানাথ বৰপূজাৰী, বিনন্দ চন্দ্ৰ বৰ্মন, ড° ভগবান মৰল, ভূপেন্দ্ৰ নাথ চৌধুৰী, চন্দ্ৰপ্ৰভা চৌধুৰী, দুৰ্গাশঙ্কৰ শৰ্মা আদিয়ে ভালেমান ব্যাকৰণ ৰচনা কৰিছে অৱশ্যে নতুন দৃষ্টিভঙ্গী আৰু ব্যাখ্যাৰ পৰিচয় সেইবোৰত পোৱা নাযায়।

যোৱাটো শতিকাৰ প্ৰায় শেষ ভাগৰ পৰা ভাষা বিজ্ঞান তত্বৰ অধ্যয়ন আৰু সেইবোৰৰ বাস্তৱ ব্যৱহাৰে বিজ্ঞানসন্মত ব্যাকৰণ প্ৰণয়নৰ পৰিৱেশ সৃষ্টিত যথেষ্ট সহায় কৰিছে। অসমীয়া ব্যাকৰণ চৰ্চাত বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ সাৰ্থক প্ৰয়োগ ঘটিছে বুলি ক'ব পাৰি। প্ৰধানকৈ সেই সময়ৰ যি দুগৰাকী ভাষাতত্ববিনে নতুন দৃষ্টিভঙ্গীৰে বিশেষকৈ ভাষাবৈজ্ঞানিক সূত্ৰ খুটুৰাই অসমীয়া ভাষাৰ গঠনৰ ব্যাখ্যা দাঙি ধৰাৰ সফল প্ৰয়োগ কৰিছে সেইদুগৰাকী হ'ল ড° গোলোক চন্দ্ৰ গোস্বামী আৰু ড° উপেন্দ্ৰনাথ গোস্বামী। ড° গোলোকচন্দ্ৰ গোস্বামীয়ে *অসমীয়া গোলোক ব্যাকৰণ*ত (১৯৭২) অসমীয়া ভাষাৰ গাঠনিক ৰূপটোৰ ভাষাবৈজ্ঞানিক সূত্ৰ খুটুৰাই বিজ্ঞানসন্মতভাৱে ব্যাখ্যা কৰিছে। তেওঁৰ আন এখন ব্যাকৰণ হ'ল *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ* (১৯৮৭)। গোলোক গোস্বামীয়ে পোন প্ৰথমবাৰৰ বাবে অসমীয়া গোলোক ব্যাকৰণৰ ৰচনাৰে অসমীয়া ভাষাবৈজ্ঞানিক ব্যাকৰণৰ ভেটি সুদৃঢ় কৰাৰ চেষ্টা কৰিছিল। প্ৰকৃততে গোলোক ব্যাকৰণত আলোকচিত্ৰত বিভিন্ন বিষয়ৰব্যাখ্যা দিবলৈ যাওঁতে তেখেতৰ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰৰ জন্ম হ'ল। সম্প্ৰতি এই ব্যাকৰণখনকে আধাৰ হিচাপে লৈ তেওঁ অসমীয়া ব্যাকৰণখন ৰচনা কৰে।



ভাষা বৈজ্ঞানিক সূত্ৰৰ সহায়ত, নতুন ভঙ্গীৰ সহায়ত ৰচনা কৰা ব্যাকৰণ হ'ল ড° উপেন্দ্ৰ নাথ গোস্বামীৰ *অসমীয়া ভাষাৰ ব্যাকৰণ* (১৯৮১) আৰু *অসমীয়া ভাষাৰ ৰূপকথা* (১৯৭৪)। ড° গোস্বামীৰ ব্যাখ্যা স্পষ্ট, প্ৰাঞ্জল আৰু বিজ্ঞানসন্মত। এই শতিকাৰ আৰম্ভণিতে ড° গোলোক গোস্বামীয়ে ৰচনা কৰা *আমাৰ ভাষাৰ অনুশীলন* খনো এইটো দিশত উল্লেখ কৰিবলগীয়া।

ভাষাৰ চিন্তা-চৰ্চাত সততাৰে ব্ৰতী হৈ থকা আন এগৰাকী ব্যক্তি হ'ল বিশ্বেশ্বৰ হাজৰিকা। তেওঁৰ ইংৰাজীত লিখা *Assamese language : Origin and Development* নামৰ গ্ৰন্থই হাজৰিকাৰ মৌলিকতা, অনুসন্ধিৎসা আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ পৰিচয় বহন কৰিছে।

ঠিক ব্যাকৰণ হিচাপে ৰচনা কৰা নহ'লেও ড° ৰমেশ পাঠকৰ *অসমীয়া ভাষাৰ ইতিহাস* আৰু *ব্যাকৰণ আৰু প্ৰকৃতি বিজ্ঞান* নামৰ গ্ৰন্থ দুখনে অসমীয়া ভাষাৰ লগতে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে ব্যাকৰণৰ এটি আভাস দিবলৈ চেষ্টা কৰা হৈছে। সাম্প্ৰতিক সময়ত আন কেইবাজনেও এই বিষয়ত গৱেষণালব্ধ জ্ঞানেৰে দুই-এখন পুথি প্ৰণয়নৰ চেষ্টা কৰা দেখা গৈছে। অৱশ্যে এইবোৰক পূৰ্ণ পৰ্যায়ৰ ব্যাকৰণ বুলিব নোৱাৰি।

অসমীয়া ভাষাৰ ব্যাকৰণসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰায়বোৰ ব্যাকৰণ সংস্কৃত অথবা ইংৰাজী ব্যাকৰণৰ আৰ্হিত প্ৰস্তুত কৰা হৈছে। অসমীয়া ভাষাৰ গাঠনিক ৰূপটোৰ প্ৰতি পূৰ্ণ দৃষ্টি নপৰা বাবে শুদ্ধ ব্যাকৰণ আজিলৈকে তৈয়াৰ হোৱা নাই। থলুৱা জনগোষ্ঠীসমূহৰ সংমিশ্ৰণৰ কথাটোও ব্যাকৰণ ৰচনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। সেইদৰে উপভাষিক বা আঞ্চলিক, স্থানীয় আদি ৰূপৰ বৈয়াকৰণিক দিশটোৰ অধ্যয়নো প্ৰয়োজনীয় বুলি ভাৱো।

অসমীয়া ভাষাৰ গঠন আৰু প্ৰয়োগৰ ক্ষেত্ৰত সাম্প্ৰতিক কালত চলি থকা বিভ্ৰাট সম্পৰ্কে নানাজনে নানান মতামত, পৰামৰ্শ আদি আগবঢ়াই আহিছে। ভাষাৰ চিন্তা-চৰ্চাৰ প্ৰতি আগ্ৰহী আৰু আস্থাশীল ব্যক্তিসকল আগবাঢ়ি আহি, বিশেষকৈ লিখিত ভাষাটোৰ এটা সু-নিৰ্দিষ্ট নীতি গ্ৰহণ কৰাত ঐক্যমতত উপনীত হ'লে অদূৰ ভৱিষ্যতে ভাষাটোৰ খেলিমেলি যে আঁতৰ হ'ব সি নিশ্চিত। ■

*(প্ৰকাশ কাল ঃ ২০০৮-০৫)*

# ইতিহাস চৰ্চা আৰু ড° সূৰ্য্যকুমাৰ ভূঞা

**অঞ্জনা গোস্বামী**
জ্যেষ্ঠ প্ৰৱক্তা, ইতিহাস বিভাগ

যিসকল বৰেণ্য ব্যক্তিয়ে অসমীয়া সংস্কৃতি আৰু ইতিহাসক ভাৰততে নহয়, গোটেই বিশ্বকে অৱগত কৰিবলৈ চেষ্টা কৰিছিল সেইসকলৰ ভিতৰত ড° সূৰ্যকুমাৰ ভূঞা আছিল অন্যতম। জাতীয়তাবাদী এইজনা ব্যক্তিয়ে ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে যিমানখিনি কিতাপ আৰু গৱেষণা-পত্ৰ লিখি থৈ আৰু সম্পাদনা কৰি থৈ গৈছে তাক ভাবিলে আচৰিত নহৈ নোৱাৰি।

তিনিচুকীয়াত এবাৰ তেখেতক সম্বৰ্ধনা জনাওঁতে তেখেতে কৈছিল যে তেখেতৰ জীৱনৰ উদ্দেশ্যই হ'ল অসমৰ গৌৰৱময় অতীতৰ বিষয়ে ভাৰত তথা বিশ্বৰ সুধী সমাজক জনোৱা আৰু তেওঁলোকে যাতে স্বীকৃতি দিয়ে যে অসমৰ মানুহখিনিও মহান ভাৰতবৰ্ষৰ গৌৰৱপূৰ্ণ সভ্যতাৰে এক অংশ।

১৯২৭ চনত তেওঁ 'Early British Relation with Assam' নামৰ এটা প্ৰৱন্ধ লিখি কিতাপ আকাৰে প্ৰকাশ কৰে। তেতিয়া 'Your work is half done' বুলি প্ৰফেচাৰ H. H. Dodwell এ মন্তব্য দিয়াত তেওঁ অনুপ্ৰাণিত হৈ দৃঢ়তাৰে তেওঁৰ তলতে গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। এই থেচিচখনেই হ'ল *East India Company's Relation With Assam 1771-1826* নামৰ গ্ৰন্থ। যিখন হ'ল অসমীয়া জাতিলৈ দিয়া তেখেতৰ অনন্য অৱদান। তেখেতে অসমত এখন 'এচিয়াটিক চছাইটি' গঠন কৰাত জোৰ দিছিল যাতে অসমৰ বুৰঞ্জীসমূহ সংৰক্ষণ কৰিব পৰা যায়। নিজে অক্লান্ত পৰিশ্ৰম



কৰি অসম চৰকাৰক ইতিহাস আৰু গৱেষণাৰ কাম কৰিবৰ বাবে এটা অনুষ্ঠান পতাত গুৰুত্ব দিবলৈ বাধ্য কৰে যাৰ ফলতেই জন্ম লাভ কৰে Deptt. of Historical and Antiquarian Studies-য়ে। এই অনুষ্ঠানটো আছিল তেখেতৰ আত্মা আৰু হৃদপিণ্ড। ইয়াতেই তেখেতে সংগ্ৰহ কৰিলে বিভিন্ন ঠাইত সিচৰিত হৈ থকা বৃহৎ পৰিমাণৰ হাতে লিখা পুথিসমূহ। য'ত আছে সাহিত্যিক, ধৰ্মীয় তথা ঐতিহাসিক কৰ্মৰাজি, জ্যোতিষ আৰু প্ৰচলিত ঔষধিৰ ওপৰত লিখা কিতাপসমূহ। তেখেতৰ ডাঙৰ বৰঙনি হ'ল ন-বছৰৰ ভিতৰত এঘাৰখন বুৰঞ্জী একেলগ কৰি সম্পাদনা কৰা কথাটো। এই কাম তেখেতে উদ্যোগ লৈ নকৰাহেঁতেন হয়তো অসমৰ মানুহ বহুতদিনলৈকে এই বিষয়ত অজ্ঞ হৈয়েই থাকিলেহেঁতেন।

ড° ভূঞাই তেওঁৰ সকলোবিলাক লিখাতে অসমক প্ৰতিফলিত কৰিবলৈ বিচাৰিছিল। তেওঁ অসমৰ লগত পঞ্জাৱ, কাশ্মীৰ, বংগ, উৰিষ্যা আদিৰ যে সু-সম্পৰ্ক আছিল তাক তথ্যসহকাৰে জনাব পাৰিছিল। ১৯৫১ চনত *National Herald* নামৰ বাতৰি কাকতখনত 'Assam's link with Kashmir' নামেৰে তেখেতে এটা প্ৰৱন্ধও লিখিছিল। পাদ্ চাহ বুৰঞ্জীখনতো তেখেতে শিখ গুৰু টেগ বাহাদুৰ অসমলৈ অহাৰ কথা আৰু মাৰাঠা বীৰ শিৱাজীক অসমৰ মানুহে জীৱিত কালতেই জনাৰ কথা উল্লেখ কৰিছে। 'New Light on Mughal India from Assamese Sources' নামৰ এলানি প্ৰৱন্ধ লিখি তেখেত সমাদৃত হৈছে। তেখেতৰ লিখাবিলাকত এই কথাটোও প্ৰতিপন্ন কৰিবলৈ বিচাৰিছিল যে ভাৰতৰ বাকী ৰাজ্যতকৈ অসম পিছতহে বৃটিছৰ অধীন হৈছিল। আৰু নিজৰ সাৰ্বভৌমত্ব ৰক্ষা কৰিব পাৰিছিল।

১৯৩৭ চনত লেখক ভূঞাই ৰোমান দেশত এলানি ভাষণ দিছিল। প্ৰথম ভাষণত তেখেতে কৈছিল যে ইটালী আৰু ঐতালী নামটো উজনি ব্ৰহ্মদেশৰ শ্যান লোকসকলে অসমৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে। তদুপৰি তেওঁ কৈছিল ভেনিচৰ সদাগৰ মানুচী অসমলৈ অহাৰ কথা। আৰু কৈছিল ইটালীৰ ইঞ্জিনিয়াৰ ৰবাৰ্ট পেগানিনিয়ে ৰজা ইমানুৱেলৰ সন্মানাৰ্থে মাৰ্ঘেৰিটা নামৰ নগৰখনৰ নাম দিয়াৰ কথা। এইদৰে অসমৰ মহিলাৰ বয়ন শিল্পৰ ওপৰত দিয়া ভাষণে পবিতাৰা নামৰ জাৰ্মান মহিলা এগৰাকীক উদ্বুদ্ধ কৰিছিল আৰু তেওঁ এই বিষয়ত এখন কিতাপো লিখিছিল।

১৯৫২ চনত ভাৰতৰ ইতিহাস কংগ্ৰেছৰ গোৱালিয়ৰত হোৱা অধিৱেশনত সভাপতিৰ ভাষণত তেখেতে গৱেষণা কৰাৰ সম্পৰ্কত গুৰুত্ব দি কৈছিল যে

ভাৰতৰ চহকী সংস্কৃতিয়ে যাতে বিশ্বৰ প্ৰশংসা পায় তাৰ বাবে চোকা তথা ডেকা ল'ৰাবোৰক গৱেষণাৰ বাবে আকৰ্ষণ কৰাব পাৰিব লাগে। তেখেতে আৰু কৈছিল — একতা নোহোৱাৰ বাবেই মাৰাঠা, ৰাজপুত, শিখ আদি শক্তিসমূহক বৃটিছে পৰাভূত কৰিবলৈ সক্ষম হৈছিল কেৱল তেওঁলোকৰ সামৰিক আৰু নৌশক্তিৰ প্ৰাধান্যৰ বাবে নহয়। কথাৰ মাজতে তেখেতে অসমৰ ৰজা আৰু মন্ত্ৰীৰ কথা এটা উল্লেখ কৰিছিল। কথাটো হ'ল ৰাজেশ্বৰ সিংহই ৰংঘৰৰ বাকৰিত খেল-ধেমালি, নাচ-গান আৰু অন্যান্য প্ৰতিদ্বন্দ্বিতাবোৰ চাই থাকোতে হঠাতে মন্ত্ৰী কীৰ্তিচন্দ্ৰ বৰবৰুৱাক সুধিলে, 'ইমানবোৰ মানুহ, একেলগ হৈ আছে, ৰজাৰ বিৰুদ্ধে যদি কিবা অঘটন ঘটায়?' তেতিয়া বৰবৰুৱাই কৈছিল, 'মানুহ বহুত, মনবোৰ ভিন ভিন। দুজনক একেলগ কৰিব পৰা নাযাব। গতিকে একতাই বল আৰু ইয়াক ব্যৱহাৰ কৰিলেহে সফল হ'ব পাৰি।' এই কথা তেওঁ প্ৰতিপন্ন কৰিছিল।

তেখেতে বিশ্বাস কৰিছিল যে ভাৰতৰ ইতিহাস চৰ্চা বিশেষকৈ গংগা উপত্যকাৰ সভ্যতাই নিয়ন্ত্ৰণ কৰি থাকে। যাৰ ফলত পূব ভাৰতৰ বিষয়ে তেওঁলোকে বিশেষ একো নেজানে। ১৯৫২ চনত উটকত হোৱা সন্মিলনত এই কথাৰ ওপৰত গুৰুত্ব দি তেখেতে কৈছিল যে এতিয়া প্ৰকৃত সময় পূব ভাৰতৰ বিষয়ে তেওঁলোকক জনোৱাটো যাতে ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক ভাৱধাৰা নতুন ধ্যান-ধাৰণাৰে সমৃদ্ধ হয়। ইতিহাসৰ প্ৰকৃত অধ্যয়ন নহ'লে প্ৰকৃত ইতিহাস ৰচনা কৰিব নোৱাৰি।

তদুপৰি তেখেতে সঘনাই অসমৰ ইতিহাসৰ ওপৰত ভাৰত তথা আন্তঃৰ্জাতিক স্তৰৰ কৰ্মশালা বা আলোচনা চক্ৰ আদিত গৱেষণা-পত্ৰ পাঠ কৰিছিল। পুৰণি কালত যে অসমত জ্যোতিষ শাস্ত্ৰৰ চৰ্চা হৈছিল তাক প্ৰাগজ্যোতিষপুৰ নামটোৱে বা নৱগ্ৰহ দেৱালয়ে প্ৰতিপন্ন কৰে। তাক উল্লেখ কৰি এই বিষয়েহে অসমত বিশেষ চৰ্চা বা গৱেষণা হোৱা নাই বুলি সেই কথাত আক্ষেপ কৰিছিল। অৱশ্যে তৰুণ প্ৰজন্মৰ ওপৰত অগাধ বিশ্বাস থকা ভূঞাদেৱে এইটোও বিশ্বাস কৰিছিল যে অসমৰ কোনোবা লোকে লুকাই থকা বা হেৰাই যোৱা বহুত কথাৰ ওপৰত অনুসন্ধান কৰিব আৰু যিবোৰ প্ৰশ্নৰ উত্তৰ এতিয়াও লিখা হোৱা নাই তাৰ উত্তৰো লিখিব। ■

*(প্ৰকাশ কাল ঃ ২০০৬-০৭)*



# বাৰেকুৰিৰ ঐতিহ্য ঃ
## এটি অৱলোকন

**মানৱ চুতীয়া**
স্নাতক ৩য় বৰ্ষ (কলা)

তিনিচুকীয়া জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা প্ৰায় ৫-৬ কিলোমিটাৰ আৰু মাকুম নগৰৰ পৰা প্ৰায় ১.৫ কিলোমিটাৰ আঁতৰত অৱস্থিত বৃহত্তৰ বাৰেকুৰি অঞ্চল। বিশেষকৈ মৰাণ সম্প্ৰদায় আৰু চাহ জনগোষ্ঠীৰ বসতিপ্ৰধান অঞ্চলটো পুৰণি মতাপুং, বৰগাঁও, হাপজান, হাতীজান, হাতীবাট, বেবেজীয়া, গৰিয়াটিং, যজ্ঞখোৱা, খাটোৱাল, ডেংকা, তৰাজান, লেচেংকা, হাপপৰা, হাতীগড়, আহুখাট, বিহিয়াটিং, দীঘলসাঁকো, কমলাপুৰ, বঙালীলেচেংকা, নৱপুৰ, ন-মতাপুং, আমগুৰি, দিচাউজান, চামগুৰি, গেৰেগুৱাচুক, হলৌটোপ আদি সৰু-বৰ প্ৰায় ত্ৰিশখনমান গাঁও আৰু ধেলাঘাট, চান্দমাৰি, লংছোৱাল, হাপজান, বেতজান চাহ বাগিচাৰ কিছু অংশৰে বাৰেকুৰি অঞ্চলটো গঠিত। এই বিশাল অঞ্চলটো ১৬৯১ শকত মায়ামৰা ধৰ্মৰ নৱমজনা ধৰ্মগুৰু শ্ৰীশ্ৰীঅষ্টভুজ গোঁসাইদেৱে প্ৰতিষ্ঠা কৰিছিল। 'বাৰেকুৰি থল' সম্পৰ্কে কোনো বুৰঞ্জী নাই। বাৰেকুৰি সৃষ্টিৰ কথাখিনি আদিৰ পৰা বৰ্তমানলৈকে মানুহৰ মুখে মুখে চলি আহিছে। এই লেখাত শ্ৰীযুত তিলেশ্বৰ চুতীয়াদেৱৰ 'বাৰেকুৰিত অষ্টভুজৰ ভূমিকা' নামৰ প্ৰৱন্ধ আৰু শ্ৰীযুত ইন্দ্ৰেশ্বৰ চুতীয়াদেৱৰ 'বাৰেকুৰি থলৰ ইতিবৃত্ত' নামৰ পুথিখনিৰ সহায় লোৱা হৈছে।

শ্ৰীশ্ৰীঅনিৰুদ্ধ গোঁসাইদেৱে প্ৰচাৰ কৰা মায়ামৰা ধৰ্মৰ নৱমজনা ধৰ্মগুৰু শ্ৰীশ্ৰীঅষ্টভুজ গোঁসাইদেৱে বাৰেকুৰি অঞ্চললৈ আগমনৰ কিমান বছৰ পূৰ্বৰ

পৰা এই অঞ্চলত জনবসতি আছিল সেই বিষয়ে সবিশেষ জনা নাযায়। সেই সময়ত এই অঞ্চলৰ লোকসকল শাক্তধৰ্মী আছিল বুলি অনুমান কৰা হয়। কিয়নো বাৰেকুৰি অঞ্চলৰ যজ্ঞখোৰা গাঁৰৰ উৎপত্তিৰ এটা প্ৰবাদ আছে। সেই সময়ত অঞ্চলটোত দেউপূজা, তাম্ৰেশ্বৰী দেৱী (কেঁচাইখাটী গোঁসানী)ৰ পূজা, বলি-বিধান, যাগ-যজ্ঞ আদিৰ প্ৰচলন আছিল। বৰ্তমান যজ্ঞখোৰা গাঁও প্ৰাথমিক বিদ্যালয়ৰ সমীপত 'দেউশাল' আৰু 'দেউচাং' নামেৰে দুখন যজ্ঞৰ শাল আছিল। সেই দেউচাঙতেই কেঁচাইখাতী গোঁসানীৰ সন্তুষ্টিৰ বাবে খামতি, চিংফৌ আৰু আবৰৰ বিৰুদ্ধে যুদ্ধ কৰিবৰ সময়ত নৰবলি দি যজ্ঞ কৰা হৈছিল। সেইকাৰণে গাঁওখনৰ নাম যজ্ঞখোৰা হ'ল বুলি কোৱা হয়। ইয়াৰ উপৰি অঞ্চলটোত যে বিভিন্ন জনগোষ্ঠী আছিল তাৰ প্ৰমাণ পোৱা যায়। উদাহৰণস্বৰূপে, বিহিয়াটিঙত বিহিয়া, গৰিয়াটিঙত গৰিয়া (মুছলমান) আদি জনগোষ্ঠী আছিল বুলি অনুমান কৰিব পৰা যায়। তদুপৰি বৰগাঁৰৰ বুৰুংচুক চুবুৰীত কৈৱৰ্তলোকেও বসতি কৰি থকাৰ কথা শুনা যায়। আজিৰ পৰা কিছুবছৰ আগলৈকে তাত থকা ডোমৰ কঁঠাল নামে জনাজাত এজোপা বিৰাট কঁঠালগছে ইয়াৰ সত্যতাকে প্ৰমাণ কৰে।

সময়ৰ লগে লগে আহোম ৰাজত্বৰ কালতেই এই অঞ্চললৈ মৰাণ, চুতীয়া, আহোম আদি বিভিন্ন লোকৰ প্ৰব্ৰজন ঘটে। এই নতুন চাম লোকৰ আগমনত ইয়াত আগৰে পৰা বসবাস কৰি থকা এচাম লোক আঁতৰি যোৱাৰ কথাও কিম্বদন্তি সূত্ৰে জনা যায়। বৰ্তমান অঞ্চলটোৰ প্ৰায় ত্ৰিশ হাজাৰ জনসংখ্যাৰ গৰিষ্ঠ সংখ্যক মৰাণ সম্প্ৰদায়ৰ।

অসমত আহোম ৰাজত্বৰ বেলি মাৰ যাওঁ যাওঁ অৱস্থাত আহোমৰ শেষ ৰজাসকলৰ সোপাটিলা আৰু স্বেচ্ছাচাৰী-শাসনৰ ফলত দেশত গণ অভ্যুত্থান বা মোৱামৰীয়া বিদ্ৰোহে দেখা দিয়াৰ কথা বুৰঞ্জীৰ পাততেই পোৱা যায়। এই মোৱামৰীয়া বিদ্ৰোহৰ মূল চালিকাশক্তি মোৱামৰীয়া মহন্তসকল আহোম ৰজাৰ অত্যাচাৰত হাবিয়ে-বনে, পৰ্বতে-পাহাৰে পলাবলগীয়া হোৱা কথাও বুৰঞ্জীৰ পাতত পোৱা যায়। এনে অৱস্থাত পৰিয়েই শ্ৰীশ্ৰীঅনিৰুদ্ধ গোঁসাইদেৱে প্ৰচাৰ কৰা মায়ামৰা ধৰ্মৰ নৰমজনা ধৰ্মগুৰু শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে বৰ্তমান যোৰহাট জিলাৰ খুটীয়াপোতা অঞ্চলৰ পৰা ব্ৰহ্মপুত্ৰৰে উজাই আহি এই অঞ্চলত ১৬৯১ শকত সত্ৰ প্ৰতিষ্ঠা কৰিছিল। শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে



লগত ৰান্ধনি, তামুলি, গায়ন-বায়ন, পঢ়োৱা, পাঠেকি আদি ছয়জন ভকত লৈ ব্ৰহ্মপুত্ৰৰে উজাই আহি এই অঞ্চলটো পালে। এই ছয়জন ভকতক ছকুৰি বুলি কোৱা হয়। এই ছকুৰি ভকতক লৈ শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে ব্ৰহ্মপুত্ৰৰে উজাই আহি ডিব্ৰু নৈ হৈ হাপজান নৈ পালে। এই হাপজান নৈৰে উজাই আহি বেবেজীয়াৰ ভূমুকৰ ঘাট নামে ঠাইত ১৬৯১ শকত আশ্ৰয় গ্ৰহণ কৰিলে। ইয়াৰ ওচৰ-পাঁজৰত গোঁসাইদেৱে মানুহ দেখি সিহঁতক তেৰাৰ ধৰ্মত দীক্ষিত কৰিব বুলি ভাবি মতাই অনালে। মানুহবিলাকে গৈ গুৰুদেৱক কোন আৰু কিয় আহিছে সুধিলে। শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে তেতিয়া নিজকে অষ্টভূজ বুলি পৰিচয় দি লোকসকলক হৰিনাম ল'লে সুখেৰে থাকিব বুলি দিহা দিলে। লোকসকলে কেনেদৰে হৰিনাম ল'ব লাগে বুলি সোধাত গোঁসাইদেৱে সোনকালে পঁজাঘৰ সাজিবলৈ ক'লে। পঁজাঘৰটো সাজি শেষ হোৱাত গোসাঁইদেৱে লোকসকলক প্ৰত্যেককে চাৰি গুচিঁকৈ পাণ আনিবলৈ ক'লে। চাৰি গুচিঁকৈ পাণ লৈ বাৰজন লোক অষ্টভূজ গোঁসাইদেৱৰ ওচৰলৈ গৈ সেৱা কৰিলে। গোঁসাইদেৱে এই বাৰজন লোকক হাপজান নদীত তিনি জোবোৱা মৰাই সেই পঁজাঘৰতে নাম দি আজিৰ পৰা সকলোৱে বাৰেকুৰি হ'ল বুলি কৈ ১৬৯১ শকৰ পুহ মাহৰ শুক্লা দশমী তিথিত মায়ামৰা ধৰ্মত শৰণ দিলে। শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে শৰণ দিয়া বাৰজন ভকতৰ নাম গান্দী, চচেন, মণি, মেকাংফা, ৰমেন, কুসুম্বৰ, ধ্বজং, কুশ, দজং, প্ৰমোদ, ধদৌ আৰু লেতেৰা আছিল বুলি জনা যায়। ভকতসকলক শৰণ দি গোঁসাইদেৱে পঁজাঘৰটো ১৬৯১ শকত 'বাৰেকুৰি বৰনামঘৰ' আৰু ঠাইখনৰ নাম পূবে হাপজান নদী, পশ্চিমে গুঁইজান, উত্তৰে ডিব্ৰুনদী আৰু দক্ষিণে চেনিজান চাৰিসীমা কৰি চাৰিটা খুটি বান্ধি 'বাৰেকুৰি থল' নাম দিলে। সেই চাৰিসীমাকে লৈ অঞ্চলটো বাৰেকুৰি নামেৰে জনাজাত হ'ল। শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে প্ৰথমে শৰণ দিয়া বাৰজন ভকতৰ পাছত আৰু যোল্লজন লোক আহি গোঁসাইদেৱক সেৱা কৰাত তেওঁলোককো মৰমতে নাম দান দি আজিৰ পৰা যোল্লকুৰি হ'লা বুলি শৰণ দিলে। গোঁসাইদেৱে ভকতসকলক শৰণ দি বাৰেকুৰি আৰু যোল্লকুৰি সদায় একেলগে মিলি থাকিব পাৰিবা বুলি দিহা দিলে। গুৰু বাক্য সাৰোগত কৰি ভকতসকলে একেলগে কীৰ্তন কৰিলে। ভকতসকলৰ এই কাৰ্যত সন্তুষ্ট হৈ শ্ৰীশ্ৰীঅষ্টভূজ গুৰুদেৱে আগলৈকে কীৰ্তন কৰি যাবলৈ পৰামৰ্শ দিলে।

গোঁসাইদেৱৰ আজ্ঞা সাৰোগত কৰি বাৰেকুৰি আৰু যোল্লকুৰিৰ ভকতে একেলগে কীৰ্তন কৰিছিল যদিও কালৰ পাকচক্ৰত পৰি বা অন্য কাৰণতে হওঁক সেই কীৰ্তন বৰ্তমান একেলগে নকৰি বেলেগ বেলেগ কৰা দেখা যায়।

ৰাইজৰ পৰা বিদায় ল'বৰ সময়ত শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে ভকতবৃন্দ আৰু ৰাইজক গোট খুৱাই 'ইয়াত এজোপা বিৰিণা গছ গজিব', 'সাতটা দঁতাল হাতীয়েও ইয়াক লৰচৰ কৰিব নোৱাৰিব', 'ইয়াত এটি মাথোন আদাৰ ভেটি ৰব', আৰু 'গৰুৰ খোজত ইয়াত পানী পাব' বুলি নানা শুভাশীৰ্বাদ দিয়া কথা মানুহৰ মুখে মুখে আজিও শুনা যায়। গোঁসাইদেৱে লগতে গোবিন নামে এজন দেৱতুল্য ভকতক বাৰেকুৰি অঞ্চলটো চোৱা-চিতাৰ দায়িত্ব দি 'মোৰ নুমলীয়া ভদীয়া পোনা বহু দোষ কৰিব, মই যে ক্ষেমিম নে, গোবিন তুমিও ক্ষেমিবা' বুলি বুজাই-বঢ়াই বহুতো হিতোপদেশ দি যোৱাৰ কথাও শুনিবলৈ পোৱা যায়। তাৰ পাছত শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে 'কমলাবাৰী পাতি গোবিন খাব নাপালো, বেঙেনাবাৰী পাতি গোবিন চিঙিব নাপালো' বুলি কৈ লগত অনা ছকুৰি (ছয়জন) ভকতক লৈ এদিন পুৱাতেই অন্তৰ্ধান হ'ল। তেওঁ ক'লৈ গ'ল কোনো শুংসূত্ৰ পোৱা নগ'ল। অষ্টভূজ গোঁসাইদেৱে ইয়াতে ক'ৰবাত আছে বুলি ভকতসকলে সেইদিনাৰ পৰা গুৰুদেৱৰ নাম-গুণ গাবলৈ ধৰিলে আৰু আজিও গাই আছে।

শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে ১৬৯১ শকত বেবেজীয়াৰ ভুমুকৰ ঘাটত প্ৰতিষ্ঠা কৰি থৈ যোৱা 'বাৰেকুৰি বৰনামঘৰ'টো বহুত দিন যোৱাৰ পিছত তাৰ পৰা উঠাই আনি বৰগাঁৱত ১৭৬৯ শকত বেছি জনসংখ্যা থকা ঠাইত স্থাপন কৰা হ'ল। উল্লেখযোগ্য যে ১৭৬৯ শকত বৰগাঁৱত প্ৰতিষ্ঠা কৰা 'বাৰেকুৰি বৰনামঘৰ'টোত বৰ্তমানেও তেতিয়াৰ দিনৰ স্মৃতিচিহ্ন হিচাপে এটা কাঠৰ খুঁটা দেখিবলৈ পোৱা যায়। তেতিয়াৰ দিনত আবৰসকলে বাৰেকুৰি অঞ্চলটো আক্ৰমণ কৰিবলৈ আহিছিল। ভুমুকৰ ঘাটৰ নামঘৰৰ পৰাই আবৰৰ বিৰুদ্ধে যুদ্ধ কৰিবৰ বাবে মৰাণ বীৰ ওলাই গৈছিল বুলি শুনা যায়। এই বীৰৰ নাম জপৰা-জগধা আছিল। আবৰসকল অহাৰ খবৰ শিলিখাৰপৰা এজন মানুহ আহি দি গ'ল। ভকতসকলে যুদ্ধ কৰিবৰ নিমিত্তে 'বাৰেকুৰি বৰনামঘৰ'তে সাতদিন সাতৰাতি গাই-বাই থাকোতে আবৰসকল নিচেই ওচৰ আহি পোৱা বাবে সময়ৰ নাটনি হোৱাত হাতত অস্ত্ৰ আৰু লগত এখনি



গামোচা লৈ বীৰ জপৰা-জগধা যুদ্ধলৈ ওলাই গ'ল। যুদ্ধলৈ ওলাই যোৱা সময়ত জপৰা-জগধা বীৰসকলে সকলোকে 'আমাক আপোনালোকে নাপাব', আৰু 'আপোনালোকে ভালদৰে খাব' বুলি কৈ জাঁপ দি ওলাই গ'ল। বীৰসকলে একজাঁপ দি ওলাই যোৱাৰ পাছত হাপজান নদীখনি পালে। তাতে অস্ত্ৰ ধৰাই লৈ বীৰ জপৰা-জগধাই হাপজান নদীখনি একজাঁপ দি পাৰ হ'ল। হাপজান নদীখনি জপৰা-জগধা বীৰে জাঁপ দি পাৰ হোৱা বাবে সেই ঠাইখনৰ নাম 'দেৱাগুৰি' হ'ল আৰু বৰ্তমানেও সেই নামেৰে চলি আছে। জপৰা-জগধা বীৰে বেগেৰে গৈ আবৰ সেনাসকলৰ সন্মুখীন হ'ল। বীৰসকলে আবৰ সেনাসকলক ক'লে, 'আবৰ সেনা কিমান আহিছা তাৰ প্ৰমাণ এতিয়াই দিম'। তেতিয়া আবৰ সেনাই জপৰা-জগধা বীৰসকল দেখি 'এটি পকা কল পালো' বুলি হাঁহিব ধৰিলে। বীৰসকলে 'আমাক দেখি কিয় হাঁহিছা', 'কল খাবলৈ দিম, বাকল নেপেলাবা, কলটো ভালদৰে দাঁতেৰে চোবাই খাবা' বুলি কৈ অস্ত্ৰ তুলি ল'লে। আবৰসকলে জপৰা-জগধা বীৰক চাৰিওফালৰ পৰা বেৰি ধৰি গাত অস্ত্ৰৰে হানি-খুচি আক্ৰমণ কৰিবলৈ ধৰিলে। কিন্তু কোনেও বীৰসকলক অস্ত্ৰৰে আঘাত কৰিব নোৱাৰিলে। জপৰা-জগধা বীৰে কিমান আবৰ সেনা হত্যা কৰিলে তাৰ সীমা সংখ্যা নাই। শেষত আবৰসকলে হাৰ মানি 'ই মানুহ নহয় মৰাণ দেৱতা, সেয়েহে তাৰ মূৰত জঁটা আছে' বুলি চৰণত ধৰি যুদ্ধ নকৰো বুলি সেৱা কৰিলে। বীৰগণে তেতিয়া আবৰসকলক 'আমাৰ মৰিবৰ সময় হ'ল, যুদ্ধত মৰিলে মানুহ স্বৰ্গবাসী হয় আৰু অন্যত মৰিলে নৰকবাসী হয়' বুলি বুকু পাতি দিলে। আবৰসকলে জাঠি-জোং আদি সকলো অস্ত্ৰৰে আক্ৰমণ কৰিও বীৰক মাৰিব নোৱাৰি চৰণত ধৰি মিনতি কৰিব ধৰিলে। বীৰে তেতিয়া 'আমাক এনেদৰে মাৰিব নোৱাৰিবা, অস্ত্ৰৰ আগত বিষ্ঠা-মূত্ৰ কৰি ল'লেহে আমাক মাৰিব পাৰিবা বুলি দিহা দিলে। আবৰসকলে যাঠিৰ আগত বিষ্ঠা-মূত্ৰ কৰি জপৰা বীৰৰ গাত খোচ মাৰি দিয়াত বীৰৰ নিথৰ দেহা মাটিত পৰি গ'ল। জপৰা-জগধা বীৰৰ মূৰটো আবৰসকলে ৰজাক দেখুৱাবলৈ বুলি কাটি লৈ গৈছিল যদিও নিব নোৱাৰিলে। আবৰসকলে জপৰা-জগধা বীৰৰ মূৰটো 'শদিয়া'ত থৈ তাতে অস্ত্ৰ কামুৰি মৰাণৰ লগত যুদ্ধ নকৰো বুলি তিনি শপত খালে বুলি শুনা যায়। বাৰেকুৰি মৰাণ বীৰ জপৰা-জগধাসকলে আবৰৰ বিৰুদ্ধে যুদ্ধ কৰিবৰ কাৰণে

বেবজীয়াৰ ভুমুকৰ ঘাটত শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে ১৬৯১ শকত প্ৰতিষ্ঠা কৰা 'বাৰেকুৰি বৰনামঘৰ'টোৰ পৰা ওলাই গৈছিল। পাছত নামঘৰটো ১৭৬৯ শকত বৰগাঁৱলৈ উঠাই অনাত ভূমুকৰ ঘাটৰ নামঘৰটোৰ পৰা এটা খুঁটা বীৰৰ স্মৃতিচিহ্ন হিচাপে আদৰি ল'লে আৰু খুঁটাটো বৰ্তমানেও বৰগাঁৱৰ 'বাৰেকুৰি বৰনামঘৰ'ত সংৰক্ষিত হৈ আছে।

কথিত আছে যে যোৰহাটৰ খুটীয়াপোতা বৰভেঁটিত সত্ৰপাতি থাকোতেই শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে তেৰাৰ পুত্ৰ শ্ৰীশ্ৰীকৃষ্ণভূজ গোঁসাইদেৱক তিনিচুকীয়াৰ ওচৰৰ ঢেকিয়াজুলিৰ পৰা শদিয়ালৈ উজনি খণ্ডত মায়ামৰা ধৰ্ম প্ৰচাৰৰ বাবে পঠাইছিল। শ্ৰীশ্ৰীকৃষ্ণভূজ গোঁসাইদেৱেও ডুমডুমাৰ ওচৰৰ টিপুকত সত্ৰ পাতি শৰণ ভজন দি ধৰ্ম প্ৰচাৰ কৰি আছিল। কিন্তু কালৰ পাকচক্ৰত পৰি শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে মাজতে এই অঞ্চলত প্ৰৱেশ কৰি চাৰিসীমা বান্ধি 'বাৰেকুৰি থল'ত এক সুকীয়া সমাজ গঠন কৰি যায় বুলি অনুমান কৰা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে বাৰেকুৰিত শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱৰ নামনি আৰু শ্ৰীশ্ৰীকৃষ্ণভূজ গোঁসাইদেৱৰ উজনি পন্থীৰ কেইবাখনো সত্ৰৰ ভকতৰ বসতি স্থল। তথাপি শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱ উজনি নামনি দুয়োপন্থী ভকতৰেই ধৰ্মীয় সকাম-নিকাম আদিৰ নিয়ম-নীতি এক কৰি গঢ় দি বাৰেকুৰিত এক সমন্বয়ৰ ভেঁটি সুদৃঢ় কৰি থৈ গ'ল। উদাহৰণস্বৰূপে বাৰেকুৰিৰ নামনিৰ মায়ামৰা ধৰ্মৰ ভকতখিনিৰ লগত নামনিৰ মায়ামৰা ধৰ্মৰ অন্য ভকতৰ আৰু বাৰেকুৰিৰ উজনিৰ অন্যান্য মায়ামৰা দৰ্মৰ ভকতৰ্তকৈ দৰ্মীয় সকাম-নিকামৰ নিয়ম-নীতি কিছু পৰিমাণে হ'লেও পৃথক। যেনে, ধৰ্মীয় সকামত বাৰেকুৰিৰ নামনিৰ মায়ামৰা ধৰ্মৰ ভকত আৰু উজনিৰ মায়ামৰা ধৰ্মৰ ভকতসকলে নামগোৱা, ভাগৱত থাপনা, গুৰুবাক্যৰ বুঢ়া-ভকতক সকাম-নিকামত তামোল-পাণৰ টোপোলা দিয়া আদি মন কৰিবলগীয়া দিশ। যিটো বাৰেকুৰিৰ বাহিৰৰ উজনিৰ বা নামনিৰ মায়ামৰা ধৰ্মৰ ভকতৰ লগত নিমিলে। কোন কোন জনগোষ্ঠীৰ লোকক শৰণ দি বাৰেকুৰি সমাজ গঠন কৰি যায় তাৰ সঠিক উত্তৰ পোৱা নাযায় যদিও সেই সময়ত এই অঞ্চলত বসবাস কৰি থকা বিশেষকৈ মৰাণ সম্প্ৰদায়কে আদি কৰি বিভিন্ন সম্প্ৰদায় তথা জনগোষ্ঠীক একত্ৰিত কৰিয়েই সমন্বয়ৰ এনাজৰীয়ে বান্ধি শ্ৰীশ্ৰীঅনিৰুদ্ধ গোঁসাইদেৱে প্ৰতিষ্ঠা কৰা মায়ামৰা ধৰ্মৰ নৱমজনা ধৰ্মগুৰু শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱে এক



সুকীয়া, সহজ-সৰল বাৰেকুৰি সমাজ গঠন কৰি যায় বুলি অনুমান কৰা হয়। বাৰেকুৰিৰ ভকতে আজিও সকামে, ধৰ্মানুষ্ঠানে শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱ আৰু গোবিন আতাৰ নাম স্মৰণ কৰিহে নিজ নিজ গুৰু তথা গোঁসাইসকলৰ নাম স্মৰণ কৰে। মায়ামৰা ধৰ্মৰ নৱমজনা ধৰ্মগুৰু শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱৰ আগমনৰ পূৰ্বে বাৰেকুৰি অঞ্চলৰ শাক্তধৰ্মী লোকসকল নিষ্ঠুৰ আছিল বুলি অনুমান কৰা হয়। তেওঁলোকৰ কোনো শৃংখলাবদ্ধ সমাজ নাছিল আৰু গুৰু-গোঁসাই নামানি বন্য জন্তুৰ দৰে হাবিৰ মাজে মাজে জুপুৰী ঘৰ সাজি বসবাস কৰিছিল। শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱৰ আগমনৰ পূৰ্বে এই বাৰেকুৰি অঞ্চলৰ লোকসকল অশিক্ষিত আছিল আৰু তেওঁলোকে উচ্ছৃংখল জীৱন-যাপন কৰিছিল। তেওঁলোক অত্যাচাৰী আছিল বুলি কোৱা হয়। এনে ব্যভিচাৰ, অনাচাৰ আৰু অজ্ঞান আন্ধাৰে আৱৰি ৰখা এই বাৰেকুৰি অঞ্চলত বোধহয় ভগৱানৰ কৃপাতেই হঠাৎ আগমন ঘটিছিল মায়ামৰা ধৰ্মৰ নৱমজনা ধৰ্মগুৰুৰ, যিজনা ধৰ্মগুৰুৱে অৰণ্যৰ জন্তুৰ দৰে বসবাস কৰি থকা অশিক্ষিত মানুহখিনিক একগোট কৰি নামঘৰ সজাই বাৰজন ভকতক শৰণ দি অঞ্চলটোৰ চাৰিসীমা বান্ধি এক শান্তিৰ, সহজ-সৰল বাৰেকুৰি সমাজ গঢ় দি গৈছে। এইজনা ধৰ্মগুৰু শ্ৰীশ্ৰীঅষ্টভূজ গোঁসাইদেৱলৈ শতকোটিবাৰ প্ৰণিপাত। ■

*(প্ৰকাশ কাল ঃ ২০০৬-০৭)*

# তিনিচুকীয়া — ইতিহাসৰ পম খেদি

খগেন শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ

আজি আমি তিনিচুকীয়া চহৰৰ যি ৰূপছবি দেখিবলৈ পাইছো, ই বেছি দিনৰ পুৰণি নহয়। বৰ্তমান অসমৰ তথা ভাৰতৰ পূৱ কোণত অৱস্থিত এই সৰু চহৰ তিনিচুকীয়া বাণিজ্যৰ ঢৌত উটি–বুৰি আহি আজিৰ এই অৱস্থা পাইছেহি। তিনিচুকীয়াৰ বহুতো বুৰঞ্জীমূলক তথ্য থকা সত্ত্বেও নগৰবাসীয়ে এই বিষয়ে বিশেষ চিন্তা কৰা দেখা নাযায়। বিশেষকৈ তিনিচুকীয়াৰ মাজমজিয়াত বসতি কৰা বেছিভাগেই অসমৰ বাহিৰৰ পৰা অহা লোক। প্ৰায় আটাইবোৰ বাণিজ্য অনুষ্ঠানেই ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা ব্যৱসায় সূত্ৰে অহা লোকেৰে পৰিপূৰ্ণ হোৱা হেতুকে উক্ত বিষয়ত চিন্তা–চৰ্চা কৰা লোকৰ অভাৱ বুলি ক'ব পাৰি। ডিব্ৰুগড় জিলাৰ তিনিচুকীয়া মহকুমা জিলা পৰ্যায়লৈ উন্নীত হোৱাৰ পাছতেই ইয়াত বহুতো চৰকাৰী কাৰ্যালয় আদি স্থাপন হোৱাত চাকৰিসূত্ৰে অহা বহুতো মানুহে ইয়াত স্থায়ীভাৱে বসতি কৰিবলৈ লয় আৰু এইসকলৰ সৰহভাগেই অসমীয়া। ইয়াৰ পূৰ্বে অসমীয়া লোক তেনেই নগণ্য আছিল।

তিনিচুকীয়া নগৰৰ বিষয়ে প্ৰায় তিনিটা শতিকাৰ পৰাহে বুৰঞ্জীত পোৱা যায়। তাৰ আগৰ ইতিহাস আন্ধাৰৰ অতল গৰ্ভত বিদ্যমান। এই সম্পৰ্কে বুৰঞ্জীবিদসকলে গৱেষণা কৰিলে হয়তো আৰু বহুতো প্ৰাচীন তথ্য আৱিষ্কাৰ হোৱাৰ সম্ভাৱনা আছে। ঐতিহাসিক তথ্যমতে চাওলুং চুকাফাৰ অসম আগমনৰ সময়ত এই অঞ্চলত জনবসতি থকাৰ উল্লেখ পোৱা নাযায়। বুৰঞ্জীবিদ চাৰ এডৱাৰ্ড গেইট চাহাবেও চতুৰ্দশ–পঞ্চদশ শতিকাত এই অঞ্চল ডাঠ হাবি–বনে ভৰপূৰ আছিল বুলি ঠাৱৰ কৰিছিল।



তিনিচুকীয়াৰ প্ৰাচীন নাম আছিল বেংমৰা। ইয়াৰ ঐতিহাসিক তথ্য মোৱামৰীয়া বিদ্ৰোহৰ পাছৰ পৰাহে পোৱা যায়। মোৱামৰীয়া বিদ্ৰোহ আছিল ৰাজতন্ত্ৰৰ ব্যৱহাৰত অসন্তুষ্ট হৈ প্ৰজাসকলে কৰা এটা গণবিদ্ৰোহ। আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত (১৭৮০–১৭৯৫ খ্ৰীঃ) দ্বিতীয় আৰু তৃতীয় মোৱামৰীয়া বিদ্ৰোহ হৈছিল। ১৭৮৩ চনত বিদ্ৰোহীসকলে গড়গাঁৱত সোমাই শিঙৰীঘৰত জুই লগাই দিলে। অনেক চেষ্টাৰে এই বিদ্ৰোহ দমন কৰা হৈছিল যদিও ১৭৮৬ খৃষ্টাব্দত বিদ্ৰোহীসকলে ৰাজকীয় বাহিনীক পৰাজিত কৰি ৰাজধানী ৰংপুৰ দখল কৰিবলৈ সমৰ্থ হয়। স্বৰ্গদেউ গৌৰীনাথ সিংহ গুৱাহাটীলৈ ভটিয়াই যায়। বিদ্ৰোহীসকলৰ এজনে (ভৰথি) ভৰত সিংহ নাম লৈ নিজকে ৰজা বুলি ঘোষণা কৰে আৰু ৰাজধানী ৰংপুৰ তেওঁৰ দখলত ৰাখে। তাৰ পাছত বিদ্ৰোহী নেতাসকলে নিজ নিজ অঞ্চললৈ গৈ নিজকে একোজন ৰজা বুলি ঘোষণা কৰে। এনেকৈ আহোম ৰাজ্য কেইবাটাও অংশত বিভক্ত হয়। নাৰায়ণপুৰৰ ওচৰৰ জাপৰিভিটাত হৰিহৰ তাঁতীবৰা, মাজুলীত হাওহাববা, শদিয়াত খামতিসকল, নগাঁৱত সিন্ধুৰ হাজৰিকা আৰু দৰঙত কৃষ্ণনাৰায়ণ অধিপতি হৈ বেলেগ বেলেগ ৰাজ্যৰ ঘোষণা কৰে। পূৱ অঞ্চলৰ বিদ্ৰোহী নেতা মেজেৰাই গোধাক লগত লৈ ৰংপুৰ এৰি গুচি আহি বৰ্তমান তিনিচুকীয়াৰ উত্তৰফালে গুঁইজান নদীৰ পাৰৰ ৰঙাগৰাত থাকিবলৈ লয় আৰু নিজকে স্বাধীন মটক ৰাজ্যৰ ৰজা বুলি ঘোষণা কৰে। ৰজা হৈ তেওঁ সৰ্বানন্দ সিংহ নাম লৈছিল আৰু ৰংপুৰৰ পৰা তেওঁৰ লগত অহা গোধাক বৰবৰুৱা পাতি স্বাধীন মটক ৰাজ্যৰ মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰে। সৰ্বানন্দ সিংহৰ ৰাজ্য স্থাপনৰ সময় ১৭৮৮ খৃষ্টাব্দ বুলি জনা যায়। তেওঁ ১৭৯৪ আৰু ১৭৯৫ চনত নিজৰ নামত মুদ্ৰা মৰাইছিল। মুদ্ৰাৰ এটা পিঠিত ''শ্ৰীশ্ৰীস্বৰ্গদেৱ সৰ্বানন্দ সিংহ নৰেন্দ্ৰস্য সকে ১৭১৭'' আৰু আনটো পিঠিত ''শ্ৰীশ্ৰীকৃষ্ণচৰণ কমল মকৰন্দ মধুৰস্য'' বুলি খোদিত কৰিছিল। ইয়াৰ পৰা জনা যায় যে এই মুদ্ৰাসমূহ ভগৱান কৃষ্ণৰ প্ৰতি উৎসৰ্গিত আছিল আৰু ইয়াত সংস্কৃত শ্লোক আৰু অসমীয়া ভাষা ব্যৱহাৰ কৰা হৈছিল। মুদ্ৰাবোৰৰ আকাৰ আছিল নকোণীয়া। ওচৰেৰে ৰঙাগৰা চাহ বাগিচাত সৰ্বানন্দ সিংহৰ

মৈদাম এতিয়াও সুৰক্ষিত অৱস্থাত আছে।

সৰ্বানন্দ সিংহই ৰঙাগৰাত থাকিয়েই দক্ষিণৰ চাংমাই পথাৰত বেংমৰা নগৰ নিৰ্মাণ কৰাইছিল। নগৰৰ মাজত চাৰিওফালে চাৰিটা গড় মাৰি (বৰ্তমান চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ওচৰত) ৰাজনগৰ নিৰ্মাণ কৰাইছিল আৰু পুখুৰী খন্দাইছিল। এই পুখুৰীৰ নাম চাউলধোৱা পুখুৰী নামেৰে জনা যায়। বৰ্তমান ইয়াৰ পাৰতে স্থাপন হৈছে লোহিয়া পাৰ্ক আৰু ৰাণী সতী মন্দিৰ। ১৭৯৫ খৃষ্টাব্দত ৰাজনগৰৰ দক্ষিণফালে এটা বিখ্যাত পুখুৰী খন্দাইছিল। ইয়াৰ মাটিকালি ন-পুৰা আৰু আজিকালিও ই বিখ্যাত ন-পুখুৰী নামেৰে জনাজাত। ইয়াৰ পাৰতেই নিৰ্মাণ হৈছে গান্ধী পাৰ্ক উদ্যান আৰু ন-পুখুৰীৰ চাৰিওকাষে সৰু-সুৰা পুখুৰী খন্দা হৈছে। বৰ্তমান শ্মশানৰ সন্মুখত যিটো পুখুৰী আছে তাক বিখ্যাত বেংমৰা পুখুৰী নামে জনা যায়। কথিত আছে যে সৰ্বানন্দ সিংহই এবাৰ নগৰ চাবলৈ আহি এই পুখুৰী পাৰত বহি হাঁচতি মেলি তামোল ছালি খাইছিল আৰু হাঁচতি সামৰোঁতে তাত এটা ডাঙৰ বেং মৰি পৰি থকা পাইছিল। ইয়াৰ পৰাই বেংমৰা পুখুৰী আৰু বেংমৰা নগৰ নাম হোৱা বুলি জনা যায়। অন্য এক প্ৰবাদমতে বেং শব্দৰ অৰ্থ গড় আৰু তাৰ লগত অসমীয়া শব্দ মৰা যোগ হৈ গড়মৰা অৰ্থাৎ সুৰক্ষিত নগৰ বা ৰাজ্য বুলি প্ৰকাশ কৰিছে। কিন্তু আহোম পণ্ডিতসকলে বেংমৰা শব্দটো টাই ভাষাৰ বুলি কৈছে আৰু ইয়াৰ অৰ্থ মৰাণসকলৰ আদি বাসস্থান বুলি নিৰ্ণয় কৰিছে। বৰ্তমান এই বেংমৰা পুখুৰীৰ পশ্চিম পাৰত নেপালী মন্দিৰ আৰু উত্তৰ পাৰত অসমীয়া পূজা মন্দিৰ নিৰ্মাণ হৈছে।

সৰ্বানন্দ সিংহৰ মন্ত্ৰী গোধা বৰুৱাই কেইবাটাও পুখুৰী খন্দাইছিল। বৰ্তমান শ্ৰীপুৰীয়াত থকা গোধাপুখুৰী অন্যতম। গোধা বৰুৱাই সৰ্বানন্দৰ নিৰ্দেশত বিখ্যাত তিনিকোণীয়া পুখুৰী খন্দাইছিল। তিনিকোণীয়া পুখুৰীৰ ওচৰেদি ৰেল লাইন নিৰ্মাণ হোৱাত ইয়াত এটা ষ্টেচন পাতে। এই ষ্টেচনতেই ৰেলগাড়ীৰ ইঞ্জিনত তিনিকোণীয়া পুখুৰীৰ পৰা পানী তুলি ভৰোৱা হৈছিল আৰু ৰেল কোম্পানীয়ে এই ষ্টেচনৰ নাম তিনিকোণীয়া নামৰ ভিত্তিতেই তিনিচুকীয়া ৰাখে। লাহে লাহে বেংমৰা নাম পাহৰণিৰ গৰ্ভত লীন যায় আৰু বেংমৰা নগৰৰ নাম 'তিনিচুকীয়া'লৈ ৰূপান্তৰিত হয়।

স্বৰ্গদেউ গৌৰীনাথ সিংহই গুৱাহাটীৰ পৰা কলিকতা (কলকাতা)লৈ গৈ



ৰাজ্য উদ্ধাৰৰ উদ্দেশ্যে ইংৰাজৰ সহায় বিচাৰে। কলিকতাৰ পৰা কেপ্তেইন ৱেলছৰ নেতৃত্বত ইংৰাজ সৈন্য আহি নামনি অসমৰ বিদ্ৰোহ দমন কৰে ১৭৯৩ চনত (জানুৱাৰী)। কোম্পানীৰ লগত অসমৰ ভৱিষ্যত বেহা-বেপাৰ বৃদ্ধি কৰাৰ অভিপ্ৰায়েৰে ৱেলছে গৌৰীনাথ সিংহক এক বাণিজ্যিক চুক্তিত লিপ্ত হ'বলৈ পৰামৰ্শ দিলে। গৌৰীনাথ সিংহই এই পৰামৰ্শ মানি লোৱাত দুয়োপক্ষৰ মাজত ১৭৯৩ খ্ৰীঃৰ ২৮ ফেব্ৰুৱাৰীত এক বাণিজ্যিক চুক্তি স্বাক্ষৰিত হ'ল। ইতিমধ্যে বাৰিষা কালছোৱা গুৱাহাটীত অতিবাহিত কৰি ১৭৯৪ চনৰ জানুৱাৰী মাহত কেপ্তেইন ৱেলছে উজনি অসম অভিযান আৰম্ভ কৰিলে। যোৰহাটত ৱেলছ বাহিনীয়ে পূৰ্ণানন্দ বুঢ়াগোহাঁইক লগ পালে। ইয়াৰ পিছত ৱেলছৰ বাহিনীয়ে আগবাঢ়ি গৈ ৰংপুৰৰ বিদ্ৰোহীসকলৰ ওপৰত তীব্ৰ আক্ৰমণ চলালে। ১৭৯৪ চনৰ মাৰ্চ মাহত ৱেলছে বিদ্ৰোহীসকলৰ হাতৰ পৰা ৰংপুৰ উদ্ধাৰ কৰি গৌৰীনাথ সিংহৰ হাতত গতাই দিলে (২১ মাৰ্চ)। বিদ্ৰোহী নেতা ভৰত সিংহ পলাই আহি বেংমৰাত আশ্ৰয় লয়হি। ১৮০১ খ্ৰীঃত বেংমৰাত ভৰত সিংহই সৰ্বানন্দ সিংহৰ পৰা গোধা বৰবৰুৱাৰ নেতৃত্বত এদল সৈন্য লগত লৈ (খামতি আৰু চিংফৌসকলৰ লগতো মিলিত হৈ) ৰংপুৰ আক্ৰমণ কৰিবলৈ লয়। কিন্তু পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ তৎপৰতাৰ বাবে এই বিদ্ৰোহ ব্যৰ্থ হয়। এই বিদ্ৰোহত বিদ্ৰোহীসকলৰ নেতা ভৰত সিংহৰ মৃত্যু হ'ল। সম্ভৱতঃ এই ৰণতে গোধা বৰবৰুৱাৰো মৃত্যু হৈছিল। ১৮০৫ খ্ৰীঃত ডিব্ৰু নদীৰ পূবে বেংমৰাত মোৱামৰীয়াসকলে চিংফৌসকলৰ লগত মিলিত হৈ সৰ্বানন্দৰ নেতৃত্বত পুনৰ বিদ্ৰোহ আৰম্ভ কৰিছিল। চিংফৌসকলৰ জৰিয়তে এই বিদ্ৰোহীসকলে দুবাৰকৈ ব্ৰহ্মদেশৰ পৰা মান সেনাকো অসমলৈ অনাইছিল। অৱশ্যে দুয়োবাৰেই পূৰ্ণানন্দই ভাৰ-ভেটি দি এই মান সেনাবোৰক ব্ৰহ্মদেশলৈ ঘূৰাই পঠাবলৈ সক্ষম হৈছিল। মোৱামৰীয়াসকলে এনেদৰে শক্তিশালী মানসকলৰ সাহায্য লাভ কৰা দেখি পূৰ্ণানন্দই মোৱামৰীয়াসকলৰ ভিতৰত সকলোতকৈ সংখ্যাধিক আৰু শক্তিশালী মৰাণসকলৰ লগত এক চুক্তি কৰিলে। এই চুক্তি অনুসৰি মৰাণসকলৰ নেতা সৰ্বানন্দক 'বৰ সেনাপতি' উপাধি প্ৰদান কৰি তেওঁক বেংমৰাক কেন্দ্ৰ কৰি ব্ৰহ্মপুত্ৰ আৰু দিহিঙৰ মাজৰ অঞ্চলটোক স্বতন্ত্ৰভাৱে শাসন কৰিবলৈ এৰি দিয়ে। সৰ্বানন্দয়ো আহোম ৰজাক বাৰ্ষিক কৰ শোধাবলৈ সন্মত হ'ল (১৮০৫ খ্ৰীঃ)। লগে লগে মোৱামৰীয়া

বিদ্ৰোহবো অন্ত পৰিল। তেওঁৰ মৃত্যুৰ পাছত বৰপুত্ৰ মাটিবৰ পৈতৃক ৰাজ্যৰ অধিকাৰী হয়।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ব্ৰহ্মদেশৰ ইয়াণ্ডাবু নামে ঠাইত হোৱা মান আৰু ইংৰাজৰ সন্ধিমতে সমগ্ৰ অসম ইংৰাজৰ অধীনলৈ যায় আৰু ইংৰাজে মাটিবৰক কৰতলীয়া শাসনকৰ্তা পাতি নিজ ৰাজ্যত পৰাধীনতাৰ শিকলি পিন্ধাই দিয়ে। ইংৰাজে মটক ৰাজ্যত কিছুমান নিজৰ সৈন্য ৰাখি মাটিবৰক 'বৰ সেনাপতি' পাতে। ১৮৩৯ চনৰ ২ জানুৱাৰী তাৰিখে মাটিবৰৰ মৃত্যু হোৱাত তেওঁৰ দ্বিতীয় পুত্ৰ ভগীৰথক সেনাপতি পাতে। কিন্তু দহমানৰ পাছতেই ইংৰাজ সেনাপতি কেপ্তেইন হেমিল্টন্ ভেটচ্ সসৈন্যে ভগীৰথৰ ওচৰত উপস্থিত হৈ কিছুমান নতুন চৰ্ত আৰোপ কৰি কৰ বৃদ্ধি কৰাত ভগীৰথে চৰ্তসমূহ মানি ল'বলৈ অস্বীকাৰ কৰে। এই অভিসন্ধিৰেই চতুৰ ইংৰাজে ১৮৩৯ খৃষ্টাব্দৰ ২৪ নৱেম্বৰত সমগ্ৰ মটক ৰাজ্য ইষ্ট-ইণ্ডিয়া কোম্পানীৰ হ'ব বুলি ঘোষণা জাৰি কৰে। এনেকৈয়ে তিনিচুকীয়া ইংৰাজৰ অধিকৃত ঠাই হৈ পৰে আৰু ইংৰাজে তেওঁলোকৰ ইংৰাজ বিষয়াক শাসনকৰ্তা হিচাবে নিয়োগ কৰে।

ভাৰতৰ শাসনত অধিষ্ঠিত ইংৰাজ চৰকাৰে ১৮৪৮ খ্ৰীঃত কলিকতাৰ পৰা গুৱাহাটীলৈ ব্ৰহ্মপুত্ৰৰ বুকুৰেদি জাহাজ চলাবলৈ ব্যৱস্থা গ্ৰহণ কৰে আৰু তাৰ পাছত ১৮৬০ চনত ডিব্ৰুমুখলৈ সেই ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটায়। লিডু অঞ্চলত কয়লাৰ অনুসন্ধান ওলোৱাত ডিব্ৰুমুখৰ পৰা লিডুলৈ এটা ৰেলপথ নিৰ্মাণৰ পৰামৰ্শ আগবঢ়ায়। তাৰ ভিত্তিতেই ১৮৮১ চনৰ ৩০ জুলাইত ''আসাম ৰেলৱেজ এণ্ড ট্ৰেডিং কোম্পানী'' নামেৰে (চমুকৈ এ আৰ টি) এটা কোম্পানী গঠন হয়। এই কোম্পানীটোৱেই ১৮৮২ চনৰ পৰা হাবি-বন কাটি তিনিচুকীয়াৰ মাজেৰে ডিব্ৰুমুখৰ পৰা লিডুলৈ এটা ৰেলপথ নিৰ্মাণৰ কামত ব্ৰতী হয়। পৃথিৱীত প্ৰথম ৰেলগাড়ী চলাৰ ৫৮ বছৰ পাছত আৰু ভাৰতত ৩০ বছৰ চলাৰ অন্তত ১৮৮৩ চনৰ ১৬ জুলাইৰ ডিব্ৰুমুখৰ পৰা তিনিচুকীয়াৰ ওচৰৰ মাকুমলৈ ৰেলগাড়ী চলে। সিদিনাখন ৰেলগাড়ী চলা চাবলৈ চাৰিওফালৰ পৰা ৰেলপথৰ ওচৰলৈ বহুতোলোকৰ সমাগম হয়। তাৰ পাছত ১৮৮৪ চনৰ ১৮ ফেব্ৰুৱাৰীৰ দিনা ডিব্ৰুমুখৰ পৰা লিডুলৈ প্ৰথম যাত্ৰীবাহী ৰেলগাড়ীখন চলে। ১৮৮৯ চনত ডিগবৈত তেলৰ খনি আৱিষ্কাৰ



হোৱাত এই ৰেল লাইনৰ গুৰুত্ব বৃদ্ধি পায়। ১৮৮৫ চনত তিনিচুকীয়াৰ পৰা চৈখোৱাঘাটলৈ আৰু ১৮৯৭ চনত পাগুলৈ ৰেল চলোৱাৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাৰ ফলত ৰেলৱে মানচিত্ৰত তিনিচুকীয়া এটা জংচন হিচাবে চিনহ্নত হয়।

১৯০১ চনত গোপালচন্দ্ৰ ৰবিচন্দ্ৰৰ মাটিত তিনিচুকীয়াত প্ৰথম দুৰ্গাপূজা আৰম্ভ হৈছিল (বৰ্তমান গোলাপচন্দ্ৰ ৰবিচন্দ্ৰ নাট্যমন্দিৰৰ কাষত)। ১৯১৪ চনত গোলাপচন্দ্ৰ ৰবিচন্দ্ৰৰ দানেৰে তিনিচুকীয়াত প্ৰথম নাট্যমন্দিৰ প্ৰতিষ্ঠা কৰা হয়। তিনিকোণীয়া পুখুৰীৰ পাৰত অৱস্থিত এই নাট্য মন্দিৰতে প্ৰথম 'হৰিশ্চন্দ্ৰ' নাটকৰ অভিনয় কৰা হয়। ১৯২৬ চনত লক্ষেশ্বৰ দাসদেৱে 'আৰ্য প্ৰেছ' নামেৰে তিনিচুকীয়াত প্ৰথম ছপাশাল পাতে। ১৯১৯ চনত তেতিয়াৰ ইংৰাজ চৰকাৰে তিনিচুকীয়া ইউনিয়ন গঠন কৰে। ইয়াৰ প্ৰথম সভাপতি আছিল মিষ্টাৰ এম ই শ্লাটাৰ নামৰ এজন ইংৰাজ। তাৰ পাছত মিষ্টাৰ চি চি চেম্বাৰ সভাপতি হয় আৰু তেওঁৰ নামেৰেই চেম্বাৰ ৰোড নামকৰণ হয়। ১৯২০ চনত ডুঙ্গৰমল লোহিয়াই তেওঁৰ পিতৃ চেনাইৰামৰ নামত (বৰ্তমান চেনাইৰাম স্কুল থকা ঠাইত) স্থায়ীভাৱে ঘৰ নিৰ্মাণ কৰি এম ই স্কুল স্থাপন কৰে। এইখন স্কুলেই ১৯৩১ চনত হাইস্কুল হিচাবে প্ৰতিষ্ঠা লাভ কৰি চেনাইৰাম হাইস্কুল নাম পায়। ১৯২৬ চনত তিনিচুকীয়া টাউন কমিটি গঠন হয় আৰু সাৰদানন্দ বৰুৱা প্ৰথম সভাপতি হৈছিল। তিনিচুকীয়াৰ জনসংখ্যাৰ সম্প্ৰসাৰণ ঘটাত ১৯৩৭ চনত পৌৰসভা গঠন হয়। পৌৰসভাৰ প্ৰথম সভাপতি আছিল চাহ খেতিয়ক সোমেশ্বৰ বৰুৱাদেৱ। ১৯৩৩ চনত নাট্যসম্ৰাট ব্ৰজনাথ শৰ্মাই কোহিনুৰ অপেৰা পাৰ্টি তিনিচুকীয়ালৈ আনে আৰু অসমীয়া নাট্যমন্দিৰতে 'মৰাণ জীয়ৰী', 'হিন্দুবীৰ', 'কালাপাহাৰ' আৰু 'বিজয় বসন্ত' নাটৰ অভিনয় কৰে। সেই বছৰতে 'আসাম ডায়মণ্ড চাৰ্কাচ' পাৰ্টিয়ে প্ৰথমবাৰৰ বাবে তিনিচুকীয়াত চাৰ্কাচ প্ৰদৰ্শন কৰে। ১৯৩৪ চনৰ ২০ মাৰ্চৰ দিনা মহামানৱ মহাত্মা গান্ধী তিনিচুকীয়ালৈ আহিছিল আৰু কুজান খেলপথাৰত বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সেই বছৰতে ডিব্ৰুগড়ৰ আশু গুপ্তই দুৰ্গাবাৰী ৰঙ্গমঞ্চত তিনিচুকীয়াত প্ৰথম কথাছবি প্ৰদৰ্শন কৰিছিল। সেই একে বছৰতে অক্টোবৰ মাহত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আহিছিল আৰু অসমীয়া নাট্যমন্দিৰত সম্বৰ্ধনা জনোৱা হৈছিল। ১৯৩৫ চনত ডিব্ৰুগড়লৈ গৈ পোনপ্ৰথমে তিনিচুকীয়াৰ ছাত্ৰই প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ১৯৩৬ চনত

প্ৰৱেশিকা পৰীক্ষাৰ্থীসকলে প্ৰথমবাৰৰ বাবে অভিনয় কৰি আনন্দ চন্দ্ৰ বৰুৱাৰ ''বিজয়া নাট'' মঞ্চস্থ কৰে। ১৯৩৭ চনত পণ্ডিত জৱাহৰলাল নেহৰু তিনিচুকীয়ালৈ আহিছিল আৰু এখন ডাঙৰ ৰাজহুৱা সভা বহিছিল। ১৯৪৭ চনৰ ফেব্ৰুৱাৰী মাহত সাৰ্বজনীন বালিকা বিদ্যালয় স্থাপন কৰা হৈছিল। উদ্বোধন কৰিছিল সেই সময়ৰ স্বাস্থ্যমন্ত্ৰী ৰামনাথ দাসে। ১৯৪৮ চনৰ ২ অক্টোবৰত 'গান্ধীজয়ন্তী' উপলক্ষে এখন ডাঙৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছিল। ১৯৪৯ চনৰ ১১ এপ্ৰিলৰ দিনা তিনিচুকীয়াত প্ৰথম সহ-অভিনয় (চেনাইৰাম স্কুলৰ স্কাউট বিভাগৰ দ্বাৰা) অনুষ্ঠিত কৰি সু-সাহিত্যিক আৰু লেখক কুতুবুদ্দিন আহমদদেৱৰ 'অগ্নিশিখা' নাটকখনি মঞ্চস্থ কৰা হৈছিল। এই বছৰতে তিনিচুকীয়া ক্ৰীড়া সন্থা গঠন কৰা হৈছিল। ১৯৫০ চনৰ ডাঙৰ ভূমিকম্পৰ ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ আলেকজেণ্ডাৰ উইল্স্কি নামৰ এজন বিষয়া ইউনেস্ক'ৰ পৰা আহিছিল। ১৯৫১ চনত সু-সাহিত্যিক সূৰ্য কুমাৰ ভূঞাদেৱে লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা 'ডি লিট্' উপাধি পোৱাত তেখেতক মাতি আনি ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হৈছিল। ১৯৫৬ চনৰ ১ চেপ্তেম্বৰ তাৰিখে তিনিচুকীয়া মহাবিদ্যালয় স্থাপন হয়। ১৯৫৮ চনৰ এপ্ৰিল মাহত সাহিত্যিক পদ্মধৰ চলিহাদেৱৰ সভাপতিত্বত সদৌ অসম সাহিত্য সভাৰ ছাব্বিশতম্ অধিৱেশন তিনিচুকীয়াত অনুষ্ঠিত হৈছিল কচুজান খেলপথাৰত। ১৯৫৯ চনত তিনিচুকীয়াত প্ৰথম প্ৰৱেশিকা পৰীক্ষা কেন্দ্ৰ স্থাপন হয়। ১৯৬০ চনত মাদ্ৰাজৰ ৰাজ্যপাল বিষ্ণুৰাম মেধিয়ে তিনিচুকীয়া সাহিত্য সভা ভৱনৰ আধাৰশিলা স্থাপন কৰে। ১৯৬১ চনত ইয়াত সদৌ ভাৰত হিন্দী সাহিত্য সন্মিলন অনুষ্ঠিত হৈছিল। ১৯৬৪ চনত বৰগুৰিত ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ (ITI) স্থাপন হৈছিল। ১৯৬৫ চনত পৰ্বতীয়াত বিপিন বৰা বিদ্যালয় স্থাপন হয়। সেই বছৰতে কচুজান খেলপথাৰৰ পূব দিশত তিনিচুকীয়াৰ এটি লেখত ল'বলগীয়া ধৰ্মানুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ নামঘৰৰ উদ্বোধন হয়। ১৯৬৬ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী ভাৰতলৈ আহিছিল আৰু কচুজান খেলপথাৰত বিৰাট ৰাজহুৱা সভা হৈছিল। এই সভাৰ শেষত জনসমাগমৰ ঠেলা-হেঁচাত তেৰজন লোকৰ প্ৰাণ নাশ হৈছিল। এই চনতে তিনিচুকীয়াত এখন মহিলা মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। ১৯৬৬ চনতে ইয়াৰ শ্ৰীমন্ত শঙ্কৰধাম নামঘৰ প্ৰাঙ্গনত সদৌ অসম শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৩৫ তম্



অধিৱেশন সম্পন্ন হৈছিল। মহান বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াদেৱে ইয়াত সভাপতিত্ব কৰিছিল। ১৯৭২ চনত তিনিচুকীয়াত বাণিজ্য মহাবিদ্যালয় আৰু ১৯৭৫ চনত আইন মহাবিদ্যালয় স্থাপন হয়। ১৯৮১ চনত অসম সাহিত্য সভাৰ ৪৮ তম্ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল বৰগুৰিৰ সৰ্বানন্দ সিংহ নগৰত। ১৯৮৯ চনত তিনিচুকীয়া মহকুমা জিলা পৰ্যায়লৈ উন্নীত হয়। ৪ অক্টোবৰৰ তাৰিখে মাননীয় মন্ত্ৰী সদ্যপ্ৰয়াত চন্দ্ৰ আৰনধৰাদেৱে তিনিচুকীয়া জিলা উদ্বোধনী অনুষ্ঠান মুকলি কৰে। ১৯৯৫ চনৰ ৩০ এপ্ৰিল তাৰিখে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱে 'সৰ্বানন্দ সিংহ ষ্টেডিয়াম' উদ্বোধন কৰে। ■

*[এই প্ৰবন্ধৰ মূল ৰূপত থকা ছবিসমূহ কাৰিকৰী কাৰণত সন্নিবিষ্ট কৰিব পৰা নগ'ল। — সম্পাদক]*

*(প্ৰকাশ কাল : ২০০৬-০৭)*

# বিশ্বায়নৰ দৌৰাত্ম্য আৰু চাইবাৰ অপৰাধ

**জ্যোতিৰ্ময় দত্ত**
স্নাতক ২য় বৰ্ষ (বাণিজ্য)

বৰ্তমান আমাৰ সমাজব্যৱস্থাত ৰঘুমলাৰ দৰে গা-কৰি উঠা এটা জটিল সমস্যাই হ'ল অপৰাধ প্ৰৱণতা। তথাকথিত যান্ত্ৰিক যুগটোৱে যেনেদৰে আধুনিক একোখন সমাজক জটিল তথা দ্ৰুতময় কৰি তুলিছে লগেলগেই সেই সমাজখনত কাম কৰা প্ৰতিজন মানুহেই যেন একো একোটা যন্ত্ৰলৈ পৰ্যবসিত হৈছে। ক'ৰবাত যদি অকণমান বিজুতি ঘটিছে লগে লগেই উদ্‌গীৰণ ঘটিব ধৰিছে গলিত লাভা-ছাইৰূপী এচাম মাতাল যুৱক-যুৱতীৰ, যিয়ে বঞ্চনাৰ নাম লৈ প্ৰতিবাদী লেকাম কামুৰি অপৰাধ, অপকৰ্মী প্ৰৱণতাত হাত দিছে আৰু এই অপৰাধ প্ৰৱণতাই পুনৰ পশ্চিমীয়া বেশভূষাৰে একো একোখন সমাজৰ শৈক্ষিক, সুস্থিৰ বাতাবৰণক কলুষিত কৰি ধ্বংসৰ গৰাহলৈ অৱধাৰিত কৰিছে। দেখা গৈছে কিছু ক্ষেত্ৰত এই অপৰাধজনিত প্ৰৱণতাত যুৱ-চামক বিশ্বায়নৰ আগ্ৰাসনেও সাৰ-পানী যোগাইছে। সততে বৰ্তমান তেৰৰ পৰা উনৈশ-বিশ বছৰীয়া কিশোৰ-কিশোৰীসকলৰ মাজত নতুনকৈ গা-কৰি উঠা এনে এটা অপৰাধজনিত প্ৰৱণতাই হৈছে Cyber Crime বা চাইবাৰ অপৰাধ। আজিৰ বৰ্ধিত তথ্য-প্ৰযুক্তিৰ যুগত চাইবাৰ প্ৰযুক্তিৰ যোগে অৰ্থাৎ ইণ্টাৰনেটৰ মাধ্যমেৰে অশ্লীল ছবি, নীলা-ছবি আদি উপভোগ কৰা বা ইণ্টাৰনেট পৰ্ণগ্ৰাফীৰ অবৈধ ব্যৱসায়ত লিপ্ত হোৱাই সহজ অৰ্থত চাইবাৰ অপৰাধ। কিছুদিন আগেয়ে প্ৰাক্তন মিচ্ জন্মু আৰু তামিল অভিনেত্ৰী তৃশাৰ চি ডি অশ্লীলতাৰ গোচৰসমূহৰ



বিৰুদ্ধে উত্থাপিত অভিযোগ তথা কৰিণা কাপুৰ আৰু শ্বাহিদৰ লিপ্ লকড্ (Lip Locked) দৃশ্যসম্বলিত ফটোসমূহ ইণ্টাৰনেট ক্ষেত্ৰখনত তোলপাৰ লগাই থকাৰ সময়তে ভাৰতীয় সমাজ ব্যৱস্থাত মানুহ কেনেকৈ পণ্য সামগ্ৰীলৈ পৰ্যৱসিত হ'বলৈ ধৰিছে আৰু কেনেদৰে ভাৰতীয় সংস্কৃতিলৈ বিপৰ্যয় নমাই আনিছে এইসমূহ একো একোটা তাৰেই চৰম নিদৰ্শনহে মাথো। কিছুদিনৰ আগেয়ে দিল্লী পাব্লিক স্কুলৰ সোতৰ বছৰ বয়সীয়া এজন ছাত্ৰই তেওঁৰ ম'বাইল ফোনৰ কেমেৰাত সহপাঠী এজনী ছোৱালীৰ সৈতে যৌন-ক্ষুধা চৰিতাৰ্থ কৰাৰ অশ্লীল ফটো তোলা ঘটনাটোৱেও যেন সেই কথাকেই প্ৰতিপন্ন কৰে। বৰ্ধিত তথ্য-প্ৰযুক্তিৰ কম-বেছি পৰিমাণে পোহৰ পোৱা সকলো সৰু-বৰ চহৰত এই অপৰাধজনিত প্ৰৱণতাই শিপাবলৈ লৈছে আৰু এই চাইবাৰ মেনিয়াৰপৰা আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে উঠি অহা কম-বয়সীয়া কিশোৰ-কিশোৰীসকল। পুঁজিবাদী আৰু ভোগবাদৰ আওভাও নোপোৱা এইচাম কম বয়সীয়া কিশোৰ-কিশোৰীয়ে পশ্চিমীয়া যৌন-উদ্দামী বিকৃত মানসিকতাৰ পদাংক অনুসৰণ কৰি ভোগসৰ্বস্ব বস্তুবাদী দৃষ্টিভংগী আৰু আত্মতুষ্টিৰ এক পৰিৱেশৰ বলি হৈছে আৰু নিতৌ কৰি যাব ধৰিছে এটাৰ পিছত আন এটা নতুন অপৰাধ। পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণেৰে আজিকালি এচাম কিশোৰ-কিশোৰীয়ে তথাকথিত এটা আভিজাত্য জীৱনধাৰাহে যে পোষকতা কৰে সেয়া আমি আমাৰ ওচৰে-পাঁজৰে চকু ফুৰালেই দেখা পাম। উঠি অহা এইচাম যুৱক-যুৱতীয়ে ঘণ্টাৰ পিছত ঘণ্টা ধৰি ইণ্টাৰনেট ছাটিং (Internet Chating) বা কিছুসংখ্যক ইণ্টাৰনেট ৱেবছাইটৰ যোগেদি অশ্লীল ছবি চাই আত্মতৃপ্তি লভাটোও দৈনিক ৰুটিনৰে অন্তৰ্গত বুলিব পাৰি। এই ইণ্টাৰনেটৰ যোগেদিয়েই স্থাপন হোৱা যুগসূত্ৰৰ আঁত ধৰি নতুনকৈ গঢ় লৈ উঠা কিশোৰ-কিশোৰীসকলৰ বন্ধুত্বৰ আঁৰলৈ অশ্লীল ফটোৰে ব্লেকমেইলিং কৰি কু-কামনা চৰিতাৰ্থ কৰাৰ দৰে ঘটা ঘটনাৰো উদাহৰণ নোহোৱা নহয়। বিশ্বায়ন বা গোলকীকৰণ প্ৰক্ৰিয়াই সমগ্ৰ বিশ্বক ছানি ধৰাৰ লগে লগে বিদেশত নিৰ্মিত তথ্য-প্ৰযুক্তিৰ বিভিন্ন সামগ্ৰীসমূহো নিজৰ নিজৰ চহৰখনত সুলভ হৈ পৰিল আৰু ভিন্ন ভিন্ন ৱেবছাইটৰ যোগেদি উপভোগ্য ফেশ্বন কিম্বা হট-শ্ব, আমোদ-প্ৰমোদৰ ক্ষেত্ৰখনৰ পৰিসৰো বাঢ়িবলৈ ধৰিলে আৰু এই সুবিধা পূৰ্ণোদ্যমে গ্ৰহণ কৰিবলৈ ধৰিলে এচাম যুৱক-যুৱতীয়ে। এই অপৰাধজনিত প্ৰৱণতা

কেৱল কিশোৰ-কিশোৰীসকলৰ মাজতেই যে সীমাবদ্ধ এনে নহয়। কিছুমান সন্ত্ৰাসবাদী তথা মৌলবাদী সন্ত্ৰাসবাদী সংগঠনেও তেওঁলোকৰ সাংগঠনিক তৎপৰতা তথা জেহাদী কাৰু-কাৰ্য চলাবলৈ কিছুমান গুপুত ৱেবছাইটৰ সহায় ল'বলৈ ধৰিছে।

ই অত্যন্ত পৰিতাপৰ বিষয় যে এই বস্তুবাদী ভোগসৰ্বস্ব দুষ্কৃতিয়ে ভাৰতীয় সমাজ ব্যৱস্থাত প্ৰৱেশ কৰি ঐতিহ্যমণ্ডিত সমগ্ৰ ভাৰতীয় সভ্যতা আৰু সংস্কৃতিলৈয়ে এক চৰম ভাবুকিৰ সৃষ্টি কৰিছে। পশ্চিমীয়া যৌন-উদ্দামী বিকৃত মানসিকতাৰ, দুষ্কৃতিৰ পদলেহন কৰি মনৰ সন্তুষ্টি লভাটোও আজিৰ এচাম কিশোৰ-কিশোৰীৰ একপ্ৰকাৰৰ মানসিক দুৰ্বলতাই। এই কথাও সৰ্বজনবিদিত যে বৰ্তমান আমাৰ সমাজ ব্যৱস্থা পশ্চিমীয়া সংস্কৃতিৰ মেৰপাকত পৰি অনৈতিক-সমাজলৈ অৱনমিত হৈছে। এই কথাও মন কৰিবলগীয়া যে সততে দেৱাল বা জনসমাগমথলীত চকুত পৰা ছবিঘৰৰ অৰ্ধনগ্ন বেশভূষাৰে সজ্জিত অভিনেতা-অভিনেত্ৰীৰ কোনো পোষ্টাৰ নতুবা ম'বাইল ফোনত সহজলভ্য ডাউনলড্ কৰিও অশ্লীল গীত, ভিডিঅ' নীলা ছবিও এইচাম যুৱক-যুৱতীৰ মনৰ আইড্‌লৰূপে ক্ৰিয়া কৰাৰো অন্যতম কাৰক। কেইদিনমানৰ আগেয়ে যুক্তৰাষ্ট্ৰৰ ৰুড্ আইলেণ্ডৰ নিউপ'ৰ্টস্থিত মাৰ্কিন নেভেল ৱাৰ কলেজৰ কম্পিউটাৰ নেটৱৰ্কত চাইবাৰ ক্ৰাইম সংঘটিত হৈ বিগত দুসপ্তাহতকৈ অধিক সময় ধৰি মাৰ্কিন প্ৰতিৰক্ষা প্ৰতিষ্ঠানটোৰ কম্পিউটাৰ আৰু নেটৱৰ্ক ব্যৱস্থা অচল হৈ পৰা ঘটনাটোৱেও ইয়াকেই প্ৰতিপন্ন কৰে যে এই চাইবাৰ অপৰাধৰপৰা প্ৰতিৰক্ষা প্ৰতিষ্ঠানো যে মুক্ত নহয়।

সততে পণ্য সামগ্ৰীৰ প্ৰতি আসক্ত এচাম কিশোৰ-কিশোৰীয়ে ইণ্টাৰনেট খচিত মোবাইলৰ যোগেদি নৱবৰ্ষ বা ভেলেণ্টাইন ডে' উদ্‌যাপন কৰোঁতেও ভোগ-বিলাসৰ দিশটোৰ প্ৰতিহে বেছিকৈ আকৃষ্ট হোৱাটো অনুধাৱন হয়। পাৰিবাৰিক শাসনত অপৰিপক্ক তথা দায়িত্বহীনতাৰ ফলত একো-একোজন যুৱক-যুৱতী পণ্য-সামগ্ৰীলৈ পৰিণত হোৱা ঘটনাক সমগ্ৰ সমাজে আজি চৰম হতাশাৰে প্ৰত্যক্ষ কৰিবলগীয়াও হৈছে।

অতীজতে ভাৰতবৰ্ষত যি সামাজিক দায়বদ্ধতা আৰু নৈতিক আন্তঃ গাঁথনি, প্ৰমূল্যবোধৰ শিক্ষা দিয়া পৰম্পৰা আছিল, তেতিয়া আজিৰ সামাজিক দুষ্কৃতিয়ে মূৰ দাঙি উঠিব পৰা নাছিল। ক্ৰমবৰ্ধমান ৰূপত বাঢ়ি অহা তথ্য-



প্ৰযুক্তিৰ ৰেঙনি আৰু পাৰ্থিৱ সুখ-সম্ভোগৰ প্ৰতি অত্যধিক লালায়িত বাসনাই আজিৰ এই অপৰাধজনিত প্ৰৱণতাৰ অন্যতম কাৰক বুলি ক'ব পাৰি। বহুক্ষেত্ৰত বহুতো পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানৰ প্ৰতি নিষ্ক্ৰিয় ভূমিকা লোৱাটোও পৰিলক্ষিত হয়। পণ্য তথা পশ্চিমীয়া বস্তুবাদৰ মোহত আছন্ন হৈ অভিভাৱকসকলে তেওঁলোকৰ সন্তানক তেওঁলোকৰ উপস্থিতিৰ পৰিপূৰক হিচাপে বিজ্ঞান আৰু প্ৰযুক্তি বলত সম্ভৱপৰ বিভিন্ন শেহতীয়া সামগ্ৰী সহজভাৱে যোগান ধৰি নিজৰেই সন্তান-সন্ততিসকলক এক ভয়াৱহ গৰাহলৈ আগবঢ়াই দিছে।

ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰা চাইবাৰ অপৰাধ প্ৰতিৰোধ কৰিবলৈ কেৱল স্কুল-কলেজসমূহত চেল'ফোন নিষিদ্ধ কৰিলেই যথেষ্ট নহয়। ইয়াৰ বাবে অভিভাৱকসকলৰ লগে লগে বিশিষ্ট নাগৰিক, বুদ্ধিজীৱীসকল তথা প্ৰশাসনিক সজাগতাৰো প্ৰয়োজন। যিহেতুকে আৱশ্যকতাৰ প্ৰয়োজনবোধ বঢ়াৰ লগে লগে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিকো বাধা দিব পৰা নাযায়, সেয়েহে আৱশ্যক অনুযায়ী ব্যৱহাৰ কৰোতে এইসমূহ বস্তুৰপৰা হ'ব পৰা ভয়াৱহতাৰ দিশটোৰ প্ৰতিও দৃষ্টি ৰাখিব লাগে।

আভিজাত্যৰ আত্মজাহিৰৰ স্বাৰ্থতেই হওঁক বা সামাজিক মেৰপাকত পৰি শোষণ-নিস্পেষণৰ ফলতেই হওঁক কম বয়সীয়া ল'ৰা-ছোৱালীবোৰৰ মাজত বাঢ়ি অহা অপৰাধজনিত প্ৰৱণতা কোনো নতুন কথা নহয়। কিন্তু অতি সম্প্ৰতি চাইবাৰ প্ৰযুক্তিৰ উৰ্ধমুখী গতি আৰু বিশ্বায়নৰ ফলত ইয়াক সহজতে পাব পৰা হোৱাৰ বাবে চাইবাৰ অপৰাধৰ সংখ্যাও নিতৌ বৃদ্ধি পাব ধৰিছে। তথ্য-প্ৰযুক্তিৰ দ্বাৰা পাব পৰা বিভিন্ন তথ্য তথা বজাৰত পয়োভৰ নতুন নতুন সামগ্ৰীসমূহৰ সৈতে কিশোৰ-কিশোৰীসকল পৰিচিত যদিও সেইসমূহৰ সঠিক ব্যৱহাৰ আৰু নিয়ন্ত্ৰণৰ বিষয়ে তেওঁলোক অজ্ঞাত। বিশ্বৰ কেইখনমান আগশাৰীৰ দেশৰ লগতে বৰ্ধিত তথ্য-প্ৰযুক্তি ক্ষেত্ৰৰ অপৰাধজনিত প্ৰৱণতা প্ৰতিৰোধৰ হকে ২০০০ চনত ভাৰতবৰ্ষতো পোন-প্ৰথমবাৰৰ বাবে এখন তথ্য-প্ৰযুক্তি আইন (Information Technology) প্ৰণয়ন কৰা হয়। কিন্তু ভাৰতীয় আইন ব্যৱস্থাত ইণ্টাৰনেটৰ বহল ক্ষেত্ৰখনক নিয়ন্ত্ৰিত কৰিব পৰাকৈ যেতিয়ালৈকে এখন ফলপ্ৰসূ আইন ৰূপায়ন কৰা নহয় তেতিয়ালৈকে এই চাইবাৰ অপৰাধ সম্পূৰ্ণৰূপে নিয়ন্ত্ৰিত কৰাটো অসম্ভৱেই নহয় দুৰূহো যে হৈ পৰিব সেয়া সচেতন মহলৰো সন্দেহৰ আৱৰ্তত। তথ্য প্ৰযুক্তি আইন

২০০০ ৰ দ্বাৰা এতিয়াও ইলেকট্ৰনিক মাধ্যমত অতিসম্প্ৰতি ব্যক্তিগত গোপনীয়তা ভংগ কৰাৰ অপৰাধক স্পৰ্শ কৰিব পৰাকৈ ব্যৱস্থা ৰূপায়িত হোৱা নাই। আনহাতে ভাৰতবৰ্ষত বৰ্তমান প্ৰচুৰ প্ৰয়োভৰত লুকাই থকা বা গুপ্ত কেমেৰাৰ প্ৰয়োগৰদ্বাৰা ক্ষতিগ্ৰস্ত পক্ষক প্ৰতিকাৰৰ ক্ষেত্ৰত কোনোধৰণৰ আইনী ব্যৱস্থাও নাই। যিয়েই নহওঁক, ডিজিটেল কেমেৰা কিম্বা ম'বাইল ফোনকে আদি কৰি অশ্লীল ইলেকট্ৰনিক তথ্য-পাতি প্ৰকাশ কৰা আৰু প্ৰেৰণ কৰাটো তথ্য-প্ৰযুক্তি আইন ২০০০ ৰ ৬৭ ধাৰাৰ অধীনত আইনমতে কিন্তু দণ্ডনীয়। ভাৰতত চাইবাৰ অপৰাধ বহুলভাৱে এতিয়াও সংঘটিত হৈ আছে যদিও বিশ্বৰ বিভিন্ন দেশত কেমেৰা-ফোনৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰি আইন প্ৰণয়ন কৰা হৈছে। ভাৰতবৰ্ষত এই চাইবাৰ অপৰাধৰ বিৰুদ্ধে এতিয়ালৈকে কোনো আইন প্ৰণয়ন কৰা হোৱা নাই। এই সংক্ৰান্তত ব্যক্তিগত গোপনীয়তা ৰক্ষাৰ অধিকাৰৰ পক্ষে আইন সংশোধনৰ জৰিয়তে ক্ষতিগ্ৰস্ত পক্ষক প্ৰতিকাৰ আৰু ন্যায় প্ৰদান কৰাৰ এতিয়া সময় আহি পৰিছে। ইণ্টাৰনেটৰ ক্ষেত্ৰখন যিহেতু বহল পৰিসৰৰ আৰু ইয়াৰ কোনো ভৌগোলিক সীমাৰেখা নাই, সেয়ে ইণ্টাৰনেট ব্যৱহাৰৰ ক্ষেত্ৰত বিশিষ্ট ব্যক্তি, বুদ্ধিজীৱী আৰু সচেতন মহলে অদূৰ ভৱিষ্যতে ভয়ংকৰ হৈ উঠিব পৰা এই চাইবাৰ অপৰাধৰ বিৰুদ্ধে চিন্তা কৰিবৰ হ'ল। বৈজ্ঞানিক যুগৰ তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰা ইণ্টাৰনেটৰ সুফলসমূহ আহৰণ কৰিবলৈ হ'লে ইণ্টাৰনেটৰ সঠিক ব্যৱহাৰ জনাটো নিতান্তই বাঞ্চনীয়। এই কথাও চিৰসত্য যে মানৱ কল্যাণত ইণ্টাৰনেটৰ ভূমিকা বা অৱদান যথেষ্ট। মাত্ৰ আমি এই কথাহে মনত ৰখা উচিত যে বৈজ্ঞানিক যুগ অথবা বিপ্লৱে আনি দিয়া ইণ্টাৰনেটৰ যাতে অপব্যৱহাৰ নহয়। নহ'লে হয়তো তথ্য-প্ৰযুক্তিৰ যুগান্তকাৰী আগমন মানৱ সভ্যতাত আশীৰ্বাদৰ বিপৰীতে অভিশাপহে হৈ পৰিব। ■

*(প্ৰকাশ কাল ঃ ২০০৬-০৭)*



# তলসৰা শেৱালিৰ সুবাস

## (গোৰেশ্বৰৰ সমাজ সেৱা শিবিৰ)

## কলেজীয়া ছাত্ৰ জীৱনৰ সোঁৱৰণ

**ড° জ্যোতি প্ৰসাদ চলিহা**
অৱসৰপ্ৰাপ্ত শিক্ষক

১৯৬০ চন। তেতিয়া আমি কটন কলেজৰ স্নাতক মহলাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ। অসমীয়া ভাষাক ৰাজ্যভাষা কৰাৰ দাবীত ৰাজ্যজুৰি আন্দোলন। অসম, বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকা উত্তাল। আবেলি পৰত প্ৰায়ে নবীন বৰদলৈ হল প্ৰাংগণত প্ৰতিবাদী সভা একোখন হয়েই। বিভিন্নজনৰ না না ধৰণৰ তেজস্বী বক্তৃতাৰে সভাবোৰ গৰম হৈ থাকে। অসমত যে অসমীয়া ৰাজ্যভাষা নহয় আৰু ৰাজ্যভাষা হ'লে সাধাৰণ মানুহৰ যে বহুতো সুবিধা হ'ব পাৰে সেই কথাবোৰ তেতিয়াই বুজি উঠিব পাৰিছিলো। কিন্তু তেতিয়াৰ অসমত যে অসমীয়াক ৰাজ্যভাষা কৰিলে হিতে বিপৰীতে হ'ব পাৰে, সভাসমূহৰ বক্তা সকলে উল্লেখ কৰাৰ কথা মনত নপৰে। সেই আন্দোলনৰ বিৰূপ প্ৰভাৱ এতিয়াৰ অসমতো শেষ হোৱা বুলি ক'ব নোৱাৰি। কাছাৰৰ ফালৰ মানুহে সেই দাবীৰ বিৰোধিতা কৰাৰ কথা আমি জানিব পাৰিছিলো। আমাৰ হোষ্টেলৰ (তেতিয়া আমি 'নিউ হোষ্টেল', বৰ্তমানৰ সীতানাথ ব্ৰহ্মচৌধাৰী ছাত্ৰাবাসৰ আৱাসী) সহ আৱাসী জলদবৰণ দেবলস্কৰ, লক্ষীপুৰৰ মনিষ দাস আদিৰ কোনো ধৰণৰ বিৰোধিতা দেখিবলৈ পোৱা নাছিলো। কিন্তু আন্দোলনটোৱে যে হোষ্টেলত থকা দুই এজন বঙালাভাষী আৱাসীৰ মনত ভয়ৰ ভাব জগোৱা নাছিল তেনেও নহয়। আকৌ আন কিছুমানৰ সমস্যাও আছিল বেলেগ ধৰণৰ। মোৰ এজন ৰুমমেট আছিল কৃষ্ণ দে। মোতকৈ দুশ্ৰেণী তলত। তেজপুৰ

চতিয়াৰ ল'ৰা। হাড়ে হিমজুৰে অসমীয়া। প্ৰাথমিক বিদ্যালয়ৰ পৰাই অসমীয়া মাধ্যমত পঢ়া-শুনা কৰা ল'ৰা। ঘৰতো বোলে অসমীয়াই চলে। বেচেৰাৰ উপাধিটোৱে আছিল য'ত দোষ। মাজে মাজে তেওঁ অলপ ভীতিগ্ৰস্ত হৈ পৰা দেখিলে অভয় দিবলগীয়াও হৈছিল। অভয়দানত তেওঁ আশ্বস্ত হোৱাও লক্ষ্য কৰিছিলো। তেওঁ পতিয়ন গৈছিল আৰু সেই প্ৰত্যয়ে এক ভাতৃত্ববোধও জগাই তুলিছিল। সেই সম্পৰ্ক পাছলৈও আছিল। তেওঁ অসম চিকিৎসা মহাবিদ্যালয়ত পঢ়ি থকাৰ কালতো মাজে সময়ে লগ পালে সেই মনোভাৱেই দেখিবলৈ পাইছিলো। পাছত ডাঃ কৃষ্ণ দে ডিফুৰ অসামৰিক চিকিৎসালয়ত শল্য চিকিৎসক আছিল। বৰাক উপত্যকাৰ কাছাৰ-কৰিমগঞ্জৰ মানুহৰ অসুবিধাৰ বিষয়ে দকৈ নভবাকৈয়ে দুষ্টচক্ৰই আন্দোলনটোক বঙলা ভাষা বিদ্বেষী তথা বঙ্গাল খেদা আন্দোলনলৈ পৰ্যবসিত কৰিছিল। কথাটো সেই সময়ত আমি বুজিব পৰা নাছিলো।

ক্ৰমান্বয়ে পৰিস্থিতি উদ্বেগজনক হৈ পৰিছিল। তথাপিও কলেজৰ ছাত্ৰ-ছাত্ৰী অথবা ছাত্ৰাবাসৰ আবাসীসকলৰ মাজৰ সম্পৰ্কত কিবা ঘূণে ধৰিছিল বুলি ভবা নাছিলো। আমাৰ মেজৰৰ ক্লাছত শিলচৰৰ সহপাঠী এজন আছিল। নামটো প্ৰিয়ৰঞ্জন ভট্টাচাৰ্য। আমি পাছে তেওঁক 'গুৰুচৰণ' ভট্ট বুলিছিলো। কাৰণ তেওঁ শিলচৰৰ 'গুৰুচৰণ' কলেজৰ পৰা আই. এ. (Intermediate Arts) পৰীক্ষাত দ্বিতীয় স্থান অধিকাৰ কৰাৰ পাছত কটন কলেজত অৰ্থনীতিত মেজৰ পঢ়িবলৈ আহিছিল। সেই একেটা পৰীক্ষাতে যথাক্ৰমে প্ৰথম আৰু তৃতীয় স্থান অধিকাৰ কৰা মদন প্ৰসাদ বেজবৰুৱা (পাছত IAS বিষয়া) আৰু প্ৰদীপ মহন্ত (অকালতে বিয়োগ হোৱা IPS বিষয়া)ও আমাৰ ক্লাছত আছিল। ভট্ট, বেচ্ মেধাৱী আৰু অমায়িক ছাত্ৰ আছিল। তেওঁ বেছিভাগ কথা বতৰা ইংৰাজী ভাষাতে পাতিছিল কাৰণে আমি তেওঁৰ লগত আড্ডা দিয়াৰ সুবিধা কৰিব নোৱাৰিছিলো। আমাৰ লগৰ গিৰীশ শৰ্মাই (পাছত প্ৰতিষ্ঠিত সাংবাদিক হৈছিলগৈ, দুৰ্ঘটনাত পতিত হৈ দুবছৰ মানৰ আগতে ইহলীলা সম্বৰণ কৰে) ভট্টৰ পৰা শিলচৰৰ ফালৰ বা-বাতৰি সংগ্ৰহ কৰি আনি আমাক জনাইছিলহি।

১৯৫০ চনৰে ৪ জুলাই তাৰিখে হঠাৎ পুলিচী আতিশয্যৰ সেই বৰ্ব্বৰ ঘটনাটো ঘটিল। কটন কলেজৰ 'চেকেণ্ড মেচ' (বৰ্তমানৰ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাস)ত দিনৰ ১১-২০ মান বজাত অসম ৰাইফলছে অপ্ৰৰোচিত ভাবে



নিৰীহ আবাসী সকলৰ ওপৰত গুলী চালনা কৰে। চেকেণ্ড ব্লকৰ পাছফালৰ বাৰাণ্ডাত থাকোতে আই. এছ. ছি. (Intermediate Science) দ্বিতীয় বৰ্ষৰ আবাসী শিৱসাগৰৰ ৰঞ্জিত বৰপূজাৰীৰ মূৰত গুলী লাগি বাৰাণ্ডাতে ঢলি পৰে। ৰুদ্ৰ গোহাঁইয়ে নিজৰ খাটখন দুৱাৰৰ ওচৰলৈ টানি আনি ভাত খোৱাৰ পাছত অলপ জিৰণি লোৱাৰ অৱস্থাত দুৱাৰৰ বাহিৰলৈ ওলাই থকা ভৰি দুখনৰ সৰু গাঁঠিত গুলী লাগে। সেই হোষ্টেলৰ আন এজন আবাসী তিলক হাজৰিকাৰ গাতো গুলী লাগে। থাৰ্ড মেছৰ (বৰ্তমানৰ আনন্দ ৰাম বৰুৱা ছাত্ৰাবাস) আবাসী তিনিচুকীয়াৰ অমৃত ভট্টাচাৰ্য (তিনিচুকীয়া কলেজৰ অৰ্থনীতি বিভাগৰ ভূতপূৰ্ব প্ৰৱক্তা আৰু পাছলৈ সেই কলেজৰে অধ্যক্ষ) ই ফ'ৰ্থ ব্লকৰ ক'ৰিডৰত থকা বৰ্ডখনত যোৰপুখুৰীৰ সহপাঠী অমৰ হাজৰিকা (এসময়ত অসমৰ জনাজাত টেবুল টেনিচ খেলুৱৈ)ৰ লগত টেবুল টেনিচ খেলি থকাৰ সময়ত বুকুৰ ওপৰ ভাগত গুলী সোমাই মৃত্যুমুখী হয়। অমৰ হাজৰিকাৰ ভৰিত গুলী সোমায়। কেৱল কটন কলেজতে নহয়, গোটেই গুৱাহাটী নগৰত হুৰা-দুৰা লাগি যায়। সেইদিনাই গধূলিলৈ চৰজমিন অনুসন্ধান কৰিবলৈ আহি তেতিয়া অসমৰ ৰাজ্যপালৰ দায়িত্বত থকা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে সেই ঘটনাক 'নৃশংস হত্যাকাণ্ড' বুলি অভিহিত কৰে। অসম ৰাইফলছ্‌ৰ সেইদিনাৰ গুলীবৰ্ষণৰ হেতু হেনো হোষ্টেলৰ ল'ৰাই সমীপৰে কোনোবা বঙলাভাষী মানুহৰ ঘৰত অগ্নি সংযোগ কৰিছিল। পাছৰ অনুসন্ধানত কথা সঁচা নহয় বুলি জনা গ'ল। সেই সময়ত বহুতো পুলিছী আতিশয্যাৰ বাবে সঘনে উচ্চাৰিত হোৱা পুলিছ বিষয়াজনৰ নাম আছিল ডি. আই. জি; লালা বি. কে. দে।

গুৱাহাটী নগৰত সান্ধ্য আইন বলৱৎ কৰা হয়। কেৱল কটন কলেজৰ হোষ্টেলৰ আবাসী অথবা কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবেই নহয়, গোটেই নগৰখনৰ নাগৰিকৰ বাবেও স্বাধীনোত্তৰ কালত সান্ধ্য আইনৰ প্ৰথম অভিজ্ঞতা। তাৰ আগলৈকে আমি মাথো *বিদ্ৰোহী নগাৰ হাতত* নামৰ উপন্যাসখনতহে সান্ধ্য আইনৰ বিৱৰণ পঢ়িবলৈ পাইছিলো। তেতিয়া সান্ধ্য আইন অতি কঠোৰভাৱে বলৱৎ কৰা হৈছিল যেন লাগে। আৰক্ষী আৰু অৰ্দ্ধ-সামৰিক বাহিনীৰ অবিৰত টহল। হোষ্টেলত দিনৰ পিছত দিন টহল। হোষ্টেলত আমাৰ কি বিচিত্ৰ অভিজ্ঞতা। হোষ্টেলত দিনৰ পিছত দিন কেৱল ভাত, দাইল, শুকান জলকীয়া আৰু নিমখেৰে ভূৰি ভোজন।

বিধান সভাত ৰাজ্য ভাষা আইন উত্থাপিত হ'ল। পৰিস্থিতি লাহে লাহে শান্ত আৰু স্বাভাৱিক হৈ আহিবলৈ ধৰিলে। ইতিমধ্যে বহুতো ঘটনা ঘটি গ'ল। শিলিগুৰিত সেই সময়ৰ উত্তৰ-পূব ৰেলৱেৰ বিষয়া সূৰ্য বৰাই দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুৱালে। সাম্প্ৰদায়িক সংঘৰ্ষৰ দাবানলে ৰাজ্যখনৰ বহুতো অঞ্চলত বিস্তৰ ক্ষতি সাধন কৰিলে। নলবাৰী অঞ্চলৰ বড়োলোক আৰু বঙালীভাষী লোক অধ্যুষিত গাঁওত ঘটা তেনে এক সাম্প্ৰদায়িক সংঘৰ্ষৰ ক্ষতিৰ ছবি প্ৰত্যক্ষ কৰিবলৈ সুযোগ পাইছিলো আৰু দুৰ্গত সকলৰ পুনৰসংস্থাপনৰ কামত লিপ্ত হোৱাৰ অভিজ্ঞতা আৰু অনুভৱৰ ই এক সোঁৱৰণ।

পাণবজাৰ চাৰিআলিৰ একোণে থকা বহুতৰ বাবে বহু স্মৃতি বিজড়িত 'মহামায়া কেবিনত' সমুখত 'চিংগল চাহ' লৈ আড্ডা মাৰি থকাৰ অৱস্থাতে কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক দিলীপ কাকতী (স্বনামধন্য সাংবাদিক-সাহিত্যিক স্বৰ্গীয় সতীশচন্দ্ৰ কাকতীদেৱৰ পুত্ৰ, পৰৱৰ্তী কালত কটন কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ শিক্ষক, অসম মাধ্যমিক শিক্ষা পৰিষদৰ সচিব, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ) যে জনালেহি যে গোৰেশ্বৰত বড়ো গাঁও এখনৰ লোকে প্ৰতিবেশী বঙলাভাষীৰ লোকৰ গাঁও এখন জ্বলাই দি সম্পূৰ্ণৰূপে ভস্মীভূত কৰিলে। কটন কলেজৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ তৰফৰ পৰা এটা শিবিৰ আয়োজন কৰি গৃহহীন লোকসকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থাত সহায় কৰাৰ সিদ্ধান্ত লোৱা হৈছে। সেই অনুসৰি শিবিৰৰ আয়োজন কৰা হ'ব। আমি চাহৰ টেবুলত থকা প্ৰায় আটাইকেউজনেই শিবিৰত যোগদানৰ আগ্ৰহ প্ৰকাশ কৰিলো। সাধাৰণ সম্পাদক উৎসাহিত হ'ল কাৰণ কিছুদিনৰ আগতে গোটেই ৰাজ্যখনত আৰু কলেজৰ হোষ্টেলৰ চৌহদত যেনে ঘটনা ঘটি গ'ল, তেনে অৱস্থাত হয়তো তেওঁ শিবিৰত অংশগ্ৰহণকাৰীৰ অভাৱ হ'ব পাৰে বুলিয়েই ধাৰণা কৰিছিল।

আগষ্ট মাহৰ কোনোবা এটা তাৰিখত (সঠিক তাৰিখটো সুঁৱৰিব নোৱাৰিলো। যতদূৰ সম্ভৱ আগষ্ট মাহৰ ৪ বা ৫ তাৰিখ হ'ব) আমাৰ সমাজ সেৱা শিবিৰৰ দিন ধাৰ্য কৰা হ'ল। তেতিয়া 'শৰাইঘাট দলং' নাছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰ বিচ্ছিন্ন। আমাৰ দলটোত ৩০-৩৫ জন ছাত্ৰ। দলটোৰ তত্বাৱধানত সেই সময়ৰ কটন কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক আশ্ৰফ আলী চাৰ আৰু পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক



কিশোৰী মোহন পাঠক চাৰ। আশ্ৰফ আলী চাৰ পৰৱৰ্তী কালত কটন কলেজৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈছিল। কিশোৰীমোহন চাৰে পাছত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ আসন অলংকৃত কৰিছিল। নিৰ্দিষ্ট দিনা আমি কছাৰীঘাটৰ পৰা নিজৰ নিজৰ যাৱতীয় বয়-বস্তুৰে ফেৰীত উত্তৰ গুৱাহাটীলৈ গৈ তাৰ পৰা বাছেৰে গোৰেশ্বৰলৈ গ'লো। শিবিৰত যোগ দিয়া আমাৰ দলটোত বিভিন্ন বৰ্ষৰ ছাত্ৰ আছিল। আমাৰ একে লগৰ আছিল অশোক দাস, অমূল্য চৌধুৰী, নাৰায়ণ ডেকা, ভদ্ৰেশ্বৰ তালুকদাৰ, তুলসী মহন্ত আদি। আমি বিয়লি পৰত গোৰেশ্বৰ পালোগৈ। আমাৰ শিবিৰ গোৰেশ্বৰ হাইস্কুলত স্থাপন কৰা হৈছিল। স্কুলৰ প্ৰধান শিক্ষক আৰু আন কেইজনমান শিক্ষকে আহি আমাৰ চাৰহঁতক আদৰণি জনালে। আমাৰ আলপৈচান ধৰিবৰ বাবে স্কুলৰ কিছু ছাত্ৰ-ছাত্ৰীক ভাৰ দিছিল। সেইদিনা সন্ধিয়া হ'লত আমি আৰু ক্ষতিগ্ৰস্ত গাঁওখনলৈ যোৱাৰ সময় নহ'ল।

পাছদিনা পুৱা প্ৰায় ৮/৯ মান বজাত চাৰহঁতৰ নেতৃত্বত আমি নিৰ্দিষ্ট গাঁওখনলৈ বুলি আগবাঢ়িলো। হাইস্কুলখনৰ সমুখৰ গড়কাপ্তানি পথটোৰ উত্তৰ দিশে দুই কিলোমিটাৰমান গৈ সোঁহাতে ঘূৰি গাঁৱৰ মাজৰ বাটটোৰে দি পূৱ মুৱাকৈ গ'লেই সেই গাঁওখন পায়। গড়কাপ্তানি পথটোৰ দুয়োকাষে থকা গাঁওকেইখন বড়ো মানুহৰ গাঁও। এই পথটোৰ পূৱলৈ থকা বড়ো মানুহৰ গাঁওখনৰ পাছফালে পথাৰ। পথাৰৰ মাজৰ এটা অংশ দ জলডোবা। পথাৰখনৰ মাজেৰে যোৱা বাটটোৰ জলডোবা অংশৰ ওপৰত এখন দলং। সেই বাটটোৰে আগুৱাই গ'লেই জুইত ভস্মীভূত হোৱা গাঁওখন। আমি দলংখনৰ ওচৰৰ পৰাই সংঘৰ্ষ বিধ্বস্ত গাঁওখন দেখিলো। গাঁওখনৰ প্ৰায়বিলাক বাসিন্দা গাঁও-ঘৰ এৰি আঁতৰি গৈছিল। প্ৰায় আশী-এশ ঘৰ মান মানুহৰ বৃহৎ গাঁওখন মৰিশালী সদৃশ দেখা গৈছিল।

স্থানীয় লোক আৰু স্কুলীয়া ছাত্ৰহঁতৰ মুখৰ পৰা শুনা মতে ঘটনাৰ দিনা হেনো গাঁওৰ মাজেদি যোৱা জলডোবা অংশৰ ওপৰত থকা দলংখনৰ দুমূৰে দুয়োখন গাঁৱৰ দুয়োটা সম্প্ৰদায়ৰ দুদল মানুহে গোট খায় বিভিন্ন প্ৰকাৰৰ শ্ল'গান দিয়া আৰম্ভ কৰে। ইতিমধ্যে গোটেই ৰাজ্যখনত সৃষ্টি হোৱা পৰিস্থিতিয়ে গাঁৱৰ লোকসকলক বহু পৰিমাণে উত্তেজিত কৰি ৰাখিছিল। তাৰোপৰি উৰাবাতৰিৰ ভূমিকাতো আছিলেই। তেনেকুৱা পৰিস্থিতিতে এখন গাঁৱৰ মানুহ

জুম পতাৰ লগে লগে আনখন গাঁৱৰ লোক সন্ত্ৰস্ত হৈ পৰিছিল। তেনে অৱস্থাত শ্ল’গানে যুদ্ধং দেহি দল দুটাৰ মাজত উত্তেজনা আৰু অধিক বৃদ্ধি কৰে আৰু শেষত দল দুটাই সংঘৰ্ষত লিপ্ত হয়। বড়ো গাঁৱৰ দলটোৰ বঙলাভাষী গাঁওৰ দলটোক আক্ৰমণ কৰি প্ৰায় ছেদেলি-ভেদেলি কৰি পেলায়। দুয়োটা দলৰ প্ৰায় সাত-আঠ জন মানুহ বোলে নিহত হয়। উত্তেজিত বড়োগাঁৱৰ দলটোৱে বিজিত আনটো দলক খেদি গৈ গাঁওখনত প্ৰৱেশ কৰে আৰু ঘৰবোৰত অগ্নি সংযোগ কৰে। সেই কাৰ্য ব্যাপক হাৰত হেনো গোটেই দিন আৰু ৰাতিও চলি থকাৰ কাৰণেই সেই গাঁওখন প্ৰায় সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অৱশ্যে তাৰ মাজতে সেই গাঁওখনৰ আটাইতকৈ ভাল অৱস্থাসম্পন্ন ধনী খেতিয়কজনৰ আধা পকী দুমহলীয়া ঘৰটোৰ বিশেষ ক্ষয় ক্ষতি হোৱা দেখা নাছিলো। সেইঘৰ খেতিয়কৰ খেতিৰ মাটিৰ পৰিমাণ প্ৰায় ১০০/১২০ বিঘা মান আছিল বুলি জানিব পাৰিছিলো। আমি গাঁওখনলৈ প্ৰথম যোৱাৰ সময়ত দুই এক ক্ষতিগ্ৰস্ত পৰিয়ালৰ দুই এজন পুৰুষ সদস্য পুনৰ ঘূৰি আহিছিল। গাঁওখনৰ পকা আহু ধানৰ পথাৰত গৰু চৰি থকা অতি দুখ লগা দৃশ্য আমাৰ চকুত পৰিছিল।

পিছদিনাৰ পৰা আমাৰ কাম আৰম্ভ হ’ল। দুই চাৰিঘৰ মানুহৰ ঘৰ অৱশিষ্ট আধাপোৰা বাঁহ কাঠেৰে মেৰামতি কৰি দিবলৈ ধৰিলে। অতি দৰিদ্ৰ দুই এক পৰিয়ালৰ লোকে কোনোমতে থিত ল’ব পৰাকৈ একোখন চালি সাজি দিয়াৰ কামত ধৰিলো। ইতিমধ্যে চৰকাৰৰ তৰফৰ পৰা কিছু টিন পাত যোগান ধৰাৰ ব্যৱস্থা হৈছিল। গতিকে টিনপাতৰ চালি একোখন তৰি দিবলৈ প্ৰয়োজন হোৱা বাঁহ আমি ওচৰৰ গাঁওৰ পৰা সংগ্ৰহ কৰিবলগীয়া হৈছিল। সংঘৰ্ষত লিপ্ত হোৱা বড়ো মানুহৰ গাঁওখনলৈও আমি বাঁহ বিচাৰি গৈছিলো। আমাৰ সকলোকে আচৰিত কৰি তোলা কথাটো আছিল যিখন গাঁৱৰ লোকে সেই প্ৰতিবেশী গাঁওখনত অগ্নি সংযোগ কৰি ভস্মীভূত কৰিছিল সেইখন গাঁৱৰ লোকেই অগ্নিদগ্ধ গাঁওখনৰ মানুহৰ বাবে চালি সাজি দিবলৈ আমাক বাঁহৰ যোগান ধৰিছিল। কোনো কোনো ঘৰত ঘৰৰ মানুহেই নিজে আমাক বাঁহ কাটি দিছিল। আমাৰ কাৰণে সেইটো এটা ডাঙৰ সাঁথৰ হৈ পৰিছিল। তেনে সাঁথৰ অন্তৰালৰ কাৰকসমূহ চিনাক্ত কৰি তাৰ নিৰাময়ৰ ব্যৱস্থা কৰিব পৰাৰ ওপৰতে সামাজিক সংহতি নিৰ্ভৰশীল। মানুহৰ সহৃদয়তা আৰু মানৱতা ক্ষণিক উত্তেজনাই ব্যাহত কৰিলেও সি যে নিঃশেষ হ’ব নোৱাৰে অথবা



নহয়, সেই কথা আমি উপলব্ধি কৰিব পাৰিছিলো।

আমাৰ পুনৰসংস্থাপন শিবিৰৰ কাম চলি থকাৰ মাজতে এদিন দিল্লীৰ পৰা অসম ভ্ৰমণলৈ অহা এটা সঁজাতি দলে গোৰেশ্বৰলৈও গৈছিল আৰু আমি কাম কৰি থকা গাঁওখন চাইছিলগৈ আৰু ক্ষতিগ্ৰস্ত কিছু লোকক সাক্ষাৎ কৰিছিল। সেই সজাতি দলত সৰ্বভাৰতীয় নেতা অজিত প্ৰসাদ জৈন, উত্তৰ প্ৰদেশৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী সুচেতা কৃপালিনী (এসময়ৰ ভাৰতৰ বিখ্যাত সমাজবাদী নেতা জে.বি কৃপালিনীৰ সহধৰ্মিণী) আছিল। লগত আছিল গুৱাহাটী জিলা কংগ্ৰেছৰ তেতিয়াৰ সভাপতি লক্ষ্মীধন বৰা আৰু আন দুজনমান। সঁজাতি দলে বিভিন্ন স্থানীয় লোকক লগ ধৰি ঘটনাৰ বিৱৰণ শুনিছিল আৰু তেওঁলোকৰ উৎসুক্য নিৰসন কৰিবলৈ না না ধৰণৰ প্ৰশ্ন কৰা আমি লক্ষ্য কৰিছিলো। সাক্ষাৎদান কৰা লোকসকলে তেওঁলোকৰ বিৱৰণত দায় সৰা প্ৰৱণতা এটা দেখা গৈছিল। বেছিভাগ লোকেই আছিল ক্ষতিগ্ৰস্ত গাঁওখনৰ। সজাতি দলৰ দৃষ্টিভঙ্গী কিছু পৰিমাণে পক্ষপাতিত্বমূলক বুলি আশ্ৰফ আলী চাৱে অনুভৱ কৰি অলপ ক্ষুব্ধ হৈ থকা আমাৰ চকুত পৰিছিল। এবাৰ চাৱে মানুহৰ ভিৰ ফালি সজাতি দলৰ সন্মুখত থিয় হৈ কোৱা কথাখিনি আজিও কাণত স্পন্দিত হৈ আছে — “Excuse, I am a Professor of a Govt. College. I feel, it is not Delhi, but we the people of Assam to save the Bengalees. I do not think that there is any need of ‘good will’ mission from Delhi...” কথাখিনি কৈ চাৰ তাৰ পৰা আঁতৰি আমাৰ মাজত আহি কাঠৰ গড় এটুকুৰাত বহি পৰিছিলহি। এনেতে আমাৰ লগৰ অশোক দাসে, চাৰক লক্ষ্য কৰিব নোৱাৰি, পোনে পোনে আমাৰ মাজলৈ আহি ‘‘আশ্ৰফ আলী চাৰ বৈদ্য গৰম অ’’ বুলি কওঁতেই চাৱে তপৰাই উত্তৰ দিছিল — ‘‘সেই কাৰণেই ঠাণ্ডা হ’বলৈ তোমালোকৰ মাজলৈ আহিলো।’’ নীতিনিষ্ঠ, স্পষ্টবাদী, সৎ আৰু সাহসী আশ্ৰফ আলী চাৰৰ কথা মনত পৰিলে এতিয়াও শ্ৰদ্ধাত মূৰ দোঁ খাই যায়। চাৱে কোৱা বহুতো কথা, বহুতো উপদেশ আজিও মনত দোলা দি থাকে, সাহস যোগাই, উৎসাহিত কৰে।

আমাৰ শিবিৰটো প্ৰায় এসপ্তাহ চলিছিল। সেই কেইদিনৰ ভিতৰত আমি গাঁওৰ বিভিন্নজনক লগ পাইছিলো। বহুতেই ঘটনাটোত অনুতপ্ত হওকেই বা নহওকেই সেই ঘটনাটো যে এটা বেয়া কাম হৈছিল তাক স্বীকাৰ কৰিবলৈ

দ্বিধাবোধ কৰা নাছিল যেন পাইছিলো। গোৰেশ্বৰৰ সমাজ সেৱা শিবিৰত কৰা যোগদানে নতুন চেতনাৰো হয়তো উন্মেষ ঘটাইছিল।

কিছুদিনৰ আগতে দৰং-ওদালগুৰিৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ বাতৰিয়ে, বাতৰি কাকতৰ পাতত আৰু টেলিভিছনৰ পৰ্দাত দেখা দৃশ্যাই সেই তাহানিৰ গোৰেশ্বৰৰ ঘটনাক সোঁৱৰাই। সাম্প্ৰদায়িক সংঘৰ্ষই সৃষ্টি কৰা বিদ্বেষ নিৰাময় কৰাত সেই তাহানি কটন কলেজৰ ছাত্ৰ একতা সভাই লোৱাৰ দৰে পদক্ষেপেহে সামাজিক সম্প্ৰীতি স্থাপনত কান্তি বিলাব পাৰিব বুলি আশা কৰিব পাৰি। ■

[*লেখক তিনিচুকীয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাক্তন অধ্যাপক, উপাধ্যক্ষ তথা বিশিষ্ট লেখক। — সম্পাদক*]

*(প্ৰকাশ কাল ঃ ২০০৮-০৯)*



# কলাগুৰু বিষ্ণু ৰাভাৰ আভা

**মনোৰঞ্জন মৰাণ (গুৰুং)**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

অসমৰ কলা-সংস্কৃতিৰ অন্যতম পুৰোধা শ্ৰীমন্ত শঙ্কৰদেৱৰ মাৰ্গ দৰ্শনত অচলা-আনুগত্য ৰাখি ''য'ত জীৱ, ত'ত শিৱ'' তত্ত্ব জ্ঞানক গণদেৱতা বুলি পূজিবলৈ ওলাই অহা জনেই আমাৰ শিল্পী, সৈনিক, অভিনেতা, 'কলাগুৰু' বিষ্ণুপ্ৰসাদ ৰাভা। দলিত, নিষ্পেষিত জনতাৰ মুখত হাঁহি বিৰিঙাবলৈ তেওঁ কত লিখিলে, কত ৰচিলে, কত গালে, কত নাচিলে। ''জনতা মোৰ প্ৰাণৰো প্ৰাণৰ বুকুৰ কুটুম্ব, হিয়াৰ আমঠু''। গণদেউ বুলি বিভিন্নজনক, মূক জনতাক জগাই তোলাৰ প্ৰয়াস কৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাদেৱ এজন প্ৰকৃত শিল্পী। দেহে-মনে-প্ৰাণে সহস্ৰ বিপ্লৱত জঁপিয়াই পৰিও তেওঁৰ শিল্পী সত্তাক জীয়াই ৰাখিব পৰাকৈ এজন বিপ্লৱী শিল্পীৰ সঁচা ৰূপটোৰ পৰিচয় দিছিল। শিল্পী 'কলাগুৰু'ৰ চিন্তা-চৰ্চা আৰু কথা-কাণ্ডই সমাজ মুক্তি সম্পৰ্কীয় ধ্যান-ধাৰণাক বৈপ্লৱিক মানসিকতাৰে জনসাধাৰণক উদ্বুদ্ধ কৰাই আছিল তেখেতৰ লক্ষ্য। হাতত 'ষ্টেন গান' আৰু এহাতে কলম লৈ বিপ্লৱৰ জয়গান গাবলৈ আগবাঢ়ি যোৱা ৰাস্তাই সমাজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল, কিন্তু সেই সন্ত্ৰাসৰ জৰিয়তে নিপীড়িত, অৰ্দ্ধহাৰীসকলৰ মুক্তি ৰচনা কৰি এখন শোষণ মুক্ত সমাজ গঢ়াৰহে প্ৰয়াস কৰিছিল।

'কলাগুৰু' বিষ্ণু ৰাভাৰ জীৱন আদৰ্শ আছিল ভোগবাদৰ বিৰুদ্ধে। আজি ভোগবাদে সকলো আদৰ্শক গ্ৰাস কৰিছে। বিষ্ণু ৰাভাদেৱৰ এই ভোগবাদী

আদৰ্শৰ বিৰুদ্ধে জীৱন যাত্ৰা অনুকৰণীয়। আজি ভোগবাদৰ ফলতেই ব্যৱসায়, বাণিজ্য, ৰাষ্ট্ৰ পৰিচালনা আনকি শিক্ষা, সেৱা প্ৰতিষ্ঠান বিলাকলৈ দুৰ্নীতিৰ শিপা বিস্তৃত হৈছে। সকলো মানৱীয় সম্পৰ্ক বিষাক্ত কৰি বিচ্ছিন্নতাবাদ, সন্ত্ৰাসবাদ, সাম্প্ৰদায়িকতা আদি ভয়াৱহ ৰূপে গা কৰি উঠিছে। সেয়েহে, ইয়াৰ পৰা (শোষণ) মুক্ত কৰাত 'কলাগুৰু' বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ 'আভা'ক প্ৰকৃত মূল্যায়ন কৰাৰ প্ৰয়োজন আছে।

বিষ্ণু ৰাভাদেৱে তেওঁৰ সাহিত্য, কবিতা, নৃত্য শিল্পৰ মাজেৰে এক উদাৰ বহল সংস্কৃতিৰ জন্ম দিছিল যি সকলো ধৰণৰ শোষণৰ পৰা মুক্ত সমাজ গঢ়ি তুলিব পাৰে। বিষ্ণু ৰাভাদেৱে সমন্বয়ৰ মাজেৰে প্ৰকৃত গণতন্ত্ৰৰ ভিত্তিত সমাজতান্ত্ৰিক অৰ্থনীতি প্ৰতিষ্ঠাৰে এক বৃহত্তৰ অসমীয়া জাতিৰ কথা কল্পনা কৰিছিল আৰু এই লক্ষ্যক প্ৰতিষ্ঠা কৰিবলৈ বিপ্লৱৰ পথত অগ্ৰসৰ হৈছিল। সৰ্বসাধাৰণৰ ৰাজনৈতিক চেতনা উন্নত কৰি সাম্যৰ সমাজ প্ৰতিষ্ঠাত জীৱনৰ শেষলৈকে ৰাইজক সচেতন কৰাত নিষ্ঠাৰে আগবাঢ়িছিল।

বিষ্ণু ৰাভাদেৱ আছিল অসামান্য প্ৰতিভাৰ শিল্পী। তেওঁ অসমীয়া সংস্কৃতিৰ ভঁৰাললৈ যিখিনি অৰিহণা আগবঢ়াই গ'ল, সেইখিনি চিৰস্মৰণীয়। তাৰ বাবে নিশ্চয় অসমীয়া সমাজে বহুকাল ধৰি তেওঁক স্মৰণ কৰি থাকিব লাগিব। আমাৰ মনত দুখ এয়েই যে, নিজৰ প্ৰতিভাক সু-সংহত আৰু নিজৰ জীৱনক সু-নিয়ন্ত্ৰিত কৰিব পৰা হ'লে তেওঁ আৰু বহুখিনি ডাঙৰ কাম কৰি যাব পাৰিলেহেঁতেন। এতিয়া সেই কথা ভাবি আক্ষেপ কৰি একো লাভ নাই। এতিয়া অশ্ৰু গত প্ৰশস্তিৰে আমি তেওঁক চিৰকাললৈ পুতি পেলোৱাৰ পৰিৱৰ্তে তেখেতৰ 'আভা'সমূহ পূৰ্ণ ৰূপত, সঠিক মূল্যায়ন কৰি তেওঁক জীয়াই ৰাখিব লাগিব। তেওঁক পাহৰিব নালাগিব।

যি কি নহওক, সাম্প্ৰতিক কালত 'কলাগুৰু' বিষ্ণু ৰাভাৰ বিষয়ে চাৰিওফালে যি ব্যাপক আগ্ৰহ দেখা দিছে সেই আগ্ৰহ স্থায়ী হোৱাৰ কোনো সম্ভাৱনা নাই, কাৰণ এই আগ্ৰহৰ মূল প্ৰেৰণা হ'ল প্ৰতিভাৰ প্ৰতি সহজাত আকৰ্ষণ নহয়, সি হ'ল অসমীয়া মানুহৰ মজ্জাগত আৱেগবিহ্বলতা।

অসমৰ ইতিহাসৰ বুকুত চিৰযুগমীয়া হৈ মহান বিপ্লৱী শিল্পী 'কলাগুৰু' বিষ্ণু ৰাভা হেৰাই গ'ল। বিষ্ণু ৰাভাদেৱৰ সকলো কাম, সকলো চিন্তাই যে বাস্তৱত ৰূপায়িত হ'ল এনে নহয়। আধৰুৱাকৈ বহু কামেই ৰৈ গ'ল। বৰ্তমান



অসমত অলেখ শিল্পী আছে, কিন্তু ৰাভাদেৱৰ আভা আৰু আদৰ্শৰে তেওঁৰ চিন্তা-চৰ্চা কৰ্মৰ প্ৰতিফলন ঘটাব পৰা দ্বিতীয় এজন নাই।

বিষ্ণু ৰাভাদেৱৰ সমস্ত চিন্তা, কৰ্মৰাজি অধ্যয়ন কৰি নৱ প্ৰজন্মই নতুন 'বিষ্ণুৰাভা' হ'বলৈ আগবঢ়াৰ সময় হৈছে। আৰু তেতিয়াহে অসমৰ ভাষা-সাহিত্যত, শিল্পীৰ ক্ষেত্ৰত নতুন সূৰ্যৰ উদয় হ'ব।

মানুহৰ ইচ্ছাশক্তি আৰু কালজয়ী প্ৰতিভাৰ পোহৰ নাথাকিলে সমাজৰ এন্ধাৰ দিশবোৰত আলোকপাত কৰা সহজ নহয়। তেনে ক্ষণজন্মা পুৰুষৰ জন্মও পুৰুষৰ জন্মও এই সংসাৰত বৰ বেছি বুলি ক'ব নোৱাৰি। অন্যহাতে তেনেজন মহানলোকৰ পৰা কিবা এটা পাবলৈ হ'লে সমাজখনো প্ৰস্তুত হোৱাৰ কথা নুই কৰিব নোৱাৰি।

'কলাগুৰু' বিষ্ণুপ্ৰসাদ ৰাভাদেৱে এষাৰ কথা কৈছিল — "কোনো প্ৰতিক্ৰিয়াশীল শক্তিয়ে যেনেকৈ ব্ৰহ্মপুত্ৰক ভেঁটিব নোৱাৰে, তেনেকৈ কোনো চক্ৰান্তকাৰী-ষড়যন্ত্ৰকাৰীয়ে অসমীয়া কৃষ্টি, সংস্কৃতি, সাহিত্যৰ সৰ্বনাশ সাধন কৰিব নোৱাৰে। যদি কোনোবাই এটা ভেঁটা দিয়ে, হেঙাৰ (হৈ থিয়) দিয়ে, ব্ৰহ্মপুত্ৰই সেই ভেঁটা ভাঙি মহাসাগৰৰ ফালে ঢাল খুৱাই।" —বিষ্ণু ৰাভাদেৱৰ এই কথা অতীত, বৰ্তমান আৰু ভৱিষ্যত সকলো কালৰ বাবেই সত্য।

সদৌ শেষত — এচলু অশ্ৰু অঞ্জলিৰে মহান শিল্পীজনক প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলি জনাই, মাধৱদেৱৰ কথাৰে সামৰিলোঁ —

*আপুনি আপোন বন্ধু,*
*আপুনি আপোন শত্ৰু*
*আপুনি আপোনাক ৰাখে মাৰে।।*

জয়তু কলাগুৰু।। ■

*(প্ৰকাশ কাল ২০০৮-০৯ বৰ্ষ)*

# বিহুগীতত
# অসমীয়া সমাজ-জীৱনৰ চিত্ৰ

**দিম্পী দাস**
স্নাতক প্ৰথম বৰ্ষ

অসমৰ অসমীয়াৰ এটি গুৰুত্বপূৰ্ণ পৰিচয় দাঙি ধৰে বিহুগীতে। অসমীয়াৰ জন-জীৱনৰ বহুতো দিশক সাঙুৰি লোৱা বিহুগীতৰ বৰ্তমানৰ অৱস্থিতিক লৈ ব্যাপক সমালোচিত হ'লেও বিহুগীতে এতিয়াও অসমীয়াৰ আৱেগ-অনুভূতিক প্ৰাণোচ্ছল কৰি তোলে। যিহেতু বিহুগীতৰ মাজত প্ৰতিভাত হোৱা সহজ-সৰল অসমীয়াৰ চিন্তা-ধাৰাক কেতিয়াও গৰকিব নোৱাৰি, ই এতিয়াও প্ৰতিনিধিত্ব কৰে অসমীয়াৰ তাৎপৰ্য্যক।

অতীজৰে পৰা সেউজভূমি অসমত বাস কৰা মানুহবোৰ প্ৰধানতঃ কৃষিজীৱী। কৃষিজীৱী সেইসকল মানুহৰ বিশ্বাসক ভেটি কৰি সৃষ্টি হ'ল বিহুৰ। শস্য-ভূমিত পোৱা কৰ্মফলৰ আনন্দ উলাহত সৃষ্টি হ'ল সেই সহজ-সৰল কৃষিজীৱীসকলৰ আৱেগ-অনুভূতিৰ গুণ-গুণ সুৰ। লোকগীতস্বৰূপে বহন কৰা বিহুগীত বৰ্তমান লোকগীত হৈ থকা নাই। লোকগীতৰ কোনো নিৰ্দিষ্ট ৰচক নাই। মুখে মুখে চলি সেই গীতবোৰে গ্ৰাম্য কৃষিজীৱী সমাজখনৰ পৰিচয় দাঙি ধৰে।

কৰ্ম অভিজ্ঞতাৰে পৰিপুষ্ট সেই অতীজৰ অসমবাসীৰ সৃষ্টিশীল মনোভাৱক স্বীকাৰ কৰিবই লাগিব। সেই অতীজৰ গ্ৰাম্য সমাজখনৰ এটি বিশ্বাস আছিল যে শস্য-পথাৰত ডেকা-গাভৰুৰ যৌন-বিষয়ক উদ্দাম প্ৰেম-প্ৰণয়মূলক গীত-নৃত্যত পথাৰখনৰ উৰ্বৰা শক্তি বৃদ্ধি কৰে। কিন্তু বিহুগীতত যে কেৱল ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়, ভালপোৱাৰ ভাবাৱেগেই লুকাই আছে তেনে নহয়,



তাৰ মাজত সেই সহজ-সৰল মানুহবিলাকৰ কৰ্মপদ্ধতি, জীৱন, সমাজ আদি সকলো দিশৰ কথা ফুটি উঠা দেখা যায়।

বিহুগীতবোৰত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হয় তাৰ বিষয়ে যদি বিচাৰ কৰা হয় প্ৰথমতেই আমি চাব লাগিব বিহুগীতক লোকগীতৰ দৃষ্টিৰে। আগতেই উল্লেখ কৰি অহা হৈছে যে সাম্প্ৰতিক সময়ত বিহুগীতে লোকগীতৰ মৰ্যাদা হেৰুৱাইছে। শাস্ত্ৰীয় পদ্ধতিত বিহুগীত আৰু বিহুক বান্ধি ৰখাৰ প্ৰয়াস এতিয়া দেখা যায়। তথাপি বিহুগীতবোৰে এখন পুৰণি অসমীয়া সমাজৰ বিৰল চানেকি দাঙি ধৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

*কনো তামোলখনি দিলা অ' লাহৰী*
*কঁকালৰ হাঁচতি খুলি,*
*সেইদিনাৰ পৰাই হ'লোঁ মই চিনাকি*
*নিলা মোৰ অন্তৰ হৰি।*

এই বিহুগীতৰ কলিটিত অসমীয়া সমাজখনৰ লগত ওতপ্ৰোত সম্বন্ধ থকা তামোল-পাণৰ কথা গম পোৱা যায়। আলহী আহিলে প্ৰথমেই তামোলখন যাচি অতিথি আপ্যায়ন কৰিছিল আৰু এতিয়াও কৰে। তদুপৰি সেই অসমীয়া সমাজখনৰ মহিলা, গাভৰুসকলে কঁকালত হাঁচতি বান্ধি আৰু তাত থুৰিয়া তামোল-পাণ ৰাখিছিল। বিহুতলীত বা শস্য পথাৰত প্ৰিয়জনক সেই তামোলখন যাচিয়েই প্ৰেম-নিবেদন বা হৃদয়ৰ অনুৰাগক প্ৰকাশ কৰিছিল। অসমীয়া সমাজত তামোল-পাণৰ যি ভূমিকা সেই গুৰুত্বপূৰ্ণ ভূমিকাক বিহুগীতবোৰে স্থান দিছিল। ইয়াৰ দ্বাৰা এটা কথা অনুমেয় যে অসমীয়া মানুহৰ ভাবাৱেগ এই সৰু বস্তুৰ লগত জড়িত হৈ আতিথ্য আপ্যায়নৰ বিৰল নিদৰ্শন, প্ৰেমৰ আৱেগ-অনুভূতিৰ বিশালতা প্ৰকাশ হৈ উঠিছে। ডেকাজনে সেই থুৰিয়া তামোলখন গ্ৰহণ কৰিয়েই প্ৰিয়তমৰ প্ৰতি নিষ্পাপ ভালপোৱা সাঁচি ৰাখি দুগুণ উৎসাহেৰে কৰ্মত আত্মনিয়োগ কৰিছিল। বৰ্তমানৰ অসমীয়া সমাজখনতো অৱশ্যে তামোল-পাণে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে এতিয়াও বিয়া-সবাহ, অতিথি আপ্যায়ন আদিত তামোল-পাণ নহ'লেই নহয়।

*আগফালে শুৱনি কাকিনি তামোল জুপি*
*পাছফালে শুৱনি পাণ।*
*বৰঘৰ শুৱনি গাভৰু ছোৱালী*
*উলিয়াই দিবলৈ টান।।*

এই বিহুগীতৰ কলিটিত মন কৰিলে গ্ৰাম্য অসমীয়া সমাজৰ এটি পৰিপূৰ্ণ অসমীয়া পৰিয়ালৰ চিত্ৰ অংকিত হোৱা দেখা যায়। ঘৰৰ আগফালে থকা কাকিনি তামোল কেইজুপিয়ে সেই ঘৰখনৰ সবল স্থিতিৰ কথা ঘোষণা কৰে। সেই পুৰণি অসমীয়া সমাজখনতো গাভৰু ছোৱালী বিয়া দিছিল। তেতিয়াও সন্তানৰ প্ৰতি থকা মৰমে পিতৃ-মাতৃক আকুল কৰিছিল। তথাপি পাছফালৰ শুৱনি পাণখিলা হালধীয়া হৈ সৰি পৰাৰ দৰে বৰঘৰৰ শুৱনি গাভৰু ছোৱালীজনীও যদিহে সময়মতে বিয়া নিদিয়ে তেন্তে পাণখিলাৰ দৰে অৱস্থা হ'ব, বয়সৰ চাপ পৰিব, কঁকাল পৰিব ইত্যাদি চিন্তাৰে পিতৃ-মাতৃয়ে সকাহ ল'বলৈ চেষ্টা কৰিছিল। উপৰোক্ত কলিটিয়ে এনেধৰণৰ এটি আৱেগ-বিহ্বল দিশ প্ৰকট কৰি তুলিছে। এটি পৰিয়ালৰ, ঘৰৰ আনন্দ-বিষাদ এই দিশবোৰ এই সৰু কলিটিয়ে এনেদৰে বহন কৰিছে যে সঁচাই সেই পুৰণি অনাক্ষৰী গ্ৰাম্য অসমীয়া লোকসকলৰ কৰ্ম অভিজ্ঞতাৰে পৰিপুষ্ট মেধাশক্তিক প্ৰতিপন্ন কৰিছে।

অসমীয়া সমাজৰ অধিকাংশই কৃষিজীৱী। ধানখেতি হ'ল প্ৰধান জীৱিকা। ভাতমুঠি যোগাৰ কৰিবলৈ যাওঁতে অসমীয়া মানুহৰ কৰ্মপদ্ধতিৰ কথা কিছুমান বিহুগীতত দেখা যায়। যেনে —

*মৰণা মাৰোঁতে অ' লাহৰী*
*নাহিবা মোৰ কাষলৈ,*
*ওখোন মাৰি লাগিব গাত।*

এই বিহু কলিটিত অসমীয়াই যে মৰণা মাৰে অৰ্থাৎ গৰু বা মহে ধানৰ মৰণা মৰাৰ কথা ফুটি উঠিছে। ধানবিলাক তল-ওপৰ কৰিবলৈ 'ওখোন' মাৰি নামৰ এবিধ সঁজুলি ব্যৱহাৰৰ কথা ইয়াত উল্লেখ আছে। তেনে কৰ্মময় অসমীয়া পৰিয়ালটোৰ এটি মধুৰ চিত্ৰও ইয়াত অংকিত হৈছে। নিজৰ মৰমী পত্নীক বা প্ৰিয়াক মৰণা মাৰি থকা গিৰিয়েক বা প্ৰেমিকে এটি আৱেগিক সকীয়নি দিছে যে ''মৰণা মাৰোঁতে কাষলৈ নাহিবা ওখোন মাৰি গাত লাগিব।'' ইয়াৰ পৰা বুজা যায় কৰ্মৰ মাজতো সুখ-সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ অসমীয়া সমাজৰ মানুহে কাৰ্পণ্য কৰা নাছিল! নিজৰ কামৰ মাজতে সুখৰ সন্ধান কৰিছিল আৰু স্বাভাৱিক জীৱন যাত্ৰা অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰিছিল। তদুপৰি অসমীয়া মহিলা সকলো সক্ৰিয়ভাৱে কৰ্ম পদ্ধতিৰ লগত চামিল হৈছিল।



*আহুধান লেচিয়া বানিবি কেতিয়া*
*কুলাতকৈ চালনী ধান*
*চকুৰে চাইচ মুখেৰে নেমাত*
*কালৈ কৰি আছ মন।*

এই কলিটিত অসমীয়া মহিলাই ধান চলাৰ কথা উল্লেখ আছে। কুলা, চালনী আদিৰ ব্যৱহাৰ সেই সমাজখনত ব্যাপক ভাৱে প্ৰচলিত আছিল। ইয়াৰ জৰিয়তে অসমীয়া মহিলাৰ কৰ্ম-নৈপুণ্যতা উজলি উঠিছে।

পুৰণি অসমীয়া সমাজত যে বহুবিবাহ প্ৰথাও আছিল তাৰে উমান কিছুমান বিহুগীতত পোৱা যায় এনেধৰণে,

*প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে*
*তাৰ পাচত শ্ৰজিলে জীৱ।*
*এনুৱা ঈশ্বৰে যোল্লশক আনিলে*
*আমিনো নানিম কিয়।।*

ইয়াৰ জৰিয়তে বহুবিবাহৰ ধাৰা এটি যে তেতিয়া প্ৰচলিত আৰু সেইবাবেই এনে ধৰণৰ বিহুৰ কলি সৃষ্টি হৈছিল সেই কথা অনুমান কৰিব পাৰি। কিন্তু এটা কথা পুৰণি অসমীয়া সমাজখনে যে অদৃষ্টজনক বিশ্বাস কৰিছিল সেই কথাও ইয়াত প্ৰকাশ হৈছে। এতিয়াও অসমীয়া সমাজখন বহুতো বিশ্বাস-অবিশ্বাসেৰে পৰিপূৰ্ণ হৈ আছে।

যদিও ধৰা হয় বিহুগীত প্ৰধানতঃ প্ৰেমমূলক তথাপি বিহুগীতত কিন্তু অসমীয়া সমাজখনৰ বহুতো দিশ প্ৰতিফলিত হৈছে। এই কথা ওপৰৰ থূলমূল বিশ্লেষণতে কিঞ্চিত হ'লেও প্ৰকাশ কৰা হ'ল। সঁচাই লোকগীত হিচাপে বিহুগীতৰ এই অনন্য ৰূপক স্বীকাৰ কৰিবই লাগিব। পুৰণি অসমীয়া সমাজখনৰ সেই সহজ-সৰল গ্ৰাম্য-কৃষিজীৱী লোকসকলৰ আৱেগ অনুভূতিৰ আটাইতকৈ স্বাচ্ছন্দ্য প্ৰকাশভংগী এই বিহুগীতসমূহ। গতিকে বিহুগীতক এতিয়াও লোকগীতৰ মৰ্যাদাৰে চালি-জাৰি চাই ইয়াৰ মাজত ফুটি উঠা নিভাঁজ অসমীয়া সমাজখনৰ মূল্য অক্ষুণ্ণ ৰখাৰ প্ৰয়োজনীয়তা এতিয়াও আছে। কাৰণ বিহুগীতে এটা সময়ৰ জনজীৱনক প্ৰতিনিধিত্ব কৰে। ■

*(প্ৰকাশ কাল ঃ ২০০৯-১০ বৰ্ষ)*

# প্ৰেমৰ চিৰ নতুন ভাষা

অক্ষয়জীৎ পোদ্দাৰ
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

'প্ৰেম' এনে এক শব্দ যাক সংজ্ঞাবদ্ধ কৰিব নোৱাৰি, মানৱ সৃষ্টিৰ লগে লগেই মানুহ তথা জন্তু-জানোৱাৰৰ হৃদয়তো প্ৰেমৰ ধাৰাৰ অবিৰাম বৈ থাকিবই লাগিছে। প্ৰেমৰ বাবেই মানুহৰ ইতিহাসত কত উত্থান-পতন ঘটিছে তাৰ লেখ পোৱা টান। পৃথিৱীৰ কোনোবা এচুকত প্ৰেমৰ বাবে-উত্থান ঘটিছে আন কোনোবা চকুত হয়তো মহাপ্ৰলয়ৰ সৃষ্টি হৈছে। ব্যক্তিভেদে প্ৰেমৰ অনুভৱ আৰু ব্যাখ্যা বেলেগ বেলেগ হ'ব পাৰে। ধাৰ্মিক মানুহ এজনৰ বাবে ভগৱৎ প্ৰেমেই সৰ্বস্ব, ভগৱৎ প্ৰেম অবিহনে মানৱ জনমেই অসাৰ হ'ব পাৰে। বস্তুবাদীসকলে আহৰণ কৰা ধন-সম্পত্তিৰ প্ৰাচুৰ্যতে মানৱ জনম ধৰাৰ সাৰ্থকতা অনুভৱ কৰিব পাৰে। আনহাতে ভৰ যৌৱনত উটি-ভাহি ফুৰা ডেকা-গাভৰুসকলৰ বাবে দৈহিক প্ৰেমেই সৃষ্টিৰ আদিমূল বুলি বিবেচিত হ'ব পাৰে। স্থান-কাল-পাত্ৰ অনুপাতে প্ৰেমৰ স্বৰূপ বেলেগ বেলেগ হোৱা হেতুকে প্ৰেমৰ এক সাৰ্বজনীন সংজ্ঞা দাঙি ধৰিব পৰা নাযায়। যুৱচামৰ প্ৰেম সম্পৰ্কীয় দৃষ্টিভংগীক উপস্থাপন কৰাই হ'ল এই আলোচনাৰ মূল বিষয়।

মহাভাৰতৰ অৰ্জুন এক সৰ্বভাৰতীয় চৰিত্ৰ, অৰ্জুনৰ চৰিত্ৰত ভাৰতীয় মানুহে সত্য, নৈতিকতা, বীৰত্ব, ভক্তি আদি উত্তম গুণসমূহৰ সমাহাৰ দেখিবলৈ পায়। তৎসত্ত্বেও অৰ্জুনে সোঁশৰীৰে স্বৰ্গলৈ যাব পৰা নাছিল। স্বৰ্গাৰোহণৰ সময়ছোৱাত অৰ্জুনৰ পতন সম্পৰ্কত ভীমসেনে জ্যেষ্ঠ ভাতৃ যুধিষ্ঠিৰক ইয়াৰ



কাৰণ সুধিছিল। উত্তৰত যুধিষ্ঠিৰে কৈছিল যে — দ্ৰৌপদীক তেওঁ সয়ম্বৰত লাভ কৰা বাবে দ্ৰৌপদীৰ ওপৰত তেওঁ একচেটিয়া অধিকাৰ সাব্যস্ত কৰিবলৈ বিচাৰিছিল। দ্ৰৌপদীৰ দৰে সৰ্বগুণসম্পন্ন কন্যা লাভ কৰাত অৰ্জুনৰ মনত অহংভাবে বাহ লৈছিল। এই অহংকাৰেই অৰ্জুনৰ স্বৰ্গপ্ৰাপ্তিত হেঙাৰ হিচাপে থিয় দিলে। হিন্দু ধৰ্মাৱলম্বী লোকে বিশ্বাস কৰে যে এই জনমৰ পাপ-পুণ্যৰ হিচাপ ইহ সংসাৰতে কৰি যাব লাগিব। এয়াই হ'ল ভগৱানৰ বিচাৰ। মানুহৰ জীৱন জোৰা সাধনায়ো ভগৱানৰ চূড়ান্ত বিচাৰৰ হাত সাৰিব নোৱাৰে। অৰ্জুন বহুগুণ সম্পন্ন ব্যক্তি আছিল। কুৰুক্ষেত্ৰ মহাৰণৰ অনুসন্ধিৎসু অৰ্জুনক শ্ৰীকৃষ্ণই গীতাৰ সাৰমৰ্ম বুজাইছিল। কিন্তু মহাভাৰতৰ স্বৰ্গাৰোহণ পৰ্বত দেখা গ'ল যে স্বৰ্গমুখী অৰ্জুন প্ৰেমজনিত অহংকাৰৰ বাবেই সোঁশৰীৰে স্বৰ্গপ্ৰাপ্তিৰ স্বৰ্গীয় সুখৰ পৰা বঞ্চিত হ'ব লগা হ'ল। (আজিৰ দিনত হোৱা হ'লে যুগধৰ্ম মানি অৰ্জুন নিশ্চয় সোঁশৰীৰে স্বৰ্গত পদাৰ্পণ কৰিব পাৰিলেহেঁতেন, কিয়নো পৰম পুৰুষ শ্ৰীকৃষ্ণ তেওঁৰ সখিয়েক আছিল। সোঁশৰীৰে স্বৰ্গত স্থান দিব নোৱাৰিলে সখীত্বৰ বন্ধন ছিঙি পেলোৱাৰ ভাবুকিৰে দৈৱ নিৰ্ধাৰিত নীতি উলংঘা কৰিলেহেঁতেন)।

ভাৰতীয় শ্যেক্সপীয়েৰ কালিদাসৰ নাটকত প্ৰেমৰ মনোৰম বৰ্ণনা পোৱা যায়। প্ৰেমিক-প্ৰেমিকাই বিৰহ-বেদনাত কাতৰ হৈ এজনে আনজনক হিয়াৰ বতৰা পঠিয়াবৰ বাবে আকাশত মেঘকে পত্ৰবাহক বা বাৰ্তাবাহকৰ ৰূপত কল্পনা কৰিছে। আকাশত উৰি ফুৰা মেঘৰ টুকুৰাবোৰ দেখি প্ৰেমিকে মনৰ মাজত পাকঘূৰণি খাই থকা হা-হুমুনিয়াহবোৰক মেঘৰ পিঠিত প্ৰিয়ালৈ পঠিওৱাৰ কল্পনা কৰি মনৰ বেদনা পাতলোৱাৰ প্ৰয়াস কৰিছে। উষা-অনিৰুদ্ধৰ প্ৰেম কাহিনীৰ কথা কোনেনো নাজানে। উষাই সপোনতে অনিৰুদ্ধক দেখি অনিৰুদ্ধৰ চেহেৰা বৰ্ণনা কৰি সখীয়েক চিত্ৰলেখাক অনিৰুদ্ধৰ চেহেৰা অংকন কৰোৱাই তেওঁৰ ঠিকনা উলিয়াই লৈছিল। পিছলৈ মহাদেৱ আৰু শ্ৰীকৃষ্ণই উষা-অনিৰুদ্ধৰ প্ৰেমৰ বাবেই যুদ্ধত অৱতীৰ্ণ হ'ব লগা হৈছিল। পৰিশেষত উষা-অনিৰুদ্ধৰেই জয় হৈছিল। শ্ৰীকৃষ্ণই মহাদেৱ আৰু বাণাসুৰক যুদ্ধত ঘটুৱাই দুয়োৰে বিবাহ সম্পন্ন কৰিছিল। তেজপুৰৰ অগ্নিগড় উষা-অনিৰুদ্ধৰ প্ৰেমৰ ঐতিহাসিক সাক্ষী। তাজমহলৰ কাহিনী ন'কলোঁৱেইবা।

প্ৰেমক মূল বিষয় হিচাপে লৈ লিখা উপন্যাস, কবিতা, নাটক আদিৰ

লেখ দি শেষ কৰিব নোৱাৰি। প্ৰেম বিষয়ক লেখাৰ বিস্তৃতি বিশদ হোৱা সত্বেও সমস্ত মানুহৰ প্ৰেম ঘটিত ভাব-অনুভূতিক সাঙুৰি ল'ব পৰা নাই। কিয়নো প্ৰতিজন মানুহৰ জীৱনলৈ একোবাৰকৈ হ'লেও প্ৰেমৰ শুভাগমন হয়। প্ৰতিজন মানুহৰ প্ৰেম কাহিনীক লিপিবদ্ধ কৰি ৰাখিবলৈ লেখকৰ পয়োভৰ কম। হ'লেও একোটা নিৰ্দিষ্ট সময়ৰ লেখাত এটা যুগৰ মানুহৰ ভাব অনুভূতিৰ স্বাক্ষৰ থাকি যায়। আজিৰ পৰা তিনিটামান দশকৰ আগতে লীলা গগৈদেৱে *নীলা খামৰ চিঠি* বুলি প্ৰেম পত্ৰৰ আকাৰত এখনি উপন্যাস লিখিছিল। এই কথা সৰ্বজনবিদিত যে ড° লীলা গগৈৰ দিনত প্ৰেম নিবেদনৰ মূল মাধ্যম আছিল চিঠি। প্ৰেমিকাৰ দ্বাৰা প্ৰেৰিত চিঠি এমাহ-ডেৰমাহৰ মূৰত প্ৰেমিকাৰ ওচৰলৈ গৈ পায়। মাজৰ বাটছোৱাত চিঠিখন ৰ'দে বৰষুণে পৰিভ্ৰমণ কৰা হেতুকে চিঠিৰ দুই-এটা শব্দ হয়তো মচ খাই যায়। তাতেই যে কত আবদাৰ! প্ৰেমিকাই চিঠি পঢ়ি যি পায় তাৰ আলমতে পুনৰ প্ৰেমিকলৈ নিজৰ মনৰ কথাবোৰ কলিজাৰ তেজেৰে লিখি পঠিয়ায়। প্ৰেমিক-প্ৰেমিকাৰ মনত প্ৰেম বা জীৱনৰ বিষয়ে ইমানবোৰ কথা ক'বলৈ থূপ খাই থাকে যে এখন চিঠি ইয়াৰ তুলনাত নিচেই নগণ্য। মই এহাল প্ৰেমিক-প্ৰেমিকাৰ কথা জানো যি প্ৰত্যেকদিনেই নিজৰ কথাবোৰ একোখনকৈ চিঠি লিখি সেইবোৰৰ বিনিময় কৰিছিল। চাকৰি সূত্ৰে প্ৰেমিক থাকে কাশ্মীৰত, প্ৰেমিকা থাকে অসমৰ জকাইচুকীয়া এখন গাঁৱত। চিঠিবোৰ তেওঁলোকে প্ৰত্যেকদিনেই পোৱা নাছিল। কিন্তু দুয়োৰে হৃদয়ৰ ভাব-অনুভূতিবোৰ দৈনিক অবিৰাম গতিত বৈ থাকি দুয়োৰে প্ৰেমক একত্ৰিত কৰি ৰাখিলে ড° গগৈৰ *নীলা খামৰ চিঠি* এজন মানুহৰ মগজু প্ৰসূত, কিন্তু এই প্ৰেমিক-প্ৰেমিকাৰ চিঠিবোৰ দুটা মগজুৰ সৃষ্টি। তেনে ক্ষেত্ৰত বাস্তৱ ক্ষেত্ৰৰ পৰা সংগৃহীত এই উপাদানবোৰ সাহিত্যৰ উত্তম সৃষ্টি হোৱাৰ সম্ভাৱনা আছে।

আজিকালি প্ৰেম কৰাটো বৰ সহজ হৈ পৰিছে। ইমান সহজ হৈ পৰিছে যে প্ৰেমিক-প্ৰেমিকাই পৰস্পৰে পৰস্পৰক লগ নকৰাকৈয়ে মনৰ ভাব বা অংগী-ভংগী বিনিময় কৰিব পাৰে। ইয়াৰ বাবে প্ৰয়োজন অলপ প্ৰযুক্তিগত জ্ঞান। কম্পিউটাৰৰ *অ আ ক খ* জানোতাসকলে অহৰহ ই-মেইল কৰি দৈনিক শতাধিক প্ৰণয় প্ৰাৰ্থীলৈ বাৰ্তা বিনিময় কৰিব পাৰে। শত-সহস্ৰজনৰ মাজৰ পৰা মন পচন্দৰ এগৰাকী বাছি লোৱাৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰতো



তেওঁলোক সমানেই বলিয়ান। কম্পিউটাৰ ক্ৰয় কৰিব নোৱাৰাসকলৰ বাবে একোটা ম'বাইল ফোন পৰম সম্পদ। মবাইল ফোনত অবিৰাম কথা পাতি মনৰ ভাব বিনিময় কৰিব পাৰি। ভাব বিনিময়ৰ সময় অনুপাতে প্ৰেম সম্পৰ্কীয় জ্ঞান আৰু শক্তিও আশাতীত ভাৱে বৃদ্ধি পাইছে। প্ৰেম সাগৰত হাবু-ডুবু খাই মহাশক্তিমান হৈ উঠা এহাল প্ৰেমিক-প্ৰেমিকাৰ কাহিনী মোৰ জনা আছে। এইহাল প্ৰেমিক-প্ৰেমিকাই প্ৰেমৰ সাগৰ পাৰ কৰি বিয়াত বহিল। কিন্তু দৰাৰ ঘৰৰ সামাজিক স্থিতি, মান-মৰ্যাদাৰ সৈতে কইনা ঘৰৰ সামাজিক মান-মৰ্যাদা কিছু নিম্ন খাপৰ হোৱাত দৰাৰ পিতৃয়ে কোনো প্ৰকাৰেই নিজৰ ল'ৰা আৰু বোৱাৰীয়েকক ঘৰত প্ৰৱেশ কৰাৰ অনুমতি নিদিয়ে। ফলত দৰাই পিতাকলৈ এইবুলি চৰম পত্ৰ পঠিয়ালে যে পিতৃ হিচাপে তেওঁ দেউতাকৰ পৰা অনুমতিহে বিচাৰিছে। নিজৰ মান-মৰ্যাদা অটুট ৰাখিব বিচাৰিলে স-সন্মানে ঘৰত প্ৰৱেশ কৰাৰ অনুমতি দিয়াই মঙ্গল। ইয়াৰ অন্যথা হয় একেবাৰে ঘৰ এৰি গুছি যাব নতুবা জোৰ কৰি ঘৰত সোমাব। পিতৃৰ পুত্ৰস্নেহ! এফালে সন্তান আনফালে সামাজিক স্থিতি। সামাজিক মান-মৰ্যাদাৰ কথা নাভাবি পিতৃয়ে সন্তানৰ দাবীকে অৱশেষত মানি ল'ব লগা হ'ল। অৱশ্যে এটা কথা সকলোৱেই মানি লোৱা দেখা যায় যে মন পছন্দৰ জীৱনসংগী গৰাকীক নিজে পছন্দ কৰি লোৱাৰ অধিকাৰ আছে। জীয়াই থকা কালত সুখ-দুখৰ সমভাগী হৈ উঠিবৰ বাবে গিৰিয়েক-ঘৈণীয়েকে পৰস্পৰে-পৰস্পৰক আন্তৰিকতাৰে চিনি পোৱাৰ, এমুঠি ভাত শান্তিৰে খাবৰ বাবে দুয়োৰে চিত্ত একত্ৰ হোৱাৰ অত্যন্ত প্ৰয়োজন আছে, ল'ৰাৰ বাছনিৰ মাজত পিতৃ-মাতৃয়ে সোমাই নপৰাই ভাল। কিন্তু বিয়াৰ দৰে এক স্থায়ী সামাজিক বন্ধনৰ ক্ষেত্ৰত পিতৃ-মাতৃৰো নিশ্চয় মাত মতাৰ অধিকাৰ থাকে। অভিজ্ঞতাই কয় যে বয়স অনুপাতে মানুহৰ বিচাৰ ক্ষমতাও বাঢ়ে। তদুপৰি পিতৃ-মাতৃয়ে প্ৰেমৰ দশাটো অতিক্ৰম কৰি অহা বাবে জীৱন সংগী বাছনিৰ ক্ষেত্ৰত এক পূৰঠ অভিজ্ঞতাৰ গৰাকী হৈ উঠে। সন্তানৰ মংগলৰ বাবেই পিতৃ-মাতৃৰ শ্ৰম। সেয়ে হ'লেও উপৰোক্ত বৰ্ণনাই দেখুৱাই যে সন্তানৰ সমস্ত আৱেগ-অনুভূতিক পদানত কৰি ৰাখি পিতৃয়ে একচেটিয়াকৈ নিজা সিদ্ধান্ত লৈছে। ফলত সংঘাত অনিবাৰ্য, আমাৰ এনে ধাৰণা হয় যে সন্তান আৰু পিতৃৰ মাজত এক গ্ৰহণযোগ্য সিদ্ধান্তই সামাজিক সমীকৰণটোক এক সুস্থিৰতা প্ৰদান কৰে। এনে এক অৱস্থাত উপনীত

হ'বৰ বাবে পিতৃ চামৰ এক পূৰঠ অভিজ্ঞতাৰ ভঁড়াল আছেই, ইয়াৰ ওপৰত আছে যুৱ চামৰ বৰ্ধিত শিক্ষা, অধিক বিস্তৃত কৰি তুলিবৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগণন আহিলা। এক স্থায়ী সামাজিক বন্ধনত বান্ধ খোৱাৰ প্ৰাকক্ষণত পিতৃ-মাতৃৰ লগতে সম্পৰ্কীয় অঙহী-বঙহীসকলেও যাতে বিয়া নামৰ পৰ্বটোত মন ভৰাই অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে যুৱচাম সচেতন হ'লেই যুগ্ম জীৱনৰ আৰম্ভণি সুখময় হৈ উঠে। এই কাৰ্যতেই যুৱচাম যথাৰ্থতে শিক্ষিত আৰু সংস্কৃত হৈ উঠাৰ সাক্ষ্য বিৰাজমান। ■

*(প্ৰকাশ কাল ঃ ২০১০-১১ বৰ্ষ)*



# নাৰী আৰু আমাৰ সমাজ ব্যৱস্থা

**ময়ূৰী ঠাকুৰ**
স্নাতক ১ম ষাণ্মাসিক

ইংৰাজী 'Woman' শব্দটো অৰ্থ হৈছে নাৰী, নাৰীৰ বাবেই ই পৃথিৱীখন বৰ্তি আছে। আজি সকলোৱে একমত নাৰীৰ বাবেই এই মোহনীয়া পৃথিৱীখন দেখিবলৈ সক্ষম হৈছোঁ। এগৰাকী নাৰীয়ে, এখন ঘৰ পৰিপাটিকৈ সজাই লোৱাৰ দৰে সমাজ ব্যৱস্থা পৰিচালনা কৰাৰ দায়িত্বও পালন কৰে।

পুৰণি কালত নাৰীক বিশেষ সন্মানৰ দৃষ্টিৰে চোৱা হৈছিল। ৰামায়ণৰ সীতা, মহাভাৰতৰ কুন্তীৰ বিষয়ে আমি জানো। তেওঁলোকে সমাজৰ বাবে পৰিয়ালৰ বাবে বিভিন্ন ত্যাগ কৰি নিজ আদৰ্শেৰে মহীয়ান হৈ আছে। বৰ্তমানেও তেওঁলোকৰ সন্মান তথা মৰ্যাদাৰ কথা আমি নুই কৰিব নোৱাৰোঁ। নাৰীসকলে এখন দেশৰ সামাজিক বিকাশত অংশগ্ৰহণ কৰা দেখা যায়। উদাহৰণস্বৰূপে, আমি মাদাৰ টেৰেচাৰ কথা উল্লেখ কৰিব পাৰোঁ। তেওঁ দুখীয়া, নিচলাক শুশ্ৰূষা কৰি সমাজলৈ যি সহায়ৰ হাত আগবঢ়াই গ'ল তাক আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। তেনেদৰে ভাৰতৰ তৃতীয় গৰাকী প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে দেশৰ হকে যি অৱদান আগবঢ়াই গ'ল সেয়া আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। ভাৰতৰ প্ৰথমগৰাকী মহিলা মহাকাশচাৰী কল্পনা চাওলাৰ বিষয়েও আমি জানো। ভাৰতৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি হিচাপে স্বীকৃতি লাভ কৰিছিল শ্ৰীযুতা প্ৰতিভা দেৱী সিং পাটিলে। তেওঁ আমাৰ দেশৰ বাবে, সমাজৰ বাবে এক অভূতপূৰ্ব বৰঙনি আগবঢ়াই গ'ল। আনকি কবি-

সাহিত্যিকসকলৰ লেখনীতো বিশেষকৈ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পসমূহত নাৰী চৰিত্ৰই এক বিশেষ স্থান লাভ কৰিছিল।

কিন্তু বৰ্তমান নাৰীসকলক অতি তুচ্ছ জ্ঞান কৰি বিভিন্ন আতিশৰ্য্যা চলাই থকা দেখা গৈছে। আমাৰ সমাজত ধৰ্ষণৰ ঘটনা, নাৰীৰ ওপৰত নিৰ্যাতনৰ ঘটনা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। যোৱা ১৬ ডিচেম্বৰ ২০১২ তাৰিখে নিশা দিল্লীৰ এখন বাছত দলবদ্ধ ধৰ্ষণৰ বলি হৈ সম্প্ৰতি 'ডামিনী' নামেৰে পৰিচিত হৈ উঠা যুৱতী গৰাকীয়ে মৃত্যুক সাৱটি লোৱা ঘটনাই সমগ্ৰ দেশতে, বিশেষকৈ চহৰাঞ্চল আৰু মুখ্যতঃ দেশৰ ৰাজধানী দিল্লী মহানগৰীত ব্যাপক প্ৰতিবাদৰ জোৱাৰ আনিলে। হাড় কঁপোৱা শীতকো নেওচি দিল্লীৰ যুৱক-যুৱতীসকলে প্ৰধানকৈ দিল্লীত পঢ়ি থকা দেশৰ ভিন্ন প্ৰান্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে একান্ত নিষ্ঠাৰে এনেধৰণৰ ঘটনাৰ প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰৰ বিফলতাৰ প্ৰতিবাদ-ধিক্কাৰ জনাই আৰু এনে জঘন্য অপৰাধ প্ৰৱণতা ৰোধ কৰাৰ দাবী জনাই তীব্ৰ প্ৰতিবাদ গঢ়ি তুলিলে। সেইদৰে যোৱা ২০১৩ চনৰ ২২ আগষ্ট তাৰিখে মুম্বাইৰ এগৰাকী ফটো সাংবাদিকক বলাৎকাৰ কৰাৰ ঘটনাই সমগ্ৰ দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অন্যান্য দেশৰ লগতে অসমতো বিভিন্ন ঠাইত ইয়াৰ বিৰুদ্ধে ফটো সাংবাদিকসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

অসমৰো বিভিন্ন প্ৰান্তত সংঘটিত ধৰ্ষণ আৰু যৌন নিৰ্যাতনৰ ঘটনাবোৰে ৰাজ্যবাসীৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰকৃততে কেইজনমান মাতাল যুৱকে ২০১৩ চনত জি.এছ. ৰোড কাণ্ড সংঘটিত কৰাৰ পৰাই অসমবাসী লজ্জানত হৈছিল। পিছে দুৰ্ভাগ্যৰ কথা যে, তাৰ পাছতো ৰাজ্যখনত এনে ঘটনাৰ তথ্য অনুসৰি ২০১২ চনৰ জানুৱাৰীৰ পৰা আগষ্ট মাহৰ ভিতৰত ৰাজ্যখনত এনে ঘটনাৰ সংখ্যা কমক চাৰি বৃদ্ধিহে পাইছে, ৰাজ্যৰে গৃহ বিভাগৰ তথ্য অনুসৰি ২০১২ চনৰ জানুৱাৰী মাহৰ পৰা আগষ্ট মাহৰ ভিতৰত ৰাজ্যখনত ১.১২৬ টা ধৰ্ষণৰ ঘটনাৰ গোচৰ পঞ্জীভূত হৈছে।

দাস আৰু সামন্তীয় ব্যৱস্থাত নাৰীক পণ্য বুলিয়েই ধৰা হৈছিল। শাসক আৰু ভূ-স্বামীসকলে নিজৰ সন্তোগৰ বাবে নাৰীক ব্যৱহাৰ কৰিছিল। এনে ব্যৱস্থাত নাৰীৰ অধিকাৰ সীমিত, তেওঁলোকৰ নাগৰিকত্বও অসম্পূৰ্ণ। কিন্তু নিজ জন্মদাত্ৰী আইৰ নিচিনা এই নাৰীসকলৰ বাবেই যে তেওঁলোকে এই পৃথিৱীখন দেখিলে সেই কথা ভাবিবৰ কাৰো সামৰ্থ্যও নাই। তেনেস্থলত নাৰীৰ ওপৰত এনে অমানৱীয় অত্যাচাৰ কৰাৰ যুক্তি ক'ত থাকিল।



বিশেষ তাৎপৰ্যপূৰ্ণ বিষয় যে, হাৰিয়ানাৰ মেৱাট জিলাৰ মাছেৰা নামৰ অঞ্চলত এনে এখন বজাৰ আছে য'ত মুকলিকৈ বিক্ৰী হয় কইনা। বজাৰখনৰ নাম হৈছে 'দ্য ব্ৰাইড মাৰ্কেট'। এই বজাৰখনত গৰু-ছাগলীৰ দৰে বিক্ৰী হয় কইনা। সম্পূৰ্ণ মুকলিমুৰীয়াকৈ তাত বিক্ৰীৰ বাবে সাজু কৰি ৰখা হয় নাৰী। কেইহাজাৰমান টকাৰ বিনিময়ত বিবাহ প্ৰত্যাশীৰ ওচৰত বিক্ৰী হয় বিশেষ নাৰীসকল। পিছে আইনৰ কোনো বাধা নাই এইক্ষেত্ৰত।

বিবাহৰ অভীস্পা থকা যিকোনো পুৰুষে মাছেৰাৰ কইনাৰ মুক্ত বজাৰৰ পৰা অনায়াসে ক্ৰয় কৰিব পাৰে স্ব পচন্দৰ কইনা। বজাৰখনত বিক্ৰীৰ বৰে ৰখা সামগ্ৰীৰ দুটা গেৰাণ্টি দিয়ে বিক্ৰেতাই। সেয়া ক্ৰমে, কইনা বগা ছালৰ আৰু ধুনীয়া হ'বই। কমেও ১৩ ৰ পৰা ৪৫ বছৰ পৰ্যন্ত বিক্ৰীৰ বাবে ৰখা ইয়াৰ নাৰীসকলৰ দাম ন-দহ হাজাৰ টকা। শাৰীৰিকভাৱে অক্ষম, দুখীয়া পৰিয়ালৰ লোকে মাছেৰাৰ বজাৰত কইনা কিনে। কেৱল দৈহিক ক্ষুধা নিবাৰণৰ বাবে গোটাচেৰেক যুৱক, বিপত্নীক পুৰুষে বজাৰৰ পৰা ক্ৰয় কৰে কইনা। কিছুদিন উপভোগৰ পিছত তেনে পত্নীক কিনাতকৈ কিছু কম দামত আনৰ হাতত বিক্ৰীও কৰে এইখন বজাৰতেই। এই ব্যৱস্থাৰ ওপৰত কিন্তু মাত মাতিবলৈ কোনো নাই। নাৰীক ইমান নিষ্ঠুৰভাৱে পুৰুষৰ বলি হ'বলৈ এৰি দিছে সকলো আইনে, সকলো জনসাধাৰণে। হাৰিয়ানাৰ জনসাধাৰণক শান্তি বিহিবলৈ, তেওঁলোকৰ চকু মুকলি কৰি দিবলৈ কাৰোৰে সাধ্য নাইনে বাৰু?

এতিয়া আহোঁ প্ৰাচীন কালৰ নাৰী সমাজৰ প্ৰচলিত এই ভয়াৱহ প্ৰথালৈ। এইটো হৈছে সতীদাহ প্ৰথা। ইয়াৰ অৰ্থ হ'ল, এগৰাকী সধৱা নাৰীয়ে তেওঁৰ স্বামীৰ মৃত্যুৰ পিচত স্বামীৰ চিতাত নিজকে বিসৰ্জন দিয়া। সবাতোকৈ ঘৃণনীয় এই প্ৰথাটো কিন্তু প্ৰাচীন কালৰ এটা অতি সন্মানীয় প্ৰথা আছিল। কিন্তু স্বামীৰ মৃত্যুৰ পিছত এগৰাকী নাৰীৰ জীৱনটোলৈ মৃত্যুক মাতি অনাটো বিবেকহীন কাম। বহুতো আশা বুকুত বান্ধি এগৰাকী নাৰীয়ে জীৱনৰ দুৰ্গম পথত খোজ পেলায়। কিন্তু স্বামীৰ মৃত্যুৰ লগে লগে এগৰাকী নাৰীৰ আশাক ভাঙি-ছিঙি চূৰমাৰ কৰাৰ অধিকাৰ কাৰো নাই আৰু থাকিব নালাগেও। অত্যন্ত সুখৰ বিষয় যে, বৰ্তমান এই পিছপৰা অঞ্চলত এই প্ৰথাৰ প্ৰচলন আছে। গতিকে তেওঁলোকে নাৰীৰ জীৱনক লৈ হেতালি নেখেলি নাৰীক

নিজৰ জীৱনটোক উপভোগ কৰিবলৈ স্বাধীনতা দিব লাগে।

প্ৰাচীন কালৰে পৰা 'বাল্য বিবাহে'ও নাৰীৰ জীৱনক লৈ হেতালি খেলি অহা আমি দেখিবলৈ পাইছোঁ। এগৰাকী কন্যা সন্তানে জন্মৰ পাছত শৈশৱৰে পৰা শিকে যে, পিতৃগৃহত জীৱনৰ আৰম্ভণিহে হয়, পতিগৃহহে নাৰীৰ জীৱনৰ প্ৰকৃত ঠিকনা। সেইবাবে বহুতো পিতৃ-মাতৃয়ে উপযুক্ত শিক্ষাৰ পৰা কন্যা সন্তানক বঞ্চিত কৰি 'বাল্য বিবাহ'ৰ দৰে অমানৱীয় পন্থা হাতত লয়। বিবাহপাশত আবদ্ধ হোৱাৰ লগে লগে এগৰাকী কন্যা সন্তানে যি ভৱিষ্যত জীৱন সম্পৰ্কে বুকুত বান্ধি লয় সেই আশা নিমিষতে শেষ হৈ যায়। পতিগৃহতে নিজকে আবদ্ধ কৰি ৰাখিব লাগে। আটাইতকৈ তাৎপৰ্য্যপূৰ্ণ কথা যে অতি কম বয়সতে গৰ্ভধাৰণ কৰাৰ বাবে তথা অতি কম বয়সৰ পৰা উপৰ্যুপৰি গৰ্ভধাৰণ কৰাৰ ফলত এগৰাকী কন্যা সন্তানৰ জীৱনলৈ বিপদ নামি আহে। সেইবাবে বৰ্তমান এখন আইন বলবৎ কৰা হৈছে — ১৮ বছৰৰ তলত কন্যা সন্তানৰ বিবাহ নিষেধ। এনেধৰণৰ আইন বলবৎ হোৱাটো বিশেষ শলাগ ল'বলগীয়া বিষয়।

সম্প্ৰতি বিশ্বৰ নাৰী বিষয়ক আন এটি ভয়াৱহ সমস্যা হৈছে কন্যা ভ্ৰূণ হত্যা। ভ্ৰূণ অৱস্থাৰ পৰাই আমাৰ দেশৰ নাৰী অসুৰক্ষিত। হাজাৰ হাজাৰ ভ্ৰূণ গৰ্ভতেই হত্যা কৰা হয়। নাৰীৰ প্ৰতি বৈষম্য আমাৰ সমাজত জন্মৰ প্ৰাক্‌ক্ষণৰ পৰা। সম্পত্তিৰ উত্তৰাধিকাৰৰ পৰা কন্যা সন্তানক বঞ্চিত কৰা হয়। সমাজত কন্যা সন্তানৰ দুৰ্দশাৰ কথা কৈ অন্ত কৰিব নোৱাৰি। সাধাৰণতে সমাজে এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিছে য'ত কন্যা সন্তান পিতৃ-মাতৃৰ কাম্য নহয়। সেইবাবে প্ৰায়েই কন্যা ভ্ৰূণ গৰ্ভতে হত্যা কৰা হয়, যাতে ভৱিষ্যতে পিতৃ-মাতৃৰ বোজা স্বৰূপ নহয়। কিন্তু পৃথিৱীৰ মুখ নেদেখা ঈশ্বৰ স্বৰূপ সেই সন্তানটিক হত্যা কৰা যে মহাপাপ সেই বিষয়ে ভাবিবলৈ কাৰো আহৰি নাই। পিতৃ-মাতৃয়ে ভাবে যে ল'ৰা সন্তানেহে এটা পৰিয়ালক আৰ্থিক সকাহ দিব পাৰে। কিন্তু কন্যা সন্তান জন্ম হোৱা মানে নিজৰ ধন-সম্পত্তি খৰচ কৰি আনৰ ঘৰলৈ উলিয়াই দিয়া। কিন্তু কন্যা সন্তানেও যে এখন ঘৰক আৰ্থিক সকাহ দি, গৃহিণীৰ মৰ্যাদা ৰক্ষা কৰি এটা পৰিয়ালক সকাহ দিয়াৰ উপৰিও যে পৰিয়ালৰ বংশ বৃদ্ধি কৰে সেই বিষয়ে কাৰো ভবাৰ অৱকাশ নাই। সম্প্ৰতি বিশ্বত কন্যাৰ ভ্ৰূণ হত্যা কৰাৰ হাৰ হ্ৰাস পাইছে যদিও সি



সন্তোষজনক নহয়। বৰ্তমান এইক্ষেত্ৰত চৰকাৰ তথা আইনে গৰ্ভত থকা ভ্ৰূণটো পুত্ৰ সন্তানৰ নে কন্যা সন্তানৰ তাক জানিবলৈ দিয়াৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছে। এই আইন ব্যৱস্থা ভৱিষ্যতেও অত্যন্ত প্ৰয়োজনীয়।

নাৰীৰ শিক্ষা গ্ৰহণৰ ওপৰতো অনেক সমস্যাৰ সৃষ্টি হোৱা দেখা যায়। দৰাচলতে দেখা যায় যে, বিশেষকৈ গাঁও অঞ্চলত নাৰীৰ সাক্ষৰতাৰ হাৰ পুৰুষৰ তুলনাত যথেষ্ট কম। কাৰণ, নাৰী শিক্ষাৰ প্ৰতি এক অনীহা বা অৱহেলাৰ ভাৱ প্ৰাচীনকালৰে পৰাই বৰ্তি আছে। কিন্তু আমাৰ সমাজখনে এই বিষয়ে জানিব লাগে যে, নাৰী শিক্ষাৰ অবিহনে সমাজত প্ৰগতি অসম্ভৱ। নাৰীক শিক্ষিত কৰিব পাৰিলেহে দেশৰ যুৱ নাগৰিকসকল শিক্ষিত হৈ দেশৰ তথা সমাজৰ নাম উজলাবলৈ সক্ষম হ'ব। নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত হৈ গাঁও তথা চহৰত ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে জনসাধাৰণক অৱগত কৰাব লাগে তেতিয়াহে আমাৰ সমাজ ব্যৱস্থা উন্নীত হ'ব।

অতীজৰে পৰা বৰ্তমানলৈকে যৌতুকৰ বাবে নাৰীক নিৰ্যাতনৰ বিষয়ে আমি জানিবলৈ পাওঁ। যৌতুক প্ৰথা অতীজৰে পৰাই প্ৰচলিত প্ৰথা। অতীতৰ সেই ঐতিহাসিক প্ৰথাটোৰ বাবেই বৰ্তমান বিভিন্ন নাৰীয়ে নিজৰ জীৱন বিসৰ্জন দিয়াৰ কথা আমি শুনিবলৈ পাইছোঁ। অতীতৰ পাৰম্পৰিক এই যৌতুক প্ৰথাৰে বিভিন্ন অজুহাত দেখুৱাই বৰ্তমান পত্নীৰ পিতৃ গৃহৰ পৰা দাবী ধমকি দি স্বামীগৃহই বিভিন্ন সা-সম্পত্তি লাভ কৰিবলৈ চেষ্টা কৰা দেখা যায়। আৰু পত্নীৰ পিতৃগৃহই যদি তেওঁলোকৰ সেই আশা পূৰ কৰিব নোৱাৰে তেতিয়াই আৰম্ভ হয় ন-বোৱাৰীৰ ওপৰত শাৰীৰিক আৰু মানসিক অকথ্য নিৰ্যাতন। ফলত ন-বোৱাৰীয়ে এই নিৰ্যাতন সহ্য কৰি স্বামীগৃহ ত্যাগ কৰি পুনৰ পিতৃগৃহলৈ উভতি অহাও দেখা যায়। বহুতো বোৱাৰীয়ে এই নিৰ্যাতনৰ বলি হৈ মৃত্যুকো সাৱটি লোৱাৰ দৃষ্টান্তও পোৱা যায়। এই প্ৰথাটোৰ ওপৰত বৰ্তমান নিষেধাজ্ঞা আৰোপ কৰা হৈছে, যদিও বহুতো নাৰী এই নিৰ্যাতনৰ বলি হোৱাৰ বিষয়ে আমি বৰ্তমানেও শুনিবলৈ পাওঁ। এই যৌতুক প্ৰথাৰ বিলুপ্তি কেতিয়া ঘটিব সেয়া নিৰ্ভৰ কৰিব এখন সমাজৰ দায়িত্বশীল নাগৰিকসকলৰ ওপৰত। সমাজৰ দায়িত্বশীল নাগৰিকসকলেহে এই প্ৰথাৰ নিৰ্মূল কৰিব পাৰিব।

প্ৰাচীন কালৰ পৰা বৰ্তমানলৈকে আমি লক্ষ্য কৰিলোঁ যে নাৰীসকলৰ

ওপৰত পুৰুষসকলে তথা সমাজে শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন চলাই আহিছে। কিন্তু ইয়াৰ বিৰোধিতা কৰিবলৈ সমাজত কোনো নাই। সমাজে নাৰীক সদায় দুৰ্বল জাতি ৰূপেই গণ্য কৰি আহিছে। সেইবাবে ধৰ্ষণৰ বলি হোৱা তথা যৌতুকৰ বাবে নিজৰ প্ৰাণ আহুতি দিয়া নাৰীৰ ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে সদায় নাৰীকেই দোষাৰোপ কৰিবলৈ কোনো নাই, তাৰ পৰিৱৰ্তে সমাজত ভেদভাৱৰ, দোষাৰূপৰ বলি সেই নাৰীগৰাকী। সেইদৰে যৌতুকৰ ফলত এগৰাকী বোৱাৰীক জীৱন্তে জ্বলাই হত্যা কৰিলে এক শ্ৰেণীৰ লোকে বিভিন্ন দোষ জাপি দি দোষাৰোপ কৰে বোৱাৰীগৰাকীক। এয়া কেনেধৰণৰ ন্যায়? নাৰীৰ ওপৰত কৰা অত্যাচাৰৰ বাবে দোষীক শাস্তি বিহিবলৈ কাৰে সামৰ্থ্য নাই, কাৰো মাত মাতিবলৈ সাহস নাই। সেইবাবে নাৰীৰ বিপক্ষে হোৱা এনে অত্যাচাৰবোৰক নিৰ্মূল কৰিবলৈ আমি নাৰীসকলেই আগবাঢ়ি আহিব নালাগিব জানো? যদি নিমাতে বহি থাকোঁ, ভৱিষ্যতে নাৰীৰ ওপৰত কৰা অত্যাচাৰসমূহ বাঢ়িয়েই আহিব। কেতিয়াবা হয়তো সেই অত্যাচাৰৰ বলি হ'ব লাগিব আমি নিজেও। সেইবাবে এইটোৱেই সঠিক সময়, আমি নাৰীসকল এক হোৱাৰ, নিজকে প্ৰস্তুত কৰাৰ।

তাৎপৰ্যপূৰ্ণ বিষয়টো হ'ল ৰাষ্ট্ৰ এখনৰ সহযোগিতা অবিহনে আমি নাৰীসকলে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিম। সহযোগিতা অবিহনে আমি নিঠৰুৱা। সেইবাবে নাৰী নিৰ্যাতনৰ প্ৰৱণতা ৰোধ কৰিব বাবে ৰাষ্ট্ৰৰ চৰিত্ৰৰ উপৰিও পৰিৱৰ্তন অনিবাৰ্য। তাৰ উপৰি গুৰুত্বপূৰ্ণ, দাস ব্যৱস্থাৰ প্ৰচলনৰ নিৰ্মূলকৰণ, অৰ্থনীতিৰ যিবোৰ কাৰ্যসূচীয়ে নাৰী সমাজক পৰম্পৰাগত জীৱন-জীৱিকাৰ পৰা নিতৌ উৎখাত কৰিছে সেইবোৰো বন্ধ হ'ব লাগিব। আজিকালি দেখা যায় যে, নাৰীৰ ওপৰত অত্যাচাৰৰ উপৰিও সম্প্ৰতি বিশ্বত সংঘটিত বিভিন্ন ঘটনাক নিৰ্মূল কৰিবলৈ আন্দোলন গঢ়ি উঠে। যুৱপ্ৰজন্মও ৰাজপথলৈ ওলাই অহা দেখা গৈছে। দিল্লীৰ 'ডামিনী কাণ্ড'ত স্বতঃস্ফূৰ্তভাৱে ৰাজপথলৈ ওলাই আহিছে যুৱক-যুৱতী। আকৌ অসমতো জি.এছ ৰ'ডকাণ্ডৰ পাছত গুৱাহাটীৰ ৰাজপথত প্ৰতিবাদ কৰিবলৈ ওলাই আহিছিল সমগ্ৰ উত্তৰ-পূবৰ হাজাৰ হাজাৰ যুৱক-যুৱতী।

সামাজিক, ৰাজনৈতিক বা অৰ্থনৈতিক পৰিৱৰ্তন বিচাৰি প্ৰতিবাদ কৰিবলৈ ৰাজপথলৈ ওলাই অহাটো একো নতুন কথা নহয়। সন্তুষ্টিৰ বিষয় যে, নাৰী



নিৰ্যাতন বা সম্প্ৰতি ঘটা ঘটনাসমূহৰ ওপৰত মাত মাতিবলৈ জনগণ বিশেষকৈ যুৱক-যুৱতীসকল ওলাই আহিছে। দিল্লী কাণ্ড আৰু জি.এছ ৰ'ড কাণ্ডৰ দৰে কিছুমান শেহতীয়া সমস্যাৰ প্ৰতিবাদী আন্দোলনৰ জৰিয়তে সমাধানো হৈছে। কিন্তু প্ৰতিবাদেই জানো সকলো সমস্যাৰ শেষ সমাধান হয়। ধৰ্ষণকাৰীক বা নাৰী নিৰ্যাতনৰ অভিযুক্তকাৰীক মৃত্যুদণ্ড দি নাৰীৰ ওপৰত কৰা নিৰ্যাতনক দমন কৰিব নোৱাৰি। ইয়াৰ উপায় হ'ল, সমাজত পুৰুষৰ সমানে নাৰীকো সমান ক্ষমতা প্ৰদান কৰা, যাক কোৱা হয় সবলীকৰণ। ধৰ্ষণ, যৌন উৎপীড়নৰ বিৰুদ্ধে সফল প্ৰতিৰোধ নাৰীৰ সবলীকৰণেহে গঢ়িব পাৰে। সংসদ, বিধানসভাসমূহত নাৰীৰ বাবে কমেও ৩৩ শতাংশ আসন সংৰক্ষণ হ'ল এই ক্ষেত্ৰত ল'বলগীয়া প্ৰথম পদক্ষেপ। এগৰাকী নাৰীয়ে এখন সমাজ গঢ়াত বিশেষভাৱে সহায় কৰে। যুৱ প্ৰজন্মক সঠিক দিশত অগ্ৰসৰ কৰাত এগৰাকী নাৰীৰ প্ৰভাৱ অতুলনীয়। সেইবাবে নাৰীৰ ওপৰত যি বৰ্ধিত হিংসা, তাক নিৰ্মূল কৰাৰ উপৰিও নাৰীক সন্মান কৰা, নাৰীৰ মৰ্যাদাক সন্মান জনোৱা এখন সমাজৰ প্ৰতিজন ব্যক্তিৰে কৰ্তব্য। ■

*(প্ৰকাশ কাল ঃ ২০১২-১৩ বৰ্ষ)*

# মূল্যবোধৰ ৰাজনীতি আৰু প্ৰকৃতিৰ পৰিৱেশৰ সুৰক্ষা

বৈকুণ্ঠ দাস
সহঃ অধ্যাপক, ৰাজনীতি বিজ্ঞান

সাম্প্ৰতিক সময়ত প্ৰাকৃতিক সম্পদৰ ধাৰাবাহিক অবাধ লুণ্ঠনে প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যতাকে নোহোৱা কৰিছে। অধিক মুনাফা লাভৰ আশাত বণিকগোষ্ঠীয়ে শাসকবৰ্গক মেনেজ কৰি প্ৰাকৃতিক পৰিবেশৰ অপৰিকল্পিত খনন আৰু ব্যৱহাৰৰ দ্বাৰা পৰিবেশতন্ত্ৰলৈ ভাবুকি কঢ়িয়াই আনিছে। অভাৱনীয় হাৰত দেশীয় সম্পদৰ বিশেষকৈ প্ৰাকৃতিক, খনিজজাত, বনজ, জলজ আদি সম্পদৰ ব্যাপক স্তৰত দায়বদ্ধহীনভাৱে খনন, নিষ্কাষণ আৰু ব্যৱহাৰেই পৰিৱেশ ধ্বংসত উদগনি যোগাইছে। সাম্প্ৰতিক গোলকীকৰণৰ যুগত দেশীয় বণিক গোষ্ঠীৰ বাহিৰেও বিদেশী বিনিয়োগকাৰীয়ে অনুজ্ঞপত্ৰ লাভেৰে প্ৰাকৃতিক সম্পদৰ অনিয়ন্ত্ৰিত লুণ্ঠনেৰে পৰিবেশৰ ক্ষতিসাধন কৰা পৰিলক্ষিত হয়।

আজিৰ তাৰিখত বণিকগোষ্ঠীয়ে বৃহৎ পুঁজিৰ বিনিয়োগেৰে পাহাৰ কাটি নতুন নতুন নগৰ আদি গঢ়ি তোলা দেখা গৈছে। ইয়াৰ সমান্তৰালকৈ সুদৃশ্য ফ্লেট, শ্বপিংমল, হোটেল, ৰেষ্টোৰা, অতিথিশালা আদি নিৰ্মাণেৰে পুঁজিপতিয়ে মুনাফা বৃদ্ধিৰ প্ৰচেষ্টাত পৰিবেশৰ ভাৰসাম্যতাক এনেদৰেই নোহোৱা কৰিছে। বিশেষকৈ পাহাৰীয়া দুৰ্গম ধৰ্মীয় স্থান কিছুমানক কেন্দ্ৰ কৰি গঢ়ি তোলা এনে নগৰ পৰ্যটন উদ্যোগৰ প্ৰসাৰৰ নামত অপৰিকল্পিতভাৱে আগবঢ়া বাবেই পৰিবেশলৈ অধিক ভাবুকি আহিছে। সাধাৰণতে কোমল মাটিৰে গঠিত এনে পাহাৰৰ গছ-বন কাটি দিয়াৰ ফলত ভূমিস্খলনৰ প্ৰবল সম্ভাৱনা থাকে।



অধিক বৃষ্টিপাতৰ সময়ত সেয়েহে অধিক ধ্বংসকাৰ্য সংঘটিত হ'ব পাৰে। লগতে কোমল মাটিৰ পাহাৰত বৃহৎ নগৰ আদি গঢ়ি তোলাৰ ফলত এনে মাটিয়ে অত্যধিক ভাৰ বহন কৰিব নোৱাৰি তললৈ স্খলিত হোৱাৰ বাবেও বিভিন্ন অনাকাংক্ষিত ঘটনাৰ সূত্ৰপাত হয়।

বৃহৎ নদীবান্ধ আদি নিৰ্মাণৰ ফলতো নিৰ্মীয়মাণ অঞ্চলৰ জৈৱ-বিচিত্ৰতাৰ প্ৰতি ভাবুকি আহিছে। এনে বান্ধৰ নিম্নাংশত অৱস্থিত জনবসতি, শস্য-পথাৰৰ অনিষ্ট হোৱা প্ৰবল সম্ভাৱনাও নুই কৰিব নোৱাৰি। নদীবান্ধৰ বাবে প্ৰয়োজনীয় জলাশয় (জলভাণ্ডাৰ) আদিৰ বহন ক্ষমতালৈ গুৰুত্ব আৰোপ নকৰি অধিক লাভৰ আশাত অত্যধিক পানী আবদ্ধ কৰি বৃহৎ উৎপাদনৰ ব্যৱস্থা কৰিলে কেতিয়াবা জলাশয় ভাঙি বৃহৎ অঘটন ঘটাব পাৰে। অতিপাত বৃষ্টিপাতৰ ফলতো এনে জলভাণ্ডাৰৰ পাৰ ভাঙিব পাৰে। অতি সম্প্ৰতি উত্তৰাখণ্ডত সংঘটিত জলপ্ৰলয়ে ইয়াৰে ইংগিত বহন কৰে। নদীৰ স্বাভাৱিক গতিপথক বাধা দি অনিয়ন্ত্ৰিতভাৱে মুনাফা লাভৰ আশাত এনেদৰে নদীবান্ধ নিৰ্মাণৰ বাবেই প্ৰকৃতিৰ অধিক সংহাৰী ৰূপ আজিৰ তাৰিখত সততে দৃষ্টিগোচৰ হয়।

শিল, চিমেণ্ট উৎপাদনৰ বাবে প্ৰয়োজনীয় চূণশিল আদিৰ সন্ধানত অপৰিকল্পিতভাৱে পাহাৰ খহাই দিয়াৰ ফলত ভূমিস্খলন আদিও লক্ষ্য কৰা যায়। এনেদৰে শিল আদিৰ সন্ধানত বনাঞ্চল ধ্বংস কৰা সকলোৱে প্ৰত্যক্ষ কৰে। বালিৰ অবৈধ খননো সমান্তৰালভাৱে চলিয়েই আছে। খনিজাত তেল, কয়লা আদিৰ নিষ্কাষণ আৰু খনন আদিত বিদেশী পুঁজিৰ বিনিয়োগে সমস্যা জটিল কৰি তুলিছে। অনিয়ন্ত্ৰিত হাৰত এইবোৰৰ উদ্‌ঘাটনে ভূ-গৰ্ভৰ স্বাভাৱিক গাঁথনিত নেতিবাচক প্ৰভাৱ পেলাইছে। ইয়াৰ বাবেও প্ৰকৃতিৰ ভাৰসাম্যতাত যথেষ্ট অনিষ্ট সাধন হৈছে।

আমাৰ জীৱনটোক অধিক উপভোগ্য কৰাৰ স্বাৰ্থত বৃহৎ পুঁজিৰ বিনিয়োগেৰে অত্যাধুনিক সা-সামগ্ৰী আদিৰ উৎপাদনৰ বাবে বহুতো উদ্যোগ গঢ়ি তোলা হৈছে। বিশেষকৈ আটো মবাইল, এয়াৰ কোলাৰ, ৰেফ্ৰিজাৰেটৰ আদিৰ নিৰ্মাণ ক্ষেত্ৰত এনে উদ্যোগৰ পয়োভৰ অধিক। উল্লেখনীয় যে, এনেবোৰ সামগ্ৰীৰ নিৰ্মাণ প্ৰক্ৰিয়াত পৰিৱেশৰ ভাৰসাম্যতাক ক্ষতিসাধন কৰিব পৰা বিভিন্ন ৰাসায়নিক যৌগ যেনে (CFC) আদিৰ উৎপন্ন হয়। এনেবোৰ অনিষ্টকাৰী ৰাসায়নিক সাম্প্ৰতিক গোলকীয় উষ্ণতা বৃদ্ধিৰ কাৰণো

যৌগ। জীৱনধাৰণ অধিক আৰামদায়ক কৰাত আমাৰ আপত্তি নাই। কিন্তু প্ৰকৃতিৰ সুৰক্ষাৰ নিশ্চিত কৰিহে এনেবোৰ কাম-কাজ কৰা উচিত।

এনেদৰেই প্ৰকৃতিক ধ্বংস কৰি হ'লেও বৃহৎ পুঁজিগোষ্ঠীয়ে দেশীয় অথবা বিদেশী–প্ৰাকৃতিক সম্পদৰ খনন, নিষ্কাষণ আৰু ব্যৱহাৰ কৰি আহিছে। প্ৰশাসনৰ জ্ঞাতসাৰেই শিল, বালিৰ অবৈধ খনন সংঘটিত হৈ আছে। সমান্তৰালভাৱে ইয়াৰ ফলশ্ৰুতিত বনাঞ্চল বৃহৎ হাৰত ধ্বংস হৈছে। বন্যপ্ৰাণী মানুহৰ সংঘাতৰ মূলতে এনে বনাঞ্চল ধ্বংসকেই জগৰীয়া কৰিব পাৰি। ইয়াৰ বিপৰীতে এনে ধ্বংস যজ্ঞৰ নিয়ন্ত্ৰণত কিয় প্ৰশাসনৰ দায়বদ্ধতাৰ পৰিচয় দিয়া নাই সিয়ো যথেষ্ট তাৎপৰ্য বহন কৰে। এনেবোৰ উদ্যোগৰ লগত জড়িত বৃহৎ পুঁজিগোষ্ঠীৰ স্বাৰ্থ সুৰক্ষাৰ বাবেই যে প্ৰশাসনে এইবোৰ নিয়ন্ত্ৰণত আগ্ৰহী নহয় সি পূৰামাত্ৰাই নিশ্চিত। লগতে পৰিৱেশৰ ভাৰসাম্যতা নষ্ট কৰা বিভিন্ন ৰাসায়নিক যৌগ উৎপন্নকাৰী উদ্যোগবোৰৰ প্ৰয়োজনীয় নিয়ন্ত্ৰণতো চৰকাৰে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা দৃষ্টিগোচৰ হোৱা নাই। বৃহৎ পুঁজিগোষ্ঠীয়ে অধিক মুনাফা লাভৰ আশাত (যিহেতু এনে উদ্যোগবোৰ তুলনামূলকভাৱে একচেটিয়া, অধিক প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লগা নহয় আৰু বজাৰত এইবোৰ সামগ্ৰীৰ বিকল্পৰ অভাৱ) চৰকাৰী কৰ্তৃপক্ষক মেনেজৰ দ্বাৰা এইবোৰৰ অধিক পৰিবৰ্ধনহে হৈছে। গতিকে বহুসময়ত দেশীয় এনেবোৰ কৰ্মকাণ্ডৰ সহায়ক হোৱাৰ বাবে পুঁজিগোষ্ঠীৰ এজেণ্ট বুলিহে মনে ধৰে।

সি যিকি নহওক, সকলো বস্তুৰে সীমাবদ্ধতা থকাৰ দৰে প্ৰকৃতিৰ ক্ষেত্ৰটো একে কথাই প্ৰযোজ্য। প্ৰকৃতিৰ এনে সীমাবদ্ধতাক অতিক্ৰমি ইয়াৰ অধিক লুণ্ঠনৰ চেষ্টা কৰিলে উত্তৰাখণ্ডৰ দৰে মহাপ্ৰলয়ৰ পুনৰাবৃত্তি নিশ্চিত। কিন্তু পৰিতাপৰ বিষয়ে যে বৃহৎ পুঁজি আৰু ইয়াৰ প্ৰসাৰত উদগনি যোগোৱা শাসক শ্ৰেণীৰ হঠকাৰিতাৰ ফলত এমুঠিমান মানুহৰ মুনাফা লাভৰ তাড়নাত সমাজৰ গৰিষ্ঠ সংখ্যকৰ জীৱনৰ লগতে প্ৰকৃতি বিনষ্ট হৈ আহিছে। মূল্যবোধহীন শ্ৰেণী স্বাৰ্থ সুৰক্ষিত কৰিব বিচৰা ৰাজনীতিৰ বাবেই প্ৰাকৃতিক পৰিবেশৰ এনে অনিষ্ট সাধন হৈ আছে।

বহুসময়ত পৰিৱেশ সুৰক্ষাৰ নিশ্চিত কৰাৰ বাবে বিভিন্ন স্তৰত বহুতো আন্দোলনো প্ৰত্যক্ষ কৰা যায়। মেধা পাটেকাৰ, সুন্দৰলাল বহুগুণা আদিৰ নেতৃত্বত গঢ়ি উঠা এনে আন্দোলনবোৰে এই ক্ষেত্ৰত বিশেষ তাৎপৰ্য বহন



কৰে। এনে আন্দোলনবোৰৰ পৰিপ্ৰেক্ষিতত চৰকাৰী কৰ্তৃপক্ষই পৰিৱেশ সুৰক্ষাৰ বাবে বিভিন্ন উদ্যোগ লোৱা দৃষ্টিগোচৰ হয়। কিন্তু পুঁজিপতি নিয়ন্ত্ৰিত / পৰিচালিত চৰকাৰৰ দ্বাৰা উদ্ভাসিত এনে প্ৰচেষ্টাত পৰিৱেশৰ ভাৰসাম্যতা সুৰক্ষিত হোৱাত যথেষ্ট সন্দেহৰ অৱকাশ আছে। বহু সময়ত এনেবোৰ আনুষ্ঠানিকতাৰ অন্তৰালত তেওঁলোকৰ ন্যস্ত স্বাৰ্থ পূৰণৰ অভিসন্ধি অনুমান কৰা যায়। উল্লেখনীয় যে বৃহৎ পুঁজিৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু ইয়াৰ অনুদানেৰে লালিত-পালিত আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান (ৰাষ্ট্ৰসংঘ) আৰু এনে পুঁজিৰ প্ৰত্যক্ষ বিস্তাৰত উদ্যোগী চৰকাৰ (আমেৰিকা যুক্তৰাষ্ট্ৰ) আদিৰ প্ৰচেষ্টাত উদ্ভাৱিত 'পৰিৱেশ দিৱস', বহুল চৰ্চিত 'কয়টো প্ৰটকল' আদিৰ দ্বাৰা যে প্ৰকৃততে পৰিৱেশ সুৰক্ষিত কৰিব পৰা যাব সিয়ো যথেষ্ট সন্দেহৰ আৱৰ্তত।

গতিকে মূল্যবোধৰ ৰাজনীতিত প্ৰকৃততেই বিশ্বাসী চৰকাৰে আত্ম উপলব্ধি আৰু দায়বদ্ধ নেতৃত্বৰে প্ৰকৃতি সুৰক্ষাৰ নীতি কঠোৰভাৱে বলবৎ কৰা উচিত। সময়োপযোগী পদক্ষেপেৰে জনস্বাৰ্থ সুৰক্ষাত আত্মনিয়োগ কৰা চৰকাৰেহে পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা আৰু সুৰক্ষাৰ নিশ্চিত দিয়ে। ■

*(প্ৰকাশ কাল ঃ ২০১২-১৩ বৰ্ষ)*

# শদিয়াত ৰঙালী বিহুৰ বৈশিষ্ট্য

সঞ্জীৱ গগৈ
কলা শাখা, ৩য় ষাণ্মাসিক

সংগীত সূৰ্য ড° ভূপেন হাজৰিকাদেৱে গাইছিল —

*ব'হাগ মাথোঁ এটি ঋতু নহয়*
*নহয়, ব'হাগ এটি মাহ*
*অসমীয়া জাতিৰ ই আয়ুস ৰেখা*
*গণ জীৱনৰ ই সাহ.... ।*

সঁচাই বিহু অসমীয়াৰ বাপতিসাহোন; বিহু অসমৰ আয়ুস ৰেখা.... । ব'হাগেই আনে প্ৰকৃতিৰ সেউজীয়া সাজৰ মোহনীয় অপৰূপ সৌন্দৰ্য তথা বৰ্ষাৰ গোপন বতৰা। লগতে উৰ্ব্বৰা, সাৰুৱা আৰু শস্য-শ্যামলাৰে উপচাই পেলাব পৰা সীমাহীন সক্ষমতা। ব'হাগ অসমীয়াৰ প্ৰাণৰো প্ৰাণ, জীৱনৰ মান, যৌৱনৰ ৰাগ। গণশিল্পী হেমাঙ্গ বিশ্বাসে বিহু সম্পৰ্কে কৈছিল —

*যি নাই বিহুগীতত সি নাই অসমত*
*যি নাই অসমত সি নাই বিহুগীতত।*

বিহু যে অসমৰ জন জীৱনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত তাকেই ক'ব বিচাৰিছে তেওঁ। বিহু অসমৰ মান, প্ৰাণ.... ।

অসম আৰু অসমীয়াৰ জন জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা 'বিহু' মানে — কেৱল ৰঙৰ উৎসৱেই নহয় ই সাহস আৰু আত্মপৰিচয়ৰ প্ৰতীক। এই বিহুত নানা ধৰণৰ ৰং-ধেমালি কৰাৰ উপৰি বিভিন্ন ধৰণৰ নীতি-



নিয়মো পালন কৰা দেখা যায়। অৱশ্যে বিহুত পালন কৰা নীতি-নিয়মবোৰ সমগ্ৰ অসমতে প্ৰায় একেই যদিও ঠাই ভেদে সৰু সৰু নীতি-নিয়মৰ কিছু পাৰ্থক্য দেখা যায়। অসমত পালন কৰা কাতি, মাঘ আৰু ব'হাগ এই তিনিটা বিহুৰ ভিতৰত ব'হাগ বিহু বা ৰঙালী বিহু সকলোতকৈ ডাঙৰ উৎসৱ। কাতি আৰু মাঘ বিহু পালন কৰাৰ ক্ষেত্ৰত অন্যান্য অসমীয়াৰ দৰে শদিয়াবাসীয়ে একেই নিয়ম-নীতি অৱলম্বন কৰিলেও কিন্তু ৰঙালী বিহুটো পালনত শদিয়াবাসীৰ এক সুকীয়া বৈশিষ্ট্য থকা পৰিলক্ষিত হয়।

অসমৰ অন্যান্য প্ৰান্তত চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু পালন কৰা হয়। কিন্তু শদিয়াত গৰুবিহু ব'হাগ মাহৰ প্ৰথম বুধবাৰেহে পালন কৰে। কাৰণ অতি পুৰণি কালৰ পৰাই শদিয়াৰ বাসিন্দাসকলে শদিয়াত থকা চাৰিশাল গোসাঁনীক পূজা নিদিয়াকৈ বিহু নাপাতে আৰু পাতিলে অমঙ্গল হয় বুলি পূৰ্বৰ পৰাই জনবিশ্বাস চলি আহিছে। এই চাৰিশাল হৈছে — বুঢ়া-বুঢ়ী শাল, কেঁচাইখাঁতী গোসাঁনী, বলিয়া বাবাৰ শাল আৰু পাতৰ শাল। এই শাল কেইখনত ব'হাগ মাহৰ বুধবাৰে আৰু শুক্ৰবাৰেহে পূজা সেৱা কৰা হয়। এইকেইটা বাৰৰ বাদে আন বাৰে গোসাঁনীয়ে সেৱা-পূজা গ্ৰহণ নকৰে বুলি শদিয়াৰ জনসাধাৰণৰ বিশ্বাস। সেয়েহে ব'হাগ মাহৰ প্ৰথম বুধবাৰে আৰু শুক্ৰবাৰে কেঁচাইখাঁতী গোসাঁনীৰ শালত পূজা দিহে শদিয়াত বিহু পাতে। পুৰণি কালত এই শাল কেইখনত নৰবলি দিয়া বুলি প্ৰবাদ আছে। কিন্তু বৰ্তমানে ম'হ, ছাগলী, হাঁহ পাৰ আদি বলি দিয়া হয়। সেইকাৰণে শদিয়াত ব'হাগৰ প্ৰথম মঙ্গলবাৰে উৰুকা আৰু বুধবাৰে গৰুবিহু পালন কৰা হয়। এই গৰু বিহু শদিয়াৰ ৰাইজে অসমৰ অন্যান্য ঠাইৰ দৰে একে নীতি-নিয়মেৰে গৰু গা ধুৱায়। গৰু বিহুৰ দিনা নিচেই পুৱাতে উঠি চালনীত এখিলা আগলি কলপাত পাৰি লাও, বেঙেনা, বৰথেকেৰা, হালধি, তিতা কেৰেলা চকল-চকলকৈ কুটি চাকত বনিয়াই বনিয়াই সী দিয়ে। এই চাক কেঁচা বাঁহৰ কামীৰে তৈয়াৰ কৰে। চাক বনোৱা বাঁহ চটি আগমৰা হ'ব নেলাগে। আগমৰা বাঁহেৰে চাক সাজিলে গোহালিত গৰু গাই নাবাঢ়ে বুলি লোক বিশ্বাস আছে। ইয়াৰ উপৰিও কেঁচা হালধি আৰু মাটিমাহ একেলগে খুন্দি মিঠাতেল সানি তাৰে গোহালিৰ গৰুক ফোঁট দিয়ে আৰু বাকী থকা মাহ-হালধি ঘৰৰ প্ৰতিজন সদস্যই গা ধুবলৈ বুলি পাতেৰে টোপোলা টোপোলা কৰি থয়। ৰাতিপুৱা এই কামবোৰ কৰি অঁতোৱাৰ পাছত

গোহালিৰ গৰুৰ খুৱাত আৰু শিঙত মিঠাতেল সানি ওচৰৰ নৈ বিল, খাল বা পুখুৰীলৈ গা ধুৱাবলৈ সমূহীয়াকৈ লৈ যায়। বাটত লৈ যাওঁতে দীঘলতি বা মাখিয়তী গছৰ পাতেৰে গৰুক কোবাই কোবাই গায় —

*দীঘলতি দীঘল পাত*
*মাখি মাৰোঁ জাত জাত,*
*মাৰ সৰু বাপেৰ সৰু*
*তই হ'বি বৰ বৰ গৰু।''*

তাৰ পিছত নৈ, বিলৰ পানী ছটিয়াই গৰুক গা ধুৱায়। চাকৰ পৰা লাও, বেঙেনা, থেকেৰা, হালধিৰ চকলবোৰ গৰুৰ গাত দলিয়াই গা ধুৱাওঁতে গায় —

*লাও খা বেঙেনা খা*
*বছৰি বছৰি বাঢ়ি যা*
*মাৰ সৰু বাপেৰ সৰু*
*তই হ'বি বৰ বৰ গৰু।*

এই আধৰুৱা চাক আৰু দীঘলতি, মাখিয়তীৰ ডালবোৰ অন্য এঘৰৰ লগত সলনি কৰি আনি পুনৰ গোহালিৰ চালৰ বেচাত ভৰাই থয়। তদুপৰি পুৰণা পঘা এডালো গৰুৰ ঠেঙৰ তলেদি সৰকাই সেইডালো অন্য এঘৰৰ গৰুৰ পঘাৰ লগত সলনি কৰি গোহালিত থোৱাৰ পৰম্পৰা কিছুমান ঠাইত আছে। তাৰ পিছত মানুহেও মাহ-হালধিৰে গা-পা ধুই আহি জা-জলপান খায়। আবেলি গৰু উভতিবৰ সময়ত গোহালিত তুঁহ, খেৰ, বিহলঙনি, ধানখেৰ আদিৰে জাগ দিয়ে। সন্ধিয়া গৰু বিলাকক নতুন পঘাৰে বান্ধে। পিঠা খুৱায়। নতুন পঘাডালৰ এমূৰে টংলতি গছৰ আগ এটা বান্ধি দিয়াতো শদিয়াৰ এক পৰম্পৰা। তাৰ পিছত নহৰু খুন্দি বাটি এটাত পানীৰে মিহলাই ঘৰৰ চাৰিওফালে ছটিয়ায়। এনে নহৰু বটা পানী ছটিয়ালে বছৰটোলৈ সৰ্পভয় নিবাৰণ হয় বুলি বিশ্বাস কৰা হয়। সেই দিনাই নাহৰৰ পাতত এটি মন্ত্ৰ লিখি ঘাই ঘৰ আৰু গোহালি ঘৰৰ চালত খুচি থয়। সেই মন্ত্ৰটো হৈছে —



*দেৱ দেৱ মহাদেৱ, নীলগ্ৰীৱ জটাধৰ,*
*বাত বৃষ্টি হৰং দেৱ মহাদেৱ নমস্তুতে।*

লগতে টিকনি বৰুৱাৰ লতা এডালো মূল দুৱাৰৰ ওপৰত লগোৱা হয়। এনে কৰিলে ধুমুহা, ঢেৰেকণি, বজ্ৰপাত পৰাৰ পৰা ঘৰ ৰক্ষা পৰে বুলি জনবিশ্বাস আছে।

একাংশ বিহু বিশেষজ্ঞৰ মতে —

শদিয়াতে বিহু উৎপত্তি হৈছিল। বিহুৰ দেৱতা হ'ল ধনকলীয়া আৰু কলিমতী। সেই কলিমতীয়েই হেনো কেঁচাইখাঁতী গোসাঁনী। কেঁচাইখাঁতী গোসাঁনী বা তাম্ৰেশ্বৰী দেৱীৰ মন্দিৰ অতীতৰ পৰাই শদিয়াত অৱস্থিত। ধনকলীয়া নামৰ দেৱতাজনৰ জল-স্থল, সকলোতে স্থিতি। বিহুৱাণী কলিমতী গাভৰুক হঠাতে লগ পাই ধনশিৰিয়েদি ভটিয়াই গৈ কলিয়াবৰত ৰ'লগৈ। কিংবদন্তি মতে কলিমতী বা কেঁচাইখাঁতী গোসাঁনীদেৱী বিহুৰ মূল ইষ্ট দেৱী আৰু কেঁচাইখাঁতী গোসাঁনী মন্দিৰ যিহেতু শদিয়াত অৱস্থিত তেতিয়া হ'লে বিহুৰ উৎপত্তি শদিয়াতেই বুলি তেওঁলোকে যুক্তি আগবঢ়াই।

ব'হাগ বিহুৰ আন এটা এৰাব নোৱাৰা অনুষ্ঠান হৈছে হুঁচৰি। প্ৰণিধানযোগ্য যে হুঁচৰি শব্দটো ভাষাতাত্ত্বিক দৃষ্টিভংগীৰে চালে তাই-চীন গোষ্ঠীসম্ভূত যেন লাগে। হু-ছা-ৰি (হু-চিঞৰি চিঞৰি, ছা — আশীৰ্বাদ, কুশল, ৰি — উত্তেজিত, উৰুলিকৃত) এতেকে হু-ছা-ৰি শব্দৰ অৰ্থ আনন্দত উত্তেজিত হৈ চিঞৰি চিঞৰি কুশল কামনা কৰা। যথাৰ্থতে আমাৰ হুঁচৰিৰ মূল উদ্দেশ্যও ''চেনাই তই কুশলে থাক'' বুলি শুভেচ্ছা জনোৱাটোৱেই। বিশিষ্ট সাহিত্যিক ড° লীলা গগৈয়ে হুঁচৰি সম্পৰ্কত এইদৰে মন্তব্য আগবঢ়াইছে। বছেৰেকৰ বিহুৰ দিনা গৃহস্থই ৰাইজক সেৱা কৰি, গৃহস্থৰ কুশলৰ অৰ্থে ৰাইজে গোটেই বছৰটো মংগল কামনা কৰি এটা মংগলময় পৰিৱেশেৰে সম্প্ৰীতিৰ ভাৱ জাগ্ৰত কৰি ৰাইজক একতাৰ ডোলেৰে বান্ধি ৰখাটোৱে হৈছে হুঁচৰিৰ প্ৰধান উদ্দেশ্য। গাঁওখনৰ প্ৰত্যেক ঘৰৰ চোতাললৈ হুঁচৰি দলটোৱে গৈ হুঁচৰি গায় আৰু গৃহস্থক আশীৰ্বাদ দিয়ে। আজিকালি অসমৰ বিভিন্ন প্ৰান্তত যিদৰে গোটেই ব'হাগ মাহটোৱে বিহু মাৰি থকা দেখা যায়, শদিয়াও কিন্তু ইয়াৰ ব্যতিক্ৰম নহয়। গাঁওখনত সকলোৱে ঘৰত হুঁচৰি গায় শেষ

হোৱাৰ পিছত কিছুমান নীতি-নিয়মৰ মাজেদি বিহু উকুৱা হয়। বিহু উকুৱা দিনাখন যি ঘৰৰ চোতালত বিহু উকুৱাবলৈ ধাৰ্য কৰা হয় সেই ঘৰৰ চোতালত ৰাতিপুৱাৰ পৰা খোৱা-লোৱাৰ আয়োজন চলে। আৰু গধূলিলৈ খোৱা-বোৱা শেষ কৰি হুঁচৰি আৰম্ভ কৰে আৰু বয়সস্থ লোক কেইজনৰ বাহিৰে বাকী সকলোৱে ঘৰা-ঘৰি যায়গৈ। মধ্য নিশা এই হুঁচৰি দলটোৱে বিহু মাৰি মাৰি গাঁওখনৰ পৰা নিলগত গৈ ঢোলৰ মাৰি পেলাই পথাৰৰ মূৰত থকা গছ এজোপাত গামোচা এখন বান্ধি বিহু উকুৱাই থৈ আহে। আহোঁতে কোনেও পিছলৈ ঘূৰি নাচায়। চালে অমঙ্গল হয় বুলি বিশ্বাস।

শদিয়াৰ প্ৰতিখন গাঁৱতে বিহু উকুৱাই শেষ হোৱাৰ পাছত শদিয়াৰ কুকুৰামৰা গাঁৱত সমজুৱাভাৱে সমগ্ৰ শদিয়াই ব'হাগ মাহৰ শেষৰ মঙ্গলবাৰে বিহু উকুৱায়। এই বিহু উকুৱা অনুষ্ঠানটোৰ মূল আকৰ্ষণ হৈছে 'বহুৱা নৃত্য'। এই বহুৱা নৃত্য কেৱল দৈছুং, খুমটাই, বৰুৱা, কান্তক, বালিচিৰিং, লাহন আদি বংশৰ আহোম সম্প্ৰদায়ৰ লোকেহে কৰিব পাৰে। কথিত আছে শদিয়াত ৰাজত্ব কৰিবলৈ আহোমসকলে দৈছুং 'বহুৱা' আৰু চিৰিঙাই 'নটুৱা' লগতে লৈ আহিছিল। আহোমৰ স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়া সকলে ৰংঘৰত উঠি বিহুত বিভিন্ন ৰং-ধেমালীৰ লগতে এই 'বহুৱা' আৰু 'নটুৱা' নৃত্য উপভোগ কৰিছিল। 'বহুৱা নৃত্য' আৰু 'নটুৱা নৃত্য' কোঁৱৰ, বৰগোঁহাই আৰু বুঢ়াগোহাঁই বংশৰ লোকে কৰিব নোৱাৰে। আৰু কৰিলে নানান অপায়-অমঙ্গল দেখা দিব বুলি শদিয়াত জনবিশ্বাস আছে। কাৰণ পুৰণি পৰম্পৰা অনুসৰি আহোম ৰজা আৰু ডা-ডাঙৰীয়া সকলে নৃত্য উপভোগহে কৰিছিল। নিজে নৃত্য নকৰিছিল। উক্ত দিনা দৈছুং বৰুৱা বংশৰ এজন লোকক মুণ্ডহীন এটা বাঁহৰ সজা সাজি তাত কলপাত ছিৰিলি ছিৰিলি কৰি বান্ধি বহুৱা সজোৱা হয়। আৰু আন তিনিজন লোকক গাত কলপাত ছিৰিলি ছিৰিলি কৰি বান্ধি মিছিমি সজায়। মিছিমি কেইটাই মূৰত ক'লা কাপোৰ বন্ধা, পিঠিত মিছিমি হোৱা, মূৰত মিছিমি টুপী, পিঠিত ধনুকাঁড়, মুখত কানিৰ চিলিম আৰু হাতত কাঠৰ তৰোৱাল এইদৰে সজাই পথাৰৰ ওচৰৰ হাবিত এৰি থৈ আহে।

ৰাজহুৱা বিহু উকুৱা পথাৰত দিনৰ প্ৰায় ১১ মান বজাৰ পৰা ডেকা-গাভৰু সকলে বিহু মাৰে। আবেলি বয়োজ্যেষ্ঠসকলে হুঁচৰি গাই গাই ঢোল, পেঁপা, তাল, বাঁহী আদি বাদ্যৰ সৈতে 'বহুৱা' আৰু মিছিমি' কেইজনক



হাবিৰ পৰা আদৰি আনি যথাযোগ্য সন্মান প্ৰদৰ্শন কৰা হয়। তাৰ পিছত 'বহুৱা' আৰু মিছিমি-এ ঢোলৰ চেৱে চেৱে নৃত্য কৰে। তিনিটা ঢোলৰ চেৱত এই নৃত্য প্ৰদৰ্শন কৰা হয়। ঢোলৰ চেৱ কেইটা হ'ল —

১) ঘিন কিজাউ-কিজাউ নিকিজাউ ধেই।

২) ঘিন তিঘিন তিঘিন, ধিকিত ধিতাও তিঘিন জাং ধেই।

৩) ঘিন জাং তিঘিন, তিঘিন ঘিন জাং ধেই।

নৃত্যৰত অৱস্থাতে মিছিমি কেইজনে কাঁড় বহুৱাৰ গালৈ, এপাত তললৈ অৰ্থাৎ পাতাললৈ আৰু এপাত ওপৰলৈ অৰ্থাৎ স্বৰ্গলৈ মাৰি পঠিয়ায়। সেই নাচ উপস্থিত সকলো ৰাইজে সসন্মানে আৰু মনত শ্ৰদ্ধা সহকাৰে উপভোগ কৰে। আৰু নাচৰ শেষত 'বহুৱা' আৰু 'মিছিমি' কেইজনে পুনৰ হাবিলৈ সোমায় যায় আৰু কাপোৰবোৰ সলায় লয়। ৰাজহুৱা পথাৰত বহুৱা নৃত্য সামৰাৰ পিছত যি ঘৰ মানুহৰ ঘৰত প্ৰথম হুঁচৰি মৰা হৈছিল সেইঘৰলৈ হুঁচৰি দল পুনৰ গৈ খোৱা-বোৱা কৰি নিশা হুঁচৰি আৰম্ভ কৰে। আৰু নীতি অনুসৰি অভিজ্ঞ আৰু বয়োজ্যেষ্ঠ লোক সকলে বিহু উকুৱাই বছৰটোলৈ ব'হাগীক বিদায় দিয়ে। ইয়াতে উল্লেখ কৰিব পাৰি যে, শদিয়াত ''বহুৱা নৃত্য''ৰ দৰে ''নটুৱা নৃত্যও'' প্ৰচলন আছে। এই নৃত্য কেৱল শদিয়াৰ পশ্চিম দিশত থকা কিছুমান গাঁৱতহে প্ৰচলন আছে। এই নৃত্যত ''চিৰিঙাই'' বংশৰ লোকেহে ভাগ ল'ব পাৰে। চিৰিঙাই বংশৰ এজন লোকক বগা সাজ-পাৰ আৰু নাৰীৰ সকলো অলংকাৰ পৰিধান কৰাই ''নটুৱা'' সজোৱা হয়। কথিত আছে নৃত্যৰত অৱস্থাত ''নটুৱা''ৰ গাত দেওধনী উঠে। জ্বলন্ত শলিতা খাই ভূত-ভৱিষ্যতৰ কথাও হেনো ক'ব পাৰে। ''নটুৱা'' নৃত্যত কেৱল ঢোলৰ এটা চেৱতহে নৃত্য প্ৰদৰ্শন কৰে।

''ঘিন কিজাউ কিজাউ নিকিজাউ ধেই।''

এনেদৰেই শদিয়াবাসীয়ে এক সুকীয়া পৰম্পৰাৰে বাপতি সাহোন ৰঙালী বিহুটি উলহ-মালহেৰে পালন কৰি ব'হাগৰ গৰিমা দুগুণে চৰাইছে আৰু বাৰেৰহণীয়া অসমীয়া সংস্কৃতিৰ পথাৰখন অধিক মোহনীয় কৰি তুলিছে। ■

*(প্ৰকাশ কাল ঃ ২০১৩-১৪)*

# গণশিল্পী জ্যোতিপ্ৰসাদ ঃ সংস্কৃতিৰ ধাৰণা আৰু ৰূপান্তৰৰ সাধনা

**নীলিমজ্যোতি সেনাপতি**
সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩-১৯৫১) অসমীয়া জনমানসত ‘ৰূপকোঁৱৰ’ হিচাপেই পৰিচিত আৰু সমাদৃত। কিন্তু এই ‘ৰূপকোঁৱৰ’ অভিধাই বহু সময়ত প্ৰকৃত জ্যোতিপ্ৰসাদ জনক ঢাকি ৰখা পৰিলক্ষিত হয়। বহুমুখী প্ৰতিভাৰ আকৰ, একেধাৰে গীতিকাৰ, সুৰকাৰ, কবি, সাহিত্যিক, চিত্ৰকৰ, নৰ্তক, বোলছবি নিৰ্মাতা, বিপ্লৱী গণনায়ক জ্যোতিপ্ৰসাদে কিন্তু নিজৰ পৰিচয় দিছিল এজন ‘শিল্পী’ বুলিহে। কিন্তু জ্যোতিপ্ৰসাদ অন্য বহুজনৰ দৰে মঞ্চ বা ষ্টুডিঅ’ৰ সুৰক্ষিত তথা আৰামদায়ক আৱেষ্টনীত গীত, নৃত্য প্ৰদৰ্শন কৰি ধন, বঁটা-বাহন ঘটা তথাকথিত শিল্পী নাছিল। তেওঁ আছিল প্ৰকৃতাৰ্থত এজন ‘গণশিল্পী’ - যি নিজৰ শিল্প প্ৰতিভাৰ ব্যৱহাৰ কৰিছিল জনতাৰ চেতনাৰ জাগৰণৰ বাবে আৰু ‘সংস্কৃতি’ক গ্ৰহণ কৰিছিল সমাজৰ উত্তৰণৰ মাধ্যম হিচাপে।

বিংশ শতাব্দীৰ প্ৰথম দশকত অসমৰ এক প্ৰসিদ্ধ চহকী ব্যৱসায়ী পৰিয়ালত জন্ম গ্ৰহণ কৰা জ্যোতিপ্ৰসাদ সৰু কালৰেপৰা এখন ‘সুন্দৰ পৃথিৱী’ৰ সপোন দেখিছিল। যি পৰৱৰ্তী সময়ত তেওঁৰ ৰচনাত ‘শিল্পীৰ পৃথিৱী’ হিচাপে পৰিস্ফুট হৈছিল। জ্যোতিপ্ৰসাদে সমাজৰ সকলো অশুভ শক্তিক ‘দুস্কৃতি’ বুলি অভিহিত কৰিছিল আৰু দুস্কৃতি নাশিবৰ বাবে ‘সংস্কৃতি’ক অস্ত্ৰ ৰূপে তুলি লৈছিল। পৰাধীন ভাৰতত জন্ম গ্ৰহণ কৰা

TINSUKIA COLLEGE LIBRARY
ESTD 1956



জ্যোতিপ্ৰসাদে বৃটিছ সাম্ৰাজ্যবাদৰ অশুভ ৰূপ দেখি তাৰ বিৰুদ্ধে দেশজুৰি আৰম্ভ হোৱা মুক্তি সংগ্ৰামত অতি কম বয়সতে যোগদান কৰিছিল। স্কুলত পঢ়ি থকা অৱস্থাতে ‘অসম ছাত্ৰ সন্মিলন’ৰ সদস্য হিচাপে সক্ৰিয় সামাজিক, ৰাজনৈতিক জীৱন আৰম্ভ কৰা জ্যোতিপ্ৰসাদে পৰৱৰ্তী কালত ‘আসাম এচোছিয়েচন’ আৰু জাতীয় কংগ্ৰেছৰ জৰিয়তে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এজন আগশাৰীৰ ৰণুৱা হৈ পৰে।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰধান পৰ্যায় সমূহত অসমত জ্যোতিপ্ৰসাদে সক্ৰিয় ভূমিকা পালন কৰিছিল। এফালে কংগ্ৰেছ কৰ্মী হিচাপে তেওঁ সংগ্ৰামৰ ৰাজনৈতিক নেতৃত্ব দি গাঁৱে ভূঞে কংগ্ৰেছৰ সংগঠন কৰিছিল। আনহাতে শিল্পী হিচাপে গীত মাত লিখনীৰে জনতাক সাংস্কৃতিক ভাৱে জাগৰিত কৰি দেশৰ মুক্তি সংগ্ৰামত যোগ দিবলৈ তেওঁলোকক উদ্বুদ্ধ কৰিছিল। অসমত ভাৰতৰ স্বাধীনতা সংগ্ৰাম এক গণ আন্দোলনত পৰিণত হোৱাত জ্যোতিপ্ৰসাদৰ সাংগঠনিক কৰ্ম আৰু বিপ্লৱী গীত সমূহৰ ভূমিকা আছিল অনন্য। ১৯২৯ চনত অসম ছাত্ৰ সন্মিলনৰ তেজপুৰৰ অধিৱেশন উপলক্ষে জ্যোতিপ্ৰসাদে বিলাতত থাকোঁতেই ৰচনা কৰা ‘লুইতৰ পাৰৰে আমি ডেকা ল’ৰা মৰিবলৈ ভয় নাই....’ শীৰ্ষক গীতটো কেৱল স্বাধীনতা সংগ্ৰামৰ সময়তেই নহয় আজিকোপতি অসমীয়া যুৱ সমাজৰ বাবে অনুপ্ৰেৰণা আৰু উদ্দীপনাৰ উৎস হৈ অসমীয়া জাতীয় চেতনাৰ অংগত পৰিণত হৈছে। আনহাতে ৪২’ ৰ ভাৰত ত্যাগ আন্দোলনৰ কালছোৱাত শিল্পী জ্যোতিপ্ৰসাদ এজন পূৰ্ণাংগ বিপ্লৱী স্বাধীনতা সংগ্ৰামী ৰূপে আত্মপ্ৰকাশ কৰিছিল। জ্যেষ্ঠ কংগ্ৰেছী নেতা সকলৰ অবৰ্তমানত জ্যোতিপ্ৰসাদে সমগ্ৰ অসমৰ নেতৃত্ব লৈ সেৱাদল আৰু শান্তিসেনাৰ নেতা হিচাপে অসুস্থ দেহাৰেই সংগঠনৰ কামত নানা অঞ্চল ঘূৰি নিজৰ জ্বালাময়ী ভাষণ আৰু তেজোদীপ্ত গীতেৰে (বিশ্ববিজয়ী ন জোৱান, সাজু হ সাজু হ ন জোৱান তই কৰিব লাগিব অগ্নিস্নান ইত্যাদি) জনতাৰ মাজত জাগৰণ তুলিছিল। ১৯৪৩ চনত কংগ্ৰেছ দলৰ সিদ্ধান্ত ক্ৰমে জ্যোতিপ্ৰসাদ কলিকতালৈ গৈ আত্মগোপন কৰে আৰু তাৰ পৰাই অসমৰ সংগ্ৰামৰ লগত সহযোগ অব্যাহত ৰাখে। এই সময়তে জ্যোতিপ্ৰসাদ জয়প্ৰকাশ নাৰায়ণ, অৰুণা আছফ আলী আদি বিপ্লৱী সকলৰ সংস্পৰ্শলৈ আহে। ইতিমধ্যে চৰকাৰে জ্যোতিপ্ৰসাদক ‘পলাতক’ ঘোষণা কৰে। অৱশ্যে গান্ধীজীৰ আহ্বানৰ

প্ৰতি সঁহাৰি জনাই তেওঁ চৰকাৰৰ ওচৰত শেষত আত্মসমৰ্পণ কৰে।

১৯৪৩ চনৰ পৰৱৰ্তী পৰ্যায়ত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাত এক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। নিজকে 'আজীৱন কংগ্ৰেছী' আৰু গান্ধীবাদী বুলি পৰিচয় দিয়া জ্যোতিয়ে লাহে লাহে কংগ্ৰেছ দলৰ বহু নেতাৰ কৰ্ম আৰু আদৰ্শৰ ওপৰত বিশ্বাস হেৰুৱাই কংগ্ৰেছ সংগঠনৰ পৰা ধীৰে ধীৰে আঁতৰি আহে আৰু প্ৰগতিবাদ আৰু সাম্যবাদৰ নতুন ধাৰাক আঁকোৱালি লয়।

ইতিমধ্যে, ১৯৩০ ৰ দশকৰ মধ্যভাগৰ পৰা ভাৰত জুৰি আৰম্ভ হোৱা প্ৰগতিবাদী সাহিত্য ধাৰাই অসমতো প্ৰৱেশ কৰে। ভবানন্দ দত্ত, অমূল্য বৰুৱা, ধীৰেন্দ্ৰনাথ দত্ত, চক্ৰেশ্বৰ ভট্টাচাৰ্য আদি মাৰ্ক্সবাদী আদৰ্শৰে দীক্ষিত এচাম যুৱকৰ উদ্যোগত অসমীয়া কাব্য সাহিত্যত 'সমাজবাদী বাস্তৱতা'ৰ যুগ আৰম্ভ হয় আৰু ইয়াত মুখ্য ভূমিকা গ্ৰহণ কৰে *জয়ন্তী* আলোচনীয়ে। ৰূপান্তৰৰ সাধক জ্যোতিপ্ৰসাদ সাহিত্যৰ এই নতুন ধাৰাৰ প্ৰতি আকৰ্ষিত হয় আৰু *জয়ন্তী* য়ে আৰম্ভ কৰা প্ৰগতিবাদী কাব্য ধাৰাত চামিল হয়। '*জয়ন্তী*'ত প্ৰকাশিত 'চিৰ বিদ্ৰোহী' (১৯৪৩) কবিতাত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ এক ন ৰূপ প্ৰতিভাত হয়, য'ত তেওঁ ঘোষণা কৰে 'ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে, এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।'

চিৰ বিদ্ৰোহী জ্যোতিপ্ৰসাদ আছিল সমাজৰ ৰূপান্তৰৰ সাধক। এই ৰূপান্তৰৰ সাধনাত তেওঁ জীৱনৰ আদি কালছোৱাত কংগ্ৰেছৰ মজিয়াত থাকি সাম্ৰাজ্যবাদ ৰূপী দুস্কৃতিৰ বিৰুদ্ধে যুঁজিছিল। কিন্তু স্বাধীনতা আন্দোলনৰ শেষকালৰ কথা কাণ্ডসমূহ দেখি জ্যোতিপ্ৰসাদে উপলব্ধি কৰিলে যে বৃটিচৰ হাতৰ পৰা লাভ কৰা ৰাজনৈতিক স্বাধীনতাই শোষিত জনতাৰ মুক্তি আনিব নোৱাৰে। গণশিল্পী জ্যোতিপ্ৰসাদে সেয়েহে জনতাৰ মুক্তিৰ প্ৰকৃত পথৰ সন্ধানত ব্ৰতী হ'ল। সেই সময়তে, ১৯৪৫ চনত হেমাংগ বিশ্বাসৰ জৰিয়তে জ্যোতিপ্ৰসাদ ভাৰতীয় গণ নাট্য সংঘ(IPTA) ৰ সংস্পৰ্শলৈ আহে। IPTAৰ জৰিয়তে জ্যোতিয়ে গণমুক্তিৰ নতুন পথৰ সন্ধান পায় আৰু 'গণনাট্য'ই দেশ জুৰি আৰম্ভ কৰা নতুন সংস্কৃতিক আন্দোলনত চামিল হয়। ১৯৪৭ত গণনাট্যৰ অসম শাখাৰ সভাপতিৰ দায়িত্ব লৈ জ্যোতিপ্ৰসাদে গণ সংস্কৃতি আন্দোলনৰ গুৰি ব'ঠা হাতত তুলি সম্পূৰ্ণ ৰূপে এজন গণশিল্পী ৰূপে আত্মপ্ৰকাশ কৰে। ইতিমধ্যে ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰে যদিও



স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতা, বিশিষ্ট গান্ধীবাদী ৰূপে পৰিচিত জ্যোতিপ্ৰসাদে ক্ষমতাৰ ৰাজনীতিৰ পৰা আঁতৰি গণ সংস্কৃতিৰ চৰ্চাৰে জনতাৰ মুক্তিৰ সন্ধানত নিজৰ আলোক যাত্ৰা অব্যাহত ৰাখে। এই সময়ছোৱাতে তেওঁ মাৰ্ক্সবাদী চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হয় আৰু বহু পৰিমাণে বামপন্থী শিবিৰৰ কাষ চাপি আহে। গণনাট্যৰ সোণালী যুগতে জ্যোতিপ্ৰসাদৰ চিন্তাৰ উত্তৰণ ঘটে আৰু সেই সময়ছোৱাত ৰচিত তেওঁৰ আলোক সন্ধানী ৰচনাৰাজি (*শিল্পীৰ পৃথিৱী, পোহৰলৈ, আইদেউৰ জোনাকী বাট, ভাবীকালৰ সংস্কৃতি, নালিয়া পুলৰ বিপদ সংকেত* আদি) ৰ জৰিয়তে জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক, সাংস্কৃতিক চিন্তাধাৰাৰ পূৰ্ণ ৰূপত প্ৰতিফলন ঘটে। ১৯৪৬ ৰ পৰৱৰ্তী সময়ছোৱাৰ সকলো ৰচনাতে আমি দেখিবলৈ পাওঁ জ্যোতিপ্ৰসাদৰ সংস্কৃতি চিন্তাৰ এক ন-ৰূপ, য'ত তেওঁ স্পষ্ট ৰূপত এক গণ সংস্কৃতিৰ ভেটিত সংগঠিত গণ সংগ্ৰামৰ যোগেদিহে বৰ্তমানৰ সমাজ ব্যৱস্থা ভাঙি এক নতুন সমাজ গঢ়া সম্ভৱ হ'ব বুলি ভাবিছিল। জ্যোতিপ্ৰসাদে মাৰ্ক্সবাদী চিন্তাৰে প্ৰভাৱিত হৈ এখন সাম্যবাদী সমাজৰ সপোন দেখিছিল, যাক তেওঁ কল্পনা কৰিছিল এখন 'সুন্দৰ পৃথিৱী'- 'শিল্পীৰ পৃথিৱী' হিচাপে।

জ্যোতিপ্ৰসাদে কৈছিল যে সমাজৰ ৰূপান্তৰৰ প্ৰক্ৰিয়াত মূল অনুঘটকৰ ভূমিকা ল'ব লাগিব শিল্পীসকলে। কাৰণ, 'এই জনতাৰ হাতত পৃথিৱীখনে দিয়াই হ'ল শিল্পীৰ পলিটিক্স।'('শিল্পীৰ পৃথিৱী', *ৰচনাৱলী*, পৃ.৪৭৪) জ্যোতিপ্ৰসাদে ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আৰু সংস্কৃতিৰ মাজত থকা সম্পৰ্ক বুজি পাইছিল আৰু জীৱনৰ সকলো দিশতে সৌন্দৰ্যৰ পূৰ্ণ স্ফুৰণ ঘটাৰ কামনা কৰিছিল। জীৱনৰ সকলো দিশতে সৌন্দৰ্য বিচাৰি তেওঁ নিজেই এজন 'জীৱন শিল্পী'ত পৰিণত হৈছিল।

জ্যোতিপ্ৰসাদৰ চিন্তাত শিল্পী হ'ল সুন্দৰৰ সাধক, যাৰ মূল লক্ষ্য হ'ল পৃথিৱীখনক অধিক সুন্দৰ কৰা। কিন্তু জ্যোতিৰ সুন্দৰৰ ধাৰণা আছিল সুকীয়া ধৰণৰ। আৰ্থ সামাজিক বৈষম্য, অন্যায়, অবিচাৰে ভৰি থকা সমাজ এখন বাহ্যিক দৃষ্টিত সুন্দৰ হ'লেও জ্যোতিয়ে তাক সুন্দৰ নহয় বুলি কৈছিল। শোষণ নিপীড়ন নথকা, আৰ্থ সামাজিক ন্যায়পূৰ্ণএখন সমাজহে জ্যোতিৰ দৃষ্টিত প্ৰকৃত সুন্দৰ সমাজ। এনে এখন সুন্দৰ সমাজ গঢ়াৰ বাবে শিল্পীয়ে জনতাক উদ্বুদ্ধ কৰিব লাগিব নিজৰ সৃষ্টিৰে। জ্যোতিয়ে লিখিছিল,

*শিল্পীৰ মই পালোঁ যে নতুন অৰ্থ*
*মানুহৰ মহাসত্য..*
*মানুহক মই ন ৰূপ দিম*
*পৃথিৱীখনকে পুনৰ গঢ়িম*
*মোৰ ই দৃষ্টিৰ নতুন সৃষ্টি*
*অৱশ্যে অব্যৰ্থ।*

জ্যোতিপ্ৰসাদে 'কৃষ্ণ'ক নিজৰ জীৱনৰ আদৰ্শ ৰূপে লৈছিল আৰু শিল্পী সকলক নতুন সমাজ গঢ়াৰ সংগ্ৰামত 'কৃষ্ণ'ৰ ভূমিকা ল'বলৈ আহ্বান জনাইছিল। অৱশ্যে প্ৰকৃতাৰ্থত আধুনিক আৰু বিজ্ঞানমনস্ক জ্যোতিয়ে 'কৃষ্ণ'ৰ নতুন ধৰ্ম নিৰপেক্ষ ব্যাখ্যা আগবঢ়াই 'কৃষ্ণ' শব্দৰ অৰ্থ সংস্কৃতি বুলি এক নতুন অৱধাৰণা আগবঢ়াইছিল। তেনেদৰে 'শিল্পী'ৰ সংজ্ঞাও নতুনকৈ দাঙি ধৰি সমাজৰ উত্তৰণৰ বাবে কাম কৰা সকলো মহান ব্যক্তিত্বকে শিল্পী বুলি অভিহিত কৰিছিল। সেয়েহে, তেওঁৰ দৃষ্টিত গান্ধী, লেনিন, হজৰত মহম্মদ আদিও শিল্পী। কৃষ্ণৰ পাছতেই  জ্যোতিয়ে শংকৰদেৱৰ আদৰ্শ গ্ৰহণ কৰিছিল আৰু শংকৰদেৱক ধৰ্ম প্ৰচাৰকৰ পৰিৱৰ্তে সমাজৰ সংস্কাৰকামী বিপ্লৱী শিল্পী হিচাপে প্ৰতিষ্ঠা কৰিছিল। জ্যোতিপ্ৰসাদে লিখিছিল, 'সংস্কৃতি জীৱনৰ দুষ্কৃতিৰ সৈতে চূড়ান্ত সংগ্ৰাম শিল্পীৰ অকল অহিংস নৈতিক অস্ত্ৰৰূপেই শিল্পীৰূপেই কৰিব নোৱাৰি কৃষ্ণাৰ্জুন হৈ সংগ্ৰামত প্ৰবৃত্ত হয়।' ('শিল্পীৰ পৃথিৱী', *ৰচনাৱলী*, পৃ ৪৬৩)

জ্যোতিপ্ৰসাদে স্বাধীনতাৰ দোকমোকালি পৰতেই উপলব্ধি কৰিছিল যে সাম্ৰাজ্যবাদ আৰু পুঁজিবাদ দুয়োটাই 'দুষ্কৃতিৰ' দুই ৰূপ। পৰাধীন ভাৰতত সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজ কৰা জ্যোতিয়ে সেয়েহে স্বাধীন ভাৰতত পুনৰাই এক নতুন মুক্তি যুঁজ আৰম্ভ কৰিছিল। পুঁজিবাদ ৰূপী দুষ্কৃতিৰ বিৰুদ্ধে। সেই সময়তে সাম্যবাদী আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈ জ্যোতিপ্ৰসাদে দ্ব্যৰ্থহীন ভাষাত লিখিছিল, 'মানুহৰ সমাজত যি অৰ্থনৈতিক অ-সামঞ্জস্যতাই সমাজৰ এভাগক সাংস্কৃতিক জীৱনৰ পৰা বঞ্চিত কৰি আপচুকৈ থৈছে-অসুন্দৰ কৰি থৈছে সেই ভাগতো সৌন্দৰ্য নমাবলৈ মানুহৰ নৱতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য প্ৰয়াস হৈছে সাম্যবাদ।' ('পোহৰলৈ', *ৰচনাৱলী*, পৃঃ৪৮৩)। কেৱল লিখাতেই ক্ষান্ত নাথাকি জ্যোতিয়ে কমিউনিষ্ট আদৰ্শৰে পুষ্ট গণনাট্য সংঘৰ মজিয়াত



থিয় হৈ দুষ্কৃতি বিনাশী সাম্য সংস্কৃতি প্ৰতিষ্ঠাৰ জনতাৰ আলোক যাত্ৰাত
চামিল হৈছিল, ব্যক্তিগত বিপৰ্যয়, ৰাজনৈতিক সমালোচনা সকলো নেওচি থৈ।
জ্যোতিপ্ৰসাদৰ সংস্কৃতি সম্পৰ্কীয় ধাৰণাত যথেষ্ট পৰিমাণে মাৰ্ক্সীয়
নন্দনতত্ত্বৰ সামঞ্জস্য বা প্ৰভাৱ দেখা যায়। মাৰ্ক্সবাদী সকলৰ দৰেই জ্যোতিয়েও
সংস্কৃতি আৰু অৰ্থনীতিৰ মাজৰ সম্পৰ্ক বুজি পাইছিল আৰু লিখিছিল —

*সংস্কৃতি ফুলত থাকে*
*অৰ্থনীতিৰ গুটি*
*বাস্তৱৰ মাটিত পৰি*
*গজে ফুটি ফুটি।* (*ৰচনাৱলী*, পৃঃ ৭৫৪)

মাৰ্ক্সবাদী নন্দনতত্ত্বৰ নীতিৰ লগত ৰজিতা খুৱাই জ্যোতিপ্ৰসাদেও শিল্পী
সাহিত্যিকক কল্পনাৰ কাৰেংঘৰৰ পৰা নামি বাস্তৱ সমাজৰ জীয়া ছবি নিজৰ
সৃষ্টিৰ মাজেদি দাঙি ধৰি জনতাৰ মাজত বিপ্লৱী চেতনা জাগ্ৰত কৰাত ব্ৰতী
হ'বলৈ আহ্বান জনাইছিল। সমাজ বিপ্লৱত শিল্পী সাহিত্যিকৰ ভূমিকা সম্পৰ্কে
জ্যোতিৰ চিন্তাধাৰাৰ লগত মাৰ্ক্সবাদী সকলৰ, বিশেষকৈ মাৰ্ক্স, এংগেলচ,
লেনিন, মাও আৰু গ্ৰামচীৰ চিন্তাধাৰাৰ গভীৰ সাদৃশ্য পৰিলক্ষিত হয়। লেনিনে
লিখিছিল, *Literature must become part of the comon cause of*
*the proletariate a lag and screw of one single great social*
*democreatic mechanism set in motion by the entire politically*
*consious vanguard of the entire working class.* ('party
organisation and party literature.' *collected Works*, p. 45) চীনৰ
সাম্যবাদী বিপ্লৱৰ নেতা মাওজে ডঙেও কৈছে, *China's revolutianary*
*writers and artists, writers and artists of high promise must go*
*among the masses of workers, peasants and soldiers, go into*
*the heart of the struggle.* ('Literature and Art', *selected works*)
লেনিন আৰু মাওৰ চিন্তাৰ প্ৰতিধ্বনি আমি দেখা পাওঁ জ্যোতিপ্ৰসাদৰ
বহু লিখনীত। এটা মাত্ৰ উদাহৰণেই যথেষ্ট —

*শিল্পী সাহিত্যিক, কবি, দাৰ্শনিক হৈ আজি দেশৰ এই সাংস্কৃতিক*
*ভ্ৰষ্টতাৰপৰা উদ্ধাৰ কৰিবলৈ যি নিজৰ কৰ্তব্যৰ আওহেলা কৰিব, নিজৰ*
*ৰাইজৰ প্ৰতি কৰ্তব্য উপলব্ধি নকৰি মাথোন পলাতকৰ মনোবৃত্তিৰে সমাজৰ*

*দেশৰ জীৱনৰ বেমেজালিৰ পৰা আঁতৰি সপোনৰ মায়াজালৰ বুলনি চ'ৰাতেই থাকিব খুজিব, সেইসকল নিশ্চয়েই আজি বিপদৰ সময়ত দেশৰ প্ৰতি কৰ্তব্য পালন নকৰাৰ দোষত পৰিবই লাগিব।* ('পোহৰলৈ', *ৰচনাৱলী*, পৃঃ ৪৮৫)। অৱশ্যে গ্ৰামচিৰ দৰেই জ্যোতিয়েও শিল্পীৰ ওপৰত 'পাৰ্টি'ৰ কঠোৰ নিয়ন্ত্ৰণৰ বিৰোধিতা কৰিছিল আৰু শিল্পীৰ সৃষ্টিৰ স্বাধীনতাৰ পোষকতা কৰিছিল।

'দুষ্কৃতিৰ বিৰুদ্ধে শিল্পীৰ সংগ্ৰামত জ্যোতিপ্ৰসাদে 'সংস্কৃতি'ক প্ৰধান অস্ত্ৰ হিচাপে গণ্য কৰিছিল। জ্যোতিপ্ৰসাদে 'সংস্কৃতি'ৰ ধাৰণাটোৰে নৱ ব্যাখ্যা কৰি তাৰ বিকাশ ঘটাইছিল। জ্যোতিৰ সংস্কৃতিৰ ধাৰণা প্ৰতিষ্ঠিত আৰ্থ সামাজিক বিশ্লেষণৰ ভেটিত। জ্যোতিৰ সংস্কৃতি ধাৰণা জনতা কেন্দ্ৰিক। তেওঁ আছিল গণ–সংস্কৃতিৰ ধাৰক আৰু বাহক। সেয়েহে তেওঁ লিখিছিল , *যি সংস্কৃতি বিশ্ব শৃংগলৈ উঠিব তাৰ ভেটি বান্ধিব লাগিব বিশ্ব জনতাৰ ওপৰত – বিশ্ব জনতাৰ হৃদয়ত, মনত, দুখত, আনন্দত। তেতিয়া হ'লেই মানৱ সংস্কৃতিয়ে তাৰ স্বাভাৱিক বিশ্বৰূপত ওলাব। যি যিমান উচ্চ সংস্কৃতি সি সিমান বহল হৈ জনতাক সামৰিব লাগিব।* ('শিল্পীৰ পৃথিৱী', *ৰচনাৱলী*, পৃঃ ৪৭৩) সংস্কৃতি আৰু দুষ্কৃতিৰ চিৰন্তন যুঁজত শিল্পী সদায় থিয় দিব লাগিব সংস্কৃতিৰ পথত। জ্যোতিপ্ৰসাদে বিশ্বৰ সকলো জাতি জনগোষ্ঠীৰ নিজস্ব সংস্কৃতিৰ স্বকীয়তা আৰু সৌন্দৰ্য অক্ষুণ্ণ ৰাখি এক সংমিশ্ৰিত বিশ্ব সংস্কৃতি গঢ়াৰ সপোন ৰচিছিল। সেয়েহে তেওঁ লিখিছিল, 'সংস্কৃতিয়ে সংস্কৃতিয়ে কেতিয়াও সংঘৰ্ষ নহয়, সংঘৰ্ষ হয় দুষ্কৃতিৰ সৈতে।' (পোহৰলৈ, *ৰচনাৱলী*, পৃঃ ৪৮৪)। বিশ্বশিল্পী জ্যোতিপ্ৰসাদে বিশ্বাস কৰিছিল বিশ্ব জনতাই সংস্কৃতিৰ অস্ত্ৰেৰে 'দুস্কৃতি'ৰ বিৰুদ্ধে যুঁজি এক 'শিল্পীৰ পৃথিৱী' নিৰ্মাণ কৰিব– যিখন হ'ব এখন 'সাম্য'ৰ পৃথিৱী। জ্যোতিৰ আছিল সাধাৰণ জনতাৰ শক্তিৰ ওপৰত গভীৰ বিশ্বাস আৰু সেয়েহে তেওঁ সদায় এক সৰ্বাত্মক গণ বিপ্লৱৰ জৰিয়তেহে সমাজৰ ৰূপান্তৰ সম্ভৱ বুলি ভাবিছিল। এই নতুন সমাজ গঢ়াৰ প্ৰক্ৰিয়াত শিল্পীৰ দায়িত্ব হ'ল জনতাৰ মাজত বিপ্লৱী চেতনাৰ বিকাশ ঘটাই বিপ্লৱৰ পৰিৱেশ ৰচনা কৰা। জ্যোতিয়ে ভাবিছিল মূক জনতা এদিন নিশ্চয় জাগি উঠিব আৰু সকলো অন্যায়, অবিচাৰ শোষণৰ প্ৰতীক পুঁজিবাদী 'দুস্কৃতি' ধ্বংস কৰি এখন সুন্দৰ নতুন পৃথিৱী গঢ়ি তুলিব। তেওঁৰ শেষ জীৱনৰ কবিতা আৰু গান সমূহত তেওঁৰ আশাবাদ গভীৰ ভাৱে ফুটি উঠিছে —



''বিপ্লৱৰ মহাচক্ৰ ঘূৰে/নতুনৰ সৃষ্টিৰ অগ্নি বীজ/ দিশে দিশে উৰে/ নতুন পৃথিৱীখন উজলি উঠিছে দূৰে দূৰে।'' ('নতুন', *ৰচনাৱলী*, পৃঃ ৬১৬)

সম্প্ৰতি বিশ্বায়নৰ ঢৌৱে চৌদিশ ধুৱাই যোৱাৰ সময়ত, চৌদিশে দুষ্কৃতিৰ জয়–জয়কাৰৰ দুঃসময়ত জ্যোতিপ্ৰসাদৰ চিন্তাধাৰা হৈ উঠিছে অতি প্ৰাসংগিক। আজি জনতাক বাট দেখুৱাবলৈ জ্যোতি -বিষ্ণু-ভূপেনৰ দৰে গণশিল্পীৰ অতি প্ৰয়োজন হৈছে। আজি বিশ্বায়নে 'বিশ্ব সংস্কৃতি' গঢ়াৰ নামত সমগ্ৰ বিশ্বতে একে ধৰণৰ 'সংস্কৃতি' জাপি দিবলৈ বিচাৰিছে। যি বিভিন্ন জাতি জনজাতি সমূহৰ নিজস্ব 'সংস্কৃতি' গ্ৰাস কৰি সি সমূহৰ স্বকীয় পৰিচিতি আৰু অস্তিত্বৰ প্ৰতি ভাবুকি আনিছে। তেনে এক পৰিৱেশত জ্যোতিৰ 'সংস্কৃতি'ৰ ধাৰণা আমি মনত পেলাব লাগিব। জ্যোতিয়েও 'বিশ্ব সংস্কৃতি' গঢ়াৰ কথা কৈছিল। কিন্তু সেই 'বিশ্ব সংস্কৃতি' আজিৰ বিশ্বায়ন কথিত বিশ্ব সংস্কৃতিৰ দৰে 'এক ৰূপী' সংস্কৃতি নহয়–সি হ'ব সকলো জাতি জনগোষ্ঠীৰ সংস্কৃতিৰ এক বহুবৰ্ণী সমাহাৰ য'ত সকলোৱে নিজস্ব সংস্কৃতিৰ উপাদান সমূহ প্ৰতিফলিত হ'ব। জ্যোতি আছিল এজন আন্তৰ্জাতিক জাতীয়তাবাদী-যি দেখুৱাই গৈছে জাতীয়তাবাদী হৈ এজন শিল্পী কিদৰে আন্তৰ্জাতিক হ'ব পাৰে। লুইতৰ ৰূপালী বালিত ভৰি থৈ জ্যোতিয়ে বিশ্বলৈ চকু মেলি চাইছিল। 'লুইতৰ আকাশত তৰাৰ তৰাৱলী' চাই বিমুগ্ধ হোৱা জ্যোতিয়ে 'গাঁৱলীয়া বাটেৰে জান জুৰি নিজৰাৰে' বিশ্ব অভিমুখী আলোক যাত্ৰা আৰম্ভ কৰিছিল। 'পৃথিৱীখনকে পুনৰ গঢ়িব' খোজা জ্যোতিয়ে কিন্তু 'মন ধুনীয়া গাঁৱৰ ল'ৰা'ৰ মাজতে নতুন বিশ্ব গঢ়াৰ মন আৰু শক্তি চিনিব পাৰিছিল। আজি বিভিন্ন গণ মাধ্যম সমূহে মুনাফাৰ লোভত সস্তীয়া আৰু তৰল মনোৰঞ্জনেৰে জনসাধাৰণক বিভ্ৰান্ত কৰি তুলিছে। ৰংচঙীয়া পৃথিৱীৰ সপোন দেখুৱাই আধাপেটী জনতাক প্ৰকৃত সমস্যা সমূহৰ পৰা আঁতৰাই ৰাখিছে। অধিকাংশ শিল্পীয়ে আজি বিশুদ্ধ Entertainer ৰ ভূমিকা পালন কৰি শিল্পীৰ দায়বদ্ধতাৰ পৰা, জনতাৰ পৰা দূৰত নিৰাপদ অৱস্থান গ্ৰহণ কৰিছে। বিশ্বায়ন কথিত নব্য উদাৰবাদৰ নামত এক নব্য ঔপনিৱেশবাদ আৰম্ভ হৈছে। সমগ্ৰ বিশ্বতে আজি মানৱতা সংকটৰ সন্মুখীন হৈছে। 'উত্তৰ আধুনিক' মানুহ আজি 'দিকভ্ৰান্ত'। ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান দিনে দিনে বৃদ্ধি পাইছে। তৃতীয় বিশ্বৰ দেশ সমূহত আজি বিশ্বায়নৰ কু-প্ৰভাৱ অধিক গভীৰ হৈ পৰিছে। মঙল গ্ৰহলৈ মানুহ যাবলৈ

ওলোৱাৰ সময়তে সমগ্ৰ বিশ্বতে ধৰ্মীয় উন্মাদনা, জনগোষ্ঠীয় সংঘাত বৃদ্ধি পাইছে। জনতা আজি দিশহাৰা। 'সংস্কৃতি' আৰু 'দুস্কৃতি'ৰ মাজৰ পাৰ্থক্য ধৰিব নোৱাৰি 'সংস্কৃতি'ৰ মাজতে দ্বন্দ্ব চলিছে আৰু 'দুস্কৃতি'ক সংস্কৃতিৰ ৰূপ দিয়াৰ বাবে এচাম পণ্ডিত বুদ্ধিজীৱীয়ে 'ইতিহাসৰ অন্ত' (End of History) আৰু 'সভ্যতাৰ সংঘাত'(Class of Civilisations) ৰ দৰে ধাৰণাৰ সৃষ্টি কৰি 'নব্য উদাৰবাদী' 'নব্য বিশ্ব ব্যৱস্থা'ক এক শ্ৰেষ্ঠ ব্যৱস্থা বুলি মানি ল'বলৈ জনতাৰ 'সন্মতি নিৰ্মাণ' (Manufacture of Consent) কৰিছে।

এনে দুঃসময়ত আজি জনতাৰ বাবে প্ৰয়োজন হৈছে জ্যোতি-বিষ্ণু-মঘাই ওজা-হেমাংগ বিশ্বাসৰ দৰে প্ৰকৃত গণশিল্পীৰ। এক গণ আন্দোলনৰ জৰিয়তে জনতাৰ সুপ্ত চেতনা জগাই তুলি 'দুস্কৃতি'ৰ স্বৰূপ প্ৰকাশ কৰাৰ সময় আহিছে। সমাজৰ ৰূপান্তৰ অনস্বীকাৰ্য। কিন্তু সেই ৰূপান্তৰৰ বাট কাটিবলৈ 'গণ শিল্পী' আজি ক'ত? আজি অতি প্ৰাসংগিক হৈ উঠিছে জ্যোতিৰ সেই অমোঘ বাণী ঃ 'সপোন দেখি ছবি আঁকি থকা শিল্পীৰে আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।'(আইদেউৰ জোনাকী বাট', *ৰচনাৱলী*, পৃঃ ৬০৩)। জ্যোতি-বিষ্ণুৰ সাংস্কৃতিক উত্তৰসূৰী ভূপেন হাজৰিকাই গণনাট্যৰ গণ সাংস্কৃতিক আন্দোলনৰ মজিয়াৰ পৰাই তাহানিতে জনোৱা আহ্বান আজিৰ শিল্পীয়ে শুনিবনে –''নামি আহা সুন্দৰৰ সেনা শিল্পী দল/এৰা সপোন ধেমালি।'' ■


**প্ৰসঙ্গ গ্ৰন্থ ঃ**

১) গোহাঁই, ড° হীৰেণ, (সম্পা), *জ্যোতি প্ৰসাদ ৰচনাৱলী* (৭ম প্ৰকাশ), অঃ প্ৰঃ পঃ, গুৱাহাটী, ২০০৭

২) Lenin, V.I., *Collected works*, Progress Publishers, Moscow, 1962.


*(প্ৰকাশ কাল ঃ ২০১৪-১৫)*



# কবিতাৰ সংজ্ঞা আৰু সাম্প্ৰতিক অসমীয়া কবিতা


**দেৱানন্দ ভট্টাচাৰ্য্য**

অধ্যাপক, দৰ্শন বিভাগ


''কবিতা কি?'' —এই বুলি প্ৰশ্ন কৰিলে তাৰ উত্তৰ দিয়াটো কঠিন। যুগ যুগ ধৰি বিভিন্নজনে কবিতাৰ সংজ্ঞা নিজৰ ধৰণে দিবলৈ যত্ন কৰিছে যদিও এই গোটেইবোৰ সংজ্ঞাই নিৰ্দিষ্ট ক্ষেত্ৰতহে অৰ্থৱহ। এক কথাত ক'বলৈ হ'লে কবিতাৰ কোনো নিৰ্দিষ্ট সংজ্ঞা দিব নোৱাৰি। ৱৰ্ডচৱৰ্থৰ মতে কবিতা হ'ল ''শান্ত প্ৰহৰত স্মৰণ কৰা আৱেগ-অনুভূতি' —আনহাতে মেথু আৰ্নল্ডৰ মতে, কবিতা জীৱনৰ সমালোচনা। এলিয়টৰ মতে, কবিতা নৈব্যক্তিক। আমাৰ অসমীয়া কবি সমালোচকসকলেও কবিতাৰ নিৰ্দিষ্ট সংজ্ঞা দিবলৈ আজিও অপাৰগ। তথাপিও ক'ব পাৰি যে কবিতা হ'ল অনুভৱৰ শাব্দিক প্ৰকাশ। শব্দৰে প্ৰকাশ কৰাৰ মাজত লুকাই থকা 'অপ্ৰকাশিত' খিনিয়েই কবিতা। এইখিনিতে এই কথা উল্লেখযোগ্য যে সাহিত্যৰ বিভিন্ন শাখাৰ ভিতৰত আটাইতকৈ সূক্ষ্মতম কলা হিচাপে কবিতাৰ মূল কথা হ'ল ৰস। পাঠকে পঢ়ি উঠি যদি ৰসাস্বাদন কৰিবলৈ সমল বিচাৰি নেপায় তেনেহ'লে তেনেধৰণৰ সৃষ্টি কবিতা হ'ব নোৱাৰে। বৰং ই হৈ পৰিব কবিতাৰ নামত এক শব্দ সমষ্টি। গদ্য আৰু কবিতাৰ পাৰ্থক্য ইয়াতেই।

কবিতাৰ ব্যঞ্জনাইহে মূল কথা। ইঙ্গিতময়তা যদি নাথাকে, ব্যঞ্জনা যদি নাথাকে তেনেবোৰ বাক্যগাঁথনি কবিতা হ'বলৈ অপাৰগ। সৰ্বসাধাৰণে দেখি নোপোৱা কিবা এটা কবিয়ে দেখা পায়। কেতিয়াবা সাধাৰণভাৱে, কেতিয়াবা

ৰহস্যধৰ্মিতাৰে প্ৰকাশ কৰে। অৱশ্যে কথ্য ভাষাৰ এই ৰহস্যময়তা কবিৰ বাবে ভাষাৰ, শব্দৰ খেল নহয়।

কবিতাৰ শৰীৰ হ'ল ত্ৰি-মাত্ৰিক। বক্তব্য হ'ল ইয়াৰ প্ৰথম মাত্ৰা। আঙ্গিক, লয়, ছন্দ, ধ্বনি, অলংকাৰ আদি হ'ল দ্বিতীয় মাত্ৰা আৰু দেশ কালৰ সীমা পাৰ হৈ যাব পৰা সাৰ্বজনীনতা বা বাণী হ'ল তৃতীয় মাত্ৰা। এই তৃতীয় মাত্ৰাটোৰ পেশী যিমান উজ্জ্বল আৰু সবল, মননশীল -পাঠকে তাৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। তৃতীয় মাত্ৰাটো আকৌ দ্বিতীয় মাত্ৰাটোৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল। এটা আনটোৰ পৰিপূৰক।

যি কি নহওক কবিতাৰ উৎস হ'ল কবিৰ জাগতিক অভিজ্ঞতা আৰু কবিৰ মনত তাৰ প্ৰতিক্ৰিয়া। কবিৰ থাকে পৰম্পৰাৰ জ্ঞান আৰু সযতন দক্ষতা। বিশিষ্ট কবি-সমালোচক নলিনীধৰ ভট্টাচাৰ্যৰ মতে, ''কবিতাত ধ্বনি আৰু লয় থাকে। সেইবাবে কবিৰ মাতে ইয়াক জীৱন্ত কৰি তোলে। এই মাতৰ অভাৱত কবিতা নিষ্প্ৰাণ। কাম আৰু চকু উভয়ৰে সহায়ত কবিতা বুজিব পাৰি। পাঠকৰ সাঙ্গীতিক শ্ৰৱণ শক্তি আৰু শব্দ চিত্ৰ চোৱাৰ দৃষ্টি শক্তি নাথাকিলে কবিতাৰ ভিতৰলৈ সোমোৱা টান। কবিতাত ভাৱৰ বৈচিত্ৰ্য থাকিবও পাৰে, কিন্তু সেইবোৰৰ যোগসূত্ৰও থাকে। সেইবোৰ অৱশ্যে গদ্যৰ লেখীয়া নহয়।''

কবিতাৰ আধাৰ হ'ল প্ৰকৰণ। ইয়াত চিন্তা-অনুভূতিয়ে ৰূপ লয়। ইয়াক প্ৰসঙ্গৰ পৰা পৃথক কৰিব নোৱাৰি। আচলতে প্ৰসঙ্গ আৰু প্ৰকৰণৰ সন্মীলিত ৰূপেই কবিতা। আচলতে কবিতাৰ শৈলীক প্ৰসঙ্গ আৰু প্ৰকৰণৰ পৰা পৃথক কৰা টান। শব্দ নিৰ্বাচন কৰোঁতে তাৰ সোৱাদ উপযোগিতা আৰু প্ৰকাশ ক্ষমতা এই আটাইবোৰ কথালৈ কবিয়ে চকু ৰাখিবলগীয়া হয়। শব্দচয়ন বাক্যগাঁথনিৰ লয় আৰু শ্ৰুতিমধুৰ ধ্বনিলৈকে - সকলোতে কবি এজন সতৰ্ক আৰু সংযত হ'বলগীয়া হয়। কবিতাত কবিৰ দৃষ্টিভংগী, শৈলী ব্যঞ্জিত হৈ আনৰ কাৰণে মৌলিক আৰু দীপ্তিময় হৈ উঠে তাতেই কবিতাৰ সৌন্দৰ্য ফুটি উঠে। আৰু সিয়েই পাঠকক আনন্দ দিয়ে কবিসকলে লোক-মানসৰ পৰা। লোক-জীৱনৰ পৰা কবিতাৰ উপাদান সংগ্ৰহ কৰিব লাগিব আৰু তাক ন-ৰূপত সজাই পৰাই ল'ব লাগিব। পৰাপক্ষত কবিতাৰ ব্যক্তি সৰ্বস্বতাৰ পৰা মুক্ত কৰি বাস্তৱিক কৰাৰ প্ৰয়াস কবিয়ে কৰিব লাগিব। অন্তৰ্মুখিতাৰ মাজতো বস্তুনিষ্ঠতাৰ সন্ধান উৎকৃষ্ট কবিতাৰ বাবে প্ৰয়োজনীয়। কবিতাত মানুহ, দেশ-মাটি, জীৱনৰ গোন্ধ থাকিব লাগিব। এইবোৰৰ পৰাই সমল গোটাই লৈ ইঙ্গিতময়তাৰে ব্যঞ্জনাধৰ্মী কবিতা কবিয়ে লিখিব পাৰিব লাগিব। কোনো কোনো কবিয়ে ব্যঙ্গ মিহলি আৱেগপূৰ্ণ ভাষাৰেও কবিতাৰ চৰ্চাত ব্ৰতী হৈছে। বহু সময়ত ব্যঙ্গয়ো পাঠকক আকৃষ্ট কৰে। এচাম কবিয়ে কবিতাৰ ভাষাত 'লিৰিকেল সুৰ' প্ৰয়োগ কৰি পাঠকক মোহে। এনে কবিৰ কবিতাত শব্দৰ ঘৰুৱা ঠাঁচ, লোক ভাষাৰ ঐতিহ্য বিৰাজমান।



সুদূৰ জোনাকী, ৰামধেনু যুগৰ পৰা আৰম্ভ কৰি অসমীয়া কবিতাই কবিৰ হাতত বিভিন্ন পৰ্যায় অতিক্ৰমী এই সময়ত উপস্থিত হৈছে। ৰোমাণ্টিকতাৰ পৰা কিছু পৰিমাণে মুক্ত হৈ আমাৰ সাম্প্ৰতিক অসমীয়া কবিতাই উত্তৰ আধুনিকতো পৰৱৰ্তী পৰ্যায়লৈ গতি কৰিছে। সাম্প্ৰতিক অসমীয়া কবিতাত আমি ধ্যান-ধাৰণা - বিষয়বস্তু আৰু শৈলীৰ পৰিৱৰ্তনো লক্ষ্য কৰিছোঁ। এতিয়াৰ কবিতাই নিজস্ব বৈয়াকৰণিক ৰীতিৰ পৰা ফালৰি কাটি জীৱনৰ জিজ্ঞাসা কৰা যেন অনুভৱ হয়। সাম্প্ৰতিক কবিসকলৰ একাংশই বাস্তৱিক প্ৰয়োগৰ দিশটোক এফলীয়া কৰি কাব্য চৰ্চাত নিমগ্ন হৈছে। এচামে পৰম্পৰা আৰু লোকভাষাক সমল কৰি কাব্য চৰ্চা কৰিছে। আৰু এচামে কেৱল কল্পনা শক্তি আৰু ৰোমাণ্টিক ভাৱ বিলাসৰ মাজতেই কবিতাক কৰ্ষণ কৰিছে। আকৌ কবিতা সৃষ্টি নে নিৰ্মাণ - এই সন্দৰ্ভতো কবিসকলৰ মাজত সংশয় আজিও আছে। সাম্প্ৰতিক অসমীয়া কবিতাত আমি উভয় দিশৰে গুৰুত্ব দেখি আহিছোঁ। কোনোবাই যদি কবিতাৰ সৃষ্টিত গুৰুত্ব দিছে, অন্য কোনোবাই দিছে নিৰ্মাণত। কিছুমানে আকৌ কবিতাৰ সাহটোকে উপলব্ধি কৰিবলৈ অপাৰগ হৈ কবিতাক কেৱল শব্দৰ কাৰচাজি লৈ নমাই নিছে। সাম্প্ৰতিক অসমীয়া কবিতালৈ লক্ষ্য কৰিলে দেখা যায় যে এতিয়াৰ কবিতাৰ বিষয়বস্তু সীমাহীন। সন্মুখত দেখা-নেদেখা অলেখ বস্তুক সমল কৰি কবিয়ে কবিতা ৰচনা কৰি গৈছে। এক কথাত ক'ব পাৰি যে কবিতাৰ বিষয়বস্তু এতিয়া বহুত্বৰে ভৰা। অৱশ্যে খাপ নোখোৱা বিধৰ বিষয়বস্তুৱে পাঠকক সমানেই আমোদ দিব নোৱাৰে। ছন্দৰ ক্ষেত্ৰতো মানি চলা নহয় তাৰ ফলত কোনো কোনো কবিৰ কোনো কোনো কবিতাই একেবাৰে গদ্যৰ কাষো নচপাকৈ নাথাকে। আৰু এনেবোৰ কবিতা শেষ বিচাৰত কবিতাৰ শাৰীলৈ উন্নত হোৱাৰ সম্ভাৱনা কম।

সাম্প্ৰতিক অসমীয়া কবিসকলে লোকভাষাকে কবিতাৰ বাহন কৰিবলৈ যত্ন কৰিছে। অৱশ্যে কবিসকল ভাষাৰ ব্যৱহাৰৰ সম্পৰ্কে সিমান সজাগ আৰু সচেতন নহয়। বহুসময়ত উকা বিৱৰণ আৰু শব্দৰ বাহুল্যৰে কবিতা নিৰ্মাণ কৰি তেওঁলোক সন্তুষ্ট থকা দেখা যায়। বিভিন্ন পক্ষৰ সুবাদত আহি পৰা জনপ্ৰিয়তাই তেওঁলোকক অযথা অহংকাৰী কৰি তোলে। কবিক অহংকাৰ লাগে সঁচা, কিন্তু ই আত্ম ক্ষতিকৰ পৰ্যায়ৰ হ'ব নালাগে। নিজৰ সৃষ্টিৰ প্ৰতি কবিৰ কেতিয়াবা দ্বিধা আৰু সংশয়ো প্ৰয়োজনীয়। আমাৰ কবিসকলৰ মাজত আৰু এটা প্ৰৱণতা লক্ষ্য কৰা যায়। সেইটো হ'ল জ্ঞাতে-অজ্ঞাতে জনপ্ৰিয় জ্যেষ্ঠ কবিৰ কবিতাৰ অনুকৰণ। অনুকৰণে এজন মৌলিকতাৰ বাটত হেঙাৰ হৈ থিয় দিব পাৰে। সাম্প্ৰতিক অসমীয়া কবিসকলে এনে মানসিকতা বৰ্জন কৰাটো ভাল আৰু কবিতাৰ বাবেই গুৰুত্বপূৰ্ণ।

সাম্প্ৰতিক সময়ছোৱাত অসমীয়া ভাষাত কাব্য-চৰ্চা কৰা কবিৰ সংখ্যা বাঢ়িছে, কিন্তু সেই অনুপাতে মানবিশিষ্ট কবিতাৰ সংখ্যা বাঢ়িছে বুলি একে আষাৰে ক'ব নোৱাৰি। কোনোবাই গুৰুত্ব দিয়ে প্ৰতীকৰ ব্যৱহাৰত, কোনোবাই চিত্ৰশিল্পত, কোনোবাই বক্তব্যত, কোনোবাই বিৱৰণত। কিন্তু ব্যঞ্জনাময় ভাষা এটাৰ অবিহনে কবিতা এটা সাৰ্থক নহ'বও পাৰে।

এই আলোচনাৰ আৰম্ভণিতে কোৱা হৈছে যে আচলতে কবিতাৰ ভাষাই এটা মৃদু ৰহস্যৰ পোছাক পিন্ধি থাকিব লাগে। এই কথাই এইটো নুবুজায় যে কবিতা জটিল বা দুৰ্বোধ্য। এই ৰহস্যৰ পোছাক কিদৰে, কিমান পৰ্যায়ত পিন্ধিব লাগিব - সেই কথা কবিয়ে নিজেই জানিব লাগিব। পাঠকসকলে কবিতাৰ নামত বিৱৰণী আৰু বিবৃতি নিবিচাৰে - কিয়নো ইয়াৰ নান্দনিক মূল্য নাই। কবিতাত অনুভূতিময় ভাষা, বৈচিত্ৰ্য, লয়ৰ প্ৰয়োজন। সাম্প্ৰতিক কবিসকলে এই কথা ভালকৈ অনুধাৱন কৰা উচিত।

আজিকালি প্ৰায়েই এনে অভিযোগ শুনা যায় যে সাম্প্ৰতিক অসমীয়া কবিতা ভাৱ আৰু প্ৰকাশত দুৰ্বোধ্য যে সাধাৰণ পাঠকে বুজি নাপায় আৰু সাধাৰণ পাঠক আৰু কবিৰ মাজত এখন দুৰ্ভেদ্য প্ৰাচীৰ গঢ় লৈছে। কবিতা কেৱল এচাম কবি আৰু সমালোচকৰ মাজতে আবদ্ধ হৈ পৰিছে - সাধাৰণ পাঠক ইয়াৰ ৰসাস্বাদনৰ পৰা বঞ্চিত। এই অভিযোগ নোহোৱা কৰাৰ দায়িত্ব মূলতঃ কবিসকলৰেই। অৱশ্যে পাঠকসকলো কিছু দায়িত্বশীল হ'ব লাগিব।



নহ'লে সাম্প্ৰতিক অসমীয়া কবিতাই উচিত মৰ্যাদা পোৱাত বাধাৰ সৃষ্টি হ'ব। ■

প্ৰসঙ্গ পুথি ঃ

১) নিৰ্বাচিত অসমীয়া কবিতা — ১৯৪০-১৯৯৪ / পাতনি সম্পাদক — উদয় কুমাৰ শৰ্মা

২) কবিতাৰ কথা — নলিনীধৰ ভট্টাচাৰ্য

৩) কবিতাৰ সবিশেষ — ইমদাদ উল্লাহ।

*(প্ৰকাশ কাল ২০১৪-১৫ বৰ্ষ)*

# চিত্ৰকলা আৰু ভাস্কৰ্যত অসম

**ভূপেন সন্দিকৈ**
স্নাতক পঞ্চম ষাণ্মাসিক, অসমীয়া

হিন্দুসকলৰ মহাকাব্য মহাভৰতত প্ৰাচীন শোণিতপুৰৰ দানৱ বংশী ৰজা বানৰ জীয়াৰী ঊষা আৰু দ্বাৰকাৰ যদুকুলৰ শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কুমাৰৰ প্ৰেম কাহিনী আমি পঢ়িবলৈ পাওঁ। এই প্ৰসংগত ঊষাই নিশা সপোনত অনিৰুদ্ধ দিব্যকুমাৰক দেখা পালে আৰু সখী চিত্ৰলেখাক সপোনৰ সকলো কথা বিৱৰি ক'লে। চিত্ৰলেখায়ো কল্পনাৰে ত্ৰিজগতৰ যক্ষ, ৰক্ষ, গন্ধৰ্ব দেৱতা, কিন্নৰ আৰু যদুবংশৰ সকলোকে আঁকি ঊষা সখীক দেখুৱালে। ইয়াৰ মাজত ঊষাই সপোনৰ দিব্যকুমাৰ অনিৰুদ্ধক দেখা পালে আৰু চিত্ৰসখীৰ সহায়ত তেওঁক লাভ কৰিলে। গতিকে ইয়াৰপৰাই ভালকৈ জানিব পাৰি যে সেই সময়ত সমগ্ৰ প্ৰাচীন কামৰূপতো চিত্ৰবিদ্যাৰ চৰ্চা আৰু প্ৰচলন আছিল।

চিত্ৰ–কলাৰ ক্ৰমবিকাশৰ লগে লগে অসমৰ চিত্ৰকলাতো আধ্যাত্মিক আৰু দাৰ্শনিক ভাৱ পৰিস্ফুট হোৱা দেখা যায়। কাৰণ প্ৰাচীন কামৰূপত দৰ্শনৰ চৰ্চা বহুলৰূপে হৈছিল। গতিকে ইয়াৰ চাপ কামৰূপী চিত্ৰকলাত পৰাটো একো স্বাভাৱিক নহয়। সপ্তম শতিকাৰ কবিগুৰু বানভট্টই ৰচিত হৰ্ষচৰিত যমপুৰীৰ চিত্ৰ আৰু উজ্জয়িনীৰ দেৱালচিত্ৰৰ বিষয়ে উল্লেখ আছে। সেই সময়ত কামৰূপৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ ৰজা আছিল কুমাৰ ভাস্কৰ বৰ্মা। এওঁ থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধন শিলাদিত্যৰে সৈতে মিত্ৰতা পাতি পঠিওৱা লগতে কামৰূপী সংস্কৃতিৰ এখনি ৰঙীন চিত্ৰও দিয়াৰ কথা আমি পুথিত



পাওঁ। ইয়াৰ বাহিৰেও ৰজা ভাস্কৰ বৰ্মাৰ ৰাজ্যৰ নিধানপুৰ আৰু অন্যান্য ঠাইত থকা তামৰ ফলিত ৰাজপ্ৰাসাদৰ বিতোপন দেৱাল–চিত্ৰৰ বিষয়ে উল্লেখ আছে। আনকি সেই সময়ত মুগা কাপোৰ আৰু তুলাপাততো ধৰ্ম সম্বন্ধীয় চিত্ৰ অঁকাৰ প্ৰচলন আছিল। কিন্তু কালৰ সোঁতত পুৰণি কামৰূপৰ চিত্ৰকলাৰ নিদৰ্শনবোৰ জাহ গ'ল। পুৰণি নিদৰ্শন আজি প্ৰায় নাইকিয়াই হ'ল।

বিশ্বৰ অৱতাৰী মহাপুৰুষসকলৰ ভিতৰত অসমৰ শ্ৰীমন্ত শংকৰদেৱ অন্যতম। তেৰা এজনা উচ্চ পৰ্যায়ৰ সুদক্ষ কলাকাৰ আছিল। তেখেতে মাধৱদেৱৰ সৈতে লগ লাগি চিহ্নযাত্ৰাৰ উদ্দেশ্যে সাত বৈকুণ্ঠৰ পট আঁকি অংকীয়া ভাওনাৰ জৰিয়তে জনসাধাৰণৰ মন ভগৱান্মুখী কৰিলে। মহাপুৰুষ শংকৰদেৱে কোঁচৰজা নৰনাৰায়ণক উপহাৰ দিয়া শ্ৰীকৃষ্ণ জীৱন চৰিত সন্নিৱিষ্ট ১৮০ ফুট দীঘল বৃন্দাৱনী বস্ত্ৰখনিয়ে বৈষ্ণৱ কলাৰ চৰম নিদৰ্শন দাঙি ধৰে।

শ্ৰীমন্ত শংকৰদেৱে অনেক শাস্ত্ৰ প্ৰণয়ন কৰে। তাৰ ভিতৰত পুৰণি সাঁচিপাতত লিখা *কীৰ্তন–ঘোষা*, *সচিত্ৰ আদ্য দশম স্কন্ধ ভাগৱত* বিশেষ ৰূপে উল্লেখযোগ্য। তুলসীদাসৰ *ৰামচৰিত*, গুজৰাটী *বসন্ত বিলাস*, জয়দেৱৰ *গীত–গোবিন্দ* আদি পুথি চিত্ৰৰ দৰে প্ৰাচীন কামৰূপৰ বৈষ্ণৱ যুগতো পুথি-চিত্ৰৰ প্ৰচলন হৈছিল। দক্ষিণ ভাৰতৰ তালপাত, উত্তৰ ভাৰতৰ ভূৰ্জপত্ৰৰ নিচিনাকৈ প্ৰাচীন কামৰূপতো সাঁচিপাতত চিত্ৰ অংকিত কৰা হৈছিল। পৰৱৰ্তী যুগত মুগাকাপোৰ আৰু তুলাপাতো চিত্ৰ অঁকাৰ মাধ্যম হিচাপে বাছি লোৱা হৈছিল।

নানা প্ৰাকৃতিক দুৰ্যোগ আৰু গৰাকীসকলৰ অৱহেলাৰ কাৰণেই এনেবোৰ সচিত্ৰ পুথি লাহে লাহে লোপ পালে। পুথি পাঁজিবোৰৰ গৰাকীহঁতে চৰকাৰে লৈ যাব বুলি ভাবি কোনো শুংসূত্ৰকেই আনক জানিবলৈ নিদিয়া হ'ল। কিছুমানে বিদেশী লোকৰ পৰা ধন লৈ বিক্ৰী কৰিলে। ইত্যাদি কাৰণত অসমৰ প্ৰাচীন পুথি–চিত্ৰ পাবলৈ নাইকিয়া হ'ল। মাথোন আজিলৈকে কেইখনমান মুষ্টিমেয় পুথিৰ উদ্ধাৰ কৰাৰ সংবাদ পোৱা যায়। এইবোৰৰ ভিতৰত আদ্য *দশম স্কন্ধ ভাগৱত*, *ভক্তি ৰত্নাৱলী*, *একাদশ স্কন্ধ শ্ৰীমদ্ভাগৱত*, *কীৰ্তন-ঘোষা*, *মহাভাৰত*, *ৰামায়ণ*, *অজামিল উপাখ্যান*, *কুমৰহৰণ*, *নামঘোষা*, *ধৰ্মপুৰাণ*, *দৰঙী ৰজাৰ বংশাৱলী*, *হস্তীবিদ্যাৰ্ণৱ*, *আহোম–জ্যোতিষ*, *গীত-গোবিন্দ*, *শংখচূড়বধ*, *কল্কীপুৰাণ*, *বনমালীদেৱৰ ৰচিত আনন্দলহৰী*, *মহস্মা চৰিত*, *সমুদ্ৰ মন্থন* ইত্যাদিয়েই প্ৰাচীন কামৰূপীয় চিত্ৰৰ উৎকৃষ্ট নিদৰ্শন। এই

সচিত্ৰ পুথিসমূহৰ ভিতৰত তাহানিৰ শিল্পীসকলে মুগা কাপোৰত অংকিত কৰা আহোম জ্যোতিষ আৰু নামঘোষা। ইয়াৰ বাহিৰেও বাকীখিনি পুথি সাঁচিপাতৰ।

আহোম স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ দ্বিতীয়া ভাৰ্যা ৰাণী অম্বিকাদেৱীৰ পৃষ্ঠপোষকতা আৰু অশেষ যত্নৰ ফলত বিখ্যাত *হস্তীবিদ্যাৰ্ণৱ* পুথিখনি শিল্পী দিলবৰ আৰু দোচাইৰ হতুৱাই চিত্ৰিত কৰোৱা হৈছিল। এই পুথিখনি ১৭৩৪ খ্ৰীষ্টাব্দত প্ৰাচীন অসমীয়া গদ্য ছন্দেৰে লিখা হৈছিল। গ্ৰন্থকাৰ আছিল সুকুমাৰ বৰকাইম। ইয়াৰ ৰচনাৱলীত দুই এটা টাই-আহোম আৰু পাচী শব্দ সন্নিৱিষ্ট কৰা আছে। পুথিখনিৰ মূল বিষয় প্ৰসংগ হ'ল হস্তীৰ বিভিন্ন বৰ্ণনা, হস্তীযুদ্ধ, হস্তী আৰু পাৰিষদ বৰ্গেৰে সৈতে স্বৰ্গদেউৰ সমদল যাত্ৰা, নৃত্য সংগীতৰ সমাৰোহ, আহোম ৰাজপ্ৰাসাদৰ বিৱৰণ, হস্তীৰ ব্যাধিৰ নানা চিকিৎসা ইত্যাদি।

মহাপুৰুষ মাধৱদেৱৰ বিৰচিত অমূল্য গ্ৰন্থ *সচিত্ৰ ৰত্নাৱলী* পুথিখনি ১৬৫৩ শকৰ মাঘ মাহৰ গুৰুবাৰৰ দিনা সমাপন কৰা কথা পুথিৰ শেষত সুন্দৰভাৱে লিখা আছে। পুথিখনি সাঁচিপাতৰ আৰু ১৪৫ পৃষ্ঠাৰ সমষ্টি। প্ৰথম পৃষ্ঠাৰপৰা ১৪১ পৃষ্ঠালৈকে ১৯৪ খনি অতি মনোমোহা আৰু বিতোপন উজ্জ্বল ৰঙৰ চিত্ৰৰে ৰূপায়িত কৰা। শেষৰ চাৰি পৃষ্ঠা চিত্ৰবিহীন। পুথিত লিখা আখৰবোৰ প্ৰাচীন অসমীয়া ভাষাৰ পূৰ্ণ নিদৰ্শন।

ভাগৱতৰ মূল তত্ত্ব এই *ভক্তি ৰত্নাৱলী* মূল সংস্কৃত পুথিখনি কাশীৰ পৰা আনি বিষ্ণুপুৰী সন্ন্যাসীয়ে মাধৱদেৱৰ হাতত অৰ্পণ কৰিছিল। মহাপুৰুষে এই অমূল্য গ্ৰন্থখনি পাই অসমীয়ালৈ পদ্য ছন্দত অনুবাদ কৰে। এই সচিত্ৰ পুথিখনিৰ মূল বিষয় প্ৰসংগ হ'ল ন-বিধ ভক্তি, প্ৰতিবিধ ভক্তিৰ লক্ষণ, বিশদ বিৱৰণ, প্ৰাকৃত, মাধ্যম আৰু উত্তম এই তিনিবিধ প্ৰকৃত ভক্তৰ বিশদ ব্যাখ্যা।

এই সচিত্ৰ পুথিসমূহৰ বাহিৰেও নগাঁৱৰ কুৰুচুং সত্ৰত থকা শ্ৰীধৰৰ টীকাৰে সৈতে *মূল পুৰাণ* পুথি, নগাঁৱৰ মায়ামৰা সত্ৰৰ নিত্যানন্দ কায়স্থে লিখা *শ্ৰীমদ্ভাগৱত মৎস্য চৰিত*, দিনজয়ী সত্ৰৰ *বিষ্ণুৰ দশাৱতাৰ*ৰ ছবি, বাৰেঘৰ সত্ৰৰ ৰামানন্দ কায়স্থৰ *কুমৰ হৰণ*, কামৰূপৰ শুৱালকুছিৰ শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰত থকা *সচিত্ৰ কীৰ্তন* আৰু অসমৰ চুকে-কোণে পৰি থকা সাঁচিপতীয়া সচিত্ৰ পুথিসমূহেই অসমৰ চিত্ৰকলাৰ পূৰ্ণ নিদৰ্শন দাঙি ধৰিছে। চিত্ৰকলাতকৈ অসমত মূৰ্তিকলাত কিছু চহকী। ভাৰতৰ আন আন ঠাইৰ

TINSUKIA COLLEGE LIBRARY ESTD 1956



তুলনাত আমাৰ মূৰ্তিকলা কোনো গুণে কম নহয়। অসমীয়া শিল্পীয়ে প্ৰকৃতিক পূজা কৰে, অন্তৰেৰে সৈতে গ্ৰহণ কৰে। কল্পনা শক্তিৰে সৈতে অসমীয়া শিল্প নীতিৰে সংমিশ্ৰণে সৃষ্টি কৰিছে আমাৰ মূৰ্তি আৰু চিত্ৰকলা-যাৰ প্ৰতিটো গুণাগুণ অসমৰ মূৰ্তিকলাত প্ৰকাশিত। অসমৰ মূৰ্তিকলা ধৰ্ম আৰু বৈষয়িক ভাৱেৰে ভাবাপন্ন যদিও ইয়াত আধ্যাত্মিক নৈপুণ্য ফুটি উঠিছে। ধৰ্ম সম্বন্ধীয় মূৰ্ত্তি সমূহ হ'ল — দেৱ-দেৱীৰ মূৰ্তি - যাৰ চৰণত ঘটপট পাতি নৈবেদ্য দি পূজা-পাতলৰ চিৰকলীয়া ব্যৱস্থা আছে। বৈষয়িক বিষয়ৰ স্মৃতিসমূহ জীৱজন্তু, চৰাই-চিৰিকটি, গছ-লতিকাযুক্ত, জ্যামিতিক অলংকৰণ ইত্যাদি।

প্ৰাচীন কালত শদিয়াৰ ওচৰৰ ঢল নদীৰ তীৰত তাম্ৰেশ্বৰী মন্দিৰ নিৰ্মাণ কৰা হৈছিল। মন্দিৰৰ চালখনি তামেৰে সজোৱা হৈছিল বাবে এই মন্দিৰৰ নাম তাম্ৰেশ্বৰী হয়। চুতীয়া ৰজাসকলৰ দিনতে মন্দিৰৰ দেউৰী পূজাৰীসকলে নৰবলি দি দেৱীক পূজা কৰিছিল বাবে উপাস্য দেৱীক কেঁচাইখাঁতী গোসাঁনীও বোলা হৈছিল। কালক্ৰমত মন্দিৰৰ বহুত অংশ ভাঙি চিঙি যায়। এই ভগ্নাৱশেষবোৰৰ ভিতৰত সপ্ত ঘোঁৰা সমন্বিত অৰুণেৰে সৈতে বিশ্বজ্যোতি শক্তিমান সূৰ্য দেৱতাৰ মূৰ্তি, মহাদেৱৰ বক্ষস্থলত পদক্ষেপণ কৰি জিভা কামুৰি থকা অৱস্থাৰ চামুণ্ডা কালীমূৰ্তি, ময়ূৰ-ময়ূৰী, পত্ৰ-পুষ্প পৰিপূৰ্ণ স্বৰ্ণঘট, বিকশিত শতপত্ৰ, ধৰ্মচক্ৰ সুসজ্জিত হাতী-ঘোঁৰা সাজপাৰ আৰু স্বৰ্ণালংকাৰে বিভূষিতা নৰ্তকী আৰু জ্যামিতিক অলংকৰণ পৰিদৃষ্ট হয়। ইয়াৰ পোৰামাটিৰ মূৰ্ত্তিসমূহত প্ৰাচীন শাক্ত ধৰ্মৰ অভাৱ পৰা যেন লাগে। এই প্ৰাচীন ফলকসমূহ উচ্চ পৰ্যায়ৰ হ'লেও মৃৎশিল্পীৰ সৃজনী শক্তিত ফুটি উঠিছে মানৱ আৰু প্ৰকৃতিৰ মাজত থকা নিবিড় সম্বন্ধৰ ব্যঞ্জনাখিনি।

১৩ শতিকাত নিৰ্মিত তিনিচুকীয়াৰ ব্ৰোঞ্জৰ মহিষমৰ্দিনী মূৰ্তি বিশেষ ৰূপে উল্লেখযোগ্য। এই মূৰ্তিখনিত অস্ত্ৰবিহীন আদ্যাশক্তি মহামায়া দশভুজা দুৰ্গাই সোঁভৰিখনি সিংহৰ পিঠিত আৰু বাওঁ ভৰিখনি মহিষাসুৰৰ সোঁকান্ধত ৰাখি ৰণচণ্ডীৰূপে দণ্ডায়মান।

ডিব্ৰুগড়ৰ লেজাই মিৰি পথাৰ গাঁৱত থকা ৰাইদেঙীয়া দ'ল-দেৱালয়ত দৈত্যৰাজ বলিৰে সৈতে বামনৰূপী বিষ্ণু, ৰাজহংস বাহনৰ ওপৰত সৃষ্টিকৰ্তা ব্ৰহ্মা, নৰসিংহৰূপী বিষ্ণুৱে হিৰণ্যকশিপুৰ নিধন কৰা দৃশ্য, কুৰ্ম অৱতাৰ মৎসৰূপী বিষ্ণুমূৰ্তি, অনন্ত, বৰাহৰূপী বিষ্ণু আৰু অন্যান্য মূৰ্তি পৰিদৃষ্ট হয়।

সম্ভৱতঃ আদিতে দ'ল নিৰ্মাণৰ সময়ত ভগৱান বিষ্ণুৰ দশাৱতাৰৰ মূৰ্তিসমূহ সুন্দৰৰূপে শিল্পীয়ে খোদিত কৰিছিল। কালক্ৰমত ইয়াৰ কিছুমান মূৰ্তি ভাঙি ছিঙি নাইকিয়া হৈ যায়। জনশ্ৰুতি আছে যে বাইদঙীয়া বৰুৱাই আহোম স্বৰ্গদেউ প্ৰমত্তসিংহৰ ভনীয়েকক বিয়া কৰায় আৰু যৌতুক চিনস্বৰূপে ৰজাই এই দ'ল সজাই দিয়ে।

শিৱসাগৰৰ ওচৰত থকা শিমলুগুৰি চৰাইদেউ পৰ্বতৰ প্ৰাচীন বিষ্ণুমন্দিৰত লক্ষ্মী, সৰস্বতী, স্বয়ং বিষ্ণু আৰু আন আন দেৱ-দেৱীৰ কিছুমান বিতোপন মূৰ্তি আছিল। মূৰ্তিসমূহৰ ভিতৰত বীণাবাদিনী সৰস্বতীৰ মূৰ্তি উল্লেখযোগ্য। সৰস্বতীয়ে ত্ৰিভঙ্গ ৰূপেৰে বীণা বাই আছে। এওঁৰ চুলি বন্ধাৰ কলা-কৌশলত এটি বিশেষত্ব থকা যেন অনুমান হয়। দেৱীয়ে চক্ৰাকাৰ কাণফুলি, অৰ্ধবৃত্তাকাৰ হেমহাৰ, মনোমোহা কঁকালী, হাতত আৰু ভৰিত বিতোপন নূপুৰ আৰু কলাফুললৈকে ওলমি পৰা বস্ত্ৰ এখনি পৰিধান কৰিছে। এই মন্দিৰৰ কেইটামান মূৰ্তি অসম ৰাজ্যিক সংগ্ৰাহালয়ত সংৰক্ষিত অৱস্থাত আছে।

নেঘেৰিটিঙৰ শিৱদ'ল পাঁচটা দ'লৰ সমষ্টি। ইয়াৰ মুখ্য দ'লৰ গৰ্ভগৃহৰ উপাসনাৰ বেদীত বানলিংগ বিদ্যমান। আন আন গৌণ দ'লৰ কেইটাৰ অন্তৰভাগত সুন্দৰভাৱে অধিষ্ঠিত কৰা সূৰ্যদেৱতা, গণেশ, দুৰ্গা আৰু বিষ্ণু মূৰ্তি বিৰাজিত। উৰ্ব ঋষিয়ে এই পাহাৰত দ্বিতীয় কাশী স্থাপন কৰিবৰ উদ্দেশ্যে দ'ল কেইটি বান্ধি শিৱলিংগ প্ৰতিষ্ঠা কৰে অতি প্ৰাচীন কালত। প্ৰবাদ আছে যে সেই কাৰ্য সম্পূৰ্ণ হৈ নুঠাত মুখ্য দ'লৰ উপাসনাৰ বেদীত থকা বানলিংগকেই তেওঁ নিতৌ পূজা কৰিছিল। আজিকালি যিবোৰ দ'ল তাত দেখিবলৈ পোৱা যায় সেইবোৰ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত পুনৰ নিৰ্মাণ কৰোৱা।

গোলাঘাটৰ নুমলীগড়ৰ দেও পৰ্বতত এটি প্ৰাচীন মন্দিৰ প্ৰায় ভগ্ন অৱস্থাত দেখিবলৈ পোৱা যায়। তাহানিৰ দিনত এই পৰ্বততে শিৱ মহাপ্ৰভুৱে বসবাস কৰিছিল হেতুকে এই ঠাইক দেওপৰ্বত বোলা হৈছিল। এই মন্দিৰৰ উল্লেখযোগ্য বিখ্যাত মূৰ্তি হ'ল ত্ৰিপুৰাৰী শিৱ। ইয়াত শিৱই দৈত্যানুসুৰ ত্ৰিপুৰক নিধন কৰিবৰ অভিপ্ৰায়েৰে যুদ্ধ কৰিছিল। শিৱৰ উজ্জ্বল মুখখনি আৰু শ্যাম কলেৱৰৰ অংগ-প্ৰত্যঙ্গত ফুটি উঠিছে ৰুদ্ৰৰূপৰ পূৰ্ণ স্বভাৱ। দৃশ্যত দুয়ো ৰণসাজে সজ্জিত। ইয়াৰ উপৰিও মন্দিৰৰ গাত খোদিত কৰা দেৱ-দেৱীৰ মূৰ্তি,



শিৱলিংগ, বেতাল, ঋষিৰ তপস্যাভংগ, পাত ফুলৰ বিচিত্ৰ কাৰুকাৰ্য আদিয়ে নুমলীগড়ৰ শিৱমন্দিৰৰ অতীত গৰিমা প্ৰকাশি আছে। মন্দিৰৰ মূৰ্তিসমূহৰ নিৰ্মাণ কাৰ্যৰ সময় অষ্টম-নৱম শতিকা আৰু গুপ্ত শিল্পৰ নিদৰ্শন বুলি পুৰাতত্ত্ববিদসকলে অনুমান কৰে।

দেওপানীৰ দুৰ্গামন্দিৰৰ বাছকবনীয়া মূৰ্তিসমূহত স্থানীয় জনজাতিসকলৰ শিল্পৰ প্ৰভাৱ পৰা যেন অনুমান হয়। কছাৰী আৰু গাৰো মহিলাসকলৰ ৰিহা মেখেলাত যিবোৰ ফুল বছা হয় সেইবোৰ ডিমাপুৰ আৰু কাছমাৰিৰ শৈলমূৰ্তিৰ অনুৰূপ অলংকৰণ মাত্ৰ। ডিমাপুৰৰ ৰাজকাৰেঙৰ স্তম্ভসমূহৰ ভগ্নাৱশেষত তিব্বত বৰ্মী লোকসকলৰ প্ৰাচীন শিল্পকলাৰ চৰম নিদৰ্শন বৈ আছে। মহেঞ্জোদাৰোৰ বিজয় স্তম্ভৰ লগত ইয়াৰ যথেষ্ট সাদৃশ্য আছে আৰু শিল্পকৰ্ম নৱম শতিকাৰ বুলি অনুমেয়।

নগাঁও জিলাৰ ডবকাৰ ওচৰ আকাশী গংগাৰ নিচেই কাষতে থকা শিৱমন্দিৰৰ ভগ্নাৱশেষবোৰৰ ভিতৰত নৃত্যৰত গণেশমূৰ্তি, নৰ্তকী, শিৱলিংগ, চোৰৱধাৰিণীৰ সৈতে শিৱমূৰ্তি, নন্দী আৰু অসংখ্য দেৱ-দেৱীৰ মূৰ্তি পৰিলক্ষিত হয়। ইয়াৰ উপৰিও ডবকাৰ গোসাঁইজুৰিত থকা বাসুদেৱমূৰ্তি, বুঢ়ী গোসাঁনী মন্দিৰৰ দুৱাৰৰ স্তম্ভত নিখুঁতভাৱে খোদিত কৰা বিষ্ণুৰ দশাৱতাৰৰ মূৰ্তি আৰু মিকিৰহাটৰ গজ, সিংহ মূৰ্তিয়েই প্ৰসিদ্ধ।

কামৰূপৰ নীলাচল পাহাৰৰ ওপৰত কামাখ্যা মন্দিৰ অৱস্থিত। মন্দিৰৰ গৰ্ভগৃহৰ পুণ্যস্থানৰ বেদীত কামাখ্যা দেৱীৰ পৱিত্ৰ যোনিপীঠ বিদ্যমান। পাহাৰৰ ওপৰত থকা এচটা শিলত বালভৈৰৱৰ মূৰ্তি অতি সুন্দৰভাৱে খোদিত কৰা আছে। বালভৈৰৱৰ চতুৰ্ভুজ ৰূপৰ। এওঁ ব্ৰজদণ্ড, ত্ৰিশূল, গদা আৰু এটি অস্পষ্ট ধৰণৰ পত্ৰ ধাৰণ কৰিছে। বালভৈৰৱে পৰিধান কৰাৰ জকমকীয়া পদুমৰ অলংকৰণৰ বিতোপন শিৰৰ মুকুট, চক্ৰাকাৰ ৰূপৰ কাণৰ কুণ্ডল, বুকুলৈ ওলমি পৰা বিচিত্ৰ কণ্ঠহাৰ, সুগোল হস্তকঙ্কণ, মনোমোহা কঁকালী ভাঁজবিহীন কটিবস্ত্ৰ আৰু সুদীৰ্ঘ মুণ্ডমালাই তেওঁৰ ৰূপৰ সঞ্চাৰ আনি দিছে। মেলি থকা বিকট মুখখনিৰ দুয়োফালে ওলাই অহা দীঘল দাঁত দুটিয়ে বালভৈৰৱৰ স্বৰূপ দাঙি ধৰিছে। দুয়োভৰিৰে অসুৰক গছকি ধৰি পাপ শক্তিক নিধন কৰা হৈছে।

ইয়াৰ বাহিৰেও অতুলনীয় সৌন্দৰ্যৰ বেণুগোপালৰ মূৰ্তি, মাতৃৰ কোলাত

শিৱমূৰ্তি, ধনুধাৰী নৃত্যৰত গণেশমূৰ্তি, বড়ো ৰমণীয় মূৰ্তি, মহাপ্ৰতাপী ধৰ্মপৰাণ কোঁচৰজা নৰনাৰায়ণ আৰু তেওঁৰ স্নেহৰ ভ্ৰাতৃ যুৱৰাজ চিলাৰায়ৰ শৈলমূৰ্তি আকৰ্ষণীয় আৰু উল্লেখযোগ্য। গুৱাহাটী মহানগৰীৰ আশে-পাশে থকা উমানন্দ, উৰ্বশী, অশ্বক্লান্ত, শুক্ৰেশ্বৰ আদিত ঠাইৰ যিবোৰ মূৰ্তি দৃষ্টিগোচৰ হয় সেইবোৰ অতি মনোৰম আৰু প্ৰাচীন কামৰূপৰ কলা-কৃষ্টিৰ স্মৃতিচিহ্ন মাথোন।

গোৱালপাৰাৰ সূৰ্য পাহাৰ দুৰ্গতিনাশিনী দশভুজা দুৰ্গা, চন্দ্ৰ, সূৰ্য অন্যান্য দেৱ-দেৱী আৰু শত সহস্ৰ শিৱলিংগৰে পৰিপূৰ্ণ হৈ আছে। ইয়াৰে ভিতৰত পঞ্চ বিষ্ণুমূৰ্তি বিশেষ ৰূপে উল্লেখযোগ্য। কথিত আছে যে আদিতে এই মূৰ্তিসমূহ পঞ্চ বোধিসত্ত্বৰ আছিল। কালক্ৰমত বিষ্ণুমূৰ্তিলৈ ৰূপান্তৰিত হয়। গোৱালপাৰা জিলাৰ অন্যান্য নাম কৰা মূৰ্তিসমূহৰ ভিতৰত ভৈৰৱ পাহাৰৰ ভৈৰৱ-ভৈৰৱী, ৰাধা-কৃষ্ণৰ মূৰ্তি, মহাদেৱ পাহাৰৰ শিৱমন্দিৰৰ বিচিত্ৰ ভংগিমাৰ এঘাৰটা নটৰাজ শিৱৰ মূৰ্তি, লক্ষ্মী-সৰস্বতী আৰু পাৰ্বতীৰ সৈতে নানা নাৰীমূৰ্তি, শিৱৰ ধৰ্মচক্ৰ, যজ্ঞপাট, লালমাটি মন্দিৰৰ দ্বাৰপাল মূৰ্তি, আভংগ ৰূপৰ নৰ্তকী মূৰ্তি ইত্যাদি।

হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ অতীজৰেপৰা বিখ্যাত। এই মন্দিৰ মণি পৰ্বত গামেৰে এটা টিলাৰ ওপৰত অৱস্থিত। প্ৰবাদ আছে যে এই মহান তীৰ্থস্থানখনি প্ৰতিষ্ঠা কৰিছিল তাহানি কালৰ উৰ্ব ঋষিয়ে। উৰ্ব ঋষি তাতেই সদাসৰ্বদা ভগৱানক তপস্যা কৰিছিল। ঋষিৰ এই মহান তপস্যাত বিভ্ৰাট ঘটাইছিল অসুৰবিলাকে। ভক্তৰ এই পৱিত্ৰ কাৰ্যত ব্যাঘাত জন্মোৱা কাৰণে স্বয়ং ভগৱান বিষ্ণুৱে অসুৰবিলাকক নিধন কৰি মণি পৰ্বততেই হয়গ্ৰীৱ মাধৱৰূপে থাকিবলৈ ল'লে আৰু তেতিয়াৰ পৰাই এই মন্দিৰৰ নাম হয় হয়গ্ৰীৱ মাধৱ মন্দিৰ। মন্দিৰৰ গৰ্ভগৃহত উপাস্য দেৱতা হয়গ্ৰীৱ মাধৱৰ মূৰ্তি অধিষ্ঠিত। মূৰ্তিৰ এফালে বাসুদেৱ আৰু গোবিন্দ মাধৱ আৰু আনফালে বাহনৰূপী গৰুড় পক্ষী আৰু দ্বিতীয় মাধৱ বিৰাজমান। হয়গ্ৰীৱ মূৰ্তিৰ ডিঙিৰ পৰা মূৰলৈকে ঘোঁৰাৰ আকৃতিৰ আৰু শৰীৰৰ বাকী অংশ বিষ্ণু ৰূপৰ বৌদ্ধ ধৰ্মৰ লোকসকলে এই মূৰ্তিখনি ভগৱান শাক্যমুনি বুদ্ধৰ বুলি বিশ্বাস কৰে।

তেজপুৰৰ বামুণী পাহাৰত চিত্ৰ-বিচিত্ৰ ফুল-পাত, বৃক্ষ-তৰু-লতাৰে সৈতে অসংখ্য দেৱ-দেৱী, নৰ-নাৰী, জীৱজন্তুৰ মূৰ্তি য'তে ত'তে পৰি থকা দেখা যায়। ইয়াৰ ভিতৰত ৰাম, পৰশুৰাম, বৰাহ, চতুৰ্ভুজ ৰূপৰ নৰসিংহ মূৰ্তি, দুৰ্গা, বাঘ, সিংহ, মকৰ আদিৰ বাহকবনীয়া মূৰ্তিয়েই প্ৰধান। উত্তৰ লক্ষ্মীমপুৰ বাসুদেৱ মন্দিৰত এটি মটীয়া বৰণৰ শিলৰ ওপৰত খোদিত কৰা বৃহৎ মূৰ্তি আছে। মূৰ্তিখনি বাসুদেৱ বিষ্ণুৰ নামেৰে জনাজাত। মূৰ্তিৰ দৈহিক ৰূপাংকৰ, ছন্দযুক্ত ৰেখাৰ গুণাগুণ, অলংকাৰ পাতি নিখুঁত কাৰ্য আৰু বিকাশভংগী অপৰূপ কাৰুকাৰ্যই দৰ্শকৰ মন সততে মোহিত কৰে।



অসমৰ নগৰে-চহৰে, গাঁৱে-ভূঁয়ে সিঁচৰিত হৈ থকা শিৱ দুৰ্গা, কুবেৰ, নৰসিংহ, কাৰ্তিক, হস্তীৰ ওপৰত আৰোহণ কৰা ইন্দ্ৰ আৰু হিন্দু বৌদ্ধ ধৰ্মৰ বিতোপন মূৰ্তিয়ে অসমী আইৰ প্ৰাচীন গৌৰৱ অক্ষুণ্ণ ৰাখি বিজয় গৰিমা প্ৰকাশিছে। ■

*(প্ৰকাশ কাল ২০১৪-১৫ বৰ্ষ)*

# অসমৰ লোক-সংস্কৃতিত 'বিশ্বাস'

নিবন ডেকা
স্নাতক পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ

এইবোৰ বিশ্বাস পৰম্পৰাগত, এইবোৰ বিশ্বাস দৈনন্দিন জীৱনৰ ধূলিৰে ধূসৰিত। অসমৰ লোক-সংস্কৃতিত সৰু-সুৰা অজস্ৰ বিশ্বাসৰ নিজাকৈ মৰ্যাদা আছে, সুকীয়াকৈ সেই বিশ্বাসক ওলগ জনোৱা হয়।

জাতিৰ লোকবিশ্বাসবোৰ প্ৰথমে অন্ধবিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল যদিও লোক বিশ্বাসবোৰৰ মাজেদিয়েই জাতিটোৰ ধ্যান-ধাৰণা, মানসিকতা, ৰুচি-অভিৰুচি আৰু জাতীয় সংস্কৃতিৰ আভাস পোৱা যায়। সাধাৰণতে বিভিন্ন জনগোষ্ঠীৰ মনত যুগ যুগ ধৰি সঞ্চিত হোৱা অন্ধবিশ্বাস কিছুমানৰ দ্বাৰাই লোকবিশ্বাস কিছুমানৰ জন্ম দিওৱা হয় আৰু অৱশেষত এই লোকবিশ্বাসবোৰেই এটা জাতিৰ এটা সভ্যতাৰ বুৰঞ্জী স্বৰূপ হৈ পৰে।

প্ৰাচীন কালৰ পৰাই অসমীয়া সভ্যতাৰ স'তে বিভিন্ন ধৰ্মবিশ্বাস, ভূত-প্ৰেত, যখ-যখিনী, পিশাচ, বুঢ়া-ডাঙৰীয়া আদিৰ বিশ্বাস জড়িত হৈ আছে। সেয়ে অসমীয়া লোক-সংস্কৃতিৰ প্ৰধান উপাদানসমূহৰ বিশ্লেষণ কৰিবলৈ যাওঁতে জনসাধাৰণৰ ধৰ্ম সম্বন্ধীয় বিশ্বাস আৰু পূজা-পাতল অনুষ্ঠানসমূহৰ বিষয়েও বিচাৰ কৰিব লাগিব। উল্লেখযোগ্য যে গছ, পৰ্বত-পাহাৰ, নদ-নদী, জীৱ-জন্তুৰ পূজা আজিও বিভিন্ন সম্প্ৰদায়ৰ মাজত বহুলভাৱে প্ৰচলিত। অসমীয়া সমাজত অশৰীৰী দেৱ-দেৱীক বিশ্বাস কৰাৰ লগতে জড় বস্তুকো কোনো কোনোৱে দেৱতাৰ প্ৰতীকস্বৰূপে বিশ্বাস কৰি পূজা উপাসনা কৰিছিল। উদাহৰণ



স্বৰূপে শিলকো পৱিত্ৰ জ্ঞান কৰি পূজা কৰাৰ কথা উল্লেখ কৰিব পাৰি। আজিও শ খৰি দি বাহিৰে বাহিৰে গা-ধুই চোতালৰ মূৰৰ জুই একুৰাত ভৰি দুখন সেকি শিল এটাৰ ওপৰত ভৰি থোৱা হয়। অৰ্থাৎ শিলত ভৰি দুখন থোৱাৰ লগে লগে মৰাশৰ লগত থকা অশৌচ দূৰ হোৱা বুলি বিশ্বাস কৰা হয়। এই লোকবিশ্বাস প্ৰথম অষ্ট্ৰিকসকলৰ পৰা অহা। আনহাতে সন্তান জন্ম হোৱাৰ পাছত বাজ ওলোৱা অনুষ্ঠানত পটাগুটি যুঁজোৱা হয়। বিশ্বাস অনুসৰি পটাগুটি যুঁজালে সন্তানসকল অধিক কাৰ্যক্ষম হয়। আঘোণমহীয়া ন-ধানৰ পতান অলপ তিনিমুঠি ন-ধানৰ খেৰেৰে পদূলিমুখত শিলগুটি এটাৰে পতানী দেৱীক পূজা এভাগ দিয়া হয়। পতানী দেৱীক পূজা কৰিলে পাছৰ বছৰ পতান কম হয় বুলি বিশ্বাস। মৃতকক পোতা ঠাইৰ ওপৰত বহুতো জনজাতীয় লোকে থিয় শিল পোতে। অসমীয়া বিবাহ, মৃত্যু আৰু শপত খোৱা অনুষ্ঠানত শিলৰ ব্যৱহাৰ আছে। এই সকলো বিশ্বাস অষ্ট্ৰিকসকলৰ পৰা অহা।

অসমীয়া সমাজত জীৱ-জন্তু সম্বন্ধীয় বহুবোৰ লোকবিশ্বাস গঢ় লৈ উঠিছিল। প্ৰাচীন যুগৰে পৰা ইজিপ্ত আৰু ভাৰতৰ সকলোতে গৰুক যথেষ্ট সন্মান দিয়া হৈছিল। অসমীয়া সমাজতো বিশেষকৈ বিহুত গৰুক শুশ্ৰূষা কৰা হয় আৰু লগতে বিভিন্ন সামাজিক আচাৰ-আচৰণবোৰো পালন কৰা হয়। গৰুৰ গোবৰ কেৱল ৰোগৰ পথ্য হিচাপেই ব্যৱহৃত নহয়, ইয়াৰ ভূত-পিশাচ আদি খেদিবপৰা শক্তি থকা বুলিও বহুতে বিশ্বাস কৰে। চোতালৰ শুকান গোবৰৰ জুই ধৰাৰ উদ্দেশ্যও প্ৰকৃততে এয়া। পশুৰ ভিতৰত বহু সম্প্ৰদায়ে বান্দৰৰ পূজাও কৰে। বিশ্বাস অনুযায়ী বান্দৰ বধ কৰাটো পাপ। মেকুৰীৰ ভিতৰত ক'লা বৰণৰ মেকুৰীক ভূত-প্ৰেতৰ লগত সম্বন্ধ থকা জীৱ বুলি বিশ্বাস কৰা হয়। বহুতে ঘৰত মেকুৰীয়ে মেও-মেওকৈ ঘূৰি ফুৰাটো অমঙ্গলৰ চিন বুলি বিশ্বাস কৰে। কিছুমান নগা সম্প্ৰদায়ৰ লোকে শত্ৰুৰ ৰোগ বঢ়াবলৈ ক'লা মেকুৰী বধ কৰি পূজা কৰে। বহুতে আকৌ দুই শত্ৰুৰ মাজত পূৰ্বৰ সম্বন্ধ ঘূৰি আহিবৰ বাবে মেকুৰী বলি দিয়ে।

বাঘ সম্বন্ধেও বহুতো বিশ্বাস প্ৰচলিত। বিশেষকৈ চেমা নগাসকলে বাঘক ''টোটেম'' বা ''জাতীয় প্ৰতীক'' বুলি স্বীকাৰ কৰে। অৰ্থাৎ বাঘ তেওঁলোকৰ পূৰ্বপুৰুষ। বৰ্তমান বিশ্বৰ বৃহদাকাৰ জন্তু হাতীক সদায় মঙ্গলৰ চিন বুলি বিশ্বাস কৰা হয়। আজিও বহুতো আদিম মানুহে হাতীৰ ওপৰত পৃথিৱীখন ৰৈ থকা

বুলি বিশ্বাস কৰে।

সাপ আৰু জেঠীক লৈয়ো বহুবোৰ লোকবিশ্বাস গঢ়ি উঠিছিল। বিশেষকৈ মণিপুৰীসকলৰ মাজত এটা বিশ্বাস প্ৰচলিত যে তেওঁলোকৰ পূৰ্বপুৰুষেই পৰিয়ালৰ মঙ্গলৰ অৰ্থে সাপ ৰূপে জন্ম গ্ৰহণ কৰি ঘূৰি আহে। মণিপুৰীসকলৰ পূৰ্বপুৰুষ এজন হ'ল পাখংবা। তেওঁলোকৰ বিশ্বাস যে এই পাখংবাই মাজে সময়ে সৰ্পৰূপে দেখা দিয়ে। আনহাতে ৰাজসিংহাসনৰ তলত যিমান দিন পাখংবা থাকিব সিমান দিন ৰজা নিৰাপদে সিংহাসনত উপৱিষ্ট হৈ থাকিব বুলিও বিশ্বাস কৰে। খাচীয়া, চেমানগা, আওনগা, ৰাভা আদি জনগোষ্ঠীবোৰৰ মাজতো সাপৰ লগত জড়িত বহুবোৰ ধাৰণা বা বিশ্বাস আছে। খাচীয়াসকলে সাপক তুষ্ট কৰিবলৈ ইউথলেন পূজাত নৰবলি দিছিল। আওনগা সকলে সাপৰ অনিষ্টকাৰী প্ৰভাৱৰপৰা ৰক্ষা পাবলৈ বছৰি কুকুৰা বলি দি তুষ্ট কৰিছিল। ৰাভাসকলেও সৰ্পদেৱতাক তুষ্ট কৰিবৰ বাবে বছৰি নৰবলি দিছিল।

অসমীয়া আৰু জনজাতীয়সকলৰ মাজত বিশ্বাস যে ধানৰ ভঁৰাল, পানী, ধন-সম্পত্তি, আদি থোৱা ঠাইতে ফেঁটী সাপ ৰখীয়া হৈ থাকে। এই ফেঁটীসাপবোৰক মানুহে পৱিত্ৰ জ্ঞান কৰে। বিশ্বাস অনুযায়ী যুৰীয়া ফেঁটী সাপ থাকিলে ধান ভঁৰালৰ উন্নতি হয়। নামঘৰ, মন্দিৰ আদিত থকা সাপকো মানুহে পৱিত্ৰ জ্ঞান কৰে। চৰিত পুথিত উল্লেখ আছে যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক ফেঁটী সাপে ফেঁট তুলি ছাঁ দি আছিল। সেয়ে বৈষ্ণৱ সমাজত ফেঁটীসাপ মৰাটো পাপ। বহুতো জনজাতিয়ৰ মাজত এই বিশ্বাস আছে যে গৰ্ভৱতী অৱস্থাত তিৰোতাই বা তেওঁৰ স্বামীয়ে সাপ মাৰিব নাপায়। যাত্ৰাপৰত সোঁহাতে সাপ দেখাটো অমঙ্গলৰ চিন। আনহাতে অসমীয়া সমাজত যোৰপতা সাপ দেখিলে প্ৰণয় আৰু কাজিয়াত সফলতা আৰু জয় লাভ হয় বুলি বিশ্বাস কৰে। বহুতে যোৰপতা সাপৰ গাত নতুন কাপোৰ এখন পেলাই দি সেই কাপোৰখন ল'লে প্ৰণয় বা কাজিয়া কোনো মোকৰ্দমাত জয়লাভ ঘটে বুলি বিশ্বাস কৰে। সপোনত সাপ দেখিলে বন্ধুৰ লগত মনোমালিন্য হোৱাৰ পূৰ্বাভাস বুলিও বিশ্বাস কৰা হয়।

চৰাই, পখিলা, মৌ-মাখিৰ লগতো বহুতো লোকবিশ্বাস জড়িত হৈ আছে। চৰাইৰ ভিতৰত ফেঁচা আৰু কাউৰীৰ চিঞৰ-বাখৰ, গতিবিধি অনুযায়ী শুভ-অশুভ দুয়োবিধ কাৰ্য ঘটে বুলি বিশ্বাস কৰা হয়। উদাহৰণ স্বৰূপে -



পুৱাৰ ভাগত কাউৰীয়ে মাতিলে আলহী অহাৰ বাতৰি দিয়ে। আনহাতে
ঘৰৰ চৌহদৰ ভিতৰত কাউৰীয়ে কোৰ্হাল কৰিলে অমঙ্গলৰ আগজাননী দিয়ে
বুলি বিশ্বাস। কোনো যাত্ৰাপৰত কাউৰীয়ে মাতিলেও অমঙ্গলৰ চিন। ফেঁচাক
লক্ষ্মীৰ বাহন স্বৰূপে গণ্য কৰিলেও ইয়াক কুলক্ষণীয়া চৰাই হিচাপেহে বহুতে
বিশ্বাস কৰে। কাৰণ ফেঁচাই নিউ নিউ কৰিলে মানুহৰ মৃত্যু হয় বুলি বিশ্বাস।
ঘৰত ফেঁচা সোমোৱাটো পৰিয়ালৰ বাবে অমঙ্গলজনক। উল্লেখযোগ্য যে
ফেঁচাৰ মঙহ আৰু পাখি কমোদ্দীপক ঔষধ ৰূপে বিশ্বাস কৰি বহুতে ব্যৱহাৰ
কৰে। পখিলা উৰি আহি গাত পৰিলে বিবাহ আগন্তুক বুলি বিশ্বাস কৰা হয়।
নগাসকলৰ মাজত পখিলা মৰাটো নিষিদ্ধ কাৰণ নগাসকলৰ বিশ্বাস যে পখিলা
হ'ল মৃতকৰ আত্মা। অসমীয়া সমাজত হঠাৎ মৌ-মাখিবাহে আহি ঘৰৰ
ভিতৰত প্ৰৱেশ কৰাটো সৌভাগ্যৰ লক্ষণ আৰু পোহনীয়া মৌ-মাখি এবাৰ
ঘৰ এৰিলে দুৰ্ভাগ্যৰ চিন বুলি বিশ্বাস কৰা হয়।

বিভিন্ন গছ-গছনিৰ লগতো বহুতো লোকবিশ্বাসৰ সম্পৰ্ক আছে। প্ৰাচীন
যুগত গছক স্বয়ং দেৱতা জ্ঞান কৰি পূজা কৰা হৈছিল। কিন্তু যুগৰ পৰিৱৰ্তনৰ
লগে লগে গছবোৰত ভূত-প্ৰেত থকা বুলিও বিশ্বাস কৰিবলৈ ধৰে। হিন্দুসকলে
পূজা কৰা গছসমূহৰ ভিতৰত বট্গছ, আঁহতগছ, কদম গছ, বেলগছ, শিলিখা
গছ, নিমগছ, সিজুগছ, কলগছ, তুলসী গছ আদি উল্লেখযোগ্য। অসমত
নিম গছৰ পাত ভূত খেদোৱাৰ দৰৱ হিচাপে ব্যৱহাৰ কৰা হয়। বড়ো-কছাৰী
আৰু নগাসকলৰ সমাজতো সিজু গছক লৈ বহুতো বিশ্বাস জড়িত হৈ আছে।
অসমীয়া সমাজত বিশ্বাস যে ঘৰৰ মূধত সিজুগছ থাকিলে জুই শিল-বৰষুণ
আৰু ধুমুহাৰ পৰা ৰক্ষা পোৱা যায়। পথাৰৰ চাৰিসীমাত ৰোৱা সিজু গছ
জোপাই কেৱল গৰু-ম'হৰ অত্যাচাৰৰ পৰা ধাননি-পথাৰ, বাৰী আদি ৰক্ষা
কৰাৰ উপৰিও ভূত-পিশাচৰ পৰাও ৰক্ষা কৰে। অসমীয়া বিশ্বাসমতে প্ৰসূতিৰ
ঘৰৰ দুৱাৰমুখত সিজু গছ ৰোৱাটো নিয়ম। আমাৰ সমাজত আজিও
বিহলঙনিৰে জাৰিলে ভূত-বিহলঙনিৰে জৰা ফুকা কৰে। বিশ্বাস অনুযায়ী
পিশাচ নাথাকে বুলি বহুতে আজিও বিশ্বাস কৰে। সেয়ে অমাৱস্যা, একাদশী,
মঙ্গলবাৰ আৰু শনিবাৰে বাঁহ কটাটো আমাৰ সমাজত নিষেধ।

মাছ খোৱা আৰু মাছ ধৰা সন্দৰ্ভত আমাৰ বহুতো লোকবিশ্বাস জড়িত
হৈ আছে। আমাৰ অসমীয়া সমাজত মাছ ধৰিবলৈ যোৱাৰ আগমুহূৰ্তত

জকাই, জুলুকি, পল আদি বাঢ়নিৰে কোবাই আৰু পানীত নমাৰ আগতে মাছ ধৰা সঁজুলিত তিনিবাৰ থুৱাই লোৱা বিশ্বাসবোৰ অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত। মাছক লৈ সমাজ অনুসৰি ইমানবোৰ বিশ্বাস প্ৰচলিত হৈ আছে যে তাৰ বিশদ বিৱৰণ দিয়াটো যথেষ্ট কষ্টকৰ। বড়ো সমাজত এটা বিশ্বাস আছে যে মাছ মাৰোঁতে প্ৰথমে পোৱা মাছটোৰ ফিচাখন দাঁতেৰে কামুৰি ছিঙি পেলাব লাগে, কাৰণ তেতিয়া হেনো মাছ অধিককৈ পায়। আনহাতে প্ৰথম খেওতে গেদগেদী মাছ উঠাটো অতি বেয়া লক্ষণ। অসমীয়া সমাজৰ বিয়াৰ অন্যান্য মাঙ্গলিক অনুষ্ঠানতো উৰ্বৰতাৰ প্ৰতীক স্বৰূপে মাছৰ বহুল প্ৰয়োগ আছে। তদুপৰি আমাৰ সমাজৰ বিশ্বাস যে সপোনত বগা মাছ দেখিলে ভাল আৰু ক'লা ৰঙৰ মাছ দেখা বেয়া।

আমাৰ অসমীয়া সমাজত সেন্দূৰ আৰু কণীক লৈয়ো বহুবোৰ লোকবিশ্বাস গঢ় লৈ উঠিছে। শুভ আৰু মাঙ্গলিক কাৰ্যত সেন্দূৰ আৰু হালধিৰ প্ৰয়োগতো কিছুমান লোকবিশ্বাস জড়িত হৈ আছে। বসন্ত কালত কণী যুঁজোৱা, বিয়াৰ বেইৰ তলত কণী পোতা আদি বিশ্বাসবোৰ অষ্ট্ৰিকভাষী জনগোষ্ঠীৰ পৰা অহা। কণীক প্ৰজননৰ প্ৰতীকৰূপে বিশ্বাস কৰাৰ বাবেই বসন্তকালত কণী যুঁজোৱা আৰু বেইৰ তলত কণী পোতা হয়।

লোহা আদিৰ লগতো আমাৰ বহুবোৰ লোকবিশ্বাস জড়িত হৈ আছে। লোহাত এনে ঐন্দ্ৰজালিক গুণ আছে বুলি বিশ্বাস যে, লোহা ধাৰণ কৰিলে বা লগত থাকিলে ভূত-প্ৰেত বা প্ৰেতাত্মাৰপৰা ৰক্ষা পাব পাৰি। সেয়ে মৃতকৰ সৎকাৰ কৰা মানুহজনৰ লগত এখন কটাৰী লৈ ফুৰিবলৈ দিয়া হয়। তদুপৰি সন্তান জন্ম হোৱাৰ পাছত পোৱাঁতী আৰু সন্তানক যাতে ভূত প্ৰেত ডাইনীয়ে নাপায় তাৰ বাবে প্ৰসূতিৰ পাটীৰ তলত কটাৰী বা কাচি এখন থোৱাৰ নিয়ম প্ৰচলিত আছে। কু-মন্ত্ৰ আদিৰ পৰা ৰক্ষা পাবৰ বাবে বিয়াৰ দিনা দৰা-কন্যায়ো একোখনকৈ কটাৰী লগত লৈ থকাটো নিয়ম।

ভূত-প্ৰেত আদিক লৈয়ো আমাৰ সমাজত বহুতো বিশ্বাস প্ৰচলিত। বিশেষকৈ খেতৰ-খেতৰণী নামৰ ভূত-প্ৰেতৰ ওপৰত থকা বিশ্বাস বৰ গভীৰ। বিশ্বাস অনুযায়ী পোৱালি জন্ম হোৱাৰ পাছত মাক-পোৱালি উভয়কে খেতৰ-খেতৰণীয়ে পোৱাৰ বৰ ভয় থাকে। সেয়ে গাই জগাৰ পাছত ফেহু খীৰাই কুমলীয়া বাঁহৰ চুঙাত ভৰাই জুইত তপতাই পাছত চকলা চকলকৈ



কাটি সৰণ খেৰৰ খৰিকা দুভাঁজ কৰি দুয়োমূৰে দুচকল ফেহু সী মাক পোৱালিৰ কাণত-ডিঙিত দি খেতৰ-খেতৰণীৰ পূজা পতা হয়।

অন্যান্য দেশৰ দৰে অসমতো জন্ম, প্ৰেম, বিবাহ আৰু মৃত্যু সম্বন্ধীয় নানান বিশ্বাস আছে। উদাহৰণস্বৰূপে গৰ্ভৱতী তিৰোতাই বিশেষকৈ প্ৰথম সন্তান জন্ম হ'বৰ সময়ত মাকৰ ঘৰলৈ যোৱাটো অসমৰ এটা সামাজিক প্ৰথা। সাধাৰণতে আমাৰ সমাজত জন্ম হোৱাৰ দিনৰে পৰা এমাহলৈকে মাকক অশুচি বুলি ধৰা হয় আৰু ঘৰৰ অন্যান্য বস্তু বাহানি একোকে স্পৰ্শ কৰিবলৈ দিয়া নহয়। সেই সময়ত মাকৰ ওচৰত তুঁহ-জুই আৰু গোবৰ খুঁটিৰ জুই একেৰাহে জ্বলাই থোৱাৰ নিয়ম। বিছনাৰ তলত কটাৰী এখনো থোৱা হয়। জুইত সৰিয়হ দিয়া আৰু মাক তথা সন্তান উভয়ৰে গাত নহৰু বটি সানি দিয়া হয়। এনেবোৰ কাৰ্যৰ মূলতে হ'ল ভূত প্ৰেতক ভয় খুৱাই খেদি পঠোৱা।

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট যে আধুনিক বিজ্ঞান প্ৰযুক্তি যিমানে আগনাবাঢ়ক কিয় আমাৰ সমাজত এই লোক বিশ্বাসৰ ওপৰত প্ৰভাৱ নপৰে। উচ্চ শিক্ষাৰে শিক্ষিত হ'লেও এই বিশ্বাসক অলপ হ'লেও বিশ্বাস কৰেই।

এই লোকবিশ্বাস সমূহৰ ওপৰত বিভিন্ন জন পণ্ডিত গৱেষকে তেওঁলোকৰ দৃষ্টিত বিভিন্ন ভাগত ভাগ কৰি দেখুৱাইছে।

লোক বিশ্বাসক ড° নবীন চন্দ্ৰ শৰ্মাই দহটা ভাগত ভাগ কৰিছে। সেইবোৰ হ'ল — ধৰ্মীয় লোকবিশ্বাস, জন্তু সম্পৰ্কীয় লোকবিশ্বাস, চৰাই-চিৰিকটি সম্পৰ্কীয় লোকবিশ্বাস, গছ-গছনি-লতা-লতিকা-ফুল-ফলকেন্দ্ৰীক লোকবিশ্বাস, অলৌকিক বা স্বৰ্গীয় লোকবিশ্বাস, মানৱ শৰীৰ আৰু আচৰণৰ লগত জড়িত লোকবিশ্বাস, মাহ-বাৰ-তিথি-দিশ সম্পৰ্কীয় লোকবিশ্বাস, বিবিধ মিশ্ৰিত যাত্ৰা সম্পৰ্কীয় লোকবিশ্বাস, খাদ্য সম্পৰ্কীয় লোকবিশ্বাস।

যোগেশ দাসে *The Folklore of Assam* নামৰ গ্ৰন্থত জীৱ-জন্তু, চৰাই-চিৰিকটি, দিন,বাৰ যাত্ৰা গছ-গছনি আৰু অলৌকিক বস্তু সম্পৰ্কীয় ইত্যাদি লোকবিশ্বাসৰ কথা উল্লেখ কৰিছে।

ড° নাৰায়ণ দাসদেৱেও লোকবিশ্বাসক দহটা ভাগত ভগাইছে। তেওঁৰ বিভাগসমূহ হ'ল নিষেধ সম্পৰ্কীয়, আলহী অতিথি আগমন সম্পৰ্কীয়,

যাত্ৰা সম্পৰ্কীয়, বৃষ্টি সম্পৰ্কীয়, কৃষি সম্পৰ্কীয়, জন্ম সম্পৰ্কীয়, বিবাহ সম্পৰ্কীয়, মৃত্যু সম্পৰ্কীয়, অংগ-প্ৰত্যংগ সম্পৰ্কীয়।

এনে ধৰণৰ লোকবিশ্বাসবোৰৰ বাস্তৱিক বা বৈজ্ঞানিক সত্যতা আছে নে নাই আজিও জনা হোৱা নাই যদিও এনে বিশ্বাসবোৰেই সামাজিক বান্ধোন কটকটীয়া কৰে আৰু সাংস্কৃতিক বুনিয়াদ এটা গঢ়ি তোলাত সহায় কৰে।

সদৌ শেষত ক'ব পাৰি যে অসমত লোক-সংস্কৃতি এতিয়াও প্ৰাণময় আৰু জীৱন্ত হৈ আছে। প্ৰাচীন সামাজিক প্ৰথা, বিশ্বাস আৰু পূজা-পাতল, ক্ৰিয়া কলাপৰ অজস্ৰ তথ্যপাতি অসমত আজিও আছে। অষ্ট্ৰিক, তিব্বতবৰ্মী আৰু আৰ্য আদি ভাষা ভাষী মানুহৰ সংমিশ্ৰণৰ ফলত ই অধিক জটিল আৰু ৰহস্যময় হৈ পৰিছে। ■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১) বৰদলৈ, নিৰ্মলপ্ৰভা ঃ *অসমৰ লোকসংস্কৃতি* প্ৰকাশক ঃ বীণা লাইব্ৰেৰী, গুৱাহাটী, পুনঃমুদ্ৰণ ঃ ২০১১, আগষ্ট মাহ।

২) বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ *অসমৰ লোক-সংস্কৃতি* প্ৰকাশক ঃ বীণা লাইব্ৰেৰী, গুৱাহাটী, অষ্টম প্ৰকাশ ঃ ২০০৫ ছেপ্তেম্বৰ।

৩) শৰ্মা, নবীন চন্দ্ৰ ঃ *অসমীয়া লোক সংস্কৃতিৰ আভাস*, প্ৰকাশক ঃ বাণী প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, পঞ্চম প্ৰকাশঃ ২০১১।

৪) মিশ্ৰ, দুলাল (সম্পাদক) ঃ *অসম ইয়াৰবুক ২০১১* প্ৰকাশক ঃ শৰাইঘাট প্ৰকাশন, গুৱাহাটী। দশম প্ৰকাশ ঃ জানুৱাৰী ২০১১।

৫) বৰবৰা দাস, ৰূপলেখা (সম্পাদক) ঃ সোণোৱাল, পাৰুল (সহঃসম্পাদক) *সংস্কৃতি অধ্যয়ন*।প্ৰকাশক ঃ কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়। প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১৪।


*(প্ৰকাশ কাল ২০১৪-১৫ বৰ্ষ)*

TINSUKIA COLLEGE LIBRARY ESTD 1956



TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

পৰিশিষ্ট (১)

## তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ সম্পাদকসকল
## (১৯৭১-২০১৫)

| | |
|---|---|
| অলক গোস্বামী | ১৯৭১-৭২ |
| পদ্মেশ্বৰ দত্ত | ১৯৭২-৭৩ |
| সম্পাদনা সমিতিৰ দ্বাৰা | ১৯৭৩-৭৪ |
| পবন কুমাৰ দাস | ১৯৭৪-৭৫ |
| লম্বিত কোঁৱৰ | ১৯৭৫-৭৬ |
| পৱন দত্ত | ১৯৭৬-৭৭ |
| প্ৰদীপ দত্ত | ১৯৭৬-৭৭ |
| ব্ৰজেন দাস আৰু অৰূপ শৰ্মা | ১৯৭৭-৭৮ |
| চন্দন দত্ত আৰু গোলাপ প্ৰসাদ শ্বাহ | ১৯৭৮-৭৯ |
| ৰাজীৱ লোচন বৰকাকতী আৰু অঞ্জন বৰঠাকুৰ | ১৯৭৯-৮০ |
| ভূপেন দাস আৰু বিপুল লহকৰ | ১৯৮১-৮২ |
| দিগন্ত গগৈ আৰু শোণিত বৰগোহাঁই | ১৯৮২-৮৩ |
| সৌৰভ গোস্বামী | ১৯৮৩-৮৪ |
| সঞ্জীৱ কুমাৰ চেতিয়া আৰু মহেন্দ্ৰ শইকীয়া | ১৯৮৪-৮৫ |
| প্ৰদ্যুৎ কুমাৰ বৰুৱা আৰু আশুতোষ কৰ | ১৯৮৫-৮৬ |
| পবিত্ৰ গগৈ | ১৯৮৬-৮৭ |
| নৰজ্যোতি বৰুৱা আৰু মহেন্দ্ৰ সোণোৱাল | ১৯৮৭-৮৮ |
| সীমান্ত প্ৰতীম ঠাকুৰ | ১৯৮৯-৯০ |
| দিব্যজ্যোতি বৰুৱা | ১৯৯১-৯২ |
| গজেন ভূঞা | ১৯৯৬-৯৭ |
| প্ৰাঞ্জল প্ৰতীম বুঢ়াগোহাঁই | ১৯৯৭-৯৮ |
| অমিত ৰাজ ফুকন | ১৯৯৯-০০ |
| অনিক গগৈ | ২০০০-০১ |
| পিয়ুষ ভূষণ চেতিয়া | ২০০১-০২ |
| পিয়ুষ ভূষণ চেতিয়া | ২০০২-০৩ |

| | |
|---|---|
| হৰিপ্ৰসাদ শৰ্মা | ২০০৩-০৪ |
| পল্লৱী চেতিয়া | ২০০৪-০৫ |
| সুৰেন্দ্ৰ গগৈ(অপ্ৰকাশিত) | ২০০৫-০৬ |
| বিধান মৰাণ | ২০০৬-০৭ |
| কমল গগৈ | ২০০৭-০৮ |
| পংকজ গোহাঁই | ২০০৮-০৯ |
| নগেন ডেকা | ২০০৯-১০ |
| প্ৰাঞ্জল গগৈ | ২০১০-১১ |
| বৌচন গুপ্তা | ২০১১-১২ |
| আশিস আগৰৱালা | ২০১২-১৩ |
| ৰণোচ গগৈ | ২০১৩-১৪ |
| হেমচন্দ্ৰ গগৈ | ২০১৪-১৫ |

**পৰিশিষ্ট (২)**

## তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ বেটুপাতৰ শিল্পীসকল (১৯৭১-২০০২)

| | | | |
|---|---|---|---|
| ৰুদ্ৰ শৰ্মা | ১৯৭০-৭১ | প্ৰশান্ত প্ৰহৰ হাজৰিকা | ১৯৮৫-৮৬ |
| প্ৰবীণ কুমাৰ দত্ত | ১৯৭১-৭২ | সুমন বৰদলৈ | ১৯৮৬-৮৭ |
| ৰাজেন খাউণ্ড | ১৯৭২-৭৩ | ৰঞ্জন শৰ্মা | ১৯৮৭-৮৮ |
| ৰঞ্জন কুমাৰ গোস্বামী | ১৯৭৩-৭৪ | অনন্ত গগৈ | ১৯৮৯-৯০ |
| | ১৯৭৪-৭৫ | দিব্যজ্যোতি বৰুৱা | ১৯৯১-৯২ |
| ত্ৰৈলোক্য চেতিয়া | ১৯৭৫-৭৬ | জয়ন্ত গগৈ(১ম পৃষ্ঠা) | ১৯৯৫-৯৬ |
| সুনীল কুমাৰ নেওগ | ১৯৭৬-৭৭ | প্ৰদীপ মৰাণ (২য় পৃষ্ঠা) | |
| সুনীল কুমাৰ নেওগ | ১৯৭৭-৭৮ | টেপু গগৈ (৩য় পৃষ্ঠা) | |
| ত্ৰৈলোক্য চেতিয়া | ১৯৭৯-৮০ | মনোজ কুমাৰ দুৱৰা | ১৯৯৭-৯৮ |
| দীপক পাটোৱাৰী | ১৯৮১-৮২ | মুকুল দুৱৰা | ১৯৯৯-২০০০ |
| দিগন্ত গগৈ | ১৯৮২-৮৩ | প্ৰদীপ গাংগুলী | ২০০০-০১ |
| সুমন বৰদলৈ | ১৯৮৩-৮৪ | অশ্বিনী কোঁৱৰ | ২০০১-০২ |
| দিগন্ত গগৈ | ১৯৮৪-৮৫ | ইন্দ্ৰাণী শৰ্মা কোঁৱৰ | |

প্রতীতি

প্ৰতীতি

তিনিচুকীয়া মহাবিদ্যালয় আলোচনীৰ
নিৰ্বাচিত প্ৰবন্ধ সংকলন
(১৯৭০-২০১৮)

PRATEETI
A Tinsukia College
Diamond Jubilee Publication

ISBN-978-93-83308-67-5